বাণীকান্ত রচনাবলী

বাণীকান্ত ৰচনাৱলী

অসমীয়া খণ্ড

সম্পাদনা
ড° মহেশ্বৰ নেওগ

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী ৭৮১-০২১

BANIKANTA RACHANAVALI: A collection of complete works of Dr. Banikanta Kakati in Assamese edited by Dr. Maheswar Neog and published by Kumud Goswami, Secretary, Publication Board Assam, Guwahati, Assam, India, First Edition November 1991. Pp. 48 + 536. Price Rs. 150·00 only.

অসম প্ৰকাশন পৰিষদৰ আগতীয়া অনুমতি অবিহনে এই গ্ৰন্থ বা ইয়াৰ কোনো অংশ ফটোকপি, ৰেকৰ্ডিং আদিৰ দৰে কোনো ইলেকট্ৰনিক বা যান্ত্ৰিক উপায়েৰে অথবা কোনো তথ্যৰ সংগ্ৰহ পুনৰ ব্যৱহাৰ প্ৰণালীৰে পুনৰ প্ৰকাশ কৰিব নোৱাৰিব বা আন কোনো ৰূপত ব্যৱহাৰ কৰিব নোৱাৰিব।

No part or whole of this publication may be reproduced or utilized in any form or by any means, electronic or mechanical, including photocopying, recording, or by any information storage and retrieval system, without the prior permission in writing from Publication Board Assam.

প্ৰকাশক

কুমুদ গোস্বামী

সচিব

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী ৭৮১ ০২১

প্ৰথম সংস্কৰণ, নৱেম্বৰ ১৯৯১

মূল্য ১৫০·০০ টকা

মুদ্ৰাকৰ

পূৰ্বদেশ মুদ্ৰণ

বিহাবাৰী, গুৱাহাটী ৭৮১ [illegible]

পাতনি

ড° বাণীকান্ত কাকতি অসম তথা ভাৰতৰ সৰ্বশ্ৰেষ্ঠ গৱেষক আৰু পণ্ডিত সাহিত্যিকসকলৰ অন্যতম। প্ৰাচ্য-প্ৰাশ্চাত্যৰ সাহিত্যৰ বিশাল পৰিধিৰ জগত তেওঁ বিশেষভাৱে পৰিচিত আছিল। সেই কাৰণে তেওঁৰ লেখাত তুলনামূলক অধ্যয়ন আৰু সমালোচনাত্মক দৃষ্টিভঙ্গীৰ ব্যাপক দীপ্তিয়ে পাঠকৰ চিন্তা জগতৰ দিগন্ত প্ৰসাৰিত কৰাত সহায় কৰিছে।

ড° কাকতিৰ ৰচনাৰ বিষয়বস্তু বিচিত্ৰ আৰু বহুধা-বিভক্ত। শিশু-সাহিত্যৰ পৰা আৰম্ভ কৰি বুৰঞ্জী, পুৰাতত্ত্ব, লোক-সাহিত্য, নৃতত্ত্ব, সমালোচনা আৰু ভাষাতত্ত্ব আদি বিভিন্ন বিষয়-বিষয়ান্তৰলৈ তেওঁৰ অবাধ বিচৰণ। বৰ্তমান ৰচনাৱলীত ড° কাকতিৰ অসমীয়া ভাষাত প্ৰকাশ হোৱা লেখাসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁৰ ইংৰাজী ভাষাত প্ৰকাশিত গ্ৰন্থ-প্ৰবন্ধাদিৰ সুকীয়াকৈ গ্ৰন্থাকাৰে প্ৰকাশ কৰাৰ আমাৰ আঁচনি আছে।

ৰচনাৱলীৰ ভূমিকাত সম্পাদক ড° মহেশ্বৰ নেওগে ইংৰাজী আৰু অসমীয়া উভয় ভাষাত প্ৰকাশিত গ্ৰন্থ আৰু প্ৰবন্ধ সম্পৰ্কে বিস্তাৰিত আৰু মনোৰমভাৱে আলোচনা কৰিছে। ড° কাকতিৰ বিশাল পাণ্ডিত্য আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰো ই সম্যক পৰিচায়ক।

আমাৰ শ্ৰেষ্ঠ সাহিত্যিকসকলৰ ৰচনা-সম্ভাৰ থাউকতে পোৱাটো সহজসাধ্য নহয়। ড° বাণীকান্ত কাকতিৰ ৰচনাৱলীৰ ক্ষেত্ৰতো অনুৰূপ কথা প্ৰযোজ্য। আমাৰ যৎপৰোনাস্তি চেষ্টা সত্ত্বেও হয়তো ক'ৰবাত সংগৃহীত নোহোৱাকৈ তেওঁৰ প্ৰবন্ধ-পাতি থাকি যাব পাৰে। এই প্ৰসঙ্গতে ৰচনাৱলীত সন্নিবিষ্ট নোহোৱা লেখাৰ সন্ধান পালে আমাক জনাবলৈ পঢ়ুৱৈ সমাজক অনুৰোধ জনালো। সেইবোৰ ভৱিষ্যতলৈ ৰচনাৱলীৰ পৰৱৰ্তী সংস্কৰণত সন্নিবেশ কৰিব পৰা যাব।

ৰচনাৱলী সংগ্ৰহ আৰু প্ৰকাশত বিভিন্ন ব্যক্তি, অনুষ্ঠান আৰু বিশেষকৈ ড° কাকতিৰ পৰিয়ালৰ লোকে আমাক যৎপৰোনাস্তি সহায় কৰিছে। সদৌটিলৈ আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

সম্প্ৰতি ৰচনাৱলীত ড° কাকতিৰ গ্ৰন্থবদ্ধ ৰূপত প্ৰকাশ নোহোৱা প্ৰবন্ধ কিছুমানক বিষয়-বস্তুৰ সৈতে ৰজিতা খোৱাকৈ সুকীয়াভাৱে গ্ৰন্থ-ৰূপত নামকৰণ কৰা হৈছে।

বিজুলী প্ৰবন্ধসমূহ বাঁহী পত্ৰিকাত যেনেভাৱে ছপা হৈছিল তেনেভাৱেই প্ৰকাশ কৰা হ'ল। এই সম্পৰ্কে ড° কাকতিৰ গ্ৰন্থৰ স্বত্বাধিকাৰীসকলৰো মত একে।

বাণীকান্ত ৰচনাৱলীৰ নতুন পাতনি নিলিখি ইতিমধ্যে সাহিত্য অকাডেমিৰ "বাণীকান্ত চয়নিকা"ৰ পাতনি-ৰূপে প্ৰকাশিত প্ৰবন্ধটিকে অকাডেমিৰ সন্মতি লৈ সন্নিবিষ্ট কৰা হ'ল। তাৰ বাবে সাহিত্য অকাডেমিৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

বাণীকান্ত ৰচনাৱলী সম্পাদনা কৰি দিয়া বাবে ড° মহেশ্বৰ নেওগদেৱৰ ওচৰত আমি কৃতজ্ঞ হৈ ৰ'লো।

গুৱাহাটী
১৫ নৱেম্বৰ ১৯৯১

কুমুদ গোস্বামী

ড° বাণীকান্ত কাকতি

জন্ম ঃ ১৫ নবেম্বৰ ১৮৯৪ চন

মৃত্যু ঃ ১৫ নবেম্বৰ ১৯৫২ চন

ড° কাকতিৰ সহধৰ্মিণী কনকলতা কাকতি

॥ ভূমিকা ॥

১

অধ্যাপক বাণীকান্ত কাকতিৰ মৃত্যুৰ পিছত কাৰ্জন-হলৰ চোতালত বহা শোকসভাত এজন অধ্যাপক-সাহিত্যিকে কৈছিল, শেষ শয়নত কাকতিক দেখি তেওঁৰ বোলে ভাব হৈছিল—অসমীয়া সাহিত্যৰ একেটি বৈজ্ঞানিক মন আজি অন্তৰ্হিত। পোনতে কথা-আষাৰ অতিশয়োক্তি যেন লাগিলেও, বহলকৈ ভাবি চালে তাক অস্বীকাৰ কৰা টান হৈ পৰেগৈ। অসমীয়া ভাষা-তত্ত্বত কাকতিৰ অপ্ৰতিদ্বন্দ্বিত পাণ্ডিত্যৰ কথা সম্প্ৰতিকে এৰি দিলেও পুৰণি আৰু নতুন অসমীয়া সাহিত্যৰ ওপৰত আধুনিক সমালোচনাৰ আলোকপাত কৰোঁতাসকলৰ মাজত কাকতি প্ৰধান।

২

আধুনিক সমালোচক হ'বৰ কাৰণে যেনেকুৱাখিনি মানসিক সম্বলৰ আৱশ্যক, সকলোখিনি কাকতিৰ আছিল। সকটিৰেপৰা তেওঁ আশাশুধীয়া ছাত্ৰ; বিশেষকৈ ভাষা-সাহিত্যৰ সৌন্দৰ্যৰ প্ৰতি তেওঁৰ চকু কম বয়সৰেপৰা। সকলো কথাৰ তললৈকে ভেদ কৰিব পৰা আৰু তাৰ মৌলিক কথা বা গুণবোৰ পলকতে চালি-জাৰি উলিয়াব পৰা শক্তি গভীৰ জ্ঞানান্বেষী বিদ্যাৰ্থীৰূপেই তেওঁ আহৰণ কৰিছিল। তদুপৰি ইংৰাজীৰ দৰে পৃথিৱীৰ শ্ৰেষ্ঠ এটি সাহিত্যৰ মৌলিক সৃষ্টি আৰু সমালোচনাৰ ধাৰাৰ লগত পৰিচয় সেই সাহিত্যৰ এম্. এ. পৰীক্ষাৰ মান পৰ্যন্ত আনুষ্ঠানিক শিক্ষাৰ যোগেদি তেওঁ লাভ কৰিছিল। পুৰণি গ্ৰীক আদি ইউৰোপীয় সাহিত্যৰ লগতো তেওঁৰ চিনাকি ইংৰাজী সাহিত্যৰ অধ্যয়নৰ যোগেদিয়েই। আনফালে সংস্কৃতৰ ৰস-সাহিত্যৰ প্ৰতি তেওঁৰ প্ৰবল ধাউতি। শ্ৰুতি-সাহিত্যৰেপৰা আৰম্ভ কৰি সংস্কৃতৰ বৈষ্ণৱ-সাম্প্ৰদায়িক সাহিত্য আৰু কালিদাস-ভৱভূতিলৈকে তেওঁৰ ৰস-পিপাসুৰূপে জ্ঞানানুসন্ধানৰ পৰিধি বিস্তৃত। ইংৰাজী সাহিত্যৰ চুকে-কোণে পৰি থকা কথা বা মতবাদ অধ্যয়ন আৰু অধ্যয়নৰ স্মৃতিৰ পৰিসৰ কেনে বহল আছিল, কাকতিৰ গুৰু আৰু সহকৰ্মী অধ্যাপক প্ৰফুল্লচন্দ্ৰ ৰায়ে 'আসাম ট্ৰিবিউন'ত লিখা মনোৰম স্মৃতিয়ন প্ৰবন্ধ এটিত আঙুলিয়াই দেখুৱাইছে। মুঠতে তেওঁৰ মানসিক দিৱলয় দূৰপ্ৰসাৰী, ভাবসম্পৰ্ক বহুমুখী।

ইংৰাজী সাহিত্য আৰু তুলনামূলক ভাষা-বিজ্ঞানৰ অগাধ পাণ্ডিত্য লৈও কাকতিয়ে সিবোৰ বিষয়ৰ বহল যশস্যাৰ ক্ষেত্ৰ এৰি দি অসমীয়া সাহিত্য আৰু ভাষাৰ অনুশীলনতহে তাৰ জ্ঞান প্ৰয়োগ কৰিলে, সি আমাৰ ভাষা-সাহিত্যৰ লাভৰ বিষয়। বঙলা ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ লৈ লিখা ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ বৃহৎ গ্ৰন্থখনিৰ প্ৰতিযোগিতামূলক অনুপ্ৰেৰণাতে কাকতিয়ে অসমীয়া ভাষাৰ গঠন-প্ৰণালী আৰু বিকাশৰ আঁত মেলিবলৈ আৰম্ভ কৰে। তাৰ ফলত অসমীয়া ভাষাৰ

সমান আৰু ঐতিহ্য আজি বৈজ্ঞানিক ভিত্তিত প্ৰতিষ্ঠিত হৈছে। ভাষা-বিজ্ঞান-সম্পৰ্কীয় যি দুই-এটি প্ৰবন্ধ ভাষা-গৱেষণাৰ পত্ৰিকাত প্ৰকাশ হৈছিল, সিবিলাকতো অসমৰ কোনো নহয় কোনো কথাই আলোচিত হৈছিল।

৩

অসমীয়া ভাষাত ডক্টৰ কাকতি সাহিত্য-সমালোচক আৰু সাংস্কৃতিক ইতিহাসৰ গৱেষক। এই দুইটি কথাত তেওঁৰ অনুপ্ৰেৰণাৰ উদ্ৰেক এফালে ছাত্ৰ-ৰূপে ইংৰাজী সাহিত্য, তাৰ সমালোচনা আৰু বুৰঞ্জী-অধ্যয়ন আৰু আনফালে নীতি-সদাচাৰ মনা নৈষ্ঠিক মহাপুৰুষীয়া-ৰূপে শঙ্কৰদেৱ-মাধৱদেৱৰ ধৰ্ম-গত, কৰ্ম-গত, লেখা-গত আদৰ্শৰ প্ৰতি একান্ত আনুগত্যত। কালিদাস আদিৰ কাব্যৰ প্ৰতি সৌন্দৰ্যসন্ধী পাঠকৰূপে তেওঁৰ এটি মোহ সদায় আছিল; কিন্তু এই মোহ বিন্দুতহে, সমস্ত সংস্কৃত সাহিত্যৰ সিন্ধুত নহয়। আনফালে আকৌ তেওঁৰ মহাপুৰুষীয়া আনুগত্যৰ মোহক পাশ্চাত্ত্য সমালোচনাৰ অনুশীলনে অনুশাসন কৰিছিল; গতিকে তেওঁ আমাৰ আজিকালিৰ দক্ষিণা লৈ আশীৰ্বাদ দিয়া সমালোচকসকলৰ ভটীয়নী সোঁতত দুটি মহাপুৰুষীয়া কাব্যৰ সীমাবদ্ধতাও নিৰ্মোহভাৱে ঘোষণা কৰিছিল। তাত পুনৰুত্থানবাদৰ প্ৰশ্ন নাছিল। মই ওপৰত উল্লেখ কৰা কাকতিৰ মৃত্যুৰ পিছৰ শোক-সভাতে এজন সাহিত্যিকে চকু-পানী টুকি টুকি আমাক খবৰ দিছিল, কাকতিয়ে হেনো এসময়ত কালাজ্বৰৰ দ্বাৰা আক্ৰান্ত হৈ মৃত্যুৰ বিভীষিকা চকুৰ আগত দেখি কৈছিল, 'মই পণ্ডিত হ'লোহেঁতেন, পণ্ডিত হোৱাই আছিল মোৰ জীৱনৰ ধাউতি।' সেই বিভীষিকাৰ হেঙাৰখন কাকতি পাৰ হ'ল, তেওঁ পণ্ডিতো হ'ল। লগে লগে তেওঁৰ জীৱন-বীক্ষালৈ, সাহিত্য-বীক্ষালৈ পাণ্ডিত্যৰ নিৰ্মোহ ডিছিপ্লিন্ বা নীতিও আহিল।

কাকতিয়ে তেওঁৰ পাণ্ডিত্যক দুখন বহল ক্ষেত্ৰত প্ৰয়োগ কৰিছিল। তাৰে এখন হ'ল ভাষা-তত্ত্বৰ, আনখন হ'ল ভাৰততত্ত্বৰ। পিছৰখন ক্ষেত্ৰত তেওঁ জীৱনৰ কৰ্মৰ মাজত পলমকৈ প্ৰৱেশ কৰিছিল, গতিকে ভাৰততত্ত্ব বা প্ৰাচ্যতত্ত্বৰ সমাজখনত তেওঁ প্ৰায় অপৰিচিত হৈ ৰৈ গ'ল। কিন্তু ভাষাতত্ত্বৰ পৃথিৱীখনে সময়মতে তেওঁৰ চিনাকি লৈছিল। তেওঁক আদৰ কৰিছিল। কাকতিয়ে আমাক ঘৰুৱা মেলত প্ৰায়ে কমলাকান্ত ভট্টাচাৰ্যৰ কথা কৈছিল। তেওঁ সেই প্ৰসংগতে এবাৰ কোৱা কথা। ১৯২৮ চনত বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত বহা অসম সাহিত্য-সভাৰ সন্মিলনত এজন অসমীয়া ব্যায়ামবীৰে কঁকালত ফঁয় বান্ধি চলন্ত মটৰ-গাড়ী বখাই দিয়া দেখি কমলাকান্ত হৈ পৰিছিল সৰু অসমীয়া দেশপ্ৰেমত উৎসাহিত হৈ অত্যন্ত উত্তেজিত। তেওঁৰ লগত খেল-পথাৰৰ একে বেঞ্চিত বহি একালে বাণীকান্ত কাকতি, একাষে বনুকান্ত বৰকাকতী। উৎসাহৰ আতিশয্যত কমলাকান্তই বহা ঠাইতে থিয় হৈ চীৎকাৰ কৰি উঠিছিল। বাণীকান্ত-বনুকান্তই তেওঁক বাউসিত ধৰি বেঞ্চিৰ ওপৰলৈ তুলি দিলে। তেওঁ তাৰপৰাই চিঞৰি শোধাইছে, 'উঠিল, উঠিল, অসমীয়া জাতি উঠিল',

আৰু বাণীকান্তলৈ চাই লগে লগে তেওঁক ক'লে, 'বাণীকান্ত, অসমীয়াৰ সকলো হৈছে। তুমি আমাৰ এখন ফাইললজি লেখা।' কমলাকান্তই তেওঁৰ জাতীয় প্ৰেমমত বাণীকান্তক একোবে একোটি বাব নিদিয়াত, তেওঁ অলপ ক্ষুণ্ণ হৈ ক'লে, 'আমাক ফিলজফি এখনো লাগে', কাৰণ তেওঁ তেতিয়া "চেতনা"ত আৰণ্যক আদি লৈ দৰ্শনৰ কথা লেখি আছিল। কমলাকান্তই ক'লে, 'থোৱা হে তোমাৰ ফিলজফি, মই মোৰ "অষ্টাবক্ৰসংহিতা"ত নাস্তিকবাদ পৰ্যন্ত খণ্ডন কৰি থৈছোঁ।' পিছৰটো কথা এৰি দি আগৰটো লৈ আমি ভাবিব পাৰোঁ, হয়তো অগ্নি-ঋষিৰ অত্যন্ত অসমীয়া-প্ৰেমৰ বাণীৰ দ্বাৰায় বাণীকান্ত উদ্বুদ্ধ হৈছিল, কাৰণ তেওঁ আমাক কোৱামতে তেতিয়াও তেওঁ অসমীয়া ভাষাতত্বৰ কোনো গ্ৰন্থ লেখাৰ কথা ভবা নাছিল। তেওঁৰ তত্বগ্ৰন্থৰ মূল অনুপ্ৰেৰণাৰ বিষয়ে তেওঁ আমাক একো কোৱাও নাছিল। কিন্তু অসমীয়া জাতিক তুলি ধৰিবলৈ (শব্দ দুটাৰ কায়িক অৰ্থত কিংবা 'গুৰনী কৰি তোলা' এই জতুৱা অৰ্থত) মাথোন তেওঁ সেই কাম হাতত লৈছিল, এনে বোধ হয় নহয়—যদিচ তেনে অনুভূতিসিক্ত অনুপ্ৰেৰণাৰ অভাৱ তেওঁৰ নিশ্চয় নহৈছিল। কিন্তু তেওঁৰ জীৱনৰ 'মই পণ্ডিত হ'ম' সংকল্পৰ এয়া অভিব্যক্তিৰ পাল। তদুপৰি ইতিমধ্যে পণ্ডিত-সমাজত আহ্লাদদায়ক উত্তেজনাৰ সৃষ্টি কৰা তেওঁৰ গুৰু ডক্টৰ সুনীতকুমাৰ চট্টোপাধ্যায়ৰ *Origin and Development of the Bengali Language* (১৯২৬) পুথিৰ প্ৰত্যাহ্বান তেওঁৰ দুৱাৰমুখত নে পদূলি-মূৰত থিয় হৈছিলহি। অসমীয়া ভাষা লৈ তেনে এখন তত্ব-গ্ৰন্থ নিশ্চয় হ'ব পাৰে আৰু হ'ব লাগে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ উত্তৰ কাকতবোৰ নিজে গৈ আনিব লগীয়া হোৱা ছলতে তেওঁ সুনীতি বাবুৰে পোনতে ভয়ে ভয়ে কথাটো আলোচনা কৰে।. স্বভাৱসুলভভাবে উৎসাহদান দি গুৰুৱে তেওঁক অনুসন্ধানৰ কান্তাৰ পথত আগ বঢ়াই দিয়ে। পুনৰ পুনৰ কলিকতালৈ যাওঁতে বাণীকান্ত সুনীতিকুমাৰৰ ঘৰত উপস্থিত হয়গৈ, কেতিয়াবা আন-সকলেৰে বেষ্টিত হৈ থকা গুৰুৰ আলাপ শুনিয়ে তেওঁ সন্তুষ্ট হ'বলগীয়া হয়। তেওঁ ডক্টৰেটৰ কাৰণে এবাৰ গ্ৰন্থখন দাখিল কৰে; কিন্তু বৈজ্ঞানিক দৃষ্টিৰ কোৰামুঠীয়া বিচাৰৰ ভাৰতৰ বাহিৰৰ পৰীক্ষকে তাক গ্ৰহণ নকৰে; কিন্তু অধ্যাপক জুল্ ব্লখৰ পৰ্যাপ্ত টোকাবোৰে ডেকা পণ্ডিতক বৈজ্ঞানিক সঞ্চয়-দৃষ্টি দান কৰি পিছৰবাৰত কৃতকাৰ্যতা দিয়ে। এইদৰে বাণীকান্তই নিৰ্মোহ পাণ্ডিত্যৰ মন্ত্ৰ লাভ কৰে।

এই প্ৰসংগত আৰু এটি সৰু স্মৃতি ৰোমন্থন কৰিবৰ হেঁপাহ হৈছে। ১৯৩৬ চনত বিহাবাৰীৰ বোকা-বাট খচকি বাণীকান্ত বৰকাকতী আৰু উৎকট অসমীয়া-প্ৰেমৰ প্ৰতিভূ মাধৱচন্দ্ৰ বেজবৰুৱাৰ লগত ডক্টৰ কাকতিৰ ঘৰলৈ গৈছো। দেশৰ কথা পাতোঁতে পাতোঁতে বিদগ্ধ পণ্ডিতজনেৰে ডেকা বেজৰ লাগিল খকা-খুন্দা। তৰ্কৰ জোৰ বাঢ়ি যোৱাত কাকতিয়ে ক'লে, 'হেৰা, তোমাৰ অসমীয়া জাতি জানো জীয়াই আছে?' আৰু লগে লগে তেওঁৰ সেই বিখ্যাত ত্ৰিভংগৰ হাঁহিটো! ডেকা বেজক পায় কোনে। 'তেনেহ'লে ছাৰ, আপুনিনো অসমীয়া ভাষাৰ গৌৰৱ বঢ়াবলৈ কিয় ইখন

দেখিছিল কিয় ?' কাকতি নিশ্চল। 'হেবা, ইজিপ্টৰ মৃত সভ্যতাৰ ওপৰতেতো ইজিপ্টলজিৰ গ্ৰন্থবোৰৰ জন্ম।' তৰ্ক সিমানতে শেষ। কিন্তু কাকতিৰ অসমীয়া ভাষাৰ চৰ্চা জানো ইজিপ্টলজিৰ দৰেই দুৰণীয়া ? তেওঁ জানো বিশ্বাস কৰিছিল, অসমীয়া জাতি আৰু ভাষা মৰিব, তাক ধুনীয়াকৈ কফিনত ভৰাই সম্মানেৰে কবৰ দিয়াই আমাৰ কাম ? তেওঁৰ আলোচ্য বিষয়ৰ প্ৰতি প্ৰগাঢ় প্ৰেম নোহোৱাকৈ জানো তাৰ বৈজ্ঞানিক বিশ্লেষণলৈ আগ বাঢ়িছিল ?

8

লক্ষ্মীনাথ বেজবৰুৱাৰ "শঙ্কৰদেৱ"ৰ অন্তৰ্গত কিছু ছেদ আৰু আলোচনীৰ সাময়িক পুথি-পৰিচয়েৰে আৰম্ভণিৰ পিছত কাকতিয়ে অসমীয়া সাহিত্যত আধুনিক সমীক্ষা পোনপ্ৰথম প্ৰয়োগ কৰে। কাব্যৰ সমালোচক কাকতিৰ প্ৰশিক্ষণ হৈছিল ইংৰাজী কাব্যৰ ছাত্ৰ আৰু শিক্ষক-ৰূপে। আমি ইংৰাজী অনাৰ্ছৰ শ্ৰেণীত তেওঁৰ ভাষাতত্ত্বৰ বক্তৃতাবোৰকে আটাইতকৈ বেছি মিঠা পাইছিলো ; তেওঁৰ ব্যাখ্যাই ভাষাতত্ত্বৰ জটিল সকলো কথা পানী যেন কৰি দিছিল। কিন্তু কবিতাও তেওঁৰ বৰ প্ৰিয় বিষয় আছিল, বিশেষকৈ ৰোমাণ্টিক কবিতা। তাৰ সমালোচনাত তেওঁ মেথিউ আৰ্নল্ড আৰু হাৰ্ফৰ্ডৰ দৃষ্টিভংগিকে ভাল পাইছিল, হাৰ্ফৰ্ডৰ *Age of Wordsworth*-খনক সেই সমালোচনাৰ Gospel বুলিয়ে কৈছিল। তেওঁ তেওঁৰ গুৰু প্ৰফেছৰ পি. চি. ৰায়ৰ কন্যা সুজাতাৰ বাবে ৱৰ্ডছৱৰ্থ, শেলি আৰু কিট্‌ছৰ চৰাই কবিতাবোৰৰ বিষয়ে এটা টোকা লিখি দিছিল। ছপা হৈ নোলালেও চাইক্লোস্টাইল কৰা ৰূপত এই টোকাটোৰ যথেষ্ট বহল প্ৰচাৰ হৈছিল। প্ৰফেছৰ ৰায়ে মৰম কৰি সেই প্ৰসাদৰ ভাগ আমাকো দিছিল, কাৰণ তেওঁৰ my rare Banikanta-ৰ প্ৰশংসাত তেওঁ সদায় আছিল শতমুখ। টোকাটোত কাকতিয়ে কবিতাকেইটিৰপৰা কবি তিনিজনৰ নিজস্ব মনোবৃত্তি নিৰ্ণয় কৰিবৰ যত্ন কৰিছিল। তুলনামূলকভাৱে তেওঁ যেন ৱৰ্ডছৱৰ্থৰ প্ৰতিয়ে সকলোতকৈ বেছিকৈ আকৃষ্ট, আনকালে কিট্‌ছৰ সৌন্দৰ্যসম্পৃক্ত বাণী আৰু হেলেনিজ্‌মৰ মূল্যও তেওঁ যথেষ্ট দিছে ; কিন্তু আৰ্নল্ডৰ ineffectual angel শেলিৰ ধোঁৱাকোঁৱা আদৰ্শবাদক যেন তেওঁ চম্ভালি ল'ব পৰা নাই বা কোনো সহৃদয়তাৰে গ্ৰহণ কৰিও ল'ব পৰা নাই। ৱৰ্ডছৱৰ্থে আদৰ্শ আৰু বাস্তৱৰ ভাৱসাম্য ৰখাটোহে তেওঁৰ মানত অতীৱ প্ৰশংসনীয়। তেওঁৰ মনত পৰি ভাল লাগে যে ৱৰ্ডছৱৰ্থে সঁচাসঁচি পৃথিৱীখন, নিজৰ চাৰিফালখন, ইয়াৰ সৰু সৰু বস্তু আৰু মানুহবোৰ পাহৰি নাযায় আৰু তেওঁৰ স্কাইলাৰ্কবো পক্ষী-শাৱকৰ কথা নাপাহৰা আৰু তেওঁৰ আদৰ্শ মানৱ মিল্টনৰ দৰে Type of the wise হোৱাটোকেহে বাঞ্ছা কৰে। শেলিৰ বাস্তৱ চৰাইটো অবাস্তৱলৈ পৰি যোৱাটো তেওঁ সমূলে ভাল পোৱা নাই ; অথচ তেওঁ মন কৰিছে যে শেলিৰ আন কবিতাত প্ৰকাশ পোৱা অন্তৰৰ বিষাদৰ সুৰৰ ঠাইত স্কাইলাৰ্ক কবিতাটোত পৰৱশৱৰ্তী আকাঙ্ক্ষাহে জলমলাই উঠিছে। তথাপি Shelley's Skylark is intensely personal. It is an expression of the sensations of the

moment; no thought is worked out. Hence there is nothing like logical evolution in the whole poem. The total impression is that of unrest. অসংযমৰপৰা নিটোল আৰ্ট হ'ব নোৱাৰে—এনেই কাকতিৰ ধাৰণা। বাণীকান্তৰ মনলৈ শান্তি দুৰি আহিছে কিটছৰ নাইটিংগেলটোৰ মাজুহৰ কৈকনি-গৈথনি ভৰা আন্ধাৰ জগতৰ মাজেৰে সৌন্দৰ্যৰ বাণীত। If Wordsworth sought after truth and Shelley after spirit, Keats sought after beauty. সেইহে কবিৰ বাবে নাইটিংগেলৰ full-throated, গলগলীয়া মাতত জাগি উঠিছে প্ৰভেন্স্ প্ৰদেশৰ কবিতাৰ ৰোমান্স্ জগত আৰু গ্ৰীক কবিতাৰ ক্লাছিকেল ভূমি। আৰু সেইখন যেন সমালোচকজনৰ চিনাকি গাঁও, কাৰণ গ্ৰীক কবিতাৰ যো তেওঁ ছাত্ৰ-ৰূপেই চুহিবলৈ পাই থৈছে। তেওঁৰ ভাল লাগিছে সংগীতৰ গুঞ্জনে সৈতে প্ৰকৃতিৰ চিত্ৰ আমাৰ শ্ৰৱণ-নয়নৰ কাষ চপাই দিব পৰা কিটছৰ ভাষা। এই ৰচনাখন থৰাৰ পিছত ৰঘুনাথ চৌধাৰীৰ কবিতাৰ ধ্বনি, চিত্ৰ আৰু বাণীৰ নাড়ীজ্ঞান পাবলৈ বিচৰা, 'চৰাই-কবিতা', 'বিহঙ্গী-কবি' আখ্যা প্ৰয়োগ কৰা, 'এটি স্বৰ, এটি প্ৰহেলিকা'ৰ দৰে ভাষা কোৱা সমালোচক কাকতিজন ক'ত আছে বিচাৰি উলিয়াবলৈ বোধ কৰোঁ টান নালাগিব। তেওঁক লাগে মনক 'feasted, fed' কৰা সৌন্দৰ্য; তাৰ মাজতো তেওঁক লাগে অৰ্থ, শৃংখলা, মাটিৰ পৰশ।

ৰোমান্টিক কবিতাৰ তেওঁ উপাসক। তাৰ মাজত শ্বেলিতকৈও ৱৰ্ডছৱৰ্থ আৰু কিটছৰ বাবে তেওঁৰ আকৰ্ষণ বেছি। তাৰ ভিতৰত আকৌ বাস্তৱাশ্ৰয়ী, যুক্তিবাদী ৱৰ্ডছৱৰ্থৰ সৰু ফুলৰ বাণীয়ে তেওঁৰ অন্তৰত যেন গভীৰতম সংবেদন জগাইছিল। ৰোমান্টিক আৱেশ ভৰা মনেৰে দুৰি পতিকাৰ কবিতাবো তেওঁ খবৰ ৰাখিছিল; মেথুৱেনৰ আধুনিক কবিতাৰ গ্ৰন্থখন তেওঁৰ লগৰীয়া-ৰূপে দেখা পাইছিলো আৰু আমাক টিউটৰিয়েলত তাৰপৰা কাম কৰিবলৈ দিলেও প্ৰায়ে তমাছ হাৰ্ডিৰ আৰু কেতিয়াবা ৱাল্টাৰ ডি লা মেয়াৰৰ কবিতাহে বাছি উলিয়াইছিল। ইলিয়ট বা মুক্তক ছন্দৰ কবিসকলৰ লগত তেওঁৰ কুটুম্বিতা নহৈছিল। সেইসকলৰ ঢঙৰ অসমীয়া কবিতাক তেওঁ স্বীকাৰ কৰিবলৈ টান পাইছিল। তেওঁ কৈছিল, কবিতা একপ্ৰকাৰ সংগীত; কবিতা আৰু আদিম মেজিকৰ জন্ম অভেদ; কবিতাই তাৰ ধ্বনিৰে সেই আদিম কুহক সৃষ্টি কৰিব পাৰিব লাগিব। কবিতাৰ বাণী আংগিকৰ এই কৌশলত নিহিত ৰূপেহে তেওঁ দেখা পাইছিল। 'কবিতাৰ উৎপত্তি গীতৰপৰা, সেই কাৰণে কবিতাক ৰাগময়ী গীতি বুলিয়েই জনসমাজে স্বীকাৰ কৰি আহিছে' (কথা-কবিতা)।

ইংৰাজী কাব্যৰপৰা অসমীয়া কাব্যলৈ তেওঁৰ দৃষ্টিৰ সংক্ৰমণৰ ফল-স্বৰূপে কাকতিৰ সমালোচনাৰ পদ্ধতি হৈ পৰে তুলনাত্মক। তেওঁৰ এই পদ্ধতি অসমীয়া কাব্যৰ গুণ-উপলব্ধিৰ এটি প্ৰকৃষ্ট পথ হৈ পৰে। তেওঁৰ সৰহভাগ পাঠকৰ ইংৰাজী কবিতাৰ লগত আৰু তাৰ আলোচনাৰ লগত পৰিচয় থকা বাবে তেওঁৰ সমালোচনাৰ নেতৃত্ব গ্ৰহণ কৰা চমৎকাৰৰ বাবে অসমীয়া কবিতাৰ উপলব্ধিৰ আয়তনেই এনে কৰ্ষিত ছুটা আম ৰবাৰ দৰে বৃদ্ধি পাই উঠে। একপ্ৰকাৰে ৰোমান্টিক ইংৰাজী

তথা পাশ্চাত্ত্য কবিতা তেওঁৰ এৰাব নোৱৰা লেঠা, এটা obsession. ইংলেণ্ডৰ মেথিউ আৰ্নল্ডৰ গভীৰ জীৱন-বীক্ষাৰ কবিতা আৰু সমীক্ষা আৰু স্বৰ্গ-মৰ্ত্ত্য-স্পৰ্শী প্ৰেমৰ কবি ডাণ্টেৰ প্ৰতি কাকতিৰ টান লক্ষ্য কৰিব লগীয়া।

তেওঁৰ সমালোচনাখিনিৰ বিষয়বোৰ সুবিধাজনকভাৱে তিনি ভাগত ভাগ কৰিব পাৰি—পুৰণি অসমীয়া সাহিত্য, আধুনিক অসমীয়া সাহিত্য, আৰু বৈষ্ণৱ-ধৰ্ম আৰু সেই ধৰ্ম-সম্পৰ্কীয় সাহিত্য।

৫

কাকতিৰ সাহিত্য-সমালোচনাৰ প্ৰবন্ধবোৰৰ ভিতৰত ১৯১৬ চনৰ ১৫ ডিচেম্বৰত গুৱাহাটীত বহা অসমীয়া ছাত্ৰ সন্মিলনৰ অধিৱেশনৰ পঠিত আৰু ডিব্ৰুগড়ৰ "আলোচনী" পত্ৰিকাৰ ১৩৮৮ শকৰ মাঘৰ অষ্টম বছৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত 'সাহিত্যত করুণৰস' বোধ হয় প্ৰথম বস্তু। চন্দ্ৰনাথ শৰ্মাৰ সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ অভিভাষণো সেই সংখ্যা কাকতত ওলাইছিল; ঠিক তাৰ পিছৰটো সংখ্যাত ছপা হৈছিল সন্মিলনত পঠিত কৃষ্ণকান্ত সন্দিকৈৰ দাৰ্শনিক লেখা 'ভাৰতীয় চিন্তা' আৰু ক্ষেত্ৰধৰ বৰগোহাঁইৰ ঐতিহাসিক প্ৰবন্ধ 'ৰাধাৰুক্মিণী', আৰু ষষ্ঠ সংখ্যাত মুদ্ৰিত হৈছিল লক্ষ্মীনাথ দাসৰ ডক্টৰেৰ পঠিত বৈজ্ঞানিক 'কম্পন' প্ৰবন্ধ। এই সকলোটি পিছত অসম ছাত্ৰ সন্মিলনৰ প্ৰকাশন "সন্মিলন-প্ৰবন্ধাৱলী" প্ৰথম খণ্ডত সম্ভৱতঃ সন্নিবিষ্ট হৈছিল। বাণীকান্তই কলেজীয়া ছাত্ৰ-ৰূপেই তেওঁৰ 'সাহিত্যত করুণৰস' লিখে। কুমলীয়া বয়সতে লেখা বুলি জানি এজন সমালোচকে ইয়াক আপৈইতা বুলি এৰাইছে। এয়া হ'ল হলা গছত বাগি কুঠাৰ মাথোন। আনসকলে এই লেখা কাকতিৰ ব্যক্তিগত নৈৰাশ্যৰ নিঠুৰ প্ৰকাশ বুলিও ধৰি ল'ব পাৰে, কাৰণ, কাকতিয়ে লেখিছে পোনতেই: 'চৈতন্যৰ উদয়ৰপৰা মৰণলৈকে মানৱ-জীৱন এক সুদীৰ্ঘ কাৰুণ্যৰ আৱেগ মাথোন; নাইবা গভীৰ নৈৰাশ্যৰ দীৰ্ঘ নিশ্বাস।' আকৌ শেহৰ ফালে: 'হাঁহি প্ৰকৃত জীৱন-ৰস নহয়, অন্ততঃ আমি যি ভাবত বুজোঁ।' আমাৰ চিন্তা হ'ব পাৰে, চেঙেলীয়া ডেকা বাণীকান্তক কিহে পালে, কিহে খালে !! জীৱনৰ এই বিষাদ তেওঁৰ অপৈণত চিন্তাৰ ভ্ৰম নে ব্যক্তিগত জীৱনৰ বা সমাজৰ কিবা সংঘাতৰ বিষময় পৰিণতি !! কিন্তু শেহলৈকে পঢ়ি চালে দেখা যাব যে তেওঁৰ এই দুখদায়ক উক্তিবোৰৰ দাৰ্শনিক ব্যাখ্যা তেওঁ নিজেই দি থৈছে: এক: 'আদিতে হাঁহি আৰু কান্দোনৰ একো পাৰ্থক্য নাই। যি কাৰণেই আমি হাঁহোঁ, সেই কাৰণেই আমি কান্দোঁ।' দুই: 'জীৱনৰ সীমাবদ্ধতাৰ নিমিত্তে হৃদয়ৰ বাসনাৰ অসীমতাৰ নিমিত্তে আৰু সংসাৰৰ বাধা-বিঘিনিৰ নিমিত্তে মানৱ-হৃদয় সদায় উতলা অৱস্থাতেই থাকে।' এই উতলাটোকে তেনে তেওঁ নাম দিছে জীৱন-জোৰা কাৰুণ্য, নৈৰাশ্য। তাৰ নামান্তৰ স্বৰ্গীয় হতাশা, divine despair. কথাটো সহজ হৈ পৰিছে। এয়া মাথোন ৰসবোধৰ কথা। হাঁহি আৰু কান্দোনৰে একেটা মোহৰৰে ইলুটি-পিলুটি। এক আৰ্ট-ৰূপে ট্ৰেজেডিয়ে মানুহৰ অনুভৱৰ, মানুহৰ জীৱনৰ দুখৰ উপলব্ধিৰ চৰম প্ৰকাশ দিব পাৰে। কিন্তু ট্ৰেজেডিকাৰসকল

জানো জীৱন-বিমুখ প্ৰাণী ? এনে কথাটো বুজি ল'লে তেওঁৰ প্ৰথম বাক্যটো এনেকৈও পঢ়িব পাৰি : 'চৈতন্যৰ উদয়ৰপৰা মৰণলৈকে মানৱ-জীৱন এটা সুদীৰ্ঘ হাঁহিৰ খলকনি।' লেছেলিছ এবাৰ ক্ৰেম্বিয়ে আৰ্টৰ সংজ্ঞা এটা দিবলৈ যাওঁতে বাপেক, পুতেক আৰু ঘোঁৰাৰ সাধুটো কৈছে : দুৰ্গম বাটত ঘোঁৰাৰ খোজ বলী কৰিবলৈ তাৰ নেজত ধৰি টানোতে কেনেকৈ দীঘল কানৰ নোমসোপাই সৈতে ঘোঁৰাটোৰ নেজৰ চাল এৰাই আহিল আৰু সেই একেটা কথাকে দেখি বাপেকৰ আৰ্থিক বিপৰ্যয়ৰ চিন্তাত কান্দোন ওলাল আৰু পুতেকৰ অসামঞ্জস্য-জ্ঞানৰপৰা উঠিল হাঁহিৰ খলকনি। কাকতিয়ে যদিও তেওঁৰ বৰ্ণিত তিনিবিধৰ দ্বিবিধ কৰুণ-ৰসৰ উদাহৰণ পছিমীয়া সাহিত্যৰপৰাই দিছে, ৰামায়ণৰ বালকাণ্ড আৰু ভৱভূতিৰ উত্তৰৰাম চৰিততে তাৰ প্ৰকৃষ্ট পটভূমি তেওঁ বিচাৰি পাইছিল। বালকাণ্ডই ক'লে শোকৰ ৰসনিষ্পত্তিৰে কৰুণ আদি-কবিতাৰ জন্ম-কথা। আকৌ, ভৱভূতিয়েইতো কৈছিল, 'একো ৰসঃ কৰুণ এৱ। কাকতিৰ প্ৰবন্ধটোৰ উদয়ৰপৰা অন্তলৈকে সেই একেটা ধাৰণাই কাৰ্য কৰি আছে। কৰুণ-ৰসৰ গাঢ়তা আন কোনোবিধ ৰসতে নাই।

বৈষ্ণৱ সাহিত্যৰ পুৰণি পুথিসমূহ 'গাঁৱলীয়া মানুহে পঢ়া অসাৰ পদ-পুথি' আৰু তাৰ স্থান গাঁৱলীয়া লোকৰ ধোঁৱা-চাং আৰু পুথি-ঠগি বুলিহে যেতিয়া বহুতৰে মত আছিল আৰু ধৰ্ম-পুথি বুলিহে মাত্ৰ সিবোৰৰ কিছু মূল্য দিয়া হৈছিল, কাকতিয়ে আধুনিক সাহিত্য-সমালোচকৰ দৃষ্টিৰে সিবোৰৰ সাহিত্যিক বা কাব্যিক সৌন্দৰ্য নিৰূপণ আৰু ভাষাগত আৰু সামাজিক মূল্যাংকন কৰে। শঙ্কৰদেৱৰ আধ্যাত্মিক দান, মাধৱদেৱৰ পৰমানুভৱ আৰু গুৰু-প্ৰাণতা, অনন্ত কন্দলিৰ সৌন্দৰ্যবোধ, ৰাম-সৰস্বতীৰ বধ-কাব্যৰ মানসিক পৰিৱেশ, অসমীয়া বৈষ্ণৱ কবিৰ ৰচনাত ৰাধাৰ বৈশিষ্ট্যপূৰ্ণ ৰূপ-পৰিগ্ৰহ—ইবোৰৰ বিশ্লেষণত কাকতিৰ বিশ্লেষণী দৃষ্টিয়ে আধুনিক ৰুচিগত সৌন্দৰ্যবোধৰ দিগ্‌দৰ্শন কৰে। তেওঁৰ এই সমালোচনামূলক প্ৰবন্ধাৱলীত শ্ৰদ্ধা আৰু ঐতিহাসিক দৃষ্টিভংগীৰ বিতোপন সমন্বয় ঘটিছে। কাকতিয়ে পুৰণি অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখিবৰ যত্ন নকৰিলে ; কিন্তু তেওঁৰ গুটীয়া প্ৰবন্ধবোৰে সেই যুগৰ সাহিত্যৰ এটি থুলমূল পৰিচয় দিয়াৰ উপৰিও তাৰ প্ৰায় সকলো মৌলিক বৈশিষ্ট্যক দাঙি ধৰে।

পুৰণি সাহিত্য-বিষয়ক তিনিটাৰ বাহিৰে কাকতিৰ কেয়োটা প্ৰবন্ধই ১৮৪১ শক, ১৯১৯ চনৰ "চেতনা" পত্ৰিকাত 'পুৰণি অসমীয়া সাহিত্য' ছিৰিজত ওলাইছিল। ১৯৪০ চনত "পুৰণি অসমীয়া সাহিত্য" নাম দি তাক গ্ৰন্থ-ৰূপে উলিয়াবৰ বেলিকা তেওঁ কৈছে, 'মাহেকীয়া কাকতত লিখাৰ বাবে আৰু তেতিয়াৰ শিক্ষিত সমাজে পুৰণি অসমীয়া সাহিত্যক অসাৰ বুলি ভবাৰ কাৰণে, ইয়াৰ সাৰৱত্তা আদি প্ৰতিপন্ন কৰিবলৈ সাহিত্যৰ ইতিবৃত্তৰ ফালৰপৰা চাৰেক প্ৰবন্ধবোৰত যিবোৰ ঐতিহাসিক যুক্তি-তৰ্কৰ অৱতাৰণা কৰা হৈছিল, বৰ্তমান কিতাপৰপৰা সেইবোৰ বাদ দিয়া হ'ল। ভাব আৰু ভাষা মূলতঃ একৈছ বছৰৰ আগৰেই।' গতিকে সম্পাদিত ৰূপতহে লেখাখিনি আমি পাইছো।

নতুন প্ৰবন্ধৰ ভিতৰত 'চোৰ-ধৰা'টি কাকতিৰ সম্পাদিত, অৰুণা পাব্লিচিং হাউচৰপৰা শ্ৰীঅম্বিকাচৰণ ৰায়চৌধুৰীৰ দ্বাৰা প্ৰকাশিত "চোৰধৰা পিপৰা গুচোৱা" নাটৰ (১৯২৪-২৫ চন মানত) পাতনিস্বৰূপে ওলাইছিল, দ্বিতীয় 'বৰগীত' প্ৰবন্ধ বেজবৰুৱাৰ "শঙ্কৰদেৱ" গ্ৰন্থত দ্বিতীয় তাণ্ডৱণত এক অধ্যায়-ৰূপে সন্নিৱিষ্ট হৈ ওলাইছিল আৰু তৃতীয় 'শঙ্কৰদেৱৰ আধ্যাত্মিক দান' দ্বিতীয় বছৰৰ "আৱাহন"ত প্ৰকাশ পাইছিল। এই শেহৰ প্ৰবন্ধটিক "পুৰণি অসমীয়া সাহিত্য"ৰ পাতনি বোলা হৈছে, অৰ্থাৎ সমস্ত গ্ৰন্থখনিৰ এইটি জানিবঁা সঁচাৰ-কাঠি। বাণীকান্তৰ মতে শঙ্কৰদেৱৰ দান চতুৰ্ধা। এক, তেওঁৰ একেশ্বৰবাদৰ যোগে ভাৰতীয় সভ্যতাৰ আধাৰ-ৰূপে প্ৰতিষ্ঠিত সনাতন আৰ্য সত্যৰ প্ৰতি সামাজিক চৈতন্যৰ পুনৰুদ্বোধন। দুই, বাহ্যিক প্ৰক্ৰিয়াৰ ঘনাড়ম্বৰৰ বিভীষিকাৰ ঠাইত বিশুদ্ধ অন্তৰৰ এক অনুভূতিক প্ৰকৃষ্ট পথ-ৰূপে নিৰূপণ। তৃতীয়তে, সামাজিক শ্ৰেণী-বিভেদ উলঙ্ঘা কৰি পাছ পৰি থকাসকলকো সাধনাৰ পথত সৰ্বজনৰ সমান অধিকাৰদান, আৰু সৰ্বজনৰ ব্যক্তিগত আধ্যাত্মিক শক্তিৰ বিকাশৰ আহ্বান। চতুৰ্থতে, পুৰুষ-সূক্তৰ নিৰূপিত বিৰাট ৰূপৰ অহৈতুকী আৰু অব্যৱহিতা ৰতিৰ অকুতোভয় সন্ধান। এই সকলোটিৰে শেষ ফল মানৱৰ আত্মাৰ সৰ্বপ্ৰকাৰ বন্ধনৰপৰা মোচন - সামাজিক জীৱ-ৰূপে আধ্যাত্মিক সাধনৰ মুক্তি। 'জাতীয় জীৱন ছিন-ভিন হ'ব লগীয়া অৱস্থাত বৈষ্ণৱ সাহিত্যই নতুন প্ৰাণৰ সঞ্চাৰ কৰি সৰ্বভাৰতীয় মহাজাতীয় চৈতন্যৰ লগত ইয়াৰ ঐক্য-ভাব স্থাপন কৰে।' আকৌ, 'বৈষ্ণৱ কবিসকলে অসমীয়া ভাষাক আশ্ৰয় কৰি সাৰ্বজনীন শিক্ষা দিয়াৰ ব্যৱস্থা কৰাত অসমীয়া ভাষা জাতীয় ভাষা-ৰূপে পৰিগণিত হ'ল ।' জাতীয় আৰু মহাজাতীয় এই ভূমিকাৰ পটভূমিত অসমীয়া পুৰণি সাহিত্যৰ মূল্যায়নৰ আহ্বান এয়ে কাকতিৰ সৰু পুথিখনিৰ মূল সূত্ৰ। সংস্কৃতৰ যি আধাৰ-গ্ৰন্থৰপৰা বৈষ্ণৱ কবিসকলে তেওঁলোকৰ উপজীব্য কথা লৈছে, তাক পটভূমিত লৈ কাকতিয়ে লোকৰঞ্জক বিবিধ পুৰণি পুথিৰ সৌন্দৰ্য আৰু দোষ বিচাৰ কৰিছে। ঐতিহাসিক দৃষ্টিৰে শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰাম-সৰস্বতীক সেই কালৰ প্ৰথম থাপৰ কবি বুলি নিৰ্দেশ কৰা হৈছে। কন্দলিৰ "কুমৰ-হৰণ" আমাৰ সমালোচকজনৰ বাবে স্বপ্নময় এটি কাব্য-কথা: 'গোটেই কবিতাটো জোনাকী নিশাৰ আকাশী পৰীৰ লীলা-খেলা যেন লাগে।' কিন্তু তাৰ ভিতৰতো তেওঁ চৰিত্ৰ-চিত্ৰণত 'কাব্যৰ নিৰপেক্ষতা' ৰক্ষিত হৈছে নে নাই, মূল হৰিবংশতকৈও কন্দলিৰ কবিতাই কেনেকৈ গতিময় আৰু মাধুৰ্যময় ঘৰুৱা ৰূপ পৰিগ্ৰহ কৰিছে, দশমৰ পয়াৰ ছন্দৰ বৰ্ণনাকে ছবি-ছন্দলৈ ভঙাত কেনেকৈ সি অধিক মনোমোহা আৰু মৌলিক হৈ পৰিছে, নজনা মানুহৰ সন্তোষ জন্মাবলৈ' নানা ব্যঞ্জনেৰে ভোজনৰ বৰ্ণনা দি কেনেকৈ কবিয়ে ৰস-ভংগ কৰিছে, 'নবীন কবিৰ চপলতা'ৰ সাক্ষী কুঁজীৰ প্ৰৱেশ কেনেকৈ 'ৰমণীয় আদি-ৰসাত্মক কাব্যত ভালকৈ থাপ খোৱা নাই', এই সকলোবোৰ সমীক্ষকে লক্ষ্য কৰিছে, আমাক তাৰ ৰতৰাও দিছে। সমালোচনাৰ কাম যদি বিচাৰ-বুদ্ধিৰে পাঠকক কাব্যৰ আস্বাদ ল'বলৈ শিকোৱাই হয়, তেতিয়া হ'লে এই সৰু ৰচনাটিয়ে সেইটি অতি সুসম্পন্ন কৰিছে। 'জোনাকী নিশাৰ আকাশী পৰীৰ লীলা-খেলা' বৰ্ণাৱৰ উপযুক্ত

কালিদাস আদিৰ ছন্দোময় স্মৃতি-বিজড়িত মঞ্জুল ভাষাই সেই কার্যক প্রভূত সহায় কৰি তাক মনোগ্রাহী কৰি তুলিছে।

শঙ্কৰদেৱৰ একান্তিক ধৰ্মৰ আধ্যাত্মিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ এক ৰাজনৈতিক সঙ্কটৰপৰা নিষ্কৃতি পোৱা মুহূৰ্তত বৈষ্ণৱ কবিসকলৰ বধ-কাব্য-ৰচনাত সমালোচকজনে অভিনৱ এক তাৎপৰ্য আৱিষ্কাৰ কৰিছে ইউৰোপৰ মধ্যযুগৰ ৰোমান্সবোৰৰ লগত মিলাই তাক ভৱ-গহনত বিপন্ন মানৱ-আত্মাৰ ৰূপক বুলি। 'বধ-কাব্য' আৰু 'হেমা সুন্দৰী'ত এই ৰূপকক ব্যাখ্যা কৰা হৈছে।

অসমীয়া বৈষ্ণৱ-ধৰ্ম আৰু কাব্যৰপৰা আদৰ্শগতভাৱে পাৰ্থক্য থকা বঙ্গীয় বৈষ্ণৱসকলৰ শৃঙ্গাৰাত্মক ছায়াবাদাচ্ছন্ন ৰাধা-তত্ত্বৰ উৎপত্তিৰ কাকতিয়ে বিচাৰ কৰিছে প্ৰায় বঙ্কিমচন্দ্ৰৰ ঐতিহাসিক বিচাৰ-ধাৰাত। ইন্দ্ৰিয়-সুলভ কাম-প্ৰবৃত্তিক কাম গন্ধ-হীনলৈ উদাত্তীকৰণ কৰাৰ ভাৰতীয় আদৰ্শক প্ৰতীচ্যৰ ডাণ্টেৰ মহাকাব্যৰ লগত তুলনা কৰি ব্যাখ্যা কৰিবৰ যত্ন কৰা হৈছে 'পৰকীয়া ভাব' আৰু দহ বছৰ পিছৰ 'কবিৰ অহৈতুকী প্ৰীতি' প্ৰবন্ধত (আঘোন, কাতি ১৮৫১)। তাৰো কুৰি বছৰৰ পিছৰ ৰাধা-চৰিত্ৰৰ অভ্যুদয়-সম্পৰ্কীয় ইংৰাজী নিবন্ধতো কাকতি আকৌ ৰাধাৰ ইতিহাসলৈ ঘূৰি আহিছে; কিন্তু সিমানতো ৰাধা-ৰহস্য যেন ঘনাইহে পৰিছিল। অম্বিকাগিৰিৰ কবিতাতো তেওঁ কামনা-বিলোপকে আত্মোপলব্ধিৰ সোপান-ৰূপে দেখা পাইছে। এয়া হ'ল কাব্যৰ আৰু ধৰ্মৰ ৰহস্যবাদ। মধ্যযুগীয় ইউৰোপত আৰু অন্যত্ৰও কবি-সিদ্ধসকলে আত্মাক ভগৱন্তৰ ৱৰণীয়া কন্যা-ৰূপে কল্পনা কৰিছিল। আধুনিক ৰবীন্দ্ৰনাথেও সেই আবেশৰ মোহ এৰাব পৰা নাই: 'তোমায় আমায় মিলন হবে ব'লে....পরাণ আমার বধূর বেশে চলে চিরস্বয়ম্বরা।'

এই ৰহস্যবাদৰ বহুত নিলগৰ বস্তু অসমীয়া ৰাধাৰ চৰিত্ৰ। মাধৱদেৱৰ বৰগীতৰ 'ৰাধা-মাধৱক প্ৰেম-চাতুৰী-অনুৰাগ'ত যৌন প্ৰেমৰ চাটকে নাই; কাকতিয়ে সেই দেখি তাক 'প্ৰায়েই ভায়েক-ভনীয়েকৰ স্নেহ-ধেমালিৰ দৰে' আৰু বাৎসল্য-ৰসৰ ভিতৰেদিহে তাৰ কীৰ্তন হোৱা বুলিছে। 'ৰাধা-মাধৱয়োঃ ৰহঃকেলয়ঃ' অৰে-ভৰপূৰ বংগীয় বৈষ্ণৱসকলৰ প্ৰিয় জয়দেৱৰ "গীত গোবিন্দ"ৰ ভাঙনিতো ৰামসৰস্বতীয়ে তাৰ আদি-ৰসাত্মক তীব্ৰতা সংহাৰ কৰি অসমীয়া বৈষ্ণৱ কাব্যৰ আদৰ্শহে প্ৰতিষ্ঠা কৰিছে। আনফালে দ্বিজ কলাপচন্দ্ৰৰ "ৰাধা-বিজয়"ৰ ৰাধা ভক্ত-শ্ৰেষ্ঠা; 'কাম-গন্ধ নাহি তায়!' তেওঁ নাৰদীয় ভক্তি-সূত্ৰৰ 'যথা ব্ৰজগোপিকানাম্' সূত্ৰৰ আদৰ্শৰো আদৰ্শ। অসমীয়া বৈষ্ণৱ কবিৰ ৰাধাৰ অভ্যুদয়েই এইভাৱে স্বতন্ত্ৰ।

আমাৰ বৈষ্ণৱৰ অভিনৱ কল্পনা-শক্তিৰ উদ্ভৱ হৈছে কৃষ্ণৰ শিশু-চৰিত্ৰ লৈহে; 'কাণ-খোৱা' আৰু তাৰ লোকৰঞ্জকতালৈকে এই বিষয়ত আঙুলিয়াই দিব পাৰি। 'মানৱ-হিয়াৰ স্বাভাৱিক স্নেহেৰে উপলব্ধি কৰিব পৰা নিঃসহায় বাল্য-ভাৱ উপাস্য দেৱতাত আৰোপ কৰি বাৎসল্য-ৰসৰ ভিতৰেদি প্ৰাণৰ ঐকান্তিক গভীৰ ভক্তি নিৱেদন'হে যেন এই বৈষ্ণৱসকলৰ স্বভাৱ-সিদ্ধ। 'বৰগীত' প্ৰবন্ধটি কাকতিৰ পুৱঠ বয়সৰ ৰচনা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ বাবে লিখা বস্তু। তাত তেওঁ

বৰগীতৰ বিশেষ সাৰ্থকতা নিৰ্দেশ কৰিছে—'শঙ্কৰদেৱ আৰু মাধৱদেৱে গীত আৰু কবিতাক নৱ-প্ৰচাৰিত ভক্তি-ৰসেৰে অভিষিক্ত কৰি অসমীয়া সাহিত্যক আধ্যাত্মিকতাৰ ওখ ভেটিত থাপনা কৰি ঈশ্বৰাভিমুখী কৰি তুলিলে'; 'বৰগীতবোৰৰ বেছি ভাগতেই এফালে কৃষ্ণৰ পৰমপুৰুষত্ব আৰু আনকালে দহজনৰ এজন হৈ মানৱী-লীলা-প্ৰকাশ—এই দুফলীয়া ব্যক্তিত্বৰ বিকাশ দেখা যায়'; 'শিশু-চৰিত্ৰৰ কল্পনা-নৈপুণ্যত বৰগীতবোৰ কবিতা হিচাপে জগতত অতি ওখ ঠাই লাভ কৰিব পাৰে।' এই প্ৰসংগত কাকতিয়ে তুকাৰাম, কবীৰ, মীৰাবাঈৰ নাম লৈছে; কিন্তু অধিক সাৰ্থকভাৱে সূৰদাসৰ নামো ল'ব পাৰিলেহেঁতেন। সম্ভৱতঃ ঐকান্তিক ভক্তি-ধৰ্মৰ বাহিৰৰ সমসাময়িক অসমীয়া কবিসকলৰ কবিতাৰ লগত বৰগীতৰ মৌলিক পাৰ্থক্য দেখুৱাবলৈ যাওঁতে পীতাম্বৰ কবিৰ প্ৰতি শঙ্কৰদেৱৰ নিন্দাৰ তাৎপৰ্যৰ কাকতিয়ে যি ইংগিত দিছে, তাৰ মৰ্ম যেন আজিও আমি উপলব্ধি কৰিব পৰা নাই; সি দুই-এক আধুনিক সমালোচককো বিভ্ৰান্তহে কৰিছে, যেনেকৈ অনেককে বিভ্ৰান্ত কৰে হেৰিকৰ *Noble Numbers* পুথিৰ নামৰ উল্লেখে।[১]

'নামঘোষা'ৰ মাজত কাকতিয়ে মাধৱদেৱকেই মাথোন বিচাৰিছে। এইটি তেওঁৰ 'মহাপ্ৰাস্থানিক গীত,' য'ত তেওঁৰ আত্মাভিব্যক্তি ৰঞ্জিত হৈ উঠিছে আন কি অনূদিত শাৰীবোৰতো। 'নামঘোষা' হ'ল তেওঁৰ সাহিত্য-প্ৰতিভাৰ দাস্য-ভাবৰ অস্তাচল। পণ্ডিতগৰাকীয়ে শ্ৰীমন্ত মাধৱ পুৰুষক ইয়াতে সাক্ষাৎকাৰ কৰিছে—'ধীৰ, সোমা, সহিষ্ণু, প্ৰশান্ত, একান্ত গুৰু-ভক্ত, কৃষ্ণ-নাম-ৰত, তথাপি হৃদয়ৰ উদ্বেল ভক্তি-ভাৱত সদায় উদ্বাউল, সীমাৱানৰ সীমা লঙ্ঘন কৰি "পৰম আনন্দসাগৰে মজি" থাকিবলৈ ব্যাকুল—যত্ৰ বিদিতাদথো অবিদিতাদধি।' এনেকৈয়ে প্ৰবন্ধটি ভাস্কৰ এক ব্যক্তিত্বৰ উজ্জ্বল এটি অধ্যয়ন হৈ পৰিছে। ভক্তি মানে প্ৰেম, স্বাভাৱিকতেই ৰসময়ী (সা ভক্তিৰ্যা পৰানুৰক্তিৰীশ্বৰে), তাৰ প্ৰকৃতিয়েই হ'ল অহেতুক (নিস্পৃহ, নিষ্কাম) আৰু অব্যৱহিত (পুৱা-সন্ধ্যাৰতো কথাই নাই, এক মুহূৰ্তৰো আজৰি নোহোৱা), নহ'লে কৰ্কশ, স্বাৰ্থপৰ, দৰা-দেখি-সুৱাগুৰি-তোলা প্ৰেম জানো প্ৰেম? তাৰ জানো অৰ্থ আছে কিবা? পূৰ্ণ মাধৱ পূৰ্ণ ভগৱন্তৰ পূৰ্ণ প্ৰেমত মজি আছে এই 'নামঘোষা'ত—এয়ে কাকতিৰ বিচাৰ।

'অংকীয়া নাট' নামৰ সৰু প্ৰবন্ধটিত বৈষ্ণৱ আন্দোলনত সংগীত আৰু নাট্যৰ বাহিৰেও চিত্ৰকলা আদি কলাৰ ভূমিকাৰ বিষয়ে প্ৰথম অসমীয়া আলোচনা।

'লৌকিকতাৰ আভাস' বা 'লৌকিক গীত' নামৰ প্ৰবন্ধটোত শঙ্কৰদেৱৰ সমসাময়িক অথচ ভক্তসকলৰ শাৰীত সম্ভৱতঃ নবহা পীতাম্বৰ কবি আৰু দুৰ্গাবৰ কায়স্থৰ কবিতাত ভক্তিৰ স্বৰ্গীয়তাৰ বাহিৰৰ লোকগীতৰ প্ৰোক্ষেন বা ইন্দ্ৰিয়াসক্ত লৌকিক ধাৰাৰ স্পৰ্শৰ বিচাৰ কৰা হৈছে। শঙ্কৰদেৱে

---

[১] এই প্ৰসঙ্গতে ক'ব পাৰি, কাকতিয়ে ভৱা দৰে সুকবি নাৰায়ণ আৰু দুৰ্গাবৰ কায়স্থ প্ৰাক্‌শঙ্কৰ নহয়, প্ৰথমজন সপ্তদশ শতিকাৰ, আৰু দুৰ্গাবৰৰ ওপৰত শঙ্কৰদেৱৰ প্ৰভাৱ পৰিলক্ষিত হৈছে।

আদি-ৰস সৰ্বত্ৰ বৰ্জন কৰিছিল, এনে কথা নহয়। বৰং তেওঁৰ কাব্য 'শৃংগাৰাদি ৰসে ৰাজ হৌক, আনন্দে লোকে শুনোক'—এইহে তেওঁৰ বাঞ্ছা আছিল।

মুঠ কথা, কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য' ছিৰিজে আমাৰ সাহিত্য-সমাজলৈ নতুন এখন জগতৰ সন্ধান আনিলে—যি জগতৰ সন্ধান কিট্‌ছে চেপমেনৰ হোমাৰ পটি চকুৰ আগত দেখিছিল। এই জগতখন আকৌ ৰবীন্দ্ৰনাথে ক'বৰ দৰে 'বহু বায় কৰি বহু ক্ৰোশ দূৰে' দেখা সৌন্দৰ্যৰ জগত নহয়, আমাৰ ঘৰাবডলিতে পোৱা 'একটি ধানের শীষের উপর একটি শিশিৰ-বিন্দু'ৰ জলমলীয়া জ্যোতিহে। এই জ্যোতি দেখা পোৱাৰ চৰ্তও অৱশ্যে কাকতিয়ে বান্ধি দিছে: 'দাৰ্শনিক তথ্য সদায় বুদ্ধিগম্য আৰু প্ৰকৃত সাহিত্য সদায় হৃদয়গম্য।' অৰ্থাৎ, আকৌ ৰবীন্দ্ৰনাথৰ ভাষাত, যিটো চিন্তাৰ বিষয় সি সাহিত্যৰ অৰ্থাৎ কাব্যৰ নহয়; যিটো হৃদয়ৰ, ভাবৰ বিষয়, সিহে কাব্য-গ্ৰাহ্য; নহ'লেতো দৰ্শন, ৰাজনীতি, ভূগোল, কিমিয়া শাস্ত্ৰ গোটেইসোপা সাহিত্য হ'লহেঁতেন। পুৰণি অসমীয়া সাহিত্যত হৃদয়গম্য বস্তু কি আছে, তাক বিচৰাৰ এই ইঙ্গিত আমাৰ মাজত কামত লাগিছে আৰু কামত নালাগিছে। তেওঁৰ লেখাৰ যোগেদি পুৰণি কাব্য-নাট ধৰ্ম-জগতৰপৰা ওলাই সাহিত্যৰ জগতত পুনঃপ্ৰতিষ্ঠিত হ'ল কিন্তু সেই পুনঃপ্ৰতিষ্ঠা নিঃপ্ৰশ্ন নাছিল, সাহিত্য-উপলব্ধিৰ সূত্ৰ অনুসৰিহে তাৰ জোখ-মাখ কৰা হৈছিল, যদিচ বিষয়ৰ প্ৰতি শ্ৰদ্ধা আছিল তাৰ আৰম্ভণি। বৰঞ্চ বেজবৰুৱা ডাঙৰীয়াই মহাপুৰুষৰ কবিতা, ধৰ্ম, দৰ্শনৰ প্ৰশংসা কৰি, সিজনাক পোৱা বাবে অসমীয়া জাতিক ধন্য ধন্য বুলি, মহাপুৰুষৰ পুনৰুত্থান কামনা কৰিছিল। কাকতিৰ লেখাত প্ৰশংসা আছে, কিন্তু সমালোচনাও লগে লগে হৈছে।

৬

আধুনিক অসমীয়া সাহিত্যৰ সমালোচনাতো কাকতিয়ে বুৰঞ্জীগত ধাৰাবাহিকতাৰ যত্ন কৰা নাছিল। কিন্তু কেইবাজনো মুখ্য আৰু তেওঁৰ বন্ধু-স্থানীয় আধুনিক কবি সাহিত্যিকক সমালোচকৰ দৃষ্টিৰে সাহিত্যৰস-পিপাসুৰ ওচৰত পৰিচয় কৰি দিবৰ উদ্দেশ্যৰেই তেওঁলোকৰ ৰচনাৰ বিষয়ে প্ৰবন্ধ কেইটিমান বিভিন্ন সময়ত ৰচনা কৰে। কিন্তু সিবোৰত সাহিত্য-বুৰঞ্জীৰ দৃষ্টি প্ৰখৰভাৱে দেখা পোৱা যায় তেওঁৰ ৰচনাৰ বিষয়ীভূত সাহিত্যিকসকলৰ সাহিত্যত স্থান নিৰ্ণয় কৰিবলৈ যাওঁতে। তেওঁ ৰঘুনাথ চৌধাৰীক আমাৰ উনবিংশ শতিকাৰ বৈশিষ্ট্যপূৰ্ণ প্ৰধান কবিৰূপে আৰু যতীন্দ্ৰনাথ দুৱৰাক সেইদৰে বিংশ শতিকাৰ গুণালঙ্কৃত কবি হিচাপে স্থান দিবলৈ বিচাৰে। ইংৰাজী চৰাই-কবিতাৰ সমালোচনাৰ সমান্তৰাল কবি কাকতিয়ে চৌধাৰীক 'বিহঙ্গী-কবি' নাম দিয়ে; আৰু সেই আখ্যা পিছৰ সকলো সমালোচকেই ব্যৱহাৰ কৰিছে, যদিচ চৌধাৰীক বৈশিষ্ট্যগতভাৱে প্ৰকৃতি-কবি বোলাই উচিত।

প্ৰথম বছৰৰ ষষ্ঠ সংখ্যা "চেতনা"ত সমালোচনাৰূপে ওলোৱা 'কেতেকী' প্ৰবন্ধকে কবিতা-পুথিখনৰ

দ্বিতীয় সংস্কৰণত 'ঠায়ে ঠায়ে হাত ফুৰাই ··পাতনি-স্বৰূপে দিয়া' হৈছিল। আধুনিক কবিতাৰ সমালোচনাৰ এইটি প্ৰবন্ধ বাটকটীয়া। এফালে শ্বেলিৰ a voice, a mystery, কিট্‌ছৰ 'নাইটিংগেল' কবিতাৰ শাৰী আৰু কোলৰিজৰ like a painted ship on a painted ocean আৰু আনফালে শঙ্কৰদেৱৰ কীৰ্তন-দশম আৰু কালিদাসৰ "কুমাৰসম্ভৱ"ৰ (কালিদাসৰ বা ইংৰাজ কবিৰ লগত ৰঘুনাথৰ পৰিচয় আছিল বুলি কিন্তু সমালোচকে নক'লে, বৰং 'ধাৰ কৰি অনা' ভাবটো অপনোদন কৰি 'কবিৰ নিৰীক্ষণ-শক্তিকে প্ৰশংসা কৰিছে' আৰু উচ্ছ্বাসত অসমীয়া কবিয়ে কালিদাসৰ ছবিকো চেৰ পেলোৱাহে বুলিছে) শাৰীৰে অসমীয়া কবিতাটোৰ তুলনাৰে এই লেখাই অসমীয়া সমালোচনাৰ বিশেষ এটা পটি ভাঙি দিলে। অসমীয়া কাব্যাস্বাদীসকলৰ ওচৰত তেতিয়া কোনো অসমীয়া কবিতকৈ শ্বেলি-কিট্‌ছেইহে আচল কবি, ঘৰুৱা চিনাকি। কেতেকীৰ মাতৰ লগত কবিয়ে প্ৰকৃতি আৰু কাব্যজগতৰ বিনন্দ-বিলাসক জড়িত কৰি অনুভৱ কৰা বিস্ময়-ভাব আৰু যাক বোলে সাহিত্যৰ জাতীয়ত্ব, যাক বোলে 'গোস্পদে নভোমণ্ডলম্', সেই গুণকে কাকতিয়ে 'কেতেকী' কবিতাৰ বৈশিষ্ট্য-ৰূপে অভিনন্দন জনাইছে। প্ৰকৃতিৰ জীৱন-স্পন্দন অনুভৱ কৰাত ৰঘুনাথৰ কবিতাত এটি প্ৰৱাহ (continuity) দেখাৰ গম তেওঁ এইখনি ৰচনাতে আমাক দিছে, আৰু কৈছে, 'আগৰ কবিতাবোৰত যিবোৰ কথা প্ৰশ্ন-স্বৰূপে উদয় হৈছে কেতেকীত সেইবোৰৰ এটি কবিত্বময় উত্তৰ ফুটি উঠিছে।'

চৌধাৰীৰ 'দহিকতৰা' (আগৰ নাম 'মিলন-দূত') কবিতালৈ আহি আকৌ কাকতিয়ে সেই প্ৰৱাহৰ বিশ্লেষণ আৰু গাঢ় কৰি তুলিছে, কৈছে, "সাদৰী"ৰ এভাগ প্ৰকৃতি-কবিতাত 'মানৱসংসৰ্গ-বিহীন প্ৰকৃতিৰ স্তূপীকৃত সৌন্দৰ্যৰ ধ্যান আৰু নিজৰ সৌন্দৰ্যত প্ৰকৃতিৰ নিজৰেই আনন্দোৎসৱ এটি দেখা যায়' আৰু আন এভাগত 'সৌন্দৰ্যৰ আঘাতত কবিৰ ভিতৰেদি প্ৰেমিকৰ লোলুপ স্পৃহা জাগি উঠা দেখা যায়।' প্ৰথমবিধৰ প্ৰহেলিকাময় ভাবধাৰাৰ পূৰ্ণবিকাশ তেওঁ দেখা পাইছে 'কেতেকী' কবিতাত, আৰু কৈছে 'দহিকতৰা' হ'ল 'কাম-গন্ধ-বিহীন অতীন্দ্ৰিয়' 'প্ৰেমৰ সান্ধ্য ৰাগিণী।' চিৰকৌমাৰ্যব্ৰতী কবিৰ জীৱনত প্ৰেম-প্ৰতিমাই মানৱ-মূৰ্তি ধৰিছিল নে নাই, সেই প্ৰশ্ন তুলি আমাক কৌতূহলৰ বুকলৈ ঠেলা মাৰি থৈ, দহিকতৰাক 'মৰমী বন্ধু' 'অ মোৰ বহনা' বুলি মতা, গিৰিমল্লিকা ফুলকো 'প্ৰাণ-প্ৰিয়া' বুলি তন্ময়ভাৱে সম্বোধন কৰি তেওঁৰ 'বিজন কুঞ্জত লয়লাসে হাঁহিৰ তৰঙ্গ তুলিবলৈ' গোপন নিমন্ত্ৰণ জনোৱা প্ৰৌঢ় কবিৰ তন্ময়তা ভৰা শাৰীবোৰতযে মাদকতা নাই, এই সাৱধান-বাণী শুনাই সমালোচকে উন্মাদনা বিচৰা আমাক হতাশ কৰিছে। আনফালে 'দহিকতৰা'ৰ বৰ্ণ-সৌৰভাঢ্য নিসৰ্গ-চিত্ৰবোৰৰযে তাৎপৰ্য ক'ত, সেই কথা কৈ কাকতিয়ে আমাৰ ৰসোপলব্ধিৰ বিশ্লেষণ দিছে : 'কোনো প্ৰাকৃতিক বৰ্ণনা কবিতাত পৰিণত হ'ব লাগিলে সেই বৰ্ণনা আমাৰ ভূত, ভৱিষ্যত আৰু বৰ্তমান সুখ-দুঃখাত্মক ভাবৰ লগত ওতপ্ৰোতভাৱে মিলি থকা যেন লাগিব লাগে।'

অম্বিকাগিৰী ৰায়চৌধুৰীৰ দেশানুৰাগমূলক গীত-কবিতাকেইটি ডক্টৰ কাকতিয়েই ইংৰাজীলৈ

অনুবাদ কৰি *Songs of the Cell* নাম দি প্ৰকাশৰ বাবে দিয়ে। এই ভাঙনি বিচক্ষণ আৰু মনোৰম। কবিতাৰ ভাঙনিত অনেক সময়ত কবিতাৰ সৌন্দৰ্যৰ বিনাশো হয়। *Songs of the Cell*-অত অম্বিকাগিৰীৰ প্ৰাণে নতুন জীৱন লাভ কৰিছে— নতুন ছন্দত, নতুন ভাষাৰ সৌন্দৰ্যত। এই অনুবাদে "গীতাঞ্জলি"ৰ ইংৰাজী ৰূপলৈ সোঁৱৰায়। পুথিখনি পঢ়োঁতে অনুবাদকজন নিজেই কবি, এনে অনুভৱো বোধ কৰা টান হয়। অম্বিকাগিৰীৰ কবিত্বক তেওঁ অতি উচ্চ স্থান দিব খোজে আৰু 'তুমি'ৰ সমালোচনাত তেওঁ ৰায়চৌধুৰীৰ বস্তুবাদী মনোভাৱ বিশেষভাৱে কঁকিয়াই দেখুৱায়। "তুমি" ইন্দ্ৰিয়-গ্ৰাহ্য ইন্দ্ৰিয়-প্ৰমাথী চিত্ৰকল্পৰ সমাৱেশেৰে ভৰা। কাকতিয়ে আমাক খবৰ দিছে, 'প্ৰেমিক ৰায়চৌধুৰী ডেকা বয়সত শেলি, বাইৰন আদি ইংৰাজ ৰোমাণ্টিক কবিসকলৰ দৰে বহুতবাৰ প্ৰেমত পৰিছে, ওপঙিছে, সাঁতুৰি পাৰ লৈছে। "তুমি" কাব্য ৰায়চৌধুৰীৰ কোনোবা 'বিশিষ্ট নাৰী-মূৰ্তিৰ প্ৰতি প্ৰেমৰ সম্মোহন অনুভূতিৰ স্বৰূপ প্ৰকাশ।' কিন্তু ইয়াৰ বিপৰীত বিন্দুত থিয় হৈ পণ্ডিতগৰাকীয়ে মন্তব্য কৰিছে, '"তুমি" কাব্য ৰায়চৌধুৰীৰ অতল আধ্যাত্মিকতাৰ উজ্জ্বল চানেকি। "তুমি" কাব্যক কবিৰ বিশ্বৰূপ-দৰ্শন বুলিব পাৰি।' এই স্ববিৰোধ খণ্ডন কৰা হৈছে ডান্টে-বিএট্ৰিচৰ ক্লাছিক উদাহৰণেৰে: 'নাৰীৰ প্ৰেমৰ ভিতৰেদি বিশ্বনাথৰ ৰূপ আৰু আকৰ্ষণ উপলব্ধি কৰা কাব্য-জগতৰ ইতিহাসত বিৰল নহয়।' একালে ইন্দ্ৰিয়ৰ মাদকতাক আনকালে ঈশ্বৰ-সন্ধানী দৰ্শনক আংগিকৰ কি ব্যাকৰণৰ দ্বাৰা সমন্বয়িত কৰা হৈছে?—'শিলৰ ওপৰেদি স্খলিত গতিত ছিটিকি পৰা জলপ্ৰপাতৰ তৰঙ্গ-ভঙ্গৰ দৰে দশাক্ষৰী ক্ষিপ্ৰ গতিৰ ছুটি পদবোৰে অনুভূতিৰ তীব্ৰতা বিচিত্ৰ সৌন্দৰ্যময়ী ভাষাৰে প্ৰকাশ কৰিছে।' ৰায়চৌধুৰীৰ সামগ্ৰিক ৰূপৰ বিষয়ে লিখা ইংৰাজী প্ৰবন্ধ এটাত (এইটি প্ৰবন্ধ অপ্ৰকাশিত ৰূপত কবিৰ হাতত পৰি আছিল; মই তেওঁৰপৰা আনি মোৰ সম্পাদিত ১৯৬১ চনৰ *Journal of the University of Gauhati*ত প্ৰকাশ কৰিছিলো) কাকতিয়ে স্পষ্টকৈয়ে ঘোষণা কৰিছে, যেনেকৈ এমিলা ভিভিয়ানি বোলা ইতালিয়ান ছোৱালীজনীয়ে শেলিক "Epipsychidion" লেখিবৰ অনুপ্ৰেৰণা যোগাইছিল, অম্বিকাগিৰীৰ ডেকাকালৰ প্ৰেয়সী ইন্দুমতীও হ'ল the prototype of the mystic figure behind his later poem, *Tumi*. এই 'তুমি' হ'ল the poet's vision of the Beautiful in sensuous and supersensuous images. শেলিয়েও তেওঁৰ কবিতাৰ ছায়া-ছবিক thou, thou, বুলিয়ে সম্বোধন কৰিছে, ৰায়চৌধুৰীয়ে 'তুমি', 'তুমি' বোলাৰ দৰে। সমালোচকে অম্বিকাগিৰীৰ জীৱনৰ স্ব-বিৰোধবোৰ আৰু ৰাজনৈতিক চিন্তাৰ বিফলতা লক্ষ্য কৰি সেইবোৰ বৈশিষ্ট্য আঙুলিয়াই দিছে, কাকতিৰ নিজা ভাষাত তাক উদ্ধাৰ কৰি নিদিলে, তাক বুজাৰৰ উপায় নাপাওঁ। কবিজনৰ দেশহিতৈষী জীৱনৰ সামগ্ৰিক ৰূপৰ বিষয়ে: This poem, called 'I am a rebel, I am an anarch,' written in the later clamorous style of the poet-patriot, unfolds the entire life philosophy of Roy Chowdhury, now masquerading as a poet and

now as a politician. Revolt and intolerance is the key-note of his character. জেলত লেখা কবিতাকেইটা হ'ল stirring political poems.... in accompaniment to the clangour of the hammer. 'আৰু পাণ্ডু কংগ্ৰেছৰ বাবে লেখা গানকেইটাৰ বৈশিষ্ট্য : breaking away in the vast sweep of their rolling verses from the clap-trap of ordinary political songs. ৰাজনৈতিক প্ৰোগ্ৰেমৰ কথা : Roy Chowdhury's schemes have all the glamour of poetry but not all the four legs of realism. গদ্য-শৈলী আৰু কাব্য-গতি : He feels, never reasons. His prose style in his journalistic writings has all the convolutions of twisted irons when the steam-engine goes off the rails. He frets and foams till all the available vocables of praise or blame are strung together in a cast-iron mould. His angry denunciations often descend with the velocity of showering hails and leave his opponents prostrate. Caged within the technique of verse, his mind flows in its natural pace, but like a sweeping current overflowing the banks, it tortures logic in the freedom of prose. ৰায়চৌধুৰীৰ শিক্ষা-দীক্ষা : With little schooling, and less home training, he has sucked in inspiration from the common air and he breathes through every pore. ৰাজনীতিকজনৰ বিষয়ে দফা ৰফা কৰা শেষ কথা : he is at bottom a poet and his public programme is too often poetry in fireworks. সমালোচনাৰ হাতিয়াৰ হিচাপে কাকতি ইংৰাজী ভাষাৰেই আটাইতকৈ সুখী ; তাৰেই তেওঁ স্পষ্ট টং টং শব্দ কৰি প্ৰাণৰ তলিলৈকে বক্তব্যৰ ধ্বনি স্পৰ্শাই দিব পাৰে।

ৰায়চৌধুৰীৰ কবিতাৰ অৰ্থ বিচাৰি কাকতি যেনেকৈ কবিৰ জীৱনত পিট্‌পিটাইছেগৈ, তুৰবাৰ ব্যক্তিগত জীৱনৰো সেইদৰে কবিতাত ছায়াপাতৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, আৰু সেই গতিকে কবিজনৰ জীৱনৰ খবৰ দিবলৈ গৈছে। পিছে গৈও আদবাটতে ৰৈ গৈছে, কাৰণ সি বোলে এটি সাঁথৰ। 'মোৰ শেষ পাঠ' আদি কবিতা টুৰ্গেনেভ আদিৰপৰা লোৱা বুলি আমি জানিলেও কাকতিৰ মতে 'সেইবোৰক বুকুৰ তপত তেজৰ উম দি সজীৱ কৰি তোলা হৈছে।' গতিকে কথাত লেখা এই কবিতাবোৰ তুৰবাৰ সাঁথৰ-জীৱনৰে ক্ৰমিক সাঁথৰ-আলেখ্য ; সেই জীৱনৰ কথাকে 'সাঁথৰৰ ভাষাত' অৰ্থাৎ চৰ্যা-গীতিৰ বা আমাৰ ভকতীয়া ফকৰাৰ দৰে সান্ধ্য-সংকেতেৰে 'ৰূপকাত্মক' কৰি কোৱা হৈছে : 'প্ৰত্যেকটো চিত্ৰৰ আঁৰতেই ওৰণি লোৱা ভাব একোটা থাকে।' ওৰণিৰ কাৰুণ্যকে তেতিয়া হ'লে আমি ওৰণি-ৰাৰণিয়ে ঢকা মুখখনৰ কিবা কাৰুণ্যৰ বিৰিঙণি বুলি ল'ব লাগিব। কোনে লেখি থৈছে ক'ব নোৱাৰো, "কথা-কবিতা"ৰ নাম-পাতৰ পিছতে এনেআৰাৰি কথা গোঁঠা

আছে, বোলে, 'সুখ-দুখ, হাঁহি-অশ্রু—সকলোকে সামৰি লৈ কবিৰ ভাববিহ্বল হৃদয়ে কেনেকৈ অনন্তৰ উদ্দেশ্যে এটি হুমুনিয়াহ পেলাইছে এই সকল গ্ৰন্থখনিত তাৰে স্পষ্ট আভাস পাব।' এই কথাই আৰু কাকতিৰ পাতনিয়ে আমাক এই গাঁথকৰা ইঙ্গিতবোৰৰ 'মানে'টো পঢ়িবৰ বাবে সজাগ কৰি তোলে।

কাকতিৰ সমালোচনা-প্ৰবন্ধৰ ভিতৰত তাহানিৰ কলিকতাৰ বেজবৰুৱা-সমিতিৰ সভাত পঠিত বেজবৰুৱাৰ সাহিত্যিক কীৰ্তিৰ বিশ্লেষণমূলক লেখাখনি এটি লেখত ল'ব লগীয়া বস্তু। বেজবৰুৱাৰ প্ৰতি কাকতিৰ শ্ৰদ্ধা অপৰিসীম। এই প্ৰবন্ধটিত কাকতিয়ে বেজবৰুৱাৰ কীৰ্তিৰ আৰু বৈশিষ্ট্যৰ ভিতৰত তেওঁৰ দেশৰ প্ৰতি 'অতিস্নেহঃ পাপশঙ্কী', তেওঁৰ অনাবিল হাস্যৰস আৰু অননুকৰণীয় কথা-শৈলীকে বিশেষ স্থান দি বিশ্লেষণটি আৰম্ভ কৰে। এটা সময়ত 'পক্ষীয়ে যিমতে শিশু-চটকক পখাৰে আৱৰি ৰাখে', তেনেকৈ বাহিৰৰ অসমীয়া-দ্বেষীসকলৰ আক্ৰমণৰ বিৰুদ্ধে তেওঁৰ লেখনীৰে যুঁজি বেজবৰুৱা আমাৰ জাতীয় বীৰত পৰিণত হৈছিল। কিন্তু তাৰ পিছতে উজনীয়া-নামনীয়া ভাষা আৰু শঙ্কৰী-দামোদৰী ধৰ্মমতৰ বাদ-প্ৰতিবাদৰ সংঘৰ্ষৰ মাজত সোমাই তেওঁ এক বহু-বিতৰ্কিত পুৰুষ হৈ পৰিছিল। বাহিৰৰ শত্ৰুৰ লগত লগা ৰণখনৰ সময়ত বাণীকান্ত সুলীয়া ল'ৰা। কিন্তু ঘৰমৰ ৰণৰ বেলিকা তেওঁ উঠন ডেকা। গতিকে তেওঁ অৰ্থাৎ অধ্যাপক কাকতিয়ে যেতিয়া বেজবৰুৱাৰ পক্ষত যোগ দিলে, তেতিয়া বিপক্ষক নিৰস্ত কৰিবৰ সৰহ সময় নালাগিল। তাতে আকৌ যেতিয়া কাকতিয়ে ঘোষণা কৰিলে যে অসমীয়া ভাষা শুধ্‌কৈ লেখিবলৈ হ'লে দিনে-নিশায় বেজবৰুৱাৰ ৰচনা পঢ়িব লাগে, তেতিয়া ভাষাৰ ৰণখনো স্বাভাৱিকতে নোহোৱা হ'ল। জাতীয় সাহিত্যৰ ভাৱসাম্যৰ প্ৰশ্নত সেই দেখি কাকতিৰ বেজবৰুৱা-প্ৰশস্তি ব্যাপক তাৎপৰ্যপূৰ্ণ। তেওঁলোক দুজনেযে ঘটনা বুজি-বাজিয়ে যোগ দৈছিল, কাকতিৰ চিঠিত (আমাৰ সম্পাদিত পত্ৰলেখা, ২২৪ পিঠি) তাৰ ইঙ্গিত পোৱা যায়।

কাকতিৰ আধুনিক সাহিত্যৰ আলোচনাৰ ভিতৰত ধাৰ্মিকা কবি ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ "ফুলৰ শৰাই"ৰ পাতনিখনি সকলৰু ধুনীয়া। হয়তো কাকতিৰ সৌন্দৰ্য-সন্ধ, সত্য-সন্ধ, ভাষা উজ্জ্বল হৈ উঠিছে।

আধুনিক নাট্য-সাহিত্যৰ এটি শ্ৰেষ্ঠ সম্পদ জ্যোতিপ্ৰসাদৰ 'শোণিত-কুঁৱৰী'ৰ সমালোচনাত পৌৰাণিক বিষয়-বস্তু এটি আধুনিক মনস্তাত্বিক আৰু নাটকীয় কৌশলেৰে কেনেকৈ পৰিৱেশন কৰা হৈছে, তাৰে প্ৰশংসাবাদ কৰা হৈছে। কিন্তু চৈধ্য বছৰ বয়সতে প্ৰথম ৰচনা কৰা, ওঠৰ বছৰ বয়সত গীতত অভিনৱভাৱে অসমীয়া সুৰ সংযোজন কৰা আৰু বাইশ বছৰ বয়সত ছপা কৰি উলিওৱা নাটখনৰ সমালোচকে মৰমেৰে 'কুমলীয়া ল'ৰা আৰু আমাৰ ছাত্ৰস্থানীয়' বোলা নাট্যকাৰজনে কাকতিক নিশ্চয় গুৰু-স্থানীয় জ্ঞান কৰিয়ে 'নাটখনিৰ নিৰপেক্ষভাৱে দোষ-গুণ বিচাৰ কৰি "বাঁহী" কাকতত প্ৰবন্ধ এটি দিব লাগে' বুলি এটা কপি উপহাৰ দিছিল। সেই কুমলীয়া ল'ৰাৰ কৃতিৰ

সম্ভাৱনাখিনি ৰখানি সেই ল'ৰাটি 'আমাৰ শ্ৰদ্ধাৰ পাত্ৰ হৈছে', তেওঁৰ হাতত চিৰপৰিচিত আখ্যান এটিয়ে অভিনৱ-ভাব-ভাষাৰ ৰূপ পোৱাত 'সকলো সাহিত্যসেৱীয়েই ভাল পোৱা উচিত', 'পত্ৰলেখা, চন্দ্ৰলেখা, মধুলেখা আদি নামবোৰ বৰ কবিত্বপূৰ্ণ উদ্ভাৱনা,' 'উষাই বৰ লোৱাৰপৰা অনিৰুদ্ধৰ লগত মিলন হোৱালৈকে দৃশ্যবোৰ কাব্য-হিচাপে বৰ নিৰুপম হৈছে', চিত্ৰলেখাৰ স্বগত বচনবোৰ 'স্বাধীন কথা হিচাপে মধুৰ আৰু কবিত্বময় হৈছে', 'পৌৰাণিক মায়া-বিদ্যাৰ ঠাইত আধুনিক 'ভেল্কীৰ (hypnotism) সহায়েৰে কুমৰক হৰণ কৰা কথাটো গ্ৰন্থকাৰৰ পক্ষে বৰ নিপুণ উদ্ভাৱনা, ভাব আৰু ভাষা মনোৰম',—এনেবোৰ মন্তব্যেৰে অধ্যাপকজনে জ্যোতিপ্ৰসাদৰ আৰ্টৰ অভিনৱত্বক অভিবাদন জনাইছে। আনফালে, আখ্যানটিৰ উজ্জ্বল পৰম্পৰালৈ লক্ষ্য ৰাখি নাটকখনি ক'ত ক'ত নিস্তেজ হৈছে বা ক'ত কি হ'লে ভাল হ'লহেঁতেন, তাকো তৰুণ নাট্যকাৰে বিচৰামতে 'নিৰপেক্ষভাৱে' তন্ন-তন্নকৈ দি গৈছে জ্যোতিপ্ৰসাদৰ উজ্জ্বলতৰ ভৱিষ্যতৰ আশাত; ৰসজ্ঞানৰ কিন্তু অভাৱ হোৱা নাছিল; নাট্যকাৰেও হৃষ্টভাৱে গ্ৰহণ কৰি কাকতিৰ সেই সমালোচনাটি দ্বিতীয় তাঙৰণত (১৯৭৮) সন্মানেৰে "বাঁহী"ৰপৰা (আষোণ ১৮৪৭) হুবহু তুলি দিছিল। অৱশ্যে এইটি সমালোচনাৰ ৰং কাকতিৰ আন প্ৰবন্ধবোৰৰ দৰে নহয়, কাৰণ আনবোৰ আলোচ্য কৃতি পূৰঠ হাতৰ বুলিয়েইহে তাৰ সমালোচনাত তেওঁ ধৰিছিল। এই সমালোচনা কিয়ংপৰিমাণে সাময়িক পুথি-পৰিচয়-জাতীয় আৰু কিয়ং পৰিমাণে কলেজীয়া নাট্যকলা-শ্ৰেণীৰ ছাত্ৰৰ বহিত প্ৰফেছৰৰ মন্তব্য-জাতীয়।

নলিনীবালা দেৱী আৰু নীলমণি ফুকনৰ বিষয়ে দুটি প্ৰবন্ধ যোগ দি "নতুন অসমীয়া সাহিত্য" পুথি সম্পূৰ্ণ কৰাৰ ভাৰ ডক্টৰ কাকতিৰ অপূৰ্ণ হৈ গ'ল।

৭

বৈষ্ণৱ সাহিত্যৰ আলোচনাৰ অনুষঙ্গী বাণীকান্ত কাকতিৰ বৈষ্ণৱ-ধৰ্মৰ আলোচনাধাৰা। এই ধাৰাৰ বুৰঞ্জী অৱশ্যে বৰ পৰিচ্ছন্ন নহয়। ১৮৪২ শকৰ জেঠ মাহৰপৰা ৰজনীকান্ত বৰদলৈৰ সম্পাদনাত "অসম প্ৰদিপীকা" (কাকতখনৰ দ্বিতীয় সংখ্যাৰপৰাহে তাৰ এনে ভুল নামৰ সংশোধন কৰা হয়) নামে এখন ধৰ্মালোচনাত্মক মাহেকীয়া আলোচনী ওলায়। এই আলোচনীখনিত সৰ্বজন-স্বীকৃত মতৰ বিৰুদ্ধ, বৈষ্ণৱ ধৰ্ম-সাহিত্যৰ বুৰঞ্জীৰ বিকৃত ব্যাখ্যা দেখা পাই (বিশেষতে 'মহাপুৰুষীয়া বোলাওঁতা পাষণ্ড' কথা-আষাৰত ক্ষুন্ন হৈ) তৃতীয় সংখ্যা "প্ৰদীপিকা" ওলালত দশম বছৰ ষষ্ঠ সংখ্যা "বাঁহী"ত (আহিন ১৮৪২ শক) কাকতিয়ে 'সমালোচনা: বুৰঞ্জীৰ সম্ভাব্য-সম্ভাৱনা, নামে এটি প্ৰবন্ধ লিখি 'সাম্প্ৰদায়িক ঘৃণা'যে বৰ্জনীয়, তাকে আলোচনা কৰে। "চেতনা" কাকতত প্ৰকাশিত কাকতিৰ 'নামঘোষা' নামৰ প্ৰবন্ধটি (এতিয়া "পুৰণি অসমীয়া সাহিত্য"ত সন্নিবিষ্ট) লৈ অষ্টম সংখ্যা 'প্ৰদীপিকা'ত 'ঘনশ্যাম দেৱশৰ্মা' নাম লৈ এজনে "অধ্যাপক শ্ৰীবাণীকান্ত কাকতিৰ পুৰণি অসমীয়া সাহিত্য" শীৰ্ষকেৰে অলপ কষ্ট সমালোচনা কৰাত সেই আলোচনীৰ নৱম সংখ্যাত (৩৫৮-৩৬০

পিঠি) কাকতিয়ে এটি 'প্ৰতি-সমালোচনা' লিখে। 'দেৱশৰ্মা'ই কাকতখনিৰ দশম সংখ্যাত তেওঁৰ প্ৰবন্ধৰ পিছৰ ভাগ প্ৰকাশ কৰে। কিন্তু কাকতিয়ে আৰু তাৰ কোনো প্ৰতিবাদ নিলিখিলে। ইতিমধ্যেই তেওঁ এটি আণ্ডাৰগ্ৰাউণ্ড কৰ্মত সোমায়, অৰ্থাৎ দশম বছৰ সপ্তম সংখ্যা "বাঁহী"ৰপৰা (কাতি ১৮৪২ শক) 'ভবানন্দ পাঠক' নাম লৈ 'বিজুলী' নামেৰে একধাৰা প্ৰবন্ধ লিখিবলৈ ধৰে। এই লানিত মুঠ ওঠৰটি প্ৰবন্ধ প্ৰকাশ পাইছিল। প্ৰবন্ধসমূহত বেদ-উপনিষদৰেপৰা আৰম্ভ কৰি দাক্ষিণাত্যৰ বৈষ্ণৱ আৰু বৈদান্তিক সম্প্ৰদায় আৰু বংগদেশৰ ৰাধা-সাহিত্যলৈকে সকলোকে সামৰা ভবানন্দৰ জ্ঞান জাহিৰ কৰা হৈছিল। সেইদৰে বাদ-বিসম্বাদৰ তিক্ততাও তাত স্বাভাৱিকতে পূৰ্ণৰূপে প্ৰকট হয়। সেই তিক্ততাখিনি বাদ দিলে এইধাৰা প্ৰবন্ধৰ জ্ঞান-গৌৰৱান্বিত মূল্য নিশ্চয় থাকিব। এইটি কাৰ্য কৰিবৰ বাবে কাকতিৰ নিজৰো ইচ্ছা আছিল আৰু তাক কিছু কিছু কৰি আৰম্ভও কৰিছিল। সাধাৰণতে বাদ-বিসম্বাদত যেনেভাৱে নিজৰ জ্ঞানৰ টোপোলা জোঁকাৰি জোঁকাৰি প্ৰতিযোদ্ধাৰ বিৰুদ্ধে ৰণ জিকিবলৈ যত্ন কৰা হয়, 'বিজুলী'ৰ লেখাবোৰতো তেনে অভিপ্ৰেত জ্ঞানৰ চকমকনি বেঙাই উঠিছে বাৰে বাৰে। জ্ঞান-গম্ভীৰ বাণীকান্ত কাকতিয়ে জ্ঞানৰ এনে প্ৰদৰ্শনী পাতিব নোৱাৰিছিল আৰু তাৰে তিক্ত তৰ্ক-বিতৰ্কত গা দেখুৱাই লাগিবলৈও টান পাইছিল বাবেই সত্যৰ অপলাপক সংশোধন কৰিবলৈ ভবানন্দ পাঠকৰূপে অৱতীৰ্ণ হৈছিল। বেজবৰুৱাৰ কৃপাবৰ বৰবৰুৱাৰ দৰে কাকতিয়েও ভবানন্দ পাঠকৰ যোগেদি কম গুৰুত্বপূৰ্ণ কাম কৰা নাই। মিল্টনৰ ৰণৰংগী পুস্তিকাৱলীৰ প্ৰকাশনৰ ফালে ইঙ্গিত কৰি ৱৰ্ডছৱৰ্থে লেখা কথাই এই প্ৰসংগত আমাৰ মনলৈ আহে : 'and yet thy heart/The lowliest duties on herself did lay.' ভবানন্দৰ লেখাত কাকতিৰ হিউমাৰ, আৰু ব্যঙ্গৰ বিকাশ দেখা পোৱা যায়। আনফালে ভবানন্দ পাঠকৰ এই জ্ঞানৰ কচৰতে কাকতিক আন এটি ডাঙৰ কাৰ্যৰ বাবে সাজু কৰিছিল ; এই কাৰ্যটিৰ দুটি ফল হ'ল *The Mother Goddess Kamakhya*, মধ্যযুগীয় অসমৰ ধৰ্মসমূহৰ নিৰ্ভীক আলোচনা ; আৰু *Visnuite Myths and Legends*, বৈষ্ণৱ ধৰ্মৰ মূল সূত্ৰবোৰৰ বৈজ্ঞানিক ব্যাখ্যা।

"প্ৰদীপিকা" কাকতখন পোনতে ওলাওঁতেই বেজবৰুৱা ডাঙৰীয়াই তাৰ বিকৃত ভাষা আৰু বৈষ্ণৱ-ধৰ্মৰ অপব্যাখ্যা আৰু অনাহক নিন্দাবাদৰ কঠোৰ সমালোচনা কৰি আৰু ভালেৰে বুজায়ো (বাঁহী, ১০.৩ : পোৱা কিতাপৰ বিষয়ে, সম্পাদকৰ কথা, ১০.৪ : প্ৰদীপিকাৰ দ্বিতীয় সংখ্যা, ১০.৫ : বাদানুবাদ) প্ৰদীপিকা-পক্ষক নিৰস্ত কৰিব খুজিছিল, কিন্তু দেখে যে সিসকলে 'ধৰিলন্ত বৃদ্ধ-কাছে' (১০.৪, পিঠি ৯৯) আৰু মহাপুৰুষীয়াসকলক মুবুজি-নেমেলি তৰ্কতহে প্ৰবৃত্ত হৈছে। তেতিয়া তেওঁ আপোন বন্ধু হ'লেও প্ৰদীপিকা-পক্ষৰ সেনাপতি ৰজনীকান্ত বৰদলৈকো ব্যক্তিগত বাক্য-প্ৰহাৰ দিবলৈ আৰু সিপক্ষৰ টুলুঙা যুক্তি লৈ পৰিহাস কৰিবলৈ আৰম্ভ কৰে। উদাহৰণ দিছো।—'আৰু এটা তথ্য বৰদলৈয়ে দিছে, যে যাৰ জীৱনী লেখা যায়, জীৱনী-লেখক তাৰ সমসাময়িক নহ'লে সেই জীৱনী inadmissible, অবিশ্বাস্য, কাৰণ শুনা কথাক ইংৰাজীত hearsay বোলে। ই

সাক্ষ্যৰ বা Evidence-অৰ গ্ৰাহ্য নহয়।" যি হওক, ৰবদলৈয়ে ইমান বছৰ Evidence Act খাটি হাকিমি কৰাৰ কল কলিল' (১০.৭)। 'ৰবদলৈৰ বিশুদ্ধ সিদ্ধান্ত পঞ্জিকাৰ সিদ্ধান্ত আৰু এটি যে শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থ কৰিবলৈ গৈছিল অতি কমেও ৫০ বছৰ বয়সত।··· আমি কওঁ তথাস্তু। এই নতুন পঞ্জিকা ঠিক চলিব' (১০.৮)। "প্ৰদীপিকা"ই 'আমাৰ কেনে যুক্তি, বাঁহীৰ কেনে যুক্তি চাওক' বুলি প্ৰত্যাহ্বান জনোৱাত বেজবৰুৱাই "প্ৰদীপিকা" নামৰ চকটোৰপৰা এটা ভাত পিটিকি চাবলৈ দিছে পাঠকক: "প্ৰদীপিকা"ই লেখিছিল, '৺শঙ্কৰদেৱ ব্ৰাহ্মণৰ শিষ্য বুলি সকলোপৰা আমাৰ জনা আছে' (প্ৰদীপিকা ১.৮, ৩১২ পিঠি)। বেজবৰুৱাই সবহলৈ নগৈ ব্যঙ্গ কৰি কৈছে, 'পাঠক কেনে যুক্তি দেখিলা! প্ৰদীপিকাৰ লেখকে বা প্ৰদীপিকাই যেতিয়া সেইটো সকলোপৰা জানি আছিছে, সেইটোৱেই ডাঙৰ যুক্তি, আৰু কি লাগিছে? তেওঁলোকে যুদ্ধ জিকিলে! হেৰ কোন আছ, ডবা কোবাই দে' (১০. ১১)। বেজবৰুৱাৰ এনে ব্যঙ্গবাণৰ সন্ধান তীব্ৰভাৱে অব্যৰ্থ হৈ পৰিছিল। বেজবৰুৱাৰ তলে পালি-সেনাপতি ভবানন্দ পাঠকো ব্যঙ্গৰ চেঙা-তেল অৱাত কমজন যেজ নাছিল; তেওঁৰ ছেদবোৰৰ শিৰোনামাবোৰতে সেই ব্যঙ্গ ব্যঞ্জিত হৈ প্ৰদীপিকা-পক্ষক ক্ষত-বিক্ষত কৰিছিলগৈ—'চৈতন্য-দামোদৰ-সমাগম-লীলা', 'যশস্পতি বাপুৰ খেমটা', 'হাকিমি চালৰ অকূট খিড়ম্বনা', 'বৃহৎ দলৈৰ বৃহৎ সমস্যা', 'সনাতন ধৰ্মৰ লঙ্গৰ', 'ৰবদলৈৰ বাম মিলে না', ইত্যাদি; ভিতৰফালেও লক্ষ্মীনাথ-ৰামচন্দ্ৰৰ তেওঁ ধনুৰ্ধৰ লক্ষ্মণ-অনুজ। 'কাক কেহো নাহি তুষ্টি। হানে বজ্ৰ-সম মুষ্টি॥' কিন্তু এই যুঁজখনত কাকতিৰ বীৰত্ব তেওঁৰ ডেকা তেজৰ উগ্ৰতাত সিমান নহয়; যেতিয়াই যেনে যুক্তি লাগিব পাৰে, ব্ৰাহ্মণ-সংহিতা-উপনিষদৰপৰা দক্ষিণ ভাৰতৰ মহাআচাৰ্যসকলৰ চৰিত আৰু অসমীয়া বৈষ্ণৱ সাহিত্যলৈকে তেনে যুক্তিৰ ছত্ৰ উদ্ধাৰ কৰিব পৰা চোকা ওকালতি আৰু শান্ত-সমাহিত অধ্যাপকী পাণ্ডিত্যইহে প্ৰদীপিকা-পক্ষক পৈপুৱা লগাইছিল আৰু 'হাৰ মানা হাৰ' পিন্ধিবলৈ বাধ্য কৰিছিল। জাতি-বিচাৰৰ অভিমান আৰু যুক্তিত এই সমস্ত অশুভ যুদ্ধখনি চলিছিল। যেতিয়া কাকতিয়ে বেদ-উপনিষদৰপৰা আৰু আদি-বৈষ্ণৱ-শ্ৰীসম্প্ৰদায়ৰ ইতিহাসৰপৰা সেই বিভেদৰ অসত্যত প্ৰতিপন্ন কৰিলে, তেতিয়া প্ৰতিপক্ষৰ যুক্তিৰ তলিয়েই সৰি পৰিল। যদিও এই লেখাবোৰত তৰ্কবাদৰ তিক্ততা আছে, তাৰ ভিতৰত সমাজৰ পিছ পৰি থকাসকলৰ অধিকাৰ প্ৰতিপাদন কৰা বৈষ্ণৱ-ধৰ্মৰ উদাৰনৈতিকতা দৃঢ়ীভূত হৈ পৰিল বহুত দিন জোৰা এই সংগ্ৰামৰপৰা।

৮

পুৰণি অসমীয়া সাহিত্য-বিষয়ক কাকতিৰ প্ৰায়খিনি প্ৰবন্ধই ১৯১৯-২০ চনত লিখা। ১৯২০-২১ চনতে তেওঁৰ 'বিজুলী' প্ৰবন্ধবোৰ ওলায়। আধুনিক অসমীয়া সাহিত্য-বিষয়ক ৰচনাৰ ভিতৰত প্ৰথম 'কেতেকী'ৰ (১৯১৮) সমালোচনা ১৯১৯ চনৰ "চেতনা"ত প্ৰকাশ পাইছিল। ইয়াৰ পিছত বিভিন্ন পুথিৰ পাতনি-ৰূপে বা পৰিচয়-ৰূপে বাকীকেইটি লেখৰ প্ৰবন্ধ এক দশকৰ ভিতৰতে

ওলাইছিল—'শোণিত-কুঁৱৰী' (১৯২৫), 'ফুলৰ শৰাই' (১৯২৯), 'দহিকতৰা' (১৯৩১), 'কথা-কবিতা' (১৯৩৩), 'তুমি' (দ্বিতীয় সংস্কৰণ)। বেজবৰুৱাৰ বিষয়ে লিখা প্ৰবন্ধটো ১৯২৯ চনৰে। এইদৰে দেখা যায় প্ৰায় এক-দশকৰ ভিতৰতে কেয়োটা আলোচনা ওলায়। লক্ষ্মীনাথ ফুকনৰ 'সোণালী সপোন'ৰ (১৯৬১) পাতনি এই ছিছাপত বিচ্ছিন্ন বস্তু। জ্ঞানদাভিৰাম বৰুৱাৰ 'বিলাতৰ চিঠি'বো, কাকতিয়ে পাতনি লেখিছিল। ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে তেওঁৰ দ্বিতীয় পুথি "প্ৰাণৰ পৰশ"ৰ (১৯৫২) পাতনি লেখিবলৈ ধৰাত কাকতিয়ে সেই কাম মোক গতাই দিছিল। দুই-এখন পুথিৰ প্ৰকাশৰ লগে লগে তেওঁ চমু সমালোচনা একোটা ছপাই উলিয়াইছিল বা পুথিৰ লেখকলৈ পঠাইছিল—ডিম্বেশ্বৰ নেওগৰ 'থুপিতৰা' (১৯২৫) *The Cotton College Magazine*-ত, আৰু 'অসমীয়া সাহিত্যৰ জিলিঙনি' (১৯৩৯), নীলমণি ফুকনৰ 'জ্যোতিকণা' (১৯৩৮) আৰু 'গুটিমালী' (১৯৫০), মোৰ সম্পাদিত 'ভক্তি-প্ৰদীপ' (১৯৪৫) আদিৰ বিষয়ে তেওঁৰ চমু অথচ তাৎপৰ্যপূৰ্ণ মন্তব্য আছে। ডক্টৰ কাকতিয়ে লেখা ডক্টৰ সূৰ্যকুমাৰ ভূঞাৰ Bibliographyৰ পাতনি এখনিও আছে। ইয়াৰ বাহিৰেও বেজবৰুৱালৈ তেওঁৰ ববোদা বক্তৃতাৰ বিষয়ে লেখি পঠোৱা কথাখিনি প্ৰণিধানৰ বিষয়: 'It is as beautiful and penetrating in its simplicity. ক'তো অনৰ্থক কথাৰ আড়ম্বৰ নাই, ভাবৰ ছয়াময়া খেলিমেলি নাই, সকলো যেন আত্মাৰ অনুভূতিৰপৰা ওলাইছে—বাইবেলৰ সৰল আৰু গূঢ় কথাৰ দৰে।······মোৰ অকণি পুথিখনিত যি অস্ফুট বা কুঁৱলিময় আছিল, আপুনি সকলোকে অনুভূতিৰ স্নিগ্ধ পোহৰেৰে জ্যোতিৰ্ময় কৰি তুলিছে।' বৈষ্ণৱ-ধৰ্মৰ সকলো আলোচনাতেই এই কথা প্ৰয়োগ কৰিব পাৰি। লক্ষ্মীনাথ, ৰঘুনাথ, যতীন্দ্ৰনাথ আদি আমাৰ সাহিত্যৰ দিক্‌পালসকলক আদৰণি জনোৱা আলোচনাৰ একপ্ৰকাৰ ওভতা বিজনি খোৱাকৈ শেষ বয়সত কাকতিয়ে মহম্মদ পিয়াৰ আদি নিতান্ত তৰুণসকলকো দুটি কথাৰে উৎসাহিত কৰিছিল। 'যুগ-সাহিত্য আৰু সমাজৰ ৰূপৰেখা' প্ৰবন্ধত (বাণী-প্ৰতিভা) কাকতিয়ে নিতান্ত সাময়িক মূল্যৰ পুথি-পত্ৰিকাৰো উল্লেখ কৰিছে। গতিকে তেওঁক বিভিন্ন ৰুচিৰ পুথিৰপৰা আঁতৰি থকা মুখ-চাই-পৰশা (exclusive) সমালোচক বুলিব নোৱাৰি। অৱশ্যে সমালোচক সমালোচক। 'অল্পকবি যশঃপ্ৰাৰ্থী'ক তেওঁ 'উপহাস্যতা'-গমনহে কৰাইছে। 'কটুৱৈ ধৰা দুই-এখনি পদপুথি ছপাই সেইবোৰেই পাঠ্যপুথি নোহোৱাত সাময়িক পত্ৰিকাৰ পিঠি বখলা-বখল কৰা দুই-এজন কবি-টিলিকা'ক ('কথা-কবিতা'। কবি-টিলিকা শব্দটো কৃপাবৰ বৰবৰুৱাৰ।) তেওঁ অলবৎ বৰদাস্ত নকৰিছিল, হয়।

মাদ্ৰাজৰ জি. এ. নটেশন এণ্ড্ কোম্পানিৰপৰা তেওঁলোকৰ Saints of India Series-অত ওলোৱা শঙ্কৰদেৱ-সম্পৰ্কীয় অধ্যাপক কাকতিৰ কিতাপখন আজি চকুত বাটি দিবলৈকো পাবলৈ নোহোৱা হৈছে। তাৰ নাম আছিল মাথোন *Sankara Deva* কিংবা *Life and Teachings of Sankara Deva.* ১৯২৩ চনত পুথিখন ওলায়। তাৰ পূৰ্বতে *The Indian Review*-ত সেই বছৰ এপ্ৰিল আৰু মে' মাহত দি দুখণ্ডত বিভক্ত হৈ প্ৰকাশ পাইছিল। তাৰ ধৰাবিকাৰ হস্তান্তৰ

কৰি দিয়া বাবে কাকতিক নটেশনে ডেৰ কুৰি ৰূপ দিছিল। (কাকতিয়ে পিছত আমাক কৈছিল, 'হেৰা, পুথি-পত্ৰ লেখি জীৱনত সেই ত্ৰিছ টকাই যি পাওঁ।') পিছত নটেশনে সেই দেখি কাকতিয়ে নজনাকৈয়ে তেওঁৰ নামো নিদিয়াকৈ চৈতন্য, হৰিদাস, ৰামপ্ৰসাদ, ৰামকৃষ্ণ, বিবেকানন্দ, এই পাঁচজন বঙালী সন্তৰ জীৱনীৰ লগতে কাকতিৰ লেখাটি *Chaitanya to Vivekananda* : *Lives of the Saints of Bengal* নামৰ গ্ৰন্থত সন্নিবেশ কৰি দিছিল ; আন কি, সম্ভৱতঃ ১৯২৮ চনত ওলোৱা এই কিতাপখনৰ কপি এটা কাকতিয়ে ১৯৩৫ চনতহে যোগাৰ কৰে। বেজবৰুৱা ডাঙৰীয়ালৈ লেখা (১২ জুন ১৯২৩) এখন চিঠিত মূল লেখাটো সম্পৰ্কে কাকতিৰ কথাখিনি পঢ়িব লগীয়া : 'মই আকৌ তিনি মাহমানৰ মূৰত মুকলিমূৰীয়া হ'ম। এটি বাজে কামত লাগি থাকিব লগাত পৰিছো। নটেশন কোম্পানিয়ে শঙ্কৰ-চৰিতৰ Sketch ছপাব লাগিছে। *Indian Review*-ত (April & May) খণ্ড খণ্ডকৈ ছপাই উলিয়াইছে। স্বতন্ত্ৰ পুথিৰ আকাৰত সোনকালে ওলাব যেন পাওঁ। কামৰূপ অনুসন্ধান সমিতিত থকা দ্বিজ ৰামানন্দৰ গুৰুচৰিতত শঙ্কৰ, মাধৱ আৰু গোপালদেৱৰ Group painting এখন আছে। তাৰপৰা ফটো লোৱাই Natesan-অৰ পুথিৰ ওপৰ পাতত block ছবি দিয়াবলৈ এখন ছবি পঠাই দিছো। আপোনালৈও এখন ছবি পঠালো। শ্ৰীযুত অবনীন্দ্ৰনাথ ঠাকুৰে review কৰা পুৰণি Indian painting-অৰ ধৰণ থকা যেন লাগে' (মোৰ সম্পাদিত পত্ৰলেখা, ২৩২ পিঠি)। ১০ চেণ্টিমিটাৰ পুতল আৰু ১৬ চেণ্টিমিটাৰ দীঘৰ, ৪৩ পিঠি মাথোন জোৰা এই খুদমণি কিতাপকণৰ চেহেৰা এই বৰ্ণনাৰপৰাই অনুমান কৰি লওক। আগৰ মহাপুৰুষীয়া সন্ত-মহন্তসকলে সাঁচিপাতত মহাপুৰুষৰ চিত্ৰ লেখিবৰ যত্ন কৰিছিল ; বেজবৰুৱা-কাকতিয়ে বিংশ শতিকাৰ আৰম্ভণিত সেয়া ভক্তিৰে গ্ৰহণ কৰিছিল।

কাকতিৰ 'বাজে কাম'টি কিন্তু প্ৰকৃততে আমাৰ মনৰ মণিকূটৰ ভিতৰৰ বস্তুৱেই। এই সময়ত গুৰু-চৰিতবিলাকৰ নানা বিৰোধৰ বিষয়ে, বিশেষকৈ ৰামচৰণ ঠাকুৰৰ ভণিতা-যুক্ত চৰিতৰ স্বৰূপৰ বিষয়ে নানা প্ৰশ্ন তেওঁৰ মনত উঠিছিল। বেজবৰুৱাক এখন চিঠিত (২৭ ছেপ্টেম্বৰ ১৯২০) সেই সন্দেহৰ কিছুমান ভঞ্জন কৰাৰ বাবে অনুৰোধো কৰিছিল। "চেতনা"ত (৭.২, আহিন ৪৭৭ শঙ্কৰাব্দ) 'পুৰণি পুথিৰ কথা : শঙ্কৰ-চৰিত' নামৰ প্ৰবন্ধত 'ৰামচৰণ ঠাকুৰ'ৰ সমালোচনা দিছিল। কিন্তু কাকতিয়ে নটেশনৰ বাবে লেখা পুথিত চৰিতৰ কোনো বিৰোধৰ কথা নুলিয়াই শঙ্কৰদেৱৰ জীৱনবৃত্ত এটা ধাৰাত সলসলীয়াকৈ কৈ গৈছে। এই সৰু প্ৰবন্ধৰ কম পৰিসৰৰ ভিতৰতে শঙ্কৰদেৱৰ ধৰ্ম-প্ৰচাৰৰ পটভূমি, ভক্তিধৰ্মৰ হকে তেওঁৰ জীৱন-জোৰা সংগ্ৰাম, তেওঁৰ ধৰ্মৰ মূল নীতিবোৰ আৰু গীতবোৰৰ সৌন্দৰ্য আৰু তাৎপৰ্য, সামাজিক সাম্যৰ বাণী, পদ্য-ভেদ আৰু সাহিত্যৰ বিকাশ—এই সকলো কথাকেই সামৰিছে। উপসংহাৰত তেওঁ কৈছে, The civilization of modern Assam is essentially a Vaishnavic civilization. সত্ৰ-সমূহ অসমীয়া সমাজৰ অনুশাসন-যন্ত্ৰ। তিথি-মহোৎসৱত মহাপুৰুষৰ গীত-পদেৰে হৰি-প্ৰসংগ কৰি প্ৰসাদ লওঁতে মহাপুৰুষীয়া-

দামোদৰীয়াৰ কৃত্রিম বিভেদ আঁতৰি যায়। নামঘৰবোৰ গণতান্ত্রিক পদ্ধতিত সমাজক নিয়ন্ত্রণ কৰা সক-বৰৰ বা জাতৰ বিচাৰ নথকা গাঁৱলীয়া পার্লিয়ামেণ্ট আৰু কাছাৰী—এই মত কাকতিয়েই পোনতে এই লেখাটিতে প্রকাশ কৰে। As a social force, Assam Vaishnavism has been working with marvellous success for about four hundred years and that too without any symptom of degradation. The strict elimination of women from the religious gatherings of men is a strong point in this school. It widened the pale of Hindu community receiving adherents from any religion and gave a wider range to social activities. It has fostered the ideas of brotherhood and equality amongst all men and acted as a strong solvent to hateful distinctions. কেৱল এটা পেৰাগ্রাফত সমগ্র মহাপুৰুষীয়া সাহিত্যৰ এটি থূল-মূল আভাস দি তাৰ বৈশিষ্ট্যখিনিৰো ইঙ্গিত কৰা হৈছে। মুঠতে তৰুণ অধ্যাপকৰ হাতে-গঢ়া এইখনি মহাপুৰুষীয়া অৰ্থাৎ অসমৰ বৈষ্ণৱ-ধৰ্ম সম্পৰ্কে সুন্দৰ হাত-পুথি হৈছে।

৯

আৱাহন-যুগৰ আৰম্ভণিত অধ্যাপক কাকতিয়ে প্রেমৰ স্পৰ্শ থকা বেদ-পুৰাণৰ আখ্যান আৰু ইউৰোপীয় সাহিত্যলৈ দৃষ্টি প্রসাৰিত কৰিছিল। "সাহিত্য আৰু প্রেম"ত সন্নিবিষ্ট প্রবন্ধকেইটাৰ মূল সূত্রৰ সংজ্ঞা পাতনিত এইদৰে দিয়া হৈছে : 'প্রেমৰ পোৰণি শক্তিৰ প্রভাৱতো একে তেজ-মঙহৰ শৰীৰৰ মানুহৰ মনত বেলেগ বেলেগ প্রতিক্রিয়া ঘটে। কেতবোৰৰ পক্ষে মনৰ চটফটনি আৰু কেতবোৰ দুৰ্লভ প্রকৃতিৰ মানুহৰ পক্ষে ই উদ্বোধনী প্রজ্ঞান-বন্তি।....এই আখ্যানবোৰত কেতবোৰ বিশ্ববিখ্যাত মনীষীৰ প্রেমৰ স্পৰ্শত প্রাণৰ প্রতিক্রিয়া দেখুওৱা হৈছে। বেদৰ ঋষি-পুত্রৰ প্রেমৰ প্রেৰণাত ঋষিত্ব-লাভৰ প্রচেষ্টাৰপৰা আমিয়েলৰ পৰিদৃশ্যমান বিশ্বৰ লগত একাত্মবোধৰ আকাঙ্ক্ষা সেই একে মিলন-স্পৃহাৰে বিভিন্ন বিকাশ।' প্রেমত উদ্ভূত 'তেজ-মঙহৰ খন্তেকীয়া ধৰফৰণি' কেনেকৈ মনীষাৰ স্পৰ্শত উদাত্তীকৃত হৈ 'অপাৰ্থিব সৌন্দৰ্য আৰু আনন্দৰ প্রতি উত্তম সঞ্চাৰ কৰে', সেইটোৰ অধ্যয়নত কাকতিৰ যেন বিশেষ ৰতি। ৰঘুনাথ চৌধাৰী, চণ্ডীদাস, ডাণ্টে, সকলোতে সেই উদাত্ত কাম-গন্ধ-বিহীন প্রেমৰ চিত্র দেখি তেওঁ উল্লাস অনুভৱ কৰিছে। তেওঁৰ কাম্য প্রেম আদৰ্শবাদী ; তাত 'উদ্দাম বাসনা, প্রণয়িনীৰ অঙ্গী-ভঙ্গীৰ লোলুপ ধ্যান আদি'ৰ পৰিৱৰ্তে থাকিব লাগে 'সৰলতা, কোমলতা, নিষ্পাপতাৰ সমাৱেশ' ঋগ্বেদৰ শ্যাবাশ্বৰ প্রণয়ৰ দৰে। আবেলাৰ্ড আৰু হেলইছাৰ দাৰুণ প্রেম-কাহিনীত নাৰী-হৃদয় বিশ্লেষণ কৰি তেওঁ কৈছে, 'তিৰোতাৰ প্রেম কামনাত আৰম্ভ হৈ নিষ্কামতাত ডাণ্টেৰ প্রেমৰ ওখ আসনত উঠিব পাৰে ; কিন্তু কামনাৰ ইন্দ্রিয়গম্যতা গুৰিতে আছেই।' আবেলাৰ্ডৰ মাত্র আদেশত আগৰ মন্ত্রেৰে ভিক্ষুণী-বেশ-পৰিহিতা হেলইছাৰ প্রেম 'প্রচ্ছন্ন

কামলিপ্সা নহয়, অথচ তাৰ ভিতৰত কাম-ভাব আছে।' সেয়ে বোধ হয় নাৰী-হৃদয়ৰ বাস্তৱ। 'আবেলার্ডৰ নির্মম আত্ম-বিলোপত তীব-বিদ্ধ কুকুৰা চৰাইৰ দৰে হিল্লাৰ বিননি যি চিঠিত প্রকাশ কৰিছিল, তাক নাৰী-হৃদয়ৰ চিৰ-স্বগতোক্তি বুলিব পাৰি।' আনফালে, 'লুক্রেজিয়াৰ 'খেলুৱৈ' প্রেমৰ আশাত এজন বৰেণ্য চিত্রশিল্পীৰ জীৱন বিৰাট নিষ্ফলতাত পৰিণত হৈছে। 'কবিৰ অহৈতুকী প্রীতি'ত কাকতিৰ প্রিয় এটি বিষয় ডান্টে-বিএট্রিচৰ কাহিনীৰ চমু বর্ণনা দিয়া হৈছে আৰু চণ্ডীদাস-ৰামীৰ কথাৰে আৰম্ভণি কৰি আৰু যোৰখনি মাৰি প্রেম সম্পর্কে এটি গভীৰ কথা কোৱা হৈছে: 'কবিৰ মনত প্রেম আৰু বিশ্বশক্তি অভিন্ন পদার্থ।' এয়া হ'ল ৰহস্যবাদ; তেজ-মঙহৰ স্থূল যৌনপ্রেমৰপৰা (touching and clawing) কাকতি বাৰে বাৰে এই অতীন্দ্রিয়, অহেতুক প্রীতিৰ ধাৰণালৈকে আৰু তাৰ বাস্তৱ আৰু সাহিত্যিক অভিব্যক্তিলৈকে ঘূৰি ঘূৰি আহিছে।

১০

সমালোচকৰ বাঞ্ছিত এটি সৰল প্রকাশিকা-শক্তিসম্পন্ন ভাষাৰীতি। কাকতিৰ ভাষা সোৱাদেই নহয়, নিটোলো অর্থাৎ balanced, সন্তুলিত। পিছত অসম সাহিত্য-সভাৰ সভাপতি হোৱা এগৰাকী সাহিত্যসেৱীয়ে হেনো কৈছিল, 'কাকতিৰ "পুৰণি অসমীয়া সাহিত্য"খনত ইমান সুন্দৰ সুন্দৰ কথা আছে! সেইখনি ইমান ভাল পুথি! কিন্তু কাকতিয়ে সেইখন অসমীয়া ভাষাত লেখা হ'লে বৰ মনোৰম হ'লহেঁতেন।' এই কথা শুনি পোনতে আমি বুজি নাপাইছিলো; তাৰ পিছত তাৰ ইঙ্গিত বুজি নোপোৱাকৈ হাঁহিছিলো। "পুৰণি অসমীয়া সাহিত্য"ৰ ভাষা অসমীয়া নহয় যদি কিনো? অৱশ্যে আজিৰ আমাৰ সকলোৰে দোষ বুলি নকওঁ, আমাৰ ভাষাৰ লক্ষণ যে আমি অসমীয়া শব্দেৰে ইংৰাজী ভাষা কওঁ। জতুৱা ঠাচেইহে এটা ভাষাৰ আচল প্রাণ, সেই কথা মৃত্যুৰ চাৰি বছৰমানৰ আগতে লিখা এটি প্রবন্ধত ডক্টৰ কাকতিয়ে সুন্দৰকৈ দেখুৱাইছিল। অসমীয়া ভাষাৰ জতুৱা ঠাচৰ গৰাকী অৱশ্যে তেওঁ নহয়, কিন্তু আন ফালৰপৰা তেওঁৰ এই অভাৱৰ ক্ষতিপূৰণ হৈছিল। তেওঁ নিজৰ উপমা আৰু নিজৰ গঠন-ৰীতি ব্যৱহাৰ কৰিছিল আৰু সেই ব্যৱহাৰে তেওঁৰ ভাষাক এটি অভিনৱ ঘৰুৱা ৰূপ দিছিল। সাধাৰণ অসমীয়া শব্দৰ মধুৰ ব্যৱহাৰ তেওঁৰ ভাষা-ৰীতিৰ এটি বিশিষ্ট অঙ্গ। গতিকে অসমীয়া ফকৰা-যোজনা, জতুৱা খণ্ডবাক্য ব্যৱহাৰ নকৰাকৈও কাকতিয়ে মনোৰম ভাষা লেখিব পাৰিছিল। এনে পাৰদর্শিতা অৱশ্যে কমৰে থাকে। 'শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।'—এই আষাৰ জাতে-পাতে অসমীয়া ফকৰা যেন লাগে, কিন্তু তাৰ গুৰি-গোষ্ঠী বিচৰাসকলেহে জানিব যে সেয়া ইংৰাজী প্রবচন একাকিৰপৰা ভাষাৰ যাদুকৰ হেমচন্দ্র বৰুৱাই অসমীয়া জাতত তুলি লোৱা পদার্থ। ইংৰাজী ভাষাত কাকতিৰ হাত পকা আছিল আৰু ইংৰাজী ৰচনা-ৰীতিও আছিল সুন্দৰ। তাৰ সমান্তৰালভাৱে তেওঁৰ অসমীয়া ভাষাও সাৱলীল আৰু প্রকাশপূর্ণ হৈ পৰিছিল। কোনো কোনো ঠাইত তেওঁৰ ভাষা কাব্যসুলভ গদ্যত (poetical prose)

পৰিণত হৈছিল আৰু ঠায়ে ঠায়ে ছন্দও জোকাৰি উঠিছিল। তেওঁৰ গদ্যও মধুৰ আৰু কল্পনাপূৰ্ণ হোৱাৰ এটি কাৰণ হ'ল উপমা আৰু ৰূপকৰ ব্যৱহাৰ ; এই উপমাবোৰে তেওঁৰ ভাষাক ঠায়ে ঠায়ে নিৰুপমা কৰিছে আৰু আমাক' ক'বলৈ ফুচুলাইছে, উপমা ৰাণীকান্তস্য। অৱশ্যে চিত্ৰময় উপমা, ৰূপকৰ বহুলতা "পুৰণি অসমীয়া সাহিত্য"ৰ প্ৰবন্ধকেইটিত যিমান পোৱা যায় (নামঘোষা প্ৰবন্ধতে সি সৰ্বাধিক), পিছৰ ৰচনাবোৰত সিমান নাই।

গোটেই কবিতাটো জোনাকী নিশাৰ আকাশী পৰীৰ লীলা-খেলা যেন লাগে। (কুমৰ-হৰণ)

সকলো জাতীয় আৰু মহাজাতীয় আন্দোলনক সাহিত্যই বন-পোৰা জুইক সহায় কৰাৰ দৰে সহায় কৰে (বনগীত)

মৰুভূমিত উটে পানীৰ গোন্ধ লৈ জলাশয় বিচৰাৰ দৰে তৃষিত মানৱসকলেও বৰগীতৰ ধ্বনি-প্ৰতিধ্বনিক লক্ষ্য কৰি গুৰু দুজনাৰ ওচৰত উপস্থিত হৈছিল। (বৰগীত)

ধাতুৰ মুদ্ৰা এটিৰ একালে বজাৰ চাব, আৰু আনকালে মুদ্ৰাটিৰ বেচকেবিৰ উল্লেখ থকা দৰে গীতবোৰতো একালে........। (বৰগীত)

হিমালয়ৰ নিভৃত শৃঙ্গৰ ওপৰত স্তূপীকৃত হৈ থকা অনন্ত তুহিন-ৰাশিয়েই গলি গৈ ভৈয়ামত নানান নদ-নদী-স্বৰূপে অৱতীৰ্ণ হোৱাৰ দৰে এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আৱেগ। (নামঘোষা)

সাগৰাভিমুখী স্ৰোতস্বতী পৰ্বতৰ কঠোৰ শিলাখণ্ড অতিক্ৰম কৰি ভীষণ বেগেৰে সাগৰৰ ফালে বৈ যোৱাৰ দৰে........। (নামঘোষা)

প্ৰবল বেগেৰে বৈ যোৱা বিশাল জলৰাশিৰ আগ ভেটি ধৰা উপল-খণ্ডৰ প্ৰতি তৰঙ্গ-আঘাত মাথোন। (নামঘোষা, তুলনীয় কালিদাস)

একান্ত ভক্তিৰ সোঁত নামিলে, ভাদমহীয়া চলৰ পানী নৈৰ গৰা ভাঙি পাৰ বাগৰি যোৱাৰ দৰে ই সীমাবদ্ধ সগুণ উপাসনাত আবদ্ধ হৈ থাকিব নোৱাৰে। (নামঘোষা)

ইয়াত জোনাকী পৰুৱাৰ প্ৰভা আছে, কিন্তু দাহিকাশক্তি নাই। (নামঘোষা)

বতাহত সাগৰৰ উন্মত্ত তৰঙ্গমালাৰ দৰে হেলইছাৰ নাৰী-হৃদয় বিধাতাৰ শাসনৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিল। (নাৰী-হৃদয়)

আবেলাৰ্ডৰ নিৰ্মম আত্ম-বিলোপত তীৰ-বিদ্ধ কুৰুৰা চৰাইৰ দৰে হিয়াৰ বিননি....। (নাৰী-হৃদয়)

ই জোনৰ প্ৰভাৱত সাগৰৰ খলকনিৰ দৰে.......। (নাৰী-হৃদয়)

ঘৰচীয়া মেকুৰীয়ে চৰাই-চিৰিকতি ধৰি খেমালি কৰাৰ দৰে লুক্ৰেজিয়ায়ো নগৰীয়া ডেকাসকলৰ মন ধৰি খেলা কৰাত অতিশয় পাৰ্গতালি দেখুৱাইছিল। (সৌন্দৰ্যৰ প্ৰতাৰণা)

চাৰিওফালে গুঞ্জৰি ফুৰা মৌ-পিয়া ভোমোৰাসকলক⋯ ⋯। (সৌন্দৰ্যৰ প্ৰতাৰণা)

কেতিয়াবা সংস্কৃত কাব্যৰ উক্তিয়েও উপমাৰ স্থান অধিকাৰ কৰিছে :

দেশী-বিদেশী সৈন্যৰ জয়-পৰাজয়ৰ প্ৰলয়কাৰী ৰণ-হুঙ্কাৰৰ মাজতো অসমীয়া জাতীয় জীৱনে নৱ-প্ৰতিষ্ঠিত বৈষ্ণৱ সম্প্ৰদায়ক কেন্দ্ৰ কৰি নিৱাত নিষ্কম্প ইৱ প্ৰদীপঃ⋯।

(বৈষ্ণৱ কবিৰ লক্ষ্য আৰু সাধনা)

কুমাৰী-ব্ৰত ভঙ্গ হোৱা বুলি আত্ম-বিচাৰ উষাত মুমূৰ্ষায়। পদং সহেত ভ্ৰমৰস্য পেলৱং শিৰীষ-পুষ্পং ন পুনঃ পতত্ৰিণঃ⋯⋯। (কুমৰ-হৰণ)

⋯শমীমিৱাভ্যন্তৰলীনপাৱকাম্ (নাৰী-হৃদয়)

পতংগৱৎ ৱহ্নিমুখং বিবিক্ষুঃ : (সৌন্দৰ্যৰ প্ৰতাৰণা)

ক'ৰবাত কেতিয়াবা আকৌ কাকতিয়ে হেমচন্দ্ৰ বৰুৱাৰ দৰেই সৃষ্টি-চাতুৰ্যৰে ইংৰাজী খণ্ডবাক্যক অসমীয়া ৰূপ দি তুলিছে :

সেই সকলোবোৰ কাব্যত সমাৱেশ কৰিব লাগিলে হাবিতে গছ লুকুৱাৰ দৰে হয়।

(কুমৰ-হৰণ)

কিছুমান বাক্যতোৰে কাকতিয়ে কেনেকৈ সপোন গোঁঠে, চমৎকৃত হ'বলগীয়া :

অনুৰুদ্ধা ছোৱালীয়ে কাৰবাক ক'ৰবাত দেখি ভাল-বেয়া সপোন দেখিলেও দেখিব পাৰে ; বতাহ সোমাব নোৱৰা ফুলৰ পাকৰিতযে ক'ৰপৰা পৰুৱা আহি পৰে, সেইটোহে বৰ বিস্ময়কৰ। (কুমৰ-হৰণ)

কাকতিৰ কথা-শৈলীৰ আটাইতকৈ মনোৰম গুণ কল্পনাময় চিত্ৰ-গুণ আৰু তেওঁৰ প্ৰিয় উপমান (ওপৰৰ 'নামঘোষা'ৰ উক্তিকেইটি চাওক) জল-ধাৰাৰ তৰঙ্গ-ভঙ্গৰ খলকনি আৰু চিকমিকনি। এই সকলোৱে তেওঁক নিজস্ব এক জতুৱা ঠাঁচ দিছে। মুঠ কথা, সাহিত্যৰ সৌন্দৰ্য-প্ৰদৰ্শক সমালোচনাৰ ভাষাৰূপে তেওঁৰ কথা-ৰীতি যথেষ্ট সবল আৰু সুন্দৰ আছিল।

১১

বাণীকান্ত কাকতিয়ে ১৯৩৫ চনত *Assamese—Its Formation and Development* নামৰ গৱেষণা গ্ৰন্থৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰপৰা ডক্টৰেট ডিগ্ৰি লাভ কৰে। কিন্তু গ্ৰন্থখন ১৯৪১ চনতহে ছপা হৈ ওলায়। এই গ্ৰন্থই বহুত দিনৰপৰা ভুত লগাৰ দৰে লাগি থকা অসমীয়া ভাষাৰ এটা অপবাদ গুচাই বৈজ্ঞানিকভাৱে সেই ভাষাৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠা কৰে। এইটো কথা ঠিক যে এই অধ্যয়নত ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ *Origin and Development of the Bengali Language* গ্ৰন্থই আদৰ্শ যোগাইছিল। কিন্তু গুৱাহাটীৰ দৰে জগতৰ আওহতীয়া ঠাইত এনে বৈজ্ঞানিক ভাষা-চৰ্চাৰ কাম কৰাযে কি দুৰূহ তাক বুজে তাইহে বুজে। পৰীক্ষক পেৰিছ

বিশ্ববিদ্যালয়ৰ অধ্যাপক জুল ব্লখে এই দুঃসাধ্য-সাধনৰ বিস্ময়-বিমিশ্ৰিত প্ৰশংসা কৰিছিল, I suppose the writer lives in a place far from academical atmosphere. But I am really surprised to find such a writing coming from such quarter. অসমীয়া ভাষাৰ বৈজ্ঞানিক অধ্যয়নত পথ-প্ৰদৰ্শক কোনো গ্ৰন্থ নাছিল ; যদিও ব্ৰনছনৰ অভিধান, "হেমকোষ" আৰু "চন্দ্ৰকান্ত অভিধান"ৰ শব্দ-সংগ্ৰহ শলাগিব লগীয়া, পিছৰ দুখনত দিয়া শব্দৰ ব্যুৎপত্তি প্ৰায়ে নিৰ্ভৰযোগ্য নহয় ; ব্ৰাউন, নিকল, হেমচন্দ্ৰ, সত্যনাথৰ ব্যাকৰণ ঠেক পৰিসৰৰ, যেখিৰ আলোচনা-প্ৰণালীও বৈজ্ঞানিক নহয় ; আনকালে অসমীয়া সাহিত্যিক-প্ৰকাশকৰ মাজত সমীক্ষিত পাঠৰ কোনো ধাৰণাই নোহোৱাত পুৰণি অসমীয়া সাহিত্যৰ ভাষাৰ ৰূপ সাঁচিপতীয়া-তুলাপতীয়া পুথিলৈ নগ'লে পোৱা টান হৈছিল ; তদুপৰি উপভাষাৰ ক্ষেত্ৰখন ইমান জটিল যে তাত বহুল চৰজমিন বিচাৰ (field work) নহ'লে সেই বিষয়ে কিবা কোৱাই টান। এই সকলোখিনি আহুকাল সত্বেও কাকতিয়ে অসমীয়া ভাষাৰ গঠনৰ এটা সক হ'লেও সামগ্ৰিক ৰূপ দাঙি ধৰিলে। পুথিখনিৰ দোষ-গুণ সকলো বিচাৰি কালিফৰ্নিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ এম্. বি. এমেন্নুৱে এটি বিস্তৃত সমালোচনা প্ৰকাশ কৰিছিল বাৰ্ক্লিৰপৰা ওলোৱা এমেৰিকাৰ ভাষাতত্ত্ব সমাজৰ মুখপত্ৰ *Language*-অত (Vol. 18, No. 2, 1942)। এই ভাষাতাত্ত্বিকগৰাকীয়ে পুথিখন প্ৰশংসা কৰোঁতে কিতাপখন notable product of a very good method আৰু ground-breaking in many ways আৰু তাত ঠায়ে ঠায়ে ডক্টৰ চট্টোপাধ্যায়তকৈও superior judgement থকা বুলিছে, আৰু পুথিখনৰ দ্বিতীয় সংস্কৰণত বৈজ্ঞানিক ক্ৰটীবোৰ আঁতৰিব বুলি আশা কৰি উপসংহাৰত কৈছে, this is an important book in Indo-Aryan comparative and historical grammar. কাকতিৰ পুথিখন ওলোৱাত অধ্যাপক এমেন্নুৰ আনন্দ, কাৰণ The study of the comparative and historical grammar of the Indo-Aryan vernaculars is not a subject that engages many works. ইয়াৰ আগতে মাথোন ডক্টৰ ব্লখৰ *La Formation de la Langue Marathe* (১৯২০), *L'indo-aryen* (১৯৩৪), সুনীতি বাবুৰ *ODBL* (১৯২৬), *The Indian Antiquary*ত (১৯৩১-৩৫) পৰিশিষ্ট ৰূপে ওলোৱা গ্ৰিয়াৰ্ছনৰ অসম্পূৰ্ণ Modern Indo-Aryan Vernaculars, টাৰ্নাৰৰ *Nepali-English Dictionary* (১৯৩১) আৰু সাক্সেনাৰ *Evolution of Awadhi* (১৯৪১) ছপা হৈ ওলাইছিল। এই পৰিপ্ৰেক্ষিতত কাকতিৰ গ্ৰন্থখনিৰ এক সৰ্বভাৰতীয় গুৰুত্ব আছে আৰু পৃথিৱীৰ যত্ৰ-তত্ৰ ভাৰতীয় আধুনিক ভাষাৰ অধ্যয়ন আছে তত্ৰ তত্ৰ তাৰ আদৰ আছে।

কাকতিয়ে এই কিতাপখন ওলোৱাৰ পিছতো তেওঁৰ অকলশৰীয়া ভাষাতাত্ত্বিক অধ্যয়ন খোঁৱাচাঙত তুলি থোৱা নাছিল। *The New Indian Antiquary*ত তেওঁৰ কেইটিমান মূল্যৱান মৌলিক প্ৰবন্ধ ওলাইছিল। তাৰে এটিত (জুলাই ১৯৩৮) তেওঁ অসমীয়া ভাষাৰ অষ্ট্ৰিক অংশবোৰটো

বিশ্লেষণ কৰিছিল ; আন এটিত আকৌ (জুন ১৯৪৩) 'কায়স্থ', 'ব্ৰহ্ম', নৈৰ নামৰ পিছত সংলগ্ন 'শ্ৰী' (শিৰি), 'সৌমাৰ' আৰু 'হয়-গ্ৰীৱ' শব্দকেইটা লৈ অস্ট্ৰিক-সংস্কৃত শব্দ-সংযোগৰ বিচাৰ কৰিছিল। ডক্টৰ চট্টোপাধ্যায়ে তেওঁৰ *ODBL*-অত (ছেদ ৪১) বঙ্গৰ ৰাজ-শাসনবোৰৰ ঠাইৰ নাম কিছুমান বিশ্লেষণ কৰি দেখুৱাইছিল। কাকতিয়ে এতিয়া (ফেব্ৰুৱাৰী ১৮৪২) বিদ্যাবিনোদৰ "কামৰূপ-শাসনাৱলী"খন লৈ তাৰ দহখন ফলিৰপৰা ঠাই আৰু মানুহৰ নাম কিছুমান ব্যৱচ্ছেদ কৰি চাইছে।

ভাৰ্যাৰ মৃত্যুৰ পিছত (১৯৫১) সেই আঘাততে কাকতিৰ স্বাস্থ্যৰ ত্বৰিত গতিত অৱনতি হ'বলৈ ধৰে ; তেওঁ শ্ৰেণীত পঢ়ুৱাৰ লগীয়া পাশ্চাত্য সাহিত্যৰ পুথিবোৰৰ ভাৰ এখন এখনকৈ মোৰ হাতত গতায়, যদিচ তেতিয়াও জ্ঞান-দানৰ স্পৃহাত ছাত্ৰ-ছাত্ৰীক ঘৰলৈ নি অধ্যয়ন-পথ নিৰ্দেশ কৰিছিল, ঘনাই পৰি অহা শৰীৰৰ অভাৱৰ সত্বেও ভাষাতত্বৰ অধ্যয়ন কৰাৰপৰা বিৰত নহৈছিল। আমাক তেতিয়া কৈছিল, 'ব্ৰাহ্মণ' আৰু 'শূদ্ৰ' শব্দ দুটাৰ তেওঁ নতুন ভাষাতাত্বিক সূত্ৰ উলিয়াবৰ চেষ্টা কৰি আছে। ইয়াৰ মাজতে তেওঁ এদিন বিশ্ববিদ্যালয়লৈ আহিবলৈ ৰিক্শ্বাত উঠোতেই বাগৰি পৰি অচেতন হৈ যায়। ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই পিছদিনা পুৱা নৰিয়া চাবলৈ গৈ দেখে, তেওঁ অধ্যয়ন-কক্ষত বহি 'ব্ৰাহ্মণ'-'শূদ্ৰ'ৰ অঙ্ক (equation) কৰিছে আপোন-মনে। বৰুৱাই 'আপুনি এইবোৰ কি কৰে' বুলি কাগজবোৰ হাতৰপৰা কাঢ়ি একাষৰীয়া কৰি থ'লে। এইটি কথাই বোধ হয় দেখুৱাব যে ভাষাতত্ত্ব আছিল কাকতিৰ ভোগৰ ভাত, পিয়াহৰ পানী। কেইদিনমান পিছতে (১৫ নৱেম্বৰ ১৯৫২) প্ৰাতঃভ্ৰমণ কৰি আহি মুখ-হাত ধোওঁতেই তেওঁ আকৌ অচেতন হৈ পৰিল ; আৰু ঘূৰাই চেতনা নেপালে। ইয়াৰ পিছত তেওঁৰ অঙ্কৰ কাগজখিনি বিচাৰ-খোচাৰ কৰি গোটাই লৈ উত্তৰ তেতিয়াও নোলোৱা অসম্পূৰ্ণ টোকাৰ কথাখিনি টাইপ কৰি উলিয়ালো, কিজানি তাকে প্ৰকাশ কৰিলে আনসকল পণ্ডিতৰ কিবা কামত লাগেই। ডক্টৰ বৰুৱাৰ পৰামৰ্শমতে পুণাৰ ডক্টৰ এছ. এম্. কাত্ৰেলৈ সেয়া পঠিওৱাত তেওঁ উপদেশ দিলে, অসম্পূৰ্ণ ৰূপত বস্তুটো উলিয়ালে বিদগ্ধ পণ্ডিতজনৰ খ্যাতিৰ প্ৰতি অন্যায়হে কৰা হ'ব। সেইখিনি আৰু নোলাল। কাকতিৰ ভাষাতত্ত্ব-সাধনাৰ এটি ধ্যান অসিদ্ধ হৈ গ'ল।

চতুৰ্থ দশকৰ আগ ভাগতে লক্ষ্মীনাথ বেজবৰুৱাৰ "বাঁহী" অমিয়কুমাৰ দাসৰ হাতলৈ আহি গুৱাহাটীৰ পাণবজাৰৰপৰা ওলাবলৈ ধৰে আৰু তাৰ সুৰত স্পষ্ট ৰাজনৈতিক বোল এটি লাগি পৰে। সেইবেলাও কাকতিয়ে "বাঁহী"ৰ লগ এৰা নাছিল, বৰং নিজৰ নাম নিদিয়াকৈ নতুন ৰূপৰ কাকতখনিলৈ দুই-এটি ৰাজনীতি-সম্পৃক্ত লেখা দিছিল বুলিহে অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাৰপৰা জানিবলৈ পাইছো।

১২

অসমত এটা কথাই বহুত দিনৰপৰাই জেওা লগাই আহিছে। সেইটো হ'ল কলিতা জাতিৰ কৌলিক স্বৰূপতা। সকলো কথাৰে পুৰাণবোৰে সহজ মীমাংসা কৰাৰ দৰে এইটো বিষয়ত পৰশুৰামক

deus ex machina ৰূপত হাতত পৰশু-কুঠাৰ লোৱাই জকাইচুকীয়া অসমত প্ৰৱেশ কৰাই কলিতাসকল ক্ষত্ৰিয়-কুল-লুপ্ত বুলি এটা প্ৰৱাদ সৃষ্টি কৰা হৈছে, আৰু তাতেই সাধাৰণ লোকৰ কলিতা-কুল-উৎপত্তি সম্বন্ধে জ্ঞান-পিপাসাৰ নিবৃত্তি ঘটিছে। জাতি-তত্ত্ব, নৃতত্ত্বও এই বিষয়ত সবৰ নহয়। আধুনিক পণ্ডিতসকলৰ মাজত এই বিষয়ে বিশেষ আলোচনাও নাই। উনবিংশ শতিকাৰ বি. এইচ্. বেডেন-পাৱেল, মণ্টগমেৰি মাৰ্টিন, জন ব্ৰায়ান নিউফ্‌ভিল (নবীন চাহাব) আদিয়ে ছটিয়াই থৈ যোৱা দুই-এটা কথাৰ বাহিৰে কামৰূপ অনুসন্ধান সমিতিৰ পত্ৰিকাত বৰ্তমান শতিকাৰ চতুৰ্থ দশকত দুটা মাথোন প্ৰবন্ধ ওলাইছিল আৰু কনকলাল বৰুৱাই দুআষাৰমান কথা লেখিছিল। ডক্টৰ কাকতি নিজে কলিতা। তেওঁৰো এই আহুকলীয়া প্ৰশ্নটোত গৈ মনটো ৰয়গৈ। তেওঁ *New Indian Antiquary* গৱেষণা-পত্ৰিকাত (Vol. II, No. 5, A Volume of Indian and Iranian Studies presented to Sir E. Denison Ross, Kt., C.I.E., 1939) 'The Kalita caste of Assam' নাম দি এটি প্ৰবন্ধ লিখে। এইটো প্ৰবন্ধত ভাষাতাত্ত্বিক বিশ্লেষণৰপৰা অসম আৰু দক্ষিণ ভাৰতৰ 'ভাষাতাত্ত্বিক আৰু পুৰাতাত্ত্বিক সমান্তৰালতাৰ সম্ভৱপৰ দৃষ্টান্ত' দাঙি ধৰি অনিশ্চিত উৎপত্তিৰ জাতি অথচ 'সম্পূৰ্ণভাৱে আৰ্যীকৃত জন-সমূহৰ প্ৰধান গোটৰ প্ৰতিভূ' কলিতাসকল দক্ষিণৰপৰা প্ৰব্ৰজন কৰি অহা লোক বুলি ক'বলৈ বিচাৰিছে। এইখিনি সমল কামত লগোৱাকৈ তেওঁৰ সৰু পুথি (তাক তেওঁ এটা 'প্ৰবন্ধ' বা এখন 'ৰচনা'হে বুলিছে) "কলিতা জাতিৰ ইতিবৃত্ত"ত (১৯৪৩) লোক-কথাৰ তুলনাত্মক অধ্যয়নৰ (Comparative Folk-lore) ৰীতি প্ৰয়োগ কৰিছে। প্ৰবন্ধটোৰ মূল প্ৰতিপাদ্য 'কলিতাসকলৰ কৌলিক স্বৰূপতা নিৰ্ণয়ৰ বাবে' যত্ন; তেওঁ কৈছে: 'অসমৰ কলিতা এটি কৌতূহল জগোৱা জাতি। পুৰাণ, স্মৃতি আদি সঙ্কৰ বা বৃত্তিমূলক জাতিৰ কোনো তালিকাতেই ইয়াৰ নাম নাই। কেৱল পৌৰাণিক উপাখ্যান এটিৰ লগত আওপাক খোৱা ক্ষত্ৰিয় জাতি এটি বুলি বহু কালৰপৰা প্ৰৱাদ এটি ওপঙি ফুৰিছে। কলিতা জাতি ভাৰতৰ আন আন প্ৰদেশতো আছে। সকলো কলিতাৰ মাজত প্ৰচলিত কিম্বদন্তী-বোৰ গোট খুৱাই পুৰণি অসমীয়া, ইংৰাজী, পালি, সংস্কৃত আদি ভাষাত উল্লিখিত তথ্যবোৰ খাপ খুৱাই আধুনিক বৈজ্ঞানিক প্ৰণালীৰে সকলোবোৰ উক্তিৰেই সামঞ্জস্য এটি দেখুওৱা হৈছে।' এয়া হ'ল তেওঁৰ বিষয় আৰু আলোচনা-প্ৰণালীৰ বিষয়ে। তেওঁৰ সিদ্ধান্ত: 'মূল সিদ্ধান্ত এইটো প্ৰতিপন্ন কৰা হৈছে যে বঙ্গলা আদি দেশৰ বৈদ্য, কায়স্থ আদিৰ দৰে অসমৰ কলিতা এটি বৃত্তিমূলক জাতি নহয়। এইটি clan, ইয়াক সংস্কৃতত কুল আৰু অসমীয়াত ফৈদ বুলিব পাৰি। কলিতা পুৰণি উত্তৰ ভাৰতৰ সুবৃহৎ ক্ষত্ৰিয় জাতিৰ এটি সৰু ফৈদ।' কাকতিয়ে ইয়াত জাতিতত্ত্বৰ সূত্ৰলৈও যোৱা নাই, *Journal of Asiatic Society of Bengal*-অত ৰাডেল চাহাবে দিয়া কলিতাৰ নৃতাত্ত্বিক জোখ-মাখলৈও যোৱা নাই; মাথোন সাহিত্যিক সমল আৰু লোক-কথাৰ কিম্বদন্তী, সমধ্বনিৰ নামবোৰ একেলগ কৰি এটা অৰ্থ উলিয়াবলৈ বিচাৰিছে। এই কথাৰ বাবায় তেওঁৰ সিদ্ধান্ত

সীমিত। গতিকে সেই 'কালিৰ সিদ্ধান্ত আজি বিতণ্ডা আকৌ' কৰি নতুন সিদ্ধান্ত আৱিষ্কাৰ কৰাৰ প্ৰত্যাহ্বান নিশ্চয় আছে। সহজ ভাষাৰে নানা তথ্য-উত্থাপনৰ যোগে বিৱৰণৰ পঠনীয়তাৰ আস্বাদ সৃষ্টি কৰাৰ দৃষ্টিৰপৰা প্ৰবন্ধটোৰ দ্বিতীয় আৰু চতুৰ্থ অধ্যায় আমাৰ সঙ্কয়নৰ ভিতৰত সামৰা গ'ল।

১৩

১৯৪৪ চনত বহুত দিন অদৃশ্য হৈ থকা "জয়ন্তী" কাকতৰ নতুন তৰঙ্গ আৰম্ভ হয় গুৱাহাটীস্থ ইণ্টেলেক্‌চুৱেল্‌স বা বৌদ্ধিকসকলৰ আশ্ৰয়ত ভাৰসা কৰি। কাকতখনে পোনৰেপৰা প্ৰগতিশীল কৱিতা, প্ৰগতিশীল সাহিত্যৰ ধ্বনি তোলে। আনফালে তাৰ ষষ্ঠ সংখ্যাত কাকতিৰ এধানমান প্ৰবন্ধ 'প্ৰাগজ্যোতিষ শব্দৰ সম্ভাব্য ব্যুৎপত্তি' ওলাইছিল; সি প্ৰকৃততে তেওঁৰ ভাষাৰ গৱেষণা-গ্ৰন্থৰে এক বেঙুণি। কিন্তু আলোচনীখনৰ একে বছৰৰে দ্বাদশ সংখ্যাত (৭.১২, কাতি ১৮৬৬) 'পুৰণি অসমত শিব-পূজাৰ চলতি', পিছৰ বছৰৰ দ্বিতীয়-তৃতীয় সংখ্যাত 'পুৰণি অসমত দেৱী-পূজাৰ চলতি', চতুৰ্থ সংখ্যাত 'ভগ-শিশ্ন পূজা', পঞ্চম সংখ্যাত 'শাক্ত-শৈৱৰ সংঘৰ্ষ' নামৰ অভিনৱ প্ৰবন্ধ কেইটামান ওলাল আৰু বৌদ্ধিক মহলত মৃদু আলোড়নৰ সৃষ্টি কৰিলে। "জয়ন্তী" আকৌ টুপাই বুৰ মাৰিলত এই ধাৰাৰ লেখাৰ প্ৰকাশ বন্ধ হ'ল; মাথোন দৈনিক "শান্তিদূত" কাকতৰ কোনোবা এটা সংখ্যাত ওলাইছিল 'প্ৰাচীন কামৰূপৰ ধৰ্মৰ ধাৰা'। এই পৰ্যায়ৰ প্ৰবন্ধৰ সমান্তৰাল ইংৰাজী ৰূপো হৈ আছিল বুলি আমি জানিবলৈ নৌ পাওঁতেই ১৯৪৮ চনৰ আগ ভাগতে কাকতিৰ ছাত্ৰ, আমাৰ পুৰণি সহপাঠী এজনে *The Mother Goddess Kāmākhya* পুথিখনি প্ৰকাশ কৰিলে। ইতিমধ্যেই "জয়ন্তী" কাকতত ওলোৱা ধাৰাৰ কথাকে ইয়াত মনোৰম ভাষাত বৰ্ণনা কৰা হৈছে। ইয়াৰ দুই-এটি প্ৰবন্ধ বোম্বাইৰ *New Indian Antiquary*, বাঙ্গালোৰৰ *Triveni Quarterly*, পুণাৰ *Professor P. V. Kane Felicitation Volume* (এই Volume-অত কাকতিৰ গ্ৰন্থৰ 'Break with the Mother' প্ৰবন্ধই 'Vaiṣṇavism of Assam and Southern India: certain points of correspondence' নামত প্ৰকাশিত হৈছিল) আৰু গুৱাহাটীৰ *Assam Tribune* কাগজত ওলাইছিল। এনেকৈ সিঁচৰতি হৈ ওলোৱা লেখাবোৰৰ পাছফালে এটা সমন্বয় আছিল। আৰু সিইতক এখন পুথি কৰি প্ৰকাশ কৰাৰ অভিপ্ৰায়ো লগতে আছিল। এতিয়া কিতাপখনৰ পাতনিত কাকতিয়ে কৈছে বোলে গ্ৰন্থকৰ্তা হোৱাৰ আধুনিক আকাঙ্ক্ষা যুদ্ধ-বিগ্ৰহ আদি প্ৰতিবন্ধকে নিৰস্ত কৰিব নোৱাৰে বাবেহে তেওঁৰ প্ৰকাশন বাজলৈ ওলাইছে। ভাৰতৰ নতুন ৰাজনৈতিক পৰিস্থিতিত অসমে ভাৰতৰ মানচিত্ৰত এটা মাত্ৰ নাম-ৰূপেহে থকাৰ লক্ষণটো শাৰপৰা জোকাৰি পেলাইছে; তথাপি আৰ্য আৰু মঙ্গোলীয়সকলৰ মিলন-ভূমি-ৰূপে নিজৰ উৎপত্তি আৰু বিকাশৰ কাহিনী আজিও পুৰাকৈ কোৱা হৈ উঠা নাই। গতিকে The present publication is a mere introduction towards the study of the fusion of the Aryan

and extra-Aryan religious beliefs and practices of Assam in the light of the comparative method of modern sociological studies. এইটোহে বিস্ময়ৰ বিষয় যে কাকতিৰ এই আৰ্য-মঙ্গোলীয় ধৰ্ম-সংস্কৃতিৰ অধ্যয়নৰ সাক্ষ্য হ'ল দুখন তন্ত্ৰৰ পুথি—"কালিকা-পুৰাণ" (১২শ শতিকা) আৰু "যোগিনী-তন্ত্ৰ" (১৬শ শতিকা); লগতে তাৰ পূৰ্বৰ কামৰূপৰ ৰজাসকলৰ দহখন তাম্ৰপত্ৰ। এই পুথিবোৰত পুৰণি কামৰূপৰ ধৰ্ম-বিশ্বাস আৰু ৰীতি-নীতি সিঁচৰতি হৈ পৌৰাণিক কথা বা বিধিৰ ৰূপত পোত গৈ আছে; কাকতিৰ যত্ন হ'ল সেই পৰিস্থিতিৰপৰা সেইবোৰ উদ্ধাৰ কৰি সম্ভাব্য ঐতিহাসিক ৰূপত পুনঃপ্ৰতিষ্ঠা কৰাৰ। এই উদ্দেশ্যে তেওঁ আই-গোসাঁনী কামাখ্যাক কেন্দ্ৰীয় বিন্দু কৰি লৈছে আৰু সেই বিন্দুৰ চাৰিওফালে আনবোৰ ধ্যান-ধাৰণা আদিৰ কথা উপস্থাপন কৰা হৈছে। এইভাৱে আনুষ্ঠানিক পূজা-উপাসনাৰ (institutional cultus) দৃষ্টি-ভংগিৰপৰা সকলো সমলকে চোৱা হৈছে। এনে কৰাত "শঙ্কৰ-দিগ্বিজয়", শিৱ-পুৰাণ আৰু "বাহাৰিস্তান-ই-গাইবি" আদিত প্ৰাপ্ত ইন্দ্ৰজাল-বিদ্যা আদিৰ কথা বাদ পৰি গৈছে। দেৱীৰ লগত বিভেদ আৰু নব্য ধৰ্মৰ শৃঙ্খলাৰ কথা বৰ্ণোৱা পুথিখনৰ পঞ্চম অধ্যায়ত মহাপুৰুষীয়া ধৰ্ম দেৱী-ধৰ্মৰ এক স্বাভাৱিক আৰু আকাঙ্ক্ষিত ঐতিহাসিক পৰিণতি-ৰূপেইযে আছিল, তাক কোৱা হৈছে। এই অংশত অৱশ্যে মহাপুৰুষীয়া বৈষ্ণৱ-ধৰ্ম আৰু শ্ৰী-সম্প্ৰদায়ৰ বৈষ্ণৱ-ধৰ্মৰ সামঞ্জস্যৰ ওপৰত বৰ সৰহ গুৰুত্ব আৰোপ কৰা হৈছে; ভবানন্দ পাঠকৰ "বিজুলী"ৰ কোনো প্ৰস্তাৱতো এই গুৰুত্ব দিয়া দেখা গৈছিল। বেজবৰুৱালৈ লেখা এখন চিঠিতো (২৮ নবেম্বৰ ১৯২০) তেওঁ কৈছিল, 'যদি শঙ্কৰদেৱৰ দাস্যভক্তিৰ কিবা historical precedent আছে মোৰ ধাৰণা হয় সেইটো Ramanuja system, কিয়নো ৰামানুজে দাস্যভক্তিক ইয়াৰ last development-অলৈ নিয়া যেন লাগে' (পত্ৰলেখা, পিঠি ২২৭)। আকৌ ৮ ডিচেম্বৰত লিখিছে: 'ৰামানুজৰ system-অৰ লগত আমাৰ বহুত principles মিলে। ৰামানুজৰো এক দেৱ এক সেৱ। এনে কি, এঠাইত শিৱ-মূৰ্তি হঠাৎ দেখি তেওঁ এদিন লঘোনে কটাইছিল। তেওঁৰো নাৰায়ণৰ লগত চিৰ-সম্বন্ধ কৈঙ্কৰ্য' (২৮৮ পিঠি)। প্ৰকৃত পক্ষত এই দুই সম্প্ৰদায়ৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক ঘটাৰ কোনো প্ৰমাণ পোৱা নাযায়। ঐতিহাসিক দৃষ্টিৰে দেৱী-ধৰ্মৰ বিৱৰণ দিয়াটিয়েই কাকতিৰ গ্ৰন্থখনিৰ বিশেষ ভূমিকা।

১৪

"পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা"ৰ (১৯৫৫) 'সম্পৰ্কৰ শেষ নিৰ্দেশখিনি' কাকতিৰ মৃত্যুৰ আগদিনাখন মাথোঁ পোৱা হয় বুলি প্ৰকাশকৰপৰা জানিব পৰা গৈছে। কিন্তু আমাৰ ওপৰৰ উল্লেখৰপৰা বুজা যাব পুথিখনৰ অন্তৰ্গত প্ৰবন্ধৰ লেখা ১৯৪৪ চনতে আৰম্ভ হৈছিল; কিন্তু তাৰে সৰহভাগে সম্ভৱতঃ এই পুথি-ৰূপতহে প্ৰথম পোহৰৰ মুখ দেখা পায়। কিন্তু *The Mother Goddess Kāmākhyā* পুথিত সন্নিবিষ্ট প্ৰবন্ধবোৰৰ দৰে এই লেখাবোৰৰ পাছফালেও এখন কিতাপৰ ছবি নিশ্চয় অধ্যাপক

কাকতিৰ মনত আছিল; আৰু এইটোও বোধ হয় সঁচা হ'ব যে এই দুখন পুথিৰ মানস ৰূপ দুটি অধ্যাপকজনৰ মনৰ ৰাজবাটেদি হাত ধৰা-ধৰিকৈ অগা-পিছাকৈ 'ৰাম কৃষ্ণ দুটি ভাই বৃন্দাবনে চলি যায়' কৰি আছিল। এনেও হ'ব পাৰে যে ওপৰত উল্লিখিত কাঁকতে-পত্ৰে প্ৰকাশিত অসমীয়া প্ৰবন্ধকেইটিৰ বাদে "ধৰ্মৰ ধাৰা"ৰ বাকী লেখাখিনি *Mother Goddess* প্ৰকাশ হৈ যোৱাৰ পিছৰ উদ্ভাৱনা। 'ইন্দ্ৰজাল-বিদ্যা'ৰ ক-খ-গ তিনিওভাগৰ কথাও চাগৈ *Mother Goddess*-অৰ পাতনিত সেই ইংৰাজী পুথিত নিলিখোঁ বুলি থিবাং কৰাৰ পিছতহে লিখা হৈছে; সেয়া বস্তু ইংৰাজী গ্ৰন্থৰ 'কড়া পাক'ত মুঠিৰ বুলি কাকতিয়ে আন এঠাইত বৰ্ণোৱা অসমীয়া 'এপগীয়া ভকতৰ চক'তে বহাবলৈ যেন থৈ দিলে। "ধৰ্মৰ ধাৰা"ৰ 'মাতৃৰ লগত বিভেদ' আৰু 'নতুন শৃঙ্খলা'ই সৈতে 'বিষ্ণুপূজা'ভাগটি *Mother Goddess*-অৰ পঞ্চম অধ্যায়ৰ অনুবাদ নহ'লেও অনুজাত। এইদৰে "ধৰ্মৰ ধাৰা" *Mother Goddess*-অৰ ঠায়ে ঠায়ে প্ৰতিৰূপক, আৰু আনবোৰ ঠাইত পৰিপূৰক। ইয়াৰ প্ৰবন্ধবোৰ চমু চমু কিন্তু সুন্দৰভাৱে বস্তু-গত (pointed, objective)। দুই-এঠাইত বাদে বিৱৰণৰ অৱলীলাৰে লেখকে লক্ষ্য কৰা নাই, বক্তব্যৰ প্ৰকাশেইহে তেওঁৰ ঘাই উদ্দেশ্য সৰ্বত্ৰ। অসমৰ দেৱী-ধৰ্মযে "যোগিনীতন্ত্ৰ"ই ক'বৰ দৰে 'কৈৰাতজ' আৰু শবৰ আদিৰ প্ৰভাৱত বামাচাৰ তাৰ প্ৰধান লক্ষণ, সেই কথা সৰু সৰু প্ৰবন্ধবোৰত প্ৰায় সূত্ৰৰ আকাৰে কৈ যোৱা হৈছে। এইভাৱে এই পুথি অভিনৱ-ব্যাখ্যা-গৰ্ভ হৈ পৰিছে।

১৫

১৯৭৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম হ'ল, অল ইণ্ডিয়া ৰেডিওৰ গুৱাহাটী কেন্দ্ৰ হ'ল আৰু ৰামধেনু প্ৰকাশ অনুষ্ঠান প্ৰতিষ্ঠিত হৈ মাহেকীয়া "ৰংঘৰ" বুলি বিৰিঞ্চিকুমাৰ বৰুৱাৰ সম্পাদনাত শিশু আলোচনী এখনিও উলিয়াবলৈ ধৰিলে। কাকতি এই কেয়োটি সুকীয়া সুকীয়া অনুষ্ঠানৰ লগত সুকীয়া সুকীয়া মাত্ৰাত জড়িত হৈ পৰিছিল। বছৰটোৰ শেহৰ ফালে তেওঁ বিশ্ববিদ্যালয়ৰ অসমীয়া ভাষা-সাহিত্যৰ অধ্যাপক হ'ল। ৰেডিও কেন্দ্ৰৰপৰা তেওঁৰ কথিকা প্ৰচাৰিত হ'ল; তাৰে আটাইবোৰ এতিয়া নিজৰ লেখা অৱশ্যে নহয়। "আৱাহন", "জয়ন্তী" আদি কাকতত সিঁচৰতি হৈ থকা প্ৰবন্ধ বুটলি আনি ডক্টৰ বৰুৱাই ৰামধেনু ভৱনৰপৰা "সাহিত্য আৰু প্ৰেম" (১৯৪৮) প্ৰকাশ কৰে আৰু "ৰংঘৰ"ৰ প্ৰথম তিনিটা সংখ্যাত ক্ৰমে 'ছেইণ্ট নিকলাছৰ টেঁওবালি', 'মহিলাৰ মহাসভা' আৰু 'নাৰায়ণ-ৰূপী জোঁৱাই' কাহিনীকেইটিও উলিয়ায় (ব'হাগ, জেঠ, আহাৰ ১৮৭০)। এনে সময়তে বাণী প্ৰকাশ মন্দিৰৰ শিশুৰ বাণী-কথা-মালাৰ বাবে হৰেন্দ্ৰনাথ শৰ্মাই গল্প এজোকা বিচাৰিলে। কাকতিয়ে "ৰংঘৰ"ত ওলোৱা তিনিটা গল্পৰ দুটা, বহুত দিন আগতে (পুহ ১৮৫২) "আৱাহন"ত ওলোৱা 'ভাৱৰ', ৰেডিওত প্ৰচাৰিত হৈ "সৌমাৰ-জ্যোতি" আলোচনীত প্ৰকাশিত 'তুলসীদাস' আদি মুঠ এক ডজন লেখা একেলগ কৰিলে "পখিলা" নাম দি। সেই কথাকে তেওঁ ধুনীয়াকৈ কৈছে: 'প্ৰকাশকে বিচাৰিলে গল্পৰ শৰাই, মই আগ বঢ়ালোঁ এপগীয়া ভকতৰ চক। এই শ্ৰেণীৰ

ভকতে একেটি চকতে একে সময়তে মাছ, চাউল, কচু, ঢেকিয়া, য'তে যি পায় লগ কৰি সিজায়। ময়ো য'তে যি চকুত পৰিল, বুটলি আনি ছুই বেঁটু-পাতৰ মাজত ভৰাই দিলোঁ।' 'তুলসীদাস' সন্ত-কাহিনী। 'এমুঠি সৰিয়হৰ গুটি' বুদ্ধ-জীৱন-কথাৰ অন্তৰ্গত। 'নাম-মাহাত্ম্য' পুৰণি মিছৰৰ কাহিনী। 'মাছ-অৱতাৰ' বেবিলনৰ উপকথা। 'সোণালী পৰশ', 'অমৰ প্ৰেমিক', অৰূপ-ধুনীয়া তিৰোতা', 'মহিলাৰ মহাসভা' আৰু 'ডাৱৰ' প্ৰাচীন গ্ৰীচৰ পুৰাণ-কথা বা নাটকীয় কাহিনী। 'নাৰায়ণ-ৰূপী জোঁৱাই' ভাৰতীয় পুৰাণৰ গল্প। 'নৰকাসুৰ' কামৰূপৰ "কালিকা-পুৰাণ"ৰ কথা। এইদৰে দেখা যাব প্ৰায় কেয়োটি লেখাই তুলনামূলক লোক-কথাৰ (Comparative Folk-lore) অধ্যয়নৰ সামগ্ৰীৰ দৰে। বেবিলনৰ মৎস্য-অৱতাৰৰ কথা কাকতিৰ তেনে অধ্যয়নৰ *Visnuite Myths and Legends* গ্ৰন্থৰ ভিতৰৰ 'The fish and tortoise deities'-অত (*Journal of the University of Gauhati*, I, 1950) সোমাইছে। 'নৰকাসুৰ' *The Mother Goddess Kamākhyā* বা "পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা" গ্ৰন্থৰ অন্তৰ্গত বিষয়বস্তু-জাতীয়। প্ৰকৃত পক্ষে, 'শৈৱ-শাক্তৰ সংঘৰ্ষ' প্ৰবন্ধৰ সংস্কৃত উদ্ধৃতিখিনি বাদ দিয়েই "পখিলা"ৰ 'নৰকাসুৰ' প্ৰবন্ধ কৰা হৈছে। মুঠতে যি প্ৰাচীন কামৰূপৰ ধৰ্ম আৰু প্ৰাচীন ভাৰতৰ ধৰ্মমূলক কাহিনীৰ অন্তৰালৰ উপকথাৰ তুলনাত্মক অধ্যয়নত এইবেলা কাকতি ৰত আছিল, তাৰে উপফল আনি তেওঁ ল'ৰা-ছোৱালীৰ সাধুৰ কুঁকিত ভৰাই দি সিবিলাকক ধন্য কৰিছেহি। তুলসীদাসৰ কথা কওঁতেও তেওঁ তেওঁৰ পুৰণি প্ৰিয় বিষয় ডাণ্টে-বিএট্ৰিচৰ প্ৰেমৰ কথা খন্তেক পৰলৈ হ'লেও সুঁৱৰিছে। কিন্তু সমস্ত পুথিখনিৰ কথন-পদ্ধতি কিশোৰৰ গ্ৰাহ্য মাত্ৰাৰ ওপৰলৈ উঠিবলৈ দিয়া হোৱা নাই, আৰু তাতে কাকতিৰ ৰসাল কথকতাৰ কৌশল ফুটি উঠিছে।

১৬

ডক্টৰ কাকতিয়ে তেওঁৰ শেষ কৰ্ম-থলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত প্ৰৱেশ কৰাৰ বেলা বিবিধ সমাজতাত্ত্বিক অধ্যয়নতে ৰত আছিল ইতিপূৰ্বে ১৯৪৩-ত প্ৰকাশিত "কলিতা জাতিৰ ইতিবৃত্ত"ৰপৰা "জয়ন্তী" পত্ৰিকাত ওলোৱা ভগ-শিশ্ন-পূজা-বিষয়ক প্ৰবন্ধটি (১৯৪৪-৪৫) আৰু সেই প্ৰৱেশৰ আগে আগে ওলোৱা *The Mother Goddess Kamākhyā*-লৈকে। এতিয়া তেওঁৰ নতুন এক পৰ্যায়ৰ লেখা আৰম্ভ হ'ল, যদিও তাতো সমাজতাত্ত্বিক অধ্যয়নৰ এক নতুন অধ্যায় মাথোন আমি পাওঁ। ইমান দিনে পণ্ডিতজনে ইতিহাসৰ আন্ধাৰত পৰি থকা অসমৰ চুকে-কোণে সিঁচৰতি হৈ থকা কথাৰ ওপৰত তেওঁৰ প্ৰজ্ঞান-বন্তিৰ পোহৰ সিঁচিছিল। এইবাৰ তেওঁ সৰ্বভাৰতীয় ক্ষেত্ৰলৈ প্ৰব্ৰজন কৰিলে। এটা দিশত মাথোন আগৰ লেখাবোৰৰ চৰিত্ৰটি থাকি গ'ল—সেয়া হ'ল যে সেই অধ্যয়নখিনি বৈষ্ণৱ ধৰ্মৰ কোনো নহয় কোনো ক্ষেত্ৰতে বৈছিলগৈ। ডক্টৰ কাকতি অসমীয়া বিভাগৰ প্ৰাধ্যাপক আৰু আৰ্ট ফেকাল্টিৰ ডিন্ হ'ল। এনেটি পৰতে বিশ্ববিদ্যালয়ৰ উপকুলপতি কৃষ্ণকান্ত সন্দিকৈ সৰ্ব-ভাৰতীয় প্ৰাচ্যবিদ্যা সন্মিলনৰ লক্ষ্ণৌ অধিৱেশনৰ ক্লাছিকেল সংস্কৃত বিভাগৰ

সভাপতি হ'ল। সেইবাৰ কাকতিয়ে সম্মিলনৰ বাবে এটি প্ৰবন্ধ লেখিলে—The cult of Jagannātha, its lunar origin. ইতিমধ্যেই ১৯৫০ চনৰপৰা বিশ্ববিদ্যালয়ৰ গৱেষণা-পত্ৰিকা *Journal of the Universtiy of Gauhati* ওলাবলৈ ধৰিছিল। তাৰ প্ৰথম খণ্ডত (১৯৫০) কাকতিৰ The fish and tortoise deities, দ্বিতীয় বছৰত (১৯৫১) The rāsa dance and the moon myth and the emergence of Rādhā আৰু তৃতীয় খণ্ডত (১৯৫২) প্ৰাচ্যবিদ্যা সম্মিলনত পঠিত প্ৰবন্ধটি প্ৰকাশিত হয়; *Mm Potdar Commemoration Volume*-অত ওলায় The boar in mythology and folk-lore. এই আটাইবোৰ সৰ্বভাৰতীয় বৈষ্ণৱ-ধৰ্মৰ সুকীয়া সুকীয়া মূল সূত্ৰৰ অধ্যয়ন। ইতিমধ্যেই আমি দেখি আহিছো তেওঁৰ প্ৰথম জীৱনতে ৰাধাতত্ত্ব লৈ চিন্তা কৰিছিল আৰু প্ৰবন্ধ লেখিছিল; গতিকে এই প্ৰবন্ধবোৰো তেওঁৰ কচিৰ একেডালি সূতাতে মণিগণা হৈ গোঁঠা হৈ থাকিল। এই সময়তে হয়তো তেওঁ তলে তলে "পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা"ৰ বাবে নিজৰ *The Mother Goddess Kāmākhy*া-ৰে বস্তু লৈ সৰু সৰু প্ৰবন্ধবোৰ অসমীয়াত লেখি আছিল। ইতিমধ্যে শিশু "ৰংঘৰ" বয়স্ক হৈ "ৰামধেনু" ৰূপ ল'লে আৰু এবছৰৰ কাৰণে তাৰ সম্পাদনাৰ ভাৰ মোৰ ওপৰত পৰিল। সেই দায়িত্ব লৈয়ে গুৰুদেৱৰ কাষত ভিক্ষাৰ কাৰণে হাত পাতিলো; তেৰোঁ প্ৰপন্ন-শিষ্যক বিমুখ নকৰি মূল্যৱান ইংৰাজী প্ৰবন্ধবোৰৰে টাইপ কৰা কপি ভিক্ষাৰ ঠোলাত পেলাই দিলে। তাৰ অসমীয়া ৰূপান্তৰৰ ভাৰ থাকিল সম্পাদকৰ। সেই মিহামতে মই নিজে ভাঙনি কৰিলো 'ৰাধা-চৰিত্ৰৰ অভ্যুদয়' (ৰামধেনু. আহিন ১৮৭২), সত্যেন্দ্ৰনাথ শৰ্মাৰ হতুৱাই অনুবাদ কৰালো 'ৰাস-ক্ৰীড়াৰ গুৰিকথা' (আঘোণ-পুহ ১৮৭২) আৰু সহকাৰী-সম্পাদক মিহিৰকুমাৰ বৰুৱাৰ দুৱাৰেদি 'প্ৰেম-নিবেদনত নাৰী' (বহাগ ১৮৭৩—Female initiative in courtship)। কাকতিৰ অনুমোদিত এই প্ৰবন্ধ তিনিটাৰ অসমীয়া ৰূপৰ ভাষা কিন্তু কাকতিৰ নহয়। ডক্টৰ কাকতিয়ে উল্লিখিত এই প্ৰবন্ধকেইটাৰ লগতে সেনে আৰু চাৰিটি আৰু এখনি ভূমিকা যোগ দি *Visnuite Myths and Legends* নাম দি কিতাপ-আকাৰ কৰি তেওঁৰ গুণমুগ্ধ পুৰণি ছাত্ৰ এজনক প্ৰকাশৰ বাবে দিয়ে। ইতিমধ্যে আহিল তেওঁৰ মৃত্যু! আহি-কাকত শুধৰোৱা, প্ৰকাশকৰ টোকাৰ আহি কৰা আৰু আন কি মৃত্যুৰ পূৰ্বে প্ৰকাশ পোৱা কাকতিৰ ইচ্ছামতে উৎসৰ্গ-পত্ৰ সংযোগ কৰাৰ ভাৰ মোৰ কান্ধতে পৰিছিল। প্ৰকাশকে আত্মশ্ৰাদ্ধৰ দিনা ধৰখেদাকৈ উলিয়াই দিয়া পুথিখনৰ বিক্ৰীৰ সকলো ধন অধ্যাপক কাকতি স্মাৰক বক্তৃতাৱলীৰ পুঁজি নিৰ্মাণৰ অৰ্থে গুৱাহাটী বিশ্ববিদ্যালয়ক দান-ৰূপে দিছিল। এই পুঁজি মহাপণ্ডিতজনাৰ প্ৰতি তেওঁৰ ছাত্ৰ আৰু ভাল পাওঁতাসকলৰ অকৃত্ৰিম শ্ৰদ্ধাৰ প্ৰতীক।

Visnuite Myths and Legends তুলনাত্মক ধৰ্ম আৰু লোক-কথা-অধ্যয়নৰ সমাজতাত্ত্বিক পদ্ধতিৰ পুথি। হিন্দু-ধৰ্মৰ কিছুমান পুৰণি সূত্ৰৰ এয়া কাকতিৰ বৈজ্ঞানিক ব্যাখ্যা। এনে ব্যাখ্যা ভাৰতীয়-অভাৰতীয় অনেক ভাৰততত্ত্বৰ পণ্ডিতে ইতিমধ্যেই আৰম্ভ কৰিছিল। কাকতিয়ে ভূমিকাত

মেক্স্‌-মূএলেৰ, মেকডোনেল ব্লুমফিল্ড্‌, বাৰ্থ্‌, আৰু ক্রুবেৰ—এই প্ৰাচ্যতত্ত্ববিদ আৰু নৃতত্ত্ববিদসকলৰ মত উদ্ধাৰ কৰি দিছে, আৰু কৈছে যে ভাৰতীয় ধৰ্মৰ পুৰাণ-কাহিনীবোৰৰ সূত্ৰবোৰ আদিৰেপৰা ইণ্ডো-ইউৰোপিয়ান, ইণ্ডো এৰিয়ান আৰু আৰ্যেতৰ মূলৰপৰা আহিছে; সেইবোৰ মূলৰ ভিতৰত আদিম জাতি আৰু বিবিধ জনজাতিৰ বিশ্বাস আৰু মানৱসমাজৰ বুৰঞ্জীৰ বিভিন্ন স্তৰত প্ৰব্ৰজনকাৰী আৰু বণিক জাতিয়ে অ'ৰপৰা ত'লৈ কঢ়িয়াই লৈ ফুৰা আৰু পিছত শৃঙ্খলাবদ্ধ কৰা লোক-বিশ্বাসৰ স্তুপবোৰো পৰে। এইভাৱে ধৰ্ম আৰু ধৰ্ম-সাহিত্যক নৃতাত্ত্বিক দৃষ্টিৰে চোৱা হ'ব পাৰে আৰু হৈছে। বৈদিক কাণ্ড আৰু ৰীতিৰ গুৰি আৰ্য-সভ্যতা-গঠনৰ হয়তো বহুত পূৰ্বৰ। অথৰ্ব-বেদৰ বিহিত মন্ত্ৰ-অভিচাৰৰ লগত টিউটনিক আৰু অন্যান্য ইউৰোপীয় জাতিৰ মন্ত্ৰ-অভিচাৰৰ মিলৰ নিশ্চয় ঐতিহাসিক ব্যাখ্যা হ'ব পাৰে। গতিকে আমাৰ আত্মাৰ ৰূপ বিচাৰি প্ৰাচীন এছিৰিয়া, বেবিলনিয়া, মিছৰৰ সভ্যতাত ভুমুকি মাৰিব লাগেগৈ। এনে বিচাৰ-ধাৰাতে অধ্যাপক কাকতি অধ্যয়নত আগবাঢ়িছে। বৈষ্ণৱ-চক্ৰৰ কেইটামান অত্যন্ত জনাজাত আৰু সৰ্বজনপ্ৰিয় কাহিনী-সূত্ৰ তেওঁ গুৱাহাটীত থাকি বিশ্বৰীক্ষাৰে ব্যৱচ্ছেদ কৰিছে। তেওঁৰ শেহান্তৰত এই বিশ্বাস হৈছে যে বিষ্ণু, নাৰায়ণ, বাসুদেৱ, কৃষ্ণক যদিও একেজন দেৱৰে বিভিন্ন ৰূপ বুলি ধৰা হয়, পুৰাণবিজ্ঞানৰ কালৰপৰা (mythologically) সিসকলৰ ধাৰণাৰ উৎপত্তি অতি বিভিন্ন। একপ্ৰকাৰে ক'ব পাৰি, ধৰ্মৰ সমন্বয়-সাধন কাকতিৰ উদ্দেশ্য নহয়, বৰং বৈজ্ঞানিক বিশ্লেষণহে তেওঁৰ পদ্ধতি। মেক্স্‌-মূএলেৰে তুলনাত্মক পুৰাণ-বৈজ্ঞানিকসকলক উপদেশ দিছিল যে তেওঁলোকে এজন দেৱৰ মূল তাৎপৰ্য নিষ্কাশন কৰিবৰ অৰ্থে দেৱতাজনৰ নামৰ মূল অৰ্থ পুনৰুদ্ধাৰ কৰা উচিত। কাকতিয়ে এই বৈজ্ঞানিক সূত্ৰ প্ৰয়োগ কৰিবৰ যত্ন কৰিছে। কিন্তু এটা কথাত তেওঁ সাৱধান হৈছে যাতে ভাৰতৰ ভিতৰত কোনো জাতি-উপজাতিৰ মাজত প্ৰচলন নথকা কোনো অভাৰতীয় কৰ্ম-কাণ্ডৰ উল্লেখ কৰা নহয়। তেওঁ এইটোও কৈ আমাক সাৱধান কৰি দিছে যে প্ৰবন্ধবোৰ প্ৰতিষ্ঠাপন্ন কিছুমান গ্ৰন্থৰপৰা লোৱা উদ্ধৃতিৰ মাথোন সমষ্টিৰ অধিক একো নহয়; কিন্তু they have been so arranged as to shed some light upon a particular hypothesis: তেওঁ যাইকৈ ইউৰোপীয় আৰু ভাৰতীয় মূলৰপৰাই উদ্ধৃতিবোৰ আনিছে, আৰু তেওঁৰ প্ৰচেষ্টাক explorations in correspondence and parallelism বুলি মাঠি-মুঠি ক'ব লাগিলে ক'ব পাৰি। ইউৰোপ আৰু ভাৰতৰ অনেক মনীষীয়ে এই বিষয়বোৰ ইতিমধ্যে ঘাটিছে যদিও আমি বোধ হয় নিৰ্বিবাদে ক'ব পাৰোঁ, পৃথিৱীৰ একুকৰ অসমৰ এই মনীষীগৰাকীয়ে সেই অধ্যয়নশালাত নিজৰ কাপ-মৈলাম, ঠগি-বস্তি বিচাৰি পাইছে। তেওঁৰ বহল জ্ঞান আৰু তীক্ষ্মধী বিচাৰৰ গুণে আৰু ভাষাৰ স্বাভাৱিকতাৰ গুণেও তেওঁৰ এই লেখাখিনি আমাৰ সুখপাঠ্য হৈ আমাৰ মানসিক দিগন্ত পূবলৈ-পশ্চিমলৈ প্ৰসাৰণ কৰে।

মহেশ্বৰ নেওগ

সূচীপত্ৰ

ভূমিকা	১—৩৩
পুৰণি অসমীয়া সাহিত্য	১—৬৬
সাহিত্যত কৰুণ ৰস	
কুমৰ হৰণ	১১
বধ-কাব্য	১৮
হেমা সুন্দৰী	২২
পৰকীয়া ভাব	২৬
শ্ৰীৰাধা-চৰিত্ৰ	৩০
চিৰশিশুৰূপ	৩৫
কাণ-খোৱা	৩৭
চোৰ-ধৰা	৪০
বৰগীত	৪২
নামঘোষা	৪৮
লৌকিক গীত	৫৫
পুৰণি সাহিত্যৰ সীমাবদ্ধতা	৫৯
অঙ্কীয়া ভাওনা	৬২
সাহিত্য আৰু প্ৰেম	৬৭—১০৯
নিশাদূত	৬৯
ভাৰবীয়াৰ বেশত প্ৰেমিক	৭১
নাৰী-হৃদয়	৭৪
সৌন্দৰ্যৰ প্ৰতাৰণা	৮৭
কবিৰ অহৈতুকী প্ৰীতি	৯৪
পণ্ডিতৰ ভূমাস্পৃহা	১০১
কলিতা জাতিৰ ইতিবৃত্ত	১১১—১৪৪
পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা	১৪৫—২২৭
আৰ্য্যাবৰ্ত্ত আৰু পুৰণি অসম	১৪৭

পুৰণি অসমৰ প্ৰাধান্ত ১৪৯
পুৰণি অসমৰ দুৰ্গমতা ১৫১
শিৱ-পূজাৰ চলতি ১৫৩
দেৱী-পূজাৰ চলতি ১৫৭
দেৱীৰ সংহাৰ-মূৰ্তি ১৬১
দেৱীৰ সম্ভোগ-মূৰ্তি : দক্ষ যজ্ঞ আৰু সতী ১৬৩
সতীৰ অঙ্গচ্ছেদ ১৬৪
ভগ-শিশ্ন-পূজা ১৬৬
শৈৱ-শাক্তৰ সংঘৰ্ষ ১৭০
শিৱভক্ত বাণৰ সংসৰ্গত নৰকৰ বুদ্ধি-ভেদ ১৭৩
ঐতিহাসিক সম্ভাব্য-সম্ভাৱনা ১৭৬
নৰকাসুৰৰ পূৰ্ব বৃত্তান্ত ১৭৮
বশিষ্ঠৰ শাপৰ পিছত ১৮১
শৈৱ-শাক্তপ মিলন ১৮২
বামাচাৰমাৰ্গৰ সূচনা ১৮৫
বশিষ্ঠৰ অৱতাৰণা ১৮৭
কৈৰাত ধৰ্ম ১৮৯
তীৰ্থাচাৰ ১৯৩
সৰ্বতীৰ্থ সমন্বয় ১৯৪
বলি-বিধান ১৯৫
কৈৰাতিক অনুষ্ঠান ১৯৬
নৰবলি ১৯৭
দেৱী-পূজাৰ প্ৰসাৰ ১৯৮
কৌলাচাৰ ১৯৯
কুমাৰী-পূজা ১৯৯
সাধনাৰ যোগিনী : বামাচাৰী পূজা ২০০
দেৱঘৰৰ নটিনী ২০১
মুজনা কৈৱৰ্ত সিদ্ধ পুৰুষ ২০৩
ইন্দ্ৰজাল-বিদ্যা ॥ক॥ অভিনৱগুপ্তৰ কৃতি ২০৪
ইন্দ্ৰজাল-বিদ্যা ॥খ॥ শিখগুৰুৰ কামৰূপ ভ্ৰমণ ২০৪
ইন্দ্ৰজাল-বিদ্যা ॥গ॥ মোগল ইতিহাসৰ বিৱৰণ ২১০
বিষ্ণু-মাহাত্ম্য ২১১
হয়গ্ৰীৱ-মাহাত্ম্য ২১৪

বিষ্ণু-পূজা	২১৭
মাতৃৰ জগত বিৰোধ	২১৯
নতুন শৃঙ্খলা	২২৪
পখিলা	**২২৯—২৬৮**
পখিলা	২৩০
তুলসীদাস	২৩৩
এমুঠি সৰিয়হৰ গুটি	২৩৬
কামনাত কেৰোণ	২৩৭
সোণালী পৰশ	২৩৭
অমৰ প্ৰেমিক	২৩৯
অৰূপ ধুনীয়া তিৰোতা	২৩৯
নাৰায়ণৰূপী জোঁৱাই	২৪১
মহিলাৰ মহা-সভা	২৪৫
মাছ অৱতাৰ	২৪৯
ডাৱৰ	২৫২
নৰকাসুৰ	২৬৪
নতুন অসমীয়া সাহিত্য	**২৬৯—৩২১**
বেজবৰুৱা	২৭০
কথা-কবিতা	২৭৫
দহিকতৰা	২৭৯
তুমি	২৮৫
কেতেকী	২৮৯
ফুলৰ শৰাই	২৯৫
অসমীয়া ৰামায়ণ সাহিত্য	২৯৮
মাতৃ	২৯৯
গুটিমালী	৩০১
সোণালী সপোন	৩০২
বিলাতৰ চিঠি	৩০৪
অশ্ৰু অঞ্জলি	৩০৫
শোণিত কুঁৱৰী	৩০৬

জাতীয় চৈতন্য	৩১১
ভৱিষ্যতৰ অসমীয়া সাহিত্য	৩১৫
আমাৰ নতুন সাহিত্য	৩১৮
বিবিধ প্ৰবন্ধ	৩২৩—[illegible]
প্ৰেম নিবেদনত নাৰী	৩২৪
ৰাসক্ৰীড়াৰ গুৰি কথা	৩২৯
ৰাধা-চৰিত্ৰৰ অভ্যুদয়	৩৪৬
পুৰণি অসমৰ ধৰ্মৰ ধাৰা	৩৫৩
নীৰৱ সাধনা	৩৫৫
যুগ-সাহিত্য আৰু সমাজৰ ৰূপৰেখা	৩৫৬
প্ৰতিসমালোচনা	৩৬৯
বুৰঞ্জীৰ সম্ভাব্য-সম্ভাৱনা	৩৬৪
[illegible]	[illegible]—৫৩৬

পুৰণি অসমীয়া সাহিত্য

পাতনি

(ক)

শঙ্কৰদেৱৰ আধ্যাত্মিক দান

কোনো ভাবশীল জাতি অইন অইন জাতিৰ সংস্পৰ্শলৈ আহিলে সেইবোৰৰ লগত ভাবৰ আদান-প্ৰদান নকৰাকৈ থাকিব নোৱাৰে। আৰু আনৰ সংস্পৰ্শলৈ নাহিলেও ভাবৰ স্বয়ম্ভূ গতিৰ দ্বাৰাই সেই জাতি সদায় একে আদৰ্শকেই আধ্যাত্মিক সত্যৰ চৰম বিকাশ বুলি সাৱটি ধৰি নতুন নতুন ভাবে সত্যৰ অনুসন্ধান নকৰাকৈ নাথাকে। বেলেগ বেলেগ জাতিৰ বুৰঞ্জীত এইবোৰৰ বহু উদাহৰণ পোৱা যায়। য়িহুদীসকলে পেলেষ্টাইনত সোমাই যেতিয়া আন আন জাতিৰ সংস্কাৰৰ সংঘৰ্ষণত পৰে, তেওঁলোকে নিজৰ কৌলিক দেৱতা জেহোভাত বাজেও আন আন জাতিৰ দেৱতা আৰু উপদেৱতা-সকললৈ যজ্ঞ আৰু পূজাৰ ভাগ আগ বঢ়াইছিল। আমাৰ ভাৰতীয় আৰ্যসকলৰ ধৰ্মৰ ইতিহাসতো এনেকুৱা কিছুমান ভাবৰ বিপৰ্যয় ভালেমান সময়ত ঘটিছিল বুলি পণ্ডিতসকলে কয়।

বেদ, উপনিষদ, পুৰাণ, হিন্দু, বৌদ্ধ, জৈন আদিৰ ভাবৰ সংমিশ্ৰণৰ ফলত যেতিয়া মধ্যযুগত নানান দেৱতা, 'নানান কৰ্ম-পদ্ধতি, নানান ধৰ্ম-আচাৰ প্ৰৱৰ্তিত হৈ সামাজিক চিত্তৰ বিপক্ষে আৱৰ্ত কৰে, তেতিয়া সদাশয় মহাপুৰুষসকলৰ মনত স্বভাৱতেই "কিং কৰ্ম কিমকৰ্মেতি", "কি কৰিব লাগে, কি কৰিব নালাগে" বুলি সংশয় উপস্থিত হয়। এনে এটি যুগসন্ধিত আন আন দেশৰ মহানুভৱ পুৰুষসকলৰ দৰে আমাৰ দেশতো মহাপুৰুষ শঙ্কৰদেৱৰ জন্ম হয়।' পুৰাণৰ বহু দেৱতা, তন্ত্ৰৰ বহু সাধনাৰ আৰু কামনাৰ তাড়নাত সঙ্কল্পিত বহুত অল্প-ফল ব্যয়-সঙ্কুল অনুষ্ঠানৰ প্ৰভাৱৰ পৰা উদ্ধাৰ কৰি, চৰাচৰ ব্ৰহ্মাণ্ড, সকলো দেৱতা আৰু "সৰ্ব অৱতাৰৰ কাৰণ" স্বৰূপ "ব্ৰহ্মৰূপী সনাতন" মূল বস্তুৰ আদৰ্শ তেওঁ আমাৰ আগত দাঙি ধৰে। এই সনাতন আৰ্য সত্যৰ ওপৰতেই সমস্ত ভাৰতীয় সভ্যতা প্ৰতিষ্ঠিত। আৰু ঋগ্বেদৰ পুৰুষ-সূক্তৰ বিৰাট পুৰুষৰ কল্পনাতেই এই সত্যৰ প্ৰথম উপলব্ধিৰ পৰিচয় পোৱা যায় বুলি পণ্ডিতসকলে ক'ব খোজে। বেদৰ পৰৱৰ্তী কালতো ভগৱদ্গীতাৰ কাললৈকে এই একেশ্বৰবাদ ভাৰতীয় চিন্তাৰ প্ৰধান সোঁতৰ বাহিৰত পৰি যোৱা নাই। কিন্তু পুৰাণ, তন্ত্ৰ আদিৰ দিনত বহু জাতি, বহু সভ্যতা, বহু আদৰ্শৰ সংযোগৰ ফলত এই একেশ্বৰবাদ সনাতন সত্য "ছিন্নাভ্ৰেৰিব ৰবীতং শাৰদং চন্দ্ৰমণ্ডলম্"—ডোখৰা-ফুটুনি ডাৱৰে ঢাকি থোৱা শাৰদীয় জোনৰ দৰে "দৃশ্যমানমদৃশ্যং"—দেখা-নেদেখা হৈ পৰিছিল। বৰং বিৰাট পুৰুষ-মূৰ্তি নিজে পৰিচয় দিয়া গীতাৰ শ্ৰীকৃষ্ণক বাদ ভগৱান

বুলি স্বীকাৰ কৰি, বেদৰ একেশ্বৰবাদ আৰু সত্যক মহাপুৰুষে আকৌ প্ৰতিষ্ঠিত কৰে। এই দেখা-নেদেখা আদৰ্শ কামনা-ক্লিষ্ট সাংসাৰিক মানুহৰ পক্ষে এনে চঞ্চল যে, ই যাতে ভুলক্ৰমেও মানুহৰ চকুৰ আঁতৰ হ'ব নোৱাৰে সেইবাবে তেওঁ সকলো গ্ৰন্থতে কঠোৰ শাসন দি গৈছে। "আন দেৱ-দেৱী নকৰিবা সেৱ" ইত্যাদি শাসনৰ মৰ্মও মহাপুৰুষৰ মূল আদৰ্শৰ পোহৰতহে ধৰিব পাৰি। বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান-দান, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ. আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্ৰত মহাপুৰুষৰ প্ৰধান দান।

গীতাত উল্লেখ কৰা চাৰি বিধ ভক্তৰ ভিতৰত "অৰ্থাৰ্থী" অৰ্থাৎ বিশেষ বিশেষ কামনা সিদ্ধিৰ বাবে ঈশ্বৰক চিন্তা কৰাসকলৰ সংখ্যাই বেছি! কিন্তু কামনা সিদ্ধিয়েই ঈশ্বৰ-চিন্তাৰ মূল প্ৰেৰণা হ'ব লাগিলে প্ৰধান পুৰুষৰ প্ৰতি সকলো সময়তে মানুহৰ মন উধাব নোখোজে। কামনাৰ নিবৃত্তি নাই—এটিৰ সিদ্ধি হ'লে আন এটি জাগি উঠে। তাত বাজেও বিশেষ বিশেষ কামনা সিদ্ধি কৰা অসংখ্য দেৱতাৰ উল্লেখ পুৰাণ, তন্ত্ৰ আদি শাস্ত্ৰত আছে। আৰু সেইবোৰৰ প্ৰতি মানুহৰ মন সহজেই ঢাল খোৱা স্বাভাৱিক। মূল সত্যৰ উপলব্ধি অনাবিল ৰাখিবৰ বাবে মহাপুৰুষে নিষ্কাম বা নিস্পৃহ ভক্তিৰ প্ৰৱৰ্তন কৰে। নিষ্কামভাৱে ঈশ্বৰক ভাবিব পাৰিলে সকলো কামনাৰ সিদ্ধি হয়। কেৱল সমুদ্ৰৰ প্ৰতি প্ৰবল বেগে বৈ গ'লেও বাৰিষাৰ ঢল নামিলে নৈয়ে ওচৰত থকা খাল-পুখুৰী আদি সকলোকে ভৰপূৰ কৰে।

এক ঈশ্বৰৰ প্ৰতি প্ৰবল বেগে মন ধাৱিত হৈ থাকিলে ভাবৰ প্ৰাচুৰ্যই সৰু-সুৰা কামনাৰ খাল-বিল পূৰ নকৰিব কিয়? কৰ্মৰ বিভীষিকা-নিবাৰণ মহাপুৰুষৰ আন এটি শ্ৰেষ্ঠ দান। ব্যয়-সঙ্কুল বিশেষ বিশেষ অনুষ্ঠান কৰিব নোৱাৰিলে আধ্যাত্মিক পথত আগ বাঢ়িব নোৱাৰি, ধৰ্মৰ কোনো অঙ্গই সিদ্ধ নহয়—এই ভাবে সমাজত এনেভাৱে শিপা মেলি থাকে যে, "ধনেই ধৰ্মৰ মূল" এনে কথাও লৌকিক প্ৰৱচনৰ ভিতৰত পৰিছে। ধন নহ'লে যাগ-যজ্ঞ, পূজা-অৰ্চনা, তীৰ্থ-যাত্ৰা আদি অনুষ্ঠান কৰিব নোৱাৰি, আৰু সেইবোৰ কৰিব নোৱাৰিলে ঈশ্বৰ-চিন্তা সম্ভৱনে? বিশুদ্ধভাৱে কৰিব পাৰিলে কৰ্ম-অনুষ্ঠান আধ্যাত্মিক চিন্তাৰ পৰিপোষক হ'ব পাৰে; কিন্তু সেইবোৰৰপৰা ঈশ্বৰ-চিন্তাৰ প্ৰধান প্ৰেৰণা আহিব নোৱাৰে। সেইবোৰ ঈশ্বৰ-চিন্তাৰ লীলা-ভূমি নহয়। ঈশ্বৰ-চিন্তাৰ প্ৰধান ক্ষেত্ৰ বিশুদ্ধ হৃদয়, বিশুদ্ধ মন। সৎ ভাৱ আৰু সৎ চিন্তাৰ দ্বাৰা হিয়া আৰু মন যিমানেই নিকা হয় তিমানেই ঈশ্বৰ-উপলব্ধিৰ বিষয়ত ইয়াৰ শক্তি উৰ্বৰা হয় আৰু হিয়া-মন চিকুণাবলৈ কোনো ব্যয় বা কষ্ট নালাগে। "মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ। এতেকে মুকুতি পাইবা কহিলো স্বৰূপ॥" —ঈশ্বৰ-চিন্তাৰ পথত স্বকৰ্ম আৰু অনুষ্ঠানে মানুহৰ মনত কু-সংস্কাৰৰ ৰূপে যি বিভীষিকাৰ ছাঁ বিস্তাৰ কৰি আছিল, সেইছোঁ আঁতৰাই মানুহৰ হিয়াক মেঘ-মুক্ত আকাশৰ দৰে নিৰ্মল কৰিবৰ উদগনি মহাপুৰুষে দি যায়। বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধিৰ প্ৰধান লীলা-ক্ষেত্ৰ বুলি তাঠকৈ প্ৰতিপাদন কৰা মহাপুৰুষৰ আন এটি দান।

আধ্যাত্মিক উপলব্ধি যদি ঈশ্বৰ আৰু শুদ্ধ মনৰ ভিতৰত বুজা-বঢ়া কৰিব লগীয়া বিষয় হয়, তেনেহ'লে সামাজিক শ্ৰেণীবিভাগ অনুসৰি ইয়াত অধিকাৰ ভেদ থাকিব নোৱাৰে। ওখকুলীয়া মানুহহে ঈশ্বৰ আৰাধনাৰ অধিকাৰী বা নীহকুলীয়া মানুহৰ ইয়াত অধিকাৰ নাই, এনে ভেদ-জ্ঞান ইয়াত থাকিব নোৱাৰে। নিষ্কাম সাধন-মাৰ্গত সকলোৰে অধিকাৰ সমান আৰু এই বাটত কোনে কিমান আগ বাঢ়িব পাৰে সেইটো ব্যক্তিগত চেষ্টাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াত সামাজিক শ্ৰেণী-ভেদ বা পৌৰোহিত্যৰ ব্যৱধান নাই।

বেদ, উপনিষদ আদি শাস্ত্ৰতো সামাজিক শ্ৰেণী-ভেদ অনুসাৰে সাধনাত সিদ্ধি লাভ হয় বুলি কোনো কথা নাই বুলি পণ্ডিতসকলে কয়। ব্যক্তিগত শক্তিৰ বিকাশৰদ্বাৰা যেয়েই পৰমাত্মাৰ অনুগ্ৰহৰ পাত্ৰ হয় সেয়েই আত্মলাভ কৰে।

দেৱী-সূক্তত ব্ৰহ্মৰূপী বাগ্‌দেৱতাই কৈছে—

যং কাময়ে তং তমুগ্ৰং কৃণোমি।
তং ব্ৰহ্মাণং তমৃষিং তং সুমেধাম্।

"যাক মই (অনুগ্ৰহৰ পাত্ৰ বুলি) কামনা কৰোঁ, তাকে তেজাল ব্ৰাহ্মণ, ঋষি, মেধাবী কৰোঁ।"

উপনিষদতো এই ধৰণৰ উক্তিয়েই আছে—

নায়মাত্মা প্ৰৱচনেন লভ্যো ন মেধয়া বহুনা শ্ৰুতেন।
যমেবৈষ বৃণুতে তেন লভ্যস্তস্যৈষ আত্মা বিবৃণুতে তনূং স্বাম্॥

"প্ৰৱচনৰদ্বাৰা, মেধা শক্তি বা বহু শাস্ত্ৰ আলোচনাৰদ্বাৰা এই পৰমাত্মা লাভ নহয়। যাক পৰমাত্মাই (অনুগ্ৰহ কৰি) বৰণ কৰি লয় তাৰদ্বাৰাই ই লভ্য—; তাৰ ওচৰতহে ই ৰূপ প্ৰকাশ কৰে।" আকৌ, "নায়মাত্মা বলহীনেন লভ্যঃ"—বলহীনৰদ্বাৰা আত্ম-লাভ নহয়। (মুণ্ডকোপনিষৎ)

উপাস্য আৰু উপাসকৰ ভিতৰত কৰ্মৰ ব্যৱধান, সামাজিক শ্ৰেণী-বন্ধ আদিৰ ভিতৰত যি অজ্ঞানতাৰ কুঁৱলী বিয়পি আছিল, মহাপুৰুষ প্ৰতিভাৰ পোহৰত সি আঁতৰি গৈ চিৰন্তন আৰ্য সত্যক চকুৰ আগত প্ৰকাশ কৰিছে—

কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাক লাগে কিক॥
স্মৰোঁক মাত্ৰ হৰি দিনে ৰাতি।
নবাছে ভকতি জাতি-অজাতি॥

আধ্যাত্মিক সাধনাৰ ক্ষেত্ৰত জাতি-ভেদৰ সমস্যা কোনোক্ৰমেই আহি নপৰে। সামাজিক জীৱনত যাৰ যি অধিকাৰ সি সেই মতেই থাকিব পাৰে; কিন্তু সাধনাৰ বাটত আগ বাঢ়িবৰ শক্তি ব্যক্তিগত চেষ্টাৰ ওপৰত নিৰ্ভৰ কৰে। সামাজিক কৰ্তব্য ব্যৱহাৰিক জগতৰ বস্তু; কিন্তু বিশুদ্ধ হৃদয় আৰু ঈশ্বৰৰ লগত বুজা-বঢ়া অন্তৰ্জগতৰ বস্তু; ইয়াক বাহিৰৰ জগতে স্পৰ্শ কৰিব নোৱাৰে।

এতেকে—য আত্মদা বলদা যস্য বিশ্ব।
উপাসতে প্ৰশিষং যস্য দেৱাঃ।
যস্য চ্ছায়ামৃতং যস্য মৃত্যুঃ।

“যি বিৰাট পুৰুষে আত্মৰূপ প্ৰাণ বায়ু দান কৰে, যি বল দান কৰে, যাৰ বিশিষ্ট শাসন সকলো প্ৰাণী, এনেকি সকলো দেৱতাই মূৰ পাতি লয়, যাৰ ছায়া অমৰ, যাৰ পৰাই মৃত্যু”— “ভূতস্য জাতঃ পতিৰেক আসীৎ”—“সকলো ব্ৰহ্মাণ্ডৰ যি একমাত্ৰ অধিপতি”, সেই বিৰাট পুৰুষৰ আদৰ্শ উদ্ধাৰ কৰি নিষ্কামভাৱে তাৰ উপাসনা কৰি কেনেকৈ সকলো কামনাৰ নিবৃত্তি সাধন কৰি মুকুতি-পথত আগুৱাব পাৰি, তাৰ সন্ধান অসমীয়া সমাজক মহাপুৰুষে দান কৰে। সেই বাটবপৰা কৰ্মৰ বিভীষিকা আৰু সামাজিক শ্ৰেণী-ভেদৰ ব্যৱধানৰ কুঁৱলী আঁতৰাই সকলোকে ভয় নোহোৱাকৈ খোজ কাঢ়িবৰ জন্মগত অধিকাৰ মহাপুৰুষে দান কৰে। অসমীয়াৰ আধ্যাত্মিক জীৱনৰ উৎকৰ্ষৰ বিষয়ত এয়েই তেওঁৰ চতুৰঙ্গ দান।

(খ)

বৈষ্ণৱ কবিৰ লক্ষ্য আৰু সাধনা

এই আধ্যাত্মিক সাম্যভাবৰ গুণ-কীৰ্তনত পুৰণি কবিসকল প্ৰগলভ হৈ উঠিছিল—

বৰ্ণাশ্ৰম-ধৰ্ম যত যাৰ যেন বিধি আছে
তাৰেসে কেৱল অধিকাৰ।
হৰি-নাম কীৰ্তনত নাহিকে নিয়ম একো
এতেকেসে ধৰ্মমধ্যে সাৰ।
* * *
পৰম নিৰ্মল ধৰ্ম হৰি-নাম কীৰ্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ। (মাধৱদেৱ)
* * *
কলিযুগ মধ্যে বৈষ্ণৱেসে বিষ্ণু
কহিলো সত্য কাহিনী। (অনন্ত কন্দলি)

সকলোৰে সমান অধিকাৰ থকা এই নৱ-ভক্তি-ধৰ্মৰ সাধন-প্ৰণালীও অতি সৰল—

হৰি-নাম কীৰ্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱল হৰিৰ নাম
কীৰ্তন কৰন্তে হোৱে সিদ্ধি॥ (মাধৱদেৱ)

এই নতুন ধৰ্ম, নতুন সাধন-প্ৰণালী লিখা-পঢ়া জনা পণ্ডিত মহলতে আৱদ্ধ নাৰাখি সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত প্ৰচাৰ কৰাটোকেই পুৰণি কবিসকলে মহাব্ৰত বুলি ধৰি লৈছিল—

শ্লোক সংস্কৃত আমি লিখিবাক ভাল জানি
তথাপি কৰিলো পদবন্ধ।
স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব
শ্ৰৱণত মিলয় আনন্দ ॥ (অনন্ত কন্দলি)

একালে একান্ত ভক্তি আৰু সাম্যভাবৰ "পৰম তত্ত্ব" প্ৰচাৰ আৰু আনফালে শুনোতাক আনন্দ দান—এয়েই পুৰণি সাহিত্যৰ দ্ব্যাত্মক আদৰ্শ আৰু প্ৰেৰণা।

এই প্ৰেৰণাৰ বশৱৰ্ত্তী হৈ কবিসকলে গীত, নাট, কাব্য, উপন্যাস আদি লৌকিক সাহিত্যৰ প্ৰধান অঙ্গবোৰৰ সহায়েৰে জন-সমাজত শিক্ষা আৰু আনন্দ বিলাইছিল। চাণক্য শ্লোক, ডাকৰ বচন আদিৰ নিচিনা নৈতিক উপদেশপূৰ্ণ পুথিয়ে মানুহৰ মন আকৰ্ষণ কৰিব নোৱাৰে। সাহিত্যৰ শিক্ষাৰ প্ৰণালীয়েই সুকীয়া। সুখ-দুখ, আশা-নৈৰাশ্য আদিৰ চিত্ৰেৰে মনক কোমলাই সজ সাহিত্যই প্ৰথমে মনক ভাব গ্ৰহণোন্মুখী কৰি তোলে। গীতা এখন দুৰ্বোধ্য দৰ্শন-শাস্ত্ৰ হ'লেও সকলো শ্ৰেণীৰ মানুহৰ ভিতৰতেই ইমান আদৰণীয় হোৱাৰ এটি প্ৰধান কাৰণ হৈছে ইয়াৰ অন্তৰ্গত ৰমণীয় কাব্য-চিত্ৰ। শত্ৰুৱে কাঢ়ি লোৱা নিজ ৰাজ্য উদ্ধাৰৰ বাবে দৃঢ়ব্ৰতী অৰ্জুনবো ৰণক্ষেত্ৰত কৌৰৱৰ বিপুল মৰণোন্মুখ সেনানী দেখি মন ভাগিল। অৰ্জুনৰ মনত গভীৰ বিষাদ নামিল। এপিনে ৰাজ্যৰ আকাঙ্ক্ষা, আনপিনে পাৰ্থিব আকাঙ্ক্ষাৰ তাড়নাত আত্মীয়-স্বজন বধ! ইমানবোৰ নিৰপৰাধ প্ৰাণী হত্যাৰ আগত ক্ষুদ্ৰ ৰাজ্য কামনাৰ ঠাই ক'ত?

অৰ্জুনৰ মনত যি দুৰ্বলতাৰ আৱেশ হৈছিল তেওঁৰ অৱস্থাত সকলো সহৃদয় সেনাপতিৰ মনতেই তেনে ভাবৰ উদয় হ'ব পাৰে। পুৰণি ৰোম ৰাজ্যৰ সেনাপতি ক'ৰিওলেনাছ (Coriolanus) অৰ্জুনৰ সমান অৱস্থাতেই বিমোৰত পৰি আত্মঘাতী হয়।

দোধোৰ-মোৰত পৰি অৰ্জুনৰ মনত যি বৈৰাগ্য, সেই বৈৰাগ্যৰ চিত্ৰ আগত দাঙি নধৰি গীতাৰ কবিয়ে যদি নিৰলে সুখিল অৱস্থাত শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত গীতা-তত্ত্ব ব্যাখ্যা কৰা বুলি ক'লেহেঁতেন, তেনেহ'লে গীতা শাস্ত্ৰৰ সৌন্দৰ্য বহুত পৰিমাণে কমিলহেঁতেন। সাহিত্যৰ সুকীয়া শিক্ষাপ্ৰণালী পুৰণি কবিসকলে ভালকৈ উপলব্ধি কৰিছিল; আৰু আমাৰ পুৰণি গীত, নাট, কাব্য আদি এই উপলব্ধিৰেই ফল।

ভাষা আৰু সংস্কৃতিৰ কালৰপৰাও পুৰণি সাহিত্যৰ কৃতকৃত্যতা আওহেলা কৰিব লগীয়া নহয়। পুৰণি সাহিত্য আমাৰ অসমীয়া জাতীয় জীৱনৰ এটি সঙ্কটময় সন্ধি-ক্ষণত ৰচিত হয়। পুৰণি কামৰূপ ৰাজ্য তেতিয়া নানান দেশী-বিদেশী সৈন্য-সামন্তৰদ্বাৰা আক্ৰান্ত হৈ জুৰুলা হয়। পুবে নৱাগত আহোমসকলে, পশ্চিমে কোচ ৰজাসকলে আৰু মাজে মাজে বিক্ৰমী মোগল সেনা-

ৱাহিনীয়ে গোমাই কামৰূপ ৰাজ্য বহুধা বিভক্ত কৰি জাতীয় জীৱন সমূলে উৎপাটন কৰিবৰ সূত্ৰপাত কৰে। জাতীয় জীৱনৰ এই ছিন-ভিন হ'ব লগীয়া অৱস্থাত বৈষ্ণৱ সাহিত্যই নতুন প্ৰাণৰ সঞ্চাৰ কৰি সৰ্বভাৰতীয়, মহাজাতীয় চৈতন্যৰ লগত ইয়াৰ ঐক্য-ভাব স্থাপন কৰে। দেশী-বিদেশী সৈন্যৰ জয়-পৰাজয়ৰ প্ৰলয়কাৰী ৰণ-হুঙ্কাৰৰ মাজতো অসমীয়া জাতীয় জীৱনে নৱ-প্ৰতিষ্ঠিত বৈষ্ণৱ সত্ৰবোৰক কেন্দ্ৰ কৰি "নিৱাত-নিষ্কম্প ইৱ প্ৰদীপঃ"—বতাহ নলগা, নকঁপা চাকিটিৰ দৰে জ্বলি থাকিল।

অসমত অসংখ্য ভাষা-ভাষী মানুহৰ সমাৱেশ। চাৰিওকালে বেঢ়ি থকা পৰ্বতীয়া ভাষাবোৰৰ ভিতৰত অসমীয়া ভাষা এটি সৰু দ্বীপৰ দৰে। ইমানবোৰ ভাষা-ভাষীৰ ঠেলা-হেঁচাত হয় অসমীয়া ভাষা লুপ্ত হ'লহেঁতেন, নহয় ই বিকৃতাকাৰ হ'লহেঁতেন। বৈষ্ণৱ কবিসকলে অসমীয়া ভাষাক আশ্ৰয় কৰি সাৰ্বজনীন শিক্ষা দিয়াৰ ব্যৱস্থা কৰাত অসমীয়া ভাষা জাতীয় ভাষাৰূপে পৰিগণিত হ'ল; আৰু পৰ্বতীয়া ভাষাৰ শব্দ চোৰাংকৈ ইয়াত সোমালেও কোনো আদিম ভাষাই ইয়াৰ মৌলিক ৰূপৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই।

সাহিত্যত কৰুণ ৰস

চৈতন্যৰ উদয়ৰপৰা মৰণলৈকে মানৱ জীৱন এটা সুদীৰ্ঘ কাৰুণ্যৰ আবেগ মাথোন; নাইবা গভীৰ নৈৰাশ্যৰ দীৰ্ঘ নিশ্বাস। ইচ্ছা, আকাঙ্ক্ষা, অতৃপ্ত বাসনা, হাঁহি-কান্দোন, মানসিক প্ৰবৃত্তি মোহৰ লগ লাগি কেৱল কৰুণ ধ্বনিত পৰিণত হয়। সূৰ্যোদয়ৰ আগে লগে মনত যি অদম্য আশাৰ সঞ্চাৰ হয়, হৃদয়ত যি শূন্যৰ জগতে মিহলি হৈ যাবৰ আবেগ হয়, সূৰ্যাস্তৰ সময়ত আত্মবিশ্লেষণ কৰি চালে সেই উদ্দাম-উৎসাহৰ শতাংশৰ এভাগো কামত পৰিণত নহয়। পুৰাৰ নৱ-বিকশিত জীৱনোচ্ছ্বাস সকলোৰে জীৱনত সন্ধিয়াৰ নৈৰাশ্যৰ দীৰ্ঘ-নিশ্বাস স্বৰূপে বাহিৰ হয়। জীৱনৰ এই ভীষণ নৈৰাশ্যৰ হাত সাৰিবলৈকে যোগীসকলে শূন্যত আশাৰ কণিকা বিচাৰি বিচাৰি জীৱন অতিবাহিত কৰে। জগতৰ অমৰ কাব্যবোৰ অনেক সময়ত জীৱন শ্মশানৰ হাহা-ধ্বনি, অনেক সময়ত গভীৰ নৈৰাশ্যৰ মৰ্মভেদী শ্বাস। এই নিশ্বাসেই প্ৰকৃত জীৱন-শ্বাস আৰু এই নিশ্বাসতেই সকলো সুকুমাৰ কলাৰ উৎপত্তি হয়।

নব্য জগতৰ সুবিখ্যাত চিত্ৰকৰ ইটালী দেশীয় মাইকেল এঞ্জিলোৰ চিত্ৰবোৰ কেৱল বিষাদৰ ভিন্ন ভিন্ন অৱস্থাৰ প্ৰতিমূৰ্তি মাথোন। তেওঁৰ চিত্ৰবোৰ পঢ়ি চালে জগতত আশা আনন্দ আদি নাই যেন লাগে। তেওঁ অঁকা ছবিত কোমল শিশুৰ হাঁহি বা হাস্যময় মুখৰ পিনে চাই থাকিও মাকৰ মুখত কেৱল ভীষণ নিৰাশাৰ ভাব এটাহে পৰিস্ফুট হয়, অথচ মাইকেল এঞ্জিলোৰ নিচিনা যশ, গৌৰৱ, ধন-সম্পদ, অক্ষুণ্ণ স্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন অলপ মানুহৰ ভাগ্যতহে কেতিয়াবা কদাচিত ঘটে। দিব্য চকুৰে তেওঁ জগতত বিষাদত বাজে আইন একো পদাৰ্থ বা ভাব-বাস্তৱ নেদেখিলে।

সংস্কৃত সাহিত্যৰ শ্লোক-ছন্দৰ জন্ম-কাহিনী সকলোৰে মনত আছে। নিৰ্মল সূৰ্য কিৰণ-বিধৌত পুণ্যতোয়া তমসাৰ তীৰত মহামুনি বাল্মীকিয়ে স্নান-তৰ্পণাদি কৰিবলৈ গৈ নিকৰুণ ব্যাধৰ শৰত ক্ৰৌঞ্চ পক্ষী এটা গছৰপৰা পৰি যোৱা দেখিলে। তেতিয়াই নিজৰ অতৰ্কিতভাৱে ইয়াৰ আগেয়ে ভাব নোহোৱা, এনেকি মহামুনিয়ে নিজেই নজনা, শ্লোকছন্দৰে নিজৰ কৰুণ ভাব বিস্ফুৰিত হৈ গ'ল:

মা নিষাদ প্ৰতিষ্ঠাংত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্ৰৌঞ্চ মিথুনাদেকমৱধীঃ কামমোহিতম্॥

নতবা-নিচিন্তাকৈ এই শ্লোকটো হঠাৎ উচ্চাৰণ কৰিয়েই মুনিয়ে ভাবিব ধৰিলে, "শোকাৰ্ত্তেনাস্য শকুনেঃ কিমিদং ৱাহৃতং ময়া।" তেওঁ নিজে ভাবি-চিন্তি একো ঠিক কৰিব নোৱাৰি তেওঁৰ শিষ্যসকলক গৈ ক'লে। তেওঁলোকেও বিশেষ ভাবি-চিন্তি একো অৰ্থ বুজিব নোৱাৰি বাৰে বাৰে সেই শ্লোকটো গাবলৈ ধৰিলে।

তস্য শিষ্যাস্ততঃ সৰ্বে জগুঃ শ্লোকমিমং পুনঃ।
মুহুৰ্মুহুঃ প্ৰীয়মানাঃ প্ৰাহুশ্চ ভূয়ো বিস্মিতাঃ॥

কিন্তু বৰ আচৰিত কথা যে যি ভাবটো তেওঁলোকে চেষ্টা কৰিও বুজিব নোৱাৰিছিল, বাৰে বাৰে গাওঁতে গাওঁতে সেই ভাবটো যেতিয়া হৃদয়ঙ্গম হ'ল, তেতিয়া দেখিলে যে ঋষিৰ শোক গৈ এটা নতুন ছন্দত পৰিণত হৈছে :

সমাক্ষৰৈশ্চতুৰ্ভিৰ্যৎ পাদৈৰ্গীতো মহৰ্ষিণা।
সোঽনুব্যাহৰণাদ্ভূয়ঃ শোকঃ শ্লোকত্বমাগতঃ॥

অৰ্থাৎ ঋষিৰ শোকভাব শ্লোকৰূপে প্ৰকাশ পাইছে অথবা ঋষিৰ শোকেই শ্লোক। দুয়ো দুটা ভিন্ন পদাৰ্থ নহয়। অলপ বহলাই নক'লে, এইখিনি বুজা টান। মহামুনি বাল্মীকি বিষয়ক এই উপাখ্যানটোৰ নিগূঢ় অৰ্থ আছে। প্ৰথমতঃ সাহিত্য বা মহাকাব্য বা কবিতা বোলা বস্তুটো মানুহে ইচ্ছা কৰিলেই মেজ, খাচিয়া আদিৰ দৰে সাজিব নোৱাৰে। কবিতা প্ৰকৃত মানুহৰ হৃদয়ত আপোনা-আপুনি সৃষ্ট হয়, আৰু বাহ্য-জগতৰ বা অন্তৰ্জগতৰ কোনো এটা উদ্দেশ্য লৈ মহামুনি মনুৱে হাঁচি মাৰোতে ইক্ষাকু জন্মাৰ দৰে জন্মে। দ্বিতীয় প্ৰসঙ্গটো এই প্ৰবন্ধত বহলাব লাগিব। শ্লোকছন্দ যে শোকজনক ঘটনাৰপৰাহে উদ্ভূত হ'ল, ইটো আনন্দজনক ঘটনাৰপৰাও সম্ভূত হ'ব পাৰিলেহেঁতেন?

ছন্দঃশাস্ত্ৰ পঢ়ি অনেক সময়ত মানুহৰ ভুল ধাৰণা হয় যে ছন্দবোৰ কেৱল বিশেষ নিয়ম অনুসাৰে ভাগ কৰা অক্ষৰ সমষ্টি। কিন্তু সেইটো প্ৰকৃত অৰ্থ নহয়। সকলো ছন্দ নানা তৰহৰ ভাবৰ তৰঙ্গ পৰিমাপক সঙ্গীতৰ সুৰ মাথোন। মানুহৰ শৰীৰ আৰু মনৰ আভ্যন্তৰীণ প্ৰক্ৰিয়াবোৰৰ লগত সঙ্গীতৰ অতীব ঘনিষ্ঠ সম্বন্ধ। সেইদৰে শ্লোকছন্দও ভাব-তৰঙ্গ-পৰিমাপক সুৰহে। কিন্তু প্ৰথমেই শোকৰ লগত সংশ্লিষ্ট হ'ল কিয়? শোক ৰস বা কৰুণ ৰসেই প্ৰকৃত জীৱন ৰস। পৃথিৱীত আহি পৰোতেই ক্ৰন্দন ধ্বনিৰ দ্বাৰা মানুহে নিজৰ আগমন-সম্বাদ জনায়। তৰ্কিত বা অতৰ্কিতভাৱে সমস্ত জীৱন-প্ৰবাহৰ লগতে এই কৰুণ ৰস মিহলি হৈ থাকে।

আমি যিমানেই নাহাঁহো, যিমানেই চাৰিওফালৰ আনন্দ-উৎসৱত আমাক বুৰাই ৰাখিব নোখোজো, আমাৰ মগ্ন-চৈতন্যত (submerged consciousness) কৰুণ প্ৰবাহ চলি থাকে। মগ্ন-চৈতন্যৰ এই কৰুণ ধ্বনি লক্ষ্য কৰিয়েই তৰুণ ইংৰাজ কবি শ্বেলিয়ে কৈ গৈছে,

Our sincerest laughter with some pain is fraught,
Our sweetest songs are those that tell of saddest thought.

(আমাৰ অতি মুকলি মনৰ হাঁহিতো বেদনাৰ চেক আছে, আমাৰ সুৱদি গীত সেইবোৰ যিবোৰত বিষাদৰ কাহিনী আছে।)

এই নিখুঁত শোকৰ সুৰকে লক্ষ্য কৰি দাৰ্শনিক কবি মেথিউ আৰ্নল্ডে Buried Life বা

মগ্ন জীৱন নামে কবিতাত কৈ গৈছে,

> Yet still, from time to time, vague and forlorn,
> From the soul's subterranean depth upborne,
> As from an infinitely distant land,
> Come airs and floating echoes and convey
> A melancholy into all our day.

(তথাপি সময়ে সময়ে অতি দূৰণিবপৰা বতাহত উঠি অহাৰ দৰে আমাৰ অন্তৰাত্মাৰ নিগূঢ়তম তলিৰপৰা ৰূপহীন নিৰাশাৰে সুৰ আৰু প্ৰতিধ্বনি ওপৰলৈ উঠি আহি আমাৰ সকলো দিনৰ ওপৰতেই বিষাদৰ কালিমা ঢালি দিয়ে।)

জনমৰপৰা মৰণলৈকে জীৱন যেন শোকৰ উচ্ছ্বাস, জন্মিয়েই মানুহে যেনেকৈ কান্দি উঠে, সাহিত্য বা মহাকাব্যত তেনে শোকৰ উচ্ছ্বাস মাথোন. আৰু সাহিত্যতো জন্ম-মুহূৰ্ততে শোক-সংশ্লিষ্ট শ্লোক-ছন্দেৰে গম্ভীৰ বেদনা জনাইছে।

মহামুনি বাল্মীকি জগতৰ আদিকবি আৰু মহাকাব্য ৰামায়ণো জগতৰ আদি, আৰু জগতৰ আদি কবিতা “মা নিষাদ” ইত্যাদি পদফাকি। আৰু এই সকলোবোৰ এক করুণ ৰসতে আৰম্ভ। এই যুক্তিবোৰ বহুতে অদ্ভুত বুলি ভাবিব পাৰে। কিন্তু এই অদ্ভুতত্বৰ আমাৰ যুক্তিত নহয়, জগতৰ সাহিত্য-বুৰঞ্জীতহে। প্ৰতীচ্য জগতৰ সাহিত্যৰ উন্মেষ হয় কবিগুৰু হোমাৰৰ ইলিয়াদত আৰু ইলিয়াদ মহাকাব্য একে করুণ ৰসতেই লিখা নহয়, এনে কি একে করুণ ৰসাত্মক বিষয় লৈ লিখা। তাৰ পিছত ইউৰোপৰ সাহিত্যই মধ্যযুগৰ অন্ধকাৰত আধা মৰা হৈ থাকি নৱীন যুগৰ আদিতে গভীৰ মৰ্মভেদী হৃদয়-বিদাৰক আৰ্তস্বৰেৰে ইটালীৰ মহাকবি ডান্টেৰ Divina Comedia নামক মহাকাব্যত নিজৰ পুনৰ্জন্ম জগতক জ্ঞাপন কৰিলে। ডান্টেৰ মহাকাব্য শোকতেই থকা নাই, ধুমুহাৰ দৰে সমস্ত জগততে বিয়পি পৰিছে। এই ভীষণ ৰসতেই সাহিত্যৰ জীৱন। কেতিয়াবা উত্তাল তৰঙ্গৰ দৰে, কেতিয়াবা কুলু-প্ৰবাহিনী শ্ৰোতৰ দৰে নানা মূৰ্তিৰেই সাহিত্যত প্ৰকাশ পায়।

মুঠতে ক'বলৈ গ'লে করুণ ৰস সাধাৰণতঃ তিনি ৰকমে প্ৰকাশ পায়—ৰুদ্ৰ বা প্ৰচণ্ড মূৰ্তিৰে, অসংযত অথচ কোমল প্ৰকৃতিৰে আৰু সংযত অথচ সহনীয় প্ৰকৃতিৰে। ইয়াৰ ভিতৰত অসংযত আৰু সংযত প্ৰকৃতিৰ বিষয় লৈহে এই প্ৰবন্ধত দুই-একাষাৰ কথা কোৱা হ'ব। প্ৰচণ্ড করুণ ৰসৰ কথা ইয়াত ক'ব নোৱাৰি। সি ইমান জটিল যে, মহত্তোপি মহীয়ান কবিসকলেহে তাক প্ৰকাশ কৰিবলৈ সমৰ্থ হয়। সাধাৰণতঃ নাটকতহে তাক কবিসকলে প্ৰকাশ কৰিবলৈ সমৰ্থ হয়। প্ৰচণ্ড করুণ ৰস দেখুৱাই কৃতকাৰ্য হ'ব খোজা কবিসকলৰ দৈৱশক্তি বা genius লাগে। মুঠতে প্ৰচণ্ড করুণ ৰসৰ সেই ভীষণত্বৰ কথা ইঙ্গিতকৈ ক'ব খুজিলে ইয়াকে ক'ব পাৰি যে সংসাৰৰ ঘাত-প্ৰতিঘাতত ই এবাৰ মানৱ হৃদয়ত উপজিলে মানৱ জীৱন প্ৰমথ্যমানো গিৰিণেৰ ভূঃ যেন হৈ উঠে, ফেনে ফেটোকাৰে মানৱ জীৱন ছিন্ন-বিচ্ছিন্ন হৈ যায়।

সাহিত্যত অসংযত শোকৰস

কৰুণ ৰস বেলেগ বেলেগ প্ৰকৃতিৰ কবিৰ মনত বেলেগ বেলেগ শ্ৰেণীৰ কাব্যত সংযত-অসংযত ভাৱে প্ৰকাশ পায়। তাত বাজেও জাতীয় জীৱন আৰু জাতীয় সভ্যতাৰ বেলেগ বেলেগ উদ্দেশ্য অনুসাৰে সংযত-অসংযত নানাৰূপ শোক ৰস সাহিত্যত প্ৰতিফলিত হয়।

এক শ্ৰেণীৰ কবি আছে তেওঁলোকে বতাহত উৰি ফুৰাৰ দৰে ভাব-বতাহত উৰি ফুৰে। তেওঁলোকৰ মনৰ ওপৰত কোনো সংযম নাই। তেওঁলোকক ভাবে কোবাই লৈ ফুৰে। যেতিয়া যি ভাব মনত খেলায়, তেতিয়া তেওঁলোকে জগতখনকে হয় সেই ভাবময় দেখে, নাইবা সেই ভাব জগতত পূৰ্ণৰূপে বিৰাজ নকৰে বুলি বাস্তৱ জগতত কোনো আনন্দৰ প্ৰতিমূৰ্ত্তি নেদেখা হয়। সংস্কৃতৰ কানন-কবিতাবোৰত (pastoral poems) কীচক বুলি এবিধ বেণুৰ উল্লেখ পোৱা যায়। গ্ৰীকসকলৰ কানন-কবিতাতো এই নিচিনা এবিধ বেণুৰ উল্লেখ আছে। তাক Aeolian harp বোলে। এইবোৰ বেণু বতাহ লাগিলে আপোনা-আপুনি বাজি উঠে। এই শ্ৰেণীৰ কবিবিলাকক সেই বেণুৰ লগত পূৰ্ণভাৱে তুলনা কৰিব পাৰি। ভাৱ আহিলে তেওঁলোক আপোনা-আপুনি উথলি উঠে, গাত চেতনা নাই, মনত সংযম ধৈৰ্য একেবাৰেই নোহোৱা হয়। কাজেই শোক ৰসত আপ্লুত হ'লে আৰ্তস্বৰেৰে তেওঁলোকে অসহ্য যন্ত্ৰণা জনাই, প্ৰিয়াস জনাই স্বেচ্ছাবিহাৰী বতাহক সম্বোধন কৰি ক'ব লাগিছে :

> Oh lift me as a wave, a leaf, a cloud
> I fall upon the thorns of life, I bleed.
> A heavy weight of hours has chained and bowed
> One too like thee, tameless, swift and wild.

(অ' বতাহ, মোকো তুলি লোৱা এটি ঢৌ, এটি গছৰ পাত, এটি ডাৱৰৰ দৰে। জীৱন-পথৰ কাঁইটৰ আঁচোৰত তেজেৰে বওা হৈছো। তোমাৰেই নিচিনা এদিনাখন ময়ো বান্ধ নোহোৱা, মুকলিমূৰীয়া বেগশীল আছিলো। সময়ৰ হেঁচাই আজিৰ দিনত মোক লৰিব নোৱৰাকৈ থুপুৰি কৰিছে।)

লোকৰ শোক বৰ্ণাব লাগিলেও তেওঁলোকে শোক-প্ৰকাশক সকলোবোৰ সংকেতকে শেষ কৰিব। তথাপি তেওঁলোকে ভাবে যেন শব্দ, সংকেত, বাহ্য জগত সকলোবোৰৰ শোক-প্ৰকাশ শক্তি লগ কৰিলেও তেওঁলোকৰ হৃদয়ৰ অসহ্য বেদনা অপ্ৰকাশ হৈয়েই থাকে। আৰু এজন তৰুণ কবিয়ে নায়কৰ মৰণ-সম্বাদত নায়িকাৰ দুখ বৰ্ণনা কৰিছে। যেনে :

> And she forgot the stars, the moon, the sun,
> And she forgot the blue above the trees.

(তৰা, বেলি, জোন আটাইবোৰকেই তাই পাহৰিলে। আকৌ পাহৰিলে গছৰ ওপৰৰপৰা বিয়পি থকা নীল-বৰণীয়া আকাশখণ্ড।)

ইত্যাদি ইত্যাদি ধৰণে আৰ্টন শাৰী কৈয়েই গৈছে।

সংস্কৃত নাটবোৰত এই অসংযত করুণ ৰসে বানপানীৰ দৰে সকলোকে উটাই লৈ যায়। উন্মাদ, মূৰ্চ্ছা, চিত্ত-বিভ্ৰম-আদি নানা আকাৰেই সংস্কৃত নাটক সাহিত্যত প্ৰকাশ পায়। শকুন্তলা, উত্তৰ ৰামচৰিত, বিক্ৰমোৰ্বশীয়, মালতী-মাধৱ আদিৰ নায়কসকলৰ কম-বেছি সকলোৱে আপোন-পাহৰা হৈ বলিয়াৰ দৰে অনেক সময়ত এনে অসংযতভাৱে শোক প্ৰকাশ কৰিছে যে কোনোবা ঠাইত তেওঁলোকলৈ সহানুভূতি নহ'বই খোজে। কিন্তু অতীতৰ জাতীয় জীৱনৰ অথবা সাহিত্য-জীৱনৰ লক্ষণ বুজিছে এইবোৰ বিচাৰ কৰিব পাৰি।

ইয়াতে অইন অইন দেশৰ দৃশ্য-কাব্যত শোক-ৰস কেনেকৈ প্ৰকাশ পায় তাৰ কথা সংক্ষেপে কোৱা যাওক। মহাকবি ছেক্সপিয়েৰৰ নাটকবোৰতো শোকৰ অসংযত ভাৱেই বেছি ভাগ প্ৰকাশ পায়। এজন পুত্ৰই শোকাকুল জননীক সান্ত্বনা দি কৈছে Patience, good lady ; comfort gentle constance (ধৈৰ্য ধৰা আইদেউ, সান্ত্বনা লোৱা) জননীৰ অসংযত শোক-সংজ্ঞাপক উত্তৰ :

> No, I defy all counsel, all redress,
> But that which ends all counsel, true redress.
> Death, death : O amiable lovely death !
> Thou odoriferous stench, sound rottenness !
> Arise forth from the couch of lasting night.

(নেমানো উপদেশ, নেমানো কোনো প্ৰতিকাৰ। লাগে মাথোন মোক মৃত্যু, য'ত সকলো উপদেশ আৰু প্ৰতিকাৰৰ ওৰ পৰে। অ' ৰমণীয় কমনীয় মৰণ, তই গোন্ধময়, বাষ্পময়, পূৰ্ণ গলনৰ নৱৰূপ। উটি আহ, চিৰঅন্ধাৰৰ শয়নতলিৰপৰা।)

কিন্তু এনে বিৰহিণী জননীৰ চিত্ৰকে গ্ৰীক মহাকবিসকলে একেবাৰেই ভিন্নৰূপে চিত্ৰিত কৰিছে। প্ৰাচীন গ্ৰীকসকল অতীৱ ধৰ্মপৰায়ণ আৰু কৰ্তব্যনিষ্ঠ আছিল। তেওঁলোকৰ মনত কৰ্তব্য আৰু ধৰ্মৰ প্ৰভেদ নাছিল। যি অৱস্থাৰ যি কাম তাক কৰিবলৈ চেষ্টা কৰি সফল কৰা বা সেই চেষ্টাতেই মৰাটোকে তেওঁলোকে জীৱনৰ উদ্দেশ্য বুলি ধৰি লৈছিল। কাজেই শত্ৰুৰ হাতত অন্যায় হত্যা খবৰ শুনি তেওঁলোকে তুআৰাৰ শোক-ব্যঞ্জক কথাৰে অন্তৰ্বেদনা জনাই গভীৰ প্ৰশান্ত মূৰ্তিৰে কৰ্তব্য পথত আগুৱান হ'ল। জননীক সম্বোধন কৰি এজনে কৈছে :

> Look up, O Queen look up, O mistress—dear !
> Look up and see thy friends who comfort thee.

(চোৱাচোন ৰাণী মাও, চোৱাচোন আইদেউ, সান্ত্বনা দিবলৈ তোমাৰ বন্ধুসকল আহিছে।)

জননীয়ে কেৱল উত্তৰ দিছে :

Ah .... Ah .... Ah .... me ?

(অ' — — অ' — — — অ' ——— মোৰ।)

সাহিত্যত সংযত করুণ ৰস

অসংযত শোক ৰস প্ৰকাশ কৰোঁতে কবিসকলে অনেক সময়ত বহিৰ্জগতকো শোকৰ প্ৰতিমূৰ্তি-ৰূপে চিত্ৰিত কৰে। নায়ক-নায়িকাসকলৰ গভীৰ মানসিক অশান্তিত, প্ৰকৃতি দেৱীয়েও বিদ্যুৎ ধুমুহা বৰষুণতে নিজৰ অশান্তিৰ পৰিচয় দিয়ে। কিন্তু সংযত শোকৰ স্থায়ৰ প্ৰকৃতি একেবাৰেই অন্ধকাৰৰ প্ৰতিমূৰ্তি স্বৰূপে কল্পিত নহয়। এইবিধ করুণ ৰসত পোহৰ আৰু এন্ধাৰৰ প্ৰতিমূৰ্তি লগ লগাকৈ থাকে। শোক থাকে, কিন্তু মানুহৰ ধৈৰ্য-চ্যুতি নহয়। গভীৰ অশান্তি থাকে, কিন্তু মানুহে কৰ্তব্য-নিষ্ঠা নাপাহৰে। সাধাৰণতঃ সংযত শোক কোনেও নেদেখা চকুলো আৰু অন্তৰ্ভেদী দীঘলীয়া হুমুনিয়াৰেই প্ৰকাশ পায়। জীৱন ৰসৰ প্ৰধান লক্ষ্য আনন্দৰ মূলস্বৰূপ মানসিক সংযমৰ ওপৰত প্ৰতিফলিত হৈ ভীষণ মৰ্মদাহ-স্বৰূপেই জ্বলি থাকে।

এইবিধ করুণ ৰস দেখুৱাওঁতেহে মহাকবিসকলে বিচিত্ৰ কৌশল ব্যৱহাৰ কৰে। কবিৰ বিশেষ শক্তি নাথাকিলে, করুণ-ৰসাত্মক বিষয়েই পাঠকসকলৰ চকুলো মুলিয়ায় তেওঁলোকক হঁহুৱাবহে। সংযত শোক প্ৰকাশ কৰিবলৈ ইমান টান, অথচ প্ৰকাশ কৰিব পাৰিলে মানুহৰ মনত ইমান লাগি যায়। সাধাৰণতঃ সংযত হৃদয়-বেদনা সংযমৰ পোহৰেৰেই দেখুওৱা হয়। সংযম আৰু কাৰুণ্য একেলগে থাকিলে ইটোৱে সিটোৰ বুকুত জ্বলি ভয়াবহ প্ৰকৃতি ধাৰণ কৰে। অলপ পোহৰ থাকিলেহে অন্ধকাৰ আৰু গভীৰ আৰু ভীষণ হৈ উঠে। এনে অৱস্থাৰ পোহৰক পোহৰ নুবুলি কেৱল অন্ধকাৰ-প্ৰকাশক ভাষা বা সংকেতহে বুলিব পাৰি। গভীৰ নিশা শ্মশানৰ জুয়ে জগতৰ অন্ধকাৰ শতগুণে ঘনীভূত কৰি তোলে। মৃত্যুশয্যাৰ ওপৰত শিশুৰ কোমল হাস্য ধ্বনিয়ে সেই মুহূৰ্তৰ অন্ধকাৰক পুঞ্জীকৃত কৰিহে তোলে।

আমি বাস্তৱিকে দৈনিক জীৱনত যিমানেই লক্ষ্য কৰি থাকো আমাৰ ভাল পোৱা বেয়া পোৱা সকলোবোৰ মানসিক আবেগক আমাৰ অবিৰাম, অশ্ৰান্ত কল্পনা-শক্তিয়ে উদগাই দিয়ে। মানুহৰ আশা যেনেকৈ অতৃপ্ত অন্তৰ্নিহিত অনেক সময়ত অপৰিজ্ঞেয় ভৱিষ্যত বাসনা লক্ষ্য কৰিহে থাকিব পাৰে, সেইদৰে মানুহৰ সৌন্দৰ্যৰ অনুসন্ধিৎসা বাস্তৱ-জ্ঞানৰ বাহিৰত থকা বস্তুৰ উদ্দেশ্যেহে, নাইবা অপূৰ্ণ পৰিস্ফুট আবেগক লক্ষ্য কৰিহে নিজে নজনাকৈ নিজতে লুকাই থাকে। অপৰিস্ফুট

কুসুম-কলিকা লৈ কল্পনা-শক্তিয়ে যিমানে খেলা কৰিব পাৰে বা আনন্দ বা নিৰানন্দ পাব পাৰে, পূৰ্ণ বিকশিত কুসুমত সেই আনন্দ বা নিৰানন্দ ভাব অকণো নাথাকে, অন্ততঃ কল্পনা-শক্তিয়ে বিচাৰি নাপায়। কিয়নো ইয়াৰ ভৱিষ্যত নাই অথবা যি আছে সি জ্ঞানগম্য। জ্ঞানৰ অগম্য সংযত শোক পৰিমাণ কৰিবলৈ গৈ কল্পনা-শক্তিয়ে অনন্ত লীলা, অনন্ত খেলা খেলিবলৈ অৱকাশ পায়। কিন্তু হৃদয়নিহিত প্ৰশান্ত গভীৰ বেদনা প্ৰকাশ কৰিবলৈ কল্পনা-শক্তিও অসমৰ্থ। সাগৰৰ পাৰত থিয় হৈ মানুহে সাগৰৰ অনন্ত প্ৰকৃতিৰ কথা ভাবি ভাবি আপোন-পাহৰাহে হব পাৰে। কি ভাবিলে, কি বুজিলে, ভাষাৰে প্ৰকাশ কৰি ক'ব নোৱাৰে।

কবিৰ কল্পনা-শক্তিও মানৱ জীৱনৰ অনন্ত শোক পাৰাবাৰৰ তীৰত নিজেই বিহ্বল হ'বহে পাৰে আৰু আনক নিজৰ ভাবাকুল অৱস্থাত পেলাবহে পাৰে। কিন্তু নিজৰ ৰহস্যময় ভাব আনক স্পষ্টকৈ ক'ব নোৱাৰে। দুই-এটা উদাহৰণ নিদিলে বুজিবলৈ বৰ জটিল :

মহাকবি কালিদাসৰ ৰঘুবংশত সীতাৰ বনবাস সকলোৱে পঢ়িছে। সকলোৰে মনত আছে লক্ষ্মণে এৰি অহাৰ পিছত সীতাই নিজৰ ভূত-ভৱিষ্যত-বৰ্তমান আদি ভাবি ভাবি বাৰে বাৰে কেনেকৈ উদ্বিগ্না কুৰুৰা পক্ষীৰ নিচিনাকৈ ৰাও কাঢ়ি উঠিছিল। সেই আঠাইবোৰ শ্লোক অতীব কাৰুণ্যসূচক কিন্তু সেই আঠাইবোৰৰ ভিতৰত অতীব গভীৰ প্ৰশান্ত হৃদয়-দ্রাৱক এই এটা শ্লোকৰ আধাখিনিহে :

ভূয়ো যথা মে জননান্তৰেঽপি ত্বমেব ভৰ্ত্তা ন চ বিপ্ৰয়োগঃ।

সীতাৰ মনৰ তীব্ৰ যাতনা বুজিবলৈ আগৰ শ্লোকবোৰ নপঢ়িলেও হয়, যদিও অমৰ সৌন্দৰ্য্যৰে সেইবোৰ ভৰপূৰ। কিন্তু সেইবোৰত সেই তীব্ৰ মুহূৰ্তৰ সীতাৰ উক্তি বুলি বিশেষ কোনো চিন নাই। তেনে অৱস্থাত প্ৰায় সকলোৱে তেনেকৈ বিলাপ কৰিব পাৰে। অথচ বিলাপ কৰ্তাৰ মনৰ ক্রিয়া তেনে শোক ধ্বনিৰপৰা অলপো কমাব নোৱাৰি।

মানুহ যেতিয়া সংকুল অৱস্থাত আহি পৰে তেতিয়া আশা, ভৰসা, ভাব, বাসনা, সুখ, দুখৰ স্মৃতি বা কাল্পনিক ভৱিষ্যত—যিবোৰ সূক্ষ্ম প্ৰভাৱ লগ লাগি জীৱন-প্ৰবাহত পৰিণত হয়, অৱস্থাৰ বিপৰ্যয় অনুসাৰে সেই সকলোবোৰ নিশাৰ সপোনৰ দৰে উৰি যায়, তেতিয়া মানুহৰ পক্ষে কেৱল দুটা বাট মুকলি হৈ থাকে। হয় তেওঁ অসহ্য তীব্ৰ যাতনাত মৰি যায়, নহয় সকলো দুখ-শোক হৃদয়ত বান্ধি থৈ প্ৰশান্তভাৱে নতুন কৰ্তব্য-পথত নিমগ্ন হয়। কিন্তু বুকু ভৰা শোকৰ পৰিমাণ আনে দূৰৰ কথা নিজেই ক'ব নোৱাৰে। তেতিয়া অনেকে যি যি কাৰণৰ নিমিত্তে বৰ্তমান দুৰৱস্থা হৈছে, সেই কাৰণবোৰ নাথাকিলে কি অৱস্থা হ'লহেঁতেন, সেই সুখৰ ছবি কল্পনা কৰে, নাইবা ইহ জনমত যি নোপোৱাৰ কাৰণে জীৱন ব্যৰ্থ হৈ গ'ল, পৰজনমত সেই বস্তুকে পাম বুলি সুখৰ কাল্পনিক ছবি মনত আঁকি মনক সান্ত্বনা দিবৰ চেষ্টা কৰে। কিন্তু সেই কাল্পনিক সুখৰ ছবিৰ পোহৰে কেৱল বৰ্তমানৰ বাস্তৱ নিষ্ঠুৰতা শতগুণে বঢ়াই দিয়ে। বৰ্তমানৰ যন্ত্ৰণা অসহ্য নহয় মানে কোনেও ভৱিষ্যত কাল্পনিক সুখৰ ছবিত আত্মবিস্মৃত হ'ব নোখোজে। এইবোৰ ভৱিষ্যত মৰীচিকাই কেৱল আৰ্তৰ দৰেহে

বৰ্তমানৰ বিষম যন্ত্ৰণাক দেখুৱাইছে দিয়ে। সীতাৰ যে মনত কিমান বিষাদ, তাক তেওঁ নিজেই কল্পনা কৰিব নোৱাৰে, ভাষাৰে বৰ্ণাব নোৱাৰে কেৱল মাত্ৰ "পুনৰায় যেন তোমাকে পতিৰূপে পাওঁ, কিন্তু বিৰহ যেন আৰু নাথাকে।" "বিৰহ নেথাকে" এই কথাষাৰেই তেওঁৰ মনৰ সকলো যন্ত্ৰণাৰ পৰিচয় দিছে। তেওঁৰ সকলো শোকৰ মূল বিৰহেই। বিৰহ-বিহীন ৰামৰ সঙ্গেই তেওঁৰ জীৱনৰ কেন্দ্ৰ।

সংযত শোক সংযত ভাষাৰে অথচ গভীৰ বেদনাসূচক কৰি প্ৰকাশ কৰিবলৈ প্ৰায়ে মহাকবিসকলহে সমৰ্থ আৰু সচৰাচৰ সংযত শোক ভাষাৰে প্ৰকাশ কৰা নহয়। প্ৰকৃতপক্ষে, শব্দই সকলো বিষয়ত সম্পূৰ্ণ মনোভাৱ প্ৰকাশ কৰিব নোৱাৰে। শব্দ জ্ঞানগম্য, ভাব হৃদয়গম্য আৰু গভীৰ ভাববোৰ অনাদি অনন্ত। সংসাৰৰ ঘাত-প্ৰতিঘাতত সাগৰৰ ঢৌৰ নিচিনাকৈ ই নানাৰূপে খেলা কৰি থাকে। সেই দেখি মহাকবিসকলে দৈৱ-শক্তিৰদ্বাৰা মানৱ হৃদয়ৰ তত্ত্ববোৰ জানি লৈ, সেইবোৰ শোকৰ খুন্দাত যি যি ভাব ব্যক্ত হয়, সেই সেই ভাবে প্ৰকাশ কৰে।

অনেক সময়ত তেওঁবিলাকে কাল্পনিক ভৱিষ্যত সুখৰ পোহৰত বৰ্তমানৰ অন্ধকাৰ পেলাই দিয়ে। অনেক সময়ত অতীতৰ বাস্তৱ সুখৰ স্মৃতিয়ে বিদ্যুতৰ নিচিনাকৈ বৰ্তমান ঘনান্ধকাৰ শতগুণে ঘনীভূত কৰি দিয়ে। ভৱভূতিৰ নাটক উত্তৰ ৰামচৰিতত ৰাম যেতিয়া বনবাসৰপৰা উলটি আহিল, তেতিয়া ল'ৰাকালত আকৌ এবাৰ সীতাক বিয়া কৰাই প্ৰৱাসৰপৰা অহাৰ কথা তেওঁৰ মনত পৰিল। কিন্তু অতীতৰ সেই ভৰপূৰ জীৱন ৰস (life pulsation) আৰু বৰ্তমান এই ভীষণ ঔদাসীন্য। মহাকবি ভৱভূতিয়ে একপমান শ্লোক এটাৰে এই কোমল কৰুণ ৰস প্ৰকাশ কৰিছে ঃ

জীৱৎসু তাতপাদেষু নৱে দাৰপৰিগ্ৰহে।
মাতৃভিশ্চিন্ত্যমানানাং তে হি নো দিৱসা গতাঃ ॥

অতীতৰ সেই সুখৰ ছবিয়ে কেৱল তেওঁক পিতাকৰ কথা সোঁৱৰাই দিলে, ৰামে চকুলো সামৰিব নোৱাৰিলে। ইয়াত বাজেও অসংখ্য ৰূপে সংযত শোক-ৰস সাহিত্যত প্ৰকাশ পায়। সেইবোৰ পুংখানুপুংখৰূপে এই প্ৰবন্ধত বিচাৰ কৰিব নোৱাৰি।

এতিয়া কৰুণ ৰসৰ দুটা অসাধাৰণ মূৰ্তিৰ কথা সংক্ষেপে কোৱা যাওক। আমি ওপৰত কৈ আহিছো, জগতত আশাৰ কণিকা নেদেখিলে মানুহ মৰি যায়, নহয় ধৈৰ্য আৰু ধৰ্মত আশ্ৰয় লয়। কিন্তু অনেক সময়ত দেখা যায় যে মানুহে ধৰ্মও নামানে, অথচ সংসাৰৰ কোনো ভাৱনাতে সান্ত্বনা নাপায়, অথচ পাগলো নহয়। তেতিয়া মানুহে কি কৰে? অনেক সময়ত সমাজৰ চকুত মহাপাপত লিপ্ত হৈ থাকিও হৃদয়ত গভীৰ বেদনা মানুহে হেঁচি ৰাখিব খোজে আৰু অনেক সময়ত বাৰুণী দেৱীৰ আশ্ৰয় লয়। সকলোৱে পাৰস্যৰ কবি আৰু দাৰ্শনিক পণ্ডিত ওমৰ খায়ামৰ কৰাপ্ৰেং কবিতাৰ ইংৰাজী অনুবাদ পঢ়িছে। ওপৰে ওপৰে বিশেষ মনোযোগেৰে নপঢ়িলে—মদপীৰ কবিতা যেন লাগে, যদিও মাজে মাজে দুটা-এটা দাৰ্শনিক ভাব আছে। কিন্তু সাহিত্যতো দৰ্শন নহয়। সাহিত্য হিচাপে

ইয়াৰ মূল্য কি? সাহিত্য হিচাপে ইয়াৰ মূল্য ইয়াৰ গভীৰ শোকত। ইবে মহাবিজ্ঞানী পণ্ডিত এজনৰ বুকুৰ তেজেৰে লিখা। পণ্ডিতে জগতৰ তথ্য বিচাৰি বিচাৰি নাপাই জগতত কোনো শক্তিৰ ছায়াকে নেদেখিলে।

হৃদয়ৰ ভীষণ অশান্তিৰ ধুমুহা অলপ সময়ৰ নিমিত্তে পাহৰিবলৈও এহাতেৰে মদৰ গিলাচ হাতত লৈ এহাতেৰে সংসাৰ বিষয়ক তেওঁৰ জ্ঞান তেওঁ জগতক জনাইছে। কবিতাটো এইভাবে লিখা হৈছে যে দাৰ্শনিক তথ্যবোৰ কৈ থাকোঁতে থাকোঁতে মনত যেতিয়াই বিস্মৃত শোকসুৰ জাগি উঠে, তেতিয়াই মানসিক উদ্বেগ থমাবলৈ তেওঁ মদ এগিলাচ খাই লয়। তলত একাঁকি কবিতা দিয়া হ'ল :

Ah fill the cup , what boots it to repeat,
How time is slipping under our feet ?

(ভৰোৱাঁ, অহ, বাটিটো ভৰোৱাঁ। কৈ থাকিলে কি হ'ব, সময় কেনেকৈ ভৰিৰ ফাঁকেৰে সৰকি যাব লাগিছে)

করুণ ৰসৰ আৰু এবিধ অসাধাৰণ মূৰ্তিৰ কথা আমি উল্লেখহে কৰিব পাৰোঁ। তাক বিশ্লেষণ কৰি দেখুৱাব লাগিলে প্ৰবন্ধ বহু দীঘল হৈ পৰে। তাৰ কেৱল নামহে কোৱা যাব। শোকৰ সেই অসাধাৰণ মূৰ্তি হৈছে—হাঁহি। আদিতে হাঁহি আৰু কান্দোনৰ একো পাৰ্থক্য নাই। যি কাৰণেই আমি হাঁহো, সেই কাৰণেই আমি কান্দো। কোনো এটা পদাৰ্থৰ ভাব আমাৰ মনৰ ভাবৰ লগত নিমিলিলে যি অসামঞ্জস্য ঘটে, সেই অসামঞ্জস্য-জ্ঞান হাঁহিৰূপে বাহিৰত পৰিস্ফুট হয়। কিন্তু সেই অসামঞ্জস্যৰ কথা ভাবি যদি তাৰ কাৰণ হৃদয়ঙ্গম কৰি সহানুভূতি দেখুৱাবৰ চেষ্টা কৰোঁ, তেনেহ'লে নেকান্দি নোৱাৰি। বিকলাঙ্গ মানুহ দেখিলে সৰু ল'ৰাই হাঁহে, কিন্তু ডাঙৰ মানুহৰ করুণাৰহে উদ্ৰেক হয়। ইয়াত বাজেও আত্মীয়-বিয়োগ আদি ঘটনাবোৰ যিবোৰ করুণ ভাবৰ লগত সংশ্লিষ্ট হয়, সেইবোৰতে যথেষ্ট হাঁহিৰ কাৰণ আছে। কিন্তু সেইবোৰ কথা ইয়াত বিশ্লেষণ কৰিব নোৱাৰি। হাঁহি-কান্দোনৰ এই ঐক্যভাব লৈয়েই মহাকবিসকলে অনেক সময়ত হাঁহিৰে ৰস প্ৰকাশ কৰে। হাঁহিৰে প্ৰকাশ কৰা শোক-ৰস সচৰাচৰ প্ৰচণ্ডতকৈ প্ৰচণ্ড।

শেহত ইয়াকে কোৱা যাওক যে হাঁহি প্ৰকৃত জীৱন-ৰস নহয়, অন্ততঃ আমি যি ভাবত বুজোঁ। জীৱনৰ সীমাবদ্ধতাৰ নিমিত্তে, হৃদয়ৰ বাসনাৰ অসীমতাৰ নিমিত্তে আৰু সংসাৰৰ বাধা-বিঘিনিৰ নিমিত্তে মানৱ-হৃদয় সদায় উতলা অৱস্থাতেই থাকে :

Infinite passion, and the pain
Of finite hearts that yearn.

(অসীম বাসনা আৰু সসীম হিয়াৰ আকাংক্ষাৰ বেদনা।)

জীৱনৰ সীমাবদ্ধতাৰ নিমিত্তে হৃদয়ৰ অসীম ভাব পূৰ্ব্যত মিহলি হৈ যাব নোৱাৰিলেই যুগে যুগে হৃদয়ৰ গভীৰ বেদনা মহাকাব্যবিলাকৰ ভিতৰেদি আৰ্ত্তৰাও কৰি উথলি উঠে—

Again—Thou hearest।
Eternal passion,
Eternal pain, (আৰ্নল্ড)

(আকৌ শুনিছা : অনন্ত বাসনা, অনন্ত বেদনা)

কুমৰ-হৰণ

কুমৰ-হৰণ কাব্য চন্দ্ৰভাৰতী-ৰচিত। তেওঁৰ আন আন নামৰ ভিতৰত অনন্ত কন্দলি আৰু ভাগৱত ভট্টাচাৰ্য্য, এই দুটিয়েই প্ৰধান। এওঁ শঙ্কৰৰ সমসাময়িক আৰু বৰ শঙ্কৰভক্ত আছিল। অসমীয়া দশমৰ আদিছোৱা নিজে ভাঙি মৰম কৰি শেহছোৱা শঙ্কৰদেৱে এওঁক ভাঙিবলৈ দিছিল। এওঁ নিজে লিখা সকলো কিতাপতে শঙ্কৰদেৱৰ গৰিমা কীৰ্ত্তন কৰি গৈছে। কবিত্ব-শক্তিত এওঁক শঙ্কৰদেৱতকৈ কম বুলিব নোৱাৰি। পুৰণি সাহিত্যত শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি আৰু ৰাম-সৰস্বতী—এই কেইজনেই প্ৰথম থাপৰ কবি। এওঁলোকৰ কবিতাত উদাৰ প্ৰভা এটি আছে।

কুমৰ-হৰণ কাব্যৰ মূল দশম ভাগৱত আৰু হৰিবংশ। ভাৰতীয়ে দশমৰ শেহছোৱা ভাঙোতে এই আখ্যানটো এবাৰ অনুবাদ কৰি থৈ গৈছে। কুমৰ-হৰণ নাম দি বেলেগ কাব্যৰ আকাৰে আকৌ তাকেই ৰচনা কৰি উলিয়াইছে। দুইখনেই ভাৰতী-ভণিত। একে আখ্যানকে দুবাৰ দুইভাৱে লিখিলে কিয়? কুমৰ-হৰণ আখ্যান এনে মনোৰম যে, দশম ভাগৱতৰ লগত সংক্ষেপে ভাঙি কবিয়ে সন্তুষ্ট নহৈ বহলাই লিখিবৰ মনেৰে বেলেগ কাব্য ৰচনা কৰে। কিন্তু এইটো চাব লগীয়া যে অসমীয়া দশমৰ ভিতৰুৱা কুমৰ-হৰণত হৰিবংশৰ কথা ভালেখিনি সোমাইছে আৰু কাব্য কুমৰ-হৰণৰ মূল হৰিবংশ বুলিলেই হয়। এতেকে কুমৰ-হৰণ ৰচনা কৰাৰ পিছতহে দশম ৰচনা কৰা যেন লাগে। আৰু কুমৰ-হৰণ কাব্যৰ ভালেমান নতুন কথা দশমত অলক্ষিতভাৱে সোমাই গৈছে। লিখাৰ প্ৰণালীৰপৰাও কুমৰ-হৰণ আগেয়ে লিখা যেন লাগে। ইয়াৰ পদবোৰত নবীন কবিৰ প্ৰাচুৰ্য্য আৰু আড়ম্বৰ পৰিলক্ষিত হয়। দশমৰ পদবোৰ সংযত আৰু গহীন ধৰণৰ।

কুমৰ-হৰণৰ প্ৰধান নায়িকা উষাদেৱী। পুৰণি কালত শোণিতপুৰ নামে এখন ৰাজ্য আছিল। আমাৰ তেজপুৰকেই শোণিতপুৰ বুলি কয়। তাত বাণ নামে এজন প্ৰবল শিৱভক্ত ৰজা আছিল। বাণ ৰজা প্ৰহ্লাদৰ নাতি মহাবীৰ বলিৰ পুতেক আছিল। বিষ্ণুৱে বামন অৱতাৰত ছলনা কৰি বলিক পাতাললৈ পঠাই দিলত শিৱক তপস্যা কৰি বাণ ৰজাই শোণিতপুৰ ৰাজ্যখন পায়। এই বাণ ৰজাৰ উষা নামে পৰম ৰূপৱতী এজনী কন্যা আছিল।

কালিদাসে "কুমাৰ-সম্ভৱ"ত প্ৰথমতে অলপ বংশ-পৰিচয় দিয়েই উমাৰ ৰূপ-লাৱণ্য বৰ্ণনা কৰিছে। কুমৰ-হৰণো ঠিক তেনেকুৱাই উষাৰ ৰূপ-লাৱণ্যৰ বৰ্ণনাৰে আৰম্ভ হয়। ভাগৱতত ঘটনাৱলীৰ

পৰম্পৰাহে পোৱা যায়, তাত কোনো বৰ্ণনা নাই। হৰিবংশত বৰ্ণনা আছে কিন্তু অইন বিষয় লৈহে। কাব্যৰ এটি নিয়ম এই যে, যিটো তাৰ সৰ্ব্বপ্ৰধান ভাব সেইটোৰ তলতীয়া কৰিহে আন ভাব আনিব লাগে। প্ৰধান ভাবটোক অলপ চকুৰ আঁতৰ হ'বলৈ দিলেই কাব্যৰ ভাব-ধাৰাৰ সামঞ্জস্য ভাগি যায়। মেঘদূতৰ নিচিনা দেশ-দেশান্তৰৰ বৰ্ণনা থকা কাব্যতো কবিয়ে বিৰহী যক্ষৰ আদি-ৰসাত্মক বেদনা প্ৰত্যেক শ্লোকতেই ধ্বনিত কৰি তুলিছে। কুমৰ-হৰণৰ প্ৰধান বিষয় উষাৰ গুপ্ত-প্ৰেম; আৰু উষাই প্ৰধান নায়িকা। অন্য ঘটনাৱলী আহি পৰিলেও কবিয়ে উষাক চকুৰ আঁতৰ হ'বলৈ দিয়া নাই। হৰিবংশত আদিতে ইমান কথা আছে যে, সেই সকলোবোৰ কাব্যত সমাবেশ কৰিব লাগিলে হাৰিতে গছ লকুৱাৰ দৰে হয়। সকলোকে এৰি দি উষাকে কেন্দ্ৰ কৰি কাব্য আৰম্ভ হয়।

ক্ষীণদেহা কুমাৰীৰ মধ্যে হালে কায়।
বতাসতে লৰে আতি ভাগি নপৰয়॥
উষাৰ ৰূপৰ উপমাৰ ঠাই নাই।
যেহি অঙ্গে দৃষ্টি পৰে তাকে থাকে চাই॥

এইদৰে উষাৰ যৌৱন-কাল উপস্থিত হ'লত বাণ ৰজাই অতি যতনেৰে তেওঁক অন্তেষপুৰত বোধ কৰি থ'লে। মন্ত্ৰী কুম্ভাণ্ডৰ চতুৰ কন্যা চিত্ৰলেখা উষাৰ প্ৰধান সখী স্বৰূপে তেওঁৰ লগতে অন্তেষপুৰত থাকিল।

চিত্ৰলেখা সুন্দৰী পঢ়ান্ত কাব্য-কোষ।
খনো পাশা খেলি কৰে হৃদয় সন্তোষ॥

এদিন অৱৰোধ-যন্ত্ৰণা সহিব নোৱাৰি দুয়ো পৰামৰ্শ কৰি হৰ-গৌৰীৰ মন্দিৰলৈ বৰ মাগিবলৈ চোৰাংকৈ ওলাই গ'ল। গৌৰীয়ে উষাৰ মনৰ ভাব বুজি বৰ দিলে।

বৈশাখ মাসত আসি তিথি শুক্লা দোৱাদশী
সেহিদিনা দেখিবা সপন।
সুন্দৰ পুৰুষে আসি আলিঙ্গিবে হাসি হাসি
তোৰ স্বামী হৈবে সেহিজন॥

চিত্ৰলেখায়ো শিৱক স্তুতি কৰি বৰ ল'লে:

সুৰাসুৰ নৰ যত আছে চৈধ্য ভুবনত
ৰূপ-গুণ জানিবো সবাৰ।
চিত্ৰতে লিখিবো যত বৰ্ণ-ভেদ স্বৰূপত
যতেক ব্ৰহ্মাণ্ড চৰাচৰ॥

দেৱীৰ বৰ অনুসাৰে নিৰ্দিষ্ট সময়ত সপোনত অজানা পুৰুষৰ লগত মিলন হলত উষা চমক খাই কান্দি উঠিল।

ইপিনে বাণ ৰজা এদিন স্নান-তৰ্পণ কৰি শিৱত বৰ মাগিবলৈ গ'ল। মহাবীৰ বাণৰ হেজাৰ বাহু, কিন্তু যুদ্ধত সদৃশ বীৰ নাই। তেওঁ বৰ মাগিলে যেন মহাদেৱৰ নিচিনা প্ৰবল পুৰুষক প্ৰতিদ্বন্দ্বী স্বৰূপে পায়। মহাদেৱে হাঁহি মাৰি ক'লে, "তোৰ মৈৰাধ্বজ যেতিয়াই ভাগি পৰি থাকিব, তেতিয়াই যুদ্ধ সমাগত বুলি ভাবিবি।" উষাৰ সপোনৰ পিছতেই মৈৰাধ্বজ খহি পৰিল আৰু ৰাজ্যত ৰণ লাগিব বুলি হুলস্থূল লাগিল।

বাণ ৰজাৰ সদৃশ-বীৰ-কামনা আৰু উষাৰ সপোনত স্বামী-লাভ—এই দুডাল সূতাৰে গোটেই কাব্যখন গ্ৰথিত হৈছে। এইখিনিও মূলতকৈ বহুত বেলেগ। হৰিবংশৰ মতে এই উপাখ্যানৰ গুৰিডোখৰ ঘূৰণি পাক খোৱা। অসমীয়া কাব্যৰ মধ্যস্থ ঘটনা উষা-চৰিত আৰু হৰিবংশৰ মধ্যস্থ ঘটনা বাণ-চৰিত। সেইদেখি হৰিবংশৰ আদিতে বাণৰ বৰ-মাগনি আৰু মন্ত্ৰীৰ লগত পৰামৰ্শ আৰু মন্ত্ৰীৰ আশঙ্কা আদি বহুত কথা আছে। উষা নায়িকা থকা অসমীয়া কাব্যত সেইবোৰৰ একো আৱশ্যক নাই বুলি কবিয়ে সেইবোৰ বাদ দিছে। উষাৰ অৱৰোধ আৰু চিত্ৰলেখাৰ লগত বৰ মাগিবলৈ যোৱা কথাও মূলত নাই। এইবোৰ সম্পূৰ্ণভাৱে মৌলিক আৰু কবিৰ নিজা সৃষ্টি। এই সামান্য উদ্ভাৱনাৰ অসামান্য শ্ৰেষ্ঠতাৰ অলপ ভাবিলেই তত পোৱা যাব। ইয়াৰপৰা কাব্যৰ স্বাভাৱিকতা বাঢ়িছে। উষাই ইচ্ছামতে চলা-ফুৰা কৰিব পাৰিলে সপোনত স্বামী পোৱা কথা বৰ মনমোহা নহ'লহেঁতেন। অনৱৰুদ্ধা ছোৱালীয়ে কাৰবাক ক'ৰবাত দেখি ভাল-বেয়া সপোন দেখিলেও দেখিব পাৰে; বতাহ সোমাব নোৱাৰা কুলৰ পাকৰিত যে ক'ৰপৰা পৰুৱা আহি পৰে, সেইটোহে বৰ বিস্ময়কৰ।

মূলত আছে যে, এদিন হৰ-পাৰ্ব্বতীয়ে জল-খেলা কৰি থাকোতে তেওঁলোকৰ ক্ৰীড়া দেখি উষাদেৱীৰ মন কাম-বিদ্ধ হয় আৰু দেৱীয়ে মনৰ ভাব বুজি ওপৰত কোৱাৰ দৰে উষাক বৰ দিয়ে। মূলত আকৌ আছে যে, বৰ পোৱাৰ পিছতে উষাৰ কাম-মোহ উপস্থিত হয়। "নিদ্ৰাং ন ভজতে ৰাত্ৰৌ ন দিৱা ভোজনং তথা। সা ৰালা মোহিতা ৰাজন্ কামেন পৰিপীড়িতা।" ক্ৰমে পীড়া গুৰুতৰ হ'লত বেজ মাতিব লগাত পৰিল। বেজসকলে ভুল কৰি কৈ গ'ল যে, অতিশয় সুন্দৰী বুলি লোকৰ চকু লাগিছে, ৰক্ষা-মন্ত্ৰ পাঠ কৰিলে ভাল হ'ব। চতুৰ বেজে কিন্তু ইকাণে-সিকাণে কৈ গ'ল যে, পীড়া কাম-সম্ভূত। মূলত থাকিলেও কাব্যৰ অঙ্গৰূপে গ্ৰহণ্য কোনো ঘটনাৰ লগত ইয়াৰ সম্বন্ধ নাই বুলি কবিয়ে ইয়াকো বাদ দিছে। অসমীয়া কাব্যৰ উষা আজলী কিশোৰী। স্বামী-লাভৰ আগতে মদন-পীড়িতা হ'লে "অনাঘ্ৰাত কুসুম"ৰ কোমল লাৱণ্য-ভাব কমে।

উষাই সপোনত স্বামী পালে। "সপোনত কামে ধৰে, বিকল কৰে, ধৰিবে চাহুই আজোৱালি।" সাৰ পাই আকুল হ'ল, তন্দ্ৰামোহ তেতিয়াও যোৱা নাই। শয্যাত হাত বুলাই "কৈক গৈলা

প্ৰাণনাথ" বুলি কান্দিবলৈ ধৰিলে।" সকলো বিমৰিষ কৰি চিত্ৰলেখাই তথ্য মাগিলে।—"কিনো সপোনত তই দেখি আছা চোৰ?" উষাই সকলো কথা বিৱৰি ক'লে। কাব্যৰ সপোন বৃত্তান্ত পয়াৰ-ছন্দতেই বৰ্ণিত হৈছে, কিন্তু দশমৰ অন্তৰ্গত আখ্যানত ছবি-ছন্দত বৰ্ণনা আছে। দুয়োটা বৰ্ণনা একে ভাবতে হ'লেও ছবি-ছন্দৰ বৰ্ণনাটো বেছি সুন্দৰ আৰু বৰ্ণনাটোও কবিৰ নিজা। মূলত ইয়াৰ আভাসমাত্ৰহে আছে। ছবিৰ হেন্দোলনিত হৃদয়ৰ প্ৰত্যেক স্পন্দনক ঝঙ্কাৰেই মিহলি হোৱা যেন লাগে। মূলমতে সপোনৰ পিছতে কুমাৰী-ব্ৰত ভঙ্গ হোৱা বুলি উষাই বহুত বিলাপ কৰা কথা আছে, আৰু সখীসকলৰ অনেক পৰামৰ্শৰ পিছতহে চিত্ৰলেখাৰ আগত সকলো কথা প্ৰকাশ কৰে। মূলৰ কথা বৰ বিস্তাৰ-পূৰ্ণ, ইপিনে আকৌ ভাগৱতত সকলো বৃত্তান্তৰ অতি সংক্ষেপ উল্লেখ আছে। এনে স্থলত কবিয়ে সকলো কথা নিজৰ কবিত্ব-শক্তিৰপৰাই বৰ্ণাইছে। এই স্বপ্ন-বিৱৰণ নিজেই এটি স্বাধীন কবিতা। ইয়াত ভাব আৰু ভাষাৰ সুললিত সমাৱেশ হৈছে!

দশমৰ অন্তৰ্গত স্বপ্ন-বিৱৰণ তলত তুলি দিয়া হ'ল:

উষা বোলে প্ৰাণ-সখী স্বপ্নত আছিলো দেখি
পুৰুষেক ত্ৰৈলোক্য-মোহন।
চাৰু শ্যাম কলেৱৰ দিব্য পীত বস্ত্ৰধৰ
ৰুচিকৰ কমল-লোচন॥
পিয়াই অধৰ-মধু মনত হৰিয়া মোৰ
নজানো লুকাই কোথা যাই।
তাঙ্ক মই স্বামী বুলি বিচাৰোহোঁ বিয়াকুলি
সখী মোক দিয়োক দেখাই॥
পেলাই কাম-সমুদ্ৰত কিবা দোষ দেখি মোত
ত্যজি গৈলা সিটো প্ৰাণনাথ।
নাপাওঁ যেবে তাঙ্ক স্বামী নিশ্চয়ে মৰিবো আমি
সখী সত্য কহিলো তোমাত।
হেন শুনি চিত্ৰলেখা বোলে নমৰিবা সখী
দুঃখ তোৰ গুচাইবোঁ এখনে।
স্বপনত তোৰ মন হৰিলেক যিটো জন
তাঁক আনি দিবোঁ এহি থানে॥

বুদ্ধিমতী সখীয়েকে মায়াৰ বলতে প্ৰথমে দেৱতাসকলক পটত লিখিলে। চাই-চিন্তি উষা লাজীয়ে ক'লে, "নাহি সিটো পুৰুষ শোভন।" গন্ধৰ্ব-বিদ্যাধৰসকলক তুলিলে, "উষা বোলে

আজো স্বামী নাই।” বৃষ্ণি-বংশক আঁকিলে, “দেখি উষা মনে চমকিল।” অনিৰুদ্ধক আঁকিব খোজোতেই উষা দেৱী “ধৰিবাক চাহে আকোৱালি”। তাৰ পিছত—

লাজে মুখ বস্ত্রে ঢাকি বোলে শুনা প্রাণসখী
মোৰ প্রাণনাথ এহিজন।
দেখা কেনে মূৰ্ত্তিমন্ত ভুবন-মোহন কান্ত
কোন নাৰী ধৰিবেক মন ॥

গোটেই কবিতাটো নাট্য-ভাবেৰে ভৰপূৰ।

অসমীয়া কাব্যৰ উষা বৰ আদৰুৱা আৰু লখী-গত-প্রাণা। মূলত শংকৰ দৰে কুমাৰী-ব্রত ভঙ্গ হোৱা বুলি আত্ম-বিচাৰ উষাত দুযুৱায়। “অলং সহেত ভ্রমৰস্য পেলৱং শিৰীষপুষ্পং ন পুনঃ পতত্রিণঃ”—শিৰীষ ফুলে ভোমোৰাৰ ভৰ সহিব পাৰে, চৰাইৰ নহয়। সপোনত জোন পাই সৰু ল’ৰাই কান্দি উঠাদি উষা কান্দি উঠিল :

নাপাওঁ যেবে তাঙ্ক স্বামী নিশ্চয়ে মৰিবো আমি
সখী সত্য কহিলো তোমাত।

ইয়াৰ পিছত কবিয়ে লগাই দিছে যে, উষা কটাৰী লৈ মৰিবলৈ সাজু হ’ল আৰু চিত্ৰলেখীয়ে কটাৰী আচাৰি পেলাই স্বামী আনি দিবৰ ভাৰ ল’লে :

হেন শুনি চিত্রলেখী বোলে নমৰিবা সখী
দুঃখ তোৰ ঘুচাইবো এখনে।

চিত্রলেখাই মায়া-বিদ্যা জানে। ছলনা কৰি অনিৰুদ্ধক হৰিবলৈ সাজি-পাৰি দ্বাৰকালৈ ওলাল। চিত্রলেখাৰ অপৰূপ ৰূপ দেখি উষাৰ মন সন্দিহান হোৱা কথাটো কবিৰ কৌতুকপূৰ্ণ উদ্ভাৱনা।

উষা বোলে সখী তোৰ বুজিলো আকলি।
আগে শাস খাই পাছে দিবিছি বাকলি ॥

দ্বাৰকাৰ ওচৰত গৈ নাৰদক লগ পোৱা কথাটো ভাগৱতত নাই, হৰিবংশত আছে। নাৰদৰ লগত কৌতুকপূৰ্ণ আলাপ আৰু মায়া-প্রদর্শন কবিৰ উদ্ভাৱনা। মূলত নাৰদে তামসী বিদ্যা দিয়া বুলি কৈছে। কিন্তু হৰণলুকি মায়া আৰু তাৰ সাধনাৰ উপায় কবিৰ কল্পনা-সৃষ্ট আৰু সেইবোৰৰ গুণে অসমীয়া কাব্য বেছি সঞ্জীৱিত হৈ উঠিছে।

“হৰণলুকি মায়াৰ বলতে বৌ-মাখি হৈ “খিৰিকিৰ খিৰাইদি সোমাই ভিতৰত মিজ মল ধৰিলত অনিৰুদ্ধৰ মনত মদন-পীড়া হ’ল। সেই ছলতে মায়া কৰি বাহিৰলৈ আনি সকলো কথা ভাঙি-পাতি কৈ শোণিতপুৰলৈ লৈ গ’ল। মূলমতে অনিৰুদ্ধয়ো সপোনতে উষাক দেখি কামমান হৈ আছিল আৰু চিত্রলেখাই ইঙ্গিত কৰোতেই নিজেই আহিবলৈ ওলাল—“অয়ৰ চিত্রলেখে মাং

শ্ৰষ্টুমিচ্ছাম্যহং প্ৰিয়াম্।" অসমীয়া কাব্যত অনিৰুদ্ধক সম্পূৰ্ণভাৱে অজ্ঞ ৰখাত কাব্যৰ জেউতি বাঢ়িছে। অজ্ঞাত প্ৰেয়সীৰ উপযাচা মাতমতে প্ৰণয়-সম্ভাষণ কৰিবলৈ যোৱাটো আগেয়ে মন বুজাবুজিকৈ যোৱাতকৈ বেছি ৰহস্যময়।

নানা ব্যঞ্জনেৰে অনিৰুদ্ধক ভোজন কৰোৱা বৰ্ণনাবোৰ কবিৰ হাস্যপূৰ্ণ কথা মাথোন। আগৰ দিনৰ পদ-পুথিবোৰ দহজনে এঠাইত বহি শুনিবলৈ লিখা হৈছিল। নজনা মানুহৰ মনত সন্তোষ জন্মাবলৈ কেতিয়াবা কেতিয়াবা অলাগতিয়াল ধেমেলীয়া কথাৰো সমাৱেশ দেখা যায়। এঠাইত কিন্তু কবিৰ ৰস-ভঙ্গ হৈছে। উষাৰ এজনী বিকৃতাকাৰ বুঢ়ী দাসী আছিল। তাই লাভৰ আশাতে এই গুপ্ত প্ৰেমৰ কথা ৰজাক জেটিলে। অৱশ্যে সময়ে সময়ে লাভৰ আশাত দাসীয়ে বিশ্বাসঘাতকতা কৰা কথা সাধাৰণ শ্ৰেণীৰ নাটক-উপন্যাসত পোৱা যায়। কিন্তু ৰমণীয় আদি-ৰসাত্মক কাব্যত এইটো ভালকৈ খাপ খোৱা নাই। মূলৰ কথাটো কাব্য হিচাপে বেছি মনোহৰ। অজানা সুখৰ স্পৰ্শত লাস-বেশকৈ কাপোৰ-কানি নচম্ভালি ঘৰৰ বাহিৰ ওলালত পহৰীসকলে "অলূন কিসলয়ত" নখ-ক্ষত দেখিলে। বেগতিক বুজি চৰিয়াই ৰজাক সম্বেদ দিলে। অসমীয়া দশমতো এইদৰেই আছে। কুঁজীৰ সৃষ্টি নবীন কবিৰ কল্পনাৰ চপলতা মাঁথোন।

ৰন-কাব্য হিছাপে পিছৰ ডোখৰত বিশেষ সৌন্দৰ্য্য নাই। কিন্তু কাব্যৰ সম্পূৰ্ণতাৰ বাবে তাৰ বিশেষ দৰকাৰ। বাণৰ সদৃশ-প্ৰতিদ্বন্দ্বী-কামনা উষাৰ স্বামী-লাভৰ ভিতৰেদিয়েই ফলোন্মুখী হ'ল। অনিৰুদ্ধক বলদৰ্পী বাণে অস্ত্ৰেষপুৰত নাগপাশেৰে বান্ধি থ'লে। অনিৰুদ্ধ নোহোৱা দেখি দ্বাৰকাত হুলস্থুল লাগিল। দেৱৰ্ষি নাৰদে গৈ অনিৰুদ্ধৰ কথা সবিশেষ নিবেদন কৰিলে। ৰণ-সাজেৰে যদু-সেনা শোণিতপুৰ ভৰি পৰিল। কৃষ্ণয়ো ৰণ-ভূমিত নামিল আৰু মহাদেৱে নিজেই বাণৰ পক্ষ লৈ কৃষ্ণৰ লগত যুঁজিলে। ইয়াকেই হৰি-হৰ যুদ্ধ বোলে। বৈষ্ণৱ কবিয়ে এই যুদ্ধৰ দ্বাৰা হৰিৰ সৰ্ব্বশ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিছে। হৰ যুদ্ধত হাৰিল আৰু বাণকো ৰক্ষা কৰিব নোৱাৰিলে। বাণৰ হেজাৰ বাহু কটা গ'ল; থাকিল মাথোন চাৰিখন। কৃষ্ণই বাণক প্ৰাণে নেমাৰিলে; কিয়নো, প্ৰহ্লাদক বৰ দিয়া আছিল, তেওঁৰ বংশ বিষ্ণুৰ অবধ্য। বাণ ৰজাই মন্ত্ৰী কুম্ভাণ্ডৰ ওপৰত ৰাজ্য-ভাৰ অৰ্পণ কৰি সোঁ-শৰীৰে শিৱৰ অনুচৰ হৈ গ'ল।

যুদ্ধ-বৰ্ণনা পুৰণি কাব্যৰ এটি প্ৰয়োজনীয় অংশ আৰু কবিৰ বিশেষ নিপুণতা নেথাকিলে ই প্ৰায় গতানুগতিক হয়। বীৰে বীৰে কৰা সম্বোধন ভৰ্ৎসনা-বাক্যবোৰত কেতিয়াবা কেতিয়াবা হাস্য-ৰস বা শ্লেষৰ অৱতাৰণা দেখা যায়।

কুমৰ-হৰণ কাব্যত কাৰ্ত্তিক আৰু গণেশক লক্ষ্য কৰি নানান হাস্য-ৰসৰ ব্যঞ্জনা কৰা হৈছে। কাৰ্ত্তিক আৰু কামদেৱৰ যুদ্ধ হ'ল। কাৰ্ত্তিকে কামদেৱৰ ফুল-বাণক লক্ষ্য কৰি নিন্দা কৰিলে। কামদেৱৰ উত্তৰ আমাৰ দেশীয় গালিৰ নমুনা। পুতেকে সৈতে আনৰ কাজিয়া লাগিলে, গালি খায় বাপেকে। কামদেৱে শ্লেষ-পূৰ্ণ উত্তৰ দিলে যে, ফুল-বাণৰ পোৰণিতেই কাৰ্ত্তিকৰ বাপেক মহাদেৱে

সতীৰ মৰা শ কান্ধত লৈ হেজাৰ বছৰ বলিয়াৰ দৰে ঘূৰি ফুৰিছিল আৰু মন চেঁচা কৰিবলৈ তপস্যা কৰিবলৈ গৈ তপস্যাকো অসাৰ ভাবি শেষত কামদেৱৰ শৰণ লৈ পাৰ্ব্বতীক বিয়া কৰিহে মনৰ জ্বৰণি পালে। হৰি! হৰি! এতিয়া পুতেকে আহি ফুল-বাণৰ নিন্দা কৰে।

এহি ধনু-প্ৰসাদে তুমিও ভৈলা জাত।
কিবা সঞ্চা মিছা পুছি চায়োক বাপত ॥
হেন পুষ্প-বাণ মোৰ কৰিলিহি বৃথা।
কালি জন্মি উৰ্দ্ধ-পুৰুষৰ কহ কথা ॥

আনফালে সামৰ লগত এন্দুৰ-বাহন পেটাল গণেশৰ যুঁজ। সামে লৰি লৈ এন্দুৰৰপৰা নমাই গণেশক মাটিত চোঁচৰাই টানি নিলে—যেন ছৈ দিয়া বঙালী নাও এখনহে—

ডিঙ্গা নাৱখান যেন আনিলা ঘসাই ॥

যি পঢ়ুৱৈ সমাজক লক্ষ্য কৰি এই হাস্য-ৰসৰ অৱতাৰণা কৰা হৈছে, তাত এতিয়াও এইবোৰৰ বিশেষ সমাদৰ।

কবিয়ে কাব্যৰ নিৰপেক্ষতা অৱলম্বন কৰি চিত্ৰলেখাক পাহৰা নাই। যুদ্ধৰ অন্তত অনিৰুদ্ধৰ অনুযোগমতে যদু-বীৰ গদলৈ বিয়া দি দ্বাৰকালৈ লৈ গ'ল। ভাগৱতত অনিৰুদ্ধ-হৰণৰ পিছত চিত্ৰলেখাৰ কোনো উল্লেখেই নাই। হৰিবংশত যুদ্ধৰ শেষত চিত্ৰলেখাই সখীসকলক মাত লগাই অন্তৰ্দ্ধান হোৱা বুলি আছে। কিয়নো হৰিবংশমতে চিত্ৰলেখা শাপ-ভ্ৰষ্টা অপ্সৰা। চতুৰা চিত্ৰলেখাক বিবাহ-শাপত মেৰ খোৱা দেখিয়ে কাব্য-ৰস-পিপাসুসকলে সন্তোষ পাইছে, তাত কোনো সন্দেহ নাই।

বৈষ্ণৱ কবিৰ আখ্যান ইমানতে ওৰ পৰিল। কাব্যৰ নায়ক-নায়িকাসকলৰ চৰিত্ৰ বিশ্লেষণ কৰি দেখুৱাবৰ একো প্ৰয়োজন নাই। প্ৰবন্ধৰ ভিতৰতেই তাৰ উল্লেখ আছে। কাব্যৰ ভিতৰত আধুনিক মনোবিজ্ঞানমূলক কোনো জটিল ভাবৰ অৱতাৰণা নাই। গোটেই কবিতাটো জোনাকী নিশাৰ আকাশী পৰীৰ লীলা-খেলা যেন লাগে। তাত অসম্পূৰ্ণ বাস্তৱ জীৱনৰ কোনো ছায়া নাই।

কুমৰ-হৰণৰ উষাৰ সপোন টোপনিত দেখা ৰমণীয় আদৰ্শৰ প্ৰতি হেঁপাহ সাথোন।

বধ-কাব্য

ঘটাসুৰ, বঘাসুৰ, কুলাচল, অশ্বকৰ্ণ, কুম্ভাৱলী, জঙ্ঘাসুৰ বধ আদি আখ্যানবোৰে পুৰণি সাহিত্যত আজিকালিৰ উপন্যাস, গল্প আদিৰ ঠাই অধিকাৰ কৰি আছে। অসমীয়া গাঁৱলীয়া সমাজত এতিয়াও সেইবোৰৰ প্ৰভূত সমাদৰ। খেতি-বাতিৰপৰা আজৰি পোৱা সময়ত গাঁৱৰ মানুহে চাক পাতি বহি গোট খাই পুৰণি কালত ধৰ্ম্মাৰণ্যত মুনিসকলে পুৰাণ, ইতিহাস আদি শুনাৰ দৰে এই বধ কাব্যৰ আখ্যানবোৰ শুনি শৰীৰ আৰু মনৰ দুখ-ভাগৰ পলুৱায়। বৈষ্ণৱ সাহিত্যই অসমীয়া সামাজিক জীৱনত আজিলৈকে তৰ্কিব নোৱৰাকৈ অপৰূপভাৱে জ্ঞান আৰু আনন্দ দান কৰি আহিছে। সামাজিক জীৱনৰ মানসিক আৰু আধ্যাত্মিক খোৰাক যোগোৱা হিচাপে বৈষ্ণৱ সাহিত্যক সৰ্ব্বাঙ্গীণ সাহিত্য বুলিব পাৰি।

বধ-কাব্যবিলাকৰ আখ্যানবোৰ মহাভাৰতৰ বনপৰ্ব্বক আশ্ৰয় কৰি নানান পুৰাণ, উপপুৰাণ আদিৰপৰা সংগৃহীত। অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভিতৰেদি পাতালী গঙ্গাৰ দৰে দাস্য আৰু বাৎসল্য-ৰসৰ মূল ভাব বৈ আছে। বধ-কাব্যবোৰ সকলো ধৰ্ম্মৰেই অন্তৰ্নিহিত আন এটি মজ্জাগত ভাবৰ প্ৰকাশ। সেইটো হৈছে জগতত সাম্যভাব প্ৰৱৰ্ত্তনৰ চেষ্টা আৰু একান্তিকা ভক্তিৰ বিজয়-ঘোষণা।

খ্ৰীষ্টীয় ষোড়শ শতিকাত কোচবিহাৰৰ কোচ ৰজাসকলৰ শাসনত পুৰণি কামৰূপ ৰাজ্য অতিশয় সমৃদ্ধিশালী হৈ উঠে। অসমৰ পূৰ্ব্ব খণ্ডত তেতিয়া নৱাগত আহোমসকলে শাসন বিস্তাৰ কৰিব ধৰিছিল। তেওঁলোকৰ সভ্যতা বেলেগ ধৰণৰ আছিল আৰু তেওঁলোকৰ নতুন আচাৰ-বিচাৰত তিষ্টিব নোৱাৰি তেতিয়াৰ গণ্য-মান্য পণ্ডিতসকলে শঙ্কৰদেৱৰ লগত নৰনাৰায়ণৰ কামৰূপ ৰাজ্যত আশ্ৰয় লয়। আৰু নৱপ্ৰৱৰ্ত্তিত বৈষ্ণৱ মতৰ বাবে ৰাজ-সভাত শঙ্কৰদেৱৰ বিচাৰ হৈ যোৱাৰ পিছত শঙ্কৰদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলি আদি পণ্ডিতসকলেৰে পৰিৱেষ্টিত নৰনাৰায়ণৰ ৰাজসভা পুৰণি কামৰূপ ৰাজ্যৰ নৱৰত্নৰ সভা যেন হৈ উঠিল। সেই সভাৰ নিৰ্দ্দেশমতেই পুৰুষোত্তম বিদ্যাবাগীশে সংস্কৃত ব্যাকৰণ প্ৰয়োগ-ৰত্নমালা লিখে; বকুল কায়স্থই অসমীয়া ভাষাত গণিত-শাস্ত্ৰ লিখে। সেই সভাতেই শঙ্কৰদেৱৰ অনুজ্ঞাক্ৰমে কবিবৰ ৰামসৰস্বতীয়ে বিশাল মহাভাৰত অসমীয়া পদত ভাঙিবলৈ আদেশ পায়। ৰামসৰস্বতীয়ে নিজেই এই বিষয় বৰ্ণনা কৰিছে :

শ্ৰীমন্ত শঙ্কৰ আপুনি ঈশ্বৰ
নৰৰূপে জাত ভৈলা।

তাহাঙ্ক নসহি ব্ৰাহ্মণসকলে
ৰাজ আগে খল দিলা ॥
আমাৰ জীৱিকা মাগ্য ভঙ্গ হৱে
এহি মনে বৰ ভয় ।
এহিসে কাৰণে ইটো বিপ্ৰসবে
শঙ্কৰক নসহয় ॥
হেনয় মহন্ত নৰনাৰায়ণ
নৃপতিৰ শ্ৰেষ্ঠতৰ ।
আমাৰে আনিয়া আজ্ঞা কৰিলন্ত
পদ কৰা ভাৰতৰ ॥ (কুলাচল বধ)

আমাৰ ঘৰত আছে ভাৰত প্ৰশস্ত ।
নিয়োক আপোন গৃহে দিলোহো সমস্ত ॥
এহি বুলি ৰাজা পাছে বলধি যোড়াই ।
পঠাইলা পুস্তক সৱ আমাসাৰ ঠাই ।
খাইবাৰ সকল দ্ৰব্য দিলন্ত অপাৰ ।
দাস-দাসী দিলা নাম কৰাইলা আমাৰ ॥
(ভীম-চৰিত)

এইদৰে ৰাজ-অনুগ্ৰহত অসমীয়া পদত মহাভাৰত ৰচনা কৰিবলৈ আদেশ পাই কবিবৰ ৰামসৰস্বতীয়ে নিজে পঁচিশ হেজাৰ আৰু আন আন কবিসকলে তিনি হেজাৰ পদ ৰচনা কৰা বুলি উল্লেখ কৰিছে ।

মহাভাৰতৰ পদ ৰচনা হোৱাত বৈষ্ণৱ মত আৰু তেজাল হৈ উঠিল । আন আন পৰ্ব্ববোৰ প্ৰায়েই মূলৰ সাদৃশ্য ক্ৰমে ভঙা হৈছে, কিন্তু বনপৰ্ব্বতহে ৰামসৰস্বতীয়ে মৌলিক ৰচনা কৌশল আৰু ভক্তি-মাহাত্ম্য দেখুৱাইছে । সেই কাৰণে ঠায়ে ঠায়ে ৰামসৰস্বতীয়ে বনপৰ্ব্বক বৈষ্ণৱ পৰ্ব্বও বুলিছে ।

বৈষ্ণৱ আন্দোলনত ৰামায়ণৰো নতুনকৈ ভাষা-পদ ৰচনা হৈছিল, কিন্তু বৈষ্ণৱ গ্ৰন্থ হিছাপে মহাভাৰতৰ দৰে ৰামায়ণ সমানভাৱে লোকসমাজত প্ৰচাৰ নোহোৱা যেন লাগে । ৰামচন্দ্ৰ ঈশ্বৰ অৱতাৰ হ'লে তেওঁ যে অশেষ দুখ-দুৰ্গতিৰ মাজতো অসাধ্য সাধন কৰি নিজ প্ৰাধান্য স্থাপন কৰিব, তাত আচৰিত হ'ব লগীয়া একো নাই । কিন্তু প্ৰবল শত্ৰুৰ দ্বাৰা লাঞ্ছিত, ৰাজ্যৰপৰা বিতাড়িত, নিঃসহায়, বন্ধুহীন পাণ্ডু-পুত্ৰসকলে যে বাৰ বছৰ অগম্য বনৰ মাজত সকলো দুখ-দুৰ্গতিৰ মহৌষধি স্বৰূপ হৰি-নাম হৃদয়ত ধাৰণা কৰি সকলো সঙ্কটৰপৰা নিস্তাৰ পাব—এই ভাৰত ভক্ত কবিসকলৰ কল্পনা প্ৰগল্‌ভ হৈ উঠে ।

হৰি-দাস পাণ্ডৱৰ হৰিসে সহায়।
আত অনুশোচ কৰিবাক নুযুৱায়॥
কিছু চিন্তা নাই যাৰ ঈশ্বৰ সমুখ।
বনত থাকন্তে পাণ্ডৱৰ মহাসুখ॥
(দ্বিজ অনিৰুদ্ধ)

কৌৰৱ-ৰাজসভাত নিলাজ দুঃশাসনে দ্রৌপদীক অপমান কৰিবলৈ উপক্রম কৰাত একান্ত-শৰণ-পৰিতুষ্ট কৃষ্ণইহে নিস্তাৰৰ পথ দেখুৱাই দিলে। বনত খটাসুৰে দ্রৌপদীক লাঞ্ছনা কৰিব খোজাত কৃষ্ণত একান্ত শৰণ মাগিলতহে ৰক্ষাৰ উপায় ওলাল। পাতালত গৈ বিনা অস্ত্রে অশ্বকর্ণৰ লগত ভীম-অর্জুনৰ যুঁজ কৰিব লগা হ'ল; উপায়ৰ সন্ধান দিলে বৰাহ-ৰূপ বিষ্ণু-মূৰ্ত্তিয়ে। জঙ্ঘাসুৰে ভীমক বান্ধি নিলে; মোকলাই দিলে একান্ত ভক্তিত পৰিতুষ্ট কৃষ্ণৰ আদেশত মহাভক্ত পক্ষীৰাজ গৰুড়ে। এইদৰে পদে পদে অসহায় পাণ্ডৱৰ অৱলম্বন কেৱল কৃষ্ণত একান্ত শৰণেই। এইবোৰ কাৰণত ভক্তি-মাহাত্ম্য-ব্যঞ্জক হিছাপে মহাভাৰত, বিশেষতঃ বনপৰ্ব্ব বৈষ্ণৱ কবিসকলৰ অতিশয় আদৰৰ বস্তু হৈ উঠিছিল।

বৈষ্ণৱ সাহিত্যত সংসাৰখনক মহাৰণ্য কল্পনা কৰি মায়া, মোহ আদি প্ৰবৃত্তিবোৰক জালৰ লগত তুলনা কৰি জীৱাত্মাক অৱৰুদ্ধ হৰিণাৰ লগত বিজোৰা দেখা যায়।

এ ভৱ গহন বন আতি মোহ-পাশে ছন্ন
তাহে হামো হৰিণ বেড়ায়।
ফান্দিলো মায়াৰ পাশে কাল-ব্যাধে ধায়া আসে
কাম-ক্রোধ-কুত্তা খেদি যায়। (শঙ্কৰদেৱ)

নানা কষ্ট-প্ৰপীড়িত, দৈত্য-দানৱ আদিৰ দ্বাৰা সদায় আক্রান্ত বনচাৰী পাণ্ডৱসকলৰ দুখ-কাহিনীত ভক্ত কবিসকলে তাপ-ক্লিষ্ট "ভৱ-গহন"-বিচাৰী "মোহ-পাশ-ছন্ন" মানৱ জীৱনৰ প্ৰতিবিম্বহে উপলব্ধি কৰিছিল। পুৰণি কাব্যত পাণ্ডৱৰ বনবাস মানৱ জীৱনৰ সংসাৰ-যাত্ৰাৰ ৰূপক মাথোন।

জগতত সাম্যভাব প্ৰৱৰ্ত্তনৰ চেষ্টাৰ আদৰ্শ সাহিত্য-ক্ষেত্ৰত নানানভাৱে প্ৰকাশ পায়। আৰু সাহিত্য যেতিয়া আধ্যাত্মিক শিক্ষাৰ বাহন-স্বৰূপ হয়, তেতিয়া এই চেষ্টা-নিয়ামক মূল মন্ত্ৰৰ দৰে হয়। দুষ্ট, অমিত্ৰ সকলোকে সংহাৰ কৰি পৃথিবীত এক ভাব, এক মত প্ৰচলন কৰি সকলোৰে মাজত সমভাৱ এটি বিস্তাৰ কৰিবৰ কল্পনা আদৰ্শ-সাহিত্যত আজন্ম কালৰপৰাই চলি আহিছে।

হিন্দুৰ দশাৱতাৰৰ কল্পনা পাপক পৰাভৱ কৰি ধৰ্ম্মৰাজ্য সংস্থাপন কৰাৰ সপোনৰ ওপৰত প্ৰতিষ্ঠিত। অধৰ্ম্ম-দলন অৱতাৰবাদৰ যে কি নিত্য-নৈমিত্তিক অংশ, তাক গীতাৰ "বিনাশায় চ দুষ্কৃতাং" উক্তিৰ পৰাই বুজা যায়। এই প্ৰৱাদ অনুসাৰেই পিছৰ কালতো ভগৱান শঙ্কৰাচাৰ্য্যই সকলো

দেশ-বিদেশ পর্য্যটন কৰি বিপক্ষবাদীসকলক পৰাভৱ কৰি নিজ ধৰ্ম্ম-মত জগতত প্ৰচাৰ কৰিছিল। সেই দেখি মাধৱদেৱে গুৰু-ভটিমাত শঙ্কৰদেৱক ঈশ্বৰ অৱতাৰ বুলি মানি স্তুতি কৰাত আন আন অশেষ গুণৰ ভিতৰত শঙ্কৰদেৱৰ বিপক্ষ-পৰাভৱ ক্ষমতাকো ঐশী শক্তিৰ ভিতৰত ধৰি লোৱা হৈছে :

পাষণ্ড-মৰ্দ্দন কলিকো কালে
জাকো সম নাহি ধীৰ। (গুৰু-ভটিমা)

ধৰ্ম্ম-ক্ষেত্ৰত পাপ আৰু পুণ্য পক্ষৰ সংঘৰ্ষ কল্পনা সদায় আছে। পাপ-পক্ষৰ প্ৰতিনিধি স্বৰূপেই খ্ৰীষ্টান ধৰ্ম্ম-গ্ৰন্থত ছয়তানৰ সৃষ্টি হয়। আৰু যেতিয়া যেতিয়াই য়ুৰোপত ধৰ্ম্ম-বিপ্লৱ হৈছিল, তেতিয়াই অপৰ পক্ষক ছয়তানৰ দ্বাৰা প্ৰণোদিত বুলি পৰিকল্পিত হোৱা দেখা যায়।

য়ুৰোপৰ মধ্যযুগৰ ৰোমাঞ্চ কাব্যবোৰৰ দানৱ, অসুৰ (goblins, ogres) আদিৰ লগত নাইট্ বোলা ধৰ্ম্মবীৰসকলৰ (knights of chivalry) সংঘৰ্ষ ধৰ্ম্ম-বিপ্লৱ-মূলক। আমাৰ বধ-কাব্যবোৰ য়ুৰোপীয় সাহিত্যৰ ৰোমাঞ্চ কাব্যবোৰৰ দৰে সাম্যভাব প্ৰৱৰ্ত্তনৰ চেষ্টাৰপৰা উদ্ভূত। হিংসা, দ্বেষ, উৎপীড়ন সকলোকে সমূলে উৎপাটন কৰি জগতত এক ভাব, এক মত, এক ধৰ্ম্ম, এক সমাজ সংগঠন কৰি ধৰ্ম্ম-ৰাজ্য-স্থাপনৰ আকাঙ্ক্ষা এইবোৰৰ ভিতৰেদি সজাগ হৈ উঠা দেখা যায়।

আমাৰ বধ-কাব্যবোৰক আদৰ্শাত্মক হিচাপে ৰোমাঞ্চ কাব্যৰ লগত আৰু পৌৰাণিক হিচাপে গ্ৰীক্ পৌৰাণিক বীৰসকলৰ কাহিনীৰ লগত তুল্যভাৱে বিচাৰ পাৰি। বধ-কাব্যৰ নায়ক ভীম, অৰ্জ্জুন আদিয়ে যেনেকৈ দেৱ-দেৱীৰ সহায়ত দানৱ, অসুৰ আদি বধ কৰি ফুৰিছিল, তেনেকৈ পৌৰাণিক গ্ৰীক্ আখ্যানবোৰতো দেৱ-দেৱীৰ সহায়ত হাৰ্কিউলিছ্, থিছীয়াছ্, পাৰ্ছীয়াছ্ (Hercules, Theseus, Perseus) আদি বীৰসকলে নানান বিৰূপ দৈত্য-দানৱ বধ কৰি ফুৰিছিল আৰু বীৰত্বৰ সদৃশ পাৰিতোষিক হিচাপে বৈষ্ণৱ কবিৰ হেমা সুন্দৰীৰ সমকক্ষ আৰিয়াড্নী, এণ্ড্ৰোমিডা (Ariadne, Andromeda) আদি সুন্দৰীসকলক লাভ কৰিছিল।

হেমা সুন্দৰী

ৰূপক আৰু আখ্যান হিচাপে অসমীয়া বধ-কাব্যবোৰৰ দ্ব্যৰ্থকতাৰ বিষয়ে ওপৰত উন্মুকিয়াই অহা হৈছে। কিন্তু প্ৰত্যেকখনেই ৰূপকতকৈ আখ্যান হিচাপে বেছি মনোৰম আৰু ঠায়ে ঠায়ে ঋবিয়ে চৰিত্ৰ-অঙ্কনত এনে সূক্ষ্ম তুলিকাস্পৰ্শ দিছে যে, বিস্ময় মানিব লাগে। উদাহৰণ স্বৰূপে কবিবৰ ৰামসৰস্বতীৰ হেমা কুমাৰীৰ উপন্যাস লোৱা যাওক। পুৰণি ৰীতি অনুসাৰে ইয়াক অশ্বকৰ্ণৰ যুদ্ধ বোলে। কিন্তু অশ্বকৰ্ণ-বধ কাব্যৰ ভিতৰুৱা এটি ঘটনা মাথোন আৰু উপন্যাসৰ মধ্যস্থ বিষয় হৈছে হেমা চৰিত্ৰ। হেমা চৰিত্ৰৰ লগত ইংৰাজ কবি স্পেন্সাৰৰ য়ুনা সুন্দৰীৰ ভালেখিনি সাদৃশ্য দেখা যায়। প্ৰয়োজন অনুসাৰে সদৃশ অংশবোৰ মিলাই কোৱা যাব।

পুৰণি কালত উশীনৰ নামে এজন ৰজা আছিল। তেওঁ বৰ শিৱ-ভক্ত আছিল আৰু শিৱৰ বৰত বৰ বিক্ৰমশালী হৈ উঠিল। বিশ্বকৰ্ম্মাই নিজেই তেওঁৰ ৰাজধানী সজাই দিলে—"চক্ৰাকাৰ কৰি বিশ্বকৰ্ম্মে তাক, দিলা যেন পুষ্পৰথ।" উশীনৰ ৰজাৰ ষোলজন পুত্ৰ আৰু অপেশ্বৰীৰ গৰ্ভত এজনী ছোৱালী হ'ল। ছোৱালীৰ নাম হেমা কুমাৰী। কন্যাৰ মঙ্গলৰ নিমিত্তে ৰজাই শিৱ-পূজা কৰিলত হৰ-গৌৰীয়ে কুমাৰীক বৰ দিলে, "সৰ্ব্ব কালে যুৱা হুয়া থাকিবেক, মোহোক দিলন্ত বৰ।"

এইদৰে দিনৰ পিছত দিন যাবলৈ ধৰিলে। ইফালে পাতালত দৈত্যসকল বৰ পৰাক্ৰমী হৈ উঠিবলৈ ধৰিলে। দৈত্যৰ অধিনায়ক অশ্বকৰ্ণই শঙ্কৰক তুষ্ট কৰি বৰ ল'লে, যেন চৰাচৰ পৃথিবীকে সি জয় কৰিব পাৰে আৰু কাৰো হাতত তাৰ মৰণ নহয়। জগতৰ ভৱিষ্যত কল্যাণৰ নিমিত্তে শিৱই এইখিনি মাত্ৰ ছিদ্ৰ থ'লে যে, বিষ্ণুৰ নৰনাৰায়ণ অৱতাৰত তাৰ মৃত্যু হ'ব। বৰ-দৃপ্ত অশ্বকৰ্ণই উশীনৰ ৰজাক বধ কৰি তেওঁৰ ৰাজ্য ল'লে। উশীনৰৰ ষোলজন পুতেকক শিৱে অনুচৰ কৰি লৈ গ'ল আৰু হেমা কন্যাক অশ্বকৰ্ণই পালিতা কন্যাস্বৰূপে ৰাখিলে। হেমা সুন্দৰীয়ে মায়া বিদ্যা শিকিছিল আৰু মায়াৰ বলত দিশ-বিদিশ ভ্ৰমণ কৰি ফুৰে।

পঞ্চপাণ্ডৱ বনবাসত থাকোঁতে এদিন ভীম আৰু অৰ্জ্জুন মৃগয়া কৰিবলৈ গৈ পানী বিচাৰি বিচাৰি এটি কুঁৱাৰ ওচৰ পালে। জুমি পানী চাব খোজোঁতে কিবা অপৰূপ সৌন্দৰ্য্যৰ ছাট এটা আহি চকুত পৰিল। ভালকৈ নিৰীখি চাই কুঁৱাৰ ভিতৰত মণিৰ পৰা-নোৱাৰা অপ্সৰা মূৰ্ত্তি এটি দেখিলে আৰু চায় মানে তাৰ কান্তি বাঢ়ি যোৱা যেন লাগিব ধৰিলে। সুন্দৰীয়ে মৃদু কটাক্ষ দৃষ্টিৰে কুঁৱাৰপৰা উঠিবলৈ আও-ভাও দেখুৱাব ধৰিলে আৰু ভীম-অৰ্জ্জুনক ওপৰত দেখি তোলাবলৈ কাবৌ-কাকুতি আৰম্ভ কৰিলে আৰু পণ দিলে, যেয়ে তেওঁক কুঁৱাৰপৰা তুলিব তাকেই তেওঁ পতি বৰণ কৰিব!

কন্যাই ভাওকৈ মিছাই ক'লে, তাই হেনো হেমা নামে অপেস্বৰী। গা ধুবলৈ আহোঁতে সখীসকলে ঠেলা মাৰি গাঁতত পেলাই দিছে।

অৰ্জ্জুন মহাবীৰ হ'লেও স্বভাৱতে মাৰ্জ্জিত ভাৱ-প্ৰৱণ। কুমাৰীৰ ৰূপ আৰু অঙ্গ-ভঙ্গী দেখি তেওঁৰ মন টলিল আৰু তাইক তুলিবলৈ ভীমক অনুৰোধ কৰিলে। হাজাৰ হওক, ভীম হৈছে শাৰীৰিক বলৰ প্ৰতিমূৰ্ত্তিস্বৰূপ। ভাৱ-প্ৰৱণতা তেওঁৰ চৰিত্ৰৰ বিশেষ লক্ষণ নহয়। গাঁতৰ চাৰিওফালে চাই চিন্তি তেওঁৰ অলপ সংশয় হ'ল।

বৃকোদৰে বোলে বাপু বৃজন নাযায়।
দেখিয়ো ইহাৰ পৰিবাৰ চিহ্ন নাই॥
কিবা মায়া ৰাক্ষসী আছন্ত হেনভাৱে।
পৰিবাৰ চিহ্ন নেদেখোহোঁ এক ঠাৱে॥

অৰ্জ্জুনৰ কিন্তু মনে নেমানে। নেদেখিলেতো কথাই নাছিল, কিন্তু দেখি শুনি অবলা কুমাৰী এজনী এৰি যোৱাটো জানো ভাল হ'ব? দুজনৰ মত-দ্বৈধ লক্ষ্য কৰি কুমাৰীয়ে সৌন্দৰ্য্যত আৰু বেছি মাদকতা ঢালি দিলে।

দেৱ কি মনুষ্য লাগে যেহি কিছো হৌক।
মোহোৰ মায়াত কোনজন স্থিৰ ৰৌক॥

শৰীৰৰ কাতৰ ভঙ্গী দেখি আৰু তিৰী-বধ পাতকৰ ভয়ত দুয়ো ভায়েক-ককায়েকে শেষত তুলিবলৈ সন্মত হ'ল। অৰ্জ্জুনে আগ-বাঢ়ি যোৱাত কুমাৰীয়ে প্ৰলোভনৰ সুৰে মাত দিলে,

যদি আগে ছোটজনে আমাক তোলহ।
ভাতৃ-বধূ ভৈলে পাছে কিমতে বিবাহ॥

অগত্যা ভীমেই আগ বাঢ়ি গৈ ধনুৰ মূৰ এটি পেলাই দিলে; কুমাৰীৰ দাৰুণ মায়াৰ বলত ধনুৰে সৈতে ভীম গাঁতৰ মুখলৈ চুঁচৰি গ'ল। অৰ্জ্জুনেও গৈ ধনুত ধৰিলে, কিন্তু মায়াবিনীয়ে মায়াৰ বলত দুয়োকে গাঁতৰ ভিতৰত সুমুৱাই পাতাললৈ লৈ গ'ল। পাতালত অশ্বকৰ্ণৰ ৰাজ্য পালেগৈ। তাত চন্দ্ৰ-সূৰ্য্য পৰ্য্যন্ত নাই, কেৱল

হৰিদ্ৰাৰ বৰ্ণ সিটো থানৰ প্ৰকাশ।

কন্যাই তেতিয়া অশ্বকৰ্ণৰ সকলো পৰিচয় দি সিহঁতৰ মন বুজিবলৈকে হ'বলা ক'লে, "জীৱনৰ আশা তোৰা নকৰিবা আৰ।" কথা শুনি ভীমৰ খণ্ডত চেতন নাইকিয়া হ'ল। তাইৰ নিচিনা হেজাৰ হেজাৰ ৰাক্ষসী তেওঁ বধ কৰিছে; তাইৰো ভীমৰ হাতত নিস্তাৰ নাই, কেৱল পৃথিৱীলৈ বাট বিচাৰি পোৱাত অলপ কষ্ট হ'ব পাৰে। নিৰ্দ্দোষী প্ৰাণী দুজনৰ অকাৰণ অমঙ্গল চিন্তা কৰি কুমাৰীৰো মনতে অসুখ লাগিল। সিহঁতৰ জাতি-কুলৰ কথা সুধিলে। ভীম গৰ্জ্জি উঠিল,

ভীমে বোলে জানা তই নাৰী অল্পজন।
তোৰ আগে কহিবাক কিবা প্ৰয়োজন॥
তথাপিতো তই যেবে পুছিলি বিনয়ং
অল্পমান কৰি তোত কহিবো নিশ্চয়॥

ভীমে বংশ-বৃত্তান্ত কৈ নিজৰ পৰিচয় দিলে,

জানা ভীমসেন মোক ত্ৰিভুৱনে জানি।
বধাসুৰ বনখান পুৰি আছো ছানি॥

পৰিয়ালৰ আন আন সকলোৰে পৰিচয় দিলত পাণ্ডৱৰ করুণ কাহিনী শুনিয়েই নে, দ্ৰৌপদীৰ পৰিচয়ত নিজৰ ভৱিষ্যৎ ভাবিয়ে কুমাৰীৰ চকুলো ওলাল। ইমান বেলি অৰ্জ্জুন নিমাতে আছিল, কিন্তু সুন্দৰীৰ চকুত জেউতি চৰোৱা অশ্ৰু-কণা দেখিয়েই হ'বলা করুণা-মিশ্ৰিত অৱজ্ঞা-কণ্ঠে মাত লগালে,

কিসক কান্দস অৰে ঘোৰ নিশাচৰী।
কহ কথা আমাত ক্ৰন্দন পৰিহৰি॥
আনিয়াছ ঘোৰ মায়া কৰিয়া প্ৰচণ্ড।
দাৰুণ কৰ্ম্মত হুয়া আছ লণ্ডভণ্ড॥

চকুলো মলচি কুমাৰীয়ে নিজৰ করুণ কাহিনী বৰ্ণনা কৰি অলপ আব্দাৰৰ সুৰে ক'লে, "অৱশ্যে যাইতে পাৰা তোৰা দুইজন।" হেমা সুন্দৰীৰ চকুলো, বিপন্ন-উদ্ধাৰ আৰু অৰিষ্ট-মৰ্দ্দনৰ স্পৃহা নানান কথাত "মনে মনে দুই ভাই গুণিতে লাগিলা"। নক'লেও হ'ব যে অশ্বকৰ্ণৰ লগত ভীম-অৰ্জ্জুনৰ বিষম সজ্ঘৰ্ষ হ'ল আৰু হেমা কুমাৰীৰ সংকেতমতে বৰাহ-মূৰ্ত্তি বিষ্ণুৰপৰা অস্ত্ৰ-শস্ত্ৰ লভি দুয়ো ভায়েকে অসুৰক বধ কৰিলে।

অসমীয়া বৈষ্ণৱ কবিৰ এই বীৰ-ৰস-মিশ্ৰিত আদি-ৰসাত্মক কাব্যৰ লগত সমসাময়িক ধৰ্ম্মপ্ৰাণ ইংৰাজী কবি স্পেন্সাৰৰ আখ্যান এটিৰ মূল কথা-বস্তুৰ মিল আছে।

য়ুনা কুমাৰীয়ে বিপন্ন-উদ্ধাৰ পণ কৰা বীৰসকলৰ অধিনেত্ৰী ৰাণী গ্লোৰিয়ানাৰ আগত আহি গোচৰ দিলে, তেওঁৰ পিতৃৰাজ্য বিকট দানৱ এটাৰ হাতত ছাৰখাৰ হ'ল। বুঢ়া ৰজাই কোনো ৰকমে লোহাৰ গড়ত সোমাই প্ৰাণ ৰক্ষা কৰি আছে। হেজাৰ হেজাৰ বীৰে দানৱৰ লগত যুঁজি প্ৰাণ হেৰুৱাইছে। এতিয়া ৰাণীৰ ওচৰত ভিক্ষা, যেন পুণ্যাত্মা বীৰ এজন পঠাই দানৱৰ হাতৰপৰা ৰাজ্য উদ্ধাৰ কৰে।

ৰাণীৰ আদেশমতে ধৰ্ম্মাত্মা বীৰ এজন য়ুনা কুমাৰীৰ লগত ওলাল। বাটত ধৰ্ম্ম-বিদ্বেষী ভ্ৰষ্টাচাৰ মায়াবীসকলৰ হাতত বহুত বাধা-বিঘিনি অতিক্ৰম কৰিব লগাত পৰিল। দুইৰো মনোমালিন্য পৰ্য্যন্ত ঘটিছিল; কিন্তু শেষত গৈ য়ুনাৰ পিতৃৰাজ্য পালত ধৰ্ম্ম-বীৰে দানৱক বধ কৰি ৰজাক উদ্ধাৰ কৰিলে; আৰু য়ুনা কুমাৰীক বিয়া কৰাই পিতাকক ঘৰতে এৰি থৈ ধৰ্ম্ম-বীৰ ৰাণীৰ ৰাজধানীলৈ উলটি আহিল।

বৈষ্ণৱ কবিৰ নায়িকায়ো পিতৃ-হন্তা অশ্বকৰ্ণক বধ কৰাই ভীম-অৰ্জ্জুনক শিৱৰ অধিষ্ঠানলৈ লৈ গ'ল। শিৱয়ো এই সুচলতে ভীম-অৰ্জ্জুনৰ হাতে আৰু নানান দৈত্য-দানৱক বধ কৰাই হেমা কুমাৰীক অৰ্জ্জুনত সঁপি দিলে। লৌকিক ৰীতি অনুসাৰে অৰ্জ্জুনে আপত্তি উত্থাপন কৰিলে,

কাৰবা কুঁৱৰী কাৰবা বহাৰী
কাৰবা হুয়াছে নাৰী ॥

শঙ্কৰেও নানান শাস্ত্ৰ-যুক্তি অৱতাৰণা কৰি প্ৰমাণ কৰিলে যে, হেমা কুমাৰীক বিয়া কৰাত কোনো দোষ নাই।

বিশেষত হেমা ৰজাৰ কুমাৰী
কেহো বিহা কৰা নাই।

হেমা কুমাৰী বৰ চতুৰ। অৰ্জ্জুনৰ আপত্তিৰ আশঙ্কা কৰিয়েই হ'বলা, চাতুৰী কৰি ভীম-অৰ্জ্জুনক শিৱৰ ওচৰলৈ লৈ গৈছিল।

নক'লেও হব অৰ্জ্জুনে হেমা কুমাৰীক গ্ৰহণ কৰিলে, কিন্তু বনবাসা হোৱাত লগত আনিব নোৱাৰিলে। শঙ্কৰে হেমা কন্যাক মাযাদেৱাৰ ওচৰত ৰাখিবলৈ আদেশ দিলে,

যি কালত ৰজা হোৱে হস্তিনাত
পাণ্ডু-পুত্ৰ পঞ্চজন ॥
এহি হেমা কন্যা অৰ্জ্জুন বীৰক
তুমি নিয়া যোগবাহাঁ।

বৈষ্ণৱ কবিৰ উদ্দেশ্য গল্পচ্ছলে ধৰ্ম্ম-শিক্ষা দিয়া। কিন্তু সেই বুলি কাব্যৰ সৌন্দৰ্য্যৰ প্ৰতি একেবাৰে উদাসীন নাছিল। মনোৰম আখ্যানৰ দ্বাৰাই তেওঁলোকে ধৰ্ম্ম-কৰ্ম্ম সকলোৰে চানেকি জ্বলন্ত কৰি তুলিছিল।

পৰকীয়া ভাব

অলপ অগা-পিছাকৈ অসম আৰু বঙ্গদেশত শঙ্কৰদেৱ আৰু চৈতন্যদেৱৰ শিক্ষা আৰু ব্যক্তিত্বৰ ভিতৰেদি যি দুটি বৈষ্ণৱ মতৰ আন্দোলন জাগি উঠিছিল, সি দুয়ো জাতিৰেই মাজত স্বাধীনভাৱে লুকাই থকা আধ্যাত্মিক চৈতন্যৰ স্ফুৰণ মাথোন। পুৰণি অসমীয়া চৰিত-লেখকসকলে শঙ্কৰ-সূৰ্য্য আৰু চৈতন্য-চন্দ্ৰ বুলি যি ৰূপক কল্পনা কৰিছে সেই ৰূপকৰ ভিতৰতেই দুয়ো জাতিৰ স্বতন্ত্ৰ বৈষ্ণৱ মতৰ নিগূঢ় তত্ত্ব লুকাই আছে। শঙ্কৰদেৱৰ মতত জ্ঞান-সূৰ্য্যৰ ভাস্বৎ ৰশ্মি আৰু চৈতন্যদেৱৰ মতত প্ৰেম-চন্দ্ৰৰ মৃদু-কিৰণৰ আধিপত্য বেছি। অসমীয়া বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যত গীতাৰ মত ভাগৱতৰ সহায়েৰে ব্যাখ্যাত হৈছে আৰু গৌড়ীয় বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যত যুগল-উপাসনামূলক গীত-গোৱিন্দৰ মত ভাগৱতৰ সহায়েৰে সজীৱ হৈ উঠিছে। সমসাময়িক ভাৰতৰ যি যি ঠাইত বৈষ্ণৱ আন্দোলন জাগৰিত হৈ উঠিছিল, সেইবোৰত ৰাম বা কৃষ্ণ চৰিত্ৰৰ এক এক ছোৱা উপাসনাৰ কেন্দ্ৰ-স্থান হৈ উঠে, কিন্তু ৰাধা-কৃষ্ণৰ প্ৰেমবাদ গৌড়-বঙ্গদেশতেই প্ৰচলিত হয়।

হৰিবংশ, বিষ্ণু-পুৰাণ আৰু ভাগৱতেই বিষ্ণু পূজাৰ গৌৰৱ-প্ৰতিষ্ঠাপক আৰু শ্ৰীকৃষ্ণক বিষ্ণুৰ অৱতাৰ কল্পনা কৰি পূজা-প্ৰতিপাদক পুৰাণ। এই তিনিওখন পুৰাণতেই কম-বেছি বেলেগ বেলেগকৈ কৃষ্ণৰ শৈশৱৰপৰা আৰম্ভ কৰি সমস্ত জীৱন-বৃত্তান্ত বৰ্ণিত আছে। কিন্তু কোনোখনতেই ৰাধাদেৱীৰ উল্লেখ নাই।

যি বৈষ্ণৱ আন্দোলনে সকলো ভাৰতকেই প্লাৱিত কৰি পেলাইছিল, তাৰ মূল উদ্দেশ্য ভক্তিৰ প্ৰাধান্য দেখুওৱা হ'লেও, ই বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ মূলৰপৰা আৱিৰ্ভূত হৈছে। ৰামানুজ আদি আচাৰ্য্যসকলে বেদান্ত-সূত্ৰক আশ্ৰয় কৰি ভক্তিবাদ সংগঠন কৰিছে; ৰামানন্দ, তুলসীদাসসকলে ৰামায়ণৰপৰা; একনাথ, নামদেৱ, শঙ্কৰদেৱসকলে ভাগৱতৰপৰা; গুৰু নানক আৰু কবীৰসকলে ৰামায়ণ, ভাগৱত আদি গ্ৰন্থবোৰৰ সামঞ্জস্যৰপৰা ভক্তিবাদ উলিয়াইছে। মুঠতে ক'ব লাগিলে বেদান্ত-সূত্ৰ, গীতা, ৰামায়ণ আৰু ভাগৱত, এই কেইখনকেই নৱবৈষ্ণৱ আন্দোলনৰ মূল গ্ৰন্থ বুলি ধৰিব পাৰি। কিন্তু ইয়াৰ কোনোখনৰ ভিতৰতেই চৈতন্যদেৱে প্ৰৱৰ্ত্তোৱাৰ দৰে ৰাধা-কৃষ্ণবাদ নপৰে।

ৰাধা-কৃষ্ণবাদ বৈষ্ণৱ আন্দোলনৰ ভিতৰত সোমাল কেনেকৈ? ৰাধাদেৱীৰ বিশেষ উল্লেখ পোৱা যায় ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত। অৱশ্যে ৰাধা-বিষয়ক ৰাধা-তন্ত্ৰ আদি বেলেগ পুথিও আছে। কিন্তু চৈতন্যদেৱৰ যুগল উপাসনাক ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণমূলক বোলাৰ আগতে এইটো চাবলগীয়া যে, চৈতন্যদেৱৰ আৱিৰ্ভাৱৰ প্ৰায় দুশ বছৰ আগতেই বঙ্গদেশৰ জয়দেৱ গোস্বামীয়ে গীত-গোৱিন্দ

কাব্যত ৰাধা-কৃষ্ণৰ যুগল-লীলাক সংস্কৃত সাহিত্যত অমৰ কৰি তুলিছিল। তেওঁৰ পিছত মিথিলাৰ বিদ্যাপতি আৰু বঙ্গদেশৰ চণ্ডীদাসে চৈতন্যদেৱৰ আৱিৰ্ভাৱৰ বহুত আগতেই ৰাধা-কৃষ্ণৰ প্ৰেম-মাধুৰীক জন-সাধাৰণে বুজিব পৰাকৈ নিজ নিজ স্থানীয় ভাষাত সুললিত, সুশ্ৰাব্য সুৰেৰে ধ্বনিত কৰি তুলিছিল। জয়দেৱ, বিদ্যাপতি, চণ্ডীদাসসকলৰ কবিতাৰ ভিতৰেদি বিৰাট প্ৰেমিকৰ জন্য কৰি যি আহ্বান-ধ্বনি উঠিছিল, তাৰ পৰিপূৰ্ত্তি-স্বৰূপে যজ্ঞ-ধূমৰপৰা দ্ৰৌপদী আবিৰ্ভূত হোৱাৰ দৰে মূৰ্ত্তিমান চন্দ্ৰ-প্ৰভা চৈতন্যদেৱৰ আৱিৰ্ভাৱ হয়। আৰু যি আকাঙ্ক্ষাৰ পূৰ্ত্তিস্বৰূপে তেওঁৰ অৱতাৰ হয়, সেই আকাঙ্ক্ষা-পূৰ্ণ যুগল উপাসনামূলক কবিতাৰ ভিতৰেদিয়েই তেওঁ সকলো বঙ্গদেশক মুখৰিত কৰি তুলিছিল।

আজিকালি যিবোৰ পুৰাণ-গ্ৰন্থ প্ৰচলিত আছে, তাৰ বেছিভাগেই হয় বুদ্ধদেৱৰ আৱিৰ্ভাৱৰ বহুত পিছত ৰচিত, নহয় আগৰ পুৰাণবোৰতেই বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱত বহুত নতুন কথা সোমায়। কিয়নো প্ৰায় সকলোবোৰতেই বুদ্ধদেৱক বিষ্ণুৰ দশাৱতাৰৰ ভিতৰত ধৰি লোৱা হৈছে। কোনো কোনো ভাৰতীয় পুৰাতত্ত্বজ্ঞ পণ্ডিতৰ মতে বৌদ্ধ ধৰ্ম্ম যেতিয়া সকলো এচিয়া মহাদেশত বিস্তৃত হৈ পৰিছিল, তেতিয়াই বেছিভাগ পুৰাণ-গ্ৰন্থ ৰচিত হয়। পুৰাণকাৰসকলে বুদ্ধদেৱক বিষ্ণুৰ অৱতাৰ বুলি স্বীকাৰ কৰি লৈ বৌদ্ধধৰ্ম্মৰ স্বাতন্ত্ৰ্য নষ্ট কৰে। আৰু যদিওবা কোৱা যায় যে, পুৰাণ গ্ৰন্থবোৰ আগৰপৰাই চলিত আছিল, তেনে হ'লেও বৌদ্ধ প্ৰভাৱতহে সেইবোৰত ভালেমান নতুন কথা সোমাইছিল, তাত কোনো সন্দেহ নাই। প্ৰত্নজ্ঞ পণ্ডিতসকলৰ মতে আজি-কালি যি ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণ চলি আহিছে, সি আগৰ ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণ নহয়। পুৰণি ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণৰ লোপ হৈছে আৰু বৰ্ত্তমান ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণ আন সকলো পুৰাণতকৈ তুমলীয়া। গীত-গোবিন্দ কাব্য আৰু ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণ একে মূলৰ ওচৰতে ৰাধা-কৃষ্ণ লীলা-মাধুৰীৰ বিষয়ত ধৰুৱা হ'ব পাৰে।

পণ্ডিতসকলে কয় যে, বৌদ্ধ ধৰ্ম্মৰ অৱনতিৰ সময়ত যেতিয়া তিৰোতাসকলকো ভিক্ষুশ্ৰাৱিকা হিচাপে মঠত অধিকাৰ দিয়া হ'ল, তেতিয়া স্ত্ৰী-পুৰুষৰ অবৈধ মিলনৰপৰা নানান সম্প্ৰদায়ৰ মাজত এক সহজিয়া সম্প্ৰদায়ৰ উদ্ভৱ হয়। সহজিয়া মত বৌদ্ধ সহজ-যানৰপৰা ওলাইছে বুলি কোনো কোনো পণ্ডিতে কয়। সহজিয়া সম্প্ৰদায়ৰ দুই দল—শাক্ত আৰু বৈষ্ণৱ। শাক্তৰ উপাস্য ভৈৰৱ-ভৈৰৱী আৰু বৈষ্ণৱৰ উপাস্য ৰাধা-কৃষ্ণৰ যুগল-মূৰ্ত্তি। সহজিয়া মতৰ মূল মৰ্ম্ম হৈছে এইটো যে, সৰ্ব্বতোভাৱে ভোগ-সম্ভোগৰপৰা যি সহজ স্বাভাৱিক আনন্দ লাভ হয়, তাৰপৰাই নিৰ্ব্বাণ-পদ লাভ হ'ব পাৰে। আৰু এই আনন্দ সম্পূৰ্ণ হ'ব লাগিলে পৰাঙ্গনাৰ লগত প্ৰীতি স্থাপন কৰিব লাগে। এই সহজ মতেই শেহত গৈ হিন্দু মতত পৰিণত হয়। আন আন শাখা-প্ৰশাখাৰ মাজত কেতবোৰ বৈষ্ণৱ হয় আৰু গৌড় বঙ্গ আদি নানা ঠাই সহজিয়া সম্প্ৰদায়বোৰৰ কেন্দ্ৰস্থান হৈ উঠিল। তাৰ পিছত মুছলমানসকলে উত্তৰ ভাৰত অধিকাৰ কৰি বৌদ্ধ মঠবোৰ ভাঙি পেলালত, যুৱ খুৱোৱা বৌদ্ধ ভিক্ষুসকলে জাতি-ধৰ্ম্ম-নিৰ্ব্বিশেষে সহজ মত গ্ৰহণ কৰিলে। বহুতে কয়, যুৱ খুৱোৱা বৌদ্ধ শ্ৰাৱক-শ্ৰাৱিকাসকলৰপৰাই বঙ্গদেশত "নেড়া-নেড়ী"ৰ সৃষ্টি হয়।

শঙ্কৰদেৱৰ চৰিত-পুথিত যি অনাচাৰী ঘূৰি ফুৰা বৌদ্ধসকলৰ উল্লেখ আছে সেইবোৰ গৌড়, বিহাৰ আদি দেশৰপৰা ছিটিকি অহা সহজিয়া বৌদ্ধ ভিক্ষু বুলি ভাবিবৰ কাৰণ আছে।

যি হওক, বঙ্গদেশৰ সহজিয়া বৈষ্ণৱসকলৰ সৰ্বপ্ৰধান আছিল জয়দেৱ গোস্বামী। যি সহজ ভাব বৌদ্ধ বোধিসত্ত্বসকলে নিজৰ বোধিচিত্তত অনুভৱ কৰিছিল, বৈষ্ণৱ সহজিয়াসকলে সেই ভাবটো ৰাধা-কৃষ্ণৰ যুগল ৰূপত আৰোপ কৰিছিল। গীত-গোৱিন্দৰ যি যুগল কল্পনা সি এই সহজ ভাবৰ ভিতৰেদিহে। বৈষ্ণৱ সহজিয়াসকলৰ উপাস্য দেৱতা ৰাধা-কৃষ্ণৰ যুগল ৰূপ আৰু যুগল ভাব সাধনাৰ কাৰণে উপাসকেও পৰকীয়া প্ৰীতি অনুভৱ কৰিব লাগে। গীত-গোৱিন্দত যি পদ্মাৱতীৰ উল্লেখ আছে, তেওঁৰ লগত পণ্ডিতসকলে জয়দেৱৰ স্বামী-স্ত্ৰী সম্বন্ধ নেদেখে। কোন হিন্দুৱে বাৰু নিজক "পদ্মাৱতীচৰণচাৰণচক্ৰৱৰ্ত্তী" বুলি পৰিচয় দিব পাৰে? জয়দেৱৰ পিছৰ বৈষ্ণৱ সাধকসকলেও পৰকীয়া ৰতি সাধনা কৰিছিল। চণ্ডীদাসে ৰামী নামে ধুবুনীৰ প্ৰতি, বিদ্যাপতিয়ে শিৱসিংহ ৰজাৰ ৰাণী লছিমাৰ প্ৰতি, ৰায় ৰামানন্দই জগন্নাথৰ দেৱদাসীৰ প্ৰতি, শ্ৰীৰূপ গোস্বামীয়ে মীৰাবাইৰ প্ৰতি, বিল্বমঙ্গলে চিন্তামণিৰ প্ৰতি পৰকীয়া ৰতি প্ৰকাশ কৰিছিল বুলি প্ৰৱাদ-পৰম্পৰা চলি আহিছে।

তলত তুলি দিয়া চণ্ডীদাসৰ পদ কেইফাকিৰপৰা এই সহজ প্ৰেমৰ প্ৰকৃতিৰ বিষয় অলপ ধাৰণা হ'ব পাৰে। চণ্ডীদাসে তেওঁৰ সহজ প্ৰেমিকা ৰামী ধুবুনীৰ বিষয়ে কৈছে,

ৰজকিনী-ৰূপ কিশোৰী-স্বৰূপ কাম-গন্ধ নাহি তায়।
না দেখিলে মন কৰে উচাটন দেখিলে পৰাণ জুৰায়॥
তুমি ৰজকিনী আমাৰ ৰমণী তুমি হও পিতৃ-মাতৃ।
ত্ৰিসন্ধ্যা যাজন তোমাৰি ভজন তুমি বেদমাতা গায়ত্ৰী॥

—প্ৰেমিকা এফালে ৰমণী, আনফালে পিতৃ-মাতৃ আৰু বেদৰ শ্ৰেষ্ঠ মন্ত্ৰ গায়ত্ৰী-স্বৰূপ।

সি যি হওক, ৰাধা-কৃষ্ণবাদ চৈতন্যদেৱৰ আগৰপৰা যিভাৱে বঙ্গদেশত চলি আহিছিল, সি বৌদ্ধ আৰু হিন্দু ধৰ্মৰ নিগূঢ় সংঘৰ্ষণৰপৰা উদ্ভূত হৈছিল আৰু চৈতন্যদেৱে জয়দেৱ চণ্ডীদাসসকলৰ সহজ ভাবকেই নিজ সাধনাৰ জীৱনত আধ্যাত্মিক ৰহস্যৰ চৰম সীমালৈ লৈ গৈছিল।

ওপৰত ভক্তসকলৰ যি পৰকীয়া ৰতিৰ কথা কৈ অহা হৈছে, তাক সাধাৰণ প্ৰেমিক-প্ৰেমিকাৰ ভাব বুলি ধৰি ল'লে ভুল হ'ব। এই পৰকীয়া আধ্যাত্মিক প্ৰেম সাহিত্য আৰু সাধনা-ক্ষেত্ৰত এটি দুৰ্বোধ্য বিষয়। ভাৰতীয় বৈষ্ণৱ ধৰ্মৰ ৰাধা-কৃষ্ণৰ প্ৰেমক আশ্ৰয় কৰি যি পৰাঙ্গনা-প্ৰীতি প্ৰচলিত হ'ল, ঠিক তেনে সময়তেই য়ুৰোপত নৱাভ্যুদয় আন্দোলনত (Renaissance movement) দাৰ্শনিক প্লেটোৰ দাৰ্শনিক তত্ত্বক আশ্ৰয় কৰি, দাৰ্শনিক প্ৰেমবাদ (Platonic love) বুলি পৰকীয়া প্ৰীতি নৱাভ্যুদয় আন্দোলনৰ এক বিশিষ্ট ভাবধাৰা হৈ উঠিল। বিয়েট্ৰীচৰ প্ৰতি ডাণ্টেৰ, ভিটোৰীয়া কলোনাৰ (Vittoria Colonna) প্ৰতি মাইকেল এঞ্জিলোৰ, ল'ৰাৰ (Laura) প্ৰতি পেট্ৰাৰ্কৰ যি পৰকীয়া প্ৰেম তাত কোনো পাৰ্থিৱ কলুষভাব নাই। এই প্ৰেমিকাসকল তেওঁলোকৰ কবিতা

আৰু সুকুমাৰ শিল্পৰ অধিষ্ঠাত্ৰী দেৱীস্বৰূপে বিৰাজমান আছিল। সেইহেতু গৈ এনেকুৱাহে বাঁতি হ'ল যে, কবি হ'ব লাগিলেই কাল্পনিকেই হ'ক বা বাস্তৱিকেই হ'ক পৰকীয়া স্ত্ৰীমূৰ্ত্তি এটি মনত ধাৰণ কৰি ল'বই লাগিব। শিল্প-প্ৰধান য়ুৰোপত যি ভাব শিল্প আৰু কবিতাৰ ভিতৰেদি প্ৰকাশ হৈছিল, ধৰ্ম্ম-প্ৰধান ভাৰতত সেই একে ভাবেই আধ্যাত্মিক জীৱনৰ ভিতৰেদি প্ৰকাশ হৈছিল।

দেৱাসুৰৰ সাগৰ-মন্থনত লক্ষ্মীদেৱীৰ আৱিৰ্ভাৱ হোৱাৰ দৰে যি যি ঐতিহাসিক কাৰণৰ সংঘৰ্ষৰপৰা ৰাধাদেৱী বঙ্গদেশত আৱিৰ্ভূত হৈ বঙলা সাহিত্যক নতুন গঢ় লগাই দিলে, সেইবোৰ আন্দোলন পুৰণি অসমত নথকা গুণেই আৰু অসমীয়া বৈষ্ণৱ কবিসকলৰ কল্পনাৰ ক্ৰমৰ বিভিন্নতা গুণেই ৰাধা-কৃষ্ণ প্ৰেম-লীলা অসমীয়া সাহিত্যত সোমোৱা নাই।

শ্ৰীৰাধা-চৰিত্ৰ

অসমীয়া বৈষ্ণৱ ধৰ্মত ৰাধা-কৃষ্ণৰ যুগল উপাসনাৰ পদ্ধতি নাই আৰু সেই হিচাপে ৰাধা-কৃষ্ণৰ প্ৰেম-মূলক কোনো পুথি পুৰণি অসমীয়া সাহিত্যত নাই। বঙালীৰ গীত-গোবিন্দ কাব্যৰ অনুৰূপ ঠাই অধিকাৰ কৰি আছে অসমীয়া ৰুক্মিণী-হৰণ, কুমৰ-হৰণ আদি কাব্যই। কিন্তু পুৰণি অসমীয়া সাহিত্যত যে ৰাধাদেৱীৰ উল্লেখেই নাই, এনে নহয়। মাধৱদেৱৰ বৰগীত কেইটামানত ৰাধা-কৃষ্ণৰ 'প্ৰেম-চাতুৰী'ৰ অলপ পৰিচয় পোৱা যায়। কবিবৰ ৰামসৰস্বতীয়ে নৰনাৰায়ণ ৰজাৰ সভাত জয়দেৱৰ গীত-গোবিন্দৰ অসমীয়া পদত ভাঙনি কৰে[১] আৰু তেওঁৰ পুতেক দ্বিজ কলাপচন্দ্ৰই দৰঙত বৈৰাগ্য নামে মহন্ত এজনৰ আদেশত ৰাধা-বিজয় নামে অকণি কাব্য এখনি লিখে। কিন্তু অসমীয়া কবিসকলৰ কাব্যত জয়দেৱ, বিদ্যাপতিসকলৰ কল্পিত ৰাধা চৰিত্ৰ নাই। অসমীয়া বৈষ্ণৱ মতৰ স্বতন্ত্ৰ ৰীতি অনুসৰি ৰাধাদেৱীও অসমীয়া কাব্য-সাহিত্যত কল্প সলাইছে।

অসমীয়া কবিৰ ৰাধা-গোবিন্দৰ ধেমেলীয়া প্ৰেম অতি অপূৰ্ব্ব কথা। ইয়াক শিশুকৃষ্ণৰ শিশু-ভাবৰ সাঁচতে গঢ়ি তোলা হৈছে। পুৰণি সাহিত্যত শিশুকৃষ্ণৰ গোকুলত বাল্য-লীলাৰ চিত্ৰহে কবিসকলে মুকলি মনেৰে বৰ্ণনা কৰা যেন লাগে। চুৰি কৰি গোৱালিনীসকলৰ দৈ, মাখন আদি খোৱা গোপ ল'ৰাৰ লগত দন্দ-হাই কৰা, মাকৰ আগত জেউৰ ধৰা—ইত্যাদি বিষয় পুৰণি গীত-সাহিত্যত সঞ্জীৱিত হৈ উঠিছে। আন আন গোপীসকলৰ মাজত ৰাধাদেৱীও এজনা হ'লেও, ভক্তি-বৎসল কবিসকলে বিমোৰত নপৰি, নিজা ৰীতি অনুসাৰেই ৰাধা-কৃষ্ণৰ চাতুৰী বৰ্ণনা কৰিছে।

এদিনাখন ল'ৰা কৃষ্ণই ঘৰত কিবা জগৰ লগাই মাকে মাৰিবৰ ভয়ত অকলে গৈ কদম গছ এজোপাৰ তলত শুই আছে। ৰাধাদেৱীয়ে পানী আনিবলৈ গৈ দেখা পাই কোনোবাই মাৰি-ধৰি গাৰ অলঙ্কাৰ খহাই নিব বুলি, নিজেই কৃষ্ণৰ অলঙ্কাৰ সোলকাই আঁচলত লুকাই থৈ কৃষ্ণক টোপনিৰ-পৰা জগাই "পুছে অলঙ্কাৰ কেনে নাহিকে শৰীৰে।" থৰ লাগি কৃষ্ণই কোনো উত্তৰ নিদিয়াত ৰাধাদেৱী ঘৰলৈ উভতি আহি সকলো কথা কৈ-মেলি যশোদাদেৱীৰ হাতত কৃষ্ণৰ অলঙ্কাৰ শোধাই দিলে। কৃষ্ণয়ো অলঙ্কাৰ হেৰুৱাই মাকৰ ভয়ত ঘৰলৈ নহা হ'ল। পিছে মাকে বিচাৰি গৈ লগ ধৰি সোধাত কৃষ্ণই ফাকি দি ক'লে,

এক গোৱালিনী মাতি হামাকু
দেলহ বুলি মিঠাই।

---

১ জয়দেৱ-কাব্যৰ কবি ৰামসৰস্বতীয়ে ধৰ্মৰাজা অৰ্থাৎ দৰঙী ৰজা ধৰ্মনাৰায়ণৰ নাম লৈছে।—সম্পাদক।

তাহেক ভোজন কৰিয়ে শয়ন কৰোঁ
চেতন হৰায়লো মাই ॥
শিৰ ফিৰায়ত নয়ন বুলায়ত
ঘন ঘন আয়ত হামি।
জ্ঞান-বিৰহিত হোই কদম্ব-তলে
একা শুতায়লো আমি ॥
ৰাধা ভূষণ চুৰি কৰিয়েকহু
পুছত বাত হামাৰি।
হামো থিক অচেতন হোই
কি কহবো বচন বিচাৰি ॥ (মাধৱদেৱ)

চোৰ-অপযশ দিয়া দেখি ৰাধায়ো খেদি আহি কৃষ্ণক ভৎর্সনা কৰিবলৈ ধৰিলে,

ভূষণ প্ৰাণ হামু তেৰি ৰাখলো
হামাৰি ঐছন দোষ।
হামু বাত পুছিতে নাহি উত্তৰ
ৰহলি কয় থোষমোষ ॥
জননীক ভয়ে লুকি দিয়া ফিৰত
গোৱাৰীক ডেৰা সোমাই।
হামাকু আগু খেলায়ত ঐছন
চাতুৰী ভূষণ পাই ॥
হামু জব চোৰ হএো কতি দেলহোঁ
তোহাৰি জননীক আগ। (মাধৱদেৱ)

কৃষ্ণয়ো সমান তীব্ৰভাৱেই উত্তৰ দিলে,

একা হামো শুতিয়ে ৰহলছি
ভূষণ কয়লি চোৰি মোৰ ॥
দিৱস সময়েকহোঁ ৰাজবাট মহ
সাহস ঐছন তোই।
ৰজনী সময়েকহোঁ তোহাৰি ৰাধে
চোৰি কৰিতে কোন হোই ॥
হামু বিচাৰ কয় দেখলো আৱৰি
চোৰ ৰাধা বিনে নাই।

ঘৰহি ঘৰহি সব ফিৰত চকোৰা
ঐছন বাত জনাই ॥
গোপয়ে নাহি পাৰি মেৰি ভূষণ
দেলহ মাৰক ঠাই। (মাধৱদেৱ)

কোৱা বাহুল্য যে, ৰাধা-কৃষ্ণৰ এই প্ৰেম-চাতুৰীত বিদ্যাপতি, চণ্ডীদাসসকলৰ প্ৰেমানুৰাগ নাই, ইয়াত শিশু-সুলভ দুষ্টালি আছে। ই প্ৰায়েই ভায়েক-ভনীয়েকৰ স্নেহ-ধেমালিৰ দৰে। যদি ভৱিষ্যৎ প্ৰেমৰ কিবা সুদূৰ আভাস ইয়াত থকা যেন লাগে, সি ৰাধা-কৃষ্ণৰ প্ৰেম-লীলা কাহিনী মনত আগৰপৰাই বদ্ধ-মূলভাৱে থকাৰ কাৰণেহে। মাধৱদেৱৰ ৰাধা-কৃষ্ণৰ প্ৰেম-চাতুৰী-কীৰ্ত্তন বাৎসল্য-ৰসৰ ভিতৰেদিহে।

কবিবৰ ৰামসৰস্বতীয়ে গীত-গোৱিন্দ কাব্য অসমীয়া পদত ভাঙিছিল বুলি ওপৰত কোৱা হৈছে। কিন্তু ৰামসৰস্বতীৰ ভাঙনিত গীত-গোৱিন্দৰ সম্মোহন আদি-ৰসাত্মক ভাৱৰ তীব্ৰতা সমূলি নাই। অসমীয়া কবিৰ মানত গীত-গোৱিন্দৰ প্ৰেম-লীলা ৰুক্মিণী-হৰণ আদিৰ নিচিনা এটি আখ্যান মাথোন। তেওঁ তাক ভাগৱতৰ ৰাস-ক্ৰীড়াৰ লগত সংযোগ কৰি একান্ত ভক্তিবাদ-সমৰ্থক বৰ্ণনাত্মক কাব্য এখনৰ আৰ্হিত চিত্ৰিত কৰিছে।

গোৱিন্দৰ ৰাস-ক্ৰীড়া গোপিকা সহিত।
একত্ৰ কৰিয়া ভগৱন্ত সমন্বিত ॥
দুয়ো কথা-নিবন্ধ কৰিবো একে ঠাই।
যাহাক স্মৰণে লোক বৈকুণ্ঠক যাই ॥

ৰাধা-লীলাত কোনো ৰহস্যময় সাধন-মাৰ্গ স্বীকাৰ অসমীয়া কবিয়ে কৰা নাই। বৰং কবিয়ে গোপীসকলক তিনি ভাগত ভাগ কৰিছে,

তিনি বিধ গোপী সনে ক্ৰীড়া মাধৱৰ।
তাসম্বাৰ পূৰ্ব্বকথা শুনা নিৰন্তৰ ॥
একবিধ গোপী তাৰা গোপী-কন্যা বোলে।
মাধৱৰ ক্ৰীড়া হেতু জন্মিলা গোকুলে ॥
আৰু একবিধ তাৰা গোপ-কন্যাগণে।
কাত্যায়নী পূজিলা কৃষ্ণক স্বামী মনে ॥
সেই পুণ্য-ফলে তাৰা মাধৱক পাই।
ৰাস-ক্ৰীড়া আৰম্ভিলা বৃন্দাবনে যাই ॥

আৰু এবিধ গোপী হৈছে ৰাম অৱতাৰত লগ পোৱা দণ্ডকাৰণ্যৰ ঋষিসকল। সীতাদেৱীক দেখি তেওঁলোকে মনত ভাবিছিল, –

শুনিয়োক সীতা তুমি কিনো ভাগ্যৱতা।
ত্ৰিভুৱন-মোহন ৰাঘৱ যাৰ পতি ॥

ঋষিসকলৰ ঈৰ্ষা-ভাব দেখি

ৰামচন্দ্ৰ বোলন্ত শুনিয়ো ঋষিলোক।
নাৰী হুয়া যদি আলিঙ্গিবে খোজা মোক॥
গোকুলত কৃষ্ণ অৱতাৰ হুইবো মঞি।
গোপী হুয়া ভজিবাহা তোৰা ঋষিচয়॥

কবিৰ এই বহল পাতনিৰপৰাই সহজে অনুমান কৰিব পাৰি, জয়দেৱৰ প্ৰেম-দীপ্ত কল্পনাৰ চঞ্চলতা ইয়াত নাই। ইয়াত সৌন্দৰ্য্যৰ সন্নিৱেশ আছে, কিন্তু সৌন্দৰ্য্যৰ সম্মোহন উপাসনা নাই। তাত বাজেও সৰস্বতী কবিয়ে জয়দেৱৰ গীতৰ প্ৰত্যেক ৰাগৰেই লক্ষণ বৰ্ণনা কৰি কাব্যখন চিত্ৰময় কৰি তুলিছে। মুঠতে ক'ব লাগিলে, জয়দেৱৰ কাব্য প্ৰেম-ৰসাত্মক, সৰস্বতীৰ ভাওনি ভক্তি-ৰসাত্মক; আৰু ভণিতাত "ৰামকৃষ্ণ ঘুষিয়ো সম্প্ৰতি," "ডাকি বোলা ৰাম ৰাম" ইত্যাদি আদেশৰ দ্বাৰায় অসমীয়া কবিয়ে নিজৰ অন্তৰৰ ভাবৰ পৰিচয় দিছে। জয়দেৱৰ গীত-গোৱিন্দ বঙালী বৈষ্ণৱ সাধন-প্ৰণালীৰ সাহিত্যিক ৰূপ, আৰু সৰস্বতীৰ ভাওনি কৃষ্ণ-চৰিত্ৰৰ অশেষ ছোৱাৰ এছোৱাৰ আখ্যান মাথোন আৰু অসমীয়া কবিয়ে তাক নিজা ৰীতিৰেই বৰ্ণাইছে।

দ্বিজ কলাপচন্দ্ৰৰ 'ৰাধা-বিজয়' খণ্ডকাব্যৰ কথাও ওপৰত উন্মুকিওৱা হৈছে। ইয়াৰ কথা-বস্তু একেবাৰে বেলেগ ধৰণৰ হ'লেও কবিয়ে অসমীয়া ভক্তিবাদৰ সাঁচত ৰাধাদেৱীৰ অভিনৱ চিত্ৰ এটি আঁকি দেখুৱাইছে। এদিনাখন ৰুক্মিণীদেৱীয়ে কৃষ্ণৰ প্ৰতি নিজৰ একান্ত ভক্তি সুঁৱৰি মনত দৰ্প অনুভৱ কৰি কৃষ্ণক সুধিলে তেওঁৰ শ্ৰেষ্ঠ ভক্ত কোন কোন আছে? অন্তৰ্যামী কৃষ্ণই ৰুক্মিণীৰ মনৰ ভাব বুজি এটি এটিকৈ ভকতসকলৰ নাম উল্লেখ কৰি শেষত ক'লে যে, বৃন্দাবনৰ গোপীসকলৰ সমান তেওঁৰ কোনো ভকত নাই। তেওঁৰ প্ৰতি ভক্তিৰ প্ৰখৰতাৰ বাবে কুল-মৰ্য্যাদাকো তেওঁলোকে বিসৰ্জ্জন দিছে। এনেকুৱা গোপীসকলৰ মাজতো ৰাধাদেৱী সৰ্ব্বশ্ৰেষ্ঠা।

গোপীসকলৰ বিশেষতঃ ৰাধাদেৱীৰ প্ৰশংসা শুনি ৰুক্মিণীদেৱীৰ মনত ঈৰ্ষা জাগিল আৰু ৰাধাৰনো কেনে ৰূপ কেনে গুণ চাবলৈ বুলি কৃষ্ণক ক'লে যেন ৰাধাক অনাই তেওঁলোকক দেখুৱায়। দৰ্পহাৰী কৃষ্ণয়ো প্ৰথমে আপত্তিৰ ভাও দেখুৱাই শেষত ৰাধাদেৱীক অনাবলৈ উদ্ধৱক পঠিয়াই দিলে। ব্ৰজধামত গৈ উদ্ধৱে দেখিলে,—

আছন্ত আসনে বসি ৰাধিকা গোসানী।
সদায়ে নছাড়ে মুখে ৰাম-কৃষ্ণ বাণী॥
কিঞ্চিতো নাহিকে প্ৰভা তান শৰীৰত।
নাই শ্ৰুতি-জ্ঞান আৰু ৰাধাৰ দেহত॥
নাই গাত মাংস অস্থি-চৰ্ম্ম মাত্ৰ সাৰ।

দেখিলা উদ্ধৱে হেন অৱস্থা ৰাধাৰ ॥
কতোক্ষণে ৰাধিকা কৃষ্ণত চিত দিলা।
আছিলন্ত দেহ গেহ সৱে পাসৰিলা ॥

নক'লেও হ'ব যে, ৰাধাদেৱী ইয়াত ৰাম-নাম জপ কৰি উঁই-হাফলুত পোত খাই থকা বাল্মীকিৰ শাৰীৰ। উদ্ধৱেও মনত ভাবিলে,—

কেশৱৰ প্ৰিয়া এন্তে ভকত একান্ত।
ভালেতো সদায় কৃষ্ণ আছে সুমৰন্ত ॥

মাধৱদেৱৰ গীত-কবিতাৰ শৈশৱ-লীলা, ৰামসৰস্বতীৰ ভাওনিৰ যৌৱন-লীলা আৰু কলাপচন্দ্ৰৰ কৃষ্ণ-স্মৃতি-বিজড়িত ৰাধাৰ বাৰ্দ্ধক্য-লীলা একেলগ কৰি চালে অসমীয়া সাহিত্যত কল্পিত ৰাধা-চৰিত্ৰৰ পূৰ্ণ ৰূপ উপলব্ধি কৰিব পাৰি। জীৱনৰ ভিন্ন ভিন্ন অৱস্থাৰ স্বাভাৱিক ভাবৰ আকৰ্ষণ অনুসাৰে ৰাধিকা-তাৰকাই কৃষ্ণ-চন্দ্ৰৰ চাৰিওফালে প্ৰদক্ষিণ কৰিছে।

চিৰশিশু ৰূপ

বিদ্যাপতি, চণ্ডীদাস আদি সহজিয়া কবিসকলৰ কৃষ্ণ যেনে চিৰ-প্ৰেমিক (eternal lover), আমাৰ বৰগীত, কাণখোৱা, চোৰধৰা আদিৰ কৃষ্ণও তেনে চিৰশিশু (eternal child)। শিশু-জীৱনৰ অশেষ আনন্দ, কাৰুণ্য, ভ্ৰম, চাতুৰী তেওঁলোকৰ কবিতাবোৰৰ নিচিনাকৈ ক'তো প্ৰকাশ হোৱা দেখা নেযায়। কৃষ্ণৰ নাম বাদ দিলে এইবোৰ কবিতা যেই সেই শিশুৰ জীৱনতে খাপ খায়।

হাম্ বিছানত খেৰি খেলাৱত
আজো কিছু এ নাহি খাৱতৰি।
তুমহি হামাকো নাহি ডাকল মাই
ভোখহি ৰৰ দুখ পাৱতৰি॥
খালি উদৰে হৰি হাত মিৱৰিশিয়ে
দেখত বোলত বাণী।
আপুন তনয়কহো দুখ দেখিয়ে মাই
নয়নে ঝুৰাৱত পানী॥
পুতা পুতা বুলি আকোৰে মোচল
শ্যাম-শৰীৰক ধূলি।
খেৰা খাপ বুলি ক্ষীৰ পিয়াৱত
বাহু মেলি কোলে তুলি॥ (মাধৱদেৱ)

শিশুৰ এই আব্‌দাৰ জগতৰ যেই সেই শিশুতে খাটিব।

অসমীয়া বৈষ্ণৱ সাহিত্যৰ মূল প্ৰেৰণা দাস্য-ভাব হ'লেও ইয়াত বাৎসল্য-ভাবৰ প্ৰবল আধিপত্য আছে। সাহিত্য আৰু সুকুমাৰ শিল্পত এই দুটি ভাবৰ কেনে অন্তৰঙ্গ সম্বন্ধ, ইয়াতেই অলপ আলোচনা কৰা যাওক।

দাস্য-ভাব কৰুণা-প্ৰাৰ্থনা-স্তোত্ৰত বিশেষকৈ খাটে। নিজক দাসানুদাস বা তৃণতকৈও লঘু বুলি ভাবি ল'ব পাৰিলে মদ, মাৎসৰ্য্য, অহঙ্কাৰ আদি প্ৰবৃত্তিবোৰৰ তেজ ভাগোধিনি কমে আৰু আত্ম-বিৰামৰ অৱস্থা সোনকালে আহিব পাৰে। কিন্তু স্নেহ, কৰুণা, দয়া, দাক্ষিণ্য আদি মনৰ কোমল

ভাববোধৰ একান্ত বিলোপ হ'লে প্ৰাৰ্থনাও নীৰস হৈ পৰে। সেই কাৰণে সাধকসকলে "ৰসময়ী ভকতিৰ" হে কামনা কৰে। ভকতি ৰসময়ী হ'ব লাগিলে তাত এনেকুৱা ৰস থাকিব লাগিব, যাৰ ভোগৰ ভিতৰতেই ত্যাগ আছে, যাৰ আকাঙ্ক্ষাৰ ভিতৰতেই তৃপ্তি আছে, যাৰ প্ৰতি ধাউতিয়েই নিবৃত্তিৰ পৰিপোষক।

বাৎসল্য ৰসৰ নিচিনা নিষ্কাম নিৰ্ব্বিকাৰ ভাব আৰু দ্বিতীয় নাই বুলিলেই হয়। সন্তানৰ প্ৰতি যি প্ৰকৃত স্নেহ, তাত স্বাৰ্থৰ গোন্ধ নাই, তাত ভোগৰ ভিতৰতেই ত্যাগ আছে। ঘোৰ সংসাৰীৰপৰা পৰম বিৰাগী পুৰুষৰ মনতো ই কোনো বিকাৰ নোপজোৱাকৈ বৰ্ত্তিব পাৰে। লৌকিক দৃষ্টিত যিটো দাস্য-ভাব, অন্তৰৰ ফালৰপৰা সেয়ে বাৎসল্য-ভাবত পৰিণত হয়। গৃহস্থৰ ঘৰৰ বহুদিনীয়া দাস-দাসীসকলে তাৰতম্য অনুসাৰে যি ফালৰপৰাই হওক গিৰিহঁতৰ লগত বাৎসল্য বা তাৰ সমান শ্ৰেণীৰ ভাবেৰে অন্তৰৰ সংযোগ স্থাপন কৰে। সেই হিচাপে দাস্য আৰু বাৎসল্য-ভাবৰ ওচৰ-চুবুৰীয়া সম্বন্ধ। দূৰৈৰপৰা যিটো দাস্যভাব, ওচৰৰপৰা সিয়েই বাৎসল্য-ভাব।

চৰিত-পুথিত আছে ৰামকৃষ্ণ পৰমহংসদেৱে নিৰ্ব্বিকল্প সমাধিৰ পিচতো "মা, মা" বুলি ঈশ্বৰক উদ্দেশ্য কৰি চিঁঞৰিছিল। বাৎসল্য-ৰসৰ ইমানেই মন-প্ৰাণ জুৰোৱা শক্তি! সেই কাৰণে আধ্যাত্মিক ক্ষেত্ৰত মানসিক প্ৰকৃতিৰ তাৰতম্য অনুসাৰে ঈশ্বৰত নানা ভাবৰ আৰোপ কৰা দেখা যায়। কেতবোৰে ঈশ্বৰক সন্তানৰূপে কল্পনা কৰে, কেতবোৰেবা নিজকেই জগন্মাতাৰ সন্তান বুলি ভাবে আৰু কেতবোৰে বিশেষকৈ তিৰোতা সাধিকাসকলে ঈশ্বৰক দৰা বা স্বামী বুলি কল্পনা কৰে। সাধক-সাধিকাসকলৰ জীৱনত এনেকুৱা ৰস-সম্বন্ধৰ অভিব্যক্তি দাস্য-ভাবৰ স্বাভাৱিক পৰিণতি যেন লাগে। ভক্ত মীৰাবায়ে শ্ৰীকৃষ্ণক স্বামীৰূপে বৰণ কৰিছিল—"মেৰে গিৰধৰ গুপাল দুসৰো ন কোই। জা কে সিৰ মোৰ মুকুট মেৰো পতি সোই॥"

শ্ৰীকৃষ্ণৰ পৌৰাণিক জীৱনীত জানিবা শিশু-লীলা, ৰাস-লীলা আদি নানা লীলা-খেলাৰ উল্লেখ আছে আৰু প্ৰবাদ-পৰম্পৰা অনুসাৰে কৃষ্ণ-নামৰ লগত ৰস-সম্বন্ধৰ প্ৰথাও চলি আহিছে, কিন্তু যীশু খ্ৰীষ্টৰ জীৱনীত তেনে কোনো লীলাৰ উল্লেখ নাই। খ্ৰীষ্টধৰ্ম্মতো মূলতঃ ঈশ্বৰক প্ৰভু কল্পনা কৰাটোহে দেখা যায়। তথাপি য়ুৰোপৰ মধ্য-যুগৰ কঠোৰ সন্ন্যাস-ব্ৰতী তিৰোতা সাধিকাসকলে (Elizabeth, Mary, Hildegard, Lintgard) ভক্তা মীৰাবাঈৰ দৰে খ্ৰীষ্টক দৰা বুলি বৰণ কৰি নিজক নিজক কইনা (bride of Christ) বুলি কল্পনা কৰিছিল।

তাত বাজেও য়ুৰোপীয় মধ্য-যুগৰ সুকুমাৰ শিল্পত কুমাৰী মেৰী আৰু শিশু খ্ৰীষ্টৰ বাৎসল্য ভাবৰ অভিব্যক্তি স্বৰূপ অসংখ্য ছবি আঁকা হৈছিল। এই বিষয়ত য়ুৰোপীয় বাৎসল্য-ৰস প্ৰকাশৰ ছবিৰ ঠাই আমাৰ দেশত শিশুকৃষ্ণ-বিষয়ক অসংখ্য কবিতাই অধিকাৰ কৰি আছে। উপাসনা-ক্ষেত্ৰত যি আদৰ্শ প্ৰভু-কল্পনা, সাহিত্যত সেই প্ৰভু-ভাবৰেই স্বাভাৱিক বিকাশ হৈছে স্নেহেৰে আঁকোৱালি ধৰিব পৰা বাৎসল্য-লীলা-কীৰ্ত্তন।

কাণ-খোৱা

কাণ-খোৱা পুথি সকলোৰে মাজত জনাজাত। ওপৰে ওপৰে চালে ইয়াক সাধাৰণ ল'ৰা নিচুকোৱা গীত যেন লাগে আৰু বাস্তৱিকতে ইয়াক নিচুকনি গীতৰ ঠাঁচত লিখা হৈছে। কিন্তু ই বৈষ্ণৱ কবিৰ অন্তৰ্মুখী কল্পনাৰ মনোৰম ৰচনা। ই অতিশয় মনমোহা, সৰল অথচ নিৰুপম কৌশলপূৰ্ণ। এপিনে ইয়াত শিশু-জীৱনৰ নিকপটীয়া প্ৰাণৰ প্ৰতিবিম্ব পৰিছে. আনপিনে প্ৰশান্ত ভক্তি-ভাব পূৰ্ণচন্দ্ৰৰ নিচিনাকৈ বিৰাজ কৰিছে।

কাণ-খোৱা কবিতা বৈষ্ণৱ কবি শ্ৰীধৰ কন্দলি-বিৰচিত। এওঁ শঙ্কৰদেৱৰ সমসাময়িক আৰু তেওঁৰ প্ৰিয়পাত্ৰ আছিল। কীৰ্ত্তন-ঘোষাৰ অন্তৰ্গত "ঘনুচা-যাত্ৰা" শ্ৰীধৰ কন্দলিৰ ৰচিত। শঙ্কৰদেৱৰ প্ৰিয়জনৰ ৰচনা বুলি "ঘুনুচা যাত্ৰা"ক কীৰ্ত্তনৰ অন্তৰ্গত কৰি লোৱা হৈছে। তাত বাজেও মহাভাৰতৰ অশ্বমেধ-পৰ্ব এওঁৰেই ভাঙনি।

কাণ-খোৱা কবিতাটো শিশু-জীৱনৰ মনোৰম ঘটনা এটি লৈ লিখা। সকলো দেশতে সকলো সময়তে ল'ৰাক শুৱাবলৈ নিচুকনি গীত গোৱাৰ ৰীতি আছে। কান্দুৰা ল'ৰাক ভয় খুৱাবলৈ ঠাই আৰু আৰু সময়-বিশেষে বাস্তৱ বা কাল্পনিক ভয়াবহ জীৱ-জন্তুৰ নাম লোৱা হয়। সেই অনুসাৰে যশোদা-দেৱীয়ে এদিনাখন শিশু কৃষ্ণক টোপনি যোৱাবলৈ কাণ-খোৱা আহিব লাগিছে বুলি গীত জুৰিলে—

ঘুমটি যায়োৰে অৰে কানাই
হুৰে কাণ-খোৱা আসে।
সকল শিশুৰে কাণ খাই খাই
আসয় তোমাৰ পাশে॥

বিষয়-বস্তু এইখিনিয়েই। ভাগৱত, হৰিবংশ আদি মূল গ্ৰন্থত অনুৰূপ কোনো ঘটনাৰ উল্লেখ নাই। সেই হিছাপে কবিতাটো নিতান্তই মৌলিক। কিন্তু বৈষ্ণৱ কবিয়ে যি নিপুণতাৰে সাধাৰণ ঘটনাত অসাধাৰণ ভাবৰ ব্যঞ্জনা কৰিছে, সি অতি বিস্ময়কৰ।

কাণ-খোৱা নাম শুনি কৃষ্ণই ভয় খালে কিন্তু মাক ওচৰত আছে বুলি কৌতুকপূৰ্ণ হাঁহি এটি মাৰি মাকৰ ওচৰ চাপি আহি ভীতি-বিহ্বলভাৱে সুধিলে,—

মায়ৰ বচন শুনি পাশ চাপি
হাসিয়া বোলে কানাই।

কেনেকুৱা গোটে কাণ খাই ফুৰে
চিনোৱা হাৰলী আই ॥
তাৰ নাম শুনি ঘুমটি নালয়
ডৰে কাম্পে মোৰ বুক।
দেখিলে লৰবি পলাইবাক পাৰি
সম্বৰে চিনোৱ মোক ॥

ইয়াৰ পিছতেই ভক্ত কবিৰ সমস্যা বৰ জটিল হৈ পৰিল। এপিনে শ্ৰীকৃষ্ণ অখণ্ড জ্ঞান-স্বৰূপ পূৰ্ণব্ৰহ্ম, আনপিনে অন্ততঃ লৌকিক দৃষ্টিত একান্ত মায়াবদ্ধ মানৱ শিশু। বাল্য-জীৱনৰ ভয়, কাৰুণ্য, কৌতূহল সকলো তেওঁৰ প্ৰাণত বৰ্ত্তমান। কৃষ্ণক সৰ্ব্বতোভাৱে জ্ঞানৰ স্বৰূপ ঈশ্বৰ বুলি ধৰি ল'লে, কাণ-খোৱাৰ কল্পনাত কোনো অৰ্থই নেথাকে ; অথচ নিতান্ত শিশু বুলি ধৰি ল'লেও, ল'ৰাই ভয় পালতেই কবিতাৰ উদ্দেশ্য শেষ হোৱা যেন হয়।

এই দুয়োটা ফালৰ সামঞ্জস্য কবিয়ে যি অতুলনীয় কৌশলেৰে কৰিছে, সি অতি নিৰুপম। পৰমাৰ্থ হিছাপে বিচাৰ কৰি চালে শ্ৰীকৃষ্ণ পূৰ্ণব্ৰহ্ম, অথচ মায়াত অৱতীৰ্ণ। সেই দেখি পূৰ্ণজ্ঞান থাকিলেও মায়াত অৱৰুদ্ধ বুলি তেওঁৰ মনুষ্য-সুলভ ভয় আছে। নিৰ্ম্মুক্ত পূৰ্ণব্ৰহ্ম বুলি জ্ঞানৰ বিচাৰ আছে, কিন্তু মায়াৰ গুণত ভয়ৰ সুৰ বিকম্পিত হৈ উঠে।

অনাদি-স্বৰূপে জগত স্ৰজিলো
চৰাচৰ ভেদ কৰি।
সমস্ত জগত প্ৰতিপাল কৰি
আত্মা-ৰূপে আছো ধৰি ॥
ব্ৰহ্মা মহেশ্বৰ আদি কৰি যত
সমস্তে মোৰ স্ৰজনা।
মই নাজানিলো সিটো কাণ-খোৱা
স্ৰজিলেক কোনজনা ॥

এইদৰে বিষ্ণুৰূপী নিজৰ যিমান অৱতাৰ হৈছিল, শিশু-কৃষ্ণই সকলোবোৰকেই মনত সুঁৱৰিব ধৰিলে। তেওঁৰ নানান অৱতাৰত নানান দৈত্য-দানৱ আদিৰ লগত সংঘৰ্ষ হৈছে, কিন্তু কাণ-খোৱা বীৰৰ কথা কেতিয়াও শুনা নাই। সকলো অৱতাৰৰ বৃত্তান্তবোৰ এটি এটিকৈ আহি স্মৃতিৰ স্মৰণ পটত পৰিল, কিন্তু কাণ-খোৱা বীৰৰ কথাতো মনত নপৰে! মায়াদেৱীয়ে আকৌ আশঙ্কা উদগাই দিলে।

হলিৰাম-ৰূপে লাঙ্গল ধৰিলো
সম কৰি খাল-বাম।

সমস্তে পৃথিৱী বাই-বটি থৈলে।
লৈলো হলধৰ নাম ॥
সিঁওকালে মই লাগ নাপাইলোহো
আৰে মনে মনে গুণো।
কাণ-খোৱা নামে বীৰগোট আছে
আজি তয়ু মুখে শুনো ॥

ভাবি-চিন্তি শিশু-কৃষ্ণই একো থিৰ কৰিব নোৱাৰিলে। জানোচা কাণ-খোৱা ভুলে-চুকে ক'ৰবাত বৈ গ'ল। শিশুৰ মনত নৈৰাশ্য আহি দেখা দিলে। মায়াদেৱীৰেই খন্তেক জয় হ'ল। অতি করুণ সুৰে কৃষ্ণই মাকক সুধিব ধৰিলে,

আসিয়া ইবাৰ কৃষ্ণ অৱতাৰ
হুয়া আছো তয়ু ঘৰে।
কাণ-খোৱা নাম শুনি মোৰ গাৱ
তৰতৰি কম্পে ডৰে ॥
ঘুমটিৰ ছলে নিচুকিয়া মই
চকু মেলি থাকো চাই!
কেনেকুৱা গোটে কাণ খাই ফুৰে
চিনায়োক মোক আই ॥

যশোদাদেৱীয়ে কৃষ্ণৰ মনত সন্দেহ, বিষাদ, আশঙ্কা দেখি তধা লাগি চাই আছে। শেহত সন্তান-প্ৰেমত বিকল হৈ "মিছাসে বুলিয়া মুখে স্তন দিয়া কৃষ্ণক সাবটি ধৰে।"

কবিতা হিচাপে আগৰ অৱতাৰবোৰৰ সোঁৱৰণি অতুলনীয় সৌন্দৰ্য্য-প্ৰকাশক। বেলেগ বেলেগ যুগত বিষ্ণুৰ বেলেগ বেলেগ অৱতাৰবোৰৰ মাজত শিশু-কৃষ্ণৰ জীৱনৰ এক মুহূৰ্ত্তৰ ভিতৰেদি সামঞ্জস্য স্থাপন কৰি লোৱা হৈছে। গোটেই কবিতাটোৰ ভাবৰ ঐক্য-সূত্ৰ হৈছে এই পদফাকি

সিও কালে মই লাগ নপাইলোহো
কাণ-খোৱা কেনেকুৱা।

সকলো অৱতাৰৰেই ক্ষুদ্ৰাতিক্ষুদ্ৰ সকলোবোৰ ঘটনা মনত পৰে, কিন্তু—

কাণ-খোৱা নামে বীৰগোট আছে
নুশুনিলো সিও কালে।

বৈষ্ণৱ কবিৰ ৰচনা কৌশল কেনে চমক লগোৱা! ভক্ত কবিয়ে বিষ্ণুৰ নানান অৱতাৰৰ গুণ-গৰিমাত ভক্তিত আপ্লুত হৈ সেইবোৰ ধ্যান কৰিবৰ ছলেৰে কবিতাটো লিখিছে। কিন্তু মানৱ হিয়াৰ স্বাভাৱিক স্নেহেৰে উপলব্ধি কৰিব পৰা নিঃসহায় বাল্য-ভাব উপাস্য দেৱতাত আৰোপ কৰি বাৎসল্য-ৰসৰ ভিতৰেদি প্ৰাণৰ একান্তিকা গভীৰ ভক্তি সেই আটাইবোৰলৈ নিবেদন কৰিছে।

চোৰ-ধৰা

অসমীয়া বৈষ্ণৱ সাহিত্যত শ্ৰীকৃষ্ণৰ শিশু-লীলাই বঙলা বৈষ্ণৱ সাহিত্যৰ শ্ৰীৰাধা-কৃষ্ণ-লীলাৰ অনুৰূপ ঠাই অধিকাৰ কৰি আছে। কৃষ্ণৰ প্ৰতি বাৎসল্য-প্ৰেমৰ অভিব্যক্তি হয় মহাপুৰুষ মাধৱদেৱৰ আৰু শ্ৰীধৰ কন্দলিৰ কবিতাৰ ভিতৰেদি। কৃষ্ণৰ বাল্য-লীলা বিষয়ে কন্দলিয়ে কেৱল বিখ্যাত 'কাণ-খোৱা' পুথিৰ অন্তৰ্গত দুটি কবিতা মাথোন লিখি থৈ গৈছে। কিন্তু মাধৱদেৱৰ হাতত বাল-কৃষ্ণৰ অসংখ্য ৰহস্য পূৰ্ণ চিত্ৰ নানান নাট আৰু গীত-কবিতাত প্ৰকাশ পাইছে। "বৰগীত"ৰ অন্তৰ্গত মাধৱদেৱৰ বিৰচিত গীতবোৰৰ ভিতৰত যিবোৰ সকলোতকৈ মনোৰম, তাৰ বেছি ভাগেই শ্ৰীকৃষ্ণৰ বাল্য-লীলা-বিষয়ক।

গীত আকাৰে কৃষ্ণৰ প্ৰেমেলীয়া বাল্য-চৰিত ভাঙি উলিয়াই সন্তুষ্ট নহৈ নাটবোৰতো আহল-বহলকৈ নানা ৰসৰঞ্জিত কৰি মাধৱদেৱে কৃষ্ণৰ বাল্য-লীলাকেই কীৰ্ত্তন কৰিছে। তেওঁৰ বিৰচিত ছওখন নাটকেই প্ৰায় সম-বিষয়ক। ভক্তই হওক বা কবিয়েই হওক, মাধৱদেৱৰ এইটো বৰ বিশেষত্ব, তেওঁ হয় বাৎসল্য-ৰস, নহয় দাস্য-ভক্তিৰ গৌৰৱ কীৰ্ত্তন কৰে; হয় নামঘোষা, ভক্তি-ৰত্নাৱলী আদি গ্ৰন্থত দুৰ্বোধ তত্ত্ব-নিৰ্ণয়, নহয় চোৰ-ধৰা আদি প্ৰেমেলীয়া নাটবোৰত বাৎসল্য-প্ৰেমৰ ভিতৰেদি কৃষ্ণৰ শিশু-লীলা কীৰ্ত্তন কৰিছে। শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰামায়ণৰো দুটা কাণ্ড ভাঙিছিল, কিন্তু এইটো মন কৰিব লগীয়া যে, তাতো মাধৱদেৱে ভাঙিছিল ৰামায়ণৰ বালকাণ্ড অৰ্থাৎ ৰাম, লক্ষ্মণ আদিৰ শৈশৱ-লীলা-কীৰ্ত্তন।

মাধৱদেৱ চিৰকুমাৰ আৰু সংসাৰ-ত্যাগী বৈৰাগী আছিল। চিত্তোন্মাদক আন আন ৰস-কীৰ্ত্তন তেওঁত দুৰ্লভ। পৰম বিৰক্ত হ'লেও ভীমদেৱৰ তেওঁৰ নাতি-সম্বন্ধীয় অৰ্জ্জুনসকলৰ প্ৰতি অগাধ অপত্য স্নেহ আছিল। প্ৰকৃত যোগী সন্ন্যাসীবোৰেও সাংসাৰিক মানুহৰ লগত কথা ক'ব লাগিলে অপত্য-স্নেহ সূচক 'আই, বোপাই', সম্বোধন কৰে। বোধ হয় মনস্তত্ত্বৰ সেই একে প্ৰণালী অনুসাৰেই মাধৱদেৱৰ মনতো বাৎসল্য প্ৰেমে সংসাৰৰ অইন অইন ৰসৰ ঠাই অধিকাৰ কৰি আছিল।

যি হওক, পুৰণি অসমীয়া সাহিত্যত মাধৱদেৱ বাৎসল্য ৰসৰ শ্ৰেষ্ঠ প্ৰকাশক। সমসাময়িক ভাৰতৰ আন আন বৈষ্ণৱ মত প্ৰকাশকসকলৰ হাতত শিশু-লীলা এনে এচলীয়াভাৱে ক'তো পৰিস্ফুট হৈ ওলোৱা যেন নালাগে।

চোৰ-ধৰা আৰু পিপৰা-গুচুৱা নাটক দুখন যি বিষয় লৈ লিখা, ঠিক তেনে বিষয়ৰ উল্লেখ ভাগৱত বা হৰিবংশত নাই। পুৰাণাদিত কৃষ্ণৰ বাল-সুলভ চাতুৰ্য লৈ যি দুটা-এটা ঘটনাৰ উল্লেখ আছে, তেনে ঘটনাৰ লগত খাপ খুৱাই নাট দুখনৰ বিষয় উদ্ভাৱিত হৈছে।

নাট্য-সাহিত্যৰ আধুনিক শ্ৰেণী-বিভাগমতে নাট দুখন ধেমেলীয়া নাটৰ ভিতৰত পৰে আৰু যদিও আজি-কালিৰ নাটকৰ প্ৰণালী ইয়াত নাই তথাপি নাটকত যি যি মৌলিক উপাদান লাগে, সেই সকলোবোৰ ইয়াত বৰ্তমান আছে।

সকলো নাটকতেই বিৰুদ্ধ শক্তি কেতবোৰৰ সংযোগৰ ভিতৰেদি একীকৰণ হয়। সেই একীকৰণ কাম দুই বা তাতকৈ বেছি ভাৱৰীয়াৰ কথা-বাৰ্তাৰেই সম্পাদিত হয়। 'চোৰ-ধৰা' নাটকত এই বিৰুদ্ধ ভাব দুটা হৈছে—এফালে গোৱালিনীসকলে চোৰ বুলি কৃষ্ণক ধৰা আৰু অইন ফালে যশোদাৰ কৃষ্ণ হেৰাল বুলি আকুল অন্বেষণ। বহুত বিচৰাৰ পিছত যশোদাই আহি কৃষ্ণক গোৱালিনীসকলৰ হাতৰপৰা এৰুৱাই অনেক কাতুৰ্বাদ কৰি ঘৰলৈ লৈ গ'ল। মাতৃ-স্নেহৰ প্ৰৱল সোঁতত সন্তানৰ প্ৰতি লোকৰ অপযশ ক'ৰবালৈ উটি-ভাহি গ'ল।

'পিপৰা-গুচুৱা' নাটত বিৰুদ্ধ তিনি শক্তিৰ সংযোগ হৈছে—গোপীসকলৰ কৃষ্ণৰ ওপৰত দোষাৰোপ, যশোদাৰ ভৰ্ৎসনা আৰু মাকৰ ওচৰত কৃষ্ণৰ ভেম।

দুখন নাটৰেই প্ৰধান ভাৱৰীয়া হৈছে বাল-কৃষ্ণ। আৰু দুয়োখনৰেই প্ৰত্যেক ছত্ৰতেই টেঙৰ কানাইৰ চিত্ৰ বৰ জীৱন্ত হৈ ফুটি ওলাইছে। লৱনু চুৰি কৰি খালে গোৱালিনীৰেই, আৰু শেষত গৈ জগৰো লাগিল গোৱালিনীৰ গাতেই। চোৰ ধৰা গোৱালিনীয়ে বুজাই নাছিল যে, তাই জুইৰ ফিৰিঙতিহে আঁচলেৰে বান্ধি ৰাখিব খুজিছিল। কৃষ্ণই চুৰিত পৰিলত "আপুন হাতক লৱনু গোপীক মুখে মাখিয়ে বোলত : আহে গোপীসব, দেখু, দেখু, আৱৰ সাক্ষীত কমন প্ৰয়োজন? উনিকৰ মুখহি সাক্ষী। শুনি গোপী লাজ পাৱল।" কৃষ্ণৰ চাতুৰীত গোৱালিনীয়েই চুৰুণী হ'ল। 'পিপৰা-গুচুৱা' নাটতো চোৰ কৃষ্ণৰ জবাব প্ৰায় একেদৰেই—"আহে গোৱালী, তোহো বড়ি নিদাৰুণ-হৃদয়, আপুন জিহ্বা ৰাখিতে নপাৰি আপুন গৃহে দধি দুগ্ধ লৱনু খাৱলি, অৱ ভাতাৰক ভয়ে হামাক অপযশ দেৱস। আমাক ঘৰে লৱনু কে পুছত? খাইবাক নপাই তোহাৰি ঘৰে চুৰি কৰিয়ে লৱনু খাৱলো?" এই গুটীয়া ল'ৰাটোৰ লগত কোনে পাৰে? এবিধ পোৰা পোক আছে, তাক হাতেৰে ধৰিলে কেনেবাকৈ হাতখন পুৰি দিয়ে।

তথাপি গোৱালীসকলৰ আৱকাল শুনিব নোৱাৰি যদিওবা যশোদাই কৃষ্ণক দুই-এবাৰ খিচনি মাত মাতিলে, কানাইৰ ভেমত সকলো তল পৰি গ'ল। "আঃ, কি নিদাৰুণ-হৃদয়! আপুন পুত্ৰক দায়া নাহি জানত। জগত চাকিয়ে লৱনু-চোৰ নাম দেলহ। আৰ হামাক কৰিতে কি ৰহল? অৱ অপমান সহিতে নপাৰি মধুপুৰী পলাৱব, তোহাৰি ভাৱনা চুৰ কৰব। হামাক নপায়া পাছু কান্দি মৰব!"

এই ঔ-বিজলুৱা ল'বাটোৰ লগত উপায় দিহা নাই। বান্ধিলেও বান্ধ নাখায়, ধৰিলেও ধৰা নিদিয়ে।

"হামো আপুনে বন্ধন জৱ নাহি লেহু, তব কি হামাক বান্ধিতে পাৰব? হামো ভকত-বৎসল গুণে ভকতক অধীন।" (দধিমথন)

বৰগীত

পুৰণি অসমীয়া সাহিত্য নানা ধৰণৰ গীত-পদ আদিৰ নিমিত্তে বিখ্যাত। কেতবোৰ লৌকিক গীত আগৰ দিনৰপৰা মানুহৰ মুখে মুখে নামি আহিছে। সেইবোৰৰ সময় নিৰ্ণয় কৰা টান; কিয়নো ভালেমান ঠাইত সেইবোৰ আধুনিক ভাব আৰু ভাষাৰে সান-মিহলি হৈ পৰিছে। আন কেতবোৰক পুৰণি পুথিবোৰে বুকুত সাবটি ধৰি ৰক্ষা কৰি আহিছে। অসমীয়া ওজা-পালিৰ অনুষ্ঠান মহাপুৰুষ শঙ্কৰদেৱৰ আৱিৰ্ভাবৰ আগৰেপৰাই চলি আহিছিল, কিয়নো তেওঁৰ ধৰ্ম-প্ৰচাৰৰ প্ৰথম অৱস্থাত ওজা-পালিৰ অনুষ্ঠানৰ ভিতৰেদি তেওঁৰ পদ-পুথিবোৰৰ সাৰ-ধৰ্ম লোক-সমাজত তেওঁ জনাজাত কৰাইছিল। ওজা-পালিবোৰৰ বৰ প্ৰিয় বেউলা-লখিন্দৰ আদিৰ গীতবোৰো বৰ পুৰণি-কলীয়া যেন লাগে। সুকবি নাৰায়ণ আৰু দুৰ্গাবৰৰ বেউলাৰ গীত শঙ্কৰদেৱৰ আগেয়েই ৰচিত হোৱা বুলি ভাবিবৰ কাৰণ থকা যেন লাগে। দুৰ্গাবৰ কবিয়ে ৰামায়ণ পুথিকো গীতৰ আকাৰত ভাঙি উলিয়াইছিল। গীতৰ আকাৰত পুথি লিখা তেতিয়াৰ দিনৰ প্ৰচলিত ৰীতি আছিল। পুৰণি কামৰূপৰ ভাটী অঞ্চলত পীতাম্বৰ নামে কবি এজন আছিল। তেওঁ শঙ্কৰদেৱৰ সমসাময়িক হ'লেও তেওঁৰ প্ৰভাৱৰ বাহিৰত আছিল। তেওঁ গীতৰ আকাৰত কাব্য ৰচনা কৰিছিল। তেওঁৰ 'ঊষা-পৰিণয়' গীত-কাব্য ছপা হৈ ওলাইছে, কিন্তু গুৰু-চৰিতত উল্লিখিত তেওঁৰ দশমৰ পদ এতিয়াও আৱিষ্কৃত হোৱা নাই।

ইমানবোৰ গীত-পদ আদিৰ ভিতৰতো শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীতবোৰে তেতিয়াৰ সাহিত্য আৰু সমাজত এক যুগান্তৰ উপস্থিত কৰিছিল। বৰগীতবোৰৰ ভাব, ভাষা আৰু সুৰ একেবাৰে নতুন ধৰণৰ। আন গীত-পদবোৰ ৰামায়ণ আৰু পুৰাণ আদিক আশ্ৰয় কৰি ৰচিত হ'লেও লৌকিক ভাৱত বাজে ধৰ্ম আৰু ভক্তিৰ উচ্ছ্বাস সেইবোৰত সমূলি নাই। ঠায়ে ঠায়ে ৰসাল আৰু

কবিত্বপূৰ্ণ হ'লেও সেইবোৰ মুখ্যভাৱে লোক-ৰঞ্জনৰ নিমিত্তে ৰচিত হৈছিল। তাৰ ভিতৰৰ ভালেমান কবিতা প্ৰেম-ৰসাত্মক, কিন্তু সেই প্ৰেম সাধাৰণ নায়ক-নায়িকাৰ কামভাবপূৰ্ণ প্ৰেমহে। শঙ্কৰদেৱ আৰু মাধৱদেৱে গীত আৰু কবিতাক নৱ-প্ৰচাৰিত ভক্তি ৰসেৰে অভিষিক্ত কৰি অসমীয়া সাহিত্যক আধ্যাত্মিকতাৰ ওখ ভেটিত থাপনা কৰি ঈশ্বৰাভিমুখী কৰি তুলিলে আৰু লগে লগে মানুহৰ মনকো ওপৰৰ ফালে ঢাল খুৱাবৰ চেষ্টা কৰিলে। সময়ে সময়ে লব্ধপ্ৰতিষ্ঠ পুৰণি কবিসকলৰ পদত নৱ-প্ৰচাৰিত ভক্তিৰসৰ সংযোগ কৰি সেইবোৰক সময়োপযোগী কৰি ৰক্ষা কৰিছে আৰু আন সময়ত বা সাধাৰণ মানুহৰ মন যোগাবলৈ গীত-কবিতা ৰচোঁতা অৰ্বাচীন কবিসকলক তাচ্ছিল্যেৰে উপলুঙা কৰি তলত পেলাইছে। ধৰ্ম আৰু সমাজ-গঠনৰ দৰে সাহিত্য-ক্ষেত্ৰতো এই মহাপুৰুষ দুজনে পূৰ্বৰ গৌৰৱ অক্ষুণ্ণ ৰাখি বৰ্তমানৰ ভেটি শকত কৰি ভৱিষ্যতৰ দুৱাৰ-ডলিত থিয় হৈছিল।

মাধৱ কন্দলি শঙ্কৰদেৱৰ দুপুৰুষ আগৰ কবি। তেওঁৰ ৰচিত ৰামায়ণ ছপা হৈ এতিয়াও অসমীয়াৰ ঘৰে ঘৰে জিলিকি আছে। কিন্তু শঙ্কৰদেৱৰ সময়ত তেওঁৰ ৰচিত ৰামায়ণে ভক্তি-ৰসাপ্লুত জন-সমাজক তৃপ্তি দিব নোৱাৰি তল পৰি যাবলৈ ধৰিছিল যেন লাগে। কিয়নো অনন্ত কন্দলিয়ে নৱ-প্ৰচাৰিত ভক্তি-ধৰ্মক মূল কৰি ৰামায়ণৰ আকৌ এখন নতুন ভাঙনি উলিয়ায়। কিন্তু শঙ্কৰদেৱ আৰু মাধৱদেৱে উত্তৰা আৰু আদি-কাণ্ড যোগ দি পুৰণি কবিৰ মূল ৰামায়ণক অক্ষত ৰাখি সময়োপযোগী কৰি ৰাখিলে। এই বিষয়ে গুৰুচৰিতত আখ্যান এটি আছে:

"আৰু মাধৱ কন্দলিৰ কবিতা ৰামায়ণ ঢাকি তুচকৈ গুচাবৰ মন দিলে অনন্ত কন্দলিয়ে। তেহে গুৰুজনত বিপ্ৰে স্বপ্নত শৰণাপন্ন হৈ প্ৰাৰ্থিলে ৰবৰ হেতু। পাছে গুৰুজনে বোলে, বৰাৰ পো, তোমাৰ মিতাৰ শাস্ত্ৰ কবিতা গুচাবয়ে খোজে, আমি ধৰো গোৰত, তুমি হোৱা আগে। তেহে আদ্যে উত্তৰা কৰিছে। কাপোৰ-গাবি দৰে আগ-গোৰ সমে ৰল, উপদেশ আঁচুফুল হ'ল। আগে উপদেশ নাই 'শুভ' 'শুভ'হে আছিল আধ্যাত।"

মাধৱ কন্দলিৰ ছপা ৰামায়ণত এতিয়াও শঙ্কৰদেৱ আৰু মাধৱদেৱৰ উত্তৰা আৰু আদিকাণ্ড সন্নিৱেশিত হৈ আছে। মাধৱ কন্দলিয়ে এই দুই কাণ্ড নিজেও ৰচনা কৰিছিল নে নাই, তাৰ প্ৰমাণ নাই, কিন্তু পুৰণি ভক্তসকলে যে এই দুই কাণ্ডৰ সন্নিৱেশ ভক্তিৰ আঁচুফুল বুলি ধৰি লৈছিল, সেই বিষয়ত সন্দেহ নাই।

ভাটী অঞ্চলৰ নাৰায়ণ দাসে (শেষত ঠাকুৰ আতা নামে খ্যাত) যেতিয়া পাটবাউসীলৈ শঙ্কৰদেৱৰ ওচৰত ধৰ্ম ধৰিবলৈ আহে, তেতিয়া শঙ্কৰদেৱে সেই অঞ্চলৰ প্ৰধান প্ৰধান মানুহসকলৰ পৰিচয় সুধিলে। নাৰায়ণ ঠাকুৰে পীতাম্বৰ নামৰ কবিৰ পৰিচয় দি ক'লে যে, তেওঁ দশমৰ পদ ভাঙিছে। নাৰায়ণ দাসে শঙ্কৰদেৱৰ আদেশ অনুসাৰে ৰুক্মিণী-হৰণৰ পদ কেইফাকি মাতি শুনালে। তাৰ ভিতৰত এফাকি আছিল "কোন অঙ্গে খুন দেখি নাইলা যদুমণি।" ৰুক্মিণীদেৱীয়ে শ্ৰীকৃষ্ণ অহাত

পলম হোৱা দেখি এইদৰে বিলাপ কৰি কান্দিছে। পদ শুনিয়েই শঙ্কৰদেৱে নাৰায়ণ ঠাকুৰক আৰু পদ গাবলৈ হাক দি ক'লে,

গৰ্ব-পৰ্বতত সিটো উঠিয়া আছয় ॥"
ধৰ্ম ধৰিবাৰ সিটো যোগ্য নোহে লোক।

পদফাকিত পৰমপুৰুষৰ প্ৰেমত বিভোল ৰুক্মিণীদেৱীক যি কদৰ্য নায়িকাৰ দৰে চিত্ৰিত কৰা হৈছে সি নিষ্কাম ভক্তি-ধৰ্ম-প্ৰৱৰ্তক শঙ্কৰদেৱৰ মানত নগ্ন কামুকতাৰ নিলাজ বুভুক্ষাৰ দৰে প্ৰতিভাত হ'ল।

বৰগীত আৰু পুৰণি সাহিত্যৰ আন আন গীতবোৰৰ পাৰ্থক্য এয়ে। বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণেই সেইবোৰক 'বৰ' গীত বোলা হয়। ইংৰাজ কবি হেৰিকেও (Herrick) কেতবোৰ আধ্যাত্মিক ভাবৰ কবিতা ৰচনা কৰি সেইবোৰৰ নাম দিছিল 'Noble Numbers'; আমাৰ সাহিত্যতো বৰগীতবোৰ Noble Numbers.

এতিয়া দেখা গ'ল যে, পুৰণি সাহিত্যত গীতৰ প্ৰাচুৰ্য থাকিলেও বৰগীতবোৰ ভাব আৰু ভাষাত অতিশয় বেলেগ ধৰণৰ। সাহিত্য আৰু ধৰ্ম-জগতত সেইবোৰে নতুন যুগৰ আগমন সূচনা কৰিছিল। এফালে লোকৰঞ্জন আৰু আনফালে অতৰ্কিতভাৱে আধ্যাত্মিকতাৰ ওখ আদৰ্শলৈ জন-সমাজৰ মন আকৰ্ষণ—এয়ে অসমীয়া গীত-সাহিত্যত বৰগীতৰ ঐতিহাসিক বিশেষত্ব।

গুৰু-চৰিতত উল্লেখ আছে যে, গুৰুজনে আদিতে বাৰকুৰি (২৪০ টি) বৰগীত ৰচনা কৰিছিল। বৰপেটাৰ কমলা গায়ন নামে এজনে আওৰাবলৈ নিয়ে। চ'তমহীয়া বন পোৱা জুইত ঘৰ পোৰাত সেইবোৰ পুৰিলে। গুৰুজনে খেদকৈ বোলে, "বৰা পো, অনেক শ্ৰমকৈ গীত খানি কৈলো, পুইলে। গীত কিছু কৰাঁ। আমি নকৰোঁ আৰু।" গুৰু-বাক্য মনত ধৰি মাধৱদেৱে নকুৰি এঘাৰটা (১৯১ টি)[১] বৰগীত ৰচনা কৰিলে। প্ৰচলিত ছপা বৰগীত পুথিত এই সংখ্যাৰ অলপ তাৰতম্য দেখা যায়। কিন্তু মাধৱদেৱৰ ৰচিত গীতৰ সংখ্যা যে কিয় বেছি, ইয়াৰপৰা বুজা যায়।

সকলো জাতীয় আৰু মহাজাতীয় আন্দোলনক সাহিত্যই বতাহে বন পোৱা জুইক সহায় কৰাৰ দৰে সহায় কৰে। সাহিত্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব নোৱাৰিলে কোনো আন্দোলনেই যুগমীয়াকৈ তিষ্ঠিব নোৱাৰে; আৰু গীতেই আন্দোলনৰ সহায়কাৰী সাহিত্যৰ প্ৰধান অঙ্গ। নাট-পদ আদিতকৈও গীতবোৰে শঙ্কৰদেৱৰ বৈষ্ণৱ আন্দোলনক বিপুলভাৱে সহায় কৰিছিল। পাখি লগা কাঁড়ৰ দৰে শঙ্কৰ আৰু মাধৱদেৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল ত'তে নৱ আধ্যাত্মিক ভাবৰ গুটি সিঁচিছিল। চৰিত-পুথিবোৰত বৰগীতে কেনেকৈ প্ৰধান প্ৰধান শিষ্যসকলক শঙ্কৰদেৱৰ ওচৰলৈ আকৰ্ষণ কৰি আনিছিল, তাৰ উল্লেখ আছে। নাৰায়ণ ঠাকুৰে ভাস্কৰাচাৰ্যৰ মুখে শঙ্কৰদেৱৰ গুণ-গৰিমা শুনি তেওঁৰ ওচৰত ধৰ্ম ধৰিবলৈ আহি বাটত খাগৰিকটীয়া ভকত কেতবোৰৰ মুখত "মন মেৰি ৰাম-চৰণহি লাগু", এই গীতটোৰ ভণিতাত শঙ্কৰদেৱৰ নাম শুনি খাগৰিকটীয়াসকলৰ নিৰ্দেশ অনুসাৰে শঙ্কৰদেৱৰ পদ-প্ৰান্তত

১ এই ১৯১টিৰ ভিতৰত মহাপুৰুষ শঙ্কৰদেৱৰ ৩৪টি গীতো পৰে।—সম্পাদক

উপস্থিত হ'লহি। ৰামৰায় আতাৰ কন্যা কমলপ্ৰিয়াদেৱীৰ মুখত "পামৰ মন ৰাম-চৰণে চিত্ত দেহু" এই গীতটো শুনি তেওঁৰ স্বামী চিলাৰায় দেৱানে শঙ্কৰৰ মহিমা বুজি তেওঁৰ শৰণ প্ৰাৰ্থনা কৰে। শিষ্যত্ব গ্ৰহণ কৰাৰ পিছত চিলাৰায় দেৱানে শঙ্কৰদেৱৰ বৈষ্ণৱ-ধৰ্ম-প্ৰচাৰত কিমান সহায় কৰিছিল, সেইটো ইতিহাসৰ কথা।

ৰচনাৰ মাধুৰ্য আৰু ভাবৰ গাম্ভীৰ্যৰ লগে লগে বৰগীতবোৰৰ লোকপ্ৰিয়তাৰ আন এটি কাৰণ হৈছিল মাধৱদেৱৰ সুগায়কত্ব। মাধৱদেৱ এফালে যেনে মৰ্মস্পৰ্শী কবি, আনফালে তেনে মনোমুগ্ধকাৰী সুগায়ক আছিল। এখন পুৰণি পুথিত মাধৱদেৱৰ গীতি-নৈপুণ্যক লক্ষ্য কৰি কোৱা আছে যে, তেওঁ আগৰ জন্মত গন্ধৰ্ব আছিল। আৰু পুৰণি কালত এনে এটি সময় আহিছিল যে, ভণিতাত মাধৱদেৱৰ নাম নাথাকিলে কোনো গীতেই ভক্ত-সমাজত গৃহীত নহৈছিল। সেই কাৰণে দেখা যায় ৰাতিখোৱা আদি সম্প্ৰদায়ৰ ভক্তসকলৰ মুখে মুখে বাগৰি ফুৰা দেহ-বিচাৰৰ গীতবোৰৰ ভণিতাতো মাধৱদেৱৰ নাম আছে। আজিকালিও গাঁৱলীয়া মানুহবোৰে গীত ৰচনা কৰি কেতিয়াবা "কহয় মাধৱ দাসে" বুলি ভণিতা পেলায়।

এইবোৰ কাৰণে বৰগীতবোৰৰ ইমান বিস্তৃতি ঘটিছিল যে মৰুভূমিত উটে পানীৰ গোন্ধ লৈ জলাশয় বিচৰাৰ দৰে তৃষিত মানৱসকলেও বৰগীতৰ ধ্বনি-প্ৰতিধ্বনিক লক্ষ্য কৰি গুৰু দুজনাৰ ওচৰত উপস্থিত হৈছিল।

আটাইবোৰ বৰগীতৰ ৰচনা কাল আৰু উপলক্ষ্য নিৰ্দ্ধাৰণ কৰিব নোৱাৰি। চৰিত-পুথিবোৰত কেতবোৰৰহে ৰচনাৰ সময় আৰু উপলক্ষ্যৰ কথাৰ উল্লেখ আছে। কিন্তু গীত বা কবিতা হিচাপে বৰগীতবোৰৰ সৌন্দৰ্য এই প্ৰশ্নটিৰ ওপৰত নিৰ্ভৰ নকৰে দেখি সেইটোৰ আলোচনা ইয়াত কৰা নহ'ল।

নাট-পদ আদিবোৰৰ দৰে বৰগীতবোৰতো ভগৱান কৃষ্ণৰ বিশাল পুৰুষত্ব ফুটি ওলাইছে। বৰগীতবোৰৰ বেছি ভাগতেই এফালে কৃষ্ণৰ পৰমপুৰুষত্ব আৰু আনফালে দহজনৰ এজন হৈ মানৱী লীলা প্ৰকাশ—এই দুফলীয়া ব্যক্তিত্বৰ বিকাশ দেখা যায়। ধাতুৰ মুদ্ৰা এটিৰ এফালে ৰজাৰ চাব আৰু আনফালে মুদ্ৰাটিৰ বেচকেৰিৰ উল্লেখ থকাৰ দৰে গীতবোৰতো এফালে পৰমপুৰুষৰ মানৱী লীলাৰ ব্যক্তিত্বৰ চাব আৰু আনফালে ভক্তৰ ভাবাত সেই চাৰখিনিৰ মূল্যৰ ইঙ্গিত আছে। শঙ্কৰদেৱৰ ৰচিত যিবোৰ গীত এতিয়াও আছে, সেই আটাইবোৰেই প্ৰাৰ্থনাসূচক। মানৱ জীৱন দুষ্প্ৰাপ্য অথচ ক্ষণভঙ্গুৰ আৰু মায়াময়; হৰি-ভকতি মোহাচ্ছন্ন জীৱন-সমুদ্ৰত ধ্ৰুৱ-তৰা,—এয়ে নানা ভাব আৰু ভাষাত শঙ্কৰদেৱৰ গীতবোৰৰ সাধাৰণ তাৎপৰ্য। মাধৱদেৱৰ ৰচিত গীত কেতবোৰতো এই ভাবৰ পুনৰুক্তি আছে। কিন্তু তেওঁৰ বেছি ভাগ গীততেই শিশু কৃষ্ণৰ বাল্য-জীৱনৰ ৰঙ-বিৰঙৰ চিত্ৰ ফুটি ওলাইছে। আন আন প্ৰবন্ধত দেখুওৱা হৈছে যে, বাৎসল্য-প্ৰেম মাধৱদেৱৰ ভক্ত-জীৱনৰ সৰ্বস্ব। গীত, পদ, নাট সকলোবোৰতেই তেওঁ শ্ৰীকৃষ্ণৰ শিশু-চৰিত্ৰ সজীৱ কৰি তুলিছে।

ল'ৰা কৃষ্ণৰ লীলা-ক্ষেত্ৰ ব্ৰজ। যাৰ লীলা-খেলাৰ প্ৰধান প্ৰধান ভাৱৰীয়াসকল হৈছে— যশোদাদেৱী, স্বয়ং কৃষ্ণ, দাম, সুদাম আদি গৰখীয়া ল'ৰাবোৰ আৰু ৰাধিকা আদি গোৱালিনীসকল। এই নিৰীহ প্ৰাণীসকলৰ স্নেহ আৰু ভক্তিৰ গুণত আপোনা-আপুনি মেৰপাক খাই পৰমপুৰুষে গৰখীয়া ল'ৰাৰ ভাও ধৰি নানা ৰং-ধেমালিৰ অৱতাৰণা কৰিছে। তীব্ৰ ভাস্বৎ সূৰ্যৰ পোহৰে পাত্ৰভেদে স্নিগ্ধ, মধুৰ কিৰণ বিলোৱাৰ দৰে পৰমপুৰুষেও পাত্ৰভেদে এই অজলা প্ৰাণীসকলৰ ভিতৰত সৰল মাধুৰ্য প্ৰকাশ কৰি সকলোৰে মন হৰণ কৰিছে।

পুৱাতেই যশোদাদেৱীয়ে কৃষ্ণক গৰু চৰাবলৈ জগাই দিয়ে। দাম, সুদাম আদি গৰখীয়াসকলৰ লগত শিকিয়াত ভাত বান্ধি লৈ গৰু চাৰি গধূলি উভতি আহি বনৰ পাতে গাটো কাটিলে বুলি মাকৰ আগত অভিমানকৈ একো নোখোৱাকৈ শুই থাকিবৰ দিহা কৰে। আথেবেথে মাকে আহি খীৰ-ননী, আদি গাত ঘঁহি গাটো জুৰাই দিয়ে। কেতিয়াবা ভোক লাগিছে বুলি পেটত হাত বুলাই মাকৰ আগত কান্দে। কেতিয়াবা আকৌ আনৰ লগত খৰিয়াল কৰি মাকৰ ভয়ত লুকাই ফুৰে। ইত্যাদি নানা ধৰণৰ হুবহু শিশু-চৰিত্ৰৰ কল্পনা-নৈপুণ্যত বৰগীতবোৰে কবিতা হিচাপে জগতৰ কাব্য-সাহিত্যত অতি ওখ ঠাই লাভ কৰিব পাৰে।

ভাৰতীয় প্ৰাদেশিক বৈষ্ণৱ সাহিত্যত এনে ধৰণৰ কবিতা অতি বিৰল। আন আন ৰস-প্ৰকাশক গীত-কবিতা আন আন সাহিত্যত বহুত আছে। কিন্তু বাৎসল্য-ৰস-প্ৰকাশক এনে ধৰণৰ গীত-কবিতা নাই বুলিলেই হয়। বৈষ্ণৱ-ইতিহাসত মহাৰাষ্ট্ৰীয় ভক্ত তুকাৰামৰ গীত কেতবোৰত বাৎসল্য-ৰস ফুটি ওলোৱা বুলি শুনা যায়। কিন্তু তেওঁৰ মূল কবিতাবোৰৰ লগত পৰিচয় নথকাত সেই বিষয়ত কোনো মতামত দিব নোৱাৰি।

কিন্তু বাৎসল্য-ৰসতেই বৰগীতবোৰৰ বিচিত্ৰ ভাবৰ ওৰ পৰা নাই। পাৰিপাৰ্শ্বিক অৱস্থা স্নেহাভিষিক্ত হ'লে সৰু ল'ৰা এটিয়ে যেনেকৈ মুকলি মনেৰে নানান ধেমালি কৰিব পাৰে, সেই সকলোবোৰ ধেমালিয়েই ভক্তৰ মনত লীলা-কৌতুক হিচাপে গীতবোৰত ফুটি ওলাইছে। শ্ৰীকৃষ্ণক কেতিয়াবা বা গোৱালিনীসকলে খীৰ, লৱনু হাতত দি তেওঁক নচুৱাই তৃপ্তি লাভ কৰিছে। ভক্ত কবিয়ে "ত্ৰিজগত পতিৰ ৰাখোৱাল ৰূপৰ" তুলনা নেপাই কেতিয়াবা তেওঁক গোৱালিনীসকলৰ পুঞ্জীভূত প্ৰেম বুলি কল্পনা কৰিছে—

কানাইৰ ৰূপৰ উপমাৰ কিবা ক্ষেম।
একপুঞ্জ হুয়া আছে গোপিনীৰ প্ৰেম॥
সকল জগতে বোলে কানাই কলীয়া।
কালা নোহে শ্যাম ৰূপ ধৰিছে অমিয়া॥

গোপীসকলৰ আলাসৰ লাক হ'লেও বিদ্যাপতি, চণ্ডীদাস আদি কবিসকলৰ পদাৱলীৰ দৰে

তেওঁলোকৰ লগত শ্ৰীকৃষ্ণৰ অবৈধ প্ৰেমৰ কোনো চিত্ৰ নাই। শ্ৰীকৃষ্ণ বৃন্দাবনৰ অধিষ্ঠাতা দেৱতাৰ নিচিনা আছিল আৰু জীৱ-জন্তুৰ কথাকেই নকওঁ, তৃণ-তৰু আদিয়েও তেওঁৰ প্ৰভাৱ অনুভৱ কৰিছিল। অন্ততঃ তেনেভাৱেই গোকুল-বাসীসকলে তেওঁৰ অস্তিত্ব স্বীকাৰ কৰিছিল। কিয়নো, শ্ৰীকৃষ্ণ যেতিয়া গোকুল এৰি মথুৰালৈ যায়, তেওঁলোকে এইদৰে খেদ কৰিছিল—

কি কহবো উদ্ধৱ কি কহবো প্ৰাণ।
গোবিন্দ বিনে ভয়ো গোকুল উছান॥
শূন্য ভৈল আঙ্গিনা বিৰিন্দা বিপিন।
নাশোভে ৰজনী জৈছে চান্দ-বিহীন॥
নাহি চৰাৱৰ ধেনু কালিন্দী-কূল।
আৰ সুশুনব বেণু কদম্বকু মূল॥
মথুৰা বহল সৱ গোপিনীক পিউ।
কেশৱ বিনে কৈছে ধৰব জীউ॥

এই নানা ৰঙৰ চিত্ৰৰ ভিতৰত ভক্ত কবিয়ে কিভাৱে নিজৰ লগত এই নানান ৰূপ-বিকাশৰ সম্বন্ধ দেখিছিল, সেইটো উল্লেখযোগ্য। এইবোৰ ৰূপ কবিৰ মানস-সৰোবৰত ভাহি থাকিলেও তেওঁৰ অন্তৰৰ দৃষ্টি আছিল মানৱ-ৰূপী ভগৱানৰ চৰণত।

বৈকুণ্ঠৰ পতি প্ৰভু বনে চাৰে ধেনু।
কহয় মাধৱ গতি কানু-পদ-ৰেণু॥

'পদ-ৰেণু'-সেৱা বা দাস্য-ভাবেই শঙ্কৰ আৰু মাধৱদেৱৰ সাধক-জীৱনৰ মূল ভাব আৰু এই ভাবতেই তেওঁলোকৰ সকলো সাহিত্যই বুৰ গৈ আছে। সেই বিষয়ে ইয়াত আলোচনা কৰা নিষ্প্ৰয়োজন।

আমাৰ বৰগীতবোৰৰ নিচিনা ভাৰতীয় আন আন ভাষাতো তেতিয়াৰ দিনত নানা-ৰস-ৰঞ্জিত আধ্যাত্মিক গীত আছিল। কবীৰ, মীৰাবাঈসকলৰ নামে গীত-সাহিত্যত অতি ওখ ঠাই অধিকাৰ কৰি আছে। বৈষ্ণৱ-আন্দোলনে ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈ যি আধ্যাত্মিক ভাবৰ খলক লগাইছিল, যি ভক্তিৰ উচ্ছ্বাস সজাগ কৰি তুলিছিল, আমাৰ বৰগীতবোৰ সেই খলক আৰু উচ্ছ্বাসৰ প্ৰতিধ্বনি মাথোন। ভাৰতৰ এচুকত পৰি থাকিলেও বৰগীত আদি কৰি অসমীয়া বৈষ্ণৱ কবিসকলৰ পদাৱলীবোৰে ভাৰতৰ আন আন ঠাইৰ লগত অসম-বাসীৰ শিক্ষা-দীক্ষা আদিৰ ঐক্য-ভাবৰ পৰিচয় দিয়ে।

নামঘোষা

সাম্প্ৰদায়িক উৎপীড়নত কামৰূপ ৰাজ্য এৰি গৈ কোচবিহাৰৰ অন্তৰ্গত ভেলাডোঙাৰত সত্ৰ পাতি থাকোঁতে মহাপুৰুষ মাধৱদেৱে জীৱনৰ শেষ ভাগত এই অনুপম ঘোষা গ্ৰন্থ ৰচনা কৰে।

নামঘোষাই অসমীয়া জাতীয় সাহিত্যত গীতা, উপনিষদ আদিৰ ঠাই অধিকাৰ কৰি আছে। একশৰণ ধৰ্মৰ মাহাত্ম্য-প্ৰতিষ্ঠাপক গ্ৰন্থ নামঘোষাত বাজে অসমীয়া ভাষাত আৰু দ্বিতীয় নাই। শঙ্কৰদেৱৰ কীৰ্তন পুথিত গল্পৰ ছলেৰে উপদেশ আছে আৰু তেওঁৰ 'ভক্তি-ৰত্নাকৰ' আৰু ভট্টদেৱৰ 'ভক্তি বিবেক' এই দুখন গ্ৰন্থ ভক্তি-গৌৰৱ-পৰিচায়ক হ'লেও মূল সংস্কৃত শ্লোক কেতবোৰৰ সংগ্ৰহ মাথোন। সেই দেখি এই দুখনক জাতীয় সাহিত্যৰ ভিতৰুৱা বুলি ধৰিব নোৱাৰি। এই দুখনত বাজেও গোপাল মিশ্ৰ নামে বৈষ্ণৱ পণ্ডিত এজনাৰ 'ঘোষা-ৰত্ন' নামে অসমীয়া পদত লিখা প্ৰায় সম-বিষয়ক গ্ৰন্থ এখন আছে। কিন্তু ভাষাৰ সৌষ্ঠৱ, ভাবৰ ঐক্য, একাগ্ৰতা আৰু প্ৰগাঢ়তাত ই নামঘোষাৰ বহুত তলৰ শ্ৰেণীৰ পুথি; আৰু যি যি গুণৰ অৱস্থিতিয়ে নামঘোষাক বিচাৰ-গ্ৰন্থৰ শাৰীৰপৰা সাহিত্যৰ ভিতৰলৈ আনে ঘোষা-ৰত্নত সেইবোৰ সমূলি অবৰ্তমান।

নামঘোষা আৰু ওপৰত উল্লেখ কৰা আন গ্ৰন্থবোৰ শিক্ষা-মূলক সাহিত্যৰ ভিতৰত পৰে আৰু একেবাৰে শিক্ষামূলক হ'লে কোনো গ্ৰন্থৰেই লোক-সাহিত্য হিচাপে বিশেষ মূল্য নেথাকে, যদিওবা শিক্ষা অতি ওখ ধৰণৰে হয়। কিন্তু নামঘোষা বিশুদ্ধ উপদেশমূলক নহয়। ই মহানুভৱ পুৰুষ এজনাৰ আত্ম-প্ৰকাশ মাথোন।

নামঘোষাৰ ৰচনা কাল বিবেচনা কৰিব লগীয়া। সকলো মহা সাহিত্যৰ ওপৰতে কালৰ জটিল প্ৰভাৱবোৰৰ ছায়া পৰে। নামঘোষাৰো ঠায়ে ঠায়ে কালৰ প্ৰভাৱ ধৰিব পৰা যায়। নামঘোষা ৰচনাৰ বহুত আগতেই শঙ্কৰদেৱৰ তিৰোভাৱ হয়। সাম্প্ৰদায়িক বিদ্বেষত ৰঘু ৰজাৰ হাতত নিগ্ৰহ ভোগ কৰি নিজ তত্বাৱধানত সজাই লোৱা আদৰৰ বৰপেটা থান এৰি থৈ গৈ মাধৱদেৱ তেতিয়া ভেলাডোঙাৰত প্ৰৱাস খাটি আছিল। কোচবিহাৰতো তেওঁৰ দিন নিৰুপদ্ৰৱে যোৱা নাছিল। তাতো তেওঁ খলৰ হাতত সময়ে সময়ে লাঞ্ছনা ভোগ কৰিব লগাত পৰিছিল। পাণ্ডিত্য, আভিজাত্য আৰু আধ্যাত্মিকতাৰ সম্মোহিনী গুণত যি মহাপুৰুষে ৰজা-প্ৰজা, শত্ৰু-মিত্ৰ সকলোকে এডাল ভক্তিৰ সূতাৰে মেৰাই লৈছিল, মাধৱদেৱৰ লগত তেতিয়া সেই সৰ্বতোমুখী প্ৰতিভাশালী গুৰুদেৱৰ শক্তি-প্ৰদায়িনী স্মৃতি মাথোন বৰ্তমান আছিল। সেই দেখি খল, সূচকসকলৰ হিংসা-দ্বেষ, নিগ্ৰহ-লাঞ্ছনা সকলোকে

মাধৱদেৱে অকলশৰে বুকু পাতি সামৰি ল'ব লগাত পৰিছিল। তাত বাজেও নৱ-প্ৰৱৰ্তিত বৈষ্ণৱ-সম্প্ৰদায়ৰ ভিতৰত বেলেগ বেলেগ ভিন্ন মতে দেখা দিছিল। এই সন্ধি-ক্ষণত ৰচনা কৰা নামঘোষা গ্ৰন্থক শঙ্কৰ-স্মৃতি-মণ্ডিত মাধৱদেৱৰ পূৰ্ণব্ৰহ্ম-স্বৰূপ কৃষ্ণৰ প্ৰতি একান্তিকা ভক্তিৰ বিৰাট ঝঙ্কাৰ বুলিব পাৰি।

নামঘোষাত প্ৰধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ-সাগৰৰ ফালে প্ৰধাৱমান হৈছে—পুণ্য-শ্লোক শঙ্কৰ-স্মৃতি, মাধৱদেৱৰ আত্ম-লঘিমা আৰু কৃষ্ণ-ভক্তি-মাহাত্ম্য। কিন্তু হিমালয়ৰ নিভৃত শৃঙ্গৰ ওপৰত স্তুপীকৃত হৈ থকা এক অনন্ত তুহিনৰাশিয়েই গলি গৈ ভৈয়ামত নানান নদ-নদীস্বৰূপে অৱতীৰ্ণ হোৱাৰ দৰে, এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আৱেগ। ইংৰাজী কবিতাত ৰাজহাঁহ জাতীয় এবিধ চৰাইৰ (swan) উল্লেখ পোৱা যায়। সি হেনো অন্তিম কালত নৈত উটি গৈ গীত গাই গাই গীততেই পমি গৈ মৰে। নামঘোষা মাধৱদেৱৰ শেহ ৰচনা। ই তেওঁৰ তিৰোধানৰ বহুত আগতেই ৰচিত নহয়। ইয়াক "পৰম আনন্দ-সাগৰত" উটি যোৱা মাধৱদেৱৰ মহাপ্ৰাস্থানিক গীত বুলিব পাৰি—"গুৰু ভৈলা তাত কৰ্ণধাৰ, কৃষ্ণ ভৈল অনুকূল বায়ু"। গুৰু-স্মৃতি শিৰোগত কৰি, কৃষ্ণ-নাম হৃদয়ত ধৰি, নামঘোষা মহাগীতৰ ভিতৰেদি হৃদয়ৰ একান্ত ভক্তি-ৰস ঢালি দি "সমস্তসাক্ষিং সদসদ্বিহীনং প্ৰয়াতি শুদ্ধং পৰমাত্মৰূপম্" (কৈৱল্যোপনিষৎ)।

নামঘোষাৰ প্ৰতিপাদ্য বিষয় অলপ কথাৰেই ক'ব লাগিলে তলত দিয়া পদফাকিৰেই ক'ব পাৰি —

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহোঁ ভকতি।
সমস্ত-মস্তক-মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।

যি ভকতে মুক্তি-সুখকো বাঞ্ছা নকৰি ভক্তিহে বিচাৰে তেনে নাৰদীয় ভক্তিৰ মানৱ মূৰ্তি তেওঁৰ গুৰুদেৱ শঙ্কৰ আৰু তেওঁৰ শাৰীৰ ভকতসকলৰ নমস্কাৰ কৰি, দেৱ যদুপতিৰ নামত আত্মবিলোপ কৰি ৰসসিক্ত ভক্তিহে তেওঁ আকাঙ্ক্ষা কৰে। প্ৰায় এহেজাৰ পদৰ ভিতৰেদি নানান ছন্দ নানান গাথাত এই ভাব-ত্ৰিধাৰাৰেই প্ৰকাশ হৈছে।

গ্ৰন্থৰ ভিতৰত ভক্তি-গৌৰৱ-প্ৰতিষ্ঠাপক বিচাৰ নানান মনোজ্ঞ ছন্দোময়ী ভাষাত থাকিলেও কেৱল সেইবোৰৰ গুণে গ্ৰন্থখন ডাঙৰ নহয়। বিশুদ্ধ বিচাৰ-বুদ্ধিৰ দ্বাৰা অশেষ দুৰ্জ্জ্ৰেয় ভাবৰ অৱতাৰণা কৰিব পাৰি আৰু দাৰ্শনিক তথ্য হিচাপে সেইবিলাকৰ ঠাই অতি ওখ হ'লেও প্ৰকৃত সাহিত্য ক্ষেত্ৰত সিবিলাকৰ তিমান মূল্য নেথাকিব পাৰে। সাহিত্যৰ ফালৰপৰা চাব লাগিব, সেই ভাববোৰৰ ভিতৰেদি লেখকে ব্যক্ত কিমানখিনি আত্মাভিব্যক্তি কৰিব পাৰিছে।

এপিনে যেনেকৈ মাধৱদেৱে নিজৰ ৰচিত গীত, নাটক আদিত বাৎসল্য-ভক্তিৰ পৰাকাষ্ঠা দেখুৱাইছে, আনপিনে তেনেকৈ নামঘোষাতো হৃদয়ৰ ভক্তিৰ আবেগ ঢালি দি দাস্যভাৱক কবিত্বৰ চৰম সীমালৈ

লৈ গৈছে। বাৎসল্য-ৰসৰ উদয়াচলত আৱিৰ্ভূত হৈ দাস্য-ভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য-প্ৰতিভা মাৰ গৈছে।

সংসাৰ-ত্যাগী মাধৱদেৱক দাস্য-ভক্তিৰ মূৰ্তিমান স্বৰূপ বুলিব পাৰি। ঘোষা-ৰত্নৰ কবি গোপাল মিশ্ৰই গুণগ্ৰাহী ভাষাৰেই মাধৱদেৱৰ প্ৰকৃতি বৰ্ণনা কৰিছে—“শ্ৰীমন্ত মাধৱ নাম ধৰি, বিষয়-সুখক পৰিহৰি, কৃষ্ণ যশৰস কৰিলা সিটো বিস্তাৰ।” পৰম বৈৰাগ্যৰ পৰিপোষক চিৰকৌমাৰ্য-ব্ৰত অৱলম্বন কৰি মাধৱদেৱ আজীৱন কৃষ্ণ-যশ-ৰসতেই ডুবি আছিল। সংসাৰত যেনেকৈ তেওঁ নিজৰ পৰিচয় দিবলৈ তেজৰ সম্বন্ধ ৰাখি যোৱা নাই, সাহিত্য-ক্ষেত্ৰতো মাধৱদেৱে কোনো ঠাইতে আত্ম-পৰিচয় দি যোৱা নাই। আত্মাৰাম ভাৱ মাধৱ-চৰিত্ৰৰ কেন্দ্ৰস্থান। বৈষ্ণৱ আন্দোলনত ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈকে যিসকল মহানুভৱ কবি ওলাইছিল, সেই সময়ৰ ৰীতি অনুসাৰে তেওঁলোকে নিজ নিজ কবিতাৰ ভণিতাত নাইবা ঠাই বিশেষে গ্ৰন্থৰ ভিতৰতো আপোন আপোন বংশ আদিৰ পৰিচয় দি থৈ গৈছে। সেই অনুসাৰে আমাৰ দেশতো হেম সৰস্বতী, মাধৱ কন্দলি, ৰাম সৰস্বতী, এনেকি স্বয়ং শঙ্কৰদেৱেও নানান ঠাইত বংশ, জন্ম-ঠাই আদিৰ পৰিচয় দি গৈছে। অনন্ত কন্দলিয়ে এঠাইত এনেকৈও কৈ গৈছে যে তেওঁ সংস্কৃতত পৰ্যন্ত কাব্য আদি ৰচনা কৰিব পাৰে, কেৱল লোক-শিক্ষাৰ নিমিত্তেহে অসমীয়াত পদ ৰচনা কৰিছে। কিন্তু পৰম বিৰক্ত মাধৱদেৱে কোনো গ্ৰন্থতেই বংশ বা আত্ম-পৰিচয় দি যোৱা নাই। আত্ম-লঘিমা মাধৱ-চৰিত্ৰৰ এটি প্ৰধান লক্ষণ।

বৈষ্ণৱ কবিসকলে ভণিতাত নামৰ আগত প্ৰায়েই বিশিষ্ট বিশেষণ শব্দ লগাই দিয়ে। শঙ্কৰদেৱৰ নামৰ আগত পহিলা জীৱনত ৰচিত পুথিত কায়স্থ শব্দ আৰু শেহৰফালে ৰচিত পুথিত ‘কৃষ্ণৰ কিঙ্কৰ’ কথা-ফাকি থাকে। অনন্ত কন্দলি, ৰাম সৰস্বতীসকলৰ নামৰ আগত কেতিয়াবা গৌৰৱসূচক উপাধিবোৰ থাকে আৰু কেতিয়াবা একো নেথাকে। আন ব্ৰাহ্মণ কবিসকলৰ নামৰ আগত কেতিয়াবা দ্বিজ শব্দটো থাকে, কেতিয়াবা একোৱেই নেথাকে। কিন্তু মাধৱদেৱৰ নামৰ আগত লগোৱা প্ৰিয় বিশেষণ শব্দ হয় ‘দীন’, নহয় ‘মূৰুখমতি’। ইও কেৱল মাধৱচৰিত্ৰৰ আত্ম-লঘিমা-নিৰ্দ্দেশক মাথোন।

এপিনে বৰগীতৰ অন্তৰ্গত মাধৱদেৱৰ শিশু-কৃষ্ণ-বিষয়ক গীতবোৰ যেনে বাৎসল্য ৰসৰ, আনপিনে তেনে নামঘোষাৰ অন্তৰ্গত করুণ স্তুতিৰ গীতবোৰো দাস্য-ভাৱৰ উৎকৰ্ষ-প্ৰকাশক। ভাৱৰ প্ৰগাঢ়তা আৰু আনুষঙ্গিক হৃদ্যতা গুণত সেইবোৰক পৃথিৱীৰ বেলেগ বেলেগ সম্প্ৰদায়ৰ মূল ধৰ্মগ্ৰন্থবোৰৰ প্ৰাৰ্থনা-সঙ্গীতবোৰৰ লগত ৰিজাব পাৰি। নামঘোষাৰ অন্তৰ্গত স্তুতি-গীতবোৰৰ বাহিৰে দৈন্য-করুণা-বিগলিত কবিতা ভাৰতীয় বৈষ্ণৱ সাহিত্যত বৰ প্ৰচুৰ নহয়। মহাৰাষ্ট্ৰীয় বৈষ্ণৱ কবি তুকাৰামৰ কবিতাবোৰতহে তাক সমান জোখেৰে পোৱা যায়। তলত দুই-চাৰিটা পদ উদ্ধাৰ কৰি দিয়া হ’ল—

মোৰ সম পাপীলোক নাহিকে ই তিনি লোক
তুমি সম নাহি পাপহাৰী।

ইজানি গোবিন্দ মোক যেন বুজাই কৰিয়োক
তুৱা পদে কৰোহোঁ গোহাৰি ॥

* * *

হৰি ও হৰি কৰুণা-সাগৰ
কৰিয়ো কৃপা আমাক।
প্ৰিয়তম আত্মা সখা ইষ্ট গুৰু
মানিয়া আছো তোমাক ॥

* * *

চৰণত ধৰো কাতৰ কৰোহো
ইবাৰ নেৰিবা মোক।

'ইবাৰ নেৰিবা মোক'—কথাষাৰ বৰ মৰ্মস্পৰ্শী; অসংখ্যবাৰ এই সংসাৰ-চক্ৰত ঘূৰি ঘূৰি নিকাৰ ভুঞ্জিব লাগিছো, প্ৰভু ইবাৰ কিন্তু কৰ্ম-বন্ধনৰপৰা যেন মোক নিষ্কৃতি দিয়া!—কথাষাৰে প্ৰভুৰ পাদ-মূলত লোলুঠ্যমান কাতৰ ভক্তৰ করুণ ছবি এটি মনত সজাগ কৰি তোলে।

ঈশ্বৰৰ ওচৰত সৰ্বতোভাৱে আত্ম-সমৰ্পণ কৰিব লাগিলে মন, বুদ্ধি আদি সকলো ইন্দ্ৰিয়বৃত্তি-বোৰৰ ভিতৰেদি কুসুম-সুৰভিত হৰি-নামৰ প্ৰৱাহহে চলিব লাগে। 'ইবাৰ নেৰিবা মোক' আদি কাতৰোক্তিৰ পিছতো ভক্তই যেতিয়াই প্ৰভুৰ পাদ-মূলত আশ্ৰয় পাবৰ যোগ্য হয় নে নহয় বুলি নিজৰ ওপৰত অন্তদৃষ্টি স্থাপনা কৰে, তেতিয়াও একান্ত ভক্তৰ মনত সংশয়ৰহে উদ্ৰেক হয়। কাণ, চকু, জিভা, মন আদি ইন্দ্ৰিয় আৰু বৃত্তিবোৰেও ঈশ্বৰৰ গৌৰৱ-ধ্যান অৱহেলা কৰি নিজ নিজ স্বভাৱত চলা যেন দেখে। তেতিয়া হৃদয়ৰ কাতৰ্য ভাব ইন্দ্ৰিয়সকলৰ প্ৰতি ভৰ্ৎসনাত উদ্দীপিত হৈ উঠে। এই দীপ্ত ভাৱত কিন্তু প্ৰকৃত পৰিচালক ৰাগ, অভিমানৰ ছায়া নাই। ইয়াত জোনাকী পৰুৱাৰ প্ৰভা আছে, কিন্তু দাহিকাশক্তি নাই।

হে জিহ্বা সদা তই আমাত নিৰ্দয় ভৈলি
কেনে নোবোলস ৰাম-বাণী।
সংসাৰ সাগৰে ইটো হৰিহে সুদৃঢ় নাৱ
জানি হৰি বুলিও কল্যাণী ॥

* * *

শুনিয়োক চিত্ত হেৰ পৰম ৰহস্য বাণী
তুমি শুদ্ধ জ্ঞানৰ আলয়।
কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ পৰম ঈশ্বৰ দেৱ
নাছাড়িবা তাহান আশ্ৰয় ॥

শুনিয়োক বুদ্ধি তোৰ—ইত্যাদি প্ৰত্যেক পদতেই ইন্দ্ৰিয় আৰু চিত্তবৃত্তিবোৰক ঈশ্বৰাভিমুখী হ'বলৈ ভৎ‍ৰ্সনামিশ্ৰিত কাতৰ মিনতি কৰা হৈছে।

নামঘোষাৰ নামান্বয় খণ্ড অতি ৰহস্যময়। গ্ৰন্থৰ দ্বিতীয় পদতেই মাধৱদেৱে নিৰ্গুণ বিষ্ণুৰ সগুণ দশাৱতাৰৰ বৰ্ণনা কৰিছে। সগুণ উপাসনা ভক্তিৰ আদি স্তৰত আৱশ্যক হ'লেও, অসীম মানৱ হিয়াত একান্ত ভক্তিৰ সোঁত নামিলে, ভাদমহীয়া ঢলৰ পানী নৈৰ গৰা ভাঙি পাৰ বাগৰি যোৱাৰ দৰে ই সীমাবদ্ধ সগুণ উপাসনাত আবদ্ধ হৈ থাকিব নোৱাৰে। ভক্তিৰসত যেতিয়া সকলো চিত্তবৃত্তিবোৰ আলোড়িত হৈ উঠে, তেতিয়া ৰাম, কৃষ্ণ, নাৰায়ণ আদি সীমাবাচক মূৰ্তিৰ ভিতৰেদি এক বিৰাট, অখণ্ড, আনন্দময়, জ্যোতিৰ্ময়, সীমাহীন পদাৰ্থৰহে আভা দেখা যায়—"যমেব ভান্তমনুভাতি সৰ্ব্বং যস্য ভাসা সৰ্ব্বমিদং বিভাতি", তেতিয়া ৰাম, কৃষ্ণ আদি সগুণবাচক নামবোৰ এই অসীম ভাস্বৰ পদাৰ্থৰ জ্যোতিৰ্বাচক সাঙ্কেতিক চিহ্নত পৰিণত হয়গৈ। নামঘোষাৰ নামান্বয় খণ্ডক ৰাম, কৃষ্ণ আদি মূৰ্তিৰ ভিতৰেদি মাধৱদেৱৰ সমাধিদৃষ্ট বিশ্ব-ৰূপ-কল্পনা বুলিব পাৰি।

ৰামকৃষ্ণ পৰমহংসদেৱে নিৰ্গুণ ব্ৰহ্মত সমাধি ভঙ্গ হোৱাৰ পিছতো সগুণ কালী মূৰ্তিক 'মা মা' বুলি স্মৰণ কৰাৰ দৰে, মাধৱদেৱেও আনন্দ সাগৰত ডুব দি উঠাৰ পিছত সগুণ উপাস্য দেৱতা কৃষ্ণৰ নাম লোৱাৰ লগে লগে পাৰ্থিৱ গুৰু শঙ্কৰদেৱৰ স্মৃতি ক্ষণকাললৈও নেপাহৰে। এই যে বিপুল আনন্দৰ অনুভূতি, তাক কাৰ কৃপা-গুণত পোৱা হ'ল? নামঘোষাৰ যি যি ডোখৰতেই ঢৌৰ খলকনিৰ দৰে গভীৰ ভক্তি-ৰসৰ তোলপাৰ লাগিছে, সেই সেই ঠাইতেই মাধৱদেৱে আপোন-পাহৰা হৈ শঙ্কৰ-গৌৰৱত বিমোহিত হৈছে। শঙ্কৰদেৱৰ জীৱিতাৱস্থাতেই মাধৱদেৱে গুৰু-ভক্তিৰ নিদৰ্শন স্বৰূপে গুৰু-ভটিমাটো লিখে। নামঘোষাৰ বিৰাট আনন্দৰ উদ্বেল গতিতো শঙ্কৰ-স্মৃতিয়ে তেওঁক পোহৰ দিয়ে—

হৰিভক্তি ৰাজমাৰ্গ গুৰু পদ-নখ-চন্দ্ৰ-প্ৰকাশিত
শ্ৰুতি-জননীৰ পদপথ অনুসৰি।
ফুৰো হুয়া আমি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজনসৱে জানিবা নিশ্চয় কৰি॥

আকৌ—

হৰিনাম প্ৰেমৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিলা
সুখে পান কৰা সৰ্বজনে॥
শ্ৰীমন্ত শঙ্কৰ হৰি-ভকতৰ
জানা যেন কল্পতৰু।

তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু ॥ ইত্যাদি।

'ৰসময়ী ভকতি'ৰ ধাৰা কেতিয়াবা কৃষ্ণ-মহিমা, কেতিয়াবা গুৰু-কৃপা আৰু কেতিয়াবা আত্ম-গ্লানি আদি নানান প্ৰৱাহত জলপ্ৰপাতৰ দৰে অবিৰাম সোঁতত ব'ব লাগিছে।

ৰামকৃষ্ণ পৰমহংসদেৱে কোৱা এটি সুন্দৰ সাধু-কথা আছে। তিনিজন মানুহে এখন বিতোপন ফুলনিৰ বাতৰি পাই চাবৰ মনেৰে বহুত দুখ-দুৰ্গতি সহ্য কৰি গৈ পালত দেখে যে, ফুলনিৰ চাৰিও-ফালে এখন দুৰ্লঙ্ঘ্য বেৰ। নানান উপায়ে বেৰৰ ওপৰত উঠি ফুলনিৰ শোভাত মোহিত হৈ, জঁাপ দি দুজন ফুলনিৰ ভিতৰতেই ৰৈ গ'ল, এজনে লগৰীয়াসকলক জ্ঞান দিবলৈ ফিৰি আহিল। পাৰমাৰ্থিক ক্ষেত্ৰত উন্নতি অহা তৃতীয়জনেই আদৰ্শ শিক্ষক। আন দুজনে আনন্দ-বিহ্বল হৈ ৰূপ-সাগৰত ডুবি থাকিল, তৃতীয়জনে সমদুখ পীড়িত আৰ্ত লগৰীয়াসকলক ৰূপসাগৰৰ জ্ঞান দিবলৈ উভতি আহিল। নামঘোষাৰ ভিতৰত যি মাধৱ-মূৰ্তি দেখা যায় সেই মূৰ্তি ওপৰত কোৱা তিনিজনৰ ভিতৰত তৃতীয়জনৰ শ্ৰেণীৰ। নামঘোষাৰ আদিৰপৰা অন্তলৈকে সংসাৰ-পীড়িত সকলো লোকৰ প্ৰতি সংক্ৰামক সহানুভূতিৰ প্ৰৱাহ এটিও আছে।

বিপথগামী মানৱ-প্ৰকৃতিৰ ওপৰত কোনো ঠাইতেই তেওঁ কঠোৰ আঘাত দিয়া নাই। সচৰাচৰ দেখা ধৰ্ম বা সমাজসংস্কাৰকসকলৰ দৰে তীব্ৰ ব্যঙ্গোক্তি তেওঁৰ নাই। ৰসময়ী ভক্তি যাৰ অন্তৰৰ প্ৰেৰণা, তেওঁৰ উপদেশৰ মালাধাৰিও পাৰ বাগৰি যোৱা ৰসৰ ঢৌ মাথোন। নিজৰ নাম উল্লেখ কৰিব লাগিলে যেনেকৈ তেওঁৰ প্ৰিয় বিশেষণ হৈছে 'দীন', আনক উপদেশ দিয়াতো তেওঁৰ প্ৰিয় সম্বোধন হৈছে 'ভাই'—

সেহিসে দিনক ভাই দুৰ্দিন বুলিয়া মানি
মেঘাচ্ছন্ন নোহয় দুৰ্দিন।

* * *

ভজ ভাই মাধৱক স্মৰ ভাই মাধৱক
গাৱ ভাই মাধৱৰ গুণ।

* * *

ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
তেজিয়া লাজ আলাস।

* * *

পিয়ু পিয়ু ভাই ভাৱকসকল
হৰি নাম ৰস-সাৰ।

ক্ষিপ্ৰ বেগত ঢৌৰ বোকোচাত ঢৌ উঠাৰ দৰে 'পিয়ু পিয়ু' দ্বিৰুক্তি অতি অৰ্থব্যঞ্জক।

বিৰুদ্ধবাদীসকলৰ প্ৰতি সহনশীলতা গুণত মাধৱদেৱৰ লগত অনন্ত কন্দলিৰ বৈপৰীত্য দেখা যায়।

অনন্ত কন্দলিৰ দশম ভাগৱতৰ শেহ ছোৱা বোধ হয় শঙ্কৰদেৱৰ তিৰোধানৰ পিছত লিখা। যদিওবা শঙ্কৰদেৱৰ জীৱিতাৱস্থাতেই ভাঙনি আৰম্ভ হয়, তথাপি সমাপনত শঙ্কৰদেৱ নাই বুলি কন্দলিয়ে ভাঙনিৰ শেহত লিখিছে। মাধৱদেৱে যি সময়ত ঘোষা ৰচনা কৰে, তাৰ ওচৰা-উচৰি সময়তে কন্দলিয়ে শেষ দশম ভাঙে। সাম্প্ৰদায়িক বিদ্বেষৰ শিখা কন্দলিৰ গাতো পৰিব পায়। ভণিতাবোৰত ঠায়ে ঠায়ে তেওঁ বিৰোধীসকলৰ প্ৰতি তীব্ৰ বচন প্ৰয়োগ কৰিছে।

শাস্ত্ৰ মাত্ৰ পঢে মানে বোলায়ে পণ্ডিত।
ৰাত্ৰি দিন চাহে হৰি ভকতি খণ্ডিত॥

* * *

বিস্তৰ লভিলে ভকতিক বোলে ভাল।
অধিক নাপাইলে নিন্দা বোলে সেহিকাল॥

* * *

ময়না ভাটৌৱে যেন ভষায় শাস্ত্ৰ।
সম্প্ৰতি বোলন্তে খঙ্গে গালি পাৰে মাত্ৰ॥
হেন ব্ৰাহ্মণত কিছু নুপুছিবা বোধ।
গালি পাৰিলেও তাক নকৰিবা ক্ৰোধ॥ ইত্যাদি।

অনন্ত কন্দলিৰ উপদেশৰ লগত শ্লেষোক্তিৰ প্ৰাচুৰ্য বেছি। কিন্তু আনক বিকলমতি দেখি শ্লেষ দূৰত থাওক, খেদ কৰিও মাধৱদেৱে অন্ত নেপায়। বিষয়-ভোগত অপাৰগ, তথাপি শেহ বয়সতো বৃঢাসকলে বিষয়ৰ প্ৰতি লালসা এৰিব নোৱাৰে কিয়?—

বালকে কৰোক বহুমান,
যুবায়ে সেৱোক পাৰেমান
বৃদ্ধে বিষয়ৰ বহিৰ্ভূত হুয়া গৈল।
ভোগ কৰিবাক নপাৰয়
তথাপিতো আশা নছাড়য়
হৰি হৰি হৰি কিনো বিপৰীত ভৈল॥

কিন্তু চাই থাকোঁতে থাকোঁতে 'পূৰ্ণানন্দ সমুদ্ৰ'ৰ তৰঙ্গ আহি সকলোকে দৃষ্টিৰ অগোচৰ কৰি উটাই লৈ যায়। তেতিয়া আকৌ 'পিয়ু পিয়ু অমিয়া মাধুৰী হৰি ৰাম নাম ৰস' বুলি আত্মহাৰা হৈ "পৰম আনন্দ-সমুদ্ৰে মজি ৰহয়"। এয়েই মাধৱদেৱৰ 'ৰসময়ী ভকতি।'

নামঘোষাৰ প্ৰায় এহেজাৰ ভিতৰত পাঁচ-ছশমান পদেই নানা সংস্কৃত মূল শ্লোকৰ ভাঙনি। সেই হিচাপে নামঘোষা মৌলিক গ্ৰন্থ নহয়। কিন্তু সাহিত্য হিচাপে নামঘোষাৰ মূল্য ইয়াৰ উপদেশৰ মৌলিকত্ব বা অমৌলিকত্বত নহয়। অনেক মৌলিক গ্ৰন্থৰো সাহিত্য হিচাপে কোনো মূল্য নেথাকিব পাৰে। নামঘোষাৰ প্ৰগাঢ় দাৰ্শনিক তথ্যবোৰত সাহিত্য হিচাপে কোনো আকৰ্ষণ নাই। কিয়নো

দাৰ্শনিক তথ্য সদায় বুদ্ধিগম্য আৰু প্ৰকৃত সাহিত্য সদায় হৃদয়গম্য। নামঘোষাৰ ধৰ্ম-মতত সাহিত্য হিচাপে ইয়াৰ মূল্য নাই; কিয়নো বহু ধৰ্মৰ লগত ইয়াৰ মত নিমিলিব পাৰে। সাহিত্য হিচাপে ইয়াৰ মূল্য ইয়াৰ গভীৰ ভক্তি-ৰসত। ভক্তি-ক্ষেত্ৰত মতামত নাই, ভক্তি-ক্ষেত্ৰত নামভেদ নাই—ইয়াত ৰাম, কৃষ্ণ, শিৱ, দুৰ্গা, খ্ৰীষ্ট, মহম্মদ কাৰো পাৰ্থক্য নাই। ইয়াত থাকে মাত্ৰ একাগ্ৰতা, ব্যাকুলতা, তন্ময়তা। সাহিত্য হিচাপে নামঘোষাৰ মূল্য এই মহান ৰসত শৰৎ কালত সেই চিৰ-পৰিচিত গিৰি, নৈ, বন, উপবন আদিয়ে বিমল কান্তি ধাৰণ কৰাৰ দৰে, চন্দ্ৰ-কিৰণৰ মৃদু পোহৰত চিৰপৰিচিত নৈৰ পানীৰ ওপৰত অপৰূপ জেউতি পৰাৰ দৰে, ৰসময়ী ভক্তিৰ নিয়ৰত তিতা নানান মূলৰ পৰা সংগৃহীত নামঘোষাৰ পদপুষ্পৰ ওপৰত এক অভিনৱ সৌন্দৰ্যৰ সম্পাত হৈছে।

তাত বাজেও ইয়াৰ অধিক মূল্য হৈছে ইয়াত প্ৰতিফলিত হোৱা মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ প্ৰতিবিম্বত। তিৰোধানৰ অলপ আগতেই জিজ্ঞাসু শিষ্যসকলক মাধৱদেৱে কৈ থৈছিল যে তেওঁ নোহোৱা হ'লেও নামঘোষাতে বিচাৰিলে তেওঁক পাব। কথাষাৰ বৰ যথাৰ্থ। নামঘোষা পুথি পঢ়িলে ছন্দৰ ঝঙ্কাৰ, ভাষাৰ মাধুৰ্য, ভাবৰ প্ৰগাঢ়তা, সকলোকে অতিক্ৰম কৰি মনঃচক্ষুৰ দৃষ্টি পৰে মাধৱদেৱৰ ভক্তি-কাতৰ করুণ মূৰ্তিত। আমি দেখোঁ মাধৱদেৱ ধীৰ, সৌম্য, সহিষ্ণু, প্ৰশান্ত, একান্ত গুৰুভক্ত, কৃষ্ণনাম-ৰত—তথাপি হৃদয়ৰ উদ্বেল ভক্তি-পাৰত সদায় উদ্বাউল, সীমাবানৰ সীমা লঙ্ঘন কৰি "পৰম আনন্দ সাগৰে মজি" থাকিবলৈ ব্যাকুল—"যত্তু বিদিতাদথো অবিদিতাদধি"। কেনোপনিষৎ)

লৌকিক গীত

'অসমীয়া সাহিত্যৰ চানেকি'ৰ প্ৰথম খণ্ডত আদি যুগৰ সাহিত্যৰ চানেকি হিচাপে ধাইনাম, গৰখীয়ানাম, বিয়ানাম, বিহুনাম, নাও খেলোৱা গীত, গাঁৱলীয়া গীত, হাল বোৱা গীত আদি নানা গীত আৰু নামৰ চানেকি আছে, কিন্তু তাত তুলি দিয়া গীত আৰু নামবোৰ আদি যুগৰ ৰচনা নহয়। সেইবোৰৰ ভাষা বৰ্তমান যুগৰ। 'নাম'-সাহিত্য বোলা কথাষাৰো বৈষ্ণৱ যুগৰ কল্পনা, আদি যুগৰ নহয়। কিন্তু সাহিত্যৰ চানেকিবোৰ বৰ্তমান যুগৰ হ'লেও, সাহিত্যৰ বিষয়-বিভাগ আদি যুগৰ ৰচনাত খাটে। অইন অইন দেশৰ সাহিত্যৰ দৰে আমাৰ দেশৰ সাহিত্যৰো আদি ৰূপ গীত। যুগে যুগে মানুহৰ মুখে মুখে বাগৰি অহাৰ গুণে সেইবোৰৰ ভাব আৰু ভাষাৰ সাল-সলনি ঘটিছে।

ভাষাক যেনেকৈ সাধু-ভাষা আৰু লৌকিক ভাষা হিচাপে দুভাগ কৰা যায়, সাহিত্যকো তেনেকৈ সাধু আৰু লৌকিক সাহিত্য বুলি দুভাগ কৰিব পাৰি। বৈষ্ণৱ সাহিত্য আমাৰ সাধু সাহিত্য আৰু বৈষ্ণৱ সাহিত্যৰ প্ৰভাৱৰ বাহিৰত যি সাহিত্য প্ৰচলিত হৈছিল, সি আমাৰ পুৰণি লৌকিক সাহিত্য।

আমাৰ সাধু সাহিত্যই দুইভাৱে এই লৌকিক সাহিত্যৰ প্ৰচাৰৰ প্ৰতিবন্ধকতা কৰে। একালে লৌকিক সাহিত্যৰ গঢ়ত সাধু সাহিত্য ৰচিত হ'ল, আনফালে লৌকিক সাহিত্যৰ আদৰ্শকেই হেয় আৰু কদৰ্য বুলি তাচ্ছিল্য কৰিলে। ল'ৰা-নিচুকোৱা গীত আগেও আছিল, বৈষ্ণৱ কবিয়ে ল'ৰা-নিচুকোৱা গীতৰ গঢ়ত 'কাণখোৱা' গীত ৰচনা কৰি লৌকিক গীতৰ আহিঁৰেই ভক্তি-ৰস প্ৰচাৰ কৰিলে।

সেইদৰে লৌকিক গৰখীয়া গীত, হাল বোৱা গীত আদিৰ সাঁচত গৰখীয়া কৃষ্ণ-লীলা-বিষয়ক "কিৰিষি কৰিয়ো আলো মনাই, হৰিৰ চৰণ-সেৱাৰ পৰম সুখে"—ইত্যাদি বৰগীত ৰচনা হ'ল। আৰু সাধু সাহিত্যৰ বহুল প্ৰচাৰৰ লগে লগে লৌকিক গীত-সাহিত্যৰ জ্যোতি ম্লান হ'ল।

আদি-ৰসাত্মক বিহুগীতৰ শ্ৰেণীৰ গীত এতিয়া যেনেকৈ মানুহৰ মুখে মুখে আছে, তেতিয়াও আছিল। সেইবোৰৰ আহিঁতেই দুৰ্গাবৰ, পীতাম্বৰ আদি বৈষ্ণৱ আন্দোলনৰ আগৰ বা বাহিৰত থকা কবিসকলে ৰামায়ণ, পুৰাণ আদিৰ আখ্যানবোৰক প্ৰেম-ৰসাত্মক গীতৰ আকাৰত ভাঙি উলিয়াইছিল। বৈষ্ণৱ কবিসকলে এই সাঁচত কোনো সাহিত্য ৰচনা কৰা নাই; কিন্তু সেইবোৰক তাচ্ছিল্য কৰি হেয় প্ৰতিপন্ন কৰিছে।

এই শ্ৰেণীৰ কবিৰ ভিতৰত দুৰ্গাবৰ আৰু পীতাম্বৰ বিশেষ উল্লেখযোগ্য। দুৰ্গাবৰৰ গীতি-ৰামায়ণ মূল ৰামায়ণৰ ভাষা বা ভাবানুবাদ নহয়। বাল্মীকিৰ মহাকাব্যৰ ভিতৰুৱা মনোৰম মনস্তত্ত্বমূলক চিত্ৰ কেতবোৰক গীতত ভাঙি উলিওৱা হৈছে। যি যি ঠাইত কেৱল ঘটনা পৰম্পৰা আৰু যুদ্ধৰ বৰ্ণনা আছে সেইবোৰক দুই-চাৰি কথাৰেই কবিয়ে সামৰণ কৰিছে। যেনে, সীতাহৰণৰ করুণ কাহিনী বিতংকৈ বৰ্ণনা কৰি লঙ্কা-কাণ্ডৰ বিস্তৃত যুদ্ধ কেইটামান পদতেই মুঠকৈ কৈ থৈছে। বনবাসত দণ্ডকাৰণ্যৰ খেৰৰ পঁজাত বহি ৰাম আৰু সীতাই প্ৰীতিৰে কাল কটাইছে

পাতিলা পাশাৰ সাৰি হে

আসিলন্ত ঘৰে ৰাম (আসিলন্ত ঘৰে)।
সীতা সমে খেলে পাশা ৰাম গদাধৰে ॥
বিজয় ভৈলন্ত ৰাম প্ৰথমক আৰি।
তাত পাছে ৰাম হাৰিলন্ত তিনি সাৰি ॥
তিনি লক্ষ টাকা ৰামে পাশাত হাৰিলা।
পুষ্পৰ জৰীয়ে সীতাই ৰামক বান্ধিলা ॥
দেৱনাৰ ডালে ধৰি কোবান্ত সুন্দৰী।
সত্বৰে দিয়াক টাকা হে দেৱ মুৰাৰি ॥
হেন সময়ত মৃগ দেখিলন্ত সীতা।
বন্ধন-মুকুত ভৈলা জগতৰ পিতা ॥

সোণালী হৰিণা দেখি সীতাই কাওবাও কৰিলে—
নকৰা বিলম্ব, কৰিয়ো আৰম্ভ,
সত্বৰে সাৰঙ্গপাণি ॥
পুহিবো পালিবো লগত বুলাইবো
লগৰ মোৰ সৈতাৰি।
কাখে-কোলে কৰি লগতে ফুৰাইবো এ
থাকিবো দুখ পাসৰি ॥
আনিবা জীয়ন্ত নকৰিবা হত
নমাৰি শৰ-সন্ধানে।
যেবে যায়ো দেশ এ মোৰ সন্দেশ এ
কবি দুৰ্গাবৰে ভণে ॥

এই গীত দুটিৰ আগৰটোৰ কথা-বস্তু কবিৰ নিজা অথচ কেনে মনোৰম! ৰামে পাশা-খেলত হাৰিলত সীতাই ফুলৰ জৰীৰে ৰামক বান্ধি ৰাখিলে। নিপুণ কবিয়ে ফুলৰ জৰীৰ কথাৰে যে কুসুমায়ুধৰ কল্পনা পঢ়োঁতাৰ মনত জগাই তুলিছে, তাক সহজে অনুমান কৰিব পাৰি। মূল ৰামায়ণত ফুল তুলি থাকোঁতে সীতাই মায়া-হৰিণ দেখা বুলি আছে।

মনস্তত্ত্বজ্ঞ কবি দুৰ্গাবৰে মায়া-হৰিণৰ প্ৰতি লোভৰ বিষয়ত সীতাকহে তিৰোতাৰ সহজ চপলতা দোষত দোষী কৰিছে। চকুত লগা জকমকীয়া বস্তুৰ প্ৰতি তিৰোতা জাতিৰ সৰ্বদায় লোভ। মূলৰ মতে সোণালী হৰিণ দেখি ৰামৰো লোভ লাগিছিল, সীতাৰ কথাত কেৱল বেছি উত্তেজনা পাইছিল মাথোন—"লোভিতস্তেন মৃগেণ সীতয়া চ প্ৰচোদিতঃ"। অসমীয়া কবিয়ে ৰামৰ হতুৱাই সীতাৰ প্ৰতিবাদ কৰিছে—

লগৰ সঙ্গতি আছো দুই ভাই।
আমাক ছাৰি মৃগে মন যাই ॥
বনৰ পশু চৰিয়া ফুৰে।
তাহাক আখুটি ভৈলা তোমাৰে ॥

সীতাহৰণ-বিষয়ত দৈৱৰ বৰ কুটিল ভ্ৰূকুটি এটি আছে। সীতাই জানিবা নিলাজ কথাৰে ভৰ্ৎসনা কৰি লক্ষ্মণক ৰামৰ ওচৰলৈ পঠিয়ালে; কিন্তু ৰাৱণে হৰি নিয়াৰ পিছত এইদৰেও মানুহে ভাবিব পাৰে যে, লক্ষ্মণক ছলে-ছন্দে আঁতৰাই সীতাই কোনোবা পৰপুৰুষৰ লগত গুচি গ'ল! কালৰ এই কুটিল কটাক্ষ দুৰ্গাবৰে অতি স্পষ্টকৈ প্ৰকাশ কৰিছে। হৰিণৰ পিছতেই লোকোপৰাদৰ সহজ আশঙ্কাই সীতাৰ মনত ধাৰাল খুৰৰ দৰে আঘাত কৰিলে—

আনে মন্দ বুলিবেক তাকো প্ৰভু শুনিবেক
নানা কথা ভাবিবো মনত।
অৱশ্যে কু-অভিপ্ৰায়ে পঠাইলে লক্ষ্মণে হে
যত দোষ পৰিব মোহোত ॥
অসতী ৰমণী সীতা পলালে অন্তৰি হে
ভাবিবো মনত ৰঘুপতি।
বনবাসে বাস্ কৰি বৰ দুঃখ পাইলা হে
সিগুণে এৰিলা নিজ পতি ॥
সম্পদে সুন্দৰী নাৰী আপদে পলাইলা এৰি
তিৰী জাতি নোহে আপুনাৰ। —ইত্যাদি।

যি অপৱাদৰ আশঙ্কাই সীতাৰ মনত তল-ওপৰ লগাইছিল, দুৰ্ভাগ্য-ক্ৰমে ৰামৰ মনতো সেই ভাবে ভুমুকি মাৰিলে। আকাশ-পাতাল বহুত ভবা-চিন্তাৰ মাজত এইটোও ৰামৰ মনত খেলালে—

অ কি লক্ষ্মণ
গৈলা সীতা মোক উপেক্ষিয়া।
তৃণত শয়ন মোৰ বল্কল পৰিধান হে
এহি দুখ মনে আলোচিয়া ॥
আখুটি কৰিয়া মোক
মৃগক পঠাইলা হে
তোমাকো পঠাইলা ক্ৰোধ কৰি।
মই নাজানিলো তান
কপট হৃদয় প্ৰাণ
তিৰী-মায়া বুজিতে নপাৰি ॥ —ইত্যাদি।

কোৱা বাহুল্য যে মূল ৰামায়ণত এনে ধৰণৰ ভাবৰ কোনো উল্লেখ নাই। ই কেৱল লৌকিকতাৰ আৱেশ আৰু গীতি-ৰামায়ণ বাল্মীকিৰ মহাকাব্যৰ গাঁৱলীয়া তাণ্ডৱণ মাথোন।

পীতাম্বৰৰ 'উষা-পৰিণয়' গীতৰ আকাৰত লিখা হ'লেও দুৰ্গাবৰৰ নাট্য-চিত্ৰ বাছনি-শক্তি বা কল্পনাৰ মৃদু স্পৰ্শ ইয়াত নাই। অনন্ত কন্দলিৰ 'কুমৰ-হৰণ' কাব্য ইয়াতকৈ বহুত ওখ খাপৰ। হৰিবংশত উষাৰ কাহিনী যেনেকৈ মেৰপাক খোৱা ভাৱে আছে, পীতাম্বৰৰ কল্পনাই সকলোকে সমানভাৱে সামৰিবৰ চেষ্টা কৰি যজ্ঞভুক্ অগ্নিৰ দৰে ৰোগ-গ্ৰস্ত হৈ পৰিছে। কিন্তু ঠায়ে ঠায়ে উৎকট লৌকিক ভাবৰ চিত্ৰ বৰ প্ৰকটভাৱে ফুটি ওলাইছে। এদিনাখন উষা পুষ্প-বনত ফুল চাই থাকোঁতে হৰ-গৌৰীৰ উদ্দাম কাম-ক্ৰীড়া দেখি বৰ ব্যাকুল হৈ উঠিল—

দেখিয়া কুমাৰী উষা গুণে মনে মনে।
ধন্য নাৰী পুৰুষ বিলাস কৰে বনে॥
হেনয় সময়ে যাৰ কোলে নাহি পতি।
অকাৰণে প্ৰাণ ধৰে সেহিসে যুৱতী॥
বসন্ত সময়ে যাৰ কোলে নাহি পতি।
কলসি বান্ধিয়া জলে মৰোক যুৱতী॥
ব্যৰ্থ মোৰ জন্ম ভৈল ৰাজাৰ কুমাৰী।
হেন বনে একলে ফেৰোঁ মই নাৰী॥

কবিয়েও উষাৰ মনোভাৱ বৰ্ণাইছে—

বিষাদ-বিমন উষা হে
সময় মধুমাসে।
হেন সব ফুল-বনে স্বামী নাহি পাশে।
ফুলিল সকল ফুল হে
কোকিলে কাঢ়ে ৰাৱ
ধীৰে ধীৰে মলয়া শীতল বহে বাৱ॥
পূৰিল সকল দিশ হে ভ্ৰমৰে কৰে বোলে।
সফল জীৱন যাৰ প্ৰাণনাথ কোলে॥ —ইত্যাদি।

বন-গীতৰ আৰ্হিৰে ৰচিত এইবোৰ গীত পুৰণিকলীয়া লৌকিক গীতৰ চানেকি।

পুৰণি সাহিত্যৰ সীমাবদ্ধতা

অসমীয়া বৈষ্ণৱ সাহিত্যৰ সীমা নিৰ্দেশ কৰিব লাগিলে তাৰ উদ্দেশ্য আৰু দায়িত্ব ভালকৈ উপলব্ধি কৰিব লাগে। শঙ্কৰদেৱ আৰু তেওঁৰ সহযোগীসকলে জাতি-বৰ্ণ-নিৰ্বিশেষে সকলো মানুহৰ ভিতৰতেই সহজ, সৰল ভক্তি-ৰস প্ৰচাৰ কৰিছিল আৰু বৈষ্ণৱ সাহিত্য এই ভক্তি-ধৰ্ম-প্ৰচাৰৰ প্ৰধান সহায়ক আছিল। নতুন ভক্তি-ধৰ্ম গ্ৰহণ কৰিবলৈ তেতিয়াৰ অসমৰ সমাজ সাজু হৈ নাছিল। অইন দেশৰ দৰে আমাৰ ইয়াতো নানা ধৰ্ম, নানা মত আছিল। সেই কাৰণে বৈষ্ণৱ গুৰুসকলে নিৰ্বিবাদে তেওঁলোকৰ নতুন মত প্ৰচাৰ কৰিব নোৱাৰিছিল। তেওঁলোকে পদে পদে তন্ত্ৰ-মন্ত্ৰাদিত সুদীক্ষিত বিভিন্ন মতাৱলম্বী পণ্ডিতসকলৰ মুখা-মুখি হ'ব লগীয়াত পৰিছিল আৰু তেওঁলোকৰ প্ৰত্যেকটো বচন, প্ৰত্যেকটো উপদেশকেই শাস্ত্ৰ-সম্মত বুলি প্ৰতিপন্ন কৰিব লগাত পৰিছিল। মল্লিনাথে সংস্কৃত

মহাকাব্যবোৰৰ টীকা ৰচোঁতে সৈ কচ়াৰ দৰে বৈষ্ণৱ কবিসকলেও নিজ নিজ ৰচনাৰ ভিতৰত তাঁৰকৈ ক'ব লগীয়াত পৰিছিল—নামূলং লিখ্যতে কিঞ্চিৎ—কোনো অমূলক মনে-গঢ়া কথা লিখা নাই। বিৰুদ্ধ মতানুৱৰ্তী পণ্ডিতসকলক কোনোৰূপ নিন্দাৰ সুছল নিদিবলৈ বৈষ্ণৱ কবিসকলে প্ৰায় সকলোবোৰ ভাঙনিতেই মূল শাস্ত্ৰৰ উল্লেখ কৰি থৈছে।

স্বয়ং শঙ্কৰদেৱেও কীৰ্তন পুথিৰ গুৰিতেই লিখিছে—

নকৰিবা নিন্দা মোক মহন্তে।
আসিলা শাস্ত্ৰ বাৰাণসী হন্তে।
তাহাঙ্ক চাই নিবন্ধিলো পদ।
বুলি হৰি হৰি তৰা আপদ॥

শাস্ত্ৰৰ মূল নিৰ্দেশ কৰা দূৰৈৰ কথা, সংস্কৃত শাস্ত্ৰ-গ্ৰন্থ অসমীয়া পদত ভঙাও ধৰ্ম-বিৰোধী অকাৰ্য বুলি বিবেচিত হৈছিল। ৰায় বাহাদুৰ অধ্যাপক ডক্টৰ সূৰ্যকুমাৰ ভূঞাৰ সম্পাদিত তুংখুঙীয়া বুৰঞ্জীত এষাৰ অৰ্থ-পূৰ্ণ ঐতিহাসিক ৰচনাৰ উল্লেখ আছে। ডেবেৰা নামে ডাঙৰীয়া এজন ৰজা ভঙা-পতা আদি নানা দুষ্কৰ্মত লিপ্ত আছিল। যুঁজত তেওঁক ধৰাই অনাই বুঢ়াফুকনে সুধিলে "ডেবেৰা, কিয় এনে কৰিলি?" ডেবেৰাই বোলে, "সুশুনিছহঁকনে? এক দেহ। দশমৰ পদ মইহে কৰিছোঁ, তয়ো কৰিবি।" অৰ্থাৎ দশমৰ পদ এজনৰ ৰচনা নহয় (আগ দশম শঙ্কৰদেৱৰ, শেহ দশম অনন্ত কন্দলিৰ ৰচনা)। দশমৰ পদ-ৰচনা-ৰূপ অকাৰ্য দুজনে কৰিছিল। মই যি অকাৰ্য কৰা বুলি মোৰ বিচাৰ কৰিছ, তেনে অকাৰ্য তয়ো শেহত কৰিবি। ইয়াৰপৰাই বুজা যায়, দশম ভাগৱতৰ পদ অসমীয়াত ৰচনা কৰাটোৱেই তেতিয়াৰ সমাজত ধৰ্ম-বিৰোধী কাম বুলি পৰিগণিত হৈছিল। এনে অৱস্থাত ভুলতে ভৰি পিছলিলেও বৈষ্ণৱ কবিসকলৰ মহা অপৰাধ। ভাষানুবাদ কৰাটোৱেই ধৰ্ম-দ্ৰোহী কাম, তাৰ ওপৰত মূলৰ লগত সামঞ্জস্য নেথাকিলেতো কথাই নাই! সেই কাৰণে দঢ়াই দঢ়াই কবিসকলে কৈ থাকিব লগাত পৰিছিল—

যেবে টীকা-ভাষ্য-চাই দেখা ইটো কথা নাই
নিন্দা তেবে কৰিবা আমাক।

হেজাৰ হওক কবি-প্ৰাণ; কেতিয়াবা দীঘল-চুটি দোষত দোষী হ'লেও হ'ব পাৰে। সেই বঢ়া-টুটা দোষ নধৰিবলৈকো বাৰে বাৰে কাবৌ কৰিছে—

যিবা কিছু বঢ়া দেখা ইটো অপৰাধ এৰা
ব্যাসো দেন্ত কথাত ৰঞ্জন।
আনো মহাকৱিচয় কাব্য-ৰস নিবন্ধয়
তাক নিন্দে কোন সাধুজন॥

যি সাহিত্যৰ গঢ়-গতি এনেকুৱা বিষম সামাজিক অৱস্থাৰ ভিতৰত গঠিত হৈছিল, তাতযে আজি-কালিৰ হিচাপমতে স্বাধীন ভাব নেথাকিব, তাত আচৰিত হ'ব লগীয়া কথা নাই।

এনেও হ'ব পাৰে যাক আমি স্বাধীন ভাব বা কল্পনাৰ মুক্ত স্ফুৰণ বোলো, তাক হয়তো বৈষ্ণৱ কবিয়ে 'কথাত ৰঞ্জন' বুলি বৰ প্ৰয়োজনীয় বুলি নেভাবিছিল ; পুৰাণৰেই হওক, বা ভাগৱতেৰেই হওক যি আখ্যান ভাগোতে ভক্তি-ৰস পৰিস্ফুট হৈ নোলাল, বৈষ্ণৱ কবিৰ মনত হয়তো তাৰ কোনো মূল্যই নাছিল, তেহেলৈ তাত যিমানেই 'মৌলিকতা' নেথাকক। পুৰণি সাহিত্য লৌকিক নোহোৱাৰ ইও এটি প্ৰধান কাৰণ। পুৰণি আন্দোলন ধৰ্ম-মূলক, পুৰণি সাহিত্যতো ধৰ্মৰ ফালে এটলীয়া টান এটি বৈ গৈছে।

বৈষ্ণৱ আন্দোলনৰ দ্বাৰা অনুপ্ৰাণিত নোহোৱা দুই-এখন পুৰণি পুথিত লৌকিকতাৰ ক্ষীণ আভাস পোৱা যায়। ৰামানন্দ দ্বিজৰ শঙ্কৰ-চৰিতত এটি বিতোপন ঘটনাৰ উল্লেখ আছে। ওপৰৰ 'বৰগীত' প্ৰবন্ধত উল্লুকিৱা হৈছে। পুনৰুক্তি হ'লেও ঘটনাটো মন কৰিব লগীয়া। ভাটী অঞ্চলৰ ভৱানন্দ বা নাৰায়ণ ঠাকুৰ আহি শঙ্কৰদেৱৰ ওচৰ চাপিলত শঙ্কৰদেৱে সুধিলে, সেই অঞ্চলত কোনোবা ধৰ্ম-পৰায়ণ লোক আছেনে নাই? নাৰায়ণ ঠাকুৰে ক'লে, পীতাম্বৰ নামে এজন আছে আৰু তেওঁ দশমৰ পদ ভাঙিছে।

শঙ্কৰে বোলন্ত নাৰায়ণ মহাশয়।
তাহান কবিতা মুখে আসয় নাসয়॥
নাৰায়ণ ঠাকুৰে পাছে গাইবাক লাগিলা।
যেন মতে ৰুক্মিণীয়ে কৃষ্ণক ভাবিলা॥

কবিতা শুনি শঙ্কৰদেৱে যি মন্তব্য প্ৰকাশ কৰিলে, পুৰণি সাহিত্যৰ ভৱিষ্যৎ-গতি-নিৰ্দেশক হিচাপে সি অতি মূল্যবান।

শুনিয়া বোলন্ত আৰু গাইবে নলাগয়।
গৰ্ব-পৰ্বতত সিটো উঠিয়া আছয়॥
ধৰ্ম ধৰিবাৰ সিটো যোগ্য নোহে লোক।
আৰু কোন আছে নাৰায়ণ কহিওক॥

ৰুক্মিণীহৰণৰ বিষয়টো আদি-ৰসাত্মক আৰু বিশেষ ধৰ্ম-প্ৰৱণতা নেথাকিলে যে কবিয়ে ইয়াক সাধাৰণ প্ৰেমিকৰ আখ্যান কৰি তুলিব, তাত কোনো সন্দেহ নাই।

লৌকিক হিচাপে পীতাম্বৰ বৰ ওখ থাপৰ কবি নহ'ব পাৰে, কিন্তু তেওঁৰ দৰে ভক্তি-ধৰ্মৰ প্ৰভাৱৰ বাহিৰত থকা দুই-এজন কবিৰ ৰচনাত লৌকিকতাৰ যি ক্ষীণ আভাস পোৱা যায়, বৈষ্ণৱ কবিসকলৰ তাচ্ছিল্যৰ তীব্ৰ কটাক্ষত সেই জেউতি ম্লান হৈ গ'ল আৰু বৈষ্ণৱ সাহিত্যয়ো 'তৰ্ক মহাব্যাঘ্ৰী'ৰ লগত পদে পদে যুঁজ কৰিবলৈ সাজু হৈ থাকিব লগাৰ কাৰণে ইয়াৰ মুক্ত বিকাশত বিঘিনি ঘটিছে।

অঙ্কীয়া ভাওনা

পুৰণি অসমীয়া সাহিত্যত অঙ্কীয়া নাটবোৰৰ ঠাই মন কৰিব লগীয়া। অসমীয়া বৈষ্ণৱ-সাহিত্যক যদি আমি এটি স্বভাৱ-সম্পূৰ্ণ পদাৰ্থ বুলি ধৰি লওঁ, তেনেহ'লে ভাওনা-সাহিত্যক তাৰপৰা বাদ দিলে সি এটি বিকলাঙ্গ পদাৰ্থৰ দৰে হ'ব। বেলেগ বেলেগ বিভাগৰ বৈষ্ণৱ সাহিত্যবোৰ চকুৰ আগত একেলগে ৰাখি পৰ্যৱেক্ষণ কৰি চালে এনেহে লাগে যে, মহাপুৰুষৰ অসমীয়া ভক্ত-কবিসকলে সেই আটাইবোৰৰ ভিতৰেদি এটি অতীৱ মনমোহা বস্তু প্ৰচাৰ কৰিছিল—শ্ৰীকৃষ্ণৰ ঐশ্বৰিক চৰিত আৰু পুৰুষত্ব। পুৰণি বৈষ্ণৱ কাব্যবোৰতো শ্ৰীকৃষ্ণ-চৰিত্ৰৰেই বেলেগ বেলেগ ছোৱা প্ৰকাশ কৰা হৈছে। বৰগীত পুথিত গীতবোৰ কোনো এটি বিষয় ক্ৰম নোহোৱাকৈ খেলি মেলি হৈ আছে। কিন্তু সেইবোৰক যদি প্ৰতিপাদ্য বস্তুৰ ক্ৰম অনুসাৰে ওলট-পালটকৈ ভাঙি বাছি উলিওৱা যায়, তেনেহ'লে তাৰ ভিতৰতো ভক্ত-বৎসল শ্ৰীকৃষ্ণৰ চৰিতৰ বেলেগ বেলেগ অংশ, বিশেষতঃ শিশুলীলা খণ্ড ওলাব। কীৰ্ত্তন পুথিতো আমূল কৃষ্ণ-চৰিত্ৰই ওলাব। অঙ্কীয়া নাটবোৰো কৃষ্ণ-লীলা প্ৰচাৰ কৰিবৰ উদ্দেশ্যেই লিখা। ভট্টদেৱৰ সংক্ষিপ্ত কথা-ভাগৱতো সকলোৱে বুজিব পৰাকৈ গদ্যত কৃষ্ণ-চৰিত্ৰ-প্ৰকাশৰে চেষ্টা। এতেকে দেখা গ'ল, পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্যৰ কেৱল বিশাল উদ্যম পদ্য, গদ্য, গীত, ভাওনা সকলোবোৰৰ ভিতৰেদিয়েই প্ৰচাৰ কৰা শ্ৰীকৃষ্ণৰ ভক্ত-বৎসল চৰিত্ৰ। শ্ৰীকৃষ্ণ-চৰিত্ৰকেই কেন্দ্ৰ কৰি সকলো অসমীয়া বৈষ্ণৱ সাহিত্য বৰ্তি আছে।

কেৱল এটি বিষয়ত আৱদ্ধ হৈও কৃষ্ণ-চৰিত্ৰ ফুটি নোলাল। চিত্ৰ-বিদ্যাত পুৰণি অসম অইন অইন ভাৰতীয় প্ৰদেশবোৰৰ আগ নহ'লেও পিছত নপৰে। কেইবছৰমান আগতে অসম ছুৰকাৰে যেতিয়া পুৰণি পুথি গোটায়, তাৰ ভিতৰত চিত্ৰবিদ্যাৰ চূড়ান্ত-অভিব্যক্তি-প্ৰদৰ্শক এনে কিছুমান পুথি ওলাইছিল যে, সেইবোৰ দেখি বিদেশী পণ্ডিতসকলো মুগ্ধ হৈছে। সাঁচিপতীয়া পুথিৰ আধাডোখৰত পদ আৰু আধাডোখৰত সেই পদবোৰৰ অৰ্থ-ব্যঞ্জক চিত্ৰ। ছুৰকাৰে গোটোৱা পুথিৰ ভিতৰত 'হস্তী-বিদ্যাৰ্ণৱ' নামে পুথি এখন আছে। তাত নানা তৰহৰ হাতীৰ চিত্ৰ আছে। মহাভাৰতৰ এছোৱা সাঁচিপতীয়া ভাঙনি আছে; তাৰ আধাডোখৰত পদ, আধাডোখৰত চিত্ৰ। বৰপেটাৰ সত্ৰাধিকাৰৰ ঘৰত বনমালীদেৱৰ চৰিত এখন আছে। তাৰো প্ৰত্যেক পাতৰেই আধাডোখৰত পদাৰ্থ-ব্যঞ্জক চিত্ৰ। পুৰণি অসমৰ চিত্ৰ-বিদ্যাৰ বিষয়ে অনুসন্ধান কৰিলে, পুৰণি অসমীয়া সভ্যতাৰ জেউতি বঢ়োৱা বহুত তথ্য যে ওলাব, তাত কোনো সন্দেহ নাই।

যি হওক এই চিত্ৰ-নৈপুণ্য কৃষ্ণ-চৰিত্ৰ-প্ৰচাৰত নিয়োজিত হৈও নহ'ল। শঙ্কৰদেৱে যেতিয়া প্ৰথমে চিহ্ন-যাত্ৰা ভাওনা কৰে, তেওঁ নিজ হাতেৰে বৈকুণ্ঠৰ পট আঁকি ৰাইজক দেখুৱায়। এটি ক্ষুদ্ৰ ঘটনাৰপৰাই চিত্ৰ-বিদ্যাই যে কেনে বিকাশ লাভ কৰিছিল, জনা যায়। এজনী বুঢ়ীয়ে শঙ্কৰদেৱৰ

চিত্রিত বৈকুণ্ঠ পটত অকণমানি খুঁত উলিয়াই দিয়ে। সম্ভ্রান্ত মানুহৰ ঘৰত যে চিত্ৰ-বিদ্যাৰ চৰ্চা আছিল, ইয়াৰপৰাই অলপ অনুমান কৰিব পাৰি। তাত বাজেও কোচবিহাৰৰ নৰনাৰায়ণ ৰজাৰ অনুৰোধত শঙ্কৰদেৱে পুৰণি পাটবাউসীৰ অন্তৰ্গত তাঁতীকুছি নামে ঠাইত তাঁতীৰ হতুৱাই কাপোৰ বোৱাই, কাপোৰত ফুলেৰে নিজ তত্ত্বাৱধানত বৈকুণ্ঠ-লীলা তোলাই দিছিল। বৈষ্ণৱ আন্দোলনত চিত্ৰ-বিদ্যাই যে কৃষ্ণ-চৰিত্ৰক স্পৰ্শ কৰা নাছিল, এনে নহয়; কিন্তু গীত, কাব্য, ভাওনা আদিয়ে শ্ৰীকৃষ্ণ-চৰিত্ৰ আঁকোৱালি ধৰি যি পৰিণতি লাভ কৰিছে, চিত্ৰ-বিদ্যাই সেইখিনি কৰিব নোৱাৰিলে। চিত্ৰবিদ্যা ব্যয়-সাধ্য, কষ্ট-সাধ্য, আৰু ছপা-যন্ত্ৰ ওলোৱাৰ আগেয়ে ইয়াৰ পৰিসৰ সম্ভ্ৰান্ত পৰিয়ালবোৰৰ মাজত আবদ্ধ থাকিব লগাত পৰিছিল। কিন্তু বৈষ্ণৱ আন্দোলনৰ স্বতঃপ্ৰেৰিত উদ্দেশ্যই আছিল সামাজিক সম্ভ্ৰম-নিৰ্বিশেষে সমগ্ৰ জাতীয়-হৃদয়কেই স্পৰ্শ কৰা। এই বিৰাট জাতীয় আন্দোলনৰ পৰিচালিকা শক্তি যি কৃষ্ণ-চৰিত্ৰই বৈষ্ণৱ আদৰ্শ প্ৰচাৰৰ অঙ্গ-স্বৰূপে চিত্ৰ-বিদ্যাক অৱহেলা নকৰিলেও ইয়াক প্ৰধান অৱলম্বনৰূপে আশ্ৰয় কৰা নাছিল। এই বিষয়ত ৰাজপুতনা প্ৰদেশৰ অলপ বিশিষ্টতা দেখা যায়। তাত যেতিয়া বৈষ্ণৱ আন্দোলন জাগি উঠে, তেতিয়া তাক চিত্ৰ-বিদ্যাৰেও প্ৰচাৰ কৰিবৰ চেষ্টা এটি চলিছিল। কিন্তু শেষ ফল প্ৰায় একে ধৰণৰেই হ'ল। অঙ্কিত চিত্ৰবোৰ বৈষ্ণৱ মঠ-বোৰতেই আবদ্ধ থাকিল। এতিয়াহে অনুসন্ধিৎসু পণ্ডিতসকলে লোক-সমাজত সেইবোৰ প্ৰচাৰ কৰিব লাগিছে। বুৰঞ্জীৰ এইটো নিৰ্ঘাত সত্য যে, যেতিয়া কোনো ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ মহাজাতীয় উদ্বোধনৰ কেন্দ্ৰস্থ শক্তি-ৰূপে পৰিগৃহীত হয়, তেতিয়া গীত, কাব্য, ভাওনা, চিত্ৰ-বিদ্যা, ভাস্কৰ্য, সুকুমাৰ শিল্পৰ সকলোবোৰ অঙ্গই সেই ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ-মাহাত্ম্য-প্ৰকাশত নিয়োজিত হয়। বৌদ্ধধৰ্ম যেতিয়া গোটেই এচিয়া মহাদেশত বিয়পি পৰে, তেতিয়া চিত্ৰ, কাব্য—বিশেষতঃ ভাস্কৰী-বিদ্যাৰ সহায়েৰে বুদ্ধদেৱৰ চৰিত্ৰ-মাহাত্ম্য-প্ৰকাশেই বৌদ্ধ আন্দোলনৰ পৰিচালিকা শক্তি-ৰূপে বিৰাজমান আছিল। ফলত, প্ৰস্তৰ-খোদিত বুদ্ধ-মূৰ্তি যিমান ওলাইছে বা আছে পৃথিৱীৰ ইতিহাসত ঐতিহাসিক বা পৌৰাণিক কোনো পুৰুষৰ সিমান মূৰ্তি ওলোৱা নাই। সেইদৰে ইউৰোপৰ মধ্য-যুগত যীশুখ্ৰীষ্টৰ শিশু-লীলাই চিত্ৰ-বিদ্যাক সমুজ্জ্বল কৰি তোলে। এক কৃষ্ণ-চৰিত্ৰকে অৱলম্বন কৰি ভাৰতীয় প্ৰাদেশিক ভাষাবোৰত যিমান তৰহৰ সাহিত্য আছে, বোধ হয় পৃথিৱীৰ কোনো মহাপুৰুষৰ বিষয়েই তেনে সাহিত্য এটি গঠিত হোৱা নাই। এই বিশাল বৈষ্ণৱ সাহিত্যৰ এক উদ্দেশ্য কৃষ্ণ-চৰিত্ৰ জনসমাজৰ আগত সমুজ্জ্বল কৰি ধৰা। কিয়নো, ভাৰতীয় মহাজাতীয় বৈষ্ণৱ আন্দোলনত কৃষ্ণৰ শিকনিতকৈ তেওঁৰ চৰিত্ৰ বেছি ডাঙৰ উদ্বোধন-শক্তি আছিল।

পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্যত অঙ্কীয়া ভাওনাই অতি অপূৰ্ব ঠাই অধিকাৰ কৰি আছে। কীৰ্তন আদি ধৰ্মাত্মক কাব্যৰ ভিতৰেদি কৃষ্ণ-চৰিত ব্যক্ত কৰা হৈছে; নানা পৌৰাণিক মূলৰপৰা সংগৃহীত হৰণ আৰু বধ-কাব্যবোৰত কৃষ্ণ-চৰিত্ৰ ব্যক্ত কৰা হৈছে। পিছৰ কালত ভট্টদেৱে গদ্য-পুথিৰে কৃষ্ণ-চৰিত্ৰ ব্যক্ত কৰিছে। কিন্তু জাতীয় উদ্বোধনৰ ভাব প্ৰচাৰ কৰাত গীত আৰু ভাওনাৰ ঠাই সকলোৰে ওপৰত।

গীতৰ সহায়েৰে মানুহৰ নিৰুদ্ধ চৈতন্যক জগাই গীতকেই সেই চৈতন্য-প্ৰভাৱৰ উপায়-স্বৰূপ কৰি লোৱা হয়। সকলো বিষয়েই সকলো মানুহৰেই অলপ নহয় অলপ অস্পষ্ট ধাৰণা আছেই ; গীত বা কবিতাৰ সহায়েৰে সেই অস্পষ্ট ধাৰণাক স্পষ্টভাৱে প্ৰকাশ কৰি সেই ধাৰণা-প্ৰকাশক ভাষা-ৰূপে নিৰ্দ্ধাৰিত কৰি দিয়া হয়। এই গীত বা কবিতাই বিশেষ জাতীয় আন্দোলনৰ বিষয়ত জন-সমাজৰ সাধাৰণ ভাষা-ৰূপে পৰিগৃহীত হয় আৰু আগেয়ে যিটো স্পষ্ট ধাৰণা আছিল সি গীতৰ সহায়ত ফুটি উঠি প্ৰাণ-চৈতন্যৰ লগত মিহলি হৈ যায়।

কেইবছৰমান আগত বঙ্গদেশত যেতিয়া জাতীয় জাগৰণৰ সূত্ৰপাত হয়, তেতিয়া কবিবৰ দ্বিজেন্দ্ৰলাল ৰায়ৰ জাতীয় গীতবোৰে সমগ্ৰ বঙ্গদেশকেই মুখৰিত কৰি তোলে আৰু সেই জাতীয় আন্দোলনৰ বিষয়ত সেই গীতবোৰেই জন-সাধাৰণৰ ভাব-প্ৰকাশক উমৈহতীয়া ভাষা যেন হ'ল , এই জাতীয় ভাব সকলোৰে মনত বিস্তাৰ কৰিবলৈ তেওঁৰ ঐতিহাসিক নাটকবোৰেও কম প্ৰভাব বিস্তাৰ কৰা নাছিল !

জাতীয় চৈতন্য জগাই দিবলৈ দ্বিজেন্দ্ৰলালৰ সঙ্গীতে যি কাম কৰিছিল, আধ্যাত্মিক চৈতন্য জগাই তুলিবলৈ শঙ্কৰদেৱৰ গীতবোৰে তাতোকৈ বেছি কাম কৰিছিল। জাতীয় ভাবতকৈ আধ্যাত্মিক ভাবে সমাজত বেছি সোনকালে প্ৰৱেশ লাভ কৰে। জন-সাধাৰণৰ প্ৰাণ অতি সোনকালে স্পৰ্শ কৰে বুলিয়েই যে বৈষ্ণৱ আন্দোলনত আধ্যাত্মিক গীতৰ প্ৰাচুৰ্য হৈছিল, তাত অকণো সন্দেহ নাই। ভাওনাৰ উদ্দেশ্য প্ৰায় সমান হ'লেও বেছি প্ৰশস্ত শঙ্কৰদেৱৰ প্ৰচাৰিত আদি মূল অসমীয়া বৈষ্ণৱ মতত প্ৰতিমা-পূজাৰ বিশিষ্ট ঠাই নাই। মূৰ্তি-পূজাৰ লগত প্ৰকৃত ধৰ্মৰ সম্বন্ধ থাকক নাথাকক, ই ধৰ্মৰ পৰিদৃশ্যমান ভাগ প্ৰকাশ কৰে। বিষম আড়ম্বৰ হৈ-চৈ এটি লগাই দি, ধৰ্মৰ বিষয়ত ই জন-সাধাৰণৰ বাহ্যিক দৃষ্টি আকৰ্ষণ কৰে। প্ৰথমবাৰ তীৰ্থৰপৰা ঘূৰি আহি শঙ্কৰদেৱে নিজেই জগন্নাথ-মূৰ্তি প্ৰতিষ্ঠা কৰাই আন আন উদ্দেশ্যৰ লগতে নতুন যুগ-প্ৰৱৰ্ত্তন সূচনা কৰে। কিন্তু মানুহৰ মন ধৰিবলৈ শঙ্কৰদেৱে প্ৰতিমা-পূজাতকৈ আন এটি বেছি ফল-দায়ক উপায় আৱিষ্কাৰ কৰিলে। সেয়ে হৈছে ভাওনাৰ প্ৰচলন।

প্ৰায় সকলো দেশতেই ভাওনাই নৱধৰ্ম-প্ৰচলনৰ বাহন স্বৰূপে কাম কৰি আহিছে। পুৰণি গ্ৰীচ দেশত নাট্যসাহিত্যৰ ভিতৰেদি জাতীয় আৰু আধ্যাত্মিক আদৰ্শ ব্যক্ত কৰা হৈছিল। খ্ৰীষ্টধৰ্ম প্ৰথমে প্ৰচলিত হ'বলৈ ধৰাত, নাট্য-সাহিত্যই ইয়াৰ বিস্তাৰত সহায় কৰিছিল। সেই একে উদ্দেশ্যৰ বশৱৰ্ত্তী হৈয়ে শঙ্কৰদেৱে প্ৰথমে নাট-সাহিত্য ৰচনা কৰে। মানুহ স্বভাৱতে আমোদ-প্ৰিয় আৰু ভাওনাৰ এটি সুবিধা এই যে, ৰং-ধেমালিৰ লগে লগে ই মানুহক শিক্ষা দিয়ে। পুৰণি বৈষ্ণৱ সাহিত্যত ভাওনাৰ ঠাই লোক-ৰঞ্জন, লোক-সংগ্ৰহ, লোক-স্থিতিত ; আকৌ, ভাওনাৰে যিমান সোনকালে কোনো এটা বিষয় মানুহৰ মনত সুমুৱাই দিব পাৰি, আন একোৰে নোৱাৰি। 'তৈলবিন্দুবৎ' পানীত তেলৰ টোপাৰ দৰে নাটৰ প্ৰতিপাদ্য বিষয় বিৰাট জনসজ্ঘত বিয়পি পৰে। অসমীয়া নাটৰ নিৰ্মাণৰ কৌশলো ইয়াৰ উদ্দেশ্যৰ অনুৰূপ। সূত্ৰধাৰেই ইয়াৰ মধ্যস্থ পুৰুষ। সূত্ৰধাৰ নামটো সংস্কৃত নাটৰপৰা ধাৰ

কৰি অনা হ'লেও ভাওনাত ইয়াৰ কাম সম্পূৰ্ণ স্বতন্ত্ৰ। সংস্কৃত নাটত সূত্ৰধাৰৰ কাম আছিল কেৱল গ্ৰন্থকাৰৰ পৰিচয় দি কি উপলক্ষে নাটখন প্ৰৱৰ্তন কৰা হ'ল, মাথোন এইখিনি কৈ দিয়া। তাৰ পিছত সূত্ৰধাৰ ওলাই যায় আৰু নাটৰ কাম আপোনা-আপুনি আৰম্ভ হয়। অসমীয়া নাটত সূত্ৰধাৰ গুৰিৰপৰা শেষলৈকে দোহাৰত উপস্থিত থাকে আৰু এই সূত্ৰধাৰক কেন্দ্ৰস্থ কৰিয়েই চকৰিৰ দৰে ঘূৰে। এই সূত্ৰধাৰজন নাটকৰ প্ৰতিপাদ্য বিষয় আৰু দৰ্শক-মণ্ডলীৰ ভিতৰত মধ্যবৰ্তী লোক। নাটৰ ঘটনাৱলীৰ সকলো সম্ভাৱিত অৰ্থ উদ্ধাৰ কৰি সূত্ৰধাৰে 'আহে সামাজিক লোক' বুলি দৰ্শক-সকলক বুজাই দিয়ে। গোটেই ভাওখন জানিবা বেৰত আঁকি থোৱা ছবিৰ মানচিত্ৰ। সূত্ৰধাৰে সেই চিত্ৰবোৰ আঙুলিৰে বুজাই দিয়াৰ দৰে নাটৰ ঘটনা-পৰম্পৰা আৰু সেইবোৰ তাৎপৰ্য ৰাইজক বুজাই নিয়ে।

এই সূত্ৰধাৰৰ অনুৰূপ কল্পনা পুৰণি ভাৰতীয় সাহিত্যত নাই। ইয়াক দেখা যায় মাথোন পুৰণি গ্ৰীক্ নাটৰ কোৰাছৰ কল্পনাত। কিন্তু গ্ৰীক্ নাটে চৰম অভিব্যক্তি লাভ কৰিছিল বুলি মুখামুখিকৈ সমজুৱাসকলক লক্ষ্য কৰি গ্ৰীক্ কোৰাছে কথা নকয়, কেৱল নাটৰ ঘটনাবোৰৰ অৰ্থ দৰ্শক-মণ্ডলীক উপলক্ষ্য কৰি গীতৰ সহায়েৰে ব্যক্ত কৰে। অসমীয়া নাটত সূত্ৰধাৰৰ গীত আৰু সমজুৱাসকলক লক্ষ্য কৰি কোৱা গীতাৰ্থব্যঞ্জক কথাও আছে।

পুৰণি অসমীয়া নাটৰ নিৰ্মাণত দুটি খলপা পোৱা যায়। নাটত গদ্য আৰু পদ্য দুয়োটা আছে। গদ্য-কথাবোৰ একেবাৰে এৰি দিলেও কেৱল গীত আৰু পদৰ ভিতৰতেই বচন আৰু উত্তৰ স্বৰূপে নাটৰ ঘটনাৱলী পোৱা যায় আৰু গীত-পদ এৰি দিলেও কেৱল কথাৰপৰাই গোটেই নাটখন উদ্ধাৰ কৰিব পাৰি। গদ্য কথাবোৰ এৰি দিলে নাট হ'বই নোৱাৰে; কিন্তু কবিসকলৰ প্ৰতিভাৰ বিকাশ হৈছে গীত আৰু পদবোৰৰ ভিতৰেদি। কথাবোৰেৰে নাটৰ ঘটনা-পৰম্পৰাক সৰলভাৱে সমজুৱাসকলক বুজোৱা হৈছে মাথোন। কিন্তু সাহিত্য হিচাপে নাটবোৰৰ সাৰুৱা অংশ হৈছে গীতবোৰেই।

পুৰণি অসমীয়া নাটৰ নিজ নাম হৈছে অঙ্কীয়া ভাওনা। সংস্কৃতত ভাণ নামে এবিধ নাটক আছে, তাত মাথোন একেটি অঙ্ক থাকে। অসমীয়া নাটতো গুৰিৰপৰা আগলৈকে একেটি 'অঙ্ক' মাথোন। সংস্কৃতৰ এক অঙ্ক থকা ভাণৰ লগত আমাৰ অঙ্কীয়া ভাওনাৰ কিবা সম্বন্ধ থাকিব পাৰে। এইটোও অলপ মন কৰিব লগীয়া যে পুৰণি গ্ৰীক্ নাটবোৰতো একেটি মাথোন অঙ্ক থাকে।

সূত্ৰধাৰৰ অভিনৱ ভাও-কল্পনাৰ লগত নাটৰ এক অঙ্কৰ এটি ডাঙৰ সম্বন্ধ আছে। আধুনিক আৰু পুৰণি নাটবোৰো বেলেগ বেলেগ অঙ্কত বিভক্ত। সূত্ৰধাৰৰ নতুন ৰূপ কল্পনাৰপৰা অঙ্কীয়া নাটক বেলেগ বেলেগ অঙ্কত বিভাগ কৰাৰ প্ৰয়োজনীয়তা উঠি গ'ল। আধুনিক নাটৰ দুটি অঙ্কৰ মাজ-ডোখৰত যি ঘটনা-পৰম্পৰা হয়, অঙ্কীয়া নাটত সূত্ৰধাৰে গীত আৰু কথাৰ সহায়েৰে সমজুৱাসকলক সেই ঘটনাৱলীক সংক্ষিপ্ত কৰি দিয়ে। পৰৱৰ্তী 'কথা' বুজিবলৈ সূত্ৰধাৰৰ বচনে পাতনিৰ কাম কৰে। যেনে চোৰধৰা নাটত এদিনে যেতিয়া গোৱালিনীসকলে কৃষ্ণক চোৰ ধৰি শাস্তি-স্বৰূপে নাচিবলৈ দিছে,

তেতিয়া আনপিনে যশোদাদেৱীয়ে কৃষ্ণ হেৰাল বুলি বাটকৰা মানুহবোৰক সুধি ফুৰিব লাগিছে। আধুনিক নাটত এই দুটা দৃশ্য বেলেগ বেলেগ স্বতন্ত্ৰ দৃশ্যত দেখুওৱা হ'লহেঁতেন। কিন্তু অঙ্কীয়া নাটত সূত্ৰধাৰৰ কথাৰ সূতাৰে দুয়োটা ঘটনাক একেলগে গাঁথি পেলোৱা হৈছে।—

॥ কথা ॥

সূত্ৰধাৰ বোল: ঐছন প্ৰকাৰে শ্ৰীকৃষ্ণ গোপীসৱক মনোৰথ পূৰিয়ে নানাবিধ কৌতুক-নৃত্য কৰিয়ে আনন্দে তথি থিক। তদনন্তৰে যশোদা আপুন বালক ঘৰে নাহি পেখিয়ে পুত্ৰ-স্নেহে আকুলিত হুয়া যমুনাক তীৰে তীৰে চায়া বেড়াইতে জৈছে পথিক জনত বাত পুছত তা দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।

কথাখিনি মন দি চালে দেখা যাব, আধুনিক নাটকৰ যিখিনি ঠাইত বন্ধনী চিনৰ ভিতৰত দৃশ্য আদিৰ কথা উল্লেখ থাকে, অঙ্কীয়া নাটত সূত্ৰধাৰৰ কথাই সেই বন্ধনী চিনৰ কামো কৰে। তাৰ বাহিৰেও পৰৱৰ্তী ঘটনাৰ যি সূচনা দিয়ে, তাৰপৰা সমজুৱাসকলৰ পক্ষে নাটৰ ঘটনা-পৰম্পৰা ধৰিবলৈ সুবিধা হয়। আজি-কালিৰ দিনত দৰ্শকসকলৰ মাজত বিলাই দিয়া ছপোৱা কাকত-কেইডুখৰিমানে এই সূচনাৰ কাম কৰে। যেতিয়া ছপা-যন্ত্ৰ নাছিল আৰু বিশেষতঃ নাটবোৰ যেতিয়া সাধাৰণ জন-সমাজক এটি আদৰ্শ বুজাবলৈ ৰচিত হৈছিল, সূত্ৰধাৰৰ অভিনৱ ৰূপ-কল্পনা যে কিমান সফল, সহজে অনুমান কৰিব পাৰি। মুঠ কথা, সূত্ৰধাৰৰ কথাবোৰ ঘটনা-ক্ৰমৰ লগৰীয়াৰ-পাতনি স্বৰূপ আৰু নাটৰ ঘটনাৱলীৰ অন্ততো সূত্ৰধাৰে সমজুৱাসকলক লক্ষ্য কৰি নাটৰ অভিপ্ৰেত অৰ্থ বুজাই দিয়ে।

সাহিত্য আৰু প্ৰেম

পাতনি

বিজ্ঞানৰ পণ্ডিতসকলে কয়, জুহালৰ এঙ্গাৰ আৰু বহুমূলীয়া হীৰা হেনো ৰসায়নৰ বিশ্লেষণত একেই পদাৰ্থ। কেৱল তাপ আৰু হেঁচাৰ তাৰতম্য অনুসাৰে দুইৰো বাস্তৱ প্ৰকৃতি আৰু গুণৰ ভেদভাব ওপজে। প্ৰেমৰ পোৰণি শক্তিৰ প্ৰভাৱতো একে তেজ-মঙহৰ শৰীৰৰ মানুহৰ মনত বেলেগ বেলেগ প্ৰতিক্ৰিয়া ঘটে। কেতবোৰৰ পক্ষে মনৰ চট্‌ফটনি আৰু কেতবোৰ দুৰ্লভ প্ৰকৃতিৰ মানুহৰ পক্ষে ই উদ্বোধনী প্ৰজ্ঞান-বৰ্ত্তি। ই তেজ-মঙহৰ খন্তেকীয়া ফৰফৰণি নাইকিয়া কৰি অপাৰ্থিৱ সৌন্দৰ্য আৰু আনন্দৰ প্ৰতি উদ্যম সঞ্চাৰ কৰে।

এই আখ্যানবোৰত কেতবোৰ বিশ্ববিখ্যাত মনীষীৰ প্ৰেমৰ স্পৰ্শত প্ৰাণৰ প্ৰতিক্ৰিয়া দেখুওৱা হৈছে। বেদৰ ঋষিপুত্ৰৰ প্ৰেমৰ প্ৰেৰণাত ঋষিত্বলাভৰ প্ৰচেষ্টাৰপৰা আমীয়েলৰ পৰিদৃশ্যমান বিশ্বৰ লগত একাত্মবোধৰ আকাঙ্ক্ষা, সেই একে মিলন স্পৃহাৰেই বিভিন্ন বিকাশ।

এই আখ্যানসমূহ 'আৱাহন', 'জয়ন্তী' আদি কাকতত লিখা হৈছিল। স্নেহাস্পদ ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই সেইবোৰ বুটলি আনি কিতাপ আকাৰত প্ৰকাশ কৰাৰ দিহা কৰিলে। আমাৰ ডেকা সাহিত্য-ৰচকসকলৰ কল্পনাৰ পৰিসৰ বহলোৱাত এই আখ্যানসমূহে সহায় কৰিব বুলি আশা কৰিলোঁ।

গুৱাহাটী
২৮ মে, ১৯৪৮

শ্ৰীবাণীকান্ত কাকতি

নিশাদূত

প্ৰেমৰ দূতকাব্য স্বৰূপে কালিদাসৰ মেঘদূত জাগতিক সাহিত্যত জনাজাত আৰু পণ্ডিতসকলে মেঘদূতৰ ছাঁয়া দেশী-বিদেশী নানান কাব্য-সাহিত্যত লক্ষ্য কৰিছে। সংস্কৃত সাহিত্যত মেঘদূতক অনুকৰণ কৰি বহুত কবিতা ৰচিত হৈছে। তাৰ ভিতৰত ধোয়ী কবিৰ পৱনদূত, ৰূপ গোস্বামীৰ হংসদূত, কৃষ্ণ সাৰ্বভৌমৰ পদাঙ্কদূত, মাধৱ কৱীন্দ্ৰৰ উদ্ধৱদূত উল্লেখযোগ্য। দূত কবিতাৰ চলতি কিন্তু ভাৰতীয় সাহিত্যত বৈদিক যুগৰপৰাই আছে। ঋগ্বেদৰ এটি সূক্ত প্ৰণয়ৰ দূত কবিতা হিচাপে লিখা হৈছিল বুলি আখ্যান আছে। ঋষিয়ে নিশাদেৱীক তেওঁৰ প্ৰণয়ৰ দূত হিচাপে পঠিয়াইছিল। শৌনকৰ বৃহদ্দেৱতা গ্ৰন্থত এই আখ্যানটো আছে।

পুৰণি কালত দাৰ্ভ্য ৰথৱীতি নামে এজন সকলোৰে জনাজাত ৰাজৰ্ষি আছিল। তেওঁ যজ্ঞ কৰিবলৈ মানস কৰি অত্ৰি ঋষিৰ ওচৰলৈ গ'ল আৰু আত্ম-পৰিচয় দি কামনা জনাই অত্ৰিপুত্ৰ অৰ্চনানসক পুৰোহিতৰ ঠাইত বৰণ কৰিলে।

অৰ্চনানসে নিজৰ ল'ৰা শ্যাবাশ্বক লগত লৈ যজ্ঞলৈ গ'ল। শ্যাবাশ্বও সাঙ্গোপাঙ্গ সমস্ত বেদ-বিদ্যাত সুশিক্ষিত আছিল। যজ্ঞ চলি থাকোঁতেই পুৰোহিত অৰ্চনানসে যশস্বিনী ৰাজকুমাৰীক দেখিলে; আৰু মনতে ভাবিলে ৰাজকুঁৱৰী যদি তেওঁৰ বোৱাৰী হ'লহেঁতেন! শ্যাবাশ্বয়ো কুঁৱৰীক দেখিলে আৰু মন কুঁৱৰীতেই লাগি ৰ'ল (সক্তমাসীত্তদা মনঃ)। শ্যাবাশ্বই ৰজাক ক'লে, "ৰাজন্! মোলৈ ছোৱালী দিয়া হওক।" শ্যাবাশ্বক ছোৱালী দিবলৈ বুলি অন্তৰত ইচ্ছা কৰি ৰাণীৰ মত সুধিবলৈ গ'ল। ৰজাই ছোৱালী দিবলৈ নিজৰ ইচ্ছা আছে বুলি কৈ ৰাণীৰ মত সুধিলে আৰু ক'লে, "অত্ৰিপৌত্ৰ আমাৰ পক্ষে একেবাৰে হীন জোঁৱাই নহ'ব।" আভিজাত্য-গৰ্বিতা ৰাণীয়ে উত্তৰ দিলে, "মোৰ ৰাজৰ্ষি কুলত জন্ম, মোৰ কুলৰ ৰজাসকলে বেদমন্ত্ৰ দৰ্শন কৰিছিল, সেইকাৰণে যি বেদমন্ত্ৰ দৰ্শন কৰি ঋষিপদ পোৱা নাই সি আমাৰ জোঁৱাই হ'ব নোৱাৰে। এই অত্ৰিকুমাৰ বেদমন্ত্ৰ দেখোঁতা নহয়। মোৰ কন্যাক কোনোবা মন্ত্ৰ দেখোঁতা ঋষিলৈ দিয়ক, যেন বেদমাতা হ'ব পাৰে। কিয়নো মন্ত্ৰ দেখোঁতাসকলক বেদপিতা বুলি কোৱা হয়।" ৰাণীৰ লগত এই পৰামৰ্শ কৰি ৰজাই পুৰোহিতক উত্তৰ দিলে—"বেদমন্ত্ৰ দেখোঁতাত বাজে অইন কোনো আমাৰ জোঁৱাই হ'বলৈ লায়ক নহ'ব।" (অনৃষিৰ্নৈব জামাতা কশ্চিদ্ভবিতুমৰ্হতি।) এইদৰে বিয়াৰ প্ৰস্তাৱ অগ্ৰাহ্য হ'লত যজ্ঞৰ শেষত পুৰোহিত উভতি গ'ল। কিন্তু শ্যাবাশ্বৰ হ'লে কুমাৰীৰপৰা মন উভতি নাহিল—(শ্যাবশ্বস্ত তু কন্যায়া মনো নৈব ন্যৱৰ্ত্তত।) বাটত যাওঁতে বাপেক-পুতেকে তৰন্ত আৰু পুৰুমীলহ নামেৰে ৰাজৰ্ষি দুজনাক মাত লগাই গ'ল। তৰন্ত-মহিষী শশীয়সীয়ে মৰম কৰি শ্যাবাশ্বক ছাগলী, গৰু আদি

ভালেমান বস্তু উপহাৰ দিলে। এইদৰে ৰাজৰ্ষিসকলৰপৰা মান-সম্মান পাই বাপেক-পুতেক অত্ৰিৰ আশ্ৰমলৈ গ'ল আৰু মহৰ্ষি অত্ৰিক সেৱা জনালে।

শ্যাবাশ্বৰ মনত বিষাদ। হাৰিলৈ গৈ নিজৰ অযোগ্যতাক লক্ষ্য কৰি তেওঁ ভাবি আছে—"হায়, মই নিজে মন্ত্ৰ দেখিব নোৱাৰাৰ কাৰণেহে এনে সৰ্বাঙ্গসুন্দৰী কন্যা নেপালোঁ। মই মন্ত্ৰ দেখিবলৈ পোৱাহেঁতেন আনন্দত উপচি পৰিলোঁহেঁতেন!" এইদৰে অৰণ্যত চিন্তা কৰি থাকোঁতে তেওঁৰ কাষত আহি অকস্মাৎ মৰুৎ দেৱতাসকল উপস্থিত হ'ল। দেখোঁতে দেৱতাসকল তেওঁৰ সমান বয়সিয়াল, তুল্যৰূপ; তেওঁলোকৰ সোণ খটোৱা বুকু আৰু পুৰুষ আকৃতি। তেওঁলোকক দেখি বিস্মিত হৈ শ্যাবাশ্বই সুধিলে—"তোমালোক কোন?" তাৰ পিছত বুজিলে যে এওঁলোক ৰুদ্ৰপুত্ৰ মৰুৎগণ। তেতিয়া তেওঁ "য ঈং বহন্তে" ইত্যাদি সূক্তেৰে তেওঁলোকৰ স্তৱ কৰিলে।

স্তুতিত সন্তুষ্ট হৈ মৰুৎসকলে যাবৰ সময়ত নিজ নিজ বুকুৰপৰা সোণ খহাই শ্যাবাশ্বক দি গ'ল।

এইদৰে (সদ্য-ঋষি) অৰ্থাৎ অভিনৱ মন্ত্ৰ দেখোঁতা হৈ শ্যাবাশ্বই ৰথৱীতিৰ কুঁৱৰীৰ কথা মনেৰে ধ্যান কৰিলে (ৰথৱীতেৰ্হিতৰমগচ্ছন্মনসাতদা); আৰু নিজৰ এই অভিনৱ ঋষিত্ব পদৰ কথা ৰাজৰ্ষি ৰথৱীতিক জনাবলৈ নিশাদেৱীক দূত নিয়োগ কৰিলে।

"এতৎ মে স্তোমমূৰ্ম্যে দাৰ্ভ্যায় পৰা বহ গিৰো দেৱি ৰথীৰিৱ। উত মে বোচতাদিতি সুতসোমে ৰথৱীতৌ ন কামো অপৱেতি মে।" ঋগ্বেদ ৫।৬১।১৭-১৮

'হে নিশাদেৱী, মোৰ এই স্তোত্ৰটো দাৰ্ভ্য ৰথৱীতিৰ ওচৰলৈ লৈ যোৱা আৰু মোৰ কথাৰে তেওঁক ক'বা তেওঁৰ কন্যাৰ পৰা মোৰ প্ৰণয় উলটি অহা নাই।'

নিশাদেৱীয়ে ৰথৱীতিক দেখা নাই আৰু তেওঁ ক'ত থাকে নেজানে বুলি মনত ঠাৱৰ কৰি ঋষিয়ে ক'লে—"এষ ক্ষেতি ৰথৱীতিৰ্মঘবা গোমতীৰণু পৰ্ব্বতেষ্বপাশ্ৰিতঃ।" ঋগ্বেদ ৫।৬১।১৯

'এখেতে হিমালয় পৰ্বতক আশ্ৰয় কৰি গোমতী নৈৰ তীৰত থাকে।'

নিশাদেৱীৰপৰা অভিনৱ ঋষিৰ সম্ভাষণ বাতৰি পাই ৰথৱীতিয়ে কন্যাক লগত লৈ অত্ৰি ঋষিৰ আশ্ৰমত উপস্থিত হ'ল; আৰু নিজৰ পৰিচয় দি অৰ্চনানসক স্তুতি কৰি ক'লে, "আপুনি আগেয়ে মোৰ লগত সম্বন্ধ কৰিব খুজিছিল; আপোনাৰ প্ৰস্তাৱ তেতিয়া গ্ৰহণ কৰিব নোৱাৰিলোঁ বুলি খঙ নকৰি ক্ষমা কৰিব। আপুনি ঋষিপুত্ৰ, স্বয়ং ঋষি আৰু ঋষি-পিতা। এতেকে মোৰ কন্যাক বোৱাৰী স্বৰূপে গ্ৰহণ কৰক।" এই বুলি পাদ্য-অৰ্ঘ্য আদিৰে অৰ্চনা কৰি এশ বগা ঘোৰা যৌতুক হিচাপে দান কৰি তেওঁলোকক ঘৰলৈ বিদায় দিলে। অভিনৱ ঋষি শ্যাবাশ্বয়ো শশীয়সী ৰাণী, তৰন্ত আৰু পুৰুমীলহ ৰাজৰ্ষিক ছটা বৈদিক মন্ত্ৰেৰে স্তৱ কৰি ঘৰলৈ গ'ল।

প্ৰণয়ৰ এই দৌত্য কবিতাত আদিম যুগৰ সকলো সৰলতা, কোমলতা, নিষ্পাপতাৰ সমাৱেশ আছে। পিছৰ কালৰ উদ্দাম বাসনা, প্ৰণয়িনীৰ অঙ্গী-ভঙ্গীৰ লোলুপ ধ্যান আদি ইয়াত নাই। সমস্ত আখ্যানটো যেন পুৱাৰ নিয়ৰত তিতি থকা বগা শেৱালি ফুল এপাহি।

বেদৰ ঋষি পদবীৰ বিষয়ে ইয়াতে অলপ কোৱা যুগুত। বেদবিদ্যাত অতি পৈণত আছিল যদিও শ্যাবাশ্বৰ প্ৰণয়ৰ প্ৰস্তাৱ অগ্ৰাহ্য হৈছিল তেওঁ ঋষি পদ নোপোৱাৰ বাবে। যিসকল মহাপুৰুষে আধ্যাত্মিক সত্য উপলব্ধি কৰি তাঁৰাক আশ্ৰয় কৰি, সেই সত্য প্ৰচাৰ কৰিছিল, তেওঁলোকক ঋষি বোলা হৈছিল। ঋষি শব্দৰ ধাতুগত অৰ্থ হৈছে দ্ৰষ্টা, দেখোঁতা। সেইকাৰণে বেদমন্ত্ৰ ৰচোঁতা ঋষি-সকলক মন্ত্ৰদ্ৰষ্টা বোলা হয়।

সাধাৰণ পুথিক লক্ষ্য কৰি আমি কওঁ যে অমুকটো কবিতা অমুকৰ ৰচিত। কিন্তু বেদৰ মন্ত্ৰৰ বিষয়ে এইদৰেহে কোৱা হয় যে অমুক মন্ত্ৰৰ দ্ৰষ্টা অমুক ঋষি অৰ্থাৎ অমুক মন্ত্ৰত যি তত্ত্ব বা সত্যৰ বিকাশ হৈছে সেই তত্ত্ব বা সত্য সনাতন ; কিন্তু অমুক ঋষিয়ে ধ্যানত দেখি প্ৰচাৰ কৰিছে।

আজিকালিৰ কথাৰ সহায়েৰে বুজিব লাগিলে বৈজ্ঞানিক আবিষ্কাৰবোৰৰ কথা ধৰিব পাৰি। সৃষ্টিৰ আদিৰপৰাই পৃথিবীৰ মাধ্যাকৰ্ষণ শক্তি চলি আছে। এই শক্তি-তত্ত্ব প্ৰথমে নিউটনে জ্ঞানচকুৰে দেখি মানুহে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে। বেদৰ পৰিভাষাৰে ক'ব লাগিলে এই মাধ্যাকৰ্ষণ তত্ত্বৰ ঋষি (দেখোঁতা আৰু প্ৰচাৰ কৰোঁতা) নিউটন। সেইদৰে সৃষ্টিৰ আদিৰপৰাই অভিব্যক্তি শক্তি চলিয়েই আছে। ডাৰৱিনে এই তত্ত্বজ্ঞান চকুৰে দেখি সকলোৱে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে। বিজ্ঞান জগতত অভিব্যক্তি মন্ত্ৰৰ ঋষি হৈছে ডাৰৱিন্। সেইদৰে যেতিয়া কোৱা হয় যে গায়ত্ৰী মন্ত্ৰৰ ঋষি বিশ্বামিত্ৰ, আমি বুজিব লাগিব যে মাধ্যাকৰ্ষণ তত্ত্বৰ দৰে গায়ত্ৰী-তত্ত্বও অনাদি অপৌৰুষেয় ; বিশ্বামিত্ৰ ঋষিয়ে সেই তত্ত্বজ্ঞান চকুৰে দেখি লৌকিক ভাষাত প্ৰচাৰ কৰে।

যিসকল মহাপুৰুষে আধ্যাত্মিক সত্য আবিষ্কাৰ কৰি মন্ত্ৰ ৰচনা কৰিছিল তেওঁলোকক বৈদিক যুগত ঋষি বোলা হৈছিল ; আৰু তেওঁলোকৰ মনো সাঙ্গোপাঙ্গ বেদবিদ্যাত পৈণত অথচ ঋষি নহয়—তেনেকুৱা বিদ্বান পণ্ডিতকৈ বহুত ওপৰত।

শ্যাবাশ্ব পণ্ডিত আছিল ; কিন্তু ঋষিত্ব পোৱা নাছিল, সেইকাৰণে তেওঁৰ প্ৰণয় প্ৰস্তাৱ অগ্ৰাহ্য হৈছিল।

ভাৰৰীয়াৰ ভেশত প্ৰেমিক

[পৌৰাণিক আখ্যান]

দেৱতা আৰু অসুৰৰ বিৰোধ। সচৰাচৰ যি হয়, ব্ৰহ্মাই সকলো অঘটন-ঘটনৰ গুৰিত। কোনোবা অসুৰে তপস্যাত বহিলেই সন্তুষ্ট হৈ ব্ৰহ্মাই বৰ দিয়ে। বজ্ৰনাভ নামে এজন দৈত্যই তপস্যাৰে ব্ৰহ্মাক প্ৰসন্ন কৰি বৰ লভিলে—তেওঁ দেৱতাসকলৰ অবধ্য হ'ব। বৰ লভিয়েই বজ্ৰপুৰ নামে নগৰ

এখন নির্মাণ কৰিলে। আনৰ কথা দূৰত, তাত বায়ু দেৱতাৰো নিজ ইচ্ছামতে নিষিদ্ধ। বজ্ৰনাভ অসুৰে মাজে-সময়ে বজ্ৰপুৰৰপৰা ওলাই দেৱতাসকলক জোকাবলৈ ধৰিলে।

অসুৰৰ শ্ৰীবৃদ্ধি হ'লে ইন্দ্ৰৰ ইন্দ্ৰত্ব যায় বুলি ভয় হয়। সৰগৰ ৰজা ইন্দ্ৰই ৰাজ্য হেৰুৱাবৰ ভয়ত শ্ৰীকৃষ্ণত শৰণ মাগিলে। শ্ৰীকৃষ্ণই অভয় দি ক'লে—বজ্ৰনাভ দেৱতাৰ অবধ্য, কিন্তু দেৱপুত্ৰ প্ৰদ্যুম্নৰ হাতত তাৰ মৰণ হ'ব।

সেই সময়ত ভদ্ৰ নামে এজন নট (ভাৱৰীয়া) আছিল। তেওঁ ঋষিসকলৰ যজ্ঞত গীত-নাচোনেৰে সকলোকে মুগ্ধ কৰিব পাৰিছিল। বসুদেৱৰ অশ্বমেধ যজ্ঞত তেওঁ ঋষিসকলক এনেভাৱে মোহিত কৰিলে যে ঋষিসকলে তেওঁক বৰ দিলে—যেন সপ্তদ্বীপা পৃথিৱীত তেওঁৰ অবাধ গতি হয়; তেওঁ চিৰযবা আৰু নিৰোগী থাকিব আৰু কাৰো হাতত তেওঁৰ মৃত্যু নঘটিব; তেওঁ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ যাৰ ভাও যেতিয়া দেখুৱাব, হুবহু তাৰ ৰূপ লব পাৰিব। এইদৰে বৰলব্ধ হ'লত ভদ্ৰ-নটৰ কীৰিতি সকলো জগততেই বিয়পি পৰিল।

সচৰাচৰ দেখা যায়, অসুৰৰ গোপন শত্ৰু নিজৰ ছোৱালী। সিহঁতে অসুৰৰ লোণ খায় কিন্তু দেৱতাৰহে গুণ গায়। বাণ ৰজাই ৰাজ্য হেৰুৱায় ছোৱালী উষাৰ বৈগুণ্য দোষত। বজ্ৰনাভৰো ৰূপৱতী ছোৱালী এজনী আছিল; নাম প্ৰভাৱতী। তেওঁৰ পণ আছিল স্বয়ম্বৰত পতি বাছি লব। দেশ-দেশান্তৰৰ পৰা কোঁৱৰসকল আহে, বাছনি পৰীক্ষাত উঠিব নোৱাৰি লাজে-অপমানে উভতি যায়। শেহত কোনো নহাত পৰিল। প্ৰভাৱতীয়ে অসুৰৰ তিকতাসকলৰ মুখত শ্ৰীকৃষ্ণৰ পুত্ৰ প্ৰদ্যুম্নৰ (কামদেৱ) ৰূপ-গুণৰ গৌৰৱ শুনি তেওঁৰ নামতেই হিয়া-মন সমৰ্পণ কৰিছিল। কিন্তু তেওঁৰ লগত কেনেকৈ মিলন হ'ব সেইটো ভাবি ওৰ নেপাইছিল—'হৃদি মে বৰ্ত্ততে নিত্যং প্ৰদ্যুম্নঃ খলু সত্তমে। হেতুঃ স নাস্তি স্যাত্তেন যথা মম সমাগমঃ॥'

ছিদ্ৰৰ সম্ভেদ পাই শ্ৰীকৃষ্ণৰ পৰামৰ্শ মতে ইন্দ্ৰদেৱতাই হাঁহ এজাক কূটনীতিৰ চৰীয়া হিচাপে বজ্ৰপুৰলৈ পঠিয়াই দিলে। সিহঁত গৈ বজ্ৰনাভৰ অন্তেষপুৰৰ পুখুৰীত পৰিব আৰু নানান লাহ-বিলাহেৰে অন্তেষপুৰৰ তিৰোতাসকলৰ মন মুহিব; মানুহৰ ভাষাৰে কথা ক'ব আৰু ছেগ বুজি প্ৰভাৱতীৰ আগত গুণ-গৰিমা বখানিব; প্ৰভাৱতীৰ মন কুমলিলে প্ৰদ্যুম্নৰ আগত প্ৰভাৱতীৰ ৰূপ-লাৱণ্য ৰখানিব। এইদৰে যেতিয়া দুয়ো দুইৰো প্ৰতি বিহ্বল হৈ উঠে তেতিয়া হাঁহজাকে ইন্দ্ৰক বাতৰি যোগাব। তেতিয়া শ্ৰীকৃষ্ণৰ পৰামৰ্শ অনুসাৰে যথাবিধেয় কৰা হ'ব।

হাঁহজাক উৰি গৈ বজ্ৰনাভৰ অন্তেষপুৰৰ পুখুৰীত পৰিল। লয়লাস বিভঙ্গেৰে পুখুৰীত সাঁতুৰি পানী-খেল খেলিবলৈ ধৰিলে। অন্তেষপুৰৰ তিকতাসকলে উলহ-মালহ কৈ আগুৰি ধৰিলে। হাঁহজাকে মানুহৰ ভাষাৰে সম্ভাষণ কৰি সকলোৰে পৰিচয় ললে। প্ৰভাৱতীয়ে শুচিমুখী নামে হাঁহিনী এজনীক সখী পাতিলে। ছেগ অনুসাৰে শুচিমুখীয়ে প্ৰভাৱতীৰ অন্তৰৰ বুজ-বাজ ললে। সঙ্গোপনে প্ৰেম-তত্ত্বৰ পৰিচয় দিবলৈ ধৰিলে—"হে লাজুকী ভয়াতুৰে, দিনে দিনে যৌৱনৰ কাল উকলি যায়।

যিটো দিন পাৰ হয় পানীৰ সোঁতৰ দৰে সি উভতি নাহে। তুমি স্বয়ম্বৰ পণ ধৰিছা সঁচা, কিন্তু লাজ-অপমানৰ ভয়ত কোনে তোমাৰ ওচৰলৈ আহিব? তুমি প্ৰদ্যুম্নক ভাল পোৱা, কিন্তু কি সাহ আৰু ভৰসাৰেই বা তেওঁ তোমাৰ ওচৰলৈ আহিব?"

প্ৰভাৱতীয়েও সঙ্গোপনে উত্তৰ দিলে, "প্ৰদ্যুম্নৰ পিতৃ দৈত্যকুলৰ শত্ৰু। বজ্ৰপুৰত কাৰো প্ৰবেশ নাই। যদি কেনেবাকৈ প্ৰদ্যুম্নক বজ্ৰপুৰলৈ অনাব পাৰা, মোৰ প্ৰতি বৰ অনুগ্ৰহ হয়।"

শুচিমুখী প্ৰণয়ৰ দূতীস্বৰূপে দ্বাৰকালৈ যাবলৈ আগ বাঢ়িল; কিন্তু প্ৰভাৱতীক ক'লে, "তোমাৰ পিতা বজ্ৰনাভৰ ওচৰত এবাৰ মোৰ দেশ-বিদেশৰ অভিজ্ঞতাৰ গৌৰৱ ৰটনা কৰি চোৱাঁচোন।" প্ৰভাৱতীয়ে শুচিমুখীৰ 'কথা-কুশলতা'ৰ পৰিচয় দিলত বজ্ৰনাভে শুচিমুখীক মাতি নি সুধিলে, "হংসী, তুমি দেশ-দেশান্তৰত উৰি ফুৰা, ক'ত কি আচৰিত বস্তু দেখিছা কোৱাঁচোন।" শুচিমুখীয়ে নানান আচৰিত বস্তুৰ লগত লব্ধবৰ ভদ্ৰ-নটৰ আখ্যান উল্লেখ কৰিলে। ভদ্ৰ-নট কামৰূপী আৰু দেৱ, গন্ধৰ্ব সকলোৰে গীত আৰু নাচোনেৰে গোটেইখন জগতকে মুহিব পাৰে। বজ্ৰনাভে উত্তৰ দিলে, "মোৰো এইজন ভাৱৰীয়াক এবাৰ চাবলৈ কুতূহল হৈছে। এটি উপায় কৰি আনিবৰ চেষ্টা কৰিবাচোন।"

পিতা-পুত্ৰী দুয়োৰে দূতী হিচাপে হংসী গৈ ইন্দ্ৰ আৰু শ্ৰীকৃষ্ণৰ ওচৰ পালেগৈ। শ্ৰীকৃষ্ণই ক্ষণ বুজি দৈৱিক মায়াৰে যদুবংশী ডেকাসকলক ভাৱৰীয়াৰ সাজেৰে সজালে। প্ৰদ্যুম্নক প্ৰধান ভাৱৰীয়া ভদ্ৰ-নটৰ আৰু গদক্ শ্ৰুতিধৰৰ সাজ দিলে। লগত বাৰবণিতা কেতবোৰক নাচনী কৰি পঠিয়ালে।

ভাৱৰীয়াৰ ভেশেৰে যদুবংশীসকল বজ্ৰপুৰত উপস্থিত হ'লগৈ। দৈত্যসকলে এওঁলোককেই প্ৰকৃত ভদ্ৰ-নটৰ দল বুলি ধৰি লৈ মান-সৎকাৰ কৰিলে। ভাৱৰীয়াসকলে প্ৰথমে ৰামায়ণৰ আখ্যানৰ ভাওদেখুৱালে (ৰামায়ণং মহাকাব্যমুদ্দেশ্যে নাটকীকৃতম্)। অসুৰসকলে নটনৈপুণ্যত বিস্ময়াপ্লুত হৈ গাৰ কাপোৰ, অলঙ্কাৰ আদি খহাই ভাৱৰীয়াসকলক লক্ষ্য কৰি দলিয়াই দিবলৈ ধৰিলে। চাৰিওফালে জয়-জয়কাৰ ৰোল উঠিল।

বজ্ৰনাভে ভাৱৰীয়াসকলক অন্তেষপুৰৰ ভিতৰলৈ অনাই ভাও দিয়াবলৈ ক'লে। যাদৱসকলে অন্তেষপুৰলৈ আহি প্ৰথমে গীতৰ সহায়েৰে গঙ্গাবতৰণ নাচ নাচিলে। পিছত 'ৰম্ভাৰ অভিসাৰ' নামে নাটৰ ভাও দেখুৱালে। ৰাৱণৰ ভাওত প্ৰদ্যুম্ন আৰু ৰম্ভাৰ ভাওত মনোৱতী নামে নটীজনী। যাদৱসকলে মায়াৰ বলেৰে কৈলাসৰ দৃশ্য-পটৰো ৰূপ দেখুৱালে। ডেকা, বুঢ়া, ল'ৰা সকলো আনন্দত আপোন-পাহৰা হ'ল।

এই মতলীয়া অৱস্থাৰ চেলু লৈ শুচিমুখীয়ে প্ৰভাৱতীক জনালে, "সখী, মই দ্বাৰকালৈ গৈ প্ৰদ্যুম্নক তোমাৰ ভক্তি নিবেদন কৰিছোঁ। তেওঁ আজি সন্ধ্যা সময়ত তোমাক প্ৰেম-সম্ভাষণ জনাবলৈ আহিব বুলি বান্ধ ৰাখিছে। আজি তোমাৰ প্ৰিয়-সমাগমৰ বাঞ্ছা পূৰণ হ'ব।" এই অভাৱনীয় বাতৰিত প্ৰভাৱতী আনন্দত কঁপিবলৈ ধৰিলে, আৰু সখীয়েকক সেই ৰাতি একে ঘৰতেই শুবলৈ খাটিলে যাতে কোনো ভয়ৰ কাৰণ থাকিব নোৱাৰে।

শুচিমুখীয়ে নটবেশী প্ৰদ্যুম্নৰ ওচৰত প্ৰণয় বাতৰি জনালে। প্ৰদ্যুম্নই মায়াৰ বলেৰে মৌ-মাখি এটি হৈ ফুলৰ মালা এধাৰিত খামোচ মাৰি ধৰিলে আৰু শুচিমুখীৰ হাতৰ মালাত ওলমি প্ৰভাৱতীৰ ঘৰ সোমাল।

মৌ-মাখিটো প্ৰভাৱতীৰ কাণেৰে মৰ্মস্থলত সোমালগৈ। প্ৰভাৱতীৰ কাম-জ্বৰ উঠিল।

প্ৰভাৱতী যেতিয়া জ্বৰত কাতৰ হ'ল, প্ৰদ্যুম্নই নিজ ৰূপ ধাৰণ কৰি আপোন পৰিচয় দিলে; আৰু গান্ধৰ্ব ৰীতিৰে প্ৰভাৱতীক বিয়া কৰাই প্ৰেম-সম্ভাষণ জনালে। চৰীয়া হাঁহজাকে দুৱাৰৰখীয়া হৈ থাকিল।

দিনৰ পিছত দিন উকলিবলৈ ধৰিলে। সাপে সাপৰ ঠেং দেখে, প্ৰেমিকাই প্ৰেমিকাৰ ৰং-ৰহস্যৰ গম পায়। বজ্ৰনাভৰ ভায়েক সুনাভৰ দুজনী ছোৱালী, নাম চন্দ্ৰৱতী আৰু গুণৱতী। তেওঁলোকে নিতৌ প্ৰভাৱতীৰ ঘৰলৈ অহা-যোৱা কৰে। প্ৰভাৱতীৰ গতিবিধি লক্ষ্য কৰি এদিন সুধিলে,—"কিনো ঘটনা?" প্ৰভাৱতীয়ে ছলকৈ উত্তৰ দিলে, "মোৰ হাতত গুপ্ত বিদ্যা এটি আছে। তাৰ সহায়েৰে দেৱ-দানৱ যাকে বাঞ্ছা কৰা তাকে ধৰি আনি প্ৰেম-সম্ভাষণ কৰিব পাৰা। চোৱা, মোৰ প্ৰিয়তম প্ৰদ্যুম্নক কেনেকৈ মন্ত্ৰেৰে মোহিত কৰি বান্ধি ৰাখিছোঁ। লাগিলে তোমালোকলৈও প্ৰেমিক-প্ৰিয়তম অনাই দিব পাৰোঁ।" তেওঁলোক সৈমান হ'লত যদুবীৰ গদ আৰু সাম্বৰ লগত তেওঁলোকৰো গান্ধৰ্ব বিয়া ঘটালে।

এতিয়া ধৰা পৰিবৰ পাল আহিল। কিন্তু সোনকালে সেইটো ঘটি নুঠিল। ভাৱৰীয়াসকলে এনেদৰে সকলোকে মুগ্ধ কৰিছিল যে তেওঁলোকৰ গতি-গোত্ৰ অসুৰৰ অবোধ্য। যেতিয়া আটাইবোৰ প্ৰেমিকৰ সন্তান উপজি ধলিত খেলিব পৰা হ'ল তেতিয়াহে দৈত্যসকলৰ চকুত পৰিল—কথা বিষম। বজ্ৰনাভলৈ বাতৰি দিয়া হ'ল, যুদ্ধ লাগিল আৰু ব্ৰহ্মাৰ বৰৰ ছিদ্ৰ অনুসাৰে দেৱ-পুত্ৰ প্ৰদ্যুম্নৰ হাতত বজ্ৰনাভৰ মৃত্যু ঘটিল।

এই উপাখ্যানৰ মূল হৰিবংশ। তাত সকলো ঘটনাৰ বহল বিৱৰণ আছে। ইয়াত কেৱল উপাখ্যানৰ জঁকাটোৰ প্ৰধান ৰেখাবোৰৰ চিত্ৰ এটিহে দিয়া হ'ল। ইয়াত প্ৰণয়ৰ দৌত্য কৰিছে হাঁহ এজাকে; কিন্তু প্ৰধান আকৰ্ষণ হৈছে প্ৰণয়ীৰ ভাৱৰীয়াৰ ছদ্মবেশ।

নাৰী-হৃদয়

স্ত্ৰী-পুৰুষৰ ভাবৰ অভিব্যক্তি আৰু ঘাত-প্ৰতিঘাতৰপৰা যি ঘটনা-পৰম্পৰাৰ সৃষ্টি হয়, তাৰ-দ্বাৰাই ৰস-সাহিত্যৰ গঠন আৰু পুষ্টিসাধন হয়। সেই সৌন্দৰ্য-ৰসৰ উপভোগেই সাহিত্যসেৱাৰ চৰম উদ্দেশ্য বুলি পঢ়ুৱৈ সমাজে গ্ৰহণ কৰে। ৰস-সাহিত্যত পুৰুষৰ মুখত যিবোৰ কথা আৰোপ কৰা হয়,

সেইবোৰ পুৰুষোচিত হয় নে নহয়, বিচক্ষণ পঢ়ুৱৈসকলে সহজে অনুভৱ কৰিব পাৰে। বিশেষতঃ সাহিত্যৰ বুৰঞ্জীত নামজ্বলা লেখকসকল যেতিয়া পুৰুষ মানুহেই, তেওঁলোকে প্ৰতিভা আৰু কল্পনাৰ বলেৰে নিজৰ মনৰ ভাবৰপৰাই পুৰুষ সাধাৰণৰ মনৰ ভাব অতি সহজেই স্বাভাৱিকতাৰ ব্যতিক্ৰম নোহোৱাকৈ সুললিত ভাষাত বৰ্ণনা কৰিব পাৰে। কিন্তু জগতৰ ৰস-সাহিত্যত তিৰুতাৰ মুখত যিবোৰ সুন্দৰ আৰু ঠায়ে ঠায়ে অসুন্দৰ কথা দিয়া হৈছে, সেইবোৰ প্ৰকৃত স্ত্ৰী-হৃদয় আৰু স্ত্ৰী-স্বভাৱৰ স্বাভাৱিক অভিব্যক্তি হয় নে নহয়, সেই বিষয়ত সময়ে সময়ে বিদগ্ধ সমালোচকসকলে সন্দেহ প্ৰকাশ কৰে। এসময়ত এনে মতো চলিছিল যে তিৰুতা জাতিৰ আত্মাই নাই। তেওঁলোকৰ বোধশক্তিও নিচেই কম। পুৰুষে যিভাৱে তেওঁলোকৰ মন স্পৰ্শ কৰে, তেওঁলোকৰ কথাত তাৰেই প্ৰতিধ্বনি হয় মাথোন। চাটুকথা কোৱা, তেওলোক সেও খাব, আওহেলা কৰা, তেওঁলোক ভেমত ওফন্দি পৰিব। এইবোৰ কথা সঁচা নে মিছা, সেইটো নাৰী-চৰিত্ৰত অভিজ্ঞসকলে বিচাৰ কৰিব। কিন্তু সাহিত্যত নাৰী-হৃদয় আৰু নাৰী-স্বভাৱৰ যি বিকাশ দেখা যায়, সি কিমান পৰিমাণে পুৰুষ গ্ৰন্থকাৰ-সকলৰ কাল্পনিক আৰোপ আৰু কি পৰিমাণে প্ৰকৃত স্ত্ৰী-চৰিত্ৰৰ স্বাভাৱিক অভিব্যক্তি, সেইকথা বৰ্তমান শিক্ষা বিস্তাৰৰ যগত মৌলিক প্ৰতিভাশালী স্ত্ৰী-লেখিকা কেতবোৰ নোলায় মানে চিৰকলীয়া সমস্যা হৈয়ে থাকিব।

উনৈশ শতিকাৰ আৰম্ভণৰপৰাই ইংৰাজী সাহিত্যত ক্ষমতাশালী তিৰুতা লেখিকা কিছুমান ওলাইছে। কিন্তু সমালোচকসকলে কয় যে পুৰুষে লিখা সাহিত্যই যুগ-যুগান্তৰৰপৰা এনে এটি বিৰাট প্ৰভাৱ বিস্তাৰ কৰি আছে যে তিৰুতা লেখিকাসকলেও সেই প্ৰভাৱৰপৰা মুকলি হৈ স্বাধীনভাৱে ভাবিব আৰু লিখিব পৰা নাই। পুৰুষৰ সাহিত্যত তিৰুতাৰ মনত যি ভাব আৰোপ কৰা হৈছে, বা চৰিত্ৰৰ যি বিশ্লেষণ দিয়া হৈছে, তিৰুতাসকলেও যুগ-যুগান্তৰৰ সংস্কাৰবশতঃ তাকেই নিজৰ বুলি গ্ৰহণ কৰি তেওঁলোকৰ সাহিত্যতো তাৰেই প্ৰতিধ্বনি কৰিছে মাথোন। তিৰুতাৰ মনৰ স্বৰূপ কি? পুৰুষৰ সাহিত্যত তেওঁলোকৰ মনৰ যি বিকাশ দেখুৱা হৈছে, সেয়ে তেওঁলোকৰ মন নে? স্ত্ৰী-হৃদয়ৰ প্ৰতিকৃতি বেলেগ। আজিকালি নাৰী-জাগৰণৰ দিনত শিক্ষিতা লেখিকা থকাহেঁতেন, তেওঁলোকে কি ভাৱে মনৰ ভাব প্ৰকাশ কৰিলেহেঁতেন, তাৰপৰা এই প্ৰশ্নৰ মীমাংসা কিছু পৰিমাণে সহজ হ'লহেঁতেন। কিন্তু সাহিত্যৰ বুৰঞ্জীত মৌলিক প্ৰতিভাশালী কোনো তিৰুতা লেখিকাৰ উল্লেখ নাই। যদিওবা পুৰণি গ্ৰীচত চেফো বুলি বিদুষী কবি এগৰাকী ওলাইছিল, কালৰ এনে কুটিল দৃষ্টি যে নানান গ্ৰন্থকাৰৰ পুথিবোৰৰ উদ্ধাৰ হ'ল, কিন্তু আগ-গুৰি নোহোৱা লোকৰ পুথিত উদ্ধৃত কেতবোৰ পদাংশত বাজে চেফোৰ আটাইবোৰ কবিতা কালৰ গৰ্ভত মাৰ গ'ল। এনে অৱস্থাত প্ৰকৃত নাৰী-হৃদয়ৰ স্বৰূপ কি? কবি বৰ্ণিত 'বজ্ৰাদপি কঠোৰাণি মৃদূণি কুসুমাদপি'—ফুলতকৈ কোমল আৰু অৱস্থা বিশেষে বজ্ৰতকৈও কঠোৰ, এয়ে নাৰী-হৃদয় নে? সমালোচকে কোৱাৰ দৰে 'a mere nothing'—ই এটি বিৰাট শূন্যতা,—ইয়াৰ মীমাংসা ভৱিষ্যতৰ হাতত। পুৰুষ সমালোচকে

কেতিয়াবা এনেও মত পোহে যে পুৰুষৰ প্ৰেমে নাৰীৰ জীৱন গৌৰৱমণ্ডিত কৰে। বিচক্ষণ খনিকৰে যেনেকৈ অৰূপ শিলাখণ্ডৰপৰা দেৱমূৰ্তি কাটি উলিয়ায়, তেনেকৈ প্ৰেমিকেও নাৰী-হৃদয়ৰ নিৰাকাৰ শূন্যতাৰ ভিতৰত প্ৰেম-মন্ত্ৰেৰে নিজৰ আদৰ্শমূৰ্তি জগাই তোলে। এইবোৰ দুৰূহ আৰু জটিল তৰ্ক; নাৰীহৃদয়ৰ স্বতন্ত্ৰ বিকাশৰ বাবে প্ৰতিভাশালী তিৰুতা লেখিকা নোলায় মানে প্ৰকৃত পৰিচয়ৰ কাৰণে সাহিত্য-জগতে বাট চাই থাকিব লাগিব। কিন্তু অৱস্থা অনুসাৰে নাৰীৰ প্ৰেমেও যে পুৰুষৰ জীৱন গৌৰৱান্বিত কৰে, তিৰোতায়ো যে পুৰুষৰ বাবে আত্মদান কৰিব পাৰে, আৰু উদং নাৰী-হৃদয় কেনে ধৰণৰ হব পাৰে তলত দিয়া ঐতিহাসিক ঘটনাৱলীৰপৰা কিছু আভাস পোৱা হব।

ইউৰোপৰ মধ্যযুগত ১০৭৯ খৃষ্টীয় শকত পীয়াবে আবেলাৰ্ডৰ জন্ম হয়। তেওঁ দেখাত বৰ সুপুৰুষ আছিল। সময়ত তেওঁ অতি বিদগ্ধ পণ্ডিত হৈ উঠিল। আমাৰ দেশত বেদান্তৰ ভাষ্যকাৰ শঙ্কৰাচাৰ্যৰ যি পাণ্ডিত্যৰ খ্যাতি, ইউৰোপতো মধ্যযুগত প্ৰচলিত শাস্ত্ৰ আৰু দৰ্শন সমালোচনাত আবেলাৰ্ডৰ সেই খ্যাতি। তেওঁৰ শাস্ত্ৰৰ ব্যাখ্যা আৰু গৱেষণাই এনে মোহিনী শক্তি বিস্তাৰ কৰিছিল যে তেওঁৰ বিপদসঙ্কুল জীৱনত য'তেই তেওঁ পলাই ফুৰিছিল, ত'তেই উন্মাদিহ লৈ দেশ-দেশান্তৰৰ ছাত্ৰসকলে খেদি গৈ লগ ধৰি তেওঁ থকা ঠাইৰ চাৰিওফালে পঁজা বান্ধি বান্ধি থাকিও তেওঁৰ বক্তৃতা শুনিছিল। ঐতিহাসিক পণ্ডিতসকলে কয় তেওঁ এটি গতিশীল বিশ্ববিদ্যালয় আছিল। তেওঁলোকে ইমানখিনিও কব খোজে যে আবেলাৰ্ডে যি আদৰ্শৰ মোহিনী শক্তিত হেজাৰ হেজাৰ ছাত্ৰ টানি আনিছিল, সেই শক্তিৰ সঙ্ঘবদ্ধ গঠনৰ চেষ্টাতেই পিছৰ কালত বিশ্ববিদ্যালয়ৰ আবিৰ্ভাৱ হয়।

যি দুৰ্ঘটনাই আবেলাৰ্ডক তেওঁৰ পাণ্ডিত্যতকৈও বেছিকৈ সাহিত্য বুৰঞ্জীত জীয়াই ৰাখিছে, তাৰ বিৱৰণ তেওঁ Historia Calamitatum, 'দুৰ্ভাগ্যৰ সোঁৱৰণী' বোলা আত্মচৰিতত নিজেই বৰ্ণাই গৈছে। তাৰে চমু বিৱৰণ এটি তলত দিয়া হ'ল।

ডেকাকালত পেৰিছ নগৰত শাস্ত্ৰৰ ব্যাখ্যা কৰি যেতিয়া আবেলাৰ্ডে গৌৰৱৰ জেউতি চৰাইছিল, তেতিয়া সেই নগৰত হেলইছা নামেৰে এজনী অসামান্যা বিদুষী ছোৱালী আছিল। ছোৱালীজনী ফুলবাৰ্ট নামৰ দদায়েকৰ লগত আছিল। দদায়েকৰো ইচ্ছা, ছোৱালীজনীক যেন সেই সময়ত চলিত সকলো দৰ্শন, অলঙ্কাৰ আদি শাস্ত্ৰত অদ্বিতীয় কৰি গঢ়ি তোলে।

আবেলাৰ্ডে ইমান দিন সংযতভাৱেই জীৱন যাপন কৰিছিল। কিন্তু উজান বয়স আৰু সুখ্যাতিৰ তেজ তপতোৱা প্ৰভাৱত মনৰ বান্ধ মুকলি কৰি দি প্ৰেমৰ পাত্ৰী এজনীৰ সন্ধানত মন এৰি দিলে। হেলইছাৰ জ্ঞান-স্পৃহাৰ কথাৰ বুজ পাই নিজৰ দেখনিয়াৰ শৰীৰ আৰু যশস্যাৰ আশ্ৰয় কৰি হেলইছাক প্ৰেমৰ শিকলিৰে বান্ধিবৰ উপায় সাজিবলৈ ধৰিলে। আপোন ঘৰত থাকিলে পঢ়া আৰু গৱেষণাৰ ক্ষতি হয় বুলি ফুলবাৰ্টৰ ঘৰত থাকিবলৈ তেওঁ বন্দবস্ত কৰাই ললে। ফুলবাৰ্ট যদিও বৰ কৃপণ আছিল, তথাপি ভতিজা-জীয়ৰীক শিকোৱাবলৈ তেওঁৰ ইমান আগ্ৰহ যে আবেলাৰ্ডক নিজ ঘৰত থাকিবলৈ দি হেলইছাক তেওঁত শোধাই দিলে। তেওঁ যেন ছাত্ৰক শিকোৱাত বাজে আন সময়খিনি

ছোৱালীজনীক শিকোৱাত নিয়োগ কৰে ; দিনে-ৰাতি যি কোনো সময়তে ছোৱালীৰ ওচৰলৈ তেওঁৰ গতি অবাধ থাকিব আৰু আৱশ্যক হ'লে পঢ়া-শুনাত আওহেলা কৰা বুলি তেওঁ ছোৱালীক শাস্তিও দিব পাৰিব। দদায়েকৰ এই সৰলতাত ৰিদগ্ধ পণ্ডিত মুগ্ধ হ'লেও, তেওঁৰ কামুক অন্তৰাত্মা এই প্ৰস্তাৱত লেলিহান হৈ উঠিল। আবেলাৰ্ডে অকপটভাৱে আত্ম-চৰিতত লিখিছে যে কামবৃত্তি চৰিতাৰ্থ কৰিবৰ অৰ্থে এই সুযোগৰ সম্পূৰ্ণ সুবিধা লবলৈ তেওঁ সাজু আছিল। যদি কথাত বশ নহয়, তেনেহ'লে শাস্তি প্ৰয়োগ তেওঁৰ ক্ষমতাৰ ভিতৰতেই আছিল। কবিয়ে গাইছে—'অপথে পদমপয়ন্তি হি শ্ৰুতাম্বিতোঽপি ৰজোনিমীলিতাঃ' ; বেদ-বিজ্ঞান পাৰ্গত পণ্ডিতেও ৰজোগুণত অন্ধলা হৈ আওবাটত খোজ দিয়ে।

কিন্তু ইমানলৈ যাব নেলাগিল। মূৰৰ ওপৰৰ এডুখৰি ছালেই দুয়োৰো হিয়া দুখনিক এখনি কৰি তুলিলে। মেলা পুথি মেলাই থাকিল, দৰ্শন শাস্ত্ৰৰ ঠাই প্ৰেমালাপে ললে, জটিল সূত্ৰৰ ঠাই চুমাই অধিকাৰ কৰিলে আৰু উদ্ভাসিত চকুত জ্ঞানৰ দীপ্তিৰ ঠাইত প্ৰেমৰ স্নিগ্ধপ্ৰভা জিলিকিবলৈ ধৰিলে। দদায়েকে সন্দেহ কৰিব বুলি কেতিয়াবা ধেমালিকৈ মৰিওৱাৰ ভাও দিব ধৰিলে।

কিন্তু কাৰ্যত তেওঁৰ মনৰ বৈলক্ষণ্য প্ৰকাশ পাবলৈ ধৰিলে। ছাত্ৰসকলৰ প্ৰতি আওহেলা, বক্তৃতাতো পুৰণি কথাৰেই পুনৰুক্তি আৰু কৱিতা ৰচনাতো দৰ্শনৰ বিশদ ব্যাখ্যাৰ ঠাইত প্ৰেমৰ গুণ-গৰিমাই ঠাই ললে। আবেলাৰ্ডৰ কবিতাই চাৰিওফালৰপৰাই সমাদৰ পালে ; কিন্তু ছাত্ৰসকলৰ অন্তৰৰপৰা দীঘল আৰু তপত হুমুনিয়া ওলাবলৈ ধৰিলে—'পতত্যধো ধাম বিসাৰি সৰ্ব্বতঃ'—সকলো দিশ পোহৰ কৰি উল্কাৰ দৰে তেওঁৰ দীপ্তি তলমুখে পৰিবলৈ ধৰিলে। দদায়েকত বাজে আন সকলোৱে কথাৰ বুজ পালে ; শেহত দদায়েকেও নেজানি নেথাকিল। প্ৰেমিক-প্ৰেমিকা আঁতৰা-আঁতৰি হব লগাত পৰিল। বিৰহ-যন্ত্ৰণাৰ মাজতো ইটোৱে সিটোৰ দুৰ্গতিৰ কথা ভাবি বিমোৰ।

ইয়াৰ অলপ পিছতেই হেলইছাই বৰ আনন্দেৰে আবেলাৰ্ডলৈ লিখি পঠালে যে তেওঁ অন্তঃসত্ত্বা হৈছে, আৰু এতিয়া কি কৰিব পৰামৰ্শ সুধিলে। এদিন দদায়েক ফুলবাৰ্ট ঘৰত নথকাত আগেয়ে কোৱা মতে আবেলাৰ্ডে হেলইছাক নিজৰ জন্মভূমি ব্ৰিটনি বোলা ঠাইলৈ লৈ গ'ল আৰু ভনীয়েকৰ তত্ত্বাৱধানত ৰাখিছিল। তাতেই হেলইছাৰ ল'ৰা এটি উপজিল।

এফালে দদায়েক আহি শুদা ঘৰ দেখি বলিয়া হ'ল। আবেলাৰ্ডক মাৰ-ধৰ কৰিলে জানোচা হেলইছাক তেওঁৰ কুটুমসকলে অত্যাচাৰ কৰে, এই ভয়তেই মনৰ খং মনতে মাৰ নিয়াবলৈ ধৰিলে। শেহত আবেলাৰ্ডে দদায়েকৰ দুখত নিজেই কাতৰ হৈ তেওঁক গৈ ক'লে, এই ঘটনাত শোক কৰিব লগীয়া কথা একো নাই, আৰু ইয়াত অস্বাভাৱিকভাৱো লেশ মাত্ৰ নাই। তেওঁ ছোৱালীজনীক বিধিমতে বিয়া কৰিব। কিন্তু বিয়াৰ কথা যেন দদায়েকে অতি গোপনে ৰাখি ক'তো প্ৰকাশ নকৰে। দদায়েকে হাঁহি মুখেৰে মান্তি হ'ল ; কিন্তু অন্তৰত প্ৰতিহিংসাৰ জুই জ্বলি উঠিল।

মধ্যযুগত নিয়ম আছিল যে যিসকলে অধ্যাপনাৰ ব্ৰত গ্ৰহণ কৰে, তেওঁলোকে কৌমাৰ্য অৱলম্বন কৰিব। যদিওবা কেতিয়াবা ভবি পিছলে সেইটো তিমান ধৰিব লগীয়া নাছিল। কিন্তু বিয়াৰ

বান্ধোনত সোমালে, অধ্যাপনাৰ কামত ব্যাঘাত হয় বুলি সেই দিনৰ ধৰ্মপ্ৰতিষ্ঠানবিলাকৰ ভৱিষ্যত উন্নতিও বাধা জন্মে। আবেলাড়ে ভৱিষ্যতৰ উন্নতিৰ কথা তাচ্ছিল্য কৰি, ধৰ্মপত্নী কৰিবলৈ হেলইছাক ঘৰৰপৰা অনালে।

ইমানখিনিলৈ ঘটনাত সাধাৰণ প্ৰেম-কাহিনীত বাজে আন কথা চকুত নপৰে। কিন্তু বিয়াৰ প্ৰস্তাৱৰ বিৰুদ্ধে হেলইছাই যি অভিনৱ যুক্তিৰ অৱতাৰণা কৰিলে তাৰপৰা তেওঁৰ চৰিত্ৰৰ মহত্ব ফুটি ওলাল।

বিদুষী হেলইছাই বিয়াৰ প্ৰস্তাৱত আপত্তি তুলিলে—প্ৰথমতঃ, দদায়েকৰ স্বভাৱ তেওঁ ভালকৈ জানে। বিযাৰ চেলু লৈ দদায়েকে আবেলাৰ্ডৰ ওপৰত প্ৰতিশোধ লবলৈ চেষ্টা কৰিব। দ্বিতীয়তঃ, বিয়াৰপৰা তেওঁৰ যি ভৱিষ্যত উন্নতিৰ ভেটা হব তাত তেওঁ নিজকেই গৌৰৱান্বিত বুলি ভাবিব কেনেকৈ? আবেলাড়ৰ প্ৰতিভা জগতৰ হিতৰ বাবে, তেওঁৰ ভৱিষ্যৎ ঠাই ধৰ্ম-প্ৰতিষ্ঠানৰ ওখ শিখৰত। এনে এজন পুৰুষক নিজৰ কৰি ঘৰৰ চাবি চুকত সুমুৱাই ৰাখিলে জগতৰ শাও তেওঁৰ ওপৰত নপৰিবনে? যদিওবা আবেলাড়ে জগতৰ আশা আৰু নিজৰ ভৱিষ্যত গৌৰৱক তুচ্ছ জ্ঞান কৰি ঘৰুৱা জীৱনকে ডাঙৰ পাতিব খোজে, তাৰ পৰাই বা তেওঁৰ সুখ-শান্তি কি হব? তিৰুতা-সেৱা আৰু শাস্ত্ৰচৰ্চা সমানে নচলে। এফালে শিক্ষাৰ কাম, আনফালে ঘৰুৱা জঞ্জাল, এফালে শাস্ত্ৰৰ পেতি মনোযোগ, আনফালে ল'ৰা-ছোৱালীৰ চিঞৰ-বাখৰ, ইয়াত তেওঁৰ শান্তিৰ সম্ভাৱনা ক'ত? সেই কাৰণে সকলো যুগতেই জ্ঞানসেৱীসকলে সংসাৰৰ আন্দকালৰপৰা আঁতৰত থাকি নিৰ্বিবাদে জ্ঞান-চৰ্চাতেই মন নিয়োগ কৰিছিল।

ইমানতো আবেলাৰ্ডৰ সঙ্কল্প অটল দেখি হেলইছাই নিজৰ সুখৰ নাম কৰিয়েই তেওঁক বুজাবলৈ ধৰিলে। পেৰিচ নগৰত থকাটো হেলইছাৰ পক্ষে অশান্তিকৰ হব। বিবাহিতা হোৱাতকৈ আবেলাৰ্ডৰ ৰক্ষিতা হোৱাটোহে তেওঁ বেছি গৌৰৱান্বিত বুলি ভাবে। আঁতৰা-আঁতৰিকৈ থকাৰ বাবে তেওঁলোকৰ ক্ষণিক মিলনো স্বৰ্গীয় সুখৰ আকৰ যেন হব।

ইয়াতো আবেলাৰ্ডক অচল দেখি চকুৰ পানীৰ ভিতৰেদি হেলইছাই নিঃস্বাৰ্থে প্ৰেমিকাৰ ভৱিষ্যত-দৰ্শিতাৰ পৰিচয় দি ক'লে, "বিয়াৰ ঘটনাৰপৰা আমাৰ যি আমৰণ শোকৰ ঢল বৈ থাকিব, তাৰ গভীৰতা আমাৰ আগৰ প্ৰেমৰ গভীৰতাতকৈ কম নহব।" ঘটনাৰ চকৰি যেনেকৈ ঘূৰিবলৈ ধৰিলে, এই ভৱিষ্যত-বাণী আখৰে আখৰে ফলিল।

ল'ৰাটোক ভনীয়েকৰ ওচৰত ৰাখি দুয়ো পেৰিছলৈ আহিল আৰু বিধান অনুসাৰে গোপনে বিয়া হৈ গ'ল। বিয়াৰ পিছত দুয়ো বেলেগে থাকিল আৰু সময়মতে গোপনে দেখা-শুনা চলিবলৈ ধৰিলে। দদায়েকে আগৰ অঙ্গীকাৰ ভঙ্গ কৰি প্ৰচাৰ কৰি দিলে যে আবেলাৰ্ডৰ বিয়া হৈ গৈছে। কিন্তু হেলইছাই কবলৈ ধৰিলে যে এইটো মিছা। এইটো গম পাই আবেলাৰ্ডে হেলইছাক পেৰিছৰ ওচৰত মধ্যযুগৰ খ্ৰীষ্টীয় ভিক্ষুণীৰ মঠ এটিত ভিক্ষুণীৰ ভেশ পিন্ধাই থৈ দিলে। তেতিয়াৰ দিনত গৃহবাসত থকা

তিকতায়ো ভিক্ষুণীৰ বেশ লৈ মঠত থাকিব পাৰিছিল ; আৰু যিমান দিন ভিক্ষুণীয়ে ওৰণি নলয়, তিমান দিন ইচ্ছা কৰিলে আকৌ গৃহবাসলৈ উলটি আহিব পাৰিছিল। হেলইছাই তেতিয়া ওৰণি লোৱা নাছিল। দদায়েকে এই বাতৰি পাই প্ৰতাৰিত হোৱা যেন ভাবি আবেলাৰ্ডৰ ওপৰত নৃশংস আৰু ঘৃণণীয় প্ৰতিহিংসা ললে। ৰাতি আবেলাৰ্ডৰ লগুৱাইঁতক টকা দি বশ কৰি তেওঁৰ শোৱা খোটালিত সোমাই তেওঁক 'ভগ্নমুষ্ক' কৰি অপুৰুষ কৰিলে।

পুৱা এই পাশৱিক নিৰ্যাতনৰ কথা চাৰিওফালে বিয়পি পৰিল। লোকৰ সমাৰোহ হ'ল। পণ্ডিত আৰু ছাত্ৰসকলৰ আৰ্তনাদত চাৰিওদিক শোকত উথলি উঠিল। দাৰুণ যন্ত্ৰণা আৰু লাজ-অপমানত আবেলাৰ্ড মৰাৰ তুল্য হ'ল। চিৰকাললৈ তেওঁৰ ওপৰত জগতৰ ঘৃণাৰ চকু থাকিব আৰু শাস্ত্ৰৰ বিধানমতেও তেওঁ অশুচি হৈয়ে থাকিব লগা হ'ল। জগতৰ চকুৰ পৰা আঁতৰিবলৈ, হেলইছাক ওৰণি লবলৈ স্বইচ্ছাৰে মান্তি কৰাই ছেণ্ট ডেনিছৰ মঠত আবেলাৰ্ডে চিৰ-সন্ন্যাস মন্ত্ৰ গ্ৰহণ কৰিলে।

হেলইছাই যেতিয়া ওৰণি লবলৈ যো-জা কৰিবলৈ ধৰিলে সঙ্গিনীসকলে তেওঁক নিৰস্ত কৰিবলৈ চেষ্টা কৰিলে—'কিমিত্যপাস্যাভৰণানি যৌবনে ধৃতং ত্বয়া বাৰ্দ্ধক্যশোভি বল্কলম্'—এতিয়াও তেওঁৰ ভৰ যৌবন ; এই বয়সতেই বুঢ়াকালৰ উপযোগী ওৰণি লব কেলেই ? কিন্তু হেলইছাই অকণো বিচলিত নহৈ চকুৰ পানী মচি, "অ' মোৰ মহামহিমান্বিত স্বামী, তোমাক এইদৰে দুৰ্দশাগ্ৰস্ত কৰিবলৈ অপৰাধিনীয়ে কিয় বিয়াৰ প্ৰস্তাৱত সম্মতি দিছিলোঁ ? সেই অপৰাধৰ দণ্ড নিজ হাতে তুলি ধৰিছোঁ, তুমি গ্ৰহণ কৰা।" এই বুলি মন্দিৰৰ থাপনাৰ ওচৰলৈ গৈ নিজ হাতে মন্ত্ৰপূত ওৰণি তুলি লৈ পৰিদৃশ্যমান জগতৰ ওপৰত আঁৰকাপোৰ টানি দিলে।

'দুৰ্ভাগ্যৰ সোঁৱৰণী' বোলা আত্ম-চৰিতত আবেলাৰ্ডৰ বিষয়ে আন আন কথাও আছে। সেইবোৰৰ উল্লেখ অপ্ৰাসঙ্গিক। ছেণ্ট ডেনিছনৰ মঠৰপৰা আহি আবেলাৰ্ডে আৰ্ডিসোঁ নৈৰ পাৰত পেৰাক্লিট বুলি বেলেগ এটি মঠ স্থাপন কৰিলে, আৰু এইটো মঠ হেলইছা আৰু সহধৰ্মচাৰিণীসকলক এৰি দি তেওঁ আন এটি মঠলৈ গ'ল। এই মঠতেই 'দুৰ্ভাগ্যৰ সোঁৱৰণী' লেখা হয়।

পেৰাক্লিট মঠৰপৰা আঁতৰাৰ পিছত কেতিয়াবা কাচিতহে আবেলাৰ্ড তালৈ গৈছিল। কিয়নো তেওঁ তালৈ গ'লেই জনসাধাৰণৰ মাৰ যোৱা পুৰণি সোঁৱৰণী তেওঁৰ বিষয়ে সজাগ হৈ উঠে। হেলইছা বিদুষী আছিল। অলপ সময়ৰ ভিতৰতেই তেওঁ মঠাধিকাৰিণী হ'ল আৰু সকলোৱে তেওঁৰ জ্ঞাননিষ্ঠা আৰু আধ্যাত্মিকতাৰ শলাগ লবলৈ ধৰিলে। তেওঁ বাহিৰলৈ নোলায়, সকলো সময় ধ্যান-ধাৰণাতেই কটালে।

কিন্তু তেওঁৰ ধ্যান-ধাৰণাৰ উপাস্য বস্তু কি আছিল ? তেওঁ পৰলোকৰ কথাকেই ভাবিছিলনে ? এদিনাখন কেনেবাকৈ 'দুৰ্ভাগ্যৰ সোঁৱৰণী'খনি তেওঁৰ হাতত পৰিল। পুথিখনি পঢ়ি সন্ন্যাসী আবেলাৰ্ডলৈ যি এখন দীঘলীয়া চিঠি লিখিলে, তাৰপৰাই নাৰী জীৱনৰ গৰিমা আৰু দুৰ্বলতা ওলাই

পৰে। হেলইছাৰ চিঠিখনি কল্পনাৰ ৰহণ সানি ছন্দোবদ্ধ কৰি নানান কবিয়ে প্ৰসিদ্ধি লাভ কৰিছে। তলত তাৰ সাৰাংশ তুলি দিয়া হ'ল।

সন্ন্যাস-ব্ৰত গ্ৰহণ কৰিলে লৌকিক জগতৰ সম্বন্ধ এৰি দি সন্ন্যাস-সন্ন্যাসিনীয়ে ধৰ্ম-ভাই-ভনী সম্বন্ধ পাতি লোৱাৰ নিয়ম আছিল; কিন্তু হেলইছাই যিখন চিঠি লিখিছিল তাত তেওঁ আবেলাৰ্ডক এইদৰে সম্বোধন কৰিছিল—

To her husband, rather to a friend—'তেওঁৰ স্বামীলৈ, অ' নহয়, তেওঁৰ ধৰম ভাইলৈ।' "অ' মোৰ প্ৰিয়তম, তুমি যিখন আত্মচৰিত তোমাৰ কোনোবা বন্ধুক বিপদত ধৈৰ্য ধৰিবলৈ আদেশ দি ৰচনা কৰিছা, সেইখন মোৰ হাতত পৰিছেহি। তোমাৰ কথাবোৰে মোৰ সোঁৱৰণীত বিষাদৰ ঘোৰ কালিমা ঢালি দিছে। কিয়নো সেইবোৰে অতীতৰ শোকাৰূঢ় প্ৰেমৰ কাহিনী আৰু তোমাৰ অছেদ-অভেদ দুৰ্দশাৰ বাতৰিক আকৌ সজীৱ কৰি তুলিছে। তোমাৰ 'সোঁৱৰণী' কোনেও শুকান চকুৰে পঢ়িব নোৱাৰে। তুমি বন্ধুলৈ দীঘলীয়া চিঠি লিখি তেওঁক সান্ত্বনা দিবলৈ চেষ্টা কৰিছা; তুমি নতুনকৈ মঠ এটি সাজি আমাক ইয়াত থাকিবলৈ দিছা। কিন্তু আমি কেনেকৈ চলিব লাগে তাৰ চেষ্টা কৰা নাই। আনৰ কথা এৰি দিলেও মোক তুমি আওহেলা কৰা কেনেকৈ? বিয়াৰ বান্ধোনত তুমি আৰু মই একাত্মা হৈ গ'লো; এতিয়াও তোমাকেই আশ্ৰয় কৰি আছোঁ। মোৰ সদগতিৰ কাৰণেও কেতিয়াবা চিঠি এখনি লিখিব নোপোৱানে?

"প্ৰিয়তম, তোমাক হেৰুৱাই মই কি নেহেৰুৱাইছোঁ, তুমি জানা; কোনেই বা নেজানে? বিশ্বাসঘাতকতাৰ পাশৱিক নিৰ্যাতনত তোমাকো হেৰুৱালোঁ, নিজকো হেৰুৱালোঁ। মোৰ শোক যিমান বেছি তিমানেই তুমি মোক সান্ত্বনা দিব লাগিছিল। তুমিয়েই মোক শোক-তাপত দেই-পুৰি মাৰিব পাৰা, তুমিয়েই মোক সান্ত্বনা দি আনন্দতো ৰাখিব পাৰা।

"মোৰ প্ৰতি তোমাৰ এইটো কৰ্তব্যও—তুমি মনত আঘাত পাবা বুলি তোমাৰ আদেশ সম্পূৰ্ণ-ভাৱে পালন কৰি মোৰ জীৱন জলাঞ্জলি দিছোঁ। নহয়, ইয়াতকৈও মই বেছি কৰিছোঁ—মোৰ প্ৰেমে বলিয়ালিত পৰিণত হৈ যি প্ৰতীকৰ পৰা সুখ-সম্ভোগ বিচাৰে সেই প্ৰতীকৰেই আশা এৰি দিলে যেতিয়া এই সাজপাৰৰ লগে লগে ইয়াৰো অধিকাৰী হৈ থাকিব পাৰা। ঈশ্বৰে জানে, মই কেৱল তোমাকহে বিচাৰিছিলোঁ; তোমাৰ আন যি আছিল তাক মই বিচৰা নাই। মই তোমাৰ লগত বিয়াৰ সম্বন্ধ বিচৰা নাই, যৌতুক বিচৰা নাই; তোমাৰ ইচ্ছাকেহে পালন কৰিছোঁ। পত্নীসম্বন্ধ পৱিত্ৰ হব পাৰে, বেছি শক্তিশালী হব পাৰে; কিন্তু মোৰ মানত 'ৰক্ষিতা' সম্বন্ধ—যদি খং নকৰা—তোমাৰ লগত অভিসাৰিকা সম্বন্ধহে মোৰ প্ৰিয়তৰ লাগিছিল। তোমাৰ মনত মোৰ অৱস্থা যিমানেই হীন হয় তিমানেই তোমাৰ অনুগ্ৰহৰ পাত্ৰী হয় যেন ভাবিছিলোঁ, তিমানেই তোমাৰ গৌৰৱ ক্ষুণ্ণ নকৰাকৈ তোমাৰ সেৱা কৰিব পাৰিম বুলি ভাবিছিলোঁ। যদি ৰোমৰ সম্ৰাট অগাষ্টাছে মোক অৰ্দ্ধ সাম্ৰাজ্যেশ্বৰী পাতিম বুলি বিয়া কৰাব খুজিলেহেঁতেন তথাপি ঈশ্বৰক সাক্ষী ৰাখি মই কব পাৰোঁ—তোমাৰ লগত

ৰক্ষিতা সম্বন্ধহে মোৰ মনঃপূত হ'লহেঁতেন। চহকী আৰু শক্তিমান হ'লেই মানুহ শ্ৰেষ্ঠ নহয়। চহকী হোৱাটো সৌভাগ্য হ'ব পাৰে, কিন্তু তোমাৰ হৈছে গুণীৰ অৱস্থা। যি তিকতাই দুখীয়াতকৈ চহকী স্বামীহে বিচাৰে, তেওঁক স্নেহ নিদি টকাহে দিব লাগে। তোমাৰ প্ৰতি মোৰ প্ৰীতি ভ্ৰমবিমুক্ত; সম্ৰাট বা পণ্ডিত কোন তোমাৰ সমান যশস্বী হ'ব পাৰে? কোন নগৰ বা কোন দেশে তোমাৰ দৰশন অভিলাষ নকৰে? তুমি যেতিয়া সভামণ্ডপত থিয় হোৱা কোনে তোমাৰ ক্ষণিক দৃষ্টি পাবলৈ ডিঙি নেমেলে? কোন কুমাৰীয়ে তোমাৰ বিৰহত উদ্বেগ আৰু তোমাৰ উপস্থিতিত তপত তেজৰ সঞ্চাৰ অনুভৱ নকৰে? কোন সম্ৰাজ্ঞী মোৰ সুখ আৰু সম্ভোগত ঈৰ্ষান্বিত হোৱা নাছিল? তোমাৰ দুটি গুণ আছিল, যি সকলো তিৰোতাৰে মন আঁজুৰি আনিব পাৰিছিল—তোমাৰ গীত আৰু কবিত্ব-শক্তি। জটিল শাস্ত্ৰ-চৰ্চাৰপৰা ভাগৰ পলুৱাবলৈ নানান ছন্দ আৰু গাথাত তুমি কবিতা ৰচনা কৰিছিলা; ভাবৰ মধুৰতা আৰু ছন্দৰ ঝঙ্কাৰৰ বাবে তোমাৰ নাম মানুহৰ মুখে মুখে। তোমাৰ গীতৰ ঝঙ্কাৰে নিৰক্ষৰ সমাজতো তোমাক চিৰজীৱী কৰি ৰাখিছে। এইবোৰ গুণৰ কাৰণেই নাৰীসাধাৰণেই তোমাৰ প্ৰেমিকা হ'বলৈ দীঘল হুমুনিয়া কাঢ়ে। এইবোৰ গীত যেতিয়া মোৰ নামৰ লগত সংশ্লিষ্ট, তোমাৰ গীতৰ লগে লগে মোৰ নামো ছিটিকি পৰি নাৰী সমাজক মোৰ সৌভাগ্যত ঈৰ্ষান্বিত কৰি তুলিছিল। শৰীৰৰ কি সৌষ্ঠৱ আৰু মনৰ কি গুণে তোমাৰ যৌৱনক অলঙ্কৃত কৰা নাই? কোন ঈৰ্ষান্বিত তিৰোতাই তোমাৰ স্নেহৰপৰা বঞ্চিত মোক এতিয়া অনুকম্পা নকৰিব, কোন শত্ৰুৱে স্নেহবিধুৰা মোৰ প্ৰতি সদয় নহ'ব?

"মই নিৰ্দোষী হৈও তোমাৰ দুৰ্দশাৰ কাৰণ হওঁ। কামৰ ফলত দোষ নহয়—কৰোঁতাৰ উদ্দেশ্যই হে অপৰাধ সৃষ্টি কৰে। তোমাৰ লগত মোৰ যি সংযোগ তাৰ কাৰণ তুমি নিজে কৈছা, আৰু তাৰ কাৰণ তুমিহে বিচাৰ কৰিবও পাৰা। মই সকলো কথা তোমাৰ বিচাৰত অৰ্পণ কৰিলোঁ আৰু তোমাৰ আদেশ মূৰ পাতি লম।

"মোক এটি কথা কোৱাচোন,—তুমি কোৱা মতে মোৰ সন্ন্যাস দীক্ষাৰ পিছত মই কিয় পাহৰণিৰ গৰ্ভত পৰিলো, কিয় মই তোমাৰ কথা শুনি বা তোমাৰ চিঠি পাই শৰীৰ শীতলাবলৈ নেপাওঁ? যদি পাৰা তুমি অস্বীকাৰ কৰা। এইটো অন্তৰত অনুভৱ কৰোঁ আৰু লোকেও সন্দেহ কৰে—বন্ধুতাতকৈ বাসনাই, প্ৰেমতকৈ কামুকতাইহে তোমাক মোৰ ওচৰ পোৱাইছিল। সেইদেখি যেতিয়া বাসনাৰ তৃপ্তি হ'ল, ইয়াৰ চৰিতাৰ্থতাৰ বাবে তোমাৰ যি আগ্ৰহ সকলো নাইকিয়া হ'ল। অ' মোৰ প্ৰিয়তম, এইটো কেৱল মোৰ নহয়, লোক-সমাজৰো ধাৰণা। কেৱল মোৰ ধাৰণা হোৱাহেঁতেন অসন্তোষৰ কাৰণ নাছিল, তেতিয়া তোমাৰ আন্তৰিক প্ৰেমৰ সাক্ষীসকলে মোৰ মনৰ তাপ শীতলোৱাত সহায় কৰিলেহেঁতেন। তুমি যি অপৰাধ কৰিছা তাৰ খণ্ডনৰ বাবে যদি যুক্তি বিচাৰি পালোহেঁতেন, মই কাচৰ মূল্যত আত্মবিক্ৰয় কৰাৰ বাবে সান্ত্বনা পালোহেঁতেন। মই এটি অনুৰোধ কৰোঁ, ৰক্ষা কৰা—তোমাৰ সাং নোহোৱা ভাবাত অন্ততঃ প্ৰীতিৰ ভাও কৰিও মোলৈ চিঠি লেখা, তোমাৰ সাময়িক উপস্থিতিও যেতিয়া দুৰ্মূল্য, তোমাৰ ভাবাই তোমাৰ স্নিগ্ধ মূৰ্তি মোৰ চকুত সজীৱ কৰি ৰাখিব।

"মই তোমাৰপৰা বহুত দাবী কৰিব পাৰো যেন লাগে। তোমাৰ বাবেই মই সকলোখিনি কৰা নাইনে? এতিয়াও তোমাৰ আদেশেই পালন কৰি নাছোনে? অকণমানি ছোৱালী কালতেই ভিক্ষুণীৰ ওৰণি ললোঁ—পুণ্য সাঁচিবলৈ নহয়, তোমাৰ আদেশ পালন কৰিবলৈহে। তোমাৰ পৰা যদি একো পাবৰ যোগ্য নহওঁ, ঈশ্বৰৰ পৰাও একো পাব নোৱাৰো; তেওঁৰ বাবে একো কৰা নাই। তুমি সন্ন্যাসব্ৰত লোৱাৰ আগতেই মোক সন্ন্যাসিনী কৰিলা—মোৰ প্ৰতি যি অবিশ্বাস ইয়াত প্ৰকাশ পালে তাৰ বাবে মই কাতৰ আৰু লজ্জিত হৈছিলো। ঈশ্বৰে জানে তোমাৰ আদেশত মই জুইত সোমাব পাৰো। মোৰ হিয়া মোত নাই, তোমাৰ তাত আছে, আৰু এতিয়া তোমাৰ হিয়াতেই মাৰ গৈছে। তোমাক এৰি ইয়াত থাকিবৰ ঠাই নাই। মোৰ হিয়াই যেন তোমাৰ হিয়াতেই নিৰাপদে থাকিব পাৰে; কাবৌ কৰিছো তুমি যেন অলপ মন দিয়া। মই সৰ্বস্ব দিছো, তুমি একণমানো দয়া দেখুৱা। মই কি কৰিছো আৰু মোৰ প্ৰতি তোমাৰ কি কৰ্তব্য বুলি ভাবো, তুমি যেন নেপাহৰা। তোমাৰ লগত যেতিয়া ইন্দ্ৰিয়-সুখত লিপ্ত আছিলো, তেতিয়া মানুহে সন্দেহ কৰিছিল মই কাম নে বিশুদ্ধ প্ৰেমৰ তাড়নাত তোমাৰ প্ৰতি আকৃষ্ট হৈছিলো। কিন্তু আৰম্ভণিৰ উদ্দেশ্য সামৰণিৰ পৰাই বুজি ল'ব পাৰি। তোমাৰ আদেশ পালিবলৈ সুখৰ পৰা নিজক বিচ্ছিন্ন কৰিছো। তোমাৰ লগত একাত্ম হোৱাত বাজে নিজৰ বুলিবৰ একো ৰখা নাই। মোৰ প্ৰতি তোমাৰ ঋণৰ যি পৰিমাণ, তাৰ শোধৰ বাবে তুমি অনায়াসে দিবপৰা যৎসামান্য বস্তু একণিও যদি নিদিয়া, তেনেহ'লে তুমি কেনে অসজ যেন লাগিব, ভাবি চোৱাচোন। যি ঈশ্বৰৰ নামত সন্ন্যাসব্ৰত লৈছা, তেওঁৰ নামত তোমাক কিৰা দি খাটিছো, তুমি অনায়াসে কৰিব পাৰা—মোক সান্ত্বনাৰ চিঠি এখন দিবাচোন। তোমাৰ চিঠিতেই মোৰ মন জুৰাব। তেতিয়া মই একাগ্ৰভাৱে ঈশ্বৰ-সেৱা কৰিব পাৰিম। আগেয়ে তুমি যেতিয়া মোক ইন্দ্ৰিয়-সুখৰ বাবে মাতিছিলা, তেতিয়া লানি নিছিগা চিঠিৰে মোক তত নোহোৱা কৰিছিলা। তোমাৰ গীতেই মোৰ নাম বাটে-ঘাটে প্ৰতিধ্বনিত কৰি তুলিছিল। তেতিয়া চিঠিৰে সম্ভোগ-সুখলৈ মাতিছিলা, এতিয়া তোমাৰ চিঠিৰে মোক ঈশ্বৰাভিমুখী কৰিবলৈ উদগনি দিয়াটো তোমাৰ কিমান উচিত কাম? মোৰ প্ৰতি তোমাৰ কৰ্তব্য বিচাৰি লবাঁ; মই কি খুজিছোঁ মনত ৰাখিবাঁ। বিদায় মোৰ সৰ্বস্ব।"

হেলইছাৰ কৰুণা-কাতৰ চিঠিৰ উত্তৰ আবেলাৰ্ডে দিলে। তেওঁৰ চিঠি নিদাৰুণ সংযত, তাত ব্যক্তিগত সম্বন্ধৰ কোনো উল্লেখ নাই। সম্বোধনৰ ঠাইত আছে—To Helesia, his beloved sister in Christ—'খ্ৰীষ্টৰ সম্পৰ্কে প্ৰিয়তম ভনী হেলইছালৈ'। তেওঁ লিখিছে যে তেওঁলোকৰ সন্ন্যাস-দীক্ষাৰ পিছত হেলইছালৈ চিঠি লিখা নাই তাৰ কাৰণ আওহেলা নহয়। হেলইছাৰ বিবেচনা আৰু ধৈৰ্যৰ ওপৰত তেওঁৰ অটল বিশ্বাস। তেওঁ ভবা নাছিল যে যিজনীয়ে মঠাধিকাৰিণী হিচাপে তেওঁৰ তলতীয়া ভিক্ষুণীসকলক ঈশ্বৰৰ কৃপাৰ বাতৰি দি সান্ত্বনা দিব পাৰিছে, তেওঁ আকৌ আনৰপৰা উপদেশ অপেক্ষা কৰিব? কিন্তু যদি বিনয়বশত তেওঁ কেতিয়াবা আবেলাৰ্ডৰ পৰা ঈশ্বৰবিষয়ক

কোনো কথাত পৰামৰ্শ বিচাৰে তেওঁ আবেলাৰ্ডলৈ লিখিব পাৰে, আৰু তেৰোঁ, ঈশ্বৰে যেনে মতি দিয়ে—সেই অনুসাৰে লিখিব ইত্যাদি। আকৌ শাস্ত্রীয় বিচাৰত যিবোৰ তেওঁৰ ওচৰত হাৰ মানিছে সেইবোৰে তেওঁক বধ কৰাবলৈ দিন-ৰাতি ফান্দ পাতি ফুৰিব লাগিছে। কেতিয়াবা যদি শত্ৰুৰ হাতত তেওঁৰ মৃত্যু ঘটে নাইবা স্বাভাৱিক কাৰণেও যদি তেওঁৰ মৰণ হয় তেওঁ মিনতিকৈ কৈছে যেন তেওঁৰ শ পোতাবলৈ পেৰাক্লিট মঠলৈ অনা হয়। তেওঁৰ পোতা-আত্মাৰ কল্যাণৰ অৰ্থে দয়াকৈ প্ৰাৰ্থনা কৰিব। তেওঁৰ অনুতাপে পোৰা আত্মাৰ বাবে পেৰাক্লিট মঠৰ আশ্ৰয়ত বাজে কোনো ঠাই কল্যাণকৰ নহ'ব, ইত্যাদি।

আগৰ পৰা গুৰিলৈ চিঠিখনিৰ ক'তো ব্যক্তিগত ভাব বা সম্বন্ধৰ কথা নাই। তেওঁৰ আত্মাৰ মঙ্গলৰ বাবে হেলইছাক প্ৰাৰ্থনা কৰিবলৈ কৈছে আৰু মৰিলেও শটো হেলইছাক মঠলৈ নিবলৈ কৈছে। কিন্তু নিজৰ আত্মাৰ কল্যাণৰ বাবেহে এই মিনতি, প্ৰেমৰ উদগনি নহয়।

প্ৰেম-বিগলিত হিয়াৰ আকুল নিবেদনৰ উত্তৰত এই নিৰ্মম আত্মবিলোপ দেখি বতাহত সাগৰৰ উন্মত্ত তৰঙ্গমালাৰ দৰে হেলইছাৰ নাৰী-হৃদয় বিধাতাৰ নিষ্ঠুৰ শাসনৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিল। এই চিঠিৰ উত্তৰত হেলইছাই যি দীঘল চিঠি লিখি হৃদয় উবুৰিয়াই দিলে, তাক নাৰী-হৃদয়ৰ আত্মচৰিত বুলিব পাৰি। দৈৱৰ কঠোৰ বিধান আৰু যি জনত যি ভাব দেখি আত্ম-বিসৰ্জন কৰিছিল সেইজনত সেই ভাবৰ ঠাইত শান্ত-নিৰ্মমতা দেখি এই চিঠিখনিত নাৰীহৃদয়ৰ কৰুণ কান্দোনৰ প্ৰচণ্ড সুৰ এটি বাজি উঠিছে ঃ

"ঈশ্বৰৰ তলতেই মোৰ সৰ্বহলৈ—

"মই আকৌ আচৰিত হলোঁ যে তুমি সান্ত্বনা দিবা ছাৰি মোৰ অসহায়তাহে বঢ়ালা। তোমাৰ চিঠিত যি চকুলো শুকাব লাগিছিল সি আকৌ নতুনকৈ ববলৈ ধৰিলে। তুমি লিখিছা, 'শত্ৰুৰ হাতত যদি তোমাৰ মৃত্যু ঘটে'। প্ৰিয়তম, তুমি কোন সতেৰে সেইটো ভাবিব বা লিখিব পাৰিলা? ঈশ্বৰে যেন তুমি নোহোৱা হোৱাৰ আগলৈকে তোমাৰ দাসীক জীয়াই নৰাখে। তুমি যেন আগলৈ এনেবোৰ কথা লিখি মোৰ দুৰ্বহ জীৱনৰ বোজা বেছি নকৰা। তুমি কৈছা, যদি কেনেবাকৈ তোমাৰ মৃত্যু ঘটে তেনেহ'লে শ'টো আমাৰ মঠত সমাধিস্থ কৰিব লাগে, যাতে তোমাৰ সোঁৱৰণীয়ে তোমাৰ আত্মাৰ কল্যাণৰ বাবে প্ৰাৰ্থনা কৰাবলৈ আমাক উদ্গাব পাৰে। তুমি ভাবানে তোমাৰ সোঁৱৰণী কেতিয়াবা মোৰ মনত মাৰ যাব বুলি? তোমাৰ মৃত্যুৰ চিন্তাত মোৰ মন ঈশ্বৰৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠে; বিদ্ৰোহী মনে ঈশ্বৰৰ কৰুণাৰ বাবে ভিক্ষা কৰিব কেনেকৈ?

"তুমি গুচি গ'লে জীৱনৰ বাটত খোজ কাঢ়িবলৈ মোৰ আৰু কি আশা থাকিব? তোমাত বাজে মোৰ সান্ত্বনাৰ ঠাই নাই। তোমাৰ চাক্ষুষ দৰ্শনো যেতিয়া মোৰ দুষ্প্ৰাপ্য, তুমি যে জীয়াই আছা এই ক্ষীণ অনুভূতিয়েই মোৰ সান্ত্বনা। যদি কোৱা ঠিক হয়, ঈশ্বৰ মোৰ প্ৰতি কেনে নিষ্ঠুৰ! অদৃষ্টৰ এটাইখিনি শাও মোৰ ওপৰতেই সাং হৈছে। নতুনকৈ আঘাত কৰিবলৈ অদৃষ্টে মোৰ মনত

ঠাই বিচাৰি নেপাব। মোৰ পোৰা কপাল, তোমাতেই এদিন নাৰীমণ্ডলীৰ ওপৰত ওখ আসন পাইছিলোঁ—তোমাতেই আজি মই পদদলিতা। এদিন মোৰ কি গৌৰৱ আছিল, আজি মোৰ কি পতন! অদৃষ্টে মোক সুখৰ শেহ সীমালৈ নিছিল যেন তাৰপৰা পেলাই দি মোৰ যাতনা জুখিব নোৱাৰা কৰিব পাৰে। যি আঘাতত অদৃষ্টে মোক গুকুলা-গুকুল কৰিলে তাৰ আৰোগ্য নাই বুলিয়েই সি মোৰ মানত অসহ্য।

"আমি যেতিয়া ইন্দ্ৰিয়-সুখত আপোনপাহৰা হৈ আছিলোঁ, ঈশ্বৰৰ কঠোৰ শাসনে তেতিয়া আমাক স্পৰ্শ নকৰিলে। আমি যেতিয়া অবৈধ কামক বিধিসম্মত কৰি ললোঁ, আমাৰ শোৱা-খোটালি মন্ত্ৰপূত কৰি ললোঁ, তেতিয়াহে ঈশ্বৰৰ অভিসম্পাত মূৰত পৰিল। তুমি যি আঘাত পালা, পৰদাৰাভি-গামীসকলৰহে সি উপযুক্ত শাস্তি। পৰস্ত্ৰী সেৱাৰ বাবে আনে যি শাস্তি পাব লাগে, বিয়াৰ পৰাই তুমি সেই শাস্তি পালা। পৰানুৰক্তাসকল পুৰুষৰ প্ৰতিহে সি শাস্তিৰ কাৰণ হয়। বিৱাহিতা ভাৰ্যা হৈও তোমাৰ প্ৰতি সেই শাস্তিৰ কাৰণ মই হ'লোঁ। যেতিয়া সুখত উন্মত্ত আছিলোঁ তেতিয়া নহয়, যেতিয়া দুয়ো আঁতৰা-আঁতৰিকৈ সংযতভাৱে জীৱন-যাপন কৰিছিলোঁ, তুমি যেতিয়া পেৰিছৰ বিদ্যালয়ত কঠোৰ পাঠত নিমগ্ন আৰু মই আৰ্জেণ্টাছ মঠত ধৰ্মৰ উপদেশ লোৱাত মনপ্ৰাণ সঁপি দিছিলোঁ তেতিয়াহে দুয়ো কৰা কামৰ বাবে তুমি অকলেই দণ্ডভোগ কৰিলা। যি দণ্ড মইহে পাব লাগিছিল, সেইটো তুমি অকলেই ভোগ কৰিলা। তুমি যেতিয়া নিজক অৱনত কৰি মোক আৰু মোৰ জ্ঞাতিসকলক গৌৰৱান্বিত কৰিলা তেতিয়া তুমি ঈশ্বৰৰ পৰা বা সেই বিশ্বাসঘাতকসকলৰ পৰা সেই দণ্ড পাব নেলাগিছিল। হা মোৰ অদৃষ্ট! মোৰ বাবেহে তোমাৰ এনেকুৱা হ'ল।

"ইখিনিৰ বাবে মই ঈশ্বৰক ধন্যবাদ দিওঁ যে যি কামৰ (বিয়াৰ) বাবে তোমাৰ ওপৰত নিৰ্যাতন হ'ল তাত মই সম্মতি দিয়া নাছিলোঁ। এই বিষয়ত মোৰ মন নিৰপৰাধী হ'লেও বিয়াৰ আগতেই মই বহুত অপৰাধ কৰিছোঁ আৰু তোমাৰ বিষয়ত নিজক নিৰপৰাধী বুলি ভাবিব নোৱাৰোঁ। গুৰিতেই আমি যি দৈৱবিধি লঙ্ঘন কৰিছিলোঁ সেই লঙ্ঘনেই আমাৰ আমৰণ দুখৰ কাৰণ। শৰীৰত তুমি যি যন্ত্ৰণা পাইছিলা মোৰ উশাহ-নিশাহৰ লগে লগে প্ৰত্যেক টোপা তেজেই সেই যন্ত্ৰণা মোৰ শৰীৰত ঢালি দিব লাগিছে। আমৰণ কাল যি যন্ত্ৰণা মই মনত ভোগ কৰিম, তাকেই ঈশ্বৰে নহ'লেও তুমি মোৰ অপৰাধৰ প্ৰায়শ্চিত্ত বুলি গ্ৰহণ কৰিবা।

"মোৰ অন্তৰৰ কথা ক'ব লাগিলে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা নকৰি সদায় তোমাৰ প্ৰতি নিষ্ঠুৰতাৰ বাবে তেওঁক জগৰীয়া বুলি ভাবোঁ।

"ঈশ্বৰৰ বিধিৰ বিৰুদ্ধে বিদ্ৰোহী হৈ তেওঁক অনুতাপৰ চকুৰ পানীৰে সন্তুষ্ট নকৰি তেওঁৰ খংহে তোলাইছোঁ। মানুহে ঈশ্বৰক লক্ষ্য কৰি শৰীৰক বহুত কষ্ট দি ধ্যান-ধাৰণা কৰে আৰু ভালেমান সময়ত গোপনীয় পাপৰ কথাকো স্বীকাৰ কৰে। কিন্তু মনে যদি পূৰ্ব পাপৰ স্মৃতিত লোলুপ হৈ উঠে আৰু আগৰ ইন্দ্ৰিয়-সুখ পাবলৈ সদায় বিয়াকুল হৈ থাকে, তেনেহ'লে শাৰীৰিক নিগ্ৰহক অনুতাপ বুলি

ক'ব নোৱাৰি। এইটো মোৰ আত্মাৰ দুৰ্বলতাই বোলা, আমাৰ পূৰ্ব প্ৰণয়সুখ এতিয়াও মোৰ মনত কমনীয় আৰু সেই সুখৰ সোঁৱৰণী কেতিয়াও পাহৰিব নোৱাৰোঁ। মই যিফালে যাওঁ পূৰ্বপ্ৰণয়ৰ স্মৃতিয়ে মোক আগুৰি ধৰে, সপোনতো সেইবোৰৰ ছাঁয়ামূৰ্তিয়ে আক্ৰমণ কৰে। উপাসনাৰ পৱিত্ৰ মুহূৰ্ততো পূৰ্ব সুখৰ ক্ষীণ মূৰ্তিয়ে মোৰ অন্তৰত ঢৌ তুলি দিয়ে। যেতিয়া মই অনুতাপৰ জুইৰে দেই-পুৰি মৰিব লাগে তেতিয়াও কি সুখ হেৰুৱাইছোঁ বুলি দীঘল হুমুনিয়াহে কাঢ়োঁ। কেৱল সম্ভোগ-কেলিয়েই নহয়, সময় ঠাই আদিৰ স্মৃতিও মোৰ মনত পোত খাই আছে, আৰু মোৰ গোটেই শৰীৰ আলোড়িত হৈ উঠে। কোনে মোক এই যন্ত্ৰণাৰপৰা উদ্ধাৰ কৰিব? তুমি শান্তভাৱে ঈশ্বৰস্তুতি কৰিব পাৰা। ঈশ্বৰে তোমাৰ এক অঙ্গ বিকল কৰি তোমাৰ হৃদয়ৰ সকলো জ্বালা নুমাইছে। কিন্তু ইন্দ্ৰিয়ৰ ক্ষোভ আৰু সোঁৱৰণীৰ পোৰণিয়ে মোক নৰক-যন্ত্ৰণা ভোগ কৰাব লাগিছে। যিবোৰে মোক কপটাচাৰী বুলি নেজানে সেইবোৰেই মোক সাধু বুলি ভাবে। শৰীৰৰ শুদ্ধিকেই মানুহে পৱিত্ৰতা বুলি ভাবে— পৱিত্ৰতা মনৰ হে শুদ্ধি, শৰীৰৰ নহয়। তোমাৰ কথাতহে ভিক্ষুণীৰ ওৰণি লৈছোঁ, ঈশ্বৰৰ প্ৰতি ভক্তিত নহয়। মোৰ কপটাচাৰে তোমাক বহুদিন প্ৰতাৰণা কৰিছে, কিন্তু মোক সবল বুলি নেভাবিবা। মই দুৰ্বলতাৰ প্ৰতিমূৰ্তি, তোমাৰ প্ৰশংসা মোৰ পক্ষে বিপজ্জনক, তোমাৰ প্ৰশংসা ভাল পাওঁ, তোমাক সন্তুষ্ট কৰিবলৈ আকৌ ইচ্ছা ওপজে। সেই দেখি মোক প্ৰশংসা কৰি কোনো কথা নক'বা।"

ইয়াৰ উত্তৰত আবেলাৰ্ডে ধৰ্মৰ ব্যাখ্যা আৰু সান্ত্বনাপূৰ্ণ চিঠি এখনি দিলে। বস্তুত কথাৰ মাজত তেওঁ এইটোও লিখিছে যে তেওঁ যি শাস্তিভোগ কৰিছে তাৰ তেওঁ উপযুক্ত পাত্ৰ। এই শাস্তিৰ দ্বাৰায় ঈশ্বৰে তেওঁৰ মন নিজৰ পিনে টানি লৈছে। এদিন বিয়াৰ বান্ধোনত দুয়ো একাত্মা হৈছিল। এতিয়া ঈশ্বৰৰ প্ৰতি ভক্তিত দুয়ো একমন একপ্ৰাণ নহ'বনে? ইত্যাদি।

ইয়াৰ পিছত দুয়োৰো মাজত যি চিঠি দিয়া-দিই হৈছিল তাত পূৰ্বস্মৃতিৰ কোনো উল্লেখ নাই। দুই পক্ষৰ চিঠিতেই সম্পূৰ্ণ আত্মবিলোপ। কেৱল এখন চিঠিত হেলইছাই লিখিছিল—I will withhold my hand from writing whenever I am unable to control my words—'মই যেতিয়া ভাষা সংযত কৰিব নোৱাৰিম তেতিয়া তোমালৈ নিলিখোঁৱেই।'

ইয়াৰ পিছৰ চিঠিবোৰত পোৱা যায় আবেলাৰ্ডে যি যি ধৰ্মবিষয়ক উপদেশ দিছে হেলইছাই সেইবোৰ কামত খটাবৰ চেষ্টা কৰিছে। ১১৪২ খ্ৰীঃ শকত আবেলাৰ্ডৰ মৃত্যু হয় আৰু সমাধিৰ নিমিত্তে তেওঁৰ শ হেলইছাৰ মঠলৈ পঠিওৱা হয়। একৈছ বছৰ পিছত একে বয়সতেই হেলইছাৰ মৃত্যু ঘটে আৰু একে ঠাইতেই তেওঁকো সমাধিস্থ কৰা হয়।

ওপৰত দিয়া ঘটনাৰ বিৱৰণত আবেলাৰ্ডৰ আত্ম-চৰিত আৰু হেলইছাৰ মূল চিঠিৰ পৰা কথাবোৰ বহুলভাৱে উদ্ধাৰ কৰি দিয়া হৈছে। এই মৰ্মভেদী প্ৰণয়-নাট্যৰ ভাৱৰীয়া দুজনৰ চৰিত্ৰৰ গৌৰৱ আৰু লাঘৱ দেখুৱাবলৈ। পাণ্ডিত্য, গীত আৰু কবিত্ব গুণত আবেলাৰ্ড সেই যুগত অদ্বিতীয় আছিল। তেওঁৰ মানসিক আদৰ্শক চাক্ষুষ প্ৰতিমূৰ্তি দিবলৈহে পিছৰ কালত বিশ্ববিদ্যালয়ৰ গঠন

হয় বুলি পণ্ডিতসকলে কয়। কিন্তু এই প্ৰণয়-নাট্যত তেওঁৰ চৰিত্ৰ-মৰ্যাদা ফুটি ওলোৱা নাই। মানুহে সন্দেহ কৰিছিল আৰু হেলইছায়ো ভাবিছিল যে তেওঁৰ প্ৰতি আবেলাৰ্ডৰ যি আকৰ্ষণ সি কামলিপ্সা, বিশুদ্ধ প্ৰেম নহয়। এই প্ৰেম-ঘটনা আবেলাৰ্ডৰ বহু বিদ্যাভাৰাক্ৰান্ত মনৰ এটি ক্ষণিক অভিজ্ঞতা মাথোন। হৃদয়ৰ অন্তৰতম প্ৰদেশত তেওঁ বেদনা অনুভৱ কৰিছিল নে নাই তাৰ কোনো উল্লেখ নাই; তেওঁ আত্ম-চৰিতত যি লিখিছে তাতকৈ বেছি ভাবি ল'বৰ কোনো আৱশ্যকতা দেখা নেযায়। ফুচুলনিত যদি হেলইছা মান্তি নহয় তেন্তে শাৰীৰিক বলৰ আশ্ৰয় ল'বলৈও তেওঁ সাজু আছিল। বোধকৰোঁ এইটো বিশুদ্ধ প্ৰেম নহয়।

আনফালে হেলইছাৰ প্ৰণয়ৰ লক্ষণৰ কথা নক'লেও হ'ব। তেওঁ নিজেই এই বিষয়ে সকলো কথা কৈছে। আবেলাৰ্ড আৰু আবেলাৰ্ড-প্ৰেমেই তেওঁৰ জীৱন। আবেলাৰ্ডত বাজে তেওঁৰ বেলেগ অস্তিত্ব নাই। এই প্ৰণয়ৰ লক্ষণ কি? ডাণ্টে-বিয়েট্ৰিছ আখ্যানৰ পৰা পুৰুষৰ নিষ্কাম প্ৰেমৰ স্বৰূপ দেখিবলৈ পোৱা যায়। হেলইছাৰ প্ৰেম সেই শ্ৰেণীৰনে? এই প্ৰশ্নৰ উত্তৰতেই নাৰী-চৰিত্ৰৰ প্ৰকৃতিগত বিশিষ্টতাৰ পৰিচয় পোৱা যাব। কবি টেনিছনে তেওঁৰ এজনী নায়িকাৰ মুখেৰে কোৱাইছে—Who loves me must have a touch of the earth. 'যি মোৰ প্ৰেম পাব খোজে তেওঁৰ গাত অলপ পৃথিৱীৰ ধূলি থাকিব লাগিব'—অৰ্থাৎ নিষ্কাম দেৱতুল্য মানুহে তিৰুতাৰ মন আকৰ্ষণ কৰিব নোৱাৰে। তিৰুতাৰ প্ৰেম কামনাত আৰম্ভ হৈ নিষ্কামতাত ডাণ্টেৰ প্ৰেমৰ ওখ আসনত উঠিব পাৰে। কিন্তু কামনা ইন্দ্ৰিয়গম্যতা গুৰিতে আছেই। হেলইছাৰ প্ৰেম ইয়াৰেই উদাহৰণ মাথোন। পুৰুষৰ বোধশক্তি বেছি, তেওঁলোকৰ ভাব বুদ্ধিত উদয় হৈ অনুভূতিলৈ আহে। কিন্তু তিৰুতাৰ ভাব অনুভূতিত উদয় হৈ তেওঁলোকৰ জীৱন-মন সকলোকে আক্ৰমণ কৰে। তেতিয়া তেওঁলোকৰ ভাবে কেৱল ইন্দ্ৰিয়কেই স্পৰ্শ নকৰে, জীৱনৰ সকলো কামতেই ইয়াৰ অভিব্যক্তি হয়।

আবেলাৰ্ড অপুৰুষ হোৱাৰ পিছত হেলইছাই মন্ত্ৰপূত ওৰণি ল'লে কিয়? সহকাৰীসকলে তেওঁক হকা-বধা কৰিছিল। তেওঁৰ চিঠিৰপৰা বুজা যায় তেওঁৰ কাম-বাসনাও তৃপ্ত হোৱা নাছিল। তেওঁ নিজেই কৈছে, ঈশ্বৰৰ প্ৰতি ভক্তিত অভিভূত হৈ সংসাৰলৈ উভতি আহিবৰ পথত ভেটা দিয়া নাই। তেওঁ স্বীকাৰ কৰিছে তেওঁ আবেলাৰ্ডৰ আদেশ মাথোন পালন কৰিছে। তেওঁ আজলী ছোৱালীৰ দৰে ক্ষণিক মোহত মুগ্ধ হৈ আমৰণ কাল আবেলাৰ্ডৰ শাসন পালন কৰা নাছিল। সেই সময়ত তেওঁ বিদুষী বুলি পৰিগণিত আছিল। তেওঁৰ চিঠিৰ পৰাই তেওঁৰ বোধশক্তিৰ বিস্তাৰ, যুক্তিৰ তীক্ষ্ণতা আৰু আবেলাৰ্ডৰ চৰিত্ৰ বুজিব পৰা শক্তিৰ পৰিচয় পোৱা যায়।

তেওঁৰ প্ৰেম আজলীৰ খন্তেকীয়া মোহ নহয়, নাইবা প্ৰতাৰিতাৰ আত্মগ্লানিৰ কাৰণ নহয়। ই প্ৰচ্ছন্ন কামলিপ্সা নহয়, অথচ তাৰ ভিতৰত কামভাব আছে। ই আবেলাৰ্ডৰ গৌৰৱত নিজক গৌৰৱান্বিত কৰিবলৈ প্ৰীতিৰ অভিনয় নহয়, ই জাগ্ৰত বোধশক্তিৰ ওপৰত প্ৰতিষ্ঠিত অথচ বোধশক্তিক অতিক্ৰম কৰি কল্পনা আৰু অনুভূতিৰ ৰাজ্য ভেদ কৰি চলিছে। আবেলাৰ্ডৰ নিৰ্মম আত্মবিলোপত

তীৰবিদ্ধ কুৰুৱা চৰাইৰ দৰে হিয়াৰ বিননি যি চিঠিত প্ৰকাশ কৰিছিল, তাক নাৰীহৃদয়ৰ চিৰ-স্বগতোক্তি বুলিব পাৰি। ই জনসমাজত প্ৰচাৰৰ বাবে লিখা হোৱা নাছিল; নাইবা উত্তৰ স্বৰূপে শাৰীৰিক বা মানসিক সুখক লক্ষ্য কৰিও লিখা হোৱা নাছিল। যাৰ উদ্দেশ্যে লিখা হৈছিল তেওঁ প্ৰেমিকৰ সুখ-দুখৰ বাহিৰত। ই জোনৰ প্ৰভাৱত সাগৰৰ খলকনিৰ দৰে মাথোন। যি আবেলাৰ্ডৰ আদেশ পালন কৰি সমস্ত নাৰীজীৱন ব্যৰ্থতাৰে পৰিপূৰ্ণ হৈছে, সেই আবেলাৰ্ডৰ এখনি আধ্যাত্মিক সহানুভূতিসূচক চিঠিৰ ইঙ্গিততেই সকলো অশান্তি দূৰ হ'ল। হেলইছাই বাস্তৱিকতে শান্তি পালে নে নাই সেইটো সংশয়ৰ কথা; সেই বিষয়ে কোনো উল্লেখ নাই। অন্ততঃ তেওঁ নিজৰ দুখৰ বিষয়ত নিমাত হ'ল। কিন্তু পিছৰ চিঠিবোৰত হৃদয়ৰ বেদনাৰ বিষয়ত যি কঠোৰ মৌনভাব, তাৰ পৰা এনেও সন্দেহ হ'ব পাৰে যে তেওঁৰ সংযম বা শান্তি কবিয়ে বৰ্ণোৱা অন্তৰত জুই ঢাকি থোৱা শমীধগছৰ কুমলীয়া পাতৰ দৰে—'শমীমিবাভ্যন্তৰলীন পাবকাম'।

হেলইছা কবি-কল্পনাৰপৰা ওলোৱা তিকতা মূৰ্তি নহয়, নাইবা তেওঁৰ আত্মনিবেদনো তিকতাৰ মুখত আৰোপ কৰা কবিৰ কাল্পনিক উক্তি নহয়। ই বুৰঞ্জী-লেখকৰো আধা-সঁচা আধা-অনুমান মিহলোৱা বচন নহয়। ই সকলো সাংসাৰিক সুখৰ আশাৰ পৰা বিচ্ছিন্ন উদং নাৰীহিয়াৰ আত্মচৰিত। ইয়াৰ যি তীব্ৰ অনুভূতি আছে তাৰ বিস্তাৰ আৰু গভীৰতা সমালোচনাৰ ভাষাৰে পোহৰাব নোৱাৰি বা তাৰ সীমাও নিৰ্দ্দেশ কৰিব নোৱাৰি। 'অভাস্কৰমৰ্য্যাদাং ন জানীমস্ততঃ পৰম্'—ইয়াৰ পিছৰ ডোখৰত সূৰ্যৰ পোহৰ নপৰে, তাৰ সীমাও নাই। ইয়াৰ পিছত ক'ব নোৱাৰোঁ।

হেলইছাৰ অকপট আত্ম-প্ৰকাশৰ পিছত সমালোচকে কোৱাৰ দৰে নাৰী-হৃদয়ৰ বিৰাট শূন্যতা বা অৰূপ শিলাখণ্ড হয় নে নহয় সেইটো আলোচনা নকৰিলেও হ'ব। ই যদি বাস্তৱিকেই শূন্য হয়, ই এনে শূন্য য'ত সকলো ৰূপ ঝঙ্কাৰ মাৰ গৈ আছে; ই এনে অৰূপ য'ত সকলো ৰূপ সানমিহলি হৈ আছে; ই যদি বৰণ নোহোৱা হয় তেন্তে সূৰ্যৰ পোহৰৰ দৰে অবৰ্ণ য'ত সাতোটা ৰং মিহলি হৈ আছে।

সৌন্দৰ্যৰ প্ৰতাৰণা

সাহিত্যত সৌন্দৰ্য-লিপ্সা নানানভাৱে প্ৰকাশ পায়। যিসকলৰ মনত সৌন্দৰ্য কেৱল জগত জুৰি থকা অতীন্দ্ৰিয় সত্তা, তেওঁলোকৰ প্ৰতি সুন্দৰী তিকতা কেৱল আদৰ্শ সৌন্দৰ্যৰ প্ৰতীক মাথোন। সেই আদৰ্শৰ উচ্চতা অনুসাৰে কবি বা চিত্ৰকৰসকলৰ সৌন্দৰ্য-বুভুক্ষা বিৰাট বিশ্ব-সপোনত পৰিণত হয়। সাহিত্যত তাৰ উদাহৰণ ডান্টে-বিয়েট্ৰীছৰ প্ৰীতি। চিত্ৰবিদ্যাত তাৰ উদাহৰণ ৰাফেলৰ বিশ্বকৰুণামণ্ডিত মাতৃমূৰ্তি। কিন্তু সৌন্দৰ্য-বুভুক্ষা যেতিয়া ইন্দ্ৰিয়-সেৱাৰ নামান্তৰ মাথোন, তেতিয়াই

দানহ মূৰ্তি ধাৰণ কৰি মনত বিভীষিকাপূৰ্ণ ধুমুহা মেলি দি আদৰ্শ আৰু আকাঙ্ক্ষাৰ পুলি-পোখা মষিমূৰ কৰে ; নাইবা সাধুকথাৰ তেজপিয়া সাপৰ দৰে চকুৰ দৃষ্টিৰেই অতৰ্কিতভাৱে শক্তি, উত্তম, আদৰ্শ সকলোৰে হ্ৰাস জন্মায়। সৌন্দৰ্য-বুভুক্ষাৰ ধুমুহাত পৰিণতিৰ উদাহৰণ এণ্টনি-ক্লিওপেট্ৰাৰ আখ্যান সকলো বুৰঞ্জী পঢ়োঁতাৰ জনাজাত। কিন্তু সৌন্দৰ্যৰ ধাউতিয়ে কেনেকৈ মায়াবিনীৰ নাগপাশত মেৰখাই মনুষ্যত্ব ক্ষীণ কৰি সকলো শক্তি আৰু আদৰ্শ অপহৰণ কৰে তাৰ কৰুণ ছবি এটি তলত দিয়া হ'ল।

খ্ৰীষ্টীয় পঞ্চদশ শতিকাত ইটালী দেশত যেতিয়া চিত্ৰবিদ্যাৰ চৰম উৎকৰ্ষৰ যুগ আৰম্ভ হয়, যেতিয়া মাইকেল এঞ্জেলো, ৰাফেল, লিওনাৰ্ডো আদি বিশ্ব-বিশ্ৰুত চিত্ৰকৰসকলে কবিৰ বিশ্ব-সপোনক দৃশ্য মূৰ্তি দিবলৈ আৰম্ভ কৰে, তেতিয়া এজন দুখীয়া দৰ্জীৰ ঘৰত ১৪৮৬ খ্ৰীষ্টীয় শকত এটি ল'ৰা ওপজে। ল'ৰাটিৰ নাম এণ্ড্ৰিয়া। দুখীয়া বাপেকে সাত বছৰ বয়সলৈ ল'ৰাটিক সামান্য লিখা-পঢ়া শিকাই সোণাৰি এজনৰ লগত সোণাৰিৰ কাম শিকিবলৈ থৈ দিলে। ল'ৰাটিয়ে কিন্তু সোণাৰিৰ কামলৈ আওহেলা কৰি ছবি অঁকাতহে বেছিকৈ সময় নিয়াবলৈ ধৰিলে। এদিনাখন বেৰিলে নামৰ এজন চিত্ৰকৰে চিত্ৰবিদ্যাত ল'ৰাটিৰ নিপুণতা দেখি তেওঁক নিজৰ তত্ত্বাৱধানলৈ আনি সোণাৰিৰ কামৰপৰা একেবাৰে একাণপতীয়াকৈ ছবি আঁকিবলৈ দিলে। তিনি বছৰ নিজৰ লগত ৰাখি এই ক্ষেত্ৰত ল'ৰাটিৰ বিশেষ প্ৰতিভাৰ উন্মেষ দেখি বেৰিলেই কছিমো বুলি এজন নামজ্বলা চিত্ৰকৰৰ চিত্ৰশালাত তেওঁক ভৰ্তি কৰাই দিলে। তাত তেওঁ অলপ দিনৰ ভিতৰতে নিজৰ যত্ন আৰু প্ৰতিভাৰ গুণত অশেষ সুখ্যাতি লাভ কৰিলে আৰু ডেকা চিত্ৰকৰ সকলোতকৈ বিশেষ বিচক্ষণ বুলি তেওঁৰ যশ বিয়পি পৰিল।

আন এজন ছাত্ৰ চিত্ৰকৰে সৈতে লগ লাগি এণ্ড্ৰিয়াই এতিয়া স্বাধীনভাৱে চিত্ৰবিদ্যাৰ দ্বাৰা জীৱিকা অৰ্জনৰ পথ মোকোলাবৰ চেষ্টা কৰিলে। মধ্যযুগত গিৰ্জাবোৰত বেৰত চিত্ৰ অঁকাৰ প্ৰথা আছিল আৰু এই কামত নামজ্বলা চিত্ৰকৰসকলহে নিয়োজিত হৈছিল। ইয়াৰপৰা এফালে যেনেকৈ ধনাগম হৈছিল, আনফালে তেনেকৈ নিপুণ চিত্ৰকৰসকলৰ শিল্পনিপুণতাও সোনকালে চকুত পৰাৰ সুবিধা হৈছিল। ফ্লোৰেন্স নগৰত গিৰ্জাঘৰ এটিৰ বেৰত চিত্ৰ আঁকি সমসাময়িক চিত্ৰকৰসকলৰ মাজত এণ্ড্ৰিয়াও এজন লেখত ল'বলগীয়া কলা-বিশাৰদ হৈ উঠিল। এণ্ড্ৰিয়াৰ ধন-মান কোনোটোৰ অভাৱ নাছিল আৰু দুখীয়া মাক-বাপেককো ধনেৰে পোহ-পাল দি সুখ-সন্তোষত ৰাখিব পাৰিছিল। ৰেখা-বিদ্যাত তেওঁ এনে সিদ্ধহস্ত আছিল যে তেওঁৰ নাম হ'ল 'অভ্ৰান্ত চিত্ৰকৰ' (faultless painter)।

এনে সময়ত এণ্ড্ৰিয়াৰ ভাগ্য-আকাশত সৌন্দৰ্য-পিপাসাৰ কুঁৱলী উঠিবলৈ ধৰিলে। ফ্লোৰেন্স নগৰত সেই সময়ত লুক্ৰেজীয়া বুলি ছোৱালী এজনী আছিল। দুখীয়া আৰু অসজ বাপেকৰ ছোৱালী হ'লেও সৌন্দৰ্য আৰু আত্মম্ভৰী গুণত তেওঁ সকলোৰে চকুত পৰা ধৰণৰ আছিল। যদিও টুপীৱালা এজনৰ লগত তেওঁৰ বিয়া হৈছিল তথাপি বিবাহিতাৰ কৰ্তব্যৰ প্ৰতি বিমুখ হৈ ঘৰচীয়া মেকুৰীয়ে চৰাই-চিৰিকটি ধৰি ধেমালি কৰাৰ দৰে লুক্ৰেজীয়ায়ো নগৰৰ ডেকাসকলৰ মন ধৰি খেলা কৰাত

অতিশয় পাৰ্গতালি দেখুৱাইছিল। প্ৰেমৰ ছলনাত এণ্ড্ৰিয়া ভালকৈয়ে বিভোল হ'ল আৰু লুক্ৰেজীয়াৰ সৌন্দৰ্য আৰু চতুৰালিত বিমুগ্ধ হৈ শিল্পচৰ্চাৰ প্ৰতি আওহেলা কৰিবলৈ ধৰিলে; আৰু লাহে লাহে মাক-বাপেকক আগৰ দৰে পোহপাল দিবলৈকো এৰিলে। হঠাৎ এদিন টুপীৱালাই টান নৰিয়াত পৰি শয্যা ল'লে। এণ্ড্ৰিয়াই বন্ধু-বান্ধব কাৰো পৰামৰ্শ নোলোৱাকৈ আত্মীয়-কুটুম কাকো নোসোধাকৈ সমাজত নিজৰ ঠাই, নিজৰ মান, শিল্পবিখ্যাত নিজৰ গৌৰৱ, সম্মান একোৰে প্ৰতি ভ্ৰূক্ষেপ নকৰি লুক্ৰেজীয়াক স্ত্ৰীৰূপে চপাই ললে। ফ্লোৰেন্স নগৰত যেতিয়া এই কথা প্ৰচাৰ হ'ল, এণ্ড্ৰিয়াৰ প্ৰতি আগেয়ে যিসকলে প্ৰীতি আৰু শ্ৰদ্ধাৰ ভাব ৰাখিছিল তেওঁলোকে এতিয়া তেওঁৰ প্ৰতি ঘৃণা আৰু তাচ্ছিল্যৰ ভাব দেখুৱাবলৈ ধৰিলে।

বন্ধুপ্ৰীতিৰ লগে লগে এণ্ড্ৰিয়াই মনৰ শান্তিও হেৰুৱালে। ঈৰ্ষাৰ জুয়ে মনত ভুমুকিয়ালে। তেওঁ বুজিলে, এজনী খেলুৱাই তিৰুতাৰ হাতত পৰিছে আৰু তাইৰ ইচ্ছামতে নিজে সকলো কামতে চলিব লাগে। এণ্ড্ৰিয়াই নিজৰ মাক-বাপেকক এৰি দি ঘৈণীয়েকৰ মাক আৰু ভনীয়েকহঁতক চপাই ল'ব লগাত পৰিল। এইবোৰ দেখি-শুনি আগেয়ে যিসকলে তেওঁৰ সংসৰ্গ গৌৰৱৰ কাৰণ বুলি ভাবিছিল সেইসকল আঁতৰি পৰিল। এণ্ড্ৰিয়াৰ প্ৰতিভাৰ গুণত কেতবোৰ ছাত্ৰ তেওঁৰ লগত থাকিল সঁচা; কিন্তু তেওঁলোকো লুক্ৰেজীয়াৰ কথা আৰু কামৰ দ্বাৰা নিৰ্যাতিত নোহোৱাকৈ নাছিল। সময়ে সময়ে তেওঁলোকৰ পিঠিত কিল-ভুকুও পৰিছিল। এইদৰে প্ৰপীড়িত হৈও এণ্ড্ৰিয়াই নিজক সৌভাগ্যৱান বুলি ভাবিছিল।

ইন্দ্ৰিয়ৰ ক্ষোভ এনে মাদক বস্তু যে মদপীৰ মদৰ দৰে ই জাগ্ৰত আত্ম-চৈতন্যৰ বল সঞ্চাৰ হ'বলৈ নিদিয়ে। সৌন্দৰ্যই এণ্ড্ৰিয়াক আমুৱাবলৈ ধৰিলে, জীৱন-পদ্ধতি তেওঁৰ পক্ষে দুৰ্বল হৈ উঠিছে। নিজৰ ভুল নিজৰ চকুত ধৰা পৰিল, পৰিশ্ৰমৰ অনুপাতে যথেষ্ট আয় হয় যদিও এণ্ড্ৰিয়া অভাৱগ্ৰস্ত হৈয়ে থাকিব লগাত পৰিল। আদৰ্শ আৰু আকাঙ্ক্ষাৰ সিদ্ধিলাভ কৰিব লাগিলে যি স্বৰ্গীয় সপোনত উটি ফুৰা ভাব মনত থাকিব লাগে তাৰ ঠাইত তেওঁৰ মন সাংসাৰিক অভাৱৰ পঙ্কিলতাত পোত খালে। ঘৈণীয়েকৰ বাপেক-ভনীয়েকে তেওঁৰ সকলো আৰ্জোন খাই সাং কৰে, নিজে দৰিদ্ৰ হৈয়ে থাকিল। মানুহ হিচাপে নহ'লেও শিল্পী হিচাপে তেওঁৰ প্ৰতি শ্ৰদ্ধা ৰখা দুই-এজন বন্ধুৰ পৰামৰ্শ অনুসাৰে তেওঁ দুখন চিত্ৰ ফৰাছী দেশৰ ৰাজসভালৈ পঠিয়াই দিলে। ফৰাছী ৰজা ফ্ৰান্সিছে চিত্ৰ দুখনৰ সৌন্দৰ্যত মুগ্ধ হৈ পাৰিষদসকলৰ মন্ত্ৰণা অনুসাৰে এণ্ড্ৰিয়াক ৰাজসভালৈ মাতি পঠিয়ালে আৰু ৰাজসভাত যাতে এণ্ড্ৰিয়াৰ কোনো অসুবিধা নঘটে সেইবাবে পাৰিষদসকলক আদেশ দি বাট-খৰচৰ বাবে এণ্ড্ৰিয়ালৈ ভালেমান ৰূপ পঠিয়াই দিলে। বন্ধুসকলৰ পৰামৰ্শ অনুসাৰে কিছুমান দিনলৈ বুলি ঘৈণীয়েকক ফ্লোৰেন্সত এৰি এণ্ড্ৰিয়াই ফৰাছী দেশলৈ যাত্ৰা কৰিলে।

ৰজা ফ্ৰান্সিছে অতি সন্মানেৰে প্ৰতিভাৰ মৰ্যাদা অনুসাৰে বিখ্যাত চিত্ৰকৰক গ্ৰহণ কৰিলে। চিত্ৰকৰে গৈয়ে কেঁচুৱা ৰাজকুমাৰৰ চিত্ৰ এখনি আঁকি ৰজা, পাৰিষদ সকলোৰে মন মুহি পেলালে

আৰু বানচ বুলি তিনিশ সোণৰ মুদ্ৰা লাভ কৰিলে। এণ্ড্ৰিয়াৰ গুণ আৰু নিৰীহ স্বভাৱত প্ৰীত হৈ পাত্ৰ-মন্ত্ৰী-ৰজা সকলোৱে তেওঁক মৰম আৰু শ্ৰদ্ধাৰ চকুৰে চাবলৈ ধৰিলে। সোণ-ৰূপ বৰষুণৰ পানীৰ দৰে চিত্ৰকৰৰ কাষলৈ ব'বলৈ ধৰিলে। প্ৰতিভাৰ পূৰ্ণবিকাশৰ বাবে ইয়াতকৈ সাৰুৱা ক্ষেত্ৰ পাবলৈ টান। কিন্তু বিধাতাৰ অভিসম্পাতে যাৰ অন্তৰত তিৰুতাৰ সৌন্দৰ্যৰ উন্মাদনাৰূপে অতৰ্কিতভাৱে বিহ সঞ্চাৰ কৰি থাকে তাৰ পক্ষে বিধাতাৰ যুঁজত জয়-পৰাজয় নিজৰ মনৰ কল্পনাৰ ওপৰত নিৰ্ভৰ কৰে। এণ্ড্ৰিয়াৰ উদ্‌ভ্ৰান্ত চিত্তই বিধাতাৰ শাও বেছি টনকিয়াল কৰিলে।

এণ্ড্ৰিয়াই ঘৈণীয়েকৰ আন আন বহুত চিঠিৰ পিছত এদিন এখন চিঠি পালে। চিত্ৰকৰে লুক্ৰেজীয়াক কোনো অভাৱত ৰখা নাছিল। নতুনকৈ পকী ঘৰ এটি সজাবলৈ যোগাৰ-পাতিও দি আছিল। কিন্তু লুক্ৰেজীয়াই আত্মীয়-কুটুম আৰু চাৰিওফালে গুঞ্জৰি ফুৰা মৌ-পিয়া ভোমোৰা-সকলক আগৰ দৰে হাত উবুৰিয়াই ৰূপ-বান দি বহতীয়া কৰি ৰাখিব নোৱৰাটো বৰ বিষম যেন পালে। লুক্ৰেজীয়াই চিঠি লিখিলে, এণ্ড্ৰিয়া যাবৰপৰা তেওঁৰ চকুৰ পানীৰ ছেদ নাই আৰু চৰাইৰ কুমলীয়া নোমৰ তলিচাতো কোনোবাই গজাল ভৰাই থৈছে যেন লাগে। চিঠি পোৱা মাত্ৰেই যদি তেওঁ উভতি নাহে তেনেহ'লে লুক্ৰেজীয়াক আৰু জীয়াই থকা তেওঁ নেদেখে। খেলুৱৈ লুক্ৰেজীয়াই দুৰ্ভগীয়া শিল্পীৰ চিত্তৰ দুৰ্বলতাক লক্ষ্য কৰি এই নিৰ্মম নিষ্ঠুৰ শেল মাৰি পঠিয়ালে।

এণ্ড্ৰিয়াই ফ্লোৰেন্স নগৰলৈ যাবলৈ ৰজাৰ অনুমতি খুজিলে। তেওঁ বাইবেল শাস্ত্ৰ চুই শপত খালে যে ঘৰুৱা কামৰ এটি সঙ্গতি লগাই ঘৈণীয়েকক লগত লৈ নিৰ্দিষ্ট সময়ৰ মূৰত আকৌ ৰাজসভালৈ ঘূৰি আহিব। ৰজাই এণ্ড্ৰিয়াৰ দৰে গুণী পুৰুষক অবিশ্বাস কৰিবলৈ কোনো কাৰণ নেদেখিলে আৰু ইটালী দেশৰ আন আন প্ৰসিদ্ধ চিত্ৰকৰসকলৰ চিত্ৰ কেতবোৰ লগত লৈ আহিবলৈ এণ্ড্ৰিয়াক আগধন স্বৰূপে বহুত সোণ-ৰূপ দিলে।

'পতঙ্গবৎ বহ্নিমুখং বিবিক্ষুঃ'।—জুইত সোমাব খোজা পৰুৱাৰ দৰে এণ্ড্ৰিয়া আহি আকৌ ফ্লোৰেন্স নগৰত ওলাল। ঘৈণীয়েকৰ মন যোগাই পকীঘৰ সজাই অলপ দিনৰ মূৰতে এণ্ড্ৰিয়াই নিজৰ আৰ্জোনৰ ধনৰ লগে লগে চিত্ৰ কিনিবলৈ দিয়া ৰজাৰ আগধনো ভগন কৰি হাত শুদা কৰিলে। তথাপি নিজেই ধৰ্মশাস্ত্ৰ চুই কঢ়া শপত মনত কৰি ফৰাছী দেশলৈ উভতি যাবলৈ মন বান্ধিলে। আকৌ লুক্ৰেজীয়াৰ কাকুতি, লুক্ৰেজীয়াৰ চকুৰ লোৰ ঢলপানীত শিল্পীৰ সঙ্কল্প, শিল্পীৰ ধৰ্ম-শপত সকলো উটি গ'ল।

এণ্ড্ৰিয়াৰ ফৰাছী দেশলৈ যোৱা নহ'ল। এই বিশ্বাসঘাতকতাত ৰজা ফ্ৰান্সিছ খঙত আপোন-পাহৰা হ'ল; কিছুমান দিনলৈ ফ্লোৰেন্স নগৰৰ কোনো শিল্পীৰ চিত্ৰকেই তেওঁ আগত উলিয়াবলৈ হাক দিলে, আৰু কৈ পঠিয়ালে যে আগলৈ কেতিয়াবা যদি এণ্ড্ৰিয়া তেওঁৰ হাতত পৰে তেনেহ'লে তেওঁৰ প্ৰতিভাৰ মৰ্যাদা ৰজাই নেৰাখিব আৰু আগেয়ে যি উপকাৰ কৰিছিল তাৰ সলনি পাৰ্যমানে

এণ্ড্ৰিয়াৰ অমঙ্গল সাধিবলৈ যত্ন কৰিব। সম্মানৰ উজ্জ্বল ওখ শিখৰৰপৰা বাগৰি এণ্ড্ৰিয়া দুৰ্যশ আৰু দৰিদ্ৰতাৰ এন্ধাৰ বাটৰ বাটকুৱা হ'ল।

তিৰুতাৰ বাবে আদৰ্শ আকাঙ্ক্ষা সম্পদ ত্যাগ কৰিও যদি তিৰুতাৰ মন পালেহেঁতেন, তথাপি দুৰ্ভগীয়াৰ মনলৈ শান্তি আহিলহেঁতেন! কিন্তু লুক্ৰেজীয়াৰ হিয়া মৌ-পিয়াসকলৰ গুঞ্জনত মতলীয়া; এণ্ড্ৰিয়া কেৱল ধন ঘটি অনা চপনীয়াহে মাথোন।

দিন যাবলৈ ধৰিলে। নিজৰ অতীত, বিশেষতঃ ফৰাছী ৰজাৰ প্ৰতি নিজৰ অসজ ব্যৱহাৰৰ সোঁৱৰণীত শিল্পীৰ হিয়া বিদাৰি কেতিয়াবা কেতিয়াবা দীঘল হুমুনিয়া উঠে। সোণৰ শিকলিত বান্ধ খোৱা অপ্ৰকাশিত প্ৰতিভাৰ কৰুণ বিননি কবিৰ কল্পনাগ্ৰাহ্য—চৰিতলেখকৰ বিশ্লেষণৰ সামগ্ৰী নহয়। ধূলিত লুটি-বাগৰ লোৱা পপীয়া তৰাৰ দৰে এণ্ড্ৰিয়াৰ নিষ্প্ৰভ প্ৰতিভাৰ আত্মলাঞ্ছনাত ব্যথিত হৈ ইংৰাজ কবি ব্ৰাউনিঙে এটি অপূৰ্ব কবিতা লিখিছে। তাৰ সাৰমৰ্ম তলত দিয়া হ'ল।

হেমন্ত কাল। বাহিৰা প্ৰকৃতিত কোনো উন্মাদনা নাই। সন্ধিয়া সময়। এন্ধাৰ-পোহৰ মিহলি হৈ সমুখৰ মৰেলো পৰ্বতক পাতল ধোঁৱাই আগুৰিছে। এণ্ড্ৰিয়া চিত্ৰশালাৰ খোটালিত বহি আছে, ওচৰত ঘৈণীয়েক। বেৰত ৰাফেলৰ চিত্ৰ এখন আঁৰি থোৱা। বাটৰপৰা সুঁহুৰিৰ শব্দ আহি মাজে মাজে কাণত পৰে। সুঁহুৰিৰ শব্দত লুক্ৰেজীয়া উচপিচকৈ চঞ্চল হৈ উঠে। গিৰিয়েকক আগেয়ে কৈ থোৱা হৈছে যে সুঁহুৰি বজোৱাজন লুক্ৰেজীয়াৰ সম্বন্ধীয়া ভায়েক। সম্বন্ধীয়াসকলক বিনা বানচে এণ্ড্ৰিয়াই চিত্ৰ আঁকি দিব লাগে। আগেও দিছে। আজিও সেই লৈয়েই লুক্ৰেজীয়াৰ ঠেহ।

বাহিৰৰ নিবিড় প্ৰকৃতিৰ নিস্তব্ধতাই আহি এণ্ড্ৰিয়াৰ মন আক্ৰমণ কৰিছে। মনত আশা নাই, উদ্বেগো নাই। মৰেলো পৰ্বতখন যেন চুঁচৰি আহি তেওঁৰ হিয়াত থিতাপি লৈছে। লুক্ৰেজীয়াৰ ঠেহত অতীত, বৰ্তমান, ভৱিষ্যত—আটাইবোৰ স্মৃতি, চেতনা আৰু সপোন লগ লাগি মনত এটি বিৰাট নিষ্ফলতা জগাই তুলিছে। স্বগতোক্তিৰ সুৰেৰে লুক্ৰেজীয়াক লক্ষ্য কৰি এণ্ড্ৰিয়াই ক'ব লাগিছে—

"বাৰু আমি আৰু কাজিয়া নকৰোঁহক, নাই নকৰোঁ। অ' মোৰ লুক্ৰেজীয়া, এবাৰলৈ তুমি ধৈৰ্য ধৰি শুনা। এবাৰ শান্তভাৱে মোৰ ওচৰত বহাঁ, মোৰ কথা শুনা। সকলো কাম তোমাৰ মতেই চলিব। বাৰু, মোৰ পিনে মুখ ঘূৰাইছা, তোমাৰ মনো ঘূৰিছেনে? তেনেহ'লে তোমাৰ বন্ধুৰ সম্বন্ধীয়াজনৰ কামো মই কৰি দিম, তেওঁৰ ইচ্ছামতে দিয়া বানচেই হ'ব; আৰু সেইখিনি আনি তোমাৰ অকণি হাতৰ মুঠিত সুমুৱাই দিম। হ'বনে? তোমাৰ বন্ধুৰ বন্ধুক সন্তুষ্ট কৰিম, কিন্তু কাইলৈ প্ৰিয়তমে! বহুত সময়ত মোৰ মনত ভাগৰ লাগে, আজি আন আন দিনতকৈও মন বেছি ভাৰাক্ৰান্ত। মোৰ ভাব, যদি মই তোমাৰ ওচৰত বহিবলৈ পাওঁ, তোমাৰ হাত মোৰ মুঠিৰ ভিতৰত, দুয়োৰো এক মন এক প্ৰাণ, বিবাহিত পুৰুষ-তিৰুতাৰ দৰে সন্ধিয়া কালডোখৰ যদি এইদৰে নিয়াব পাৰোঁ, নিবিড় শান্তিত কাইলৈ পুৱা কামলৈ মোৰ নতুন বল, নতুন শক্তিৰ সঞ্চাৰ হ'ব! দুয়ো চেষ্টা কৰি চাওঁ-

হৃকচোন! মোৰ ওচৰত থকা সময়খিনি মিছাতে যোৱা যেন ভাবিছা? তোমাক আহিঁ কৰিয়েই আমাক লগা পাঁচোখন চিত্ৰ আঁকিব পাৰিম। বেলেগ আহিঁ নালাগে। ভাল, সেইদৰেই চাই থাকা, অ' মোৰ নাগিনী, নাগপাশধাৰিণী, তুমি মোৰ জোন, তুমি আটাইৰে জোন, সকলোৱে তোমাৰ আহিৰ গঢোৱা মূৰ্তিকেই নিজৰ বুলি সাবটি লয়। তুমি হাঁহিছা? এৰা, মোৰ চিত্ৰ সম্পূৰ্ণ হ'লেই!

"এই যে হেমন্তৰ সন্ধিয়া দেখিছা, ই মোৰ জীৱন-প্ৰৱাহৰ দৃশ্যমূৰ্তি। আৰু ওৰে জীৱন, ওৰে জীৱন-প্ৰৱাহ কেৱল হেমন্ত-সন্ধিয়াৰ মূৰ্তিচিত্ৰ মাথোন! অ' মোৰ প্ৰিয়ে, আমি ঈশ্বৰৰ হাতৰ পুতলা মাথোন! তেওঁ আমাক যেনেকৈ চলাইছে সেইটো কেনে অনাভুৱা যেন লাগে। নিজক এনে মুকলিমূৰীয়া ভাবোঁ অথচ এনেকৈ শিকলিৰে মেৰ খাই আছো! তেৱেঁই শিকলি দিছে, বাৰু, শিকলি থাকক!

"তুমি মোৰ শিল্প-কুশলতা বুজি নোপোৱা। বুজিবলৈও চেষ্টা নকৰা কিন্তু আনে কি কয় বুজিব পাৰা। সৌয়ে বেৰত আঁৰি থোৱা ৰাফেলৰ অঙ্কিত মাতৃমূৰ্তি দেখিছা—কি সুন্দৰ, কি অপৰূপ। চিত্ৰ তেনেকুৱাই হ'ব লাগে। কিন্তু তথাপি এই চিত্ৰৰো অকণমান দোষ আছে। মোক পেন্সিল এডাল দিয়া; বাহুখন এইদৰে থাকিব লাগিছিল। কিন্তু এই চিত্ৰৰ ভিতৰেদি যি তেজঃপুঞ্জ ফুটি ওলাইছে, যি বিশ্বমানৱৰ হৃদয়স্পৰ্শী সৌম্য কৰুণাৰ প্ৰভা বিৰিঙি ওলাইছে; সেই প্ৰভা, সেই তেজ মোৰ অনুভূতিৰ বহুত ওপৰত।

"আনে যি চিত্ৰ কঠোৰ পৰিশ্ৰম কৰি মূৰৰ ঘাম মাটিত পেলায়ো আঁকিব নোৱাৰে, সেই চিত্ৰ অতি অৱলীলাক্ৰমে মই বাওঁহাতেৰে আঁকি দিব পাৰোঁ। সেইটো অহঙ্কাৰ নহয়। তথাপি মই সিহঁতৰ বহুত তলত। সিহঁতৰ কঠোৰ শ্ৰমত যি অন্তৰৰ সংযোগ, যি খৰতৰ তেজৰ চলাচল, আশা-নিৰাশাৰ যি তুমুল সংগ্ৰাম, তাৰ ভিতৰেদিয়েই সিহঁতে ঈশ্বৰে দিয়া শক্তিৰ সফলতা লাভ কৰে। সেই শক্তিৰ সহস্ৰ কণাৰ একণায়ো মোৰ হাত নচলায়। সিহঁতে কামত সম্পূৰ্ণতা লাভ কৰিব নোৱাৰে, কিন্তু শক্তিৰ সফলতা লাভ কৰিছে। মোৰ কাম অভ্ৰান্ত, সম্পূৰ্ণ, কিন্তু মোৰ শক্তি জড়, সুপ্ত।

"মোক কি লাগে, মই কি কৰিব পাৰোঁ মই জানো। জানিলেই বা কি, হুমুনিয়া কাঢ়িলেই বা কি লাভ! মোৰ জীৱনত হেমন্তৰ সন্ধিয়াই বোল বোলাইছে। তুমি মোৰ কামত উদ্যম সঞ্চাৰ কৰাহেঁতেন, যদি কেতিয়াবা ক'লাহেঁতেন—'গৌৰৱ আৰু ঈশ্বৰৰ কৰুণাক লক্ষ্য কৰি কাম কৰাঁ, লাভ-লোকচানৰ চিন্তা মনলৈ নানিবাঁ'—কেতিয়াবা যদি তোমাৰ সুন্দৰ মুখেৰে এইদৰে ক'লাহেঁতেন, ৰাফেলৰ ওখ আসনত তুমি-মই—দুয়ো উঠিব পাৰিলোঁহেঁতেন! তোমাৰ সৌন্দৰ্যৰ লগত যদি তোমাৰ হিয়া মনৰ যোগ থাকিলেহেঁতেন—কেতবোৰ তিকতাৰ থাকে, ৰাফেল, মাইকেল এঞ্জেলো তেওঁলোকৰ আসন ল'ব পাৰিলোঁহেঁতেন। নহ'বও পাৰে। সকলো বিধাতাৰ নিৰ্দেশ।

"তোমাৰেই বা দোষ কি? সকলো শক্তিৰ ভঁৰাল নিজৰ অন্তৰেই। ৰাফেল, এঞ্জেলো—

তেওঁলোকৰ দেখোঁ তিক্ততাই নাছিল। মই দেখিছোঁ সংসাৰত যি ভাল কাম কৰিব পাৰে, সি নকৰে; যাৰ কৰিবলৈ একান্ত আগ্ৰহ, সি নোৱাৰে। তথাপি ইচ্ছা আৰু শক্তি—ইও আধা সফলতাই!

"ফৰাছী ৰাজসভাত যেতিয়া আছিলোঁ, ৰজা ফ্ৰান্সিছে যেতিয়া এখন ৰাজবাহু মোৰ কান্ধত থৈ কামত উৎসাহ দিছিল, মোৰ হৃদয়ৰ অন্তৰতম প্ৰদেশত যেতিয়া তোমাক গৌৰৱমণ্ডিত কৰাৰ ইচ্ছা ফল্গুনদীৰ দৰে বৈ আছিল, তেতিয়া ৰাফেলৰ তেজঃপুঞ্জৰ উষ্ণতা কেতিয়াবা কেতিয়াবা অনুভৱ কৰিছিলোঁ। তুমি অধীৰ নোহোৱাহেঁতেন! থাওক, তুমি মাতি পঠিয়ালা, মই আহিলোঁ।

"মাজে সময়ে ৰাতি যেতিয়া চিত্ৰ অঁকাৰ পৰা ক্লান্ত চকুৰে ঘৰৰ বেৰৰ ফালে চাওঁ, ইটাবোৰৰপৰা প্ৰদীপ্ত জুই জ্বলি উঠা যেন দেখোঁ। ইটাবোৰৰপৰা যেন চুণ-চুৰকি খহি পৰিছে, তাৰ ঠাইত যেন প্ৰচণ্ড ভাস্কৰ বৰণীয়া সোণ লেও খাই আছে। ৰজা ফ্ৰান্সিছে ছবি কিনিবলৈ আগধন বুলি দিয়া সোণ!

"তুমি ছটফটাইছা কিয়? তোমাৰ সম্বন্ধীয়া ভাইজন আহিছে? তোমাক বাহিৰলৈ মাতিছে। অকলে মোৰ লগত নহয়? জুৱাখেলৰ ধাৰ সাধিবলৈ আহিছে? সেই কাৰণে হাঁহিছিলা? ভাল তোমাৰ হাঁহিৰেই নিজক বেচিছোঁ। যেতিয়ালৈ হাত চকু আৰু অকণমানিও হিয়াৰ স্পন্দন থাকে তেতিয়ালৈকে কামেই মোৰ গতি, মোৰ পুতলাৰ ৰেচ শোধাব লাগিব। সন্ধিয়াৰ বাকীখিনি তুমি কোৱাৰ দৰে এলাহতে বহি কটাওঁ, ফৰাছী দেশলৈ উভতিব পাৰিলে কি কৰিলোঁহেঁতেন তাৰেই সপোন দেখোঁ!

"আজি মই বুঢ়া বয়সৰ দৰে নিৰ্বিকাৰ নিস্তব্ধ। মোৰ অনুতাপ নাই, জীৱনত কোনো সাল-সলনিও ঘটাব নোখোজোঁ, অতীত জীৱন ছায়া-পথৰ দৰে উদ্ভাসিত হৈ পৰি আছে, তাক আৰু সলাব লাগিছে কিয়? ফৰাছী ৰজাৰ টকা লৈছিলোঁ, প্ৰলোভনত পৰি খৰচ কৰিছোঁ, ঘৰ বান্ধিছোঁ—পাপেই কৰিছোঁ। আৰু ক'ব লগীয়া কি আছে? আই-বোপাই খাবলৈ নাপাই মৰিল, মোৰ ধন আছিল জানো? তুমিয়েই জানা ধন কেনেকৈ আহে। সকলোৱে নিজ নিজ ভাগ্যফল ভোগ কৰিব লাগে। তেওঁলোক জন্মত দুখীয়া, কৰ্মত দুখীয়া আৰু দুখতেই মৰিছে। মই পৰিশ্ৰম কৰিছিলোঁ, সেই অনুসাৰে মোৰ উপাৰ্জন হোৱা নাই।

"আজি ভাবিছোঁ, তুমি মোক যথেষ্ট ভাল পাইছা। তাতে মই সন্তুষ্ট থকা উচিত। আৰু কি লাগে? হয়তো স্বৰ্গৰাজ্যত আকৌ মোৰ প্ৰতিভাৰ জোখেৰে কাম কৰিবলৈ সুচল আহিব। স্বৰ্গৰ দেৱ-মন্দিৰত চিত্ৰ আঁকিবলৈ দেৱদূতে ৰাফেল, এঞ্জেলো, লিওনাৰ্ডো আৰু মোক—চাৰিওকো চাৰিখন দেৱাল ভগাই দিব। প্ৰথম তিনিও জনৰেই তিক্ততা নাই, মোৰ আছে। তাতে সেইদেখি তেওঁলোকে মোক চেৰ পেলাব; কিয়নো তুমি মোৰ লুক্ৰেজীয়া আছা—মোৰে অভিমত অনুসাৰে।

"আকৌ 'সম্বন্ধীয়া' ভাইৰ সুঁহুৰি, যোৱা মোৰ সোণাই!"

ওপৰত তুলি দিয়া কথাবোৰ কৰিৰ কল্পনাপ্ৰসূত হ'লেও এণ্ড্ৰিয়াৰ অন্তৰৰ পোৱণি সম্পূৰ্ণভাৱে প্ৰকাশ কৰে। নিজৰ শক্তিৰ সম্পূৰ্ণ জোখ উপলব্ধি কৰিব পৰা প্ৰতিভাশালী পুৰুষৰ অপ্ৰকাশিত

প্ৰতিভাৰ ব্যৰ্থতাত কি নৈৰাশ্য, কি অশান্তি, কি ক্ষোভ ! এই ব্যৰ্থতাৰ কাৰণ কোন ? যাৰ ৰূপত মন-প্ৰাণ গৌৰৱ মৰ্যাদা সম্পদ সকলো বিসৰ্জন দিছে, কিন্তু যাৰ মনত তেওঁৰ মূল্য কেৱল 'সম্বন্ধীয়'সকলক দিব পৰা জোখাৰে টকা আৰ্জিব পৰা ক্ষমতা অনুসাৰে।

১৫২৩ খ্ৰীষ্টীয় শকত ফ্লোৰেন্স নগৰত প্লেগ মহামাৰিয়ে আহি দেখা দিলত এণ্ড্ৰিয়াই মুগলো নামক ঠাইলৈ সপৰিবাৰে যাত্ৰা কৰে। তাত মঠাধিশ্ৰিতা ভিক্ষু-ভিক্ষুণীসকলৰ বাবে যীশুখ্ৰীষ্টৰ চৰিতবিষয়ক কেতবোৰ ছবি আঁকে। মঠৰ কাম কৰি এটালত ৰং আৰু চিত্ৰৰ আহিলা-পাতি বহুত অতিৰিক্ত হৈ থাকিল। এণ্ড্ৰিয়াই এদিন লুক্ৰেজীয়াক মাতি ক'লে, "তুমি এখন্তেক ধীৰভাৱে মোৰ ওচৰত বহাঁ ; এইবোৰ ৰং যে বেছিকৈ আছে তাৰে তোমাৰ ছবি এখন আঁকিম। এই বয়সতো তোমাৰ চকুৰ জেউতি যেনেকৈ লৰচৰ নোহোৱাকৈ আছে মানুহে দেখক। আৰু আগৰ ছবিবোৰতকৈ এইখনত তোমাৰ চেহেৰাৰ কি পৰিবৰ্তন ঘটে সেইটোৱেই ৰিজাবলগীয়া।" কিন্তু লুক্ৰেজীয়াৰ মন আন কিবা ভাবত তোলপাৰ—শান্তভাৱে বহি থাকিব নোৱাৰে।

চিৰ-নৈৰাশ্যপীড়িত এণ্ড্ৰিয়াৰ মনত ভৱিষ্যদ্বাণীৰ দৰে উদয় হ'ল—তেওঁৰ আৰু সংসাৰত সৰহ দিন নাই। এহাতেৰে দাপোণ আৰু আনহাতেৰে তুলিকা ধৰি নিজৰ চিত্ৰ এনে হুবহু কৰি আঁকিলে—সেইটো জানিবা তেওঁৰ জীৱন্ত-মূৰ্তি। তেওঁ মৰাৰ পিছত ছবিখন ভালেমান দিনলৈ লুক্ৰেজীয়াৰ হাতত আছিল।

ইয়াৰ কিছুদিন পিছত এণ্ড্ৰিয়াৰ নৰিয়া হ'ল। তেওঁ শয্যাত পৰিয়েই ভাবিলে তেওঁৰ আৰু নিস্তাৰ নাই। তেওঁৰ নৰিয়াৰ কোনো ঔষধ বিচাৰি পোৱা নগ'ল। লুক্ৰেজীয়াই পাৰেমানে বেমাৰীৰপৰা আঁতৰে আঁতৰে থাকে, কেনেবাকৈ তেওঁৰো গাত ব্যাধি সোঁচৰে বুলি। কোনোৱে গম নোপোৱাকৈয়ে মঠৰ ভিক্ষুসকলে তেওঁক সমাধিস্থ কৰে। সৰুকালত ভাৰাটীয়া হিচাপে যেতিয়া এণ্ড্ৰিয়াই কাম কৰি ফুৰে তেতিয়া তেওঁৰ প্ৰতিভাক লক্ষ্য কৰি মাইকেল এঞ্জেলোৱে এদিনাখন ৰাফেলক কৈছিল, "ৰাফেল, এই নগৰত যে অকণমানি ল'ৰা এটি ঘুৰ্মুটিয়াই ফুৰা দেখা, সি তোমাৰ দৰে ৰজা-মহাৰজাৰ আশ্ৰয়ত থাকি ডাঙৰ কামত হাত দিবৰ সুবিধা পোৱা হ'লে তোমাৰ কপালৰ ঘাম ভৰিত পৰিলহেঁতেন।"

এণ্ড্ৰিয়াৰ ভাগ্যতো ৰজা-মহাৰজাৰ কৃপা লাভ ঘটিছিল। 'স্বপ্নো নু মায়া নু মতিভ্ৰমো নু'—কিন্তু সপোন নে মায়া নে মতিভ্ৰম ! কিহৰ বাবে তেওঁৰ জীৱন বিৰাট নিষ্ফলতাত পৰিণত হ'ল ?

কবিৰ অহৈতুকী প্ৰীতি

সহজীয়া বৈষ্ণৱ কবিসকলে যেতিয়া পৰাঙ্গনা প্ৰীতিকেই সাধনাৰ মুখ্য উপকৰণ বুলি বৰ্ণনা কৰে তেতিয়া অভকত অবৈষ্ণৱ সাধাৰণ মানুহৰ মনত সহজেই সংশয় উপস্থিত হয় যে এই পৰাঙ্গনা প্ৰীতিবাদ

কেৱল ধৰ্মৰ নামেৰে ঢাকি ৰখা প্ৰচ্ছন্ন সম্ভোগলিপ্সা মাথোন। সেইদেখি সহজীয়া পন্থৰ অতি উত্তম খাপৰ কবি চণ্ডীদাসৰ উক্তি আমাৰ মনত দুৰ্বোধ্য যেন লাগে। সহজীয়া পন্থৰ ৰীতি অনুসাৰে ৰামী নামেৰে ধুবুনী এজনীৰ লগত চণ্ডীদাসৰ প্ৰীতি আছিল আৰু এই ধবুনীজনীকেই চণ্ডীদাসৰ পদাৱলীৰ উত্তেজিকা শক্তি বুলিব পাৰি। এঠাইত কবিয়ে ধুবুনীৰ বিষয়ে কৈছে—

ৰজকিনী ৰূপ, কিশোৰী স্বৰূপ, কাম গন্ধ নাহি তায়।
না দেখিলে মন, কৰে উচাটন, দেখিলে পৰাণ জুড়ায়॥
তুমি ৰজকিনী, আমাৰ ৰমণী, তুমি হও পিতৃ-মাতৃ।
ত্ৰিসন্ধ্যা যাজন, তোমাৰি ভজন, তুমি বেদমাতা গায়ত্ৰী॥
তুমি বাগ্‌বাদিনী, হৰেৰ ঘৰণী, তুমি সে গলাৰ হাৰা।
তুমি স্বৰ্গ-মৰ্ত্য পাতাল-পৰ্বত, তুমি সে নয়নেৰ তাৰা।
ও ৰূপ মাধুৰী, পাসৰিতে নাৰি, কি দিয়ে কৰিব বশ।
তুমি সে তন্ত্ৰ, তুমি সে মন্ত্ৰ, তুমি উপাসনা ৰস।

সাধাৰণ ভাষাত ৰজকিনী কবিৰ প্ৰেয়সী স্বৰূপ আছিল। কিন্তু কবিয়ে কৈ গৈছে, ধুবুনীৰ লগত তেওঁৰ যি সম্বন্ধ নেথাকক তাৰ ভিতৰত কাম-বাসনাৰ লেশমাত্ৰও নাছিল—'কাম গন্ধ নাহি তায়।' প্ৰেমৰ উন্মাদনাত কবিয়ে প্ৰেমিকাক 'ত্বমসি মে জীবনং দ্বিতীয়ম্' বা তুমিয়েই মোৰ জীৱনৰ সৰ্বস্ব ইত্যাদি ধৰণে ভক্তি-ভাবৰ আৱেশত কোৱা কথাৰ দৰে সাধাৰণ মানুহে উপলব্ধি কৰিব পাৰে। কিন্তু কামগন্ধবিহীন উচ্ছ্বাসত প্ৰেমিকাক 'বেদমাতা গায়ত্ৰী' মন্ত্ৰৰ ওখ আসন দি প্ৰেমিকাকেই 'উপাসনা ৰস' বুলি বৰ্ণনা কৰা কথা সাধাৰণ মানুহৰ মনত চিৰকালেই মানৱ হৃদয়ৰ কুঁৱলীৰে ঢকা বিৰাট প্ৰহেলিকাৰ দৰে বৈ থাকিব।

চণ্ডীদাসৰ ৰজকিনী-ভক্তি অধিক কবিত্ব ৰসেৰে ৰঞ্জিত হৈ আছে। কেৱল কবিৰ ৰসতেই তিক্ততাই কবিৰ মনত সেই ওখ আসন পাইছে নে নাই তলত দিয়া ঘটনাত সেইটোকেই আলোচনা কৰা হ'ব। চণ্ডীদাসৰ ঘৰুৱা বা পাৰিবাৰিক জীৱনৰ কথা নাইবা তেওঁৰ ভক্তজীৱন বা উপাসনা প্ৰণালীৰ কথা আমি নেজানো। তেওঁৰ ধৰ্মমতত দীক্ষিতসকলে তেওঁৰ ৰহস্যপূৰ্ণ উক্তিবোৰৰ মৰ্ম বুজিলেও বুজিব পাৰে, কিন্তু সাধাৰণ পঢ়োঁতা হিচাপে তেওঁৰ পদাৱলীৰ সৰহ ভাগ উক্তিয়েই আমাৰ মনত কুঁৱলীময়।

যি কামগন্ধবিহীন প্ৰেমৰ বিৰাট আবেগত চণ্ডীদাসে প্ৰেমিকা ৰজকিনীক 'বেদমাতা গায়ত্ৰী', 'উপাসনা ৰস' আদি বুলি বৰ্ণনা কৰিছে ইটালী দেশৰ মহাকবি ডাণ্টেও সেই একেই প্ৰেমৰ আবেগতেই তেওঁৰ প্ৰেয়সী বিয়েট্ৰীছক সমান ওখ ঠাই দিছে। মহাকবি ডাণ্টেই তেওঁৰ এই প্ৰেম 'Vita Nuova' বা 'নৱজীৱন' নামেৰে এখন সৰু গদ্য-পদ্যময় কিতাপত বৰ্ণনা কৰিছে। সেই কিতাপখনক তেওঁৰ প্ৰেমিক জীৱনৰ আত্মচৰিত বুলিব পাৰি।

খ্ৰীষ্টীয় ১২৬৫ শকত ইটালী দেশৰ ফ্লোৰেন্স্ নগৰত মহাকবি ডাণ্টেৰ জন্ম হয়। ইটালী দেশৰ মহানগৰীবোৰত ৰাজনৈতিক দলসমূহৰ ভিতৰত নানান আত্মবিদ্ৰোহ চলিছিল। সৰুৰেপৰাই ডাণ্টেই এফালে যেনেকৈ লিখা-পঢ়াত মন দিছিল সেইদৰে আনফালে ৰাজনৈতিক আন্দোলনতো তেওঁৰ সম্পূৰ্ণ যোগ আছিল। তাৰে ফলত মাজ বয়সতেই তেওঁ ফ্লোৰেন্স্ নগৰৰপৰা নিৰ্বাসিত হৈ জীৱিত কালত আকৌ পুনৰ জন্মভূমিলৈ উলটি আহিবলৈ নেপালে।

ডাণ্টেৰ বয়স যেতিয়া ন বছৰ পাৰ হ'বলগীয়া, তেতিয়া তেওঁ নাগৰিক এজনে দিয়া ভোজ এখনলৈ গৈছিল। তাতে তেওঁ ন বছৰত ভৰি দিয়া স্নিগ্ধ ৰঙা শাৰী পিন্ধা ছোৱালী এজনী দেখা পালে। ছোৱালীজনীৰ বাপেকো সেই ভোজলৈ গৈছিল। ছোৱালীজনীক দেখিয়েই ন বছৰীয়া ডাণ্টেৰ সৰ্বশৰীৰ এনেভাৱে কঁপি উঠিল যে তেওঁ কান্দি পেলালে। কান্দোনতেই তেওঁৰ অন্তৰাত্মাই এনেদৰে কোৱা যেন শুনিলে, 'এইজনীয়েই তোমাৰ জীৱন-দেৱতা, তোমাৰ অন্তৰাত্মাৰ ওপৰত এৱেঁই প্ৰভুত্ব কৰিব।' সেইদিনাৰপৰাই তেওঁৰ মনত প্ৰেমৰ পৰৱেশ হ'ল, আৰু বিয়েট্ৰীছৰ ছবি তেওঁৰ অন্তৰত ওপঙিবলৈ ধৰিলে। তাৰ পিছত সুদীৰ্ঘ ন বছৰৰ অন্তত আকৌ এদিন বিয়েট্ৰীছক দেখা পালে। আগৰপৰা ঘূৰিলৈ বগা কাপোৰ পিন্ধি দুজনী তেওঁতকৈ বেছি বয়সীয়া গাভৰুৰ মাজত তেওঁ বাটেদি খোজ কাঢ়ি গৈছে। অকস্মাৎ বাটৰ এচুকত ওঠৰ বছৰীয়া ডাণ্টে লাজতে তলমূৰ হৈ থকা দেখি তেওঁৰ ফালে চাই বিয়েট্ৰীছে শিষ্টতাৰ খাতিৰত তেওঁক নমস্কাৰ কৰি লাহে লাহে গুচি গ'ল। সেই নমস্কাৰতেই কবিয়ে স্বৰ্গীয় সুখৰ শেহ সীমা পোৱা যেন পালে। সুখতেই তন্দ্ৰাভিভূত হৈ কবিয়ে নিজৰ ঘৰ পাই এই নবাবিৰ্ভূত জীৱনদেৱতাৰ কথা ভাবি থাকোঁতেই তেওঁৰ টোপনি আহিল আৰু টোপনিত এটি সপোন দেখিলে। তেওঁৰ খোটালিটো যেন জুই-বৰণীয়া কুঁৱলীৰে আচ্ছন্ন। তাৰ মাজত ভয়ঙ্কৰ আকৃতিৰ মূৰ্তি এটাই তেওঁৰ পিনে এনে কঠোৰভাৱে চাই আছে যেন সেই কঠোৰতাৰ ভিতৰতো কবিৰ প্ৰতি এটি উপলুঙাৰ ভাব ফুটি ওলাইছে। অস্পষ্ট ভাষাৰে এই মূৰ্তিটোৱে বহুত কথা কোৱা যেন পালে; তাৰ ভিতৰত কবিয়ে এইষাৰ মাথোন বুজি পালে—'ময়ে তোমাৰ প্ৰভু।' তেওঁৰ দুই বাহুৰ মাজত তেজবৰণীয়া কাপোৰেৰে মেৰোৱা মানৱ মূৰ্তি এটি শুই আছে। ভালকৈ মন কৰি চালত কবিয়ে দেখিলে তেওঁক বাটত প্ৰণাম কৰা ছোৱালীজনীয়েই তাত শুই আছে। মানুহজনৰ হাতত দপ্ দপ্ কৰে জুয়ে পুৰি থকা আকৌ কিবা এটি বস্তু দেখিলে। সেইটো দেখুৱাই মানুহজনে ক'লে, "ধৰাঁ, এইখন তোমাৰ হিয়া।" তাৰ পিছত কোলাত শুই থকা ছোৱালীজনীক জগাই সেই জ্বলি থকা বস্তুটো খাবলৈ দিলে আৰু ছোৱালীজনীয়ে ভয় ভয়কৈ তাক খালে। তাৰ অলপ পিছতেই মানুহজনে কান্দিবলৈ ধৰিলে আৰু ছোৱালীজনীক বাহুৰ মাজত আঁকোৱালি ধৰি অদৃশ্য হ'ল। তেওঁৰ মনত খেলালে, মানুহজন ছোৱালীজনীৰে সৈতে স্বৰ্গলৈ গ'ল। তেওঁৰ মনত এনে যন্ত্ৰণা হ'ল যে তাৰে ফলত টোপনি ভাগিল।

সপোনৰ ঘটনা বিবৃত কৰি ডাণ্টেই ছনেট কবিতা এটি লিখি তেওঁৰ সমসাময়িক কবিসকললৈ

পঠিয়াই দিলে। সপোনৰ অৰ্থ কি সেইটো তেওঁলোকক সুধি পঠিয়ালে। সেইসকলৰ ভিতৰত গুইড়ো কেভেল্‌ কেন্টি নামে কবি এজনে সপোনৰ যথাযথ ছনেট কবিতাত লিখি ডান্টেলৈ পঠিয়াই দিলে।

সেইদিনাৰপৰা এই দেৱীমূৰ্তি ছোৱালীজনীৰ চিন্তাতেই ডান্টে শুকাই-খীণাই যাবলৈ ধৰিলে। তেওঁৰ বন্ধু-বান্ধৱসকলে সন্দেহ কৰিলে যে কাৰবাৰ লগত প্ৰেমত পৰি ডান্টেৰ এই দুদশাপন্ন অৱস্থা হৈছে। নানান চেষ্টা কৰিও তেওঁলোকে ডান্টেৰ অন্তৰ্নিহিত ভাবৰ উন্নাদিহ উলিয়াব নোৱাৰিলে। ডান্টেও কেনেবাকৈ তেওঁৰ গোপন প্ৰীতি প্ৰকাশ হয় বুলি আন এজনী ছোৱালীৰ নামে কবিতা লিখি তেওঁৰ লগৰীয়াসকলৰ চকুত ধূলি মাৰিবলৈ চেষ্টা কৰিলে। এই চাতুৰীৰ ফলত তেওঁৰ বন্ধুসকল প্ৰতাৰিত হ'ল সঁচা, কিন্তু আনফালে ইয়াৰ ফল ডান্টেৰ প্ৰতি বিষময় হৈ উঠিল। মানুহৰ মুখে মুখে বাগৰি গৈ ডান্টে এজন চৰিত্ৰহীন ডেকা বুলি এটি জনৰব উঠিল। এইটো বিয়েট্ৰীছৰ কাণতো সম্ভৱ পৰিলগৈ।

আন এদিন বাটত আগৰদৰে ভেটাভেটি হ'লত বিয়েট্ৰীছে ডান্টেক নমস্কাৰ নকৰিলে। ইয়াতেই কবিয়ে মনত তীব্ৰ আঘাত পালে। নিৰল ঠাই এডোখৰলৈ গৈ কবিয়ে মনৰ হেঁপাহ পলুৱাই কান্দি নিজৰ ঘৰলৈ গৈ মনে মনে শুই থাকিল। সপোনত দেখিলে বগা কাপোৰ পিন্ধা ডেকা এজনে তেওঁৰ কাষত বহি হুমুনিয়া কাঢ়ি তেওঁক ক'লে, "বোপাটি, তুমি এতিয়া ছলনা এৰি পেলোৱাঁ; তুমি এনেভাৱে এটি কবিতা লিখি প্ৰচাৰ কৰাঁ, তাৰপৰা যেন তোমাৰ প্ৰকৃত কাহিনী প্ৰকাশ পায়; আৰু কবিতাটো এনেবোৰ ঠাইলৈ পঠিয়াবাঁ যেন তাৰ মৰ্ম তোমাৰ প্ৰেয়সীৰ কাণত পৰে।" এনেতে সপোনৰ মূৰ্তিৰ অন্তৰ্দ্ধান হ'ল আৰু লগে লগে তেওঁৰ সপোনো ভাগিল।

ইয়াৰ কিছুমান দিনৰ পিছত বিয়েট্ৰীছৰ পিতাক ঢুকাল। বিয়েট্ৰীছৰ পিতৃশোকত ডান্টে নিজেই ইমান চিন্তাকুল হ'ল যে তেৰোঁ নৰিয়াত পৰিল। নৰিয়াত মূৰৰ ভ্ৰমত তেওঁ নানান খেলিমেলি সপোন দেখিলে। তাৰ ভিতৰত শোকাতুৰা কেতবোৰ তিৰুতাই তেওঁক কোৱা শুনিলে যেন তেওঁৰ প্ৰাণপ্ৰেয়সী বিয়েট্ৰীছ আৰু ইহজগতত নাই! সপোনতেই তেওঁ ইমান কান্দিলে যে সঁচাকৈ তেওঁৰ বিছনা তিতি গ'ল।

সপোন ভাগিলতহে তেওঁ বুজিব পাৰিলে সেইটো মিছা। কিন্তু সপোনৰ বৃত্তান্তটি কবিতাত লিপিবদ্ধ কৰি থলে। এইদৰে অন্তৰ ৰাজ্যৰ ৰাণী পাতি নানান কবিতাত আৰু ছন্দেৰে বিয়েট্ৰীছৰ গুণ-গৰিমা ব্যাখ্যা কৰি থাকোঁতে থাকোঁতে প্ৰথমে বাটত দেখাৰ পৰা ন বছৰৰ মূৰত ডান্টেৰ কাণত আহি বজ্ৰৰ দৰে ঘোষিত হ'ল—বিয়েট্ৰীছৰ মৃত্যু হৈছে।

এই নিদাৰুণ বাতৰিত শোকাভিভূত হলেও ডান্টেৰ বাহিৰা ব্যৱহাৰত কোনো উত্ৰাৱল ভাব প্ৰকাশ নহ'ল। তেওঁৰ শোক কেৱল ছন্দ আৰু গাথাতহে প্ৰকাশ পালে।

এদিন অকলে বহি তেওঁ দেৱ-দূতীৰ মূৰ্তি এখনি পটত আঁকি আছিল। তেওঁ ইমান ভাবমগ্ন

হৈ আছিল যে তেওঁক দেখা কৰিবলৈ অহা মানুহ কেইজনমানে তেওঁৰ পাছফালে থিয় হৈ তেওঁৰ কাৰ্যকলাপ চাই থকা কথাৰ তেওঁ গমকেই নেপালে। ভালেমান বেলিৰ মূৰত তত পাই তেওঁলোকক আদৰকৈ বহুৱাই ক'লে, "আন এজনা মোৰ লগত আছিল।"

অন্তৰত শোকৰ মাত্ৰা বেছি হলে কোনোবাই কেনেবাকৈ তেওঁৰ ব্যৱহাৰ লক্ষ্য কৰে বুলি ভালেমান দিনলৈ ডাণ্টেই আনৰ চকুৰ আঁৰে আঁৰে ফুৰিবলৈ ধৰিলে। এদিন শোকাতুৰ হৈ ফুৰোঁতে কোনোবাই দেখে বুলি চাৰিওফালে চকু ফুৰাই চালত দেখিলে যে খিৰিকিয়েদি এজনী গাভৰু ছোৱালীয়ে তেওঁৰ পিনে থৰ লাগি চাই আছে। গাভৰুৰ চকুযুৰি মৰম-বেথাত পূৰ্ণ। কবিয়ে ভাবিলে, তেওঁৰ ব্যথাতেই যেন ছোৱালীজনীও ব্যথিত। তাৰ পিছত আহোঁতে যাওঁতে প্ৰায়েই ডাণ্টেই খিৰিকিৰ মুখত থিয় হৈ থকা ছোৱালীজনীক দেখা পাবলৈ ধৰিলে। শেহত গৈ গাভৰুজনীক দেখিলেই তেওঁৰ মনত আনন্দ হয়; তেৰোঁ ভাবিলে, "এই গাভৰুজনীও বিয়েট্ৰীছৰ নিচিনাই শান্ত আৰু ৰূপহী; জানোচা মোৰ অশান্ত মনত শান্তি দিবলৈকেই প্ৰেমৰ দেৱতাই এওঁক মোৰ চকুত পেলাইছে।"

এনেতে এদিন তেওঁ দিঠকতেই দেখা পালে, বহুত বছৰৰ আগৰ দৰে যেন বিয়েট্ৰীছে ৰঙা শাৰী পিন্ধি দুজনী গাভৰুৰ মাজত বাটেদি খোজ কাঢ়ি যাবলৈ ধৰিছে। বয়সো তেতিয়াৰ দৰেই কুমলীয়া। কবিৰ সোঁৱৰণীয়ে আকৌ অতীতৰ ভাব আৰু ঘটনা-পৰম্পৰাৰ সূতা বগাই ফুৰিবলৈ ধৰিলে আৰু অইন এজনী ছোৱালীৰ প্ৰতি প্ৰেমৰ চকু দিয়া বুলি মনত তীব্ৰ অনুতাপে ঠাই ললে। বিয়েট্ৰীছৰ শোক আকৌ উথলি উঠিল; ফ্লোৰেন্স্ নগৰখন তেওঁ নিৰানন্দময় যেন দেখিবলৈ ধৰিলে।

'নৱজীৱন' বোলা গদ্য-পদ্যময় কাব্যখনৰ শেহ কবিতাত ডাণ্টেই এনেদৰে লিখিছে—

> It sees a lady round whom splendours move
> In homage ; till by the great light thereof
> Abashed ; the pilgrim spirit stands at gaze,
> It sees her such, that when it tells me this
> Which it hath seen, I understand it not,
> It hath a speech so subtle and so fine.

"কবিত্বময় অন্তৰ্দৃষ্টিৰে কবিয়ে দেখিলে যেন বিয়েট্ৰীছ স্বৰ্গৰাজ্যত আছে আৰু স্বৰ্গৰ সকলো সৌন্দৰ্যই তেওঁক উপাসনা কৰিব লাগিছে। সেইবোৰৰ এনে প্ৰখৰ জ্যোতি যে তেওঁৰ অন্তৰ্দৃষ্টিয়ে কেৱল মুগ্ধ হৈ চাইহে আছে। এই সৌন্দৰ্যলীলাৰ অৰ্থ তেওঁৰ অন্তৰ্দৃষ্টিয়ে তেওঁক উপলব্ধি কৰাব নোৱাৰে। ইয়াৰ ভাষা অতি সূক্ষ্ম।"

এই কবিতাটো লেখাৰ পিছত ডাণ্টেই এটি বিৰাট বিশ্বসপোন দেখিলে। সপোনৰ বিৱৰণ তেওঁ দিয়া নাই, মাথোন কৈছে যে, "সপোনত এনেবোৰ কথা দেখিছোঁ যাৰপৰা এইটো থিৰাং জ্ঞান হৈছে যে সম্পূৰ্ণ উপযোগী নহওঁ মানে আকৌ এই মহিমাময়ীৰ কথা নিলিখোঁ।"

"I saw things which determined me that I would say nothing further of this blessed one, until such time as I could discourse more worthily concerning her."

তেতিয়াৰপৰা তেওঁৰ সকলো ধ্যান, চিন্তা এই উদ্দেশ্যেই নিহিত হৈছিল। তেওঁ লিখিছে, "If my life continue with me a few years, it is my hope that I shall yet write concerning her what hath not before been written of any woman." "আৰু কেইবছৰমান যদি মোৰ জীৱন বৰ্তি থাকে তেনেহ'লে মই আশা কৰিব পাৰোঁ যে তেওঁৰ বিষয় এনে কেতবোৰ কথা লিখিম যিবোৰ ইয়াৰ আগেয়ে কোনো তিৰুতাৰ বিষয়ে লিখা হোৱা নাই।"

এই প্ৰতিজ্ঞাৰ ফলস্বৰূপে স্বদেশৰপৰা নিৰ্বাসিত হোৱা অৱস্থাত শেহ বয়সত ডান্টেই 'সপোন' বা 'ঐশ্বৰিক কাব্য' (Vision বা Divine Comedy) বোলা এখন কাব্য লিখে।

ওপৰত যি চমু বিৱৰণ দিয়া গ'ল ইহজগতত সেইখিনিয়েই ডান্টে-বিয়েট্ৰীছ সম্বলিত ঘটনা। তেওঁলোকৰ দেখা-দেখিও বাটত আৰু কেতিয়াবা ভোজ আৰু কেতিয়াবা উৎসৱত। সাধাৰণ প্ৰেমিক-প্ৰেমিকাৰ দৰে তেওঁলোকৰ গোপনে দেখা-শুনা হোৱা নাছিল। কেতিয়াও কোনো কথা-বতৰাও তেওঁলোকৰ হোৱা নাছিল। তাত বাজেও ডান্টেৰ এই নিৰ্বিকাৰ প্ৰেমলীলা চলি থাকোঁতেই বিয়েট্ৰীছৰ আন এজনৰ লগত বিয়া হৈ গৈছিল। 'নৱজীৱন'ত ডান্টেই তাৰ উল্লেখ কৰা নাই। তেওঁৰ মনত বিয়েট্ৰীছ চিৰ-কুমাৰী, চিৰ-সৌন্দৰ্যময়ী।

যদি কেতিয়াবা অন্তৰৰ নিভৃত কোণতো ডান্টেই বিয়েট্ৰীছৰ লগত মিলনৰ আশা সাঁচি ৰাখিছিল, বিয়েট্ৰীছৰ বিয়াৰ পিছত সেই আশা নিশ্চয় চিৰকাললৈ নোহোৱা হৈছিল। কিন্তু তেওঁৰ আদৰ্শ প্ৰতিমাৰ প্ৰতি আকৰ্ষণ আগৰ দৰেই থাকিল। আকৌ বিয়েট্ৰীছ মৰাৰ এবছৰৰ পিছতেই জেমা ডোনাটী (Gemma Donati) নামৰ ছোৱালী এগৰাকীৰ লগত ডান্টেৰ বিয়া হৈ গৈছিল। 'নৱজীৱন'ত ইয়াৰো উল্লেখ নাই। এতেকে দেখা যায় বিয়েট্ৰীছৰ প্ৰতি ডান্টেৰ প্ৰেমলীলাত মিলনৰ কোনো ক্ষীণ অভিলাষো নাছিল; থাকিলে বিয়েট্ৰীছৰ বিয়াৰ পিছত কবিৰ উন্মাদনা টুটি গ'লহেঁতেন। ইয়াক সম্ভোগ-লালসাৰ মানসিক বিকৃতিও বুলিব নোৱাৰি। তেনেহ'লেও বিয়েট্ৰীছৰ মৰণ আৰু ডান্টেৰ বিয়াৰ পিছত ডান্টেৰ জীৱনত বিয়েট্ৰীছ-অধ্যায়ৰ সামৰণি পৰিলহেঁতেন।

এইটোও ক'ব নোৱাৰি যে ডান্টেৰ প্ৰেমলীলা লাস-বিলাসত ডাঙৰ হোৱা এলেহুৱা ডেকা প্ৰেমিকৰ মানসিক বিকৃতি। কিয়নো প্ৰেমচৰ্চাৰ লগে লগে ডান্টেই সেই সময়ৰ উৎকট পাঠচৰ্চাতো মনোযোগ দিছিল। সেই সময়ৰ ইটালীয় ৰাজনৈতিক আন্দোলনতো তেওঁৰ সম্পূৰ্ণ যোগ আছিল। বিয়েট্ৰীছ মৰাৰ এবছৰৰ আগতেই ফ্লোৰেন্স্ আৰু পিছা নগৰৰ মাজত যুঁজ লাগিছিল। সেই যুদ্ধলৈ সকলোৰে আগতেই ডান্টে অশ্বাৰোহী সৈনিকৰূপে নিজ ইচ্ছাৰে আগৰণুৱা হৈ ওলাইছিল আৰু

সৈনিকৰূপে যুদ্ধও কৰিছিল। কঠোৰ পাঠ্যত আত্ম-নিয়োগ, স্বদেশৰ হকে যুদ্ধক্ষেত্ৰত অস্ত্ৰধাৰণ আদি সকলো পৌৰুষ কামতেই তেওঁ ডেকাকালৰপৰাই লিপ্ত আছিল। এতেকে দেখা যায় ডাণ্টেৰ প্ৰেমলীলা ভবিষ্যৎ সম্মিলনৰ আশাত আশান্বিত আছিল। ই প্ৰতিহত সম্ভোগ-বাসনাৰ মানসিক বিকাশ নহয়, নাইবা ভোগ-বিলাসত লালিত এলেহুৱা ডেকা প্ৰেমিকৰ মানসিক বিকৃতিও নহয়। ফ্লোৰেন্স্ নগৰৰ ৰাজনৈতিক আন্দোলন এটাৰ নেতাস্বৰূপে সেই সময়ত ডাণ্টে স্বদেশৰপৰা চিৰকাললৈ নিৰ্বাসিত হৈছিল। সেই নিৰ্বাসনৰ কঠোৰ নিৰ্যাতন অৱমাননাৰ ভিতৰতো তেওঁৰ অন্তৰ্জীৱনৰ ধ্ৰুৱতাৰা আছিল আদৰ্শ প্ৰতিমা বিয়েট্ৰীচৰ স্মৃতি। তেওঁৰ মহাকাব্যও এই নিৰ্বাসনৰ ভিতৰতেই লিখা হয়।

মৰুভূমিৰ তপত বালিৰ তলত বৈ থকা পানীৰ দৰে, উত্তপ্ত পাষাণ ৰাশিৰ অন্তঃস্ৰোত নিজৰাৰ দৰে মধ্যযুগৰ বিদগ্ধ পণ্ডিত আৰু ৰাজনীতিত আগৰণুৱা ডাণ্টেৰ কঠোৰ দৈনন্দিন জীৱনৰ ভিতৰেদি বিয়েট্ৰীচ-প্ৰেম তেওঁৰ ন বছৰ বয়সৰপৰা আৰম্ভ কৰি ১৩২১ খ্ৰীষ্টীয় শকত তেওঁৰ মৰণলৈকে ৪৭ বছৰ কাল পাতালী গঙ্গাৰ দৰে সঞ্জীৱনী শক্তিৰূপে বৈ আছিল। এই প্ৰেমৰ বাহ্যিক স্বৰূপ 'নৱজীৱন' বোলা পুথিখনিৰ চমু বিৱৰণেই। সাধাৰণ পঢ়োঁতাৰ মনত 'নৱজীৱন'ত উল্লেখ কৰা ঘটনাবোৰ প্ৰেমৰ কাহিনী হিচাপে কোনো ঘটনাই নহয়। কিন্তু কবিৰ মনত কি মাৰ নোযোৱা ভাবৰ ঢৌ উঠিছিল বা কি অপৰূপ সৌন্দৰ্যৰ বিকাশ হৈছিল তাক সমান-ধৰ্মীত বাজে আনে বুজিব নোৱাৰে। ডাণ্টেৰ মহাকাব্যত বিয়েট্ৰীচক নায়িকাস্বৰূপে সুমোৱা হৈছে। কিন্তু সেই কথা আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। বিয়েট্ৰীচক কি ভাৱে মহাকাব্যত চিত্ৰিত কৰা হৈছে, সেইটো ডেকা কবিৰ অহৈতুকী প্ৰেমৰ শেষ বিকাশ মাথোন। মহাকাব্যৰ শেহত ডাণ্টেই লিখিছে— "My desire and will were rolled even as a wheel which moveth equally by the Love that moves the sun and the other stars."—"যি প্ৰেমৰ তাড়নাত সূৰ্য আৰু নক্ষত্ৰাৱলীয়ে ঘূৰিব লাগিছে, সেই প্ৰেমেই গাড়ীৰ চকৰিৰ দৰে মোৰ ইচ্ছা আৰু বাসনাক নিয়ন্ত্ৰিত কৰিছে।"

কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন পদাৰ্থ। প্ৰবন্ধৰ আৰম্ভণতেই উল্লেখ কৰা সহজীয়া কবিৰ ৰামী ৰজকিনীৰ প্ৰতি যি নাম-গন্ধ নোহোৱা প্ৰেমৰ উচ্ছ্বাস, যাৰ প্ৰেৰণাত প্ৰেমিকাই 'উপাসনা-ৰস', 'বেদমাতা গায়ত্ৰী'ৰ ঠাই অধিকাৰ কৰিছে, সিও ইটালীৰ মহাকবিৰ অহৈতুকী প্ৰীতিৰ শ্ৰেণীৰেই কিবা বস্তু। কেৱল চণ্ডীদাসৰ ৰজকিনী-ভক্তি আৰু কবিত্ব ৰস এনে সংশ্লিষ্টভাৱে অভিষিক্ত যে ৰজকিনীত কিমানখিনি সাধকৰ ৰস তাক বেলেগে বিশ্লেষণ কৰিব নোৱাৰি।

বহি (বাওঁফালৰপৰা) :   হেমচন্দ্ৰ গোস্বামী (দ্বিতীয়জন), ৰবীন্দ্ৰনাথ ঠাকুৰ, জ্ঞানদাভিৰাম বৰুৱা (শেষৰজন) আৰু
থিয় হৈ (বাওঁফালৰপৰা) :   ড° বাণীকান্ত কাকতি (দ্বিতীয়জন), ড° সূৰ্য্যকুমাৰ ভূঞা, অম্বিকাগিৰী ৰায়চৌধুৰী
প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল

পণ্ডিতৰ ভূমাস্পৃহা

কাব্য বা কথা-সাহিত্য আলোচনা কৰিবলৈ হ'লে প্ৰথমতেই পঢ়ুৱৈ সমাজে গ্ৰন্থকাৰ কি পৰিমাণে আলোচ্য বা কথাবস্তুৰদ্বাৰা অনুপ্ৰাণিত হৈছে, সেইটোৰ বিচাৰত মন দিয়ে। লেখকে যিমানখিনি বিষয়বস্তুৰ লগত একীভূত হ'ব পাৰিছে, যিমানখিনিৰ অন্তস্থল ভেদ কৰি তাৰ সূক্ষ্মমৰ্ম গ্ৰহণ কৰি বিষয়বস্তুৰ ফালৰপৰা সকলো কথা ৰসাভিষিক্ত কৰি তুলিব পাৰে সেই পৰিমাণে তেওঁ জনসমাজৰ হৃদয় মুচিব নোৱৰাকৈ স্পৰ্শ কৰিব পাৰে; সেই পৰিমাণে তেওঁৰ উক্তিয়ে যুগমীয়া প্ৰবচন হিচাপে লোকসমাজত প্ৰচাৰ লাভ কৰে। কিন্তু সেই ঐক্যানুভূতিৰ লৰচৰ নোহোৱা কিবা স্বৰূপ আছেনে? আমি সচৰাচৰ দেখোঁ একেটি বিষয়কেই নানান কবিয়ে নানানভাৱে আমাৰ প্ৰাণত আঘাত কৰাব পৰাকৈ সজাই তোলে। চৰাই কবিতাত দেখোঁ কোনো কবিয়ে তাক বিশ্বচৈতন্যৰ অমৰা-বাসীৰ আগদূত বুলি কল্পনা কৰে, কোনোৱে বা বিশ্বজগতত যি অহৈতুকী আনন্দ-ৰস বাগৰি ফুৰিব লাগিছে তাকেই চৰাই বিশেষৰ মাতত ফুটি ওলোৱা বুলি কল্পনা কৰে। কোনোৱে আকৌ চৰাইৰ মাততেই জগতৰ সৌন্দৰ্য ভঁড়ালৰ দুৱাৰ মেল খায় বুলি কয়। তেনেহ'লে বিষয়বস্তুৰ ঐক্য-সহানুভূতিত কোনো ধৰাবন্ধা পদ্ধতি বা প্ৰণালী থাকিব নোৱাৰে। কবি আৰু কাব্যবিষয়ে কোনে কাক আগেয়ে স্পৰ্শ বা আঘাত কৰে? কবিয়ে কঠোৰ চিন্তা বা চেষ্টাৰ দ্বাৰা কোনো বিষয়ৰ লগত ঐক্যানুভূতি সাধন কৰিব নোৱাৰে—স্পৰ্শ বা আঘাত কৰে আগেয়ে কাব্য বস্তুৱেই। চিন্তা আৰু মননৰদ্বাৰাই কবিয়ে মাথোন সেই আঘাত বৰণ কৰি লবৰ শক্তি সংগ্ৰহ কৰে। সেই আঘাতত কবিৰ মনত বিস্ময়, আনন্দ, সৌন্দৰ্য আদি যি ভাবৰ প্ৰতিধ্বনি হয়, কাব্য বা কথা-সাহিত্যত তাকেই আমি শুনিবলৈ পাওঁ। ইয়াকেই আমি সাহিত্যত প্ৰকৃতিৰ পৰশ বা একাত্মবোধ বুলিব পাৰোঁ। মহাকবি চেক্সপীয়াৰে এঠাইত কৈছে - "One touch of nature makes the whole world kin."—"প্ৰকৃতিৰ এবাৰৰ পৰশেই গোটেইখন জগতকেই আত্মীয় কৰি তোলে।"

কিন্তু বিষয়বস্তুৰ লগত একাত্মবোধৰ লগে লগে ভাবুকৰ মনত সময়ে সময়ে বিশ্বাত্মবোধে আহি ভুমুকি মাৰে। জগতখনেই চৈতন্যময়, সৌন্দৰ্যময়। সেই চৈতন্যৰ অনন্ত প্ৰৱাহ, সেই সৌন্দৰ্যৰ অফুৰন্ত বিকাশৰ সপোনে মন-প্ৰাণ এনেভাৱে অভিভূত কৰে যে জাগতিক জীৱনৰ লগত তাৰ সামঞ্জস্য স্থাপন কৰিবৰ শক্তি নেথাকিলে বাস্তৱিক সংসাৰত ভাবুকৰ জীৱন খৰ্ব হৈ পৰে। এজন কৃতবিদ্য পুৰুষৰ বিশ্বাত্মবোধৰ করুণ কাহিনীয়ে এই বিষয়টো ভালদৰে ফুটাই তুলিব।

ছুইট্‌জাৰ্লেণ্ডৰ জেনেভা নগৰত ১৮২১ খ্ৰীষ্টীয় শকত ফ্ৰেডাৰিক আমীয়েলৰ জন্ম হয়। বাৰ বছৰ বয়সত তেওঁৰ মাক-বাপেক ঢুকায়। পাৰিবাৰিক জীৱন এইদৰে ভাগি গলত আমীয়েল এজন আত্মীয়ৰ তত্ত্বাৱধানলৈ আহিল আৰু তেওঁৰ ভনীয়েক দুজনী আন এজনৰ তত্ত্বাৱধানৰ তললৈ গ'ল।

কুমলীয়া বয়সতেই মনপ্ৰাণৰ স্বাভাৱিক বিকাশত সহায় কৰা স্নেহৰপৰা বঞ্চিত হৈ আমীয়েলে কিছুদিন নিৰানন্দময় জীৱন যাপন কৰিলে। তাৰ উপৰিও তেওঁৰ স্বাস্থ্য সৰুৰেপৰাই বৰ ভাল নাছিল। ভঙ্গুৰ স্বাস্থ্যৰ মানুহৰ স্বাভাৱিকতেই স্নায়বিক চাঞ্চল্য বেছি। . বয়সৰ লগে লগে তেওঁ আবেগময় আৰু বিষাদপ্ৰৱণ হৈ উঠিল।

যদিও পৰীক্ষাত ভালকৈ উঠি বঁটা আৰু বিশিষ্ট সন্মান লাভ কৰাৰ বিশেষ উল্লেখ নাই তথাপি সৰুৰেপৰাই গভীৰভাৱে বহুল পাঠত আমীয়েলে মন দিছিল। নিজৰ সমনীয়াবোৰতকৈও বয়স আৰু জ্ঞানত তেওঁতকৈ শ্ৰেষ্ঠবোৰৰ লগতহে মিলি ভাল পাইছিল। জেনেভা নগৰত পঢ়ি অঁতাই ১৮৭২ খ্ৰীষ্টীয় শকৰপৰা ১৮৪৮ শকলৈ আমীয়েলে ছবছৰ কাল ইউৰোপৰ সকলো ডাঙৰ ডাঙৰ বিশ্ববিদ্যালয়-বোৰত পঢ়ি সেই সময়ত প্ৰচলিত দৰ্শন বিজ্ঞান আদি শাস্ত্ৰত পাৰদৰ্শিতা লাভ কৰে। তেওঁ নিজেই এঠাইত কৈছে—"মোৰ জ্ঞানৰ নভোমণ্ডল বৰ বহল। দেশ, পাত্ৰ, মানৱ-চৰিত্ৰ, মানৱ-সমাজ, শাস্ত্ৰ-গ্ৰন্থ ইত্যাদি বিষয়ত মোৰ অভিজ্ঞতা অতুল।"

এইদৰে অতুল জ্ঞান সঞ্চয় কৰি আঠাইশ বছৰ বয়সত আমীয়েল জেনেভালৈ উভতি আহে। তেওঁৰ চকু জ্ঞানত উদ্ভাসিত, ব্যৱহাৰ সবল আৰু জ্ঞানৰ বোজাই স্বভাৱত কোনো জঠৰতা আৰু অভিমান আনিব পৰা নাই। তেওঁৰ বন্ধুসকলে ভাবিলে আমীয়েলে য়ুৰোপীয় পণ্ডিত-সমাজৰ ৰীতি অনুসাৰে জ্ঞান-বিজ্ঞান আলোচনা ক্ষেত্ৰত দিগ্বিজয়ী বীৰৰ দৰে খোজ কাঢ়িব। গৱেষণাৰ ভৱিষ্যত তেওঁৰ হাতৰ মুঠিতেই। বন্ধুসকলৰ এই আশা প্ৰথমতে ফলিয়ালেই যেন লাগিল। বাছনি পৰীক্ষা এটিত সন্মানেৰে উঠিলত ১৮৪৯ খ্ৰীষ্টীয় শকত জেনেভা বিশ্ববিদ্যালয়ত তেওঁ ৰসবিদ্যা (Aesthetics) আৰু ফৰাছী সাহিত্যৰ অধ্যাপক নিযুক্ত হ'ল, আৰু অলপ পিছতেই নৈতিক বিজ্ঞানৰ (Moral Philosophy) অধ্যাপকৰ বাব পালে।

এইদৰে জীৱিকা-সমস্যাৰ সমাধান হ'ল। তেওঁৰ বন্ধুসকলে ভাবিলে, আমীয়েলৰ জ্ঞানচৰ্চাৰ ভেটি এতিয়া সুদৃঢ় হ'ল। কিন্তু আমীয়েলৰ হ'ল কি? বন্ধুসকলে দেখিলে আমীয়েল লাহে লাহে মৰহি যাবলৈ ধৰিছে। তেওঁ কোনো গৱেষণা বা আলোচনাৰ কামতেই যোগ নিদিয়ে। অতুলনীয় জ্ঞান অথচ ল'ৰাক পঢ়োৱাতো তেওঁৰ কোনো কথা ৰসাল হৈ ফুটি নুঠে। বন্ধুসকলে উদগাব ধৰিলে . কিন্তু আমীয়েলে নীৰস লালিত্যবিহীন কবিতা কেতবোৰ লিখি তেওঁলোকৰ উদগনিৰ উত্তৰ দিলে। তেওঁলোক নিৰাশ হ'ল আৰু তেওঁলোকৰ মানত আমীয়েলৰ জীৱন এটি বিৰাট ব্যৰ্থতা যেন লাগিল।

১৮৮১ খ্ৰীষ্টীয় শকত আমীয়েলৰ মৃত্যু হয়। ১৮৮১ শকত অবিবাহিত আমীয়েলৰ সাহিত্যিক উত্তৰাধিকাৰীসকলে 'Journal Intime'—'আমীয়েলৰ অন্তৰ্প্ৰাণৰ ডায়েৰী' বুলি সুবৃহৎ গ্ৰন্থ এখন প্ৰকাশ কৰিলে। আমীয়েলৰ অন্তৰঙ্গ বন্ধু এড্‌মাণ্ড ছেৰাৰে এখনি দীঘলীয়া পাতনি লিখি অতিশয় ক্ষোভ কৰি কৈছিল, "মোৰ দুৰদৃষ্ট যে জীয়াই থাকোঁতেই বন্ধুক মই বুজিব নোৱাৰিলোঁ। 'অন্তৰ্প্ৰাণৰ ডায়েৰী'ত যি কৰুণ কাহিনী বিবৃত হৈছে সেইটো আগেয়ে জনাহেঁতেন কিজানি কৰুণা-সম্পৃক্ত শলাগৰ

কথাৰে তেওঁৰ বেদনা লাঘৱ কৰিব পাৰিলোঁহেঁতেন।” তেওঁ আকৌ কয়, “যিজনে জীৱিতাৱস্থাত নিজৰ শক্তিৰ অনুৰূপ কোনো গ্ৰন্থ এখন আমাক দিব নোৱাৰিলে, মৰণত আমাক এনে এখন অপূৰ্ব ৰচনা তেওঁ দি গ'ল যিখন চিৰকাল অমৰ হৈ থাকিব।”

‘ডায়েৰী’ খনত আছে কি? ই আমীয়েলৰ অন্তৰাত্মাৰ অনুভূতিৰ বুৰঞ্জী। অধ্যাপকৰ কাম কৰা সময়ৰপৰা মৰণৰ দিনলৈকে তেওঁৰ ধ্যান-ধাৰণা, তন্ময়তা, ভাবাবেশ, সমাজ, নীতি, দৰ্শন, সাহিত্যৰ সমালোচনা আদি নানান কথাৰ সমাবেশ। লৌকিক জগতৰ ফালৰ পৰা তেওঁৰ জীৱন কি কাৰণত ব্যৰ্থ হৈছিল তাৰ সবিশেষ বিৱৰণ ঈয়াত অকপটভাৱে মোকোলাই কোৱা আছে। ইয়াক তেওঁ জনসমাজত প্ৰকাশ কৰিবৰ বাবে লিখা নাছিল। এনে কি তেওঁৰ অন্তৰঙ্গ বন্ধু ছেৰাৰেও তেওঁৰ মৰণৰ আগলৈকে ইয়াৰ অস্তিত্বৰ কথা জনা নাছিল। Journal Intime—‘অন্তৰ্প্ৰাণৰ ডায়েৰী’—আমীয়েলৰ অন্তৰাত্মাৰ লগত নিভৃত কথোপকথন।

ডায়েৰীত সাহিত্য, বিজ্ঞান, সমাজ, নীতি আদি বিষয়ক যিবোৰ সমালোচনাত্মক টোকা আৰু মন্তব্য আছে, সেইবোৰ যথাৰ্থ আৰু বহুমূলীয়া বুলি ইউৰোপীয় সাহিতিসককলে গ্ৰহণ কৰিছে আৰু সেই অনুসাৰে তেওঁক যথেষ্ট প্ৰশংসাও কৰিছে। কিন্তু যি কাৰণত তেওঁ প্ৰকাশ্য জীৱনত তেওঁৰ প্ৰতিভাৰ অনুৰূপ কোনো গৌৰৱময় ডাঙৰ আলোচনাত হাত নিদিলে সেই কাৰণৰ প্ৰকৃত মূল্য নিৰ্দ্ধাৰণ কৰাত নানা পণ্ডিতৰ নানা মত।

আমীয়েল সৰুতেই প্ৰাণস্পৰ্শী স্নেহৰপৰা বঞ্চিত হৈছিল। তেওঁৰ স্বাস্থ্যও ক্ষণভঙ্গুৰ আছিল। সৰুৰেপৰাই তেওঁ বিষণ্ণ আৰু আবেশপ্ৰৱণ আছিল। বিশাল পাঠ আৰু ভ্ৰমণৰ দ্বাৰা মনৰ সকলো সঙ্কীৰ্ণতা আঁতৰাই তাক উদাৰ ভাব আৰু অনুভূতি গ্ৰহণ কৰিব পৰা কৰি তুলিছিল। জেনেভা নগৰৰ পাৰিপাৰ্শ্বিক সমাজতো তেওঁৰ মানসিক সহানুভূতি আকৰ্ষণ কৰিব পৰা চৰ্চাৰ অভাৱ দেখি মকৰাই নিজৰ জালত নিজে বাহ লৈ থকাৰ দৰে আমীয়েলেও নিজৰ ভাবৰ কুহেলিকা ৰচনা কৰি তাতেই বুৰ গৈ থাকিল। বাহ্য জগতৰ সংসৰ্গৰ পৰা যিমানেই তেওঁৰ মন আঁতৰি আছিল, তেওঁৰ অন্তৰাত্মায়ো বিশ্বৰ সৌন্দৰ্য আৰু অন্তঃচৈতন্যৰ অনুভূতিৰ বিষয়ত তিমানেই বিস্তৃতি লাভ কৰিলে। প্ৰকাশ্য জীৱনত ব্যৰ্থতাৰ কাৰণ তেওঁ নিৰ্দেশ কৰিছে তেওঁৰ ‘Longing for totality’—‘ভূমা স্পৃহা’। তেওঁৰ মন সৰ্বদায় অসীমৰ অনুভূতিৰ ফালে ধাবিত হোৱাত বাস্তৱিক জীৱনৰ সীমাবদ্ধতা তেওঁৰ পক্ষে অসহ্য হৈ উঠিছিল।—“আৱেশময় জীৱনতহে মই স্বাধীনতা আৰু গৌৰৱ অনুভৱ কৰোঁ। বাস্তিৱিক জীৱনে মনত ভয় ওপজায়। আদৰ্শৰ প্ৰতি তন্ময় দৃষ্টিয়ে সকলো অপূৰ্ণ বস্তুৰ প্ৰতি মোৰ বিতৃষ্ণা জগাই তোলে।” আমীয়েল চিৰকুমাৰ আছিল। ভূমা স্পৃহাৰ উদ্বেল চাঞ্চল্যত জৰ্জৰিত হৈ কেতিয়াবা দাম্পত্য জীৱনৰ প্ৰতিও তেওঁ সতৃষ্ণ দৃষ্টিপাত কৰিছিল। “জিৰণি ল'বলৈ তিৰুতাৰ হিয়া এডুখৰি কেতিয়াও নেপামনে? সন্তানতেই নতুনকৈ উপজি আকৌ গুৰিৰ পৰা জীৱন আৰম্ভ কৰিবলৈ সুচল নেপাম নে? মোৰ যি জীৱন ব্যৰ্থ আৰু খৰ্ব হৈ পৰিছে তাৰ স্বাভাৱিক বিকাশ আৰু স্ফুৰণৰ বাবে

অকণমান সংসাৰ এখনি পাতি ল'ব পাৰিমনে? মোৰ সপোন, মোৰ বিশ্ব-সপোন ভাগিবৰ ভয়ত মই কোঁচ খাওঁ, মই হুঁহকি আহোঁ। সপোনৰ খেলাতেই মই যথাসৰ্বস্ব পণ কৰিছো। মই যেন সপোনতেই বুৰ গৈ থাকোঁ।"

অসীমৰ প্ৰতি উদ্দাম আবেগৰ ফলত তেওঁৰ মানসিক শক্তি এনেভাৱে উৰলি পৰিছিল যে গৱেষণা গ্ৰন্থ ৰচনা আদি সীমাবদ্ধ কামত যি ধৈৰ্য আৰু চিন্তাৰ একাগ্ৰতা লাগে, তাৰ বাবে তেওঁ অক্ষম হৈ পৰিছিল। তেৱোঁ এইটো বুজিছিল—"ৰচনা কামত একাগ্ৰতা, মীমাংসা কৰিব পৰা শক্তি আৰু মনৰ স্বচ্ছন্দ-গতি লাগে। মই ভাব আৰু ভাব্য বিষয়ক চিন্তাৰ তাৰেৰে জোৰা খুৱাব নোৱাৰোঁ। কোনো এটি বিষয়ক আকৃতি দিব লাগিলে তাক চিন্তাৰ আঁকুহিৰে টানি আনি আমাৰ মানসিক বৃত্তিৰ অঙ্গীভূত কৰি ল'ব লাগে। এইটো মোৰ পক্ষে অসম্ভৱ। মোৰ গোটেই প্ৰকৃতি এনেকৈ অসীম, অনিৰ্দিষ্টতাৰ ফালে বিয়পি পৰে, সকলো বাহ্য বস্তুৰ মৃদু বা কঠোৰ আঘাততেই ই টলি যায়। সত্যৰ প্ৰতি মোৰ এনে গভীৰ প্ৰীতি, কিজানি কেতিয়াবা ভুল হয় এই ভাবতেই কোনো বিষয়ে মই মতামত বা সিদ্ধান্ত দিব নোৱাৰোঁ।

পাৰিপাৰ্শ্বিক সমাজ আৰু সমসাময়িক জগতৰ চিন্তাপ্ৰৱাহৰ লগত নিজৰ ভাবধাৰাৰ সামঞ্জস্য কৰিব নোৱৰাটোৱেই আমীয়েলৰ কৰুণ অৱস্থাৰ মূল কাৰণ। সৰ্বসাধাৰণ আৰু বন্ধুসকলে তেওঁৰপৰা যি আশা কৰিছিল সেই আশা পূৰণ কৰিবলৈ তেওঁ অপাৰগ। তেওঁ নিজেও বুজিছিল, বন্ধুসমাজৰ মানত তেওঁ খৰ্ব হৈ পৰিছিল। অথচ বিৰাটৰ কল্পনা আৰু উপলব্ধিৰ চেষ্টাৰপৰা তেওঁ মনকো কোঁচাই আনিব নোৱাৰে আৰু আনিবলৈ যত্নও কৰা নাই।

সি পিঠিত আমীয়েলৰ ভাবৰ আবেগৰ কেইটিমান নমুনা দি সাহিত্যত সেইবোৰৰ কি ঠাই তাক আলচ কৰা যাব।

৭ ছেপ্তেম্বৰ, ১৮৫০।

এতিয়া নিশা দহোটা বাজিল। জোনৰ পোহৰে ঘৰৰ চালখনক এটি অনাভুৱা ৰহস্যময়ী দীপ্তিৰে উদ্ভাসিত কৰি মনোমোহা কৰি তুলিছে। ৰিব্ ৰিব্ কৰি বতাহ, আকাশতো কেইডোখৰমান উটি ফুৰা ডাৱৰ বনাই ফুৰিব লাগিছে। এই স্নিগ্ধ গৌৰ প্ৰভাৰাশিয়ে ওপৰৰপৰা প্ৰাণবিৰিঙা, স্তিমিত শান্তিকণা বৰষিব লাগিছে। তৰাবোৰ জিলিকিছে, গছৰ পাতবোৰ ৰূপালি পোহৰত দুলিব লাগিছে। চাৰিওফালে কোনো সাৰসুৰ নাই। গছৰ তলৰ একা-বেঁকা বাটবোৰত অন্ধকাৰৰাশি স্তূপীকৃত হৈ থকা যেন লাগে। সকলো যেন গাম্ভীৰ্য আৰু ৰহস্যেৰে আচ্ছন্ন। অ'নিশা, অ'নীৰৱতা, অ'নিস্তব্ধকাল! বিষাদ আৰু মধুৰতা তোমাৰেই লগৰীয়া। তুমিয়েই মনত বিষাদ কালিমা ঢালি দিয়া, তুমিয়েই শান্তিও দিয়া। পৃথিবীৰপৰা লুপ্ত হৈ যোৱাবোৰৰ সোঁৱৰণী তুমিয়েই জগাই তোলা, আগলৈ নাইকিয়া হোৱা লগৰীয়াবোৰৰ আগবাতৰিও তুমিয়েই সূচনা কৰা। কিন্তু তুমিয়েই ধৈৰ্য ধৰিবলৈ উদগোৱা আৰু তুমিয়েই জিৰণিও দিয়া।

২ ডিছেম্বৰ, ১৮৫১।

"অন্তৰতম প্ৰদেশত ৰহস্যময়ৰৈ একণমানি ঠাই এৰিবাঁ। আপোন কঁহিয়নিৰ নাঙলফালেৰে অন্তৰৰ এটাইখিনি মাটি তল-ওপৰ কৰি নেপেলাবা। বতাহত উৰি অহা গুটি এটিও খোহা খাই থাকিব পৰাকৈ হিয়াৰ অকণমানি চুক এটি নচহোৱাকৈ এৰিবা আৰু ৰাখিবা, উৰি যোৱা চৰাই এটি জিৰাব পৰাকৈ অলপমানো ছাঁ, সন্ধিয়াৰ অচিন্তিত আলহীলৈ এড়ুখৰি ঠাই, অজানিত দেৱতালৈ আবেগৰ থাপনা। যদি অন্তৰাত্মাৰ ঠেঙ্গুলিৰ মাজত কোনোবা চৰায়ে কূজন কৰে তাক বাহুত ভৰাই পুহিবলৈ খৰধৰ নকৰিবা। যদি অন্তৰত কিবা অভিনৱ পদাৰ্থৰ সঞ্চাৰ বা অন্তপ্ৰদেশত কিবা ভাব বা ভাবনাৰ উন্মেষ অনুভৱ কৰা, তাৰ ওপৰত ততালিকে পোহৰ পেলাবলৈ লৰাঢপৰা নকৰিবা; তাৰ পিনে নেচাবা, গজালি মেলা ভাবৰ কণিকা, পাহৰণিৰ ছাঁ, তাৰ চাৰিওপিনে নিবিড়তাৰ জেওৰা দিবা। তাৰ এন্ধাৰ কোনোক্ৰমে নেভাঙিবা! সি আপোনা-আপুনি বাঢ়ক; নিজৰ গতি নিজে লক, তোমাৰ আনন্দৰ বাতৰি কাকো নজনাবা। ই প্ৰকৃতিৰ পুণ্যপ্ৰক্ৰিয়া—ভাবৰ সকলো গজালিকেই বিনয়, মৌন আৰু এন্ধাৰৰ তিনি তৰপীয়া ওৰণিৰে লুকুৱাব লাগে।"

২৮ এপ্ৰিল, ১৮৫২।

"আকৌ চাৰিওফালে বসন্তৰ বতাহ; বসন্তৰ অৱসাদ শৰীৰত পিৰ-পিৰাই বগাই ফুৰিছে যেন লাগে। পুৱা চাৰিওফালৰ দৃশ্য, কবিত্বময় ভাব, চৰাইৰ কূজন, স্নিগ্ধ বেলিৰ পোহৰ, নিৰ্মল সেউজীয়া পথাৰৰ ওপৰত ঢৌ তোলোৱা মৃদু বতাহ—এটাইবোৰে মোৰ হৃদয় মন ওপচাই খলকনি তুলি দিছিল। এতিয়া সকলো নিতাল। অ' নীৰৱতা, তুমি বৰ বিভীষিকাময়। নিস্তব্ধ সাগৰৰ অতল জলৰাশিৰ তলত থকা এন্ধাৰ গহ্বৰৰ ছায়া মানুহৰ চকুত যেনে বিভীষিকাময়, তুমিও তেনে বিভীষিকাময়। তুমিও আমাৰ অন্তৰ্নিহিত গভীৰ গাঁত, অতৃপ্ত বাসনা, শোকৰ জৰণাত ঘূৰাই নি আমাৰ চকুত পেলোৱা, আমাৰ মূৰ-ফুৰণি উঠে। অ' নিস্তব্ধতা, তোমাতকৈ ধুমুহা বহুত গুণে ভাল, সি অন্ততঃ ভীষণ ৰহস্যপুঞ্জত আবৰি থকা জলৰাশিৰ ওপৰত ঢৌ তুলি দিয়ে। ইন্দ্ৰিয়ৰ ক্ষোভ বহুত গুণে শ্ৰেয়—সি অন্তৰত চাঞ্চল্য জগাই দি অতলস্পৰ্শী শূন্যতাক চকুৰ আঁতৰত ৰাখে। ধূলিত ওপজা মহাকালৰ সন্তান—আমাত সকলোতে অসীম অনন্তৰ মূৰ্তিয়ে প্ৰহেলিকাময় ভয়, ইচ্ছাৰোধী বেদনাৰ সঞ্চাৰ কৰে। আমি মৃত্যুৰাজ্যত সোমোৱা যেন পাওঁ। অ' মোৰ নিছলা হিয়া, তোৰ বাসনা হৈছে, জীৱন, প্ৰেম, মায়াৰ প্ৰতি। তোৰ বাসনাই সঁচা, কিয়নো জীৱন শূন্যময়।

"অসীমে সৈতে মুখামুখি হোৱা এইবোৰ ক্ষণত বাস্তৱিক জীৱন কেনে বিৰূপ যেন লাগে। যিবোৰ কাম বা ভাবত লিপ্ত বা উত্তেজিত হৈ থাকোঁ, সেইবোৰ কেনে নীৰস, অসাৰ আৰু ল'ৰাৰ ধেমালি যেন লাগে। নিজকেই পুতলা খেলৰ সামগ্ৰী, বহুৱাৰ ভাৱনাত গম্ভীৰভাৱে অভিনয় কৰা ভাৱৰীয়া যেন পাওঁ। এনেবোৰ ক্ষণত চকুৰ আগত থকা সকলো বস্তুৱেই বৰণ সলায়, সকলোৰে পৰিবৰ্তন ঘটে যেন বোধ হয়। এমাৰ্ছনে সঁচাকৈয়ে কৈছে—'জীৱন এটি ৰূপক মাথোন।' পদাৰ্থতকৈ

ভাব বেছি সত্য। জনশ্ৰুতি, বুঢ়াৰ বচন, সাধুকথা আদি প্ৰাকৃতিক বুৰঞ্জীতকৈ বেছি সঁচা। সেইবোৰ ভাববাহী সঙ্কেত। আত্মাই প্ৰকৃত সত্য। আনবোৰ?—ছায়া, মৰীচিকা, ইন্দ্ৰজাল, ৰূপক, সপোন। কেৱল চৈতন্যইহে অমৰ সত্ত্বাৱান, সম্পূৰ্ণ বাস্তৱ। পৰিদৃশ্যমান জগত কেৱল খাৰ-বাৰুদৰ খেলা, বিৰাট ভোজবাজী। ই আত্মাৰ বিকাশ আৰু আনন্দৰ বাবে সৃষ্ট। চৈতন্যই বিশ্বব্ৰহ্মাণ্ড আৰু ইয়াৰ সূৰ্য প্ৰেম। আকৌ বহিৰ্জীৱনৰ চিন্তাত আহি পৰিলোঁহি। ই আত্মাৰ ঐকান্তিক অনুভূতিবপৰা মোক ৰক্ষা কৰে? নহয়, বিচ্ছিন্ন কৰে। চিন্তাই আবেশৰ তন্ময়তা ভাঙি পেলায়, অনুভূতিৰ কোমল ডেউকা পুৰি পেলায়। সেই কাৰণে বিজ্ঞান-চৰ্চাই মনুষ্যত্বৰ গৰিমা বিকাশ নকৰায়, ই নীৰস সত্ত্বা, শুকান চিন্তাৰ জঁকা কেতবোৰ সজাই তোলে। অঃ! আমি যেন অনুভূতিৰ ৰাজ্যত জীয়াই থাকিব পাৰোঁ, আপোন-ফহিয়নিৰ বিষয় যেন সতৰ্ক হওঁ।”

আবেলি।

“যোৱাবোৰ দিনৰ ভূমানন্দৰ আৱেশৰ সুখ আকৌ উপভোগ কৰিবলৈ পামনে? যেনে এদিনাখন ডেকা বয়স দোকমোকালিতেই উদ্বিগ্ন দুৰ্গৰ ভগ্ন প্ৰান্তৰত বহি আছিলোঁ! আকৌ এদিনাখন ভৰ বেলি যেতিয়া লাভে নগৰৰ ওপৰৰ পৰ্বতত গছৰ তলত দীঘল দি পৰি আছিলোঁ, লগৰ লগৰী মাথোন তিনিটি পখিলা। আকৌ এদিনাখন যেতিয়া উত্তৰ মহাসাগৰৰ বালুকাময় তীৰত চিত হৈ দীঘল দি পৰি আছিলোঁ, মোৰ চকুৱে আকাশত ছায়াপথৰ বাট বগাই ফুৰিছিল! সেইবোৰ আকৌ উভতি আহিবনে? সেই সপোন, সেই অমৰ বিৰাট বিশ্ব-সপোন—যেতিয়া মানৱ হৃদয়ে গোটেই ব্ৰহ্মাণ্ডখনকেই নিজৰ বুকুত সামৰিলোৱা যেন পায়—যেতিয়া মানৱাত্মাই উথলি উঠি নক্ষত্ৰমণ্ডলী স্পৰ্শ কৰে, অসীমক বুকৰ মাজত সাৱটি লয়? কি মঙ্গল-মণ্ডিত ক্ষণ, কি সম্মোহন কাল—যেতিয়া চিন্তাই জগতে জগতে উৰি ফুৰে, বিৰাট বিশ্ব-প্ৰহেলিকা ভেদ কৰে, যেতিয়া মানৱ হৃদয়ে সাগৰৰ জলৰাশিৰ প্ৰশান্ত হেন্দোলনিৰ দৰে উদাৰ অনুদ্বিগ্ন গভীৰ বুকুভৰা উশাহ লয়, যেতিয়া চিন্তাই অসীম নীল-নভোমণ্ডলৰ দৰে বনাই ফুৰে, যেতিয়া যুৱেণীয়া দেৱীয়ে উপাসকৰ কপালত তন্ময়-সমাধিৰ পৰিচায়ক জ্যোতিঃপুঞ্জৰ চন্দন-ৰেখা আঁকি দিয়ে, উপাসকৰ হৃদয়ত প্ৰতিভাৰ শান্ত উন্মাদনা ঢালি দিয়ে! কি অবাধ অনুভূতিৰ ক্ষণ! যেতিয়া মানুহে নিজকেই দেৱতাৰ দৰে প্ৰশান্ত ব্ৰহ্মাণ্ডৰ সমান বিৰাট বুলি অনুভৱ কৰে। আকাশৰ নক্ষত্ৰমণ্ডলীৰপৰা পৃথিৱীৰ শামুকৰ খোলা বা শেলুৱৈলৈ বিশ্বৰ সকলো সৃষ্ট পদাৰ্থই আমাৰ চকুৰ আগত ক্ষয় হয়, আমাৰ হিয়াত থিতি লয়, বিধিৰ অলঙ্ঘনীয় বিধান অনুসাৰে আৰু প্ৰেমৰ সৰাগ উষ্ণতাৰে বিশ্বশক্তিয়ে আমাৰ অন্তৰত অনন্ত সৃষ্টি-প্ৰক্ৰিয়াৰ ৰহস্য দেখুৱায়। কি মঙ্গলময় ক্ষণ, কি সম্মোহন স্মৃতি! তাৰ পিছৰ অখণ্ড নভোমণ্ডলে বেঢ়ি থকা ধ্যানৰ ওখ টিঙৰপৰা সংসাৰৰ পঙ্কিল ক্ষুদ্ৰতাৰ বাটত আহি নমা—কি পতন! সেইবোৰ মাহেন্দ্ৰক্ষণত কি বিৰাট সত্তাৰ আভাস পাওঁ। বাস্তৱিক জীৱন, কি তাৰ নীৰস কৃত্ৰিম ছায়া! আমাৰ যৌৱনৰ দূৰদৰ্শী বিজুলী দৃষ্টিয়ে আগতীয়া বয়সৰ অলস বৈচিত্ৰ্যহীন সন্ধিয়াৰ চকাছন্দাক বেছি গহীন আৰু নীৰস কৰি তোলে।”

২৯ এপ্ৰিল।

"পুৱা, বতাহ বৰ জুৰ। আকাশখন পাতল মেঘেৰে ঢাক খাই আছে। ফুলনিলৈ গলোঁ, বসন্তই কিমানখিনি বিকাশ লাভ কৰিছে চাবলৈ। ফুলবোৰৰ কি শুভ্ৰ সৰলতা, কি বিনয়ৰাগৰঞ্জিত লাৱণ্য। হে বিস্ময়প্ৰসূতি, সুকোমল ৰহস্যময়ী প্ৰকৃতি! আমি তোমাতেই জীৱনৰস বিচাৰিবলৈ নিবিচাৰোঁ কিয়? আমি সৰ্বদাই ব্যস্ত ভাবাক্ৰান্ত, চিন্তাকুল কৰ্মলিপ্ত, আমি পাঠ-নিমগ্ন। কিন্তু অতি লাগতিয়াল কথা হৈছে চিন্তাৰ বোজা, পাণ্ডিত্যৰ ভাৰ নমাই থব পৰাটোহে—আকৌ ল'ৰালি কালৰ দৰে সৰল মুকলিচিতীয়া হৈ বৰ্তমান ক্ষণতেই সুখত বুৰি থাকিব পৰা ক্ষমতা লাভ কৰাটোহে। কামৰ বোজা নমাই থৈ সজাগ মনেৰে আবেশপৰায়ণ হ'লে, কামৰ হেঁচাত সঙ্কুচিত অন্তৰাত্মাৰ ভাঁজবোৰ মিলি যায়, অন্তৰাত্মা আকৌ মেল খায়, বাটৰ কাষৰ দুবৰিৰ দৰে আকৌ ঠন ধৰি উঠে, আকৌ নতুন হয়, আকৌ নিজ প্ৰকৃতি লাভ কৰে। আবেশে নিশাৰ বৰষুণৰ দৰে দিনৰ ধূলি আৰু তপত বতাহত মুজুৰা পৰি থকা ভাবৰাশিত নতুন তেজ আৰু বলৰ সঞ্চাৰ কৰে। আবেশ আমাৰ চিন্তাৰ দেওবাৰৰ নিচিনা। কোনে জানে মানুহৰ পক্ষে কোনটো বেছি লাগতিয়াল আৰু ফলদায়ক—আন আন দিনৰ কৰ্মক্লান্ত জীৱনেই নে, দেওবাৰৰ শক্তি-প্ৰদায়িনী জিৰণি? আবেশ ফুলে ফুলে পৰ্বতে ভৈয়ামে উৰি ফুৰা পখিলাৰ মহোৎসৱৰ দৰে। মনত ৰাখিবা আমাৰ অন্তৰাত্মাৰ পখিলা এটিহে।"

আকৌ

"মূল প্ৰকৃতিৰ বাজে মনক জিৰণি দিব পৰা, অসীমত বাজে অনুভূতিক জিৰণি দিব পৰা আৰু ঐশ্বৰিকত বাজে আত্মাক জিৰণি দিব পৰা বস্তু নাই। কোনো সীমাবদ্ধতাই সত্য নহয়, কাম্য নহয়, মোৰ মনক আকৰ্ষণ কৰিবৰ উপযুক্ত নহয়। সকলো বিশিষ্ট পদাৰ্থ ই মোৰ মনৰ বাহিৰা আৰু যি সীমাবিশিষ্ট তাৰপৰাই মোৰ মন কোঁচ খাই আহে। ভূমাত বাজে কোনো বিশিষ্টতা, ৰহিত নহয়, মোৰ ব্ৰত হৈছে ভূমাৰ লগত শৰীৰৰ প্ৰত্যেক অণু-পৰমাণুৰ ভিতৰেদি সংযোগ স্থাপন কৰা।"

উদ্ধৃত উক্তিবোৰৰপৰা আমীয়েলৰ চিন্তা-অনুভূতিৰ ধাৰাৰ বিষয়ে যথেষ্ট ধাৰণা কৰিব পাৰি। সেইবোৰে তেওঁৰ সাংসাৰিক জীৱনৰ ওপৰত কি ভাবে প্ৰতিক্ৰিয়া কৰিছিল তাকো তেওঁ নিজেই উল্লেখ কৰিছে। তেওঁৰ জীৱনৰ যি আদৰ্শ আৰু অনুভূতিৰ প্ৰৱাহে তেওঁৰ মন-প্ৰাণ মথি পেলাইছিল, পাৰিপাৰ্শ্বিক সমাজ আৰু বিদ্বান্মণ্ডলীৰপৰা তেওঁ তাৰ কোনো প্ৰতিধ্বনি আশা কৰিব নোৱাৰিছিল। চিন্তা আৰু অনুভূতিৰ বিশিষ্টতাৰদ্বাৰা লৌকিক জগতৰপৰা বিচ্ছিন্ন হোৱাৰ কাৰণে আৰু পাৰিবাৰিক কোনো বন্ধন নথকাৰ গুণত অন্তৰ্প্ৰাণৰ গহন নিজানত বিৰাটৰ লগতে সংযোগ স্থাপনৰ সপোনকেই আমীয়েলে জীৱনৰ সমল স্বৰূপে আঁকোৱালি ধৰিছিল। কিন্তু বাস্তৱ জীৱনৰ দাবী যে তেওঁ সম্পূৰ্ণ অলীক আৰু তুচ্ছ জ্ঞান কৰিব নোৱাৰিছিল, সেইটোৱেই তেওঁৰ জীৱনক কৰুণ কৰি তুলিছিল। আমীয়েলৰ ডায়েৰী চাৰিওফালৰ সীমাবদ্ধ জ্ঞানৰ হেঁচাত স্বাভাৱিকৰূপে বিকাশ লাভ কৰিব নোৱৰা অন্তৰ্প্ৰাণৰ ৰসনিৰ্যাস মাথোন।

আমীয়েলৰ ভাবৰ ধাৰা ইউৰোপীয় সাহিত্যৰ বুৰঞ্জীত একেবাৰে অভিনৱ পদাৰ্থ নহয়। উনৈশ শতিকাৰ শুৰিতেই ইউৰোপীয় সাহিত্যত যি ৰোমান্টিক আন্দোলনৰ ঢৌ উঠিছিল, তাত চিন্তাতকৈ অনুভূতিয়েই বেছি প্ৰাধান্য লাভ কৰিছিল। সেই সময়ৰ সাহিত্য সম্পূৰ্ণ অনুভূতি প্ৰধান। বহুত কবিৰেই হেঁপাহ আছিল চিন্তাতকৈ অনুভূতিৰ জীৱন যাপন কৰিব পৰাটো—'O for a life of sensation rather than of thought!' কিন্তু সমালোচকসকলে ৰোমান্টিক আদৰ্শক ব্যক্তিগত বা সামাজিক জীৱনত কাৰ্যকৰী প্ৰেৰণা দিব পৰা বুলি স্বীকাৰ নকৰিছিল। তেওঁলোকৰ মতে ৰোমান্টিক আদৰ্শবাদ হাৱৈ, ফুলজাৰি আদিৰ দৰে খাৰ-বাৰুদৰ খেলা। ৰোমান্টিক কাব্য পঢ়ি সোৱাদ লাগে, তাৰ ঝঙ্কাৰত অন্তৰত স্পন্দন অনুভূতি হয়, কিন্তু সি কাৰ্যকৰী প্ৰেৰণা দিব নোৱাৰে।

সেই অনুসাৰে আমীয়েলৰ ভূমা-স্পৃহাকো ইউৰোপীয় সমালোচকে শলাগিব পৰা নাই। এজনে কৈছে ই 'আদৰ্শৰ ব্যাধি' (malady of the ideal), আন এজনে কৈছে ই 'সম্পূৰ্ণ অসাৰ, নিৰৰ্থক' (perfectly futile)।

আমীয়েলৰ ভাৱধাৰা 'আদৰ্শৰ ব্যাধি' বা 'সম্পূৰ্ণ অসাৰ' হয় নে নহয়, সেইবোৰৰ কাৰ্যকৰী গুণ কিবা আছে নে নাই, তাৰ বিচাৰৰ ভাৰ নীতিবিদ্‌সকলৰ ওপৰত। কিন্তু কৰ্মপ্ৰধান ইউৰোপীয় সমালোচকে যি বিৰাট কল্পনা বা ভূমানুভূতিক খাৰ-বাৰুদৰ খেলা বুলি কয়, ভাৰতীয় পাঠকৰ পক্ষে সি অপৰিচিত নহয়। বিশ্বাত্মবোধ, বিৰাট কল্পনা, ভূমা-স্পৃহা ভাৰতীয় সভ্যতা আৰু সাহিত্যৰ কেন্দ্ৰস্থ ভাব। ঋগ্বেদৰ দিনৰপৰা আৰম্ভ কৰি নানান গ্ৰন্থ, নানান ভাষাৰ ভিতৰেদি, আজিকালিৰ প্ৰাদেশিক সাহিত্যবোৰতো নানান ছন্দ, নানান ভঙ্গিমাত সেই একে ভাৱেই পল্লবিত হৈ আছে। হেজাৰ হেজাৰ বছৰৰ আগেয়ে এজনী ভাৰতীয় ছোৱালীয়ে এই বিশ্বাত্মবোধক ছন্দোময়ী ভাষাত প্ৰচাৰ কৰে। ঋগ্বেদৰ দেৱীসূক্ত সম্পূৰ্ণ ঋষিকন্যা বাক্‌দেৱীৰ ৰচিত। ৰচয়িত্ৰীয়ে কল্পনা কৰিছে তেওঁ নিজেই ভূমা, নিজেই বিশ্বশক্তি, নিজেই মূল প্ৰকৃতি।

অহং ৰুদ্ৰেভিৰ্বসুভিশ্চৰাম্যহমাদিত্যৈৰুতবিশ্বদেৱৈঃ।
অহং মিত্ৰাবৰুণোভো বিভৰ্ম্যহমিন্দ্ৰাগ্নী অহমশ্বিনোভা॥ ১
অহং সুবে পিতৰমস্য মূৰ্দ্ধন্ মম যোনিৰপ্‌স্বন্তঃ সমুদ্ৰে।
ততো বি তিষ্ঠে ভুবনানুবিশ্বোতামূং দ্যাং বৰ্ষমণোপ স্পৃশামি॥ ৭
অহমেৱ বাত ইৱ প্ৰ বাম্যাৰভমাণা ভুবনানি বিশ্বা।
পৰো দিবা পৰ এনা পৃথিব্যৈতাৱতী মহিনা সং বভূব॥ ৮

'মই ৰুদ্ৰ আৰু বসুসকলৰ লগত বিচৰণ কৰোঁ, আদিত্যৰ লগত, বিশ্বদেৱসকলৰ লগতো। মই মিত্ৰ বৰুণ দুয়োকো ধাৰণ কৰোঁ। ইন্দ্ৰ, অগ্নি, অশ্বিনী দুজনকো'। ১

'মই জগতৰ মূধ স্বৰূপে পিতাক (আকাশক) সৃষ্টি কৰিছোঁ। মোৰ মূল সমুদ্ৰৰ ভিতৰত, জলৰাশিত। তাৰপৰা সমস্ত ভুবন বিয়পি থাকোঁ, মূৰেৰে আকাশ স্পৰ্শ কৰোঁ।' ৭

"সমস্ত ভুবন আকোৱালি, আকাশ পাৰ হৈ, পৃথিৱী পাৰ হৈ ময়ে বতাহৰূপে বলোঁ। এনেকুৱা মহিমা লৈয়ে মই উপজিছোঁ।' ৮

কল্পনাতীত কালৰপৰাই ভাৰতীয় সাহিত্যৰ উন্মেষৰ লগে লগেই এই বিশ্বাত্মাৰ লগত ঐকানুভূতিৰ সূচনা হয়। এইটো ক'ব নোৱাৰি যে এই ছন্দোময়ী ভাষণ ভাৰতীয় ছোৱালীৰ আকস্মিক অনুভূতিৰ ক্ষণিক প্ৰকাশ। তেনে হোৱাহেঁতেন বেদৰ পৰৱৰ্তী কালত এই ভাবৰ বহুল আলোচনা আৰু আদৰ নহ'লহেঁতেন। বাক্‌দেৱীৰ কল্পনাৰ পিঠিত সেই সময়ৰ বিদ্বৎসমাজৰ কিমান ভাৱৰ আবেগ আছিল তাক সহজে অনুমান কৰিব পাৰি। কিয়নো পৰৱৰ্তী উপনিষদ গ্ৰন্থবোৰত এই বিশ্বাত্মাৰ স্বৰূপ লৈয়ে নানান কল্পনাৰ খেলা দেখা যায়। তেওঁ ৰসস্বৰূপ, আনন্দস্বৰূপ, সত্যস্বৰূপ, জ্ঞানস্বৰূপ, অনন্তস্বৰূপ—ৰসো বৈ সঃ। আনন্দো ব্ৰহ্মেতি। সত্যং জ্ঞানং অনন্তং ব্ৰহ্ম। সকলো সূক্ষ্ম আলোচনাৰ সাৰ মৰ্মস্বৰূপ উপনিষদে কৈছে—তত্ত্বমসি শ্বেতকেতো। "হে শ্বেতকেতু, তুমিয়েই সেই (বিৰাট)।" এই মহাভাব আৰু এই মহানুভূতি ইমান দিনে হয়তো বিদ্বান সমাজত আবদ্ধ আছিল। গীতাত শ্ৰীকৃষ্ণই 'ময়া ততমিদং সৰ্ব্বং জগদব্যক্তমূৰ্ত্তিনা।'—মোৰ অব্যক্ত মূৰ্তিয়েই সমস্ত জগত আগুৰি আছে বুলি এই জ্ঞান জনসমাজত প্ৰচাৰ কৰে, আৰু আমীয়েলৰ য়ুৰেণীয়া দেৱীয়ে উপাসকৰ জ্যোতিঃপুঞ্জৰ চন্দনৰেখা আঁকি দিয়াৰ দৰে শ্ৰীকৃষ্ণয়ো ভক্ত অৰ্জ্জুনক জ্যোতিৰ্ময় দিব্যদৃষ্টি দান কৰি বিশ্বৰূপ দেখুৱায়।

সমালোচকৰ ভাষাত ই 'আত্মাৰ ব্যাধি' বা 'স্তূপীকৃত অসাৰতা' হয় নে নহয়, সেইটো বেলেগ কথা। কিন্তু ভাৰতীয় সাহিত্য আৰু সভ্যতাই তাকো মহাপ্ৰাণ শক্তি বুলি সাৱটি ধৰি আছে।

আমীয়েলৰ কৰুণ-কাহিনীৰ মূল কাৰণ তেওঁৰ অথলত জন্ম আৰু তেওঁৰ ভাৱধাৰাও অথলত পৰিছিল। উখৰ মাটিত পচোৱা গুটিৰ দৰে অঠাইত কোৱা কথাও নিষ্ফল হয়—'বাক্যং নিষ্ফলমতৰ্থ্যং বীজমুপ্তমিবোষৰে'।

কলিতা জাতিৰ ইতিবৃত্ত

পাতনি

এই খুদীয়া পুথিখনি এটি ৰচনা মাথোন। ৰচনাৰ পাতনি নহ'লেও হয়। কিন্তু ৰচনা প্ৰকাশ কৰিব লাগিলে আনুষঙ্গিক বিষয়ত সহায় কৰোঁতাসকলৰ শলাগ নল'লে প্ৰত্যবায় ঘটে। সেই ছেগতে লগতে এবেগতীয়া পাতনি এখনি জুৰি দিয়া হ'ল।

বৰ্ত্তমান জাতি-চৈতন্যৰ দিনত কোনোবা জাতিৰ আঁতি-গুৰিৰ সন্ধান কৰিলে সেই সন্ধানৰ ওপৰত সহজেই নিন্দা-স্তুতিৰ ছাঁ এটি পৰিবৰ আশঙ্কা থাকে। এই প্ৰবন্ধৰ উদ্দেশ্য কোনো জাতিৰ প্ৰতি নিন্দা-স্তুতি নহয়। অসমৰ কলিতা এটি কৌতূহল জগোৱা জাতি। পুৰাণ, স্মৃতি আদিৰ সঙ্কৰ বা বৃত্তিমূলক কোনো জাতিৰ তালিকাতেই ইয়াৰ নাম নাই। কেৱল পৌৰাণিক উপাখ্যান এটিৰ লগত আওপাক খোৱা ক্ষত্ৰিয় জাতি এটি বুলি বহুকালৰ পৰা প্ৰবাদ এটি ওপঙি ফুৰিছে। কলিতা জাতি ভাৰতৰ আন আন প্ৰদেশতো আছে। সকলো কলিতাৰ মাজত প্ৰচলিত কিম্বদন্তীবোৰ গোট খুৱাই পুৰণি অসমীয়া, ইংৰাজী, পালি, সংস্কৃত আদি ভাষাত উল্লিখিত তথ্যবোৰৰ লগত খাপ খুৱাই আধুনিক বৈজ্ঞানিক প্ৰণালীৰে সকলোবোৰ উক্তিৰেই সামঞ্জস্য এটি দেখুওৱা হৈছে। যিবোৰ মূল পুথিৰপৰা উপাদান সংগ্ৰহ কৰা হৈছে সেইবোৰৰ খুটি-নাটি নিৰ্দ্দেশ বন্ধনীৰ ভিতৰত দিয়া হৈছে। সহজতে নোপোৱা ইংৰাজী পুথিৰ মূল উক্তিবোৰ ওপৰঞ্চিত বেলেগে মূল ভাষাতেই উদ্ধৃত কৰি দিয়া হৈছে।

মূল সিদ্ধান্ত এইটো প্ৰতিপন্ন কৰা হৈছে যে বঙ্গলা আদি দেশৰ বৈদ্য, কায়স্থ আদিৰ দৰে অসমৰ কলিতা এটি বৃত্তিমূলক জাতি নহয়। এইটি clan, ইয়াক সংস্কৃতত "কুল" আৰু অসমীয়াত "ফৈদ" বুলিব পাৰি। কলিতা পুৰণি উত্তৰ ভাৰতৰ সুবৃহৎ ক্ষত্ৰিয় জাতিৰ এটি সৰু ফৈদ।

বৰ্ত্তমান কাকতৰ দুৰ্ম্মূল্যতাৰ দিনত কিতাপ ছপোৱা মৰ-সাহ বা অতি উৎসাহৰ কাম। কিন্তু তাৰ দায়িত্ব বৰপেটাৰ সকলো উমৈহতীয়া কামৰ আগ-ৰণুৱা শ্ৰীমান বনমালী দাসে (বৰপেটা কলিতা যুবক সংঘৰ তৰফৰ পৰা) উপযাচি লৈছে। তাৰ বাবে তেওঁ আৰু তেওঁৰ সংঘলৈ শলাগ। ছপাখানাৰ লগত সকলো বিষয়তে মধ্যস্থতা কৰিছে কটন কলেজৰ অসমীয়া সাহিত্য বিভাগৰ প্ৰধান অধ্যাপক শ্ৰীমান বিৰিঞ্চিকুমাৰ বৰুৱা এম্. এ., বি. এল্, দেৱে। শেষ প্ৰুফখন চোৱাত বাজে ছপাখানাৰ লগত বৰুৱাদেৱে কোনো কাম মোলৈ এৰা নাই। বৰুৱাদেৱৰ শলাগ আৰু কি লম, আৰব্য উপন্যাসৰ সিন্ধবাদ নাৱৰীয়াৰ কান্ধত বুঢ়া এটি উঠি ননমাৰ দৰে মোৰ পাতনিৰ কান্ধত বৰুৱাদেৱ সৰ্বদায় বিৰাজমান থাকিব বুলি কামনা কৰিছোঁ।

কটন কলেজ।

গুৱাহাটী। শ্ৰীবাণীকান্ত কাকতি

৮।৮।৪৩

প্ৰথম অধ্যায়

ঐতিহ্য আৰু বুৰঞ্জীত

কলিতা শব্দৰ ৰূপভেদ ঃ

বেলেগ ঠাইত, বেলেগ সময়ত, বেলেগ মানুহৰ মুখত উচ্চাৰণ ভেদে কলিতা শব্দৰ নানান ৰূপান্তৰ হৈছে ; যেনে—কলিতা, কোলিতা, কুলিতা, কোলতা, কোল্‌তা, কুল্‌তা, কল্‌তা। অসম দেশৰ উজনী অঞ্চলত ঘাইকৈ কলিতা ৰূপ আৰু নামনি অঞ্চলত ঘাইকৈ কোলতা, কল্‌তা ৰূপ ব্যৱহৃত হয়। নামনি অসমত লিখা দৈত্যাৰি ঠাকুৰৰ গুৰু-চৰিতত কোলতা ৰূপ আছে—

কৈৱৰ্ত কোলতা কোচ ব্ৰাহ্মণ সমস্ত।
একেলগে খাই দুধ চিড়া কল যত ॥

উজনী অঞ্চলত লিখা কথা গুৰু-চৰিত আৰু বুৰঞ্জীত কলিতা ৰূপ আছে। বৰ্তমান উৰিষ্যা প্ৰদেশৰ অন্তৰ্গত সম্বলপুৰ, বোনাইগৰ, আদি ঠাইৰ কলিতাসকলৰ মাজত কোলিতা, কোল্‌তা, কুল্‌তা, কুলিতা ৰূপ ব্যৱহৃত হয়। কলিতা শব্দৰ বেলেগ বেলেগ ৰূপৰ বিষয় তলত আলোচনা কৰা হৈছে ॥১॥ (ছেদ ৩৭)।

পশ্চিমৰ কলিতা-পণ্ডিত ঃ

কলিতা জাতিৰ মানুহ অসমৰ চাবেক অধিবাসী নহয়। ব্ৰাহ্মণসকলৰ দৰে তেওঁলোকো পশ্চিমৰ মিথিলা, কনৌজ আদি ঠাইৰপৰা আহিছিল। অসম চৰকাৰৰ বুৰঞ্জী-বিভাগৰপৰা প্ৰকাশিত হোৱা "কামৰূপৰ বুৰঞ্জী"ত পশ্চিম দেশৰপৰা অহা কলিতা-পণ্ডিতৰ উল্লেখ আছে। পুৰণি কামৰূপৰ ৰাজ-পৰম্পৰা প্ৰসঙ্গত এইদৰে আছে :—

"এই চাৰি পৃষ্ঠৰ ৰাজা প্ৰথমে ব্ৰহ্মাৰ পুত্ৰ মৈৰঙ্গ দানব, তান পুত্ৰ হৃতকাসুৰ, তান পুত্ৰ সম্বৰাসুৰ, তান পুত্ৰ ৰত্নেশ্বৰ। তাৰ পাচে ভিন্নবংশী নৰকাসুৰ, তান পুত্ৰ ভগদত্ত, তান পুত্ৰ ধৰ্মপাল, তান পুত্ৰ কৰ্মপাল, তান পুত্ৰ পৃথীপাল, তান পুত্ৰ সুবাহু। ৰাজ্যক অনীতি-অন্যায় কৰে যেন কামাখ্যাই ক্ৰোধ হৈ কৈসালক খেদাইলেক।

"পাচে গৌৰৰ পৰা ধৰ্মপাল নামে ক্ষেত্ৰিয় ৰাজা হল আহি। গোদন্ত পৰ্বতত পাট কৰি ৰাজা হৈ গৌৰৰ, কনোজৰ, মন্দাৰতলাৰ, জবই-সাহানৰ, তিৰ্হুতৰ, বাৰকাৰ, এই ছয় ঠাইৰ ব্ৰাহ্মণ, কায়স্থ, কলিতা আনি পণ্ডিতৰ সভা কৰি ৰাজাই কৰে। (কামৰূপৰ বুৰঞ্জী পৃঃ ১)।

এই উদ্ধৃত বাক্যাৱলীত উল্লিখিত গৌৰৰ ধৰ্মপাল বঙ্গ-বিহাৰৰ প্ৰসিদ্ধ পালবংশী বৌদ্ধমতাবলম্বী ৰজা। গৌৰৰ পালবংশী ৰজাসকলে খ্ৰীঃ ৭৩০-১১৯৭ শতাব্দীৰ ভিতৰত ৰাজত্ব কৰে। পালবংশৰ প্ৰথম ৰজা গোপাল প্ৰজাসকলৰ দ্বাৰা নিৰ্বাচিত হৈছিল। ধৰ্মপাল সেই বংশৰেই দ্বিতীয় ৰজা। তেওঁৰ ৰাজত্ব আৰম্ভ হয় খ্ৰীঃ ৮০০ শতাব্দীৰ পৰা। তেওঁ অসম জয় কৰিবলৈ অহা নাছিল। পালবংশৰ তৃতীয় ৰজা দেৱপালৰ সেনাপতি লাউসেন বা লৱসেনে অসম জয় কৰে খৃঃ নৱম শতাব্দীত। সেই বংশৰেই ৰামপাল (খৃঃ ১০৮৪-১১৩০) নামে প্ৰতাপী ৰজাৰ পুত্ৰ কুমাৰ পাল ৰজাই পুৰণি কামৰূপ বা অসম ৰাজ্যৰ শাসনভাৰ তেওঁৰ মন্ত্ৰী বৈদ্যদেৱৰ হাতত সমৰ্পণ কৰে (V. A. Smith : *The Early History of India*, pp. 413-41( ). বৈদ্যৰ গৰ এতিয়াও কামৰূপত প্ৰসিদ্ধ।

এই পালবংশী ৰজাসকল মন্ত্ৰযানী বৌদ্ধ আছিল আৰু তেওঁলোকৰ দিনত বৌদ্ধধৰ্মৰ পুনৰ অভ্যুত্থান হৈছিল। ধৰ্মপাল ৰজাই বিহাৰত বিক্ৰমশিলা নামে বিহাৰ (বিশ্ববিদ্যালয়) স্থাপন কৰে।

উদ্ধৃত বাক্যাবলীৰ গৌৰ, কনৌজ আৰু ত্ৰিহুত প্ৰসিদ্ধ ঠাই আৰু সেইবোৰৰ নাম সকলোৱে জানে। ৰাৰকা (বৰক)ত বুদ্ধদেৱৰ ৭৯ বছৰ বয়সত তেওঁৰ প্ৰধান শিষ্য শাৰীপুত্ৰৰ নিৰ্বাণত্ব ঘটে। মন্দাৰতলা বা মন্দাৰগিৰি ভাগলপুৰ জিলাৰ অন্তৰ্গত এখন ঠাই। ইয়াত বৌদ্ধমন্দিৰ আছিল। জৱই-সাহানৰ পৰিস্থিতি ঠিৰাং হোৱা নাই। গোদন্ত পৰ্বত উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত পৰ্বতৰ উত্তৰত থকা সৰু পাহাৰ এখনি ॥২॥

কামৰূপৰ বুৰঞ্জীমতে কলিতা-পণ্ডিতসকল পশ্চিমৰ বিহাৰ, যুক্তপ্ৰদেশ আদিৰপৰা আহিছিল। কিম্বদন্তীয়েও পশ্চিমৰপৰা কলিতাসকল অহা মতকেই সমৰ্থন কৰে। শ্ৰীশৰৎচন্দ্ৰ গোস্বামীয়ে এটি ইংৰাজী প্ৰবন্ধত কামৰূপৰ কলিতাসকলৰ মাজত প্ৰচলিত কিম্বদন্তী এটিৰ উল্লেখ কৰি কৈছে যে “কলিতাসকল এসময়ত এটি প্ৰতাপী জাতি আছিল আৰু হিমালয়ৰ দাঁতিত ৰাজত্ব কৰিছিল। এইদেশ এ-ঠেঙ্গীয়া আৰু কুলা-কণীয়া জাতিদুটিৰ ৰাজ্যৰ আন পাৰে। এতিয়াও এনেকুৱা দুই-এজন বুঢ়া-মেথা মানুহ পোৱা যায় যিসকলে বিশ্বাস কৰে যে কলিতা ৰাজ্য এখন এতিয়াও আছে আৰু সময়ত কলিতা ৰজাই সমস্ত কামৰূপতেই ৰাজত্ব কৰিব”। (S. C. Goswami : *The Kalitas of K marūpa* : J. A. R. S. Vol. I, No. 3, p. 69). গোস্বামীৰ সংগৃহীত ঐতিহ্যত কলিতা-দেশ বৰ্তমান অসমৰ পূব-পশ্চিম আদি কোন দিশত তাৰ উল্লেখ নাই। কিন্তু এ-ঠেঙ্গীয়া আৰু কুলা-কণীয়া জাতিৰ উল্লেখৰপৰা প্ৰমাণ হয় যে এই কলিতাদেশ অসমৰ পশ্চিম দিশত। মাৰ্কণ্ডেয়-পুৰাণত এ-ঠেঙ্গীয়া (একপাদ) আৰু কুলা-কণীয়া (শূৰ্পকৰ্ণ) জাতিৰ উল্লেখ আছে ॥৩॥ (চোৱা ছেদ ৩৫)।

কলৰ তলৰ কলিতা :

এই ঐতিহ্য প্ৰসঙ্গতে এফাকি বচন মনত ৰাখিবলগীয়া। কামৰূপৰ কলিতাসকলক লক্ষ্য কৰি

অইন জাতিৰ মানুহে ধেমেলীয়া নিন্দা বচন এফাকি ব্যবহাৰ কৰে—"কলৰ তলৰ কলিতা"। এই বচন ফাকিৰ তাৎপৰ্য্য পিছত আলোচনা কৰা হৈছে ॥৪॥ (ছেদ ২৩)।

পুব-অসমৰ কলিতাদেশঃ

পুৰণি সাঁচিপতীয়া কথা-গুৰু-চৰিত পুথি এখনত প্ৰসিদ্ধ সন্ত ভবানীপুৰীয়া গোপাল আতাৰ বংশাৱলী নিৰ্ণয় কৰোঁতে কলিতা দেশৰ উল্লেখ আছে। বাক্যাৱলী তলত উদ্ধৃত কৰি দিয়া হল।

"এতিয়া ভনিপুৰ আতাৰ চৰিত্ৰ। আতাৰ আদি কলিতাদেশত। কলা কলিতাৰ গৃহ বুলিছিল। চেকখাম-হাট-জিনৈ গ্ৰামে। তানে পুত্ৰ বাসুদেৱ। তানে পুত্ৰ হৰিদেৱ। তানে বেটা শঙ্কৰদাস। তানে নন্দন চেতনগিৰি। তানে তনই শঙ্কৰষণ। তানে পুত্ৰ নৰদেৱ। তানে বেটা কামদেৱ। স্বমাতৃ চলিল। বৈমাতৃ বিহালে নৰদেৱে সত্যা নামে হৰি বৰকলিতা গৃহৰ। ভাদ্ৰত আতা গৰ্ভে থিতি, আহিনত পিতৃ চলিল। ক্ৰিয়া-কৰ্ম কামদেৱে কৈলে। কাৰ্তিকত সতিয়াই বেটা চাৰি শ টকা পিতাৰ আছে, দে, বুলি ৰাজদূত নি মেলত ঘটাই শাস্তি ধৈলে। আএ উপায় নাপাই, পলাই দেশ এৰি অটব্য-অৰণ্যে চৰা পৰ্বত পাৰ হৈ তিনিমণিফাটে, আবৰমিৰি চাৰি মাটিমিৰিএদি অচম দেশ ওলালহি পোন্ধেৰ দিনে, শক্তিমন্ত মহাপুৰুষ শক্তিগুণে, অনাহাৰে।

"আই মহাচক্ৰী লোক। টকা আছিল হাতে, নগৰ সমীপে গৈ নাজিৰহাটে পসাৰ দিব ধৈলে, ধন্যাদলৈ গৃহে বৈ। অনেক দ্ৰব্য লৈ গৰগাঞ বৰদ্বাৰমুখে পহাৰ আহি গৈ দিছে। চাৰিখন ভাৰৰ বস্তু মাথে নিএ। কাঠৰ ডোলাত তিনি খুটি মাৰি তল সোমাই লই নি খুটি মাৰি নমাই পসাৰ দিএ। দুই তিনিজনীয়েও দাঙ্গি তুলিব নোৱাৰে। বুধিৰে লয় থয়। এদিন লৈ আহে সন্ধ্যা বেলা, ঘাটৰ নাএ সিপাৰে নিছে। তেনেতে মুদৈ নাঞখন পাচোটা চৰি মাৰি খোৱা দিএ। আএ বোলে, বুপাহঁত তামোল খাবি মোকো নে। সি বোলে ভৰা নাঞ ঠুঠিবি, নেখাঞ। পাচে আএ গুৰিটিঙে বামপদ দি বোলে, নেইঁক। পাচে চৰি মাৰি একাঙ্গুল বঢ়াব মুৰাৰি বোলে, কি বজ্ৰনখী, উঠ। সেই সময়ত আতা গাত নমাহ। জন্মে বৈশাখৰ দুপৰ নিশাত, বুধবাৰে শুক্লা সপ্তমীত"।

আতাৰ জন্মশক ১৪৩৬=খ্ৰীঃ ১৫১৪ (বেজবৰুৱা : শঙ্কৰদেৱ আৰু মাধবদেৱ : পৃঃ ২৩৫)। অসমৰ ৰাজপাটত তেতিয়া ৰজা আছিল চুহুংমুং (১৪৯৭—১৫৩৯ খ্ৰীঃ)।

এই উদ্ধৃত বাক্যাৱলীত মন কৰিবলগীয়া ঠাই হৈছে অচমদেশ আৰু কলিতাদেশ। অচমদেশ মানে উজনী অঞ্চলৰ আহোম ৰাজ্য। আতাৰ মায়েকে আবৰ, মিৰিসকলৰ ঠাইৰ মাজেৰে অহাৰপৰা বুজা যায় যে কলিতাদেশ পূব-উত্তৰ অসমৰ সীমান্ত ভূমিৰপৰা পোন্ধৰ দিনৰ বাটৰ দূৰত আছিল ॥৫॥

পুব অসমত থকা কলিতাদেশৰ কথা অইন মূলৰপৰাও জনা যায়। এশ বছৰৰ আগেয়ে ছপা হোৱা ইংৰাজ পণ্ডিত এজনৰ এটি প্ৰবন্ধত এই বিষয় উল্লেখ আছে। তেওঁ কয় যে "বৰ্তমান সদিয়াৰ

উত্তৰে আৰু ভুটীয়া(তিব্বতী)সকলৰ পূব ফালে কোলিতা বা কুল্‌তা বুলি এটি অতি পৰাক্ৰমী জাতি আছিল। সভ্যতা আৰু সমুন্নতিত তেওঁলোকে এচিয়াৰ যি কোনো জাতিৰ সমকক্ষ আছিল। কলিতাসকলৰ ক্ষমতা, ৰাজ্য আৰু ৰাজশ্ৰী অসম (আহোম) ৰজাৰ অতি উন্নত যুগৰ শ্ৰীবৃদ্ধিতকৈও বহুগুণে বেছি আছিল। আগৰ দিনত দুয়ো ৰাজ্যৰ ভিতৰত অহা-যোৱাৰ যোগাযোগ আছিল। এতিয়া সি বন্ধ হৈছে।

দিহং নদীৰ প্ৰলয়ঙ্কৰী বান-পানীত যিবোৰ খেতি আৰু ঘৰুৱা জীৱনৰ আৱশ্যকীয় সাজ-সঁজুলি উটি আহিছিল, সেইবোৰ কোলিতা ৰাজ্যৰ বুলিয়েই অনুমান হয়। কোলিতাসকলৰ ধৰ্ম, আচাৰ আদিৰ বিষয় একো জনা নেযায়। তেওঁলোকক হিন্দু বুলি ধৰি লোৱা হয়। কিন্তু তেওঁলোকৰ আওচৰীয়া অৱস্থিতিৰপৰা সেইটো সম্ভৱ নহয় বুলি মোৰ বিশ্বাস। কোলিতা আৰু খেত (ক্ষত্ৰিয়) জাতি একে বুলি অসমীয়া ভাষাত কোৱা হয় আৰু তাৰপৰাই কোলিতাৰ হিন্দুত্বৰ অনুমান কৰি লোৱা হয়।

উজনী অসমৰপৰা পাহাৰৰ তলে তলে কোলিতাদেশলৈ বাট এটি আছে বুলি মানুহে কয়। কিন্তু যিমান কোৱা হয়, তিমানখিনি সঁচা নহয় যেন লাগে। কিন্তু সকলো মানুহৰ এটি কথাত মিল আছে আৰু সেইটো হৈছে যে আঠ পুৰুষমান আগতে কিছুমান অসমীয়াই কোনোবা বৰগোহাঁইৰ দুজন ল'ৰাৰে সৈতে শ্ৰীলোহিত নৈৰ পাৰৰ কোলিতাদেশলৈ উপনিবেশ পাতিবলৈ যাত্ৰা কৰে। তাৰপৰা দুশমান বছৰলৈকে চাৰেক মাতৃভূমিৰ লগত সিহঁতৰ বা-বাতৰিৰ যোগাযোগ আছিল। কুল্‌তা ৰজাই সিহঁতক আতিথ্য সম্মানেৰে গ্ৰহণ কৰিছিল আৰু বিয়া-বাৰু কৰাই বসতি কৰিব দিছিল। দিহং নৈৰ প্ৰলয়ঙ্কৰী বানৰ পিছত সিহঁতৰ বা কোলিতাসকলৰ আৰু কোনো চিন-চাব পোৱা নাই। কুল্‌তা দেশৰ পূবফালে, মিছমীদেশ পাৰ হৈ লামা (তিব্বত) দেশ। তিব্বতীবোৰো স্বাধীন জাতি আৰু কুল্‌তাবোৰৰ লগত সদায় সিহঁতৰ সংঘৰ্ষ লাগি থাকে।" (Captain J. B. Neuf-ville : *Asiatic Researches*, Vol. XVI, 1828, pp. 344-345).

ওপৰত উল্লিখিত বান-পানীৰ বিষয়ে পণ্ডিতজনে বহলাই কৈছে। "প্ৰায় পঞ্চাশ বছৰমান আগেয়ে, ৰজা ৰাজেশ্বৰসিংহৰ ৰাজত্বৰ কালত দিহং নৈৰ প্ৰলয়ঙ্কৰী বান হয়। বানৰ পানীয়ে সমস্ত দেশ ব্যাপে আৰু পানীৰ বেগো ইমান বেছি হৈছিল যে গোটেই দেশখনৰ আকৃতিবেই পৰিৱৰ্তন হয় আৰু নদ-নদীৰ গতি-পথবো সাল-সলনি হয়। বান প্ৰায় পোন্ধৰ দিন থাকে। এই সময়ৰ ভিতৰত নৈৰ সোঁতৰ কোবত খেতি আৰু ঘৰুৱা সাজ-সঁজুলি, হাতীৰ হাউদা আদি উটি আহে। এইবোৰ বস্তু কোনোবা খেতি-বাতি আৰু সামাজিক জীৱনত উন্নত জাতিৰ আছিল।" ॥৬॥ (Ibid : pp. 335-336).

কামৰূপৰ বুৰঞ্জীত পশ্চিমদেশৰ পৰা কলিতা-পণ্ডিত অহাৰ কথা আছে। এতিয়া দেখা গ'ল

কথা-গুৰু-চৰিত আৰু ইংৰাজপণ্ডিতৰ গৱেষণা অনুসাৰে আমাৰ পূব সীমাতো কলিংগদেশ এখন আছিল। এইবোৰ কথাৰ আঁতি-গুৰি তলত বিচাৰ কৰা হৈছে ॥৭॥ (চোৱাঁ ছেদ ১২)।

পূব অসমত যে উন্নত আৰ্য-উপনিবেশ এটি আছিল তাৰ প্ৰমাণ তামৰ ফলিৰপৰাও পোৱা যায়। একাদশ শতাব্দীৰ অসমৰ ৰজা ইন্দ্ৰপালৰ প্ৰথম তাম্ৰশাসনৰ ত্ৰয়োদশ শ্লোকত আছে যে তেওঁৰ পিতা পুৰন্দৰপালে “পৰশুৰামৰ বাহুবলেৰে নিৰ্জ্জিত ডাঙৰ ৰাজাৰ ৰাজকুলসম্ভৱা দুৰ্ল্লভা নামে কন্যা বিধিমতে বিয়া কৰাইছিল।”—

জামদগ্ন্যভুজবিক্ৰমাৰ্জ্জিতপ্ৰাজ্যৰাজ্যনৃপবংশসম্ভবাম্।
দুৰ্ল্লভেতি স তু লোকদুৰ্ল্লভাং প্ৰাপ্য সমাগভবৎ কলত্ৰবান্॥
(কামৰূপশাসনাবলী, পৃঃ ১২০)।

অসমৰ পূৰ্বসীমান্তত অতি পুৰণি কালৰপৰাই হিন্দু উপনিবেশ এটি আছিল। প্ৰায় ১১শ শতাব্দীত যেতিয়া ছুটীয়াসকলে পূৰ্বসীমান্ত আক্ৰমণ কৰে, তেতিয়া তাত পালবংশী ৰজাসকলে ৰাজত্ব কৰিছিল। ছুটীয়াবোৰেও ১৬শ শতাব্দীত আহোমৰ দ্বাৰা ৰাজ্যচ্যুত হয়। (*Imperial Gazetteer of India*, Provincial Series : Eastern Bengal and Assam, 1919, pp. 30, 49).

গুৰু-চৰিত আৰু ইংৰাজ পণ্ডিতৰ মতে শ্ৰীলোহিত নৈৰ পাৰত কোলিতা ৰাজ্য আছিল। শাসনৰ উক্তিয়েও আৰ্য-উপনিবেশ এখনৰ কথাকেই সমৰ্থন কৰে।

পালবংশী ৰজাসকলৰ বিষয় লক্ষ্য কৰিবলগীয়া প্ৰথম কথা হৈছে, এই বংশৰ প্ৰথম ৰজা ব্ৰহ্মপাল প্ৰজাসকলৰ দ্বাৰা নিৰ্বাচিত হৈছিল। গৌৰৰ পালবংশৰ প্ৰতিষ্ঠাতা গোপাল ৰজাকো প্ৰজাসকলে নিৰ্বাচন কৰিছিল। পুৰণি ভাৰতত ৰজা-নিৰ্বাচনৰ প্ৰথাৰ বিষয় তলত চোৱা ॥৮॥ (ছেদ ১৯)

বোনাইগৰ, সম্বলপুৰ কলিতাৰ ঐতিহ্য

অসমত বাজেও বৰ্তমান উৰিষ্যা প্ৰদেশৰ অন্তৰ্গত বোনাইগৰ, সম্বলপুৰ, আদি জিলাতো কলিতা মানুহ আছে। নৃ-তত্ত্বজ্ঞ পণ্ডিতসকলে কয় যে সেইবোৰ ঠাইৰ কলিতাসকলৰ শাৰীৰিক গঢ় অসমৰ কলিতাসকলৰ দৰে। তেওঁলোকৰ চেহেৰা আৰ্যজাতিৰ মানুহৰ দৰে আৰু চকুৰ ৰঙো ঈষৎ তাম-বৰণীয়া (hazel eyes)। অসম আৰু মধ্য-ভাৰতৰ কলিতাসকলৰ ভিতৰত জাতিগত সাদৃশ্য থকা যেন লাগে। বোনাইগৰৰ বুঢ়া-বেথা কলিতাসকলৰ মাজত কিম্বদন্তী আছে যে তেওঁলোকে আদিতে ৰামচন্দ্ৰ ৰজাৰ লগত মিথিলা-ত্ৰিহুতৰপৰা আহি সম্বলপুৰত বাস কৰে আৰু ছয় পুৰুষ আগতে কিছুমানে বোনাইগৰলৈ যায়। (H. H. Hunter : *The Imperial Gazetteer of India*, 1885, Vol. III, p. 86)। সম্বলপুৰৰ কলিতাসকলৰ মাজত কিম্বদন্তী আছে যে তেওঁলোকে দক্ষিণৰ বোধৰাজ্যৰপৰা সম্বলপুৰলৈ আহে আৰু তেওঁলোক ৰামচন্দ্ৰ ৰজাৰ ঘৰৰ পানী যোগাওঁতা আছিল (R. D. Banerji : *History of Orissa*, Vol. I, p. 24).

বোধৰাজ্য (বৰ্তমান বাউদ) সম্বলপুৰৰ দক্ষিণত থকা দেশীয় কৰদ ৰাজ্য এখন। ই এখন বুদ্ধদেৱৰ নাম অনুকৰণ কৰি থাপনা-কৰা বৌদ্ধ উপনিবেশ। ইয়াত বৌদ্ধসঙ্ঘ আছিল আৰু এতিয়াও ইয়াত বৌদ্ধমতাবলম্বী লোকৰ চিন আছে ॥৯॥ (H. P. Shastri : *Introduction to Modern Buddhism* by N. N. Basu).

বোনাইগৰ আৰু সম্বলপুৰৰ কলিতাসকলৰ ঐতিহ্যত উল্লিখিত (ৰামচন্দ্ৰ) ৰজা মন কৰিবলগীয়া। এই ৰাম ৰজা ৰামায়ণৰ ৰামচন্দ্ৰ নহয় ॥১০॥ (ছেদ ২১)।

নেপাল ৰাজ্যতো কলিতা জাতৰ মানুহ আছে। নেপালৰ টন্‌স উপত্যকা আৰু জৌমসৰ বাৰাৰত বামুণ আৰু কল্‌তা বুলি দুই শ্ৰেণীৰ মানুহ আছে ॥১১॥

(E. C. Mobbs : *Indian Forester*, Vol. IX, pp. 663 799 : quoted by K. R. Medhi : *The Kalitas* ; J. A. R. S., Vol. III, No. 3).

বৌদ্ধ-কলিতাৰ পৰিযাত্ৰা

এতিয়া দেখা গ'ল অসম, বিহাৰ, নেপাল, দক্ষিণ ভাৰত আদি নানা দেশত কলিতা মানুহ সিঁচৰতি হৈ আছে। এই কলিতাসকল কি আৰু ক'ৰ মানুহ আৰু কেনেকৈ নানা ঠাইত বসতি কৰিলে—এই প্ৰশ্নৰ উত্তৰ এজন ইংৰাজ প্ৰত্নতত্ত্ব পণ্ডিতে দিছে। বেডেন পাওৱেল নামে ইংৰাজ পণ্ডিত এজনে কয় যে "পুৰণি অসম সৰু সৰু বেলেগ ৰাজ্যত বিভক্ত আছিল আৰু বুদ্ধদেৱৰ মহাপৰি-নিৰ্বাণৰ পিছত অসমৰ পশ্চিমফালে থকা ৰজাসকলে বৌদ্ধধৰ্ম অৱলম্বন কৰিছিল। পশ্চিমত থকা ক্ষুদ্ৰ ৰাজ্যবোৰ কেতিয়াবা কেতিয়াবা একোজন অধিৰাজৰ তলত একছত্ৰী হৈছিল, আৰু এইবোৰ ৰাজ্যৰ সীমা কেতিয়াবা কেতিয়াবা বিহাৰ আৰু অযোধ্যাৰ মধ্যবৰ্তী গোৰখপুৰ জিলালৈ বিস্তৃত হৈছিল। এই বৌদ্ধমতাবলম্বী ৰজাসকলে ব্ৰাহ্মণ্য-ধৰ্মৰ পুনৰুত্থান আন্দোলনৰ সম্মুখীন হ'ব লগাত পৰিছিল আৰু শেহত ব্ৰাহ্মণ্যমতাবলম্বীসকলৰপৰা তেওঁলোকৰ পৰাভৱ ঘটিছিল।

এনে ঐতিহ্য আছে যে উৎপীড়িত বৌদ্ধসকলে পাহাৰ-পৰ্বতৰ মাজে মাজে পশ্চিমে কাশ্মীৰ দেশ পৰ্যন্ত আশ্ৰয় বিচাৰি গৈছিল। আৰু শুনিব পাওঁ যে অন্ততঃ এবাৰ কাশ্মীৰী ৰাজকোঁৱৰ এজনে সৈন্য-সামন্ত লৈ অসম দেশৰ বিৰুদ্ধে অভিযান চলাইছিল। এই (বৌদ্ধ) ৰাজন্যবংশৰ বংশধৰসকল এতিয়াও কুল্‌তা বা কুলিতা জাতিৰে পৰিচিত হৈ ঠায়ে ঠায়ে সিঁচৰতি হৈ আছে। কিছুমানে এতিয়া হিন্দুমত গ্ৰহণ কৰি অসম উপত্যকাত বাস কৰিছে। কিন্তু এই বংশৰ দুটি দলে দক্ষিণ-পশ্চিম বঙ্গ-দেশৰ ফালে খোজ লয়। দক্ষিণ-পশ্চিম বঙ্গদেশ তেতিয়া নানান উৎপীড়িত জাতিৰ আশ্ৰয় স্থান আছিল। তাৰে এটি দল বোনাইগৰ ৰাজ্যলৈ যায় আৰু আন এটি দলে মধ্য-ভাৰতৰ সম্বলপুৰ জিলাত আশ্ৰয় লয়" ॥১২॥ (B. H. Baden Powell : *The Indian Village Community*, 1896 : p. 135 et. fn.)

কাশ্মীৰৰ ইতিহাস ৰাজতৰঙ্গিণীমতে মেঘবাহন নামে কাশ্মীৰী কোঁৱৰ এজনে প্ৰাগ্‌জ্যোতিষৰ ৰাজকন্যা অমৃতপ্ৰভাক স্বয়ম্বৰ প্ৰথামতে বিয়া কৰাইছিল। অমৃতপ্ৰভাই স্তুন-পা নামে তিব্বতী বৌদ্ধ পণ্ডিত এজন লগত লৈ গৈছিল। এই পণ্ডিতজন বাপেকৰ গুৰু আছিল। কাশ্মীৰলৈ গৈ ৰাণী অমৃতপ্ৰভাই অমৃত-ভৱন নামে বিদেশী বৌদ্ধ ভিক্ষুসকলৰ বাবে বিহাৰ এটি নিৰ্মাণ কৰাইছিল (K. L. Barua: *Early History of Kamarupa*, 1933, p. 4.5)। বেডেন পাওৱেলে ইঙ্গিত কৰা কাশ্মীৰী কোঁৱৰজন মেঘবাহনেই হ'বপায়।

মেঘবাহনৰ সম্ভাব্য কাল খ্ৰীঃ ষষ্ঠ শতাব্দীৰ মধ্যভাগ ॥১৩॥

কলিতা পুৰোহিত

যদিও কলিতাসকল আদিতে ক'ৰ মানুহ সেইটো কোৱা হোৱা নাই, তথাপি তেওঁলোক কি আছিল আৰু কেনেকৈ চাৰিওফালে বিক্ষিপ্ত হৈ পৰিল, সেইটো বেডেন পাওৱেলৰ উক্তিৰপৰা পোৱা যায়। কলিতাসকল যে আগৰ কালত বৌদ্ধমতাবলম্বী আছিল সেইটোৰ আংশিক সমৰ্থন পোৱা যায় - এইটো কথাৰপৰা যে পুৰণি অসমত কলিতাসকলে আন আন জাতিৰ পৌৰোহিত্যৰ কাম কৰিছিল। হিন্দুসমাজত পৌৰোহিত্যৰ কাম প্ৰধানতঃ বামুণেহে কৰে।

ইংৰাজ প্ৰত্নজ্ঞ মাৰ্টিন চাহাবে কয় যে পুৰণি কামৰূপৰ অন্তৰ্গত ৰঙ্গপুৰ (এতিয়া বঙ্গদেশৰ অন্তৰ্ভুক্ত) জিলাত "এসময়ত কলিতাসকলৰ বিশেষ আধিপত্য আছিল। কোচজাতিৰ মানুহে যেতিয়াৰপৰাই কিম্বদন্তী বা ইতিহাসত উল্লেখযোগ্য অৱস্থালৈ আহিল, তেতিয়াৰপৰাই তেওঁলোকে কোলিতা বা কোল্‌তা গুৰু-পুৰোহিত মানি লোৱা দেখা যায়। কলিতাবোৰৰ কিছু পৰিমাণে শাস্ত্ৰচৰ্চা আছিল আৰু তেওঁলোকে বঙ্গলাত লিখা পুথিৰ চৰ্চা কৰিছিল। তেওঁলোকৰ নিশ্চয় কিবা বিশিষ্ট শাস্ত্ৰ আছিল। কেৱল তেওঁলোকেই কোচসকলৰ দীক্ষা-গুৰু আছিল আৰু কিছুমান ঠাইত এতিয়াও তেওঁলোকেই গুৰু-হিচাপে প্ৰতিপত্তি লাভ কৰি আছে। এই কলিতা জাতৰ ভালেমান ধৰ্ম-উপদেশক অসম দেশত আছে আৰু তেওঁলোকৰ শিষ্যৰ সংখ্যা দহ-বাৰ হেজাৰৰ কম নহ'ব। এজন কলিতা গুৰুৰ প্ৰতি অপমানৰ বাবেই অসমদেশৰ ভূতপূৰ্ব ৰজাই পূৰ্ব পুৰুষৰ সিংহাসন হেৰুৱাব লগাত পৰিছিল। আৰু কোম্পানীৰ বাহুবলৰ সহায় নহলে, তেওঁ আকৌ সেই সিংহাসনত উঠিব নেপালেহেঁতেন।

"কলিতাসকলে ব্ৰাহ্মণৰপৰা স্বতন্ত্ৰভাবে কি ধৰ্মমত প্ৰচাৰ কৰিছিল মই জানিব পৰা নাই, কিন্তু সেইটো যে পৰম্পৰাগত হিন্দুমত নহয় সেই বিষয় সন্দেহ নাই। বৰ্তমানে কলিতাসকলে খেতিৰ কাম অবলম্বন কৰিছে কিন্তু তেওঁলোকে বঙলা পঢ়িব পাৰে। কোচ হাজোৰ নাতি বিশুৱে (বিশ্বসিংহ) যেতিয়াৰপৰাই কামৰূপী ব্ৰাহ্মণ আনি ৰাজ্যত সুমুৱালে, তেতিয়াৰপৰাই কলিতাসকলৰ প্ৰতিপত্তি কমিল আৰু ৰজাৰ আদৰ্শ অনুসৰণ কৰি তেওঁলোকেও ব্ৰাহ্মণৰপৰা উপদেশ লব ধৰিলে।

তথাপি ব্ৰাহ্মণৰ তলতেই তেওঁলোকৰ বিস্তৰ প্ৰতিপত্তি আৰু কেইবাবাৰো কোচ-বিহাৰৰ ৰজাসকলে ব্ৰাহ্মণ পুৰোহিত বিসৰ্জন দি পুৰণি কলিতা-পুৰোহিতৰ আশ্ৰয় গ্ৰহণ কৰিছিল। কলিতাসকলে এতিয়া সম্পূৰ্ণৰূপে হিন্দু পূজা আৰু আচাৰ মানি লৈছে আৰু সৎশূদ্ৰৰূপে গৃহীত হৈছে।

"কলিতাসকলে এতিয়া কৃষ্ণ-মত লৈছে আৰু তেওঁলোকে নিজক ভকত বা ভক্ত বুলি পৰিচয় দিয়ে।

"কলিতাসকলৰ ভিতৰত যিবোৰে লিখা-পঢ়া কৰি ওলায়, তেওঁলোকে কায়স্থ বুলি পৰিচয় দিবলৈ চেষ্টা কৰে আৰু ৰঙ্গপুৰৰ বৰেন্দ্ৰ কায়স্থ বুলি পৰিচয় দিয়া আটাইবোৰেই গুৰিতে কলিতা। ৰঙ্গপুৰৰ বৰ্দ্ধন-কুঠি আৰু কুন্তিনিয়াৰ জমিদাৰ দুঘৰ এই শ্ৰেণীৰেই জমিদাৰ।

"অসমীয়া ব্ৰাহ্মণ বুলিও এক শ্ৰেণীৰ ব্ৰাহ্মণ আছে। তেওঁলোক কান্যকুব্জৰপৰা অহা বৈদিক ব্ৰাহ্মণ আৰু তেওঁলোকক বিশ্বসিংহ ৰজাই আনে। কিন্তু অসমত আহি সোমোৱাৰ পিছত পশ্চিম কামৰূপৰ লগত তেওঁলোকৰ বিয়া-বাৰুৰ সম্বন্ধ নোহোৱা হয়। কিয়নো কোনে কিভাৱে বংশৰ পৱিত্ৰতা ৰক্ষা কৰিছে তেওঁলোকৰ জানিবৰ উপায় নাই। তেওঁলোকৰ এজনে মোক কৈছে যে তেওঁলোক অহাৰ আগত কলিতাসকলৰ মাজত পণ্ডিতলোক আছিল আৰু কলিতা-পণ্ডিতেই সকলো সম্প্ৰদায়ৰ মাজত দীক্ষা-গুৰুৰূপে কাম কৰিছিল" ॥১৪॥ (M. Martin : *Eastern India*, 1838. Vol. III, pp. 528, 543-545, 674, 676).

ওপৰত উদ্ধৃত ৰচনাৱলীৰ ভিতৰত পুৰণি কামৰূপী ভাষাকেই বঙ্গলা বুলি নিৰ্দেশ কৰা হৈছে। কলিতা-গুৰুৰ প্ৰতি আহোম ৰজাৰ অপমানৰ দ্বাৰা তেওঁ মোৱামৰীয়া সম্প্ৰদায়ক লক্ষ্য কৰিছে ॥১৫॥

পুৰণি অসমত কলিতাৰ প্ৰতিপত্তি:

পুৰণি অসম দেশত কলিতাসকলৰ ইমান আধিপত্য আৰু প্ৰতিপত্তি আছিল যে বিদেশী গ্ৰন্থকাৰসকলে অসমৰ সমস্ত অধিবাসীকেই কলিতা আৰু আন জাতি বুলি দু-ভাগে ভাগ কৰিছিল। মীৰজুমলাৰ অভিযানৰ লগত অহা ফাৰ্চীৰ পণ্ডিত এজনে তেওঁৰ ৰচিত বুৰঞ্জীত কৈছে যে অসমৰ (উজনী) অধিবাসীসকল দুই জাতিত বিভক্ত—কলিতা আৰু আহোম (*Fatiyah-i-Ibriah*: Quoted by Gait in *History of Assam*, p. 138). কলিয়াবৰৰপৰা আৰম্ভ কৰি নামনি অসমৰ অধিবাসীসকলক নেপাল, ভোটান আৰু অসমৰ আন মানুহেও কলিতা আৰু কোচ বুলি দুভাগ কৰে ॥১৬॥ (Martin : Vol. III. p. 545).

ওপৰত উল্লেখ কৰা ঐতিহ্য আৰু ইতিহাসৰ স্থূলমৰ্ম এইটো যে কলিতাসকলে আদিতে বিহাৰ, যুক্ত-প্ৰদেশ আদি পূৰ্ব-উত্তৰ ভাৰতৰ কোনোবা ঠাইৰপৰা ঐতিহাসিক অৱস্থাৰ হেচাত চাৰিওফালে পৰিযাত্ৰা কৰে। তেওঁলোকে পূবে অসমৰ সীমান্ত ভূমি, পশ্চিমে কাশ্মীৰ, উত্তৰে নেপাল আৰু দক্ষিণে বোধ, সম্বলপুৰ বোনাইগৰ আদি ঠাইলৈ পৰিযাত্ৰা কৰে। অসম আৰু সম্বলপুৰ আদি ঠাইৰ কলিতাসকলৰ চাবেক অধিবসতিৰ ঐতিহ্যৰ বিষয়ে মিল আছে। আৰু তেওঁলোক যে পৰম্পৰাগত হিন্দু ধৰ্মমতৰ বাহিৰা সম্প্ৰদায় আছিল, সেইটোৰো ইঙ্গিত আছে ॥১৭॥

দ্বিতীয় অধ্যায়

বৌদ্ধ জাতকত

বৌদ্ধশাস্ত্ৰৰ কোলিত গ্ৰাম আৰু কোলিত উপাধি ঃ

কলিতা (কোলিতা) এটি আচহুৱা শব্দ নহয়। বুদ্ধদেৱৰ প্ৰধান ব্ৰাহ্মণ-শিষ্য মোগ্‌গলানৰ (মৌদ্‌গলায়ন) প্ৰসিদ্ধ উপাধি আছিল 'কোলিত'। তেওঁক মোগ্‌গলান-কোলিত বোলা হৈছিল। কেবল কোলিত বুলিলেও বৌদ্ধ সাহিত্যত তেওঁকেই বুজায়। তেওঁৰ এই উপাধি লৈ পণ্ডিতসকলৰ ভিতৰত বহুত আলোচনা হৈ গৈছে। মোগ্‌গলানৰ জন্ম হয় মগধৰাজ্যৰ ৰাজগৃহ নগৰৰপৰা আধা যোজনমান দূৰৈৰ কোলিক বা কুলিক বোলা গাঁও এখনত। চীনা পৰিব্ৰাজক হিউৱেন-চাঙৰ ভ্ৰমণ কাহিনীত এই গাঁওৰ উল্লেখ আছে আৰু হিউৱেন-চাঙেও কোলিক বা কুলিক বোলা গাঁওক মোগ্‌গলানৰ জন্মভূমি বুলি স্বীকাৰ কৰিছে। কিন্তু বৌদ্ধধৰ্মৰ 'মহাবস্তু' বোলা গ্ৰন্থত এই ঠাইক কোলিত গ্ৰাম বোলা হৈছে। আন আন বৌদ্ধগ্ৰন্থত কিন্তু মোগ্‌গলানৰ জন্মভূমিৰ নাম কোলিক বুলিহে আছে। পণ্ডিতসকলে কয় যে মোগ্‌গলানৰ কোলিত উপাধি তেওঁৰ জন্মভূমিৰ নাম অনুসাৰে হয় (T. Watters : *Yuan Chang's Travles in India*, Vol. II, pp. 171 et seq.) কোলিত গ্ৰামৰ উল্লেখ আন আন সংস্কৃত বৌদ্ধগ্ৰন্থতো আছে। সেইবোৰতো ইয়াক ৰাজগৃহৰ ওচৰত বুলি কোৱা হৈছে। (B. C. Law : *Geographical Essays*, Vol. I, pp. 15-16.)

মোগ্‌গলানৰ কোলিত উপাধিৰ লগত কলিতা জাতিৰ সম্বন্ধ নাই। কিন্তু বৌদ্ধ-সাহিত্যত কোলিত এটি প্ৰসিদ্ধ শব্দ আৰু ঠাইবাচক শব্দৰ পিছত "ত" প্ৰত্যয় মনত ৰাখিব লগীয়া। একেখন ঠাইৰ নাম "কোলিক"ও হ'ব পাৰে, "কোলিত"ও হ'ব পাৰে ॥১৮॥

কোলিয় ক্ষত্ৰিয় ঃ

খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত বুদ্ধদেৱৰ আবিৰ্ভাব হয়। সেই সময়ত ভাৰতবৰ্ষত কোনো একছত্ৰী ৰজা নাছিল। উত্তৰ ভাৰতত কাশী, কোশল, অঙ্গ, মগধ আদি যোল্লখন ৰাজতন্ত্ৰীয় ৰাজ্য আছিল। সেই-বোৰত ৰজায়েই সকলো শাসন-তন্ত্ৰৰ মূল আছিল। এই যোল্লখন ডাঙৰ ৰাজ্যৰ বাহিৰত দহখন সৰু সৰু প্ৰজাতন্ত্ৰীয় কৌলিক ৰাজ্য আছিল (republican tribal states)। কুলৰ নাম অনুসাৰে এইবোৰৰ নাম—সাকিয় (শাক্য); কোলিয় (কোল্য); মোৰিয় (মৌৰ্য); লিচ্ছবি; বুলি; কালাম; ভগ্‌গ (ভৰ্গ); মল্ল (দুই খেল); বিদেহ। এই দহোটা ক্ষত্ৰিয় জাতি বা কুল লগ লাগি এটি ৰাষ্ট্ৰসংঘ গঠন কৰিছিল; তাৰ নাম বৃজীয় জাতিসংঘ (Vrijjin Confederacy)।

এই কৌলিক প্ৰজাতন্ত্ৰীয় ৰাজ্যবোৰত কেবল এজন প্ৰধান পুৰুষ শাসকৰূপে নিৰ্বাচিত হৈছিল। তেওঁ শাসন-পৰিষদৰ সভাপতি আছিল আৰু পৰিষদ নবহিলে তেৱেঁই ৰাষ্ট্ৰপতি হিছাপে কাম চলাইছিল। তেওঁৰ উপাধি আছিল ৰজা। প্ৰত্যেক প্ৰজাতন্ত্ৰীয় ৰাজ্যতেই উমৈহতীয়া ৰাজ-ঘৰ একোটি আছিল আৰু ইয়াৰ নাম আছিল সন্থাগাৰ (সংস্থাগাৰ)। ডেকা-বুঢ়া সকলো প্ৰজাই ৰাজহুৱা কামৰ বাবে এই সন্থাগাৰত গোট খাইছিল। ৰাজহুৱা কামৰ ভিতৰত ধৰ্ম আৰু ৰাজনীতি দুয়ো আছিল। প্ৰধান পুৰুষৰ নিৰ্বাচন প্ৰথা এই ৰাষ্ট্ৰসংঘৰপৰা বৌদ্ধবিহাৰত সোমায়॥১৯॥

এই দহোটা ক্ষত্ৰিয় জাতিৰ ভিতৰত কোলিয় আৰু শাক্যসকলৰ ৰাজ্য লগা-লগি আছিল। দুয়ো ৰাজ্যৰ মাজত ৰোহিণী নামে এখন নৈ আছিল আৰু ইয়ে দুয়ো ৰাজ্যৰ সীমা আছিল। কোলিয়-সকলৰ দুটি শাখা বা খেল আছিল। এটি খেলৰ প্ৰধান নগৰ আছিল দেবদহ (দেবহ্ৰদ) আৰু আন খেলৰ প্ৰধান নগৰ আছিল ৰামগ্ৰাম। দেবদহ কপিলবাস্তুৰ নিচেই ওচৰ-চুবুৰীয়া আৰু ৰামগ্ৰাম কিছু নিলগত আছিল। এই দুয়ো খেলৰেই মূল স্থান আছিল কোলনগৰ। কোলনগৰৰ আন এটি নাম আছিল ব্যাঘ্ৰপুৰ বা ব্যাঘ্ৰপদ। সেই কাৰণে কোলিয়সকলক ব্যাঘ্ৰপদীয়ও বোলা হৈছিল।

বুদ্ধদেৱৰ পিতা শুদ্ধোদনৰ সময়ত কোলিয় ৰাজ্যৰ ৰজা আছিল সুপ্ৰবুদ্ধ বা অঞ্জনৰাজ। তেওঁৰ মায়াদেবী আৰু প্ৰজাপতি (গৌতমী)—দুজনী জীয়েককেই শুদ্ধোদনক বিয়া কৰায়। অঞ্জনৰাজৰ পিছত বুদ্ধদেৱৰ আপোন মোমায়েক দণ্ডপাণি ৰজা হয় আৰু দণ্ডপাণিৰ জীয়েক গোপা বা যশোধৰাই বুদ্ধদেৱক বিয়া কৰায়॥২০॥

কোলিয়ৰ উৎপত্তি ঃ

কোলিয়সকলৰ উৎপত্তিৰ বিষয়ে বৌদ্ধশাস্ত্ৰত কেইবাটাও উপাখ্যান আছে। (১) 'সুমঙ্গল-বিলাসিনী' গ্ৰন্থত আছে যে ওক্কাক (ইক্ষ্বাকু) ৰজাৰ এজনী ছোৱালীৰ ধৱল-ৰোগ হয়। ৰজাৰ পুতেকসকলে এই ৰোগ আনৰ গালৈ আহিবৰ ভয়ত ভনীয়েকক বনলৈ লৈ গৈ মাটিৰ তলত পকা গাঁত এটি তৈয়াৰ কৰাই তেওঁক তাতে এৰি থৈ আহে। সেই সময়তেই বাৰাণসীৰ ৰাম নামে ৰজা এজনৰো ধৱল-ৰোগ হয় আৰু তেৱোঁ ৰাজ্য এৰি বনবাসী হয়। গছৰ ফল-মূল আদি খাই ৰাম ৰজাই আৰোগ্য লাভ কৰে। এদিনাখন ৰাতি গাঁতৰ তলৰপৰা মানুহৰ মাতৰ শব্দ শুনি পিছদিনা পুৱা গাঁতক লক্ষ্য কৰি গৈ ছোৱালীজনীক উদ্ধাৰ কৰে আৰু নিজে খোৱা ফল-মূল ব্যৱহাৰ কৰাই ছোৱালী-জনীক নীৰোগ কৰে আৰু বিয়া কৰায়। সেই ঠাইডোখৰত এডাল ডাঙৰ কোল (বগৰী) গছ আছিল। সেই কোল-গছ কাটি তাতে তেওঁ কোল-নগৰ বুলি নগৰ এখন নিৰ্মাণ কৰায়। সেই কাৰণে ৰাম ৰজাৰ বংশধৰসকলক কোলিয় বোলা হয়। (২) 'মহাবস্তু' গ্ৰন্থত আছে উপাখ্যানৰ শেহডোখৰ বেলেগ ধৰণে। ছোৱালীজনী এজন শাক্যবংশীয় ডাঙৰীয়াৰ। তেওঁক ওপৰত কোৱাৰ দৰে গাঁতৰ ভিতৰত এৰি থৈ অহা হয়। গাঁতৰ গৰমত ছোৱালীজনী আপোনা-আপুনি আৰোগ্য

লাভ কৰে আৰু তেওঁৰ গালৈ আগৰ লাবণ্য-কান্তি ফিৰি আহে। মানুহৰ গোন্ধ পাই এটা বাঘে গাঁতৰ মুখৰপৰা মাটি আঁতৰাব ধৰিছিল। গাঁতৰপৰা অলপ নিলগত দিব্যজ্ঞানসম্পন্ন কোল নামে ৰাজৰ্ষি এজনে আশ্ৰম পাতি আছিল। ঋষিয়ে বনত ঘূৰি ফুৰে। ঋষিক দেখি বাঘটো আঁতৰি গুচি গ'ল। ঋষিয়ে গাঁতৰ মুখ মেলাই চাই দেখে যে গাঁতত সুন্দৰী ছোৱালী এজনী আছে। ঋষিৰ প্ৰশ্নত ছোৱালীজনীয়ে নিজৰ পূৰ্ব পৰিচয় দিলে।

ছোৱালীজনীৰ ৰূপ-লাৱণ্য দেখি ঋষিৰ তপোভঙ্গ হ'ল আৰু আশ্ৰমলৈ লৈ গৈ ছোৱালীজনীক বিয়া কৰালে। দুটা দুটাকৈ ঋষিৰ বত্ৰিশটা যঁজা ল'ৰা হ'ল।

ল'ৰাবোৰ ডাঙৰ-দীঘল হ'লত মাকে সিহঁতক কপিলবাস্তুলৈ নিজ জ্ঞাতি-কুটুম বিচাৰ কৰিবলৈ পঠালে। কপিলবাস্তু নগৰলৈ গৈ সিহঁতে নিজৰ আতাক আৰু মোমায়েকসকলক বিচাৰি উলিয়ালে আৰু নিজৰো পৰিচয় দিলে। শাক্যসকলে ৰাজৰ্ষি পুত্ৰ বুলি সিহঁতক গ্ৰহণ কৰিলে আৰু শাক্যবংশীয় ছোৱালী বিয়া কৰাই দিলে। ৰাজৰ্ষি-কোলেও বাৰাণসী ৰাজ্য তেওঁৰ ডাঙৰ পুতেকক দান কৰিলে। ৰাজৰ্ষি-কোলৰ পুত্ৰ বুলি তেওঁলোকক কোলিয় বোলা হয়। (৩) 'কুণালজাতক'ৰ পাতনিত আছে যে কোলিয়সকল কোল (বগৰী) গছৰ খোৰোঙত বাস কৰিছিল, সেই কাৰণে তেওঁলোকক কোলিয় বোলা হয়। (৪) 'দীঘনিকায়' গ্ৰন্থৰ অন্তৰ্গত 'মহাপৰিনিৰ্বাণ-সুত্তন্ত' মতে কোলিয়সকল নাগবংশ-সম্ভূত।

এজন কোলিয় কোঁৱৰে ধনুৰ্বিদ্যাত বুদ্ধদেৱৰ প্ৰতিদ্বন্দ্বিতা কৰিছিল। কিন্তু বুদ্ধদেৱৰ হাতত কোলিয় কোঁৱৰ হাৰে ॥২১॥

কোলিয়সকলৰ উৎপত্তিৰ বিষয়ে জাতকৰ এই চাৰিটা বেলেগ বেলেগ উপাখ্যান। কোলিয় এটি পালি শব্দ, ইয়াৰ সংস্কৃত ৰূপ হৈছে "* কোল্য" (কোল + ষ্য)। তেনেকৈ সংস্কৃত "শাক্য" = পাঃ "সাকিয়" : সং : মৌৰ্য্য = পাঃ মোৰিয়। কোলিয় শব্দৰ আন এটি চলতি ৰূপ কোলিক ॥২২॥

কোল-গছৰ কোলিয় :

প্ৰজাতন্ত্ৰীয় সৰু ক্ষত্ৰিয়গোষ্ঠীবোৰৰ প্ৰধান উপজীবিকা আছিল খেতি। ডোঙৰ পানী খেতিৰ পথাৰত সিঁচনি দিয়া লৈ শাক্য আৰু কোলিয়সকলৰ ভিতৰত সময়ে সময়ে সংঘৰ্ষ হৈছিল।

কোলিয় আৰু শাক্যৰাজ্যৰ সীমাৰেই ৰোহিণী নৈ বৈ গৈছিল। দুয়ো গোষ্ঠীয়েই নৈত ভেটা বান্ধি খেতি-পথাৰত পানী সিঁচায়। এবছৰ জেঠ মাহৰ খৰত ধান শুকাব ধৰাত দুয়ো গোষ্ঠীৰেই খেতিয়কসকল গোট খালে। কোলিয়সকলে ক'লে,—"এই পানী দুয়ো পক্ষৰ পথাৰত সিঁচালে কোনো পক্ষৰ বাবেই যথেষ্ট নহ'ব। আমাৰ পথাৰত এবাৰ পানী সিঁচালেই হ'ব। ভেটাৰ পানী আমাকেই দিয়া।" শাক্যসকলে ক'লে,—"তোমালোকৰ ভঁৰাল যেতিয়া শস্যেৰে ভৰপূৰ হ'ব, তেতিয়া পাচি-খৰাহি লৈ তোমালোকৰ দুৱাৰদলিত থিয় হ'বলৈ আমাৰ সাহেই নহ'ব। এবাৰৰ পানীৰেই আমাৰ যথেষ্ট হ'ব। পানীখিনি আমাকেই দিয়া।" এইদৰে দুয়ো পক্ষৰেই কথা কটা-

কটিৰপৰা হুতাহুতি হ'বৰ উপক্ৰম হ'ল। লগে লগে দুয়ো পক্ষৰেই বংশমৰ্য্যাদাক লক্ষ্য কৰি গলিয়া-গলিও হ'ব ধৰিলে। শাক্যসকলৰ মাজত হেনো নিজ ভনীয়েকক বিয়া কৰোৱা প্ৰথা আছিল। এই প্ৰথাক লক্ষ্য কৰি কোলিয়সকলে ক'লে—"গুচ্‌, গুচ্‌ কপিলবাস্তুৰ লেৰুৱাইত ; কুকুৰ, শিয়াল আদি জানোৱাৰৰ দৰে তহঁতে ভনীয়েৰসকলৰ লগত খোৱা-লোৱা কৰ। তহঁতৰ হাতী, ঘোঁৰা, ঢাল, বল্লমে আমাক কি কৰিব পাৰে ?" শাক্যসকলেও সমান সুৰতে গালে—"বোলো, বনবীয়া জানোৱাৰৰ দৰে কোল-গছৰ খোৰোঙত বাস কৰ। তহঁতৰ হাতী, ঘোঁৰা, যাঠি, জোঙে আমাক কি কৰিব পাৰে।" এইদৰে গলিয়া-গলি কৰি খেতিয়কসকল উভতি গ'ল। ৰাজঘৰীয়া সদস্যসকলৰ ওচৰত গোচৰ পৰিল। দুয়ো ফৈদেই ৰণৰ বাবে সাজু হৈ ৰোহিণী নৈৰ পাৰত থিয় হ'ল।

সন্ধিয়াৰ সময়। তথাগত বুদ্ধই যোগবলেৰে ঘটনাৰ সম্ভেদ পাই, শ্ৰাবস্তিৰপৰা শূন্যেৰে তালৈ আহি, শূন্যতেই যোগাসন পাতি দুয়ো পক্ষৰ ৰণুৱাসকলৰ মাজত ওলমি থাকে। তথাগতক চিনি পাই শাক্যসকলে হাতৰপৰা ঢাল, তৰোৱাল পেলাই দি ক'লে,—"কোলিয়সকলে আমাক মাৰকেই বা জীয়াঁতেই পোৰক, আমি আৰু যুঁজ নকৰোঁ।" কোলিয়সকলেও তেনেকুৱা কৰিলে আৰু তেনেকৈ ক'লে। তথাগতে তেতিয়া সঁজ উপদেশ দি, দুয়ো পক্ষৰেই জগৰ ভাঙি পুনৰ্মিলন ঘটালে।

এই ঘটনাৰ সময়ত বুদ্ধদেৱৰ বুদ্ধত্ব লাভৰ সময় হৈছিল পাঁচ বছৰ। তেওঁৰ উপদেশ অনুসাৰে দুজন কোলিয়ই তেতিয়াই ভিক্ষুধৰ্ম আৰু আন কেইজনমানে শৰণধৰ্ম গ্ৰহণ কৰে। তেওঁলোকৰ নাম আৰু ধাম ইতিহাসত ৰৈ গৈছে। তেওঁলোকৰ নাম আৰু গ্ৰাম (বন্ধনীৰ ভিতৰত):—পুন্ন গোবতিক আৰু কুক্কুৰ বতিক (হলিদ্দ বসন)—ভিক্ষু ; ককুধ কোলিয়পুত্ত—মোগ্‌গলান কোলিতৰ আলধৰীয়া ; সুপ্পাবাসা কোলিয়ধীতা—তিৰোতা উপাসিকা, এওঁ সোৱাদ খোৱা বস্তু যোগায় বুলি বুদ্ধদেৱে শলাগিছিল। পাটলিগামনী (উত্তৰ); উপ্পাবাসা (সজ্জনেল) ॥২৩॥

বুদ্ধদেৱৰ অস্থিৰ ভাগ :

শাক্য আৰু কোলিয়সকল কোনো বিৰাট ৰাষ্ট্ৰীয় ঘটনাৰপৰা ইতিহাসত প্ৰসিদ্ধি পোৱা নাই। শাক্যসকল প্ৰসিদ্ধ হ'ল বুদ্ধদেৱ তেওঁলোকৰ বংশত আবিৰ্ভাৱ হোৱাৰপৰা। কোলিয়সকলেও বুদ্ধদেৱৰ মাতুল আৰু শ্বশুৰ-গোষ্ঠী হিচাপে ইতিহাসত ঠাই পালে। আৰু তাতকৈও ডাঙৰ কাৰণ হৈছে এইটো যে বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ পিছত যি আঠোটা ক্ষত্ৰিয় জাতিয়ে বুদ্ধদেৱৰ শৰাস্থিৰ ভাগ পাইছিল, সেই আঠোটা জাতিৰ নাম ইতিহাসত শিলৰ আখৰেৰে লিখা হৈ থাকিল। এই আঠোটা জাতিৰ ভিতৰত কোলিয়সকলো আছিল। বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ ঘটে মল্লক্ষত্ৰিয়সকলৰ ৰাজ্য কুশীনাৰাত। প্ৰত্যেক ক্ষত্ৰিয়-গোষ্ঠীয়ে "ভগবান ক্ষত্ৰিয় আছিল, আমিও ক্ষত্ৰিয়, আমিও অস্থিৰক্ষাৰ ভাৰ পোৱা উচিত"— এই বুলি কুশীনাৰাৰ মল্লসকলৰ ওচৰত আবেদন জনাইছিল। পালি ভাষাত লিখা এই আবেদনৰ ভাষা অতি মনোৰম :—

"ভগবা পি খত্তিয়ো,ময়ং পি খত্তিয়া। ময়ং পি অৰহাম ভগবতো শৰীৰাণং ভাগং, ময়ং পি ভগবতো শৰীৰাণং থুপাঞ্চ মহাঞ্চ কৰিস্সামীতি।" (মহাপৰিনিৰ্বাণ-সুত্ত)।

—"ভগবান (বুদ্ধ) ক্ষত্ৰিয় আছিল, আমিও ক্ষত্ৰিয়। আমিও ভগবানৰ শৰীৰৰ ভাগ গ্ৰহণ কৰিম, আমিও ডাঙৰ স্তূপ নিৰ্ম্মাণ কৰিম।"

যি আঠোটা ক্ষত্ৰিয়-গোষ্ঠীয়ে ভগবানৰ অস্থিৰক্ষাৰ ভাৰ পাইছিল সেইবোৰৰ নাম আৰু ৰাজধানী (বন্ধনীৰ ভিতৰত):—শাক্য (কপিলবাস্তু); কোলিয (ৰামগ্ৰাম); বুলি (অল্লকপ্প); ভগ্গ (সুংসুমাবগিৰি); কালাম (কেসপুত্ত); মোৰিয় (পিপ্ফলিবন); মল্ল (কুশীনাৰা); লিচ্ছবি (বেসালী)। এওঁলোকে বুদ্ধদেৱৰ অস্থি সমাধিস্থ কৰি প্ৰথম আঠোটা স্তূপ নিমাণ কৰালে ॥২৪॥

কোলিয়ৰ ভাগৰ অস্থিৰ সুকীয়া ব্যৱস্থা ঃ

যিবোৰ ক্ষত্ৰিয় জাতিয়ে বুদ্ধদেৱৰ অস্থিৰক্ষাৰ যোগ্যতাৰ ভাৰ পাইছিল সেইবোৰ বৌদ্ধ-ইতিহাসত পাহৰিব নোৱৰা জাতিৰ ভিতৰত গণ্য হ'ল। আৰু এটি ঘটনাই কোলিয়সকলক বিশিষ্ট কৰি তোলে। ভগবান বুদ্ধৰ মহাপৰিনিৰ্বাণৰ কেইবছৰমান পিছত মগধৰ ৰজা অজাতশত্ৰুৱে ওপৰত উল্লেখ কৰা আঠোটাৰ ভিতৰত সাতোটা স্তূপৰ অস্থি লগ-লগাই মগধৰ ৰাজধানী ৰাজগৃহত এটি ডাঙৰ স্তূপ মিৰ্মাণ কৰাই তাত সমাধিস্থ কৰালে। কিন্তু ৰামগ্ৰামৰ কোলিয়সকলৰ স্তূপৰ অস্থি তেওঁ সংগ্ৰহ কৰিব নোৱাৰিলে।

ৰাজাধিৰাজ অশোকে যেতিয়া বৌদ্ধধৰ্মৰ বহুল প্ৰচাৰ আৰম্ভ কৰে, তেওঁ ৰামগ্ৰামৰ অস্থি সংগ্ৰহ কৰিবলৈ যত্ন কৰে, কিন্তু তেওঁ কৃতকাৰ্য্য নহ'ল। অশোকে ৰাজগৃহত সমাধিস্থ থকা অস্থিবোৰকেই এদিনতেই ভাৰতবৰ্ষৰ নানা ঠাইত নিৰ্মাণ কৰা আঠ হেজাৰ চাৰি শ স্তূপত ৰখাবলৈ বিলাই দিয়ে ॥২৫॥

বৌদ্ধ-ইতিহাস, ফা-হিয়ান আৰু হিউৱেন-চাঙৰ ভ্ৰমণ-কাহিনীত আছে (চীনা পৰিব্ৰাজক দুজনে ৰামগ্ৰামলৈ গৈছিল) যে ৰামগ্ৰামৰ অস্থিস্তূপত নাগ এটিয়ে সৰ্বদায় পহৰা দি থাকে। আৰু তাৰ ওচৰলৈ কোনেও যাব নোৱাৰে।

ৰামগ্ৰামৰ অস্থিৰ বিষয়ে সিংহলৰ প্ৰসিদ্ধ বৌদ্ধগ্ৰন্থ মহাবংশত এটি অলৌকিক উপখ্যান আছে। মহাবংশমতে ৰামগ্ৰাম গঙ্গানৈৰ তীৰত আছিল আৰু নৈৰ সোঁতে স্তূপ খহাই নিয়াত যি পেটেৰাত অস্থি আছিল, সেই পেটেৰাটো পানীত উটি ফুৰিব ধৰিলে। নাগ ৰজাই পেটেৰাটো পাই পানীত ৰক্ষা কৰি ফুৰিব ধৰিলে। নৈৰপৰা গৈ পেটেৰা সাগৰত পৰিল। নাগ ৰজাই পেটেৰাটো নি সিংহলৰ ভিক্ষু অনুত্তৰক দিলে। ভিক্ষুৱেও নি পেটেৰাটো ৰজা দুখগামিনীক (খৃঃ পূঃ ১৬১—১৩৭) শোধালে। ৰজাই তেতিয়া মহা সমাৰোহেৰে পেটেৰাৰ অস্থি সিংহলৰ মহাস্তূপত সমাধিস্থ কৰালে ॥২৬॥

(Cunningham: *Ancient Geography of India,* pp. 483-485).

ঐতিহাসিকসকলে এই অলৌকিক ঘটনাত বিশ্বাস নকৰে। খ্ৰীষ্টীয় ৫ম শতাব্দীত ফা-হিয়ানে ভাৰত-ভ্ৰমণ কৰোঁতে ৰামগ্ৰামলৈ যায়। তেওঁ স্তূপটো স্বাভাৱিক অৱস্থাত দেখে। ওচৰত কোনো নৈ নাই, এটি পুখুৰী আছিল। তেওঁও কয় পুখুৰীত এটি নাগ আছিল আৰু নাগে সৰ্বদায় পহৰা দি থাকে। সপ্তম শতাব্দীত হিউৱেন-চাঙেও ৰামগ্ৰামলৈ যায়। তেওঁও স্বাভাৱিক অৱস্থাতে স্তূপটো দেখে। ওচৰত পুখুৰী এটি আছিল, তাত নাগবোৰে বাস কৰিছিল। নাগবোৰে দিনত মানুহৰ মূৰ্ত্তি ধৰি স্তূপত সেৱা-সম্মান কৰি পহৰা দি থাকে। দুয়ো পৰিব্ৰাজকে মহাৰাজ অশোকে অস্থি সংগ্ৰহ কৰিবৰ চেষ্টা কৰিছিল বুলি কয় কিন্তু নাগ ৰজাৰ ওজৰ-আপত্তিৰ বাবে নোৱাৰিলে। ফা-হিয়ানৰ পৰ্য্যটনৰ সময়ত ৰামগ্ৰামৰ ভগ্নাৱস্থা। মানুহ নাই বুলিলেই হয়, কেবল স্তূপটো আৰু পৰিচৰ্য্যাকাৰী কেইজনমান আছিল। হিউৱেন-চাঙৰ সময়ত ভগ্নাবস্থা সম্পূৰ্ণপ্ৰায়। কেবল শ্ৰমণ এজনে স্তূপৰ পৰিচৰ্য্যা কৰিছিল ॥২৭॥

কোলিয়সকলৰ বিশিষ্টতাৰ বিষয় এইকেইটি কথা ওলায়—(১) তেওঁলোক খেতি-প্ৰধান আছিল; (২) প্ৰতিপক্ষই তেওঁলোকক কোল-গছত থকা বুলি ইতিকিং কৰিছিল; (৩) ৰজা অজাতশত্ৰু আৰু মহাৰাজ অশোকৰ চেষ্টাৰ বিৰুদ্ধে তেওঁলোকে নিজৰ অস্থিৰ ভাগ মুকীয়াকৈ ৰাখিছিল। তিব্বতী ভাষাৰ বৌদ্ধ-ইতিহাস এখনত কোলিয়সকলক অতি প্ৰচণ্ড বোলা হৈছে; (৪) কোলিয়-কুলৰ প্ৰতিষ্ঠাতা বাৰাণসীৰ ৰাম ৰজা ॥২৮॥

কোলিয়-কোলিতা :

বৰ্ত্তমান কালৰ কলিতাসকলৰ বিশিষ্টতাৰ লগত ইয়াৰ কিমানখিনি মিল আছে চোৱা যাওক। দক্ষিণ ভাৰতৰ কলিতাসকলৰ ঐতিহ্যত ৰামচন্দ্ৰ ৰজাৰ উল্লেখ আছে। ৰামচন্দ্ৰ বুলিলে ৰামায়ণৰ ৰামচন্দ্ৰলৈ সকলোৰে মনত পৰে। কোলিয়-কুলৰ প্ৰতিষ্ঠাতাজনো ৰামৰজা আৰু তেওঁৰ নামেৰেই ৰামগ্ৰামৰ নাম হয়। সম্বলপুৰৰ কলিতাসকল কৃষিত নিপুণতাৰ বাবে প্ৰখ্যাত। সম্বলপুৰ জিলাত কলিতাৰ সংখ্যা শতকৰা এঘাৰ জন। তাৰ যোল্লখন জমিদাৰীৰ ভিতৰত এখন (বিজয়পুৰ) জমিদাৰী কলিতাৰ।

কলিতাসকলে মাটিৰ মোল ভালকৈ বুজে আৰু মাটিত জল-সেচন কৰি কেনেকৈ খেতিৰ সমুন্নতি কৰিব পাৰি, এইবোৰ প্ৰস্তাৱত সৰ্বদায় আগ্ৰহ প্ৰকাশ কৰে (*Imperial Gazetteer of India*, 1909, Vol. II, pp. 309, 312. 313)। আকৌ কলিতাসকল অতি ওখ শ্ৰেণীৰ খেতিয়ক আৰু সংস্থানসম্পন্ন গৃহস্থ। তেওঁলোকৰ পথাৰ বিস্তৃত, ভঁৰালঘৰ নানা শস্যেৰে ভৰপূৰ আৰু ঘৰবাৰী অতি আৰামদায়ক (W. W. Hunter: *The Imperial Gazetteer of India*, 1885, Vol. III, p. 86)। অসমৰ কলিতাসকলো প্ৰধানতঃ কৃষিজীৱী। পূৰ্ব্ব সীমান্তৰ কোলিতাদেশৰ অধিবাসীবোৰো কৃষিপ্ৰধান আছিল বুলি উল্লেখ আছে (ছেদ ৬)।

কোলিয়সকলৰ প্ৰতি প্ৰয়োগ কৰা “কোল-গছৰ কোলিয়” আৰু অসমৰ কলিতাসকলক লক্ষ্য কৰি কৰা ইতিকিং “কলৰ তলৰ কলিতা”ৰ সামঞ্জস্য আছে। বেডেন পাওৱেলৰ মত অনুসাৰে কলিতাসকল উৎপীড়িত বৌদ্ধ। উৎপীড়নত তেওঁলোকে দেশ-দেশান্তৰত আশ্ৰয় লয়। বঙ্গদেশৰ বৌদ্ধ ধৰ্মপাল ৰজায়ো উত্তৰ ভাৰতৰ নানা ঠাইৰপৰা কলিতা পণ্ডিত ৰাজসভালৈ আনিছিল। মাৰ্টিন চাহাবৰ মতে কলিতাসকলে অসমৰ নানা ঠাইত গুৰু-পুৰোহিতৰ কাম কৰিছিল। কলিতা-সকলৰ ভিতৰত বিধৱা-বিবাহৰ ৰীতি, ডাঙৰ ছোৱালী বিয়া দিয়াৰ প্ৰথা আদিয়ে তথা-কথিত সনাতন আচাৰৰপৰা ব্যতিক্ৰম দেখুৱায়। সম্বলপুৰৰ কলিতাৰ ভিতৰতো বাল্য-বিবাহৰ ৰীতি নাই ॥২৯॥

তৃতীয় অধ্যায়

পুৰাণ আৰু তন্ত্ৰত

কোল-নগৰৰ অৱস্থিতি :

প্ৰত্নতত্ত্বজ্ঞ পণ্ডিতসকলৰ মতে কোল বা কোলি ৰাজ্য উত্তৰ-পূৰ্ব ভাৰতৰ বৰ্তমান আউধ (অযোধ্যা) প্ৰদেশৰ ভিতৰুৱা বস্তি জিলাৰ অন্তৰ্গত ৰামপুৰ-দেৱৰিয়া (ৰামগ্ৰাম-দেৱদহ) অঞ্চল। ইয়াত হিন্দুৰ প্ৰসিদ্ধ বৰাহচ্ছত্ৰ তীৰ্থ আছে। আৰু ৰোহিণী নৈ নেপাল ৰাজ্যৰ সমতল ভূমিৰে বৈ যোৱা বৰ্তমান ৰোহিন নৈ। (N. L. Dey : *Geographical Dictionary of Ancient India*, p. 102 ; B. C. Law : *Geography of Early Buddhism*).

বস্তি জিলা গোৰখপুৰৰ পশ্চিম সীমাৰ লগা-লগি আৰু বেডেন পাওৱেলৰ মত অনুসাৰে কামৰূপ ৰাজ্যৰ পশ্চিম সীমা কেতিয়াবা কেতিয়াবা গোৰখপুৰ জিলালৈ বিস্তাৰ লাভ কৰিছিল ॥৩০॥

যোগিনী-তন্ত্ৰত কোলাপুৰ বা কোলানগৰৰ উল্লেখ আছে। ইয়াৰ ভৌগোলিক অৱস্থিতি আৰু ৰূপক আকাৰে কোলাসুৰৰ উৎপত্তিৰ বিষয়ে যি উপাখ্যান আছে তাৰপৰা কোলানগৰ কোলিয়সকলৰ কোলনগৰৰপৰা অভিন্ন যেন লাগে। সংস্কৃতৰ “কোল”শব্দৰ আভিধানিক ৰূপভেদ হৈছে--কোল, কোলা, কোলি, কোলী। কোলাপুৰৰ অৱস্থিতি এইদৰে নিৰ্ণয় কৰিছে—

ভদ্ৰপীঠং দাক্ষিণাত্যে মধ্যদেশস্য পাৰ্ব্বতি।
জালন্ধৰস্য পাশ্চাত্যে পূৰ্ণপীঠস্য পূৰ্ব্বতঃ॥
ঐশান্যাং পূৰ্ব্বভাগে চ কামৰূপং বিভাবয়।
জালন্ধৰস্য বায়ব্যে কোলাপুৰং তথোত্তৰে॥

(যোগিনীতন্ত্ৰ ২।১।১২-১৩)

—মধ্যদেশৰ ঈশান (উত্তৰ-পূব) কোণত কামৰূপ ; বায়ু (উত্তৰ-পশ্চিম) কোণত জালন্ধৰ (পঞ্জাব) ; উত্তৰ কোণত কোলাপুৰ ॥৩১॥

যোগিনীতন্ত্ৰৰ কোলানগৰ আৰু কোলাসুৰ ঃ

কোলানগৰৰ উৎপত্তিৰ বিষয়ে যোগিনীতন্ত্ৰত এইদৰে আছে। এসময়ত ব্ৰহ্মশাপত বিষ্ণুৰ পাপ উপজিল। সেই পাপ ক্ষয় কৰিবলৈ বিষ্ণুৱে হিমালয় পৰ্বতৰ ওচৰলৈ গৈ মহাকালীৰ মহাবিদ্যামন্ত্ৰ জপ কৰিবলৈ ধৰিলে। দহ হেজাৰ বছৰ মন্ত্ৰ জপ কৰাৰ পিছত মহেশ্বৰী সন্তুষ্ট হ'ল। দেবী সন্তুষ্ট হোৱা মাত্ৰকতে বিষ্ণুৰ হৃদয়ৰপৰা কোলা নামে অসুৰ এটি বাহিৰ ওলাই আহিল। সেই অসুৰে ব্ৰহ্মা, বিষ্ণু, ইন্দ্ৰ আদি সকলো দেবতাকে পৰাজয় কৰি দেবধাম অধিকাৰ কৰিলে। তেতিয়া সকলো দেবতাই গৈ কালীদেৱীক স্তুতি কৰি ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনালে। কালীয়ে কুমাৰী-ৰূপ ধাৰণ কৰি কোলানগৰলৈ গ'ল। কুমাৰী-ৰূপা দেবীয়ে কোলাৰজাক ক'লে—"মই মাউৰা ছোৱালী, বৰ ভোক লাগিছে, খাবলৈ দিয়া।" কোলাৰজাই কুমাৰীক অন্তঃপুৰলৈ লৈ গৈ বিবিধ খোৱা বস্তু যোগালে। ৰজাই খোৱা বস্তু দিয়ে হে দিয়ে কুমাৰীৰ ভোক নপলায়। কুমাৰীয়ে তৎক্ষণাৎ খাই অন্ত কৰি কয় "আকৌ দিয়া।" তেতিয়া ৰজাই বিবুধি হৈ ক'লে—"কুমাৰী, তোমাৰ যেনেকৈ তৃপ্তি হয়, তাকেই কৰা।" তেতিয়া কুমাৰীয়ে ৰজাৰ হাতী, ঘোঁৰা, ৰথ, সৈন্য-সামন্ত, স্বয়ং ৰজা, ৰাজকোঁৱৰ, বন্ধু-বান্ধব আটাইকে গিলি পেলালে। তাৰ পিছত দেবীৰ অন্তৰ্দ্ধান হ'ল (যোঃ তঃ ১।১৭।১-২২)

এই আখ্যান এটি ৰূপক মাথোন। এই আখ্যানৰ ব্ৰহ্মশাপগ্ৰস্ত ধ্যানী বিষ্ণু হৈছে স্বয়ং বুদ্ধদেৱ। যোগিনীতন্ত্ৰত কামৰূপৰ ধ্যানী জনাৰ্দন মূৰ্তিক বুদ্ধস্বৰূপ বুলি কোৱা হৈছে - জনাৰ্দ্দনঞ্চ দেবেশং কলৌ বৌদ্ধস্বৰূপিণম্ (যোঃ তঃ ২।৫।১২১)। ধ্যানী বুদ্ধ-বিষ্ণুৰ শৰীৰৰপৰা কোলা নামে বৌদ্ধ-অসুৰৰ উদ্ভৱ হ'ল। ভাগৱত-পুৰাণত বুদ্ধদেৱক বিষ্ণুৰ অৱতাৰ বুলি স্বীকাৰ কৰি তেওঁৰ উপাসকসকলক সুৰদ্বেষী বুলি কোৱা হৈছে। সুৰদ্বেষী বা অসুৰসকলৰ বিমোহনৰ বাবে বিষ্ণুৰ বুদ্ধ অৱতাৰ হয় -

> ততঃ কলৌ সম্প্ৰবৃত্তে সম্মোহায় সুৰদ্বিষাম্।
> বুদ্ধো নামাঞ্জনসুতঃ কীকটেষু ভবিষ্যতি ॥ (ভাগৱত ৩।১৭)

—এই বৌদ্ধসকলে ব্ৰহ্মা, বিষ্ণু, ইন্দ্ৰাদিক পদচ্যুত কৰিলে—তেওঁলোকৰ পূজা-পাটল বন্ধ হ'ল। তেতিয়া মহাদেবীয়ে তেওঁলোকক গ্ৰাস কৰিলে অৰ্থাৎ যোগিনীতন্ত্ৰমতে তেওঁলোক শাক্ত মতাবলম্বী হ'ল।

এই উপাখ্যানৰ মৰ্মকথা হিচাপে যি নৈতিক শিক্ষাৰ আদেশ আছে সেইটো মন কৰিব লগীয়া—"ব্ৰহ্মশাপৰ স্খলন নাই। বামুণৰ বচন বজ্ৰৰ নিচিনা। সেই কাৰণে বামুণ বিদ্বানেই হওক বা বিদ্যাহীনেই হওক, তেওঁ সৰ্বদায় পূজনীয়।" এই নীতিবচন বৌদ্ধসকলৰ বামুণৰ প্ৰতি অভক্তিৰ প্ৰতিবাদ মাথোন।

Pag-Sam-Jon-Zang (পাগ-চাম-জোন-জাং) নামক তিব্বতী ভাষাত ৰচিত বৌদ্ধ-ইতিহাসত কোলিয়সকলক প্ৰচণ্ড জাতি বুলি নিৰ্দেশ কৰা হৈছে বুলি ওপৰত উল্লেখ কৰা হৈছে। এই উপাখ্যানৰপৰা তেওঁলোকৰ প্ৰচণ্ডতাৰেই পৰিচয় পোৱা যায় ॥৩২॥

যোগিনীতন্ত্ৰ পুৰণি অসম ৰাজ্যত ৰচিত হোৱা গ্ৰন্থ। ইয়াত অসমৰ লগত সম্বন্ধ নথকা কোনো জাতিৰ বিষয় আখ্যান নাই। ইয়াত নৰকাসুৰ, কোচ (কুবাচ), সৌমাৰ (আহোম), যবন (মুছলমান), প্লব (ভুটীয়া) আদি কামৰূপত ৰাজত্ব কৰা জাতিবোৰৰহে অলৌকিক উৎপত্তিৰ কাহিনী আছে। এইবোৰৰ লগত হঠাৎ কোলাসুৰৰ অৱতাৰণাৰপৰা প্ৰত্যয় হয়, এই উপাখ্যানে জলপাইগুৰি, ৰঙ্গপুৰ, কোচবিহাৰ আদি পশ্চিমৰ ঠাইত কলিতাসকলৰ আধিপত্যক লক্ষ্য কৰিছে ॥৩৩॥

মঞ্জুশ্ৰীমূলকল্পৰ কামৰূপৰ কলবংশৰ নৃপতি :

যোগিনীতন্ত্ৰৰ কোল-নৃপতিৰ কথা আন গ্ৰন্থৰপৰাও সমৰ্থিত হয়। 'মঞ্জুশ্ৰীমূলকল্প' এখনি সংস্কৃত ভাষাত পুৰাণৰ ৰীতিৰে লিখা বৌদ্ধ ঐতিহাসিক গ্ৰন্থ। ইয়াত বুদ্ধদেৱৰ জন্মৰপৰা খ্ৰীঃ ৭৫০ শতাব্দীলৈ ভাৰতৰ নানা প্ৰদেশৰ প্ৰসিদ্ধ ৰাজবংশবোৰৰ প্ৰামাণিক ঐতিহাসিক তথ্য লিপিবদ্ধ হৈছে। প্ৰায় ১০৬০ খ্ৰীঃ শকত এই গ্ৰন্থৰ তিব্বতী অনুবাদ হয়। প্ৰসিদ্ধ ঐতিহাসিক পণ্ডিত ৺ডক্টৰ কাশীপ্ৰসাদ জয়সৱালে খ্ৰীঃ ১৯৩৪ চনত ইংৰাজী টোকাৰে সৈতে (*An Imperial History of India* নাম দি) গ্ৰন্থখন ছপায়। গ্ৰন্থখন একেখনি সাঁচিপতীয়া পুথিৰপৰা ছপোৱাত তাত বহুত পাঠাশুদ্ধি আছে বুলি তেওঁ কৈছে। তেওঁ তিব্বতী অনুবাদৰ সহায়েৰে পাৰ্যমানে পাঠ শুদ্ধ কৰিছে।

এই গ্ৰন্থত কামৰূপৰ কল-নামক (কলাখ্য) নৃপকুলৰ উল্লেখ আছে—

কামৰূপকলাখ্যা হি হিমাদ্ৰেঃ কুক্ষিমাশ্ৰিতাঃ।
বহৱো নৃপতয়ো প্ৰোক্তা উদ্ৰসন্ধিষু সৰ্ব্বদা ॥৬৩৮॥

—হিমালয়ৰ উপত্যকা (কুক্ষি) আশ্ৰয় কৰি থকা কামৰূপৰ কল-উপাধিধাৰী বহুত নৃপতিৰ উল্লেখ আছে। সাগৰ-সঙ্গমতো বহুত ৰজাৰ উল্লেখ আছে।

কামৰূপৰ তান্ত্ৰিক ধৰ্মৰ বিশেষত্বক লক্ষ্য কৰি কোৱা হৈছে—

সিধ্যতে চ তদা (তথা) তাৰা যক্ষৰাট্ চৈব মহাবলঃ।
হৰিকেলে কৰ্ম্মৰঙ্গে চ কামৰূপে কলশাহ্বয়ে ॥৯০০॥

—হৰিকেল, কৰ্ম্মৰঙ্গ, কামৰূপ আৰু কলশ নামক দেশত তাৰামন্ত্ৰ আৰু যক্ষৰাট্ মন্ত্ৰ সিদ্ধ হয়। 'মঞ্জুশ্ৰীমূলকল্প' মহাযানী বৌদ্ধগ্ৰন্থ। মহাযানীসকলে তন্ত্ৰ-মন্ত্ৰৰ বহুল চৰ্চা কৰিছিল।

যোগিনী-তন্ত্ৰৰ কোলৰজা আৰু 'মঞ্জুশ্ৰীমূলকল্প'ৰ কলাখ্য নৃপতি একে হ'ব পায়। অন্ততঃ দুয়োৰে থিতি হিমালয়ৰ কাষত ॥৩৪॥

মাৰ্কণ্ডেয়-পুৰাণৰ কুলট, কুলা-কণীয়া আৰু এ-ঠেঙীয়া জাতিৰ অৱস্থিতি ঃ

অসমীয়া কলিতাৰ ঐতিহ্যত এ-ঠেঙীয়া আৰু কুলা-কণীয়া জাতিৰ লগত কলিতাদেশৰ উল্লেখ আছে (ছেদ ৩)। মাৰ্কণ্ডেয় পুৰাণে এই ঐতিহ্য সমৰ্থন কৰে। তাতো একপাদ (এ ঠেঙীয়া) আৰু শূৰ্পকৰ্ণ (কুলা কণীয়া) জাতিৰ লগৰ কুলট (কলিতা) জাতিৰ উল্লেখ আছে ঃ—

... ...

শূৰ্পকৰ্ণো ব্যাঘ্ৰমুখো মুৰ্ব্বৰঃ কৰ্ব্বটাশনঃ ॥১১

....

প্ৰাগ্‌জ্যোতিষাঃ সলৌহিত্যাঃ সামুদ্ৰাঃ পুৰুষাদকাঃ।

... ...

বৰ্দ্ধমানাঃ কোসলাশ্চ মুখে কূৰ্ম্মস্য সংস্থিতাঃ ॥

মাৰ্কণ্ডেয় ৫৫।১১-১৩

—শূৰ্পকৰ্ণ, প্ৰাগজ্যোতিষ, বৰ্দ্ধমান, কোসল আদি দেশ পূৰ্বদিশত আছে।

দৰদাশ্চ গণাশ্চৈব **কুলটা** বনৰাষ্ট্ৰকাঃ ॥

... ...

একপাদাঃ খশা ঘোষাঃ স্বৰ্গভৌমা নবষ্ঠকাঃ ॥

... ...

পূৰ্ব্বোত্তৰস্তু কূৰ্ম্মস্য পাদমেতে সমাশ্ৰিতাঃ ॥ ৫৫।৪৮-৫৩

—কুলট, একপাদ, খশ (নেপালী) আদি জাতিৰ মানুহ উত্তৰ-পূব দিশত থাকে ॥৩৫॥

কালিকাপুৰাণৰ গুপ্ত-ক্ষত্ৰিয় ঃ

কালিকাপুৰাণত পুৰণি কামৰূপ জিলাৰ অন্তৰ্গত (বৰ্তমান বঙ্গদেশৰ ভিতৰুৱা) জলপাইগুৰি জিলাত গুপ্ত-ক্ষত্ৰিয় জাতি এটি আছিল বুলি উল্লেখ আছে। তেওঁলোকে হেনো জামদগ্ন্যৰ (পৰশুৰাম)ৰ ভয়ত আত্ম-গোপন কৰি মনে মনে জল্পেশ্বৰ শিবৰ পূজা চলাইছিল—

জামদগ্ন্যভয়াদ্ভীতাঃ ক্ষত্ৰিয়া পূৰ্ব্বমেব যে।

ম্লেচ্ছছদ্মান্যুপাদায় জল্পীশং শৰণং গতাঃ ॥

তে ম্লেচ্ছবাচঃ সততমাৰ্য্যবাচশ্চ সৰ্ব্বদা।

জল্পীশং সেবমানাস্তে গোপায়ন্তি চ তং হৰম্ ॥

কালিকাপুৰাণ ৭৭।৩০—৩১।

—"পূৰ্বৰ ক্ষত্ৰিয় কিছুমানে পৰশুৰামৰ ভয়ত ম্লেচ্ছভেশ লৈ জল্পীশ শিবত শৰণ লৈছে। তেওঁলোকে সদায় ম্লেচ্ছ ভাষাত কথা কৈ নিজৰ আৰ্যভাষা গোপন কৰে। জল্পীশ শিবকো তেওঁলোকে লুকাই ৰাখে ॥৩৬॥

স্থানবাচক—ত(ট) প্ৰত্যয় :

আৰ্য্য সংস্কৃত ভাষাত স্বাৰ্থে অৰ্থাৎ শব্দৰ অৰ্থৰ সাল-সলনি নকৰাকৈ ক-প্ৰত্যয়ৰ বহুল ব্যৱহাৰ হয়। যেনে, বাল, বালক ; তাৰা, তাৰকা ; লতা, লতিকা ইত্যাদি। এই ক-প্ৰত্যয় সকলো শ্ৰেণীৰ শব্দৰ পিছতেই ব্যৱহৃত হয়। পুৰাণ, জাতক আদি গ্ৰন্থতো স্থানবাচক শব্দৰ শেষত এই ক-প্ৰত্যয় ব্যৱহাৰ হোৱা দেখা যায়। কিন্তু কালক্ৰমে এই ক-প্ৰত্যয়ৰ ঠাই অনাৰ্য্য অষ্ট্ৰিক ভাষাৰ ত(ট) প্ৰত্যয়ে অধিকাৰ কৰিব ধৰিলে। অষ্ট্ৰিক ভাষাত ত(ট) স্বাৰ্থিক প্ৰত্যয় নহয়। স্থানবাচক শব্দৰ পিছতহে ইয়াৰ ব্যৱহাৰ হয়। উত্তৰ ভাৰতৰ অসম, বঙ্গ, বিহাৰ আদি দেশত অষ্ট্ৰিক ভাষাৰ প্ৰভাৱ বৰ বেছি। সেই কাৰণে বহুত স্থানবাচক শব্দৰ পিছত ত-প্ৰত্যয় দেখা যায়। পুৰাণ আদি গ্ৰন্থতো এই ত-প্ৰত্যয় দেখা যায়। একে শব্দৰ পিছতে ঠাই অনুসাৰে 'ক' বা 'ত' দেখা যায় ; যেনে, কোলূক, কোলূত, , কুলূক, কুলূত -একেখন ঠাইৰে নাম,—বৰ্তমান পঞ্জাবৰ কুলু জিলাৰ পুৰণি নাম। সেইদৰে, কোলিক, কুলিক, কোলিত—মোগ্‌গলানৰ জন্মস্থান। নালগ্ৰাম, নালদ(ত) গ্ৰাম।

বৰ্তমান কালতো ত-প্ৰত্যয়ৰ বহুল ব্যৱহাৰ আছে, যেনে, কামতা, চামতা, বকতা, চাপটগ্ৰাম, দিপ্তা (অসমৰ গাঁওৰ নাম)। ভাবতা, শকটী (বঙ্গদেশৰ বগুৰা জিলাৰ গাঁওৰ নাম)।

এই নিয়ম সাদৃশ্যেৰে কোলনগৰ=কোলতা, কোলি বা কোলিকনগৰ=কোলিতা ; কুলনগৰ=কুলট।

পুৰাণ, জাতক আদি গ্ৰন্থত জনপদ আৰু জাতিৰ নাম অনেক সময়ত অভিন্ন। যেনে, কামৰূপ= কামৰূপদেশ আৰু কামৰূপী মানুহ ; বঙ্গ=বঙ্গদেশ আৰু বঙ্গালী মানুহ। সেইদৰে কুলট=কুলটদেশ আৰু কুলূতা মানুহ।

সংস্কৃত শব্দৰ প্ৰথম স্বৰবৰ্ণ ও-, কেতিয়াবা কেতিয়াবা উ-, হয়, যেনে কোলূত, কুলূত ; কোলিক, কুলিক। সংস্কৃত কোল=বঙ্গলা কুল।

সেইদৰে সংস্কৃত শব্দৰ প্ৰথম স্বৰবৰ্ণ উ-, ঊ-, অসমীয়া বঙ্গালী আৰু বিহাৰী ভাষাত অ-, হয় যেনে,

সঃ কোৰ=অঃ কৰ। সঃ চুল্লক=অঃ চলু ;

সঃ গোৰক্ষ=অঃ গৰখীয়া। এইবোৰ বিষয়ৰ বিশেষ আলোচনাৰ বাবে চোৱাঁ B. Kakati : *Assamese, Its Formation and Development*, §§ 86, 216. স্বৰবৰ্ণৰ সাল-সলনিৰ নিয়ম অনুসাৰে কোলতা, কুলূতা, কলূতা একে শব্দৰেই ৰূপান্তৰ মাথোন।

সেইদৰে কোল, কুল, কল একে শব্দৰেই ৰূপান্তৰ ॥৩৭॥

থেন জাতি :

ওপৰত উল্লেখ কৰা (ছেদ ৩) অসমীয়া কিম্বদন্তীত আছে যে কলিতাৰাজ্য এখন এতিয়াও

আছে আৰু এদিন কলিতা ৰজা ওলাই সমস্ত কামৰূপ ৰাজ্যতেই ৰাজত্ব কৰিব। বুকানন-হেমিল্টন-নামক ইংৰাজ প্ৰত্নজ্ঞ পণ্ডিতে কয় যে খেন-বংশী নীলাম্বৰ ৰজাৰ বিষয়েহে এনেকুৱা জনপ্ৰবাদ আছে (*District Gazetteer*, Rangpur, 1911, p. 23) কিন্তু যোগিনীতন্ত্ৰমতে কোচৰাজবংশ প্ৰতিষ্ঠাতা বেণুসিংহৰ বিষয়েহে এই জনঘোষ খাটে :—

তেঽপি সৰ্ব্বে ৰেণুসিংহে যোগমাশ্ৰিত্য বিহ্বলে।
তিষ্ঠন্তি ব্যক্তৰূপেণ পদমাকল্পমম্বিকে॥
. ...
যদা যদা ব্ৰহ্মশাপঃ কামাখ্যায়াঃ ভবেৎ পুনঃ।
তদা তদাবতীৰ্ণোঽসৌ স্বস্য কামস্য পালকঃ।
তদা তদ্বংশজাঃ সৰ্ব্বে ভবেয়ুঃ কামপালকাঃ॥

যোঃ তঃ ১।১৩।১৭,২৩

কিন্তু নীলাম্বৰ ৰজাৰ শেহ অবস্থাৰ যি ঐতিহাসিক বৰ্ণনা আছে, এই কিম্বদন্তী তেওঁতহে বিশেষকৈ খাটে যেন লাগে। নীলধ্বজ, চক্ৰধ্বজ আৰু নীলাম্বৰ তিনিজন খেন-বংশৰ ৰজা। খ্ৰীষ্টীয় পোন্ধৰ শতিকাৰ মাজভাগত কোচবিহাৰৰ কামতানগৰত খেন-বংশী নীলধ্বজে ৰাজ্য পাতে। প্ৰবাদ আছে নীলধ্বজ সৰুতে এজন ব্ৰাহ্মণৰ গৰখীয়া আছিল। ব্ৰাহ্মণে তেওঁৰ বিষয় ভবিষ্যদ্বাণী কৰিছিল যে তেওঁ এদিন ৰজা হ'ব। ব্ৰাহ্মণৰ সহায়ত নীলধ্বজে পালবংশী ৰজাক খেদি নিজে কামতাৰ ৰজা হ'ল আৰু ব্ৰাহ্মণক মন্ত্ৰী পাতিলে আৰু মিথিলাৰপৰা ভাল ব্ৰাহ্মণ কামতালৈ আনিলে। তেওঁৰ পিছত চক্ৰধ্বজ আৰু চক্ৰধ্বজৰ পিছত নীলাম্বৰ ৰজা হয়। খ্ৰীঃ ১৪৯৮ শকত গৌৰৰ সেনাপতি হুচেন শাহে নীলাম্বৰৰ ৰাজ্য আক্ৰমণ কৰে আৰু কৌশলেৰে নীলাম্বৰক লোহাৰ পিঁজৰাত ভৰাই গৌৰলৈ নিয়াবৰ হুকুম দিলে। বাটত যাওঁতে কেনেবাকৈ নীলাম্বৰ পিঁজৰাৰপৰা ওলাই ক'ৰবালৈ পলাল। তেওঁৰ বিষয় আৰু ইতিহাসে কোনো কথা নুশুনিলে। তেওঁ পলাইছেহে, মৰা নাই—এই বিশ্বাসৰপৰা তেওঁ আকৌ আহি এদিন ৰাজপাটত বহিব বুলি লৌকিক আশা এটি কালৰ সোঁতত বাগৰি অহা স্বাভাবিক। যোগিনীতন্ত্ৰ ষোল্ল শতাব্দী বা তাৰ পিছৰ গ্ৰন্থ আৰু তাত কোচবংশী ৰজাৰ প্ৰভাৱ পৰিছে। তেওঁলোকৰ মনঃতুষ্টিৰ বাবে যুগে যুগে তেওঁলোকৰ পূৰ্ব-পুৰুষৰ আবিৰ্ভাব হোৱাৰ কথা আৰোপ কৰা হয়।

বুৰঞ্জীত নীলধ্বজ আদি কামতাৰ ৰজা তিনিজনক খেন-বংশী বুলি কোৱা হয়। 'খেন' এটি আচহুৱা শব্দ। বুৰঞ্জীত শব্দটোৰ অৰ্থ দিয়া হোৱা নাই। 'খেন' অনাৰ্য্য অষ্ট্ৰিক ভাষাৰ শব্দ, ইয়াৰ অৰ্থ 'শিশু' 'ছ'লি' আৰু "খেন-ৰেই" মানে 'মাউৰা শিশু'; নীলধ্বজৰ সৰুতে নিঠৰুৱা অৱস্থাক লক্ষ্য কৰি তেওঁক হয়তো খেন-ৰেই বোলা হৈছিল। লৌকিক ভাষাত খেন-ৰেই = খেন-ৰায় = খেন-ৰাজ হ'ব পাৰে। আহোম বুৰঞ্জীতো ৰত্নধ্বজসিংহক ল'ৰা-ৰজা বোলা হয়।

খেন-ৰজাৰ নাম বা বংশ অনুসাৰে জনাজাত হোৱা খেন-জাতিৰ মানুহ এতিয়াও ৰঙ্গপুৰ জিলাত আছে। ১৯১১ খ্ৰীঃ শকৰ গণনা অনুসাৰে তেওঁলোকৰ সংখ্যা আছিল ১২০০০। তেওঁলোক বিশুদ্ধ হিন্দু আৰু বঙ্গদেশৰ নবশাখ শ্ৰেণীৰ বামুণে তেওঁলোকৰ ক্ৰিয়া-কৰ্ম কৰে। তেওঁলোকৰ প্ৰধান ব্যৱসায় কৃষি। প্ৰত্নজ্ঞসকলৰ মতে তেওঁলোকেই অসমৰ কলিতা ॥৩৮॥ (H. N. Choudhury : *The Cooch-Bihar State*, 1903, p. 128 ; Risley ; *Tribes and Castes of Bengal*, Vol. 1, p. .89.

কোলিয় জাতি ঃ

অযোধ্যা আৰু যুক্তপ্ৰদেশত কোলিয় বুলি এজাতিৰ মানুহ আছে। তেওঁলোকৰ প্ৰধান ব্যৱসায় কথকতা (পৌৰাণিক আখ্যান আদি ব্যাখ্যা কৰা), গান-বাজনা শিকোৱা আৰু ছিটৰ কাপোৰত ফুলৰ চাব মৰা আদি কাম। তেওঁলোকৰ আচাৰ-ব্যৱহাৰ বামুণৰ দৰে। তেওঁলোকে যি ব্যৱসায় কৰে, সেই ব্যৱসায় সেই দেশৰ বামুণ, কায়স্থ আদিয়েও কৰে। তেওঁলোকক কৌলিক (tribal) জাতি বুলি ধৰি লোৱা হয়। তেওঁলোকৰ আঁতি-গুৰি নজনাৰ বাবে তেওঁলোক কোলিয়-ক্ষত্ৰিয়ৰ এটি ঠাল হয় নে নহয় সঠিককৈ ক'ব নোৱাৰি। নামৰ সাদৃশ্যৰপৰা কোলিয়-ক্ষত্ৰিয় হলেও হ'ব পাৰে ॥৩৯॥ (*The Tribes & Castes of North Western Provinces & Oudh*, 4 Vols., 1896 : Vols. II, p. 222 ; Vol. III, pp. 172 - 174, by W. Crooke.)

বৰ-কলিতা আৰু সৰু-কলিতা ঃ

কলিতাসকলৰ ভিতৰত বৰ-কলিতা আৰু সৰু-কলিতা বুলি দুটি শ্ৰেণী বিভাগ আছে। বৰ-কলিতাৰ আন এটি নাম সজ-কলিতা। কথা গুৰু-চৰিত পুথিত ভবানন্দ ঠাকুৰ আতাৰ বিয়াৰ কথাত এইদৰে আছে—"সজ-কলিতা চাই আতৈলৈ এটি কন্যা বিবাহ কৰাই আনিলে। বৰ-কলিতা জি ঘৰৰ আশ্ৰইত আছে, তাৰে দুহিতৃটি আছে।" সজ শব্দ সংস্কৃত 'সহজ' শব্দৰ অসমীয়া ৰূপান্তৰ। সহজ=স্বাভাৱিক, বংশগত। 'সজ' কলিতা মানে কলিতাকুলত জন্ম-হোৱা মানুহ। সৰু-কলিতা= কলিতাসকলৰ লগত অহা বা কলিতাদেশৰ মানুহ।

জাতক, পুৰাণ আদিৰপৰা জনা যায় আগৰ দিনত কোনো এটি প্ৰবল জাতিৰ নাম অনুসাৰে কোনো এখন ঠাইৰ নাম হয়। তাত যে আন জাতৰ মানুহ নেথাকিছিল এনে নহয়। শাক্যদেশত শাক্য-ক্ষত্ৰিয়সকলৰ ৰাজকীয় প্ৰাধান্য থাকিলেও তাত ব্ৰাহ্মণ, বৈশ্য, শূদ্ৰ মানুহো আছিল। সেইদৰে কলিতাৰাজ্যতো হৰেক শ্ৰেণীৰ মানুহ আছিল। আগৰ দিনত পশ্চিমৰপৰা অহা মানুহ মাত্ৰককেই অসমত কলিতা বুলিছিল, যেনেকৈ আজি-কালিৰ দিনত পশ্চিমৰপৰা অহা সকলো বিদেশীকেই বঙ্গাল বোলা হয়। তাৰ ভিতৰত যিবোৰ প্ৰকৃত কলিতা, সেইবিলাক বৰ-কলিতা, আন সকলো সৰু-

কলিতা। মাটিন চাহাবৰ বুৰঞ্জীত শঙ্কৰদেৱ আৰু মাধবদেৱকো কলিতা বুলি নিৰ্দেশ কৰা হৈছে। মাৰ্টিন চাহাবে যে কায়স্থ বুলি জাতি এটিৰ কথা নেজানিছিল তেনে নহয়। বৰং কলিতাই কেনেকৈ অলপ লিখা-পঢ়া শিকি কায়স্থ বুলি কয়—এইটো উল্লেখ কৰি তেওঁ ইতিকিং কৰিছে ॥৪০॥

চতুৰ্থ অধ্যায়

সমালোচনা আৰু সামৰণি

কলিতাজাতিৰ ইতিবৃত্তৰ বিষয়ে ওপৰত যিবোৰ প্ৰমাণবস্তুৰ অৱতাৰণা কৰা হৈছে, সেইবোৰ পৰস্পৰ অবিসম্বাদী—এটি মূলৰ কথা আন এটিয়ে সমৰ্থন কৰে। ঐতিহ্যৰ কথা বুৰঞ্জীয়ে আৰু বুৰঞ্জীৰ কথা ঐতিহ্য, জনশ্ৰুতি আদিয়ে প্ৰমাণ কৰে। স্থূলতঃ পুনৰালোচনা কৰি চালে পোৱা যায় যে কলিতা নামে জাতি এটিয়ে ভাৰতৰ মধ্যদেশৰ পৰা পুব, পশ্চিম, উত্তৰ, দক্ষিণ ফালে পৰিযাত্ৰা কৰে। আওচৰীয়া ঠাইত আশ্ৰয় গ্ৰহণ কৰাৰ কাৰণে আন জাতিৰ লগত মাৰ নগৈ তেওঁলোকে নিজৰ নামেৰে অস্তিত্ব ৰাখি আছে। অসমৰ ফালে যিটো শাখা ঢাল খায়, তেওঁলোক অতি প্ৰবল আৰু বিশিষ্ট আছিল, সেই কাৰণে আগৰ দিনৰ অসমবাসীবিলাকক কলিতা আৰু আন জাতি বুলি ভাগ কৰা হৈছিল। তেওঁলোকে পৌৰোহিত্য, ৰাজ্য পতা আদি কাম কৰাৰো উল্লেখ আছে। এটি শাখাই গৈ পূব-অসমৰ সদিয়া সীমান্ত অঞ্চলত ৰাজ্য পাতি আছিল, সেই ৰাজ্য লোপ হয় আহোমৰজা ৰাজেশ্বৰসিংহৰ দিনত (খ্বঃ ১৭৫১—১৭৬৯)। কলিতাৰ ৰাজত্ব আগেয়ে হিমালয়ৰ উপত্যকা বা অসমৰ সমভূমিত আছিল বুলি 'মঞ্জুশ্ৰীমূলকল্প'ত আছে। অসমৰ আদিম জাতিবোৰৰ অভ্যুত্থানৰ হেচাত বা আন কোনো প্ৰবল জাতিৰ প্ৰতিদ্বন্দ্বিতাত তেওঁলোকৰ ৰাজ্য সদিয়া সীমান্তভূমি লৈ হুহুকি গৈছিল। সদিয়াৰ পালবংশীসকলৰ ৰাজত্বৰ লোপ হয় ছুটীয়াৰ আক্ৰমণত ॥৪১॥ (ছেদ ৮)

এই প্ৰবন্ধৰ ৮ ছেদত উল্লেখ কৰা পালবংশী ৰজাসকল উজনীৰ পৰা ভাটী অঞ্চলৰ ফালে ৰাজ্য বিস্তাৰ কৰাৰ উল্লেখ আছে। পালবংশীসকলৰ বিষয়ে মন কৰিব লগীয়া কথা এইকেইটা—(১) সেইবংশ প্ৰতিষ্ঠাতা ব্ৰহ্মপাল প্ৰজাসকলৰ দ্বাৰা ৰজা নিৰ্বাচিত হৈছিল—"স্বামীতি প্ৰবিচিন্ত্য তৎপ্ৰকৃতয়ো ভূভাৰৰক্ষাক্ষমম্। সাগন্ধ্যাৎ পৰিচক্ৰিৰে নৰপতিং শ্ৰীব্ৰহ্মপালং হি যং (ৰত্নপালৰ তাম্ৰশাসন, শ্লোক ৯-১০)। ব্ৰহ্মপালৰ ৰাজত্ব কাল ১০ম শতাব্দীৰ শেষ ভাগ। ৮ম শতাব্দীত গৌৰৰ বৌদ্ধ পালবংশৰ প্ৰতিষ্ঠাতা গোপাল ৰজাকো প্ৰজাসকলে নিৰ্বাচন কৰিছিল। ৰজা-নিৰ্বাচনৰ প্ৰথাৰ বিষয়ে চোৱা (ছেদ ১৯)। বৌদ্ধসংঘবোৰৰ ভিতৰত নিৰ্বাচন প্ৰথা এটি এৰিব নোৱৰা নীতি।

(২) এই বংশৰ পুৰন্দৰপালে পৰশুৰামৰ বাহুবলৰ দ্বাৰা পৰাভূত ৰাজ্যৰ অৰ্থাৎ বৰ্তমান পৰশুৰামকুণ্ডৰ ওচৰত থকা কোনো ৰজাৰ কন্যা দুৰ্লভাক বিয়া কৰাইছিল (ছেদ ৮)। ব্ৰহ্মপাল আৰু তেওঁৰ পূৰ্বপুৰুষসকলে "ম্লেচ্ছ" শালস্তম্ভীয়সকলৰ ৰাজত্বৰ সময়ত তিনি শ বছৰ কাল পুব দিশতেই 'কোণ-ঠেসা' হৈ আছিল। শালস্তম্ভীয়সকলৰ পতনৰ পিছত তেওঁ সেই অঞ্চল এৰি আহে। ৰত্নপালৰ শাসনত ৰাজধানীৰ নাম আছে দুৰ্জয়া বুলি। এই দুৰ্জয়া বৰ্তমান নগাঁও জিলাত—দুৰ্জ্জয়াখ্যে বৰগিৰৌ ইত্যাদি (কালিকা-পুৰাণ, ৭৯।১৪৭)। ধৰ্মপালৰ শাসনত উল্লিখিত 'কামৰূপনগৰো' নগাঁও জিলাৰ কামপুৰ বুলি ভাবিবৰ কাৰণ আছে। ৰত্নপালৰ শাসনৰ দ্বাৰা প্ৰদত্ত ভূমি "কলঙ্গাবিষয়ান্তঃপাতী" বুলি উল্লেখ আছে। কলঙ্গা বিষয় নগাওঁৰ কলং নদীৰ ওচৰত থকা ঠাইৰ নাম।

(৩) ইন্দ্ৰপালৰ প্ৰথম শাসনত 'তথাগত' শব্দৰ ব্যৱহাৰ আছে—উত্তৰেণ তথাগত-কাৰিতাদিত্য-ভট্টাৰকসৎকশাসনভবিষা ভূসীম্নি ইত্যাদি। বৌদ্ধ-শাস্ত্ৰত 'তথাগত' বুদ্ধৰ এটি নাম। ইয়াত অৱশ্যে এজন মানুহৰ নাম, যিজনে শাসন নিৰ্মাণ কৰাইছিল। ৰাম, কৃষ্ণ আদি হিন্দু নামৰ দৰে 'তথাগতো' বৌদ্ধসমাজত মানুহৰ নাম আছিল (যেনে বুদ্ধঘোষ, বুদ্ধগুপ্ত, তথাগতগুপ্ত)। শাসনৰ তলৰ শাৰীতেই "পশুপতিকাৰিত" বুলি দক্ষিণ সীমাৰ নিৰ্মাতা পশুপতি নামৰ মানুহক নিৰ্দেশ কৰিছে। প্ৰকাশ্যে শৈৱমতাবলম্বী হলেও, তেওঁলোকৰ ভিতৰত বৌদ্ধ-মতবাদ চলিব পাৰে। ৮ম শতাব্দীৰ গৌৰৰ পালবংশীসকলৰ সময়ত কলিতা-পণ্ডিত কামৰূপলৈ অনাৰ উল্লেখ বুৰঞ্জীত আছে (ছেদ ২)। উজনীৰ সীমান্ত অঞ্চলত কলিতাদেশৰ অৱস্থিতিও বুৰঞ্জীয়ে প্ৰমাণ কৰে। কলিতাসকল যদিহে বৌদ্ধ আছিল, আৰু যদিহে পালবংশীসকলৰ লগত বৈবাহিক সম্বন্ধ ঘটিছিল, তেনেহলে পালবংশীসকল হয় বৌদ্ধ-কলিতাৰেই এটি শাখা নাইবা আগেয়ে বৌদ্ধ-প্ৰভাবান্বিত কোনো এটি জাতি ॥৪২॥

কলিতাসকল কেতিয়া আহি অসমত সোমায়, বৰ্তমান ঐতিহাসিক উপাদানৰপৰা প্ৰত্যক্ষভাবে প্ৰমাণ কৰা টান। পৰোক্ষভাৱে আনুষঙ্গিক ঘটনাৰ সহায়েৰে সময়ৰ সীমা এটি নিৰ্দ্ধাৰণ কৰিব পাৰি। কলিতাসকল বৌদ্ধ আছিল এইটো নিশ্চিত। বেডেন পাওৱেলৰ স্পষ্ট উক্তি আছে আৰু বৌদ্ধ নহলে ব্ৰাহ্মণত বাজে আন জাতিয়ে পৌৰোহিত্য কৰাৰ প্ৰথা নাই ॥৪৩॥

চীনা পৰিব্ৰাজক ফা-হিয়ানে খ্ৰীঃ ৫ম শতিকাৰ আগ ভাগতেই (৩৯৯—৪১৪) ভাৰত-ভ্ৰমণ শেষ কৰে। তেওঁ ৰামগ্ৰামৰ অস্থিস্তূপ পৰিদৰ্শন কৰিছিল। ৰামগ্ৰামৰ তেতিয়া ভগ্নাবস্থা। মানুহ নাই নাই অৱস্থা।

হিউৱেন-চাঙৰ ভ্ৰমণকাল খ্ৰীঃ ৭ম শতিকাৰ পহিলা আধাডোখৰ (৬৩০ - ৬৪৫)। তেতিয়া কামৰূপত ৰজা ভাস্কৰবৰ্মা আৰু উত্তৰ ভাৰতত সম্ৰাট হৰ্ষবৰ্দ্ধন। হিউৱেন-চাঙো ৰামগ্ৰামলৈ গৈছিল। ৰামগ্ৰামত মানুহ-দুনুহ নাই, অস্থিস্তূপ ৰক্ষা কৰি এজন মাত্ৰ শ্ৰমণ আছিল। ইয়াৰপৰা দেখা গ'ল ফা-হিয়ানৰ ভ্ৰমণৰ অৰ্থাৎ চতুৰ্থ শতিকাৰ আগতেই ৰামগ্ৰামৰ কোলিয়সকলে স্থানত্যাগ আৰম্ভ কৰিছে। ইফালে কুষাণ-সম্ৰাট কনিষ্কৰ দিনত খ্ৰীঃ ১ম শতিকাত মহাযান বৌদ্ধসম্প্ৰদায় সংগঠিত হয়

আৰু মহাযানীসকলে দেশে-বিদেশে বুদ্ধদেৱৰ নিৰ্বাণতত্ত্ব প্ৰচাৰ কৰে। পূৰ্ব দিশৰ জাভা, সুমাত্ৰা, বালি দ্বীপ আৰু দক্ষিণ ব্ৰহ্মদেশলৈ আহিবৰ পানীৰ বাট আছিল দক্ষিণ-পশ্চিম বঙ্গদেশৰ তাম্ৰলিপ্তৰপৰা, আৰু উত্তৰ ব্ৰহ্মদেশলৈ আহিবৰ এটি বাট আছিল অসমৰ ভিতৰেদি মণিপুৰৰ মাজেৰে। পণ্ডিতসকলৰ অনুমান খ্ৰীঃ দ্বিতীয় শতাব্দীৰপৰা উত্তৰ ভাৰতৰ ঔপনিবেশিকসকলৰ পৰিযাত্ৰা আৰম্ভ হয় ॥৪৪॥

এইটো আচৰিত যে যদিও পুৰণি কামৰূপ ৰাজ্যৰ উত্তৰে তিব্বত, দক্ষিণে সমতল (পূৰ্ববঙ্গ), পশ্চিমে পুণ্ড্ৰবৰ্দ্ধন (উত্তৰ বঙ্গ) আদি ঠাইত সঙ্ঘাৰাম, বিহাৰ আদি প্ৰতিষ্ঠানৰ সহায়েৰে বৌদ্ধধৰ্ম সংস্থাপিত হৈছিল তথাপি পুৰণি কামৰূপত প্ৰকাশ্যে স্বীকৃতভাৱে বৌদ্ধধৰ্মই প্ৰতিপত্তি লাভ কৰিব পৰা নাছিল। হিউৱেন-চাঙে ভ্ৰমণ-কাহিনীত লিখিছে যে ভগবান বুদ্ধৰ আবিৰ্ভাৱৰ পৰা ৭ম শতিকালৈ কামৰূপ ৰাজ্যত এটি সঙ্ঘাৰামো নিৰ্মিত হোৱা নাই। কিন্তু বৌদ্ধমতাবলম্বী যে নাছিল এনে নহয়। যিবোৰ বৌদ্ধ আছিল তেওঁলোকে বিশুদ্ধ বৌদ্ধমতাবলম্বী আছিল, তেওঁলোকে গোপনে উপাসনা কৰে (বুদ্ধদেৱৰ নাম জপ কৰে) আৰু এইখিনিতেই শেষ। হিউৱেন-চাঙৰ উক্তিৰপৰা দেখা যায় বৌদ্ধমত ৰাজহুৱাভাৱে পুৰণি অসমত স্বীকৃত হোৱা নাছিল, আৰু ৰজাৰপৰাও কোনো ৰকমৰ আশ্ৰয়-সাহায্য পোৱা নাছিল। সেই বাবে মঠ-মন্দিৰ আদিও নিৰ্মাণ হোৱা নাছিল। কিন্তু গোপনে ব্যক্তিগতভাৱে বৌদ্ধমতী লোক আছিল। এতেকে দেখা গ'ল যে ৭ম শতিকাত বৌদ্ধধৰ্ম অসমত সোমাইছে ॥৪৫॥

বেডেন পাওৱেলে হিন্দু ৰজাৰ উৎপীড়নত বৌদ্ধ-কলিতাসকলে চাৰিওফালে পৰিযাত্ৰা কৰিছে বুলি কৈছে। ভাৰতৰ ইতিহাসত তিনিবাৰ বৌদ্ধ উৎপীড়ন হোৱাৰ উল্লেখ আছে। মৌৰ্য্যবংশৰ পিছতেই ব্ৰাহ্মণ সুঙ্গ বংশে উত্তৰ ভাৰতত ৰাজত্ব কৰে খ্ৰীঃ পূঃ ১৮৫-৭৩)। মৌৰ্য্যকুলৰ শেষ-ৰজা বৃহদ্ৰথক হত্যা কৰি ব্ৰাহ্মণ-মন্ত্ৰী পুষ্যমিত্ৰ ৰজা হয়। তেওঁ অশ্বমেধ যজ্ঞ কৰি, হিন্দুধৰ্মৰ মাহাত্ম্য প্ৰচাৰ কৰি বৌদ্ধ উৎপীড়ন আৰম্ভ কৰে। 'মঞ্জুশ্ৰীমূলকল্প'ত আছে যে পূৰ্ব দিশৰপৰা কাশ্মীৰৰ দুৱাৰমুখলৈ ৰাজ্য বিস্তাৰ কৰি মূৰ্খই (পুষ্যমিত্ৰই) বিহাৰবোৰ ধ্বংস কৰিব আৰু ভিক্ষুসকলক বিনাশ কৰিব। এয়ে বৌদ্ধ-উৎপীড়নৰ সূচনা। তাৰ পিছত হুণ মিহিৰগুলে (৫০০-৫৪২) কাশ্মীৰ আদি উত্তৰ-পশ্চিম ভাৰতত বৌদ্ধৰ ওপৰত অত্যাচাৰ কৰে। অসমৰ ওচৰত গৌৰৰ ব্ৰাহ্মণ-ৰজা শশাঙ্কয়ো (খ্ৰীঃ ৫৯০—৬০৬) বৌদ্ধ উৎপীড়ন কৰে। শশাঙ্কক ৰণত হৰুৱাই কনৌজৰ হৰ্ষবৰ্দ্ধন ৰজা হয় (খ্ৰীঃ ৬০৬—৬৪৭)। হৰ্ষবৰ্দ্ধনৰ ৰাজত্বৰ কালতেই হিউৱেন-চাঙ ভাৰতলৈ আহে। কাশ্মীৰৰ ৰজা মেঘবাহনে ৬ষ্ঠ শতাব্দীত কামৰূপৰ ৰাজ-কুঁৱৰী বিয়া কৰায় (ছেদ ১৩)। এইবোৰ তাৰিখ মিলাই চালে খ্ৰীঃ ২০০—৫০০ শতাব্দীৰ ভিতৰত কলিতাবোৰ কামৰূপৰ ফালে যাত্ৰা কৰে বুলি অনুমান কৰিব পাৰি ॥৪৬॥

কলিতা আৰু ক্ষত্ৰিয় সমানাৰ্থক বুলি আগৰ দিনৰপৰাই জনশ্ৰুতি চলি আহিছে (ছেদ ৬)। কেৱল ঐতিহাসিক আলোচনাৰ অভাৱত কলিতা শব্দটোৰ 'কুল-লুপ্ত' আদি মন-গঢ়া শব্দৰ লগত সাদৃশ্য দেখুৱাবৰ চেষ্টা চলি আহিছে। এক হিচাপে কলিতাবোৰ কুল-লুপ্ত হয়—বৌদ্ধমতৰপৰা

আকৌ হিন্দুমতলৈ অহাত ; কিন্তু কুল-লুপ্তৰ অৰ্থ ধৰ্মান্তৰ গ্ৰহণ নহয়। কুল-লুপ্তত্বৰ দায়িত্ব পুৰাণৰ ক্ষত্ৰিয় বিনাশী পৰশুৰামৰ ঘাৰত চপাই দিয়া হৈছে। পুৰাণৰ মতে পৰশুৰাম ত্ৰেতা যুগৰ আগডোখৰৰ অৱতাৰ। তেওঁৰ জীৱিত কালতেই ৰাম অৱতাৰ হয়। ৰামৰ হাতত তেওঁৰ পৰাজয়ো ঘটিছিল। দ্বাপৰ যুগত কুৰু-পাণ্ডৱৰ ৰণ-সভাতো তেওঁ উপস্থিত আছিল। ক'তা! পৃথিবীতো নিক্ষত্ৰিয় হোৱা নাছিল। পৰশুৰামৰ ক্ষত্ৰিয় নিৰ্মূল কৰাৰ প্ৰতিজ্ঞা শুৰিতে এটি পাৰিবাৰিক ঘটনাৰপৰা উদ্ভূত—ইও এটি আদিম যুগৰ সভ্যতাৰ পাৰিবাৰিক vendetta, বৈৰ-পৰম্পৰাৰ উদাহৰণ মাথোন। পিছৰ কালত পুৰাণৰ সাম্প্ৰদায়িক প্ৰচাৰৰ ফলত ব্ৰহ্মণ্যক্ষেত্ৰত বশিষ্ঠ-বিশ্বামিত্ৰৰ প্ৰতিদ্বন্দ্বিতাৰ দৰে শৌৰ্যক্ষেত্ৰতো পৰশুৰাম-ক্ষত্ৰিয়কুল এটি বিৰাট কল্পনাত পৰিণত হয়। যি কোনো কাৰণে ক্ষত্ৰিয়ৰ সামাজিক অৱনতি ঘটিলেই পৰশুৰামৰ দোহাই দিয়া হয়। কেৱল পৰশুৰামেই নহয়, দুই এজন প্ৰবল ক্ষত্ৰিয় ৰজায়ো অন্যায় আচৰণৰ বাবে আন আন ক্ষত্ৰিয়কুলক জাতিচ্যুত কৰাৰ আখ্যান আছে। হৰিবংশত আছে সগৰ ৰজাই শক, যবন আদি কিছুমান ক্ষত্ৰিয়কুলক জাতিচ্যুত কৰিছিল।

শকা যবনকম্বোজাঃ পাৰদাশ্চ বিশাম্পতে।
কৌলিশৰ্পাঃ সমহিষ্যা দাৰ্দাশ্চোলা সকেৰলাঃ ॥
সৰ্ব্বে তে ক্ষত্ৰিয়াস্তাত ধৰ্ম্মস্তেষাং নিৰাকৃতঃ।
বশিষ্ঠবচনাদ্ৰাজন্ সগৰেণ মহাত্মনা ॥

(হৰিবংশ ১৪।১৮-১৯)

পুৰাণৰ সাম্প্ৰদায়িক প্ৰচাৰৰ ফলত সকলো জাতিচ্যুতি বা জাতি-গোপনৰ দায়িত্ব পৰশুৰামৰ গাত দিয়া হয়। ওপৰৰ ৩৬ ছেদত পৰশুৰামৰ ভয়ত জলপাইগুৰিৰ জল্পেশ শিৱৰ ওচৰত শৰণ লোৱা ক্ষত্ৰিয়ৰ উল্লেখ কৰা হৈছে। কামৰূপৰ কুল-লুপ্ত ক্ষত্ৰিয়ৰ কল্পনা জলপাইগুৰিৰ গুপ্ত-ক্ষত্ৰিয়ৰ আখ্যানৰ পৰা ওলালেও ওলাব পাৰে। যি হওক পুৰাণৰ পৰশুৰাম এটি ব্যাপক কল্পনা। চাৰিবেদৰ সঙ্কলনৰ পৰা আৰম্ভ কৰি আধুনিক উপপুৰাণৰ ৰচনা যেনেকৈ ব্যাপক বেদব্যাসৰ নামৰ লগত সংশ্লিষ্ট, তেনেকৈ জাত্যন্তৰ বা ধৰ্মান্তৰ হোৱা জাতি বা নতুনকৈ ক্ষত্ৰিয় আখ্যান লব খোজা জাতিও পৰশুৰামৰ ভয়ত আত্মগোপন কৰা বুলি কয়। পৰশুৰাম এটি সাঙ্কেতিক নামত পৰিণত হৈছে ॥৪৭॥

মাৰ্টিন চাহাবে কলিতা-পুৰোহিতৰ প্ৰসঙ্গত এইটো স্বীকাৰ কৰিছে যে কলিতাসকলে কি মতবাদ প্ৰচাৰ কৰিছিল তেওঁ কব নোৱাৰে। শঙ্কৰদেৱৰ একশৰণীয়া ধৰ্মৰ প্লাবনত জনসাধাৰণৰ মাজত পুৰণি ধৰ্মমতৰ চিন-চাব নোহোৱা হৈছে। অসমত দেৱ-দেৱীৰ মঠ-মন্দিৰ কেইবোৰত বাজে সৰ্বসাধাৰণৰ পুৰণি ধৰ্মৰ সকলো চিন লোপ হোৱা যেন হৈছে। সত্ৰীয়া বৈষ্ণৱধৰ্মৰ লগত বিশেষ সম্বন্ধ নৰখাকৈও কলিতাসকলৰ মাজত এতিয়াও মেধি, মহন্ত আছে আৰু তেওঁলোকৰ শিষ্য আদিও আছে। তেওঁলোকৰ প্ৰচাৰিত ধৰ্মমতত দেহতত্ত্ব বা দেহ-বিচাৰৰ বিশেষ প্ৰাধান্য দেখা যায়। এই দেহবিচাৰ বৌদ্ধধৰ্মৰ সহজযানৰ লগত সংশ্লিষ্ট যেন লাগে।

হিউৱেন-চাঙৰ ভ্ৰমণৰ সময়ত কামৰূপত বৌদ্ধমতবাদী আছিল কিন্তু বৌদ্ধ মঠ-মন্দিৰ নাছিল। পিছৰ কালত যেতিয়া তন্ত্ৰৰ মাজেৰে বৌদ্ধ আৰু হিন্দু ধৰ্মৰ সমন্বয় ঘটে তেতিয়া বৌদ্ধ দেৱ-দেৱীৰ নামেৰেও মঠ-মন্দিৰ স্থাপিত হয়। উগ্ৰতাৰা বৌদ্ধতন্ত্ৰৰ শক্তি। কামৰূপত উগ্ৰতাৰা দেৱালয় আছে। সেইদৰে হয়গ্ৰীব, কৰ্মনাশা, জনাৰ্দন আদি বৌদ্ধ তীৰ্থস্থান। যোগিনীতন্ত্ৰত জনাৰ্দনমূৰ্তিক 'কলৌ বৌদ্ধস্বৰূপিণম্' (২।৫।২২১) বুলি উল্লেখ কৰা হৈছে। মুক্তিকো নিৰ্বাণ (১।১১।১৩) আৰু নিৰ্বাণ মুক্তি (১।২।৪) বুলি স্বীকাৰ কৰা হৈছে।

পুৰণি অসমৰ ধৰ্মমতত যে বৌদ্ধধৰ্মৰ পবল প্ৰভাৱ পৰিছিল, সেইটো অস্বীকাৰ কৰিব নোৱাৰি : কিন্তু কোনটো ধৰ্মমত প্ৰবল আছিল উপস্থিত ঐতিহাসিক উপাদানৰপৰা নিৰ্ণয় কৰা টান আৰু বৰ্তমান প্ৰবন্ধ সেইবোৰৰ সূক্ষ্ম আলোচনাৰ উপযক্ত ঠায়ো নহয়।

বৰ্তমান প্ৰবন্ধ প্ৰধানতঃ কলিতাসকলৰ কৌলিক স্বৰূপতা নিৰ্ণয়ৰ বাবে লিখা হৈছে ॥ ৪৮ ॥

APPENDIX

1

It is fairly certain that Assam was anciently divided into several, or many small kingdoms and that after the time of Buddha, the western kings adopted the Buddhist faith. As might be expected the western districts are often found united under one ruler, whose sway extended as far westwards as Bihar or even Gorakhpur on the confines of Oudh. These Buddhist princes felt the effect of the Brahmanic struggle for ascendancy and were ultimately overthrown.

It is curious to observe how the traditions represent the oppressed Buddhists as seeking refuge through the hills as far west as Kashmir, and at least atone time, we hear of a prince ruling over Kashmir leading an Army into Assam. There are scattered remnants of these once ruling houses still existing under the name of the Kulta or Kulita caste. A certain number, now Hindus, are in the Assam valley. But two small colonies made their way to south-western Bengal, which has been a refuge ground to several tribes. One is now in the native state of Bonaigarh, the other in the Sambalpur district of the Central Provinces. The name Kulita is supposed by some to mean *kula* (family), *ita* (gone or lost); but these *Skt.* derivations are open to not a little suspicion. (B. H. Baden-Powell, *The Indian Village Community*, 1896, pp. 134, 135, 135 f.n.)

2

The people of Kāmarūpa :

They adore and sacrifice to the Devas and have no faith in Buddha; hence from the time when Buddha appeared in the world even down to the present time there never as yet has been built one *Sanghārāma* as a place for the priests to assemble. Such disciples as there are of a pure faith, say their prayers (repeat the name of Buddha) secretly and that is all. There are as many as 100 Deva temples and different sectaries to the number of several myriads. (*Hiuen-Tsang*, by Beal, 1906, Voll. II, p. 196.)

3

To the south-west of the Nalanda Sangharama, eight or nine *li*, was the town Kou-li-ka (Kolika) in which was an Asoka tope; this was the place of Mudgalaputra's birth and death. ···

In this passage our pilgrim calls the birth place of Maudgalāyanaputra Kolika (or Kulika) and describes it as being eight or nine *li* to the south-west of Nalanda······ the *Mahāvastu* calls it *Kolitagrāmaka* and places it half a yojana from Rajagriha. In other works the name is Kolika as here·········*Kolita*, a designation of the Maudgalāyanaputra, was probably derived from the name of his native town. (T. Watters: *Yuan Chang's Travels in India*, Vol. II, pp. 171, 172).

4

The Kulta or Kolita are the chief cultivating class of Sambalpur. According to their own tradition they immigrated from the state of Baudh and their ancestors were water carriers in the household of Ramachandra. (R. D. Banerji: *History of Orissa*, Vol. I, p. 24)

5

The Cuttack Tributary Mahals were supposed to contain many relics of latter Buddhism. The state of Baudh named after Buddha was supposed to contain still a remnant of real Buddhist population. (H. P. Shastri, *Introduction to Modern Buddhism* by N. N. Vasu, 1911.)

6

Bonai :

Among the Hindus proper the most noteworthy caste is the Kalita or Kulta. They are peculiar to Sambalpur in the Central Provinces, Bonai and Assam and occupy in all three places a very similar position as most respectable and substantial cultivators. The Kalitas of Bonai resemble in appearance those of Assam both having strongly marked Aryan features with hazel or grey eyes, and there appears to be some ethnological connection between the two. The elders of the caste in Bonai, however, assert

that they came originally from Mithila, the modern Tirhut in the days of Rama, and settled in Sambalpur from whence they migrated into Bonai six generations ago. Colonel Dalton in his Ethnology of Bengal states that they form the best cultivators and most substantial people in the state. He found them occupying villages along with aboriginal Gonds and Kandhs but these had nearly all fallen into the position of farm servants to the Kalitas who had extensive fields, well-stocked farm yards and comfortable houses. The pardah system of excluding their females is unknown to them and infant marriage is not practised. (W. W. Hunter : *The Imperial Gazetteer of India*, 1885 : Vol. III, p. 86).

7

It is difficult to ascertain the number of true Kayosthos that are in this district ; because a numerous tribe called Kolita, who once had great sway here, as they still have in Assam, have in the more civilized parts assumed the title of Kayosthos and conceal their descent from the Kolitas············There also are many who are called Barondro Kayosthos ; but these are of very dubious origin and many of them cultivate with their own hands. Two of the most respectable families of Zamindars, *Bordhonkuthi* and *Kangkinya*, are of this kind ; but there is reason to suspect that they are Kolitas, as in the division established by Bollal Sen there is no mention of such a class.

Indeed this prince (Bhogodotto) is acknowledged to have been the son of an infidel (osur) who was the guardian of the temple of Kamakhya. Whether his father Norok was a Hindu and had penetrated into Kamrup and introduced some degree of improvement, I can not pretend to say ; but as soon as the Koch became noted in tradition or history, we find that they had adopted a priesthood called Kolita or Kolta. These possessed some learning and books in the Bengalese language. They no doubt had some science and continued long to be the only spiritual guides of the Koch and indeed in some places still retain by far the chief authority over that people. In Assam there are several religious instructors (Gurus) of this class who have 10 or 12,000 pupils totally devoted to their service ; and an insult offered to one of them, by the late king of that country hurled him from the throne of his ancestors, on which he never again would have sat, had not the strong arm of the Company been held out in his favour. It is not therefore wonderful that in the account of Assam published in the Second Vol. of the Asiatic Researches, the people of that country are said to be Assamians and Koltanians, the former the temporal lords, the latter the spiritual guides, and then perhaps still more powerful than even now, as at that time the princes were infidels (osur). What tenets the Kolitas, while independent of the Brahmans professed, I have not been able to learn but that they were not orthodox there can be little doubt as in the Yogini Tantra, the Koch Hajo, the chief of the followers of the Kolitas, is plainly called a Mlechchho or barbarian.

At this time however the nation had in general betaken themselves to the plough and the Kolitas could read the Bengalese language, and that seems to have been in frequent in use. The power of the Kolitas received a severe blow by the introduction of the Kamrupi Brahmans by Visu, the grandson of Hajo, who chose them as his guides in religion; and the Kolitas were under the necessity of following the example of their prince, and of receiving instruction upodes from the sacred order Still however, under the Brahmans, as I have said, they retain much power, and more than one of the princes of Vihar have rejected the Brahmans and chosen to return to the guidance of the ancient priesthood. These persons have now entirely adopted the Hindu worship and customs and are contented with being considered as pure Sudras·········They endeavour to pass themselves as Kayosthos and probably all the Barondro Kayosthos are of this origin.

The Kolitas and most of their followers have taken the part of Krishno, and assume the title of Bhokot or Bhokto, that is worshippers as being alone those who follow the true God.

In other parts again such as in Assam, Nepal and Bhutan, the whole tribe except the Kolitas is called Koch, from the Dorong Raja down to the lowest peasant that rears pigs or fowls. ...

There are Brahmans called Assamese. They are Baidiks of Kanyakubjo, and one of them told me that they were introduced from that place by Viswo Singho, the Koch Raja; but that haviug penetrated into Assam, they no longer intermarried with those who remained in the western parts of Kamrup; as they could not mutually be informed how far each party had preserved its purity. Before their arrival, there were learned men among the Kolitas who were *gurus* for all the people. ...

West from Koliyabor, the two most numerous tribes and nearly equal in strength are the Kolitas, and Koch. The Kolitas, of whom mention has been made in my account of Ronggopoor, are also a numerous tribe in Assam proper. Those who can read are called Kayosthos and are the religious guides for most of the others and for many of the Koch. The others follow all manner of trades and occupations

Two Kolitas, Sangkordev and Madhovdev have persuaded many that the paths which they have discovered are more advantageous. (Montgomery Martin : *The History, Antiquities, Topography, and Statistics of Eastern India*, Vol. III, (Ronggopoor), 1838, pp. 528, 545, 551, 560, 674, 676).

8

Beyond this mountainous region extends the grand field of enquiry and interest, if any credit be due to the opinion universally prevalent here respecting the nations inhabiting those tracts. The country to the eastward of Bhot and the northward of Sadiya, extending on the plain beyond the mountains is said to be possessed by a powerful nation called *Kolitas* or *Kultas*, who are described as having attained to a

high degree of advancement and civilization equal to any of the nations of the East. The power, dominion, and resources of the *Kulta Raja* are stated to exceed by far those of *Asam*, under its most flourishing circumstances, and in former times a communication appears to have been kept up between the estates, now long discontinued. To this nation are attributed the implements of husbandry and domestic life, washed down by the flood of the *Dihong* before mentioned Of their peculiar habits and religion, nothing is known, though they are considered to be Hindus, a circumstance which from their locality I think most unlikely, and in all probability arising merely from some fancied analogy of sound, the word *Kolita* being used in Asamese to signify the *Khaet* caste. There is said to be an entrance to this country from upper *Asam* by a natural tunnel under the mountains; but such is obviously fabulous, at least to the assumed extent. All accounts agree in stating, that a colony of Asamese, under two sons of a *Bara Gohain* about eight generations back, took refuge in the country of the *Kolitas*, on the banks of the *Sri Lohit*, whence, till within about two hundred years, they at intervals, maintained a correspondence with the parent state. They were hospitably received by the *Kulta Raja*, who assigned lands to them for a settlement, and they had naturalised and intermarried with the inhabitants. Since that period, however, no trace either of them or of the *Kultas* had been found until the flood of Dihong exhibited marks of their existence, or of that of a nation resembling them in an acquaintance with the useful arts. The plains to the eastward of the *Kulta* country, beyond the *Mishmis*, is well known as the country of the *Lama*, or the *Yam Sinh Raja*, a nation also independent and said to be frequently engaged in hostility with *Kultas*. (*The Geography and Population of Assam*, By Capt. John Bryan Neufville, *Asiatic Researches*, Vol. XVI, 1828, pp. 344-345.)

In the reign of Rajeswar, little more than half a century ago, a sudden and overwhelming flood poured from the *Dihong* inundating the whole country, and sweeping away with a resistless torrent, whole villages and even districts; such is described to be its violence, that the general features of the country and the course of the river, were materially altered by it. This flood continued for about 15 days during which time various agricultural and household implements, elephant-trappings and numerous articles belonging to a race, evidently social and civilized, of pastoral and agricultural habits, were washed down in the stream. (Ibid : pp. 335-336,)

9

Tradition also holds that the Kolitas were a powerful people, who ruled a part of the country at the foot of the Himalayan mountains; and this lay beyond the country of the one-legged and the winnow-eared (Kulā-Kaniyā) peoples......Even now one comes across and old Assamese very occasionally who believes in the existence of such a kingdom, and thinks that some day the Kalita-raja will rule over the whole of Kamarupa. It is also believed that in this kingdom the rule is mild, the people

are honest and the rulers are like the parents of the people. (S. C. Goswami : J A. R. S., Vol. I, No. 3)

10

Khen-Kolita :

There is another tradition to the effect that the Khens are a branch of the Kolitas of Assam. For all that is known, this is a most probable explanation of the origin of this caste. Col Dalton describes them as a good looking race with "oval faces, well-shaped heads, high-noses well developed eye-lids and eye-lashes and the light supple frame of the pure Hindu.

"They are of the ordinary Brahmanical type with slight modifications such as might easily arise from maladroit borrowing··· · ···As to their religion, the Khens are orthodox Hindus. Most of them belong to the Sakta sect but Vaishnavas are also found among them.........Their social rank is respectable·········All the Khens are cultivators and traders as well". (Risley : *Tribes and Castes of Bengal.*)

Besides the undefined class of *Vaishnavas,* commonly known as *Bairagis,* there is a priesthood the members of which are called *Adhikaris.* These *Adhikaris* seem to be representatives of the *Kolitas* of Assam (and though themselves Rajavansis, have their disciples among that class). They officiate at the offering of *naibidya* consisting of *atap* rice, plantain and milk to the gods and ancestors. The Brahmans although called in to perform the *pujas* and officiate in marriages &c, find no place in the performances of the *nabid*-giving ceremony. ....

It is alleged that the Khens were originally low caste Hindus and that the influence of Raja Kanteswar over the Brahmans led them to sanctify his caste and raise it to the level of pure Hindus. This seems to be at best an aspersion on these people by some envious neighbour. (*The Cooch Behar State,* by Harendra Narayan Chowdhury, B. L., 1903, Vol. I, pp. 127-128, 140, 489.)

11

Kathak-(Koliya) :

A caste of story tellers, singers and musicians.

In their marriage, birth and death ceremonies they follow the usages of Brahmans. The complete census returns give 378 section names of the usual type. Side by side with Brahmanical terms such as Misr, Dikshit or Bharadwaja, we find numerous others derived from those of well-known *tribes,* such as—Kayasth, Khatri, *Koliya,* Lodh &c.

Chhipi-(Koliya) :

The caste of calico printers and chintz stampers of whom there are both a Hundu and Muhammadan branch.

According to the census lists which record two hundred and two subdivisions of the Hindu, and twenty one of the Muhammadan branch, their sections follow the rule so common in these occupational castes. Some are of local origin and others imply some real or supposed connection with other tribes Thus among local terms we find Kanaujiya, Mathuriya &c · ···while in the second class come Agarwal, Chauhan, Chatri, *Koliya*, Rajput, Rathaur &c······most of which are derived from the names of tribes and sub-castes or septs of Banyas and Rajputs. (*The Tribes and Castes of the North Western Provinces and Oudh*, by W. Crooke : 4 Vols., 1896; Vol. II, pp. 222-224 : Vol. III, pp. 172-174).

পুৰণি কামৰূপৰ ধৰ্ম্মৰ ধাৰা

নিবেদন

এই গ্ৰন্থখনিৰ প্ৰকাশৰ দায়িত্ব "বাণী প্ৰকাশ মন্দিৰ"ক ৺ডক্টৰ কাকতিদেৱে তেখেতৰ মৃত্যুৰ কিছুদিন পূৰ্বেই দিছিল। এই সম্পৰ্কৰ শেষ নিৰ্দেশখিনি আমি তেখেতৰপৰা পাওঁ কাকতিদেৱৰ মহাপ্ৰয়াণৰ আগদিনা গধূলি। সিদিনাৰপৰা, অনিচ্ছাকৃত কিছুমান কাৰণত পুথিখন ৰাইজৰ আগত দাঙি ধৰোঁতে যথেষ্ট পলম হ'ল—তাৰ বাবে ক্ষমা খুজিছোঁ।

৺কাকতিদেৱৰ ইচ্ছা আছিল, পুথিখনিৰ এটি পাতনি শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱৰ দ্বাৰা লিখাব। দুখৰ বিষয়, আমি অহোপুৰুষাৰ্থ কৰিও চেষ্টা ফলৱতী কৰিব নোৱাৰিলোঁ। এই কামলৈ সম্প্ৰতি তেখেতৰ সময়ৰ অভাৱ বুলি বিশ্ববিদ্যালয়ৰ ডেপুটী ৰেজিষ্ট্ৰাৰ শ্ৰীচিদানন্দ দাসৰ দ্বাৰা আমাক জনাই দিয়া হৈছে। ৺কাকতিদেৱৰ মনোবাঞ্ছা পূৰণ কৰিব নোৱাৰি আমিও দুখিত।

৺কাকতিদেৱে [illegible] পৰিচিত ৰাইজৰ অজ্ঞাত তথ্য সন্নিৱিষ্ট কৰিছে, সেইবোৰ অবিসম্বাদী সত্য হয় নে নহয়, মনীষী সমালোচকসকলে বিচাৰ কৰিব। সম্প্ৰতি এইখিনি ক'লেই যথেষ্ট হ'ব যে এই গ্ৰন্থই যি এটি ভাৱধাৰাৰ সৃষ্টি কৰিব খুজিছে, তাৰ মাজেদি এই বিষয়সমূহ সম্পৰ্কে ব্যাপক সমালোচনাৰ সুচল ক্ষেত্ৰ এখনি পোৱা যাব। ৺কাকতিদেৱৰ ইংৰাজী গ্ৰন্থ "Mother Goddess Kamakhya" ইতিপূৰ্বেই প্ৰকাশিত হৈছিল। "পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা"—পূৰ্বগ্ৰন্থৰেই পৰিপূৰক বুলি ধৰাটো বোধহয় সমীচীন হ'ব।

১ আৰ্য্যাবৰ্ত আৰু পুৰণি অসম

ব্ৰাহ্মণ আৰু বৌদ্ধ শাস্ত্ৰত ভাৰতবৰ্ষক পাঁচোটা খণ্ডত বিভাগ কৰা দেখা যায়। এই বিভাগবোৰৰ দুয়ো শাস্ত্ৰতেই একে ধৰণ। 'কাব্যমীমাংসা' গ্ৰন্থত এই পাঁচোটা বিভাগৰ তলত দিয়াৰ দৰে উল্লেখ কৰা আছে :—

তত্ৰ বাৰাণস্যাঃ পৰতঃ পূৰ্ব্বদেশঃ।
মাহিষ্মত্যাঃ পৰতঃ দক্ষিণাপথঃ॥
দেবসভায়াঃ পৰতঃ পাশ্চাত্যদেশঃ
পৃথুদকাৎ পৰতঃ উত্তৰাপথঃ॥
বিনসনপ্ৰয়াগয়োঃ গঙ্গা যমুনয়োশ্চান্তৰমন্তৰ্ব্বেদী॥

কাশীৰপৰা পূবফালৰ দেশবোৰ পূৰ্বদেশ ; মাহিষ্মতীৰ দক্ষিণ ফালৰখিনি দক্ষিণাপথ ; দেৱসভাৰ পশ্চিম ফালৰপৰা পশ্চিম দেশ ; পৃথুদকৰ (বৰ্তমান থানেশ্বৰৰ ওচৰৰ পোহোৱা নামক ঠাই) উত্তৰ ফালৰপৰা উত্তৰাপথ ; বিনসন আৰু প্ৰয়াগৰ অৰ্থাৎ গঙ্গা যমুনাৰ সঙ্গম স্থানলৈকে অন্তৰ্বেদী বা আৰ্য্যাবৰ্ত বা মধ্যদেশ।

'ধৰ্মশাস্ত্ৰ'বোৰত অন্তৰ্বেদীক আৰ্য্যাবৰ্ত আৰু 'মনুসংহিতা'ত ইয়াক মধ্যদেশ বোলা হৈছে।

'ধৰ্মশাস্ত্ৰ' আৰু 'মনুসংহিতা'ত মধ্যদেশৰ পূব সীমা প্ৰয়াগ (বৰ্তমান এলাহাবাদ) বোলা হৈছে।

'কাব্যমীমাংসা'ত বাৰাণসীক পূব সীমা বোলা হৈছে। 'কাব্যমীমাংসা' 'মনুসংহিতা'ৰ পিছৰ ৰচনা ; ইয়াৰ দিনত আৰ্য্যসকলে পূবফালে বাৰাণসীলৈকে বসতি বিস্তাৰ কৰিছিল। পুৰাণৰ ভুবনকোষ খণ্ডত ভাৰতৰ এই নামবোৰ অলপ সলাই দিয়া হৈছে। পূৰ্বদেশক প্ৰাচ্য, উত্তৰাপথক উদীচ্য, পশ্চিম দেশক অপৰান্ত বোলা হৈছে। ভৌগোলিক সীমা একে ধৰণৰ।

কিন্তু আৰ্য্যসকলৰ পূবৰফালে ক্ৰমবিস্তাৰৰ লগে লগে আৰ্য্যাবৰ্তৰ সীমা যুগে যুগে পূবফাললৈ বহল হৈ আহিব ধৰিলে। বাৎসায়নৰ 'কামসূত্ৰ'ৰ ভাষ্যমতে আৰ্য্যাবৰ্তৰ পূব সীমা অঙ্গদেশ (বৰ্তমান ভাগলপুৰ আৰু মুঙ্গেৰ জিলা) ৰ পূবে। বৌদ্ধশাস্ত্ৰৰ বিনয়পিটক মতে মধ্যদেশৰ সীমা কজঙ্গল আৰু পুণ্ড্ৰবৰ্দ্ধন (উত্তৰবঙ্গ) লৈ বিস্তৃত আছিল।

হিউৱেনচাঙৰ বিভাগমতেও পুণ্ড্ৰবৰ্দ্ধনেই মধ্যদেশৰ পূব সীমা। পুৰাণৰ বিভাগমতে আধুনিক ভাৰতৰ বিভাগ এনেকুৱা হ'ব :—

(১) উত্তৰাপথৰ ভিতৰত পঞ্জাব, কাশ্মীৰ, পূব আফগানিস্থান আৰু সৰস্বতী নদীৰ পশ্চিমফাল। (২) পশ্চিমদেশৰ ভিতৰত সিন্ধু, পশ্চিম ৰাজপুতনা, কচ্ছ, গুজৰাট আৰু নৰ্মদা নদীৰ তলৰ ভাগ। (৩) মধ্যদেশৰ ভিতৰত থানেশ্বৰৰপৰা গঙ্গা যমুনা সঙ্গম আৰু হিমালয়ৰপৰা নৰ্মদা নদীৰ পাৰ। (৪)

পূৰ্বদেশৰ ভিতৰত অসম, বঙ্গদেশ, সম্বলপুৰ, উৰিষ্যা আৰু গঞ্জাম। (৫) দক্ষিণাপথৰ ভিতৰত নাসিক আৰু গঞ্জামৰপৰা কুমাৰিকা অন্তৰীপলৈ সকলো দেশ আৰু বৰ্তমান বেৰাৰ, তেলিঙ্গানা, মহাৰাষ্ট্ৰ, কঙ্কন, হায়দৰাবাদ, মহীশূৰ আৰু ত্ৰিবাঙ্কুৰ।

বৰ্তমান অসম দেশ পুৰণি ভাৰতৰ পূব ভাগৰ ভিতৰত পৰে। ইয়াৰ অতি পুৰণি নাম প্ৰাগ্‌জ্যোতিষপুৰ। ৰামায়ণ, মহাভাৰত মহাকাব্য আৰু মহাপুৰাণৰ গ্ৰন্থবোৰত এই নামেৰেই ইয়াৰ উল্লেখ আছে।

প্ৰাগ্‌জ্যোতিষ আৰ্য্যসভ্যতাৰ বাহিৰত থকা বুলি অনুমান হয়। মহাভাৰতত ইয়াক ম্লেচ্ছদেশ বোলা হৈছে আৰু ইয়াৰ ৰজা ভগদত্ত আছিল (সভা, উদ্যোগ, কৰ্ণ)। মহাভাৰতৰ আন এঠাইত ইয়াক অসুৰ ৰাজ্যত বোলা হৈছে আৰু ইয়াৰ ৰজা আছিল নৰক আৰু মুৰু (বন, উদ্যোগ)। ই কিৰাত আৰু চীন দেশৰ সীমান্ত ভূমিত আছিল যেন লাগে (সভা, উদ্যোগ)।

কালিদাসৰ 'ৰঘুবংশ'ত (চতুৰ্থ সৰ্গ, ৮১।৮৪) প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ একেখন ৰাজ্যৰে বেলেগ বেলেগ নাম বুলি ধৰা হৈছে :—

চকম্পে তীৰ্ণলৌহিত্যে তস্মিন্ প্ৰাগ্‌জ্যোতিষেশ্বৰঃ।
তমীশঃ কামৰূপাণামত্যাখণ্ডলবিক্ৰমম্ ॥

'মাৰ্কণ্ডেয়-পুৰাণ'ত লৌহিত্যসমন্বিত প্ৰাগ্‌জ্যোতিষ বুলি উল্লেখ কৰা আছে—প্ৰাগ্‌জ্যোতিষাঃ সলৌহিত্যাঃ। ৫৫।১৩। পণ্ডিতসকলে অনুমান কৰে যে পুৰণি প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ ভিতৰত কেৱল কামৰূপ ৰাজ্যই নহয়, উত্তৰবঙ্গ আৰু উত্তৰ বিহাৰৰ ভালেখিনিমান অন্তৰ্ভুক্ত আছিল (B. C. Law : *Geographical Essays*, Vol. I pp. 152 et Seq.)।

বাস্তৱ ঐতিহাসিক লিপিৰ ভিতৰত—

কামৰূপৰ নাম সমুদ্ৰগুপ্তৰ (৪ৰ্থ শতিকা) এলাহাবাদ স্তম্ভলিপিত উল্লেখ আছে।

কিন্তু 'কালিকা-পুৰাণ'ৰ ৰচনাৰপৰাই পুৰণি কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে কৰতোয়া নদী বুলি স্বীকৃত হৈছে। এইটো চিৰকলীয়া সীমা, সময়ে সময়ে ইয়াৰ হেঁাহোকা পিছলা হ'লেও হ'ব পাৰে।

বহুৰোকা নাম নদী কৰতোয়া প্ৰদক্ষিণে।
উত্তৰস্ৰাৱণী চাস্তে তৎপূৰ্ব্বং কামৰূপকম্ ॥ (কাঃ পুঃ ৭৮।৭)

পিছৰ কালৰ 'যোগিনীতন্ত্ৰ', 'হৰগৌৰী-সম্বাদ' আদি গ্ৰন্থয়ো এই সীমাকেই মানি লৈছে।

কৰতোয়াং সমাশ্ৰিত্য যাবদ্দিকৰবাসিনী।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়া তু পশ্চিমে ॥
তীৰ্থশ্ৰেষ্ঠা দিক্ষুনদী পূৰ্ব্বস্যাং গিৰিকন্যকে।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সঙ্গমাবধি ॥
কামৰূপ ইতি খ্যাতঃ সৰ্ব্বশাস্ত্ৰেষু নিশ্চিতঃ ॥ (যোঃ তঃ ১।১১।১৭-১৮

কৰতোয়াং সমাসাদ্য যাবদ্দিক্কৰবাসিনীম।
কামৰূপেতি তং লোকাঃ গায়ন্তি গিৰিনন্দিনি॥

(হৰগৌৰী-সম্বাদ ৬ষ্ঠ পটল। ৩)

২ পুৰণি অসমৰ প্ৰাধান্য

পুৰণি বিশেষজ্ঞ পাৰ্জ্জিটাৰ চাহাবে প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ বিষয়ে কৈছে—All North and East Bengal was held by the Pragjyotisha kingdom which is nowhere connected with any of these races and would seem to have been founded by an invasion of Mongolians from the north-east though tradition is silent about this outlying development. (*Ancient Indian Historical Tradition*, 1922 : p. 292)

পুৰণি প্ৰাগ্‌জ্যোতিষ মঙ্গোলীয় কোনোবা জাতিৰ দ্বাৰা স্থাপিত হোৱা যেন লাগে। আৰ্য্যাবৰ্তৰ ৰাজবংশসকলৰ এই ৰাজ্যৰ সম্পৰ্কত কোনো উল্লেখ নাই। আৰু প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ উৎপত্তিৰ বিষয়েও কোনো ঐতিহ্য নাই। অৰ্থাৎ প্ৰাগ্‌জ্যোতিষ আৰ্য্য উপনিবেশৰ দাঁতি-কাষৰীয়া ৰাজ্য; আৰ্য্যাবৰ্তৰ ৰাজবংশসকলৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাছিল। সমস্ত উত্তৰ আৰু পূৰ্ববঙ্গ ইয়াৰ ভিতৰত পৰিছিল।

কিন্তু ৰামায়ণ মহাভাৰত মহাকাব্যৰপৰা আৰম্ভ কৰি মহাপুৰাণ, উপপুৰাণ আৰু তন্ত্ৰৰ মাজেদি ৰসকাব্য আদি সকলো সংস্কৃত সাহিত্যতেই প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপৰ নাম উল্লেখ আছে। প্ৰাগ্‌জ্যোতিষ-কামৰূপ অতি পুৰণি কালৰপৰা ইমান প্ৰসিদ্ধ ঠাই আছিল যে সৰ্বভাৰতীয় যি কোনো আন্দোলনৰ মাহাত্ম্য বঢ়াবলৈ ইয়াৰ উল্লেখ প্ৰয়োজনীয় বুলি বিবেচিত হৈছিল।

(১) সুগ্ৰীৱে যেতিয়া সীতাৰ অন্বেষণৰ বাবে সকলো দিশে বানৰ চৰিয়া পঠিয়াইছিল, তেতিয়া তেওঁ প্ৰাগ্‌জ্যোতিষৰ বিশাল গুহা আৰু মনোৰম সমভূমিৰ উল্লেখ নকৰি নোৱাৰিছিল।

তত্ৰ প্ৰাগ্‌জ্যোতিষং নাম জাতৰূপময়ং পুৰম্।
তস্মিন্ বসতি দুষ্টাত্মা নৰকো নাম দানবঃ॥
তত্ৰ সানুষু ৰম্যেষু বিশালাসু গুহাসু চ।
ৰাৱণঃ সহ বৈদেহ্যা মাৰ্গিতব্যস্ততস্ততঃ॥

(কিষ্কিন্ধা, ৪২)

(২) মহাভাৰতত বৰ্ণিত তিনিটা সৰ্বভাৰতীয় ডাঙৰ ঘটনা ৰাজসূয় যজ্ঞৰ বাবে অৰ্জুনৰ দিগ্‌বিজয়, কুৰুক্ষেত্ৰৰ যুদ্ধ আৰু পাণ্ডৱৰ অশ্বমেধ যজ্ঞৰ সম্পৰ্কত প্ৰাগ্‌জ্যোতিষৰ অতি বিশদ বৰ্ণনা আছে।

(সভাপৰ্ব, ২৬ ; দ্ৰোণপৰ্ব, ২৫।২৭।২৮ ; অশ্বমেধ, ৭৫।৭৬)

(৩) কালিদাসৰ 'ৰঘুবংশ'ত ৰঘুৰ দিগ্‌বিজয় উপলক্ষ্যে প্ৰাগ্‌জ্যোতিষ-কামৰূপৰ নাম উল্লেখ আছে। কালিদাসৰ সময়ত কামৰূপৰ সুখ্যাতি এনে আছিল যে ইন্দুমতীৰ স্বয়ম্বৰৰ পিছত কুমাৰ অজ যেতিয়া হাতীত উঠি কন্যাৰ ঘৰলৈ আহে, তেতিয়া কুমাৰ অজে কামৰূপেশ্বৰৰ হাতত ধৰিহে হাতীৰপৰা নমা বুলি আছে। ভাৰতত নানা ঠাইৰপৰা অহা ৰজাসকলৰ ভিতৰত কামৰূপাধিপতিৰ মান ইয়াৰ পৰাই বুজা যায়।

ততোঽবতীৰ্য্যাশু কৰেণুকায়াঃ স কামৰূপেশ্বৰদত্তহস্তঃ।
বৈদৰ্ভনিৰ্দ্দিষ্টমথো বিবেশ নাৰীমনাংসীৱ চতুষ্কমন্তঃ॥

(ৰঘুবংশ, ৭।১৭)

(৪) গুপ্ত সাম্ৰাজ্যৰ শিলালিপিত কামৰূপৰ নাম প্ৰত্যন্তভূমি হিচাপে উল্লেখ আছে।

(৫) হিউয়েনচাঙৰ ভ্ৰমণো এটি সৰ্বভাৰতীয় ঘটনা। তেওঁ কামৰূপলৈ আহিছিল।

(৬) হৰ্ষবৰ্দ্ধনৰ সাম্ৰাজ্যত কামৰূপেশ্বৰ ভাস্কৰবৰ্মাই অতি ওখ ঠাই গ্ৰহণ কৰিছিল। বাণৰ 'হৰ্ষচৰিত' গ্ৰন্থত ভাস্কৰবৰ্মা এজনা প্ৰধান পুৰুষ।

(৬০) শঙ্কৰাচাৰ্য্যৰ দিগ্‌বিজয়।

(৭) তন্ত্ৰ-শাস্ত্ৰত তন্ত্ৰ-সাধনাৰ লীলাভূমি কামৰূপ।

তীৰ্থচূড়ামণিস্তত্ৰ যত্ৰ যোনিঃ পপাত হ।
তীৰে ব্ৰহ্মাণদাখ্যস্য মহাযোগস্থলং হি তৎ॥

(বৃঃ ধঃ ৪০।৩৭)

অতি আচৰিত কথা কেৱল এইটোহে যে হীনযানী বৌদ্ধ শাস্ত্ৰত ক'তো প্ৰাগ্‌জ্যোতিষ-কামৰূপৰ নাম নাই।

অশোকৰ সাম্ৰাজ্যৰ কোনো লিপিতো পণ্ডিতসকলে এতিয়াও পুৰণি অসমৰ নাম পোৱা নাই।

(৮) অসমৰ বুকৰ ওপৰেদি লৌহিত্যৰ অৱতৰণ, আৰ্য্যাবৰ্ত্তৰ মাজেৰে গঙ্গাৰ অৱতৰণৰ প্ৰতিৰূপ। উত্তৰ ভাৰতত নানান ৰাজ্যৰ উত্থান পতনৰ বিভীষিকাত কেতবোৰ আৰ্য্যই অসমলৈ আশ্ৰয় ল'বলৈ আহে, আৰু উত্তৰ ভাৰতৰ সকলো তীৰ্থক্ষেত্ৰকেই অসমত স্থাপন কৰে। সেইবোৰ দৰ্শন কৰিলেই সকলো তীৰ্থ দৰ্শনৰ ফল মিলে।

(৯) অথচ ৰাম-ৰাজাৰপৰা আৰম্ভ কৰি মোগল সাম্ৰাজ্যলৈকে কোনো ভাৰতীয় সাম্ৰাজ্যৰ ভিতৰত পুৰণি অসম অন্তৰ্ভুক্ত হোৱা নাছিল।

৩ পুৰণি অসমৰ দুৰ্গমতা

পুৰণি অসমৰ অজেয়ত্বৰ বাবে ইয়াৰ দুৰ্গমতাও কিছু পৰিমাণে দায়ী। এই উপলক্ষ্যে এজন ঐতিহাসিকে লিখিছে—Assam is a dangerous country to invade and the Muslim invaders were terrified not only by its physical features, but also by the peoples who were believed to be great magicians. It is the region where the Hindu and Mongolian cultures met and blended. It is the home of Sakti worship and fanaticism. (R. Sathinathaier : *Indian History,* 1941, Vol. II p. 106)

অসম দেশ দুৰাক্ৰমণীয়। মুছলমান আক্ৰমণকাৰীসকলে ইয়াৰ প্ৰাকৃতিক পৰিস্থিতিত আৰু ইয়াৰ অধিবাসীবোৰৰ ঐন্দ্ৰজালিক খ্যাতিত ভয় পাইছিল। এই দেশখনেই হিন্দু আৰু মঙ্গোলীয় সভ্যতাৰ মিলন ভূমি। ই শক্তি পূজাৰ আদি স্থান আৰু অন্ধ বিশ্বাসৰ লীলাভূমি।

মোগলসকলৰ মানত অসম দেশৰ দুৰ্গমতাৰ ধাৰণাৰ প্ৰতিধ্বনি বুৰঞ্জীতো আছে। "অসমৰ যুদ্ধলৈ গলে কোনো নবাব ফিৰি নাহে। কতো বা ৰণত মৰে। কতো আপুনি মৰে। সি ঠাইত বিষ-পানী, বিষ বতাহ বয়। সঙ্কট জাগা পৰ্বতি গড়। এই মন্ত্ৰণা কৰি পাটচাই ৰামসিংহক পঠালে।"

(পুঃ অঃ বুঃ ১৩৮ পৃঃ)

অসম দেশৰ পুৰণি নাম প্ৰাগজ্যোতিষ আৰু কামৰূপৰপৰাও ইয়াৰ দুৰ্গমতা আৰু মায়াবিদ্যাৰ পৰিচয় পোৱা যায়। প্ৰাগজ্যোতিষ শব্দৰ কোনো জ্যোতিষ শাস্ত্ৰৰ লগত সম্পৰ্ক নাই। কালিকা পুৰাণে এটি অলৌকিক ব্যাখ্যা দিছে আৰু তাৰ অৰ্থ, ব্ৰহ্মাই হেনো আদিতে ইয়াত স্থিতি হৈ নক্ষত্ৰ (জ্যোতিষ) সৃষ্টি কৰিছিল। সেই কাৰণেই ইয়াৰ নাম হ'ল প্ৰাগজ্যোতিষ (প্ৰাক্ পূৰ্বে; জ্যোতিষ=নক্ষত্ৰ, তৰা)। কিন্তু মহাভাৰত আৰু মহাপুৰাণত এনেকুৱা কোনো ব্যাখ্যা নাই।

ৰজাৰ নাম অনুসৰি ভগদত্তক মহাভাৰতত প্ৰাগজ্যোতিষ, প্ৰাগ্‌জ্যোতিষাধিপ, শৈলালয়, পৰ্বতপতি বোলা হৈছে।

এইবোৰ উপাধিৰ লগত জ্যোতিষ শাস্ত্ৰ বা নক্ষত্ৰৰ সম্বন্ধ নাই। বৰং ঠায়ে ঠায়ে প্ৰাগ্‌জ্যোতিষৰ দুৰ্গমতাক লক্ষ্য কৰি কোৱা হৈছে :—

"প্ৰাগ্‌জ্যোতিষং নাম বভুব দুৰ্গমং পুৰম্" (উদ্যোগ, ৪৮।৮০)। ভাগবত-পুৰাণত দুৰ্গমতাৰ লক্ষণবোৰ বহুলাই কোৱা হৈছে :—

সভাৰ্য্যো গৰুড়াৰূঢ়ঃ প্ৰাগ্‌জ্যোতিষপুৰং যযৌ।

গিৰিদুৰ্গৈঃ শস্ত্ৰদুৰ্গৈৰ্জলগ্যানিলদুৰ্গমম্ ॥

(ভাগবত, ১০।৫৯।২-৩)

শ্ৰীকৃষ্ণ গৰুড়ত উঠি প্ৰাগ্‌জ্যোতিষৰ ফালে গ'ল। ই পৰ্বতৰ দুৰ্গ, অস্ত্ৰৰ দুৰ্গ, জুই পানী ৰতাহৰপৰা দুৰ্গম ঠাই।

প্ৰাগ্‌জ্যোতিষ শব্দটো কেতবোৰ অনাৰ্য্য শব্দৰ সমষ্টি। ইয়াৰ অৰ্থ দীঘল আৰু ওখ পৰ্বতমালা।

পাগাৰ = পৰ্বত ; জ্যো, জুহ = ওখ ; তিক্, তিছ = দীঘল। পৌৰাণিক বৰ্ণনাৰ লগত এই বৰ্ণনাৰ মিল দেখা যায়। কামৰূপ শব্দ বেলেগ পৰ্য্যায়ভুক্ত। কালিকা-পুৰাণে পৌৰাণিক নিয়মমতে অলৌকিক ব্যাখ্যা দিছে। কামদেৱে পূৰ্বতে শিৱৰ চকুৰ জুইৰ দ্বাৰা পুৰি মৰি ইয়াতে পুনৰায় ৰূপ পাইছিল, সেই দেখি নাম হ'ল কাম-ৰূপ। (৫১।৬৭)। এই অলৌকিক ব্যাখ্যাত এইটো ধ্বনি আছে যে ইয়াত মৰা মানুহ এজনে পুনৰ্জীবন পাইছিল অৰ্থাৎ ই প্ৰেত পূজাৰ ঠাই।

কামৰূপ দুটি অনাৰ্য্য শব্দৰ সমষ্টি ; (কামৰু + প)। কামৰু-নামক দেৱতাৰ পৰ্বত (পা)।

'হৰগৌৰী-সম্বাদ'ত বিকল্পে কামৰূপ—কামৰু বোলা হৈছে। যেনে :—

পালয়িষ্যতি কামৰুম্।
বসয়িষ্যতি কামৰুম্।
কামৰূপং ধৰ্ম্মতঃ পালয়িষ্যতি ॥ ইত্যাদি।

মোগল ইতিহাসত ইয়াক কামৰু আৰু কামৰুদ্ (ৎ) বোলা হৈছে। কামৰু দেৱতাৰ দেশ (ত)।

'যোগিনী-তন্ত্ৰ'তো কামাখ্যা দেৱীৰ উদ্ভৱৰ যি বিৱৰণ আছে (১।১৫) তাৰপৰা এই দেশৰ প্ৰেত পূজা, শ্মশান পূজা আদিৰ খ্যাতিয়েই ওলায়।

বুৰঞ্জীৰ দিনতো এইবোৰৰ পুনৰাবৃত্তিৰ উদাহৰণৰ বাবে চোৱা (ছেদ ৩০-৩২)।

এজন ইংৰাজ পণ্ডিতে অসমৰ পুৰণি ধৰ্মক লক্ষ্য কৰি কৈছে যে যদিও হিন্দু ধৰ্ম অসম উপত্যকাত সাধাৰণভাৱে চলিছে, তথাপি ই অসম দেশৰ আদিম ধৰ্ম নহয়। কিন্তু হিন্দু ধৰ্মৰ প্ৰচলনৰ আগত ইয়াৰ অধিবাসীবোৰৰ কি ধৰ্ম আছিল, সেই বিষয়ে একো জনা নাযায়। বৌদ্ধ বা আন যি কোনো ধৰ্মৰ ঠাই ই যে অধিকাৰ কৰিছে, তাৰো একো চিন-চাব পোৱা নাযায়। (Hinduism, though now general throughout the entire valley is not indigenous in Assam ; but of the creed of the inhabitants prior to its introduction, nothing is known. There are now no traces of Buddhism or of any other religion which it could have supplanted. Hunter: *A Statistical Account of Assam,* 1879, Vol. I p. 39)

হিন্দু ধৰ্ম বৈদিক ধৰ্মৰ পৌৰাণিক সংস্কৰণ। হিন্দুসকল অসম দেশলৈ অহাৰ লগে লগেহে ইয়াৰ প্ৰচলন সম্ভৱ।

এতিয়া যেনেকৈ পৰ্বতীয়া অহিন্দু জাতিবোৰৰ ভিতৰত নানান স্থানীয় কৌলিক ধৰ্ম চলি আছে, তেতিয়াও সেইবোৰ ধৰ্মই অধিবাসীসকলৰ মাজত চলিছিল। পৌৰাণিক হিন্দু অহাৰ লগে লগে

কেনেকৈ কেতিয়া কি ধৰ্ম চলিছিল তাৰ আঁচনি এটি মূল গ্ৰন্থবোৰৰপৰা উদ্ধাৰ কৰিবলৈ তলত চেষ্টা কৰা হ'ল।

হিন্দু ধৰ্ম যেতিয়া সকলো জাতিৰ মাজতে ব্যাপকভাৱে প্ৰচাৰ হ'ব ধৰিলে, তেতিয়া অহিন্দু জাতিবোৰৰ আচাৰ-নীতিবোৰেও ইয়াৰ ভিতৰত ঠাই পাব ধৰিলে। সেই কাৰণে আৰ্য্য-অনাৰ্য্যৰ সংমিশ্ৰণৰপৰা যি ধৰ্মৰ অভ্যুদয় হ'ল তাক 'যোগিনী তন্ত্ৰ'ৰ গ্ৰন্থকাৰে কৈৰাতজ ধৰ্ম বুলিছে :—

সিদ্ধেশি যোগিনীপীঠে ধৰ্ম্মঃ কৈৰাতজঃ মতঃ ॥

(যোঃ তঃ ২।৯।৯)

৪ শিৱ-পূজাৰ চলতি

৺ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ 'অসম বুৰঞ্জী'ত সুবাহু, জিতাৰি, জল্পেশ্বৰ আদি কেতবোৰ পুৰণি ৰজাৰ নাম আৰু কিম্বদন্তীৰ উল্লেখ আছে (পৃঃ ৩৯, ৪৫, ৪৬)। জল্পেশ্বৰ ৰজাৰ বিষয়ে উল্লেখ আছে :—তেওঁৰ ৰাজধানী এতিয়াৰ জলপাইগুৰি, য'ত জল্পেশ্বৰ নামে দেৱালয় আছে ত'ত আছিল। এইজনা ৰজাই জল্পেশ্বৰ দেৱালয় স্থাপন কৰে আৰু শিৱ-পূজা প্ৰচাৰ কৰে (পৃঃ ৪৬)। এইবোৰ ৰজাৰ নামত বাজে কোনো লাগ-বান্ধ থকা বংশ-পৰিচয় বা ৰাজত্বৰ সময় নিৰ্ণয় বুৰঞ্জীত নাই। সেই কাৰণে তেওঁলোকক এতিয়াও ঐতিহ্যৰ ভিতৰতেই থকা বুলি ধৰি ল'ব লাগে।

বেলেগ বেলেগ মূল পুথিত কিন্তু একে নামৰ ৰজাৰ উল্লেখ পোৱা যায়।

স্কন্দ-পুৰাণত (আবন্ত্য-খণ্ড, ৬৬ অধ্যায়) জল্প নামে ৰজা এজনৰ শিৱ-পূজাৰ বিৱৰণ এইদৰে আছে। জল্প নামে এজন প্ৰখ্যাত ৰজা আছিল। তেওঁৰ সুবাহু, শত্ৰুমৰ্দন, জয়, বিজয় আৰু বিক্ৰান্ত নামে পাঁচজন পুতেক। সকলোবোৰ শাস্ত্ৰ আৰু অস্ত্ৰ বিদ্যাত পাৰ্গত। তাৰ ভিতৰত সুবাহুক পুবে, শত্ৰুমৰ্দনক দক্ষিণে, বিজয়ক উত্তৰে আৰু বিক্ৰান্তক মধ্যত ৰজা পাতি জল্প ৰজাই বনবাসলৈ গ'ল।

দুমলীয়া বিক্ৰান্তৰ মন্ত্ৰীয়ে আথৰ্বন অভিচাৰ মন্ত্ৰেৰে বাকী চাৰিজনক বধ কৰি তেওঁলোকৰ ৰাজ্য অধিকাৰ কৰিবলৈ ৰজাক উচটাই দিলে। যজ্ঞ আৰম্ভ হ'ল। আন চাৰিজনেও সম্বাদ পাই গুপ্তোতা যজ্ঞ আৰম্ভ কৰিলে। যেতিয়া পহিলা যজ্ঞ "কৃত্যা" (অভিচাৰ বিধিৰ পূৰ্ণতা) জাগি উঠিল, বিপৰীত ফালৰপৰা আন চাৰিটা যজ্ঞৰ কৃত্যাও জাগি উঠিল। তেতিয়া পৰস্পৰ বিৰোধী কৃত্যাবোৰে ৰজা পাঁচজনা, পুৰোহিত, যোগনিয়াৰ সকলোকে গ্ৰাস কৰিলে।

বনবাসত থাকিয়েই জল্প ৰজাই পুত্ৰ, পুৰোহিত আদিৰ মৰণৰ বাতৰি জানিব পাই শোকাকুল হ'ল। তেওঁ জন্ম নধৰাহেঁতেন, এনেকুৱা হত্যাকাণ্ডৰ সৃষ্টি নহ'লহেঁতেন। বনবাসতেই বশিষ্ঠক লগ ধৰি তেওঁ প্ৰায়শ্চিত্ত ব্যৱস্থা খুজিলে। বশিষ্ঠই দিব্যজ্ঞানৰ সহায়েৰে আদেশ কৰিলে—"ৰজা জল্প, মোৰ আদেশমতে তুমি মহাকাল বনলৈ যোৱা। পৃথিৱীক নিক্ষত্ৰিয় কৰি পৰশুৰামে তাত তপস্যা

কৰি আছে। কুক্কুটেশ্বৰৰ পশ্চিমে অনাদি লিঙ্গ আছে। জামদগ্ন্যৰ আশ্ৰমত থকা সেই লিঙ্গ তুমি গৈ আৰাধনা কৰা।" বশিষ্ঠৰ বচন অনুসাৰে জল্প ৰজাই দেৱদাৰু বন এৰি মহাকাল বনলৈ গৈ সেই অনাদি লিঙ্গ দেখি বিধি অনুসাৰে তাৰ পূজা আৰাধনা কৰিলে। তেতিয়া লিঙ্গৰ ভিতৰৰপৰা দৈৱবাণী হ'ল - "হে ৰজা, পুত্ৰ আৰু পুৰোহিতসকলৰ মৃত্যুৰ কাৰণ তুমি নোহোৱা, অদৃষ্টই তাৰ কাৰণ—"অদৃষ্টং তত্ৰ কাৰণম্।" তেতিয়া ৰজাই অক্ষয় যশস্যাৰ বৰ মাগিলে। দৈৱবাণীয়ে 'তেনেই হ'ব (এবং ভবিষ্যতি)' বুলি ক'লে। তেতিয়া সকলো দেৱতাই চাই থাকোঁতে থাকোঁতে জল্প ৰজা শিৱলিঙ্গত মাৰ গ'ল। তেতিয়াৰপৰা শিৱলিঙ্গৰ নাম হ'ল জল্পেশ্বৰ।

তস্মিল্লিঙ্গে লয়ং প্ৰাপ্তে নৃপে জল্পে বৰাননে।
দেৱো জল্পেশ্বৰঃ খ্যাতো দেবৈৰুক্তো মহীতলে॥

আন আন পুৰাণৰ প্ৰমাণ অনুসাৰেও জল্পেশ্বৰ শিৱলিঙ্গৰ স্থান জলপাইগুৰিতেই। জলপাইগুৰিয়েই জল্প ৰজাৰ সমাধিস্থান। তেওঁৰ ৰাজ্যৰ নাম 'স্কন্দ পুৰাণ'ত নাই।

তেওঁৰ এজন পুতেকৰ নাম সুবাহু ;- তেওঁৰ ৰাজ্য আছিল জল্প ৰজাৰ চাবেক ৰাজ্যৰ পূব খণ্ড। জল্প ৰাজা যদি জলপাইগুৰিক কেন্দ্ৰ কৰি থকা ঠাইত আছিল, তেনেহ'লে সুবাহুৰ ৰাজ্য পুৰণি কামৰূপৰ ভিতৰত আছিল। কিন্তু বুৰঞ্জীৰ সুবাহু আৰু পুৰাণৰ সুবাহুৰ লগত কিবা মিল আছে নে নাই বৰ্তমানে একো জনা নাযায়। বুৰঞ্জীত জিতাৰিক ভাটীৰপৰা অহা সন্ন্যাসী বুলি কোৱা হৈছে। বৌদ্ধ ইতিহাসত ৰত্নবজ্ৰ, জিতাৰি, ৰত্নকীৰ্তি আদি কেতবোৰ পণ্ডিতৰ নাম পোৱা যায়। তেওঁলোক বিক্ৰমশিলা বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল। দীপঙ্কৰ শ্ৰীজ্ঞান বা অতীশ জিতাৰিৰ ছাত্ৰ আছিল। অতীশৰ জন্ম হয় খৃঃ ৯৮০ শতাব্দীত। বৌদ্ধ পণ্ডিত মাত্ৰেই সন্ন্যাসী, গতিকে জিতাৰি সন্ন্যাসী নামে বিক্ৰমশিলাৰ অধ্যাপক এজনক পোৱা গ'ল।

বিক্ৰমশিলা বিহাৰ প্ৰদেশত আছিল। নামৰ সাদৃশ্যত বাজে বুৰঞ্জীত জিতাৰি সন্ন্যাসীৰ লগত বৌদ্ধ পণ্ডিত জিতাৰিৰ কিবা মিল আছে নে নাই জনা নাযায়। বুৰঞ্জীত আছে জল্প ৰজাই অসম দেশত শিৱ-পূজা প্ৰচাৰ কৰে বুলি। স্কন্দ-পুৰাণৰ উপাখ্যানৰপৰা জনা যায়, অনাদি শিৱলিঙ্গ আগৰপৰাই জলপাইগুৰিত আছিল। জল্প ৰজাই শিৱমূৰ্তি আৰাধনা কৰিছিল। ৰজাই শিৱ-পূজা কৰাৰপৰা শিৱ-পূজাৰ মৰ্য্যাদা বাঢ়িল, কিন্তু পূজাৰ ক্ৰম হয়তো আগৰপৰাই আছিল।

'কালিকা-পুৰাণ' আৰু 'যোগিনী-তন্ত্ৰ'ত পুৰণি অসমৰ তীৰ্থক্ষেত্ৰবোৰৰ ভৌগোলিক সংস্থিতি প্ৰসঙ্গত ভালেমান ঐতিহ্য আৰু আচাৰ-নীতিৰ পৰিচয় পোৱা যায়। 'কালিকা-পুৰাণ', 'যোগিনী-তন্ত্ৰ'তকৈ বহু শ বছৰ আগেয়ে ৰচিত গ্ৰন্থ। তাত নৰকাসুৰৰ তত্ত্বাৱধানত কেনেকৈ নৱ-প্ৰচাৰিত দেৱী-পূজা প্ৰচাৰিত হ'ল, তাৰ সবিশেষ বিৱৰণ আছে।

'কালিকা-পুৰাণ'ত আছে যে বৰাহ, বিষ্ণু আৰু পৃথিৱী দেৱীয়ে যেতিয়া পুত্ৰ নৰকক প্ৰাগ্-

জ্যোতিষপুৰত ৰজা পাতিবলৈ লৈ আহে, তেতিয়া আগৰপৰাই সেই ৰাজ্য শিৱে স্বৰাজ (নিজৰ লীলাভূমি) হিচাপে ৰাখি আছিল।

নিমজ্য ক্ষণমাত্রেণ প্রাগ্‌জ্যোতিষপুৰং গতঃ।
মধ্যগং কামৰূপস্য কামাখ্যা যত্র নায়িকা॥
স চ দেশঃ স্বৰাজ্যার্থে পূৰ্ব্বং গুপ্তশ্চ শম্ভুনা॥ (কাঃ পুঃ ৩৯।১০৩-৪)

অর্থাৎ মিথিলাৰপৰা নৰকাসুৰ আহি কামৰূপ ৰাজ্যত ৰাজত্ব পতাৰ আগৰপৰাই এই দেশত শিৱ-পূজাৰ প্ৰাধান্য আছিল। এই দেশৰ অধিবাসীসকল কিৰাত জাতীয় আছিল। আৰু তেওঁলোকো শিৱৰ পালিত আছিল যেন লাগে। কিয়নো নৰকৰ হুকে বিষ্ণুৱে শিৱৰ অনুমতি লৈহে কিৰাতসকলক কামৰূপৰ মাজ ডোখৰৰপৰা আঁতৰাই পূবে ললিতা কান্তাক সীমা কৰি পূব সাগৰৰ পাৰে পাৰে বহুৱালে।

এবমুক্ত্বা স্বয়ং বিষ্ণুঃ শম্ভোৰনুমতেঃ তদা।
সৰ্ব্বান্ কিৰাতন্ পূৰ্ব্বস্যাং সাগৰান্তে ন্যবেশয়ৎ॥ (৩৯।২৮-৯)

ৰজা নৰক শৈৱধৰ্মৰ পৃষ্ঠপোষক আছিল। তেওঁৰ তত্বাৱধানত দেৱী-পূজাহে চলিছিল। আৰু কামাখ্যাত বাজে আন দেৱতা পূজা তেওঁৰ পক্ষে নিষিদ্ধ আছিল।

কামাখ্যাং ত্বং বিনা পুত্ৰ নান্যদেৱং যজিষ্যামি॥ (১৩৯।৫৩-৫৪)

ৰাজকীয় পৃষ্ঠপোষকতা নাপালেও ভিতৰুৱাকৈ নৰকৰ ৰাজ্যতো শিৱ-পূজা চলিয়েই আছিল—

নৈবাৰাধ্যস্তথা শম্ভুৰন্তৰ্গুপ্তঃ স মে পুৰে॥ (৪৪।৬৫-৬)

"শিৱ মোৰ আৰাধনীয় নহয়; মোৰ ৰাজ্যত শিৱ ভিতৰুৱাকৈ গুপ্তভাৱে আছে।" নৰকৰ ৰাজত্বৰ কালৰ ভিতৰতেই বশিষ্ঠ মুনিয়ে সন্ধ্যাচলত শিৱক আৰাধনা কৰিছিল—

সন্ধ্যাচলে তত্ৰ মুনিৰাৰাধয়তি শঙ্কৰম্॥ (৫৩।৯০)

শিৱৰ প্ৰধান ক্ষেত্ৰ আছিল নাটকাচল। তাত শিৱ নিত্যবিৰাজমান আৰু পাৰ্বতী দেৱী তেওঁৰ অধীনত থাকে।

নিত্যং বসতি তত্ৰেশস্তদধীনা চ পাৰ্ব্বতী॥ (৫৩।৮৪)

বুৰঞ্জীত নাটকাচলৰ মাহাত্ম্যৰ বিষয়ে এই দৰে আছে—"তাকে দ্বিতীয় কৈলাস বুলি কয়। তাতে লখীন্দাৰৰ ঘৈণীয়েক বেহুলায়ে নাট কৰি লখীন্দাৰক জীয়াইছিল।"

(কামৰূপৰ বুৰঞ্জী পৃঃ ১২১)

'কালিকা পুৰাণ'ত উল্লিখিত তীৰ্থবোৰৰ ভিতৰত শিৱৰ ক্ষেত্ৰৰ সংখ্যা আন আন দেৱতাৰ ক্ষেত্ৰতকৈ বেছি। পশ্চিমে কৰতোয়া নদীৰ পাৰৰ মহাবৃক্ষ লিঙ্গৰপৰা আৰম্ভ কৰি পূবৰ বুঢ়ী-গঙ্গা নদীৰ

পাবৰ বিশ্বনাথ শিৱৰ ক্ষেত্ৰলৈ শিৱক্ষেত্ৰৰ সংখ্যা পোন্ধৰ। ইয়াৰ বিপৰীতে বিষ্ণুক্ষেত্ৰৰ সংখ্যা চাৰি আৰু দেৱীক্ষেত্ৰৰ সংখ্যা পাঁচ।

ইয়াত বাজে কুবেৰ, অগ্নি আদি প্ৰধান দেৱতা কেতবোৰবো ক্ষেত্ৰ আছে। কিন্তু প্ৰত্যেক দেৱতাৰ ক্ষেত্ৰ একোখনকৈহে। 'যোগিনীতন্ত্ৰ' মতে পুৰণি অসমতে শিৱলিঙ্গৰ সংখ্যা কোটিতকৈও বেছি :—

সাৰ্দ্ধকোটিস্তথা লিঙ্গং ত্ৰিশতং চ কলৌ যুগে।
ভূম্যন্তৰস্থং লক্ষং চ সাৰ্দ্ধলক্ষং জলে প্ৰিয়ে॥
দ্বিলক্ষং পৰ্ব্বতে চৈব পঞ্চলক্ষং গুহাসু চ।
ভূমিপীঠে লক্ষসপ্তং বৃক্ষমূলে তু লক্ষকম্॥
কুণ্ডমধ্যগতং লিঙ্গমৰ্দ্ধলক্ষং তথৈবচ॥ (যোঃ তঃ ২।৫।২৯।৩১)

পুৰাণ আৰু তন্ত্ৰৰপৰা ওপৰত উদ্ধৃত বচনবোৰৰপৰা শিৱ-পূজাৰ প্ৰাধান্যৰ পৰিচয় পোৱা যায়। ইতিহাসৰ কালৰপৰাও পৌৰাণিক ঐতিহ্যৰ সমৰ্থন পোৱা যায়। 'কামৰূপ-শাসনাৱলী'ত খৃঃ ৭ম শতাব্দীৰপৰা ১২শ শতাব্দীলৈ সাতজন হিন্দু ৰজাৰ দহখন ফলি আছে। তাৰে এখনৰ (৯ম শতাব্দীৰ হৰ্জৰ বৰ্মাৰ) নমস্কাৰ বচন মচা গৈছে। আন এখনত (১২ শ শতাব্দীৰ ধৰ্মপালৰ দ্বিতীয় ফলিত) বৰাহৰূপী নাৰায়ণক নমস্কাৰ কৰা হৈছে। বাকী আঠখন ফলিত শিৱৰ বেলেগ বেলেগ মূৰ্তিৰ প্ৰতি প্ৰণাম বাক্য আছে। ইন্দ্ৰপালৰ (১১ শতাব্দীৰ) প্ৰথম ফলিত আছে যে ইন্দ্ৰপাল ৰজাই বহুলভাৱে শিৱমন্দিৰ প্ৰতিষ্ঠা কৰিছিল। শাসনাৱলীয়ে নিৰ্দেশ কৰা সময়ৰ পিছৰ কালতো শিৱ-পূজাৰ চলতিৰ প্ৰমাণ গুৰুচৰিত আদিৰপৰা পোৱা যায়। গোপেশ্বৰ শিৱক আৰাধনা কৰি কুসুম্বৰ ভূঞাই পুত্ৰ লাভ কৰে। সেই কাৰণে পুত্ৰৰ নাম হ'ল শঙ্কৰ। মাধৱদেৱৰ ককায়েক ৰূপচন্দ্ৰগিৰিয়ে শিৱ চতুৰ্দশী তিথিত শিৱ-পূজা কৰিবলৈ মাধৱদেৱক আদেশ কৰিছিল (দ্বিজ ৰামানন্দৰ 'গুৰু-চৰিত')। দক্ষিণপাট সত্ৰ থাপনা কৰোঁতা বনমালীদেৱৰ চৰিতত আছে যে এসময়ত বনমালীদেৱে হলেশ্বৰ নামৰ শিৱ-মূৰ্তিৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। বনমালীদেৱে একশৰণ ধৰ্মৰ মৰ্য্যাদা ৰাখি শিৱ-মূৰ্তিক—

হৰি-বুদ্ধি কৰি তাঙ্ক কৰিলন্ত সেৱ।
নমো নমো লক্ষ্মীপ্ৰতি ভগৱন্ত দেৱ।

ঐতিহাসিক যুগৰ আগৰপৰাই কেতিয়াবা মুখ্য আৰু কেতিয়াবা গৌণভাৱে অসমত শিৱ-পূজাৰ ক্ৰম চলিয়েই আছে। কোচবিহাৰৰ ৰাজপৰিয়ালে শিৱৰপৰা বংশৰ জাঁতি-গুৰি নিৰ্ণয় কৰে।

৫ দেৱী-পূজাৰ চলতি

পুৰণি অসমত দেৱী-পূজাৰ প্ৰাতিষ্ঠাৰ বিৱৰণ 'কালিকা-পুৰাণ' আৰু 'যোগিনী-তন্ত্ৰ'ত বেলেগভাৱে আছে। কামাখ্যা দেৱীক স্বয়ং ভগৱতীৰ প্ৰতিমূৰ্তি বুলি ধৰি লোৱা হৈছে। কিন্তু ভগৱতীয়েনো কেনেকৈ কামাখ্যা ৰূপ ধাৰণ কৰিলে সেই বিষয়ে বেলেগ বেলেগ শাস্ত্ৰত বেলেগ বেলেগ প্ৰবচন আছে। তাৰ ভিতৰত 'যোগিনী-তন্ত্ৰ'ত বিবৃত আখ্যান অতি পুৰণি যেন লাগে। সেইটো তলত দিয়া হ'ল।

ভগৱতী দেৱীয়ে শিৱক প্ৰশ্ন কৰিছে—

পৃচ্ছামি ত্বাং ৰহঃ কিঞ্চিৎ কামাখ্যা কা বদস্ব মে (১।১৫।১)।

"তোমাক গোপনীয় কথা এটা সুধিছোঁ, কামাখ্যা কোন মোক কোঁৱা।"

শিৱে উত্তৰ দিছে—

যা কালী পৰমা বিদ্যা ব্ৰহ্মৰূপা সনাতনী।
কামাখ্যা সৈৱ দেবেশি সৰ্ব্বসিদ্ধিবিনোদিনী॥

"কামাখ্যা দেৱী ব্ৰহ্মৰূপা সনাতনী, পৰম বিদ্যাৰপৰা অভিন্ন।"

কেনেকৈনো কালীয়ে কামাখ্যা ৰূপ ধাৰণ কৰিলে এই বিষয়ে মহাদেৱে ক'ব ধৰিলে—

পূৰ্বকালত স্বয়ম্ভু ব্ৰহ্মাই সৃষ্টি ৰচনা কৰি এটালত তেওঁৰ মনত অহঙ্কাৰ উপজিল। সৰ্বকামালয় বিশ্বখন কাৰ, আৰু ইয়াৰ নিমিত্ত কি ইত্যাদি নজনাকৈয়ে তেওঁ অহং-ভাৱাপন্ন হ'ল। তেওঁৰ অহঙ্কাৰ বিমোহ দেখি পৰমেশ্বৰীয়ে তেওঁৰ (ব্ৰহ্মাৰ) শৰীৰৰপৰা কেশী নামক দৈত্য এটি ওপজালে। দৈত্য ওলায়েই ব্ৰহ্মাক গ্ৰাস কৰোঁ বুলি লৰ মাৰিলে।

ব্ৰহ্মায়ে বিষ্ণুক লগত লৈ পলায়ন কৰিলে। তেতিয়া কেশী দৈত্যই কেশীপুৰ নামে পুৰী এখন সজালে। আৰু স্বৰ্গ, পৃথিৱী, পাতাল আদি চৰাচৰ জগত মাৰিব ধৰিলে। ব্ৰহ্মাণ্ডৰ ভিতৰত ৰব উঠিল—"ব্ৰহ্মাক মাৰ।" তেতিয়া ব্ৰহ্মাই অহঙ্কাৰ এৰি পেলাই বিষ্ণুৰ লগত কালী দেৱীক স্তৱ কৰিব ধৰিলে। ভগৱতী-স্তৱত সন্তুষ্ট হৈ তেওঁলোকক কি লাগে বুলি সুধিলে।

তেওঁলোকে ক'লে, "কেশী নামে দৈত্যই জগত উৎপীড়ন কৰিব লাগিছে। তাক মাৰি তেওঁলোকক নিস্তাৰ কৰিব লাগে।" দেৱীয়ে ক'লে—"হে ব্ৰহ্মা, বিশ্বব্ৰহ্মাণ্ডখন মায়াময়, ই কাৰো নহয়। কিন্তু ই তোমাৰ বুলি তোমাৰ মনত যে অহঙ্কাৰ হৈছিল, সেই কাৰণে বিঘ্ন মই স্ৰজিছিলোঁ। এতিয়া তোমাৰ অহঙ্কাৰ লুপ্ত হৈছে যেতিয়া এই বিঘ্ন দূৰ কৰিম।" এই বুলি দেৱীয়ে হুঙ্কাৰ কৰিলে আৰু কেশী দৈত্য ভস্মীভূত হ'ল।

দেৱীয়ে ব্ৰহ্মাক আদেশ দিলে—"তোমাৰ অহঙ্কাৰৰপৰা পাতক উপজিছিল। সেই পাপ লোপ

কৰিবৰ কাৰণে কেশী দৈত্যৰ ভস্মেৰে পাহাৰ এখন ৰচনা কৰা, পাহাৰখন যেন গৰুৰ ঘাঁহেৰে পৰিপূৰ্ণ হয়। গৰুৱে ঘাঁহ খাই যিমানেই পাহাৰ মুকলি কৰিব, তিমানেই তোমাৰ পাপৰ ক্ষয় হ'ব।"

ব্ৰহ্মায়ো কেশী দৈত্যৰ শৰীৰৰ ভস্ম একেলগ কৰি কমণ্ডলুৰ পানী ছটিয়াই পৰ্বত এখনি সজালে। পৰ্বতখন অতি ওখও নহয়, অতি চাপৰো নহয়। ই গৰুৰ ঘাঁহেৰে ঢাক খাই আছে।

গৰুৱে ঘাঁহ খাই হৃষ্ট পুষ্ট হ'ব এই কাৰণে ব্ৰহ্মাই পৰ্বতখনৰ নাম দিলে গো-বৰ্দ্ধন।

তেতিয়া ব্ৰহ্মা আৰু বিষ্ণুৱে আকৌ স্তৱ কৰিব ধৰিলে—"হে দেৱী, জগতৰ মঙ্গলৰ বাবে তোমাৰ পদযুগল পূজিবৰ কাৰণে পৃথিৱীত স্থান এখনি নিৰ্দেশ কৰা।" দেৱীয়ে ক'লে—"হে বৎস বিষ্ণু, যি ঠাইত হুঙ্কাৰ বীজমন্ত্ৰৰ দ্বাৰা কেশী দৈত্যক ভস্ম কৰা হৈছে, সেই ঠাইত তুমি মোক পূজা কৰিবা। অতি সঙ্গোপনে মোৰ অৰ্চনা কৰিবা, যেন কোনোৱে জানিব নোৱাৰে। এই স্থান বিষ্ণুৰ ক্ৰীড়াস্থান হ'ব, এইটো মই নিশ্চিত কৰি ক'লোঁ। পূৰ্বত মই বিষ্ণুক যি ইচ্ছা-শক্তি দান কৰিছো, সেই শক্তিয়ে মহালক্ষ্মী ৰূপ ধাৰণ কৰি বিষ্ণুক সেৱা কৰি থাকে। সেই শক্তিয়ে বৃন্দা (তুলসী) ৰূপ ধাৰণ কৰি ইয়াত উপজিব। আৰু সেই বৃন্দা-গছ লক্ষ্মীস্বৰূপা হ'ব।"

"তেতিয়া এই কেশীপুৰৰ নাম বৃন্দাবন হ'ব। আৰু তোমালোকে চোৱা, যি ঠাইত তোমালোকে কেশী দৈত্যৰ বধৰ কাৰণে মোৰ স্তুতি কৰিছিলা, সেই ঠাইত মোৰ যোনিমণ্ডলৰ সৃষ্টি হৈছে। এই যোনিমণ্ডল সকলো বস্তুৰেই উৎপত্তি স্থান। হে ব্ৰহ্মা, তুমি এই যোনিপূজা কৰি সৃষ্টি ৰচনা কৰিবা। কেতিয়াও ক'ৰোপৰা তোমাৰ ভয়ৰ কাৰণ নহ'ব।" ব্ৰহ্মাক লক্ষ্য কৰি দেৱীয়ে আকৌ ক'লে—"তোমাৰ কায়িক, বাচিক আৰু মানসিক পাতক হৈছে। সেই কাৰণে তুমি মোৰ যোনিপীঠ দেখিব নোৱৰা। গো-বৰ্দ্ধনৰ দৰ্শনৰপৰা তোমাৰ বাচনিক পাপৰ ক্ষয় হৈছে। আন দুটি পাপৰ ক্ষয়ৰ উপায় শুনা—তুমি ধ্যান যোগৰ দ্বাৰা নক্ষত্ৰলোকৰপৰা নক্ষত্ৰ এটি নমাই আনি সেই নক্ষত্ৰৰ পোহৰেৰে পীঠস্থান দেখি তপস্যা কৰিবা। যেতিয়া নক্ষত্ৰৰ পোহৰ আৰু যোনিমণ্ডলৰ পোহৰ একেলগে মিহলি হৈ যাব, তেতিয়া তোমাৰ সকলো পাপ খণ্ডন হ'ব। তোমাৰ আৰু অন্যৰ হিতৰ বাবে পৃথিৱীৰ ভাৰতবৰ্ষত কামৰূপ নামে মহাস্থানত যোনিমণ্ডল থাপনা কৰা হ'ল। (পৃথিব্যাং ভাৰতবৰ্ষে কামৰূপং মহালয়ম্ ১৷১৫৷৫৫) আৰু নক্ষত্ৰ স্থাপনৰ বাবে বেলেগ বেলেগ জাতিৰ ভিতৰত সেই স্থান প্ৰসিদ্ধ হ'ব।—

নক্ষত্ৰস্থাপনাত্তত্ৰ পৃথকৃজাতিষু নিশ্চয়ম্।
স্থানং তৎ গাস্যতে বৎস সৰ্ব্বলোকে নিৰন্তৰম্॥ (১৷১৫৷৪৬)

কামাখ্যাৰ যোনিপীঠ আৰু যোনিমণ্ডল বেলেগ বেলেগ ঠাই। যোনিপীঠ বিস্তৃত ভূমিখণ্ড। ইয়াৰ পৰিমাণ পাঁচ ক্ৰোশ (পঞ্চ ক্ৰোশমিদং দেবি ১৷১১৷২৯)। তাৰ ভিতৰত নীল নামে পৰ্বতত মনোভৱ গুহাৰ ভিতৰত যোনিমণ্ডল আছে। এই পাঁচ ক্ৰোশৰ ভিতৰত আন আন পৰ্বতো আছে। তাৰ ভিতৰত প্ৰধান হৈছে ব্ৰহ্মশৈল, নীলশৈল, মণিপৰ্বত আৰু ভস্মাচল।

তত্ৰ পূৰ্ব্বো ব্ৰহ্মশৈলঃ শ্বেত ইত্যুচ্যতে সুৰৈঃ ॥
মত্ৰ্যৰূপধাৰী শৈলস্তু নীল ইত্যুচ্যতে তথা ॥
বিভ্ৰাজমানঃ সততং মধ্যে ব্ৰহ্মবৰাহয়োঃ।
যোঽনন্তৰূপঃ শৈলঃ বায়ব্যাং সমবস্থিতঃ ॥
মণিপৰ্ব্বতসংজ্ঞোঽসৌ পৰ্ব্বতো মাধবপ্ৰিয়ঃ।
ব্ৰহ্মশক্তিশিলায়াস্তু পূৰ্ব্বভাগে তু মধ্যতঃ।
যস্তু পৰ্ব্বতৰূপোঽয়ং স তু ভস্মাচলাহ্বয়ঃ ॥
(কাঃ পুঃ ৬২।৬৮-৭৫)

ভস্মাচলৰ মধ্য-ভাগতেই উৰ্বশীকুণ্ড আছে (উৰ্ব্বশী ভস্মকূটস্যমধ্যে কুণ্ডং সদা বৃতম্ ৭৯।৩৮)। উৰ্বশীকুণ্ডৰ মাহাত্ম্যও অন্য তীৰ্থতকৈ বেছি। প্ৰথমে কামাখ্যা দৰ্শন কৰি, উৰ্বশীকুণ্ডত স্নান কৰিবলৈ আন আন তীৰ্থত স্নান কৰিলেহে মুক্তি লাভ হয় (৭৯।৮৭)।

এই পৰ্বতবোৰ উপাখ্যানত উল্লিখিত দেৱতাসকলৰ স্থানৰ লগত সংশ্লিষ্ট যেন লাগে। ওপৰন্ত কালী আৰু কামাখ্যাদেৱী অভিন্ন বুলি কোৱা হৈছে। কিন্তু কামাখ্যা শব্দটোৰ অৰ্থ কি আৰু কালীৰ নামেই বা কামাখ্যা কিয় হ'ল --ইয়াৰ নিৰুক্তি 'যোগিনী তন্ত্ৰ'ত নাই। দেৱীয়ে কালীৰূপে কেশী দৈত্যক বধ কৰিলে হয়, কিন্তু তেওঁ নতুন ৰূপ ল'লে যোনিমণ্ডল, যাক অৰ্চনা কৰি ব্ৰহ্মাই ভৱিষ্যতে সৃষ্টি ৰচনা কৰিব। কিন্তু যোনিমণ্ডলক কিয় কামাখ্যা বোলা হ'ল 'যোগিনী তন্ত্ৰ' নিৰুত্তৰ।

'কালিকা পুৰাণে' কামাখ্যাৰ নিৰুক্তি দিছে। কিন্তু 'যোগিনী তন্ত্ৰ'ৰ উপাখ্যানৰ লগত তাৰ সম্বন্ধ নাই। 'কালিকা-পুৰাণ' মতে দেৱীয়ে গোপনে শিৱৰ লগত কাম সম্ভোগ কৰিব আহিছিল। সেই কাৰণে নাম হ'ল কামাখ্যা।

কামাৰ্থমাগতা যস্মান্ময়া সাৰ্দ্ধং মহাগিৰৌ।
কামাখ্যা প্ৰোচ্যতে দেবী নীলকূটে ৰহো গতা ॥ (৬২।১)

কামাখ্যা শব্দটোৰ অৰ্থ হৈছে "কামা"—নামক। দেৱীৰ আন এটি নাম 'কামা' (কামদা, কামিনী, কামা, কান্তা, কামাঙ্গদায়িনী (৬২।২)।

আকৌ দক্ষ যজ্ঞৰ পিছত সতীৰ অঙ্গচ্ছেদক লক্ষ্য কৰি কোৱা হৈছে—

নীলকূটে ময়া সাৰ্দ্ধং দেবী ৰহসি সংস্থিতা ॥
সত্যাস্তু পতিতং তত্ৰ বিশীৰ্ণং যোনিমণ্ডলং।
শিলাত্বমগমচ্ছৈলে কামাখ্যা তত্ৰ সংস্থিতা ॥ (৬২।৭৭)

এই ব্যাখ্যাৰ লগত 'যোগিনী তন্ত্ৰ'ৰ মিল নাই। কামাখ্যা দেৱীৰ কালীৰূপে দৈত্যবধ আৰু যোনিমণ্ডল ৰূপে কাম-সম্ভোগ দুটি সম্পূৰ্ণ বেলেগ উপাখ্যানৰ সংমিশ্ৰণ। আৰু এই দুয়োভাৰে তেওঁৰ পূজাও দুটি বেলেগ বেলেগ সময়ৰ বেলেগ বেলেগ স্তৰৰ কথা।

কামাখ্যাদেৱীৰ দুটি বেলেগ ৰূপৰ কল্পনা 'কালিকা-পুৰাণে' স্বীকাৰ কৰিছে—এটি সংহাৰ মূৰ্তি এটি সম্ভোগ মূৰ্তি।

মহামায়াশৰীৰন্তু কামাৰ্থং সমুপস্থিতং।
লোহিতৈঃ কুঙ্কুমৈঃ পীতং কামাৰ্থমুপযোজিতৈঃ॥
খড়গং ত্যক্ত্বা কামকালে সা গৃহ্লাতি স্রজং স্বয়ং।
যদা তু ত্যক্তকামা সা তদা স্যাদসিধাৰিণী॥
কামকালে শিবপ্ৰেতে স্বস্তলোহিতপঙ্কজে।
ৰমতে ত্যক্তকামা তু মিতপ্ৰেতোপৰি স্থিতা॥
তথৈবেতস্ততো গত্যা সিংহস্থা কামদা ভবেৎ।
কদাচিৎ সা সিতপ্ৰেতে কদাচিৎ ৰক্তপঙ্কজে॥
কদাচিৎ কেশৰীপৃষ্ঠে ৰমতে কামৰূপিণী॥ (৬০।৫৬)

সংহাৰ-মূৰ্তিত দেৱীয়ে হাতত খড়্গ লৈ বগা প্ৰেত (মৰা শ')ৰ ওপৰত অৱস্থান কৰে। আৰু সম্ভোগ-মূৰ্তিত হাতত ফুলৰ মালা লয় আৰু ৰঙা পদ্মফুলৰ ওপৰত আসন লয়। দেৱীৰ এই দ্বৈত মূৰ্তি একে সময়ৰেই বিকাশ নহয়। ভিন্ন ভিন্ন সময়ৰ ভিন্ন ভিন্ন মাহাত্ম্য- লগ লাগি কালক্ৰমে এই দ্বৈত-ভাৱত পৰিণত হৈছে। কামা বা কামাখ্যা শব্দটোৰ অৰ্থ ইয়াৰ কোনটো মূৰ্তিৰ বিৱৰণৰ লগত খাপ খায় সেইটো অনুসন্ধান কৰিবলগীয়া। 'কালিকা-পুৰাণ'ৰ নিৰুক্তি কাল্পনিক।

কামাখ্যা শব্দটোৰ ব্যাকৰণগত অৰ্থ হৈছে "কামা" নামক। কামাখ্যা দেৱী "কামা" নামক দেৱী = যি দেৱীৰ নাম হৈছে কামা। এই "কামা" শব্দটো আৰ্য্যেতৰ ভাষা সম্ভূত = কামই, কাময়ত, কোমুই, কামেত ইত্যাদি = শ্মশান প্ৰেত, মৰা শ। কেশী দৈত্যৰ শ্মশানত প্ৰথমে আবিৰ্ভাৱ হৈছিল বুলি কালীৰ আন এটি নাম হ'ল "কামা"। "কেশী" শব্দটোও অনাৰ্য্য ভাষাৰপৰা অহা। 'যোগিনী-তন্ত্ৰ'ৰ উপাখ্যানত শ্ৰীকৃষ্ণৰ বৃন্দাবন লীলাৰ লগত কেশীপুৰৰ সম্বন্ধ এটি স্থাপনা কৰিবৰ চেষ্টা দেখা যায়। গো-বৰ্দ্ধন, বৃন্দাবন আদি দ্ব্যৰ্থক শব্দ তাৰ উদাহৰণ। কেশী নামে দৈত্য এটা শ্ৰীকৃষ্ণই বধ কৰিছিল। দেৱীয়ে কেশী দৈত্যক ভস্মীভূত কৰিলে। কৃষ্ণ লীলাৰ গো-বৰ্দ্ধন, বৃন্দাবন আদি শব্দ বিভিন্ন অৰ্থত কেশীপুৰৰ লগত মিলোৱা হৈছে। সেই দৰে কৃষ্ণ লীলাৰ "কেশী" আৰু কেশীপুৰৰ "কেশী" সমধ্বন্যাত্মক হ'লেও বেলেগ অৰ্থ প্ৰকাশ কৰিছে। কৃষ্ণ লীলাৰ বৃন্দাবন এখন বনৰ নাম। কেশীপুৰৰ বৃন্দাবন হৈছে তুলসী বন। সেইদৰে কৃষ্ণ লীলাৰ কেশী এটি অসুৰৰ নাম, কেশীপুৰৰ "কেশী" এটি গছৰ নাম। অষ্ট্ৰিক খাচিয়া ভাষাত (Kesh) ক্সেহ = সৰল গছ। ক্সেহ = কেসেহ = কেশে = কেশি। এনে অনুমান হয় যে সৰল গছেৰে আবৃত নটিয়া পৰ্বত এখন শ্মশানভূমি আছিল। সেই গছবোৰ পুৰি পৰ্বত মুকলি কৰি সেই শ্মশানতেই কোনোবা সন্ন্যাসীয়ে "কামা" নামে শ্মশান দেৱীৰ পূজা আৰম্ভ কৰিলে। কালক্ৰমে সেই কামা নামক দেৱী মহাকালীৰ ৰূপান্তৰ বুলি স্বীকৃত হ'ল। পূজক আৰু

স্থানৰ নাম অনুসাৰে দেৱী অসংখ্য নাম, যেনে—চামুণ্ডা; কিৰাতী, হৈমৱতী, বিন্ধ্যবাসিনী ইত্যাদি। গছৰ নাম অনুসাৰে দৈত্যসকলৰ নামৰ উদাহৰণ, যেনে—বন্তাসুৰ—বন্ত নামক অসুৰ। বন্ত—বাঁহ গছ। 'যোগিনী-তন্ত্ৰ'ৰ উপাখ্যান আৰু কামা শব্দৰ নিৰুক্তিৰপৰা অনুমান হয় মহাকালী পূজা অসমত প্ৰথমে দেৱীৰ সংহাৰ মূৰ্তিত শ্মশান পূজা হিচাপে চলিছিল। পিছৰ কালত তন্ত্ৰৰ যুগত যোনিপূজাৰ প্ৰবৰ্তন হ'লত, "কামা"=কালীৰ সংহাৰ মূৰ্তিৰ দ্বৈতৰূপ হিচাপে যোনিপূজা ইয়াৰ চামিল কৰা হ'ল।

ঐতিহাসিক দৃষ্টিৰ ফালৰপৰাও দেখা যায় যে যদিও "কামৰূপ" নাম অতি পুৰণি, তথাপি তন্ত্ৰ শাস্ত্ৰত যেনে' কামৰূপ বুলিলে কামাখ্যা যোনিমণ্ডলৰ মাহাত্ম্যহে গৌৰৱাই দিয়া হয়, প্ৰাচীন মহাপুৰাণবোৰত কামৰূপৰ মাহাত্ম্য কামাখ্যা পূজাৰ লগতেই সংশ্লিষ্ট নহয়। 'মাৰ্কণ্ডেয় পুৰাণ'তেই প্ৰথমে দেৱী মাহাত্ম্য আখ্যান স্বৰূপে ব্যক্ত হয়। কিন্তু 'মাৰ্কণ্ডেয় পুৰাণ'ত কামৰূপ সূৰ্য্য পূজাৰ বাবেহে প্ৰসিদ্ধ বুলি উল্লেখ কৰা হৈছে। সুদাম নামে গন্ধৰ্ব এজনে সূৰ্য্যদেৱৰ উপাসক দ্বিজ কেইজনমানক উদ্দেশ্য কৰি কৈছে—পৰ্বতেৰে ঢাক খাই থকা কামৰূপত গুৰু-বিশাল নামে এখন অৰণ্য আছে। সি সিদ্ধসকলৰ লীলাভূমি, তোমালোকে সোনকালে তালৈ গৈ সূৰ্য্যদেৱতাৰ ধ্যান কৰা। তোমালোকৰ কামনা সিদ্ধ হ'ব। (মাঃ পুঃ ১০৯।৫৫-৫৮)

যোনি তীৰ্থ হিচাপে কামাখ্যাৰ প্ৰসিদ্ধি হয় তন্ত্ৰৰ যুগত। আৰু আগৰ কামাখ্যা-কালীৰ ক্ষেত্ৰকেই পিছৰ কামাখ্যা-যোনিক্ষেত্ৰ হিচাপে অভিষিক্ত কৰা হয়।

৬ দেৱীৰ সংহাৰ-মূৰ্তি

মহাদেৱীৰ সম্পূৰ্ণ কল্পনা যদিও 'মাৰ্কণ্ডেয়-পুৰাণ'ৰ দেৱী-মাহাত্ম্য খণ্ডত দেখা যায়, তথাপি তেওঁৰ অভিব্যক্তি পূৰ্ব ৰচিত 'মহাভাৰত' আৰু 'হৰিবংশ'ত সূচিত হোৱা দেখা যায়। ভীষ্ম পৰ্বত কৃষ্ণৰ আদেশমতে অৰ্জুনে দুৰ্গাক স্তব কৰিছে (অধ্যায় ২৩)। বিৰাট পৰ্বত (অধ্যায় ৬) যুধিষ্ঠিৰে দুৰ্গাক স্তৱ কৰিছে। অৰ্জুনৰ স্তৱত দুৰ্গাৰ এইবোৰ নাম উল্লেখ আছে—কুমাৰী, কালী, কাপালী, মহাকালী, চণ্ডী, কাত্যায়নী, কৰালা, বিজয়া, কৌশিকী, উমা, কান্তাৰবাসিনী। যুধিষ্ঠিৰৰ স্তৱত তেওঁক মহিষাসুৰনাশিনী বুলি সম্বোধন কৰা হৈছে। তেওঁ মদ, মাংস আৰু জন্তুবলিপ্ৰিয়। তেওঁ নাৰায়ণপ্ৰিয়া, বাসুদেৱভগ্নী আৰু বিন্ধ্যবাসিনী। 'হৰিবংশ'ত (৫৮ অধ্যায়) তেওঁনো কেনেকৈ শ্ৰীকৃষ্ণৰ ভনীটি হ'বলৈ পালে তাৰ উপাখ্যান আছে। বিষ্ণুৱে পাতাললৈ গৈ কালৰূপিণী নিদ্ৰাক আৰাধনা কৰি ক'লে যেন তেওঁৰ অনুচৰ বড়গৰ্ভই ক্ৰমে ক্ৰমে দেৱকীৰ গৰ্ভত থিতাপি লয়। তাৰ পিছত সপ্তম গৰ্ভক যেন দেৱকীৰপৰা ৰোহিণীৰ গৰ্ভত থিতাপি কৰা হয়। আৰু নিদ্ৰাদেৱী স্বয়ং যেন নন্দৰ ঘৈণী যশোদাৰ গৰ্ভত থিতাপি লয়। নিদ্ৰাদেৱীক যেতিয়া শ্ৰীকৃষ্ণৰ সলনি দেৱকীৰ ওচৰলৈ লৈ

যোৱা হয়, আৰু যেতিয়া কংসই তেওঁক শিলত আফালি মাৰিবৰ উপক্ৰম কৰে, তেতিয়া তেওঁ আকাশলৈ উঠি যাব। তেতিয়া ইন্দ্ৰ দেৱতাই তেওঁলৈ বিন্ধ্য পৰ্বতত চিৰকলীয়া বাসভূমি নিৰ্দেশ কৰিব, আৰু তেৱোঁ বিষ্ণুক আৰাধনা কৰি শুম্ভ, নিশুম্ভ দৈত্য দুজনক বধ কৰিব। 'হৰিবংশ'ত (দুৰ্গা) দেৱীক উদ্দেশ্য কৰি আৰ্য্যাস্তৱ বুলি এটি স্তৱ আছে য'ত তেওঁক শবৰ, পুলিন্দ, বৰ্বৰসকলৰ দ্বাৰা পূজিত বুলি কোৱা হৈছে (শবৰৈবৰ্ব্বৰৈশ্চব পুলিন্দৈশ্চ সুপূজিতা। (৫৯ অধ্যায়)।

'মাৰ্কণ্ডেয়-পুৰাণ'ৰ চণ্ডী-মাহাত্ম্যৰ মহাদেৱীৰ আঁতি-গুৰিৰ কেতবোৰ উপাদান 'মহাভাৰত', 'হৰিবংশ' আদি ৰচনাৰ সময়তেই প্ৰচলিত আছিল। 'মাৰ্কণ্ডেয়-পুৰাণ' ৰচয়িতাই সকলো উপাদান সংগ্ৰহ কৰি দেৱীমাহাত্ম্য উপাখ্যান হিচাপে লিপিবদ্ধ কৰিছে। তেতিয়াৰপৰা এটি নতুন পূজাৰ ক্ৰম চলতি হ'ল।

দেৱীমাহাত্ম্যত কালী আৰু চামুণ্ডা দুটি নামৰ উল্লেখ দেখা যায়। কালী নামটো মহাকালীৰপৰা বেলেগে দেখুৱা হৈছে। কালী দেৱীৰ কপালৰপৰা ওলাইছে আৰু দেৱীয়ে তেওঁৰ নাম দিলে চামুণ্ডা। কিয়নো তেওঁ (কালীয়ে) চণ্ড আৰু মুণ্ড নামে দুজন অসুৰ বধ কৰিছিল।

চামুণ্ডা দেৱীলৈ পূজাৰ প্ৰধান উপকৰণ নৰবলি। ভৱভূতিৰ 'মালতী-মাধৱ' নাটকৰ পঞ্চম অঙ্কত চামুণ্ডা-পূজাৰ আয়োজনৰ কথা আছে। পূজাৰীসকলে পদ্মাৱতী নগৰত নৰবলি দিবৰ উপক্ৰম কৰিছিল।

নৰবলি প্ৰথা আৰু দেৱীক বিন্ধ্যবাসিনী বোলা উপাধি আদিবোৰৰপৰা পুৰাণ বিশেষজ্ঞ পণ্ডিতসকলে অনুমান কৰে যে দেৱীমাহাত্ম্য দক্ষিণ ভাৰতৰ নৰ্মদা নদীৰ উপত্যকাতেই প্ৰথমে প্ৰকাশ হয়। নৰবলি প্ৰথা মধ্য ভাৰতৰ অসভ্য জাতিবোৰৰ ভিতৰত আধুনিক সময়লৈকে প্ৰচলিত আছিল। ত্ৰিপুৰাসুৰ, মহিষাসুৰ আদি অসুৰসকল নৰ্মদা উপত্যকাৰ ঐতিহ্যত সংশ্লিষ্ট।

মহাদেৱীৰ আদিম পূজক শবৰ, পুলিন্দ আদিও মধ্য ভাৰতৰ জাতি। চামুণ্ডা শব্দটোও মুণ্ডা জাতিৰ লগত সম্বন্ধ ধ্বনিত কৰে যেন লাগে। দুৰ্গা পূজাৰ দশমীৰ দিনাখন শবৰোৎসৱ নামে উৎসৱ এটিৰ বিধান আছে। তাৰপৰাও আদিম শবৰ আদি জাতিৰ লগত দেৱী-পূজাৰ সম্বন্ধ দেখা যায়।

দেৱীৰ যদিও অসংখ্য নাম, তাৰপৰা এইটো যেন বিবেচনা কৰা নহয় যে এজনা দেৱীৰেই অভিব্যক্তি ভেদে ইমান নামকৰণ কৰা হৈছে। পণ্ডিতসকলে বেলেগ বেলেগ নামৰ আঁৰত বেলেগ বেলেগ স্থানীয় দেৱতাৰ সত্তা দেখে। আৰু পিছৰ কালত সেইবোৰক সকলোকে মহাদেৱীৰেই ৰূপভেদ বুলি স্বীকাৰ কৰি লৈ বহুলৰ ভিতৰত একৰ সংস্থিতি স্থাপনা কৰা হৈছে।

নাৰায়ণপ্ৰিয়া, বাসুদেৱভগ্নী আদি উপাধিৰপৰা এইটো অনুমান হয় যে দেৱী-পূজা প্ৰথমে বিষ্ণুৰ তত্ত্বাৱধানতহে চলিছিল। শিৱৰ লগত ইয়াৰ সংযোগ নাছিল। সেই কাৰণে বিষ্ণুৱে থাপনা কৰা নৰকৰ প্ৰতি বিষ্ণুৰ আদেশ আছিল যেন নৰকে কামাখ্যাত বাজে আন দেৱতাক যজন নকৰে। শৈৱ বাণৰো সকলো যুক্তি-তৰ্ক বিষ্ণুৰ মাহাত্ম্য খৰ্ব কৰিবলৈ প্ৰয়োজিত হৈছিল।

হৰিবংশৰ যড়্গাৰ্ভৰ কাহিনীক লক্ষ্য কৰি ভাৰতীয় বিদ্যাৰ পণ্ডিত মুয়াৰ চাহাবে লিখিছে—"The object of this passage seems to be to take Durga and her worship (the extensive prevalence of which could not be ignored by the Vaiṣṇavas) under the protection and patronage of Viṣṇu. (J. Muir : *Original Sanskrit Texts.* Part IV, 1863, p. 370)

৭ দেৱীৰ সম্ভোগ-মূৰ্তি : দক্ষ-যজ্ঞ আৰু সতী

পৌৰাণিক উপাখ্যানবোৰক এইদৰে বৰ্ণনা কৰিব পাৰি—গুটিৰপৰা গছ, গছৰপৰা ঠাল-ঠেঙুলি। ঠাল-ঠেঙুলিৰপৰা পাত, তাৰ পিছত ফুল। পৌৰাণিক আখ্যানৰ এই ক্ৰমবিকাশৰ অভিনয় এই পুথিতেই বস্তুত পোৱা যাব।

(১) দক্ষ প্ৰজাপতিৰ যজ্ঞৰ কথা বৈদিক 'তৈত্তিৰীয়-সংহিতা'ত উল্লেখ আছে। দক্ষই যজ্ঞৰপৰা ৰুদ্ৰ দেৱতাক বাদ দিছিল। এই ৰুদ্ৰই খণ্ডতে কাঁড় মাৰি যজ্ঞৰ বলি নষ্ট কৰিছিল আৰু পুষা দেৱতাই বলি ভক্ষণ কৰোঁতে তেওঁৰ দাঁত ভাঙিছিল।

(২) 'মহাভাৰত'ত আছে যে ৰুদ্ৰই খণ্ডতে চিঞৰিব ধৰিলে। কাঁড়েৰে যজ্ঞৰ বলি নষ্ট কৰিলে। দেৱতা আৰু অসুৰসকল ভয়তে কঁপিব ধৰিলে। ৰুদ্ৰই প্ৰচণ্ড মূৰ্তি ধাৰণ কৰি ভগ দেৱতাৰ চকু উভালি পেলালে আৰু গোৰ মাৰি পুষা দেৱতাৰ দাঁত ভাঙিলে। দেৱতা আৰু ঋষিসকলে তেতিয়া ৰুদ্ৰক সন্তুষ্ট কৰিলে আৰু যজ্ঞৰ বলিৰ ভাগ এটি তেওঁলৈ আগবঢ়ালে।

(৩) 'মহাভাৰত'ৰ শান্তি-পৰ্বৰ বিৱৰণ বেলেগ। দক্ষই বিষ্ণু-যজ্ঞ পাতিলে। কিন্তু শিৱক নিমন্ত্ৰণ কৰা নহ'ল। শিৱৰ ঘৈণীয়েক উমাই স্বামীৰ প্ৰতি অপমান লক্ষ্য কৰি আছিল। আৰু শিৱক উত্তেজিত কৰি যজ্ঞ ভাঙি দিবলৈ প্ৰৰোচনা দিলে। শিৱে বীৰভদ্ৰ নামে দৈত্য এটিৰ সৃষ্টি কৰি যজ্ঞ ভঙাই দিলে। দেৱতাসকলৰ দুৰ্গতিৰ সীমা নোহোৱা হ'ল। দক্ষই শিৱক স্তৱ কৰি তেওঁৰ প্ৰাধান্য স্বীকাৰ কৰিলে আৰু তেওঁক সন্তুষ্ট কৰিলে। (শান্তি পৰ্ব : অধ্যায় ২৮২-২৮৪)। বেলেগ পৌৰাণিক বিৱৰণত আছে যে দক্ষৰ মূৰ কাটি যজ্ঞীয় জুইত পেলাই দিয়া হৈছিল।

শিৱই পিছত সন্তুষ্ট হৈ যেতিয়া সকলোৰে জীৱদান কৰিলে, তেতিয়া দক্ষৰ মূৰ বিচাৰি পোৱা নগ'ল; সেই কাৰণে ছাগলীৰ মূৰ এটাকে যোৰা দিয়া হ'ল। 'হৰিবংশ'ত আছে—বিষ্ণুৱে শিৱক পৰাভূত কৰি নিজৰ প্ৰাধান্য স্বীকাৰ কৰিবলৈ শিৱক বাধ্য কৰিলে।

শান্তি-পৰ্বৰ উপাখ্যানত উমাদেৱীৰ উল্লেখ আছে। তেওঁ হিমালয়ৰ কন্যা। পূৰ্ব জন্মত তেওঁ যে দক্ষ কন্যা সতী আছিল তাৰ উল্লেখ নাই। আন আন বিৱৰণ মতে সতীয়ে দক্ষ শিৱৰ বিৰোধৰ কাৰণে দেহত্যাগ কৰিছিল। আৰু পিছৰ জন্মত হিমালয় কন্যা উমা নামে জন্ম গ্ৰহণ কৰিছিল।

'বিষ্ণু-পুৰাণ'ত আছে সতীয়ে স্বামী আৰু পিতৃৰ বিৰোধৰ কাৰণে দেহত্যাগ কৰে। কাশী খণ্ডত আছে যে দক্ষ কন্যাই জুইত প্ৰবেশ কৰি 'সতী' গ'ল। সতীয়ে পিছৰ কালত হিমালয় কন্যা উমা নামে জন্মগ্ৰহণ কৰে।

আটাইবোৰ উপাখ্যান লগ লগালে দক্ষ দুজন ওলায়। এজন হৈছে সতীৰ পিতাক আৰু শিৱৰ শহুৰেক। শহুৰেক-জোঁৱায়েকৰ বিৰোধৰ ফলত সতীয়ে দেহত্যাগ কৰি পিছৰ জন্মত হিমালয় কন্যা উমা হিচাপে জন্মগ্ৰহণ কৰি পুনৰায় শিৱক পতিৰূপে পায়। আনজন দক্ষৰ শিৱৰ লগত কোনো বৈবাহিক সম্বন্ধ নাই, শিৱৰ পত্নী উমাৰো সতীৰ লগত জন্মান্তৰ সম্বন্ধ নাই। দক্ষই যজ্ঞলৈ শিৱক নিমন্ত্ৰণ নকৰি তেওঁক অপমান কৰা বাবে শিৱই তেওঁক উৎপীড়ন কৰিছিল। তন্ত্ৰ আৰু উপ-পুৰাণত দক্ষক শিৱৰ শহুৰেক পাতি দক্ষৰ অৱজ্ঞাত সতীয়ে প্ৰাণত্যাগ কৰাৰ কাহিনী আছে।

এইটো পুৰণি দক্ষ-কন্দ্ৰ আখ্যানত নতুনকৈ যোৰা দিয়া কাল্পনিক উদ্ভাৱনা।

৮ সতীৰ অঙ্গচ্ছেদ

(৪) দেহত্যাগৰ পিছত শিৱে সতীৰ মৰা শ কান্ধত লৈ ঘূৰি ফুৰাৰ বিৱৰণ মহাপুৰাণত নাই। ই পিছৰ কালত ৰচিত তন্ত্ৰৰ উদ্ভাৱনা। কেৱল উপ-পুৰাণ 'দেৱী-ভাগৱত' আৰু 'কালিকা-পুৰাণ'ত এই আখ্যানৰ বিৱৰণ আছে। আৰু পুৰাণৰ ফালৰপৰা 'কালিকা-পুৰাণে'ই এই উপাখ্যানৰ মূল প্ৰমাণ। তাৰ পিছত 'বৃহৎধৰ্ম-পুৰাণ'ত ইয়াৰ পুনৰুক্তি আছে। দক্ষই শিৱক যজ্ঞলৈ নিমন্ত্ৰণ নকৰিলে। কিয়নো শিৱ কপালী। কপালীৰ ভাৰ্য্যা হিচাপে সতীও নিমন্ত্ৰণৰ অযোগ্যা। এই অপমানত সতীয়ে যোগ প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰাণত্যাগ কৰিলে। শিৱে যজ্ঞ নাশ কৰি সতীৰ শ কান্ধত লৈ পূৰ্বদেশৰ ফালে যাত্ৰা কৰিলে। ব্ৰহ্মা, বিষ্ণু আৰু শনিয়ে সতীৰ শ'ৰ ভিতৰত সোমাই ঠায়ে ঠায়ে অঙ্গচ্ছেদ ঘটালে।

অথ শোকবিমূঢ়াত্মা বিলপন্ বৃষভধ্বজঃ।
জগাম প্ৰাচ্যদেশাংস্তু স্কন্ধে কৃত্বা সতীশবম্॥

... .

দেবীকূটে পাদযুগ্মং প্ৰথমং ন্যপতৎ ক্ষিতৌ।
উড্ডিয়ানে চোৰুযুগ্মং দ্বিতায় জগতাং ততঃ॥
কামৰূপে কামগিৰৌ ন্যপতৎ যোনিমণ্ডলম্।
তত্ৰৈব ন্যপতৎ ভূমৌ পূৰ্ব্বতো নাভিমণ্ডলম্॥

জালন্ধৰে স্তনযুগং বৰ্ণহাৰবিভূষিতম্।
অংশগ্ৰীবং পূৰ্ণগিৰৌ কামৰূপাত্ততঃ শিৰঃ॥
যাৱদ্ভুৱং গতো ভৰ্গঃ সমাদায় সতীশৱম্।
প্ৰাচ্যেষু যাজ্ঞিকো দেশস্তাৱদেৱ প্ৰকীৰ্ত্তিতঃ॥
অন্যে শৰীৰাৱয়ৱা লৱশঃ খণ্ডিতাঃ সুৰৈঃ।
আকাশগঙ্গামগমন্ পৱনেন সমীৰিতাঃ॥
যত্ৰ যত্ৰাপতন্ সত্যাস্তদা পাদাদয়ো দ্বিজাঃ।
তত্ৰ তত্ৰ মহাদেৱঃ স্বয়ং লিঙ্গস্বৰূপধৃক্।
তস্থৌ মোহসমযুক্তঃ সতীস্নেহৱশানুগঃ॥ (১৮।৩৭—)

"প্ৰথমে দেৱীকূটত পাদযুগল পৰিল। উড্ডিয়ানত উৰু দুখন আৰু কামৰূপৰ কামগিৰিত যোনিমণ্ডল পৰিল। তাৰে পুৱফালে মাটিত (বৰ্তমান উগ্ৰতাৰা ক্ষেত্ৰত) নাভিমণ্ডল পৰিল। জালন্ধৰত স্তনযুগল আৰু পূৰ্ণগিৰিত কান্ধ আৰু গল পৰিল। কামৰূপ এৰি গৈ শিৰ পৰিল। শৰীৰৰ বাকী অংশবোৰ দেৱতাসকলে টুকুৰা-টুকুৰিকৈ কাটিলত, বতাহত উৰি গৈ আকাশী-গঙ্গাত পৰিল।

সতীৰ শ' কান্ধত লৈ পূৰ্বদেশৰ যিমানখিনিলৈ শিৱে গৈছিল, তিমানখিনিয়েই যজ্ঞৰ বাবে পবিত্ৰ ভূমি।

নাভিমণ্ডল পৰা স্থান হৈছে উগ্ৰতাৰা ক্ষেত্ৰ।

ব্ৰহ্মশৈলস্য পূৰ্ব্বস্যাং ভূমিপীঠে ব্যৱস্থিতম্।
চাৰুনিম্নগুভাৱৰ্ত্তং কামাখ্যানাভিমণ্ডলম্॥
তত্ৰোগ্ৰতাৰাৰূপেণ ৰমতে পৰমেশ্বৰী।
তত্ৰ তেনৈৱ ৰূপেণ পূজিতব্যা শুভাম্বিকা॥ (৭৯।৭৫)

দেৱীৰ মূৰ কোন থানত পৰিল, তাৰ উল্লেখ নাই যেন লাগে। কেৱল আছে যে দেৱীৰ মূৰ য'ত পৰিল শিৱে অতি শোকপৰায়ণ হৈ বহি পৰিল আৰু শিলামূৰ্তি প্ৰাপ্ত হ'ল।

যত্ৰৈৱ পতিতং সত্যাঃ শিৰস্তত্ৰ বৃষধ্বজঃ।
উপৱিষ্টঃ শিৰোবীক্ষ্য শ্বসন্ শোকপৰায়ণঃ॥
* * *
গত্বা শিলাত্বং তত্ৰৈৱ লিঙ্গত্বং গতবান্ হৰঃ। ১৮।৫৫

কিন্তু য'ত সতীৰ যোনি পৰিছিল, সেয়ে তীৰ্থৰ ভিতৰত শ্ৰেষ্ঠ।

তীৰ্থচূড়ামণিস্তত্ৰ যত্ৰ যোনি পপাত হ।
তীৰে ব্ৰহ্মনদাখ্যস্য মহাযোগস্থলং হি তৎ॥
(বৃহদ্ধৰ্ম-পুৰাণ ৪০।৩৭)

তন্ত্ৰ আৰু উপপুৰাণৰ মতে এয়ে যোনিমণ্ডলৰ সূত্ৰপাত। কিন্তু আগৰ প্ৰবন্ধত দেখুৱা হৈছে— 'যোগিনী-তন্ত্ৰ'ই এই উপাখ্যানৰ উল্লেখ কৰা নাই। যোনি অধিষ্ঠাত্ৰী দেৱীৰ কল্পনা দুৰ্গা, কালী আদি কল্পনাৰ পিছৰ কল্পনা। 'তন্ত্ৰ-চূড়ামণি' আদি গ্ৰন্থত আছে যে সতীৰ বেলেগ বেলেগ অঙ্গৰ নাম অনুসাৰে সমস্ত ভাৰতবৰ্ষত ৫১টি পীঠৰ সৃষ্টি হৈছে। গ্ৰন্থভেদে ৫০ বা ৫২টি পীঠৰো উল্লেখ আছে। আন নহ'লেও সতীৰ অঙ্গচ্ছেদৰ কল্পনাৰপৰা প্ৰধান প্ৰধান কালী ক্ষেত্ৰবোৰক একতাৰ সূতাৰে বান্ধি লোৱা হৈছে। প্ৰথমে নানান ঠাইত নানান স্থানীয় গ্ৰামদেৱীৰ পূজা চলিছিল। অঙ্গচ্ছেদ কল্পনাৰ দ্বাৰা সকলো স্থানীয় গ্ৰামদেৱীয়েই একে মূলৰপৰা সম্ভূতা, আৰু এক সতীৰেই অৱয়ৱ অনুসাৰে বেলেগ ৰূপ, এইটো প্ৰতিপন্ন কৰা হৈছে। বৈষ্ণৱৰ যেনেকৈ বিষ্ণুৰ দশাৱতাৰৰ লীলাভূমিৰ নাম অনুসাৰে তীৰ্থৰ নাম, শৈৱৰ যেনেকৈ দ্বাদশলিঙ্গ ক্ষেত্ৰ, শাক্তৰো তেনেকৈ সতীৰ অঙ্গৰ পতনভূমিৰ নাম অনুসাৰে প্ৰধান প্ৰধান একান্নটা তীৰ্থক্ষেত্ৰ। কামাখ্যা পূজা যেতিয়া যোনী পূজাত পৰিণত হ'ল, তেতিয়া মিথিলাৰপৰা নৰক নামেৰে ভাগ্যান্বেষী এজন কামৰূপত ৰজা হ'ল।

৯ ভগ-শিশ্ন-পূজা

মৰা শৱ অঙ্গচ্ছেদৰ কল্পনা ভাৰতীয় সাহিত্যলৈ ক'ৰপৰা আহিল, এই বিষয় অনুসন্ধী পণ্ডিতসকল নিমাত। তেওঁলোকে কেৱল ইয়াৰ অনুৰূপ কল্পনা এটি পুৰণি ইজিপ্ট দেশৰ ধৰ্মৰ ইতিহাসত পাইছে। সেই উপাখ্যান অনুসাৰে ওচিৰিচ আৰু সেখ নামে দুজন ভায়েক আছিল। ওচিৰিচ সদাচাৰ-মতাৱলম্বী আৰু সেখ দুষ্টাচাৰৰ পৰিপোষক। দুয়ো দুই মত জগতত প্ৰৱৰ্তন কৰিবলৈ সদায় দ্বন্দ্ব খৰিয়াল কৰিছিল। সজ পথেৰে বলে নোৱাৰি সেখে কাৰুকাৰ্য্য-শোভিত ধুনীয়া বাকচ এটি সজালে আৰু ধৰ্মৰ উৎসৱ এটিত ঘোষণা কৰি দিলে যে যেয়ে ইয়াৰ ভিতৰত শুব পাৰে, তাৰৈ বাকচটো উপহাৰ স্বৰূপে দিয়া হ'ব। ওচিৰিচে ইয়াৰ ভিতৰত সোমালত সেখে গজালেৰে বাকচৰ মুখ বন্ধ কৰি তাক নৈত পেলাই দিলে। ওচিৰিচৰ ঘৈণীয়েক আইচিচে বাকচ বিচাৰি সমস্ত ইজিপ্ট চলাঠ কৰিলে। শেহত বাকচ পালে হয়, কিন্তু ই শুদা। সেখে উটি ফুৰা বাকচটো পাই এসময়ত মৰা শ'টো উলিয়াই তাক টুকুৰা-টুকুৰিকৈ কাটি ইজিপ্টৰ চাৰিওফালে ছটিয়াই পেলালে। আইচিচে টুকুৰাবোৰ বিচাৰি পাই য'তে যি ডোখৰ পালে তাতে তাক পুতিলে। সেই আটাইবোৰেই ওচিৰিচৰ শ্মশানভূমি বুলি খ্যাত। আইচিচে কিন্তু ওচিৰিচৰ পুৰুষাঙ্গ বিচাৰি নাপালে। সেই কাৰণে ইয়াৰ অনুৰূপ প্ৰতিকৃতি এটি সজাই মন্দিৰ এটিত স্থাপনা কৰিছিল আৰু তেতিয়াৰপৰা ইজিপ্টত লিঙ্গপূজাৰ প্ৰৱৰ্তন হ'ল। ভাৰতীয় শাক্ত পন্থত পুৰুষৰ ঠাইত তিৰোতাৰ শ আৰু তিৰোতাৰ গুপ্তাঙ্গৰ সলনি কৰা হৈছে। (P. Thomas: *Epics Myths and Legends of India*, p. 69). পৃথিৱীৰ প্ৰায় সকলো পুৰণি সভ্য জাতিবোৰৰ ভিতৰত নানান ক্ৰমেৰে লিঙ্গ-পূজা

বিয়পি পৰিছিল। পুৰণি ইজিপ্ট, গ্ৰীচ, ৰোম, চিৰিয়া আদি দেশত নানান ক্ৰম আৰু প্ৰতিমূৰ্তিত লিঙ্গ-পূজা চলিছিল। ভাৰতীয় সংস্কৃতিৰ বিশেষজ্ঞসকলৰ মতে লিঙ্গ-পূজা ভাৰততো অতি পুৰণি কালৰপৰাই অনাৰ্য্য লোকসকলৰ মাজত চলি আহিছে। ঋগ্বেদৰ দুই ঠাইত "শিশ্নদেৱ" (লিঙ্গপূজক) সকলৰ উল্লেখ আছে (ঋগ্বেদ ৭।২১, ৫ ; ১০।৯৯, ১)। এঠাইত ইন্দ্ৰক প্ৰাৰ্থনা জনোৱা হৈছে যেন শিশ্নদেৱসকলে ঋষিসকলৰ যজ্ঞত ব্যাঘাত জন্মাব নোৱাৰে। আন এঠাইত ইন্দ্ৰই শিশ্নদেৱসকলক মাৰি উজাৰ কৰি সিহঁতৰ ধন-সোণ কাঢ়ি লোৱা বুলি আছে। ডক্টৰ ভাণ্ডাৰকাৰৰ মতে এই শিশ্নদেৱসকল পুৰণি ভাৰতৰ কোনোবা আদিম জাতি আৰু কালক্ৰমত আৰ্য্যসকলে শিশ্ন বা লিঙ্গ-পূজাৰ ৰীতি এই আদিম জাতিসকলৰপৰা ধাৰ কৰে। (R. G. Bhandarkar: *Vaisnavism, Saivism & Minor Religious Systems*, 1913, p. 115) আদিতে শিৱ-পূজা আৰু লিঙ্গ-পূজা বেলেগ প্ৰথা আছিল। কিন্তু পিছৰ কালত লিঙ্গকেই শিৱৰ প্ৰতীক বুলি স্বীকাৰ কৰি লিঙ্গ-পূজাক শিৱ-পূজাৰপৰা অভিন্ন কৰি লোৱা হ'ল।

'মহাভাৰত'ৰ দিনৰপৰাই শিৱ আৰু লিঙ্গৰ অভেদত্ব স্বীকাৰ কৰি লোৱা হৈছে।

"প্ৰত্যক্ষমিহ দেবেন্দ্ৰ পশ্য লিঙ্গং ভগাঙ্কিতম্।
দেবদেবেন ৰুদ্ৰেণ সৃষ্টিসংহাৰহেতুনা॥ (অনুশাসন ১৪।১৭)

দক্ষিণ ভাৰতৰ দ্ৰাবিড়ী হিন্দুসকলৰ ভিতৰত শিৱলিঙ্গ পূজাৰ প্ৰাধান্য অতিশয় বেছি। মুখ্য হিচাপে শিৱলিঙ্গ পূজা কৰাৰ বাহিৰেও দক্ষিণ ভাৰতত বীৰশৈৱ বা লিঙ্গায়ত (লিঙ্গৱন্ত) বুলি এটি সম্প্ৰদায় আছে। ব্ৰাহ্মণে উপনয়ন সংস্কাৰত যেনেকৈ যজ্ঞোপবীত বা লগুণ লয়, লিঙ্গায়তসকলেও দীক্ষা সংস্কাৰত শিৱলিঙ্গ এডুখৰি গলত আঁৰি লয়। লিঙ্গডুখৰি সাধাৰণতঃ ৰূপৰ তাবিজ এটিত ভৰাই লোৱা হয়।

লিঙ্গায়তসকলে সাধাৰণতঃ কোনো মন্দিৰত শিৱ-পূজা নকৰে। (Bhandarkar: Ibid, pp. 138, 139)

লিঙ্গ-পূজাৰ সমান্তৰাল প্ৰথা হিচাপে পৃথিৱীৰ নানা জাতিৰ ভিতৰত যোনি-পূজাৰ মূৰ্তি, প্ৰতীক বা বাস্তৱ পদাৰ্থত চলিয়েই আহিছে। এচিয়াৰ পূবফালে জাপানৰ য়েদ্দো নামে প্ৰদেশত পৰ্বতৰ গুহা এটিত শিলেৰে নিৰ্মিত বিৰাট যোনি মূৰ্তি এখনি আছে। শ শ বছৰ ধৰি তীৰ্থযাত্ৰী-সকলে সেই যোনি মূৰ্তিত চুমা খাই আহিছে। আন আন প্ৰকাৰেও তালৈ শ্ৰদ্ধা সম্মান দেখুওৱা হৈ আহিছে। চুমা খোৱা আৰু স্পৰ্শ আদি কৰাৰপৰা মূৰ্তিখিনি মিহি হৈ গৈছে। (O. A. Wall: *Sex and Sex Worship*, 1923, P. 481)

এচিয়াৰ পশ্চিমফালে চিৰিয়া দেশত নেজায়েৰ বুলি এটি ধৰ্ম-সম্প্ৰদায় আছে। সিহঁতৰ ধৰ্ম খৃষ্টানী আৰু যৌন পূজাৰ সানমিহলি। সিহঁতে গৰ্ভোৎসৱ বুলি এটি উৎসৱ পালন কৰে। তাত তিৰোতাসকল বিবস্ত্ৰ হয় আৰু পুৰুষসকলে আঁঠু লৈ অতি সম্ভ্ৰমেৰে মান সৎকাৰ দেখুৱায় আৰু

তিৰোতাসকলৰ উকত, তলপেট আৰু যৌন প্ৰদেশত চুমা আদি খাই অতি শ্ৰদ্ধাৰে বিনয় ভক্তি দেখুৱায়। এইবোৰ প্ৰক্ৰিয়াত আপোন-পৰ বুলি কোনো বাছ-বিচাৰ কৰা নহয় (Ibid, p. 483)। ভাৰতবৰ্ষতো কেতবোৰ বামাচাৰী শাক্ত সম্প্ৰদায়ৰ ভিতৰত যোনি-পূজাৰ ৰীতি আছে। এই পূজাৰ বাবে যুৱতী, সুন্দৰী, বিবস্ত্ৰা নাচনী ছোৱালী বা দেৱদাসী এজনী লাগে। এই কুমাৰীজনীয়েই দেৱীৰ প্ৰতীক। কুমাৰীজনীয়ে বেদীৰ ওপৰত ঠেং কোঁচাই বহিব লাগে; যাতে কামস্থান দৃষ্টিগোচৰ হয়। পূজাৰীয়ে তাত চুমা খাই, অৰ্ঘ্যাৰে প্ৰসাদ আৰু নৈবেদ্য আগবঢ়ায়। (অৰ্ঘ্যাৰ আকৃতিও যোনিৰ তুল্যৰূপ।) এই প্ৰসাদ আৰু নৈবেদ্য যোনিমণ্ডলত স্পৰ্শ কৰাই সেৱকসকলৰ মাজত বিলাই দিয়া হয়। তাৰ পিছত কীৰ্তন, ভজন, নাচ, বাজনা আদি হয় (Ibid, pp. 479, 480.)।

ত্ৰিপুৰা দেৱীৰ পূজাও বাস্তৱ যোনিমণ্ডল বা যোনিৰ ছবিৰ ওপৰত কৰা হয়। "এবম্ভু বামভাবেন যজেৎ ত্ৰিপুৰভৈৰবীম্। বালাং তু বামদাক্ষিণ্যমাৰ্গাভ্যামপি পূজয়েৎ" (কাঃ পুঃ ৭৮।২৫)।

দক্ষিণাচাৰীসকলে ভূজপাত বা পাটৰ কাপোৰ বা সোণপাতত যোনিমণ্ডলৰ ছবি আঁকে। এটাৰ ভিতৰত আন এটা এইদৰে ন'টা ছবিৰ চাক এটি গাঁথি লোৱা হয়। ইয়াকেই শ্ৰীচক্ৰ বোলা হয়। এই চক্ৰৰ ওপৰত পূজা চলে। বামাচাৰীসকলে সুন্দৰী ছোৱালী এজনীৰ বাস্তৱ গুপ্তাঙ্গমণ্ডল পূজা কৰে। এই পূজাত মদ, মাংস, মৌ, মাছ আদি উপকৰণ লাগে। এনে কি ব্ৰাহ্মণেও অতি সঙ্গোপনে ত্ৰিপুৰা সুন্দৰীৰ পূজাত যোগ দিয়ে। ভৈৰৱী-চক্ৰৰ পূজা যেতিয়ালৈকে চলি থাকে, তেতিয়ালৈকে কোনো জাতিভেদ নাথাকে। সকলো জাতিৰ সেৱকেই ভৈৰৱী-চক্ৰ-পূজাৰ সময়ত ব্ৰাহ্মণত্ব প্ৰাপ্ত হয়। পূজা শেষ হ'লে সকলোৱে নিজ নিজ জাতিলৈ উভতি আহে। (Bhandarkar : Ibid, pp. 146-149).

'কালিকা-পুৰাণ'ত শবৰোৎসৱ বুলি এটি অনুষ্ঠানৰ উল্লেখ আছে। শাৰদীয় পূজাৰ দশমীৰ দিনাখন শবৰোৎসৱৰ দ্বাৰা দেৱীৰ বিসৰ্জন কৰিব লাগে। শবৰ এটি দক্ষিণ ভাৰতীয় আদিম জাতি। সিহঁতে প্ৰবৰ্তন কৰে বুলিয়েই হ'বলা উৎসৱৰ নাম হ'ল 'শবৰোৎসৱ'। কুমাৰী তিৰোতা, বেশ্যা আৰু নাচনী তিৰোতা কেতবোৰক ভাল কানি-কাপোৰেৰে সজাই সিহঁতৰ লগত ধূলি, বোকা, চাউল, ফুল আদিৰে খেলা কৰিব লাগে। আৰু স্ত্ৰী-পুৰুষৰ গুপ্তাঙ্গৰ নাম উল্লেখ কৰি, সেইবোৰৰ প্ৰক্ৰিয়াপূৰ্ণ গীতেৰে ধেমালি কৰিব লাগে। কোনোবাই যদি এই খেলত যোগ নিদিয়ে, তাৰ প্ৰতি ভগৱতীৰ কোপ হয় আৰু তাক ভগৱতীয়ে শাও দিয়ে।

বিসৰ্জয়েৎ দশম্যান্তু শ্ৰাবণে শবৰোৎসবৈঃ।
তদা সম্প্ৰেষণং দেব্যা দশম্যাং কাৰয়েৎ বুধঃ॥
সুবাসিনীকুমাৰীভিঃ বেশ্যাভিৰ্নৰ্তকৈস্তথা।
শঙ্খতূৰ্য্যনিনাদৈশ্চ মৃদঙ্গৈঃ পটহৈস্তথা॥

ধ্বজৈৰ্বস্ত্ৰৈৰ্বহুবিধৈৰ্লাজপুষ্পপ্ৰকীৰ্ণকৈঃ।
ধূলিকৰ্দ্দমবিক্ষেপৈঃ ক্ৰীড়াকৌতুকমঙ্গলৈঃ॥
ভগলিঙ্গাদিশব্দৈশ্চ ভগলিঙ্গপ্ৰগীতকৈঃ।
ভগলিঙ্গাদিবিধানৈশ্চ ক্ৰীড়ায়ুৰলং জনাঃ।
পৰৈৰ্নাক্ষিপ্যতে যস্তু যঃ পৰান্নাক্ষিপেদ্ যদি।
ক্ৰুদ্ধা ভগবতী তস্য শাপং দদ্যাৎ সুদাৰুণম্॥

(কাঃ পুঃ ৬৩।১৯)

দক্ষিণ ভাৰতত এই প্ৰথা এতিয়াও চলি আছে। দক্ষিণ ভাৰতীয় পণ্ডিত একজনে লিখিছে—

"পূজাৰ অন্তত অন্ত্যজ আসদীসকলে দেৱীৰ মূৰ্তি কান্ধত লৈ যেতিয়া সমদলে যাত্ৰা কৰে, তেতিয়া সিহঁতেই পৌৰোহিত্যৰ দায়িত্ব লাভ কৰে। সিহঁতে দেৱীক সন্তুষ্ট কৰিবলৈ তেওঁৰ বিষয়ে অশ্লীল গীত গায় আৰু গাঁওৰ মুখিয়াল মানুহবোৰক লক্ষ্য কৰিও অশ্লীল ঠাট্টা কৰে। এই ৰীতিৰ ব্যাখ্যা স্বৰূপে ইয়াকে কোৱা হয় যে দেৱীয়ে ইয়াত সন্তোষ পায়। কেৰল প্ৰদেশত তাহানিলৈকে দেৱী পূজাৰ ভিতৰত অশ্লীল গীত গোৱা ৰীতি আছিল। পশ্চিম উপকূলৰ ক্ৰাঙ্গানোৰ প্ৰদেশত দেৱী-পূজাৰ ভিতৰত প্ৰসাদ বিলোৱা বাবটো কেতবোৰ পৰিয়ালৰ তিৰোতাসকলৰ একচেতীয়া বুলি ধৰা হয়। আৰু প্ৰসাদ বিলোৱা সময়ৰ ভিতৰত তেওঁলোকে যৌন সম্বন্ধীয় যেই সেই প্ৰশ্নৰ উত্তৰ দিবলৈ বাধ্য।" আকৌ "মন্দিৰৰ পূজাৰী বা পূজাৰীৰ বাব পাওঁতাবোৰ আগৰ দিনত তিৰোতা আছিল। আৰু পূজাৰ কাম চলি থাকোঁতেই নাঙ্গঠ তিৰোতাবোৰে দেৱীৰ আগত গীত গাব আৰু নাচিব লাগিছিল।" (Dr. Venkataramanayya: *Rudra Siva*, 1941. pp. 59-60)

অনুমান হয় লিঙ্গ-পূজাৰ দৰে যোনি-পূজাও পৃথিৱীত আৰু ভাৰতৰ অনাৰ্য্য জাতিবোৰৰ মাজত অতীজ কালৰপৰাই চলি আহিছিল আৰু তন্ত্ৰৰ যুগত ই আৰ্য্য সম্প্ৰদায়সকলৰ মাজত প্ৰৱেশ লাভ কৰে। লিঙ্গ-পূজাক যেনেকৈ শিৱ-পূজাৰ লগত চামিল কৰা হ'ল, তেনেকৈ যোনি-পূজাকো সতী বা দেৱী-পূজাৰ লগত চামিল কৰা হয়। আৰু ওচিৰিচ আইচিচৰ অনুৰূপ উপাখ্যানেৰে আটাইবোৰ দেৱী-পূজাৰ থানকেই সতীৰ অঙ্গচ্ছেদৰ উপাখ্যানেৰে একমূলত্ব প্ৰতিপাদন কৰা হয়। যোনি-পূজাৰ প্ৰধান তীৰ্থ বা মূলস্থান হিচাপে কামাখ্যা-যোনি-প্ৰদেশকেই স্বীকাৰ কৰা হয়।

আদিতে দেৱীৰ সংহাৰ-মূৰ্তিৰেই পূজা কৰা হৈছিল, পিছৰ কালত যেতিয়া যোনি-পূজাই আৰ্য্য সমাজত প্ৰৱেশ লাভ কৰিলে, তেতিয়া পূৰ্বৰ সংহাৰ-মূৰ্তিৰ লগত দেৱীৰ সম্ভোগ-মূৰ্তিৰ যোগ দিয়া হ'ল। সাধকৰ কামনা অনুসাৰে দেৱীক দ্বৈতভাৱে পূজা কৰা হয়।

কদাচিৎ সা সিতপ্ৰেতে কদাচিৎ ৰক্তপঙ্কজে।
কদাচিৎ কেশৰীপৃষ্ঠে ৰমতে কামৰূপিণী॥

(কাঃ পুঃ ৫৯।৬০)

দেৱী-পূজাৰ ইমানখিনি ক্ৰমবিকাশ হ'লত কামৰূপৰ ধৰ্মৰাজ্যত বিপ্লৱ এটি উপস্থিত হ'ল।

১০ শৈৱ-শাক্তৰ সংঘৰ্ষ

ৰজস্বলা অৱস্থাত বৰাহৰূপী বিষ্ণুৰ ঔৰসত পৃথিৱীদেৱীৰ গৰ্ভ সঞ্চাৰ হয়। ব্ৰহ্মা আদি দেৱতা-সকলে চিন্তা কৰি দেখিলে যে অশুচি অৱস্থাত গৰ্ভ-সঞ্চাৰ হোৱাৰ কাৰণে পৃথিৱীৰ গৰ্ভত থকা সন্তান দেৱপুত্ৰ হ'লেও অসুৰ ভাৱাপন্ন হ'ব। সি অতি পৰাক্ৰমী হ'ব সেই ভয়তে দেৱতাসকলে দৈৱ শক্তিৰ দ্বাৰা গৰ্ভ কঠিন কৰি প্ৰসৱ হ'ব নোৱৰা কৰি থলে। প্ৰসৱৰ সময় হ'লতো পৃথিৱীৰ গৰ্ভস্থ সন্তান প্ৰসৱ নহয়। পৃথিৱীদেৱীৰ যন্ত্ৰণা উপস্থিত হ'ল। তেওঁ নিৰুপায় হৈ বৰাহ-বিষ্ণুক স্তৱ কৰিলত, বিষ্ণুৱে বৰ দিলে যে পৃথিৱীদেৱীয়ে কোনো প্ৰকাৰে গৰ্ভবেদনা অনুভৱ নকৰাকৈ থাকিব পাৰিব আৰু তেওঁৰ গৰ্ভস্থ সন্তান ত্ৰেতাযুগৰ মধ্য ভাগত ৰামৰ দ্বাৰা ৰাৱণ বধৰ পিছতহে ভূমিস্থ হ'ব। তেওঁ এইটোও ক'লে যে পুত্ৰ ওপজাৰ পিছত তেওঁক স্মৰণ কৰিলেই তেওঁ পুত্ৰ পালনৰ ব্যৱস্থা কৰিব। (মাং স্মৰিষ্যসি দেৱি ত্বং পুত্ৰং তে পালয়াম্যহং।—৩৭।৪৯)।

এইদৰে বহুত দিন গ'ল। বিদেহৰাজ্যত জনক নামে এজন সৰ্বগুণসম্পন্ন ৰজা আছিল। তেওঁ অপুত্ৰক। অযোধ্যাৰ ৰজা দশৰথে যজ্ঞ কৰি পুত্ৰলাভ কৰাৰ আৰ্হিৰে জনক ৰজায়ো পুত্ৰেষ্টি যাগ কৰিলে। যজ্ঞভূমিতেই জনক ৰজাই দুটি ল'ৰা আৰু এজনী ছোৱালী পালে। যজ্ঞভূমিত হাল বাওঁতে পৃথিৱীৰ বুকুৰপৰা ছোৱালীজনী ওলাইছিল। এই ছোৱালীজনীয়েই সীতা।

তেতিয়া পৃথিৱীদেৱীয়ে জনক ৰজাক উদ্দেশ্য কৰি ক'লে—"এই ছোৱালীজনীৰ বাবে ৰাৱণ, কুম্ভকৰ্ণ, আদি বীৰসকল মৰিব। তেতিয়া আৰু মোৰ গৰ্ভ-ভাৰ নোহোৱা হ'ব আৰু আপোনাৰ যজ্ঞ-ভূমিতেই মোৰ পুত্ৰ-সন্তান এটি প্ৰসৱ হ'ব। বাল্যকালত সেই ল'ৰাক আপুনি পালন কৰিব লাগিব। তাৰ বয়স ষোল বছৰ পাৰ হ'লে মই নিজেই তাৰ পৰিপালনৰ ভাৰ লম।"

ৰাৱণ-বধৰ পিছত জনকৰ যজ্ঞভূমিত গৈ পৃথিৱীদেৱীয়ে পুত্ৰ সন্তান প্ৰসৱ কৰিলে। পূৰ্বৰ বন্দোৱস্ত অনুসাৰে পৃথিৱীদেৱীয়ে জনক ৰজাক সম্বাদ দিলে। আনফালে আগৰ কথামতে বৰাহ-বিষ্ণুক স্মৰণ কৰিলে। বিষ্ণুৱে বৰ দিলে—"ইয়াৰ ষোল বছৰ হ'লে ৰাজ্যভাৰ পাব।" (সম্প্ৰাপ্তে ষোড়শে বৰ্ষে ৰাজ্যমাশাদয়িষ্যতি।—৩৮।৪২)।

যজ্ঞভূমিলৈ গৈ জনক ৰজাই দেখিলে নৱজাত শিশুৱে মৰা মানুহৰ (নৰ) লাওখোলা (ক) এটিত মূৰটো থৈ কান্দি আছে। সেই কাৰণে গণনাৰ সময়ত গৌতম ঋষিয়ে নাম থলে নৰক (নৰ-ক)। (নৰস্য শীৰ্ষে স্বশিৰো নিধায় স্থিতবান্ যতঃ। তস্মাত্তস্য মুনিশ্ৰেষ্ঠো নৰকং নাম বৈ ব্যধাৎ॥—৩৯।২)

জনকে ল'ৰাটো লৈ গৈ প্ৰধান মহিষী সুমতি দেৱীক দি ক'লে—"এই ল'ৰাটো যজ্ঞভূমিত পাইছোঁ। ইয়াক নিজৰ ল'ৰাৰ দৰে পালন কৰিবা।" ইফালে স্বয়ং পৃথিৱীদেৱীও মানুষী মূৰ্তি ধাৰণ কৰি জনক ৰজাৰ অন্তঃপুৰত সোমাল আৰু কাত্যায়নী নাম লৈ ধাত্ৰীৰূপে নৰকৰ আলপৈচান

ধৰিলে। পৃথিৱীদেৱীৰ সৰ্বদাই চকু, যেন নৰকে আসুৰিক ভাৱ এৰি মানুহৰ ভাৱ গ্ৰহণ কৰে। (তথৈৱ পৃথিৱী দেৱী ধাত্ৰীবেশেন তং সুতম্। নিয়তং গ্ৰাহয়ামাস মানুষং চৰিতং শুভম্॥—৩৯।৬)। এইদৰে ষোল বছৰ পাৰ হ'বলগীয়া হ'ল। নৰক সকলো বিদ্যাতে পাৰ্গত হৈ উঠিল। পৰাক্ৰম, বীৰত্ব আদি গুণত জনকৰ ল'ৰাইতকৈ বহুত শ্ৰেষ্ঠ। নৰক ডাঙৰ হ'লত জনকৰ মনত আশঙ্কা হ'ব ধৰিলে যে সি ভৱিষ্যতে তেওঁৰ নিজৰ ল'ৰাইতৰপৰা ৰাজ্য কাঢ়ি ল'ব। নৰকক দেখিলেই জনকৰ মুখ মলিন হ'ব ধৰিলে। এদিন মহিষী সুমতিয়ে গোপনে জনকক সুধিলে—"ল'ৰাবোৰে ৰং-ধেমালি কৰোঁতে নৰকক দেখিলে আপোনাৰ মন মলিন হয় কিয়? সি ৰূপবান, বীৰ্য্যবান, নয়-বিনয় আদিত শিক্ষিত, নানা গুণত বিভূষিত, তাক দেখিলে আপুনি বিমুখ হয় কিয়?"

ৰজাই এই প্ৰশ্নৰ কোনো মুকলি উত্তৰ নিদিলে। কেৱল ক'লে—"ৰাণী তুমি আৰু তিনি মাহ অপেক্ষা কৰা; তেতিয়া তোমাক সকলো কথা ভাঙি কম।"

ৰজা আৰু মহিষী সুমতিৰ এই গোপন আলোচনা ধাত্ৰীৰূপী পৃথিৱীয়ে শুনি আছিল। তেওঁ ভাবিলে—আৰু তিনি মাহ পাৰ হ'লে নৰকৰ ষোল বছৰ পূৰা হ'ব, তেতিয়া ৰজাই মোৰ সকলো গুপ্ত ৰহস্য খুলি ক'ব। এইদৰে নিজৰ পুত্ৰৰ প্ৰতি সকলো কৰ্তব্য থিক কৰি তিনি মাহৰ অন্তত ৰজা আৰু পুৰোহিত গৌতমক ক'লে—"আপুনি অঙ্গীকাৰ অনুসাৰে সকলো কৰ্তব্য পালন কৰিছে। নৰকক শিক্ষা-দীক্ষা দি আজি ষোল বছৰে পোহপাল দি ডাঙৰ দীঘল কৰিছে। এতিয়া তাক লৈ যাবলৈ মোক অনুমতি দিয়ক।"

পৃথিৱীয়ে গোপনে নকৰক লগ ধৰি ক'লে—"মোক গঙ্গাযাত্ৰা কৰাবলৈ ৰথেৰে লৈ ব'লা।" নৰকে উত্তৰ দিলে—"পিতা জনকৰ আদেশ নহ'লে তোমাৰ লগত যাব নোৱাৰোঁ।" পৃথিৱীয়ে উত্তৰ দিলে, "জনক তোমাৰ পিতা নহয়। মোৰ লগত গঙ্গালৈ গ'লে তোমাৰ পিতাক দেখিবা। জনক তোমাৰ পালক, তেওঁ তোমাক ৰাজ্য নিদিয়ে। তোমাৰ জন্মৰ সকলো ৰহস্য কথা গঙ্গাৰ পাৰত ভাঙি কম।"

> ন তে পিতায়ং জনকো যঃ সৰ্ব্বজগতাং প্ৰভু॥
> স তে পিতা তং গঙ্গায়াং পশ্য গত্বা ময়া সহ।
> অয়ং পিতা পালকস্তে ন ৰাজ্যং সম্প্ৰদাস্যতি॥ (৩১।৪২-৪৩)

ধাতৃৰ কথা সম্মাত কৰি নৰকে তেওঁৰ লগত গঙ্গালৈ গ'ল। তাত পৃথিৱীদেৱীয়ে সকলো কথা খুলি ক'লে। পৃথিৱীয়ে স্মৰণ কৰা মাত্ৰকতে গৰুড়ধ্বজ বিষ্ণু আহি উপস্থিত হ'ল আৰু পৃথিৱী আৰু নৰকক লগত লৈ গঙ্গাত ডুব দিলে আৰু ক্ষন্তেকতে প্ৰাগ্‌জ্যোতিষ্‌পুৰ পালেহি। প্ৰাগ্‌জ্যোতিষ কামৰূপৰ মাজডোখৰত, য'ত কামাখ্যাদেৱী নায়িকা। সেই দেশ শিৱে আগৰপৰাই স্বৰাজ (নিজৰ লীলাভূমি) হিচাপে ৰাখিছে।

নিজম্য ক্ষণমাত্রেণ প্রাগ্‌জ্যোতিষ পুৰং গতঃ।
মধ্যগং কামৰূপস্ত কামাখ্যা যত্র নায়িকা॥
স চ দেশঃ স্বৰাজ্যার্থে পূর্ব্বং গুপ্তশ্চ শম্ভুনা। (৩৯।১০৩-৪)

কামৰূপত তেতিয়া কিৰাত জাতিৰ মানুহ আছিল। সিহঁতৰ গাৰ বং হালধীয়া, মূৰ খুৰোৱা। সিহঁত জ্ঞানবিজ্ঞানবৰ্জিত আৰু মদ-মাংসত আসক্ত।

কিৰাতৈর্ব্বলিভিঃ ক্রূৰৈৰজ্ঞৈৰপি চ বাসিতঃ॥
কৰুস্তন্তনিভাস্তত্র কিৰাতান্ জ্ঞানবর্জ্জিতান্।
অনৰ্থমুণ্ডিতান্ মগু মাংসশনৈক তৎপৰান্॥ (৩৯।১০৪-৫)

সিহঁতৰ অধিপতি ঘটক। নৰক আৰু কিৰাতসকলৰ ঘোৰ যুদ্ধ লাগিল। কিৰাতাধিপতি ঘটক যুদ্ধত পৰিল আৰু তেওঁৰ বগা হাতীটো (সিতং গজং) নৰকে নিজৰ বাহন কৰিলে। কিৰাতসকলক দিক্কৰবাসিনীলৈ খেদি পঠিয়ালে। খেদা খাই কেতবোৰে সাগৰৰ পাৰত আশ্রয় ল'লে।

তেতিয়া ভগৱান বিষ্ণুৱে নৰকক ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণ কৰি দিলে। "কৰতোয়া-সদাগঙ্গাৰ পূৰ্বভাগৰপৰা ললিতকান্তা পৰ্য্যন্ত তোমাৰ ৰাজ্য। ইয়াত মহামায়া কামাখ্যাৰূপে যোগনিদ্ৰাত আছে।"

কৰতোয়াসদাগঙ্গাপূৰ্ব্বভাগবধিশ্ৰয়া।
যাবল্ললিতকান্তাস্তি তাবদেব পুৰং তব॥
অত্ৰ দেৱী মহামায়া যোগনিদ্ৰা জগৎপ্ৰসূঃ।
কামাখ্যাৰূপমাস্থায় সদা তিষ্ঠতি শোভনা॥ (৩৯।১১২-৩)
অস্য মধ্যে স্থিতো ব্ৰহ্মা প্ৰাঙ্‌নক্ষত্ৰং সসৰ্জ্জ হ।
ততঃ প্ৰাগ্‌জ্যোতিষাখ্যেয়ং পুৰী শক্ৰপুৰী সমা। (৩৯।১২৬-৭)

শিৱৰ অনুমতি অনুসাৰে বিষ্ণুৱে (শম্ভোৰনুমতেঃ তদা) পুবে ললিত কান্তাক সীমা কৰি পূৰ্ব সাগৰৰ পাৰে পাৰে কিৰাতসকলক বহুৱালে। পিছত ললিত কান্তাক সীমা কৰি কৰতোয়া নদীলৈকে এইডোখৰ ঠাইৰপৰা কিৰাতসকলক আঁতৰাই দ্বিজাতিসকলক স্থাপন কৰিলে। তাৰ অলপ পিছতেই দেশৰ নাম হ'ল কামৰূপ।

এবমুক্ত্বা স্বয়ং বিষ্ণুঃ শম্ভোৰনুমতেঃ তদা।
সৰ্ব্বান্ কিৰাতান্ পূৰ্ব্বস্যাং সাগৰান্তে ন্যবেশয়ৎ॥
পূৰ্ব্বং ললিতকান্তায়াঃ সমাদায় বিধিং পুনঃ।
যাবৎ সাগৰপৰ্য্যন্তং কিৰাতাস্তাবদাবসন্॥
পশ্চাল্ললিতকান্তায়া দেশং কৃত্বাবধিং পুনঃ।
কৰতোয়া নদীং যাবৎ কামাখ্যানিলয়ং তু তৎ॥

তস্মাৎ কিৰাতাননুংসাৰ্য্য বেদশাস্ত্ৰাতিগান্ বহূন্।
দ্বিজাতীন্ বাসয়ামাস তত্ৰ বৰ্ণান্ সনাতনান্॥
ন চিৰান্তৰদেশঃ কামৰূপাহ্বয়স্তদা। (৩৯।২৮—)

তাৰ পিছত বিষ্ণুৱে বিদৰ্ভ ৰাজকন্যা মায়াক নৰকলৈ বিয়া কৰালে। আৰু নানান ধন বস্তু সংগ্ৰহ কৰি দেশত গড় আদি বন্ধাই পুত্ৰ নৰকক সতৰ্কবাণী কৈ বিষ্ণুৱে বিদায় ল'লে। নৰকে যেন দেৱ, মুনি, বামুণ আদিৰ লগত বিৰোধ নকৰে। বিশেষতঃ মহাদেৱী কামাখ্যাত বাজে আন দেৱতাক যেন নৰকে নভজে। ইয়াৰ অন্যথা হ'লে নৰকৰ প্ৰাণ যাব।

স্বপৰ্ব্বতে কামৰূপে চিৰং তং তিষ্ঠ পুত্ৰক!
মহাদেবীং মহামায়াং জগন্মাতৰমম্বিকাম্।
কামাখ্যাং ত্বং বিনা পুত্ৰ নান্যদেবং যজিষ্যসি॥
ইতোঽন্যথা ত্বং বিহৰণ্ গতপ্ৰাণো ভবিষ্যসি।
তস্মান্নৰক যত্নেন সময়ং প্ৰতিপালয়॥ (৩৯।৫১—)

নৰকৰ ৰাজ্যত বিশেষ শ্ৰীবৃদ্ধি হ'ল। বিদেহৰ ৰজা জনকেও নৰকৰ উন্নতিৰ কথা শুনি পুত্ৰ, ভাৰ্য্যা, অনুচৰসকলক লগত লৈ কামৰূপৰ অন্তৰ্গত প্ৰাগ্‌জ্যোতিষ্‌পুৰলৈ আহিল। নৰকৰ পুৰী তেওঁৰ মনত অমৰাৱতী যেন লাগিল। ৰাণী সুমতিক নৰকৰ পৰিচয় দি ক'লে—এই তোমাৰ পালিত পুত্ৰ নৰক; বৰাহৰূপী বিষ্ণুৰপৰা পৃথিৱীৰ গৰ্ভত জন্ম লৈছে। কিছুদিন থাকি জনকে অনুচৰ সকলেৰে বিদেহলৈ উভতি গ'ল। নৰকেও আসুৰিক স্বভাৱ নোহোৱাকৈ ৰাজ্য শাসন কৰিব ধৰিলে।

১১ শিৱভক্ত বাণৰ সংসৰ্গত নৰকৰ বুদ্ধি-ভেদ

সেই সময়ত শোণিতপুৰত বলি-পুত্ৰ বাণ নামে এজন অসুৰ ৰজা আছিল। তেওঁ শিৱভক্ত। মহাদেৱক পূজাত সন্তুষ্ট কৰি আসুৰিক মতেৰে নিৰ্ভয়ে চলন-ফুৰণ কৰে। নৰকৰ লগত ওচৰ-চুবুৰীয়া (সামন্তস্য) বাণৰ মহা মিত্ৰতা ঘটিল, দুয়োৰো জুই-বতাহৰ নিচিনা সম্বন্ধ। বাণৰ সংসৰ্গত নৰকেও আসুৰিক স্বভাৱ অৱলম্বন কৰিলে। (তৎসংসৰ্গাৎ স নৰকো দৃষ্ট্বা তস্যাদ্ভুতাং কৃতিম্। তেনৈব সহভাবেন বিহৰ্ত্তুমুপচক্ৰমে॥—৪০।৭)। আগৰ দৰে বামুণক মান নকৰে। কামাখ্যাৰ প্ৰতিও ভক্তি-বিমুখ হ'ল। (কামাখ্যায়াং তথা ভক্তিস্তদা তস্যান্যথাভবৎ।—৪০।৯)।

এনে সময়তে এদিনাখন ব্ৰহ্মাৰ পুত্ৰ বশিষ্ঠ মুনিয়ে কামাখ্যা দৰ্শন কৰিবলৈ প্ৰাগ্‌জ্যোতিষলৈ আহে।

নৰকে মুনিক কামাখ্যাৰ দুৰ্গৰ ভিতৰলৈ সোমাব নিদিলে। (দ্ৰষ্টুং গন্তুং বশিষ্ঠস্য ন দ্বাৰং নৰকো

হৃদাং—৪০।৪১)। বশিষ্ঠই প্ৰতিবাদ কৰি ক'লে—"তুমি পৃথিৱী আৰু বৰাহ-বিষ্ণুৰ পুত্ৰ, এইটো তোমাৰ কুলোচিত কাম নে, যে মই ব্ৰাহ্মণক তুমি কামাখ্যাদেৱীক পূজা কৰিব নিদিয়া?" নৰকে তেতিয়া কৰ্কশ কথাৰে মুনিক খেদি বাহিৰ উলিয়াই দিলে। মুনিয়ে কুপিত হৈ শাও দিলে—"তই যাৰ ল'ৰা, সেয়ে মানুহৰূপ ধাৰণ কৰি অবিলম্বে তোক বধ কৰিব। তই যিমান দিন বাচি থাকিবি কামাখ্যাদেৱীও তিমান দিন অন্তৰ্দ্ধান কৰি থাকিব। তই মৰাৰ পিছত কামাখ্যাদেৱীক পূজা কৰিম।"

মুনিৰ শাও অনুসাৰে কামাখ্যা অন্তৰ্হিত হ'ল।

গতে বশিষ্ঠে নৰকঃ শীঘ্ৰং বিস্ময়সংযুতঃ।
জগাম দেবীভবনং নীলকূটং মহাগিৰিম॥
তত্ৰ গত্বা ন চাপশ্যৎ কামাখ্যাং কামৰূপিণীম্।
ন যোনিমণ্ডলং তস্যা সৰ্ব্বান্ পৰিকৰাংস্তথা॥ (৩৯।২০-২১)

নীলকূট পৰ্বত শূন্য। নৰকৰ মনত আতঙ্ক হ'ল। মাক পৃথিৱী আৰু পিতাক বিষ্ণুক স্মৰণ কৰিলে। তেওঁলোকৰ শাসন ভঙ্গ কৰি অনীতি আচৰণ কৰিছে বুলি মাক-বাপেকে দেখা নিদিলে। ইফালে ৰাজ্যও শ্ৰীহীন হৈ যাব ধৰিলে; নিৰুপায় হৈ নৰকে মিত্ৰ বাণৰ কথা ভাবিলে আৰু তেওঁৰ ওচৰলৈ দূত পঠিয়ালে। মিত্ৰৰ ঘোৰ বিপদৰ সূচনা বুজি বাণে স্বয়ং নৰকৰ ৰাজ্যলৈ গ'ল।

বাণে প্ৰতিকাৰ কৰিবৰ যুক্তি দেখুৱাই ক'লে—"ইন্দ্ৰ দেৱতা অতি হিংসাকুৰীয়া। তেওঁ মানুহেই হওক বা দৈত্য, দানৱ, ৰাক্ষস, কিন্নৰেই হওক কাৰো শ্ৰী সহ্য কৰিব নোৱাৰে। দেৱতাসকলক লগত লৈ কূটনীতিৰেই সিইতৰ শ্ৰী হানি কৰিবই। সেই ইন্দ্ৰৰ ইষ্টতম দেৱতা হৈছে বিষ্ণু। বিষ্ণুৰে ইন্দ্ৰৰ অনিষ্ট হ'ব নিদিয়ে। যি কোনোৱে ইন্দ্ৰৰ অনিষ্ট কামনা কৰি বিষ্ণুক আৰাধনা কৰে, বিষ্ণুৱে ছিদ্ৰ থকা বৰ দি সেই উপাসকক প্ৰবঞ্চনা কৰে। বহুত কায়ক্লেশ কৰিলেহে বিষ্ণু প্ৰসন্ন হয় আৰু বহুত পলমেহে ইষ্ট কামনা পূৰণ কৰে। ইষ্ট দেৱতাক পূজা নকৰিলে কোনোৱে অতুল বিভূতি নাপায়। তুমি আগতেই ব্ৰহ্মা আৰু বিষ্ণুক আৰাধনা কৰা নাই, সেই কাৰণে তোমাৰ ৰাজ্যত অমঙ্গল দেখা দিছে। যদিওবা বিষ্ণু তোমাৰ পালক, তেওঁৰ স্বভাৱত কাৰো প্ৰতি দয়া-মায়া নাই। কিন্তু পৃথিৱীৰ বচন অনুসাৰে প্ৰতিক্ষণেই তুমি বিষ্ণুক আৰাধনা কৰিছা, ফলত তেওঁ ছিদ্ৰ থকা বৰ দিলে—দ্বিজাতিৰ অপৰাধ নকৰিবা। ইয়াৰ অন্যথা শ্ৰী হানি হ'ব। সেই কাৰণেই স্মৰণ কৰিলেও পৃথিৱী আৰু বিষ্ণু কোনো দেখা নিদিলে। তুমি বশিষ্ঠৰ ওপৰত কোনো দায়-দোষ নিদিবা। তাৰপৰাই হৰি-সেৱকৰ কৌটিল্য বুজি ল'বা। (তস্মাৎ ত্বং মিত্ৰ বুধ্যস্ব কৌটিল্যং হৰিমেধসঃ॥—৪০।৫৮)। তুমি মনত উদাসভাৱ ল'ব নালাগে। তোমাৰ মনত প্ৰত্যয় আছে, বিষ্ণু তোমাৰ পিতা, কিন্তু বৰাহহে তোমাৰ পিতা আৰু তেওঁৰো লোকান্তৰ ঘটিছে। তুমি যে শুনিছা, বৰাহো বিষ্ণুৰ অংশ—"তেওঁৰ অংশ" এই বুলি কোনে কাক দয়া কৰে কোৱাচোন? সেই কাৰণে তুমি শিৱ বা ব্ৰহ্মাৰ অৰ্চনা কৰা, তেওঁলোকৰ এজন প্ৰসন্ন হ'লে তোমাৰ সকলো বিঘ্ন আঁতৰিব।"

তস্মাত্ত্বং কুরু শম্ভোর্বা ব্রহ্মণো বাধুনার্চ্চনম্।
স তে প্রসন্নঃ পৰমমিষ্টকামং প্রদাস্যতি ॥ (৪০।৬২)

বাণৰ কথাত নৰকৰ প্ৰত্যয় জন্মিল, আৰু তপস্যা কৰিবলৈ মান্তি হ'ল। নৰকে ক'লে, "বিষ্ণু আৰাধনীয় নহয়; তাৰ কাৰণ তুমিয়েই কৈছা; শিৱো আৰাধনীয় নহয় কিয়নো তেওঁ গুপ্তভাৱে মোৰ পুৰীতেই আছে। (বিষ্ণুর্নাৰাধনীয়ো মে তত্র হেতুস্ত্বয়োদিতঃ। নৈবাৰাধ্যস্তথা শম্ভুৰন্তৰ্গুপ্তঃ স মে পুৰে॥ তস্মাদ্ব্ৰহ্মা সমাৰাধ্যো বচনাত্তৱ মিত্ৰক।—৪৪।৬৫-৬৬)। সেই কাৰণে ব্ৰহ্মাক আৰাধনা কৰিম।"

ব্ৰহ্মপুত্ৰৰ পাৰত (স তীৰে নদৰাজস্য লৌহিত্যস্য মহাত্মনঃ—৪৭।৭০) কঠোৰ তপস্যা কৰি ব্ৰহ্মাৰপৰা পাঁচোটা বৰ ল'লে—(১) দেৱ, অসুৰ, ৰাক্ষস আৰু দেৱযোনিত ওপজা প্ৰাণীৰ তেওঁ অবধ্য। (২) চন্দ্ৰ-সূৰ্য্য থাকে মানে বংশ ছেদ নহ'ব। (৩) তিলোত্তমা আদি দেৱাঙ্গনা (১৬ হাজাৰ) তেওঁৰ প্ৰণয়িণী হ'ব। (৪) তেওঁ অজেয় হ'ব। (৫) সৰ্বদায় শ্ৰীসম্পন্ন হ'ব। বৰ লওঁতে বশিষ্ঠৰ শাপ-খণ্ডনৰ উপায় বিচাৰিবলৈ পাহৰিলে।

বৰ পালত নৰকৰ পূৰ্বৰ তেজ ফিৰি আহিল। বাণৰ কথামতে হয়গ্ৰীৱ, মুৰু, সুন্দ, নিসুন্দ আদি অসুৰ সৈনিকসকলক ডাঙৰ ডাঙৰ বাব দিলে। বাণৰ কথামতেই দেৱ আৰু মুনিসকলৰ ওপৰত পূৰ্ণমাত্ৰায় নিৰ্য্যাতন আৰম্ভ হ'ল। (বাণস্য ৰচনাচ্ছক্ৰং বাধয়ত্যেৱ বৈ মুনীন্—৪১।১৩)। এইদৰে পৃথিৱীত আসুৰিক ভাৱৰ সোঁত বোৱালে (এবং স চাসুৰভাবং তন্বাণো বিচৰণ্ ক্ষিতৌ—৪১।১৩)। আগেয়ে তেওঁ ধৰ্মাত্মা আছিল, ব্ৰত কৰিছিল, দেৱপূজা কৰিছিল। এতিয়া আসুৰিক সকলোকে উৎপীড়ন কৰিব ধৰিলে। (পূৰ্ব্বমাসীৎ স ধৰ্ম্মাত্মা হ্যাৰাধিতসুৰো ব্ৰতী। অধুনা বাধতে সৰ্ব্বানাসুৰভাবমাশ্ৰিতঃ—৪১।৫২) নৰকৰ উৎপীড়নৰ মাত্ৰা দিনক দিনে বাঢ়ি উঠিল। তেতিয়া নিজৰ পিতাক বিষ্ণুৰ মানুষৰূপী অৱতাৰ শ্ৰীকৃষ্ণই তেওঁক বধ কৰিলে।

যুদ্ধৰ সময়ত নৰকে দেখিলে যে স্বয়ং কালিকা-কামাখ্যা দেৱীও কৃষ্ণৰ ওচৰত অস্ত্ৰ ধাৰণ কৰি নৰকৰ বিৰুদ্ধে থিয় হৈছে—

স যুধ্যাৎ কৃষ্ণনিকটে কালিকাং কালিকোপমাম্।
ৰক্তাস্যনয়নাং দীৰ্ঘাং খড়্গাশক্তিধৰাং তদা ॥
অপশ্যজ্জগতাং ধাত্ৰীং কামাখ্যামপি মোহিনীম্।
স বিস্মিতস্তদা ভীতস্তাং দৃষ্ট্বা জগতাং প্ৰসূম ॥
যোদ্ধব্যমিত্যেৱ তদা যুযুধেঃ নৰকাসুৰঃ। (৪১।১০৪)

শৈৱ বাণৰ সংসৰ্গ-দোষত নৰকাসুৰ বিষ্ণু আৰু মহাদেৱী দুয়োৰে বিতৃষ্ণাভাজন হৈছিল।

এই উপাখ্যানত মন কৰিবলগীয়া কথাৰ ভিতৰত এইবোৰ প্ৰধান—(১) বাণৰ যুক্তি-তৰ্ক, ইন্দ্ৰ আৰু বিষ্ণু দেৱতাৰ পূজাৰ বিৰুদ্ধেহে অৱলম্বিত হৈছিল। তাৰ ভিতৰত কামাখ্যা কালিকাৰ

কোনো সম্বন্ধৰ ইঙ্গিতো নাই। অপৰ পক্ষে বিষ্ণুও নৰকক অভিষেকৰ সময়ত সাৱধান কৰি দিছিল যে কামাখ্যা বিনে তেওঁ কোনো দেৱতাক ভজন নকৰিব, কৰিলে তেওঁৰ প্ৰাণ নাশ হ'ব। বিষ্ণুৱে নিজৰ প্ৰতি কোনো অৱহেলাৰ বিষয় নৰকক কোৱা নাছিল। সেই কাৰণে দেখা যায় যে দেৱী-পূজাৰ এই ক্ৰমবিকাশৰ সময়ত ইয়াৰ সম্বন্ধ বিষ্ণুৰ লগতহে আছিল, শৈৱৰ লগত নহয়। বৈষ্ণৱসকলে কালী বা কামাখ্যা পূজাক শৈৱৰ বিৰুদ্ধে তেওঁলোকৰ পৃষ্ঠপোষকতাত প্ৰবৰ্তিত নতুন ধৰ্ম এটি হিচাপে চলাইছিল। শৈৱসকলে এই ধৰ্মৰ ভৱিষ্যত লোকপ্ৰিয়তা আৰু ইয়াৰপৰা প্ৰতিদ্বন্দ্বিতাৰ আশঙ্কা কৰি গুৰিৰপৰাই পৃষ্ঠপোষকসকলৰ বিৰুদ্ধে তৰ্ক আৰু ভেদ-নীতিৰ সহায়েৰে থিয় হৈছিল।

১২ ঐতিহাসিক সম্ভাব্য-সম্ভাৱনা

বিদেহ নৰকৰ বৃত্তান্তৰপৰা অলৌকিক আৰু পৌৰাণিক কাঠামটো বাদ দিলে আখ্যানটোত স্বাভাৱিকতাৰ ৰং এটি ফুটি ওলায়। আজিকালিৰ ভাষাত ক'ব লাগিলে আখ্যানটো এনেকুৱা যেন লাগে। বিদেহৰ জনক উপাধিধাৰী ৰাজবংশৰ কোনোবা ৰাজ-পৰিয়ালত ৰাজকোঁৱৰসকলৰ লগত কাত্যায়নী নামেৰে ধাই এজনীৰ ল'ৰা এটিও ডাঙৰ-দীঘল হৈছিল। ল'ৰাৰ বাপেক অজানিত। জনক ৰজাই পালনীয় পো হিচাপে ধাইৰ ল'ৰাক ডাঙৰ-দীঘল কৰিছিল। মাক কাত্যায়নীৰ সদায় চকু আছিল ল'ৰা যেন হীন স্বভাৱৰ নহয় আৰু আৰ্য্যোচিত শিক্ষা-দীক্ষা পাই আৰ্য্যভাৱাপন্ন হয়। ধাইৰ ল'ৰা নৰক ডাঙৰ হ'লত ৰজাৰ মনত আশঙ্কা হ'ব ধৰিলে যে ভৱিষ্যতে সি ৰজাৰ নিজৰ ল'ৰাহঁতৰ হাতৰপৰা ৰাজ্য কাঢ়ি ল'ব। কাত্যায়নীয়ে ৰজাৰ মনৰ ভাব বুজি ভৱিষ্যতে নৰকৰ অমঙ্গল আশঙ্কা কৰি ল'ৰাৰ আগত তাৰ বাপেক-মাকৰ পৰিচয় দি তাক ৰাজঘৰৰপৰা আঁতৰালে। পিছৰ কালত ধাইৰ ল'ৰাই নৰক নাম লৈ ৰাজ্যাধিপতি হৈ উন্নতিশীল হোৱাত ৰজা জনকে সন্তোষ পাই সপৰিবাৰে তেওঁক চাবলৈ আহিছিল। ইয়াৰপৰা অনুমান হ'ব পাৰে যে নৰক পৰিচাৰিকাৰ গৰ্ভত ওপজা জনক ৰজাৰে জাৰজ সন্তান।

মাক কাত্যায়নীৰ সহায়ত নৰকে নতুন ধৰ্ম এটি প্ৰৱৰ্তনৰ ভাৰ লৈয়ে নৈৰে উজাই প্ৰাগ্‌জ্যোতিষ্‌ ৰাজ্যৰ ফালে অভিযান কৰিলে। তেওঁ নতুন ধৰ্ম এটিৰ প্ৰৱৰ্তক। সেই ধৰ্ম হৈছে শক্তি-পূজা। তেওঁৰ নিজৰ নাম, মাকৰ নাম, ঘৈণীয়েকৰ নাম আদিয়েও শাক্তৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰিচয় দিয়ে। 'কালিকা পুৰাণ'ৰ ব্যাখ্যা অনুসাৰে তেওঁ উপজিয়েই মৰা মানুহৰ লাওখোলা এটিত মূৰ থৈছিল। সেই কাৰণে নাম হ'ল নৰক (নৰ-ক)। মৰা মানুহৰ মূৰৰ লাওখোলা কেতবোৰ শাক্ত সম্প্ৰদায়ৰ পানাহাৰৰ পাত্ৰ। নৰকৰ মাকৰ নাম কাত্যায়নী—দুৰ্গাৰ এটি নাম। ঘৈণীয়েকৰ নাম মায়া—মহামায়া দুৰ্গাৰ আন এটি নাম।

নৰক সামৰিক অভিযানৰ নায়ক হ'লেও তেওঁৰ লগত উপদেষ্টা হিচাপে বৈষ্ণৱ গুৰু এজন আছিল। (আখ্যানত বিষ্ণু বুলি পৰিচয় দিয়া হৈছে।) তেওঁৰ কঠোৰ আদেশ আছিল নৰকে যেন মহাদেৱী মহামায়া জগন্মাতা, অম্বিকাত বাজে আন কোনো দেৱতাৰ যজন নকৰে। ইয়াৰ অন্যথা হ'লেই তেওঁৰ মৃত্যু অনিবাৰ্য্য।

পূৰ্বৰ ঐতিহ্যৰপৰা ভিন্ন ভাৱৰ চলতি কৰাবৰ উদ্দেশ্যে নতুন ধৰ্ম প্ৰৱৰ্তনৰ লগে লগে ৰাজ্যৰ নামো নতুন কৰা হ'ল। আগেয়ে নাম আছিল প্ৰাগ্‌জ্যোতিষ্‌; এতিয়া নতুন নাম হ'ল কামৰূপ। কামৰূপ এটি তান্ত্ৰিক নাম। নৰকৰ আগত প্ৰাগ্‌জ্যোতিষৰ চলতি ধৰ্ম আছিল শৈৱ। শিৱে এই দেশখন নিজৰ স্বৰাজ হিচাপে ৰাখি আছিল। শাক্ত ধৰ্মৰ চলতি হোৱাতো শৈৱ মত গুপুতভাৱে চলি আছিল (অন্তৰ্গুপ্তঃ স মে পুৰে)। ইয়াৰ অধিবাসীবোৰ কিৰাত-জাতীয় আছিল। সিহঁতৰ গাৰ ৰং সোণৰ দৰে হালধীয়া, মূৰ খুৰোৱা আৰু সিহঁত মদ-মাংসত অতিশয় আসক্ত আছিল। সিহঁতৰ অধিপতি আছিল ঘটক। হালধীয়া ৰঙৰপৰা কিৰাতসকল চীন মঙ্গোলীয়াৰ অধিবাসীসকলৰ (yellow race) বঙহ পৰিয়াল আছিল বুলি অনুমান কৰিব পাৰি। কিৰাতসকলৰ উপাস্য দেৱতা আছিল শিৱ। সেই কাৰণে শিৱৰ এটি নাম কিৰাত। কিৰাত ভেশেৰেই তেওঁ মহাভাৰতৰ কিৰাত পৰ্বত অৰ্জুনৰ লগত যুঁজ কৰিছিল।

নতুন ৰাজ্য আৰু ধৰ্ম-সংস্থাপনৰ লগে লগে নৰকে পশ্চিমৰপৰা দ্বিজাতি আনি ৰাজ্যত বহুৱালে। ৰাজ্যৰ সীমাও নিৰ্দ্ধাৰিত হ'ল পশ্চিমে কৰতোয়া আৰু পূবে ললিতকান্তালৈ।

কিছু দিন সকলো সুকলমে চলিল। কামাখ্যাৰ মাহাত্ম্য বাঢ়িল। পশ্চিমৰপৰা পণ্ডিত, বামুণ আদিয়েও কামাখ্যা দৰ্শন কৰিবলৈ আহিব ধৰিলে।

শৈৱ ধৰ্ম প্ৰকাশ্যে নিষিদ্ধ হ'ল, কিন্তু শৈৱসকলে ইয়াৰ প্ৰতিকাৰ কৰিবলৈ চেলু বিচাৰি ফুৰিছে। সিহঁতে ৰজাক হাত কৰিবলৈ উপায় সন্ধান কৰিছিল। ওচৰ-চুবুৰীয়া বাণ নামে শৈৱ ৰজা এজনে নৰকৰ লগত মিত্ৰতা স্থাপন কৰি তেওঁৰ বুদ্ধি ভেদ জন্মালে আৰু দেৱ, দ্বিজ, কামাখ্য আদিৰ প্ৰতি তেওঁৰ বিতৃষ্ণা জগালে।

ঐতিহাসিক সময়ৰ ভিতৰতো শাক্তসকলে শিৱসিংহ ৰজাৰ বুদ্ধিভেদ জন্মাই ৰাণী ফুলেশ্বৰীৰ হতুৱাই মোৱামৰীয়া বৈষ্ণৱসকলৰ প্ৰতি অপমান কৰা ঘটনা নৰকৰ দেৱদ্বিজৰ প্ৰতি অশ্ৰদ্ধাৰ অনুৰূপ কথা।

নৰকৰ স্বভাৱত হয়তো মাকৰ ফালৰপৰা হীন বংশগত দোষ আছিল। শৈৱ উপদেশকৰ প্ৰভাৱত সকলো দোষ জাগি উঠিল। নৰকে শাস্ত্ৰীয় ধৰ্ম-কৰ্মৰ প্ৰতি পিঠি দিলে। কামাখ্যাযাত্ৰী বশিষ্ঠ নামৰ মুনিক অপমান কৰিলে। বশিষ্ঠ মুনিয়ে ৰজাক শাও দিলে। ক্ৰমে নৱ-প্ৰৱৰ্তিত পূজা বন্ধ হ'ল। শৈৱসকলে নতুন ধৰ্মপন্থীসকলৰ ওপৰত প্ৰতিহিংসা ল'লে।

পৌৰাণিক ৰীতিমতে আগৰ দিনৰ ৰজাসকলক চন্দ্ৰ, সূৰ্য্য, শিৱ, ইন্দ্ৰ আদি দেৱতাসকলৰ বংশ বুলি চিনাকি দিয়া হয়। সেইদৰে নৰককো বিষ্ণুবংশী বুলি বৰ্ণনা কৰা হৈছে। তেওঁৰ প্ৰতিষ্ঠাতা গুৰুৱে হয়তো তেওঁৰ মৰ্য্যাদা বঢ়াবলৈ আৰু আত্মসন্মান দৃঢ় কৰাবলৈ তেনে ভাব নৰকৰ মনত সুমাই দিছিল। বাণে কুতৰ্ক আৰু শ্লেষাত্মক যুক্তিৰে নৰকৰ মনৰপৰা সেই বিশ্বাস মচি পেলালে। বাণৰ যুক্তিত বিষ্ণু আৰু বিষ্ণুভক্ত ইন্দ্ৰৰ প্ৰতি জাগ্ৰত বিদ্বেষৰ জুই ফুটি ওলাইছে। শৈৱ-বৈষ্ণৱৰ বিদ্বেষ ইতিহাসপ্ৰসিদ্ধ। নৰকৰ দৌৰাত্ম্যত ৰাজ্যত অশান্তি হোৱাৰ সন্দেহ পাই পশ্চিমৰপৰা কোনোবা প্ৰবল ৰজাই তেওঁৰ ৰাজ্য আক্ৰমণ কৰে।

১৩ নৰকাসুৰৰ পূৰ্ব বৃত্তান্ত

নৰকাসুৰৰ উপাখ্যান সংস্কৃত সাহিত্যত অতি পুৰণি। বেলেগ বেলেগ গ্ৰন্থত নৰকৰ বিষয়ত বেলেগ বেলেগ ঐতিহ্য আছে। তলত সেইবোৰৰ চমু উল্লেখ কৰা হ'ল।

বিদেহৰ নৰক ৰাৱণ-বধৰ পিছত ওপজা বুলি 'কালিকা-পুৰাণ'ত আছে। কিন্তু প্ৰাগজ্যোতিষৰ ৰজা নৰকৰ উল্লেখ 'ৰামায়ণ'তো আছে। সীতাক অন্বেষণ কৰিবলৈ সুগ্ৰীৱে নৰকৰ ৰাজ্য প্ৰাগ্-জ্যোতিষলৈও বানৰ পঠিয়াইছিল। (কিষ্কিন্ধা, ৪২ সৰ্গ)

মহাভাৰতৰ বেলেগ বেলেগ ঠাইত নৰকৰ উল্লেখ আছে। বনপৰ্বত ((১৪২ অধ্যায়) এজন নৰক দৈত্যৰ উল্লেখ আছে। তেওঁ হেজাৰ তপস্যা কৰি ইন্দ্ৰত্ব পদ প্ৰাৰ্থনা কৰিছিল। বিষ্ণুৱে তেওঁক ছলনা কৰি মাৰে।

উদ্যোগ পৰ্বত (৪৮ অধ্যায়) শ্ৰীকৃষ্ণই ভৌম নৰকক বধ কৰি অদিতিৰ মণিকুণ্ডল উদ্ধাৰ কৰাৰ উল্লেখ আছে। উদ্যোগ, ১৩০ অধ্যায়ত শ্ৰীকৃষ্ণই নৰকক বধ কৰি হেজাৰ কন্যা উদ্ধাৰ কৰাৰ উল্লেখ পোৱা যায়। দ্ৰোণ-পৰ্বত (২৮ অধ্যায়) পৃথিৱীৰ প্ৰাৰ্থনামতে শ্ৰীকৃষ্ণই নৰকক বৈষ্ণৱাস্ত্ৰ দান কৰাৰ উল্লেখ আছে। সেই অস্ত্ৰ নৰকৰ পিছত ভগদত্ত ৰজাই পায়। ভগদত্তই কি সূত্ৰে সেই অস্ত্ৰ পালে তাৰ উল্লেখ নাই। ভগদত্ত নৰকৰ পিছত হোৱা ৰজা বুলিয়েই নে নৰকৰ লগত তেওঁৰ কোনো বংশজাত সম্বন্ধ আছিল বুলিয়েই বৈষ্ণৱাস্ত্ৰ পাইছিল সেই বিষয় কোনো পৰিষ্কাৰ কথা নাই। 'মহাভাৰতে' নৰকৰ পুত্ৰ বুলি ভগদত্তৰ পৰিচয় দিয়া নাই। (তস্মাৎ প্ৰাগ্‌জ্যোতিষং প্ৰাপ্তং। তদস্ত্ৰং পাৰ্থনামকম্)। 'কালিকা-পুৰাণ'ত ভগদত্ত নৰকৰ পুত্ৰ বুলি স্পষ্ট উল্লেখ আছে।

নৰকাসুৰৰ পহিলা বিস্তৃত বিৱৰণ পোৱা যায় 'হৰিবংশ'ত (৬৩।৬৪ অধ্যায়)। তাত নৰকাসুৰক ডকাইত এটিৰ দৰে বৰ্ণনা কৰা হৈছে। নৰকাসুৰ ইন্দ্ৰ আৰু দেৱতাসকলৰ ঘোৰ বৈৰী (ত্ৰাসনঃ সৰ্ব্বদেবানাং দেবৰাজৰিপুৰ্মহান্)। তেওঁ হাতীৰ ৰূপ ধাৰণ কৰি বিশ্বকৰ্মাৰ কন্যা কশেৰুক

বলাৎকাৰ কৰে। তাৰ পিছত দেৱ গন্ধৰ্ব, মনুষ্যসকলৰ ১৬০০০ কন্যা হৰণ কৰে আৰু মণি পৰ্বতত অট্টালিকা এটি সজাই বন্ধ কৰি ৰাখে। সেইদৰে নৰকে অদিতিৰ মণিকুণ্ডল আৰু দেৱতা মনুষ্য-সকলৰপৰা সকলো ৰত্ন অলঙ্কাৰ আদি হৰণ কৰে। শেষত শ্ৰীকৃষ্ণই নৰকক বধ কৰে।

'ৰামায়ণ', 'মহাভাৰত' মহাকাব্য আৰু পুৰাণ 'হৰিবংশ'ত উল্লিখিত নৰকাসুৰৰ চুম্বক বিৱৰণ এইখিনিয়েই। তেওঁক পৃথিৱীৰ পুত্ৰ বুলি কোৱা হৈছে, কিন্তু তেওঁ যে বৰাহ বিষ্ণুৰো পুত্ৰ, সেইটোৰ উল্লেখ নাই। নৰকাসুৰ মাকৰ নামেৰে জনাজাত। সেই কাৰণে তেওঁক "ভৌম" (ভূমিৰ অপত্য) বোলা হয়। বৰাহ-বিষ্ণুৰ পুত্ৰ বোলা কথাষাৰ পিছৰ কালৰ বৈষ্ণৱ পুৰাণবোৰৰ যোজনা। মহাকাব্য মতে বিষ্ণুৰ লগত নৰকাসুৰৰ সম্পৰ্ক এইখিনিতেই যে মাক পৃথিৱীৰ প্ৰাৰ্থনা মতে শ্ৰীকৃষ্ণই তেওঁক অমোঘ বৈষ্ণৱাস্ত্ৰ দিছিল। 'কালিকা-পুৰাণ'তো উল্লেখ আছে যে বৰাহ-বিষ্ণুৱে নৰকক 'শক্তি' নামে বৈষ্ণৱাস্ত্ৰ দান কৰিছিল (শক্তিঞ্চ প্ৰদদৌ তস্মৈ সৰ্ব্বশত্ৰুবিশাতনীম্, কাঃ পুঃ ৩৯।১৪৫)। "শক্তি" এবিধ অস্ত্ৰৰ নাম। অনুমান কৰিব পাৰি পিছৰ কালত যেতিয়া শক্তি-পূজাৰ আবিৰ্ভাৱ হয়, তেতিয়া নৰকক উদ্দেশ কৰি দিয়া বৈষ্ণৱী শক্তি নামক অস্ত্ৰক আলম কৰি নৰকক বৈষ্ণৱ শক্তি কামাখ্যাৰ পূজাৰ প্ৰৱৰ্তক হিচাপে চিত্ৰিত কৰা হৈছে। যোদ্ধা হিচাপে নৰকৰ হাতত বৈষ্ণৱাস্ত্ৰ 'শক্তি' আৰু ৰজা হিচাপে তেওঁৰ ক্ষমতাৰ কেন্দ্ৰ কামাখ্যা শক্তি।

পৌৰাণিক উপাখ্যানৰ মূল জঁকাটোক যুগে যুগে লৌকিক কল্পনাই নানান ৰঙেৰে চিত্ৰিত কৰি আহিছে। নৰকাসুৰৰ পৰাঙ্গণা-প্ৰীতিয়ে মানুহৰ মনত দকৈ সাঁচ মৰা যেন লাগে। 'হৰিবংশ'ত নৰকাসুৰে স্বয়ং বিশ্বকৰ্মাৰ কন্যা কশেৰুক হৰণ কৰা কথা আছে; কিন্তু অসমীয়া কল্পনাই তাকো ডেও দি এখোপ ওপৰলৈ গৈছিল। "কোনো এক সময়ত নৰকে কামাখ্যাকে নমনা হৈ তেওঁক বিয়া কৰাবলৈ খোজাত দেৱীয়ে ক'লে যে যদি একে ৰাতিতে তেওঁৰ মন্দিৰ, বাট, পুখুৰী ইত্যাদি নিৰ্মাণ কৰি দিব পাৰে তেনেহ'লে তেওঁ নৰকৰ পত্নী হ'ব। নৰক ৰজাই বিশ্বকৰ্মাক আহ্বান কৰি মন্দিৰ আৰু বাট ইত্যাদি ৰাত্ৰি শেষৰ পূৰ্বে বন্ধাই দিলে। কাৰ্য্য প্ৰায় শেষ হয় এনেতে দেৱীয়ে বিপদ ভাবি আজ্ঞা কৰি অসময়ত কুকুৰাৰ হতুৱাই মতাই নৰকক ক'লে যে, কৰ্ম শেষ হোৱাৰ পূৰ্বে ৰাত্ৰি প্ৰভাত হ'ল। এনেতে ক্ৰোধান্ধ হৈ নৰকে কুকুৰাক খেদি নি বধ কৰিলে। সেই ঠাই এতিয়াও 'কুকুৰা-কটা বাট' নামে প্ৰসিদ্ধ আছে। সেই নিৰ্মাণেই কামাখ্যা দেৱালয়ৰ মন্দিৰৰ আদি" (গুণাভিৰাম বৰুৱা : আসাম বুৰঞ্জী, পৃষ্ঠা ৩১)। নৰকৰ বিয়াৰ প্ৰস্তাৱ 'মাৰ্কণ্ডেয়-পুৰাণ'ৰ দেৱী-মাহাত্ম্যখণ্ডৰ দেৱীৰ প্ৰতি শুম্ভৰ বিয়াৰ প্ৰস্তাৱৰ স্মাৰক। মহাভাৰতৰ বৈষ্ণৱ শক্তিক উপলক্ষ্য কৰি যেনেকৈ নৰকক শক্তি পূজাৰ পৃষ্ঠপোষক কৰা হৈছে, সেইদৰে 'মাৰ্কণ্ডেয়-পুৰাণ'ৰ দেৱীৰ প্ৰতি শুম্ভ-নিশুম্ভ অসুৰৰ বিয়াৰ প্ৰস্তাৱক ভেটি কৰি কামাখ্যাৰ প্ৰতি নৰকৰ বিয়াৰ প্ৰস্তাৱ উদ্ভাৱনা কৰা হৈছে।

ওপৰত সংগ্ৰহ কৰা উল্লেখবোৰৰপৰা জনা যায় যে নৰক নামে প্ৰবল প্ৰতাপী ৰজা এজনে প্ৰাগ্‌জ্যোতিষ ৰাজ্যত ৰাজত্ব কৰিছিল। তেওঁৰ খ্যাতি ইমান বাঢ়িছিল যে পিছৰ কালৰ প্ৰাগ্‌জ্যোতিষ

কামৰূপৰ ৰজাসকলেও তেওঁৰ সুদূৰ বংশধৰ বুলি কাল্পনিক পৰিচয় দি নিজে নিজে ধন্য মানিছিল। কামৰূপৰ শাসনাৱলীৰ এটাইবোৰ শাসনতেই নৰকৰ উল্লেখ আছে।

বিদেহৰ নৰক বিদেহ বা মিথিলাৰ ৰজা জনকৰ পালিত পুত্ৰ। কিন্তু মিথিলাৰ 'জনক' এটি বিশিষ্ট মানুহৰ নাম নহয়। জনক এটি ৰাজবংশৰ নাম। সেই বংশৰ প্ৰত্যেক ৰজাৰেই উপাধি জনক (Pargiter: *Ancient Indian Historical Tradition*, p. 96.)। সেইদৰে বশিষ্ঠ বিশ্বামিত্ৰ আদিও বংশগত নাম (Ibid)।

'কালিকা-পুৰাণ'ত নৰকক সীতাৰ প্ৰতিপালক জনকৰ পালিত পুত্ৰ বুলি পৰিচয় দিয়া হৈছে। কিন্তু এইটোও কোৱা হৈছে যে নৰক উপজিব ৰাৱণ বধৰ পিছতহে। 'ৰামায়ণ'ত আছে যে সীতাক অন্বেষণ কৰিবলৈ নৰকৰ ৰাজ্য প্ৰাগ্‌জ্যোতিষপুৰলৈ চৰীয়া বানৰ পঠিওৱা হৈছিল। 'কালিকা-পুৰাণ'ত নৰকৰ জন্ম বৃত্তান্তৰ অলৌকিকতাৰপৰা সংশয় হয় যে বিদেহৰ নৰক পৌৰাণিক নৰক নহয়। বিদেহৰ ৰাজঘৰত পালিত হোৱা কোনোবা বীৰ্য্যশালী পুৰুষে কামৰূপ ৰাজ্য অধিকাৰ কৰি এই দেশৰ প্ৰসিদ্ধ পুৰণি ৰজা নৰকৰ নামেৰে পৰিচিত হ'ল। আৰু এনেও হ'ব পাৰে যে বিদেহৰ জনকৰ দৰে নৰকো এটি ৰাজ-পৰিয়ালৰ উপাধি।

শক্তি পূজাৰ পৃষ্ঠপোষক নৰকক মিথিলাৰপৰা কিয় অনা হ'ল? নিশ্চয় মিথিলা শক্তি পূজাৰ কেন্দ্ৰ আছিল বা তাত শাক্তমত প্ৰবলভাৱে চলিছিল। এই বিষয়ে বঙালী শাক্ত পণ্ডিতসকলৰ মাজত প্ৰবচন শ্লোক এটি চলি আহিছে—

গৌড়ে প্ৰকাশিতা বিদ্যা মৈথিলৈঃ প্ৰবলীকৃতা।
কচিৎ কচিন্মহাৰাষ্ট্ৰে গুৰ্জ্জৰে প্ৰলয়ং গতা॥

(Chanda: *Indo-Aryan Races*, p. 153)

"শাক্ত-বিদ্যা প্ৰথমে গৌড় দেশত প্ৰকাশিত হয়। আৰু ই মিথিলা দেশত প্ৰবলতা লাভ কৰে। মহাৰাষ্ট্ৰ দেশত ঠায়ে ঠায়ে ইয়াৰ চলতি আছে কিন্তু গুজৰাট দেশত ই লোপ পায়।"

বুৰঞ্জীয়ে লগ পোৱাৰ সময়তো কমতাপুৰত খেন বংশৰ প্ৰতিষ্ঠাতা নীলধ্বজ মিথিলাৰপৰা আহিছিল। নৰকৰ দৰে নীলধ্বজো লোকৰ ঘৰত ডাঙৰ হৈছিল। তেওঁ বামুণ এজনৰ গৰখীয়া ল'ৰা আছিল। তেওঁৰ বংশৰ শেষ ৰজা নীলাম্বৰ হুছেন চাহৰ হাতত বন্দী হয়। (১৪৯৮ খৃঃ অঃ)।

নৰকৰ দৰে নীলধ্বজেও মিথিলাৰপৰা ব্ৰাহ্মণ সজ্জন আদি কামৰূপ ৰাজ্যলৈ আনিছিল।

১৪ বশিষ্ঠৰ শাপৰ পিছত

বশিষ্ঠৰ শাও অনুসাৰে নৰক মৰিল আৰু কামাখ্যা যোনিমণ্ডল অন্তৰ্হিত হ'ল। তাৰ পিছত কামৰূপৰ ধৰ্মৰাজ্যত কি ঘটনা ঘটিল সেই বিষয়ত 'কালিকা-পুৰাণ' নিমাত। 'কালিকা-পুৰাণ'ৰ বহুত পিছত ৰচিত 'যোগিনী-তন্ত্ৰ'ই সেই অন্ধকাৰময় যুগৰ অলপ আভাস দিছে।

'যোগিনী-তন্ত্ৰ'ই নৰকৰ চৰিত্ৰও সহানুভূতিপূৰ্ণভাৱে বৰ্ণনা কৰিছে। বশিষ্ঠক অপমান কৰা বিষয়ত নৰকৰ কোনো দোষ নাছিল। নৰকে বিষ্ণুৰ আদেশ মানি কামাখ্যা পূজাৰ তত্ত্বাৱধান কৰি চলি আছে। এনেতে ব্ৰহ্মাৰ মানসপুত্ৰ বশিষ্ঠ মুনিয়ে নীলাচলত তাৰাদেৱীৰ আৰাধনা কৰি আছিল। (তাৰামাৰাধয়ামাস তদা নীলাচলে মুনিঃ ১।১২।১৫)। এদিনাখন বশিষ্ঠই কামাখ্যা দেৱীক পূজা কৰিবলৈ মন্দিৰ দ্বাৰত উপস্থিত। পুৱাৰ বেলিকা পূজাৰীয়ে কামাখ্যাদেৱীৰ পূজা কৰে, পূজা শেষ নোহোৱালৈকে ৰজা নৰকে দুৱাৰৰখীয়া হৈ থাকে। পূজা চলি থাকে মানে কোনেও যোনিমণ্ডলত সোমাব নোৱাৰে (তাবৎ কোঽপি ন ক্ষমো হি গন্তুং যন্তোনিমণ্ডলম্)। সেই ৰীতি অনুসাৰে ৰজা নৰকে মুনিক বাৰণ কৰি ক'লে—"বিপ্ৰ! তুমি এতিয়া ৰবাঁ, মণ্ডলৰ ভিতৰলৈ নাযাবা। দেৱীৰ পূজা চলিছে। পূজাৰ অন্তত যাবা।"

বিপ্ৰ খণ্ডত অগ্নিশৰ্মা হ'ল। পূজাৰ সময়ত মণ্ডলৰ ভিতৰলৈ যাবৰ অযোগ্য হ'ল! এতিয়া বিপ্ৰ-বীৰ্য্য চোৱা! এই বুলি কমণ্ডলুৰ পানী লৈ কামাখ্যাক শাও দিলে (নৰকক শাও দিয়াৰ কোনো উল্লেখ নাই)—"মাতৃ কামাখ্যা, ময়ো বামুণ আৰু ব্ৰহ্মাৰ সন্তান, তুমি মোৰ পূজাৰ অন্যথা কৰিলা। মই তোমাক এৰি গ'লোঁ। তোমাৰ গাত ব্ৰহ্মবধ পাতক ফলিব। আৰু তোমাৰ মহাপীঠত মোৰ শাও অনুসাৰে আগলৈ কেতিয়াও জপ-পূজাৰ সিদ্ধি নহ'ব।" এই বুলি কমণ্ডলুৰ পানী হাতত লৈ শাও দি বশিষ্ঠ মুনি খাণ্ডৱ পৰ্বতলৈ গুচি গ'ল। (নীলাচলং পৰিত্যজ্য গতোঽসৌ খাণ্ডবং গিৰিম্—১।১২।২৪)

নিজৰ অন্তৰৰ জুইৰ দ্বাৰা দেহ পুৰি কামাখ্যাদেৱী কৈলাস মন্দিৰলৈ গৈ মহাদেৱত গোচৰ দি কান্দিব ধৰিলে। শাওৰ আদিৰ বৃত্তান্ত বিবৰি ক'লে। মহাদেৱে কামাখ্যাক আশ্বাস দি যোনি-পীঠলৈ আহিল আৰু শাপোদ্ধাৰৰ বাবে কালিকামন্ত্ৰ জপ কৰিলে। মন্ত্ৰৰ দ্বাৰা শাপ খণ্ডিত হ'ল আৰু আগৰ দৰে কামাখ্যাক যোনিমণ্ডলত স্থাপনা কৰিলে (কামাখ্যাং স্থাপয়ামাস পূৰ্ব্ববৎ যোনিমণ্ডলে—১।১২।৪০)। কিন্তু কলি যুগত তিনি শ বছৰ ব্ৰহ্মশাপ ফলিবই ফলিব।

কলৌ কিন্তু মহেশানি বৰ্ষাণাঞ্চ শতত্ৰয়ম্।
ব্ৰহ্মশাপো মহেশানি ফলিষ্যতি সুনিশ্চিতম্॥ (১।১২।৪১)

এই শাপৰ কালৰ ভিতৰত দুৰাচাৰ, প্ৰজাপীড়া, ৰোগ, কুমন্ত্ৰ (কৃত্যা) আদি বহুত দোষ ঘটিব। তাত সদায় যুদ্ধ চলিব, দুৰ্বৃত্ততা সদায় থাকিব আৰু দেৱতা, দানৱ আদিও উৎপীড়ক হ'ব। এই শাপৰ

কালৰ ভিতৰত যবন (মুছলমান), কুবাচ (কোচ), সৌমাৰ (আহোম) আৰু প্লবত (ভূটীয়া) বাজে আন কোনো ৰজা নহ'ব।

যবনশ্চ কুবাচশ্চ সৌমাৰশ্চ তথা প্লবঃ।
কামৰূপাধিপো দেবি শাপমধ্যে ন চান্যকঃ॥ (১।১২।৫৪)

১৫ শৈৱ-শাক্তৰ মিলন

'কালিকা-পুৰাণ'ত শাপমুক্তি আদিৰ উল্লেখ নাই। কামাখ্যা যোনিত যে পূজা-পাটল সিদ্ধ নহ'ব তেনে কথাও নাই। শাপৰ উক্তি হৈছে, নৰক জীয়াই থাকে মানে কামাখ্যা দেৱী পৰিচৰ-সকলেৰে সৈতে অন্তৰ্দ্ধান হৈ থাকিব আৰু নৰক মৰাৰ পিছতহে বশিষ্ঠই কামাখ্যা পূজা কৰিব।

মৃতে ত্বয়ি মহাদেবীং কামাখ্যাং জগতাং প্ৰসূম্।
পূজয়িষ্যাম্যহং পাপ তিষ্ঠ যাস্যে স্বমালয়ম্॥
ত্বং যাবজ্জীবিতা পাপ কামাখ্যাপি জগৎপ্ৰসূঃ।
সৰ্বৈঃ পৰিকৰৈঃ সাৰ্দ্ধমন্তৰ্দ্ধানায় গচ্ছতু॥ (৪০।১৭।১৮)

বশিষ্ঠই কেৱল কৈছে—"মই নিজৰ ঠাইলৈ যাম" (যাস্যে স্বমালয়ম্)। এই নিজা ঠাইৰ উল্লেখ নাই আৰু তেওঁ পুনৰায় আহি কামাখ্যাত পূজা কৰিলে নে নাই তাৰো উল্লেখ নাই। অপৰোক্ষভাৱে ইঙ্গিত আছে, নৰক মৰাৰ পিছত কামাখ্যাৰ পুনৰুদয় হৈছে।

ইয়াৰ পিছত বেতাল-ভৈৰৱ নামে দুজন তপস্বীৰ শিৱ আৰাধনাৰ ক্ষেত্ৰ, মন্ত্ৰ আদি বিচাৰৰ প্ৰসঙ্গত কামৰূপত শিৱৰ আধিপত্য আৰু মাহাত্ম্যৰ কথা বিবৃত হৈছে। (৫৩।৬০)

বাৰাণসী নামে গঙ্গাৰ পাৰত থকা পুৰীত স্বয়ং মহাদেৱে নিত্য বাস কৰে। তাৰ সমান সিদ্ধক্ষেত্ৰ হৈছে গুহ্যপীঠ কামৰূপ। তাত পাৰ্বতীৰে সৈতে মহাদেৱে সদায় বাস কৰে। শিৱৰ চকুৰ জুইৰ দ্বাৰা ভস্মীভূত হোৱা কামদেৱে ইয়াতে পুনৰ ৰূপ পাইছিল বুলি দেশৰ নাম হ'ল কামৰূপ—

শম্ভুনেত্ৰাগ্নিনিৰ্দ্দগ্ধঃ কামঃ শম্ভোৰনুগ্ৰহাৎ।
তত্ৰ ৰূপং যতঃ প্ৰাপ কামৰূপং ততোঽভবৎ॥ (৫২।৮০)

নীলাচল নামে পৰ্বতত পাৰ্বতী থাকে আৰু শিৱৰ মহাশ্ৰম হৈছে নাটকশৈল। তাত শিৱ নিত্য বিৰাজমান থাকে আৰু পাৰ্বতীদেৱী তেওঁৰ অধীনত থাকে—

নিত্যং বসতি তত্ৰেশস্তদধীনা চ পাৰ্বতী। (৫২।৮৪)

ইয়াত বাজেও শিৱ পাৰ্বতীৰ বেলেগ বেলেগ আশ্ৰম আছে, কিন্তু এই দুখনৰ দৰে মাহাত্ম্যপূৰ্ণ আশ্ৰম নাই।

তাৰ ওচৰৰ সন্ধ্যাচল নামে পৰ্বতত বশিষ্ঠ মুনিয়ে শিৱৰ আৰাধনা কৰি আছে—

সন্ধ্যাচলে তত্ৰ মুনি আৰাধয়তি শঙ্কৰম্ ॥ (৫৩।৯০)

তেওঁক সুধিলেই শিৱৰ মন্ত্ৰ-তন্ত্ৰ বুজাই দিব।

বেতাল-ভৈৰৱে কামৰূপত সোমায়েই কৰতোয়া নদীত তৰ্পণ কৰি, জল্পীশ শিৱত প্ৰণাম কৰি নাটকাচল পৰ্বতৰ মুখে আহিল। তাৰ পিছত দক্ষিণমুখে সন্ধ্যাচল পাহাৰলৈ গ'ল, য'ত বশিষ্ঠৰ দ্বাৰা আনীত কান্তা নামে নৈ বৈ আছে। বশিষ্ঠৰপৰা বেতাল-ভৈৰৱে মন্ত্ৰ ল'লে ; বশিষ্ঠই আশীৰ্বাদ কৰিলে—মহেশ্বৰ-পাৰ্বতী তোমালোকৰ প্ৰতি প্ৰসন্ন হ'ক (বৃষকেতুঃ সহো ময়া ।—৫৩।১২১)।

বেতাল-ভৈৰৱৰ তপস্যাত শিৱ তুষ্ট হ'ল। কিন্তু তেওঁৰপৰা কামনা পূৰ হ'বলৈ হ'লে পাৰ্বতীক তুষ্ট কৰিব লাগিব—

অহং তুষ্টস্তু যুবয়োঃ পাৰ্ব্বতীং দয়িতাং মম।
মদ্দত্তং কামমিচ্ছন্তাবাৰাধয়তীমীশ্বৰাম্ ॥
তামৃতে তু ন শক্নোমি দাতুমিষ্টং সনাতনম্
সেবিতুঞ্চ সুতৌ নিত্যং শৰণং ব্ৰজতং শিবাম্ ॥ (৫২।২১৫-৬)

পাৰ্বতী প্ৰসন্ন নহ'লে তেওঁ অকলে বৰদান কৰিব নোৱাৰে।

এই প্ৰসঙ্গতে শিৱে মহাদেৱীৰ মন্ত্ৰবিধি আদি পুঙ্খানুপুঙ্খভাৱে নিৰূপণ কৰি ক'লে। শেষত কামাখ্যা মাহাত্ম্য বিবৃত কৰিলে। শিৱৰ লগত কাম সম্ভোগ কৰিবলৈ পৰ্বতলৈ আহিছিল, সেইদেখি নাম হ'ল কামাখ্যা।

কামাৰ্থমাগতা যস্মান্ময়া সাৰ্দ্ধং মহাগিৰৌ।
কামাখ্যা প্ৰোচ্যতে দেৱী নীলকূটে ৰহো গতা ॥ (৬৪।১)

সতীৰ দেহত্যাগৰ পিছত কেনেকৈ কামাখ্যা যোনিপীঠ হ'ল ইত্যাদিৰ পৰিচয় দি কামাখ্যাৰ মন্ত্ৰ-তন্ত্ৰ ব্যাখ্যা কৰিলে।

শিৱে দিয়া মন্ত্ৰ-তন্ত্ৰেৰে বেতাল-ভৈৰৱে কামাখ্যা পূজা কৰিলে দেৱী তুষ্ট হৈ বৰ ল'বলৈ ক'লে। বেতাল-ভৈৰৱে বৰ মাগিলে সোঁশৰীৰে যেন চিৰকাল শিৱ-পাৰ্বতীৰ সেৱা কৰিব পাৰে ; তাতে বাজে আন বৰ নালাগে—

দেবাননেন শৰীৰেণ ভবত্যাঃ শঙ্কৰস্য চ।
প্ৰাৰ্থয়ে শাশ্বতীং সেবাং নিত্যং যাবদ্ৰবিঃ শশী (৮০।১১১)

মহাদেৱী সন্তুষ্ট হৈ নিজৰ স্তন চেপি গাখীৰ উলিয়াই সিহঁতৰ মুখত দিলে। সিহঁতেও অমৃত যেন পান কৰি অমৰত্ব লাভ কৰিলে।

এবং সিদ্ধিৰ্জগদ্ধাত্ৰী প্ৰোক্তা স্বস্থাথ চুচুকে।
নিষ্পীড্য কাৰয়ামাস ক্ষীৰধাৰাদ্বয়ং শিবা ॥ (৮০।১১৪)

তাৰ পাছত সিহঁতক শিৱৰ গণাধিপতি কৰিলে।

সিহঁতৰ সিদ্ধিত আপ্লুত হৈ শিৱে সিহঁতৰ মঙ্গল কামনা কৰিবলৈ আহিল আৰু অতি আনন্দেৰে কামৰূপৰ সকলো পীঠস্থানবোৰ দেখুৱাই পৰিচয় কৰি দিলে—

সকলং দৰ্শয়ামাস পীঠস্ত স্থানভেদতঃ। (৮০।১২২)

কামৰূপৰ পশ্চিম সীমাৰপৰা আৰম্ভ কৰি প্ৰথমে কৰতোয়া গঙ্গা দেখুৱালে, তাৰ পিছত লিঙ্গমূৰ্তি জল্পীশ শিৱক দেখুৱালে—

আত্মনো লিঙ্গমতুলং জল্পীশাখ্যং ব্যদৰ্শয়ৎ। (৮০।১২৭)

জামদগ্ন্যভয়াদ্ভীতাঃ ক্ষত্ৰিয়াঃ পূৰ্ব্বমেৰ যে, ইত্যাদি। (৮০।১৫৬)

এইদৰে প্ৰধান প্ৰধান তীৰ্থক্ষেত্ৰবোৰৰ বৰ্ণনা বেতাল-ভৈৰৱক উদ্দেশ্য কৰি কোৱা হৈছে।

শিৱক্ষেত্ৰৰ সংখ্যাধিক্য আৰু কামৰূপ-শাসনাৱলীৰ সাক্ষ্যৰপৰা দেখা যায়, পুৰণি কামৰূপত শিৱ ভক্তিৰেই প্ৰাধান্য আছিল। কিন্তু দেৱী-পূজাৰ বিষয়ত অতি উদাৰ মত চলিছিল। প্ৰত্যেক দেশৰ পীঠতেই স্থানীয় ৰীতিৰেই পূজা কৰাৰ বিধি বন্ধা আছে, কিন্তু কামৰূপ পীঠত যি কোনো দেশৰ মানুহে নিজ নিজ দেশৰ বিধি নিয়ম অনুসাৰে পূজা কৰিলেহে ফল পাব পাৰে। দেৱীক্ষেত্ৰ হিচাপে কামৰূপ cosmopolitan ক্ষেত্ৰ আছিল। বৈষ্ণৱৰ জগন্নাথ, শৈৱৰ কাশী আৰু শাক্তৰ কামাখ্যা ক্ষেত্ৰ তুল্যৰূপ।

দৈশিকঃ পূজয়েদ্দেবীং পীঠেনাদৈশিকঃ ক্বচিৎ।
তস্যৈব হি কৰস্পৰ্শাদ্দেবী নোদ্বিজতে শিবা॥
যদি দেশান্তৰাদ্ যাতঃ পীঠং দেশান্তৰং প্ৰতি।
তদ্দৈশিকোপদেশেন তদা পূজাং সমাৰভেৎ॥
যত্তন্যতঃ সমায়াতা কামৰূপাদ্দৃতে নৰঃ॥
তদ্দেশজোপদেশেন সম্পূজ্য ফলমাপ্নুয়াৎ।
যস্মিন্ দেশে তু যঃ পীঠঃ তত্ৰ পাঞ্চালকাদিষু।
তদ্দেশজোপদেশেন পূজ্যঃ পীঠে সুৰো নৰৈঃ॥
ইতোহন্যথা পূজনে ন সম্যক্ ফলমাপ্নুয়াৎ।
মহাবিভৱসম্পূৰ্ণোৰ্বিহিতৈনৈৱ ভৈৰৱ॥ (৬৮।৩৩-৩৭)

যদি আন দেশৰপৰা কামৰূপলৈ কোনোবা সাধক আহে তেনেহ'লে যি দেশৰপৰা পূজক আহে, সেই দেশৰ নিয়ম অনুসাৰে পূজা কৰিব।

১৬ বামাচাৰমাৰ্গৰ সূচনা

কামৰূপ মহাপীঠ এনে সিদ্ধ ক্ষেত্ৰ হৈ উঠিল যে ইয়াত স্নান, দান, দেৱপূজা কৰি সকলো লোকেই স্বৰ্গলৈ যাব ধৰিলে। কেতবোৰে নিৰ্বাণ মুক্তি লাভ কৰে, কেতবোৰ বা শিৱত্ব-প্ৰাপ্ত হয়। ইয়াত যমৰ অধিকাৰ নাইকিয়া হ'ল—

কেচিৎ ভেজুশ্চ নিৰ্ব্বাণং কেচিৎ যান্তি চ শম্ভুতাম্।
ন যমস্তান্ বাৰয়িতুং নেতুং চ নিজমন্দিৰম্।
ক্ষমোঽভূন্নৰশাৰ্দ্দূল শিবাজ্ঞা জাতসাধ্বসা॥ (৮৪।৩)

যমে নিজৰ কৰ্তব্য পালন কৰিব নোৱাৰি ব্ৰহ্মাক গৈ গোচৰ দিলে। ব্ৰহ্মাই যমক লগত লৈ বিষ্ণুলোকলৈ গ'ল। বিষ্ণুৱে যমৰ বাক্য শুনিলে, গ্ৰহণ কৰিলে। ব্ৰহ্মা আৰু যমক লগত লৈ বিষ্ণুৱে শিৱৰ ওচৰলৈ গ'ল। শিৱক গোচৰ দিলে যে কামৰূপ পীঠত মানুহ মাত্ৰেই দেৱত্ব লাভ কৰে। নাইবা অমৰত্ব বা গণত্ব প্ৰাপ্ত হয়। যমৰ ইয়াত অধিকাৰ নাই। যমৰ অধিকাৰ নাথাকিলে মৰ্য্যাদা নাথাকে—যমো নিৰস্তো যত্ৰাস্তি মৰ্য্যাদা ন প্ৰদৃশ্যতে। এতেকে ইয়াৰ প্ৰতিবিধান কৰা হওক।

বিষ্ণুৰ বচন শুনি শিৱে যথাসাধ্য কৰিবলৈ অঙ্গীকাৰ কৰিলে। ব্ৰহ্মা বিষ্ণু যমক বিদায় দি বৃষভত উঠি গণসকলক লগত লৈ কামৰূপৰ ভিতৰলৈ আহিল। দেৱী উগ্ৰতাৰা আৰু গণসকলক আদেশ দিলে—যিমান মানুহ আছে সকলোকে আঁতৰাবলৈ। উগ্ৰতাৰা অপৰাজিতা দেৱী আৰু গণসকলে চতুৰ্বৰ্ণ দ্বিজাতি আদি সকলোকে আঁতৰাই খেদিলে।

বশিষ্ঠ মুনি সন্ধ্যাচলত তপস্যা কৰি আছে। উগ্ৰতাৰা দেৱীয়ে তেওঁকো আঁতৰাবলৈ গণসকলক ধৰাত মুনিয়ে শাপ দিলে—"হে বামা, যিহেতু তুমি মোক খেদিবলৈ ধৰাইছা, এতিয়াৰপৰা তুমি বামাচাৰেৰে পূজা লবা। গণসকলে ম্লেচ্ছৰ দৰে ঘূৰি ফুৰিছে; সিহঁতো ম্লেচ্ছ হওক। যিহেতু স্বয়ং মহাদেৱে মোক খেদাবলৈ উৎসুক, তেৱোঁ ম্লেচ্ছৰ পূজ্য হৈ ভস্ম আৰু হাড় ধাৰণ কৰক। এই কামৰূপ ম্লেচ্ছৰ দ্বাৰা গুপ্ত থাকক, যি পৰ্য্যন্ত স্বয়ং বিষ্ণু এই স্থানলৈ নাহে।" এই শাপ দি বশিষ্ঠই অন্তৰ্দ্ধান কৰিলে।

যস্মাদহং ধৃতো বামে ত্বয়োৎসাৰয়িতুং মুনিঃ।
তস্মাত্বং বাম্যভাবেন পূজ্যা ভব সমন্ত্ৰিকা॥
ভ্ৰমন্তি ম্লেচ্ছবৎ যস্মাদ্ গণানাং মন্দবুদ্ধয়ঃ।
ভবন্তু ম্লেচ্ছাস্তস্মাৎ বৈ ভবন্তঃ কামৰূপকে॥
মহাদেবোঽপি যস্মান্মাং নিঃসাৰয়িতুমুদ্যতঃ।
তপোধনং মুনিং দান্তং ম্লেচ্ছবৎ বেদপাৰগম্॥

তস্মাৎ ম্লেচ্ছপ্রিয়ো ভূয়াৎ শঙ্কৰশ্চাস্থিভস্মধৃক্ ।
এতত্তু কামৰূপাখ্যং ম্লেচ্ছৈগুপ্তং মদৰৰং ।
স্বয়ং বিষ্ণুর্নচায়াতি যাবৎ স্থানমিদং পুনঃ ।
বিৰলাশ্চাগমাঃ সন্তু য এতৎ প্রতিপাদকাঃ ॥ (৮৪।১৯)

মুনিৰ শাপ অনুসাৰে উগ্ৰতাৰা বামা হ'ল। শম্ভু ম্লেচ্ছৰত। আগম শাস্ত্ৰ নোহোৱা হ'ল।

বামাভূদুগ্রতাৰাপি শম্ভুঃ ম্লেচ্ছৰতোঽভবৎ ।
আগমা বিৰলাশ্চাসন্ যে চ মৎপ্রতিপাদকাঃ ॥
বেদমন্ত্ৰবিহীনস্তু চতুৰ্ব্বৰ্ণবিবৰ্জ্জিতম্ ।
কামৰূপং ক্ষণাদ্ভাতং যদ্ যমেনানুসাৰিতম্ ॥ (৮৪।২৮)

মুনিৰ শাপক কাৰ্য্যকৰী কৰিবলৈ ব্ৰহ্মাই উপায় চিন্তা কৰিলে। ব্ৰহ্মাই এনে উপায় বিচাৰ কৰিলে যাতে ভৱিষ্যতে শিৱে শাপমুক্ত হ'লেও তেওঁৰ পীঠস্থানবোৰত দেৱতা-মনুষ্যই বাস কৰিব নোৱাৰে। ব্ৰহ্মাই আটাইবোৰ কুণ্ড আৰু পবিত্ৰ নদীবোৰ গোপন কৰাবৰ মন কৰিলে। সেই উদ্দেশ্যে শান্তনু মুনিৰ ভাৰ্য্যা অমোঘাৰ গৰ্ভত জলৰূপ পবিত্ৰ সন্তান উৎপন্ন কৰি বিষ্ণুৰ অৱতাৰ পৰশুৰামৰ দ্বাৰা অৱতাৰণ কৰালে। যাতে সকলো পীঠৰেই ফলৰ বিষয়ত মানুহৰ মন সমান ভাৱাপন্ন হয়।

অবতাৰয়দব্যগ্রং প্লাবয়ন্ কামৰূপকম্ ।
স তু ব্ৰহ্মসুতো ধীৰঃ প্লাবয়ন্ কুণ্ডসঞ্চয়ান্ ॥
আচ্ছাদ্য সৰ্ব্বতীৰ্থানি ভুবি গুপ্তানি চাকৰোৎ ॥
সৰ্ব্বাঃ নদীঃ সমাপ্লাব্য সৰ্ব্বতীৰ্থানি সৰ্ব্বতঃ ।
লৌহিত্যো ব্ৰহ্মণঃ পুত্ৰো যাতি দক্ষিণসাগৰম্ ॥ (৮৪।৩৩)

তীৰ্থবোৰ বেলেগে জানিবৰ উপায় নাই। মানুহে কেৱল লৌহিত্য বুলি জানি স্নান কৰিলেই লৌহিত্য স্নানৰ ফল পায়। কোনোবাই যদি বেলেগ তীৰ্থৰ বিশেষত্ব জানি ব্ৰহ্মপুত্ৰত স্নান কৰে তেওঁ সেই তীৰ্থৰ ফল পাব।

বশিষ্ঠ শাপাদেতত্তু প্ৰবৃত্তং তীৰ্থগোপনম্ । (৮৪।৩৬)

ওপৰৰ নৰকাসুৰৰ বৃত্তান্ত আৰু বশিষ্ঠৰ দ্বিতীয় শাপৰ ভিতৰত এটি কথাত অমিল দেখা যায়। বশিষ্ঠৰ দ্বিতীয় শাপ অনুসাৰে ব্ৰহ্মপুত্ৰ নৈৰ প্লাৱনত তীৰ্থ গোপন হ'ল। তেনেহ'লে ইয়াৰ আগত ব্ৰহ্মপুত্ৰ নৈ নাছিলনেকি? নৰকাসুৰৰ বৃত্তান্তত দেখা গৈছে যে ৰাজ্যৰ অমঙ্গল হোৱাত ব্ৰহ্মপুত্ৰও অৱতোয়া হ'ল, আৰু নৰকেও ব্ৰহ্মপুত্ৰৰ পাৰত তপস্যা কৰিছিল। (স তীৰে নদৰাজস্য লৌহিতস্য মহাত্মনঃ)। তীৰ্থগোপন বৃত্তান্তও নৰকাসুৰৰ বৃত্তান্তৰ আগেয়ে হ'ব নোৱাৰে। কিয়নো তীৰ্থগোপন বৃত্তান্তত কামৰূপৰ মাহাত্ম্য আছে আৰু দেশৰ নাম কামৰূপ নৰকাসুৰৰ ৰাজত্বৰ লগে লগে হৈছিল।

দ্বিজাতিকো নৰকেহে আনি কামৰূপত বহুৱাইছিল। ইয়াৰপৰা এনেহে অনুমান কৰিব পাৰি যে কোনোবা নৈসৰ্গিক কাৰণত ব্ৰহ্মপুত্ৰৰ গতিৰ লৰচৰ হৈছিল আৰু লগে লগে প্ৰবল বানপানী হৈ বহুত পুৰণি ঠাইৰ চিনচাব নোহোৱা হ'ল। দ্বিজাতি আদিৰ উৎসাৰণৰপৰাও এনে অনুমান হয় যে শৈৱ মন্দিৰ আদিত নানা ব্যভিচাৰ মত চলিছিল। নৰকৰ আখ্যানত পোৱা যায় শৈৱ ধৰ্ম আদিম কিৰাতসকলৰ ধৰ্ম আছিল। নৰকৰ ৰাজত্বৰ আগভাগতো সি গুপ্তভাৱেহে তেওঁৰ ৰাজ্যত চলিছিল। এনে অনুমান কৰিব পাৰি যে শিৱপূজা, বিশেষত: শৈৱাচাৰ আৰ্য্য-ধৰ্মীসকলৰ পক্ষে নিন্দনীয় আছিল। পৰশুৰামৰ ভয়ত আত্মগোপন কৰি কেতবোৰ ক্ষত্ৰিয়ই ম্লেচ্ছৰ ভেশ ধাৰণ কৰি জল্পীশ শিৱত আশ্ৰয় লৈছিল আৰু নিজৰ আৰ্য্যভাষা গোপন কৰি ম্লেচ্ছ ভাৱাৰে মাত-বচন কৰিছিল। জল্পীশ শিৱকো তেওঁলোকে গোপনে ৰাখিছিল। ইয়াৰপৰা অনুমান হয় যে শিৱ-পূজা গোপনেহে চলিছিল আৰু ই ম্লেচ্ছসকলৰ ভিতৰত আবদ্ধ আছিল—

> জামদগ্ন্যভয়াদ্ভীতাঃ ক্ষত্ৰিয়া পূৰ্ব্বমেৱ যে।
> ম্লেচ্ছচ্ছদ্মসমুপাদায় জল্পীশং শৰণং গতাঃ॥
> তে ম্লেচ্ছবাচঃ সততমাৰ্য্যবাচশ্চ সৰ্ব্বদা।
> জল্পীশং সেবমানাস্তে গোপয়ন্তি চ তং হৰম্॥ (৮০।৫৫-৫৬)

ব্ৰহ্মায়ো কেৱল বশিষ্ঠৰ শাপতেই সন্তুষ্ট নহৈ ভৱিষ্যতে বিষ্ণু আহিলেও আৰু পীঠবোৰ শাপমুক্ত হ'লেও যাতে মন্দিৰবোৰত মানুহ থাকিব নোৱাৰে, তেনে ব্যৱস্থা কৰিলে।

> আগতেঽপি হৰৌ মুক্তে শাপাৎ পীঠে ফলপ্ৰদে।
> যথা ন সম্যক্ স্থাস্যন্তি তৎপীঠে দেৱমানুষাঃ॥
> গুপ্তয়ে সৰ্ব্বকুণ্ডানাং ব্ৰহ্মোপায়ং তথাকৰোৎ। (৮৪।২৮-২৯)

'কালিকা-পুৰাণ'ৰ প্ৰধান লক্ষ্য শিৱৰ প্ৰাধান্য খৰ্ব কৰা আৰু দেৱী পূজাৰ মাহাত্ম্য বঢ়োৱা। বশিষ্ঠৰ দ্বাৰা শৈৱ-সঙ্গী নৰকৰ প্ৰতি শাপ আৰু ব্ৰহ্মাৰ দ্বাৰা শৈৱ-পীঠ গোপনৰ প্ৰচেষ্টা একে ভাৱৰেই অভিব্যক্তি।

১৭ বশিষ্ঠৰ অৱতাৰণা

পুৰণি অসমৰ ধৰ্ম আৰু ঐতিহাসিক সাহিত্যত বশিষ্ঠৰ মূৰ্তিয়েই ৰং-বেৰঙৰ ৰহণ সানিছে। বশিষ্ঠৰ শাও অনুসাৰে নৰকৰ মৃত্যু ঘটিল, বশিষ্ঠৰ দ্বিতীয় শাও অনুসাৰে কামৰূপ ৰাজ্যত বামাচাৰ মাৰ্গৰ প্ৰৱৰ্তন হ'ল, ইন্দ্ৰৰ প্ৰতি বশিষ্ঠৰ শাও অনুসাৰে ইন্দ্ৰবংশী আহোম ৰাজকুলৰ ৰাজ্য লাভ হ'ল, ইত্যাদি।

আন আন পৌৰাণিক বা তান্ত্ৰিক ঐতিহ্যৰ দৰে বশিষ্ঠৰ অৱতাৰণাও গুটিৰপৰা ওলোৱা গছৰ ঠাল-ঠেঙুলি মাথোন। বশিষ্ঠ-ঐতিহ্যৰ মূল 'ব্ৰহ্ম-যামল' আৰু 'ৰুদ্ৰ-যামল-তন্ত্ৰ'।

ব্ৰহ্মাৰ পুত্ৰ বশিষ্ঠ মুনিয়ে বাপেকৰপৰা মন্ত্ৰ এটি লৈ বহুদিন কঠোৰ তপস্যা কৰি জপ কৰি আছে। কোনো ফলোদয় নোহোৱাত বশিষ্ঠই বাপেকত আন এটি মন্ত্ৰ খুজিলে। ব্ৰহ্মাই তেতিয়া অথৰ্ববেদৰ শাখা অনুসাৰে বুদ্ধেশ্বৰী দেৱীক যোগমাৰ্গৰ সহায়েৰে আৰু কিছুদিন সাধনা কৰিবলৈ ক'লে। 'ৰুদ্ৰ-যামল'ৰ মতে বশিষ্ঠ সাগৰৰ পাৰলৈ গ'ল আৰু 'ব্ৰহ্ম-যামল'ৰ মতে কামাখ্যা পৰ্বতলৈ আহিল আৰু যোগমাৰ্গৰ সহায়েৰে কঠোৰ তপস্যা কৰিলে। বহুদিনৰ মূৰত কোনো সিদ্ধি নঘটাত বশিষ্ঠই খঙৰ আৱেগত দেৱীক শাপ দিলে। দেৱীয়ে তেতিয়া সমুখত আৱিৰ্ভূত হৈ ক'লে যে বশিষ্ঠই ভুল পথ অৱলম্বন কৰিছে। দেৱীয়ে ক'লে যে তেওঁৰ পূজা-পদ্ধতি বেদৰ অজানিত। তেওঁৰ পূজাৰ ক্ৰম কেৱল মহাচীনত (চীন দেশত) হে জনাজাত। তাত বৌদ্ধ আচাৰ চলে। তালৈ গৈ বিষ্ণুৰ অৱতাৰ বুদ্ধৰপৰা যদি তেওঁ উপদেশ লয়, তেন্তে তেওঁ সফল হ'ব। দেৱীৰ আদেশ অনুসাৰে বশিষ্ঠ চীন দেশলৈ গ'ল। তাত গৈ দেখি আচৰিত হ'ল যে স্বয়ং বুদ্ধদেৱ তিৰোতাৰ সঙ্গত মদ খোৱাত বিভোৰ।

ততো মুনিবৰঃ শ্ৰুত্বা মহাবিদ্যাং সৰস্বতীম্।
জগাম চীনভূমৌ চ যত্ৰ বুদ্ধঃ প্ৰতিষ্ঠিতঃ॥

* *

তৱাচাৰং সমালোক্য ভয়ানি সন্তি মে হৃদি॥
তন্নাশয় মম ক্ষিপ্ৰং দুৰ্বুদ্ধিং বেদগামিনীম্।
কথমেতৎ প্ৰকাৰং চ মদ্যং মাংসং তথাঙ্গনাম্॥
সৰ্ব্বে দিগম্বৰাঃ সিদ্ধাঃ ৰক্তপানোদ্যতাঃ বৰাঃ।
মুহুৰ্মুহুঃ প্ৰপিবন্তি ৰময়ন্তি বৰাঙ্গণাম্॥ (ৰুদ্ৰ-যামল)

বশিষ্ঠই এইবোৰ বেদবাহ্য প্ৰক্ৰিয়া দেখি উভতি আহিবৰ মন কৰিলে। এনেতে দৈৱবাণী হ'ল যে তেওঁ এইদৰে ভবাটো অনুচিত।

ইতি চিন্তয়তস্তস্য বশিষ্ঠস্য মহাত্মনঃ।
আকাশবাণী প্ৰাহাশু মৈবং চিন্তয় শুব্ৰত॥ (ব্ৰহ্ম-যামল)

তেতিয়া বশিষ্ঠই বুদ্ধদেৱৰপৰা পঞ্চমকাৰ সাধনাৰ প্ৰক্ৰিয়া শিকি লৈ সিদ্ধি লাভ কৰিলে।

মদ্যং মাংসং তথা মৎস্যং মুদ্ৰা মৈথুনমেব চ।
পুনঃ পুনঃ সাধয়িত্বা পূৰ্ণযোগী বভুব সঃ॥ (ৰুদ্ৰ-যামল)

(R. Chandra : *Indo-Aryan Races*, 1916; pp. 141-142. B. Bhattacharya : *Sadhanamala*, 1428 Vol. II. pp. CXL. CXL 1.)

'তাৰাতন্ত্ৰ' অনুসাৰে বশিষ্ঠই তাৰামন্ত্ৰ জপ কৰিছিল।

'ব্ৰহ্ম-যামল'ৰ উক্তিয়েই বশিষ্ঠৰ কামৰূপলৈ অহাৰ আৰু দেৱীৰ প্ৰতি শাও দিয়াৰ ঐতিহ্যৰ মূল ৰূপটি যেন লাগে। 'মঞ্জুশ্ৰী-মূল-কল্প' নামে ঐতিহাসিক মহাযানী বৌদ্ধ গ্ৰন্থমতে কামৰূপ তাৰা-মন্ত্ৰ-সাধনৰ প্ৰশস্ত ক্ষেত্ৰ।

সিধ্যতে চ তদা (তথা) তাৰা যক্ষৰাট্ চৈৰ মহাবলঃ।
হৰিকেলে কৰ্ম্মৰঙ্গে চ কামৰূপে কলাশাহ্বয়ে॥ (৯০০)

"হৰিকেল, কৰ্মৰঙ্গ, কামৰূপ আৰু কলশ নামক দেশত তাৰামন্ত্ৰ আৰু যক্ষৰাট্ মন্ত্ৰ সিদ্ধ হয়।"

'যোগিনী-তন্ত্ৰ'তো বশিষ্ঠই নীলাচল (কামাখ্যা) পৰ্বতত তাৰাদেৱীক আৰাধনা কৰিছিল বুলি আছে। "তাৰামাৰাধয়ামাস তদা নীলাচলে মুনিঃ।" (১।১২।১৫)

'কালিকা-পুৰাণ'ৰ বিবৰণ আন প্ৰকাৰ। 'যোগিনী-তন্ত্ৰ' মতে কামাখ্যাক শাও দি বশিষ্ঠ খাণ্ডৱগিৰিলৈ গ'ল। 'কালিকা-পুৰাণ' মতে বশিষ্ঠই সন্ধ্যাচললৈ গৈ শিৱৰ আৰাধনা কৰি আছিল।

এই যে বশিষ্ঠৰ এবাৰ অৱতাৰণা হ'ল, পুৰণি কামৰূপৰ ঐতিহ্যত তেওঁ চিকুট মাৰি থাকিল। তেওঁৰ দ্বিতীয় শাও অনুসাৰে বামাচাৰ মাৰ্গৰ চলতি হ'ল।

অসম বুৰঞ্জী মতে "সৌমাৰ পীঠৰ পূৰ্বদেশত বিহগাদ্ৰি নামে পৰ্বতৰ গহ্বৰত বশিষ্ঠ আছিল। ইন্দ্ৰ দেৱতাই শচী আদি স্ত্ৰী সকলোৰে সহিতে ক্ৰীড়া কৰি তেওঁৰ থান অশুচি কৰিলত বশিষ্ঠই ইন্দ্ৰক উদ্দেশ্য কৰি শাও দিলে—'তোৰ অন্ত্যজ স্ত্ৰীত সঙ্গম হোক।' ইন্দ্ৰই দৈত্যৰূপ মনুষ্য হ'ল। আৰু দৈত্যৰ স্ত্ৰী এটিৰে সৈতে তেওঁৰ সঙ্গম হ'ল। ইন্দ্ৰই স্ত্ৰীজনীৰ প্ৰতি বৰ দিলে—'তোমাৰ গৰ্ভত যি এক পুত্ৰ হ'ব, সি ৰজা হ'ব।'" এয়ে ইন্দ্ৰবংশী ৰজাসকলৰ আঁতিগুৰি।

ইন্দ্ৰৰ প্ৰতি বশিষ্ঠৰ দোচোৰা বিবৰণো আছে। সি অসম বুৰঞ্জীত আছে। ইয়াত উল্লেখ নিষ্প্ৰয়োজন।

পুৰণি অসমৰ সামাজিক আৰু ৰাষ্ট্ৰীয় জীৱনৰ সন্ধিস্থলত বশিষ্ঠৰ মূৰ্তিয়ে ভাগ্য-পৰিবৰ্তনত অধিষ্ঠাতা দেৱতাৰ কাম কৰিছিল।

এইটো মন কৰিবলগীয়া যে "বশিষ্ঠ" শব্দটো ব্যক্তিবাচক শব্দ নহয়—ই বংশ বা গোত্ৰবাচক। এনেও হ'ব পাৰে যে কোনোবা বশিষ্ঠ-গোত্ৰীয় ব্ৰাহ্মণ তন্ত্ৰ-সাধনাৰ বাবে কামৰূপৰ ফালে আহিছিল।

১৮ কৈৱাত ধৰ্ম

সৰ্ব্বেষাং যোগিনীপীঠে ধৰ্ম্মঃ কৈৱাতজঃ মতঃ। (২।৯।৯)

বশিষ্ঠৰ দ্বিতীয় শাপৰ পিছত ধৰ্মৰ স্বৰূপ কেনে হৈ পৰিল তাৰ বৰ্ণনা 'কালিকা-পুৰাণ'ত নাই। কিন্তু 'কালিকা-পুৰাণ'ৰ বহুত পিছৰ ৰচনাৰ 'যোগিনী-তন্ত্ৰ'ত সমসাময়িক কামৰূপৰ তীৰ্থক্ষেত্ৰবোৰৰ

ভৌগোলিক স্থিতি আৰু আচাৰ ধৰ্মৰ হুবহু চিত্ৰ এটি আছে। তলত দিয়া আচাৰ পদ্ধতিৰ বিশ্লেষণবোৰৰপৰা তেতিয়া চলিত ধৰ্মৰ বিষয়ে কিছু ধাৰণা কৰিব পৰা যাব।

'যোগিনী-তন্ত্ৰ'ত কামৰূপৰ আটাইবোৰ তীৰ্থকেই ন শ্ৰেণীত ভাগ কৰা হৈছে। প্ৰত্যেক শ্ৰেণীকেই 'যোনি' বোলা হয়; যেনে—উপবীথি, বীথি, উপপীঠ, পীঠ, সিদ্ধপীঠ, মহাপীঠ, ব্ৰহ্মপীঠ, বিষ্ণুপীঠ, ৰুদ্ৰপীঠ (নবয়োনিৰিতি খ্যাতা সৰ্বদিক্ষু সমন্ততঃ—১৷১১৷২৪)। সেইদৰে সমস্ত কামৰূপ দেশখনকেই আকৌ বৰ্তমান জিলাৰ সমভাৱত বেলেগ বেলেগ পীঠত ভাগ কৰা হৈছে। যেনে—কামৰূপ, সৌমাৰ, নাথবৃক্ষ, শ্ৰীপীঠ, কোলপীঠ, চৌহাৰ, বৰ্ণপীঠ, মণিপীঠ ইত্যাদি।

কামৰূপ ৰাজ্যত যিমান মানুহ আছে সকলো দেৱতা স্বৰূপ (১৷১১৷২৩) আৰু ইয়াত য'ত যি পানী আছে সকলো তীৰ্থ স্বৰূপ (১৷১১৷২৪)। কামৰূপ স্বয়ং দেৱীক্ষেত্ৰ; ইয়াৰ সমান কোনো ঠাই হ'ব নোৱাৰে। অন্য দেশত দেৱীয়েই বিৰল, কিন্তু কামৰূপৰ ঘৰে ঘৰে দেৱী অৰ্থাৎ কামৰূপৰ তিৰোতা মাত্ৰেই দেৱীস্বৰূপিনী—কামৰূপং দেৱীক্ষেত্ৰং কুত্ৰাপি তৎ সমং ন চ। অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে॥ (২৷৬৷১৫০)। কামৰূপৰ জল, থল সকলো ঠাইৰ পূজাতেই সমান ফল—জলে স্থলে কামৰূপে পূজনাচ্চ সমং ফলম্। (২৷৬৷১৪৯)

কামৰূপৰ ধৰ্ম কৈৰাতজ (কিৰাত বা পৰ্বতীয়া জাতিৰ আচাৰৰপৰা সম্ভূত)। কামৰূপত সন্ন্যাস বিধি বা কোনো দীৰ্ঘ ব্ৰতৰো ব্যৱস্থা নাই। ইয়াত মাছ, মাংস ত্যাগ কৰাৰ বিধি আৰু ব্ৰহ্মচৰ্য্য মতো নাই। ইয়াত হাঁহ, পাৰ, কাছ, গাহৰি খাব পাৰি। এৰিলে দুৰ্গতি হয়। সেই কাৰণে ইয়াত সংসৰ্গ-দোষ (জাতিবৰ্ণ নিৰ্বিশেষে মিলা-মিশা কৰাত দোষ) নাই। স্ত্ৰীধৰ্মও (স্ত্ৰীধৰ্ম=ঋতু। অৰ্থাৎ ঋতু কালত সঙ্গম কৰিব লাগে) ধৰ্ম বুলি মানি ল'ব লাগে (কিয়নো ইয়াত ব্ৰহ্মচৰ্য্য সিদ্ধ নহয়)। ইয়াৰ তিৰোতাবোৰে সদায় তামোল খায়। সিহঁতৰ দাঁত বগা নহয়। (তিৰোতাৰ দাঁত ক'লা কৰা ব্যৱস্থা জাপান দেশতো আছে।) তাক সদাচাৰ বুলি ধৰি লোৱা হয়।

> সৰ্ব্বেশি যোগিনীপীঠে ধৰ্ম্ম কৈৰাতজঃ মতঃ ॥
> কামৰূপে ন সন্ন্যাস্তথা দীৰ্ঘব্ৰতং প্ৰিয়ে।
> ন ত্যজেৎ সামিষং দেৱী ব্ৰহ্মচৰ্য্যমতং ন চ ॥
> সংসৰ্গাৎ পাতকং নৈৱ স্ত্ৰীধৰ্ম্মে ধৰ্ম্মমাশ্ৰয়েৎ।
> ন শুক্লদশনং স্ত্ৰীণাং তাম্বুলাশা সদা ভবেৎ ॥
> হংস পাৰাবতং ভক্ষ্যং কূৰ্ম্মবৰাহমেৱ চ।
> কামৰূপে পৰিত্যাগাদ্ দুৰ্গতিস্তত্ৰ সম্ভবেৎ ॥ (২৷৯৷১৩)

সৌমাৰত (উজনি অঞ্চলত) মানুহবোৰ হীনাচাৰী, সৰ্ববিক্ৰয়ী (সকলোকে বেচে) আৰু সৰ্বাশী (সকলোকে খায়)। তাৰ তিৰোতাবোৰ সদায় সন্তুষ্ট আৰু বৰ পুণ্যবান—

হীনাচাৰস্তু সৌমাৰে সৰ্ব্বাশী সৰ্ব্ববিক্রয়ী।
তত্ৰ নাৰী সদা তুষ্টা তত্ৰ ৰাজা সুপুণ্যবান্॥ (২।৯।১৭)

কোৰ-পীঠত স্বজাতিৰ দ্বাৰা প্ৰবৰ্ত্তিত ধৰ্ম চলে। ধৰ্মাধৰ্ম নিজেই নিজমতে নিৰূপণ কৰে—

কোৰপীঠে জাতিধৰ্ম্মান্ স্বজাত্যুক্তেন বৰ্ত্তয়েৎ।
ধৰ্ম্মাধৰ্ম্মবিচাৰেণ স্বৰূপং স্বনিৰূপণম্॥ (২।৯।১৮)

কণ্ঠভূষণ নামে এজন বামুণৰ ল'ৰাই (ৰাম ৰাম গুৰুৰ জোঁৱাই) কাশীলৈ বেদান্ত পঢ়িবলৈ গৈছিল। তাত তেওঁক মাছখোৱা কামৰূপী বিপ্ৰ বুলি লগৰ ছাত্ৰসকলে ঘিণাইছিল।—

অনেক পঢ়ুৱা সেহি থানত থাকয়।
কণ্ঠভূষণক তাৰা সবে নোছোৱয়॥
কামৰূপী বিপ্ৰ এন্তে মৎস্যক ভুঞ্জয়।
এহি বুলি ছুইলে স্নান তেখনে কৰয়॥

* * *

শুনি গুৰু বুলিলন্ত ছাত্ৰ সমস্তক।

* * *

যত্ৰ দেশে যদাচাৰ শাস্ত্ৰৰ নিৰ্ণয়।
তোৰাসবে নিন্দিবাক উচিত নহয়॥

(ৰামানন্দ দ্বিজ: গুৰু-চৰিত)

শ্ৰীহট্টত পান-বৈপুল্য অৰ্থাৎ মদ্যাদি পানৰ বহুলতা নাই আৰু ভাত কিনা-বেচা নহয়—

শ্ৰীহট্টে পানবৈপুল্যং ন চান্নস্য পবিক্ৰয়ঃ। (২।৯।১৯)

কোনো দেশৰ কোনো আচাৰ ব্যৱহাৰেই নিন্দনীয় নহয়। যি দেশৰ যি ধৰ্ম বা আচাৰ তাক লঙ্ঘন কৰিব নালাগে। পান-ধৰ্ম (মদ্যাদি খোৱা ব্যৱহাৰো) লঙ্ঘন কৰিব নালাগে।

ন লঙ্ঘয়েৎ পানধৰ্ম্মং দেশধৰ্ম্মং ন লঙ্ঘয়েৎ।
যস্মিন্ পীঠে য আচাৰঃ স আচাৰো বিধিস্মৃতঃ॥ (২।৯।১৯)

যি পীঠত যি আচাৰ সেই পীঠত সেই আচাৰেই বিধিসিদ্ধ, যেনে উৰিষ্যাৰ জগন্নাথ ক্ষেত্ৰত ভাতৰ ছুৱা-ভাল নাই। বামুণ তাত বৰণীয় নহয়। তাত অস্পৃশ্য বা যোনিদোষ নাই অৰ্থাৎ যাকে তাকে ছুব পাবি বা যি কোনো তিৰোতাৰ লগত সংসৰ্গ কৰিব পাবি। তাত বিবাহব্যত্যয় অৰ্থাৎ ডাঙৰজন অবিবাহিত থাকোঁতে সৰু ভায়েকেই বিয়া কৰিব পাৰে। সেইদৰে তিৰোতা মাত্ৰৰ লগতেই শোৱা বা অৱস্থান দূষণীয় নহয়।

ওড্ৰে পুৰুষোত্তমক্ষেত্ৰে পীঠে চ ৰৰবৰ্ণিনি।
অন্নং ন দূষয়েত্তত্ৰ ব্ৰাহ্মণেন ন চ বৃত্যতা॥

স্পৃষ্টাস্পৃষ্টো যোনিদোষঃ পানদোষো ন গণ্যতে।
বিবাহব্যত্যয়স্তত্র পৰিবৰ্জ্জিৰ্ন দূষ্যতি ॥
শয়নৈশ্চৈৱ শেষে তু স্ত্ৰীজনৈঃ সহ সংস্থিতিঃ। (২।৯।১০-১১)

সেইদৰে জালন্ধৰ-পীঠত আকৌ মাছ, মাংস, ভৰিৰ জোতা, খৰম আদি পিন্ধা আৰু বগা ঘোল নিন্দনীয় বুলি ধৰা হয়—

জালন্ধৰে মহেশানি দূষয়েন্মৎস্যমাংসকম্।
পাদুকায়াং বিশুদ্ধিশ্চ শুভ্রং তক্রঞ্চ গৰ্হিতং ॥ (২।৯।১২)

এই সাধাৰণ ভূমিকাৰ পিছত 'যোগিনী-তন্ত্ৰ'ৰ গ্ৰন্থকাৰে কামৰূপত প্ৰচলিত সকলো আচাৰ-বিধি, তীৰ্থ আৰু শাস্ত্ৰীয় মতামতৰ বৰ্ণনা কৰিছে। বজ্ৰযানী বৌদ্ধৰ শূন্যবাদৰপৰা আৰম্ভ কৰি কিৰাতৰ ক্ৰূৰ বলি-বিধান একো বাদ পৰা নাই। মনত ৰাখিবলগীয়া যে গ্ৰন্থত শিৱে পাৰ্বতীৰ আগত তন্ত্ৰ ধৰ্ম ব্যাখ্যা কৰিছে—

তন্ত্ৰ-শাস্ত্ৰত গুৰু স্বয়ং দেৱতাৰ স্বৰূপ। গুৰুক শূন্যৰূপী বুলি কল্পনা কৰা হৈছে—

শূন্যৰূপং হি ক্ৰীড়াৰ্থং ভৰ্ত্তাৰং পৰ্য্যকল্পয়ৎ (১।১০।৪৯)। মহাকালং মহাদেবং শূন্যৰূপং জগদ্‌গুৰুং (১।৯।৪৬)। গুৰুৰ্বৈ শূন্যৰূপভাক্ (১।১৯।৪৭)। শূন্যৰূপী গুৰুঃ স্বয়ম্ (১।১৯।৫১)। কৃপাবতাৰং খলু শূন্যৰূপম্ (১।১৯।৫৮) ইত্যাদি।

তাৰ পিছত নানান তান্ত্ৰিক সাধন বিদ্যা আৰু দিব্যযোগ, বীৰযোগ আদি প্ৰক্ৰিয়াৰ বৰ্ণনা আছে। যেনে—শয্যাসাধন (১।৫।২); ত্ৰিবাট, চতুৰ্বাট সাধন (১।৫।১৬); মুণ্ডসাধন (১।৫।৫১); স্বপ্নাবতী বিদ্যা (১।৭।৮); মধুমতী বিদ্যা (১।৭।১৫); পদ্মাবতী বিদ্যা (১।৭।২২); বশীকৰণ বিদ্যা (১।৭।২৭) ইত্যাদি। সেইদৰে দিব্যযোগ, বীৰযোগ আদি ৰহস্যময় প্ৰক্ৰিয়াবোৰৰ ব্যৱস্থাও আছে। (১।৬।৭, ১৯, ৪৪)

ইয়াৰ উদাহৰণ স্বৰূপে দুই-এটি সাধনৰ সংক্ষেপ বিবৰণ দিয়া হ'ল। মুণ্ড-সাধনৰ প্ৰক্ৰিয়া এনেকুৱা—মানুহৰ মূৰ, মেকুৰীৰ মূৰ, ম'হৰ মূৰ, এই তিনিওটা মূৰ বা তিনিটা মানুহৰ মূৰ লগ লগালে ত্ৰিমুণ্ডী হয়। সেইদৰে শগুণৰ মূৰ, সাপৰ মূৰ, কুকুৰৰ মূৰ, গৰুৰ মূৰ আৰু মানুহৰ মূৰ নাইবা পাঁচোটা মানুহৰ মূৰ লগ লগালে পঞ্চমুণ্ডী হয়। এই মূৰবোৰ মাটিত গাঁত খানি পুতিব লাগে। তাৰ ওপৰত নিৰ্দিষ্ট পৰিমাণ বেদী সাজিব লাগে। বিধি অনুসাৰে ভূতনাথৰ পূজা কৰি বলি দিব লাগে। সাধকে কামনা অনুসাৰে বৰ মাগিব পাৰে।

সাধনৰ ঠাই শূন্য ঘৰ, নদীৰ তীৰ, পৰ্বত, চাৰি আলিৰ সংযোগ ঠাই, বেল গছৰ তল, শ্মশান বা নিৰ্জন ঠাই। তান্ত্ৰিক ষট্‌কৰ্মৰ ভিতৰত শান্তি, বশীকৰণ, স্তম্ভন, বিদ্বেষ, মাৰণ, উচ্চাটন প্ৰক্ৰিয়া (১।৪।৩)। তাৰ ভিতৰত মাৰণ কৰ্ম মৰা শৱ ওপৰত আৰু অভাৱে শ্মশানত কৰিব লাগে (১।৪।৭)।

কালিকা-পূজাৰ বাবে শ্মশানভূমিক শ্ৰেষ্ঠ ঠাই নাই। কালিকায়াঃ শ্মশানাদ্ধি নাস্তং স্থানং প্ৰশস্ততে (১।১১।৮)। পূজাৰ সময়ত সম্পূৰ্ণ নাঙঠ হ'ব লাগে। নোৱাৰিলে বাঘৰ ছাল বা বঙা পাটৰ কাপোৰ পিন্ধিব লাগে। মদ, মাংস আৰু মাছেৰে অগ্নিত হোম কৰিব লাগে। মহাপ্ৰয়োগত (মন্ত্ৰৰ সিদ্ধিৰ সময়ত) ক'লা ছাগলী বলি দিব লাগে।

১৯ তীৰ্থাচাৰ

'যোগিনী-তন্ত্ৰ'ৰ প্ৰথম খণ্ডত সাধনাৰ নানা মাৰ্গৰ সন্ধান দি উত্তৰ খণ্ডত কামৰূপ ৰাজ্যৰ প্ৰায় ১৬০টি মুখ্য তীৰ্থৰ উল্লেখ কৰিছে। কোন তীৰ্থত কি ব্ৰত কৰিলে কি ফল লাভ হয় ইত্যাদিৰ সবিশেষ বিবৰণ আছে। উদাহৰণ স্বৰূপে দুই-চাৰিটাৰ প্ৰক্ৰিয়া তলত দিয়া হ'ল।

অশ্বতীৰ্থত পিতৃ-শ্ৰাদ্ধ প্ৰশস্ত। যিবোৰে মাছ, মাংস নাখায় সেইবোৰে নিৰামিষ শ্ৰাদ্ধ কৰিব পাৰে। সামিষসকলে দুই ৰকমে শ্ৰাদ্ধ কৰিব পাৰে। আম শ্ৰাদ্ধত (কেঁচা শ্ৰাদ্ধত) কেঁচা মাংস দিব লাগে আৰু পকা শ্ৰাদ্ধত সিদ্ধ মাংস দিব লাগে। কিহৰ কিহৰ মাংস শ্ৰাদ্ধত লগোৱা বিধি তাৰো উল্লেখ আছে।

মহিষং বৃহদাজ্যঞ্চ ঐনং বা চামৰং তথা।
গৌধং কূৰ্ম্মঞ্চ শাৰঞ্চ শাশকং সৌকৰং তথা॥
বাৰাহং চ তথা মৈষং শ্ৰাদ্ধে দেয়ানি সৰ্ব্বশঃ॥
ন কলৌ তু গবাং মাংসং সাৰমেয়ঞ্চ তত্বতঃ।
হীনেন্দ্ৰিয়ং ছাগলঞ্চ ন বৃষ্যং তঞ্চ বৰ্জ্জয়েৎ॥ (২।৫।২৫৭-৮)

কলিত বাজে আন যুগত গোমাংস আৰু কুকুৰৰ মাংস দিব পাৰি।

মুক্তিতীৰ্থ নামে এটি তীৰ্থত স্বামীৰ লগত বামুনীসকলে সহমৰণ কৰিব পাৰে। সেই তীৰ্থত স্বামীৰ লগতে একে চিতাতে উঠি সংস্কাৰ ল'ব পাৰে। মুক্তিতীৰ্থত বাজে আন ঠাইত বামুনীয়ে কাঁচ লাগি মৰা, পানীত ডুবি মৰা, বাঘী হোৱা, ক্ষয় বা কুষ্ঠ ৰোগত মৰা শৱ অনুগমন কৰিব নোৱাৰে।

বহু-পুত্ৰৱতী, ৰজস্বলা, পতিতা, গৰ্ভৱতী আৰু অসতী তিৰোতাৰ পক্ষে সহমৰণ নিষিদ্ধ। কিন্তু শ এদিন ৰাখি যদি অনুগমন কৰিব পাৰে, তেনেহ'লে নিষিদ্ধ নহয়। (২।৫।৩০২-৪)

স্বামীৰ বিদেশত মৰণ ঘটিলে তেওঁৰ যি বস্ত্ৰ-বস্তু ওচৰত থাকে, সেই বস্তু বুকুত লৈ অনুগমন কৰা ব্যৱস্থা ক্ষত্ৰিয় আদি তিনি বৰ্ণৰ পক্ষে আছে (২।৫।৩০৭)। শূদ্ৰ আৰু বৈষ্ণৱ তিৰোতাই অত্যন্ত প্ৰেমৰ দ্বাৰা উত্তেজিত হৈ অনুগমন কৰিব পাৰে।

ভাবানুৰঞ্জিতা বাথ সতী শূদ্ৰা ভবেৎ ক্বচিৎ।
তস্যানুমৰণং কুৰ্য্যাৎ বৈশ্যস্য চ বিধিস্মৃতঃ॥ (২।৫।৩০৮)

অশ্বক্ৰান্ত তীৰ্থত প্ৰায়োপবেশনত (লঘোন দি) মৃত্যু ঘটিলে স্বৰ্গলোক প্ৰাপ্তি হয়। (২।৩।৪৭)

কুমাৰীং ভজয়েত্তত্ৰ জাগৰং কাৰয়েন্নিশি।
মাহাত্ম্যঞ্চ মহাদেব্যা গীতিকাশ্চাপি কায়য়েৎ॥
ধ্যায়ন্ স্তবন্ পৰাং দেবীং প্ৰেৰয়েদ্ৰজনীং বুধঃ।
মাসি মাসি তথাষ্টম্যাং চতুৰ্দ্দশ্যাং বিশেষতঃ।

মুক্তিমণ্ডপিক তীৰ্থত (২।৭।২২১) কুমাৰী ভোজন কৰালে মহা পুণ্য হয়।

২০ সৰ্বতীৰ্থ-সমন্বয়

'যোগিনী-তন্ত্ৰ'ত যিমানবোৰ তীৰ্থৰ নাম আছে, তাৰ সৰহ ভাগৰেই নাম ভাৰতৰ আন আন ঠাইৰ তীৰ্থৰ নামৰ লগত মিলে। সেই কাৰণে বহুত সময়ত সন্দেহ হ'ব খোজে গ্ৰন্থকাৰে অসমৰ তীৰ্থৰ কথা কৈছে নে ভাৰতৰ আন আন ঠাইৰ তীৰ্থৰ কথা কৈছে। কিন্তু পাৰিপাৰ্শ্বিকতাক লক্ষ্য কৰিলে বুজা যায় সেইবোৰ অসমৰেই তীৰ্থ। নাম সৰ্বভাৰতীয়। যেনে—গঙ্গা, নৰ্মদা, চন্দ্ৰভাগা আদি অসমৰ নৈ। কামাখ্যাৰপৰা যি ধাৰা ওলাইছে, তাৰ নাম গঙ্গা।

পাণ্ডুনাথৰপৰা ওলোৱা ধাৰা নৰ্মদা।
ব্যাসকুণ্ডৰপৰা ওলোৱা ধাৰা চন্দ্ৰভাগা॥—ইত্যাদি। (২।৫।৫৮-৬৭)

কামৰূপৰ প্ৰধান প্ৰধান পুৰুষ দেৱতাৰ ক্ষেত্ৰ মাত্ৰেই শিৱৰ ক্ষেত্ৰ। শিৱ বা বিষ্ণু বুলি ভেদভাৱ নাই। যেনে—নীলাচলত কামেশ, ভস্মাচলত ভয়ানন্দ, চন্দ্ৰকূটত মাধৱ, মঙ্গলাত ত্ৰ্যম্বক্, অশ্বক্ৰান্তত জনাৰ্দন, গোদান্তত জটাধৰ, ধবলাত পিনাকী, উৰ্বশীত মধুসূদন।

'যোগিনী-তন্ত্ৰ'ত বিষ্ণুক জনাৰ্দন বুলি নিৰ্দেশ কৰা হৈছে। জনাৰ্দনক্ষেত্ৰ মাথোন তিনিটা বুলি উল্লেখ আছে—(১) অশ্বক্ৰান্তত কল্কিৰূপী জনাৰ্দন (২।৩।৩০); (২) নন্দন পৰ্বতৰ পশ্চিমে বৌদ্ধ জনাৰ্দন (২।৫।২২১); হাজোত (অপুনৰ্ভব ক্ষেত্ৰত) হয়গ্ৰীৱ জনাৰ্দন (২।৯।৩২)। কালী, তাৰা, বাজা আৰু গুৰুৰ ঐক্যভাৱ।

কালিতাৰা তথা ছিন্না গুৰুৰ্বৈ ভূপতিস্তথা।
একৰূপেণ বোদ্ধব্যা ভেদেন নৰকং ব্ৰজেৎ॥ (১।২।১৫)
যা কালী পৰমা বিদ্যা সৈব তাৰা ন সংশয়ঃ। (১।২।১৮)
—কামাখ্যা কা বদস্ব মে।
যা কালী পৰমা বিদ্যা ব্ৰহ্মৰূপা সনাতনী।
কামাখ্যা সৈব দেবেশি সৰ্ব্বসিদ্ধিবিনোদিনী॥ (১।১৫।২)

২১ বলি-বিধান

'কালিকা-পুৰাণ'ৰ বলি বিধান (৭১ অধ্যায়) ত কোন কোন জীৱ-জন্তুৰ বলি হ'ব পাৰে, তাৰ বিস্তৃত বিবৰণ আছে। প্ৰায় সকলোবোৰ পশু-পক্ষীয়েই বলিৰ উপযোগিতাৰ ভিতৰত পৰে। যেনে—সকলো চৰাই, কাছ, গ্ৰাহ, (ঘৰিয়াল, কুম্ভীৰ আদি), মাছ, নবিধ হৰিণা, ম'হ, গুঁইসাপ, ছাগলী, রুরু নামক পহু, গাহৰি, গঁড়, কৃষ্ণসাৰ পহু, বাঘ, সিংহ, শৰভ, মানুহ, নিজৰ গাৰ তেজ।

পক্ষিণঃ কচ্ছপা গ্ৰাহা মৎস্য নববিধা মৃগাঃ।
মহিষো গোধিকা গাবশ্ছাগো রুরুশ্চ শূকৰঃ॥
খড়্গশ্চ কৃষ্ণসাৰশ্চ গোধিকা শৰভো হৰিঃ।
শাৰ্দ্দূলশ্চ নৰশ্চৈব স্বগাত্ৰৰুধিৰং তথা॥
চণ্ডিকা ভৈৰবাদীনাং বলয়ঃ পৰিকীৰ্ত্তিতাঃ॥ (৭১।১-৩)

দেৱীয়ে ঘোঁৰা আৰু হাতী বলি গ্ৰহণ নকৰে। কিন্তু অশ্বমেধ যজ্ঞত ৰজাই ঘোঁৰা বলি দিব আৰু দিক্‌পালমেধ যজ্ঞত হাতী বলি দিব পাৰে। (৭১।৪৩)

সাধাৰণতঃ স্ত্ৰীজাতীয় পশু-পক্ষী আৰু মাইকী মানুহক বলি দিয়া নিষেধ। বলি দিলে পূজক নৰকলৈ যাব। কিন্তু য'ত গণ-বলি দিয়াৰ আৱশ্যক, তাত মতা-মাইকী, স্ত্ৰী-পুৰুষৰ বিচাৰ নাই।

সংঘাতবলিদানেষু যোষিতং পশু-পক্ষিণঃ।
বলিং দদ্যান্মানুষীন্তু ত্যক্ত্বা সংঘাতপূজিতম্॥ (৭১।৯৩)
সংহাৰে বলিদানেন স্ত্ৰিয়ং তু ন বিচাৰয়েৎ। (যোঃ তঃ ২।৭।১৬৯)

মতা-মাইকী হালে সৈতে বলি দিয়াত কোনো দোষ নাই—মিথুনে দীয়মানে তু ন দোষো জায়তে প্ৰিয়ে (যোঃ তঃ ২।৭।১৬৯)। শ্মশান-পূজাত কেৱল ম'হ বলি দিয়া উচিত—শ্মশানে মহিষং দদ্যাৎ (যোঃ তঃ ২।৭।১৭০)। 'যোগিনী-তন্ত্ৰ'ৰ তালিকাত বান্দৰৰ নামো উল্লেখ আছে—নিবেদয়েচ্ছোনতুণ্ডম্ (২।৯।১৫৮)।

কামেশ্বৰী পূজাত তেজ মাংসৰ লগত মদ লাগিবই—ৰুধিৰৈৰ্মাংসমদ্যৈশ্চ পূজয়েৎ পৰমেশ্বৰীম্ (যোঃ তঃ ২।৮।১৯)।

বলি বিষয়ক আন আন বিবৰণ, যেনে—কটা মূৰৰ ওপৰত কি কি প্ৰক্ৰিয়া আদি পূজকে কৰিব ইত্যাদি খুঁটিনাটি বিবৰণ অতি ভয়ানক।

জন্তুভেদে বলিক তিনিভাগে ভাগ কৰা হয়। বলি, মহাবলি আৰু অতিবলি। যেনে—ছাগল—বলি; শৰভ—মহাবলি; মানুহ—অতিবলি।

বলিৰ্মহাবলিৰতিবলয়ঃ পৰিকীৰ্ত্তিতাঃ॥
ছাগলাঃ শৰভশ্চৈব নৰশ্চৈব যথাক্ৰমাৎ॥ (৫৭।৫)

২২ কৈৱাতিক অনুষ্ঠান

যুদ্ধ-বিগ্ৰহ আদি লৈ যাত্ৰা কৰিবৰ হ'লে অসমৰ পুৰণি ৰজাসকলে কালী বা শিৱৰ পূজা কৰাৰ উল্লেখ বুৰঞ্জীবোৰত বহুলভাৱে আছে। দুই-এটি মাথোন উদাহৰণ ৰূপে দিয়া হ'ল।

আহোম ৰজা প্ৰতাপসিংহৰ দিনত বঙালৰ লগত আহোমৰ যুদ্ধৰ সময়ত, "ৰাজাদেৱে দেৱ-দেৱীক পূজা দিলে; লুইতকো শুকিলা মহ' চাৰি হাল, হাঁহ, পাৰ, ছাগ আৰু আন উপহাৰ বস্তু দ্ৰব্য দি পূজা কৰি ৰাজাদেৱে প্ৰাৰ্থনা কৰি বুলিলে—'ব্ৰহ্মপুত্ৰে মোৰ সম্বন্ধি সুপ্ৰসন্ন হৈ জতকৰাৰ শুঁতি তৰ পেলোৱা।' পাছে ৰাজাদেৱৰ প্ৰাৰ্থনাত থাকি ব্ৰহ্মপুত্ৰে হাজোৰ শুঁতি তৰ পেলাই, বঙালৰ ৰবনাও য'তে আছিল, ত'তে তৰ পৰি নাও লাগি থাকিল।" (দেওধাই অঃ বুৰঞ্জী, পৃঃ ৭০)

কোচবিহাৰৰ নৰনাৰায়ণ ৰজাই আহোমৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিবৰ সময়ত শিৱৰ আদেশ মতে কছাৰীৰ ৰীতিৰে শিৱপূজা কৰিছিল—

প্ৰথম নিশাতি দেখা দিলে সদাশিৱ।
বোলে আপোনাৰ ৰীতি এৰিলিহি কিয়॥
কছাৰীৰ মতে এভো কৰিও নাচন।
তোৰ জয় হৈবো কৈলো স্বৰূপ বচন॥
এহি বুলি মহাদেৱে অন্তৰ্দ্ধান ভৈলা।
চেতনা লভিয়া ৰাজা সন্তাৰ ছপাইলা॥
সোণকোষ নদীৰ তীৰত থানা গাৰি।
পাতিলা নাচন যত আনিয়া কছাৰী॥
হংস, পাৰ, মদভাত, মহিষ, শূকৰ।
কুকুৰা, ছাগল, উপহাৰ নিৰন্তৰ॥
পাতিলা নাচন তথা মাদল বজাই।
সবাৰো মাজত তুলিলন্ত দেওধাই॥ (দঃ ৰাঃ বঃ, পৃঃ ৬৩।৬৪)

সেইদৰে নল-খামাৰ নামে ঠাইত ত্ৰিশূল দেৱীৰ মঠ স্থাপন কৰি "ষোড়শোপচাৰে বলি দিলন্ত অপাৰ।" (পৃঃ ৬৫)। তাৰ পিছত গোহাঁই-কমলাৰ আলিক মাজ-সীমা কৰি উত্তৰ কালে যিমান দেৱ-দেৱীৰ মন্দিৰ আছে সেইবোৰত কোচ-মেচে পূজা কৰিব আৰু দক্ষিণ কালৰ দেৱালয়বোৰত বামুণে পূজা কৰিব। এই ধৰণৰ নিৰ্ধাৰণ কৰা হ'ল—

গোহাঁইকমলা আলি মধ্যে সীমা কৰি।
উত্তৰৰ কালে আছে যতেক কছাৰী॥

সেইকালে দেৱালয় আছে যত যত ।
কোচে মেচে পূজিবেক মোহোৰ ৰাজ্যত ॥
দক্ষিণৰ কালে পূজা ব্ৰাহ্মণে কৰিব ।
এহি নিবন্ধনে সবে ধৰ্ম্ম প্ৰবৰ্ত্তিব ॥
ভোট কছাৰী যে তই মদ ভাত খাবি ।
মাটিৰ কাৰণে মোক সোণা ঘোঁড়া দিবি ॥ (পৃঃ ৬৪)

আহোমৰ ৰাজ্যত আগেয়ে মাটিৰ মূৰ্তিৰ চলন নাছিল। দুৰ্গাৰ মাটিৰ মূৰ্তি সজোৱা কৌশল কোচবিহাৰৰপৰা অনা হৈছিল। মৰঙ্গিয়াল খনিকৰ নামে এজনক কোচবিহাৰলৈ পঠিয়াই দি শিকাই অনা হৈছিল (থোঁৰা ৰজাৰ দিনত)। "আমাৰ মৰঙ্গিয়াল খনিকৰ মৃন্ময় মূৰ্তি সাজিবৰ শিকিবলৈ জোৱা আহি পালেহি। তাৰপৰাহে দেৱীধৰৰ মৃন্ময় মূৰ্তিত পূজা চলিল।" (পুৰণি অসম বুৰঞ্জী: কামৰূপ অনুসন্ধান সমিতি, পৃঃ ৭১)

২৩ নৰবলি

নৰবলি যে কেৱল শাস্ত্ৰৰ বিধি ব্যৱস্থাৰ ভিতৰতে আৱদ্ধ আছিল এনে নহয়। অসমৰ পূব সীমা সদিয়াৰপৰা আৰম্ভ কৰি বঙ্গসাগৰৰ পাৰৰ ত্ৰিপুৰা পৰ্বতলৈ বহুত পৰ্বতীয়া কেন্দ্ৰত নৰবলি চলি আছিল। ক'ৰবাত বা এতিয়াও গোপনে গোপনে চলি থাকে।

সদিয়াৰ ওচৰৰ তাম্ৰেশ্বৰীৰ মন্দিৰৰ ভগ্নাৱশেষ আছে। চুটিয়া দেউৰীসকলে দুৰ্গা-পূজাৰ সময়ত বছৰি অন্ততঃ একোটাকৈ নৰবলি দিছিল।

নগাসকলে শস্যৰ শ্ৰীবৃদ্ধিৰ কামনা কৰি নৰবলি দিয়ে।

জয়ন্তীয়া পৰ্বতত জয়ন্তী দেৱীৰ পূজাত নৰবলি দিয়াৰ প্ৰথা আছিল। জয়ন্তীয়াসকলে বৃটিছ ৰাজ্যৰ ভিতৰৰপৰা নৰবলি সংগ্ৰহ কৰা বুলি ১৮৩৫ খৃঃত জয়ন্তীয়া পৰ্বতৰ সমভূমিৰ ঠাইবোৰ ইংৰাজে অধিকাৰ কৰি লয়।

খাচিসকলৰ ভিতৰত থ্লেন নামক নাগদেৱতাক পূজা কৰিবলৈ নৰবলিৰ তেজ, চুলি আৰু আঙুলিৰ মূৰ দিয়াৰ প্ৰথা আছে। সেই উদ্দেশ্যে গোপনে নৰহত্যাৰ ৰীতি আছে।

পূৰ্বে কামাখ্যা মন্দিৰতো নৰবলি হোৱাৰ উল্লেখ আছে। নৰনাৰায়ণ ৰজাই ১৫৬৫ খৃঃত কামাখ্যা মন্দিৰ নিৰ্মাণ কৰায়। প্ৰতিষ্ঠাৰ সময়ত হেনো ১৪০টা নৰমুণ্ড অৰ্পণ কৰা হৈছিল।[1]

---

১ ৰাজবংশাৱলীত 'তাম্ৰফলি কৰি দিলা পাইক সাতকুৰি' অৰ্থাৎ তাম্ৰশাসনৰ যোগে মন্দিৰৰ বা সাতকুৰি গোট পাইক সেৱাইত কৰি দিলে বুলিহে আছে। এডোৱাৰ্ড গেইট চাহাবে সেই কথাকে ভুল কৰি তাৰৰ ঠাইত সাতকুৰি নৰমুণ্ড দিছিল বুলি এটা ভ্ৰম সৃষ্টি কৰে।—সম্পাদক

ত্ৰিপুৰা পৰ্বতত শিৱ-পূজাৰ উদ্দেশ্যে নৰবলি দিয়া হৈছিল। ত্ৰিপুৰা ৰাজপৰিয়ালৰ কুলদেৱতাৰ নাম চৈধ্য-দেৱতা। এওঁলোকৰ পূজাত ম'হ, ছাগলী আদি বলি দিয়া হয়। আগৰ দিনত নৰবলিও পৰিছিল।

লুচাইবোৰৰ ভিতৰত কুকুৰ বলি দিয়াৰ নিয়ম আছে। (*Imperial Gazetteer of India* : Provincial Series, 1909 : Eastern Bengal and Assam)। চিফৌ আৰু গাৰো-সকলৰ ভিতৰতো কুকুৰ বলি দিয়াৰ ব্যৱস্থা আছে। গাৰোসকলৰ ভিতৰত মৃতকৰ সংস্কাৰত কুকুৰ বলি দিয়া হয়; উদ্দেশ্য, গোন্ধ লৈ কুকুৰে বাট উলিয়াই নিদিলে মৃতকৰ প্ৰেতাত্মাই চিকমাং বোলা পাৰলৌকিক ঠাইলৈ বাট বিচাৰি নাপাব।

দেৱীৰ আগত নৰবলি দিয়াত কেনে প্ৰকৰণ অৱলম্বন কৰা হৈছিল, তাৰ বিস্তৃত বিবৰণ স্বৰ্গীয় ৰজনীকান্ত বৰদলৈৰ 'তাম্ৰেশ্বৰীৰ মন্দিৰ' নামক বুৰঞ্জীমূলক উপন্যাসত আছে।

২৪ দেৱী-পূজাৰ প্ৰসাৰ

(১) লখীমপুৰৰ বাৰভূঞাসকলে দেৱী-পূজা কৰিছিল। তেওঁলোকৰ হাতত 'তাম্ৰাক্ষৰী শাস্ত্ৰ' নামে তন্ত্ৰৰ পুথি এখন আছিল। ইয়াৰ আন এটি নাম 'কল্পতৰু'। ভূঞাসকলৰ কেন্দ্ৰস্থান আছিল ৰঙ্গপুৰ।

'আদি চৰিত' পুথি অনুসাৰে লখীমপুৰৰ বাৰভূঞাসকলে শাক্ত ধৰ্মত দীক্ষিত হৈ দেৱী-পূজা কৰিছিল। তেওঁলোকৰ মাতৃ লক্ষ্মী দেৱীয়ে প্ৰথমে দেৱী-পূজা প্ৰবৰ্তন কৰিছিল। তেওঁ 'ধাতু-তাম্ৰাক্ষৰী' বা 'কল্পতৰু' নামে তন্ত্ৰশাস্ত্ৰ এখনি ক'ৰবাৰপৰা পাইছিল। তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ ধৰ্ম কি আছিল জনা নাযায়। কুলত তেওঁলোক কলিতা আছিল বুলি ভাবিবৰ কাৰণ আছে। কিয়নো শান্তনুৰ পুত্ৰ বাৰজনৰ ভিতৰত—(লহকৰ, কাব্যসী, পদ্ম বা পম, ৰায়, সলাল, শুক, টেটন, ধ্বজা (টৌৰা), উজীৰ, সাৰল, ৰমাই, তমাই) পাঁচজনৰ পুৰণি অসম বুৰঞ্জীত উল্লেখ কৰা কলিতা বাৰভূঞাৰ নামৰ লগত মিলে—(উতৈ, তমাই, ৰাই, সঁকাই, কোৰিক, উজীৰ, লস্কৰ, চোমদাৰ, সনাতন, কেহো, ৰামভট, ভকত ভূঞা)। (নকুল ভূঞা : বাৰভূঞা পৃঃ ৫।৬ ; পুঃ অঃ বুঃ পৃঃ ৩৫।৩৬)

(২) কোচ ৰাজবংশ প্ৰতিষ্ঠাতা বিশ্বসিংহই সকতে বৰ গৰখীয়া অৱস্থাতে দুৰ্গাক পূজা কৰিছিল। ফৰিঙেৰে বলি দিয়া হৈছিল। কাকোৰা বাঁহৰ চোঁচেৰে খড়্গ কৰা হৈছিল। এদিনাখন এজন গৰখীয়াই ফৰিঙ নাপালত বৰ গৰখীয়াই খণ্ডতে ফৰিঙৰ ঠাইত গৰখীয়াকে উছৰ্গা কৰি দিলে। আচৰিত কথা বাঁহৰ চোঁচৰ খড়্গে তাক কাটিলে। (দৰঙৰাজ বংশাৱলী, পৃঃ ১৪)

, (৩) জয়ন্তীয়া ৰজাই গৌৰীক আৰাধনা কৰি জয়ন্তী নামে কন্যা এজনী পালে। কন্যাৰ নাম অনুসাৰে জয়ন্তী দেৱী দুৰ্গাৰ নাম হ'ল। (দেওধাই বুৰঞ্জী, পৃঃ ১৬৮-১৭৫)

(৪) চুটিয়াৰ খুন্তৰজাই ম'হ গৰখীয়া অৱস্থাত কিৰাতকী ৰূপী কালিকাক সন্তোষ কৰিছিল। সেইমতে ৰজা হ'ল। (দেওধাই বুৰঞ্জী, পৃঃ ১৮৬)

২৫ কৌলাচাৰ

একালে শব-সাধন, মুণ্ড-সাধন আদিৰ ভয়াবহ প্ৰক্ৰিয়া, আনকালে কুলাচাৰী মন্ত্ৰাচাৰীসকলৰ মদ, মাংস আৰু তিৰোতা আদিৰ লগত সাধন-ভজন। কুলাচাৰীসকলে মদ, মাছ, মাংস, ভূচৰ, খেচৰ, জলচৰ সকলোকে খাব। নিজৰ মাতৃত বাজে সকলো স্ত্ৰীলোকৰ লগত সঙ্গম কৰিব।

মহামদ্যং বিনা কৌলঃ ক্ষণাদৰ্দ্ধং ন তিষ্ঠতি।
তস্মাম্মদ্যাদিকং দেবী সেৱিতব্যং দিনে দিনে॥
মৎস্যং মাংসং তস্য দেবী জলভূচৰখেচৰম্।
পূৰ্ব্বোক্তা চ ভবেন্মুদ্ৰা সেবিতা সাদৰান্বিতা॥
মাতৃযোনিং পৰিত্যজ্য মৈথুনং সৰ্ব্বযোনিষু।
ক্ষতযোনিস্তাড়িতব্যা অক্ষতাং নৈব তাড়য়েৎ॥ (১৬।১৭, ৪৩, ৪৪)

পূৰ্ব কালত দেৱীপীঠত (কামাখ্যাত) ক্ৰোধৰক্ত নামৰ ভৈৰৱে উৰ্ব্বশী, মেনকা, ৰম্ভা, পঞ্চচূড়া আৰু তিলোত্তমা, এই পাঁচজনী বেশ্যাত অনুৰক্ত হৈ মহাবিদ্যা জপ কৰি সিদ্ধি লাভ কৰিছিল। (১১৯।৬৯-৭০) সেই কাৰণে কুলাচাৰীৰ পক্ষে বেশ্যাপৰায়ণতা প্ৰশস্ত—

ভজ কালীং কুলাচাৰভাৱবেশ্যাপৰায়ণঃ। (১১৯।৬৪)
বেশ্যামধ্যগতং বীৰং কদা পশ্যামি সাধকম্।
এবং বদতি সা কালী তস্মাদ্বেশপৰো ভব॥
মন্ত্ৰাচাৰে হি সৰ্ব্বত্ৰ ন হি দোষঃ কদাচন।
তস্মাদ্‌ভ্ৰান্তিং পৰিত্যজ্য কুলধৰ্ম্মং সমাশ্ৰয়॥ (১১৯।৬৫-৬৬)

২৬ কুমাৰী-পূজা

কামৰূপৰ কুমাৰী-পূজা অতি প্ৰসিদ্ধ। এজনী কুমাৰীক পূজা কৰিলেই সকলো দেৱতাৰ পূজা সিদ্ধ হয়। কুমাৰী পূজাত জাতিভেদ নাই। যি সি কোনো জাতিৰ কুমাৰীকেই পূজা কৰিব পাৰি। কোনোবাই জাতিভেদ কৰিলে নৰকত পতিত হয়। যদি ভাগ্যবশতঃ বেশ্যাৰ কুমাৰিকেই পূজা

কৰিব লগা হয়, তেনেহ'লেও সাধকে অতি যত্নেৰে সৰ্বস্ব দান কৰি সোণ, ৰূপ আদিৰে আনন্দেৰে পূজা কৰিব। (১।১৭।৩১-৩৫)

একা হি পূজিতা বালা সৰ্ব্বং হি পূজিতং ভবেৎ।
জাতিভেদো ন কৰ্ত্তব্যঃ কুমাৰী-পূজনে শিৱে॥
জাতিভেদান্ মহেশানি নৰকান্ন নিবৰ্ত্ততে॥ ইত্যাদি।

পূৰ্বকালত বিশ্বম্ভৰ নামৰ চৈত্ৰবংশৰ ৰজা এজনে কাঞ্চী নামৰ বেশ্যা কুলত ওপজা কুমাৰী এজনী পূজা কৰিছিল। তেতিয়াৰপৰা নগৰৰ নাম হ'ল কাঞ্চী-পুৰী (মাদ্ৰাজ অঞ্চলত)। সেইদৰে আগৰ দিনত মহাত্মা কাম্পিল্যই কুমাৰী-পূজা কৰে। তেতিয়াৰপৰা কাম্পিল্য নগৰত (যুক্তপ্ৰদেশত) কুমাৰী শিলাৰূপে অৱস্থান কৰি আছে। (১।১৭।৪৪-৫০) যদি কুমাৰী-পূজা কৰোঁতে কোনোবাই কামযুক্ত হয়, তেনেহ'লে সি বৈকুণ্ঠগামী হয়—

যদি কামী ভবেৎ কোঽপি বৈকুণ্ঠং পৰমং ব্ৰজেৎ।
মল্লোকং বা মহেশানি গচ্ছেনেম মণিমন্দিৰম্॥ (১।১৭।৫৪)

কুমাৰী-পূজাৰ দক্ষিণ আৰু বামাচাৰ প্ৰক্ৰিয়া ৺ৰজনীকান্ত বৰদলৈৰ "ৰহদৈ লিগিৰী" উপন্যাসত আছে। তেওঁ লিখিছে—"কামাখ্যাত এবেলি জাতীৰ জমিদাৰে এজনী বামুণৰ কুমাৰী ছোৱালীৰ ভৰি দুখানত ধূপ, দীপ, নৈবেদ্য, বস্ত্ৰ, টকা ইত্যাদি দি পূজা কৰা নিজ চকুৰে দেখিছো।" বামাচাৰ-প্ৰক্ৰিয়াৰ বিৱৰণ তলত চোৱা।

২৭ সাধনাৰ যোগিনী : বামাচাৰী পূজা

অসমীয়া সাহিত্যিকসকলৰ ভিতৰত ৺ৰজনীকান্ত বৰদলৈ সকলো সাম্প্ৰদায়িক ধৰ্মৰ আচাৰ-ব্যৱহাৰ আদিৰ বিষয়ত সুবিজ্ঞ আছিল। তেওঁ নিজে এক শৰণীয়া বৈষ্ণৱ আছিল যদিও, সকলো বিষয়ৰ সাধনাৰ বিষয়ত তেওঁৰ জ্ঞান অদ্বিতীয় আছিল। তেওঁৰ 'ৰহদৈ লিগিৰী' নামৰ উপন্যাসত বামাচাৰী তান্ত্ৰিক এজনৰ সাধন প্ৰক্ৰিয়াৰ বিৱৰণ আছে। বামাচাৰীয়ে কৈছে—"মোৰ মাথোন একেটা সাধন বাকী আছে। এই সাধনটো কৰিবলৈ নাপালে মোৰ শেষ মুক্তি নহ'ব। এজনী সতী, সাধ্বী অথচ অক্ষত-যোনিৰ অতীৱ সুন্দৰী বা ৰূপহী পাভক নোপোৱাৰ কাৰণেই মই ইমান বছৰে সেই সাধনাটো কৰিব পৰা নাই।" (দ্বিতীয় খণ্ড, ৭ম অধ্যায়)

পিছত ৰহদৈ লিগিৰীৰ লগত তেওঁ সেই সাধন সমাধা কৰিলে। (দ্বিতীয় খণ্ড, ৮ম অধ্যায়)।

সহজে সাধনাৰ সঙ্গিনীৰ যোগাৰ নহ'লে তান্ত্ৰিকসকলে বলপ্ৰয়োগ বা ধন ভগন কৰিও তিৰোতা সংগ্ৰহ কৰে। তাৰানাথৰ 'সিদ্ধ চৰিতাৱলী'ত আছে যে গুৰু জ্ঞানমিত্ৰই ছুবছৰ ধৰি শান্তিগুপ্তক উপদেশ দি আহিছে। যেতিয়া অভিষেকৰ সময় আহিল, তেতিয়া গুৰুৱে ক'লে যে নৈৰ বিপৰীত পাৰত এজনী তিৰোতা আছে। তাই সকলো তান্ত্ৰিক প্ৰক্ৰিয়াৰ বাবে উপযুক্ত। তাইক মোৰ ওচৰলৈ লৈ আহা।

সাঁতুৰি নৈ পাৰ হৈ শান্তিগুপ্ত তিৰোতাৰ ঘৰলৈ আহিল। সেই ঘৰটো হৈছে এজন ক্ষত্ৰিয় ৰজাৰ হাতী-ৰথীয়াৰ ঘৰ। নগৰৰ নাম লঙ্কৰ। তিৰোতাজনী হাতী-ৰথীয়াৰ ঘৰৰ গিৰিহঁতৰ ঘৈণী। তাই সুৰক্ষিতা, কাজেই বলাৎকাৰ কৰি আনিব নোৱাৰি। আচাৰ্য্য শান্তিগুপ্তই মন্ত্ৰ-ধাৰণীৰে তাইক বান্ধিলে। তিৰোতাজনীয়ে মাতিব নোৱৰা হ'ল। শান্তিগুপ্তই কান্ধত তিৰোতাজনী লৈ আহি গুৰুৰ আগতে থলে।

হাতী-ৰথীয়া ঘৰৰ মানুহে কিছুদূৰ খেদি আহি ভাবিলে যে সিহঁত দুয়োকো পানীয়ে উটাই নিছে। আৰু বেছি দূৰ নাহিল।

গুৰুৱে ক'লে, "এতিয়া সময় হৈছে।" পিছদিনা পুৱা শিষ্যক অভিষেক কৰিলে। আৰু সাতদিন ধৰি অসাধাৰণ মৌখিক উপদেশ দিলে।

উপদেশ শুনি শান্তিগুপ্ত যোগী মহেশ্বৰ হ'ল আৰু তিৰোতাজনী যোগিনী হ'ল। তেওঁ যোগিনী মেনকা নামে বিখ্যাত হ'ল আৰু পিছৰ কালত সিদ্ধি লাভ কৰিলে (*Mystic Tales of Lāmā Tārānātha*, p. 66)

বৈদ্যপাদ নামে আন এজন ব্ৰাহ্মণ সাধকক তান্ত্ৰিক প্ৰক্ৰিয়াৰ বাবে এজনী চণ্ডালী ছোৱালী লগা হ'ল। তেওঁ ছোৱালী এজনীৰ মূৰৰ সমানে ওখ কৰি মাক-বাপেকক সোণৰ থোপ দান কৰি ছোৱালীজনী কিনি ল'লে। এই সোণ তেওঁ যোগবলেৰে যোগাৰ কৰিছিল।

তেওঁ মহামুদ্ৰা সিদ্ধিৰ ওখ থাপলৈ উঠিছিল। এইজন সিদ্ধ পুৰুষেই কামৰূপৰ অবধূতি যোগী ৰত্নশিলক শিক্ষা দিছিল। (পৃঃ ৪১-৪৩)

২৮ দেৱঘৰৰ নটিনী

দক্ষিণ ভাৰতৰ দেৱমন্দিৰবোৰত দেৱদাসী বুলি কুমাৰী সম্প্ৰদায় এটি আছে। সিহঁতক বসভী (বৃষভী) বোলা হয়। মাক-বাপেকৰ কামনা অনুসাৰে কোনোবা দেৱতাৰ সেৱাৰ অৰ্থে কুমাৰী ছোৱালী এজনীক উছৰ্গা কৰি দিয়া হয়। ছোৱালীজনীয়ে কেতিয়াও বিয়া নকৰায়; কিন্তু দেৱগণিকা হিচাপে গণ্য হয়। আৰু যাৰে তাৰে লগত যৌন সম্বন্ধ কৰিব পাৰে। সেই সম্বন্ধৰ ফলত যি সন্তানাদি হয়, সেইবোৰ বাপেকৰ উত্তৰাধিকাৰী বুলি গণ্য হয়।

কুমাৰী-পূজাত যি কুমাৰীৰ উল্লেখ আছে সি এনেকুৱা অৰ্থতহে কুমাৰী। কুমাৰী মানে অবিবাহিতা, অক্ষতযোনি নহয়। কুমাৰী কাৰো অধীন নহয়; সেই হিচাপেহে দেৱী-পূজাৰ দেৱী কুমাৰী বুলি পণ্ডিতসকলে কয়।

অসমৰ দেৱমন্দিৰবোৰতো আগৰ দিনৰপৰাই দেৱদাসীৰ সমতুল্য নটিনী সম্প্ৰদায় এটি আছে। প্ৰায়বোৰ দেৱমন্দিৰৰ লগতে নাটমন্দিৰ এটি থাকে। তাত নট-নটিনীসকলে আৰতিৰ সময়ত নাচন বাজন কৰে। বৰ্ত্তমান কামৰূপ জিলাৰ হাজো আৰু ডুবিৰ নটী এতিয়াও আছে। সেইবোৰক নট জাতৰ মানুহ বোলা হয়।

আগৰ দিনতো অসম দেশৰ দেৱালয়স্থ নাৰী সম্প্ৰদায় এটি আছিল। খৃঃ নৱম শতাব্দীৰ বনমালদেৱৰ তামৰ ফলিত "দলুহাঙ্গনা"ৰ উল্লেখ আছে—"ৰমণীয় দলুহাঙ্গনাভিৰিব সকল-জনমনোহাৰিণীভিঃ" (কামৰূপ শাসনাৱলী, পৃঃ ৬৪)। "দলুহ" এটি অনাৰ্য্য অষ্ট্ৰিক শব্দ = দ'ল, দেৱালয়। দলুহাঙ্গনা = দেৱালয়ৰ তিৰোতা।

অসম বুৰঞ্জীতো "দেৱঘৰৰ নটিনী"ৰ উল্লেখ আছে। "সত্ৰাজিত সলাত তিনিদিন আছিল আৰু ৰজাৰ ভড়াল লুটি সত-সৰ্ব্বস নিলে। দেৱঘৰৰ নটিনী দুটাকো আনিলে, ভটীয়াই আহিল····ৰজা বোলে মাজগাঞৰপৰা নটিনী ধৰি নিলে। আতকৈ মোৰ কি লাজ আছে।" (পুঃ অঃ বুৰঞ্জী, পৃঃ ৮২-৮৩)। এই ঘটনা ঘটে তেজপুৰৰ বিশ্বনাথৰপৰা। ১৬৩৪ শক, খৃঃ ১৭১২।

দেৱঘৰৰ নটিনী খেলা অসম বুৰঞ্জীৰ সকলো যুগতেই চলি আছে। ঐতিহাসিক উপন্যাস লিখক ৺ৰজনীকান্ত বৰদলৈয়ে "ৰহদৈ লিগিৰী"ত (৩য় খণ্ড, ৮ম অধ্যায়) ইয়াৰ এটি ছবি আঁকিছে। "নাহৰণীৰ শিৱদৌলত গধূলি আৰতি আৰু পূজা হৈ যোৱাৰ পিছত দৌলৰ আগত থকা নাটমন্দিৰ ঘৰটোৰ ভিতৰত ডেৰগঞা নট-নটীসকলে নৃত্যগীত কৰিছে। সেই নৃত্যগীত চাবলৈ ওচৰৰ গাঁৱৰ ডেকা-গাভৰু ভালেমান আহিছে। সকলোবিলাক নটীৰ নাচনত বিভোল, আন কি বামুণৰ ল'ৰা-বিলাকেও নটীসকলক অশ্লীল আৰু মধুৰ বাক্য ৰসেৰে উৎসাহ দিছে। নটীসকলেও বিগ্ৰহৰ তৃপ্তি লগোৱাতকৈ, নিজৰ নাচনত বিভোল হোৱাতকৈ, ডেকাসকলৰ তৃপ্তি লগাবলৈহে তৎপৰ। আমোদত সকলোবিলাক বিভোৰ। ····ধৰ্মৰ স্থলবিলাকো পাপাচৰণৰ স্থানহে হৈছে। ধৰ্মৰ নামত মঠ-মন্দিৰৰ আগত নটী আদিৰ নৃত্য কেৱল কামুকৰ লম্পটৰ কাম উদ্ৰেক কৰি ধন অৰ্জাৰ উপায় হৈ পৰিছে। নাচনৰ পিছত নট-নটীসকল তেওঁলোকৰ নিৰ্দিষ্ট বহাত সোমাল। সিহঁত বহাত সোমোৱাৰ পিছত জাতি-বৰ্ণ নিৰ্বিশেষে দুই-চাৰিজন ডেকাই যি উভতালি আৰু পাপকৰ্ম কৰিলে তাক বৰ্ণোৱাৰ সকাম নাই।" এই দেৱঘৰৰ নটিনী যেতিয়া বীৰদৰ্পে আহোম ৰাজসিংহাসনত বহিল, তেতিয়াৰপৰা আহোম ৰাজসিংহাসন অশুচি হৈ জেউতি হেৰুৱাব ধৰিলে। কিয়নো শিৱসিংহ স্বৰ্গদেৱৰ 'বৰ-ৰজা' ৰাণী ফুলেশ্বৰী কালুগাওঁ অঞ্চলৰ নটৰ জীয়াৰী আছিল। জয়দৌলত দেৱতাৰ আগত নাচ-গীত কৰি থাকোঁতে, তেওঁ এদিন স্বৰ্গদেৱ শিৱসিংহৰ চকুত পৰিল। ফুলেশ্বৰীৰ অঙ্গৰ লনীয়ে, শৰীৰৰ সৌন্দৰ্য্যই

আৰু অসীম প্ৰতিভাৰ আভাসে শিৱসিংহ ৰজাৰ মন বিশেষৰূপে আকৃষ্ট কৰিলে। (পদ্মনাথ গোহাঁই বৰুৱাৰ বুৰঞ্জী)।

কিন্তু ফুলেশ্বৰীৰ প্ৰতিভা যিমানেই বিকশিত হ'ব ধৰিলে, তিমানেই আহোম সিংহাসনত ধ্বংসৰ ছায়া ঘনীভূত হৈ পৰিল।

দেৱঘৰবিলাকত এনেকুৱা দৃশ্য আগৰ দিনৰপৰাই চলি আহিছিল। সেই কাৰণে 'কালিকা-পুৰাণ' ৰচয়িতাই সেইবোৰৰপৰা দ্বিজাতিৰ উৎসাৰণ কৰাই, ভৱিষ্যতেও যাতে সেইবোৰৰ মাহাত্ম্য নাথাকে, তাৰ উপায় ব্ৰহ্মাই উদ্ভাৱন কৰিলে বুলি বৰ্ণনা কৰিছে।

২৯ দুজনা কৈবৰ্ত সিদ্ধ পুৰুষ

তীব্বতীয় লামা তাৰানাথৰ তিব্বতী ভাষাত লিখা 'সিদ্ধচৰিতাৱলী'ৰ সম্প্ৰতি ইংৰাজী ভাঙনি ওলাইছে। তাত আমাৰ পুৰণি কামৰূপৰ দুজনা কৈবৰ্তজাতীয় সিদ্ধ পুৰুষৰ চৰিত আছে। 'সিদ্ধ চৰিতাৱলী' অলৌকিক কাহিনীৰে ভৰপূৰ। মূলত যেনেকৈ আছে তেনেকৈ অনুবাদ কৰা হ'ল। সিদ্ধ দুজনাৰ নাম মীননাথ আৰু তেওঁৰ পুত্ৰ মচ্ছিন্দ্ৰনাথ।

"সিদ্ধ কুক্কুটিৰ শিষ্য আছিল মীননাথ। তেওঁ ভাৰতৰ পূৰ্ব দিশৰ কামৰূপৰ কৈবৰ্ত আছিল। এদিনাখন কৈবৰ্তই ধ্যানত মগ্ন আছিল, তেওঁ বৰশী পানীত পেলাই টানিব ধৰোঁতে মাছটোৱে তেওঁক টানি পানীত পেলাই দিলে আৰু গিলি পেটত সুমুৱালে। কৈবৰ্তজনে কৰ্মৰ শক্তিৰ বিষয়ে ধ্যান কৰি আছিল। সেই কাৰণে তেওঁ নমৰিল।

"ৰোহিত (লোহিত) নদীৰ মাজত উমাগিৰি (উমানন্দ) নামে এখন পৰ্বত আছে। তাত দেৱেশ্বৰে (মহাদেৱে) অনুতপ্তা উমাক উপদেশ দি আছিল। এনেতে মাছটোৱে পৰ্বতৰ কাষত সাঁতুৰি আছিল। কৈবৰ্তজনে মাছৰ পেটৰ ভিতৰৰপৰাই উপদেশ শুনি আছিল। তাৰপৰা তেওঁৰ বহুত উপকাৰ হ'ল। এজন কৈবৰ্তই মাছটো ধৰি কাটিলত পেটৰ ভিতৰৰপৰা এজন পুৰুষ ওলাল।

"মাছৰ পেটত বন্ধ হোৱাৰ এবছৰ আগতে কৈবৰ্তজনৰ ল'ৰা এটি উপজিল। তেওঁ মাছৰ পেটত বাৰ বছৰ আছিল। ল'ৰাৰ বয়স এতিয়া হ'ল তেৰ বছৰ।

"বাপেক পুতেক দুয়ো সিদ্ধ চৰ্পতিৰ ওচৰলৈ গ'ল আৰু সিদ্ধি লাভ কৰিলে। বাপেক প্ৰসিদ্ধ হ'ল সিদ্ধ মীননাথ নামে আৰু পুতেক সিদ্ধ মচ্ছিন্দ্ৰ নামে।

"মীননাথৰ শিষ্য আছিল তিনিজন—হালী, মালী আৰু তাম্বুলী বুলি। মচ্ছিন্দ্ৰৰ শিষ্য আছিল চৌৰঙ্গি আৰু গোৰক্ষনাথ।

"চৌৰঙ্গি সকতে এজন ৰাজকোঁৱৰ আছিল আৰু গোৰক্ষনাথ গৰখীয়া ল'ৰা আছিল। মচ্ছিন্দ্ৰৰ-

পৰা উপদেশ শুনি তুয়ো সিদ্ধি লাভ কৰিলে।" (Bhupendranath Dutta: *Mystic Tales of Lāmā Tārānātha,* 1944. p. 56)

গোৰক্ষনাথৰ শিষ্য আছিল—তীৰ্থনাথ, কালনাথ, ব্ৰহ্মনাথ, বৈৰাগীনাথ, গোলেন্দ্ৰনাথ, ওঙ্কাৰনাথ এইজনা গোৰক্ষনাথৰপৰাই নাথ সম্প্ৰদায়ৰ প্ৰৱৰ্তন হয়।

৩০ ইন্দ্ৰজাল-বিদ্যা ॥ ক ॥ অভিনৱগুপ্তৰ কৃতি

বুৰঞ্জীয়ে লগ পোৱা সময়ৰপৰাই কামৰূপ ৰাজ্য মায়াবিদ্যা ইন্দ্ৰজালৰ বাবে খ্যাত। এই খ্যাতি কেৱল সাধাৰণ শ্ৰেণীৰ বিদেশীৰ মনতেই আবদ্ধ নহয়, সৰ্বভাৰতীয় সাহিত্য আৰু ইতিহাসতো ইয়াৰ উল্লেখ আছে। প্ৰমাণ স্বৰূপে ইয়াত দক্ষিণ ভাৰতৰ অদ্বৈতবাদী শঙ্কৰাচাৰ্য্যৰ চৰিত, পশ্চিম ভাৰতৰ শিখগুৰু দুজনাৰ চৰিত, আৰু মধ্য ভাৰতৰ মোগল ইতিহাসৰপৰা সাক্ষ্য দিয়া হ'ল।

অদ্বৈতবাদী শঙ্কৰাচাৰ্য্য খৃষ্টীয় নৱম শতিকাত বেদান্ত ধৰ্ম প্ৰচাৰৰ বাবে কামৰূপলৈ আহে। তেতিয়া কামৰূপ শাক্ত ধৰ্মৰ কেন্দ্ৰ স্বৰূপে প্ৰখ্যাত আছিল আৰু ইয়াত অভিনৱগুপ্ত নামে ডাঙৰ শাক্ত পণ্ডিত এজন আছিল। শঙ্কৰাচাৰ্য্যৰ চৰিতত উল্লেখ আছে যে অভিনৱগুপ্তই বেদান্ত সূত্ৰৰ শাক্ত ভাষ্য এখন ৰচনা কৰিছিল। শাস্ত্ৰীয় তৰ্কত অভিনৱগুপ্তই শঙ্কৰাচাৰ্য্যৰ ওচৰত হাৰে। পৰাভৱৰ ফোৰ তুলিবলৈ শাক্ত অভিনৱগুপ্তই তান্ত্ৰিক অভিচাৰেৰে (কুমন্ত্ৰেৰে) শঙ্কৰাচাৰ্য্যৰ শৰীৰত ভগন্দৰ ৰোগ জপাই দিলে। নানা চিকিৎসাৰ পিছত ধৰা পৰিল যে এই বেমাৰ কুমন্ত্ৰসম্ভূত। শঙ্কৰাচাৰ্য্যৰ পদ্মপাদ নামে এজন ডাঙৰ শিষ্য আছিল। তেওঁ নৃসিংহ-সাধক আছিল। পদ্মপাদে ওভোতা অভিচাৰৰ দ্বাৰা অভিনৱগুপ্তৰ প্ৰাণ সংহাৰ কৰায়। শঙ্কৰাচাৰ্য্যৰ আৰোগ্য হ'ল হয়; কিন্তু কথিত আছে যে এই ভগন্দৰ ৰোগৰ ফলতেই কিছুমান দিনৰ পিছত তেওঁ পৰলোক প্ৰাপ্ত হ'ল। (শঙ্কৰ-দ্বিগ্বিজয়, সৰ্গ ১৫।১৬)

৩১ ইন্দ্ৰজাল-বিদ্যা ॥ খ ॥ শিখগুৰুৰ কামৰূপ ভ্ৰমণ

শিখ ধৰ্মগ্ৰন্থত গুৰু নানক আৰু নৱম গুৰু তেগ বাহাদুৰৰ পুৰণি কামৰূপলৈ অহাৰ বিৱৰণ আছে। তেওঁলোক পৰম ধাৰ্মিক পুৰুষ আৰু প্ৰধানতঃ ধৰ্ম প্ৰচাৰৰ কাৰণেই আহিছিল। তেওঁলোকৰ অহাৰ বিৱৰণত পুৰণি কামৰূপত প্ৰচলিত তন্ত্ৰমন্ত্ৰৰ বৰ বিশদভাৱে উল্লেখ আছে।

প্ৰথম শিখগুৰু নানক অহাৰ সময় কিতাপত দিয়া নাই। কিন্তু সমসাময়িক ঘটনাৰপৰা সহজেই সেইটো উলিয়াব পাৰি। কামৰূপলৈ আহোঁতে দিল্লীৰ সিংহাসনত পাঠান ৰজা ইব্ৰাহিম লোডীক তেওঁ লগ পাইছিল। ইব্ৰাহীম লোডীৰ ৰাজত্বকাল ১৫১৭—১৫২৭ খ্ৰীঃ। গুৰু নানক

১৫১৭ খ্ৰীঃ-ৰ অলপ পিছতে আহিছিল। কিয়নো ভাৰতৰ আন আন ধৰ্মক্ষেত্ৰত বহুদিন ভ্ৰমণ কৰি গৈও পানিপথৰ যুদ্ধৰ (১৫২৬ খ্ৰীঃ) ভালেখিনি আগত গৈ তেওঁ পঞ্জাব পায়।

নৱম গুৰু তেগ বাহাদুৰ আহোঁ আহোম ৰজা চক্ৰধ্বজ সিংহৰ দিনত। কামৰূপ দখল কৰিবলৈ পঠোৱা সম্ৰাট আউৰঙ্গজীৱৰ সেনাপতি অম্বৰৰাজ ৰামসিংহৰ বিশেষ অনুৰোধত গুৰু তেগ বাহাদুৰ ১৬৬৯ খ্ৰীঃত কামৰূপলৈ আহে। তেওঁলোকৰ ভ্ৰমণ বৃত্তান্ত বৰ ৰহস্যপূৰ্ণ।

খ্ৰীঃ ১৫১৭—২৬ অৰ ভিতৰত কাশীৰপৰা গুৰু নানক আৰু তেওঁৰ সঙ্গীসকল কামৰূপলৈ গ'ল। তাৰ তিৰোতাবোৰ মায়া আৰু ইন্দ্ৰজাল বিদ্যাত বৰ পাৰ্গত আছিল। শিখ ইতিহাসৰ মতে নুৰশাহ নামে ৰাণী এজনীয়ে সেই সময়ত কামৰূপ শাসন কৰিছিল। ৰাণীয়ে কেইজনীমান লগৰী লৈ গুৰুৰ ওচৰলৈ গৈ তেওঁৰ মন টলাবলৈ চেষ্টা কৰিব ধৰিলে। তেতিয়া গুৰুৱে তলত দিয়াৰ দৰে কবিতাটো মাতিলে—

তুমি লুণীয়া মাটি কিনা,
কিন্তু তাৰ লগত বিচৰা তুমি গোন্ধৰ কলাই—
সৎকৰ্ম্ম বিনে তুমি নানক
হৃদয়ৰ দেৱতাক লগ ধৰিবা কেনেকৈ ?

গুৰুৱে আকৌ মাতিব ধৰিলে—

সতী তিৰোতাই স্বামী সঙ্গলাভ কৰে
অসতীয়ে বুকু ধাকুৰি মৰে কিয় ?
যদি হয় তাই সতী, তাইও কৰিব লাভ পতিসঙ্গ।
মোৰ হৃদয়ৰ দেৱতা সুধাৰ আকৰ
তেওঁ কিয় বিচাৰিব অন্য স্ত্ৰীৰ সঙ্গ ?
কোনো তিৰোতা যদি সতী হয়,
আৰু নিজ হৃদয়ক যদি সূতা এডালৰ দৰে কৰিব পাৰে,
তেনেহ'লে হৃদয় দেৱতাক
অমূল্য ৰত্নৰ দৰে গাঁথি ল'ব পাৰে। ইত্যাদি

গীতবোৰ আধ্যাত্মিক ভাৱেৰে ভৰপূৰ, তাত কোনো ঐতিহাসিক কথাৰ উল্লেখ নাই।

নুৰশাহে দেখিলে যে হেজাৰ চেষ্টা সত্ত্বেও পৰিচাৰিকাসকলৰ চেষ্টাই কোনো ফল নধৰে। গুৰুৱেও সিহঁতৰ বিফল চেষ্টা দেখি ভ্ৰষ্টা নামে গীত এটি সুহাই ৰাগত গাব ধৰিলে।

মই দোষপূৰ্ণ গুণহীন তিৰোতা,
হৃদয় দেৱতাৰ সঙ্গ বিচাৰিম কেনেকৈ ?
মোৰ দেৱতাৰ প্ৰেমিকাসকল এটি আনটোতকৈ শ্ৰেষ্ঠ।

মোক পবোৱাই কৰে কোনে ?
মোৰ লগৰীসকল পৰম সুৱাগী,
তেওঁলোকে পতিসঙ্গ পাইছে,
তেওঁলোকৰ গুণ মোৰ গাত নাই,
কাক দোষ দিম ? ইত্যাদি

মন্ত্ৰৰ বিফলতা দেখি নুৰশাহৰ আমনি লাগিল। তেওঁ বুজিলে যে বিফলতাৰ একমাত্ৰ কাৰণ হৈছে তেওঁৰ পাপেই। এনেতে পৰিচাৰিকাসকলে ঢোল বজাই গুৰুৰ আগত থিয় হ'লহি আৰু নাচি নাচি গীত গাব ধৰিলে।

গুৰুৱে তেতিয়া তলত দিয়াৰ দৰে গান এটি ৰচনা কৰিলে—

মোৰ হৃদয়ৰ আৱেগেই ভাল,
মোৰ হৃদয়ৰ আৱেগেই মন্দিৰা,
এই বিশ্ব-সংসাৰখনেই মোৰ ঢোল।
ইয়াৰ যি গীতধ্বনি, সিহে মোক স্পৰ্শ কৰে। ইত্যাদি

গুৰুৱে এই কবিতাবোৰ মাতি এটালত নুৰশাহে ধনৰ বলেৰে তেওঁক প্ৰলোভন দেখুৱাবৰ চেষ্টা কৰিলে। পৰিচাৰিকাসকলে ৰাজভাণ্ডাৰৰপৰা সোণ, ৰূপ, হীৰা, মাণিক, মুক্তা, অমূল্য বস্ত্ৰ আদি আনি গুৰুৰ পদমূলত ৰাখিলে। গুৰুৱে সকলোবোৰ তৃণবৎ মানি মৰ্দনৰ যন্ত্ৰৰ সুৰেৰে তলত দিয়াৰ দৰে গীতটো গালে—

মূৰ্খ তিৰোতা, তোৰ ইমান গৰ্ব্ব কিহৰ ?
তই নিজ ঘৰতে ঈশ্বৰৰ প্ৰেমভোগ নকৰ কিয় ?
ঈশ্বৰৰ ভয়স্বৰূপ চুৰমাৰ বেড়ী চকুত লগা
আৰু প্ৰেমৰূপ ভূষণ পৰিধান কৰ,
হৃদয় দেৱতাত যদি প্ৰেম থাকে,
তেন্তে নিজকে ভাগ্যৱতী সতী বুলি গণনা কৰিবি। ইত্যাদি

এই গীতটো শুনি নুৰশাহ আৰু লগৰীসকলে গলত কাপোৰ লৈ গুৰুৰ ভৰিত পৰিল। সিহঁতে মুক্তিৰ পথ প্ৰাৰ্থনা কৰিলে। গুৰুৱে সিহঁতক উপদেশ দিলে—"ঈশ্বৰৰ নাম-কীৰ্ত্তন কৰিবি, আন্তৰিক শ্ৰদ্ধাৰে ঘৰৰ কামবন কৰিবি আৰু মায়াবিদ্যা এৰি দিবি, তেনেহ'লে ভৱিষ্যতে সুখ হ'ব।" কথিত আছে যে সিহঁত গুৰু নানকৰ শিষ্য হ'ল আৰু মুক্তি লাভ কৰিলে।

ইয়াৰ পিছত দুই এখন ঠাইত অলৌকিক প্ৰক্ৰিয়া দেখুৱাই ব্ৰহ্মপুত্ৰ নদীৰে ভটীয়াই বঙ্গসাগৰৰ পাৰেৰে জগন্নাথ ক্ষেত্ৰলৈ গ'ল।

নৱম গুৰু তেগ বাহাদুৰৰ আগমন ভালেমান ঐতিহাসিক ঘটনাৰ লগত বিজড়িত। গুৰু তেগ বাহাদুৰ তেতিয়া পাটনাত আছিল। এদিনাখন তেওঁ উপাসনাত বহিছে, এনেতে অম্বৰৰাজ জয়সিংহৰ পুতেক ৰজা ৰামসিংহৰ দূত এজন বহুত উপঢৌকনেৰে আহি উপস্থিত হ'ল।

দূতে নিবেদন কৰিলে—"সম্রাট আউৰঙ্গজীৱে প্ৰভু ৰামসিংহক কামৰূপ ৰাজ্য আক্ৰমণ কৰিবলৈ আদেশ দিছে। যিসকলে আপোনাত শৰণ মাগে তেওঁলোকেই আপোনাৰ নাম-কীৰ্তন কৰে। এতেকে পৰম দয়া কৰি মোৰ প্ৰভুক সহায় কৰক, যেন তেওঁ কামৰূপ ৰাজ্য ল'ব পাৰে। মোৰ প্ৰভু অলপতে সোঁ-শৰীৰে আপোনাক প্ৰণাম কৰি আপোনাৰ কৰুণা ভিক্ষা কৰিবলৈ আহিব। অনুগ্ৰহ কৰি যেন তেওঁ নহালৈকে আপুনি পাটনাত থাকে।" গুৰুৱে দুয়োটা প্ৰাৰ্থনাতে মান্তি হ'ল আৰু ভৱিষ্যৎ ভাবিব ধৰিলে।

ইয়াৰ অলপ পিছতেই ৰজা ৰামসিংহও বহুত অনুচৰ লগত লৈ পাটনাত উপস্থিত হ'লহি। আহিবৰ দিনাই ভাটিবেলা গুৰুৰ ওচৰলৈ গৈ তেওঁৰ পাদমূলত দীঘল হৈ পৰিল আৰু দক্ষিণাস্বৰূপে উপহাৰ আদি দি অভয়দান মাগিলে। গুৰুৱে আশীৰ্বাদ কৰিলে।

"চৰাচৰ পৃথিৱীত ৰজা হ'লেও সুখ নাই। সুখী হ'ব লাগিলে ঈশ্বৰৰ নাম মুখত ৰাখিব লাগে। আকৌ য'ত সমূহ বিপদৰ আশঙ্কা থাকে, ঈশ্বৰৰ নামেই তোমাক ৰক্ষা কৰিব।"

গুৰুৱে তেতিয়া তেওঁক কামনা ব্যক্ত কৰিবলৈ কলত ৰজাই ক'ব ধৰিলে—"গুৰুদেৱ, আমি হিন্দুস্থানৰ ৰজাসকলে সম্রাট আকবৰৰ তলতীয়া হৈ আছিলো। কামৰূপৰ ৰজাই কেৱল বিদ্ৰোহী হৈ উঠিল আৰু তেওঁৰ কৰ্তৃত্ব নমনা হ'ল। সম্রাটে তেতিয়া ইচ্ছা প্ৰকাশ কৰিলে যে সাহসী সেনাপতি এজন গৈ যেন কামৰূপ দখল কৰা হয়।

"মুছলমান সেনাপতিসকলৰ মাজত কোনোৱে এই দুৰূহ কামৰূপলৈ আগবাঢ়ি নোলাল। এনেকি, তেওঁলোকে প্ৰচাৰ কৰি দিলে যে হাজাৰ বীৰত্ব থাকিলেও ৰজাৰ ইচ্ছা কাৰ্য্যত পৰিণত কৰা অসম্ভৱ। তথাপি তেওঁলোকে মত প্ৰকাশ কৰি কলে, যে ৰাজপুত ৰজা মানসিংহক এই বিপদ-সঙ্কুল কামলৈ পঠোৱা যুগুত। তেওঁ যদি এই যুদ্ধত মৰে, তেনেহ'লে এজন প্ৰধান শত্ৰু কম হ'ব; যদি জয়ী হৈ ফিৰি আহে। তেনেহ'লে এখন ৰাজ্য সম্রাটৰ অধীনলৈ আহিব।"

"সম্রাট আকবৰে এই প্ৰস্তাৱত মান্তি হ'ল আৰু ৰজা মানসিংহক কামৰূপ আক্ৰমণ কৰিবলৈ নিযুক্ত কৰিলে। কামৰূপৰ অধিবাসীসকলৰ হাজাৰ মন্ত্ৰতন্ত্ৰ-শক্তি সত্ত্বেও মানসিংহই তেওঁলোকক জয় কৰিলে।

"এতিয়া আকৌ কামৰূপ আৰু অসমৰ প্ৰজাসকলে বিদ্ৰোহ আচৰণ কৰিছে। তেওঁলোকক নিবন্ত্ৰ কৰিবলৈ মীৰজুমলাক পঠোৱা হৈছিল। মীৰজুমলা কৃতকাৰ্য্য হ'ব নোৱাৰিলে। তেওঁৰ সেনাবোৰো নষ্ট হ'ল আৰু নিজেও প্ৰাণ হেৰুৱালে। আউৰঙ্গজীৱৰ মন্ত্ৰীসকলে পৰামৰ্শ কৰিছে, যে এইবাৰ মোক পঠাব লাগে। জয়ী হৈ আহিব পাৰিলে সম্রাটৰেই লাভ, আৰু মৰিলেও গোটেই

ৰাজপুতনাখন তেওঁ তলতীয়া কৰি ল'ব পাৰিব। এই সংবাদ লৈ মই ঘৰলৈ ঘোৰাত ঘৰত কন্দা-কটা লাগিল। মোৰ আই আৰু ৰাণীসকলে ক'ব ধৰিলে, যে যি ঠাইলৈ গৈ মীৰজুমলাৰ নিচিনা বীৰ পুৰুষো ফিৰি আহিব নোৱাৰিলে, তাত অন্তৰ কি আশা আছে। কামৰূপ জয় কৰিবলৈ যিমান বীৰ পুৰুষ পঠোৱা হৈছিল, ৰজা মানসিংহত বাজে কোনোৱে ফিৰি আহিব পৰা নাই। তেতিয়া মই উভয়সংকট বুজিব পাৰিলো। ৰাজাজ্ঞা নামানিলেও প্ৰাণ যায়, আৰু মানিলেও প্ৰাণ যায়। এনেতে প্ৰধানা মহিষীয়ে এই বিপদৰপৰা সাৰিবৰ উপায় দিলে। তেওঁ ক'লে—"মোৰ পিতৃকুল গুৰু নানকৰ মতবৰ্তী শিখ। গুৰুৰ আসনত এতিয়া গুৰু তেগ বাহাদুৰ বহিছে। তেওঁৰ সহায় আৰু আশীৰ্বাদ প্ৰাৰ্থনা কৰাগৈ, তোমাৰ চেষ্টা ফলৱতী হ'ব। গুৰুসকলৰ অপাৰ মহিমা! গুৰু হৰগোবিন্দই জাহাঙ্গীৰৰ দিনত গোৱালিয়ৰ দুৰ্গৰপৰা ৫২ জন বন্দীক মুক্তি দিয়ায়। তেতিয়াৰ পৰাই ৰাজপুতসকলৰ গুৰু শিখ।"

"গুৰুদেৱ! ৰাণীৰ এই উপদেশ শুনি আপোনাৰ শৰণাগত হ'লোঁ। মোক অভয়দান দিয়ক।"

গুৰুৱে অলপ হাঁহি ৰজাক ক'লে—ঈশ্বৰৰ নামেই সকলো ৰোগৰ ঔষধ। সদায় ঈশ্বৰক মনত ৰাখিবা। গুৰু নানকে তোমাক সহায় কৰিব আৰু তুমি কামৰূপ জয় কৰিবা।"

গুৰুৰ আশীৰ্বাদত ৰজা উৎফুল্ল হ'ল; তেওঁ গুৰুৰ ওচৰত দীক্ষা ল'লে আৰু প্ৰসাদ বিলাই দিলে। পিছদিনা গৈ গুৰুক অনুৰোধ কৰিলে, যেন তেওঁও অনুগ্ৰহ কৰি কামৰূপলৈ ওলায়। তেওঁ লগত থাকিলে জয় নিশ্চিত। গুৰুৱেও তাত মান্তি হ'ল। তেওঁ দেখিলে যে ৰজাৰ লগত গ'লে শিখ ধৰ্ম প্ৰচাৰ কৰিবৰ বহুত সুবিধাই হ'ব।

গুৰু ৰজাৰ লগত ওলাল। মুংগেৰ ৰাজমহল, মালদহ আদি নানা ঠাইৰে ঘূৰি আহি ঢাকাত উপস্থিত হ'ল। আৰু তাৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰৰ ৰঙামাটিত আহি শিবিৰ পাতিলে। কামৰূপৰ ৰজাই ৰামসিংহ অহা বুলি শুনি প্ৰতিজ্ঞা কৰিলে যে, তেওঁৰ সৈন্য ধ্বংস কৰিব। কামৰূপৰ ৰজাই মন্ত্ৰশক্তিৰে তান্ত্ৰিক ক্ৰিয়া আৰম্ভ কৰিলে; কিন্তু কোনো মন্ত্ৰই ফল নধৰিলে। যেনেকৈ মহাবিদ্যাৰ জ্যোতিত অজ্ঞান দূৰীভূত হয়; তেনেকৈ 'তান্ত্ৰিক ক্ৰিয়াবোৰ মলিন হৈ যাব ধৰিলে। ৰজাই ক্ষুণ্ণ হৈ ৰাজ্যৰ মাইকী মানুহবোৰক জান দি মাতি আনিলে। তেওঁলোকৰ মায়া বিদ্যায়ো গুৰুৰ আগত কোনো ফল নধৰিলে। ৰজাৰ বিশ্বাস দৃঢ় হ'ল; সৈন্যসকলৰ মাজত কোনোবা মহাপুৰুষ আছে আৰু তেওঁৰ জ্যোতিত সকলো মন্ত্ৰ-শক্তি পৰাভূত হ'ব লাগিছে। তেতিয়া তেওঁ কামাখ্যা দেৱীৰ মন্দিৰলৈ গৈ পূজা-পাতল দিলে আৰু পুৰোহিতসকলৰপৰা আশীৰ্বাদ ল'লে। তাৰ পিছত ৰামসিংহক পৰাজয় কৰিবলৈ উপায় ভাবিবলৈ ধৰিলে।

"কামৰূপৰ ৰজাই শত্ৰু সংহৰণৰ উপায় উদ্ভাৱন কৰিলে। ব্ৰহ্মপুত্ৰ নদীত বান্ধ বান্ধি ৰামসিংহৰ সৈন্যবোৰ উটাই দিবৰ বন্দোবস্ত কৰিলে। গুৰুৱে যথা সময়ত এইটো ৰামসিংহক জনাই শিবিৰ তুলিবলৈ আজ্ঞা দিলে। সৈন্যবোৰে শিবিৰ তুলি আন ঠাইত পাতিলে। কিন্তু কিছুমান মুছলমান

সৈন্যই গুৰুবাক্য অৱজ্ঞা কৰি আগৰ ঠাই নেৰাত, ব্ৰহ্মপুত্ৰৰ সোঁতে তেওঁলোকক উটাই নিলে। ৰাজমাৱে ৰাতি সপোনত দেৱী কামাখ্যাক দেখিলে। দেৱীয়ে সপোনতে ক'লে—"ৰাজমাৱ! এই যুগত গুৰু নানকৰ অৱতাৰ হৈছে। তেওঁৰ আসনত নৱম গুৰু তেগ বাহাদুৰ বহিছে। তেওঁ এতিয়া ৰামসিংহৰ গুৰু-স্বৰূপে ইয়ালৈ আহিছে। এই যুগত গুৰুসকল সৰ্বশক্তিমান। তেওঁলোকৰ বিপৰীত আচৰণ কোনোৱে কৰিব নোৱাৰে। তেওঁৰ ওচৰলৈ গৈ ক্ষমা ভিক্ষা কৰি পাপৰ-পৰা মুক্তি মাগিব লাগে। তেনেহ'লেহে তোমাৰ ৰাজ্য চিৰকলীয়া হ'ব। নহ'লে তোমালোকৰ বিপদ উপস্থিত।"

"ৰাজমাৱে সকলো বৃত্তান্ত ৰজাক কোৱাত, ৰজাই অনেক উপহাৰ-দ্ৰব্য লগত লৈ গুৰুৰ শিবিৰত উপস্থিত হ'লহি। পদানত হৈ দেৱীৰ আজ্ঞা জনালে, আৰু প্ৰাৰ্থনা কৰিলে যেন গুৰুৱে মুছলমান-সকলৰ হাতৰপৰা ৰক্ষা কৰে। গুৰুৱে সান্ত্বনা দি ক'লে, যে ৰজা ৰামসিংহ বৰ ধাৰ্মিক পুৰুষ, তেওঁক ভয় কৰিবৰ কোনো কাৰণ নাই। তেওঁৰ ৰাজত্ব যাউতিযুগীয়া হ'ব। ৰামসিংহৰ লগত তেওঁৰ কথাবাৰ্তা হ'ব লাগে। আৰু মুছলমানসকলৰ লগত দেখা-শুনা নকৰিলেও হ'ব। গুৰুৰ মত শুনি ৰজাই ৰং পালে আৰু ৰজা ৰামসিংহক লগত লৈ গুৰুক নিজ ৰাজধানীলৈ মাতিলে। গুৰুৱে একো নামাতি তেওঁক বিদায় দিলে। গুৰুৱে ৰজা ৰামসিংহৰ ওচৰলৈ গৈ সকলো কথা জনালে। সৈন্যসকলকো যুজাই-বঢ়াই সন্ধি-প্ৰস্তাৱত মান্তি কৰালে। গুৰুৱে ৰামসিংহ আৰু এক হাজাৰ ৰাজপুত চিপাহী লগত লৈ সৰু নদী এখন পাৰ হৈ কামৰূপৰ ৰাজধানীত গৈ উপস্থিত হ'ল। ৰজাই আহি সসম্মানে আগবঢ়াই নিলে। গুৰু মাজত আৰু দুয়ো ৰজা কাষত বহিল। গুৰুৰ আদেশমতে দুয়ো ৰজাই বন্ধুত্বৰ সাক্ষী-স্বৰূপে মূৰৰ টুপী সাল-সলনি কৰিলে। কামৰূপৰ ৰজাই গুৰুদেৱৰ অহাৰ চিন-স্বৰূপে তেওঁৰ ওচৰত কিবা অভিজ্ঞান খুজিলে। হাতত তীৰ-ধনু লৈ গুৰুদেৱে পিপল গছ এডালক লক্ষ্য কৰি তীৰ মাৰিলে। গছ বিন্ধি কাঁড় ওলাই গ'ল। এইয়ে তেওঁ অহাৰ চিন বুলি গুৰুৱে ক'লে। তাৰ পিছত তত্ত্বজ্ঞান উপদেশ দিলে। ঈশ্বৰৰ নাম সদায় ল'ব লাগে আৰু ভক্তসকলক আদৰ কৰিব লাগে, বিপদত পৰিলে ঈশ্বৰত সহায় খুজিব লাগে আৰু গুৰু-বাক্যত আস্থা ৰাখিব লাগে। ভুলক্ৰমেও শ্মশানপূজা, দেৱালয়পূজা বা দেৱ-দেৱীৰ পূজা কৰিব নালাগে। সদায় ধাৰ্মিকসকলৰ লগত থাকিব লাগে। তাৰ পিছত গুৰুৱে তৰোৱাল এখন মাটিত পুতি দুয়ো ৰজাকে সম্বোধন কৰি ক'লে—"এই তৰোৱালৰ ইফালৰ মাটি সম্ৰাটৰ আৰু আন ফালৰ মাটি কামৰূপ ৰজাৰ। ইয়ানতে দুয়ো ৰজাৰ শত্ৰুতা নিবাৰণ হওক।" এইদৰে গুৰুৱে ৰক্তপাত নিবাৰণ কৰিলে। কামৰূপৰ ৰাজধানী ধুবুৰীত গুৰুদেৱে ৰামসিংহৰ কৰ্মচাৰীসকলক জনালে যে গুৰু নানক আহি সেই ঠাইক তেওঁৰ ভৰিৰ ধূলিৰে পবিত্ৰ কৰিছিল। গুৰু তেগবাহাদুৰে ইচ্ছা প্ৰকাশ কৰিলে, যে প্ৰত্যেক চিপাহীয়ে পাঁচচাল ভৰা মাটি আনি শিখ ধৰ্ম প্ৰতিষ্ঠাপক গুৰু নানকৰ স্মৃতিৰ নিমিত্তে ইয়াতে দ'ল এটা বান্ধক। ৰামসিংহৰ চিপাহী সকলোৱে ইয়াত যোগ দি অলপ সময়ৰ ভিতৰতে দ'ল এটা

বাদ্ধি পেলালে। গুৰুদেৱে তাৰ ওপৰত চান্দ এখন টনালে। গুৰুদেৱৰ শিষ্য কিছুমান কামৰূপত বৈ গ'ল, আৰু তেওঁলোকৰ সতি-সন্ততি এতিয়াও ধুবুৰী আৰু চোতলা অঞ্চলত আছে।

"গুৰুদেৱে কিছুমান দিন বিশাল ব্ৰহ্মপুত্ৰৰ তীৰত থাকিল। তেওঁৰ গৌৰৱ সকলোফালে ছানি পৰিল। অসম অধিপতি ৰাজাৰামে তেওঁৰ গৰিমা শুনি প্ৰণাম কৰিবলৈ আহিল। ৰাজাৰামৰ সন্তান নাই, তেওঁ পুত্ৰ কামনা কৰিলে। ৰাজাৰামে শিখগুৰুৰ দৰ্শন লাভ কৰি আনন্দ প্ৰকাশ কৰিবৰ সময়ত অলপ লাজ কৰিলে, গুৰুদেৱে মনোভাৱ বুজি লৈ উৎসাহ দিয়াত ৰজাই পুত্ৰ লাভ বৰ মাগিলে। উত্তৰ-স্বৰূপে গুৰুদেৱে আঙঠি এটা হাতত লৈ ৰজাৰ উৰুত আঙঠি চিন বহুৱাই দি ক'লে—"এই আঙঠিৰ চিন তোমাৰ পুত্ৰৰ কপালত থাকিব। ইয়াৰপৰাই বুজিবা, যে গুৰু নানকৰ কৃপাত তোমাৰ পুত্ৰলাভ হ'ল। তোমাৰ পুত্ৰক শিখ ধৰ্মত দীক্ষিত কৰিবা।" ইয়াৰ পিছত ৰজাই গুৰু-পদজল পান কৰি শিখ ধৰ্ম লৈ নিজৰ ৰাজধানীলৈ ফিৰি গ'ল। এনেতে পাটনাৰপৰা দূত আহি গুৰুদেৱক জনালে, যে তেওঁৰ পুত্ৰ এটি উপজিছে। তেওঁৱেই দশম শিখগুৰু গোবিন্দসিংহ। এই সংবাদত সকলোৱে আনন্দিত হ'ল আৰু ৰামসিংহৰ আদেশমতে সৈন্যসকলে মহা সমাৰোহেৰে জন্মোৎসৱ পালন কৰিলে।

"ইয়াৰ পিছত ৰামসিংহৰ লগত গুৰুদেৱ পাটনালৈ উভতি গ'ল। গুৰুৰ স্ত্ৰীয়ে কামৰূপৰ কিমান ভিতৰলৈ যোৱা হৈছিল বুলি সোধাত গুৰুৱে উত্তৰ দিলে—গুৰু নানক যিমান দূৰলৈ গৈছিল। তেওঁ আৰু ক'লে যে গুৰু নানকে ধুবুৰীত এবাৰ ধৰ্ম ব্যাখ্যা কৰিছিল, সেই দেখি তাতে দ'ল এটা বন্ধাই মন্দিৰ থাপনা কৰা হৈছে। তেওঁৰ শিষ্য কিছুমানক মন্দিৰ ৰক্ষা কৰিবলৈ আৰু ধৰ্ম প্ৰচাৰ কৰিবলৈ এৰি অহা হৈছে।" (Maeauliffe : *History of Sikh Religion*, 1909 : Vol. I. p. 73. Vol. IV. pp. 354 et. Seq.)

৩২ ইন্দ্ৰজাল-বিদ্যা
॥ গ ॥ মোগল ইতিহাসৰ বিবৰণ

হিন্দুস্থানৰ মানুহে অসমীয়াক ঐন্দ্ৰজালিক আৰু যাদুকৰ বুলি কয়। কোনো মানুহে এই দেশলৈ আহিলে, তাৰ ভেৰা লাগে আৰু ইয়াৰপৰা ওলাই যাব নোৱাৰে। কামাখ্যা, লুণাচুমাৰী আৰু ইছমাই যোগীৰ মন্দিৰ, যাদু আৰু ইন্দ্ৰজালৰ বাবে বিখ্যাত।

'বাহাৰিস্থান' নামে গ্ৰন্থত 'কুন্তাঘাট পৰগণাৰ বিষয়ে এইদৰে আছে—যদি কোনো ৰায়তৰ হাতৰপৰা বলাৎকাৰ কৰি আন এজনে কুকুৰা এটি লৈ যায়, তেনেহ'লে ৰায়তজনে গোচৰ কৰি যদি সুবিচাৰ নাপায়, তেনেহ'লে গুচৰীয়া ৰায়তে মন্ত্ৰেৰে পদকীয়াৰ মুখেৰে কুকুৰাৰ ৰাৱ উলিয়াব পাৰে। আৰু এইদৰে পদকীয়াৰ কথাৰ আসৈ প্ৰমাণ কৰিব পাৰে। যদি কোনো পিয়াদাই খাজনা

তুলিবলৈ গৈ মদ, ভাং খাই ভূপৰ বাতি বায়ুভৰপৰা মাছ বিচাৰে, আৰু মাছৰ বাবে বায়ুভক অত্যাচাৰ কৰে, তেনেহ'লে বায়ুতে আম গছৰ পাত কিছুমান আনি তাৰ ওপৰত মন্ত্ৰ মাতে, তেতিয়া পাতবোৰে মাছৰ আকৃতি লয়। সেইবোৰক যেতিয়া কেৰাহীত ভজা হয়, তেতিয়া মাছ গুচি তেজ হয়। তাকে খালে মানুহ মৰে।

মহম্মদ জমান বোলা পিয়াদা এজনৰ এইদৰে ভেকী লাগিলত সি দুই তিনি দিনলৈ কুকুৰ, মেকুৰীৰ দৰে গুঁজৰি আছিল, তাৰ পিছত মৰিল।

অসমীয়াবোৰৰ নিয়ম আছে যে যুঁজলৈ যোৱাৰ আগদিনাখন সিহঁতে পূজা এপালি কৰে। সিহঁতে ভেল এখনত শত্ৰুৰ ফালে যোৱা সোঁতত কিছুমান ভৌতিক বস্তু পঠিয়ায়, যদি ভেলখন শত্ৰুৰ মুৰাকৈ উটি যায়, তেনেহ'লে সেইটো শুভ লক্ষণ। যদি সোঁতৰ ওভোতা মুখে উজাই যায়, তেনেহ'লে, এইটো অশুভ লক্ষণ বুলি সিহঁতে যুঁজলৈ নাযায়। হাজোৰ যুদ্ধৰ সময়ত সিহঁতে এইদৰে কলৰ ভেল এখনত পূজা কৰি উটাই দিছিল। ভেলত এটি বলি দিয়া ক'লা মানুহৰ মূৰ, এটি ক'লা কুকুৰৰ মূৰ, এটি ক'লা মেকুৰীৰ মূৰ, এটি ক'লা গাহৰিৰ মূৰ, এটি ক'লা গাধৰ মূৰ, এটি ক'লা বান্দৰৰ মূৰ, এটি ক'লা ছাগলীৰ মূৰ আৰু এটি ক'লা পাৰৰ মূৰ। ভেলত এই আটাইবোৰ মূৰ গোটা খুৱাই তাৰ লগত পকা কল, তামোল, পাণ, সৰিয়হ, বগা পিঠাগুড়ি আদি নানান সম্ভাৰেৰে লগ লগাই ভেলখন উটাই দিয়া হ'ল। যদিও সিহঁতে সোঁতৰ লগে লগে ইয়াক ভটিয়াই দিবলৈ চেষ্টা কৰিছিল, ভেলখন কিন্তু সিহঁতৰ ফালেহে উজাই গৈছিল। মন্ত্ৰই যেতিয়া বিপৰীত লক্ষণ প্ৰকাশ কৰিলে, সিহঁতৰ মন হতাশ হ'ল আৰু যুঁজলৈ অহা নিষ্ফল যেন ভাবিলে। কিন্তু হ'ত হেজাৰ হেজাৰ প্ৰজাৰ জীৱন-মৰণৰ সমস্যা, তাত সিহঁতক যুঁজিবলৈ ৰজাঘৰৰপৰা বাধ্য কৰা হ'ল। (M. I. Borah : *Five Lectures on the History of Assam as told by Muslim Historians.* 1938, p. 49)।

৩৩ বিষ্ণু-মাহাত্ম্য

'কালিকা-পুৰাণ' আৰু 'যোগিনী-তন্ত্ৰ' দুয়ো গ্ৰন্থতেই অশেষ দেৱ-দেৱীৰ পূজাৰ ক্ৰম আছে। তাৰে প্ৰধান প্ৰধান প্ৰক্ৰিয়াবোৰৰ চুম্বকভাৱে ওপৰত উল্লেখ কৰা হৈছে।

কিন্তু দুয়োখন গ্ৰন্থৰ সমাপ্তি হৈছে বিষ্ণুৰ শ্ৰেষ্ঠত্ব কীৰ্তনত। দুয়ো গ্ৰন্থকাৰ নিজা দৃষ্টিৰ ফালৰপৰা বৈষ্ণৱ মতাৱলম্বী আছিল যেন লাগে যদিও, গ্ৰন্থকাৰ হিচাপে নানান অবৈদিক প্ৰক্ৰিয়াৰ বৰ্ণনা কৰিব লগা হৈছিল।

'কালিকা-পুৰাণ' ৰচয়িতাই বশিষ্ঠৰ মুখেৰে কোৱাইছে যে কামৰূপত ম্লেচ্ছাচাৰ চলিব আৰু

দেৱীও বাম্য পূজাহে ভোগ কৰিব। আৰু স্বয়ং বিষ্ণুও এই ঠাইলৈ পুনৰায় নাহে মানে বামাচাৰ প্ৰতিপাদক আগম শাস্ত্ৰবোৰ বিৰল হ'ব।

স্বয়ং বিষ্ণুর্ন চায়াতি যাবৎ স্থানমিদং পুনঃ।
বিৰলাশ্চাগমাঃ সন্তু য এতৎ প্ৰতিপাদকাঃ॥ (৮৪।২৩)

স্বয়ং মহাপুৰুষ শঙ্কৰদেৱৰ মতেও 'কালিকা-পুৰাণ' বিষ্ণু-মাহাত্ম্য প্ৰতিপাদক গ্ৰন্থ। 'গুৰু-চৰিত'ত আছে মহাপুৰুষে যেতিয়া দ্বিতীয়বাৰ কোচবিহাৰলৈ যাবলৈ ওলাল, নাৰায়ণ ঠাকুৰৰ তত্বাৱধানত তেওঁৰ লাগতিয়াল বস্তুৰে নাও বোজাই কৰা হ'ল।

সকলো বয়বস্তু নাৱত উঠিছে কিন্তু অৰুণমানি পুথি এখনহে নাৱত আছে। ঠাকুৰে মহাপুৰুষক নিবেদন কৰিলে যে নাৱত পুথি দেখোন নাই; বামুণসকলে বাদ কৰিলে কি হ'ব? মহাপুৰুষে ক'লে, সেই অৰুণমানি পুথিখনেই সকলো বাদ খণ্ডন কৰিব পাৰে। তথাপি যদি পুথি লাগে—

সমস্তে পুস্তক আছে বজাৰ ঘৰত।
কৃষ্ণদেৱ শ্ৰেষ্ঠ দেখাইবো সমস্তত॥
শুনিয়া ঠাকুৰে বুলিলন্ত শঙ্কৰক।
প্ৰতিপক্ষে যদি সিটো দেখায়ে শাস্ত্ৰক॥
কালিকাপুৰাণ যদি আনি দেখাৱয়।
তেবে বা কি হৈবে বাপ কহিয়ো নিৰ্ণয়॥
শঙ্কৰে বোলন্ত শুনা মোৰ অভিপ্ৰায়।
কালিকাপুৰাণে দেখাইবোহো তিনি ঠাই॥
আনো শাস্ত্ৰ সমস্তত হৰিকেসে কয়।
সমস্তে শাস্ত্ৰৰ জানা এহিসে নিৰ্ণয়॥ (দ্বিজ ৰামানন্দৰ গুৰু-চৰিত)

'কালিকা-পুৰাণ'ত বিষ্ণু-মাহাত্ম্যসূচক বহুত বচন আছে। যেনে—সৰ্বশ্ৰেষ্ঠো যথা বিষ্ণুৰ্লক্ষ্মীঃ সৰ্বোত্তমা যথা (৬০।৪১) ইত্যাদি। কিন্তু মহাপুৰুষে কোন তিনি ঠাইলৈ আঙুলিয়াইছিল সেইটো নিৰ্ণয় কৰিবৰ সাহস আমাৰ নাই।

মুঠতে কামৰূপী প্ৰজাৰ উদ্ধাৰৰ বাবে বশিষ্ঠই "স্বয়ং বিষ্ণু" লৈ বাট চাব দিছে। বিষ্ণু নাহে মানে সকলো পীঠ শাপযুক্ত হৈ থাকিব। আৰু বিষ্ণু আহিলতো পীঠবোৰ শাপমুক্ত হৈ যাতে দেৱতা আৰু মানুহৰ আশ্ৰয়-থল হ'ব নোৱাৰে, তাৰ বাবে ব্ৰহ্মাই উপায় উদ্ভাৱনা কৰিলে।

আগতেঽপি হৰৌ মুক্তে শাপাৎ পীঠে ফলপ্ৰদে।
যথা ন সম্যক্ স্থাস্যন্তি তৎপীঠে দেব মানুষাঃ॥
গুপ্তয়ে সৰ্ব্বকুণ্ডানাং ব্ৰহ্মোপায়ং তথাকৰোৎ। (৮৪।২৮-২৯)

এই উপায় হৈছে ব্ৰহ্মাৰ পুত্ৰ লৌহিত্য নদীৰ অৱতাৰণ।

শান্তনু নামে মুনিৰ অমোঘা নামৰ ভাৰ্যা আছিল। ব্ৰহ্মাৰ ঔৰসত তেওঁৰ গৰ্ভৰপৰা জলময় সন্তান এটি প্ৰসৱ হ'ল। শান্তনু মুনিয়ে সেই জলময় শিশু পুত্ৰটি চাৰিখন পৰ্বতৰ মাজৰ ঘুলি এটাত থৈ দিলে। এই চাৰিওফালৰ পৰ্বতবোৰ—উত্তৰে কৈলাস, দক্ষিণে গন্ধমাদন, পুবে সমৰ্ত্তকাদি পাহাৰমালা, পশ্চিমে জাৰুধি পৰ্বত। এই চাৰিও পৰ্বতৰ মাজত থৈ দিয়া জলময় ব্ৰহ্মপুত্ৰ দিনে দিনে শুক্লপক্ষৰ জোনৰ দৰে বাঢ়িব ধৰিলে। আৰু শেষত গৈ বিশাল হ্ৰদ এটিত পৰিণত হ'ল।

এনেতে বিষ্ণুৰ অৱতাৰ পৰশুৰামে মাতৃ-হত্যা পাপৰপৰা নিষ্কৃতিৰ বাবে বাপেকৰ আদেশমতে ব্ৰহ্মকুণ্ডত স্নান কৰিবলৈ আহিল। তেওঁ পাপমুক্ত হ'লত, কুণ্ডৰ মাহাত্ম্যত তেওঁৰ প্ৰত্যয় উপজিল আৰু কুঠাৰেৰে বাট মুকলি কৰি ব্ৰহ্মপুত্ৰক বোৱাই দিলে—"বীথীং পৰশুনা কৃত্বা ব্ৰহ্মপুত্ৰমবাহয়ৎ।" সেই সোঁত কামৰূপ ৰাজ্যৰ মাজেৰে বৈ আহি সকলো তীৰ্থ গোপন কৰি দক্ষিণ সাগৰত গৈ পৰিল। সেই নৈৰ নাম হ'ল লোহিত গঙ্গা। লোহিত হ্ৰদৰপৰা ওলাইছে বুলি তেতিয়াৰপৰা নামকৰণ হ'ল লোহিত—

কামৰূপান্তৰং পীঠমবাহয়দমুং হৰিঃ॥
তস্য নাম স্বয়ঞ্চক্ৰে বিধিৰ্লোহিতগঙ্গকম্।
লোহিতাৎ সৰসো জাতো লোহিতাখ্যস্ততোঽভবৎ॥
স কামৰূপমখিলং পীঠমাপ্লাব্য বাৰিণা।
গোপয়ন্ সৰ্ব্বতীৰ্থানি দক্ষিণং যাতি সাগৰম্॥ (৮৫।৩২-৩৪)

তীৰ্থবোৰ বেলেগে জানিবৰ উপায় নাই। মানুহে কেৱল লোহিত্য বুলি জানি স্নান কৰিলেই লৌহিত্য-স্নানৰ ফল পায়। আৰু কোনোবাই যদি বেলেগ বেলেগ তীৰ্থৰ বিশেষত্ব জানি ব্ৰহ্মপুত্ৰত স্নান কৰে, তেন্তে তেওঁ সেইবোৰ তীৰ্থ দৰ্শনৰ ফল লাভ কৰে।

স তু ব্ৰহ্মসুতো ধীৰঃ প্লাবয়ন্ কুণ্ডসঞ্চয়ান্।
আচ্ছাদ্য সৰ্ব্বতীৰ্থানি ভুবি গুপ্তানি চাকৰোৎ॥
লৌহিত্যমাত্ৰং যে কেচিজ্জানন্তি তত্ৰ বৈ নৰাঃ।
তে লৌহিত্যস্নানফলং প্ৰাপ্নুবন্তি সুনিশ্চিতম্॥
ন জানন্তি চ কুণ্ডানি নাপি তীৰ্থানি চান্যতঃ।
বশিষ্ঠশাপাদেতত্তু প্ৰবৃত্তং তীৰ্থগোপনম্॥
যঃ কশ্চিত্তত্ৰ জানাতি তীৰ্থানাঞ্চ বিশেষতাম্।
সমৱাপ্নোতি তৎস্নানফলং সম্যক্ নৰোত্তম্॥
সৰ্ব্বা নদী সমাপ্লাব্য সৰ্ব্বতীৰ্থানি সৰ্ব্বতঃ।
লৌহিত্যো ব্ৰহ্মণঃ পুত্ৰো যাতি দক্ষিণসাগৰম্॥ (৮৪।৩৩)

কামৰূপৰ বুকেৰে লৌহিত্য বৈ যোৱাৰ কল্পনা উত্তৰ ভাৰতৰ বুকেৰে গঙ্গা বৈ যোৱাৰ কল্পনাৰ অনুৰূপ।

'মহাভাৰত'ত কামৰূপৰ তীৰ্থৰ ভিতৰত লৌহিত্য, কৰতোয়া আৰু উৰ্ব্বশীৰ উল্লেখ আছে। লৌহিত্য তীৰ্থ পৰশুৰামৰ প্ৰভাৱৰপৰা হোৱা বুলি আছে। এই মূলকেই অৱলম্বন কৰি হ'বলা পৰশুৰামৰ দ্বাৰা লৌহিত্যৰ অৱতাৰণাৰ উপাখ্যান সৃষ্টি হৈছে।

ৰামস্য চ প্ৰভাবেণ তীৰ্থং ৰাজন্ কৃতং পুৰা।
তল্লৌহিত্যং সমাসাদ্য বিন্দ্যাদ্বহুসুবৰ্ণকম্ ॥
কৰতোয়াং সমাসাদ্য ত্ৰিৰাত্ৰোপষিতো নৰঃ।
অশ্বমেধমবাপ্নোতি প্ৰজাপতি কৃতো বিধিঃ ॥ (বনপৰ্ব্ব ৮৫।২-৩)

উৰ্ব্বশীং কৃত্তিকাযোগে গত্বা চৈব সমাহিতঃ।
লৌহিত্যে বিধিবৎ স্নাত্বা পুণ্ডৰীকফলং লভে ॥ (অনুশাসন ২৫।৪৬)

এই দৰে স্বয়ং বিষ্ণুৰ দ্বাৰা অৱতাৰিত লৌহিত্যৰ পুণ্যজলৰ কাহিনীৰে 'কালিকা-পুৰাণ'ৰ সমাপ্তি হৈছে।

৩৪ হয়গ্ৰীৱ-মাহাত্ম্য

'যোগিনী-তন্ত্ৰ'ৰ গ্ৰন্থকাৰ নিজে বৈষ্ণৱ মতাৱলম্বী যেন লাগে। কিয়নো ঠায়ে ঠায়ে তেওঁ বিষ্ণুক সৰ্বশ্ৰেষ্ঠ দেৱতা বুলি ঘোষণা কৰিছে।

কামৰূপে যথা বিষ্ণুঃ সৰ্ব্বশ্ৰেষ্ঠো মহেশ্বৰি।
কামৰূপে তথা দেবীপূজা সৰ্ব্বোত্তমা স্মৃতা ॥ (২।৬।৪৯)
যথা নাৰায়ণঃ শ্ৰেষ্ঠো দেবানাং পুৰুষোত্তমঃ। (২।৪।৩৭)

সম্ভৱতঃ বিষ্ণুমতাৱলম্বী হোৱাৰ কাৰণেই গ্ৰন্থকাৰে অশ্বক্ৰান্ত তীৰ্থ (২।৪।৩৫) আৰু অপুনৰ্ভৱৰ (হাজো) হয়গ্ৰীৱ ক্ষেত্ৰৰ (২।৯।২২) অতি সুদীৰ্ঘ বৰ্ণনা আৰু মাহাত্ম্য প্ৰকাশ কৰিছে। পৃথিৱীত যিমান তীৰ্থ আছে, সকলোৰে মাহাত্ম্য সংগ্ৰহ কৰি এই ক্ষেত্ৰ ৰচনা কৰা হৈছে।

সংস্কৃত গ্ৰন্থত পুৰণি অসমীয়া নগৰ এখনৰ কাব্যিক ৰীতিৰে বৰ্ণনা অতি কৌতূহলজনক যদিও, বৰ্ণনা গতানুগতিকভাৱে কৰা হৈছে। তলত মূল আৰু ভাঙনি দিয়া হ'ল -

নীলৈঃ ৰক্তৈস্তথা শুভ্ৰৈঃ প্ৰাসাদৈৰুপশোভিতম্।
ৰক্ষিতং শাস্ত্ৰসংঘৈশ্চ পৰিখাভিৰলঙ্কৃতম্ ॥
সিতৰক্তৈস্তথা পীতৈঃ কৃষ্ণৈশ্চান্যৈশ্চ বৰ্ণকৈঃ।

ধূম্ৰৈঃ সমীৰণৈধূমৈঃ পতাকৈশ্চ স্বলঙ্কৃতম্ ॥
নিত্যোৎসৱপ্ৰমুদিতং নানাবাদিত্ৰনিঃস্বনম্ ।
বীণাবেণুমৃদঙ্গৈশ্চ ক্ষেপনীভিৰলঙ্কৃতম্ ॥
দৈবতায়তনৈৰ্দিব্যৈঃ প্ৰকৃষ্টোদ্যানমণ্ডিতৈঃ ।
পূজা বৈচিত্ৰ্যৰচিতৈঃ সৰ্ব্বতঃ সমলঙ্কৃতম্ ॥
স্ত্ৰিয়স্তত্ৰ প্ৰমুদিতা দৃশ্যন্তে তনুমধ্যমাঃ ।
হাৱভাৱাঞ্চিতগ্ৰীবাঃ পদ্মপত্ৰায়তেক্ষণাঃ ॥
পীনোন্নতকুচদ্বন্দ্বাঃ পূৰ্ণচন্দ্ৰসমাননাঃ ।
স্থিৰালকাঃ কপোলাঢ্যাঃ কাঞ্চীনূপুৰনাদিতাঃ ॥
সুকল্পচাৰুজঘনাঃ কৰ্ণান্তায়তলোচনাঃ ।
নানাজলাশয়ৈশ্চান্যৈঃ পদ্মিনীশতমণ্ডিতৈঃ ॥
সৰোৱৰৈৰ্মনোজ্ঞৈশ্চ প্ৰসন্নসলিলৈস্তথা ।
কুমুদৈঃ পুণ্ডৰীকৈশ্চ তথা নীলোৎপলৈ শুভ্ৰৈঃ ॥
কদম্বৈশ্চক্ৰবাকৈশ্চ তথৈব জলকুক্কুটৈঃ ।
কাৰণ্ডৱোৎকবৈৰ্হংসৈস্তথৈব স্থলচাৰিভিঃ ॥
এবং নানাবিধৈৰ্বৃক্ষৈঃ পুষ্পৈৰ্নানাবিধৈঃ ৰবৈঃ ।
নানাজলাশয়ৈশ্চান্যৈঃ শোভিতং তৎ সমন্ততঃ ॥
তীৰ্থমপুনৰ্ভবং নাম তস্মিন্ ক্ষেত্ৰে বৰাননে ।
আস্তে তত্ৰ স্বয়ং দেবো হয়গ্ৰীবো জনাৰ্দ্দনঃ । (২।৯।২২-৩৪)

অপুনৰ্ভৱ ক্ষেত্ৰ—নীল, ৰঙা আৰু বগা অট্টালিকাৰে শোভিত। চাৰিওফালে পৰিখা আৰু শস্ত্ৰেৰে সংৰক্ষিত। বগা, সেউজীয়া, ক'লা আৰু আন ৰঙৰ পতাকাৰে ধুঁৱলীয়া বতাহেৰে অলঙ্কৃত। তাত বিচিত্ৰ পূজাৰ সমাৰোহেৰে ভূষিত দিব্য দেৱ-মন্দিৰ আৰু উত্তম উদ্যানবোৰ আছে।

তাৰ তিৰোতাবোৰ সদায় প্ৰফুল্ল। সিহঁতৰ কঁকাল সৰু, গলত হাৰৰ শোভা আৰু চকু পদুম পাতৰ দৰে আয়ত। বুকু ওখ, মুখখন যেন পূৰ্ণিমাৰ জোন। চুলিৰ খোপা থিয়, কপাল বহল, জঘনমণ্ডলত মেখলা আৰু নেপুৰ, চকুযুৰি কাণলৈ বৈ যোৱা। তাত নানান সৰোবৰ, সেইবোৰত পদ্মফুলে শোভা কৰিছে। তাৰ পানী সদায় নিৰ্মল। সেইবোৰত ভেঁট, পদুম, নীল-পদুম আদিয়ে শোভা কৰিছে ; কদম্ব, চকোৱা, পানী-কাউৰী আদি চৰাইৰ মাতেৰে মুখৰিত। এইদৰে নানাবিধ শব্দ, নানাবিধ গছ, নানাবিধ সৰোবৰেৰে শোভিত—অপুনৰ্ভৱ ক্ষেত্ৰ আছে। তাত স্বয়ং হয়গ্ৰীৱ জনাৰ্দন উপস্থিত আছে।

পৃথিৱীত যিমান তীৰ্থ, সৰোবৰ, কুণ্ড আদি আছে সেইবোৰৰপৰা পানী বেলেগে বেলেগে সংগ্ৰহ

কৰি গণদেৱতাসকলেৰে সৈতে কদ্ৰ আৰু সোমদেৱতাই এই তীৰ্থ সজাইছে। ইয়াত সকলো কামনাৰ অন্ত হয়, সেই কাৰণে ইয়াৰ নাম 'অপুনৰ্ভৱ'—"পুনৰ্জন্ম নোহোৱা।"

পৃথিব্যাং যানি তীৰ্থানি সৰিতশ্চ সৰাংসি চ।
পুষ্কৰিণ্যস্তড়াগাণি বাপ্যঃ কুণ্ডাশ্চ সাগৰাঃ॥
তেভ্যঃ পূৰ্ব্বং সমাহৃত্য জলানি চ পৃথক্ পৃথক্।
সৰ্ব্বলোকহিতাৰ্থায় কদ্ৰঃ সোমো গণৈঃ সহ॥
তীৰ্থমপুনৰ্ভবং নাম তস্মিন্ ক্ষেত্ৰে বৰাননে।
চকাৰ কামিভিঃ সাৰ্দ্ধং ততো পুনৰ্ভবং স্মৃতম্॥

লৌহিত্য তীৰ্থৰ দৰে অপুনৰ্ভৱ সকলো তীৰ্থৰ পানীৰেই সাৰসঞ্চয়। মণিকূটত হয়গ্ৰীৱ মাধৱৰ স্থাপনৰ বিষয়ে ঐতিহ্য আছে যে পূৰ্বে উৰিষ্যাত ইন্দ্ৰদ্যুম্ন ৰজাই স্বপ্নপ্ৰেৰিত হৈ সাগৰৰ পাৰলৈ গৈ উটি অহা গছ এডাল কুঠাৰেৰে সাত ডোখৰ কৰিলে। তাৰে দুভাগ কাঠ কামৰূপলৈ অনা হ'ল—ভাগদ্বয়ং কামৰূপে (২।৯।২৪৩)। তাৰে এভাগেৰে হয়গ্ৰীৱ মাধৱ নিৰ্মাণ কৰা হ'ল, আন ভাগেৰে মৎস্যাখ্য মাধৱ।

মণিকূটে ততোঽৰ্দ্ধঞ্চ স্থাপিতং বৰুণেন হি।
প্ৰাচ্যাং নন্দীশমৈশান্যে মৎস্যাখ্যো নাম মাধৱঃ॥
হয়াখ্যো মণিকূটে চ মাধবাখ্যো ব্যবস্থিতঃ। (২।৯।২৪৪-২৪৫)

হয়গ্ৰীৱ মাধৱৰ মাহাত্ম্য আৰু পূজাবিধি-বৰ্ণনাৰে 'যোগিনী-তন্ত্ৰ' শেষ হয়।

শেষ অধ্যায়ত বেদ-বেদান্ত-পাঠ আৰু তীৰ্থ ভ্ৰমণৰ যি মাৰ্মিক তত্ত্ব গ্ৰন্থকাৰে দিছে, সেইটো তেওঁৰ নিজা দৃষ্টিভঙ্গী যেন লাগে। অন্ততঃ তীৰ্থমাহাত্ম্য ৰচনা কৰা গ্ৰন্থকাৰৰপৰা এনে দৃষ্টিভঙ্গী সচৰাচৰ পোৱা টান।

যদি বসতি গুহায়াং পৰ্ব্বতাগ্ৰে চিৰং বা।
যদি ধৰতি ত্ৰিদণ্ডং ভস্ম বাচ্ছাদনং বা॥
যদি পঠতি পুৰাণং বেদসিদ্ধান্ত তত্ত্বং।
যদি হৃদয়মশুদ্ধং সৰ্ব্বমেতন্নিৰৰ্থকম্॥
ইন্দ্ৰিয়াণি বশীকৃত্য যত্ৰ তত্ৰ বসেন্নৰঃ।
তত্ৰ তত্ৰ কুৰুক্ষেত্ৰং প্ৰয়াগ পুষ্কৰং গয়া॥ (২।৯।৬-৮)

সেইদৰে মানুহৰ মনেই নিত্য আৰু সকলোৰে কাৰণ স্বৰূপ বৰ্ত্তমান। মনেই মানুহৰ বন্ধন আৰু মোক্ষৰ কাৰণ।

মন এবাত্ৰ নিত্যং স্যাৎমন এবাত্ৰ কাৰণম্।
মন এব মনুষ্যানাং কাৰণং বন্ধমোক্ষয়োঃ॥ (২।৮।১১৭)

৩৫ বিষ্ণু-পূজা

'কালিকা-পুৰাণ'ৰ বৰ্ণনাবোৰত বিষ্ণু-পূজাৰ কোনো প্ৰাধান্য দেখা নাযায়। বাসুদেৱ বিষ্ণুৰ বাহিৰে পীঠবোৰৰ নামমাত্ৰ উল্লেখ ব্যতিৰেকে আন কথা প্ৰায় একেবাৰেই নাই। যি যি ঠাইত সেইসকলৰ পূজা চলিছিল, সেই সেই ঠাইৰ নামে সৈতে মাত্ৰ পাঁচোটা আবিৰ্ভাৱৰ কথাহে বৰ্ণিত হৈছে :—

(ক) বিষ্ণুৱে হয়গ্ৰীৱৰূপে অৱাসুৰক মণিকূট নামে ঠাইত বধ কৰিছিল। (কালিকা-পুৰাণ, ৮১।৭৫)

(খ) মণিকূটৰ পূবে মৎস্যধ্বজ পৰ্বতত বিষ্ণু মৎস্য অৱতাৰ ৰূপে পূজিত হৈছিল।
(কালিকা-পুৰাণ, ৮২।৫০)

(গ) পাণ্ডুনাথ নামে ভৈৰৱ একজনৰ আকৃতিত বৰাহকূটত মাধৱৰ পূজা কৰা হৈছিল।
(কালিকা-পুৰাণ, ৮২-৬৫)

(ঘ) পাণ্ডুৰ পূবে চিত্ৰবহ পৰ্বতত বৰাহৰূপী বিষ্ণুৰ পূজা হৈছিল। (কালিকা-পুৰাণ, ৮২।৭৪)

(ঙ) দিকৰবাসিনী অঞ্চলত বাসুদেৱ বিষ্ণুৰ পূজা চলিছিল। এইবোৰৰ ভিতৰত হয়গ্ৰীৱ আৰু বাসুদেৱৰ পীঠেই প্ৰধান। হয়গ্ৰীৱৰ মন্দিৰ আজিও সজীৱ—শ শই যাত্ৰী এতিয়াও ইয়ালৈ আহে। কিন্তু 'কালিকা-পুৰাণ'ত ইয়াৰ সামান্য উল্লেখহে আছে। বাসুদেৱৰ পূজা-পদ্ধতিৰ বিশদ্ বৰ্ণনা আছে যদিও, ইয়াৰ পূৰ্বপ্ৰাধান্য খৰ্ব হৈছে।

হয়গ্ৰীৱ সম্বন্ধে গল্পটো এই—বিষ্ণুৱে হয়গ্ৰীৱৰূপে মণিকূট পৰ্বতত অৱাসুৰক বধ কৰি, মনুষ্য, দেৱতা আৰু অসুৰবিলাকৰ হিতৰ বাবে তাত থাকিল। অৱাসুৰক বধ কৰি অৱত আক্ৰান্ত হৈ বিষ্ণুৱে আৰোগ্য-স্নান কৰিলে, আৰু সেই ঠাইত এটা পুখুৰী হ'ল। ই অপুনৰ্ভৱ নাম পালে, কাৰণ যেয়ে ইয়াত স্নান কৰে, তেওঁ দ্বিতীয় জন্মৰ কষ্ট নাপায়। হয়গ্ৰীৱ নামে আন এটা অসুৰক বধ কৰাৰ আন এটা উল্লেখ আছে। বিশ্বনাথৰ ওচৰত, জগৎপতিয়ে হয়গ্ৰীৱৰ লগত যুদ্ধ কৰিলে, আৰু তাক মাৰি মণিকূটলৈ গ'ল। ইয়াত জগৎপতি বিষ্ণুক নে শিৱক বোলা হৈছে, তাক স্পষ্টকৈ বুজা নাযায়। প্ৰসঙ্গ-সঙ্গতিলৈ লক্ষ্য কৰিলে হয়গ্ৰীৱ নিধনকাৰী শিৱ যেনহে লাগে। (কালিকা-পুৰাণ, ৮১।৭৫ : ৮৩।২৪)

এই হয়গ্ৰীৱ অসুৰ কোন আছিল, তাৰ স্পষ্ট বৰ্ণনা নাই। নৰকৰ কাহিনীত হয়গ্ৰীৱ নামে একজনৰ উল্লেখ আছে। তেওঁ নৰকৰ ৰাজধানীৰ পুৰদুৱৰী আছিল। কৃষ্ণই নৰকৰ ৰাজ্য আক্ৰমণ কৰিলত, হয়গ্ৰীৱ কৃষ্ণৰ হাতত মৰে। (কালিকা-পুৰাণ, ৪১।৮৬)

হয়গ্ৰীৱ সম্পৰ্কে ইয়াতকৈ পুৰণি কাহিনীবোৰৰ ভিতৰত, তলত দিয়া কেইটা বিশেষ উল্লেখযোগ্য। 'মহাভাৰত'ত (শান্তিপৰ্ব, ৩৪৭ অধ্যায়) বিষ্ণুৱে হয়গ্ৰীৱ ৰূপ ধাৰণ কৰি মধু আৰু কৈটভ দৈত্যক বধ কৰা বুলি কোৱা হৈছে। 'দেৱী-ভাগৱত'ত (১।৫) হয়গ্ৰীৱৰূপী বিষ্ণুৱে

সেই একে নামৰ দৈত্য বধ কৰাৰ বৰ্ণনা আছে। 'ভাগৱত-পুৰাণ'ত (৬।৬।৩০), মৎস্যৰূপী বিষ্ণুৱে হয়গ্ৰীৱ অসুৰক বধ কৰা বুলি, আৰু এই অসুৰে পূৰ্বে বেদ চুৰ কৰা বুলি উল্লেখ কৰা আছে। 'ভাগৱত-পুৰাণে' কোনো এজন হয়শিৰৰ বিষ্ণুৰ অৱতাৰ বুলি চিনি পাইছে। (২।৭।১১)

নৰকক বধ কৰা প্ৰসঙ্গত নহ'লে, বিষ্ণু কোন সময়ত কামৰূপলৈ আহিল, আৰু হয়গ্ৰীৱ আৰু অৱাসুৰক বধ কৰিলে, এই কথা কোৱা টান। যেহেতু হয়গ্ৰীৱ মন্দিৰৰ ওচৰত মৎস্যৰূপী বিষ্ণুৰ এটি মন্দিৰ আছে, এয়ে ভাগৱতৰ কাহিনীৰ কিছু উল্লেখৰ চিন যেন লাগে।

মণিকূটত বিষ্ণুমূৰ্তিৰ সৃষ্টি সম্পৰ্কে 'যোগিনীতন্ত্ৰ'ই এটা সম্পূৰ্ণ বেলেগ বৰ্ণনা দিছে। ই হয়গ্ৰীৱ মূৰ্তি আৰু উৰিষ্যাৰ পুৰীৰ জগন্নাথ মূৰ্তিৰ ঐক্য স্থাপন কৰিবলৈ চেষ্টা কৰিছে। উৰিষ্যাৰ ৰজা ইন্দ্ৰদ্যুম্নই ৰাতি সপোন দেখিলে যে এজোপা ডাঙৰ অথচ নাম নোহোৱা গছ সাগৰৰ পাৰৰ কাষেদি উটি আহিব। তেওঁ পুৰা কুঠাৰেৰে তাক সাত ডোখৰ কৰি কাটিব লাগিব। তেওঁ তেনেকৈ কৰিলে, আৰু সাত ডোখৰ কাঠৰ দুডোখৰ কামৰূপলৈ অনা হ'ল। এডোখৰৰপৰা হয়গ্ৰীৱৰ মূৰ্তি, আৰু আন ডোখৰৰ দ্বাৰা মৎস্যাখ্য মাধৱৰ মূৰ্তি কৰা হ'ল (যোগিনীতন্ত্ৰ, ২।৯।২৪৪-ত)। আদিতে অবৈষ্ণৱ ৰূপৰ দেৱতা এজনাক এই দৰে বিষ্ণুৰূপ দিবলৈ চেষ্টা কৰা যেন লাগে। হিন্দুৰ দেৱতা-সকলৰ মাজত হয়গ্ৰীৱ দেৱতা পূজা আৰু মন্দিৰ পাবৰ যোগ্যতা থকা দেৱতা নহয়। কিন্তু বৌদ্ধ তন্ত্ৰ আৰু বৌদ্ধ দেৱতাসকলৰ মাজত তেওঁৰ উচ্চ নাম আছে। এইজনা দেৱতাক নিৰামিষ নৈবেদ্য আৰু মাছ-মঙহৰ দ্বাৰাও পূজা কৰিব পৰা কথাটোৱে এওঁৰ তান্ত্ৰিক আদিৰ ইঙ্গিত দিয়া যেন অনুমান হয় (যোগিনীতন্ত্ৰ, ২।৯।১৪৩)। আন এটা উল্লেখযোগ্য কথা—ভুটীয়াবিলাকে (ভোটৰ পৰ্বতৰ বৌদ্ধসকল) পৰ্বতৰপৰা নামি আহি আৰক্যালি এইজনা দেৱতাক পূজাপাতল দিয়ে।

বাসুদেৱ পীঠ আন এটা ভিত্তিত প্ৰতিষ্ঠিত। ইয়াত কেৱল নিৰামিষেৰেহে পূজা কৰা হয়, আৰু ই মধ্যযুগৰ নৱ-বিষ্ণুবাদতকৈ পুৰণি বিষ্ণুবাদৰ সাক্ষ্য দিয়ে। এই দৰে ই 'পঞ্চৰাত্ৰ-সংহিতা'ৰ সময়লৈ যায়। এই আখ্যানত, প্ৰমাণস্বৰূপে 'নাৰদ-পঞ্চৰাত্ৰ'ৰপৰা বচন উদ্ধৃত কৰা হৈছে (কালিকা-পুৰাণ, ৮৩।১৪১)। সংহিতাই আদি বৈষ্ণৱমতৰ যি ৰূপ দিছে, সেই বিষয়ে কিছু আলোচনাৰ দৰকাৰ।

"সংহিতাবোৰ বুৰঞ্জীৰ ফালৰপৰা দুই কাৰণে লক্ষ্য কৰিব লগীয়া। বৈষ্ণৱ সম্প্ৰদায়ৰ ভিতৰত শাক্তনীতিৰ বিকাশৰ সূচনা ইয়াত পোৱা যায়। কিন্তু বৈষ্ণৱসকলৰ বিশ্বাস আৰু কাৰ্যাৱলী প্ৰকাশ কৰিবলৈ ৰচনা কৰা প্ৰথম গ্ৰন্থাৱলী হিচাপেও এই সংহিতাবোৰ প্ৰসিদ্ধ। বাস্তৱ কাৰ্যাৱলীৰ বিষয়ত, ক'বলৈ গ'লে, এইবোৰ বৈষ্ণৱসকলৰ কল্পসূত্ৰ। ......মূল সংহিতাবোৰৰ ধৰ্মমত প্ৰধানতঃ মহাকাব্যৰ নাৰায়ণী কাহিনীৰপৰা পোৱা শিক্ষাৰে বিকাশ; তাতে কিছু পৰিমাণে শাক্ত ভাব যোগ দিয়া হৈছে। ......সংহিতাৰ মন্ত্ৰ আৰু যন্ত্ৰৰ ধৰ্মনীতিবোৰ শাক্ত নীতিৰপৰা পৃথককৈ চিনিব নোৱাৰি। সকলো প্ৰকাৰৰ ইন্দ্ৰজাল বিদ্যা, আৰু তাৰ লগত অসংখ্য মোহিনী,

ক্ৰিয়া' আৰু কবচ সম্বন্ধে বৰ্ণিত আৰু আগ্ৰহেৰে প্ৰশংসিত হৈছে। 'ওঁ নমো ভগৱতে বাসুদেৱায়', আৰু 'ওঁ নমো নাৰায়ণায়'—এই প্ৰসিদ্ধ মন্ত্ৰ দুটা ব্যাখ্যা কৰি তাৰ তত্ত্ব লবলৈ যত্ন কৰা হৈছে।" (J. N. Farquhar: *Outlines of the Religious Literature of India* ı 1920, pp. 183-186). তাৰ উপৰি "যিবোৰ মত পুৰণি পঞ্চৰাত্ৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত, গোপাল-কৃষ্ণ ৰূপটো তাৰ অঙ্গীভূত নহয়। যি ধৰ্মক ভগৱদ্গীতাই ব্যাখ্যা কৰিছে, সেয়ে ঐকান্তিক ধৰ্ম বা একেশ্বৰবাদ; কিন্তু পঞ্চৰাত্ৰ পদ্ধতিত যদিও বাসুদেৱৰ পূজা বিহিত আছে, আৰু যদিও বা ভক্তি উভয়তে বৰ্তমান, তথাপি পঞ্চৰাত্ৰ পদ্ধতি আৰু ভগৱদ্গীতাৰ মাজত কোনো মৌলিক সম্বন্ধ দেখা নাযায়।" (R. G. Bhandarkar: *Vaisnavism, Saivism and Minor Religious Systems*: 1913, p. 39).

'কালিকা-পুৰাণ'ত ব্যাখ্যা কৰা বিষ্ণু-পূজাৰ পদ্ধতি ওপৰৰ বিশ্লেষণটোৰ লগত মিলে। 'ওঁ নমো ভগৱতে বাসুদেৱায়'—বাসুদেৱৰ এই বীজমন্ত্ৰটো দ্বাদশাক্ষৰী। তেওঁৰ লগত আৰু পাঁচজন সম্পূৰক দেৱতা পূজা কৰিব লাগে—ৰাম, কৃষ্ণ, ব্ৰহ্মা, শম্ভু, আৰু গৌৰী। পূজাত শেষৰ দুজনক কেতিয়াও পৃথক্ কৰিব নালাগে। বাসুদেৱৰ আঠজন সহচৰ (যোগী) আছে—বলভদ্ৰ, কাম, অনিৰুদ্ধ, নাৰায়ণ, ব্ৰহ্মা, বিষ্ণু, নৰসিংহ আৰু বৰাহ। নায়ক বাসুদেৱ আৰু নায়িকা বিমলা। বলভদ্ৰ প্ৰভৃতিৰ সহচৰী (যোগিনী) সকল: উৎকৰ্ষিণী, জ্ঞেয়া, জ্ঞানা, ক্ৰিয়া, যোগা, প্ৰহ্বী, ঐশানী আৰু অনুগ্ৰহী। ফুল আৰু নিৰামিষ নৈবেদ্যৰ দ্বাৰা পূজা কৰিব লাগে। দণ্ড, পদ্ম আদি অস্ত্ৰ আৰু অলঙ্কাৰবোৰৰ পূজাৰ বাবেও বিভিন্ন অক্ষৰী বীজমন্ত্ৰ আছে (কালিকা-পুৰাণ, ৮৩।৯০)।

উত্তৰ-পূব সীমান্তত যে বৈষ্ণৱ পমুৱাসকলৰ এখন উপনিবেশ আছিল, তাক এই কথাষাৰৰাই প্ৰমাণ কৰিব পাৰি যে গোপাল আতাৰ মাক কলিতা ৰাজ্যৰপৰা আহিছিল, আৰু এইজনা আতাৰ পূৰ্বপুৰুষসকলৰ বৈষ্ণৱী নাম আছিল—যেনে, বাসুদেৱ, হৰিদেৱ, সঙ্কৰ্ষণ, কামদেৱ ইত্যাদি।

মাতৃৰ লগত বিভেদ

বাসুদেৱ পূজাৰ বৈষ্ণৱমতত পঞ্চদেৱতাৰ পূজাৰ ভিতৰত মাতৃৰ ঠাঁই আছিল; এই পঞ্চদেৱতাৰ এজনা মাতৃ আছিল। বাসুদেৱৰ নায়িকাও (স্ত্ৰী-সম্পূৰক), আৰু সহচৰী যোগিনী সকলো আছিল। কিন্তু ষোল শতিকাৰ একেশ্বৰবাদী বৈষ্ণৱধৰ্ম সম্পূৰ্ণৰূপে মাতৃ আৰু আন দেৱতাসকলৰ প্ৰভাৱৰপৰা আঁতৰি আছিল। আকৌ, বাসুদেৱপন্থী বৈষ্ণৱধৰ্ম যেনেকৈ গোপাল-কৃষ্ণ ৰূপ স্বীকাৰ নকৰা পঞ্চৰাত্ৰ পদ্ধতিৰপৰা ওলাইছে, তেনেকৈ পিছৰ কালৰ নৱ-বৈষ্ণৱধৰ্ম 'ভাগৱত-পুৰাণ'ৰ ওপৰত প্ৰতিষ্ঠিত; 'ভাগৱত-পুৰাণে' গোপাল-কৃষ্ণক মূৰ্ত কৰি তুলিছে। সেই দেখিয়েই ইয়াৰ এটা

নাম-কথা হৈছে—'যদুকুল নন্দন কৃষ্ণ, গোপাল, গোবিন্দৰ চৰণত শৰণ লওঁ।' কিন্তু ৰাধা নাইবা আন স্ত্ৰী-সম্পূৰকক স্বীকাৰ কৰি লোৱা হোৱা নাই।

অসমৰ নৱ-বৈষ্ণৱমত আৰু দাক্ষিণাত্যৰ বৈষ্ণৱমতৰ মাজত যথেষ্ট সাদৃশ্য আছে। তলত তাৰ আলোচনা কৰা হ'ল।

অসমত বৈষ্ণৱমতৰ প্ৰৱৰ্তক শঙ্কৰদেৱ জাতিত কায়স্থ আছিল। ১৪৪৯ খৃষ্টাব্দত তেওঁ নগাঁও জিলাত ওপজে। তেওঁৰ পূৰ্বপুৰুষসকল শাক্ত আছিল। তেওঁ মধ্যযুগৰ সকলো শাস্ত্ৰজ্ঞান লাভ কৰি, গৃহী হিচাপে সংসাৰযাত্ৰা আৰম্ভ কৰিলে। কিন্তু তেওঁৰ পত্নীবিয়োগৰ পিছত, তেওঁ বাৰ বছৰ তীৰ্থযাত্ৰা কৰিলে, আৰু উত্তৰ ভাৰতৰ প্ৰায়বোৰ তীৰ্থ দৰ্শন কৰিলে। তীৰ্থৰপৰা ঘূৰি আহি, তেওঁ নতুন বৈষ্ণৱমত প্ৰচাৰ কৰিলে।

শঙ্কৰদেৱৰ বৈষ্ণৱমতৰ প্ৰসিদ্ধ নাম একশৰণ ধৰ্ম—ঈশ্বৰৰ ওচৰত একান্ত শৰণৰ ধৰ্ম। সেই ঈশ্বৰেই বিষ্ণু; তেওঁ নাৰায়ণৰূপে যুগে যুগে অৱতীৰ্ণ হয়। বিষ্ণু-পূজাৰ অৰ্থে প্ৰিয়তম অৱতাৰ হৈছে কৃষ্ণ।

ঈশ্বৰৰ ওচৰত আত্ম-সমৰ্পণ সম্পৰ্কে বৰ কঠোৰ নিৰ্দেশ দিয়া হৈছে। এক-শৰণীয়াৰ পক্ষে আন দেৱ-দেৱীপূজা সম্পূৰ্ণ নিষিদ্ধ। শঙ্কৰে নিজেই কৈছে—বৈষ্ণৱে বিষ্ণুত বাহিৰে আন দেৱতাক পূজা কৰিব নালাগে; তেওঁ আন দেৱতাৰ মন্দিৰত সোমাব নালাগে; আৰু তেওঁ আন দেৱতাক উছৰ্গা কৰা নৈবেদ্য গ্ৰহণ কৰিব নালাগে। তেনে কৰিলে ভক্তি দূষিত হয়। আন এজন লিখকে কয় যে কোনো ভক্তই আন দেৱতাক উছৰ্গা কৰা নৈবেদ্য গ্ৰহণ কৰিলে চান্দ্ৰায়ণ প্ৰায়শ্চিত্ত হ'ব লাগে। দাক্ষিণাত্যৰ বৈষ্ণৱমততো ঈশ্বৰৰ পূজা সম্পৰ্কে সদৃশ বিধান আছে। "বৈষ্ণৱধৰ্মই ইয়াৰ ভক্তসকলক নাৰায়ণৰ বাহিৰে আন দেৱতাক পূজা কৰিবলৈ নিষেধ কৰিছিল। এই নাৰায়ণ উপনিষদৰ—সকলোৰে আদি কাৰণ।" (T. Rajagopala Ghariar : *The Vaisnavite Reformers of India :* 1909, p. 18)

দাক্ষিণাত্যৰ বৈষ্ণৱমতত আন দেৱতাসকলৰ পূজাৰ প্ৰতি এটা বিৰোধিতা দেখা যায়। সেই দেৱতাসকলৰ প্ৰাধান্য অলপো স্বীকাৰ কৰা হোৱা নাই। কথিত আছে যে যেতিয়া ৰামানুজৰ শিষ্য কুৰথৰক 'শিৱাৎ পৰতৰং নহি' মন্ত্ৰ উচ্চাৰণ কৰি শিৱৰ প্ৰাধান্য স্বীকাৰ কৰিবলৈ চোল দেশৰ শৈৱ ৰজাই বাধ্য কৰিলে, তেতিয়া তেওঁ বিদ্ৰূপেৰে উত্তৰ দিলে, 'দ্ৰোণমস্তি ততঃ পৰম্' (শিৱৰ পিছত দ্ৰোণ আছে)। ইয়াত 'শিৱ' আৰু 'দ্ৰোণ' দুটা পাৰিমাণিক জোখ—শিৱতকৈ দ্ৰোণৰ ওজন বেছি। অসমীয়া বৈষ্ণৱমতত বিষ্ণু-পূজা আৰু আন দেৱ-দেৱীৰ পূজাৰ মাজত বিভিন্নভাৱে সম্বন্ধ দেখুওৱা হৈছে। ব্ৰাহ্মণ এক-শৰণীয়া ভক্তসকলে কৈছে যে স্মৃতিয়ে কোৱামতে খাবৰ সময়ত বামুণে 'পঞ্চযজ্ঞ' কৰিব নালাগে, অৰ্থাৎ চৰি অহা ধৰণে পঞ্চদেৱতাক নৈবেদ্য দিব নালাগে। এনে নিবেদনৰ দ্বাৰা বিষ্ণুৰ প্ৰতি এক-শৰণ ধৰ্ম কলুষিত কৰা হয়। তাৰ সলনি

তেওঁ বিষ্ণুত নিবেদন কৰিলে তাৰ দ্বাৰায় সকলো দেৱতা সন্তুষ্ট হ'ব। কাৰণ 'ভাগৱত-পুৰাণ'ত জানো কোৱা নহৈছে যে গছৰ গুৰিত পানী দিলে তাক ডাল, কল, ফুল, পাত আদি সকলোৱেই পায়? আন এজন ব্ৰাহ্মণ এক-শৰণীয়া বনমালীদেৱে এদিন হঠাৎ সমুখত শিৱলিঙ্গ এটি দেখা পাই এই বুলি প্ৰণাম কৰিলে—নমো লক্ষ্মীপতি ভগৱন্ত। আন সকলো দেৱ-দেৱী বিষ্ণুৰে বিভিন্ন ৰূপ মাত্ৰ,—সেই সকলক স্বাধীন সত্তাৰ বিভিন্ন দেৱতা বুলি স্বীকাৰ কৰাৰ কোনো যুক্তি নাই।

অসমৰ বৈষ্ণৱধৰ্মৰ কেন্দ্ৰীয় গ্ৰন্থ গীতা আৰু ভাগৱত—শঙ্কৰদেৱ আৰু তেওঁৰ শিষ্যসকলে গদ্য আৰু পদ্যত তাৰ ভাঙনি কৰিছে। এই ধৰ্ম লোৱাৰ নিয়মটো 'শৰণ' বোলে'—'দীক্ষা' বোলা নহয়; আৰু 'মন্ত্ৰ'ক 'নাম' বোলা হয়। ৰামানুজে তেওঁৰ তিনিখন সংস্কৃতত লিখা গদ্য পুথিকাত 'শৰণ' শব্দটো চকুত পৰাকৈ উল্লেখ কৰিছে, তেওঁ ইয়াক 'শৰণাগতি' বুলিছে। ধৰ্ম লোৱাৰ সময়ত 'ৰাম কৃষ্ণ নাৰায়ণ হৰি'—এই চাৰিটা নামৰ মন্ত্ৰ দিয়া হয়। মুখেদি নামকেইটা উচ্চাৰণ কৰা আৰু অন্তৰত ঈশ্বৰৰ ৰূপ ধ্যান কৰাই প্ৰাৰ্থনাৰ নিয়ম। যদিও কৃষ্ণ সৰ্বশ্ৰেষ্ঠ, আৰু কৃষ্ণলীলাই আলোচ্য বিষয়, তথাপি নাৰায়ণকহে ধ্যানৰূপ বুলি নিৰ্দেশ দিয়া হৈছে—নাৰায়ণ বৈকুণ্ঠত থাকে, আৰু লক্ষ্মীদেৱীয়ে তেওঁৰ চৰণ পূজা কৰে। ৰামানুজে তেওঁৰ 'বৈকুণ্ঠগদ্য' গ্ৰন্থত বৈকুণ্ঠৰ যি দৃশ্য বৰ্ণনা কৰিছে, শঙ্কৰদেৱৰ বৈকুণ্ঠদৃশ্যৰ বৰ্ণনা তাৰে গদ্যানুবাদ যেন লাগে। যদিও পৰমাত্মা আৰু ব্যূহৰ আলোচনাত বাসুদেৱৰ অৱতাৰণা কৰা হৈছে, তথাপি ৰামানুজৰ ধৰ্মমতত সৰ্বশ্ৰেষ্ঠ নাৰায়ণ (ভাণ্ডাৰকাৰ: পৃঃ ৫৭)। শঙ্কৰদেৱৰ ধৰ্মমতত নাৰায়ণ চৈতন্যময় শুদ্ধৰূপ হৰি, আৰু তেৱেঁই 'সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ'। শঙ্কৰদেৱৰ চাৰি নামৰ মন্ত্ৰটো ৰামানুজে 'নাৰায়ণ' আৰু বিষ্ণুস্বামী তিনি নামৰ মন্ত্ৰ 'ৰাম কৃষ্ণ হৰি'ৰ সংমিশ্ৰণ যেন অনুমান হয় (কাৰ্পেন্টাৰ: পৃঃ ২৩৮)।

শঙ্কৰদেৱ গৃহী আছিল। প্ৰথমবাৰ তীৰ্থভ্ৰমণ কৰি আহি তেওঁ দ্বিতীয়বাৰ বিয়া কৰায়। বিষ্ণুভক্তিৰ উদ্দেশ্যে তেওঁৰ শিষ্যসকল আবিয়ৈ হৈ থকাটো তেওঁ সমৰ্থন কৰা নাছিল। কিন্তু তেওঁৰ পিছৰ ধৰ্মগুৰু মাধৱদেৱ আবিয়ৈ আছিল আৰু তেওঁ 'কেৱলীয়া' নামেৰে আবিয়ৈ সন্ন্যাসীসকলৰ এটা পন্থৰ সৃষ্টি কৰিছিল। এই কেৱলীয়াসকল ধৰ্মমন্দিৰৰ চৌপাশে থকা 'সত্ৰ'ত সৰু সৰু ঘৰ সাজি থাকে। উত্তৰ ভাৰতৰ বৈষ্ণৱসকল বিভিন্ন নামেৰে জনাজাত: আন কোনো ধৰ্মমতত তেওঁলোকক কেৱলীয়া বোলা নহয়। যিসকলে চৰম মুক্তি বাঞ্ছা কৰি শুদ্ধ আত্মাৰ চৈতন্য বিচাৰে, ৰামানুজে এই শ্ৰেণীৰ ভক্তক, 'কেৱলীন্' বুলিছে (ভাণ্ডাৰকাৰ: পৃঃ ৫৪)। অসমৰ একশৰণ বৈষ্ণৱমতত দাস্যভক্তি সমৰ্থন কৰা হৈছে; এই বিষয়ত ই দক্ষিণৰ বৈষ্ণৱমতৰ লগত একমত। ৰামানুজে তেওঁৰ 'বৈকুণ্ঠগদ্য'ত আনন্দেৰে ভগৱানৰ 'নিত্যসাম্য' আৰু নিজৰ 'নিত্যদাস্য'ৰ উল্লেখ কৰিছে। শঙ্কৰদেৱে তেওঁৰ সকলো লিখাতে নিজক 'কৃষ্ণৰ কিংকৰ' বুলিছে। ভক্ত আৰু ভগৱানৰ মাজৰ এই দাস্যসম্বন্ধ ইমান উচ্চভাৱে প্ৰশংসা কৰা হৈছে যে শঙ্কৰদেৱৰ

ব্ৰাহ্মণ শিষ্য এজনে লিখা এটা সৰু অসমীয়া পত্তত কৃষ্ণৰ অবিবাহিতা পত্নী, আৰু উত্তৰ ভাৰতৰ কেৰাটাও বৈষ্ণৱ ধৰ্মমতৰ ঈশ্বৰৰ লগত 'মধুৰ' সম্বন্ধৰ নিদৰ্শন, ৰাধাক যোগিনীবেশে দেখুওৱা হৈছে—তেওঁ সদায় কৃষ্ণ নাম লৈছে, শৰীৰ কঙ্কালময় হৈ গৈছে, আৰু গোটেই গা ধূলিয়ে আবৰি পেলাইছে—উই-হাফলুত পোত যোৱা আৰু ৰাম নাম লৈ থকা বাল্মীকিৰ দৰে। ৰাধাৰ এই ৰূপ এটা সম্পূৰ্ণ নতুন কথা—একশৰণ ধৰ্মত প্ৰাধান্য দিয়া পূজ'-পদ্ধতিৰ লগত খাপ খুৱাবলৈ সৃষ্টি কৰা হৈছে। সমসাময়িক ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত ৰাধাসম্বন্ধৰ বিৰুদ্ধে প্ৰতিবাদৰ নিদৰ্শন বুলিও এই কবিতাটো বিবেচনা কৰিব পাৰি।

একশৰণ ধৰ্মত মূৰ্তিপূজাৰ কোনো প্ৰাধান্য নাই। সকলো ধৰ্ম-কাৰ্যৰ সময়ত বটা এখনত এখন পবিত্ৰ গ্ৰন্থ (বিশেষকৈ শঙ্কৰদেৱে অনুবাদ কৰা ভাগৱত) স্থাপন কৰি ঈশ্বৰৰূপে তাতে সকলো নৈবেদ্য আৰু ভক্তি নিবেদন কৰা হয়। এনে কি, মুখ্য বৈষ্ণৱমন্দিৰবোৰত ভগৱানৰ আসনত সদায় এখন পবিত্ৰ গ্ৰন্থ ৰখা হয়। ভাৰতৰ বিভিন্ন ধৰ্মসম্প্ৰদায়বোৰৰ ভিতৰত কেৱল শিখসকলৰ মাজতহে পবিত্ৰ গ্ৰন্থ এখনৰ প্ৰতি ভক্তি জনোৱাটো এটা বিশেষত্ব। অসমৰ বৈষ্ণৱধৰ্ম আৰু শিখধৰ্মৰ মাজত আন একো সাদৃশ্য নথকা হেতু, এইটো ক'ব নোৱাৰি যে এই প্ৰথাটো শিখবিলাকৰপৰা ধাৰ কৰি অনা। দাক্ষিণাত্যৰ কোনো বৈষ্ণৱধৰ্মত পবিত্ৰ গ্ৰন্থ পূজা কৰা প্ৰথাটো আছে নে নাই, বৰ্তমান লেখকে নাজানে। কিন্তু 'শাস্ত্ৰযোনিত্বাৎ'—বেদান্তসূত্ৰ সম্পৰ্কে ৰামানুজৰ যিটো টীকা আছে, তাৰ সংক্ষেপতে এনেকৈ কোৱা আছে—শাস্ত্ৰ-প্ৰমাণ-সম্বোধ্যম্ ব্ৰহ্ম—অৰ্থাৎ শাস্ত্ৰৰ মাজেদিহে ব্ৰহ্মক বুজিব পাৰি। কিছু পৰিমাণে এয়ে পবিত্ৰ গ্ৰন্থত দেৱত্ব আৰোপ কৰিছে বুলি কোৱা যায়।

শঙ্কৰদেৱ কায়স্থ (শূদ্ৰ) আছিল, কিন্তু তেওঁৰ সময়ৰ কেজনমান ব্ৰাহ্মণ তেওঁৰ নিজা শিষ্য আছিল। প্ৰথম দল ব্ৰাহ্মণশিষ্যক তেওঁ নিজে নাম-মন্ত্ৰ দিছিল। বটাত থোৱা পবিত্ৰ গ্ৰন্থক তেওঁলোকে সেৱা জনাইছিল। পিছত, যেতিয়া বহুতে এই ধৰ্ম ললে, ব্ৰাহ্মণক নাম-মন্ত্ৰ দিয়া কামটো তেওঁ তেওঁৰ কুল-পুৰোহিত ৰাম ৰাম গুৰুক দিলে। বিৰোধী ব্ৰাহ্মণ পণ্ডিতসকলে শঙ্কৰদেৱৰ এই নিয়মৰ তীব্ৰ বিৰোধিতা কৰিলে' শূদ্ৰই কেনেকৈ ব্ৰাহ্মণক মন্ত্ৰ দিব পাৰে? কিন্তু শঙ্কৰদেৱে আৰু তেওঁৰ ব্ৰাহ্মণ সঙ্গীসকলে এই বুলি উত্তৰ দিলে যে শূদ্ৰই ব্ৰাহ্মণক বৈদিক মন্ত্ৰ দিয়াটোহে নিষিদ্ধ। শূদ্ৰই কাকো নাম-মন্ত্ৰ দিয়াত কোনো বাধা নাই। বৰ্ণাশ্ৰম ধৰ্মমতে, প্ৰত্যেক শ্ৰেণী বা জাতিৰে নিৰ্দিষ্ট কৰ্তব্য আছিল, কিন্তু ঈশ্বৰৰ নাম লোৱাত বা আনক দিয়াত কোনো জাতিৰ স্বাধীনতাত বাধা দিয়া একো শাস্ত্ৰীয় নিষেধ নাছিল। অন্যান্য বিষয়ত, শাস্ত্ৰীয় জ্ঞানৰ ৰক্ষক হিচাপে ব্ৰাহ্মণৰ স্থান, আৰু ধৰ্মকাৰ্যাদি কৰাত তেওঁলোকৰ অধিকাৰ খোলাকৈ স্বীকাৰ কৰি লোৱা হৈছিল। ব্ৰাহ্মণক জাতি হিচাপে তেওঁৰ লিখাত বা শিক্ষাত ক'তো নিন্দা কৰা হোৱা নাই। দাক্ষিণাত্যৰ মনবল মহামুনিৰ (ৰাজাগোপাল চাৰিয়াৰ : পৃঃ ১০৫) তেওঁ কিন্তু ঈশ্বৰৰ ভক্ত হিচাপে

মৰ্ম সন্মানৰ যোগ্য মানুহৰ মাজত, জাতিৰ শ্ৰেষ্ঠতাই সন্মানৰ কাৰণ কথাটো অস্বীকাৰ কৰিছিল। শঙ্কৰে কয়, "যেয়ে ভক্তিভাৱে কৃষ্ণ নাম লয়, তেওঁ ব্ৰাহ্মণ হোৱাৰ কি প্ৰয়োজন? তেওঁ চণ্ডাল হব পাৰে, কিন্তু যাৰ হৰিনামৰ লগত প্ৰীতি নাই, তেনে মানুহতকৈ তেওঁ অনেক শ্ৰেষ্ঠ।" শূদ্ৰৰ খাদ্যৰ অৱশেষ ৰামানুজে গ্ৰহণ কৰিব খুজিছিল। জাতি হিচাপে শ্ৰেষ্ঠতাৰ প্ৰতি তেওঁৰ যে বিশেষ শ্ৰদ্ধা আছিল, তাৰ কোনো প্ৰমাণ পোৱা নাযায়।

উত্তৰ ভাৰতৰ কোনো কোনো বৈষ্ণৱধৰ্মত পুৰুষ আৰু স্ত্ৰী ভক্তই মুকলিভাৱে ধৰ্মালোচনাত যোগ দিয়া নিয়মটোৱে ধৰ্মৰ নানা ব্যভিচাৰ ঘটাইছে বুলি বিবেচিত হৈছে। অসম আৰু দাক্ষিণাত্যৰ বৈষ্ণৱধৰ্মত তিৰোতাৰ স্থান অতুলনীয়। ৰামানুজৰ বিষয়ে এই দৰে কোৱা হৈছে যে তিৰোতাই সন্ন্যাসিনী যে হব নোৱাৰিছিলেই, ধৰৰ বন-কাম এৰি ধৰ্মকাৰ্যত কেতিয়াও তেওঁলোকক মতা মানুহৰ লগত লগ লাগিব দিয়া হোৱা নাছিল (ৰাজাগোপাল চাৰিয়াৰ : পৃঃ ১৩৩)। একশৰণ ধৰ্মত কেৱলীয়া সন্ন্যাসী আছে, কিন্তু সন্ন্যাসিনী নাই। মতা মানুহৰ ধৰ্ম-মেলত তিৰোতাক কেতিয়াও যোগ দিব দিয়া নহয়। তিৰোতাসকলে মন্দিৰৰ চোতালত ঈশ্বৰৰ নামকীৰ্তন বেলেগ থুপত আৰু বেলেগ সময়ত কৰে। এনেকৈয়ো কোৱা আছে যে শঙ্কৰদেৱে তিৰোতাক কেতিয়াও নাম-মন্ত্ৰ দিয়া নাছিল। কিন্তু এই প্ৰথাটো এতিয়া কিছু ঢিলাই দিয়া হৈছে।

আন কিছুমান সৰু-সুৰা সাদৃশ্য লক্ষিত হয়; এইবোৰ ওপৰে ওপৰে চালে আকস্মিক যেন দেখা যায়; কিন্তু আগৰ আলোচনাবোৰৰ লগতে বিবেচনা কৰিলে এই সাদৃশ্যবোৰো যথেষ্ট অৰ্থপূৰ্ণ। নিজৰ জীৱনকালৰ ভিতৰতেই শঙ্কৰদেৱক বিষ্ণুৰ অৱতাৰৰূপে সন্মান কৰা হৈছিল; কিন্তু উত্তৰ ভাৰতীয় বৈষ্ণৱ ধৰ্ম কিছুমানত গুৰুপূজাৰ যেনে প্ৰাধান্য আছে, অসমৰ বৈষ্ণৱধৰ্মত এই প্ৰথাৰ সম্পূৰ্ণ অভাৱ। সমুহ ভাৰতৰ সকলো বৈষ্ণৱধৰ্মৰ প্ৰচাৰকসকলৰ মাজত অকল শঙ্কৰদেৱেহে তেওঁৰ সমসাময়িক লোকসকলৰ মাজত মহাপুৰুষ নামে অভিহিত হৈছিল। সেই দেখিহে শঙ্কৰৰ বৈষ্ণৱধৰ্মৰ জনপ্ৰিয় নাম মহাপুৰুষীয়া ধৰ্ম। ভাৰতৰ বিভিন্ন সাধুসকলৰ বিভিন্ন সন্মানসূচক উপাধি আছিল। চৈতন্যক মহাপ্ৰভু বোলা হৈছিল; শিখধৰ্মৰ সাধুসকল গুৰু নামে অভিহিত হৈছিল, তুলসীদাসক গোস্বামী উপাধি দিয়া হৈছিল। সন্মানসূচক অৰ্থত ব্যৱহাৰ কৰিবলৈ মহাপুৰুষ শব্দটো বৰ জনপ্ৰিয় শব্দ নহয়। কথিত আছে যে দাক্ষিণাত্যৰ যমুনাচাৰ্যই "মহাপুৰুষ-নিৰ্ণয়" নামে এখন গ্ৰন্থ ৰচনা কৰিছিল। 'কেৱলীয়া' শব্দৰ দৰে এই উপাধিটোও দাক্ষিণাত্যৰপৰা অহাটো হব নোৱাৰেনে? দাক্ষিণাত্যৰ সাধু সংগোপে এহেজাৰ তামিল সঙ্গীত ৰচনা কৰিছিল। শঙ্কৰদেৱৰ ধৰ্মোত্তৰাধিকাৰী মাধৱদেৱে শঙ্কৰৰ নিৰ্দেশক্ৰমে "হাজাৰী ঘোষা" নামে এহেজাৰ ঘোষা থকা এখন ধৰ্ম-পদ পুথি লিখিছিল। ৰামানুজ ১২০ বছৰ জীয়াই আছিল। শঙ্কৰদেৱৰ আয়ুস সম্বন্ধে দুটা মত আছে। এটা মত অনুসৰি তেওঁ ১০৫ বছৰ জীৱিত আছিল, আনটোৰ মতে ১২০ বছৰ আছিল।

শঙ্কৰৰ জীৱনীলেখক কেবাজনো। তেওঁবিলাকৰ দুজন ব্ৰাহ্মণ। কিন্তু শঙ্কৰৰ গুৰু কোন আছিল, নাইবা তেওঁৰ ধৰ্ম ক'ৰপৰা পালে, সকলো লেখক এই বিষয়ত সম্পূৰ্ণ নিমাত হৈ থকাটো বৰ আচৰিত কথা। শঙ্কৰদেৱে নিজেও তেওঁৰ ইমানবোৰ লিখাৰ মাজত ক'তো তেওঁৰ ধৰ্মৰ গুৰি সম্পৰ্কে একো উল্লেখ কৰা নাই। কিন্তু তেওঁৰ এজন জীৱনীলেখক ৰামানন্দ দ্বিজ; ৰামানন্দই এঠাইত লিখিছে যে শঙ্কৰদেৱে পুৰীৰ জগন্নাথ মন্দিৰ দৰ্শন কৰি আছি তেওঁৰ শিষ্য এজনক কৈছে বোলে জগন্নাথ মূৰ্তিৰ আগত দোঁওৱা তেওঁৰ মূৰ আৰু আন দেৱতাৰ আগত দোঁ নাখায়। এই কথাৰপৰা এনে অনুমান হব পাৰে যে পুৰীয়েই তেওঁৰ ধৰ্মজ্ঞানৰ দৃশ্যভূমি। কেবা শতিকা পূৰ্বে ৰামানুজে পুৰী দৰ্শন কৰি কূৰ্মস্থান নামে ঠাই এখনত মঠ এটা প্ৰতিষ্ঠা কৰিছিল। নানা বৈষ্ণৱধৰ্মৰ বিশ্বজনীন কেন্দ্ৰস্থান পুৰী। এনে অনুমান কৰিব পাৰি যে দীৰ্ঘকাল তীৰ্থ ভ্ৰমণ কৰি ফুৰোঁতে পুৰীত থকা কালত শঙ্কৰদেৱে গভীৰভাৱে দাক্ষিণাত্যৰ বৈষ্ণৱধৰ্মৰপৰা অনুপ্ৰেৰণা পাইছিল। তেওঁ দাক্ষিণাত্যৰ ধৰ্মৰপৰা মূল ভাৱবোৰ গ্ৰহণ কৰিছিল আৰু পিছত অন্যান্য ধৰ্মৰ গ্ৰন্থবোৰৰপৰা পোৱা জ্ঞানৰ সহায়েৰে এই ভাৱবোৰ সম্পূৰ্ণাঙ্গ কৰি তুলিছিল। দাক্ষিণাত্যৰ 'প্ৰপত্তি' অসমৰ 'শৰণ'ৰ লগত একে।

নৱ-বৈষ্ণৱ সংস্কাৰকসকলৰ ভিতৰত বল্লভস্বামীয়ে কোনো মানৱ-গুৰু স্বীকাৰ নকৰিছিল; তেওঁ কৈছিল যে কৃষ্ণৰপৰাই তেওঁ তেওঁৰ ধৰ্মমত সম্পৰ্কে জ্ঞান পাইছিল (ফাৰ্কুহাৰ: পৃঃ ৩১৩)। শঙ্কৰদেৱে এনে কোনো দাবী কৰা দেখা নাযায়। কিন্তু ৰামানন্দ দ্বিজে শঙ্কৰদেৱ অৱতীৰ্ণ হোৱা এই কথাত বিষ্ণুৰ ভবিষ্যত অৱতাৰ সম্পৰ্কে 'কালিকা-পুৰাণ'ৰ ভবিষ্যদ্বাণী সফল হোৱা দেখিছে। তেওঁৰ মতে এইবাৰ কৃষ্ণই নিজে শঙ্কৰৰূপে কামৰূপৰ ম্লেচ্ছৰাজ্যত অৱতীৰ্ণ হৈ সকলো দেৱ-দেৱীৰ পূজা নিষেধ কৰি ঈশ্বৰৰ নামৰ মহিমা কীৰ্তন কৰিছে।

নতুন শৃঙ্খলা

তেৰ শতিকাৰ আৰম্ভণিৰপৰা কামৰূপ ৰাজ্য লাহে লাহে ভাগি-ছিগি যাবলৈ ধৰিলে। পাল বংশৰ শেষ ৰজাজনৰ অন্তত, নতুন দেশ জয় কৰোঁতে অধীশ্বৰহীন নায়কসকলৰ দৰে, বাৰ-ভূঞা নামেৰে স্থানীয় ক্ষমতাশালী লোক কিছুমানে পুৰণি হিন্দুৰাজ্যৰ খণ্ড-বিখণ্ড অংশবোৰ নিজৰ আয়ত্তলৈ আনিবলৈ ধৰিলে। কিন্তু আহোমসকল অহাৰ লগে লগে তেওঁলোকৰ এই সতৰ্ক দৃষ্টি বাধাপ্ৰাপ্ত হ'ল; পূৱত কছাৰী আৰু পশ্চিমত কোচৰ উত্থানো এই বাধাৰ কাৰণ হ'ল। সমাজৰ অস্তিত্ব লোপ পোৱাৰ ভয় হ'ল। তদুপৰি, সমাজকো ভিতৰৰ পৰা ঘুণে ধৰিছিল, আৰু বাহিৰৰপৰাও জীৱনীশক্তিৰ যোগান ধৰিবলৈ একো নাছিল। জিভাৰ জুতি আৰু কামেন্দ্ৰিয়-লিপ্সা সমৰ্থন কৰা বামাচাৰপন্থী তান্ত্ৰিক গুৰুৰ্ষাৰা দেশ আগুৰি পৰিছিল। ধৰ্ম-ক্ৰিয়াবোৰৰ ভিতৰত আটাইতকৈ

অদ্ভুত পন্থা আছিল ঢোল আৰু তালেৰে কাণ কলা কৰা শব্দৰ মাজত দেৱ-দেৱীসকলৰ আগত নানা প্ৰকাৰৰ বলি-বিধান, ৰাতি কুমাৰীপূজাৰ দৃশ্য উপভোগ আৰু দেৱদাসীবিলাকৰ অশ্লীল নৃত্য।

ধৰ্মৰ কাৰণে সংসাৰ ত্যাগ কৰাটো, এনে কাৰণে সংসাৰী হৈ থকাতকৈ সহজ বুলি কোৱা হয়। শঙ্কৰদেৱে এই টান বাটটোকে ল'লে—নিজৰ ধৰ্মবিশ্বাস মানি নিজে সংসাৰী হৈ থাকিল, আৰু আনকো সেই আদৰ্শকে লৈ থাকিবলৈ শিকাবলৈ ধৰিলে। ৰাজ্য তেতিয়া বাহিৰে ভিতৰে শক্তিহীন হৈ পৰিছিল। শঙ্কৰদেৱে ঠিক তেতিয়াই একশৰণ ধৰ্ম প্ৰচাৰ কৰিলে। সেই সময়ৰ অসমৰ পক্ষে এই ধৰ্মমত বৰ কঠোৰ আছিল; কাৰণ এই দেশত তেতিয়া প্ৰত্যেক তিৰোতাকে দেৱী আৰু প্ৰতিটো পৰ্বতশৃঙ্গকে প্ৰস্তৰীভূত দেৱতা জ্ঞান কৰা হৈছিল। এনে কি এতিয়াও এনে অন্ধবিশ্বাস কিছুদূৰ বৈ আছে।

একশৰণ ধৰ্ম মানুহ আৰু ঈশ্বৰৰ মাজত কোনো দেনা-পাওনাৰ বন্দোবস্তৰ ধৰ্ম নহয়; ই বলি আৰু সহজসাধ্য প্ৰতিকাৰৰো ধৰ্ম নহয়। এই ধৰ্মই আত্মাৰ ধীৰ আৰু ক্ৰমিক উন্নতিৰ ওপৰত প্ৰাধান্য দিয়ে আৰু ঈশ্বৰৰ ওচৰত কায়-মন সমৰ্পণ কৰি আত্মাৰ এটা নতুন উদাৰতা সাধনৰ বাট দেখুৱায়। এবাৰ ঈশ্বৰৰ ওচৰত জীৱন সমৰ্পণ কৰিলে, ই পুনাই ইন্দ্ৰিয়ৰ বশীভূত হ'বৰ অধিকাৰ নাথাকে। ইন্দ্ৰিয়সমূহ তেতিয়া উচ্চতৰ নীতি আৰু পবিত্ৰতৰ আচৰণৰ শাসনৰ তললৈ আহে। কিছুকাল আগেয়ে বাৰাণসীৰ সাধু এজনৰ কাৰ্বাঙ্কল্ (পিঠিত হোৱা বেয়া ব্যাধি) হৈছিল; কিন্তু তেওঁ নিজে ডাক্তৰ মাতি আনি চিকিৎসা কৰাবলৈ মান্তি নহ'ল। কাৰণ তেওঁ পূৰ্বেই শৰীৰ আৰু মন ঈশ্বৰৰ ওচৰত অৰ্পণ কৰিছে যেতিয়া, ঈশ্বৰেই তাৰ যোগ্য প্ৰতিবিধান কৰিব। এই কথাটোৰ মাজেদি, একশৰণ ধৰ্মই প্ৰচাৰ কৰা মানসিক ভাবধাৰাৰ এটা নতুন আভাস পোৱা যায়। শঙ্কৰদেৱে এবাৰ নিজে তেওঁৰ পঙ্গৰপৰা ব্যাসকলাই নামে শিষ্য এজনক উলিয়াই দিছিল; কাৰণ, পুতেকৰ বসন্ত ৰোগ হোৱাত তেওঁ গোপনে শীতলা দেৱীৰ পূজা কৰিছিল। এদিন যেতিয়া আকাশ মেঘে আগুৰি পেলালে, তেতিয়া মাধৱদেৱৰ প্ৰিয় শিষ্য এজনে মেঘ আঁতৰাই নিবলৈ বৰুণ দেৱতাক প্ৰাৰ্থনা কৰাত, মাধৱদেৱে তেওঁক নাৱৰপৰা পানীত পেলাই দিলে। এইবোৰ ব্যৱস্থা নিদাৰুণ বুলিয়েই যেন দেখি। কিন্তু একান্ত বিশ্বাস আৰু ভক্তিভাবত ঈশ্বৰৰ ওচৰত জীৱনটো বিক্ৰীত হৈছে। নতুন এই ভাবধাৰাৰ লগত মিল ৰাখি জীৱন অতিবাহিত কৰিবলৈ অসীম সাহস আৰু ত্যাগ লাগে। ঈশ্বৰৰ অভিপ্ৰায়ৰ লগত হেতা-ওপৰা কৰাটো তেওঁৰ ওপৰত বিশ্বাসৰ আৰু ধৰ্মৰ প্ৰতি আস্থাৰ অভাৱৰ চিন।

এই ধৰ্মটো কাণে কাণে গোপনে কোৱা নীতি কিছুমানৰ সমষ্টি নাছিল। ৰাজহুৱা ধৰ্মসভাত আৰু উৎসৱৰ ঠাইত ইয়াক ঘোষণা কৰি কোৱা হৈছিল আৰু মানুহে যেতিয়া দৈনন্দিন কামৰ মাজত গীতৰ সহায়েৰে অন্তৰৰ ভুৰুণি দিচাৰিছিল, তেতিয়া এই ধৰ্মৰ ধ্বনি-প্ৰতিধ্বনি উঠিছিল।

এই নতুন ধৰ্মৰ শিষ্যসকলৰ মনত পৰম্পৰ যুক্ত প্ৰবৃত্ত ৰজাসকলৰ অন্যৰ সংঘৰ্ষণৰ আতঙ্ক আৰু ৰাতিৰ অশ্লীল আমোদবোৰৰ প্ৰতি আকৰ্ষণ নোহোৱা হৈ পৰিল।

প্ৰত্যেক নতুন ধৰ্মকে নতুন নীতি-গ্ৰন্থ লাগে। সঙ্গীত, নাটক, কাহিনী আৰু ভক্তিমূলক প্ৰাৰ্থনা আদিৰ সহায়েৰে তেওঁ নিজৰ ধৰ্ম প্ৰচাৰ কৰিলে। ধৰ্ম-সাহিত্য জনপ্ৰিয় কৰি তুলিবলৈ তেওঁ শিষ্য আৰু সঙ্গীসকলক উদগনি দিলে। নিজে নাটক অভিনয়ত আৰু ধৰ্মসভাত গীত গোৱাৰ ভাগ লৈ তেওঁ নিজে বাট দেখুৱালে। সকলো কামতে শঙ্কৰদেৱৰ আকত জিলিকা আছিল; ধৰ্মৰ ৰহস্যময় জ্যোতি যেন তেওঁৰ আত্মাৰ চৌপাশেহে পৰিলক্ষিত হৈছিল।

আধুনিক যুগৰ এজন দাৰ্শনিকে কৈছে যে স্বৰ্গীয় কৰুণা লাভ কৰিবলৈ শৰীৰ আৰু মনৰ সম্পূৰ্ণ সমন্বয়-সাধন অতীৱ প্ৰয়োজনীয়। ধৰ্মচৈতন্য লাভ কৰাটো সহজ; ৰখাটোহে টান। কিছুমানে বলিয়ালি কৰে, সাধু-সন্তসকলে মাজে সময়ে উত্তেজনাৰ বশৱৰ্তী হৈ কেতিয়াবা জ্ঞানহাৰা হয়। এজন সাধুৰ বিষয়ে এনে এটা গল্প আছে যে তেওঁ এদিন ধৰ্মকথাত বলিয়া হৈ খোল আৰু কৰ-তালৰ বাজনাত উত্তেজিত অৱস্থাত জোনাক নিশা সাগৰত জাঁপ দি নিজৰ জীৱন অন্ত কৰিলে। পৃথিৱীলৈ গঙ্গা নামি অহা প্ৰসঙ্গত শিৱৰ যিটো গল্প আছে, তাৰ সহায়েৰে, ঐশ্বৰিক শক্তি লাভ কৰাৰ পুলক সহ্য কৰা বিষয়ত আত্ম-সংযমৰ নিদৰ্শন ব্যাখ্যা কৰা হৈছে। সকলো দেৱতাৰ ভিতৰত অকল শিৱেহে মাথোন, নিজে প্ৰবল সোঁতত উটি নোযোৱাকৈ গঙ্গাদেৱীৰ সকলো প্ৰচণ্ডতা নিজৰ জটাৰ ভিতৰত সম্বৰণ কৰিব পাৰিছিল। শঙ্কৰদেৱৰ বিস্তৃত জীৱনীবোৰত তেওঁৰ জীৱনৰ সৰু-সুৰা ঘটনাবোৰৰো উল্লেখ আছে, কিন্তু এবাৰো তেওঁ মানসিক সমতা বা বুদ্ধি-বিবেচনা হেৰুওৱা বুলি ক'তো সামান্য ইঙ্গিতমাত্ৰও নাই। গীত গাওঁতে, অভিনয় কৰোঁতে, বা আবৃত্তি গাওঁতে, সকলো ক্ষেত্ৰতে তেওঁ সম্পূৰ্ণ জাগ্ৰত আছিল। বিৰোধী দলৰ লগত তৰ্কযুদ্ধ কৰোঁতে তেওঁ কোনো দিনো উত্তেজনাৰ বশৱৰ্তী হোৱা নাছিল। কিন্তু তেওঁৰ পূৰ্ণ ৰসজ্ঞান আছিল। তেওঁ স্থিৰভাৱে আৰু পূৰ্ণভাৱে জীৱন উপভোগ কৰিছিল।

সাহিত্যতেই অকল এই নতুন জীৱনৰ প্ৰকাশ হোৱা নাছিল। এই নৱ-চৈতন্যৰ কেন্দ্ৰস্বৰূপে ধৰ্মসত্ৰবোৰ স্থাপন কৰা হৈছিল, আৰু আত্মা আৰু মন তাৰ ওচৰত অৰ্পণ কৰা হৈছিল। এই আঞ্চলিক অনুষ্ঠানবোৰে নৈতিক নিয়মবোৰ বান্ধি দিছিল, আৰু সমাজৰ কাৰ্য-কলাপবোৰ শাসনৰ ভিতৰত ৰাখিছিল। সত্ৰৰ ক্ষুদ্ৰ সংস্কৰণ হিচাপে গাঁৱলীয়া নামঘৰবোৰ সজা হৈছিল। এই নামঘৰবোৰে একাধাৰে গাঁৱলীয়া বিধান-সভা, বিচাৰালয়, পঢ়াশালি আৰু প্ৰাৰ্থনা-গৃহৰ কাম কৰিছিল। সদা পৰিবৰ্তনশীল বাজনৈতিক অৱস্থাৰ মাজত এই অনুষ্ঠানবোৰে অসমীয়া সমাজৰ ধৰণী স্বৰূপে কাম কৰিছিল। শাসকৰ ক্ৰোধাগ্নিৰ প্ৰবল ধুমুহাত মাজে সময়ে এই অনুষ্ঠানবোৰৰ ভেটি পৰ্যন্ত কঁপি উঠিছিল, কিন্তু প্ৰচণ্ডতাৰ অৱসানৰ পিছত পুনৰাই ঠন ধৰি উঠিছিল। কিন্তু সুদিন, দুৰ্দিন—সকলো সময়তে, জীৱনৰ শক্তিমান কেন্দ্ৰ হিচাপে এই অনুষ্ঠানবোৰে যোগ্য সমাদৰ

লাভ কৰিছিল। চিলাৰৰ যোগ্য সন্মানহে চিলাৰৰ প্ৰতি দেখুওৱা হৈছিল—এই ক্ষেত্ৰতো সেই একে কথা। এইদৰে ক'বলৈ গ'লে, ৰাষ্ট্ৰৰ ভিতৰতে কালক্ৰমে এখনি নতুন ৰাষ্ট্ৰ গঢ়ি উঠিছিল।

শঙ্কৰদেৱে অসমক এটা নতুন জীৱন, নতুন সাহিত্য আৰু নতুন ৰাষ্ট্ৰ দান কৰিলে। কত ৰজা আহিল, কত ৰজা গ'ল—কালক্ৰমে তেওঁলোকৰ ৰাজ্য ধূলিময় হৈ গ'ল, কিন্তু শঙ্কৰদেৱৰ ৰাষ্ট্ৰ ৰৈ থাকিল—অসমীয়া সমাজৰ প্ৰতি মানুহৰ অন্তৰত তেওঁৰ ক্ষমতা অক্ষুণ্ণ হৈ চলি আছে।

পখিলা

পখিলা

আমি পখিলা। আমাৰ পাখিত নানা বৰণৰ বং আছে বুলি আমাৰ এই নাম। গছ-লতাৰ ফুল আৰু পাতক আশ্ৰয় কৰিয়েই আমাৰ জনম। ফুলৰ বেণুৱেই আমাৰ প্ৰধান খোৱা বস্তু আৰু ফুলৰ আশ্ৰয়তেই আমি থাকোঁ।

আগৰ দিনত আমাক বুলিছিল প্ৰজাপতি। হিন্দুৰ প্ৰধান দেৱতা ব্ৰহ্মাৰ নামো প্ৰজাপতি। কিয়, ক'ব পাৰা নে? অনন্ত-শয়নত নাৰায়ণ দেৱতা শুই থাকোঁতে তেওঁৰ নাইৰপৰা পদুম ফুল এটি ফুটি ওলাইছিল। সেই পদুম ফুলতেই ব্ৰহ্মাৰ জন্ম হৈছিল। ফুলৰপৰা ওপজা বুলিয়েই নেকি আমাৰ আৰু ব্ৰহ্মাৰ নাম একে।

আমি যি বৰণৰ ফুলক আশ্ৰয় কৰি থাকোঁ, আমাৰ পাখিৰ বঙো সেই বৰণীয়া। আমি ফুলত পৰি মৌ চুহি থাকিলে চৰাই-চিৰিকটিয়ে ফুল বুলিয়েই আমাক ভ্ৰম কৰে, আৰু খাবলৈ আমাক বিচাৰি নাপায়।

প্ৰজাপতি ব্ৰহ্মাই হেনো বিশ্বসংসাৰখন ৰচনা কৰিছিল। ৰচনাৰ উপাদান আমাৰ পেটতো আছে। আমি যি কণী পাৰোঁ, সেই কণীৰপৰা ফুটি ওলোৱা পোকেই লেটা পকাই তোমালোকক এৰী, মুগা, পাট আদি বহুমূলীয়া কাপোৰ যোগায়।

আমি জানিবা উৰণীয়া ফুল। সেই বুলি আমাৰ জীৱনত মোল নাই বুলি নাভাবিবাঁ। অকণমানি! মন কৰিলে তোমালোকো আমাৰ নিচিনাই হ'ব পাৰা। তোমালোকৰ পাখি নাই, কিন্তু মন আছে। আমি পাখিৰে যিমান উৰাৰ পাৰোঁ, তোমালোকে মনেৰে তাতোকৈ বেছি উৰাৰ পাৰা। আমাৰ পাখিতকৈ তোমালোকৰ পাখিত বেছি ৰং খুৱাব পাৰা।

জগতত ডাঙৰ চানেকি, ডাঙৰ ভাব, ডাঙৰ কাম—এইবোৰেই ফুলৰ নিচিনা। সেইবোৰৰ সোৱাদ লোৱাত যদি মন বুৰাই ৰাখিব পাৰা, চাবা, তোমালোকৰ মনো সেই চানেকি, ভাব আৰু কামৰ অনুৰূপ উজ্জ্বল হ'ব। আমি বতাহত উৰি ফুৰোঁ, তোমালোকে ভাবত উৰি ফুৰিবা। আমি কেৱল মুগা, পাট আদি কাপোৰৰ উপাদানহে যোগাওঁ; তোমালোকৰ মনৰপৰা বহুমূলীয়া জ্ঞানৰ কাপোৰৰ দৰে অমূল্য গ্ৰন্থ, আৱিষ্কাৰ, উদ্ভাৱনাৰ নতুন কৌশল ওলাব।

নাম-মাহাত্ম্য

হিন্দুসকলৰ মাজত নাম-ধৰ্ম আছে। কেৱল ঈশ্বৰৰ নাম জপ কৰিলেই ঈশ্বৰৰ ওচৰ চাপিব পৰা যায় বুলি বিশ্বাস এটি আছে। এইটো বিশ্বাস কেৱল ঈশ্বৰৰ নামতেই নহয়, মানুহৰ নিজা নামৰ বিষয়তো এই বিশ্বাস অনুসাৰে নিষ্ঠাবানসকলে কাম কৰে। নিষ্ঠাবান লোকে ল'ৰা-ছোৱালীৰ নামকৰণৰ সময়ত সিহঁতৰ দুটি নাম ৰাখে—এটি গুপুত নাম আৰু এটি প্ৰকাশ্য নাম। গুপুত নাম কেৱল জন্ম-সোঁৱৰণীত হে লিখা থাকে আৰু প্ৰকাশ্য নামেৰে সিহঁতক মতা হয়।

মানুহৰ বিশ্বাস যে আচল গুপুত নামটো জানিলে, সেই নামৰ আলম লৈ তেওঁৰ বিৰুদ্ধে কুমন্ত্ৰ চলাব পাৰি। মৰা মানুহৰ নামত তৰ্পণ কৰিব লাগিলেও আচল নামটোৰ সহায়ত হে তেওঁৰ নামত দান-দক্ষিণা দিব পাৰি। সেইদৰে দেও-ভূত আদিয়ে মানুহৰ গাত লম্ভিলে, ভূতৰ ওজাই দেও-ভূতৰ "জনম-জাতি" আৰু নাম উচ্চাৰণ কৰে। দেও-ভূতৰ নাম নেজানিলে সিহঁতক খেদিব নোৱাৰি।

এই বিশ্বাস আন এটি আত্মিক বিশ্বাসৰ ওপৰত বৰ্ত্তি আছে। সেইটো হৈছে নামেই জীৱাত্মাৰ প্ৰতিকৃতি। নামেই আত্মা আৰু আত্মাই নাম। হিন্দুসকলে শব্দ-ব্ৰহ্মত বিশ্বাস কৰে। ব্ৰহ্ম (পৰমাত্মা) শব্দময় আৰু শব্দই (নামেই) ব্ৰহ্ম।

এই বিশ্বাস পুৰণিকলীয়া আন আন সভ্য জাতিৰ ভিতৰতো আছিল। খৃষ্টিয়ানৰ বাইবেলত আছে, "In the beginning there was the Word, the Word was God."—আদিতে কেৱল শব্দই আছিল, আৰু শব্দই ঈশ্বৰ।

পুৰণি ইজিপ্তৰ মানুহৰ ভিতৰতো এই বিশ্বাস অতি প্ৰবল আছিল। তেওঁলোকৰ নামকৰণ পদ্ধতিও হিন্দুৰ দৰে আছিল। গুপুত নামক তেওঁলোকে "ৰাণ" (Ran) বুলিছিল।

নাম-মাহাত্ম্যৰ বিষয়ে ইজিপ্তীয় পুৰাণত এটি সাধুকথা আছে। সৃষ্টিৰ পাতনিত কেৱল পানীহে আছিল আৰু সেই পানী জগৎপিতা ৰা'-দেৱতা আছিল। ৰা'-দেৱতাই আদেশ দিলে আৰু সেইমতে পৃথিৱী আৰু আকাশৰ সৃষ্টি হ'ল। ক্ৰমে ৰা'-দেৱতাই সকলো জীৱ-জন্তু সৃষ্টি কৰিলে।

ৰা'-দেৱতাৰ বহুত নাম আছিল। তাৰ ভিতৰত এটি গুপুত নাম আছিল যাৰ বলত তেওঁ সকলো ঐশ্বৰ্য আৰু মহিমা দেখুৱাইছিল। এই গুপুত নাম দেও, ভূত, মানুহ কোনেও নেজানিছিল। আইচিচ নামে এজনী দেৱী আছিল। ৰা'-দেৱতাৰ মহিমা দেখি তেওঁৰ ঈৰ্ষা উপজিল। ৰা'-দেৱতাৰ দৰে তেৱো ঐশ্বৰ্যশালিনী হ'ব খোজে।

আইচিচ দেৱী যাদুকৰী আছিল। তেওঁ যাদুকৰী শক্তিৰে অলৌকিক ঘটনা ঘটাব পাৰিছিল। তেওঁৰ উদ্দাম বাসনা জাগিল কেনেকৈ ৰা'-দেৱতাৰ গুপুত নামটো জানিব পাৰে। এই গুপুত নাম ৰা'-দেৱতাৰ বাজে কোনেও নেজানিছিল। আইচিচে হুল-হেপ চাই থাকে। এদিনাখন ৰা'-দেৱতাই

সিংহাসনত বহি বিশ্বৰ ঘটনাৰ ওপৰত ৰায় জাৰি কৰি আছে। কথা কওঁতে কওঁতে ৰা'-দেৱতাৰ মুখৰ পৰা থু ওলাইছে। ৰা'-ই সেই থু সিংহাসনৰ তলত মাটিত পেলালে। সভা ভঙ্গ হোৱাত আইচিচে থু পৰা মাটিখিনি বুটলি ল'লে। সেই মাটিখিনি মাৰি লৈ তেওঁ খাঠি এপাট সাজিলে। পিছত খাঠিপাট জুইত পুৰিলে। জুইৰ সেকত খাঠিপাট বিষধৰ সৰ্প হ'ল। আইচিচে সেই সাপডাল ৰা'-দেৱতাই সচৰাচৰ অহা-যোৱা কৰা বাটত থৈ দিলে। আইচিচত বাজে কোনেও সাপডাল নেদেখে।

এদিনাখন ৰা'ই অনুচৰসকল লগত লৈ বাটত টহল দিছে। হঠাৎ ভৰিত সাপে খুঁটিলে। বিহ বিয়পি গাত জুই জ্বলাদি জাগি উঠিল। ৰা'ই পোৰণিত চিঞৰিব ধৰিলে। বিশ্বব্ৰহ্মাণ্ড ভেদি চিঞৰণিৰ খলক উঠিল।

মৃত্যু-যন্ত্ৰণাত ৰা'-দেৱতাই নিজৰ ল'ৰা-ছোৱালীবোৰক ওচৰলৈ মাতিলে। লগতে আইচিচো গ'ল। আইচিচে ক'লে, "বিশ্বপিতা, তোমাৰ গুপুত নাম যদি মোক কোৱা, তোমাৰ নামৰ বলেৰে তোমাৰ পোৰণি বিহ নাইকিয়া কৰিব পাৰোঁ।"

ৰা'-দেৱতাই আইচিচৰ কথাত আছাট-বিছাট কৰিলে। গুপুত নাম দিবৰ ইচ্ছা নাই। আন সহস্ৰ নামৰ ভিতৰত কেইটিমান ক'লে—"মোৰ তিনিটা নাম— পুৱা বেলিকা খেপেৰা, দুপৰীয়া ৰা' আৰু সন্ধিয়া টুম।" আইচিচে বুজিছে যে দেৱতাই আচল গুপুত নামটো কোৱা নাই। তথাপি আনক দেখুৱাবলৈ এই তিনিটা নামেৰেই জাৰিলে। কিন্তু মন্ত্ৰ নেখাঁপে। আইচিচে ক'লে, "পিতৃ দেৱতা, আপুনি শক্তিশালী গুপুত নাম প্ৰকাশ কৰা নাই। সেই নামেৰে জাৰিলেহে আপোনাৰ বিহ নামিব।" দেৱতাৰ গাত বন পোৰা জুইৰ দৰে বিহ ছানি উঠিল। পোৰণিত তত নেপাই ৰা'ই উচ্চাৰণ কৰিলে "মোৰ গুপুত নাম মোৰ অন্তৰৰপৰা গৈ, আইচিচৰ অন্তৰত উদয় হ'ক।" ইচ্ছা প্ৰকাশ কৰা মাত্ৰকতে ৰা'-দেৱতাৰ অন্তৰ্দ্ধান হ'ল। বিশ্বব্যাপী এন্ধাৰ নামিল। সেই এন্ধাৰত আইচিচৰ মনত ৰা'-দেৱতাৰ গুপুত নামৰ উদয় হ'ল।

আইচিচে সেই নামক উদ্দেশ কৰি মন্ত্ৰ মাতিব ধৰিলে—"হেৰৌ বিহ, তই ৰা'ৰ গাৰপৰা আঁতৰি যা। তেওঁৰ কলিজাৰপৰা, তেওঁৰ মগজুৰপৰা, তেওঁৰ তেজৰপৰা—মুখেৰে ফেনে-ফোটোকাৰে ওলাই আহ। মোৰ মন্ত্ৰ কঁপিছে, মই বিষধৰ সৰ্পক বধ কৰিছোঁ। বিহ নামি আহি মাটিত ছিটিকি পৰিছে। ৰা'-দেৱতা বাচি উঠক, তেওঁৰ নাম মোৰ হৃদয়ত জাগি উঠিছে।"

এনেতে ৰা'-দেৱতাৰ আবিৰ্ভাৱ হ'ল। শৰীৰত বিহ নাই, তেওঁ পূৰ্ণ জ্যোতিৰে বিদ্যমান।

তুলসীদাস

ইউৰোপ, আমেৰিকা আদি মহাদেশৰ প্ৰত্যেকটো খণ্ড জাতিয়েই সমগ্ৰ মহাদেশৰ সাহিত্য-সংস্কৃতি আদিক নিজ নিজ জাতিৰ সাধনাৰ বস্তু বুলি ভাবে। কিয়নো ব্যাপকভাৱে খণ্ড জাতিবোৰে সমস্ত মহাদেশৰেই সংস্কৃতিৰ উত্তৰাধিকাৰী বুলি মানি লয়। সেই কাৰণে ইংলেণ্ড আদি দেশত ফৰাচী, জাৰ্মানী আদি দেশৰ সাহিত্য আৰু সংস্কাৰৰ আলোচনাৰ কিতাপ অলেখ। ইংৰাজৰ আমোলৰ ৰাজনৈতিক ব্যৱধানৰ কাৰণে অনুৰূপভাৱে ভাৰতৰ খণ্ড জাতিবোৰৰ ভিতৰত প্ৰচাৰ লাভ কৰিব পৰা নাই। সেই কাৰণে আন আন প্ৰদেশৰ মানসিক আৰু আত্মিক সাধনাৰ বস্তুবোৰ আমি নিজৰ নিজৰ বুলি ভাবিবলৈ এতিয়াও শিকা নাই। এই দৃষ্টিকোণৰপৰা চালে তুলসীদাসৰ সাধনা আমাৰ ভাৰতবাসীৰ পূৰ্বপুৰুষসকলৰ সাধনাৰ এটি অধ্যায় মাথোন।

তুলসীদাসৰ জন্ম হয় মহাভাৰতৰ বিখ্যাত হস্তিনাপুৰ নগৰত। জন্ম চন খৃষ্টীয় ১৫৩২। তেওঁ কুলত কনৌজী ব্ৰাহ্মণ। বাপেকৰ নাম আত্মৰাম আৰু মাকৰ নাম হুলাসী। তেওঁৰ নিজৰ নাম আছিল—ৰাম বোলা। তুলসীদাস তেওঁৰ ভক্ত জীৱনৰ নাম। তেওঁৰ গুৰু আছিল ৰামানন্দ পন্থী নৰহৰি দাস আৰু বিদ্যাশিক্ষা আৰম্ভ কৰে সুকৰ-খেত বোলা ঠাইত।

তুলসীদাসৰ ভক্ত জীৱনলৈ পৰিবৰ্তনৰ গুৰিত এটি ভাবিব লগীয়া ক্ষুদ্ৰ পাৰিবাৰিক ঘটনা আছিল। ডেকা তুলসীদাস অতিমাত্ৰাই তিৰোতা-সেৰুৱা আছিল। তেওঁ এখন্তেকো গাভৰু ঘৈণীয়েকক নেদেখাকৈ থাকিব নোৱাৰিছিল। এদিনাখন তুলসীদাস ঘৰত নথকাত ঘৈণীয়েকে ওচৰৰ বাপেকৰ ঘৰলৈ বুলি গৈছিল। তুলসীদাসে সন্ধিয়া পৰত ঘৰলৈ আহি ঘৈণীয়েকক নেদেখি পিছে পিছে খেদি গ'ল। বাটতে আছিল নৈ এখন। তুলসীদাসে এন্ধাৰত বাৰিষাৰ ভৰ নৈ সাঁতুৰি পাৰ হৈ ঘৈণীয়েকক লগ ধৰিলে। ঘৈণীয়েকে লাজ পাই তেওঁক ভৰ্ৎসনা কৰি ক'লে, "তুমি মোৰ বাবে যেনেকৈ বলিয়া হৈছা, ৰামৰ ভক্তিত যদি তেনে হ'লাহেঁতেন, পৃথিৱীখনেই তোমাৰ মানত সোণালী হ'লহেঁতেন।" তুলসীদাসৰ মন তিৰোতাৰ আসক্তিৰপৰা তৎক্ষণাৎ ঈশ্বৰৰ আসক্তিলৈ বাগৰি গ'ল। ৰাতিপুৱাৰ লগে লগে তেওঁ ৰাম নামত দীক্ষা ললে আৰু কাশীত থান ল'লে।

তিৰোতাৰ কদৰ্থনাত কেতবোৰ মানুহ অথৰী হয়; কেতবোৰ বা ব্যভিচাৰী হয় আৰু কেতবোৰে বা দুবাৰ-তিনিবাৰকৈ বিয়াৰ ভাওনাৰ ভাৱৰীয়া হয়। কিন্তু ইন্দ্ৰিয়ৰ ধাউতিৰপৰা অতীন্দ্ৰিয় ধাউতিলৈ পৰিবৰ্তন মহানুভৱ পুৰুষসকলৰ পক্ষেহে সম্ভৱ। তেওঁলোকৰ সংখ্যাও বিৰল। ইটালীৰ মহাকবি ডাণ্টেও এই পৰ্যায়ৰ সাধক। ডেকা কালত তেওঁ বিয়েট্ৰীচ্ বুলি এজনী সুন্দৰী ছোৱালীৰ প্ৰেমত পৰিছিল।

ছোৱালীজনীৰ আনৰ লগত বিয়া হৈছিল আৰু কম বয়সতেই ঢুকায়। কিন্তু কবি ডাণ্টেৰ মনৰপৰা প্ৰেমৰ উল্লাস মাৰ নগ'ল। তেওঁ গোটেই জীৱন ধ্যান কৰি "Divine Comedy"—

"স্বৰ্গীয় মহাকাব্য" নাম দি কাব্য এখনি ৰচনা কৰে। সেই মহাকাব্যৰ নায়িকা—তেওঁৰ প্ৰেমৰ পাত্ৰী বিয়েট্ৰীচ্। মহাকাব্যত বিয়েট্ৰীচ্ পাৰ্থিব প্ৰেমৰ বস্তু নহয়—তাত তেওঁ ডাণ্টেৰ স্বৰ্গীয় মোক্ষৰ পথ দেখুৱাৰঁতী। মহাত্মা গান্ধীৰ জীৱনতো ৰাম-নামত আসক্তি আৰু সহধৰ্মিণীৰ প্ৰতি আসক্তিত সমান ভাবৰ খেলা এটি আছে যেন লাগে। অন্তৰত প্ৰেমৰ প্ৰৱল উৎস থাকিলে ক্ষেত্ৰ ভেদে তাৰ প্ৰকাশ বেলেগ বেলেগ হয়।

ভক্ত জীৱনৰ আকাংক্ষা, ধাউতি আদি অতীন্দ্ৰিয় অনুভূতিৰ প্ৰকাশ হয় তুলসীদাসৰ মহাকাব্য "ৰাম-চৰিত-মানস" গ্ৰন্থত। চকুৰি তিনি বছৰ বয়সত অৰ্থাৎ ১৫৭৫ খৃষ্টীয় শকত তেওঁ এই গ্ৰন্থ ৰচনা আৰম্ভ কৰে। ৰামায়ণৰ কথা হিন্দুস্থানত সৰ্বজনবিদিত আছিল। বাল্মীকিৰ সংস্কৃত ৰামায়ণ পণ্ডিত মহলত চলতি আছিল। কিন্তু স্থানীয় অৱধী ভাষাত তেওঁ ৰামায়ণৰ কথাৰ প্ৰচাৰ কৰিলে। তুলসীদাসী ৰামায়ণ বাল্মীকি ৰামায়ণৰ হুবহু অনুবাদ নহয়। ঘটনাৰ চকৰি তুখনতেই একেদৰে ঘূৰিলেও দুয়ো কবিৰেই দৃষ্টিকোণত আকাশ-পাতালৰ প্ৰভেদ আছে। বাল্মীকিৰ ৰামায়ণত ৰামচন্দ্ৰ এজন বীৰ পুৰুষ, তথাপি তেওঁ এজন মানুহহে। সাধাৰণ মানুহৰ দৰে তেৱোঁ শোক-দুখত অভিভূত হৈ পৰে। তুলসীদাসী ৰামায়ণত ৰামচন্দ্ৰ এজন অৱতাৰী পুৰুষ, তেওঁৰ ঐহিক জীৱন কেৱল লীলাময়। তেওঁৰ জীৱনৰ ঘটনাৰ চকৰি কেৱল ধৰ্ম-চক্ৰৰ সূক্ষ্ম গতিৰ পৰিদৃশ্যমান প্ৰয়োগ। ভক্তিপ্ৰৱণ হিন্দুস্থানৰ জন-সমাজত "ৰাম-চৰিত-মানস" গ্ৰন্থই প্ৰবল আলোড়নৰ সৃষ্টি কৰিলে। সৰ্বসাধাৰণৰ মাজত তুলসীদাসী ৰামায়ণে বেদতকৈও ডাঙৰ আসন আৰু মৰ্যাদা লাভ কৰিলে। পণ্ডিত মহল আতঙ্কিত হৈ উঠিল। সংস্কৃত ৰচনৰ যাদুকৰী শক্তি নোহোৱা হ'ল। লগে লগে পণ্ডিতবো বজাৰত মোল কমিল। পণ্ডিতসকলে প্ৰচাৰ কৰিলে তুলসীদাসৰ পুথি বজৰুৱা ভাষাত বজৰুৱা মানুহৰ বাবে ৰচিত, তাত শাস্ত্ৰীয় কথা নাই। তুলসীদাসে উত্তৰ দিলে— "মোৰ সামাজিক অৱস্থা হীন, কিন্তু আকাঙ্ক্ষা ওখ। জ্ঞানীসকলে মোৰ ৰচনাত আনন্দ পাব আৰু মূৰ্খসকলে হাঁহিব। মূৰ্খৰ হাঁহিত মোৰ আনন্দ; সেই হাঁহিয়ে কেৱল ব্যঞ্জনা কৰিব সিহঁতৰ কাব্যৰ প্ৰতি অৰুচি আৰু ৰাম-ভক্তিৰ প্ৰতি অৱহেলা। মোৰ ৰকৰা মাত আৰু অপৰিতা শক্তি যদি অৱজ্ঞাৰ বস্তু, সিহঁতে অৱজ্ঞা কৰক; সেইটো মোৰ দোষ নহয়। সিহঁতৰ ভগৱন্তপ্ৰীতি নাই, মোৰ ৰচনাত সিহঁতে সোৱাদ নেপায়, কিন্তু হৰি-হৰৰ ভক্তসকলৰ মনত ৰঘুপতি ৰাঘৱৰ কাহিনীয়ে মৌ বৰষিব।"

সমসাময়িক কবিসকলে ৰাধা-কৃষ্ণ লীলাৰ আলম লৈ বহুত সুৰুচিপূৰ্ণ কাব্য আৰু কবিতা ৰচনা কৰিছিল। ভজা বুট মাহৰ দৰে সেইবোৰ অবাধিত চলতি। সেইবোৰক লক্ষ্য কৰি তুলসীদাসে এঠাইত কৈছে যে তেওঁৰ কাব্যৰ নাম হৈছে "ৰাম-চৰিত-মানস"। মানস শব্দৰ অৰ্থ পুখুৰী। বগলী-কাউৰীৰ দৰে ইন্দ্ৰিয়াসক্ত জীৱসকলৰ বাবে এই পুখুৰীত ঠাই নাই। কিয়নো ইয়াত এনে কোনো কাহিনী নাই যিহে ইন্দ্ৰিয়ক উত্তেজিত কৰে বা তাক মোহিনী-শক্তিৰে মুগ্ধ কৰে। যিবোৰে কুমজেলুকা, ভেকুলী বা শেলুৱৈ বিচাৰে সেইবোৰে এই পুখুৰীলৈ আহিলে নিৰাশ

হ'ব। তুলসীদাসৰ এই নৈতিক উক্তিত পণ্ডিত-অপণ্ডিত সকলো মহল নিমাত হ'ল। সেই দিন ধৰি আজিলৈকে হিন্দুস্থানী অঞ্চলত তুলসীদাসী ৰামায়ণে খৃষ্টান সমাজৰ বাইবেলতকৈও ওখ আসন গ্ৰহণ কৰি আছে। হিন্দুস্থানী কওঁতা এনে কোনো নিৰক্ষৰ মানুহ নাই যি দুআষাৰ তুলসীদাসৰ পদ আওৰাব নোৱাৰে।

কেৱল ভক্তি-গ্ৰন্থ হিচাপেই তুলসীদাসী ৰামায়ণৰ সমাদৰ হোৱা নাই। ইউৰোপীয় পণ্ডিতসকলেও কাব্য হিচাপে ইয়াক সমাদৰ কৰে। "ৰাম-চৰিত মানস"ৰ কেতিয়াবাই ইংৰাজ পণ্ডিত Growse-অৰ ইংৰাজী ভাঙনি ওলাইছে। তেওঁলোকে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ হোমাৰ, ভাৰ্জিল, ডাণ্টে আদিৰ মহাকাব্যৰ শাৰীতে তুলসীদাসী গ্ৰন্থৰ আসন নিৰ্দেশ কৰে।

অসমীয়া মানুহে তুলসীদাসৰ ৰামায়ণৰ প্ৰতি আদৰৰ জোখ পাব; আমাৰ দেশৰ "কীৰ্তন" পুথিৰ প্ৰতি অসমীয়া মানুহৰ আদৰৰপৰা। অসমীয়া গাঁৱলীয়া সমাজত নিৰক্ষৰ গৃহস্থয়ো "কীৰ্তন" পুথি এখনি চিলিঙাত ৰাখি গুৰু-সেৱাৰ সময়ত সেইখনক আগত ৰাখি গুৰুৰ প্ৰতীক বুলি সেইফালে মান দেখুৱায়। যি গৃহস্থৰ ঘৰত কীৰ্তন পুথি নাই সেই গৃহস্থৰ ঘৰক মেলেছৰ ঘৰ বুলি কোৱাও শুনা যায়। কিন্তু হিন্দুস্থানী কওঁতা মানুহৰ সংখ্যা অলেখ। ৰাজ্য অতিশয় বহল। হিন্দুস্থানী মানুহো সৰ্বভাৰতত সিঁচৰতি হৈ আছে। সেই কাৰণে তুলসীদাসৰ নাম সৰ্বভাৰত বিদিত। কিন্তু আধুনিক ভাৰাত লিখা এই তিনিখন পুথিয়ে দেৱতাৰ আসন গ্ৰহণ কৰিছে:

(১) তুলসীদাসৰ "ৰামায়ণ" (২) শিখসকলৰ "গ্ৰন্থছাহেব" (৩) অসমীয়াৰ "কীৰ্তন" পুথি। কিন্তু ওপৰত কোৱা কাৰণত তুলসীদাসৰ প্ৰভাৱ অতুলনীয়। মহাত্মা গান্ধীৰ ধৰ্ম জীৱন গঠনত তুলসীদাসৰ প্ৰভাৱ গীতা শাস্ত্ৰৰ তলতেই।

এয়ে তুলসীদাসৰ চৰিত্ৰৰ মাহাত্ম্য। যিজন পুৰুষে অতিশয় ভিৰোতা-সেকুৱা হিচাপে জীৱন আৰম্ভ কৰে, তেওঁ অতীন্দ্ৰিয় প্ৰেম-ভক্তিৰ মাহাত্ম্য প্ৰচাৰ কৰি কোটি কোটি জন-প্ৰাণীৰ শান্তিৰ পথ মুকলি কৰি দিছে।

আমাৰ দেশত শঙ্কৰদেৱৰ ভক্ত-জীৱনৰ কৰিত্ব প্ৰতিভা, গীত, পদ, ভাওনা আদিত যেনেকৈ ফুটি ওলাইছে, তুলসীদাসৰ বহুমুখী প্ৰতিভায়ো নানান ছন্দত ৰাম-চৰিত্ৰৰ পুথুৰীত অৱগাহন কৰিছে।

তুলসীদাসে কোনো ধৰ্ম-সম্প্ৰদায় স্থাপনা কৰা নাই। কিম্বা কোনো নতুন দাৰ্শনিক সত্য উদ্‌ঘাটন কৰা নাই। কিন্তু তেওঁৰ ৰচনাই স্বৰ্গৰ প্ৰেম-ভক্তিৰ দুৱাৰ মোকলাই দি অলেখ নৰ-নাৰীৰ হৃদয়ত শান্তিৰ পানী ছটিয়াই দিছে।

* অল ইণ্ডিয়া ৰেডিঅ'ৰ সৌজন্যত

এমুঠি সৰিয়হৰ গুটি

এসময়ত এজন ধনকুবেৰ আছিল। তেওঁ নিতৌ ভঁৰালত সাঁচি থোৱা সোণ-ৰূপবোৰ চাই দিনটোলৈ সন্তোষ লভিছিল। এদিনাখন ভঁৰালৰ দুৱাৰ মেলি দেখিলে সোণ-ৰূপৰ ঠাইত এপাচিমান ছাই আছে। ধনকুবেৰ শোকত মাটিত বাগৰি পৰিল।

এজন বন্ধুৱে বেমাৰৰ বাতৰি পাই সান্ত্বনা দিবলৈ আহি ক'লে, "তুমি ধনৰ সজ ব্যৱহাৰ কৰা নাই। সাঁচি থোৱা ধন ছাইৰ নিচিনা, সেই কাৰণে সেইবোৰে স্বৰূপ ধাৰণ কৰি, তোমাক নিজৰ মোল দেখুৱাইছে। তুমি মোৰ উপদেশ লোৱা। ছাইবোৰ বজাৰলৈ লৈ যোৱা। সেইবোৰক কাপোৰ এখনত মেলি লৈ-বিকিবলৈ আগবঢ়োৱা।"

ধনকুবেৰে তাকেই কৰিলে। মানুহে সোধে, "তুমি ছাই বেচা কিয়?" কুবেৰে উত্তৰ দিয়ে, "মোৰ সম্পত্তি মই বিকিব খুজিছোঁ।"

এদিনাখন কৃশা গৌতমী নামেৰে এজনী মাউৰা ছোৱালী কুবেৰৰ ওচৰত থিয় হৈ সুধিলে, "দেউতা, আপুনি সোণ-ৰূপবোৰ কিয় বেচিবলৈ মেলি থৈছে?" কুবেৰৰ মূৰ আচন্দ্ৰাই কৰিলে। সোণ-ৰূপ ক'তা? মনৰ আউল-জাউল থমাই ছোৱালীজনীক ক'লে, "মোক এমুঠি সোণ-ৰূপ আগবঢ়াই দিয়াচোন।" কৃশা গৌতমীয়ে ছাই এমুঠি হাতত ল'লে। কুবেৰে চাই দেখে সেইবোৰ ছাই নহয়, সোণ-ৰূপহে!

ধনকুবেৰে বুজিলে কৃশা গৌতমী এজনী আত্মিক-দৃষ্টি থকা দৈৱশক্তিসম্পন্না ছোৱালী। ধনকুবেৰে নিজৰ ল'ৰালৈ বিয়া কৰায় ছোৱালীজনীক ঘৰতেই ৰাখিলে।

কালক্ৰমে কৃশা গৌতমীৰ একেটি মাত্ৰ সন্তান হ'ল। সিয়ো এদিনাখন মৰি থাকিল। শোকত উন্মাউল হৈ কৃশা গৌতমীয়ে মৰা ল'ৰাটো কোলাত লৈ ওচৰচুবুৰীয়াইতৰ দুৱাৰ মুখলৈ গৈ দৰব খুজিলে। সিহঁতে হুমুনিয়াহ একোটি কাঢ়ি ক'লে, "এইজনী বলিয়া হ'ল! ল'ৰাটো মৰিছে।"

শেহত এজন বাটকৰাই ক'লে, "মই নিজে ঔষধ দিব নোৱাৰোঁ, কিন্তু জনা বেজৰ সন্ধান দিব পাৰোঁ।" কৃশাই উৎকণ্ঠাৰে সুধিলে, "সেইজন কোন?" বাটকৰাই ক'লে, "বুদ্ধ শাক্যমুনি।"

কৃশাই বুদ্ধ শাক্যমুনিৰ ওচৰ পাই কাতৰস্বৰে ক'লে, "প্ৰভু, ভগৱান, মোৰ ল'ৰাটো বচোৱা—ঔষধ দিয়া!"

বুদ্ধ শাক্যমুনিয়ে উত্তৰ দিলে, "মোক এমুঠি সৰিয়হৰ গুটি আনি দিয়া। এনে এঘৰৰপৰা সৰিয়হ আনিবা যাৰ ঘৰত কোনো আত্মীয়-স্বজনৰ বিয়োগ ঘটা নাই।"

কৃশাই ঘৰে ঘৰে সৰিয়হ খুজি ফুৰিব ধৰিলে। তাইৰ প্ৰতি সকলোৰে করুণাপূৰ্ণ দৃষ্টি। সকলোৱে কয়, "নিয়া কিমান লাগে সৰিয়হৰ গুটি!" কিন্তু কৃশাই যেতিয়া সোধে, তেওঁলোকৰ পৰিয়ালত কোনো স্বজনৰ মৃত্যু ঘটিছে নে নাই, তেতিয়া সকলোৱে উত্তৰ দিয়ে, "মৰাৰ সংখ্যা

জীয়াতকৈ বেছি। শোকৰ বুৰঞ্জীৰ আৰু পাত নেমেলাবা।" যি ঘৰত কোনো মানুহ মৰা নাই তেনে ঘৰ কৃশাই বিচাৰি নেপালে।

শোক আৰু নৈৰাশ্যত কাতৰ হৈ কৃশাই ৰাজবাটৰ দাঁতিত বহি নগৰৰ ফালে চাই আছে। ঘৰে-ঘৰে চাকি-বন্তি জ্বলি উঠিল, মাজ নিশা আকৌ চাকি-বন্তি নুমাল। পৃথিৱী তমসাচ্ছন্ন। সেই এন্ধাৰৰ মাজত কৃশাই পোহৰ দেখিলে।

কৃশাৰ মনত পোহৰৰ ৰেখা পৰিল—"এই যে চাকি-বন্তিবোৰ জ্বলি উঠি আকৌ নুমাল, মানুহৰ জীৱনো তেনে নহয় নে? মানুহৰ জীৱন-শলিতা জ্বলি উঠে, আকৌ নুমায়। জীৱন-মৰণেই মানুহৰ ভাগ্যৰ ছুপিঠি। মই তেনেহ'লে সন্তান-শোকত ইমান বিহ্বল কিয়? এইটো মোৰ স্বাৰ্থপৰতা।"

তেতিয়া কৃশাই মৰা ল'ৰাটো পুতি থৈ, শাক্যমুনি বুদ্ধৰ ওচৰলৈ আহি তেওঁত শৰণ ল'লে।

পৃথিৱীত ধুমুহা আদি প্ৰাকৃতিক দুৰ্যোগ আছে। সেইবোৰ নাইকিয়া কৰিবৰ কাৰো শক্তি নাই, সেইবোৰৰপৰা ৰক্ষা পৰিবলৈ আশ্ৰয়ৰ থল মানুহে কৰিব পাৰে। জন্ম-মৃত্যু, শোক-তাপ সংসাৰত কোনেও নিৰোধ কৰিব নোৱাৰে, কিন্তু সেইবোৰৰ দৌৰাত্ম্যৰপৰা সাৰিবৰ একমাত্ৰ উপায়—অবিচলিত চিত্তেৰে সত্যৰ ধ্যান।

কামনাত কেৰোণ

মহাকবিৰ বচন আছে যে দেৱতা ঈশ্বৰে আমাৰ সকলো কামনাকেই সফল নকৰি, আমাৰ উপকাৰহে সাধন কৰে। কিয়নো সকলো বাসনা ফলৱতী হ'বলৈ হ'লে মানুহৰ সুখ-শান্তি নাইকিয়া হ'ব। মানুহৰ মঙ্গলৰ বাবে কি ভাল, কি বেয়া, দেৱতা-ঈশ্বৰেহে জানে। মানুহে নিজে যিটো ভাল বুলি দেৱতাৰ ওচৰত মাগে, তাৰ ফল ভালেমান সময়ত বেয়া হয়। ইয়াৰ উদাহৰণ স্বৰূপ তলত তিনিটা গ্ৰীক পুৰাণৰ আখ্যান দিয়া হ'ল।

১। সোণালী পৰশ

২। অমৰ প্ৰেমিক

৩। অৰূপ ধুনীয়া তিৰোতা

সোণালী পৰশ

পুৰণি কালত এছিয়া মাইনৰ খণ্ডত লিডিয়া বুলি এখন ৰাজ্য আছিল। তাত মাইদাচ নামে এজন ধনৰ খকুৱা ৰজা আছিল। সক কালত পিপৰা-পৰুৱাবোৰে অকণি অকণি মুখেৰে খুদ

কটিয়াই আনি সক সক হাফলু বন্ধা দেখি তেওঁ মনতে ভাবিছিল যে ৰজা হ'লে তেওঁ নিজ কাৰেং-ঘৰটো সোণ-ৰূপৰ হাফলু যেন কৰিব।

ডেকা বয়সত মাইদাচ ৰজা হ'ল। নানা উপায় উদ্ভাৱনা কৰি প্ৰজাসকলৰ পৰা ধন গোটাবলৈ ধৰিলে। তেওঁৰ সকলো ধাতুৰ মুদ্ৰা আৰু বস্তুকেই সোণৰ সলনি সলাবলৈ ধৰিলে। সোণৰ হালধীয়া ৰঙৰ বাহিৰে তেওঁক আন একো ৰঙেই সন্তোষ দিব নোৱাৰিছিল। আমাৰ দেশৰ ভলুৱাৰ দেৱতা যেনে মহাদেৱ সেইদৰে পুৰণি গ্ৰীচতো মদাহীৰ দেৱতা আছিল বেকাচ। তেওঁ কিবা এটি চলত বেকাচ দেৱতাক প্ৰসন্ন কৰিলে।

বেকাচত বৰ মাগিলে—"মই হাতেৰে যি বস্তু চোওঁ, সেয়ে সোণ হওক।" দেৱতাই হয়ভৰ দি জনালে—"তথাস্তু, তেনে হওক।"

পৰীক্ষা চাবলৈ মাইদাচে বৰ গছৰ ঠানি এটা ছুলে। ঠানিটো ততালিকে সোণৰ ফুলজাৰি হ'ল আৰু গুটিবোৰ সোণৰ মণি হৈ জিলমিলাবলৈ ধৰিলে। শিল এডোখৰ ছুলে—সিও শিল গুচি সোণৰ হীৰা হ'ল। আপেল ফল এটি হাতত ল'লে, ফল গুচি সোণৰ লাড়ু এটি হাতত খিতাপি হ'ল। আনন্দত ৰজা আপোন-পাহৰা! সঁচাকৈ তেওঁ সোণালী পৰশ পালে।

আনন্দত অধীৰ হৈ কৃপণ ৰজাই ডাঙৰ ভোজ এটি পতাই সকলো বিষয়ববীয়াকেই বোলন দিয়ালে। ৰজাৰ ভোজ! ফল-মূল, মদ-মঙহৰ ভৰত টেবুল ভাঙো ভাঙো! ভোক বঢ়াবলৈ ৰজাই মদ এঢোক মুখত ঢালিলে—বাতি গচক খোৱা বোন্দা কেঁচুৰপৰা ওলোৱা জিলমিলিয়া পদাৰ্থৰ দৰে ৰজাৰ মুখৰপৰা হালধীয়া জুলীয়া বাখৰ কিছুমান কোৱাৰিবে বাগৰি পৰিল। মঙহৰ এডোখৰ মুখত দলিয়াই দিলে, খটকৈকৈ দাঁতত লাগিল—শিলৰ দৰে টান সোণৰ গুলি! লঘোনত মৰিব।

ৰজাৰ মূৰ আচন্দ্ৰাই কৰিলে। বিছনাত গৈ ধৰ্ফৰাই বাগৰি পৰিল। আচৰিত! গাধীৰৰ কেনৰ দৰে আতোলতুলীয়া গাৰুটো সোণৰ পাথৰ এডোখৰত পৰিণত হ'ল। যি ফালেই বাগৰ সলায়, নৰম কাপোৰৰ ঠাইত ডাঠ সোণৰ পাত এডোখৰ হয়।

ৰজাৰ চেতনা নাই। ভণ্ডুৱা মদাহীৰ দৰে চলং-পলংকৈ গৈ বেকাচ দেৱতাৰ ভৰিত দীঘল দি পৰিল। কাবৌ কৰিবলৈ ধৰিলে—"মোক সোণৰ অত্যাচাৰৰপৰা ৰক্ষা কৰক।" বেকাচে ভেকাহি মাৰি উত্তৰ দিলে—"ইমানতে সোণৰ খক পলাল নে? সৌৱা নৈখনত বুৰ মাৰাগৈ, নৈয়ে সোণালী পৰশ ধুই পেলাব।" মাইদাচে ব'লে পোৱা মানুহৰ দৰে জপংকৈ নৈত জঁপ দিলে। সোণালী পৰশ উটি গ'ল। কিন্তু বালিবোৰত আমাৰ সোৱণশিৰি নদীৰ দৰে সোণৰ কণিকা বিয়পি পৰিল।

অমৰ প্ৰেমিক

আমাৰ দেশৰ পুৰাণ শাস্ত্ৰত যাক উষাদেৱী বোলোঁ, গ্ৰীচদেশৰ পুৰাণত তেওঁৰ নাম আছিল অৰোৰা দেৱী। অৰোৰা অপৰূপ সুন্দৰী; তেওঁৰ গালৰ সেন্দুৰীয়া বঙেৰে সকলো দিশ পোহৰ হয়। পুৱা বেলিকা অৰোৰা দেৱীয়ে পুব দিশৰ মুকুতাৰ দুৱাৰ মেলি দিয়ে আৰু সাতোটা ঘোঁৰাৰ ৰথ ডকাই সূৰ্য দেৱতা বাহিৰলৈ ওলায়।

এছিয়া মাইনৰৰ ট্ৰয় ৰাজ্যত তিথোনাচ নামে এজন ডেকা পুৰুষ আছিল। অৰোৰা দেৱীৰ ৰূপত মুগ্ধ হৈ ডেকাই দোকমোকালিৰ আগতেই বিছনাৰপৰা উঠি বাহিৰ ওলাই পুব মুখলৈ খাপ লৈ থাকে—অৰোৰা দেৱীৰ ৰঙচুৱা সৌন্দৰ্য চাবলৈ। দিনৰ পিছত দিন গ'ল। তিথোনাচৰ ধ্যান অৰোৰাৰ চকুত পৰিল। তিথোনাচৰ সবল, সুঠাম দেহৰ প্ৰতি অৰোৰাৰো স্পৃহা জন্মিল। কিন্তু দেৱী হ'ল অমৰ আৰু তিথোনাচ হ'ল মৰণশীল নৰ মনিচ। অভেদ মিলনৰ সম্ভাৱনা নাই।

অৰোৰা দেৱীয়ে সৰগৰ ৰজা জুপিটাৰৰ ওচৰত জেউৰ ধৰিলে, এটোপা মাথোন অমৃত কণিকা দি তিথোনাচক অমৰ কৰিব লাগে। সুন্দৰীৰ জেউৰ জুপিটাৰে অগ্ৰাহ্য কৰিব নোৱাৰিলে।

তিথোনাচ অমৃত খাই অমৰ হ'ল।

বছৰৰ পিছিত বছৰ বাগৰি যাবলৈ ধৰিলে। দেৱীৰ অভেদ প্ৰণয়-লীলাও চলিল। কিন্তু কালৰ ক্ষয়-শক্তিৰ পৰিচয় স্বৰূপে তিথোনাচৰ মূৰত বগা চুলিৰ গজালি মেল খালে, গাৰ ছালৰ চিকচিকীয়া ৰং মলিন হ'বলৈ ধৰিলে। কালক্ৰমে বাৰ্দ্ধক্যৰ সকলো লক্ষণ তিথোনাচৰ শৰীৰত প্ৰকাশ পালে। অৰোৰা দেৱী কিন্তু স্থিৰ যুৱতী। তিথোনাচ অমৰ, কিন্তু স্থিৰ যুৱা নহয়। দেৱীয়ে অমৰত্ব মাগিলে, কিন্তু স্থিৰ যৌৱন মাগিবলৈ পাহৰিলে।

সময়ৰ সোঁতত তিথোনাচ আলৰ-অথৰ বুঢ়া হ'ল। অৰোৰাই মনত প্ৰমাদ গণিলে। কিছুমান দিন আলপৈচানৰ ভয়ত সৰু কোঠালী এটিত অমৰ স্বামীক বন্ধ কৰি ৰাখিলে। তাতো অসুবিধা বহুত। শেষত নিৰুপায় হৈ দেৱতাক বৰ মাগিলে তিথোনাচ যেন ফৰিং এটা হৈ ঘাঁহৰ পাতত জঁপিয়াই ফুৰে। অৰোৰাৰ করুণ অৱস্থা লক্ষ্য কৰি দেৱতাই তিথোনাচক ফৰিঙত পৰিণত কৰিলে।

অৰূপ ধুনীয়া তিৰোতা

পুৰণি কালত এছিয়া মাইনৰ বোলা ভূখণ্ডত ট্ৰয় নামে ৰাজ্য এখন আছিল। তাৰ ৰাজকোঁৱৰ পেৰিচে দৈৱদোষত আমাৰ শ্ৰীকৃষ্ণৰ দৰে সৰুকালত আনৰ অজানিতভাৱে ছাগলীৰখীয়াৰ কাম কৰিব লগীয়াত পৰিছিল। হাবিয়ে বননিয়ে ছাগলী চৰায় ফুৰে। এদিনাখন স্বৰ্গৰ তিনিজনী দেৱীমূৰ্তি আহি আগত উপস্থিত। লগত এটি সোণালী আপেল ফল। তাৰ বাকলিত লিখা

আছিল—"আটাইতকৈ শুৱনি তিৰোতালৈ উপহাৰ।" বিচাৰ কৰি তিনিওৰো যেয়ে সৰ্বসুন্দৰী তেওঁক সোণালী ফলটো বঁটা স্বৰূপে দিব লাগে।

থেটিচ নামে জলকুঁৱৰী এজনীৰ পেলিউচ নামে ৰজাৰ লগত বিয়া। বিয়ালৈ সৰগৰ সকলো দেৱ-দেৱীকেই খোলন দিয়া হৈছিল আৰু সকলো আহিছিল। কিন্তু আমাৰ টুটকীয়া নাৰদ ঋষিক যেনেকৈ সকলোৱে বিয়াবাৰুত ভয় কৰে তেনেকৈ গ্ৰীকসকলেও কোঢ়ালৰ দেৱতা এৰীচ দেৱীক ভয় কৰি বিয়ালৈ মতা নাছিল। লাজ-অপমানত এৰীচ জিঘাংসু হৈ উঠিল। বিয়াৰ মণ্ডপ যেতিয়া ৰং-ৰহইচ, আনন্দ-স্ফূৰ্তিৰে মুখৰিত তেতিয়া এৰীচে এটা সোণালী আপেল দলিয়াই দিলে; তাৰ বাকলিত লিখা আছিল—"আটাইতকৈ শুৱনি তিৰোতালৈ।" তিৰোতাসকলৰ ভিতৰত উথল-মাথল লাগিল। প্ৰত্যেকেই নিজক বঁটাৰ উপযুক্ত বুলি ভাবি ল'লে।

শেষলৈ নিৰুপকণীয়াভাৱে দাবি জনোৱাৰ ভিতৰত থাকিল তিনি গৰাকী দেৱীমূৰ্তি— জুনো (স্বৰ্গৰ ৰাণী), মিনাৰ্ভা (জ্ঞান-প্ৰজ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী—সৰস্বতী) আৰু ভেনাচ (প্ৰেম আৰু সৌন্দৰ্যৰ অধিষ্ঠাত্ৰী দেৱী অৰ্থাৎ ৰতিদেৱ।)। এওঁলোকৰ প্ৰত্যেকেই নিজক অৰূপ ধুনীয়া বুলি নিজৰ বিশ্বাসক খামুচি ধৰি থাকিল। নৰ-দেৱতাৰ ভিতৰত কোনেও মধ্যস্থ হ'বলৈ সাহ নকৰিলে। ছাগলীৰখীয়া কোঁৱৰ পেৰিচৰ সুবিচাৰক বুলি খ্যাতি আছিল। সেই কাৰণে তিনিও তেওঁৰ ওচৰ পালেগৈ।

মিনাৰ্ভাই গোচৰ জনালে—"মোক যদি সোণালী আপেলটো দিয়া, মই তোমাক জ্ঞান-বিজ্ঞানৰ পোহৰেৰে জিলিকাই ৰাখিম। তুমি সুখ-শান্তিৰ অধিকাৰী হ'বা।"

জুনোৱে নিবেদন কৰিলে—"ফলটো মোক দিয়া, তোমাক অফুৰন্ত ধন আৰু অসীম ক্ষমতাৰ মালিক কৰিম।"

কিন্তু প্ৰেম-সৌন্দৰ্যৰ অধিষ্ঠাত্ৰী দেৱী ভেনাচে যেতিয়া কৃত্ৰিম সৰলতাৰ মোহিনীৰূপ ধাৰণ কৰি পেৰিচৰ কাণে কাণে ফুচফুচাই ক'লে—"ফলটো মোক দিয়া, মোৰ নিচিনা অপৰূপ সুন্দৰী এজনী তোমাক তিৰোতা স্বৰূপে দিম।" তেতিয়া জ্ঞানৰ গৰিমা আৰু ধন-ক্ষমতাৰ লালসাৰ সপোন পেৰিচৰ মনৰপৰা পাতল ডাৱৰৰ দৰে উৰি গ'ল।

সৌন্দৰ্যৰ মাদকতাত পেৰিচে ভেনাচৰ মেলা-হাতৰ তলুৱাত সোণালী আপেলটো অৰ্পণ কৰিলে। ভেনাচেও নিজৰ প্ৰতিজ্ঞা পূৰণৰ অৰ্থে লাগি বান্ধি উঠিল। তেওঁৰ উদগনি অনুসাৰে পেৰিচে বাপেকৰ ৰাজ্যলৈ গৈ নিজৰ পদ দখল কৰি ল'লে। ভেনাচে প্ৰেৰণা যোগালে, পেৰিচ গ্ৰীচ দেশলৈ ফুৰিবলৈ যাব লাগে। দেৱতাৰ কথা আওহেলা কৰিব নোৱাৰি। নাও-ব'ঠা লৈ পেৰিচ গ্ৰীচ দেশৰ স্পাৰ্টা ৰাজ্যৰ আলহী হ'ল।

স্পাৰ্টাৰ ৰজা মেনিলচৰ ৰাণী পুৰণি কালত অতুলনীয় ৰূপৰ গৰাকী বুলি খ্যাতি আছিল। সেই সময়তে পেৰিচ আলহী। ৰজা-ৰাণীয়ে অতি সমানেৰে তেওঁৰ আল ধৰিলে। ইতিমধ্যে

কেইদিনমানৰ বাবে মেনিলচে বৰ এবিৰ লগীয়া হ'ল। ৰাণী হেলেনৰ ওপৰত আলহী লোখাৰ ভাব দি বজা স্থানান্তৰলৈ গ'ল।

এই শূন্য ক্ষণতে দেৱী ভেনাচে আলহী কোঁৱৰ আৰু বিৰহিণী ৰাণীৰ অন্তৰত প্ৰেমৰ ঢল-পানীৰ জোৱাৰ তোলালে। দুয়োৰে আকৰ্ষণ অনিৰ্বাৰ হৈ উঠিল। বজাৰ অনুপস্থিতিত পেৰিচ আৰু হেলেন অবৈধ প্ৰীতিৰ ভোলত মেৰ খাই পলাল—নাও-ব'ঠাৰে ট্ৰয় ৰাজ্যৰ কাষেওত উপস্থিত হ'ল।

এই ঘটনাটো হ'ল সংস্কৃত মহাকাব্য ৰামায়ণৰ দৰে প্ৰসিদ্ধ গ্ৰীক মহাকাব্য ইলিয়াডৰ পট-ভূমিকা। সীতাৰ উদ্ধাৰ আৰু হেলেনৰ উদ্ধাৰ সমান্তৰাল ঘটনা। সীতাক উদ্ধাৰ কৰোঁতে লঙ্কা ধ্বংস হ'ল আৰু হেলেনক উদ্ধাৰ কৰোঁতে ট্ৰয় নগৰ ধূলিত পৰিণত হ'ল। গ্ৰীচৰ বজাসকলে হেলেনৰ হৰণক সমগ্ৰ গ্ৰীচ জাতিৰ প্ৰতি অপমান বুলি মানি ললে। ট্ৰয় ৰাজ্যৰ বিৰুদ্ধে অভিযান হ'ল। দহ বছৰৰ মূৰত ছলে-ছন্দে ট্ৰয় ৰাজ্য সমূলঙ্কে ধ্বংস কৰি হেলেনক উদ্ধাৰ কৰা হ'ল। যুদ্ধত পেৰিচৰো নিপাত হ'ল।

এয়ে দেৱতাৰ বৰ! বৰ আখৰে আখৰে ফলিয়ায়; কিন্তু ফলাফল ভোগ কৰিব লাগে মাগোঁতাজনে। তাৰ বাবে বৰ দিয়া দেৱতা জগৰীয়া নহয়। অৰোৱাই কামনা অনুসাৰে অমৰ প্ৰেমিক পাইছিল, কিন্তু প্ৰেমিকৰ স্থবিৰত্বৰ বাবে দেৱতা দায়ী নহয়। মাইদাচে কামনা অনুসাৰে পৰশ পাইছিল, কিন্তু মুখত সোণৰ গুলি লৈ ভোকত মৰা অৱস্থাৰ বাবে তেওঁ নিজে দায়ী। পেৰিচেও অৰূপ সুন্দৰী তিৰোতা পালে—এই পৰ্যন্তই দেৱতাৰ দায়িত্ব। সেই কাৰণে দেৱতাৰ ওচৰত বৰ মাগোঁতে অতি সাৱধান হ'ব লাগে।

পণ্ডিতসকলে মানুহৰ বাসনাক দুই ভাগত ভগাইছে। প্ৰেয় আৰু শ্ৰেয়। এবিধ বাসনাই প্ৰীতি দিয়ে, আন বিধে মঙ্গল দিয়ে। বহুত সময়ত কোনটো প্ৰীতিদায়ক, কোনটো মঙ্গলদায়ক থিৰ কৰা বৰ টান। সেই কাৰণে জ্ঞানীসকলে নিৰ্দিষ্ট বস্তুৰ প্ৰতি কামনা নজনাই, ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰে।

"যচ্ছ্ৰেয়ঃ স্যান্নিশ্চিতং ব্ৰূহি তমে।"

"হে দেৱতা, যিটো মোৰ পক্ষে মঙ্গলদায়ক, সেইটো মোক জনাই দিয়া।"

নাৰায়ণৰূপী জোঁৱাই

এজন তাঁতী আৰু এজন বথকাৰ (গাৰী তৈয়াৰ কৰা কাঠ-মিস্ত্ৰি) দুয়ো সখি। এক গাঁৱতে ঘৰ আৰু সৰুৰেপৰা দুয়ো একেলগে ডাঙৰ-দীঘল হৈছে। এদিন দেৱালয়ত যাত্ৰা মহোৎসৱ; লোকে লোকাৰণ্য। সেই দেশৰ ৰাজকুঁৱৰীও মাইকী-হাতীত উঠি যাত্ৰা ভাৱনা চাবলৈ গৈছে।

ৰাজকুঁৱৰীৰ ৰূপ-লাৱণ্যৰ বাগী এছাটি আহি তাঁতীৰ গাত লাগিল। তাঁতী মূৰ্ছা গৈ বাগৰি পৰিল, সখি ৰথকাৰে মানুহৰ সহায়েৰে তাঁতীক ঘৰলৈ নিয়াই মুৰত চেঁচা পানী দি চেতনা দিয়ালে। ৰথকাৰে হাত-মুখ মোহাৰি দি সখিবনো হঠাৎ কিয় বিচেতনা আছিল সুধিলে। তাঁতীয়ে আমন-জিমনকৈ ক'লে—"সখি, মোৰ ৰোগৰ কাৰণ নোসোধাই ভাল। তাৰ দৰব দেৱতাৰো অসাধ্য। এতেকে মোৰ বাবে চিতা ৰচনা কৰা। মোক জীয়াই পোৱাহে ভাল।" ৰথকাৰে উত্তৰ দিলে—"সখি, এবাৰ মোৰ মুখলৈ চাই ভাঙি-পিতি কোৱাচোন। যদি দৰৱ-জাতিয়ে লগ নোপোৱা বেমাৰহে হৈছে, মযো একে চিতাতে তোমাৰ লগত পুৰি মৰিম।"

সখিয়েকৰ আশ্বাস পাই তাঁতীয়ে ৰোগ নিদান বৰ্ণনা কৰিলে। ৰথকাৰে খেমেলীয়া হাঁহিৰে ক'লে—"অ, সেই ফেৰাহে ৰোগ, তাৰ দৰব মোৰ আঙুলিৰ পাকতেই আছে। আজি ৰাতিয়েই তোমাৰ আৰু কুঁৱৰীৰ মিলন ঘটাম। যদিও ৰাজ-অন্তেষপুৰত বন্তাহৰ বাহিৰে আনৰ প্ৰবেশ নিষিদ্ধ, মোৰ বুদ্ধিৰ কৌশলেৰে সি তোমালৈ মুকলি থাকিব।" এইবুলি কৈ ৰথকাৰে তৎক্ষণাৎ কুঁহিলা কাঠেৰে গৰুড়ৰ মূৰ্তি এটা সাজিলে আৰু লগতে শঙ্খ, চক্ৰ, গদা, পদ্ম কিৰীটিও তৈয়াৰ কৰিলে। তাঁতীৰ গাতো বিষ্ণু মূৰ্তিৰ চিন ৰঙেৰে আঁকি দিলে। কাঠৰ গৰুড় মূৰ্তিটো খিলা গজালেৰে কেনেকৈ উৰুৱাই নিব লাগে তাৰো কৌশল তাঁতীক শিকালে। তাঁতীক গৰুড়ৰ ৰথত তুলি দি ৰথকাৰে বুজনি দিলে—"এই আকাশী-ৰথত উঠি কুঁৱৰীৰ অন্তেষপুৰ পোৱাগৈ। নিজক নাৰায়ণৰূপী দেৱতা বুলি পৰিচয় দি ৰাজকুঁৱৰীক বিয়া কৰাবা।"

তাঁতীয়ে গৰুড়-ৰথত খিলা-জৰি সঞ্চালন কৰিলে। ৰথ গৈ কুঁৱৰীৰ দুৱাৰ-ডলিত উপস্থিত হ'ল। কুঁৱৰীক টোপনিৰপৰা তোলাই তাঁতীয়ে সম্বোধন কৰিলে—"মই নাৰায়ণৰূপী বিষ্ণু, আৰু তুমি মানৱী ৰূপিনী ৰাধা। তোমাক বিচাৰি মই বৈকুণ্ঠত লক্ষ্মীক এৰি থৈ পৃথিৱীলৈ আহিছোঁ। গন্ধৰ্বৰ ৰীতিৰে মালা এধাৰি দি মোলৈ বিয়া সোমোৱা। নহ'লে শাও দি সবংশে তোমাৰ পিতৃকুল নাশ কৰিম। কিন্তু সাৱধান, কোনো মানুহক নেমাতিবা, মই কাৰো লগত মৌখিক কথা নাপাতোঁ।"

শঙ্খ, চক্ৰ আদি চিনেৰে সজ্জিত নাৰায়ণ ৰূপ দেখি কুঁৱৰীৰ ভয় উপজিল। কিন্তু বিয়াৰ প্ৰস্তাৱত ভয়ৰ লগত লাজো আহি পৰিল। গন্ধৰ্বৰ বিধিৰে গোপন বিয়া হৈ গ'ল। দোকমোকালিতে তাঁতীয়ে কাঠৰ গৰুড় ৰথ বাই ওলাই গ'ল। এইদৰে দিনৰ পিছত দিন উকলিব ধৰিলে। ৰাধা-মাধৱৰ বিচ্ছেদ নাই। পৰীয়াসকলে কুঁৱৰীৰ আও-ভাওৰপৰা গম পালে কথা বিষম। ৰজাত গৈ সিহঁতৰ সংশয় নিবেদন কৰিলে। ৰজাই গৈ ৰাণীৰ ওচৰত পৰীয়াহঁতৰ সংশয়ৰ বাতৰি ভাঙিলে। ৰাণীয়েও গৈ জীয়েকক গালি-শপনি পাৰি আচল কথাটো বিৱৰি ক'বলৈ হেঁচা দিলে। কুঁৱৰীয়ে লাজত তলমুৰকৈ কেনেকৈ নাৰায়ণৰূপী স্বামী লাভ কৰিলে তাৰ বিৱৰণ দিলে। ৰাণীয়ে গোসাঁই ঈশ্বৰক জোঁৱাই ৰূপে পোৱা বাতৰিত আপোন-পাহৰা হ'ল। উলাহতে ৰজাত গৈ নিবেদন কৰিলে। ৰজা-ৰাণী দুয়ো খিৰিকিৰ বিন্ধাৰে জোঁৱায়েকৰ স্বৰ্গাৰোহণ জুমি চাই থাকিল।

আকাশৰপৰা হৰ্ হৰ্ শবদেৰে গৰুড় ৰথ নামি আহি ৰজাৰ দুৱাৰ-ডলিত ৰ'ল। ৰজাৰ বাহু দুখনি নাচি উঠিল। স্বয়ং স্বৰ্গৰ নাৰায়ণ ঘৰ-জোঁৱাই। তেওঁ আৰু ক্ষুদ্ৰ ৰজা হৈ থাকিব কিয়? সীমান্ত ৰজাসকলৰ ৰাজ্য দখল কৰি সমস্ত পৃথিৱী বশ কৰি একচ্ছত্ৰী সম্ৰাট হোৱাতহে তেওঁৰ গোঁসাই ঈশ্বৰৰ শহুৰেকৰ যোগ্যতা প্ৰকাশ পাব।

কামনা অনুযায়ী কাম। পিছদিনা পুৱাৰপৰা সীমান্ত ৰজাসকলৰ ৰাজ্যত আক্ৰমণ আৰম্ভ হ'ল। ৰজাসকলে এই আকস্মিক দুৰ্ঘটনাৰ কাৰণ নুবুজি একগোট খাই ৰজাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

যুঁজৰ পিছত যুঁজ। ৰজা হাৰিবলৈ ধৰিলে। উপায়ান্তৰ নেদেখি ৰাণীত খাটনি ধৰিলে, ছোৱালীত গৈ ক'ব লাগে; নাৰায়ণ জোঁৱায়েকে যেন শত্ৰু সংহাৰ কৰে। ছোৱালীয়ে নাৰায়ণৰূপী স্বামীত সকলো কামনা নিবেদন জনালে। চক্ৰধাৰী তাঁতীয়ে কপট ভাঙিছিল্যৰ হাঁহি এটি মাৰি ডাঙোপ মাৰি ক'লে—"মোৰ আগত আকৌ এই কীট-পতঙ্গবোৰ ৰজা। চাই থাকিবা, চক্ৰেৰে ইহঁতক তিল তিলকৈ কাটি নাইকিয়া কৰিম।" কিন্তু দিনৰ পিছত দিন যাবলৈ ধৰিলে, নাৰায়ণৰূপী জোঁৱাইৰ শত্ৰুৰ প্ৰতি কোনো কাণসাৰ নাই। শহুৰেকৰ ৰাজ্য গ'ল, বাকী আছে মাথোন কাৰেং-ঘৰটো। বাতি পুৱালে তাকো এৰিব লাগিব। ছোৱালীৰ হতুৱাই ৰাজ্যৰ শেহ বাতৰি জোঁৱায়েকত নিবেদন কৰিলে। বিষ্ণুৰূপী স্বামীক জনালে--"আজিয়েই আমাৰ শেহ মিলন, কালি পুৱা সপৰিয়ালে ৰাজ্য এৰিব।" তাঁতীক মহা দুশ্চিন্তাই আৱৰি ধৰিলে। একালে দুৰন্ত বিচ্ছেদ, আনকালে নিজৰ মৰণ।

তাঁতীয়ে মৰণতে শৰণ ল'লে। কিন্তু মনত এটি বুদ্ধি সাজিলে। মিছা হ'লেও ৰাতিপুৱা সি মাহাত্ম্যৰ আটোপ এপাকি দেখুৱাব। গৰুড়ত উঠি শঙ্খ, চক্ৰ আদিৰে বিভূষিত হৈ সি আকাশত ৰগাই ফুৰিব, কিজানি শত্ৰু ৰজাবোৰে ৰথৰ ঘৰ্ঘৰণি শব্দত উধাতু খাই পলায়েই। কুঁৱৰীক উদ্দেশ কৰি ক'লে—"তোমাৰ পিতৃদেৱতাক গৈ কোৱা, মই শত্ৰু সংহৰণ কৰিম। সিহঁতে উধাতু খাই কাঠৰ পুতলাৰ দৰে বীৰ্যহীন হ'ব। ৰজাৰ সৈন্যই গৈ সিহঁতক কাটিব। মই কিন্তু নিজে অস্ত্ৰ নধৰোঁ। মই মাৰিলে সিহঁতৰ বৈকুণ্ঠত বাস হ'ব। শত্ৰুৰ স্বৰ্গপ্ৰাপ্তি নঘটে, তালৈ ৰজাই অহোপুৰুষাৰ্থ কৰে যেন।" কুঁৱৰীয়ে জোঁৱায়েকৰ সঙ্কল্প ৰজাত নিবেদন কৰিলে। শেহ বাৰলৈ সাজু হৈ ৰজাই যুঁজলৈ ওলাল।

ইফালে বৈকুণ্ঠত লক্ষ্মীপতি আচল নাৰায়ণ মহা বিমোৰত পৰিল। গৰুড়ক সুঁৱৰিলে। গৰুড় উপস্থিত হ'লহি। নাৰায়ণে ক'লে—"গৰুড়, তাঁতীৰ কাৰচাজি তুমি লক্ষ্য কৰিব পোৱা। মোৰ ৰূপ লৈ তোমাৰ প্ৰতিমাত উঠি সি মৰিবলৈ ওলাইছে। যুঁজলৈ ওলালেই ক্ষত্ৰিয় সৈন্যই তাক কাঁড়েৰে বিন্ধি মাৰিব। তেতিয়া লোকসমাজত দুৰ্নাম প্ৰচাৰ হ'ব ক্ষত্ৰিয়ৰ হাতত বাসুদেৱ আৰু গৰুড়ৰ পতন হোৱা বুলি। আগলৈ তোমাক আৰু মোক কোনেও পূজা-পাতল নিদিয়া হ'ব। সেই

কাৰণে তুমি কাঠৰ গৰুড়ত ভৰ খাই নিজৰ শক্তি সঞ্চাৰ কৰা আৰু মযো তাঁতীৰ গাত সম্ভোগে। শত্ৰু বধ হ'লে আমাৰ দুয়োৰে মাহাত্ম্যহে বাঢ়িব।”

সন্ধৰ অনুসাৰে কাম। গৰুড়ে কাঠৰ গৰুড়ত ভৰ ল'লে আৰু নাৰায়ণে তাঁতীৰ গাত শক্তি সঞ্চালন কৰিলে। শত্ৰুসৈন্য নিস্তেজ হ'ল। অনায়াসে শত্ৰুবেক ৰজাৰ বিজয় মিলিল। লোকসমাজত আৰাও হ'ল নাৰায়ণৰূপী জোঁৱায়েকৰ যহত ৰজাৰ শত্ৰুৰ নিপাত ঘটিল।

আকস্মিক ঘটনাত তাঁতীৰ মনত উলাহ। গৰুড় ৰথেৰে আকাশৰপৰা নামি আহিল। ৰজা-মন্ত্ৰী সকলোৱে সম্বৰ্দ্ধনা কৰিবলৈ গৈ দেখে যে তেওঁলোকৰে পৰিচিত সেই নগৰৰ তাঁতীৰ পোৱালি। সকলো নিমাত। ইটোৱে সিটোৰ মুখলৈ চায়। নিস্তব্ধতা ভঙ্গ কৰি তাঁতীয়ে গুৰিৰপৰা সকলো বৃত্তান্ত ভাঙি ক'লে। তাঁতীৰ মবসাহত মুগ্ধ হৈ আৰু বিশেষকৈ শত্ৰুৰ হাতৰপৰা ৰাজ্য ৰক্ষা পৰিলত আনন্দিত হৈ সকলো প্ৰজাৰ সন্মুখতে তাঁতীলৈ কুঁৱৰীক বিয়া দিলে আৰু ৰাজ্যৰো এডোখৰ যৌতুকলৈ বুলি দান কৰিলে।

কালৰ পৰিবৰ্তন ঘটিছে। গৰুড়ধ্বজৰ লগত সময়ে সময়ে ত্ৰিবৰ্ণ পতাকাৰে সাধনাক্ষেত্ৰত সংযোগ ঘটিছে। ত্ৰিবৰ্ণ পতাকাত চৰকাৰ ছাব মাৰি দুই-এজনে লক্ষ্মীদেৱীৰ অনুগ্ৰহ লাভ কৰিব পাৰিছে। বৰ্তমান যুগত তাঁতীৰ সমান ধৰ্মী পুৰুষ বহুত, কেৱল কৰ্মক্ষেত্ৰহে বেলেগ।

ঐশ্বৰিক মাহাত্ম্যৰো লোপ ঘটা নাই। কিছুদিন আগত আঁৰ ৰজাৰৰ প্ৰকাশ্য প্ৰকোপৰ সময়ত উজনি আৰু নামনি অসমত দুজন অৱতাৰী পুৰুষে মাহাত্ম্য প্ৰচাৰ কৰিছিল। দুয়ো দুৰাৰোগ্য ৰোগৰ দৰৱ বুলি খালৰ পানী বটলত ভৰাই মন্ত্ৰপূত কৰি বেচিছিল। সম্প্ৰতি মাহাত্ম্য সম্বৰণ কৰিছে বুলি শুনা গৈছে। কিন্তু আধুনিক কালৰ ভাওৰ অৱতাৰ এটিৰ আবিৰ্ভাৱ হৈছিল চল্লিছ বছৰমান আগত কামৰূপৰ এখনি গাঁৱত।

অৱতাৰীজন গাঁৱলীয়া খেতিয়ক। ভাং খোৱাত অতিপাত অনুৰক্ত বুলি তেওঁক সিদ্ধু ভাওুৰী বোলা হৈছিল। অসমীয়া পদপুথি পঢ়িব পাৰিছিল। গীতাৰ ৺গোৱিন্দ মিশ্ৰৰ ভাঙনি তেওঁৰ কণ্ঠাগত। গীতাকেই আলম কৰি সমাজৰ খলা-বমা সমান কৰিবৰ উদ্দেশ্যে নতুন ধৰ্ম প্ৰচাৰ কৰিলে। ভাওৰ খোলাত নিতৌ নতুন নতুন শিষ্য আহি যোগ দিলেহি। সিদ্ধু ভাওুৰীয়ে দিগ-বিজয়লৈ বুলি বাহিৰ হৈ ৰবপেটা ধামো মাৰিলে। গীতাৰ পদৰ আগত পণ্ডিতমণ্ডল নিৰুত্তৰ। ভাওুৰীৰ শিষ্যৰ সংখ্যা বাঢ়িল। আশ্ৰম স্থাপিত হ'ল। কমিউনিষ্ট পদ্ধতিৰে ঘৰ-মাটি বেচি শিষ্যসকল আহি সপৰিয়ালে আশ্ৰমত বাহ ল'লে। টকা-শিকা উমৈহতীয়া ভঁৰালত জমা হ'ল। সিদ্ধু ভাওুৰীৰ আখ্যা হ'ল প্ৰভু, ঘৈণীয়েক হ'ল আই গোসানী। ভাওুৰীৰ মাহাত্ম্য চাৰিওকালে বিয়পি পৰিল।

এদিন আশ্ৰমত থকা শিষ্য এজনৰ সন্তান এটি মৰিল। শোকত অধীৰ শিষ্যই প্ৰভুত নিবেদন

জনাহে। প্ৰভুৱে কীৰ্তন পুথিৰ "বিপ্ৰপুত্ৰ আনয়ন" পৰ্ব স্মৰণ কৰি ইন্দ্ৰৰ জগত যুঁজ কৰি শিশু-পুত্ৰ আনিবলৈ কাচি পাৰি ওলাল।

চ'তমহীয়া খৰাং, তাৰ ওপৰত ভাওৰ বাগী। প্ৰভুৱে গৈ সৰিয়হৰ মৰণা মৰা চাকলিত সৰিয়হৰ খেৰৰ পুঁজিৰ আঁৰত শুই আছে। বতাহৰ হেগ চাই গিৰিহঁতে খেৰ-পুঁজিত জুই লগাই দিলে। প্ৰভুৰ কাপোৰত জুই লাগিল। সাৰ পাই পোৰণিত তৎ নেপাই ওচৰৰ পাগলাদিয়া নদীত জাঁপ দি পৰিল। পোৰা ঘাত চেঁচা পানী লাগি বখলা-বখলি হাল উঠি গ'ল।

কেঁকাই গেঁথাই প্ৰভু আহি আশ্ৰমত উপস্থিত হ'ল। ইন্দ্ৰদেৱতা হাৰিছিলেই; শেষত উপায়ান্তৰ নেদেখি ধৰ্ম যুদ্ধৰ পথ এৰি মন্ত্ৰ মাৰি তেওঁৰ গাটো পুৰি পেলালে। ভক্তসকলে হয়ভৰ দিলে। কিন্তু কিছুদিনৰ মূৰত প্ৰভুৰ পোৰা ঘাত পোকে দেখা দিলে। প্ৰভুই ঐহিক লীলা সম্বৰণ কৰিলে।

মহিলাৰ মহা-সভা

[গ্ৰীক নাটৰ সাধু; ৩৯২ খৃঃ পূঃ]

পুৰণি গ্ৰীচদেশত এথেন্স নামে এখন ৰাজ্য আছিল। তাৰ শাসন-পদ্ধতি বৰ্ত্তমান আমাৰ আইন সভাৰ দৰে পৰিষদৰ দ্বাৰা চলোৱা হৈছিল। আইন সভাই নানা তৰহৰ শাসন-ৰীতি পৰীক্ষা কৰি চালে; কিন্তু কোনোটোৱেই ফলৱতী নহয়, তেতিয়া মহিলাসকলে থিৰ কৰিলে যে শাসনভাৰ তেওঁলোকে হাতত লোৱা উচিত। এই আন্দোলনৰ নায়িকা হ'ল প্ৰাক্সাগোৰা নামৰ মহিলা এগৰাকী।

নিৰ্দিষ্ট দিনা দোকমোকালিৰ আগতেই প্ৰাক্সাগোৰাই চাকি এটি হাতত লৈ নগৰৰ উপকণ্ঠত উপস্থিত হ'ল। আটাইবোৰ বিপ্লৱী সঙ্গিনী তাত গোট খোৱাৰ কথা আছিল। প্ৰাক্সাগোৰাই চাৰিওফালে এন্ধাৰত চাকিৰ পোহৰত কাকো নেদেখি আচৰিত হ'ল।

"মোৰ বান্ধৱীসকলৰ কোনো আহি নাপালে দেখোন! ইফালে ৰাতিপুৱায় হে লাগে। আমি আগেয়ে গৈ সভা-মণ্ডপ অধিকাৰ কৰি নেথাকিলে ৰাতিপুৱাতে সভ্যসকল আহি ওলাব। কিবা আকৌ অঘটন ঘটিল নে কি? নে সঙ্গিনীসকলে ডাড়ি-গোঁফ যোগাৰ কৰিব পৰা নাই, নে গিৰিয়েকসকলৰ পোছাক চুৰ কৰিব পৰা নাই?" প্ৰাক্সাগোৰাই নিজেই কোৱা-মেলা কৰিলে।

এনেতে কেইগৰাকীমান মহিলা আহি উপস্থিত হ'লহি। এজনীয়ে ক'লে—গিৰিয়েকে এপোহা-মান ভজা মিছা মাছ বাকলিৰে সৈতে খোৱাত পেট চলিছিল। শেহ নিশাহে টোপনিত পৰিছে। আন এজনীয়ে ক'লে—ওৰে দিনটো ব'দত থিয় হৈ কাম কৰিছে, ব'দৰ তাপ লাগি গাটোত কিজানিবা

অলপ পুৰুষালি বং ধৰেই। আৰু এজনীয়ে প্ৰকাণ্ড লাঠি এডাল জোঁকাৰি, সেইডাল চাঁচি-চুঁচি লওঁতে পলম হ'ল বুলি ক'লে; ইত্যাদি।

আইন সভাত কেনেকৈ বক্তৃতা কৰি প্ৰস্তাৱ দাঙি ধৰিব লাগে তাৰ আখৰা চলিল। প্ৰথমতে আলোচনাৰ বিষয় হ'ল, সভ্যসকলক কি বুলি সম্বোধন কৰা হ'ব—"মহিলা নে ভদ্ৰ মহোদয়া?" এগৰাকীয়ে মাত লগালে—"মহিলা!" প্ৰাকৃচাগোৰাই মুখ ওন্দোলাই ভেকাহি মাৰি ক'লে—"এইবোৰেই আকৌ ৰাজ্য খাবলৈ আগ বাঢ়ে!" কথাবাৰ কৈয়ে সমূহ মহিলাৰ মতামত বা ভোটলৈ অপেক্ষা নকৰি প্ৰাকৃচাগোৰাই মহিলা সভাক সম্বোধন কৰি বক্তব্য আৰম্ভ কৰিলে—

"ভদ্ৰ মহোদয়সকল, এই ৰাজ্যখন আপোনালোকৰ যেনে প্ৰিয়, মোৰো তেনে প্ৰিয়। দেশৰ গতিবিধি দেখি মোৰ বুকু ফাটি গৈছে। কেনেকৈ এনে হ'বলৈ পালে? আচলতে আপোনালোকৰ লীডাৰ নাই। পুৰুষ লীডাৰে এদিন সজ বুদ্ধিৰে চলিবৰ ভাও দেখুৱাই বিখিনি নিজৰ স্বাৰ্থৰ লোকচান কৰে, দহ দিনৰ অপকৰ্মৰে পিছত তাৰ শোধ তুলি লয়। ভদ্ৰ মহোদয়সকল, দোষ আপোনালোকৰেই; নায়কৰ অভাৱত আপোনালোকৰ উমৈহতীয়া ধনে মাথোন কেইগৰাকীমানৰ মোনাত থিতাপি লৈছে। কোনেও ৰাজ্যৰ মঙ্গললৈ চিন্তা কৰা নাই, চিন্তা কৰিছে মাথোন নিজৰ মোনাৰ গধুৰত্বলৈহে। দেশ ৰসাতললৈ যাব লাগিছে, ইয়াৰ প্ৰতিকাৰ নাই নে? আছে, নিশ্চয় আছে। দেশৰ ভাৰ মহিলাসকলৰ হাতত সঁপি দিয়ক। তেওঁলোকে ঘৰ চলাব পাৰে, ৰাজ্য চলাব নোৱাৰিব কিয়? তেওঁলোকেই আমাৰ যুঁজাৰু চিপাহীবোৰৰ মাক নহয় নে? অৰাৰতে নিজ পুত্ৰ চিপাহীবোৰক যুঁজত মৰিবলৈ বা ভোকত খীণাবলৈ তেওঁলোকে এৰি নিদিয়ে। তেওঁলোক সুদক্ষ সাঁচনিয়াৰ; নিজেই ছল-চন্দত পাকৈত; গতিকে কোনেও তেওঁলোকক ঠগিব নোৱাৰে। আৰু সৰহ কোৱাৰ সকাম নাই। মোৰ উপদেশ মানি লওক, দেশলৈ সুখ-শান্তি উভতি আহিব।"

বক্তব্যৰ ওৰ পৰিল। এজনীয়ে টপৰাই মাত লগালে, "হওঁতে উপদেশ ফেৰি ভালেই দিছা; পিছে তুমিনো এনেকৈ ক'বলৈ শিকিলা ক'ত?"

প্ৰাকৃচাগোৰাই উত্তৰ দিলে—"নেজানানে পুৰুষৰ বল বাহুত, তিৰোতাৰ বল জিভাত। তাৰ উপৰিও বিদেশীয়ে এবাৰ দেশ আক্ৰমণ কৰাত ঘৰ এৰি থৈ আইন পৰিষদৰ ওচৰত বাহ লৈ আছিলোঁ। ৰাজনৈতিকসকলৰ ভাৰৰীয়াৰ বক্তৃতাৰ ভঙ্গি দেখি জিভাখন নিভাঁজ কৰি লৈছোঁ।"

সভ্যা—"তেন্তে তুমিয়েই আমাৰ পহিলা প্ৰধানমন্ত্ৰী হোৱা। কিন্তু কেনেকৈ তোমাক আইনসঙ্গতভাৱে বাছিব লাগে মোকোলাই কোৱা।"

প্ৰাকৃচাগোৰা—"সেইটো বৰ সহজ কথা নহয়; কিন্তু অসাধ্যও নহয়। কঁকালত টানকৈ চুৰিয়াখন মেৰাই লোৱাহঁক; ভৰিত বুট-জোতাবোৰ আৰু মুখত কৃত্ৰিম ডাড়িবোৰ এঠাৰে লগাই লোৱা। গাত গিৰিয়েৰাসকলৰ ওভাৰ কোটবোৰ পিন্ধি, লাখুটি লৈ সমদলে আইন মণ্ডপলৈ যাত্ৰা কৰা। সাৱধান, পুৰুষ ওলোৱাৰ পূৰ্বতেই যেন সভা-মণ্ডপ দখল কৰাহি।"

আনফালে তিৰোতাসকলৰ নিজ নিজ ঘৰত অনুপস্থিতিৰ কাৰণে বেমেজালি ঘটিবলৈ ধৰিলে। প্ৰাক্‌চাগোৱাৰ গিৰিয়েক ৱেপিবাচে সাৰ পাই, বিমোৰত পৰি গোৰগোৰাবলৈ ধৰিলে, "বৈণীজনী ক'ত? চুৰিয়াখনো দেখোন নাই।"

নিৰুপায় হৈ বৈণীয়েকৰ মেখেলা-চাদৰকেই মেৰাই ল'লে; ফুলাম নাগেৰী চেণ্ডলযোৰা ভৰিত পিন্ধিলে। "মোক নো কিহে পাইছিল এই বয়সত আৰু এজনী চপাই ল'বলৈ! যি হওক, পৰিষদত ঠিক সময়ত হাজিৰা দিবলৈ পালে, দিনটোৰ জোখাৰে তেও ভাটাখিনি পাওঁ।"

যাবলৈ বুলি ওলাইছে। আন এজন আইন সভ্যই মাত লগালে—"সেইটো ৱেপিবাচ নে কি অ'। গাত দেখোন মেখেলা-চাদৰ মেৰাই লৈছ!"

ৱেপি—এইখন বৈণীৰ।

সভ্য—তোৰ চুৰিয়া-চোলা একা?

ৱেপি—ক'বই নোৱাৰোঁ ক'লৈ উৰি গ'ল। বিচাৰি-খোচাৰি নেপালোঁ।

সভ্য—বৈণীয়েৰক মুসুধিলি কিয়?

ৱেপি—বৈণীও ঘৰত নাই। ক'ৰবালৈ গুলুকা মাৰিছে।

সভ্য—মোৰো ঘৰত একেখন ভাওনা। বৈণীয়ে জোতা, চুৰিয়া সকলোকে আঁতৰ কৰিছে। কোনোবা বন্ধুৰ ঘৰত ভোজ খাবলৈ যোৱা যেন মনে গোন্ধাইছে।

ৱেপি—হ'বও পাৰে। ইমান দিনে কোনো ভাল-মন্দ কাণত পৰা নাই দেখোন।

এনেতে আইন মণ্ডপৰ ফালৰপৰা ক্ৰেমিচ নামে সভ্য এজন বেগেৰে আহিছে। ৱেপিবাচে সুধিলে—"আইন সভা ইমান সোনকালে ভাগিল নে? তোৰ দৈনিক ভাটা পালি জানো?"

ক্ৰেমিচ—মোৰ যোৱাত পলম হ'ল। সভাঘৰ লোকাৰণ্য! কেতবোৰ শৈতামুৱা ঘৰৰ ভিতৰত কাম কৰা বমুৱাই হ'বলা সভাঘৰ দখল কৰি আছে। ভাটা নেপালোঁ। আমাৰ অইন কোনো সভ্যয়ে পোৱা নাই।

ৱেপি—ময়ো নেপাম তেন্তে! শৈতামুৱাবোৰে নো কি আলোচনা কৰিছে?

ক্ৰেমিচ—দেশৰ নিৰাপত্তা সম্বন্ধে। এজন মাইকীমুৱা ভেকাই প্ৰস্তাৱ কৰিলে শাসনভাৰ হেনো মহিলাসকলক চমজাই দিব লাগে। বমুৱাসকলে চিঞৰিলে, "শুনা শুনা"—আনবোৰে প্ৰতিবাদ কৰিলে, "হ'বই নোৱাৰে, হ'বই নোৱাৰে।" এওঁলোক কিন্তু ভোটত হাৰিল। ভেকাজনে তিৰোতাৰ গুণাৱলী কীৰ্তন কৰিলে। তেওঁলোক হেনো সাধাৰণ জ্ঞানৰ ভঁৰাল, পইছা সাঁচিব জানে আৰু গুপুত কথা প্ৰাণ গ'লেও নকয়।

ৱেপি—শেহত কিটো ব'লগৈ?

ক্ৰেমিচ—শাসনভাৰ তিৰোতাৰ হাতত দিব লাগে বুলি প্ৰস্তাৱ গৃহীত হ'ল।

ৱেপি—আইনে মানি ল'লে নে?

ক্ৰেমিচ—আইনত পৰিণত হ'ল।

ব্লেপি—তেনেহ'লে আজিৰপৰা ঘৈণীয়েহে মেল-মোকৰ্দমা বিচাৰ-বিবেচনা কৰিব, আমি নহয়।

ক্ৰেমিচ—ঘৈণীয়েৰাৰ হৈ তুমি ৰান্ধনিঘৰ চম্ভালিব লাগিব।

ব্লেপি—ভয়ানক ঘটনা!

এনেতে বিপ্লৱী মহিলাসকলে গীতৰ হেৰে হেৰে সমদলে ঘৰলৈ বুলি খোজ কাঢ়ি আহিছে। ব্লেপিৰাচে ঘৈণীয়েকক সুধিলে—"ৰাতিনো ক'লৈ যোৱা হৈছিল?"

প্ৰাক্‌চা—এগৰাকী বন্ধুৰ নৰিয়া। পৰ দিবলৈ গৈছিলোঁ।

ব্লেপি—যোৱাৰ কথা মোক দেখোন নক'লা।

প্ৰাক্‌চা—তেনেহ'লে যাব নেলাগিছিল নেকি?

ব্লেপি—যাব লাগে গৈছা। মোৰ চোলা-চুৰিয়া নিলা কিয়?

প্ৰাক্‌চা—ইমান চেঁচা। তাতে গাৰো ৰৰ ভাল নহয়। তোমাক কঁথা-কম্বল দি গৈছিলোঁ নহয়।

ব্লেপি—মোৰ বুটযোৰা আৰু লাথুটিডাল আকৌ নিছিলা কিয়?

প্ৰাক্‌চা—বাহিৰত ভয় লাগে দেখি! ঠিক তোমাৰ দৰে পুৰুষ সাজি ওলাইছিলোঁ।

ব্লেপি—তোমাৰ কাৰণেই এদিনৰ ভাটা মৰা পৰিল। শুনিছানে সভ্যসকলে হেনো তিৰোতাক শাসনভাৰ গতাই দিলে?

প্ৰাক্‌চা—আই বৰি দেৱী, তোমাৰ স্বামী কামদেৱৰ দৰে দেশখনকো পুনৰ উদ্ধাৰ কৰিলা।

ব্লেপি—কেনেকৈ?

প্ৰাক্‌চা—অসজ পুৰুষে আৰু দেশখন লুটি খাব নোৱাৰে। আঁৰ-বজাৰৰ জইন মৰিল।

ব্লেপি—ইঁয়ে কৰ কি? আঁৰ-বজাৰৰ লগে লগে ভাত-মুঠিৰো জইন মৰিল!

প্ৰাক্‌চা—শুনা মোৰ বীৰ-পুৰুষ! ঘৈণীয়েৰাক ক'বলৈ দিয়া। আগলৈ আৰু চোৰ আঁৰ, মিছা বিবৃতি, দাৰিদ্ৰ্য, পৰনিন্দা আৰু আত্মশ্লাঘাৰ অৱকাশ নেথাকিব।

এনেতে আন আন মহিলাসকলে আগবাঢ়ি আহি নায়িকা প্ৰাক্‌চাগোৰাক বেঢ়ি ধৰিলে। প্ৰাক্‌চাগোৰাই অনুপ্ৰেৰণা পাই কমিউনিষ্ট নেতাৰ সুৰেৰে ঘোষণা কৰিলে—

"মোৰ কৰ্মতালিকাৰ পহিলা দফাই হৈছে সমান অধিকাৰ। কোনোৰা ধনী, কোনোৰা দুখীয়া, কাৰোবাৰ বিস্তৰ জমিদাৰী, কাৰোবাৰ নিজৰ মৰা শ পুৰিবৰ ঠাই নাই, কাৰোবাৰ অগণন বন্দী-বেটী, কাৰোবাৰ একাৰত খোজ কঢ়াত সঙ্গী নাই—এনেবোৰ অসাম্য মোৰ শাসনত থাকিবলৈ নিদিওঁ। ভূমি, ধন আৰু আন আন সায়-সম্পত্তিত সকলো নাগৰিকৰেই সমান স্বত্ব থাকিব। আমি তিৰোতাই হিচাপ-নিকাচ কৰি ৰাজ্য চলাব জানো। যাৰ যিহৰ অভাৱ, সেই সেই অভাৱ পূৰণ কৰা হ'ব!"

ব্লেপি—বাৰু, কাৰোবাৰ মাটি নাই, কিন্তু পুতি থোৱা সোণ আছে; তাৰ কেনেকৈ সন্ধান পাবা?

প্ৰাক্‌চা—দেশত যেতিয়া দাৰিদ্ৰ্য নেথাকে, আৰু ইচ্ছা কৰিলেই অভাৱ মোচন হয়, তেতিয়া গোপনে মানুহে সোণ সাঁচিব কিয় ?

ন্নেপি—কোনে হাল বাব ?

প্ৰাক্‌চা—নিষ্কিনা গোলামবোৰে। তোমালোকে কেৱল ধুনীয়া সাজ-পাৰ পিন্ধি ঘড়ীৰ কাঁটা চাই খোৱা ঘৰত সোমাবহে লাগিব।

ন্নেপি—কোনে কাপোৰ যোগাব ?

প্ৰাক্‌চা—বৰ্তমানৰ জোখাৰে সাজ-পাৰ আছে। পিছলৈ আমি তিৰোতাসকলেই কাপোৰ বই উলিয়াম।

ন্নেপি—বাৰু, কাৰোবাৰ বিৰুদ্ধে ঋণৰ বাবে যদি ডিক্ৰী জাৰি হয়, সি ক'ৰপৰা ঋণ পৰিশোধ কৰিব ? উমৈহতীয়া ভঁৰালৰপৰা টকা পাব নে ?

প্ৰাক্‌চা—ধাৰৰ ডিক্ৰী ? ধাৰ দিবলৈ মহাজনে ক'ৰপৰা টকা পালে ? সকলো উমৈহতীয়া।

ন্নেপি—বাৰু, মৰামৰিৰ বাবে যদি কাৰোবাৰ জৰিমনা হয়, টকা ক'ত পাব ?

প্ৰাক্‌চা—জগৰীয়াক চুসাজ খাবলৈ নিদিবা, তেতিয়া হ'লে আৰু জগৰত নপৰে।

ন্নেপি—ডকাইতি নেথাকিব নে ?

প্ৰাক্‌চা—তোমাৰ চোলাটো যদি কোনোবাই বলাৎকাৰ কৰি নিয়ে, তেন্তে উমৈহতীয়া ভঁৰালৰ-পৰা আন এটি পাবা।

ন্নেপি—খোৱা-বোৱা ঠাই ক'ত হ'ব ?

প্ৰাক্‌চা—কাছাৰী ঘৰত। বিচাৰ-বিবেচনাৰ আৰু প্ৰয়োজন নহ'ব।

ন্নেপি—আইন সভাৰ সভাপতিৰ ওখ মঞ্চখনৰ কি হ'ব ?

প্ৰাক্‌চা—তাত মদৰ হাড়ী আৰু পানীৰ কলহ থাকিব। গায়ন ল'ৰাবোৰে তাত থিয় হৈ বীৰ পুৰুষসকলৰ কীৰ্তি ঘোষণা কৰিব। তাকে শুনি কাপুৰুষবোৰে লাজত মুখ লুকুৱাই পলাব।

ন্নেপি—কি সৌভাগ্য। সকলোৱে মোৰ ফালে ঈৰ্ষাৰ চকুৰে চাই শলাগিব—"দেখিছা নে ঐ। সেইটো মহিলা সমিতিৰ প্ৰধান নায়িকাৰ গিৰিয়েক।"

মাছ অৱতাৰ

তোমালোকে সিপিংঠিৰ ছবিখন দেখিছা নে ? তাৰ বয়স পাঁচ হেজাৰ বছৰতকৈও বেছি। তাৰ শিলৰ মূৰ্তি এটাৰপৰা লোৱা হৈছে। আচল শিলৰ মূৰ্তিখন লণ্ডনৰ বৃটিছ মিউজিয়ামত আছে।

প্ৰায় ছয় হেজাৰ বছৰ আগেয়ে য়ুফ্ৰেটাছ নদীৰ পাৰত বেবিলন নামেৰে নগৰ এখন আছিল।

সেই নগৰখন তেতিয়াৰ দিনত সভ্যতাৰ ওখ খাপত উঠিছিল। পণ্ডিতসকলে কয়, তাতেই হেনো পোন-পহিলে সভ্যতাৰ উদয় হয়।



সেই দেশৰ পুৰাণ শাস্ত্ৰত আছে, তাত হেনো পোন-প্ৰথমে ইয়া-হান (ইয়া=মাছ) বুলি মাছ-দেৱতা এটিয়ে মানুহৰ মাজত জ্ঞান, বিজ্ঞান আদিৰ লাগতিয়াল তত্ত্ব-কথা প্ৰচাৰ কৰে। বেবিলনৰ পুৰাণত আছে যে এদিনাখন পুৰা পাৰস্ত সাগৰৰপৰা এটি অদ্ভুত জন্তু পাৰলৈ উঠি আহে। তাৰ গাটো মাছৰ দৰে। কিন্তু মাছৰ মূৰৰ লগত মানুহৰ দৰে মূৰ এটিও আছে। হাত-ভৰি মানুহৰ দৰে, কিন্তু পাছ ফালে ফিচা এখনো আছে। সি মানুহৰ দৰে কথা ক'ব পাৰে।

সি নিতৌ পুৱাই সাগৰৰপৰা উঠি আহি, গোটেই দিনটো লঘোনে থাকি মানুহৰ লগত মিলি সিহঁতক লাগতিয়াল কথাবোৰ শিকায়—কেনেকৈ ঘৰ বান্ধিব লাগে, কেনেকৈ ধান বব লাগে, কেনেকৈ মাটি জুখিব লাগে ইত্যাদি। লগে লগে লিখা-পঢ়া, জ্ঞান-বিজ্ঞান, শিল্প আদিৰ কথাও কয়। বেলি মাৰ যোৱাৰ লগে লগে মাছ-দেৱতাই সাগৰলৈ উভতি গৈ, তাত বুৰ মাৰি থাকি ওৰে ৰাতিটো কটায়। আৰু পিছ দিনাখন পুৱাই ওলাই আহে। এইদৰে মাছ-দেৱতাৰ কৃপাত বেবিলন নগৰত সভ্যতাৰ প্ৰচাৰ হয়।

সেই সময়ত বেবিলনৰ ওচৰচুবুৰীয়া দেশবোৰত মাছ-দেৱতাৰ পূজা চলিছিল। এছিৰিয়া ৰাজ্যতো মাছ-দেৱতাক ৰৰকৈ মানিছিল। এছিৰিয়াৰ নাৰৰীয়াইঁতে মাছ-দেৱতা নাম লৈছে নাও মেলি দিছিল আৰু মাছ-দেৱতাৰ মূৰ্তি একোখন লৈ ফুৰিছিল। সেই কালত লোহিত সাগৰৰ পাৰত ফিলিষ্টিয়া বুলি দেশ এখন আছিল। তাৰ মানুহবোৰক ফিলিষ্টাইন বোলা হৈছিল বাবে আজিকালি দেশখনৰ নাম হৈছে পেলেষ্টাইন। পুৰণি ফিলিষ্টাইনবিলাকেও ডেগন নামেৰে মাছ-দেৱতাৰ পূজা কৰিছিল। (ডেগন=মাছ)

হিন্দুৰ পুৰাণ শাস্ত্ৰতো ঈশ্বৰৰ মৎস্য-অৱতাৰৰ কথা আছে। মহাপুৰুষে "কীৰ্ত্তন"ত লিখিছে—

মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত।

তোমালোকে পখিলাৰ মুখৰপৰা প্ৰজাপতি ব্ৰহ্মাৰ কথা শুনিছাইক। ব্ৰহ্মা যিমানখিনি পৰ সাৰে থাকে, তিমানখিনি পৰ হে বিশ্ব সংসাৰখন চলি থাকে। ব্ৰহ্মাই টোপনিত পৰিলে সংসাৰত মহাপ্ৰলয় হয়। আকৌ সাৰ পালে সংসাৰ ৰচনা কৰে। আমাৰ পৃথিৱীৰ ২১৬ কোটি বছৰত হে ব্ৰহ্মাৰ এদিন পূৰ হয়। সেই দেখি, সোনকালে প্ৰলয় হ'ব বুলি ভয় নাখাবা।

এদিনাখন গধূলি ব্ৰহ্মাই টোপনি যাওঁ বুলি যো-বা কৰিছে। চকুযুৰি মুদ খাইছে মাথোন এনেতে হয়গ্ৰীব নামে (হয়=ঘোঁৰা; গ্ৰীৱ=গল) ঘোঁৰা গলীয়া অসুৰ এটিয়ে হিন্দুৰ পবিত্ৰ শাস্ত্ৰ বেদ চাৰিখন লৈ পলাল। অসুৰৰ অত্যপালি দেখি বিষ্ণু দেৱতাই ততালিকে হেলেকদি মাছ এটি হৈ সাগৰত পৰিল।

সাগৰৰ পাৰত সত্যব্ৰত নামে ৰজা এজনে ধ্যান কৰি আছিল। ধ্যানৰ অন্তত তৰ্পণ কৰিবলৈ তেওঁ পানী একলু হাতত ল'লে। তেওঁ দেখিলে, পানীৰ লগত অকণমানি মাছ এটিও আহিছে। মাছ দেখি ৰজাই পানী চলু আকৌ সাগৰত পেলাই দিলে। এনেতে মাছটোৱে মাত লগাই ক'লে, "মোক নো কেলৈ পানীত এৰি দিলে, ডাঙৰ মাছে মোক ধৰি খাব নহয়? মোক নি কলহৰ পানীত জীয়াই ৰাখক।" ৰজাই তাকে কৰিলে। ৰাতিৰ ভিতৰতে মাছটো বাঢ়ি শকত হৈ কলহত নধৰা হৈ আছে। পুৱা মাছটোৱে ৰজাক ক'লে, "মোক এটি খালত থৈ দিয়ক।" খালত পেলোৱা মাত্ৰকে মাছটো তিনি হাত বাঢ়িল আৰু তাতো তাক নধৰা হ'ল। খালৰপৰা তুলি নি তাক পুখুৰীত থোৱা হ'ল। তাতো নধৰে। তাৰপৰা ডাঙৰ বিললৈ নিয়া হ'ল। বিলতো নধৰা হ'ল। বিবুধি হৈ ৰজাই নি শেষত মাছটো সাগৰত মেলি দিলে। আকৌ মাছটোৱে মাত দি ক'লে, "মোক নো কেলৈ এৰি দিব লাগিছে, সাগৰৰ জন্তুৱে মোক খাই পেলাব নহয়?"

ৰজাৰ মনত আশঙ্কা হ'ল। এই অতিকায় মাছটোক নো কিহে খাব? ই মাছ নহয়, কোনোবা দেৱতাই ভেশছনকৈ তেওঁক ছলনা কৰিছে। ৰজাই স্তুতি-মিনতি কৰিবলৈ ধৰিলে। স্তুতিত প্ৰসন্ন হৈ মাছে ক'বলৈ ধৰিলে, "আজিৰপৰা সাত দিনৰ দিনাখন প্ৰলয় বানে পাহাৰ-পৰ্বত একো নেদেখাকৈ পৃথিৱীখন ছাটি পেলাব। ইয়াৰ ভিতৰতে তুমি ডাঙৰ নাও এখন সজাই থোৱা। বান-পানী দেখা দিওঁতেই সকলো গছ-গছনি আদিৰ গুটি আৰু জীৱ-জন্তু আদি নাৱত ভৰাই তুমিও উঠিবা মোৰ মুৰৰ পৰা দীঘল শিং এটি ফুটি ওলাব। নাগ-জৰিৰে নাওখন কটকটীয়াকৈ মোৰ শিঙত বান্ধিবা। ব্ৰহ্মাই সাৰ নাপায় মানে নাওখন শিঙত বান্ধাই লৈ মই পানীত সাঁতুৰি ফুৰিম।"

সাত দিনৰ দিনা সাগৰত ঢৌ উঠি পাৰ ভাঙি নগৰৰ কালে বাগৰিব ধৰিলে। আকাশত মেঘৰ গাজনিত প্ৰলয়ৰ ঢাক-ঢোল বাজি উঠিল। পানীৰ খলকনি, মেঘৰ গুৰগুৰণিত তমোময় লাগিল। সত্যব্ৰত ৰজাই মাছ-দেৱতাৰ আজ্ঞা পালি নাৱত উঠিল। ৰতাহৰ কোৰত নাও অনাই বনাই ফুৰিব ধৰিলে। এনেতে পৰ্বতৰ টিঙৰ দৰে শিং এটি উলিয়াই মাছ-দেৱতা নাৱৰ ওচৰ চাপিল। আগৰ কথা মতে নাওখন শিঙত বন্ধা হ'ল। মাছে নাওখন ইফালে সিফালে টানি লৈ সাঁতুৰি ফুৰিব ধৰিলে।

প্ৰলয়ৰ বিৰাট মূৰ্তি দেখি ৰজাই আকৌ মাছ-দেৱতাক স্তুতি কৰিব ধৰিলে। সন্তুষ্ট হৈ মাছে ৰজাক সকলো জ্ঞান, বিজ্ঞান, প্ৰজ্ঞান আদিৰ গূঢ় তত্ত্ব শিকালে। ব্ৰহ্মাৰ টোপনি নাভাগিল কাৰণে মাছৰূপী বিষ্ণু দেৱতাই নাওখন টানি লৈ ফুৰিলে।

ব্ৰহ্মাৰ টোপনি ভাগিল। নাৱত সাঁচি থোৱা গছ-গছনিৰ গুটি আৰু জীৱ-জন্তুৰ সঁচেৰে আকৌ ব্ৰহ্মাই সৃষ্টি ৰচনা কৰিলে। বিষ্ণুৱে হয়গ্ৰীৱ অসুৰক বধি বেদ চাৰিখন উদ্ধাৰ কৰিলে। বিষ্ণুৰ কৃপাত সত্যব্ৰত ৰজা এই বৰ্তমান যুগৰ বাবে বৈৱস্বত মনু অৰ্থাৎ মুখলীয়া সৃষ্টিকৰ্তা হৈ থাকিল।

বেবিলন দেশৰ পুৰাণতো এই প্ৰলয়ৰ কথা আছে। আৰু তাতো ইয়া (মাছ) দেৱতাৰ কৃপাত সৃষ্টিৰ কণ নমৰাৰ কথা বৰ্ণোৱা আছে।

ডায়ৰ

(গ্ৰীক নাটৰ সাধু)

সমাজ আৰু প্ৰতিভাশালী লোকৰ ভিতৰত চিৰকলীয়া বিৰোধ। সমাজ স্বভাৱতে স্থিতিশীল আৰু প্ৰতিভা সৰ্বদায় গতিশীল, কিয়নো তত্বান্বেষী ভৱিষ্যদ্দৰ্শী উই পকৰাই হাফলু বান্ধি বাহিৰৰ উপদ্ৰৱৰ হাত সাৰিবৰ মনেৰে বাহ সাজি থকাৰ দৰে, সামাজিক মানুহেও ভাবৰ হাফলু বান্ধি অচিনাকি ভাবৰপৰা তাত আশ্ৰয় লয়। বান্ধোন নহ'লে সামাজিক জীৱন অসম্ভৱ, সেই দেখি সকলো সামাজিক ভাৱেই মনৰ বান্ধোন স্বৰূপ। সেই বান্ধোনে এফালে যেনেকৈ সামাজিক সুখ-শান্তি দিয়ে আনফালে ই তেনেকৈ ব্যক্তিগত প্ৰতিভাৰ গতিশীলতা আৰু উদ্ভাৱনা শক্তিৰ বিৰুদ্ধে থিয় হয়। সেই কাৰণে স্বভাৱজাত পোহৰৰ গুণত প্ৰতিভাই যেতিয়া ভৱিষ্যতৰ বাতৰি আনি সমাজত সুমুৱায়, বা সমাজে নিজে গলত মেৰাই লোৱা বান্ধোন যে জাগতিক জীৱনৰ দীঘলীয়া বাটৰ জিৰণি ঠাই হে, গন্তব্যৰ শেহ সীমা নহয় বুলি প্ৰতিপাদন কৰিবৰ চেষ্টা কৰে, সমাজত তেতিয়া বিষম চাঞ্চল্য উপস্থিত হয়। সামাজিক ভাব বন্ধন স্বৰূপ হ'লেও মানুহে তাৰ চমু-বেঁকা সকলো আলি-পদূলি চিনি পায়, কিন্তু প্ৰতিভাৰ নিৰ্দিষ্ট বাট সুগম নে দুৰ্গম তাক কোনেও নাজানে। থাউনি পানীৰপৰা কোনে নোজোখা পানীত খোজ দিব?

সমাজত এই দুই ভাবৰ বিৰোধ প্ৰতি নিমিষতেই চলি আছে। বহুৰূপীৰ দৰে ই কেতিয়াবা ৰাজনীতি, কেতিয়াবা সমাজনীতি, কেতিয়াবা ধৰ্মনীতি ক্ষেত্ৰত সময়তে ঠাট্টা-মস্কৰা, সময়তে গালি-সপনি, সময়তে ঢাল-তৰোৱাল আদি নানাৰূপে স্বৰূপ প্ৰকাশ কৰে। সকলো দেশৰ বুৰঞ্জী কেৱল এই দুই ভাবৰ সংঘৰ্ষৰ বিৱৰণ মাথোন।

খ্ৰঃ পূঃ চতুৰ্থ শতিকাত পুৰণি গ্ৰীচৰ এথেন্স ৰাজ্যত স্থিতিশীল আৰু গতিশীলসকলৰ ভাবৰ বৈষম্যৰ ফলত ভীষণ সামাজিক চাঞ্চল্যৰ উদ্ভৱ হয়। আমাৰ ভাৰতবৰ্ষৰ দৰে, পুৰণি গ্ৰীচতো নানা দেৱ-দেৱতাৰ পূজা অৰ্চনা চলিছিল। সেইবোৰৰ উদ্দেশ্যে বহুদিনব্যাপী যাত্ৰা ভাওনা আদিও ৰাজ-ভঁৰালৰ উমেহতীয়া ধন ভগন কৰি মহা সমাৰোহেৰে পতা হৈছিল। কিন্তু খ্ৰঃ পূঃ চতুৰ্থ শতিকাত 'ছোফিষ্ট' (Sophist) বা জ্ঞানবাদী বুলি পণ্ডিত সম্প্ৰদায় এটাৰ আবিৰ্ভাৱ হ'ল। তেওঁলোক প্ৰকৃতপক্ষে এথেন্সবাসী নহয়। তেওঁলোক বিদেশী আৰু বেতনভোগী পণ্ডিত আছিল আৰু এথেন্স ৰাজ্যক তেওঁলোকৰ উপযুক্ত ক্ষেত্ৰ ভাবি সেই ৰাজ্যত আহি বাহ লয়। 'ছোফিষ্ট'সকল আমাৰ দেশৰ নৈয়ায়িক পণ্ডিত শ্ৰেণীৰ আছিল। যুক্তি-তৰ্কৰ সহায়েৰে যিটো কথা প্ৰতিপন্ন কৰিব

নোৱাৰি, সেইটো তেওঁলোকে স্থূল বিশ্বাসেৰে মানি লোৱাৰ বিৰুদ্ধে আছিল। তৰ্কবিদ্যাৰ লগত তেওঁলোকে অলঙ্কাৰ শাস্ত্ৰৰো (Rhetoric) গভীৰ সমালোচনা কৰিছিল। সেই সময়ত এথেন্স ৰাজ্যত অলঙ্কাৰ শাস্ত্ৰৰ বৰ সমাদৰ আছিল। ইয়াৰ শাসন প্ৰণালী গণতন্ত্ৰ মতে চলিছিল। আৰু এনে শাসন প্ৰণালীত অলঙ্কাৰ বিদ্যাত নিপুণতা নাথাকিলে জননায়কসকলে জনমতৰ ওপৰত আধিপত্য কৰিব নোৱাৰে। পোহৰ কঁহিওৱা কাচৰ দৰে অলঙ্কাৰ বিদ্যাৰ সহায়েৰে একেটি কথাতেই নানান বস্তুৰ সমাবেশ দেখুৱাব পাৰি। আৰু একেটি কথা বা মতকে, হয়ভৰ দি চিৰকাল সাবটি ধৰি থাকিব লাগিলে কোনেও ৰাজনীতি ক্ষেত্ৰত জননায়কৰ পদত থাকিব নোৱাৰে। এনে অৱস্থাত ৰাজনীতি ক্ষেত্ৰত ওখ আকাংক্ষা থকা ডাঙৰ মানুহৰ ঘৰৰ ল'ৰাবোৰৰ মাজত ছোফিষ্টসকল বৰ আদৰৰ পাত্ৰ হৈ উঠিল আৰু ঘৰুৱা শিক্ষক হিচাপে তেওঁলোকৰ প্ৰতিপত্তি সমাজত বিয়পি পৰিব ধৰিলে।

ছোফিষ্টসকল ব্যৱসায়ী পণ্ডিত আছিল। তৰ্ক আৰু অলঙ্কাৰ বিদ্যাৰ সহায়েৰে একেটি কথাকেই নানানভাৱে কঁহিয়াই দেখুৱাব পৰা বাগ্মিতাত বাজে সমাজ বা ধৰ্মনীতি ক্ষেত্ৰত কোনো মূল তত্ত্বৰ সন্ধান দিয়া তেওঁলোকৰ উদ্দেশ্য নাছিল। তেওঁলোকৰ শিকনিৰ ফলত তৰুণ জননায়কসকলে পুৰণি ৰীতি-নীতিত আস্থা হেৰুৱালেও সেইবোৰৰ ঠাইত কোনো বিশেষ ভাল ৰীতি-নীতিৰ উৱাদিহ পোৱা নাছিল। এনে সময়ত এথেন্স নগৰত জ্ঞানী চক্ৰেটীছৰ আৱিৰ্ভাৱ হয়। তেওঁ এথেন্স নগৰৰেই অধিবাসী আছিল। পুৰণি পন্থীসকলৰ স্থূল বিশ্বাসত তেওঁৰ আস্থা নাছিল আৰু ছোফিষ্টৰ একেটি কথাকে দহ ফাল কৰি দেখুৱাব পৰা তৰ্ক বিদ্যাতো তেওঁৰ আস্থা নাছিল। পুৰণি বিশ্বাস ভুল হ'ব পাৰে, সম্ভৱ ভুলো, কিন্তু ভুল দেখুৱালেই আলোচনাৰ ওৰ নপৰে। মূল সত্য কি, তাৰ স্বৰূপ এনেকুৱা, এইটো সন্ধান কৰাকেই জ্ঞানী চক্ৰেটীছে জীৱনৰ মহাব্ৰত বুলি আঁকোৱালি ধৰিলে।

এই ব্ৰতত ব্ৰতী হৈ জ্ঞানী চক্ৰেটীছে বাট-ঘাট, হাট-বজাৰ সকলো ঠাইতেই কবি, দাৰ্শনিক, ধাৰ্মিক, জননায়ক আদি পণ্ডিত বোলাওঁতা সকলোৰে সৈতে মূল সত্যৰ স্বৰূপ লৈ তৰ্ক কৰি ফুৰিবলৈ ধৰিলে। তেওঁৰ মতে সত্যই জ্ঞান আৰু জ্ঞানেই ধৰ্ম। তেওঁৰ তৰ্ক-প্ৰণালীও এক অপূৰ্ব ধৰণৰ আছিল। তেওঁ প্ৰশ্ন কৰি গৈ থাকে আৰু প্ৰতিপক্ষই যি উত্তৰ দিয়ে সেই এটাইবোৰতেই হয়ভৰ দি গৈ থাকে। বহুা বহুা প্ৰশ্নৰ সহায়েৰে প্ৰতিপক্ষক এনেকৈ বুলাই লৈ গৈ থাকে যে নিজৰ অসঙ্গত কথাৰ জালত নিজে মেৰ খাই প্ৰতিপক্ষই নিজে শেহত ভেবা-চেকা খাই পলাব লগীয়াত পৰে। এই তৰ্ক-প্ৰণালী এনে প্ৰসিদ্ধ হৈ পৰিছিল যে পিছৰ কালত ইয়াক চক্ৰেটীছ ব্যাজোক্তি (Socratic Irony) বোলা হৈছিল। বাট-ঘাট, হাট-বজাৰ সকলো ঠাইতেই চক্ৰেটীছে এইদৰে পণ্ডিত বোলাওঁতাসকলক হাৰাথুৰি খুৱাই ফুৰিছিল আৰু বিপক্ষৰ ভঙ্গ উপভোগ কৰিবলৈ তেওঁৰ পাছে পাছে বাটৰুৱা ল'ৰাবোৰে জুৰ বান্ধি ফুৰিছিল। তেওঁ কোনো সম্প্ৰদায় স্থাপন কৰা নাছিল

কিন্তু কেতবোৰ প্ৰতিভাশালী ডেকাই তেওঁৰ জ্ঞানবাদৰ মূল মত গ্ৰহণ কৰি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। এইসকলৰ ভিতৰত ইউৰোপৰ অদ্বিতীয় দাৰ্শনিক পণ্ডিত প্লেটোৱেই প্ৰধান।

পুৰণি পন্থী এথেন্সবাসীসকলৰ মানত ছোফিষ্ট আৰু জ্ঞানী চক্ৰেটীছৰ ভিতৰত কোনো প্ৰভেদ নাছিল। তেওঁলোকৰ ভিতৰত যি প্ৰভেদ, সি ইমান সূক্ষ্ম যে সাধাৰণৰ মনত সি ধৰা নপৰিছিল। আৰু পৰিলেও ছোফিষ্ট আৰু চক্ৰেটীছ দুয়ো দুই কালৰপৰা পুৰণি মতৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিছিল।

তাত বাজেও ছোফিষ্ট পণ্ডিতসকলে দৰমহা লৈ ডাঙৰ মানুহৰ ঘৰত ঘৰুৱা শিক্ষকতা কৰিছিল, সেই দেখি জনসাধাৰণৰ ওপৰত তেওঁলোকৰ প্ৰভাৱ চমু বাটেৰে পৰা নাছিল। চক্ৰেটীছ সত্যব্ৰতী, তেওঁ ধনৰ লোভত সত্যৰ সন্ধানত ফুৰা নাছিল। তেওঁৰ বিচাৰৰ ঠায়ো হাট-বাট আদি। ভব্য-গব্য নাগৰিকসকলৰ তৰ্কত ভঙ্গ চাবলৈ ল'ৰাবোৰেও তেওঁৰ লগ নেৰে। চক্ৰেটীছৰ তৰ্ক-প্ৰণালীৰ কোবত পুৰণি মতবাদী নাগৰিকসকল অতিষ্ঠ হৈ উঠিল আৰু তেওঁৰ লগে লগে ফুৰা ল'ৰাসকলক লক্ষ্য কৰি ক'ব ধৰিলে যে চক্ৰেটীছে ডেকা সম্প্ৰদায়ক ভ্ৰষ্টাচাৰত প্ৰৱৰ্তন কৰাইছে।

এই সন্ধিক্ষণত পুৰণি মতৰ সমৰ্থক স্বৰূপে প্ৰতিভাশালী ব্যঙ্গ নাট্যকাৰ এৰিষ্টোফেনিছৰ অভ্যুদয় হয়। সমালোচকসকলৰ মতে তেওঁ জগতৰ অদ্বিতীয় 'কমেডিয়ান' বা হাস্যৰসাত্মক নাট্যকাৰ। এওঁৰ ব্যঙ্গৰ চোকা বাণে এথেন্সৰ নাগৰিক জীৱনৰ কোনো বিভাগতেই খোঁচ নমৰাকৈ থকা নাই।

ব্যঙ্গৰসৰ চল-পানীৰে এথেন্সৰ মানসিক জীৱনৰপৰা ছোফিষ্ট-চক্ৰেটীছৰ তৰ্কৰ মলি ধুই পেলাবৰ মনেৰে খৃঃ পূঃ ৪২৩ শকত এথেন্স নগৰৰ প্ৰধান ৰঙ্গমঞ্চত তেওঁ "ডাৱৰ" নামে ব্যঙ্গাত্মক নাট এখন থিয় কৰে। এই নাটত চক্ৰেটীছক ছোফিষ্ট সম্প্ৰদায়ৰ নেতা বুলি ধৰি লৈ সেই সম্প্ৰদায়ক লক্ষ্য কৰি তেওঁৰ প্ৰতি ঠাট্টাৰ চোকা বাণ বৰষা হৈছে। নাটকীয় কথা-বস্তুৰ চমু বিৱৰণ তলত দিয়া হ'ল।

এথেন্স নগৰত ষ্ট্ৰেপ্‌চিয়াডিছ নামে এজন নাগৰিক আছিল। তেওঁৰ আগেয়ে মাটি-বাৰী ধন-বিত আছিল। কিন্তু ধন ভগনীয়া ল'ৰাৰ বিলাসিতা গুণত এতিয়া ঋণত পৰি তেওঁৰ দুৰ্দশা শেষ সীমাত পৰিছেগৈ। এদিন ৰাতি বিছনাত পৰি থাবৰ কথা ভাবি ছটফটাই আছে। "ৰাতি নো আজি নুপুৱায় নে? কুকুৰাৰ মাত শুনিছোঁ যেন লাগিছে। বন্দা-চাকৰ আটায়ে ফোঁচফোঁচাই শুই আছে। যেনেহে দিন-কাল পৰিছে সিহঁতকো মাতিবৰ সাধ্য নাই। সৌৱা মোৰ কুল তিলক, কোনো ভাবনাই তাৰ টোপনি ক্ষতি কৰাব নোৱাৰে। থাবৰ জালত মোৰ চকু জাপেই নাযায়। নন্দনৰ ধুনপেচ, ঘোঁৰা-খেল, ৰথ-খেল আদিৰ খৰচেই মোক তললৈ নিলে।" মেলা চকু জপাবলৈ আকৌ এবাৰ মিছা চেষ্টা কৰি বুঢ়াই চাকি এটি দিবলৈ বন্দা এটিক মাতি আঙুলিৰ মূৰত থাৰ লেখিবলৈ ধৰিলে। "অমুকাক দিব লাগে পাঁচ শ কপ। তাৰপৰা নো কেতিয়া পাঁচ শ কপ লৈছিলোঁ? অ' মনত পৰিছে, সৌ কজলা ঘোঁৰাটো কিনিবলৈ। ঘোঁৰাই হয়। ঘোঁৰাই

মোৰ মুখটো আচন্দ্ৰাইকৈ ঘুৰাই লৈ ফুৰাব লাগিছে।" এনেতে মোৰ টোপনিতেই ফিডিপিডিছ যোলা বুঢ়াৰ ল'ৰাই মাত দি উঠিছে, "হেৰ কিলো, সেইটো অন্যায়, নিজৰ চাকেৰে ঘোঁৰা চলাবি।" "এয়েই মোক তললৈ নিলে" বুঢ়াই ভাবিছে "সপোনতো ই ঘোঁৰা লৰাইছে।" ফিডিপিডিছ (টোপনিত):—ৰথবোৰ কেইবাৰ ঘুৰিছে?

ষ্ট্ৰেপ্‌ছিয়াডিছ—বাপেকৰ নাকত জৰি লগাই বহুত বাৰ ঘুৰাইছে। বাৰু, লেখোঁচোন আকৌ কাক দিব লাগে? দেৰ শ কপ তমুকাক দিব লাগে। কেলৈ? দুটি চকা আৰু ৰথৰ জঁকাটোৰ বাবে। পুতেক (টোপনিত)—ঘোঁৰা পোৱালিটিক এবাৰ বালিত বগৰাই ঘৰলৈ লৈ যা।

বাপেক—হেৰ খেকাৰ খোৱা, তই মোক ঘৰৰপৰা বগৰাই উলিয়াই দিলি।

পুঃ—(সাৰ পাই) পিতাদেও আপোনাৰ হৈছে কি, ওবে ৰাতি এইদৰে ছটফটাই আছে কিয়?

বাঃ—পিয়াদাৰ চমনে মোক কামুৰিছে, বোপাটি, বৰকৈ কামুৰিছে।

পুঃ—ভাল, ভাল আকৌ এটোপনি মাৰি লওঁ।

বাঃ—শু, শু, ধাৰৰ বোজা ডাঙৰ হৈ মোৰ মূৰতেই আকাশী সৰগৰ দৰে পৰিল। হতচিৰী যাওক, সেই ছোৱালী চোৱা কন্যা ঘৰপতাজন, যি তোৰ মাৰক বিয়া কৰাই দিলে। খেতিয়কৰ ল'ৰা, কি সুখেৰে পামত দিন নিয়াইছিলোঁ, মৌৰ বাহ পাৰি, ছাগলী বান্ধি, লাওপানী খায়। পিছত বিয়া কৰিব পালোঁ মেগাক্লিচৰ ভতিজা ছোৱালীজনী—মই হ'লোঁ খেতিয়ক, তাই হ'ল ধুন পেচ মৰা নগৰৰ মহিলা। ল'ৰা উপজিল, বুজন হ'লত তাই ল'ৰাৰ কাণ ছুৱাব ধৰিলে। "অ' সোণপাহি, ডাঙৰ হ'লে তোৰ আতা-দেউতাসকলৰ দৰে ৰথ ডকাই ফুৰিবি, বহুমূলীয়া সাজ পিন্ধিবি।" মই কওঁ, "হেৰ বোপাটি, ডাঙৰ হ'লে খাকৰা কাপোৰ পিন্ধি মোৰ দৰে ছাগলী খেদি ফুৰিবি।" মোৰ কথা শুনিলে ক'তা! ছাগলী খেদিব থাওক মোক হে খেদাই লৈ ফুৰিব ধৰিছে। যাওক, যাওক, মোৰ কথা শুনে যদি বিপাওৰ হাত সাৰিবলৈ বুদ্ধি এটি সাজিছোঁ। তাক জগাম নে? (কোমল মাতেৰে) বোপাইটি, অ' কিডি বোপাইটি?

পুঃ—কি হৈছে পিতাদেও?

বাঃ—চুমা এটি খাওঁচোন, আৰু হাতখন আগবঢ়াই দে।

পুঃ—কিয়, কিয়, দিছোঁ।

বাঃ—এয়া তই মোক ভাল পাব নে?

পুঃ—"অশ্বপতি" দেৱতাৰ শপথ।

বাঃ—তোৰ অশ্বপতিৰ নাম নল'বি। অশ্বপতিয়েই মোক খালে। তই যদি মোক ভাল পাব মই যি কওঁ কৰ।

পুঃ—কি নো?

বাঃ—তই কৰিবি জেনেহ'লে?

পুঃ—"সুৰাপতি"ৰ শপথ কৰিম।

বাঃ—সৌৱা পজাটো দেখিছ নে?

পুঃ—হয়, কি হ'ল?

বাঃ—সেইটো জ্ঞানীসকলৰ "অনুসন্ধান সমিতি।" তাত থকা মানুহবোৰে প্ৰমাণ কৰিব পাৰে আকাশখন হেনো এটি আধা আৰু আমি জুইৰ আঙঠা। সিহঁতক পইছা দিলে ভাল-বেয়া সকলো শিকাব।

পুঃ—ভাল, সিহঁতনো কোন?

বাঃ—সেইটো নাজানো। সিহঁত বৰ চোকা মানুহ।

পুঃ—অ' মনত পৰিছে। টেঙৰ মগনিয়াৰহঁত! আপুনি সেই শেতামুখা, ছালছিগা, কেলেহুৱা চক্ৰেটীছ, কেৰেফন আৰু সিহঁতৰ পিছে পিছে ফুৰা ভিকহুমখাৰ কথা কৈছে?

বাঃ—নাপায়, নাপায়, তেনে আহুকলীয়া কথা ক'ব নাপায়। তই যদি বাপেৰক ভাল পাৱ সিহঁতৰ তাত শিকাগৈ আৰু ধোঁৱা চেকুৰা এৰি দে।

পুঃ সিহঁতৰ তালৈ যাম? সুৰাপতিৰ শপথ, মই যদি যাওঁ।

বাঃ—সোণামুৱা মোৰ, কাবৌ কৰিছোঁ, গৱেষণা-ঘৰত শিকগৈ।

পুঃ—কি শিকিম?

বাঃ—মানুহে কয়—সিহঁতৰ পোন, বেঁকা দুই ধৰণৰ তৰ্কবিদ্যা আছে। যিজনে বেঁকা বিদ্যা শিকে তাৰ কোনো ঠাইতেই ভজ নহয়। এই বিদ্যাটো শিকগৈ। তেনেহ'লে তোৰ বাবে ধাৰ কৰা টকাৰ বাবে কাকো এটি ফুটা কড়িও মই দিব নালাগিব।

পুঃ—সেইটো ভাবিবই নোৱাৰোঁ। সেই খাব নোপোৱা শেতামুখা বছুৱাহঁতৰ তাত শিকিমগৈ নে?

বাঃ—যদি কথা শুশুন, আজিৰপৰা এমুঠি চাউলো খাব নোৱাৰ। টোপোলা-টুপুলি লৈ এতিয়াই ওলা।

পুঃ—অকণো বেজাৰ নাই। মোৰ মোমাইহঁত ডাঙৰ মানুহ, তেওঁলোকে মোক ঘোঁৰাৰ যোগাৰ দিব।

বুঢ়াই পুতেকৰ লগত নোৱাৰিলে। কিন্তু বুঢ়া ভজ খাবৰ মানুহ নহয়, পুতেকে নিশিকিলে যদি নিজেই গৈ এই নতুন বেঁকা বিদ্যা শিকিব। বুঢ়া বয়সত তৰ্কৰ কূটবোৰ ধৰিব নোৱাৰিব বুলি সংশয় হৈছিল যদিও সাহসত ভৰ দি গৱেষণা ঘৰৰ কালে খোজ ল'লে। দুৱাৰত গৈ খুন্দিয়ালে। চেলা এজন ওলাই আহি ডাঙৰকৈ শব্দ কৰা বুলি বুঢ়াক ভৰ্ৎসনা কৰিলে আৰু সুধিলে, "তই কোন? দুৱাৰত খুন্দিয়াই বহুত ভাবৰ সুতা ছিঙিলি।"

ষ্ট্ৰেপঃ—ক্ষমা কৰিবা। দূৰ গাঁৱৰপৰা আহিছোঁ। কি হানি কৰিলোঁ কোৱাচোন।

চেলা—সেইবোৰ কথা শৰবীয়াৰ আগত হে ক'ব পাৰি।

বুঢ়া—মইয়ো শৰবীয়া, চেলা হ'বলৈ হে আহিছোঁ।

চেলা—শুন তেনেহ'লে, কিন্তু মনত ৰাখিবি "কথা ইটো পৰম গুপুত।" সিহঁতনো চক্ৰেটীছে কেবেকনক সুধিলে, মাখি এটিয়ে এক'পত ইয়াৰ নিজৰ ভৰিৰ কেইখন ৰাখ পাৰে? মাখি এটিয়ে কেবেকনৰ চেলাউবিৰপৰা ক'পিয়াই গৈ চক্ৰেটীছৰ মূৰত পৰিছিলগৈ।

বুঢ়া—কেনেকৈ জুখিলে?

চেলা—বৰ সূক্ষ্ম প্ৰণালীৰে। তেওঁ মোম এডোখৰ গলাই লৈ মাখিটোৰ ভৰি কেইখন তাত জুবুৰিয়ালে। মোম শুকালত তাৰে জুখিলে।

বুঢ়া—কি বহইচ! মোক অনুসন্ধান সমিতিত দিয়া। চক্ৰেটীছক চাবলৈ মনটোৱে খোঁচা বিন্ধা কৰিব লাগিছে।

দুয়াৰ মেল খালে। গৱেষণা-মগ্ন চেলাবোৰে নানান অঙ্গী-ভঙ্গী কৰি থকা দেখি সেই বুঢ়াই বিচুৰ্তি খাই সুধিলে—"এইবোৰ কি জানোৱাৰ? ইহঁতে তিনি মুৰীয়া বুঢ়াৰ দৰে তলমূৰে মাটিৰ ফালে চাই আছে কিয়?"

চেলা—ইহঁতে মাটিৰ তলত থকা শিলগুটি হিলৈগুটি আদিৰ অনুসন্ধান কৰিছে।

বুঃ—শেলুক বিচাৰিছে। ইয়াত ক'ত পাব! মই ক'ব পাৰোঁ ক'ত বেছিকৈ পোৱা যায়—খাৰ-ঘুলিত হে। এইবোৰ একা! চিত হৈ তুই ঠেঙৰ মাজত মূৰ সুমাই দোবোল খাই ওপৰ মুখে কি চাইছে।

চেঃ—সিহঁতে ওপৰ মুখে নক্ষত্ৰ তত্ত্ব সন্ধান কৰিছে।

বুঃ—সৌটো কি?

চেঃ—সেইটি জ্যামিতি।

বুঃ—তাৰে কি হয়?

চেঃ—মাটি জোখা হয়।

বুঃ—অ' ইয়াৰেহে আমাৰ সীমা জুখি দিয়া হয়, সত্য! সত্য!

চেঃ—এইখন চা। এইখন পৃথিৱীৰ মানচিত্ৰ। এইখন এথেন্স।

বুঃ—এথেন্স? কোনে পতিয়াব? দেৱানী আদালতখন বহা দেখেইছোঁ চোন।

বুঢ়াই ঘৰৰ চালৰ কালে চকু দিয়ালত দেখিলে পাচি এটিৰ ওপৰত কোনোবা এজন ওলমি আছে। "সেইটো কোন? পাচি এটিত ওলমি আছে?"

চেঃ—সেইটো "তেওঁ"।

বুঃ—কোন "তেওঁ"?

চেঃ—চক্ৰেটীছ।

দুই-তিনিবাৰ গল-হেকাৰি মাৰি কোনোমতে বুঢ়াই চক্ৰেটীছৰ দৃষ্টি আকৰ্ষণ কৰিলে। "তোক কি লাগে হেৰ এদিনীয়া, খন্তেকীয়া প্ৰাণী। মই বায়ুমণ্ডলত খোজ কাঢ়োঁ। আৰু মোৰ গুৰু ভাব সূৰ্যমণ্ডলত বিচৰণ কৰে।"

বুঃ—অ' পাচিটোত উঠি দেৱ-দেৱীৰ প্ৰতি হেয় চকুৰে চোৱা হ'বলা, হয় নে ?

চঃ—বায়ুমণ্ডলত বিহাৰ নকৰিলে, সূক্ষ্ম বায়ৱ্য তত্ত্ব গ্ৰহণ কৰিব নোৱাৰি। পৃথিৱীৰ ওপৰত থাকিলে ইয়াৰ হোঁপনি শক্তিয়ে বুদ্ধিৰ ৰস হুঁপি শুকাই পেলায়।

বুঃ—বুজিলোঁ, শাহ নোহোৱা ভোলৰ চোচোৰা যেন হয়। এবাৰ নামি আহাচোন। মই বিদ্যা বিচাৰি আহিছোঁ, এটি শিকনি দিয়া।

চঃ—কি শিকনি ?

বুঃ—কথা ক'বলৈ। ধঁৰিয়াল ঠুঁটীয়া ধকন্দাবোৰে মোক হিৰাছিৰ কৰিব লাগিছে।

চঃ—কেনেকৈ ধাৰ লগালি ?

বুঃ—ঘোঁৰা-দানহে মোক খালে। তোমাৰ পোন-বেঁকা দুটি বিদ্যাৰ বেঁকা বিদ্যাটো মোক শিকাব লাগে, যিটো শিকিলে ধকন্দাক টকা ওভতাই দিব নালাগে। যি মাচ লাগে তাকেই দিম, দেৱতাৰ নামে শপত লৈছোঁ।

চঃ—আমাৰ ইয়াত দেৱ-দেৱতাৰ চলতি নাই। দেৱতা জানিব খোজা যদি তাৱৰ দেৱতাক জানিবি। আমি তাৱৰ উপাসক, বুজিলি ?

বুঃ—বুজিলোঁ।

চক্ৰেটীছ ওলমি থকা পাচিৰপৰা নামিল। বুঢ়াক আসন এখনত বহুৱাই মূৰত মালা এধাৰি আৰু গাত আতাগুৰি ছটিয়াই দিলে। বুঢ়াৰ সংশয় উপজিল। বলিৰ পশুবোৰকো এইদৰে আতাগুৰি ছটিয়াই মালা পিন্ধোৱা হয়। কিন্তু বুঢ়াক কোৱা হ'ল, সংশয়ৰ কাৰণ নাই, এইটো শৰণ প্ৰথাহে। এবাৰ শৰণীয়া হ'লে আৰু ভয় নাই, বেঁকাক পোন আৰু পোনক বেঁকা কৰা বিদ্যা তেওঁৰ জিভাৰ আগত নাচিব অৰু মূৰৰ মালাধাৰিয়ে এইটোহে সূচাইছে যে তেওঁ উকীল সম্প্ৰদায়ৰ চূড়ামণি হ'ব।

গভীৰ উদাত্তস্বৰে চক্ৰেটীছে নীল নদী সমুদ্ৰত অলিম্পাচ পৰ্বত বিহাৰী তাৱৰ দেৱতাৰ উদ্দেশে স্তোত্ৰ এটি পাঠ কৰিলে আৰু তাৱৰ দেৱতায়ো বজ্ৰধ্বনিৰে নিজৰ আগমন ঘোষণা কৰি তিৰোতাৰ আকৃতি ধাৰণ কৰি গুৰু-শিষ্যৰ আগত আহি উপস্থিত হ'লহি।

বুঃ—কোৱাচোন, গভীৰ মন্ত্ৰধ্বনিৰে সেইবোৰ কি আহিছে ?

চঃ—সেইবোৰ আকাশৰ তাৱৰ।

বুঃ—ক'তা, ক'তা ?

চঃ—পৰ্বত-ভৈয়াম জুৰি সোঁৱোৰ।

বুঃ—মই দেখা নাই।

চঃ—এতিয়া দেখিব পাৰা, বাদুলিৰ দৰে কণা নহয় যদি।

বুঃ—দেখিছোঁ, সিহঁত সকলো কালে বিয়পি আছে।

চঃ—সিহঁত দেৱী বুলি জনা নাছিলি নে?

বুঃ—নাছিলোঁ। মই জনাত ডাৱৰ ধুৰলি-কুঁৱলি হে। কোৱাচোন, সিহঁত যদি ডাৱৰ হয়, সিহঁতক তিকতা যেন দেখা যায় কিয়? আচল ডাৱৰতো তেনেকুৱা নহয়।

চঃ—কেনে?

বুঃ—ডাৱৰ উৰি ফুৰা তুলাৰ দৰে, তিকতাৰ দৰে কেতিয়াও নহয়।

চঃ—মোৰ কথাৰ সমিধান দে। তই কেতিয়াও আকাশত বাঘ, ভালুক বা বলধৰ আকৃতিৰ ডাৱৰ দেখা নাই নে?

বুঃ—দেখিলোঁ কি হ'ল?

চঃ—সিহঁত কামৰূপী। সিহঁতে যেতিয়া আখৰ গোঁঠা কোনোবা টিলিকা কবিক যাৰৰ ওপৰত মেল খোৱা দীঘলীয়া চুলি ৰখা দেখে, তেতিয়া হয়গ্ৰীৱ মূৰ্তি ধৰি টিলিকা কবিক নিজৰ নিজৰ স্বৰূপ দেখুৱায়। দেখিলা বান্ধ, ডাৱৰহে আচল দেৱতা, আন সকলো বলিয়াৰ সপোন।

বুঃ—অলিম্পাচৰ জ্যুচ তেনেহ'লে দেৱতা নহয়?

চঃ—কোন জ্যুচ্? বলিয়ালি নকৰিবি, জ্যুচ্ বোলা কোনো দেৱতা নাই।

বুঃ - কি? বৰষুণ দিয়ে কোনে তেন্তে?

চঃ—কেনে, এইবোৰে। ডাৱৰ নোহোৱাকৈ বৰষুণ পৰা দেখিছ জানো? জ্যুচে বৰষুণ দিয়াহেঁতেন ফট্‌ফটীয়া আকাশৰ পৰা বৰষুণ নামিব লাগিছিল।

বুঃ—বাৰু, তেন্তে গাজনি মাৰে কোনে?

চঃ—এইবোৰে, সিহঁত বাগৰি গ'লেই শব্দ ওলায়, সিহঁত পানীৰে ভৰপূৰ হৈ থাকে আৰু খুন্দা খালেই ভৰা কলহৰ দৰে শব্দ কৰে।

বুঃ—কিন্তু কোনে সিহঁতক বগৰাই ফুৰায়? নিশ্চয় জ্যুচ্ দেৱতাই?

চঃ—নহয়, জ্যুচে নহয়, ঘূৰ্ণীপাকে।

বুঃ—বুজিলোঁ, জ্যুচৰ ঠাইত ঘূৰ্ণীপাকহে ৰজা।

চঃ—তেনেহ'লে আমাৰ উপাস্য ডাৱৰ, ঘূৰ্ণীপাক আৰু জিভা। এই তিনিটাত বাজে আন দেৱতা নামান?

বুঃ—মানিম নে? লগ পালেও সিহঁতৰ লগত কথাকেই নকওঁ।

ডাৱৰে মাত লগাই সুধিলে—তোক কি লাগে, ভাঙি ক।

বুঃ—মই গ্ৰীচদেশৰ ভিতৰতেই কথা-চহকী হব খোজোঁ।

ডাঃ—সেইটো হবি। কাউন্সিলত তোভকৈ কোনেও বেছি প্ৰস্তাৱ সবকাই নিব নোৱাৰিব।

বুঃ—মই কাউন্সিলৰ প্ৰস্তাৱ কুটা যেন দেখোঁ। এবাৰ আঙুলিৰ কুটাৰে সবকিব খোজোঁ।

ডাঃ—সেইটো তুচ্ছ কথা। আমাৰ ভক্তসকলক হিচাপটো বুজাই দে একো ভয় নাই।

বুঃ—তোমালোকৰ কথা মানি লওঁ। একালে একল্লাৰ টাঙোন আনকালে জোপাহী তিকতাৰ ধুনপেঁচ—গত্যন্তৰ নাই। তোক, পিয়াহ, জাৰ, ক্লেশ সকলো স'ব পাৰোঁ কেৱল পোন কথা বেঁকা কৰিবৰ ক্ষমতা দিয়া।

ডাঃ—মানুহজনৰ পিত্ত আছে। বাক আমাৰ পৰা যদি শিকনি লয়, তোৰ দুৱাৰ-ডলিৰ পৰা মকেল লুঠিবই। চক্ৰেটাছ, ইয়াক লৈ গৈ এভিয়া বুজ দিয়া।

চক্ৰেটাছে বুঢ়াক ভিতৰলৈ লৈ গৈ ব্যাকৰণৰ আৰু ছন্দ শাস্ত্ৰৰ গুৰিৰ কথা কিছুমান বুজালে। কিন্তু বুঢ়াৰ মগজু ইমান গোটমৰা, তাক একোৱে বিন্ধিব নোৱাৰিলে। চক্ৰেটাছে ঘোৰ বিৰক্তিৰে ওলাই আহি বুঢ়াৰ বিষয় আপত্তি কৰিলে। শেষ পৰীক্ষা স্বৰূপে বুঢ়াক খাট এখনত শুৱাই, কামলি এখনেৰে গা-মুৰ ঢকাই সোমাব নোৱৰাকৈ মেৰাই পেলাই থৈ ক'লে—"যদি কোনোবা কথাৰ উৱাদিহ নাপাই ভেনেহ'লে সেইটো এৰি আন এটি কথাত জঁাপ দি ধৰিবি।"

বুঃ—উঃ। উঃ।

ডাঃ—কি হ'ল ?

বুঃ—তক্তাৰ কাটৰ পৰা উৰহে কামুৰিছে।

চঃ—তই গৱেষণা কৰা নেকি অ' ?

বুঃ—কৰিছোঁ।

চঃ—কি ?

বুঃ—উৰহে ছালখন চালনীৰ দৰে কৰিব নে খুলি।

চঃ—কাপুৰুষ নহবি। কাপোৰখন ভালকৈ মেৰাই লৈ গৱেষণা কৰ।

বুঃ—(অলপ বৈ) অ' চক্ৰেটাছ, সুত নিদিবলৈ বুদ্ধি এটি পাঙিছোঁ।

চঃ—কেনেকৈ ?

বুঃ—থেচেলী নগৰৰ পৰা তান্ত্ৰিক ভৈৰৱী এজনী পইছা দি আনিম। তাই মন্ত্ৰ মাতি আকাশৰ পৰা জোনটো নমাই আনিব আৰু মই বাকচত বন্ধ কৰি থম।

চঃ—লাভ ?

বুঃ—কেলৈ ? জোন যদি নুঠিল সুত দিব নালাগে।

চঃ—কিয় ?

বুঃ—কথাল মতে পহিলা জোনৰ দিনাখন হে সুত আদায় কৰি দিব লাগে।

চঃ—বাৰু, পাৰোঁ। কৰ্চোন, তোৰ বিৰুদ্ধে পঞ্চাশ টকাৰ দেৱানী এটা হ'ল। কেনেকৈ ডিক্ৰীৰ পৰা সাৰিবি ?

বুঃ—কেনেকৈ ? মনত খেলোৱা নাই, বাৰু গৱেষণা কৰোঁ।

চঃ—তেল-শালিৰ গৰুৰ দৰে মনটো চাৰিওফালে ঘূৰিব নিদিবি। জবি লগোৱা কাকতৰ চিলাৰ দৰে ওপৰলৈ উধাৰ দিবিচোন।

বুঃ—খেলাইছে, দেৱানী জিকিবলৈ চোকা বুদ্ধি ভিৰবিৰাইছে। বেজৰ দোকানত চকমকী কাঁচ দেখিছ পোৱা, যাৰে জুই জলায় ?

চঃ—আগ্নেয় কাঁচৰ কথা কৈছ হবলা ?

বুঃ—ঠিক, কেৰাণীয়ে যেতিয়া ডিক্ৰী লিখে, সেই কাঁচ এডোখৰ আনি কাকতৰ ওপৰত সূৰ্যৰ তাপ পেলাই দিলেই সকলো ভস্ম হ'ব।

চঃ—সজ, সজ, পকা বুদ্ধি। বাৰু আৰু এটি প্ৰশ্নৰ সমিধান দেচোন। তই জানিবা দেৱানীৰ পদকীয়া, তোৰ পক্ষে কোনো সাক্ষী নাই। কি উপায়েৰে সাৰিবি ?

বুঃ—অতি সহজ। মোৰ মোকৰ্দমা উঠাৰ আগতেই ভিঙিত ফাঁচ দি মৰি থাকিম।

চঃ—অবোধ ! তোৰ লগত আৰু নোৱাৰোঁ। এনে অবুজ বুঢ়া আৰু দেখা নাই। যা গুচি যা।

বুঃ—উঁ, উঁ। মোৰ কি গতি হ'ব ? পূজনীয় ডাঙৰ, মোক উপায় দিয়া।

ডাঃ—তোৰ যদি বয়স পোৱা ল'ৰা থাকে, তাকেই বিদ্যা শিকিবলৈ পঠিয়াই দেগৈ।

বুঃ—ল'ৰা এটি আছে, কিন্তু সি নিশিকে।

ডাঃ—তই চাই আছ ?

বুঃ—কি কৰিম, ল'ৰাকো বলে নোৱাৰোঁ, মাকো আৰু নগৰৰ মহিলা। আকৌ এবাৰ চেষ্টা কৰি চাওঁ, কথা নুশুনিলে ইবাৰ ঘৰৰপৰা খেদিম।

স্ক্ৰেপ্ চিডিয়াছে ঘৰলৈ আহি ল'ৰাক কাবৌ কৰিব ধৰিলে। ল'ৰাক কথা শুনোৱা টান। ল'ৰাই ক'লে—"পিতাদেও, জ্যুচ্ দেৱতাৰ নাম লৈ কৈছোঁ, আপোনাৰ মূৰৰ বিকাৰ ঘটিছে।"

বুঢ়াই মাত লগালে,—এয়া কি অকথা ! জ্যুচ্ দেৱতা ?

ল'ৰা—আচৰিত হ'ল যে ?

বুঃ—তই দেখোঁ জ্যুচ্ দেৱতাৰ কথা কৈছ। জ্যুচ্ বোলা কোনো নাই।

লঃ—এইখন মূৰ্খামি কোনে শিকালে ?

বুঃ—চক্ৰেটাছে।

লঃ—সেই বলিয়াহঁতৰ কথা পতিয়ালে ?

বুঃ—ছি ছি, সেই প্ৰবীণ, জ্ঞানীসকলক গালি নাপাৰিবি। সিহঁত এনে মিতব্যয়ী, কেতিয়াও

নখ চুলি মুখুৰায়, গা নোধোয়ে। তই যা, সিহঁতে শিকাওঁ বোলা কথাখিনি শিকি আহগৈ।

লঃ—প্ৰবীণেই হয়! সেই দেখি হে আপোনাৰ গাৰ চোলাটোও হেৰাল।

বুঃ—হেৰোৱা নাই; মোৰ ভাবতেই উৰি গ'ল।

লঃ—জোতা? কি হ'ল?

বুঃ—লগা কামতেই খটাইছোঁ।

লঃ—বুজিছোঁ। কেলেহুৱা ভিকছুহঁতে শৰণ দিয়া ছলেৰে জোতা-কাপোৰ আঁতৰালে। সেইবোৰ বেচিহে এসাজ খাব। ভাল, যাব লাগে যাওঁ। এদিন কিন্তু ইয়াৰ বাবে আপুনি অনুতাপ কৰিব।

কিডিপিডিছ অনুসন্ধান সমিতিত ভৰ্তি হ'ল। ইফালে সুত উঠাই দিবৰ দিন ওচৰ চাপিল।

বুঢ়াই ভাবিব ধৰিলে—"চাৰিদিন গ'লেই, তাৰ পিছৰ দিন! ভাবিবলৈকে ঘিণ লাগে। ধকৱাইতে শপত কাঢ়িছে, আৰু সময় নিদিয়ে। মই কিমান বুজালোঁ—"হেৰ, এভাগ পিছলৈ লবি, এভাগ এৰি দে, এভাগ নলওঁ বুলি ক'।"—নামানে, ল'ৰাই পোনক বেঁকা কৰা বিদ্যাটো সোনকালে শিকি আহিলে মোক আৰু পায় কোনে? যাওঁ এবাৰ অনুসন্ধান সমিতিলৈ, খবৰ লৈ আহোঁ ল'ৰাই কিমান আগ বাঢ়িছে।"

বুঢ়া গ'ল। শিক্ষা সমাপন হোৱা বুলি বুঢ়াৰ লগতেই কৰ্তৃপক্ষই ল'ৰাকো পঠিয়াই দিলে। ল'ৰাৰ শেতা বেজীৰ দৰে দীঘলীয়া মুখ দেখি বুঢ়াৰ আনন্দ। ল'ৰাই তৰ্কবিদ্যা ভালকৈ আওৰাইছে। ধকৱাৰ হেঁচাৰ কথা কোৱাত ল'ৰাই অভয় দি ক'লে—"একো ভয় নাই। সিহঁতে যিদিনাখন সুত নিবলৈ আহে, পুৰাতন স্মৃতি মতে তাৰ নাম "নতুন পুৰণি" দিম। তাতেই তৰ্ক লাগিব।" বুঢ়ায়ো আশ্বাস পাই ঘৰ পালেগৈ।

এজন ধকৱা আহি পাঁচ শ ৰূপৰ দাবী কৰিলে। বুঢ়াই নিৰ্বিকাৰচিত্তে উত্তৰ দিলে, সকলোৱে জানে তেওঁ ধোঁৱা খেলৰ বিৰোধী, কাজেই ধোঁৱা কিনিবলৈ টকা অনা অসম্ভৱ। ধকৱাই দেৱতাৰ শপত লৈ ক'লে সিদিনাখন দিব বুলি টকা অনা সঁচা। দেৱতাৰ নামত বুঢ়াই ইতিকিং কৰিবলৈ ধৰিলে, শেষত গৈ বুঢ়া ভিতৰ সোমাল আৰু ল'ৰাক সুধি আহি ধকৱাক কিছুমান শব্দৰ লিঙ্গ নিৰ্ণয় কৰিব দিলে। ধকৱা নিমাত। বুঢ়াই গৰ্জি উঠিল—যি মানুহে ব্যাকৰণৰ লিঙ্গ ঠিক কৰিব নোৱাৰে সি আৰু ধাৰলৈ দিয়া টকা সাধিবলৈ আহে! আন এজন ধকৱা আহিলত বুঢ়াই সুধিলে—"বৰুণৰ পানী সদায় নতুন নে সূৰ্যই বাৰে বাৰে একে পানীকে তুলি নিয়ে?" ধকৱাই ক'ব নোৱাৰে আৰু শুনিবও নোখোজে। বুঢ়াই ক'লে—"তেনেহ'লে এই টকা পাবৰ উপযুক্ত নহয়।" ধকৱাই ক'লে—"আচল দিব নোৱাৰিলে সুতখিনিকেই দিয়াইক।" বুঢ়াই মাত লগালে, "সুত! সি আকৌ কেনেকুৱা জন্তু? ভাল, ক'চোন সাগৰ সদায় সমানে

থাকে নে কেতিয়াবা ডাঙৰ হয় ?" থকৰাই উত্তৰ দিলে,—"বোধ কৰোঁ সদায় সমানে থাকে।" "ইমানবোৰ নদী গৈ পৰিলতো সাগৰ যদি ডাঙৰ নহ'ল, তোৰ টকানো ইমান বেছি হয় কেনেকৈ ?" এই বুলি বুঢ়াই থকৰাক উলিয়াই দিলে।

এদিনাখন বাপেক-পুতেকৰ তৰ্ক হ'ল। বাপেকে কয়, আগৰদিনীয়া কবিসকলৰ কবিতা ভাল। পুতেকে কয় নতুন কবিসকলৰ কবিতাহে ভাল। তৰ্কত তপত হৈ পুতেকে বাপেকক খুন্দা এটি মাৰিলে।

বাপেক—নিলাজ, সকতে তোক কিমান আদৰ-যত্ন কৰিছিলোঁ ; তাৰ ফল এইটো হে নে ?"

পুতেক—সকতে মোক কেতিয়াও মৰা নাছিল নে ?

বাপেক—মাৰিছিলোঁ, তোৰ ভালৰ বাবে।

পুতেক—তেনেহ'লে আপোনাৰ ভালৰ বাবে মই মাৰিব নোৱাৰিম কিয় ? নিজৰ কথাতেই প্ৰমাণ, মৰাটো হেনো ভালৰ বাবেহে ! ল'ৰাক মৰা ভাল যদি বুঢ়াক মৰা আৰু ভাল, কিয়নো বুঢ়া ল'ৰাতকৈ দুগুণ অবুজ।

বাঃ—কিন্তু ল'ৰাক মৰাটো শাস্ত্ৰ-সন্মত।

পুঃ—শাস্ত্ৰও মানুহেহে কৰিছে। ময়ে এখন নতুন শাস্ত্ৰ কৰিলোঁ বা ? গাহৰি, কুকুৰা আদিয়ে বাপেকক মাৰে। সিইঁতৰ আৰু আমাৰ ভেদ কি ? সিইঁতে জানিবা কাউন্সিলত প্ৰস্তাৱ দাঙি নধৰে, আমি ধৰোঁ, এই হে।

বুঢ়া—তই যদি কুকুৰাৰ দৰে হব গেৰেকনি নোখোচৰ কিয় ?

ল'ৰা—সেই যুক্তি ইয়াত নাখাটে। চক্ৰেটাইহে সেইটো নকয়।

বাঃ—এদিনাখন তোৰ ল'ৰায়ো তোক মাৰিব।

পুঃ—মোৰ ল'ৰা নহয় যদি ?

বাঃ—নহ'বও পাৰে। হাৰিলোঁ।

বুঢ়াই ভাবিলে, "অ' এইখনহে হ'ল। চক্ৰেটাইহে আমাক বঞ্চনাহে কৰিলে।" এইদৰে ভাবি বুঢ়াই বন্ধা চাকৰ সকলোকে মাতি লৈ, অনুসন্ধান সমিতি আক্ৰমণ কৰিবলৈ ওলাল। বন্ধাইঁতে জখলা লগাই চালত উঠি কুঠাৰেৰে চাল বৈয়াৰ ধৰিলে। বুঢ়াই ঘৰৰ ভিতৰত জুই লগাই দিলে। চেলা এজনে কুঠাৰৰ ঘা শুনি মাত লগালে, "কোনে কি কৰে অ' ?" "আমি মাৰলিৰে সৈতে যুক্তি কটাকটি কৰিছোঁ।" "সেইটো আৰু কোন ?" আন এজনে মাতিলে, "ঘাৰ জোতা, চোলা চুৰি কৰিছিলি।" "তোক কি লাগে ?"—চক্ৰেটাইহে সুধিলে। "মই বায়ু-মণ্ডলত বিচৰণ কৰোঁ, সূৰ্যমণ্ডলত বিহাৰ কৰোঁ।" বুঢ়াই ইতিকিং কৰিলে। চক্ৰেটাইহে চিঞৰিব ধৰিলে, "ধোঁৱাত উশাহ নাপাওঁ, মৰিলোঁ ঐ।" কেবেকনে চিঞৰিলে, "জীয়ন্তে মৰিলোঁ ঐ।" এনেতে তাৰৰ দেৱতা আবিৰ্ভাৱ হৈ বুঢ়াক উহটাই ক'লে, "নেৰিবি ভালকৈ এনেক নে, তোৰ

ইংৰাজক মাৰিবৰ যথেষ্ট কাৰণ আছে, কিন্তু সকলোতকৈ ডাঙৰ কাৰণ হৈছে—ইহঁত দেৱ-দেৱী নমনা পাষণ্ড।"

কোৱা আছে বঙ্গমঞ্চত যেতিয়া "ভাৰত" নাট অভিনীত হয়, জ্ঞানী চক্ৰেটীছে হেনো বংখৰৰ ওচৰত বহি নিৰ্বিকাৰ চিত্তে অভিনয় দেখিছিল।

নৰকাসুৰ

অপবিত্ৰ অৱস্থাত বৰাহৰূপী বিষ্ণুৰ ঔৰসত পৃথিৱী দেৱীৰ গৰ্ভ সঞ্চাৰ হয়। ব্ৰহ্মা আদি দেৱতাসকলে চিন্তা কৰি দেখিলে যে অশুচি অৱস্থাত গৰ্ভ সঞ্চাৰ হোৱাৰ কাৰণে পৃথিৱীৰ গৰ্ভত থকা সন্তান দেৱপুত্ৰ হ'লেও অসুৰ ভাবাপন্ন হ'ব। সি অতি পৰাক্ৰমী হ'ব। সেই ভয়তে দেৱতা-সকলে দৈৱ শক্তিৰ দ্বাৰা গৰ্ভ কঠিন কৰি প্ৰসৱ হ'ব নোৱৰা কৰি থলে। প্ৰসৱৰ সময় হ'লতো পৃথিৱীৰ গৰ্ভস্থ সন্তান ভূমিষ্ঠ নহয়। পৃথিৱী দেৱীৰ যন্ত্ৰণা উপস্থিত হ'ল। তেওঁ নিৰুপায় হৈ বৰাহবিষ্ণুক স্তৱ কৰিলত বিষ্ণুৱে বৰ দিলে যে পৃথিৱী কোনো প্ৰকাৰে গৰ্ভবেদনা অনুভৱ নকৰাকৈ থাকিব পাৰিব আৰু তেওঁৰ গৰ্ভস্থ সন্তান ত্ৰেতাযুগৰ মধ্যভাগত ৰামৰ দ্বাৰা ৰাৱণ বধৰ পিছতহে ভূমিষ্ঠ হ'ব। তেওঁ এইটোও ক'লে যে পুত্ৰ ওপজাৰ পিছত তেওঁক স্মৰণ কৰিলেই তেওঁ পুত্ৰ পালনৰ ব্যৱস্থা কৰিব।

এইদৰে বহুত দিন গ'ল। বিদেহ ৰাজ্যত জনক নামে এজন সৰ্বগুণসম্পন্ন ৰজা আছিল। তেওঁ অপুত্ৰক। অযোধ্যাৰ ৰজা দশৰথে যজ্ঞ কৰি পুত্ৰ লাভ কৰাৰ আৰ্হিৰে জনক ৰজায়ো পুত্ৰেষ্টি যাগ কৰিলে। যজ্ঞ-ভূমিতেই জনক ৰজাই দুটি ল'ৰা আৰু এজনী ছোৱালী পালে। যজ্ঞ ভূমিত হাল বাওঁতে পৃথিৱীৰ বুকুৰপৰা ছোৱালীজনী ওলাইছিল। এই ছোৱালীজনীয়েই সীতা।

তেতিয়া পৃথিৱী দেৱীয়ে জনক ৰজাক উদ্দেশ্য কৰি ক'লে—"এই ছোৱালীজনীৰ বাবে ৰাৱণ, কুম্ভকৰ্ণ আদি বীৰসকল মৰিব। তেতিয়া মোৰ গৰ্ভভাৰ নোহোৱা হ'ব আৰু আপোনাৰ যজ্ঞ-ভূমিতেই মোৰ পুত্ৰ সন্তান এটি প্ৰসৱ হ'ব। বাল্যকালত সেই ল'ৰাক আপুনি পালন কৰিব লাগিব। তাৰ ষোল্ল বছৰ পাৰ হ'লে মই নিজেই তাৰ প্ৰতিপালনৰ ভাৰ লম।"

ৰাৱণ বধৰ পিছত জনকৰ যজ্ঞ-ভূমিত গৈ পৃথিৱী দেৱীয়ে পুত্ৰ সন্তান প্ৰসৱ কৰিলে। পূৰ্বৰ বন্দোবস্ত অনুসাৰে পৃথিৱী দেৱীয়ে জনক ৰজাক সম্বাদ দিলে। আনকালে আগৰ কথামতে বৰাহবিষ্ণুক স্মৰণ কৰিলে। বিষ্ণুৱে বৰ দিলে—"ইয়াৰ ষোল্ল বছৰ হ'লে, ই ৰাজ্য-ভাৰ পাব।"

যজ্ঞ-ভূমিলৈ গৈ জনক ৰজাই দেখিলে নৱজাত শিশুৱে মৰা মানুহৰ (নৰ) ৰ লাওখোলা (ক) এটাত মূৰটো থৈ কান্দি আছে। সেই কাৰণে গণনাৰ সময়ত গৌতম ঋষিয়ে নাম থ'লে নৰক (নৰ—ক)।

জনকে ল'ৰাটো লৈ গৈ প্ৰধান মহিষী সুমতি দেৱীক সোধাই দি ক'লে—"এই ল'ৰাটো যজ্ঞ-ভূমিত পাইছোঁ। ইয়াক নিজৰ ল'ৰাৰ দৰে পালন কৰিবা।" ইকালে স্বয়ং পৃথিৱী দেৱীও মানুষী মূৰ্তি ধাৰণ কৰি জনক ৰজাৰ অন্তঃপুৰত সোমাল আৰু কাত্যায়নী নাম লৈ ধাত্ৰীৰূপে নৰকৰ আলপৈচান কৰিলে। পৃথিৱী দেৱীৰ সৰ্বদায় চকু যেন নৰকে আসুৰিক ভাব এৰি মানুহৰ ভাব গ্ৰহণ কৰে। এইদৰে ষোল্ল বছৰ পাৰ হ'বলগীয়া হ'ল।

নৰক সকলো বিদ্যাতে পাৰ্গত হৈ উঠিল। পৰাক্ৰম, বীৰত্ব আদি গুণত জনকৰ ল'ৰাইতকৈ বহুত শ্ৰেষ্ঠ। নৰক ডাঙৰ হ'লত জনকৰ মনত আশঙ্কা হ'ব ধৰিলে যে সি ভৱিষ্যতে তেওঁৰ নিজৰ ল'ৰাইতৰপৰা ৰাজ্য কাঢ়ি ল'ব। নৰকক দেখিলে জনকৰ মুখ মলিন হ'ব ধৰিলে। এদিন মহিষী সুমতিয়ে গোপনে জনকক সুধিলে—"ল'ৰাবোৰে বং-ধেমালি কৰোঁতে নৰকক দেখিলে আপোনাৰ মন মলিন হয় কিয়? সি ৰূপবান, বীৰ্যবান, নয়-বিনয় আদিত শিক্ষিত, নানা গুণত বিভূষিত, তাক দেখিলেই আপুনি বিমুখ হয় কিয়?" ৰজাই এই প্ৰশ্নৰ কোনো মুকলি উত্তৰ নিদিলে। কেৱল ক'লে—"ৰাণী, তুমি আৰু তিনি মাহকাল অপেক্ষা কৰা, তেতিয়া তোমাক সকলো কথা ভাঙি ক'ম।"

ৰজা আৰু মহিষী সুমতিৰ এই গোপন আলোচনা ধাত্ৰীৰূপী পৃথিৱীয়ে শুনি আছিল। তেওঁ ভাবিলে—আৰু তিনিমাহ পাৰ হ'লে নৰকৰ ষোল্ল বছৰ পুৰ হ'ব তেতিয়া ৰজাই মোৰ সকলো গুপ্ত ৰহস্য খুলি ক'ব। এইদৰে নিজৰ পুত্ৰৰ প্ৰতি সকলো কৰ্তব্য ঠিক কৰি তিনি মাহৰ অন্তত ৰজা আৰু পুৰোহিত গৌতমক ক'লে—"আপুনি অঙ্গীকাৰ অনুসাৰে সকলো কৰ্তব্য পালন কৰিছে। নৰকক শিক্ষা-দীক্ষা দি আজি ষোল্ল বছৰে পোহপাল দি ডাঙৰ-দীঘল কৰিছে। এতিয়া তাক লৈ যাবলৈ মোক অনুমতি দিয়ক।"

পৃথিৱীয়ে গোপনে নৰকক লগ ধৰি ক'লে—"মোক গঙ্গাযাত্ৰা কৰাবলৈ বথেৰে লৈ ব'লা।" নৰকে উত্তৰ দিলে—"পিতা জনকৰ আদেশ নহ'লে তোমাৰ লগত যাব নোৱাৰোঁ।" পৃথিৱীয়ে উত্তৰ দিলে—"জনক তোমাৰ পিতা নহয়। মোৰ লগত গঙ্গালৈ গ'লে তোমাৰ পিতাৰাক দেখিবা। জনক তোমাৰ পালক, তেওঁ তোমাক ৰাজ্য নিদিয়ে। তোমাৰ জন্মৰ সকলো ৰহস্য কথা গঙ্গাৰ পাৰত ভাঙি ক'ম।"

ধাত্ৰীৰ কথাত সন্মত কৰি নৰকে তেওঁৰ লগত গঙ্গালৈ গ'ল। তাত পৃথিৱী দেৱীয়ে সকলো কথা খুলি ক'লে। পৃথিৱীয়ে স্মৰণ কৰা মাত্ৰকতে গৰুড়ধ্বজ বিষ্ণু আহি উপস্থিত হ'ল আৰু পৃথিৱী আৰু নৰকক লগত লৈ গঙ্গাত ডুব দিলে আৰু খন্তেকতে প্ৰাগজ্যোতিষপুৰ পালেহি। প্ৰাগ্-জ্যোতিষ কামৰূপৰ মাজতোখৰত, য'ত কামাখ্যা দেৱী নায়িকা। সেই দেশ শিৱে আগৰপৰাই ৰবাজ (নিজৰ লীলা-ভূমি) হিচাপে ৰাখিছে।

কামৰূপত তেতিয়া কিৰাত জাতিৰ মানুহ আছিল। সিঁহতৰ গাৰ বং হালধীয়া, মূৰ খুৰোৱা।

সিহঁত মদ-মাংসত আসক্ত। সিহঁতৰ অধিপতি ঘটক। নৰক আৰু কিৰাতসকলৰ ঘোৰ যুদ্ধ লাগিল। কিৰাতাধিপতি ঘটক যুদ্ধত পৰিল আৰু তেওঁৰ বগা হাতীটো নৰকে নিজৰ বাহন কৰিলে। কিৰাতসকলক দিকৰ বাসিনীলৈ খেদি পঠিয়ালে। খেদা খাই কেতবোৰে সাগৰৰ পাৰত আশ্ৰয় ল'লে।

তেতিয়া ভগৱান বিষ্ণুৱে নৰকৰ ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণ কৰি দিলে—"কৰতোয়া সদা-গঙ্গাৰ পূৰ্বভাগৰপৰা ললিত-কান্তা পৰ্যন্ত তোমাৰ ৰাজ্য। ইয়াতে মহামায়াই কামাখ্যাৰূপে যোগ নিদ্ৰাত আছে।"

শিৱৰ অনুমতি অনুসাৰে বিষ্ণুৱে পূবে ললিত-কান্তাক সীমা কৰি পূৰ্ব সাগৰৰ পাৰে পাৰে কিৰাতসকলক বহুৱালে। পিছত ললিত-কান্তাক সীমা কৰি কৰতোয়া নদীলৈকে এই ভোখৰ ঠাইৰপৰা কিৰাতসকলক আঁতৰাই দ্বিজাতিসকলক স্থাপনা কৰিলে। তাৰ অলপ পিছতেই দেশৰ নাম হ'ল কামৰূপ।

তাৰ পিছত বিষ্ণুৱে বিদৰ্ভ ৰাজকন্যা মায়াক নৰকলৈ বিয়া কৰালে। আৰু নানান ধনৰত্ন সংগ্ৰহ কৰি দেশত গড় আদি বন্ধাই পুত্ৰ নৰকক সতৰ্কবাণী কৈ বিষ্ণুৱে বিদায় ল'লে। নৰকে যেন দেৱ, মুনি, বামুণ আদিৰ লগত বিৰোধ নকৰে। বিশেষতঃ মহাদেৱী কামাখ্যাত বাজে আন দেৱতাক যেন নৰকে নভজে; ইয়াৰ অন্যথা হ'লে নৰকৰ প্ৰাণ যাব।

নৰকৰ ৰাজ্যত বিশেষ শ্ৰীবৃদ্ধি হ'ল। বিদেহৰ ৰজা জনকেও নৰকৰ উন্নতিৰ কথা শুনি পুত্ৰ, ভাৰ্যা, অনুচৰসকলেক লগত লৈ কামৰূপৰ অন্তৰ্গত প্ৰাগজ্যোতিষপুৰলৈ আহিল। নৰকৰ পুৰী তেওঁৰ মনত অমৰাৱতী যেন লাগিল। ৰাণী সুমতিক নৰকৰ পৰিচয় দি ক'লে— "এই তোমাৰ পালিত পুত্ৰ নৰক; বৰাহৰূপী বিষ্ণুৰপৰা পৃথিৱীৰ গৰ্ভত জন্ম লৈছে।" কিছু দিন থাকি জনক অনুচৰসকলেৰে বিদেহলৈ উভতি গ'ল। নৰকেও আসুৰিক স্বভাৱ নোহোৱাকৈ ৰাজ্য পালন কৰিব ধৰিলে।

সেই সময়ত শোণিতপুৰ নগৰত বলিপুত্ৰ বাণ নামে এজন অসুৰ ৰজা আছিল। তেওঁ শিৱ-ভক্ত। মহাদেৱক পূজাত সন্তুষ্ট কৰি আসুৰিক মতেৰে নিৰ্ভয়ে চলন-ফুৰণ কৰে। নৰকৰ লগত ওচৰ-চুবুৰীয়া বাণৰ মহা মিত্ৰতা ঘটিল। দুয়োৰো দুই-ৰতাহৰ নিচিনা সম্বন্ধ। বাণৰ সংস্পৰ্শত নৰকেও আসুৰিক স্বভাৱ অৱলম্বন কৰিলে। আগৰ দৰে বামুণক মান নকৰে; দান, যজ্ঞত প্ৰীতি নাই, বিষ্ণু বা পৃথিৱীক পূজা নকৰে। কামাখ্যাৰ প্ৰতিও ভক্তি বিমুখ হ'ল।

এনে সময়তে এদিনাখন ব্ৰহ্মাৰ পুত্ৰ বশিষ্ঠ মুনিয়ে কামাখ্যা দৰ্শন কৰিবলৈ প্ৰাগ্‌জ্যোতিষ-পুৰলৈ আহে।

নৰকে মুনিক কামাখ্যাৰ দুৰ্গৰ ভিতৰলৈ সোমাব নিদিলে। বশিষ্ঠই প্ৰতিবাদ কৰি ক'লে— তুমি পৃথিৱী আৰু বৰাহবিষ্ণুৰ পুত্ৰ, এইটো তোমাৰ কুলোচিত কাম নে যে মই আমানক তুমি

কামাখ্যা দেৱীক পূজা কৰিব নিদিয়া?" নৰকে চেতিয়া কৰ্কশ ব্যৱহাৰে মুনিক খেদি, বাহিৰ উলিয়াই দিলে। মুনিয়ে কুপিত হৈ শাও দিলে—"তই যাৰ ল'ৰা সেয়ে মানুহৰূপ ধাৰণ কৰি অবিলম্বে তোক বধ কৰিব। তই যিমান দিন বাচি থাকিবি, কামাখ্যাদেৱীয়ে সিমান দিন অন্তৰ্ধান হৈ থাকিব। তই মৰাৰ পিছতহে কামাখ্যা দেৱীক পূজা কৰিম।"

মুনিৰ শাও অনুসাৰে কামাখ্যা অন্তৰ্হিত হ'ল। নীলকূট পৰ্বত শূন্য। নৰকৰ মনত আতঙ্ক হ'ল। মাক পৃথিৱী আৰু পিতাক বিষ্ণুক স্মৰণ কৰিলে। তেওঁলোকৰ শাসন ভঙ্গ কৰি অনীতি আচৰণ কৰিছে বুলি মাক-বাপেকে দেখা নিদিলে। ইফালে ৰাজ্যও শ্ৰীহীন হৈ যাব ধৰিলে। নিৰুপায় হৈ নৰকে মিত্ৰ বাণৰ কথা ভাবিলে আৰু তেওঁৰ ওচৰলৈ দূত পঠিয়ালে। মিত্ৰৰ ঘোৰ বিপদৰ সূচনা বুজি বাণে স্বয়ং নৰকৰ ৰাজ্যলৈ গ'ল।

বাণে প্ৰতিকাৰ কৰিবৰ যুক্তি দেখুৱাই ক'লে যে ইন্দ্ৰ দেৱতা অতি হিংসাকুৰীয়া। তেওঁ মানুহেই হওক বা দৈত্য, দানৱ, ৰাক্ষস, কিন্নৰেই হওক কাৰো শ্ৰী সহ্য কৰিব নোৱাৰে। দেৱতাসকলৰ লগত লৈ কূটনীতিৰে সিহঁতৰ শ্ৰী হানি কৰিবই। সেই ইন্দ্ৰৰ ইষ্টতম দেৱতা হৈছে বিষ্ণু। বিষ্ণুৱে ইন্দ্ৰৰ অনিষ্ট হ'ব নিদিয়ে। যি কোনোৱে ইন্দ্ৰৰ অনিষ্ট কামনা কৰি বিষ্ণুক আৰাধনা কৰে, বিষ্ণুৱে ছিদ্ৰ থকা বৰ দি সেই উপাসকক প্ৰবঞ্চনা কৰে। বহুত কায়ক্লেশ কৰিলেহে বিষ্ণু প্ৰসন্ন হয় আৰু বহুত পলমেহে ইষ্ট কামনা পূৰণ কৰে। ইষ্ট দেৱতাক পূজা নকৰিলে কোনোৱে অতুল বিভূতি নেপায়। তুমি আগতেই ব্ৰহ্মা বা বিষ্ণুক আৰাধনা কৰা নাই, সেই কাৰণে তোমাৰ ৰাজ্যত অমঙ্গলে দেখা দিছে। যদিওবা বিষ্ণু তোমাৰ পালক, তেওঁৰ স্বভাৱত কাৰো প্ৰতি দয়া মায়া নাই। কিন্তু পৃথিৱীৰ বচন অনুসাৰে প্ৰতিক্ষণেই তুমি বিষ্ণুক আৰাধনা কৰিছা, ফলত তেওঁ ছিদ্ৰ থকা বৰ দিলে দ্বিজাতিৰ অপৰাধ নকৰিবা। ইয়াৰ অন্যথা হ'লে শ্ৰী হানি হয়। তুমি বশিষ্ঠৰ ওপৰত কোনো দায়-দোষ নিদিবা। সেই কাৰণে স্মৰণ কৰিলেও পৃথিৱী আৰু বিষ্ণু কোনোৱে দেখা নিদিলে।

ইয়াৰপৰাই হৰিৰ সেৱকৰ প্ৰতি কৌটিল্য বুজি ল'বা। তুমি মনত উদাস ভাব ল'ব নেলাগে। তোমাৰ মনত প্ৰত্যয় আছে বিষ্ণু তোমাৰ পিতা, কিন্তু বৰাহহে তোমাৰ পিতা আৰু তেওঁৰো লোকান্তৰ ঘটিছে। তুমি যে শুনিছা বৰাহো বিষ্ণুৰ অংশ—"তেওঁৰ অংশ" এই বুলি কোনে কাক দয়া কৰে কোৱাচোন? সেই কাৰণে তুমি শিৱ বা ব্ৰহ্মাৰ অৰ্চনা কৰা। তেওঁলোকৰ এজন প্ৰসন্ন হ'লে তোমাৰ সকলো বিঘ্ন আঁতৰিব।

বাণৰ কথাত নৰকৰ প্ৰত্যয় জন্মিল। আৰু তপস্যা কৰিবলৈ মান্তি হ'ল। নৰকে ক'লে—"বিষ্ণু আৰাধনীয় নহয় তাৰ কাৰণ তুমিয়েই কৈছা। শিৱো আৰাধনীয় নহয় কিয়নো তেওঁ গুপ্ত-ভাৱে মোৰ পুৰীতেই আছে। সেই কাৰণে ব্ৰহ্মাক আৰাধনা কৰিম।"

ব্ৰহ্মপুত্ৰৰ পাৰত কঠোৰ তপস্যা কৰি ব্ৰহ্মাৰপৰা পাঁচোটা বৰ ল'লে—(১) দেৱ, অসুৰ, ৰাক্ষস

আৰু দেৱযোনিত ওপজা প্ৰাণীৰ তেওঁ অবধ্য, (২) চন্দ্ৰ, সূৰ্য থাকে মানে বংশ হেৰ নহ'ব; (৩) তিলোত্তমা আদি দেৱাঙ্গনা (১৬ হেজাৰ) তেওঁৰ প্ৰণয়িনী হ'ব; (৪) তেওঁ অজেয় হ'ব; (৫) সৰ্বদাই শ্ৰীসম্পন্ন হ'ব। বৰ লওঁতে বশিষ্ঠৰ শাপ খণ্ডনৰ উপায় বিচাৰিবলৈ পাহৰিলে।

বৰ পালত নৰকৰ পূৰ্বৰ তেজ ফিৰি আহিল। বাণৰ কথামতে হয়গ্ৰীৱ, মুৰ, সুন্দ, নিসুন্দ আদি অসুৰ সৈনিকসকলক ডাঙৰ ডাঙৰ বাব দিলে। বাণৰ কথামতেই দেৱ আৰু মুনিসকলৰ ওপৰত পূৰ্ণমাত্ৰাই নিৰ্যাতন আৰম্ভ হ'ল।

এইদৰে পৃথিৱীত আসুৰিক ভাবৰ সোঁত বোৱালে। আগেয়ে তেওঁ ধৰ্মাত্মা আছিল, ব্ৰত কৰিছিল, দেৱ পূজা কৰিছিল—এতিয়া আসুৰিক ভাবেৰে সকলোকে উৎপীড়ন কৰিব ধৰিলে। নৰকৰ উৎপীড়নৰ মাত্ৰা দিনক দিনে বাঢ়ি উঠিল। তেতিয়া নিজৰ পিতাক বিষ্ণুৰ মানুষৰূপী অৱতাৰ শ্ৰীকৃষ্ণই তেওঁক বধ কৰিলে।

যুদ্ধৰ সময়ত নৰকে দেখিলে যে স্বয়ং কালিকা-কামাখ্যা দেৱীও কৃষ্ণৰ ওচৰত অস্ত্ৰ ধাৰণ কৰি নৰকৰ বিৰুদ্ধে থিয় হৈছে।

নতুন অসমীয়া সাহিত্য

বেজবৰুৱা

পণ্ডিতসকলে কোৱামতে আমাৰ পৃথিৱীৰ চাৰিওফালে চাৰি-পাঁচ মাইল ব্যাপী বায়ুমণ্ডল এটি আছে। এই বায়ুমণ্ডলতেই সকলো প্ৰাণী বৰ্তি আছে। আৰু এই বায়ুমণ্ডলতেই সকলো প্ৰাণীকেই এডালি প্ৰাণসূতাৰে গাঁথি লৈ প্ৰাণৰ অখণ্ড সত্তাৰ উপলব্ধি কৰাত আমাক সহায় কৰিছে। সেইদৰে প্ৰত্যেক জীৱন্ত জাতি আৰু সমাজৰো সঙ্ঘবদ্ধ জীৱনৰ চাৰিওফালে ভাৱমণ্ডল এটি থাকে আৰু এই ভাৱমণ্ডলৰ পৰিসৰেই সেই জাতি বা সমাজৰ মানসিক উন্নতিৰ ওখ-চাপৰ অৱস্থা নিৰ্দেশ কৰিছে। এই ভাৱমণ্ডলেই প্ৰত্যেক ব্যক্তিকেই সমাজ বা জাতিৰ লগত একাত্মবোধ বা একত্ব অনুভূতিত সুবিধা আৰু প্ৰেৰণা দিয়ে। এই ভাৱমণ্ডলৰ পৰিধি যিমানেই বহল, ই যি পৰিমাণে বহু ৰাগ-ৰঞ্জিত হৈ পৰে, সেই পৰিমাণে ই জাতীয় জীৱনৰ বহুধা-বিভক্ত বিকাশৰ সাক্ষীস্বৰূপ হৈ পৰে। বেলি মাৰ যায়, কিন্তু গ্ৰহ-উপগ্ৰহই তাৰ প্ৰতিবিম্বৰেই বাটকৰাক পথ দেখুৱায়। কোনোবা জাতি পৃথিৱীত নাইকিয়া হয়, কিন্তু তাৰ মানসিক বিকাশৰ জেউতি বা প্ৰতিবিম্বই পুৰুষানুক্ৰমে মানৱ সমাজক পোহৰ দি থাকে।

জাতীয় সাহিত্য এই ভাৱমণ্ডলৰ প্ৰত্যক্ষ স্বৰূপ, জাতীয় সাহিত্যই যি পৰিমাণে বিকাশ লাভ কৰে, সেই পৰিমাণে আমি ব্যক্তি হিচাপে আৰু সমাজ বা জাতি হিচাপে জীৱনৰ গুৰুত্ব অনুভৱ কৰোঁ, সেই পৰিমাণে সঙ্ঘবদ্ধ জীৱনৰ সোৱাদ পাওঁ, সেই পৰিমাণে উমৈহতীয়া ভাৱৰাশিত বৰ্তি থকা বুলি সাধাৰণ উদ্দেশ্য আৰু সাধাৰণ প্ৰেৰণাৰদ্বাৰা অনুপ্ৰাণিত হওঁ; জাতীয় জীৱন বিকাশত যিসকলে সহায় কৰি আহিছে, সেইসকলক বেলেগ বেলেগ যুগৰ আদৰ্শ অনুসাৰে ঋষি, কবি, দাৰ্শনিক, সাহিত্যিক আদি বিশেষণেৰে বিভূষিত কৰি লোকসমাজে চিৰকলীয়া শ্ৰদ্ধা দেখুৱাই আহিছে।

পাতিৰ খোজা এই পৰিষদৰ উদ্দেশ্য আজীৱন সাহিত্য সেৱাৰ ভিতৰেদি আমাৰ জাতীয় জীৱনৰ পৰিসৰ বঢ়োৱাত সহায় কৰা ভাৱত এজনৰ প্ৰতি যি গাইগোটা আবদ্ধ আছিল, সেইটো সত্ত্ব এখনৰ ভিতৰেদি প্ৰকাশ কৰাটো। শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই পোৱা শতাব্দতকৈ বহুত বেছি কাল নিঃস্বাৰ্থভাৱে অসমীয়া সাহিত্য সেৱাত লাগি আছে। অসমৰ বুঢ়া, ডেকা, ল'ৰা— সকলোকে তেওঁ হঁহুৱাইছে, সকলোকে আনন্দ দিছে। কৰ্মপীড়িত জীৱনত অন্ততঃ এবাৰ অকপট হাঁহি এটিৰ সুবিধা দিয়াৰ কাৰণেও সকলোৱে তেওঁৰ ওচৰত ধৰুৱা। তেওঁৰ সাহিত্যৰ বেলেগ বেলেগ লক্ষণ আৰু গুণাগুণ বিবেচনা এই পৰিষদে আগলৈ কৰিব, এই আৰম্ভণি ৰচনাত তেওঁৰ

সাহিত্যৰ মোটামুটি লক্ষণ আৰু বৰ্ত্তমান অসমীয়া ভাষা আৰু সাহিত্যত তেওঁৰ কি ঠাই আৰু জাতীয় ভাবমণ্ডলত তেওঁৰ কি দান সেইটো অতি চমুকৈ উল্লেকিওৱা হ'ব।

কলিকতাৰপৰা ওলোৱা পত্ৰিকাৰ শেষ ভাগত "জোনাকী" কাকত উলিয়াই যিসকলে অসমীয়া জাতীয় চৈতন্য উদ্বোধনৰ চেষ্টা কৰিছিল, সেইসকলৰ ভিতৰত বেজবৰুৱা ডাঙৰীয়াও এজন। তেওঁৰ সহকৰ্মীসকলেও "জোনাকী"ৰ আৱৰ্ত্তণি-প্ৰভাৱৰ উদ্দীপনা লৈ নিজ দেশলৈ উভতি আহি নিজ নিজ শক্তি আৰু অৱসৰ অনুসাৰে অসমীয়া সাহিত্যৰ পুষ্টিসাধন কৰিবৰ চেষ্টা কৰিছিল। কিন্তু "জোনাকী"ৰ অন্তৰ্নিহিত আদৰ্শ বেজবৰুৱা সাহিত্যত বাজে আন কাৰো সাহিত্যত ফটফটীয়াকৈ ফুটি ওলাব পৰা নাই। সেই আদৰ্শৰ পোহৰে তেওঁৰ জীৱনটো প্ৰভাৱান্বিত কৰিছিল আৰু তেওঁৰ সকলো ৰচনাতেই সেই প্ৰভাৱেই প্ৰতিবিম্ব পৰিছে আৰু এতিয়ালৈকেও সেই মাৰ নোযোৱা প্ৰভাৱেই বিকাশ দেখি আছোঁ।

বেজবৰুৱা ডাঙৰীয়া ওৰে জীৱন বিদেশত আছে। বৈবাহিক সূত্ৰেও তেওঁ বিদেশীৰ লগতে সংশ্লিষ্ট। ছাত্ৰাৱস্থাৰ সামৰণি পৰাৰপৰাই তেওঁ ঘৰে-বাহিৰে বিদেশীৰ ভাব আৰু বিদেশীৰ চলন-ফুৰণৰ মাজেদিয়েই ডাঙৰ-দীঘল হয়। সাধাৰণ হিচাপে ইমান দিনে তেওঁৰ টিকনিকেই আমি দেখিবলৈ পাব নেলাগিছিল। অসমত থাকিও কিমানেই বংশাৱলী আঁকি বিদেশৰপৰা অহা বুলি কৈ গৌৰৱ অনুভৱ কৰা দেখিছোঁ, কিন্তু বেজবৰুৱা ডাঙৰীয়া সকলো বিদেশী প্ৰভাৱৰ বিৰুদ্ধেই চিৰবিদ্ৰোহী। কবিয়ে ক'বৰ নিচিনা—My heart is in the High land wherever I go—বেজবৰুৱা ডাঙৰীয়া য'তে থাকক তেওঁৰ হিয়া পৰি আছে অসমৰ হাবি-বননিৰ মাজত, তেওঁ বঙালীৰ সন্দেশ মিঠাই খাই থাকিলেও তেওঁৰ জিভাৰ পানী পৰে এতিয়াও অসমীয়া কাহঁদী খাৰলিৰ সৌৰৱণীত। খোৱা-শোৱাৰপৰা আৰম্ভ কৰি বাহিৰৰ চলন-ফুৰণলৈকে চকুৰ আগত যিমানেই বিদেশী ভাব দেখিছে, সিমানেই তেওঁৰ অন্তৰাত্মাই নিজৰ দেশ, নিজৰ সমাজৰ প্ৰতি প্ৰবল খাউতি দেখুৱাইছে। কাপোৰৰ সিচান বিমান বেগেৰেই আগলৈ নিয়া, ইয়াৰ আগভুখৰি সদায় পাছ মুখেহে ধৰকবায়। কলিকতাৰপৰা আঁতৰাই নি লখনপুৰৰ হাবিত বেজবৰুৱাক মেলি দিয়া, তেওঁৰ মনটো কুৰুকি কুৰুকি ওচৰ চাপি আকৌ অসমৰ ফালেহে চাল খাব।

এই সুগভীৰ স্বদেশানুৰাগ, স্বদেশ-প্ৰীতি বেজবৰুৱা সাহিত্যৰ প্ৰত্যেকটো শব্দৰ ভিতৰেদি প্ৰকাশ পাইছে। তেওঁৰ সকলো ৰচনাৱলী এই স্বদেশানুৰাগৰ বোলেৰে বোলোৱা। তেওঁ হাঁহি-ধেমেলীয়া ৰচনাৰপৰা আৰম্ভ কৰি শেহৰ ভোখৰৰ আধ্যাত্মিক ৰচনাৱলীলৈকে সকলোৰে ঐক্য-সূত্ৰ এই স্বদেশানুৰাগ, এই স্বদেশপ্ৰীতিয়েই। তেওঁৰ ভাব-ভাষা সকলো এই অনুৰাগেৰেই অনুৰঞ্জিত। স্বদেশপ্ৰীতিয়েই বেজবৰুৱা সাহিত্যৰ মূলমন্ত্ৰ। জাতীয় ভাবমণ্ডল সৃষ্টি কৰাত বেজবৰুৱাৰ শ্ৰেষ্ঠ দান, স্বদেশ-হিতৈষিতা আৰু স্বজনৰ গৰিমা শৰীৰৰ প্ৰত্যেক টোপা তেজৰ সঞ্চাৰৰ লগতেই অনুভৱ কৰা। "বুঢ়ী-আইৰ সাধু", "ককা দেউতা আৰু নাতি লৰা"ৰপৰা আৰম্ভ কৰি "সতী জয়মতী",

"পছুম কুঁৱৰী" আদি বুৰঞ্জীমূলক স্বদেশমাহাত্ম্যমূলক ঘটনাৱলীলৈ, মহাপুৰুষ শঙ্কৰ-মাধৱদেৱ আদিৰ চৰিতলৈকে বেজবৰুৱা সাহিত্যৰ প্ৰত্যেকটো বিষয়েই স্বদেশপ্ৰীতিৰ ৰসেৰে অভিষিক্ত। সকৰেপৰা যেনেকৈ বিদেশত আছে আৰু বিদেশীৰ সমাজত চলন-ফুৰণ কৰিছে, ইচ্ছা কৰিলে তেওঁৰ দৰে সুশিক্ষিত আৰু প্ৰতিভাশালী লিখকজনে বং-বেৰঙৰ চিত্ৰ থকা বিদেশী প্ৰণয়-কাহিনী আৰু লোম শিয়ঁৰি উঠা ঘটনাৱলীৰ সমাবেশ থকা চুটি গল্প আৰু উপন্যাস লিখি অসমীয়া পঢ়ুৱৈ সমাজক নচুৱাব পাৰিলেহেঁতেন। কিন্তু বেজবৰুৱাৰ লিখনীৰপৰা ফুটি ওলায়, 'ভদ্ৰকধৰৰ প্ৰেমালাপ', 'জগৰা মণ্ডলৰ প্ৰেমাভিনয়' আৰু 'ভেমপুৰীয়া মৌজাদাৰৰ কীৰ্ত্তি'। অসমীয়া জীৱনৰ বাস্তবিক আৰু সম্ভাব্য সকলো চিত্ৰই তেওঁৰ লিখনীত মূৰ্ত্তিমন্ত হৈ উঠিছে।

কবিয়ে গাইছে—"অতিস্নেহঃ পাপাশঙ্কী"—যাৰ প্ৰতি অতিশয় মৰম, তাৰ গাত পাতল আঁচোৰ এটি লাগিলেও প্ৰেমিকৰ মনত সিয়েই ডাঙৰ ঘা যেন লাগে। স্বদেশ অসমৰ প্ৰতি বেজবৰুৱাৰ ইমান গভীৰ স্নেহ বা ভক্তি যে অসমৰ গৌৰৱত কেনেবাকৈ বিদেশীয়ে ভুলে চুৰেও হাত দিলে তেওঁ অসমীয়া কানিয়াৰ 'বিয়াগোম পখী'ৰ সাধু এৰি ঢাল-তৰোৱাল লৈ ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰে।

বৰ্ত্তমান কুৰি শতিকাৰ আৰম্ভণি ভোখৰত অসমত থকা প্ৰবাসী কেতবোৰ বিদেশী মানুহ কিছুমান হাতত লৈ অসমীয়া ভাষা আৰু সমাজক বঙালী ভাষা আৰু সমাজৰ প্ৰাদেশিক বিকৃত ভাঙৰণ বুলি ঘোষণা কৰি অসম-বিজয় পতাকা উৰুৱাবলৈ চেষ্টা কৰে। এই জয় ডঙ্কাৰ প্ৰথম কুকলি উঠে ১৯০৭ চনৰ গৌৰীপুৰত বহা বঙ্গীয় সাহিত্য পৰিষদত। সভাপতি আছিল কটন কলেজৰ ভূতপূৰ্ব অধ্যাপক (এতিয়া মহামহোপাধ্যায়) শ্ৰীযুত পদ্মনাথ বিদ্যাবিনোদ। "বাঁহী" নতুনকৈ ওলাইছে। আমি তেতিয়া ইংৰাজী স্কুলৰ তলৰ শ্ৰেণীত পঢ়ো। তৰ্ক-যুক্তি বেছিকৈ বুজিব নোৱাৰো। কিন্তু "অসমীয়া গৌৰীপুৰত বঙালী পৰিষদ" বুলি বেজবৰুৱাৰপৰা ধাৰাবাহিক যি তিতা-মিঠা ৰস মিহলোৱা প্ৰবন্ধ কেতবোৰ ওলাইছিল, তাৰ ভিতৰত বেজবৰুৱাৰ অফুৰন্ত হাস্যৰসৰ কথাবোৰে আমাক বৰকৈ আমোদ দিছিল। আৰু হাস্যৰসৰ ধুমুহাকেই আমি যুক্তি-তৰ্কতকৈও বেছি প্ৰবল যেন পাইছিলো। তাৰ ভিতৰত সভাপতিক লক্ষ্য কৰি কোৱা "বিদ্যাবিনোদ ভায়া" আদি কেতবোৰ কথা কলেজত পঢ়োতেও অধ্যাপক বিদ্যাবিনোদক দেখিলে মনত পৰিছিল। সেই যে বিদেশী প্ৰভাৱৰ বিৰুদ্ধে আত্মমৰ্যাদা জাগি উঠিল, তাৰ কোবত প্ৰবাসীয়ে আৰু বেছি দিনলৈ মূৰ দাঙিব নোৱাৰিলে। তাৰ পিছত কামাখ্যা পৰ্বতত আৰু এবাৰ—বঙ্গীয় সাহিত্য পৰিষদ বহিছিল। তাৰ পিছতে আৰু অসমৰপৰা ইয়াৰ তিৰোধান। অলপ দিনৰ আগতেই ধুবুৰীত যি অসমীয়া সাহিত্য সভা বহিছিল, তাত বেজবৰুৱা স্বয়ং উপস্থিত আছিল আৰু তেওঁ যিখন ৰচনা পঢ়িছিল তাত আগৰ আত্মমৰ্যাদাৰ ওপৰত অসহিষ্ণু ভাব ফিৰিঙতিৰ দৰে ছিটিকি পৰিছিল। গোৱালপাৰাৰপৰা "আৱাহন" পত্ৰিকা ওলোৱাৰ লগে লগে প্ৰবাসীৰ ভাষাৰ কাষৰপৰা

অসম বিজয় চেষ্টাৰ ওৰ পৰিল বুলিব লাগে আৰু বেজবৰুৱাৰ ইমান কালব্যাপী চেষ্টা ফলৱতী হ'ল।

ভাষাৰ ফালৰপৰা নোৱাৰি প্ৰবাসীয়ে নতুন ছিদ্ৰ বিচাৰিব ধৰিলে আৰু আগেয়ে যি কন্দল নামনি অসমত আৰম্ভ আছিল তাৰ গুটি অসমৰ ইমূৰৰপৰা সিমূৰলৈ ছটিয়াই দিলে। ইবাৰৰ ঘোষণা হ'ল—অসমৰ বৈষ্ণৱ ধৰ্ম বঙ্গদেশী চৈতন্যদেৱৰ বৈষ্ণৱ মতৰেই এটা নিজ ভাবৰ উদ্গীৰণ। শঙ্কৰদেৱ চৈতন্যদেৱৰ শিষ্য, নহ'লেও অদ্বৈতচাৰ্যৰ শিষ্য হ'বই লাগিব, যদিও বা শঙ্কৰদেৱ নহয়, দামোদৰদেৱ চৈতন্যদেৱৰ শিষ্য হ'বই লাগিব আৰু বঙ্গদেশীয় পূজা-পাতলো তেওঁৰ অভিপ্ৰেত হ'বই লাগিব। বিদেশী-সমাজনীতি, বিদেশী-সাধনাৰ প্ৰতি অসমীয়াৰ যি বিৰাগ, মোৱামৰীয়াসকলে গাৰ তেজেৰে বুৰঞ্জীত লিখি গৈছে। বেজবৰুৱা আকৌ ৰণক্ষেত্ৰত, আকৌ অসমীয়া ৰীতি-নীতিৰ বিশুদ্ধতা প্ৰতিপন্ন কৰিবলৈ লাগি গ'ল। আমাৰ জাতীয় সাধনা, নীতি যে লোকৰ এধা-পৰা ভাবৰ উদ্গীৰণ নহয়, আমাৰ জাতীয় চৰিত্ৰৰ লগত খাপ খোৱা আৰু লোকৰ সামাজিক নীতিতকৈ যে আমাৰ সামাজিক নীতি উন্নত নহ'লেও হীন নহয়, এইবোৰ নানান যুক্তি, নানান তৰ্ক, নানান শাস্ত্ৰৰ আলোচনাৰে তেওঁ প্ৰতিপন্ন কৰিলে। এইবোৰ তৰ্কৰ ফলস্বৰূপে আধুনিক প্ৰণালীৰে মহাপুৰুষসকলৰ চৰিত ৰচনা আৰু সম-সাময়িক আচাৰ নীতিৰ উল্লেখ থকা পুৰণি-অসমীয়া সাহিত্যৰ আলোচনাৰ সূচনা কৰিলে বেজবৰুৱা ডাঙৰীয়াই। কেই-বছৰমান আগতেই ডিব্ৰুগড়ৰপৰা ওলোৱা "অসম প্ৰদীপিকা" বোলা কাকতখনৰ অন্তৰ্দ্ধানৰ লগে লগে অসমীয়া সমাজ আৰু ধৰ্মনীতিৰ ওপৰত প্ৰবাসীৰ গুপ্ত আক্ৰমণৰ অধ্যায়ৰ শেষ পৰিল বুলিব পাৰি।

বেজবৰুৱা সাহিত্যৰ এইবোৰ বিশিষ্ট ৰূপ (Aspects) পৰিষদৰ বিশেষ বিশেষ অধিবেশনত আলোচনাৰ যোগ্য হ'লেও, ইয়াত সাধাৰণভাৱে উমুকিওৱা হ'ল; এইটো বহলকৈ দেখুৱাবলৈহে; বেজবৰুৱাৰ অখণ্ড স্বদেশ-প্ৰীতি অসমৰ গৌৰৱ টুটোৱা সকলো আক্ৰমণৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠে। এইবোৰ বিষয়ত তেওঁৰ প্ৰতিদ্বন্দ্বী নিজৰ লগত ভাল হ'লেও বহুত সময়ত তেওঁ কঠুৱা আৰু নিষ্ঠুৰ বাক্য প্ৰয়োগ নকৰি নেৰে।

বেজবৰুৱা সাহিত্যৰ ঐক্যসূত্ৰ বুজিব নোৱাৰি বহুত সময়ত লোকে তেওঁক সংকীৰ্ণতা দোষত দোষী কৰিব খোজে। কিন্তু প্ৰকৃত সমালোচনাৰ ৰীতি হৈছে—প্ৰত্যেক ৰচনাকেই সাহিত্যৰ ফালৰপৰা গাইগোটা হিচাপে গুণাগুণ বিচাৰ কৰি আটাইবোৰ ৰচনাৰেই সমষ্টিগতভাৱে মূলসূত্ৰ বিচাৰ কৰাটো। জাগ্ৰত স্বদেশ-প্ৰীতি বহুত সময়ত সীমা পাৰ হৈ যাব পাৰে, কিন্তু ইয়াক সঙ্কীৰ্ণ বোলে কোনে? বেজবৰুৱা সাহিত্য জাগ্ৰত স্বদেশানুৰাগৰ জলন্ত চানেকি।

বেজবৰুৱা ডাঙৰীয়াৰ দ্বিতীয় ডাঙৰ দান তেওঁৰ ভাষা। জাতীয় ভাষা নহ'লে জাতীয় সাহিত্যৰ পুষ্টি নহয়। বৰ্তমান অসমীয়া সাহিত্যত বেজবৰুৱাৰ বচনভঙ্গীত যিমান প্ৰকৃত সাহিত্যিক ৰচনা-ৰীতি (Literary Style) আন ঠাইত অতি বিৰল। নিভাঁজ অসমীয়া ফকৰা শব্দ, কিন্তু উপযুক্ত ঠাইত

উপযুক্ত ভাবৰ বাহন স্বৰূপে ব্যৱহাৰ কৰিলে তাৰ যে কি মধুৰ ঝঙ্কাৰ, কি প্ৰকাশিকা শক্তি, কি ধ্বনি, তাৰ উদাহৰণ "বুঢ়ী আইৰ সাধু", "ককাদেউতা আৰু নাতি ল'ৰা"। অতি সাধাৰণ কথা এটিও বেজবৰুৱাৰ ভাষাৰ সাজ পিন্ধিলে মনোমোহা হৈ উঠে। ডাক্তৰ জনছনে ইংৰাজী লিখক এডিশ্চনৰ ৰচনা পদ্ধতি প্ৰশংসা কৰি কৈছিল যে, যিসকলে নিভাঁজ, প্ৰাঞ্জল অথচ সৰস ইংৰাজী লিখিব খোজে সেইসকলে আগেয়ে এডিশ্চনৰ ৰচনাৱলী ভালকৈ পঢ়ি ল'ব। অসমত নিজক বাদ নিদিয়াকৈ সকলো উৎসাহী অসমীয়া লেখকক ক'ব খোজোঁ। বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লেখিবলৈ যোৱাটো ভাষাৰ প্ৰতি অবিচাৰ কৰা।

বেজবৰুৱা ডাঙৰীয়াৰ তৃতীয় ডাঙৰ দান—অসমীয়া সাহিত্যত হাস্যৰসৰ অৱতাৰণা। প্ৰকৃত হাস্যৰস সাহিত্য ক্ষেত্ৰত এনে বিৰল আৰু ইয়াৰ প্ৰকাশো এনে জটিল যে মৌলিক প্ৰতিভা নহ'লে কোনো গ্ৰন্থকাৰেই ইয়াৰ যথাযোগ্য ব্যৱহাৰ কৰিব নোৱাৰে। বেজবৰুৱা সাহিত্যৰ হাস্যৰসৰ বিশিষ্টতা ইয়াত আলোচনা নকৰি মুঠতে এইটো সন্দেহ নোহোৱাকৈ ক'ব পাৰি যে, যি ৰসৰ গুণত মধুৰ ভাবেও আমনি নলগোৱাকৈ মনত সোমাব পাৰে; যি ৰসৰ গুণে পঢ়াৰ ভাগৰকো তৃপ্তিত পৰিণত কৰে, যি ৰসে সাহিত্যৰ প্ৰত্যেক ৰসকেই সীমা পাৰ হৈ আধিক্য দোষত আমনি লগোৱা হ'ব নিদিয়ে, সেই হাস্যৰসে বেজবৰুৱা সাহিত্যৰ প্ৰত্যেক শাখাকেই সজীৱ কৰি ৰাখিছে।

জাগ্ৰত স্বদেশানুৰাগ, অপূৰ্ব ৰচনা পদ্ধতি আৰু প্ৰকৃত হাস্যৰস—এই তিনিটা উপাদান লৈ বেজবৰুৱাৰ প্ৰতিভাই আধুনিক সাহিত্যৰ সকলো বিভাগতেই বিকাশ লাভ কৰিছে। গীত, নাট, কবিতা, বুঢ়ী আইৰ সাধু, চুটি গল্প, উপন্যাস, চৰিত্ৰ ৰচনা কোনো বিভাগকেই তেওঁৰ প্ৰতিভাই পৰশ নকৰাকৈ এৰা নাই। কোনো বিভাগত তেওঁৰ সৰ্বতোমুখী প্ৰতিভা কিমান প্ৰকাশ পাইছে, সেইবোৰ আলোচনা আগলৈ হ'ব। কিন্তু অসমীয়া সাহিত্যৰ বৰ্তমান অৱস্থাত যে তেওঁ আটাইবোৰ বিভাগতেই আমাক বিশুদ্ধ আনন্দ দিব পৰা ৰচনা দিছে, সেইটো স্বীকাৰ কৰিবই লাগিব।

সামৰণিত এইটো কওঁ যে, সাহিত্য ভাবৰ ধ্বনি আৰু প্ৰতিধ্বনি মাথোন। আৰু জাতীয় সাহিত্যও জাতীয় ভাবৰ ধ্বনি আৰু প্ৰতিধ্বনিহে। জাতীয় জীৱনে যিমান দিন জাতীয় ভাবৰ প্ৰতিধ্বনি কৰিব পাৰে তিমান দিনহে ই ৰাচি থাকে। বেজবৰুৱা সাহিত্যত যি ভাবৰ প্ৰেৰণা আছে, ই যাতে আমাৰ জাতীয় জীৱনৰ প্ৰতিধ্বনি দিব পাৰে সেই বিষয়ে চেষ্টা কৰাটোহে বৰ্তমান পৰিষদৰ মুখ্য উদ্দেশ্য হোৱা উচিত।

কথা-কবিতা

'কথা-কবিতা' শ্ৰীযুক্ত যতীন্দ্ৰনাথ দুৱৰাৰ প্ৰকাশিত কবিতাৰ দ্বিতীয় পুথি। পহিলাখন ওমৰ খায়ামৰ সুন্দৰ অসমীয়া ভাঙনি।

'কথা-কবিতা' নোহোৱা নোপজা কবিতাৰ পুথি। এনে ধৰণৰ গদ্যত লিখা কবিতাৰ পুথি জনাৰ ভিতৰত আন কোনো ভাৰতীয় ভাষাত নাই, ইংৰাজীতো বিৰল। চিৰকালেই কবিতা পদ্যত লিখা হৈ আহিছে। কবিতাৰ উৎপত্তি গীতৰপৰা, সেই কাৰণে কবিতাক বাঙ্ময়ী গীতি বুলিয়েই জনসমাজে স্বীকাৰ কৰি আহিছে।

কথা-কবিতা উনৈশ শতিকাৰ সৃষ্টি। ৰুছিয়াৰ বিখ্যাত সাহিত্যিক ইৱান টুৰ্গেনিৱে জীৱনৰ শেষ অৱস্থাত বাজহাড়ৰ দুৰাৰোগ্য কেন্সাৰ ৰোগত ভুগি প্ৰতিক্ষণতেই মৰণলৈ বাট চাই থাকি আচহুৱা অনুভূতিপূৰ্ণ "Poems in prose"—'কথা-কবিতা' বুলি পুথি এখনি প্ৰকাশ কৰি উলিয়ায়। তাৰ ইংৰাজী ভাঙনি ততালিকে প্ৰচাৰ হয়।

বিজ্ঞান, সাহিত্য—সকলো ভাবৰ ক্ষেত্ৰতেই উনৈশ শতিকা নানান উদ্ভাৱনাৰ যুগ।

কবিতা বাঙ্ময় গীত, গীতৰ স্পন্দন ছন্দৰ হেন্দোলনিত পোৱা যায়। কিন্তু কবিতা বাঙ্ময় চিত্ৰও হ'ব পাৰে। ছন্দৰ সহায় নল'লেও চিত্ৰক ভাষাময় কৰি তুলিব পাৰি। ছন্দোময়ী কবিতাতো চিত্ৰ থাকিব পাৰে, কিন্তু ছন্দোময়ী কবিতাৰ প্ৰাথমিক উদ্দেশ্য ধ্বনি, চিত্ৰ নহয়; চিত্ৰ আনুষঙ্গিক হ'ব পাৰে। কথা-কবিতাৰ প্ৰাথমিক উদ্দেশ্য চিত্ৰ, ইয়াৰ ধ্বনি ভাষাৰ ব্যঞ্জনা মাথোন। ছন্দোময়ী কবিতাৰ প্ৰধান লক্ষ্য গীত বা শ্ৰাব্য বিষয়ক মূৰ্ত্ত কৰি তোলা, কথা-কবিতাৰ লক্ষ্য হৈছে ৰূপ বা দৃশ্য বস্তুত সজীৱতা আৰোপ কৰা। কথা-কবিতাত এটি মাথোন কেন্দ্ৰস্থ ভাব থাকে, আৰু সেই ভাৱক ভাঙৰ-সৰু কেতবোৰ চিত্ৰৰে সজীৱ কৰি তোলা হয়। কিন্তু এইটো মনত ৰাখিবলগীয়া যে কথা-কবিতা আৰু কবিত্বময়ী কথা একে নহয়। কথা কবিতা এবিধ কবিতাই কিন্তু কবিত্বময়ী কথা লিখাৰ ভঙ্গী বা ভাষাৰ ৰীতি মাথোন।

কথা-কবিতাত ৰূপৰ সমাৱেশ থাকে, আৰু ই প্ৰায়েই ৰূপাত্মক। প্ৰত্যেকটো চিত্ৰৰ আঁৰতেই ওৰণি লোৱা ভাৱ একোটা থাকে।

কথা-কবিতাৰ সকলো উপাদান দুৱৰাৰ 'কথা-কবিতা'ত বিৰাজ কৰিছে। আলোচ্য পুথিখনি লিখকৰ এসময়ৰ ৰচনা নহয়। কবিতাবোৰ যেনেকৈ সজোৱা হৈছে, তাৰপৰাই কোনটো আগৰ, কোনটো পিছৰ ৰচনা, ধৰিব পাৰি। 'কথা কবিতা' দুৱৰা ডাঙৰীয়াৰ প্ৰায় কুৰি বছৰ কালব্যাপী নানান সময়, আৰু নানান অৱস্থাৰ মাজেদি অনুভূতিৰ চিত্ৰৰ সমাৱেশ। এখেতৰ কোমল বুকু তেজ কৰি ওলোৱা বালিৰ নিজৰাৰ দৰে। দুই-এটি বিদেশী মূলৰপৰা অনা হৈছে, কিন্তু সেইবোৰক বুকুৰ উপতন্ত তেজৰ উমনি দি সজীৱ কৰি তোলা হৈছে।

গ্ৰন্থকাৰৰ জীৱনৰ মূল ধাৰা নাজানিলে বহুত সময়ত ভাবাত্মক সাহিত্য বুজিব নোৱাৰি। 'কথা-কৱিতা'ৰ মৰ্ম মনত লগাকৈ বুজিব লাগিলে ছুৱৰা ডাঙৰীয়াৰ কথা অলপ জানিব লাগে। ছুৱৰা ডাঙৰীয়াৰ জীৱন ঘটনা-বহুল নহয়, ভাব-বহুল। কুৰি বছৰৰ আগেয়ে আমি যেতিয়া প্ৰেচিডেন্সি কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ল'ৰা, ছুৱৰা ডাঙৰীয়া তেতিয়া আইন কলেজৰ ছাত্ৰ। শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাই তেতিয়া হাওড়াৰপৰা "বাঁহী" উলিয়াই অসমীয়া সমাজত প্ৰবল দেশাত্মবোধৰ সোঁত এটি বোৱাইছিল। প্ৰবসুৱা অসমীয়া ছাত্ৰসকলৰ মনত বেজবৰুৱাৰ প্ৰভাৱৰ ছাব নপৰাকৈ নাছিল। ছুৱৰা বেজবৰুৱা ডাঙৰীয়াৰ অন্তৰঙ্গ বন্ধু আছিল, আৰু যদিও স্বদেশৰ হকে বেজবৰুৱা ডাঙৰীয়াৰ উগ্ৰ যুঁজাৰু প্ৰকৃতিৰ লগত তেখেতৰ প্ৰকৃতিৰ মিল নাছিল, বেজবৰুৱা ডাঙৰীয়াৰ একনিষ্ঠ সাহিত্য সেৱাৰ আদৰ্শ আৰু অন্তৰৰ চিৰকলীয়া সেউজীয়া তৰুণতাৰদ্বাৰা ছুৱৰা সম্পূৰ্ণভাৱে বিমোহিত হৈছিল।

আইন কলেজত তিনি বছৰ খাৰলি খোৱা হৈ গ'লত, অসমীয়া ছাত্ৰ সমাজত জনাজাত হ'ল যে ছুৱৰাই আইন ব্যৱসায় নকৰে, আৰু কোনো চাকৰিলৈও চেষ্টা নকৰে, তেখেত স্কটিছ চাৰ্চ কলেজিয়েট স্কুলৰ শিক্ষক হিচাপে কলিকতাতেই থাকিব। ছুৱৰা অসমীয়া সমাজৰ নামজ্বলা পৰিয়ালৰ ল'ৰা। তেতিয়াৰ দিনত ইচ্ছা কৰিলেই হাকিম বা মুন্সুপ এটি সহজে হ'ব পাৰিলেহেঁতেন। তেতিয়াৰপৰাই ছুৱৰাৰ জীৱনী সাধাৰণৰ মানত এটি সাঁথৰ।

বয়সত চল্লিশৰ ছুৱাৰ-ডলি পাৰ হ'লেও ছুৱৰা চিৰ-তৰুণ,—হাঁহি বিৰিঙা মুখ, কোমল প্ৰাণ, অনাবিল চৰিত্ৰ, লাজুকী লতাতকৈও লাজকুৰীয়া। কামৰ ভিতৰত দেশ-বিদেশৰ কাব্য-চৰ্চা, আৰু অসমীয়াত কৱিতা ৰচনা।

কিন্তু চৰ্চা আৰু ৰচনাৰ জোখাৰে তেখেতে পুথি ছপালে কেইখন? তেখেতৰ ৰচনা ভালেখিনি, কিন্তু তেখেত লাজকুৰীয়া, ছপাবলৈ লাজ কৰে। ফটুৱৈ ধৰা ছুই-এখনি পদপুথি ছপাই, সেইবোৰেই আৰু পাঠ্যপুথি নোহোৱাত সাময়িক পত্ৰিকাৰ পিঠি বখলা-বখল কৰা ছুই-এজন কৱি-টিলিকাৰ লগত ছুৱৰাৰ প্ৰকৃতিৰ কি বৈপৰীত্য! আন এজনে পাতনি এখনি জোৰা দিবলৈ গাত লোৱাতহে ছুৱৰাই 'কথা-কৱিতা' ছপাখানাত দিবলৈ মান্তি হৈছে। প্ৰকৃত কৱিৰ স্বাভাৱিক লাজকুৰীয়া প্ৰকৃতিক লক্ষ্য কৰিয়েই ৱৰ্ডচৱৰ্থে লিখিছে—

He is retired as noon-tide dew
Or fountain in a noon day grove;
And you must love him, ere to you
He will seem worthy of your love.

—Wordsworth.

"তেওঁ (কৱি) ছুপৰীয়াৰ নিয়ৰ কণিকাৰ দৰে চকুত নপৰা; বা দিন ছুপৰৰ জোপাৰ ভিতৰত

থকা কোৱাৰ দৰে। তুমি তেওঁক ভাল পাবই লাগিব—তেওঁ তোমাৰ ভাল পোৱাৰ উপযুক্ত বুলি প্ৰতীয়মান হোৱাৰ আগতেই।"

ৰূপকৰ ছলেৰে দুয়োবাই তেখেতৰ প্ৰহেলিকাময় জীৱনৰ ভ্ৰভৰ কথা ঠায়ে ঠায়ে ঠাবেৰে কৈছে। ভাবময় জীৱনত আদৰ্শ আৰু সৌন্দৰ্যৰ কি ঘাত-প্ৰতিঘাত হয়, ভাবুকত বাজে আনে তাক উপলব্ধি কৰিব নোৱাৰে। ওঠৰ শতিকাৰ শেষ ভোখৰত সোঁতৰ বছৰীয়া কলেজৰ ল'ৰা এটি জহৰ বন্ধত ঘৰত আছিল। এদিনাখন ৰাতি গৰধীয়া নাচ-ভাৱনা চাই বিহান-পুৱাই ঘৰলৈ উভতিব লাগিছে, হঠাৎ সম্মুখত দেখিলে—

—Magnificent
The mornings rose; in memorable loomp,
....
The sea lay laughing at a distance ; near
The solid mountains shone, bright as the clouds,
....
And in the meadows and the lower grounds.
Was all the sweetness of a common dawn.

Prelude, IV. 323 et seq.

সম্মুখত দেখিলে, "পাহৰিব নোৱৰা সৌন্দৰ্যৰ বিভৱ লৈ অৰুণৰ উদয় হ'ল; দূৰৈত, সাগৰৰ ওপৰত হাঁহিৰ জিলিঙনি ফুটি উঠিছে; ওচৰত উজ্জ্বল ডাৱৰৰ দৰে গোট গোট পৰ্বতবোৰে সোণালী ৰঙেৰে শোভা কৰিছে; তলত, পথাৰ আৰু ভৈয়ামত সাধাৰণ দোকমোকালিৰ মধুৰতা ছানি পৰিছে।" ল'ৰাটোৱে নজনা দেশৰ সন্ধান পালে, নেদেখা সৌন্দৰ্যৰ আভাস দেখিলে আৰু তেতিয়াৰ-পৰা তেওঁ সৌন্দৰ্যৰ সেৱাতেই জীৱন উছৰ্গা কৰি দিলে—

Ah ! need I say, dear friend ! that to the brim
My heart was full ; I made no vows, but vows
Were then made for me........
........That I should be, else shinning greatly.
A dedicated spirit. On I walked
And thankful blessedness which yet survives.

—Prelude, IV. 333 et seq.

'অ' মৰমৰ বন্ধু, মই আকৌ ক'ব লাগিছেনে, মোৰ বুকু আনন্দৰে উপচি পৰিল। মই শপত খোৱা নাই; কিন্তু মোৰ হকে যেন অন্তৰাত্মাই শপত ল'লে যে সৌন্দৰ্য সেৱাত মই প্ৰাণ উছৰ্গা কৰিম—নহ'লে পাপ লাগিব। কৃতজ্ঞতাপূৰ্ণ শান্তিৰে আগমুখে খোজ ল'লোঁ। সেই শান্তি এতিয়াও অন্তৰত বিৰাজ কৰিছে।"

সেই সোতৰ বহুৰীয়া ল'ৰাটিয়েই প্ৰকৃতিৰ সৌন্দৰ্য উপাসক ভৱিষ্যতৰ বিখ্যাত কৱি ৱৰ্ডচ্‌ৱৰ্থ।

ভাৰতীয় সভ্যতাৰ বুৰঞ্জীত ভাবৰ আবেশৰ বৈৰাগ্য অৱলম্বন কৰি দুৱাৰ-ঘৰ এৰি যোৱাৰ কথা দেখা শুনা যায়, কিন্তু সৌন্দৰ্য সাধনাত সংসাৰৰ প্ৰতি বৈৰাগ্য ভাৰতীয় বুৰঞ্জীত অতি বিৰল।

দুৰ্ৰাৰ জীৱনতো কিবা এটি ঘটনাই তল-ওপৰ কৰিব পায়। সাঁথৰৰ ভাষাত পহিলা কৱিতাতেই তেখেতে ইয়াৰ আভাস দিছে—"হে যৌৱন লাৱণ্যময়ী সুন্দৰী, তুমি জীৱনৰ প্ৰথম পুৱাতে দেখা দিছা। মই তোমাক চিনিব পাৰিছোঁ, তুমি মাজে মাজে মোকে এইদৰে দেখা দি যোৱাহি।" এই মোহিনী-মূৰ্তি খন্তেক দেখা দি, "যিখিনিতে নাইকয়া হ'ল সেইখিনিতে আকাশে অলপ হেঙুলী বৰণ সানি ল'লে।" (দেৱী); "অৰুণোদয় জীৱনৰ এটি গুৰুতৰা মাথোন" (বাটকৰা)।—অৰুণোদয়ৰ তাৎপৰ্য কি? ই ৱৰ্ডচ্‌ৱৰ্থৰ নৱ প্ৰভাত নে বিয়েট্ৰীছৰ উদয়ত ডান্টেৰ নৱ জীৱন? এদিন হয়তো যথাৰ্থতে জনা যাব।

ইয়াতেই কৈ থোৱা উচিত, দুৰ্ৰা এতিয়াও কৌমাৰ্যব্ৰতী "মই অকলশৰীয়া,—চিৰকালেই অকলশৰীয়া"। (এহালি পাৰ)

'শিল্পী' বোলা কৱিতাটোক দুৰ্ৰাৰ কাব্য-জীৱনৰ মূলমন্ত্ৰৰ স্বীকাৰোক্তি বুলিব পাৰি। "আজীৱন সৌন্দৰ্য সাধনাই তেওঁৰ জীৱনৰ লক্ষ্য।" "আৰু এনেদৰে সৌন্দৰ্যৰ নীৰৱ সাধনাতেই তেওঁৰ জীৱন ঢালি দিছে।"

শিল্পীয়ে সময়ৰ চিন চাবলৈ মন নকৰি নিজৰ অন্তৰৰ সেউজীয়া ভাব সজীৱ কৰি ল'ব পাৰিছে—"তেওঁৰ একোলৈকে ভ্ৰূক্ষেপ নাই—সময়েও যেন তেওঁৰ কাষত হাৰ মানিলে।" এই স্বীকাৰোক্তিৰ ধাৰা আন আন কৱিতাতো বিয়পি পৰিছে। "মনৰ এধাৰি সোঁত, যিফালেই চাপৰ, সেইফালেই বৈ যায়—কোনো হানি-বিঘিনিৰ লেখ নেলেখে" (সীমায়ো দিয়েহি ধৰা)। "চাকিৰ হয়তো ইচ্ছা নহয়, যে জাকে জাকে চগাই আহি তাৰ ৰূপৰ জুইত আত্ম-বলিদান কৰেহি—কিন্তু চগাই এই আত্ম-বলিদানকেই ধ্ৰুৱ সত্য বুলি মানি লৈছে" (ব্যৰ্থতা)। "এদিন দেখিব মোৰ কথা ফলিয়াব। পোহৰ পৰি আপোনাৰ ৰাজ্য সুন্দৰ হৈ পৰিব। তেতিয়াহে বুজিব মই বলীয়া নহওঁ" (পোহৰ)।

এদিনাখন অসমৰ পঢ়াশালিবোৰত অসমীয়াৰ ঠাইত বঙালী পঢ়োৱা হৈছিল। বিদেশী চিত্ৰৰ উপাদানেৰে সেই কৰুণ দৃশ্যক লক্ষ্য কৰিয়েই হ'বলা কোৱা হৈছে, "হায়! চেনেহৰ মাতৃভাষা!" "কোনো এটা আইনৰ তলতীয়া জাতিয়ে যেতিয়ালৈকে নিজৰ মাতৃভাষাক বুকুৰে সাঁকোৱালি ধৰি থাকে, তেতিয়ালৈকে শত্ৰুৱে বন্দীশালৰ দুৱাৰৰ সঁচাৰ-কাঠিটি তেওঁলোকৰ হাতৰপৰা নাপায়—এই কথাষাৰ কেতিয়াও পাহৰা উচিত নহ'ব।" (মোৰ শেষ পাঠ)

সকলো প্ৰকৃত কৱিতাই কৱিৰ ব্যক্তিগত অনুভূতিৰ ভাষাময় চিত্ৰ বা ছন্দোময় স্পন্দন। এই ব্যক্তিগত অনুভূতিক বিশ্বজীৱন ৰচনাৰ উপাদান কৰিব পৰা শক্তিতহে কৱিৰ কৃতিত্ব প্ৰকাশ পায়। সেই কৃতিত্ব দুৰ্ৰা ভাওৰীয়াৰ কেতবোৰ কৱিতাত সম্পূৰ্ণতাৰে লাভ কৰিছে।

'শিল্পী', 'প্ৰলয়', 'সোণ বৰণীয়া দেশ', 'মোৰ শেষ পাঠ', 'বাটকৰা', 'সীমায়ো দিয়েছি ধৰা', 'কেতেকী', 'পোহৰ' আদি কৱিতা কল্পনাৰ উল্লাসনা, ৰচনাৰ সৌষ্ঠৱ, ভাষাৰ মৃদু ব্যঞ্জনা, আৰু ৰূপৰ চিত্ৰ-বিচিত্ৰ সমাৱেশত সোণৰ কাঠামেৰে বন্ধোৱা, নিপুণ চিত্ৰকৰৰ জীৱন্ত ছবিৰ দৰে অসমীয়া সাহিত্যত চিৰকাল জিলিকি থাকিব।

চন্দ্ৰৰা ৰচনাত পৈণত আৰু সাঁচি থোৱা ৰচনাৰ ভৱালেৰে চহকী হ'লেও, ছপাখানাৰ চিয়াঁহিৰ ডাক্তৰ ভেদ কৰি তেখেতৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ নহয় মানে, তেখেতৰ কাব্য-প্ৰতিভাক আমি দ্বিতীয়াৰ জোন বুলিহে সম্ভাষণ জনাইছোঁ। কাব্য-প্ৰতিভাৰ ষোল কলা বিকাশ নহয় মানে, তাৰ সকলো ৰং সমালোচকৰ বৰ্ণ বিশ্লেষণ যন্ত্ৰত ধৰা নপৰে। কিন্তু যি বৰ্ণচ্ছটাৰ দাগ পৰিছে, সি মুছিব নোৱৰা, আৰু সি অসমীয়া সাহিত্যৰ নতুন যুগৰ আগ-বাতৰি জনাইছে। উনৈশ শতিকাৰ সাহিত্যৰ আদৰ্শেৰে গঠিত হোৱাসকলৰ ভিতৰত শ্ৰেষ্ঠ কৰি শ্ৰীযুত ৰঘুনাথ চৌধাৰী আৰু কুৰি শতিকাৰ নানা বৰণীয়া ভাবৰ সমাৱেশেৰে পুষ্ট হোৱা আদৰ্শক সৌন্দৰ্যৰ সহায়েৰে আমাৰ আগত দাঙি ধৰাসকলৰ ভিতৰত আদি শ্ৰেষ্ঠ কৱি শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা। "পোহৰ পৰি আপোনাৰ ৰাজ্য সুন্দৰ হৈ পৰিব", "এদিন দেখিব, মোৰ কথা ফলিয়াৰ",— কৱিৰ এই আশ্বাসবাণীয়ে সফলতা লাভ কৰক, কৱিৰ প্ৰতিভাত আমাৰ ৰাজ্য সুন্দৰ হৈ পৰক—এয়ে আমাৰ কামনা।

দহিকতৰা

আজি দহ-এঘাৰ বছৰ আগেয়ে শ্ৰীযুক্ত ৰঘুনাথ চৌধাৰী ডাঙৰীয়াৰ "কেতেকী" বুলি দীঘল চৰাই কৱিতা এটি ওলাইছিল। গুণগ্ৰাহী অসমীয়া সাহিত্যসেৱীসকলে কৱিতাটো আদৰেৰে গ্ৰহণ কৰিছে। সম্প্ৰতি অসম ছাত্ৰ সম্মিলনৰ মুখপত্ৰ "মিলন" বোলা কাকতত 'মিলনদূত' নামে চৌধাৰী ডাঙৰীয়াৰ আকৌ এটি চৰাই কৱিতা ওলাইছে। গুৱাহাটীৰ একতা সভাৰ ছাত্ৰ সমজুৱাসকলে "দহিকতৰা" নাম দি কৱিৰ আন আন কৱিতাৰ লগত পুথিৰ আকাৰে ছপাই উলিয়াৰ খোজাত তেওঁলোকৰ অনুৰোধ মতে পাতনিখনি লিখা হ'ল।

চৌধাৰী ডাঙৰীয়াৰ ভালেমান দিন আগতে ওলোৱা "সাদৰী" বোলা খণ্ড কৱিতাৰ পুথি এখনি আছে। তাত একুৰিৰ অলপ বেছি কৱিতা আছে। তাৰ কিছুমান কৱিতা পুৰণি "জোনাকী"ত ওলাইছিল। কিন্তু এইটো মন কৰিবলগীয়া যে সেই খণ্ড কৱিতাৰ পুথিখনিত বিবোৰ কৱিতা আটাইতকৈ সৰস সেই আটাইবোৰেই চৰাই জীৱন আৰু ফুল-ফুলনি লৈ লিখা। 'ব'হাগীৰ বিয়া', 'প্ৰিয় বিহঙ্গিনী', 'ভেটকলি', 'কেতেকী চৰাই' আদি কৱিতাবোৰৰ প্ৰত্যেকটোৱেই চৰাই আৰু উদ্ভিদ জগতৰ মনোৰম সাধুকথাৰ নিচিনা

আন আন লেখকসকলৰ কেতিয়াবা কাহানি ফুল আৰু চৰাই জীৱনৰ বিষয়ে কৱিতা লিখ'

দেখা যায়। কিন্তু সেই পুৰণি "জোনাকী"ৰ দিনৰ ভাব কণিকাবোৰে যেতিয়া আজিলৈকে এজন কৱিলেখনীত নানা ভাবা পল্লৱিত হৈ উঠিব লাগিছে, তেতিয়া এইটো বিচাৰি চাবলগীয়াত পৰে যে কৱিতাবোৰ একে সাঁচৰেই গঢ়া নে সেইবোৰৰ বেলেগ বেলেগ কেন্দ্ৰস্থ ভাব আছে।

"সাদৰী"ৰ অন্তৰ্গত প্ৰকৃতি বিষয়ক কৱিতাবোৰক দুই ভাগত ভাগ কৰিব পাৰি। 'ভেটকলি', 'ব'হাগীৰ বিয়া' আদি কৱিতাত মানৱ সংসৰ্গ বিষয়বিহীন প্ৰকৃতিৰ স্তূপীকৃত সৌন্দৰ্যৰ ধ্যান আৰু নিজৰ সৌন্দৰ্যত প্ৰকৃতি নিজৰেই আনন্দোৎসৱ এটি দেখা যায়।

'মৰতৰ শোভাৰাশি একে লগে যেন
সৰজিলে বিধি নিজানত"
"জড় জগতত জীৱ জগতত
পাওঁ সকলোতে দেখা
মহা বিশ্বজুৰি বিৰিঙিছে যেন
আনন্দৰ পূৰ্ণৰেখা ॥'

'ব'হাগীৰ বিয়া' বোলা কৱিতাটোত এই আনন্দৰ ৰেখা ফুটি ওলাইছে।

'ব'হাগীৰ বিয়া' কৱিতাটো মানৱ সংসৰ্গবিহীন প্ৰকৃতিৰ আনন্দোৎসৱ। বসন্তজীয়ৰী ব'হাগী আইদেউৰ বিয়াৰ উৎসৱ গছ-লতিকা মুঞ্জৰিত আৰু চৰাই-চিৰিকটি বিভোল হৈ উঠিল। ব'হাগী আইদেউৰ বিয়াৰ উপলক্ষ্য কৰি প্ৰকৃতিৰ সৌন্দৰ্য বিকাশৰ উৎসৱত বৰ্ণনাই ডেকা কৱিৰ কৱিতাবোৰৰ কেন্দ্ৰস্থ ভাব। এই ভাবধাৰাৰ পূৰ্ণ বিকাশ হৈছে 'কেতেকী' বোলা নিৰুপম চৰাই কৱিতাটোত। ব'হাগীৰ বিয়াত যি আনন্দৰেখা উদ্ভিদ আৰু চৰাই জীৱনত আবদ্ধ আছিল 'কেতেকী' কৱিতাত সেই আনন্দই পাৰ ভাঙি আজি মানৱ সমাজৰ ঘৰুৱা জীৱনকো প্লাৱিত কৰিছে। 'কেতেকী' কৱিতাৰ কেন্দ্ৰস্থ ভাৱ বসন্তৰ আগমনত জড়-চেতন মনৰ জগতত বিপুল উন্মাদনা। এই উন্মাদনাৰ মূল কাৰণ ব'হাগীৰ বিয়াত কোৱাৰ দৰে কেৱল বসন্তৰ সমাগমেই নহয় এটি স্বৰূপ বিহীন বিৰাট প্ৰহেলিকাময় চৰাইৰ মাত। কোনোবা দূৰ আনন্দ সাগৰৰ ঢৌৰ খলকনি এটি চৰাইৰ মাতৰ ভিতৰেদি জড়-চেতন জগতক আঘাত কৰি ইয়াক বিয়াকুল কৰি তুলিছে।

বৰ্ত্তমান 'দহিকতৰা' কৱিতা এই ভাবান্বিত নহয়। 'সাদৰী', 'কেতেকী চৰাই' আৰু 'গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী' আদি কেতবোৰ চৰাই আৰু প্ৰকৃতি বিষয়ক কৱিতা আছে। সেইবোৰত কৱিয়ে বসন্তৰ সৌন্দৰ্য আৰু চৰাইৰ মাতত কেৱল নিৰ্বিকাৰ আনন্দৰেই আপোন-পাহৰা হোৱা নাই। সেইবোৰত সৌন্দৰ্যৰ আঘাতত কৱিতাৰ ভিতৰেদি প্ৰেমিকৰ লুলুপ সত্তা জাগি উঠা দেখা যায়।

'বিহৰিছে আহা কুঞ্জ কাননত,
প্ৰেমিকা বসন্তবাণী ;

ইচ্ছা হয় যেন মন পখী মোৰ
কৰে গুণ গান নব বসন্তৰ।
দিওঁ দুগালত হেঙুলী বোলৰ
কুঙ্কুম চন্দন সানি।

'দহিকতৰা' চৰাই কৱিৰ সকু কালৰ স্বৰূপবিহীন 'প্ৰিয় বিহঙ্গিনীৰ মূৰ্ত্ত আকৃতি। ইয়াৰ কেন্দ্ৰস্থ ভাবৰ অঙ্কুৰো 'প্ৰিয় বিহঙ্গিনী' বোলা কৱিতাটিত পোৱা যায়।

এই দুই কৱিতাৰ চৰাই জীৱন তোষিণী প্ৰেমিকা মূৰ্তি

তোমাৰ সঙ্গীতে প্ৰিয় জানে কি মোহিনী।
আঁৰৰ পছুম পাহি
মাৰে মিচিকিয়া হাঁহি

*　　*　　*

হৃদয় বীণত বাজে প্ৰেমৰ ৰাগিণী। (কেতেকী)
মৰতত বৈ বোৱা সঙ্গীতৰ ধাৰা
একে থৰে শুনি শুনি
থাকোঁ কিবা ভাবি গুণি
আপোনাক আপুনিয়ে হওঁ আত্মহাৰা।

প্ৰেমৰ ৰাগিণীত আত্মহাৰা হোৱা ভাবেই 'দহিকতৰা'ৰ ভাব; ডেকা কৱিৰ 'স্বৰূপবিহীন' 'মানস মোহিনী' 'জীৱন তোষিণী' প্ৰিয় বিহঙ্গিনী মিলন-মন্ত্ৰ মুখত লৈ জড়চেতন জগতক মিলন আশাৰে আশান্বিত কৰিছে। দহিকতৰা ৰূপে বাস্তৱ মূৰ্তিত দেখা দিছে। ই এটি 'কাম-গন্ধ-বিহীন' প্ৰেমৰ কৱিতা আৰু চৰাইটিও কৱি হৃদয়ত চিৰদিন আনৰ চকুত নপৰাকৈ পুহি থকা আদৰ্শ জীৱন্ত মূৰ্তি। ই ডেকা কৱিৰ প্ৰেমিকা বসন্তৰাণীৰ 'দুগালত হেঙুলী বোলৰ কুঙ্কুম চন্দন' সানি দিবৰ স্পৃহা থকা প্ৰেমৰ পুৰতি গীত নহয়। ই কোনোবা দূৰ অতীতৰ আশাৰ পছুমৰ স্মৃতি বিজড়িত সন্ধ্যা ৰাগিণী।

চিৰদিন তই মোৰ হিয়াৰ আপোন
উদিছে মনত মোৰ
শৈশৱৰ চিত্ৰবোৰ
কোন দূৰ অতীতৰ মায়াৰ সপোন
জগাই তুলিলি মোৰ স্মৃতিৰ দাপোণ।

প্ৰেমিকা বিহগী দহিকতৰাৰ মাতত জগত সৌন্দৰ্যৰে উপচি পৰিছে। কিন্তু কৱিৰ সৌন্দৰ্য-স্পৃহা নাই। তেওঁৰ প্ৰেম সৌন্দৰ্যৰ মৰীচিকা নহয়।

প্ৰেমিকাৰ সংসৰ্গত সৌন্দৰ্যই বিকাশ পাইছে হয়, কিন্তু স্বয়ং প্ৰেমিকা ৰূপহীনা আৰু আমাৰ অনাদৃতা, চকুত নপৰা।

কৰি লেখনীত তই মুকুটিলি কিয় ?
ৰূপ তোৰ নাই দেখি
অনাদৃতা হ'লি নেকি,
হ'লি জগতৰ অতি ক্ষুদ্ৰ জীৱ।
কিন্তু প্ৰিয়ে তয়ে মোৰ অতি প্ৰাণ প্ৰিয়া।

অসমীয়া কৱিৰ আনন্দৰ অনাদৃত প্ৰেমিকা দহিকতৰা ইংৰাজ কৱি ৱৰ্ডচ্‌ৱৰ্থৰ প্ৰেমিকাৰ নিচিনা—"A maid woman there were none to praise and very few to love."

'ছোৱালীজনীক ভাল বোলোঁতা কেও নাছিল, আৰু ভাল পাওঁতা নাছিল বুলিলেই হয়।'

এই লোকৰ অনাদৃতা 'বহনা'ৰ মাতত কৱিৰ সুদূৰ অতীতৰ সপোন জাগি উঠি তেওঁৰ জীৱন খন্তেকলৈ এটি অনুভূতিৰ বিষয় কৰি তুলে—

কোমলতা পৱিত্ৰতা সৌন্দৰ্য মাধুৰী,
প্ৰেম প্ৰৱাহিনী হই
আছ চিৰকাল বই
স্নিগ্ধ সলিলত যেন থাকিম নাহুৰি।

প্ৰিয়তমাৰ পৰশত গছলতা মুঞ্জৰিত হোৱা কথা কাব্য জগতৰ এটি মনোৰম প্ৰৱচনৰ ভিতৰত পৰিছে। কৱিৰ বিশ্বাস যে প্ৰেয়সীৰ স্পৰ্শতহে ফুল ফুলে আৰু চৰায়ে গীত গায়।

For her feet have touched the meadows
And left the daisies gay.—Tennyson

'প্ৰিয়তমাৰ ভৰিৰে পথাৰখন ছুই দিলত 'ডেইজী' ফুলবোৰ জকমকাই উঠিল।' সংস্কৃত সাহিত্যত এই কৱিত্বময় প্ৰৱচন শ্লোকবদ্ধ বিশ্বাসত পৰিণত হোৱা দেখা যায়। সেই অনুসাৰে যুৱতী সুন্দৰীৰ কেৱল পৰশতেই নহয় নানা অঙ্গী ভঙ্গীতহে কেতবোৰ ফুল ফুলি উঠে।

"স্ত্ৰীণাং স্পৰ্শাৎ প্ৰিয়ঙ্গুৰ্ৱিকশতি ৱকুলঃ সীধু গণ্ডূষসেকাৎ।
পাদাঘাতাদশোকস্তিলককুৰবকৌ ৱীক্ষণালিঙ্গনাভ্যাম
মন্দাৰো নৰ্ম্ম ৱাক্যাৎ পটু—মৃদুহসনাচ্চম্পকো
বক্ত্ৰবাতাচ্চুতো গীতান্নমেৰু বিকশতিচ পুৰোনৰ্ত্তাৎ।"

তিৰোতাৰ পৰশত প্ৰিয়ঙ্গু, মুখত লোৱা মদিৰা ফুৰাই দিলে বকুল, পদাঘাত কৰিলে অশোক, চকুৰে চালে তিল, আলিঙ্গন কৰিলে কুৰবক, পৰিহাস বাক্যত মন্দাৰ, মিচিকিয়া হাঁহিত চম্পক, মুখৰ বতাহত আম ফুল, গীতত নাগেশ্বৰ আৰু সন্মুখত নৃত্য কৰাত মণিবাজ ফুল ফুলি উঠে

মহাকৱি কালিদাসৰ কৱিতাত এই কৱিত্বময় বিশ্বাস ঠায়ে ঠায়ে মনোৰম ভাষাত ফুটি ওলাইছে।

ৰক্তাশোকশ্চলকিসলয়ঃ কেশৰশ্চাত্র কান্তঃ
একঃ সখ্যাস্তৱ সহ ময়া ৱামপদাভিলসী (মেঘদূত)

কিন্তু কৱি চৌধাৰী ডাঙৰীয়াৰ কৱিতাতফুল ফুলি উঠাৰ বেলেগ কাৰণ আছে। প্ৰকৃতিৰ লীলাভূমি অসমত তৰুণীৰ পৰশত নহয়, কিন্তু কৱিৰ প্ৰিয় বিহগী দহিকতৰাৰ মাততেই তৰু-তৃণ পল্লৱিত হৈ উঠে আৰু ৰামধেনু আকাশত নীলিমা আভাৱে ব্যক্ত হয়।

সঙ্গীতৰ সুধাধাৰা দিলি তই ঢালি
আকাশত ৰামধেনু
ৰঞ্জিলে নীলিমা তনু—
* * *
সোণগুটি সোণাকৰে লই থোপামণি
কনক কৱিতা ৰচি
দিছে প্ৰেম উপযাচি। ইত্যাদি

আকৌ এটি লক্ষ্য কৰিবলগীয়া কথা এইটো যে আমাৰ কৱি চিৰকৌমাৰ্যব্ৰতী। তেওঁৰ প্ৰেমপ্ৰতিমা মানৱ মূৰ্তিত কেতিয়াবা দেখা দিয়ে নে নাই ক'ব নোৱাৰোঁ। কিন্তু যি প্ৰেম মানৱ মূৰ্তিত আৰোপিত হৈ সন্তান-সন্ততিৰ স্মৃতি-মণ্ডিত হৈ পৰিণতি লাভ কৰিব নোৱাৰিলে, সেই প্ৰেম অনাদৃতা 'মৰমী বন্ধু' 'বহনা' 'দহিকতৰা'ৰ মাতত সজাগ হৈ উঠি তেওঁৰ মনটোকে ফুলনিৰ দৰে কৰি তোলে। 'বিভূতি' বোলা কৱিতাত বৰ্ত্তমান কৱিয়ে বসন্তৰ সমাগমক লক্ষ্য কৰি কৈছে—

ফুলিল হিয়াত মোৰ লাখে লাখে ফুল
পৰিমল গন্ধে সুৰভিত। (বিভূতি)

এই পদ ফাকিয়ে ইংৰাজ কৱি ৱৰ্ডচৱৰ্থৰ ডেফোডিল ফুলৰ স্মৃতিত হিয়া আলোড়িত হোৱাৰ কথা সোঁৱৰাই দিয়ে।

ডেকাকালত 'প্ৰিয় বিহঙ্গিনী' আদি কৱিতাৰপৰা আৰম্ভ কৰি 'দহিকতৰা'লৈকে সমভাৱাপন্ন কৱিতাবোৰ চিৰকৌমাৰ্যব্ৰতী অসমীয়া কৱিৰ কাম-গন্ধবিহীন অতীন্দ্ৰিয় প্ৰেমৰ বুৰঞ্জী মাথোন আৰু এয়াই 'দহিকতৰা' কৱিতাৰ কেন্দ্ৰস্থ ভাব।

গোটেই কৱিতাটোৰ ভিতৰত তন্ময়তাৰ ভাব এটা আছে। ইয়াত 'কেতেকী' কৱিতাৰ মাদকতা নাই।

দহিকতৰাৰ মাতত গছ-লতা পল্লৱিত হৈছে, আকাশত ৰামধেনু উদয় হৈছে; শীতল মলয়া বায়ু বলিছে, ধুপুনীটোৱে নাচিছে; কিন্তু কৱিৰ শৈশৱৰ স্মৃতি ভাৱাক্ৰান্ত মন এইবোৰত নাই। ইংৰাজ কৱিয়ে ক'বৰ নিচিনা—

He heard it, but he hearded not
Wear with his heart and that was far way. (Byron)

'তেওঁ শুনিছে কিন্তু মন কৰা নাই, তেওঁৰ চকু আছে তেওঁৰ অন্তৰত আৰু অন্তৰ আছে বহু দূৰৈত পৰি কোনোবা দূৰ দেশত'। ক্ষীণ আলোক আৰু দূৰ অতীতৰ স্মৃতি জগোৱা মোহিনী কণ্ঠৰ ধ্বনি এটিয়ে তেওঁক তন্ময় কৰি তোলা যেন দেখা যায়।

'বই গ'ল বিশ্বব্যাপী দিক্ দিগন্তৰ'
'প্ৰকৃতিৰ নিস্তব্ধতা গ'ল ভেদ কৰি'
'কি সুন্দৰ স্নিগ্ধ কান্তি ফুল্ল বননিত'
'কৰিছে স্বৰ্গীয় দৃশ্যে হৃদয় বন্ধন' ইত্যাদি।

প্ৰত্যেকটো ষ্টেঞ্জাৰে পঞ্চম শাৰীলৈ ভালকৈ মন কৰিলে এই তন্ময়তাৰ ভাব উপলব্ধি কৰিব পাৰি।

আনৰ অনাদৃত চৰাইৰ দৰে আনৰ অনাদৃত ফুলেও তেওঁৰ নিপুণ হাতত কি অপৰূপ সৌন্দৰ্য ব্যঞ্জক হৈ পৰে তলত তাৰে এটি উদাহৰণ দিয়া হ'ল—

লুইতৰ কানে কানে কঁহুৱাৰ ফুল
বতাহত হালি-জালি
ঢৌৱে ঢৌৱে ঢৌ খেলি
তুষাৰ ধৱল কান্তি ধৰিছে বিপুল
যেন সুৰ তৰঙ্গিণী পুলকে আকুল।

প্ৰত্যেকটো প্ৰাকৃতিক বৰ্ণনাই প্ৰাণৰ বহুকলীয়া সঞ্চিত অনুভূতিৰ ৰূপৰহে বিকাশ।

ওপৰত দহিকতৰাৰ লক্ষ্য কৰি কৱিৰ সাধাৰণ গুণৰ যি কথা কোৱা হৈছে, সি তেওঁৰ প্ৰকৃতি বিষয়ক আন আন কৱিতাটো সমানভাৱে বৰ্জিতা খায়। চৌধাৰী প্ৰকৃতি সৌন্দৰ্য বৰ্ণনাত সিদ্ধহস্ত, কিন্তু কেৱল বৰ্ণনাত থাকিলেই পদ্য ৰচনা প্ৰকৃত কৱিতাত পৰিণত নহয়। তেনে হোৱাহেঁতেন প্ৰাণী আৰু উদ্ভিদ বিদ্যাৰ গ্ৰন্থবোৰ কৱিতাৰ পুথি হ'লহেঁতেন। কোনো প্ৰাকৃতিক বৰ্ণনা কৱিতাত পৰিণত হ'ব লাগিলে সেই বৰ্ণনা আমাৰ ভূত, ভৱিষ্যৎ আৰু বৰ্তমানৰ সুখ-দুখাত্মক ভাবৰ লগত ওতপ্ৰোতভাৱে মিলি থকা যেন লাগিব লাগে যি বৰ্ণনা মানুহৰ সুখৰ দুখৰ বা সৌন্দৰ্য স্মৃতিৰ বাহিৰত, সি আমাৰ কল্পনাক স্পৰ্শ কৰিব নোৱাৰে বা আমাৰ আপোন যেন নেলাগে। চৌধাৰী ডাওৰীয়াৰ বৰ্ণনাই তেওঁৰ বৰ্ণনাৰ বিষয়ক 'অজ্ঞাত কুলশীল' আচহুৱা আলহী নকৰি পূৰ্ব স্মৃতিৰ বিজড়িত বহুদিনৰ চিনাকি বন্ধুৰ দৰে উপস্থিত কৰে। বৰ্তমান কৱিতাবোৰৰ সেই সেই কৱিতাৰ-পৰাই এইটো প্ৰতিপন্ন কৰিব পাৰি। আমাৰ ভিতৰত বহুতে গিৰিমল্লিকা ফুল দেখা নাই, কিন্তু কৱিৰ বৰ্ণনাত ই পৌৰাণিক কল্পনাৰ অপ্সৰী মদন-ভস্ম আদিৰ লগত সানমিহলি হৈ বহুকলীয়া চিনাকি লগৰী যেন লাগে আৰু কৱিয়ে যেতিয়া গায়—

প্ৰাণ প্ৰিয়া আজি মোৰ বিজন কুঞ্জত,
তুলিবানে লয়লাসে হাঁহিৰ তৰঙ্গ,
নিষ্প্ৰভ ফুলনি মোৰ হোক জ্যোতিৰ্ময়।

তেতিয়া বাস্তৱিকতেই ইয়াক তাপিত মনত আশাৰ বাণীৰ দৰে বহুমূলীয়া বস্তু যেন লাগে। সেইদৰে পুৰতি তৰা কৱিতাত যেতিয়া গঙাচিলনীৰ করুণ মাতত কল্পিৰ মনত সাঁচি থোৱা ব্যথা জাগি উঠে—

কত যুগ যুগান্তৰ সাঁচি থোৱা ব্যথা
উঠে মোৰ পৰাণ আকুলি
বিপুল আবেগ ভৰা বেদনাৰ সুৰে
আকাঙ্ক্ষাৰ বাজিল সুতুলি।

তেতিয়া গঙাচিলনীৰ মাত আৰু অনুভূতি ৰসমণ্ডলৰ বাহিৰা বস্তু নহয়। ই সন্তাপিতা জননীৰ আচম্বিতে শুনা হেৰুৱা সন্তানৰ মাতৰ দৰে—মধুৰ, করুণ, মাৰ যোৱা সোঁৱৰণী জগোৱা।

চৌধাৰী ডাঙৰীয়াৰ কৱিতাত য'তেই প্ৰাকৃতিক পদাৰ্থৰ উল্লেখ আছে, ত'তেই ইয়াক আমাৰ অনুভূতিৰ কোনোবা চকুৰ লগত সংশ্লিষ্ট থকা যেন দেখা যায়।

উদাহৰণস্বৰূপে কেই ফাঁকিমান পদ তুলি দিয়া হ'ল—

অনাবিল ৰহনাৰ প্ৰেম সৌৰভত
সুৰভিত হয় মোৰ মানস সৰস
সন্ধিয়া খদ্যোৎ আহি
মাৰে বিদ্ৰূপৰ হাঁহি
নিয়তি ডালত পৰি মাতে ছটা মাত। ইত্যাদি (জোনলৈ)

কৱিতা উপভোগৰ বস্তু। আমাৰ মৰহি থকা ভাৱক জগাই তুলি ভাৱৰ খলকনিৰপৰা যি আনন্দ হয়, সেই আনন্দ দিয়ে কৱিতাই। চৌধাৰী ডাঙৰীয়াৰ কৱিতাত সেই আনন্দ দিবৰ শক্তি সম্পূৰ্ণ বিৰাজমান।

তুমি

স্বদেশ প্ৰেমিক, পুৰণি "চেতনা" আৰু বৰ্তমান "ডেকা অসম"ৰ সম্পাদক শ্ৰীযুত অম্বিকাগিৰী ৰায়চৌধুৰীক নজনা মানুহ অসমত নাই। তেওঁৰ স্বদেশ হিতৈষণা আৰু কৰ্ম গৌৰৱেই অসমৰ জনসাধাৰণৰ মাজত তেওঁৰ যথেষ্ট পাতনি। কিন্তু ৰায়চৌধুৰী দুভৰণীয়া পুৰুষ। তেওঁ একালে যেনে প্ৰাণ ঢালি দিয়া স্বদেশকৰ্মী, আনকালে তেনে অন্তস্পৰ্শী আবেগপূৰ্ণ প্ৰেমৰ কৱি। তেওঁৰ সুগভীৰ প্ৰেমেই তেওঁৰ বিশাল কৰ্মপ্ৰেৰণা।

"তুমি" কাব্য ৰায়চৌধুৰীৰ আধ্যাত্মিকতাৰ উজ্জ্বল চানেকি। "তুমি" কাব্যক কৱিৰ বিশ্বৰূপ দৰ্শন বুলি ক'ব পাৰি। ভগৱদ্‌গীতাত ভক্ত অৰ্জুনে শ্ৰীকৃষ্ণৰ বিৰাট মূৰ্তিত বিশ্বৰূপ দেখা পাইছিল। ভগৱান কৃষ্ণৰ বিৰাট ৰূপত অৰ্জুনে পাহাৰ-পৰ্বত, নৈ-সাগৰ, জীৱ-জন্তু, চন্দ্ৰ-সূৰ্য, তাৰকা মণ্ডলী আদি সকলো দেখিছিল। কিন্তু প্ৰকৃত কৱিয়ে ভগৱানৰ বিৰাট ৰূপত "তুমি" কাব্যত বৰ্ণিত সকলো বিশ্বসৌন্দৰ্য সমাৱেশ দেখিলেহেঁতেন।

"তুমি" কাব্য সাতোটা ছেদত বিভক্ত। প্ৰথম তিনি ছেদ 'তুমি'ময় ভগৱানৰ বিশ্ব-সৌন্দৰ্যৰ বৰ্ণনাৰে ভৰপূৰ।

প্ৰথম ছেদত কৱিয়ে ডেকা প্ৰেমিকৰ চকুৰে তুমি ভগৱানত প্ৰেমিকাৰ সকলো সম্মোহন ইন্দ্ৰিয়গ্ৰাহ্য সৌন্দৰ্যৰ সমাৱেশ দেখিলেহেঁতেন, তুমিৰূপী ভগৱান 'গাভৰুৰ গোলাপী গালত লাজৰ ৰাঙলী আভা'। তেওঁ 'সুন্দৰীৰ ৰসাল বুকুত ৰসৰ প্ৰতিমা', তেওঁ 'চেনেহীৰ চকুৰ চুকত এটি কেৰাহী কটাক্ষ' ইত্যাদি তৰুণ প্ৰেমিকৰ চিত্ত-প্ৰমাথী ইন্দ্ৰিয়গ্ৰাহ্য, ইন্দ্ৰিয়ভোগ্য বিচিত্ৰ সৌন্দৰ্যৰ সমাৱেশ।

দ্বিতীয় ছেদত 'তুমি' ভগৱান মঙ্গলময় মাতৃস্নেহ, পত্নীস্নেহ, ভাই-ভনী স্নেহৰ প্ৰতীক। তেওঁ 'জননীৰ অন্তৰত সাদৰি সজাই থোৱা প্ৰেম'। তেওঁ 'আনৰ মুখে স্বামীটিৰ অধোগতি হোৱা শুনিলে মুক্তিৰ কল্পনা কৰি থকা পতিপ্ৰাণা সতী', তেওঁ

'ভাই-ভনী মিলি কৰা
ফুলনিত সৰল ধেমালি,
হিয়াই হিয়াই বন্ধা
নিছিগা প্ৰেমৰ ভোল ভালি।'

তৃতীয় ছেদত 'তুমি' ভগৱানে সকলো প্ৰাকৃতিক সৌন্দৰ্যত স্বৰূপ প্ৰকাশ কৰিছে। তেওঁ 'শাৰদীয় চন্দ্ৰমাৰ বই অহা ৰূপালী জোনাই', তেওঁ 'পূৰ্ণিমাৰ পোহৰত ভাহি যোৱা সেউজী বননি' ইত্যাদি।

চতুৰ্থ ছেদত 'তুমি' ভগৱান সকলো জাগতিক ধৰ্মৰ তত্ত্বময় মূল মন্ত্ৰ। তেওঁ 'জগত জগাই তোলা ইন্দ্ৰজালৰ গীত', তেওঁ 'আকাশ আগুৰি উঠি হিয়াৰপৰা বাগৰা হেন্দোলনি', তেওঁ 'তৃপ্তিৰ আমনি খোজা চঞ্চল বাসনা'—ইত্যাদি।

পঞ্চম ছেদত 'তুমি' আৰু কৱিৰ পৰস্পৰ সম্বন্ধ বিচাৰ। আঁউসীৰ আন্ধাৰৰ দুভাগ নিশা সাৰ পাই কৱিৰ প্ৰাণ কঁপি উঠিল। অন্তৰ নিৰ্বাক, ইন্দ্ৰিয় নিমাত, হৃদয়ৰ ভাব পদুলি বিৰহত বন্ধা। মন-প্ৰাণ বিৰহত ছাটিফুটি কৰে, প্ৰেমে নন্দনৰ সুশীতল জিৰণি নাপায়। ব্যথিত অন্তৰেৰে কৱিয়ে সুধিছে—

'কোন তুমি প্ৰেমময় ;
আঁতৰাই থিধাচয়
জীৱনৰ কাণে কাণে আহি
জনালা জাননী ?'

বিৰহৰ ব্যথাৰে কৱিৰ হিয়া ব্যাকুল, যিকালে চাই সেইকালেই প্ৰেমৰ অভিব্যক্তি—

'যেতিয়া যিফালে চাওঁ
প্ৰেমকেহে দেখা পাওঁ—
অসীমৰ বিৰাট অঞ্চল
বঞ্চিত প্ৰেমত।'

কিন্তু ইমান পৰে ইমান দিনে ইমান দূৰ বিয়পি থকা মিলন আবেগ সুৰ কৱিয়ে শুগুনিলে—

'মিলন আবেগ সুৰ
বিয়পি ইমান দূৰ
শুগুনিলোঁ,—কৰুণা বিন্দুৰ
নাপালো আশ্ৰয়।'

কিয় ? এই প্ৰশ্নৰ সমাধানেই "তুমি" কাব্যৰ কেন্দ্ৰস্থ ভাৱ। তুমি ভগৱানৰ বিশ্ব সৌন্দৰ্যত কৱিয়ে অসীমৰ বিৰাট অঞ্চল প্ৰেম-বঞ্চিত দেখিলে কিন্তু ভগৱানৰ বিমোহন ৰূপ কৱিয়ে উপলব্ধি কৰিব পৰা নাই কিয়নো কৱিৰ মনত যি প্ৰেম আছিল, সি—

'কামনাৰ তলতীয়া
কামনাৰ মতলীয়া
সেই প্ৰেম মহা পৰাধীন
ইন্দ্ৰিয় ভোগৰ।

তাতেহে তাহানিখন
নাপালোঁ তোমাৰ মন
নকৰিলা প্ৰকাশ তোমাৰ
বিমোহন ৰূপ।'

কৱি আছিল বাসনাৰ আঁৰত, ভগৱান আছিল বাসনাৰ সিপাৰত ; বাসনাই কৱি আৰু ভগৱানৰ মিলনৰ প্ৰধান অন্তৰায়।

ষষ্ঠ ছেদত প্ৰেমিক আৰু তুমি ভগৱানৰ সম্পূৰ্ণ মিলনৰ উপায় নিৰ্দেশ আছে।

'নিজক বিলাই দিব
তাতেহে নিজকে পাব
প্ৰাণৰ মাজত,

নিজক দিলেহে এৰি
প্ৰাণৰ আপোন হ'ব
সকলো বিশ্বত।'

কামনা বিলোপেই আত্মোপলব্ধিৰ একমাত্ৰ উপায়। এয়েই গীতাৰ নিষ্কাম ভাব, বৌদ্ধৰ নিৰ্বাণ। বাসনাৰ ব্যৱধান গুচিলে 'তুমি' আৰু 'মই' ভক্ত আৰু ভগৱানৰ প্ৰেমিক আৰু প্ৰেমিকাৰ পাৰ্থক্য নাথাকে। 'তুমি'য়েই 'মই'। ঋষিবাক্য 'তত্ত্বমসি'—জগতত য'ত যি আছে সকলো "তুমি" কাব্যৰ প্ৰধান তাৎপৰ্য।

কৱিৰ বাসনাৰ অন্তৰায় গুচিলত নিজৰ প্ৰাণৰ মাজতেই 'তুমি'ময় সৌন্দৰ্যৰ প্ৰতিমা উপলব্ধি কৰিলে—

'নিমাত নিশাত কত
উজাগৰে থাকি থাকি
উগ্ৰ আবেগত
নেদেখা নুশুনা সেই
চাওঁ প্ৰতিমাটি ৰাখি
প্ৰাণৰ মাজত।'

* * *

'আদিহীন অন্তহীন
মোতে দেখোঁ গঁথা তব
পূৰ্ণতাৰ পাৰ।'

'তোমাত হৃদয় মোৰ
মোত আৰু তযু হিয়া
ৰাখিছা প্ৰকাশি।'

* * *

'মোৰে ভিতৰুৱেদি দেখোঁ
ফুলি উঠে তযু নাম
ব্ৰহ্মাণ্ড বিদৰি'—ইত্যাদি।

কৱিয়ে 'মই'ৰ ভিতৰতেই 'তুমি'ৰ সকলো ৰূপ,—সকলো বিভৱ প্ৰতিভা দেখিলে।

সপ্তম ছেদত সাধনাৰ সিদ্ধিত কৱিৰ আত্মপ্ৰসাদৰ ভাৱ প্ৰকাশ—

'আজি মোৰ সাধনা ফুলনি
কাৰ কিনো পাই উদগনি
পোহৰাই মহা বিশ্বখনি
উলাহেৰে হাঁহিছে।'

"তুমি" মনে গঢ়া কৃত্রিম কাব্যৰ পুথি নহয়। প্রেমিক ৰায়চৌধুৰী ডেকা বসয়ত খোলী, বাইৰণ আদি ইংৰাজ ৰোমাণ্টিক কবিসকলৰ দৰে বহুত বাৰ প্ৰেমত পৰিছে, ওপঙিছে, সাঁতুৰি পাৰ হৈছে। "তুমি" কাব্য ৰায়চৌধুৰীৰ কোনোবা বিশিষ্ট নাৰীমূৰ্তিৰ প্ৰতি প্ৰেমৰ সম্মোহন অনুভূতিৰ স্বৰূপ।

নাৰীৰ প্ৰেমৰ ভিতৰেদি বিশ্বনাথৰ বিশ্ব সৌন্দৰ্যৰ স্বৰূপ উপলব্ধি কৰা কাব্য-জগতৰ ইতিহাসত বিৰল নহয়। ইটালীৰ মহাকবি ডাণ্টে বিয়েট্ৰীচ নামৰ ৰূপহী ছোৱালী এজনীৰ প্ৰতি প্ৰেমৰ ভিতৰেদি ঈশ্বৰৰ সাক্ষাত পাইছিল বুলি তেওঁৰ মহাকাব্য 'ডিভাইন কমেডি'ত (Divine Comedy) বৰ্ণনা কৰিছে।

ৰায়চৌধুৰীৰ "তুমি" গুৰিৰপৰাই বিশ্বনাথৰ স্বৰূপ। 'সকলো তুমিয়েই নাথ জগতত দেখিছোঁ যিমান।' কিন্তু এই স্বৰূপৰ প্ৰথম কলাই হৈছে প্ৰেমিকৰ বিচিত্ৰ সৌন্দৰ্যচ্ছটা। সাতোটা ৰশ্মিৰ সমষ্টিত সূৰ্যৰ সকলো পোহৰ প্ৰকাশ হোৱাৰ দৰে "তুমি" কাব্যৰ সাতোটা ছেদত কবিৰ কল্পিত বিশ্বনাথৰ বিশ্ব সৌন্দৰ্যৰ সাতোটা কথা প্ৰকাশ হৈছে।

"তুমি" কাব্য বিৰাট ভাৱৰ খলকনি এটিৰপৰা ওলাইছে, ইয়াৰ সকলো ছেদতেই আশ্চৰ্য তন্ময়তাৰ ভাব শিলৰ ওপৰেদি তড়িৎ গতিত ছিটিকি পৰা জল-প্ৰপাতৰ তৰঙ্গ ভঙ্গৰ দৰে দশাক্ষৰী ক্ষিপ্ৰগতিৰ চুটি পদবোৰে অনুভূতিৰ তীব্ৰতা বিচিত্ৰ সৌন্দৰ্যময়ী ভাষাৰে প্ৰকাশ কৰিছে।

কেতেকী

শ্ৰীযুক্ত ৰঘুনাথ চৌধাৰী ডাঙৰীয়া অসমীয়া সাহিত্যত সুপৰিচিত। তেওঁৰ নিঃস্বাৰ্থ সাহিত্য সেৱা সকলোৰে জনাজাত। সম্প্ৰতি তেওঁৰ কাপৰপৰা "কেতেকী" বুলি অসমীয়া সাহিত্যত অপূৰ্ব চৰাই কবিতা এটি পোৱা হৈছে। কবিতাটো বৰ সুন্দৰ। ইয়াৰ ভিতৰেদি ভাব মন্দাকিনী প্ৰবাহিত হৈছে আৰু পাঁচোটা তৰঙ্গত বিভক্ত হৈ ওলাই ই যে সকলোকে "তৰঙ্গহৈকৰূপগুহভীৰ" কৰিব তাত অলপো সংশয় নাই।

কবিতাটোৰ মূল ভাব, কেতেকী চৰাইৰ আগমনত সাগৰত জোৱাৰ উঠাত শীতৰক্ষা গড়াৰ নিচিনা জড়চেতন পৃথিৱীৰ নৱযৌৱন স্ফুৰণ। কেতেকীৰ গীত কোনোৱা 'অপৰূপ সদানন্দ ৰূপ' মানুহে নজনা পূৰ্ণ জগতৰ আনন্দ উল্লাস। কেতেকীৰ মাত জানিবা বসন্তৰ বতাহ, কোন দেশৰপৰা আহি কোনকালে বলি যায় তাৰ ইয়ত্তা কৰিব নোৱাৰি। কবিয়ে চৰাইক কেতেকীৰ স্বৰূপ

কোৱা নাই ; তেওঁৰ মনত কেতেকী মাথোন এটি স্বৰ, এটি প্ৰহেলিকা, 'a voice, a mystery', এই বিস্ময় ভাৱতেই কৱিতাটো আৰম্ভ হৈছে—

ক'ৰপৰা তই আহিলি সোণাই
কোন দিশে যায় উৰি,
কিয় বা ফুৰিছ দূৰ-দূৰণিত
অকলই ঘূৰি ঘূৰি ?

এই বিস্ময় ভাবতেই মগন হৈ কৱিয়ে প্ৰথম কুৰি পদত এই নিকৰুণ অসম্পূৰ্ণ সংসাৰৰ লগত এই অভিনৱ চৰাইৰ মাতৰ অমিল দেখুৱাইছে—

বুজিছ নে পখী মায়া কাননত
বিহৰিছ তই আহি,
মায়া ভাও জুৰি মায়াবী সকলে
লগাব ডিঙিত কাঁহি ?

তাৰ পিছতো কৱিৰ মন বিস্ময় আৰু সন্দেহেৰে ভৰি পৰিল। পখীটোৱে সুবুজে, তাৰ মাতৰ লগতো একো সম্বন্ধ বিচাৰি নাপায়। - চৰাইয়ে দুখৰ গীত গাইছেনে কিবা সুখৰ বাতৰি আনিছে ? এনেতে কৱিৰ মোহ ভাগিল আৰু মনৰ আবেগত আচল সত্য উপলব্ধি কৰিলে—

প্ৰেমৰ সোৱাদ বিলাব আহিছ
দেৱদূত ৰূপ ধৰি।

কল্পনাৰ তীব্ৰ দৃষ্টিৰে কৱিয়ে বুজিলে যে এই শোকপূৰ্ণ সংসাৰত য'ত য'ত সুখৰ জেউতি পৰিছে সেই আটাইবোৰেই কেতেকীৰ গীতৰ ঢৌ মাথোন—

জন-প্ৰাণীহীন মৰু প্ৰান্তৰত
গাই সঞ্জীৱনী গান,
সজাই তুলিলি উৰৰ ভূমিত
অপৰূপ মৰুদ্যান।

চাই থাকোঁতে থাকোঁতে চকু ফুৰাই কৱিয়ে দেখিলে যে কেতেকীৰ গীতৰ লগে লগে জগতত এক অপূৰ্ব প্ৰাণৰ সঞ্চাৰ হ'ল। দ্বিতীয় স্তৱকত জগতৰ এই নৱভাৱ বৰ্ণনাক, ভাৱৰ গৰিমা, ভাষাৰ সৌষ্ঠৱত মহাকৱি কালিদাসৰ কুমাৰ সম্ভৱৰ তৃতীয় সৰ্গৰ বসন্ত বৰ্ণনাৰ লগত তুলনা কৰিলে কোনো-ক্ৰমেই অসমীয়া কৱিৰ বৰ্ণনাই হীনতা স্বীকাৰ কৰিব নালাগিব। তাৰ উপৰিও অসমীয়া কৱিৰ বৰ্ণনাৰ বিষয় বেছি প্ৰশস্ত। কুমাৰ সম্ভৱৰ বসন্ত, হিমালয় পৰ্বতত ধ্যান-মগ্ন শিৱৰ আশ্ৰমৰ চাৰিউফালে সজীৱ কৰিহে উদয় হৈছিল। অসমীয়া কৱিৰ বসন্তৰ হিল্লোলত পৰ্বত, প্ৰান্তৰ, ভূচৰ, খেচৰ এনেকি জড়জগতো বিকম্পিত হৈ উঠিছে।

কৱিতাৰ চিত্ৰবোৰ শুনা বা অইন কিতাপৰপৰা ধাৰ কৰি অনা কাল্পনিক চিত্ৰ নহয়; সেইবোৰ কৱিয়ে নিজৰ কৱিতাময় চকুৰে অসমীয়া গাঁৱে-ভূঁয়ে হাবিয়ে-বননিয়ে দেখা চিৰকলীয়া চিত্ৰ মাথোন। এইবোৰত কৱিৰ নিৰীক্ষণ শক্তি সুন্দৰভাৱে প্ৰকাশিত হৈছে। গোটেই দ্বিতীয় তৰঙ্গটোৰ ওপৰত এনে এক অপূৰ্ব জেউতিৰ ছাট পৰিছে যে তাৰপৰা পদ উদ্ধাৰ কৰি দেখুৱাটো ফুল ছিঙি ফুলনিৰ সৌন্দৰ্য বুজোৱা যেন লাগে। তথাপি ৰীতি অনুসাৰে দুই-এটি পদ উদ্ধৃত কৰি দিয়া হ'ল—

দহিকতৰাই প্ৰেমৰ ৰাগীত
বিবিধ ভঙ্গিমা তুলি,
তোৰ সুৰটিকে আঁতৰাই লৈ
গাইছে হৃদয় খুলি।
বিলৰ দাঁতিত পানীৰ যুৰলিত
ডাউকে লগালে মাত—
উঠিল ঝঙ্কাৰ ললিত গীতৰ
মেৱা সৰালীৰ গাত।

নকৈ নোৱাৰি যে সকলো ৰসিক পাঠকৰ গাতেই কৱিৰ বৰ্ণনাৰ এই ঝঙ্কাৰ উঠিব। এনে কি—

সি প্ৰেম গীতত বুঢ়া লুইতৰ
ফুলি উঠে ক্ষীণ গা,
সৈকত ভূমিৰ বিৰিখত পৰি
ঘূৰাই এবাৰ গা।

আন আন বৰ্ণনাবোৰক কোনোবাই গতানুগতিক বুলি ক'লেও বুঢ়া লুইতৰ গা উঠা কল্পনাতেই কৱিৰ গৰীয়সী প্ৰতিভাৰ মৌলিকত্ব প্ৰতিপাদিত হ'ব। ভাদমহীয়া ব্ৰহ্মপুত্ৰৰ ঢলক কেতেকীৰ গীতৰ ভিতৰেদি এডালি বিশ্বজীৱন সূতাৰে গাঁথি লোৱা সাধাৰণ কৱিৰ কল্পনা নহয়। আকৌ বেছি হৃদয়গ্ৰাহী—

তোৰ মাত শুনি লাজুকী বোৱাৰী
ৰৰলাই এৰে তাঁত,
হাতৰ মাকোটি হাততেই ৰয়
হেৰায় মুখৰ মাত!
সেই সুৰতে জীয়াৰী ছোৱালী
আপোন পাহৰা হয়,

ঘঁৰত থকা মহুৰা কাঠীটি
ঘঁৰতে লাগি ৰয়।

ইয়াকেই বোলে সাহিত্যৰ জাতীয়তা, ইয়াকেই বোলে "গোষ্পদে নভোমণ্ডলং।" সাধাৰণ অসমীয়া ঘৰুৱা জীৱনৰ ভিতৰেদি বিশ্বজীৱনৰ বিকাশ দৰ্শন— গৰুৰ খোজৰ পানীত সমস্ত নভোমণ্ডলৰ প্ৰতিবিম্ব। ইয়ো অসামান্য মৌলিকত্বৰ নিদৰ্শন মাথোন। মৌলিক প্ৰতিভাৰ লক্ষণেই এনেকুৱা য'ত বৰ্ণিত চিত্ৰবোৰ সদায় স্থানোপযোগী কৰি তোলে, সকলুৱা লিখকসকলৰ দৰে কৱিয়ে যদি বোৱাৰীক নাটক উপন্যাস পঢ়ি থকা বুলি ক'লেহেঁতেন, তেন্তে সেইটো ইমান মৰ্মস্পৰ্শী নহ'লহেঁতেন। তাত বাজেও ইয়াত জাতীয় বা স্থানীয় সত্যৰ অভাৱ অনুভৱ কৰিব লাগিলহেঁতেন। যি সমাজত থাকি বা যি-সমাজক লক্ষ্য কৰি কৱিয়ে বৰ্ণনা চলায় সেই সমাজৰ আচাৰ-ৰীতিৰ ভিতৰেদিহে কৱিয়ে নিজৰ চিত্ৰ দেখুৱায়। কৃষ্ণৰ বংশীধ্বনিত গোকুলৰ গোৱালিনীসকলৰ যেতিয়া উখল-মাখল লাগিল তেতিয়া—

আছিলেক কতো গোপী গাই দুই।
কান্দিয়া আছাড়ি যায় বিমোহিতা হুই॥
কতোজনী যায় দধি মথনকো এৰি।
আখাতে থাকিলে দুধ চক সৈতে পৰি॥ [শঙ্কৰদেৱ]

ইন্দুমতীৰ বিয়াৰ পিছত বৰ-কন্যা যেতিয়া বিদৰ্ভ নগৰত সোমাল, কুলঙ্গনাসকলে কৌতুক বিৱশা হৈ—

জালান্তৰ-প্ৰেৰিত—দৃষ্টিৰন্যা প্ৰস্থানভিন্নাং নৱবন্ধনীৱীম্
নাভি প্ৰবিষ্টাভৰণপ্ৰভেন হস্তেন তস্থাৱৱলম্ব বাসঃ॥ [ৰঘুবংশ]

অসমীয়া ছোৱালীৰ হাতৰ মাকোটি হাততে ৰোৱা, গোকুলৰ গোৱালিনীৰ আখাৰ চক আখাতে এৰা, ৰাজধানীৰ ছোৱালীৰ বুকুৰপৰা পিছলি যোৱা মেখেলাৰ প্ৰতি অচেষ্ট, মৌলিকতা হিচাবে এক শ্ৰেণীৰ কৱিৰেই বৰ্ণনা।

তাত বাহিৰেও গৰুৰ খোজৰ পানীত নভোমণ্ডলৰ প্ৰতিবিম্ব পৰাৰ দৰে পৰিমিত কথাৰে অপৰিমিত ভাব বিকশিত কৰি তোলা শক্তিও প্ৰতিভাৰ বল মাথোন। সেই হিচাবেও অসমীয়া কৱিৰ 'হাতৰ মাকোটি হাততেই ৰয়', 'ঘঁৰত থকা মহুৰা কাঠীটি ঘঁৰতে ৰয়', আঁকি থোৱা ছবি চকুৰ পানীৰে তেনেই বিয়পি গ'ল' ইত্যাদি পদবোৰৰ প্ৰকাশিকা শক্তিক মহাকৱি কালিদাসৰ "শৈলাধিৰাজ-তনয়া ন যযৌ ন তস্থৌ", 'চিত্ৰাৰ্পিতাৰম্ভমিৱাৱতস্থে' "বাষ্পস্তু ন দদাত্যেনাং দ্ৰষ্টুংচিত্ৰগতামপি" নাইবা ইংৰাজ কৱি ক'লেৰিজৰ "Like a painted Ship on a painted Ocean" ইত্যাদি জগদ্বিখ্যাত পদবোৰৰ লগত যথাযথভাৱে বিচাৰ পাৰি।

মূঠৰ ওপৰত গোটেই দ্বিতীয় তৰঙ্গটো অভিনৱ সৌন্দৰ্যৰে ভৰপূৰ। তৃতীয় তৰঙ্গত নৱজীৱন প্ৰভাত

দেখি জানোবা নিজৰেই কিবা ভ্ৰম হৈছে, এই বুলি কৰিয়ে অতীত জগতত ইয়াৰ কিবা অভিব্যক্তি আছেনে নাই বিচাৰিব ধৰিলে। কল্পনা চকুৰে তাতো দেখিলে যে শকুন্তলা দেৱীয়ে—

মালিনী তীৰত দূৰ্বা আসনত
বং মনে বহি দেৱী ;
পদুম পাতত আঁকি থৈছিল
প্ৰাণ প্ৰতিমাৰ ছবি।
বহণ সানিব নৌ পাওঁতেই
উঠিল চিন্তাৰ ধল,
আঁকি থোৱা ছবি চকুৰ পানীৰে
তেনেই বিয়পি গ'ল।

সেই একে গীতৰ তানতেই বিদৰ্ভৰ দয়মন্তী, শোণিতপুৰৰ উষাদেৱী, অলকাৰ নবোঢ় বক্ষ আৰু গোকুলৰ গোপীসকলে প্ৰেম সলিলত আহি নিজ নিজ হৃদয় দেৱতাত আত্মসমৰ্পণ কৰিলে। এনেকি সেই গীতৰ ঢৌতেই মহাকবি কালিদাসৰ কল্পনাত 'মেঘদূত' ফুটি উঠিল—

যি গান শুনি বিৰহী যক্ষই
পালে গিৰি চিত্ৰকূট
সেই সুৰতে নে কবি কল্পনাত
ফুটি উঠে মেঘদূত ?

অসমীয়া কবিৰ নিচিনা চৰাইৰ একে গীতৰ সুৰতেই মুগ্ধ হৈ তৰুণ ইংৰাজ কবি কীট্‌চেও অতীতত সেই একে জীৱনৰ স্পন্দন অনুভৱ কৰিছিল—

Perhaps the self-same song that found path
Through the sad heart of Ruth, when sick for home
She stood in tears amid the alien corn, etc

চতুৰ্থ স্তৱকত কবিয়ে দেখিলে যে কেতেকীৰ গীতৰ ঝঙ্কাৰত কেৱল অতীত আৰু তেওঁৰ চাৰিওফালেই সন্মোহিত হোৱা নাই ভূত-ভৱিষ্যত, তল-ওপৰ সকলোকে ছানি এক বিশাল জীৱন-সোঁত প্ৰৱাহিত হৈছে।

তোৰ সঙ্গীতত বিজুলী চমকে
মেঘে মেঘে চুমা খায়।
* * *
সান্ধ্য গগনৰ ৰূপে মেঘদল
বায়ু সাগৰত উটি।
* * *

তোৰ সঙ্গীতত নাচে গোপবালা
যমুনা উজাই বয়।

কৱিৰ মনত প্ৰথমবৰপৰাই যে 'আছিলোঁ মগন মোহ টোপনিত, নাছিল চেতনা জ্ঞান' ইত্যাদি ধৰণৰ এক সমস্যা চলিছিল—সচৰাচৰ দেখি থকা জগতখনেই সত্য নে পখীৰ গীতত মুকলি হোৱা জগতখনেই সত্য, ব্ৰহ্মাণ্ড জুৰি এক বিৰাট চৈতন্য প্ৰবাহ দেখি এই সন্দেহ ভাগি গ'ল—

তোৰ লগতেই এৰি গ'লোঁ মই
মায়াৰ সংসাৰ খন।

কিন্তু চাই থাকোঁতে থাকোঁতেই পঞ্চম তৰঙ্গত আহি আকৌ বিষাদৰ ছায়া পৰিল। চকুৰ আগতে পখী অন্তৰ্হিত হ'ল, কৱিৰ বিৰাট বিশ্বৰ সপোন ভাগি গ'ল। আকৌ

চাওঁতে চাওঁতে প্ৰকৃতি বুকুত
পৰিল কালিমা ৰেখা।

* * *

কেতেকী বিহনে শুদা শুদা যেন
হ'ল আজি মায়াপুৰী।

কেতেকী কৱিৰ কোনো আকস্মিক ভাবৰপৰা ওলোৱা কৱিতা নহয়। বহুত দিন আগেয়ে প্ৰকাশিত হোৱা বৰ্ত্তমান কৱিৰ "সাদৰী" নামে খণ্ড কৱিতাৰ পুথি এখনত 'গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী', 'মৰমৰ পখী' আৰু 'কেতেকী চৰাই' বুলি তিনিটা চৰাই কৱিতা পোৱা যায়, সেইবোৰৰপৰা বুজা যায় যে চৰাই জীৱনৰ ৰহস্যময় সৌন্দৰ্যই ভালেমান দিনৰপৰা কৱিৰ মনত প্ৰশ্ন আৰু কৌতূহল হিচাপে ভুমুকি মাৰি আছিল। "কেতেকী"ত প্ৰকাশ হোৱা ভাব আৰু সৌন্দৰ্য অঙ্কুৰ অৱস্থাতেই এইবোৰ কৱিতাত থকা দেখা যায়—

পৰেনে মনত পখী যমুনা তটিনী,
কদম গছত পৰি
পঞ্চমত সুৰ ধৰি
কৰিছিল ব্ৰজাঙ্গনা মন উন্মাদিনী,
গোৱা হে সেই সুৰে মোৰ প্ৰিয় বিহঙ্গিনী!

প্ৰেম গীত গাবলই ক'তনো শিকিলা;
একেটি ভাবৰ গানে
একেটি প্ৰাণৰ তানে,
কঠুৱা সংসাৰ তুমি কোমল কৰিলা।

"কেতেকী" কৱিতাত কৱিৰ মনত সাঁচি থোৱা চিৰকলীয়া ভাববোৰ পৰিণত অৱস্থাত তুপীকৃত সৌন্দৰ্য ৰূপে প্ৰকাশ পাইছে। আগৰ কৱিতাবোৰত যিবোৰ কথা প্ৰশ্ন ৰূপে উদয় হৈছিল

"কেতেকী"ত সেইবোৰৰ এটি কৱিত্বময় উত্তৰ ফুটি ওলাইছে। কৱি-জীৱনৰ বহুত দিন ব্যাপী সঞ্চিত ভাবৰ ক্ৰমবিকাশ দেখুৱাৰ পৰা কৱিতা চৌধাৰী ভাণ্ডাৰীয়াৰ চৰাই কৱিতাবোৰত বাজে অসমীয়া সাহিত্যত বৰ বিৰল।

ফুলৰ শৰাই

সাগৰ-মথনত অমৃত আৰু গৰল দুয়ো ওলাইছিল। দেৱতাসকলে অমৃত বিলাই ল'লে। কিন্তু ভৱিষ্যতে সংসাৰৰ অকল্যাণ হ'ব ভাবি মহাযোগী মহাদেৱে সকলোখিনি গৰল গিলি খাই চিৰকাললৈ নীলকণ্ঠ হৈ থাকিল। সংসাৰৰ আধি-ব্যাধিত মানুহৰ জীৱনো সাগৰৰ দৰে প্ৰমথিত হয়। মনত বিহ আৰু অমৃত দুয়োৰো অভ্যুদয় হয়। মনৰ জাল লোক সমাজত বিস্তাৰ নকৰি নিজেই জীৰ্ণ কৰি অমৃত ভাগ নৰ-দেৱতাৰ সেৱাত লগাব পৰাটোতহে জীৱনৰ সাৰ্থকতা বুজায়।

"ফুলৰ শৰাই" এমুঠি কৱিতাৰ পুথি। ৰচয়িত্ৰী শ্ৰীমতী ধৰ্মেশ্বৰী দেৱী অসমৰ এগৰাকী বিদুষী মহিলা। তেওঁ গুৱাহাটীৰ শ্ৰীযুক্ত দুৰ্গানাথ বৰুৱাৰ সহধৰ্মিনী। শৈশৱত সুখত লালিত-পালিত, কিন্তু বৈবাহিক জীৱনৰ গুৰিৰেপৰা তেওঁৰ জীৱন নানান আধি-ব্যাধিৰে নিষ্পেষিত। স্বামীৰ ঐকান্তিক স্নেহৰ বাজে সাংসাৰিক হিচাপত যাক সুখ বোলে তাৰ কণা এটিও তেওঁ নাপালে।

'ধুমুহা' বোলা কৱিতাটোত ৰচয়িত্ৰীয়ে ৰূপকৰ ছলেৰে তেওঁৰ জীৱন কেনেকৈ ওলট-পালট হ'ল তাৰ আভাস এটি দিছে।

ধুনীয়া প্ৰকৃতি দেৱী
পৰিলেছি শৈতা।
চিনিব নোৱাৰা হ'ল
লাহৰ সেঁওতা॥ (ধুমুহা)

থাকিল মাথোন অতীতৰ সোণালী সোঁৱৰণীৰ দুটি জোনাকী পৰুৱা—

আছে মাথোঁ দুটি এটি
সোণালী জোনাকী।
মাজে মাজে একোবেলি
দিছেহি ভুমুকি॥ (ধুমুহা)

সংসাৰৰ সুখ নেদেখি ৰচয়িত্ৰীয়ে অপাৰ্থিৱ সুখৰ অন্বেষণত নিৰত হ'ল। চাৰিওকালে দেখা জগতখন, মায়াৰ খেলা, ইয়াক বাস্তৱ বুলি ধৰি ল'ব নোৱাৰি—ইয়াৰ সুখো মৰীচিকা মাথোন—

মায়াময় এই বিশ্বজগত
মায়াৰেই ভৰপুৰ।

মায়াময় এই মানৱ জীৱন
মায়াৰ নেদেখোঁ ওৰ ।। (মায়া)

সুখ ক'ত ? সুখৰ অস্তিত্ব দেখিলে তেওঁ সেইজনত যি সকলো, কামনা, বাসনা এৰি দি একান্ত মনেৰে ঈশ্বৰত মন-প্ৰাণ সঁপি দিছে। (প্ৰকৃত সুখ ক'ত)। ৰচয়িত্ৰীৰ মনত ঈশ্বৰ কোনো কল্পিত স্বৰ্গৰাজ্যত নাই ; আমি সচৰাচৰ দেখা সকলো বস্তু, সকলো পদাৰ্থতেই তেওঁ বিৰাজমান—

তুমিয়েই নেকি সুনীল আকাশ
জোন বেলি সৰু তৰা ।
তুমিয়েই নেকি শূন্যৰ কোলাত
মেঘত বিজুলী ভৰা ॥

* * *

তুমিয়েই নেকি মানৱ হিয়াৰ
জগত মোহিনী আশা ।
তুমিয়েই নেকি কামিনী মুখৰ
সুন্দৰ মধুৰ আভা ॥

* * *

তেনেহ'লে দেৱ আছা সকলোতে
আত্মাৰাম ৰূপ ধৰি ।
আঁতৰোৱা প্ৰভু অজ্ঞান আন্ধাৰ
হিয়াত জেউতি চৰি ॥
(তুমিয়েই নেকি)

সৰ্বতো বিদ্যমান এই ঈশ্বৰৰ পূজালৈ ৰচয়িত্ৰীয়ে সেৱাৰ অঁজুলি মাগিছে—

শুদ্ধ মতি কৰা মোক
পাতিবলৈ তোমাৰ আসন ।

* * *

বিনয় নম্ৰতা দিয়া
সেৱে গন্ধ অতুল চন্দন ।

* * *

চকুত চকুলো দিয়া
ধুৱাবলৈ তোমাৰ চৰণ

বিমল জেউতি দিয়া

পাওঁ যেন তব দৰশন ॥

(প্ৰভু মোক দিয়া)

হিয়াত সকলো পূজাৰ অঞ্জলি গোটাই লৈ ধ্যানৰতা ৰচয়িত্ৰীয়ে মানস হ্ৰদৰ সৰগৰ পখীক দূত হিচাপে ভগৱন্তৰ থানলৈ তেওঁৰ করুণ বিননি লৈ যাবলৈ কৈছে।

সৰগৰ পখী যা কৰি গৈ তাতে

আছে তেওঁ আনন্দ ধামত।

* *

মাৰে যেন দয়া কৰি এবেলি ভুমুকি

মোৰ এই মৰু হৃদয়ত। (বিনয় বাতৰি)

ৰচয়িত্ৰীৰ হিয়াত অজানিত আনন্দ মূৰ্তিৰ আবিৰ্ভাৱ হ'ল

মোৰ হিয়া মণিকূট মাজে

সুবৰ্ণ কমল আসনত,

বিৰাজিছা অভিনৱ সাজে। (কোন তুমি)

* *

দয়া কৰি দিয়াহে চিনাকি

হেৰা মোৰ হৃদয়ৰ ৰজা,

লোৱা মোৰ সাধনা প্ৰাণৰ

গুচুৱা বুকুৰ ভাৰ বোজা। (কোন তুমি)

ৰচয়িত্ৰীৰ আৰু দুখ-শোক নাই। এই আনন্দঘন মূৰ্তিৰ দৰশনত মৰুভূমিত পানী পৰিল, শূন্য পূৰ হ'ল।

উথলি উঠিব ভগা হিয়া মোৰ

তোমাৰ পৰশ পাই।

* *

শূন্য হিয়াখনি কৰিম পূৰণ

প্ৰাণ মোৰ প্ৰেমাধাৰ।

অৱগাহি তব প্ৰেমৰ মূৰ্তিত

যাতনা নিয়াম মাৰ। (আৰাধনা)

ব্যথাৰ মাজত আনন্দ আৰু এন্ধাৰৰ মাজত ৰচয়িত্ৰীয়ে পোহৰৰ সন্ধান পালে।

কুলৰ শৰাইৰ এনুঠি কবিতাতেই তেওঁ নিজে হৃদয়ৰ আত্মচৰিত লিখি নৰনাৰায়ণৰ লোৱালৈ

আগবঢ়াইছে। কবিতাবোৰ সংসাৰৰ যাতনাত নিমাখিত হিয়াৰ অমৃত নিছাদি। যাতনাত উথলি উঠা সকলো গৰল ৰচয়িত্ৰীয়ে অসীম ধৈৰ্যৰে নিজেই গ্ৰাস কৰিছে। শোক-দুখৰ ইঙ্গিত কবিতা-বোৰত ক'তো নাই। সাধাৰণ কবিৰ দৰে ৰচয়িত্ৰীয়ে হিয়া উদঙাই আমাক করুণ বিননি শুনোৱা নাই। অসীম সংযমৰ ভিতৰেৰে তেওঁ দেখুৱাইছে য'ৰপৰা ভয় তাৰপৰাই অভয় আহিব পাৰে।

"যতো ভয়মভয়ং তন্নো অস্তু"

ভাব আৰু ভাষা অন্তৰৰ আবেগৰ জোখাৰেই কবিত্বময় হৈছে।

অসমীয়া ৰামায়ণ সাহিত্য

অসমীয়া ৰামায়ণ সাহিত্য বোলা এই গ্ৰন্থখনিত প্ৰাচীন অসমীয়া ৰামায়ণ আৰু ৰামায়ণ কবিসকলৰ কেতবোৰ চৰ্চামূলক আলোচনা কৰা হৈছে। ভাৰতীয় প্ৰাচীন সাহিত্যত ৰামায়ণ আৰু মহাভাৰতৰ স্থান অতি উচ্চ। এই দুই মহাকাব্যই কাব্যৰ আস্বাদ দিয়াৰ লগে লগে আৰু প্ৰাচীন জীৱনাদৰ্শ দিয়াৰ লগে লগে যুগ-যুগান্তৰে ভাৰতীয় মনৰ সংস্কাৰ সাধনত যথেষ্ট ৰূপে সহায় কৰি আহিছে। প্ৰাদেশিক ভাষাবোৰতো স্বাভাৱিকতে এই দুই মহাকাব্যই বিশেষ স্থান অধিকাৰ কৰি আছে। ভাৰতীয় প্ৰাদেশিক আৰ্য ভাষাবোৰৰ তুলনামূলক আলোচনা কৰিলে দেখা যায় যে আন ভাষাবোৰৰ আগতে অসমীয়াত এই দুই মহাকাব্যৰ অনুবাদ হয়। মধ্য যুগৰ নৱবৈষ্ণৱ ধৰ্ম আন্দোলনত এই দুই মহাকাব্যই বিশেষৰূপে সহায় কৰিছে। অসম কামৰূপ, বেহাৰত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰোঁতা শ্ৰীমন্ত শঙ্কৰদেৱৰ বহু আগতে মাধৱ কন্দলীয়ে ৰামায়ণ কাব্য প্ৰচাৰ কৰে। বৈষ্ণৱ যুগত ৰামায়ণত ভাগৱতী কথা মিশ্ৰ কৰি কবিসকলে ৰামায়ণকো কৃষ্ণভক্তি শাখাৰ ভিতৰুৱা কৰি তুলিছে। ৰামৰ আদৰ্শমূলক চৰিত্ৰই মানুহৰ মন এনেকৈ আকৃষ্ট কৰিছিল যে কবিসকলে গদ্যে পদ্যে ভিন্ ভিন্ আহিৰ ভিন্ ভিন্ সংস্কৰণ ৰচনা কৰি অসমীয়া পুৰণি সাহিত্য চহকী কৰি গৈছে। মূল ৰামায়ণত নথকা কেতবোৰ ৰামায়ণী কথাও ভিন্ ভিন্ কবিৰ হাতত প্ৰকাশ পাইছে। অসমীয়া সমাজত ৰামৰ কথা সৰবৰহী যে আছিল তাৰ প্ৰমাণ সকলোতে আছে। দেও পৰ্বতত খৃষ্টীয় একাদশ শতাব্দীৰ ভগ্ন মন্দিৰৰ স্তূপৰ মাজত পুৰণি ভাস্কৰ্যৰ কিছু নিদৰ্শন পোৱা গৈছে। উক্ত ঠাইত পোৱা এডোখৰ শিলত ৰাম-লক্ষ্মণৰ মূৰ্তি আছে, তেওঁলোকৰ সন্মুখত সুগ্ৰীৱে আঁঠু লৈছে, হনুমন্ত আৰু অন্যান্য বান্দৰবোৰে ভক্তি শ্ৰদ্ধাৰে এই দৃশ্য চাই আছে। সেই একে সময়ৰে শিলত কটা ৰামৰ মূৰ্তি এটি অসমৰ প্ৰাদেশিক মিউজিয়ামত সংগ্ৰহ কৰা হৈছে। একাদশ শতিকাৰ অসমৰ ৰজা ইন্দ্ৰপালৰ গুৱাহাটী তাম্ৰ শাসনতো উল্লেখ আছে। অসমীয়া লৌকিক উক্তিৰ মাজতে ৰামাণৰ কোনো কোনো আখ্যান প্ৰবাদ স্বৰূপে প্ৰচলন হৈছে। যেনে—"ৰাম নৌ হওঁতেই ৰামায়ণ", "ৰামে মাৰিলেও মৰা ৰাৱণে মাৰিলেও মৰা"; "কালনেমিৰ লঙ্কা ভাগ"; "ৰামৰ কাৰ্তিক

লাগি বৈদ্যৰ বৰ হেলা", "ৰাম নামত ভূত পলায়।" ইত্যাদি। অসমীয়া ভাষাৰ প্ৰাচীন পুথিসমূহৰ ভিতৰত মন্ত্ৰ পুথিবোৰ অন্যতম। এই পুথিসমূহত প্ৰাচীন অসমীয়া সমাজৰ বিশ্বাসাদি সংৰক্ষিত হৈছে। বহুত মন্ত্ৰ পুথিত ৰামায়ণৰ কথা আছে। গ্ৰন্থকৰ্ত্তাই উল্লেখ কৰিছে "অসমীয়াৰ বিয়াগীত, গৰখীয়া গীত, মন্ত্ৰ পুথি আদিতো ৰামায়ণী কথাই বিশেষ সহায় কৰিছে।" সঁচাকৈয়ে ৰামকৰতি নামৰ স্বতন্ত্ৰ এখনি কৰতি পুথিয়েই আছে। বিয়াৰ তৃতীয় দিনা দৰা-কন্যাক পাঠ কৰি শুনুৱা খোবাখোবী পুথিৰ মূলতো ৰামায়ণ আখ্যান। বিয়া নামত দৰা-কন্যাক ৰাম-সীতাৰ লগত তুলনা কৰা হয়। এইবোৰৰপৰাই অসমীয়া জীৱনৰ লগত ৰামায়ণৰ সম্বন্ধৰ প্ৰকাশ পায়। "অসমীয়া ৰামায়ণ সাহিত্য"ত ভিন্ ভিন্ কালৰ ভিন্ ভিন্ কবিৰ ভিন্ ভিন্ সংস্কৰণৰ আলোচনা একে ঠাইতে কৰাৰপৰা অনুসন্ধানকাৰী লোকসকলৰ যথেষ্ট সহায় হ'ব। এতিয়ালৈকে পোৱা প্ৰমাণবোৰৰ ওপৰত ভিত্তি কৰি গ্ৰন্থকৰ্ত্তাই কেতবোৰ মীমাংসা কৰিবলৈ চেষ্টা কৰিছে। ৰামায়ণৰ কথা কেনেকৈ অসমত বিয়পি পৰাৰ সম্ভাৱনা হৈছিল; কন্দলী উপাধিৰ কি অৰ্থ হ'ব পাৰে, মাধৱ কন্দলীৰ সময় নিৰ্ণয় কৰাৰ আৰু কি প্ৰমাণ পাব পাৰি, সকলুৱা ৰামায়ণী আখ্যানবোৰ কেনেকৈ উদ্ভৱ হৈছিল ইত্যাদিবোৰ আলোচনা ইয়াত কৰা হৈছে। কাব্যবোৰৰ মূল্য নিৰ্ণয় কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ উপৰিও ভিন্ ভিন্ আখ্যানবোৰৰ চমু বিৱৰণবোৰো দিয়া হৈছে। গতিকে এই গ্ৰন্থই সকলো শ্ৰেণী পাঠকৰ মন আকৃষ্ট কৰিব পাৰিব বুলি বিশ্বাস হয়। এই গ্ৰন্থৰ মীমাংসাবোৰকে শেষ মীমাংসা বুলি নধৰিলেও ইয়াৰ ভিত্তিতে ভৱিষ্যৎ আলোচনা কৰিবলৈ সুবিধা হ'ব যে তাত সন্দেহ নাই। এই শ্ৰেণীৰ গ্ৰন্থ যিমানেই বৃদ্ধি পায় সিমানেই আমাৰ সাহিত্যৰ সম্পদ বাঢ়িব।

মাতৃ

"মাতৃ" ৰচয়িত্ৰী গ্ৰেজীয়া ডেলেড্ডা ইটালীয় সাম্ৰাজ্যৰ অন্তৰ্গত ছাৰ্দিনীয়া দ্বীপৰ তিৰোতা। তেওঁ ১৯২৭ খৃঃ শকত সাহিত্যৰ নোবেল বঁটা পায়। বিশ্ববৰেণ্য ৰচয়িত্ৰীৰ ৰচিত গ্ৰন্থক ভাল বুলিৰ যোৱাতকৈ তাৰ ৰস গ্ৰহণ কৰিবৰ চেষ্টাতহে আমাৰ কৃতাৰ্থতা হয় ভাবি লোৱা উচিত।

আগৰ দিনত "পাণ্ডৱ বৰ্জিত" বুলিলে কোনো ঠাইৰ অতীজৰ প্ৰতি গভীৰ আওকাণ দিয়া বুজাইছিল। কিয়নো তেতিয়াৰ দিনত পাণ্ডৱসকলক জ্ঞান আৰু সভ্যতাৰ পোহৰ আনোতা বুলি জনমণ্ডলীয়ে ধৰি লৈছিল। আজিকালিৰ দিনতো যি ভাষাত বিশ্ব সাহিত্যৰ জেউতি পৰা নাই তাক মানুহে বৰ নিচলা বুলি ভাবে। ইংৰাজী, ফৰাচী আদি যিবোৰ ভাষাত অতি ওখ ধৰণৰ মৌলিক সাহিত্যৰ লেখ-জোখ নাই, সেইবোৰ ভাষাতেই আন দেশৰ ডাঙৰ ডাঙৰ নামজলা গ্ৰন্থবোৰৰ অনুবাদ আগেয়েই প্ৰকাশ হয়। সেইবোৰ দেশত নিজ ভাষা-ভাষী লোকৰ অন্তৰৰ পোহৰ আৰু আন ভাষা-ভাষী মানুহৰ বাহিৰৰ পোহৰ পৰিবলৈ জ্ঞানৰ খিৰিকি-দুৱাৰ সদায় মেলা থাকে।

বৰ্তমান অসমীয়া সাহিত্য নিচেই কেঁচুৱা অৱস্থাত আছে। কেৱল মৌলিক ৰচনাৰদ্বাৰাই ইয়াক সোনকালে টনকিয়াল কৰিব নোৱাৰি। আৰু মৌলিক ৰচনাৰ বাবেও চানেকি লাগে। আজিকালি আন্তৰ্জাতীয় যুগত বিশ্বমানৱৰ চিন্তাৰ সোঁত কোনফালে বৰ লাগিছে তাৰ সন্ধান নেপালে মৌলিক প্ৰতিভাৰে আদৰ পোৱা জোখাৰে বিকাশ হোৱা টান হৈ পৰে।

আমাৰ সামাজিক জীৱন ঘটনা-বহুল নহয়। সেই কাৰণে বহুত সময়ত শুনা যায়—এনে সীমাবদ্ধ জীৱনত নাট, উপন্যাস আদি মৌলিক ৰচনাৰ উপাদান নাই। "মাতৃ" উপন্যাসে সেই ভুল ধাৰণা ভাঙিব বুলি আশা কৰিব পাৰি। ইয়াতো ঘটনা নাই বুলিলেই হয়। এজন কৈৱল্য ব্ৰতী ধৰ্মযাজকে শাস্ত্ৰীয় বিধি পাৰ হৈ এজনী জোৱালীৰ প্ৰেমত পৰে আৰু ছোৱালীজনী লগত লৈ পলাই যাবলৈ মনত পাঙে। ধৰ্মযাজকৰ মনত এইটো বিশেষ পাপৰ কাম নহয়—এই ব্যৱসায় এৰি দিলেই, এই ব্যৱসায় সংশ্লিষ্ট সকলো বিধিবিধানৰ হাতৰপৰা তেওঁ সাৰিব পাৰে। এইবোৰ বিধান বিশেষ অৱস্থাক লক্ষ্য কৰি মানুহে তৈয়াৰ কৰিছে; কিন্তু প্ৰেমৰ উন্মাদনা, তিৰোতাৰ সান্নিধ্যত অন্তৰৰ খলকনি বিশ্বৰচোঁতাই দিয়া জীৱ-জগতৰ পাতালী গঙ্গাৰ কল্লোল; কিন্তু ধৰ্মযাজকৰ পুৰণিকলীয়া মাকৰ মনত ই মহাপাপ, অনন্ত নৰকৰ পথত যাত্ৰা। মাকেই এই প্ৰণয়ৰ ভেটত ভেটা দিলে। আৰু এই প্ৰতিবন্ধকতাৰপৰা যি ভৱিষ্যৎ বিষময় ফল হ'ব পাৰে, সেই দুৰ্যোগৰ আশঙ্কাৰ হেঁচাতেই মাক ঢুকাল। এই উপন্যাসত ঘটনা পৰম্পৰা নাই বুলিয়েই ক'ব পাৰি, কিন্তু ভাবৰ ঘাত-প্ৰতিঘাতৰ কি বিচিত্ৰ খেলা!

নিচেই সাধাৰণ ঘৰুৱা বা সামাজিক জীৱনৰ ঘটনাবিলাকত তত্ত্বদৰ্শী প্ৰতিভাই কি জেউতি চৰায়, এই উপন্যাসখনেই তাৰ এটা চানেকি।

অনুবাদকৰ কাম অতি জটিল। তেওঁ একালে মূল গ্ৰন্থৰ সকলো সাৰ-মৰ্ম ফট্‌ফটীয়াকৈ উপলব্ধি কৰিব আৰু আনকালে সেই মৰ্মে নিজ ভাষাৰ স্বাভাৱিক ঠাঁচেৰে মূলৰপৰা বৰ বেলেগ নোহোৱাকৈ প্ৰকাশ কৰিব লাগিব। সাহিত্যৰ গুণগ্ৰাহী আৰু নিজ ভাষাত অশেষ আধিপত্যশালী লিখাৰু নহ'লে ভাঙনি সফল হ'ব নোৱাৰে—বিশেষতঃ ভাব-বহুল গ্ৰন্থৰ ভাঙনিত। এই দুৰূহ কামৰ বাবে শ্ৰীযুত লক্ষেশ্বৰ শৰ্মাই নিপুণতাৰ পৰিচয় দিছে। ইয়াৰ আগেয়ে তেওঁ "পম্পিয়াইৰ প্ৰলয় কাহিনী" (The Last Days of Pompeii) ভাঙি অতুল যোগ্যতা প্ৰকাশ কৰিছে। "মাতৃ"ৰ অনুবাদ আগৰখনতকৈও মনোমোহা হৈছে। পঢ়ি গ'লে ভাঙনি যেন নেলাগেই। বিদেশী মানুহৰ নামকিটি এৰি দিলে মৌলিক ৰচনা যেন লাগে। ভাষাত ক'তো খুঁত নাই, ক'তো ভাষাত ঠেৰেঙা লগা নাই। অনুবাদৰ ভাষা ভালেমান লিখাৰুৰ হাতত সংস্কৃতীয়া হৈ পৰে, কিন্তু শ্ৰীযুত শৰ্মাৰ ভাষা নিভাঁজ অসমীয়াৰ ঘৰুৱা ঠাঁচ। সেই কাৰণে ভাবত বাজেও "মাতৃ" উপন্যাস নিভাঁজ অসমীয়া লিখিব খোজাসকলে ৰস-সাহিত্যৰ ভাষাৰ চানেকি হিচাপে পঢ়িলেও বিশেষ উপকাৰ পাব।

আমি এইখিনিকে মাথোন কামনা কৰোঁ শ্ৰীযুত শৰ্মাই যেন যি ভাঙনিৰ কাম হাতত লৈছে আজিৰ সময়ত সেই কামৰ লেখাৰি এৰি নিদি বিশ্ববৰেণ্য সাহিত্যিকসকলৰ গ্ৰন্থবোৰক আমাৰ ভাষাৰ সাজ পিন্ধাই আমাৰ ভাষা আৰু সাহিত্য চহকী কৰে আৰু মৌলিক ৰচনাৰ বাবে অসমীয়া প্ৰতিভাক উদ্দীপনা দিয়ে।

গুটিমালী

পুথিখনিৰ ভিতৰলৈ নৌ সোমাওঁতেই তাৰ নামটিয়েই আমাৰ মন এটি মধুৰ কাব্যিক ব্যঞ্জনাৰে মুগ্ধ কৰে; মনত পৰে শঙ্কৰদেৱৰ দিব্য উপবনলৈ "গুটিমালী ভেটি, ৰঞ্জন বেৱতী......।" ফুকনদেৱে "আগ-কথা"ত আকৌ কৈছে, "গুটিমালীত পুখুৰী জিনি থকা পদুমৰ সৌন্দৰ্য নাই। ছিঙিবলৈ গ'লে হাতত কাঁইটে আঁচোৰে, ফুলনিৰ থোপা গুৰাই থকা গোলাপৰ থুপিও নহয়। তথাপি, ফুলৰ ঘাই বস্তু গোন্ধকণ আছে সিও চোকা নহয়, মন-প্ৰাণ শীতল কৰে।" এয়ে "গুটিমালী"ৰ স্বৰূপ আত্ম-নিবেদন হৈছে। ৰোমাণ্টিক, পুনৰুত্থানৰ যুগৰ কবি ৱৰ্ডচৱৰ্থে কৈছিল বোলে, সৰাতোকৈ সাধাৰণ ফুলপাহিয়েও তেওঁক চকুলোৰে ঢুকি নোপোৱা ভাবাবেগ যাচিব পাৰে। "গুটিমালী"ও দেখাত তেনে এপাহি সাধাৰণ ফুল; কিন্তু তাৰ "মন-প্ৰাণ শীতল কৰা" গোন্ধকণে আমাৰ অন্তৰত গভীৰ ভাবাবেগৰ সৃষ্টি কৰে।

আৰু এটি কথাত "গুটিমালী"য়ে আমাক ৰোমাণ্টিক, পুনৰুত্থান আৰু ৱৰ্ডচৱৰ্থৰ কথা সোঁৱৰাই দিয়ে। সেই সময়ত ফৰাচী বিপ্লৱে মানৱ সমাজত ব্যক্তিৰ মূল্য নতুনকৈ নিৰ্ধাৰণ কৰিবলৈ শিকাইছিল। ৰোমাণ্টিক কবিসকল কবিতাৰ বিষয়বস্তু বিচাৰি সাধাৰণ মানুহৰ জীৱনলৈ নামি আহিছিল। "Short and simple annals of the poor"—নিঃস্বসকলৰ জীৱনৰ চমু আৰু সৰল ইতিহাসে কবিতাত ৰূপ পাবলৈ ধৰিলে। ৱৰ্ডচৱৰ্থে ছাইমন্‌লী, ৰুথ, মাৰ্গেৰেট, লুচি, লুচি গ্ৰে আদি জীৱনৰ গেৰেকনিত পৰি থকা ক্ষুদ্ৰ প্ৰাণীৰ কথা পাঠকৰ চকুৰ আগত দাঙি ধৰিলে। এইবোৰ কবিতাত মনোৰম কল্পনাৰ উধাও স্বভাৱ নাই; তাত বাস্তৱে নিৰলঙ্কাৰ ৰূপত ভুমুকি মাৰিছে।

আজি আমাৰ জাতীয় জীৱনত আৰু ব্যক্তিগত জীৱনতো বাস্তৱতাই উপলব্ধি বিচাৰি ভুমুকি মাৰিছেহি। কোনোৱে তাক উপেক্ষা কৰিব পাৰে; কিন্তু সেই উপেক্ষাই তাক অসত্য বুলি প্ৰতিপন্ন কৰিব নোৱাৰে। ফুকনদেৱৰ "গুটিমালী" আমাৰ মানত সেই উপলব্ধিৰে বিকাশ যেন লাগিছে। আজিৰ জগতত ৰাজনীতিৰ প্ৰগতিশীল মতবাদবোৰে সমাজৰ উপেক্ষিত আৰু নিপীড়িতজনলৈ চকু ঘূৰাই চাইছে। ভাৰতত্তো মহাত্মা গান্ধীৰ অভ্যুদয়ে নিপীড়িতজনক জগত সভাত নতুন আসন দিছে। অসমীয়া কাব্য-সাহিত্যত সমাজৰ উপেক্ষিত জনক উপেক্ষিত কৰিয়ে

ৰাখিছিল। ফুকনৰ কবিতাই তেওঁলোকক আদৰি তুলিছে। পুথিখনক কৰিয়ে "চহা কাব্য চিত্ৰ" নাম দিছে। তেওঁৰ কাব্যৰ পটভূমিত যিসকলে ভাও দিছে, তেওঁলোক জাতে পাতে চহা। মাউৰী পখিলীৰ থেকছিগা জীৱনৰ দুখৰ কথাই মোহনৰ লগতে পাঠকৰো বুকু ভাঙিবহি খোজে। জনমৰ কণা দীনাই ৰপুৰা নামে-গামে দুখীয়া দুখীৰাম, মণ্ডলৰ পাকত জলা-কলা হোৱা অজলা চহা মিঠাই, ভোগদৈপাৰৰ বাঁৰী দুখুনী টিপেশ্বৰী, হালোৱা চহা জীয়ৰী ডাকলী, টোকোনা ভেকুৰা ইত্যাদি—এইবোৰ চৰিত্ৰ বাস্তৱৰ নিভাঁজ ছবি। সিহঁত "সমাজত প্ৰায়েই উপেক্ষিত" হ'লেও ফুকনৰ কবিতাই সিহঁতৰ জীৱন সত্যৰ তুলিবে আঁকি সিহঁতক 'কাব্যৰ উপেক্ষিত' হৈ থাকিবলৈ দিয়া নাই।

ভালৰ ফালৰপৰা পুথিখনিৰ নিজস্ব এখনি থান আছে। চহাৰ জীৱনকথাত চহা ভাষাই ঠাই পোৱাটো সমীচীন হৈছে ; সি ছবিবোৰক বেছি স্পষ্ট কৰি তুলিছে।

মুঠতে আমাৰ কাব্য সাহিত্যত ফুকনৰ এইধাৰা কবিতাই এটি নতুন ভঙ্গীৰ সৃষ্টি কৰিছে।

সোণালী সপোন

শ্ৰীলক্ষ্মীনাথ ফুকন একাণপতীয়া নিপুণ সমাজসেৱী হিচাপেহে আমাৰ ভিতৰত জনাজাত হৈ আহিছে। কিন্তু তেওঁ যে অতি সঙ্গোপনে কল্পনাদেৱীৰো নিবিড় আৰাধনা কৰে এই এমুঠি "সোণালী সপোনে"ই পৰিচয় দিছে। "সোণালী সপোনে" যাতে তেওঁৰ বাতৰি কাকতৰ সম্পাদকৰ বাস্তৱিকতাৰ ধ্যানৰ খ্যাতিৰ ওপৰত আঘাত নকৰে সেইটো ভাবিয়েই হ'বলা তেওঁ কৈছে—"এই কবিতাবিলাক মোৰ ডেকা বয়সত লিখা, কিছুমান কুৰি বছৰৰ আগেয়ে।" বহুতেই ডেকাকালৰ উচ্ছ্বাস উন্মাদনা আদি প্ৰৌঢ় বয়সত নিজৰেই জীৱনৰ সৰ্বকালব্যাপী অনুভূতি বুলি স্বীকাৰ কৰিবলৈ কেনেবা কেনেবা পায়।

কিন্তু সোণালী সপোনৰ মৃদু ভাবব্যঞ্জনাত সকলো বয়সৰ অনুভূতিৰেই গজালি আছে। দেখাত ই এখনি ডেকা বয়সত লিখা প্ৰেমৰ কৱিতাৰ সমষ্টি। আৰু বিশেষকৈ ডেকাকালত চকুত ধৰা দুই-এটি খণ্ডচিত্ৰও ঠায়ে ঠায়ে আছে। কিন্তু প্ৰধান ভাবৰ ধাৰা হিচাপে সোণালী সপোনত চিত্ৰিত প্ৰেমৰ এটি বৈশিষ্ট্য আছে। কৱিতাবোৰত ইন্দ্ৰিয়ৰ উন্মাদনা নাই ; তাত পৱিত্ৰতাৰকৈ ফুটি ওলাইছে সৌন্দৰ্যৰ ধ্যান আৰু তন্ময়তা। কবিৰ প্ৰেমিকা কোনো অৱয়ৱী মানৱী যেন নালাগে, তেওঁ কোনোবা অশৰীৰী সত্তা—

জনতাৰে যেৱা কোন নিজানত
আন্ধাৰেৰে যেৱা কোন পোহৰত
বিষছেৰে যেৱা কোন মিলনত
আমাৰ দেখা হ'ব কোৱা? (তোমাৰ গান)

হৃদয়ৰ ভৰাত নিয়ৰৰ চউ
মালা নে মণি?
কি জানি তোমাৰ চৰণৰে সাঁচ
সকলো কণি। (প্ৰতীক্ষা)

এই অশৰীৰী সত্তাৰ মৌলিক ভাবৰ ভিত্তৰতহে সোণালী সপোনবোৰৰ তাৎপৰ্য আৰু সৌন্দৰ্য বিচাৰিব লাগিব। এই সপোনবোৰত ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতিবোৰ অতীন্দ্ৰিয় তন্ময়তাত মাৰ গৈছে।

কবিতাবোৰৰ ভাষাত সপোনৰ যাদুকৰী শক্তি এটি আছে। প্ৰত্যেকটো কবিতাৰ ভাষা আৰু ছন্দৰ স্পন্দনে প্ৰধান ভাবটোৰ ঢৌ মনত তোলাই দিয়ে।

কবিতাবোৰৰ ছন্দৰ এটি লক্ষণ মন কৰিবলগীয়া। চাৰি চৰণৰ স্তৱকবোৰৰ দ্বিতীয় আৰু চতুৰ্থ চৰণৰ অক্ষৰ (syllable) সংখ্যাবোৰ ৩।৫।৬।৭।৮।১০ অদ্ভুত ভাবৰ হেন্দোলনি হিচাপে লৰচৰ কৰে—

মৃদু মলয়াৰ গীতিছন্দে ভৰা
বননি। (৩) (থাকিবা কিমান আঁতৰি)
কিজানি তোমাৰ চৰণৰে সাঁচ
সকলো কণি। (প্ৰতীক্ষা)
তুমি পাহৰিলা বুলি মই কিয় পাহৰিম
অতীতৰ কথা। (৬) (অনাদৰ)
কিহেৰে আজি বিহুৰ দিনা
জনাওঁ সম্ভাষণ? (৭) (বিহুৰ সম্ভাষণ)
তথাপিও মোক নিকত্তৰ দেখি
তুমিও নিমাতে ৰলা (৮) (দিবানে একণি ঠাই)
একো শব্দ নকৰিবা তুমি আঁচলৰ বতাহতে হুলি
থাকে যদি চাকিটি নুমাই। (১০) (তুমি মোৰ মৰমিবা দায়)

এই এমুঠি সপোনত ভাবৰ মৃদু স্পৰ্শ; ভাষাৰ কোমলতা আৰু ছন্দৰ নমনীয়তাৰ এটি অপূৰ্ব সমাবেশ আছে। ই ৰসুলীয়াক আনন্দ আৰু ডেকাক উদ্দীপনা দিব বুলি আশা কৰিব পাৰি।

বিলাতৰ চিঠি

জে বৰুৱা ডাঙৰীয়াই "বিলাতৰ চিঠি"ৰ আগকথা লিখাৰ তাৰ বিলাতলৈ নোযোৱা মানুহ এজনক এই বুলি দিলে যে বিলাতলৈ যোৱা মানুহৰ পক্ষে "বিলাতৰ চিঠি"ত কোনো নতুনত্ব নাই, এনে কি তেওঁলোকে ইয়াৰ পাত লুটিয়ায়ো নেচাব। বিলাতকৈ নোযোৱা মানুহে পুথিখনি পঢ়ি কেনে পাব পাৰে সেই বিষয়ে তেওঁ পঢ়ুৱৈ-সমাজৰ দুই-এষাৰ শুনিব খোজে।

আহোম ভাষাৰপৰা ধাৰ লোৱা অসমীয়া "বুৰঞ্জী" শব্দৰ মানে হেনো "নজনা কথাৰ ভঁৰাল।" বিলাতৰ কথাও আমাৰ পক্ষে নজনা কথাৰ ভঁৰাল। নজনা কথা নতুনকৈ শিকিলে যি আনন্দ পোৱা যায় "বিলাতৰ চিঠি" পঢ়িও বিলাতলৈ নোযোৱাসকলে আনন্দ পাব—ইয়াত কোনো সন্দেহ নাই। আৰু যিসকলৰ এতিয়াও বিলাতলৈ যাবৰ বয়স আৰু ধাউতি আছে, সেইসকলৰ ধাউতি যে আৰু বাঢ়িব, সেই বিষয়ে দুই মত হ'ব নোৱাৰে।

জে বৰুৱা ডাঙৰীয়াৰ লিখা ৰীতি অতি পোনপটীয়া আৰু নিখুঁত অসমীয়া। তাত কোনো আওপকীয়া বাক্য-বিন্যাস আৰু খাপ নোখোৱা বাবে-বঙলুৱা শব্দৰ সমাবেশ নাই। অতি কম বয়সতেই বিলাতলৈ গৈ তাত বহুত বছৰ থাকি. আৰু তাৰপৰা উভতি আহিও বৈবাহিক সূত্ৰত বিশিষ্ট বঙালী পৰিয়ালৰ লগত ঘনিষ্ঠভাবে সংশ্লিষ্ট থাকিও জে বৰুৱা ডাঙৰীয়াই গদ্য ৰচনাত যি নিভাঁজ অসমীয়া পদ্ধতিৰ অৱতাৰণা কৰিছে, সি শলাগিবলগীয়া। ইয়াৰপৰা তেওঁৰ অসমীয়া ভাষা আৰু সাহিত্যৰ লগত কিমান হৃদয়ৰ সংযোগ আছে তাৰ চিনাকি পোৱা যায়।

অসমীয়া ভাষা আৰু সাহিত্য চৰ্চাত বৰুৱা ডাঙৰীয়াৰ বংশগত অধিকাৰো আছে। তেওঁৰ পিতৃদেৱতা ৺ গুণাভিৰাম বৰুৱাৰ ওচৰত অসমীয়া জাতি ভালেমান কাৰণত ঋণী। ৰায়বাহাদুৰ ৺গুণাভিৰাম বৰুৱাৰ অন্যান্য দানৰ বাহিৰেও তেওঁৰ ৰচিত "অসম বুৰঞ্জী" আৰু তেওঁৰ সম্পাদিত "অসম বন্ধু" কাকতে অসমীয়া সাহিত্যৰ ইতিহাসত অতি ওখ ঠাই লাভ কৰি আছে।

৺ গুণাভিৰাম বৰুৱা কেৱল সাহিত্যিকেই নাছিল। সেই যুগত তেখেত অসমীয়া সমাজ আৰু সাহিত্য ক্ষেত্ৰত এজন আদৰ্শ পুৰুষ বুলি বিবেচিত হৈছিল। সেইদিনত তেখেতৰ আহিয়ে সম-সাময়িক লিখকসকলক প্ৰেৰণা দিছিল আৰু তেখেতক কেন্দ্ৰ কৰি এটি সাহিত্যিক দলৰ সৃষ্টি হৈছিল।

"বিলাতৰ চিঠি আৰু কথা"ই জে বৰুৱা ডাঙৰীয়াৰ অসমীয়া সাহিত্যৰ প্ৰতি কেৱল দান নহয়। তেওঁ ইংৰাজীৰপৰা ভাঙি অসমীয়াত "ভেনিচৰ সাউদ" (Merchant of Venice), "দদাইৰ পঁজা" (Uncle Tom's Cabin) কৰিছে। তেওঁ Folk-tales of Assam বুলি অসমীয়া সাধুকথা কিছুমান ইংৰাজীলৈ অনুবাদ কৰি অসমীয়া ৰীতি-নীতিৰ বিষয়ে বিদেশী মানুহক জানিবলৈ সুবিধা দিছে। "বিলাতৰ চিঠি আৰু কথা" বোলা প্ৰবন্ধবোৰ ৺ বেজবৰুৱাৰ

সম্পাদিত "বাঁহী" কাকতত ধাৰাবাহিকৰূপে প্ৰকাশ হৈছিল। জে বৰুৱা ডাঙৰীয়া তেতিয়া বিলাতত আছিল আৰু তাৰপৰাই তেওঁ প্ৰবন্ধবোৰ লিখিছিল। আমি তেতিয়া ইংৰাজী স্কুলৰ তল শ্ৰেণীৰ ছাত্ৰ। এইবোৰ চিঠিতে থকা কথাবোৰ তেতিয়া আৱব্য উপন্যাসৰ কথাৰ দৰে লাগিছিল। বৰ্তমান পুথিত সেইবোৰ প্ৰবন্ধ বাছি উলিয়াই প্ৰকাশ কৰা হৈছে।

বিষয়বস্তুৰ সঙ্কলন আৰু লিখাৰ নিখুঁত ৰীতিৰ বাবে এই প্ৰবন্ধবোৰ পুৰণি হ'লেও সজীৱ আৰু চিৰনতুন। আজিকালি অসমীয়া সাহিত্যত বাবে-বঙলুৱা বাক্য-বিন্যাসেৰে ভৰপূৰ প্ৰবন্ধৰ প্ৰাদুৰ্ভাৱ দিনক দিনে বাঢ়িব লাগিছে। নিভাঁজ অসমীয়া গদ্যৰ চানেকি বুলি আঙুলিয়াব পৰা প্ৰবন্ধ অতি বিৰল। এনে অৱস্থাত নিখুঁত অসমীয়া জতুৱা ঠাঁচৰ নিদৰ্শন হিচাপে জে বৰুৱা ডাঙৰীয়াৰ ৰচনাৱলীয়ে নতুন লিখাকসকলক বাট দেখুৱাব, আৰু প্ৰবন্ধৰ ভিতৰত থকা কথাবোৰে যে সকলো শ্ৰেণীৰ পাঠককেই আনন্দ দিব সেই বিষয়ে নক'লেও হ'ব।

অশ্ৰু অঞ্জলি

মই বহুদিন আগেয়ে "আৱাহন"ত আবেলাৰ্ড আৰু হেলইছ সম্পৰ্কে প্ৰবন্ধ এটি লিখিছিলোঁ। সেই প্ৰবন্ধটিয়েই বৰ্তমান কাব্যৰ প্ৰেৰণা বুলি শ্ৰীমান দেবেন্দ্ৰ নাথ বৰুৱাই উল্লেখ কৰিছে। গুণাগুণৰ বিচাৰ ৰাইজৰ হাতত। মই মাথোন আবেলাৰ্ড আৰু হেলইছৰ বিষয়ে এইখিনিতে দুআষাৰ কথা যোগ কৰিলোঁ।

আবেলাৰ্ডৰ জীৱনকাল ১০৭৯ খৃষ্টাব্দৰপৰা ১১৪২ খৃষ্টাব্দলৈ বুলি ধৰা হয়। এইকালত ইউৰোপত প্ৰকৃত জ্ঞানচৰ্চা হ'ব পৰা নাছিল; কিয়নো খৃষ্টীয় মঠবিলাকত যি শিক্ষাৰ আদৰ্শ চলিছিল তাৰ প্ৰভাৱে স্বাধীন চিন্তাৰ অবাধ গতি অসম্ভৱ কৰিছিল। তথাপি এই সময়তেই পেৰিছ আদি পুৰণি বিশ্ববিদ্যালয়ৰ সূত্ৰপাত হয় বুলি ক'ব পাৰি। এইকালৰপৰা আবেলাৰ্ডৰ জীৱন বৈশিষ্ট্যপূৰ্ণ। আবেলাৰ্ড আছিল শিক্ষক, আৰু তেওঁৰ শিক্ষাৰ প্ৰণালী এনে সজীৱ আৰু আকৰ্ষণীয় হৈ পৰিছিল যে সি বহুতো ছাত্ৰ-ছাত্ৰীক প্ৰেৰণা যোগাব পাৰিছিল। য'লৈকেই তেওঁ গৈছিল ত'লৈকেই যায় তেওঁৰ ছাত্ৰসকল। যেনিবা চলন্ত বিশ্ববিদ্যালয় এটিবহে তেওঁ কেন্দ্ৰ। তেওঁৰ ছাত্ৰসকলৰ মাজৰপৰা বহুতো লোকে পিছলৈ পোপ, কাৰ্ডিনেল হৈছিলগৈ। কিন্তু আবেলাৰ্ড অকল পণ্ডিতেই নাছিল। পণ্ডিতজনৰ ভিতৰত আছিল তীব্ৰ অনুভূতিশীলতাসম্পন্ন এটি কোমল প্ৰাণ। প্ৰকৃততে তেওঁৰ ছাত্ৰী হেলইছৰ প্ৰেমিক বুলিহে তেওঁৰ ইমান খ্যাতি। যি সময়ত ধৰ্ম-চৰ্চা আৰু দেহৰ কামনা— এই দুটাৰ ভিতৰত ইমান বিৰোধ আছিল, সেই সময়ত আবেলাৰ্ড আৰু হেলইছে ধৰ্মৰ তুল্য পবিত্ৰ, ঐকান্তিক আৰু আদৰ্শবাদী এক প্ৰেমৰ চানেকি দিলে। মানৱীয় আকৰ্ষণ যিমান তীব্ৰ আৰু আধ্যাত্মবাদী হ'ব

পাবে তাৰেই চানেকি পোৱা যায় এইহালি প্ৰেমিক-প্ৰেমিকাত। এওঁলোকৰ মাজত যিবিলাক চিঠিৰ আদান-প্ৰদান হৈছিল সেইবিলাকত এই প্ৰেমৰ নিৰ্মল ৰূপ ফুটি ওলাইছে।

হেলইছ অন্তৰৰ পোৰণিত ছটফট্ কৰা সাধাৰণ গাভৰু নাছিল, তেওঁৰ চৰিত্ৰৰ বল আৰু ৰুচিজ্ঞান ওখ ধৰণৰ আছিল। হেলইছৰ আত্মসমৰ্পণত স্বাৰ্থৰ লেশ অকণো দেখা নাই, শ্ৰীকৃষ্ণৰ প্ৰতি ৰাধাৰ যি ব্যাকুলতা সিহে যেন ইয়াত প্ৰকাশ পাইছে। আবেলাৰ্ডৰ দয়িতা বুলিহে হেলইছৰ ইমান খ্যাতি। এই প্ৰেম নানা কাৰণত ব্যাৱহাৰিক জগতৰ ফালৰপৰা সফল নহ'ল, তেওঁলোকে অশেষ নিকাৰহে ভুগিলে।

হেলইছে লিখা চুখন চিঠিকে আলম কৰি শ্ৰীমান বৰুৱাই কাব্যখনি ৰচনা কৰিছে। ৰচনা নতুন লিখক হিচাপে ভালেই হৈছে। আশাকৰোঁ অশ্ৰু অঞ্জলিয়ে ৰাইজৰো আদৰ লভিব পাৰিব।

শোণিত কুঁৱৰী

গ্ৰন্থকাৰে নাট এখনি উপহাৰ স্বৰূপে দি তেখেতৰ অন্তৰঙ্গ বন্ধু এজনৰ হতুৱাই কোৱাইছে যে নাটখনিৰ নিৰপেক্ষভাৱে দোষ-গুণ আলোচনা কৰি "বাঁহী" কাকতত প্ৰবন্ধ এটি দিব লাগে।

আমাৰ বৰ্তমান সাহিত্যৰ কেতবোৰ নামজ্বলা মানুহৰ ভিতৰত উৰঙা প্ৰশংসা পত্ৰেৰে ফাকুৱা খেলা ৰীতিৰ চলতি হ'ব লাগিছে। চাৰিপাত পঢ়ি বা নপঢ়ি বা চাৰি শাৰী আখৰ জোটাই ইটিয়ে সিটিৰ গাত প্ৰশংসা ছটিয়াই দিয়া নিয়মৰ প্ৰচলন হ'বলৈ ধৰাত ভালেমান সাহিত্যসেৱী ডেকা ল'ৰাৰ ভিতৰত মানসিক আৰু নৈতিক দুৰ্বলতা এটি সোমাব লাগিছে। আমাৰ সাহিত্যত ভালকৈ শিকি-বুজি তৈয়াৰ হোৱা গ্ৰন্থকাৰৰ আদৰ্শ নোহোৱা হ'ল আৰু সকলোৱে প্ৰশংসাৰ ধুঁৱলি-কুঁৱলি বং গাত মাখি ল'বলৈ ব্যস্ত।

বৰ্তমান গ্ৰন্থকাৰ কুমলীয়া ল'ৰা আৰু বয়সত আমাৰ ছাত্ৰ স্থানীয়। বৰমূৰীয়াসকলৰ ফাকুৱা খেলাৰপৰা নিজ ইচ্ছাৰে আঁতৰি থাকিব খোজাত তেখেত আমাৰ আন্তৰিক শ্ৰদ্ধাৰ পাত্ৰ হৈছে। তেখেতে বুজিছে যে প্ৰশংসা কোনোৱে দিব পৰা বস্তু নহয়; আহিবৰ সময় হ'লে ই আপোনা-আপুনি আহে। সেই কাৰণে আমাৰ আশা হৈছে তেখেতৰ বৰ্তমান নাটখনিৰ মূল্য যিয়েই নহওক, আগলৈ তেখেতৰপৰা আমাৰ সাহিত্যসম্পদ বঢ়োৱা বস্তু পাম। কিয়নো স্বাৰ্থৰ শিকলি নিপিন্ধা মনেৰে সত্য বস্তুৰ আগত মুখামুখিকৈ থিয় হ'ব পৰা ভাবৰ ভাবাত অভিব্যক্তিয়েই সাহিত্য। তাত বাজে আন সকলোবোৰ আত্ম-প্ৰবঞ্চনা আৰু লোক-প্ৰতাৰণা।

"শোণিত কুঁৱৰী" নাটখনি পৌৰাণিক উষা-অনিৰুদ্ধৰ প্ৰেমলীলা বিষয় লৈ লিখা হৈছে। পুৰণি অসমীয়া সাহিত্যত গীতৰ আকাৰত পীতাম্বৰ কবিৰ "উষা-পৰিণয়" আৰু কাব্যৰ আকাৰত চন্দ্ৰভাৰতীৰ "কুমৰ-হৰণ" পুথি পোৱা গৈছে। তাত বাজেও দশম ভাগৱতৰ শেষ খণ্ডত উষা-অনিৰুদ্ধৰ উপাখ্যানৰ

অসমীয়া ভাঙনি আছে। বর্তমান গ্রন্থকাৰৰপৰা সেই চিৰপৰিচিত আখ্যানটো আজিকালিৰ ভাব আৰু ভাষাত নাটৰ মাজেৰে সজ্জিত হোৱা চাই সকলো সাহিত্যসেৱীয়েই ভাল পোৱা উচিত।

পৌৰাণিক কৱিয়ে আখ্যানটোত বাণ ৰজাৰ বল দৰ্পৰ শেষ সীমা দেখুৱাই শেষত গৈ সেই দৰ্প কেনেকৈ ভজ্ঞিত পৰিণত হ'ল সেইটো দেখুৱাইছে। বাণৰ আসুৰিক বল-দৰ্প ইমান বাঢ়ি গ'ল যে প্ৰকাৰান্তৰে সি নিজৰ উপাস্য দেৱতা শঙ্কৰকেই প্ৰতিযোদ্ধা স্বৰূপে কামনা কৰিলে। শঙ্কৰেও গুপ্ত খণ্ডেৰে সোনকালে বাণে প্ৰতিযোদ্ধা পাব বুলি বৰ দিলে। কিন্তু সেই উপযুক্ত প্ৰতিযোদ্ধা যে অৱৰুদ্ধ যুৱতী ছোৱালীৰ অন্তৰৰ সদৃশ পতিকামনাৰ সফলতা স্বৰূপ আহিব এইটোৱেই উপাখ্যানটোক প্ৰহেলিকা আৰু কবিত্বময় কৰি তুলিছে। বাণৰ সদৃশ বীৰ কামনা আৰু উষাৰ সদৃশ বৰ কামনা এই দুটা ভাবৰ অজ্ঞাত তথাপি অথালি-পথালি গতিৰদ্বাৰাই আখ্যানটো নিৰ্মিত হৈছে।

নাট্যকাৰে ঘটনাৱলীৰ মূল ভাব ধৰিব পাৰিছে; যদিও সমানভাৱে সেইটো নাটত বিচিত্ৰ কৰি তুলিব পৰা নাই। ১৪ পৃঃ—"তোমাৰ সৰ্বশক্তি দি এজন প্ৰতিযোদ্ধাৰ সৃষ্টি কৰা।" বাণৰ এই প্ৰাৰ্থনাত নিজৰ উপাস্য দেৱতা শঙ্কৰকেই আওপাকে যুঁজিবলৈ মতা যেন হ'ল। শঙ্কৰ "গম্ভীৰ" হ'ল কিন্তু বৰ দিলে। বৰ পাই বাণ ৰঙত আপ্লুত হ'ল; কিন্তু শঙ্কৰে মনত কি ভাবিলে গ্ৰন্থকাৰে নেদেখুৱালে। "কুমৰ-হৰণ" আখ্যানটিৰ নাম হৰি-হৰ যুদ্ধ-লীলা। ভোলানাথ শঙ্কৰে সকলোপিনে নভবা-নিশ্চিন্তাকৈ বৰ দি নিজেই বিপদত পৰে। বৰ দিয়াৰ পিছতেই মহাযোগী শঙ্কৰে যে বৰৰ পৰিণাম স্বৰূপে নিজৰ অভিন্ন মূৰ্তি শ্ৰীকৃষ্ণৰ লগত নিজে যুঁজিব লাগিব—সেই ভাবৰ কিবা কথা অলপ উমুকিয়াই তেওঁৰ মনৰ সূচনা কৰা হ'লে ভাল হ'লহেঁতেন যেন লাগে। পুৰণি কৱিসকলে শঙ্কৰৰ বৰৰ লগত এইটোও কৈছে যে বাণ ৰজাৰ মৈৰধ্বজ যেতিয়া খহি পৰিব তেতিয়াই যুদ্ধৰ সূত্ৰপাত হ'ব বুলি ধৰিব লাগিব। গ্ৰন্থকাৰে মৈৰধ্বজৰ কথাটো এৰি দিয়াত নাটখনিত পৌৰাণিক ভাব ৰক্ষিত হোৱা নাই আৰু এটি বৰ কল্পনাস্পৰ্শী দৃশ্য নষ্ট হৈছে। যেতিয়া অনিৰুদ্ধ আহি অগ্নিগড়ত সোমাল, তেতিয়া মৈৰধ্বজ ভাগি পৰাৰ দৃশ্য এটিৰ সূচনা কৰা হ'লে উষাৰ অন্দৰ মহলত যি গুপ্ত প্ৰেমলীলা চলিব ধৰিছিল, বাপেকৰ ৰাজ্যত সিয়েই ভৱিষ্যৎ ৰাজ্য বিপ্লৱৰ আগে আগে অহা দীঘলীয়া ছায়াৰ দৰে প্ৰতিভাত হ'লহেঁতেন।

নাটৰ দৃশ্যবোৰ অগা-পিছাকৈ সজোৱাত দোষ হৈছে। আগত কোৱা হৈছে যে বাপেকৰ সদৃশ প্ৰতিযোদ্ধা কামনা আৰু জীয়েকৰ সদৃশ পতি কামনা এই দুটি কথাৰ অঙ্গাঙ্গি ভাবৰ দ্বাৰাই নাটকীয় বিষয়-বস্তু ৰচিত হৈছে। ওৰে নাটকখনৰ ভিতৰতেই এই দুটি ভাব সমানেই সজীৱ কৰি ৰাখিব লাগিছিল। দৃশ্যবোৰ সজোৱাৰ দোষত নাটকৰ শেষডোখৰ নিস্তেজ হৈ পৰিছে। শঙ্কৰৰ বৰ লোৱাৰ পিছৰপৰা উষা-অনিৰুদ্ধৰ প্ৰেমলীলাৰ শেষলৈকে বাণ ৰজাক আৰু দেখা নগ'ল। নাটকত কেৱল যুঁজৰ কথা পঢ়ি বা কৈ মানুহে সন্তোষ নাপায়। তৃতীয় অঙ্কৰ পিছত মানুহ ভাওনা ঘৰৰপৰা ওলাই যাবও পাৰে। উষা-অনিৰুদ্ধৰ লীলা সাং হ'বলৈ দি তাৰ মাজে মাজে অনিৰুদ্ধক বিচৰা, যুদ্ধৰ

আয়োজন আদি কথা নিপুণভাৱে সুমাই দিব পৰা হ'লে ভাল হ'লহেঁতেন।

তলত পৃষ্ঠা অনুসাৰে একাদিক্ৰমে কিছুমান কথাৰ আলোচনা দিয়া হ'ল—

১২ পৃঃ—"বাণে বেদীত বহি শঙ্কৰৰ স্মৰণ কৰে" বুলি আছে। স্মৰণৰ ভাৱৰূপে এটি শিৱৰ স্তব দিব লাগিছিল। কাব্যত স্মৰণ কৰা বুলি ক'লেও হয়। কিন্তু নাটকত স্মৰণৰ ভাষা লাগে।

১৫ পৃঃ—পত্ৰলেখা, চন্দ্ৰলেখা, মধুলেখা আদি নামবোৰ বৰ কবিত্বপূৰ্ণ উদ্ভাৱনা।

২০ পৃঃ—মধুমতীক অগ্নিগড়লৈ অনাৰপৰা নাটৰ কোনো অঙ্গ পূৰ্ণ হোৱা নাই। এইটো সম্পূৰ্ণ নিৰৰ্থক। যি ঘটনাৰ লগত নাটৰ মুখ্য বস্তুৰ সাক্ষাৎ বা পৰোক্ষভাৱে সম্বন্ধ নাই তেনে কথা নাটকত ঠাই দিব নালাগে। লেলেতীয়া কথা থাকিলে ঘটনাক্ৰমৰ চলনত বাধা জন্মে। বহুত কথা পঢ়োঁতা বা কওঁতাক কল্পনা কৰিবলৈ ইঙ্গিত দিব লাগে।

২৩ পৃঃ—ধেমালিৰ পিছতেই হঠাৎ উষাই বেদীত বহি আৰাধনা কৰা কথাটো অস্বাভাৱিক হৈছে। তাত ভাৱৰ পাৰম্পৰ্য নাই। গীতাম্বৰৰ গীতত আছে 'বিষাদ বিমনা উষা হে।' উষাক এনে ভাৱে এটি স্বগত উক্তিত বা আন প্ৰকাৰে দেখুৱাব লাগিছিল যেন সখীয়েকসকলৰ লগত হেজাৰ ধেমালি কৰিলেও তেওঁৰ মনটোক অইন কিবা ভাৱে সুদা সুদা কৰি ৰাখিছিল। ১৫ পৃষ্ঠাত সেই ভাৱৰ অলপ ইঙ্গিত আছে যদিও চৰিত্ৰ দেখুৱা হিচাপে সেইটো যথেষ্ট হোৱা নাই; তাত বাজেও উষাক বিচলিত কৰা বুলি তেওঁৰ যৌৱনৰ লগে লগে বসন্ত কালকো দায়ী কৰিব লাগিছিল; নহ'লে উষাৰ চৰিত্ৰৰ মৰ্যাদাত অলপ আঘাত কৰে। ইয়াতো ভগৱতীৰ স্তব এটি থাকিব লাগিছিল। নাটৰ ঘটনাৱলীৰ লগত ভগৱতীৰ কোনো সাক্ষাৎ সম্বন্ধ নাই। তেওঁক ভাৱৰীয়া হিচাপে 'ষ্টেজত' সুলিয়াই, তেওঁৰ মূৰ্তি এখনিৰ আগত উষাক স্তব কৰা দেখুৱাই ভগৱতীৰ কথাখিনি আকাশীবাণী ৰূপে দিয়া হ'লে ভাল হ'লহেঁতেন। উষাৰ মনৰ তীব্ৰ আকাঙ্ক্ষাই শূন্যত খুন্দা খাই আকাশীবাণীৰূপে প্ৰতিধ্বনিত হোৱা যেন লাগিলহেঁতেন।

২৮-৭৫ পৃঃ—উষাৰ বৰ লোৱাৰপৰা অনিৰুদ্ধৰ লগত মিলন হোৱালৈকে দৃশ্যবোৰ কাব্য হিচাপে বৰ নিৰুপম হৈছে। গ্ৰন্থকাৰৰ এটাইখিনি কল্পনা আৰু সৌন্দৰ্যবোধ এই দৃশ্যবোৰৰ ওপৰতেই খৰচ হৈছে। কিন্তু ঘটনাবোৰ একে লানিয়ে ইটোৰ পিছত সিটো ঘটা যেন দেখুওৱাত, সেইবোৰৰ নাটকীয় কল্পনাস্পৰ্শী গুণ কমি গৈছে। এইবোৰৰ ভিতৰত সৰুসুৰা অইন দৃশ্য দুই-এটা দিব লাগিছিল। সৌন্দৰ্যৰ ঢৌত কুমলীয়া গ্ৰন্থকাৰ উটি গৈছে।

২৪ পৃঃ—ৰতি আৰু মদনৰ মুখত মিত্ৰাক্ষৰ পদ্য দিয়া ভাল হৈছে। মদন আৰু স্বপ্নাদেৱীৰ কথাতো পদ্য দিব লাগিছিল। গদ্য বাস্তৱ ৰাজ্যৰ ভাষা। ছায়ামূৰ্তিৰ মুখত মিত্ৰাক্ষৰ পদ্য দিয়াই ভাল। পদ্যৰ ভাষাই মূৰ্তিবোৰক বাস্তৱিক জীৱনৰপৰা আঁতৰাই নিয়ে।

২৫ পৃঃ—স্বপ্নাদেৱীৰ স্বগত উক্তি বৰ গধুৰ আৰু দাৰ্শনিক ভাবাপন্ন। সপোনৰ কথাত সপোনৰ ভাব আৰু ভাষাৰ তৰলতা থকা উচিত। স্বাধীন কথা হিচাপে স্বপ্নাদেৱীৰ উক্তি বৰ কবিত্বময়।

২৮-২৯ পৃঃ—সপোন ভগাৰ পিছত উষাৰ কথাত পত্ত দিয়া হ'লে সপোনৰ অবাস্তৱতা আৰু মাদকতা বেছি থাকিলহেঁতেন যেন লাগে।

৩২ পৃঃ—চিত্ৰলেখাই অদ্ভুত চিত্ৰ বিদ্যা ক'ত পালে উমকিয়াৰ লাগিছিল।

৩৪ পৃঃ—চিত্ৰলেখাৰ চিত্ৰিত মূৰ্তিবোৰৰ বৰ্ণনাত "আছে নে প্ৰাণৰ প্ৰিয়, ইয়াৰ মাজত"—এই কথাষাৰ প্ৰত্যেক বৰ্ণনাৰ অন্তত পুনৰুক্তি হ'ব লাগিছিল। প্ৰশ্নৰ স্বাভাৱিকতাৰ লগত পুনৰুক্তিৰ সৌন্দৰ্য মিলি গ'লহেঁতেন।

৪০ পৃঃ—চিত্ৰলেখাৰ দীঘলীয়া স্বগত বচনৰ লগত নাটকীয় কোনো ঘটনাৰ সম্বন্ধ নাই। ইয়াত চিত্ৰলেখাৰ অন্তৰৰ বুভুক্ষা দেখুওৱা হৈছে; কিন্তু নাটকৰ কোনো কথাৰ লগত তাৰ সম্বন্ধ নাই। নিজৰ অন্তৰৰ হাহাকাৰ চেপি ৰাখিও সখীয়েকৰ কামনা সফল কৰিবলৈ ওলাইছে এনে কিবা ধৰণৰ কোনোবা কথাৰে স্বগত বচনক নাটৰ লগত যোগ দিব লাগিছিল। স্বাধীন কথা হিচাপে ইয়ো আৰু কবিত্বময় হৈছে।

৪৪ পৃঃ—অনিৰুদ্ধৰ আপোন-মতলীয়া উক্তিবোৰ স্বাভাৱিক হোৱা নাই। ঘটনাৰ উল্লেখ বা পাৰম্পৰ্যৰ লক্ষ্য নকৰাত তাত হঠাৎকাৰিতাৰ দোষ পৰিছে। নাটত সাক্ষাৎ বা পৰোক্ষ ঘটনাৰ উল্লেখ বা সংশ্লেষ লাগিবই। ঘটনাৰ চেপা-খুন্দাৰেহে চৰিত্ৰ দেখুৱাব লাগে, নহ'লে নাট আৰু কবিতাৰ প্ৰভেদ নাথাকে।

৫৪ পৃঃ—অনিৰুদ্ধৰ "চিনি পাওঁ চিনি পাওঁ" কথাৰ নাটকীয় কৈফিয়ৎ নাই।

৬০ পৃঃ—"কি তুমিয়েই চিত্ৰলেখা?" কথাষাৰৰ অৰ্থ নাই। অনিৰুদ্ধই চিত্ৰলেখাৰ কথা কেতিয়া আৰু কেনেকৈ জানিলে? এনে এবিধ কথা থাকিব লাগিছিল যে চিত্ৰলেখা মায়াবিনী বা অপেশ্বৰী বা অইন কিবা আৰু অনিৰুদ্ধই তাইৰ কথা শুনি আছে ইত্যাদি। কুমাৰ আচৰিত হ'ব লাগিছিল যে সেই বিখ্যাত চিত্ৰলেখাই তেওঁৰ আগতে সৌশৰীৰে থিয় হৈছেহি।

৬১ পৃঃ—পৌৰাণিক মায়া বিদ্যাৰ ঠাইত আধুনিক ভেন্টীৰ সহায়েৰে কুমাৰক হৰণ কৰা কথাটো গ্ৰন্থকাৰৰ পক্ষে বৰ নিপুণ উদ্ভাৱনা। ভাব আৰু ভাষা বৰ মনোৰম।

৬৫ পৃঃ—অনিৰুদ্ধ আৰু চিত্ৰলেখাৰ কথাবোৰ পত্তত হোৱা হ'লে ভাল আছিল। মুগ্ধ অৱস্থাৰ কথাত পত্তৰ ঝঙ্কাৰ থাকিলে চাৰিওপিনে মোহৰ ভাব ছটিয়াই দিয়া যেন লাগে। বৰ্ত্তমান যি ভাবে আছে তাতো অতুল সৌন্দৰ্য আছে।

৮৭ পৃঃ—এইখিনিৰপৰা নাটখন নিস্তেজ হৈ পৰিছে। উষা-অনিৰুদ্ধৰ প্ৰেম অভিনয় শেষ হোৱাৰ পিছতহে অনিৰুদ্ধক বিচৰা আদিৰ কথাৰ সূত্ৰপাত হ'ল। ইফালে অনিৰুদ্ধই আহি প্ৰেমত হাবুডুবু খাব লাগিছে। আৰু আনফালে ঘৰৰ মানুহ তেওঁক বিচাৰি হায়ৰাণ হ'ব লাগিছে ইত্যাদি কথা একে সময়ত ঘটাৰ দৰে দৃশ্যৰ সলনি কৰি দেখুওৱা হ'লে ভাল আছিল। কৃষ্ণ-চৰিত্ৰ আৰু অলপ বেছিকৈ ফুটি ওলাব লাগিছিল। অনিৰুদ্ধ ক'লৈ গৈছে তেওঁ জানে। গ্ৰন্থকাৰে

শ্ৰীকৃষ্ণই “অলপ হাঁহে” ইত্যাদি কথাৰে বুজাবৰ চেষ্টা কৰিছে; কিন্তু কৃষ্ণ-চৰিত্ৰ সম্পূৰ্ণকৈ ফুটি নোলাল। উষা-অনিৰুদ্ধৰ প্ৰেমলীলা উপলব্ধি কৰোঁতেই কুমলীয়া গ্ৰন্থকাৰৰ কল্পনা ভাগৰি পৰিছে।

৯৩ পৃঃ- হঠাৎ বাণক জীয়েকৰ অন্দৰ মহললৈ অনাটো ঠিক হোৱা নাই। দূত পঠিয়াই কুঁৱৰীৰ কথাৰ সত্যাসত্য বিচাৰ কৰাব লাগিছিল বা অইন যোদ্ধাবৰ্গৰাই প্ৰথমে অনিৰুদ্ধক ধৰাবলৈ দিব লাগিছিল।

১১৬ পৃঃ—শঙ্কৰৰ “হাঃ হাঃ তুমি বুজিব নোৱাৰা” এই বুজিব নোৱৰা কথাখিনি পঢ়োঁতাক লক্ষ্য কৰি ইঙ্গিতেৰে বুজাব লাগিছিল। শঙ্কৰ যে নিজৰ ভক্তৰ ভক্তিৰ শিকলিত মেৰপাক খাই নিজৰ বিৰুদ্ধে নিজে যুঁজিবলৈ ওলাইছে এই ৰহস্যটো ১১৭পৃঃত শঙ্কৰ অন্তৰ্দ্ধান হোৱাৰ আগতেই স্বগত বচন বা আন কিবা প্ৰকাৰে বুজাবৰ ইঙ্গিত কৰিব লাগিছিল।

১১৯ পৃঃ—ব্ৰহ্মাৰ কথা আৰু কিছু পৰিস্ফুট হ’ব লাগিছিল। হৰি-হৰ যে অভেদ আৰু দুয়ো আত্মঘাতী ৰণত প্ৰবৃত্ত হৈ সৃষ্টি নষ্ট কৰিবলৈ ওলাইছে এনে কথাৰ অৱতাৰণা অলপ থাকিব লাগিছিল। হৰিবংশত ব্ৰহ্মাৰ স্তৱ আছে। আমাৰ পুৰণি কবি পীতাম্বৰেও গাইছে—

ব্ৰহ্মাৰ বচন শিব দৃঢ় কৈল চিত্তে ॥
গোৱিন্দৰ শৰীৰ নিৰখে উমাপতি।
এখনাদি সকলে দেখিল পশুপতি ॥
অৰ্দ্ধেক শৰীৰ নীল অৰ্দ্ধেক ধৱল।
অৰ্দ্ধেক অমৃত পীয়ে অৰ্দ্ধেক গৰল ॥
অৰ্দ্ধেক বাঘৰ ছাল অৰ্দ্ধেক পীতবাস।
অৰ্দ্ধেক চন্দন অৰ্দ্ধ ভস্মৰ বিলাস। —ইত্যাদি

গীতাত অৰ্জুনে কৃষ্ণৰ মুখত বিশ্বমূৰ্তি দেখিছিল। কিন্তু ইয়াত শঙ্কৰে আত্মস্থ হৈ গঙ্গা-যমুনা সঙ্গমৰ দৰে নিজকেই কৃষ্ণৰ লগত আধা আধি ভাগ দেখিলে। এয়ে হৰি-হৰ যুদ্ধৰ তাৎপৰ্য। গ্ৰন্থকাৰে বিষয়-বস্তুৰ তাৎপৰ্য ধৰিব পাৰিছে। কিন্তু সম্পূৰ্ণভাৱে বিচলিত চিত্তেৰে উপলব্ধি কৰি ঘটনা আৰু চৰিত্ৰৰ সহায়েৰে তাক ফুটাই তুলিব পৰা নাই। উষা-অনিৰুদ্ধৰ কল্পনাই মনক বেছিকৈ হেঁচি ধৰাত ই আনফালে সহজ শক্তিৰে খেলা কৰিব পৰা নাই। অপৰিণত বয়সেই ইয়াৰ কাৰণ। কাব্য হিচাপে পুথিখনি বৰ উপাদেয় হৈছে। পুথিৰ অন্তৰ্গত গীতবোৰত হৃদয়ৰ স্বাভাৱিক স্পন্দনৰ খেলা আছে আৰু সেইবোৰত স্নিগ্ধ অভিনৱতাৰ ছটা এটি পৰিছে। ভাৱৰীয়াবোৰৰ ভাজেমান কথা স্বাভাৱিক নহ’লেও বা অৱস্থা বিশেষৰ লগত খাপ নাখালেও গ্ৰন্থকাৰে যে সুন্দৰ সৌন্দৰ্যৰ পোহৰ এটি দেখিছে সেইটো সহজে বুজিব পাৰি।

সেইদেখি গ্ৰন্থকাৰৰ প্ৰতি আমাৰ অনুৰোধ যেন আমাৰ দেশৰ ৰীতি অনুসাৰে ততালিকে সাহিত্যৰথী আদি হ’বলৈ আকাঙ্ক্ষা নকৰি নিৰলভাৱে সাহিত্য-সেৱাত মন দি দেশ-বিদেশৰ

"অপ্রমাদী পূর্বকবি" আৰু গ্রন্থকাৰসকলৰ ভাল ভাল গ্রন্থবোৰ পঢ়ি মনটো গঠন কৰি লয়। সাহিত্যৰ ক্ষেত্রত নতুনকৈ কৰিবলগীয়া কাম একো নাই। সাহিত্য ধ্বনি আৰু প্রতিধ্বনি মাথোন। পূর্ব-পুৰুষসকলৰ ভাবৰ ধ্বনি যাৰ হৃদয়ত পুনৰাই প্রতিধ্বনিত হয় সিয়েই সফলতা লাভ কৰে।

জাতীয় চৈতন্য

(১)

ভাষাৰ বান্ধেই সমাজ আৰু ৰাষ্ট্ৰৰ বান্ধ। ইতিহাসৰ শুবিৰপৰাই এইটো ৰীতি চলি অহা যেন লাগে। পুৰণি গ্রীক সভ্যতাৰ "বর্বৰ" আৰু পুৰণি হিন্দু সভ্যতাৰ "ম্লেচ্ছ" দুয়োটা শব্দ ভাষাবাচক। যিবোৰে সভ্য গ্রীক আৰু হিন্দুসকলে বুজিব নোৱৰা ভাষাৰে কথা কৈছিল সেইবোৰকেই "বর্বৰ", "ম্লেচ্ছ" আদি শব্দৰে নির্দেশ কৰা হৈছিল। দুয়োটা শব্দৰেই ধাতুগত অর্থ হৈছে "অব্যক্তভাষণে"। তেতিয়াৰপৰা আজিৰ দিনলৈকে সভ্যতাৰ তল খাপৰ মানুহবোৰক এই দুটি শব্দৰে তাচ্ছিল্যভাৱে অভিহিত কৰা হয়। ভাষাই সভ্যতাৰ দাপোণ।

(২)

ভাষাৰ বুৰঞ্জীত দেখা যায় সভ্য উন্নত জাতিৰ মানুহে অনুন্নত জাতিৰ ভাষাৰপৰা শব্দ ধাৰলৈ নলয়। ইংৰাজী ভাষাত লেটিন, ফ্রান্স আদি উন্নত ভাষাৰ লেখ-জোখ নাই। কিন্তু আদিম অধিবাসী কেল্ট্সকলৰ ভাষাৰপৰা লোৱা শব্দ নাই বুলিলেই হয়। কিয়নো ইংৰাজৰ মানত কেল্ট্বোৰ পৰাজিত জাতি আৰু পৰাজিত জাতিৰ ভাষাৰপৰা শব্দ লোৱা অগৌৰৱৰ কথা।

আজিকালিৰ দিনতো য়ুৰোপৰ উন্নত জাতিবোৰৰ ভিতৰত ভাষাচৈতন্য বৰ প্রবল। পুৰণি গ্রীকসকলে বর্বৰ বুলি যি টিউটন জাতিক নির্দেশ কৰিছিল তাৰেই বংশধৰ বর্তমানে জার্মানসকলে কোনো ভাষাৰপৰাই শব্দ নলয়, বিশেষতঃ লাটিন জাতিসকলৰপৰা।

নতুন ভাব প্রকাশ কৰিবলৈ নিজৰ ভাষাৰ উপাদানেৰেই সমাসবদ্ধ দীঘল শব্দ তৈয়াৰ কৰি লয়। ৰুছ জাতিৰ ভিতৰতো এই চৈতন্যই দেখা দিছে। পহিলা মহাসমৰৰ পিছত ৰুছিয়াৰ ৰাজধানী 'চেণ্টপিটার্চবার্গ'ৰ নাম সলাই পেট্রোগ্রাড কৰা হয়। কিয়নো 'বার্গ' শব্দটো জার্মান ভাষাৰপৰা অহা; তাৰ ঠাইত ৰুছীয় 'গ্রাড' বহুৱা হ'ল। স্বাধীন জাতিৰ ৰাজধানীত বিদেশী শব্দৰে সূচাবনে? দুয়োটা শব্দৰেই অর্থ 'নগৰ'।

পৰাধীন দুই প্রকাৰৰ, শৰীৰ আৰু মনৰ। মনৰ পৰাধীনতা সর্বগ্রাসী যক্ষ্মাৰোগৰ বীজাণুৰ নিচিনা মাৰাত্মক। মানসিক পৰাধীনতাৰ বৰবিহ মেলি দিব পাৰিলে কোনো জাতিৰেই মনুষ্যত্বৰ অৱশেষ নাথাকে। সেইকাৰণে ক্ষমতালোভী দুৰাকাঙ্ক্ষীসকলে অধীনস্থসকলৰ মন জয় কৰিবলৈ

চেষ্টা কৰে। মন জয় কৰিব নোৱাৰিলে প্ৰভুপদত থকাসকলে নিজৰ গৌৰৱ খৰ্ব হোৱা বুলি ভাবে। আমাৰ শাস্ত্ৰতো আছে—"মন এব মনুষ্যাণাং কাৰণং বন্ধ মোক্ষয়োঃ"। মনেই বন্ধন আৰু মোচনৰ মূল কাৰণ। সকলো মহত্তালিৰ জন্মভূমি মনৰ সজীৱতা।

পুৰণি ইহুদী জাতি ইতিহাসৰ শাখৰ। তেওঁলোকে নিজকেই Chosen people of God —ঈশ্বৰৰ বাছনিত উঠা শ্ৰেষ্ঠ জাতি বুলি পৰিচয় দিছিল। অদৃষ্টৰ কোপত পুৰণি কালৰপৰা আজিলৈকে তেওঁলোকৰ দৰে নিৰ্যাতিত জাতি এটি ওলোৱা নাই। থকা ঠাই, নিজৰ দেশ হেৰুৱালে। পৃথিৱীময় সিঁচৰতি হৈ পৰিল। প্ৰবল খৃষ্টানসকলৰ অমানুষিক অত্যাচাৰ অসহায়ভাৱে মূৰ পাতি ল'ব লগাত পৰিল। কিন্তু পুৰণি জাতীয় গৌৰৱৰ চৈতন্য ইহুদীয়ে নেহেৰুৱালে। বাছনিত উঠা জাতিৰ বংশধৰসকলে শৰীৰৰ ক্লেশ পাহৰি মনোৰাজ্যত বিচৰণ কৰিব ধৰিলে। আজিৰ দিনত আৰ্থিক আৰু মানসিক জগতত যিবোৰ ডাঙৰ ডাঙৰ সত্যই তোলপাৰ লগাব লাগিছে, সেই আটাইবোৰেই বাছনিত উঠা ইহুদী ভাবুকৰ দান।

ৰাষ্ট্ৰনীতিত :—কাৰ্ল মাৰ্ক্স—ইহুদী

বিজ্ঞান জগতত :—আইনষ্টাইন—ইহুদী

মনোবিজ্ঞানত :—ফ্ৰয়েড—ইহুদী

এই আটাইবোৰ মনীষীৰেই জন্মস্থান জাৰ্মানী—বৰ্তমান জগতত স্বজাতি গৌৰৱৰ লীলাভূমি। ইহুদীৰ মগজু আৰু মাটিৰ সহযোগ।

মহাত্মা গান্ধীৰ ৰাজনৈতিক দৰ্শন আত্মিক মোচনৰ ওপৰত প্ৰতিষ্ঠিত। বলীয়ে অত্যাচাৰ কৰিব, কিন্তু মনেৰে অত্যাচাৰ বা অন্যায় বৰণ কৰি নলবা। অনাচাৰ বা অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰা—প্ৰকাশ্য ভাষাত সম্ভৱ নহ'লে মনৰ প্ৰতিবাদে অনাচাৰৰ নিৰোধ কৰিব নোৱাৰে। কিন্তু ই মনৰ স্বাধীনতা ৰক্ষা কৰে।

মনৰ পুষ্টি আৰু প্ৰকাশ হয় ভাষাৰ সহায়েৰে। সেইকাৰণে জাতীয় চৈতন্য-গৰ্বী লোকসকলে নিজৰ ভাষা আৰু তাৰ বিশুদ্ধতা ৰক্ষা কৰে। চৈতন্যৰ পৰিসৰ বঢ়াৰ লগে লগে ভাষাৰ প্ৰকাশিকা শক্তি বাঢ়ে। কোনো জাতিৰ অভিধান এখন মেলি চালে সেই জাতিৰ মানসিক পৰিধিৰ মোটামুটি পৰিমাণ এটি পোৱা যায়। সেই মনেৰে চালে আমাৰ অসমীয়া ভাষাই কোনো সংস্কৃতিমূলক ভাৰতীয় ভাষাৰ ওচৰত মূৰ দোঁৱাব নেলাগে। বৰং কিছুমান ক্ষেত্ৰত ইয়াৰ প্ৰকাশ কৌশলৰ শ্ৰেষ্ঠতাহে দেখা যায়।

ভাষাৰ প্ৰকাশ প্ৰাচুৰ্য নিৰ্ভৰ কৰে তাৰ জতুৱা ঠাঁচ বা স্বকীয়া ৰীতিৰ ওপৰত, ইংৰাজী ব্যাকৰণত যাক idiom বোলা হয়। Idiom শব্দটো গ্ৰীক ভাষাৰপৰা অহা। তাৰ অৰ্থ "স্বকীয়", "স্বকীয়া"। স্বকীয়া (আনতকৈ বেলেগ) ভাৱৰ গতি হ'লেহে স্বকীয়া ভাষা-ৰীতিৰ উদ্ভৱ হয়।

একোটা সাধাৰণ শব্দক মধ্যস্থ কৰি অসমীয়া ভাষাত স্বকীয়া ৰীতিৰ একোটা সৌৰমণ্ডল

আছে। সৰ্বদাই লগত লৈ ফুৰিবলগীয়া 'গা' শব্দটোকে চাওক : গা-ধোৱা ; গা-ৰোৱা ; গা-বোৱা ; গা-চোৱা ; গা-গছ ; গা-নবীয়া ; গা-টঙা ; গা-ভঙা ; গাত-থকা ইত্যাদি ইত্যাদি স্বকীয়া ৰীতিৰ হাতীপটি। প্ৰত্যেকটি ঠাঁচৰ চাৰিওফালে কিমান ভাবৰ প্ৰচুৰতাই আগুৰি আছে।

ভাবৰ বিলাস বা হেঁচা নহ'লে এনেবোৰ ঠাঁচ ওলালহেঁতেন কিয়? অসমৰ বনজ পদাৰ্থৰ প্ৰাচুৰ্যৰ দৰে ভাষাগত প্ৰাচুৰ্যও অপৰিমিত। কিন্তু পিতৃ-পুৰুষৰপৰা উত্তৰাধিকাৰ সূত্ৰে পোৱা বহুল বাস্তুভূমিৰ এচুকত পঁজা এটি বান্ধি থাকি ৰাকীভোখৰক বাল্দৰৰ বাহ কৰি দিয়াৰ দৰে আমাৰ ভাষায়ো পঢ়াশলীয়া পাঠ্যপুথি কেইখনত আশ্ৰয় লৈছে। জাতি হিচাপে অসমীয়া মানুহে ভাবিবলৈ এৰিছে ; ভাব নহ'লে ভাষাৰ আৱশ্যকতা নাথাকে। নঙঠাৰ আকৌ পোছাক-পৰিচ্ছদৰ হিচাপ।

ভাষা চৈতন্য নেথাকিলে জাতীয় চৈতন্য নেথাকে। আজিৰ দিনত অসমীয়াৰ অগণন জাতীয় সমস্যাৰ ভিতৰত ভাষা আৰু সাহিত্যৰ ভিতৰেদি জাতীয় চৈতন্য ৰক্ষা কৰিব পৰাটো প্ৰধান।

আজিৰ দিনত অসমদেশ সৰ্বভাৰতৰ মুকলি চৰণীয়া পথাৰ। মাটি, বেহা-বেপাৰ আৰু চাকৰিৰ আশাত বাটে-ঘাটে অগণন অব্যক্ত ভাষীয়ে ভন্‌ভনাই ফুৰিব লাগিছে। সময়ত অব্যক্ত ভাষীৰ প্ৰাধান্য হ'লে (হোৱাটো প্ৰায় সম্ভাবনাৰ দুৱাৰ-ডলিত থিয় দিয়া যেন লাগিছেই) আমিহে "অব্যক্তভাষী"ৰ শ্ৰেণীত পৰিমগৈ।

ইংৰাজী ভাষাৰ মৰ্যাদা দিনক দিনে কমি আহিব লাগিছে। চৰকাৰে বাধ্যতামূলকভাৱে ল'ৰা-ছোৱালীক প্ৰাথমিক শিক্ষা দিয়াৰ বন্দোবস্ত কৰিছে ; একোখন গাঁও তুলি নিব পৰা দুখন বিৰাট গাড়ীয়ে "নিৰক্ষৰতা দূৰীকৰণ" কৰিবলৈ ডেকা-বুঢ়া সকলোৰে চকুত আখৰৰ ছবি বিজুলী বত্তিৰে দেখুৱাই ফুৰিব লাগিছে।

খাবলৈ শিকালা ভাতৰ দিহা ক'ত?

আমাৰ নিজা ভাষাত নিজা ভাবৰ পুথি নেথাকিলে ল'ৰা-ছোৱালী, ডেকা-ডেকেৰীয়ে পঢ়া খজুৱতি জুৰাবলৈ বিদেশী ভাষা আৰু সাহিত্যৰ আশ্ৰয় ল'বলৈ বাধ্য হ'ব। বিদেশী ভাব আৰু ভাষাৰ পৰশত জাতীয় চৈতন্যই সমূলে বিনাশ পাব।

ইংৰাজ শাসনৰ পহিলা ডোখৰত অসমৰ পঢ়াশালি আৰু কাছাৰী ঘৰত বিদেশী বঙালী ভাষাৰ চল্‌তি হৈছিল। কিন্তু অসমীয়া মানুহৰ মনক তেতিয়াও আহোমৰ দিনৰ স্বাধীনতাৰ সৌৰভণিয়ে সতেজ কৰি ৰাখিছিল। সেই তেজৰ বলত বঙালী ভাষাই শিপা মেলিব নোৱাৰিলে।

কিন্তু বৰ্তমান কালত জাতীয় স্বাৰ্থৰ প্ৰতি অসমীয়া যেনে উদাসীন, সেই উদাসীনতাই আমাক আৰু সৰহ দিন আত্মসন্মানেৰে বচাই ৰাখিব নোৱাৰে।

একালে ৰাষ্ট্ৰভাষা, আনকালে শতৰুৱা কুৰিজন হ'লে বিদেশী ভাষাবো চল্‌তি—আমাৰ ঠাই ক'ত?

কোনো অলৌকিক ঘটনাই আমাৰ ভাষা-সাহিত্যৰ ভিতৰেদি জাতীয় চেতনাৰ উদ্বোধন নকৰে। অসম সাহিত্য সভাৰপিনে চোৱা, দেশ স্বাধীন হ'ল; সাহিত্য ধৰাশায়ী হ'ল। কামৰূপ অনুসন্ধান সমিতিৰপিনে চোৱা, এছটা কলা-কাঠত নামটো আঁকি থোৱা আছে; যেন কবৰখানাৰ দুৱাৰ মুখত আঁৰা মৰা মানুহৰ নাম।

কাৰণ? শাস্ত্ৰত আছে "সৰ্ব্বাৰম্ভাস্তণ্ডুলপ্ৰস্থমূলাঃ"—সকলো প্ৰচেষ্টাৰ গুৰিতেই চাউল মুঠিৰে আশা। চাউলো নাই, কামো নাই। কেৱল দেশহিতৈষণাৰ হামৰাও কাঢ়ি জাতীয় প্ৰতিষ্ঠান গঢ়াই তুলিব নোৱাৰি। দেশহিতৈষণা এটি অতীন্দ্ৰিয় বাগী। মহাত্মা গান্ধীৰ দৰে মহাপুৰুষৰ গাতহে ই লম্ভে। সেই কাৰণে মহাত্মাৰ তিৰোভাৱৰ লগে লগে তেওঁৰ বিৰাট অনুষ্ঠানৰ অন্তস্থালৈ চকু দিয়া যিসকল ভাগ্যবান 'বাছনি'ত উঠিল, তেওঁলোকে মহাত্মাজীৰ নামত চিকৰাৰ দৰে কামোৰ মাৰি আছে। বাছনিত নুঠাবোৰে বনুৱা, নিবনুৱা, কুলি, মজুৰৰ নামত দেশত অশান্তিৰ ঢৌ তুলি দিছে। দৃষ্টি—চাউল মুঠিলৈ।

বৰ্তমান অৰ্থনৈতিক চাউল-সিধাৰ যুগত ভাষা, সংস্কৃতি, সাহিত্য সকলোকে সাম্য বস্তু বুলি ভাবি ল'ব লাগে। ইউৰোপ আদি উন্নত দেশবোৰত এইবোৰ বেপেকৰা বস্তু। সেইকাৰণে নৰৱে, ডেনমাৰ্ক আদি সৰু সৰু দেশবোৰো একোটা বিৰাট সাহিত্যৰ বাহ। বজাৰত বেলেগ ৰুচিৰ মানুহৰ বাবে যেনেকৈ নানান সোৱাদৰ মিঠাই তৈয়াৰ হয়, তেনেকৈ নানান ৰুচিৰ মানুহৰ বাবে নানান সোৱাদৰ কিতাপ তৈয়াৰ কৰাৰ লাগে। শিশু, ডেকা-ডেকেৰী, বয়সীয়াল, বেলেগ বেলেগ অৱস্থাৰ বাবে বেলেগ বেলেগ ভাবৰ নিৰ্যাসৰ কিতাপ লাগে। আৰু তাৰ লগে লগে থাকিব লাগে ছাপাখানাৰ সুবিধা আৰু নিৰ্ভৰযোগ্য কিতাপৰ দোকান। এইবোৰৰ লগতেই হৈছে পঢ়াৰ প্ৰতি ধাউতি ওপজোৱা 'প্ৰপাগাণ্ডা'।

কিতাপ লিখা হ'ল, দোকানত মেলি দিয়া হ'ল। ল'ৰাই আঠ অনাৰে চিগাৰেটৰ বাহ এটি কিনিব, কিন্তু দহ পইছাৰে প্ৰেমৰ কাহিনী এটিও নিকিনে।

জীৱমাত্ৰেই কেতুগ্ৰহৰ ক্ষেত্ৰত ওপজে। সকলো শৰীৰময়, মনৰ ক্ৰিয়াৰ ভিতৰত স্নায়বিক চঞ্চলতা। সেইকাৰণে আহাৰ আৰু মৈথুনতেই সৰহভাগ জীৱনৰ সমাপ্তি। মানসিক চৈতন্যৰ উদ্বোধন কৰিব লাগিলে ৰাহুৰ মন্ত্ৰ সাধনা কৰিব লাগে। ৰাহু-কেতুৰ সহযোগ পাই গোটা আৰু জাতীয় জীৱনত বিমান সঘনে ঘটে তিমানেই আত্মিক উৎকৰ্ষৰ বিকাশ হয়। আমাৰ শাস্ত্ৰত আছে যিবোৰৰ মানসিক উৎকৰ্ষ নাই সেইবোৰ পশু তুল্য—"সাহিত্য-সঙ্গীত কলাবিহীনঃ সাক্ষাৎ পশুঃ পুচ্ছবিষাণহীনঃ"।

ভৱিষ্যৎ অসমীয়া সাহিত্য

মানুহ পুৰণিকলীয়া। মানুহৰ হিয়া-মনো পুৰণিকলীয়া। অৱস্থাৰ পৰিবৰ্তনৰ লগে লগে লোক সমাজৰ সৈতে হিয়া মন খাপ খুৱাই লোৱাৰ চেষ্টাই হৈছে সাহিত্য। খাপ খুৱাই ল'বলৈ যাওঁতে সততে যিবোৰ ন-ন ৰূপৰ উদ্ভৱ হয়, সেইবোৰেই সাহিত্যৰ নতুন সুৰ। সংস্কৃত শব্দ সাহিত্যই এই ভাব বঢ়িয়াকৈ প্ৰকাশ কৰে, আনকি ইংৰাজী শব্দ "Literature"ত তাক সিমানদুৰ নকৰে। সাহিত্যই সেই সহযোগিতাৰ ভাব প্ৰকাশ কৰে, সেই সহযোগিতাৰ লগত খাপ খুওৱাৰ ভাব অন্তৰ্নিহিত হৈ থাকে। স্বজন-স্বজাতিৰ লগত আমি কিভাৱে সহযোগ কৰোঁ, কিভাৱে তেওঁলোকৰ কামৰ বা চিন্তাৰ মূল্যাঙ্কন কৰোঁ, তাৰ ওপৰতে সকলো সাহিত্যৰ চিন্তাধাৰাৰ মৌলিক দৰ্শনে গঢ় লয়।

পোন্ধৰ আগষ্টৰ লগে লগে অসাম্যপূৰ্ণ, জৰ্জৰিত পৃথিৱীত চল্লিশ কোটি পঙ্গু মানৱৰ মুক্তিয়ে এটি নতুন যুগৰ সূচনা কৰিছে। আৰু তেওঁলোকক মনুষ্যত্বৰ পূৰ্ণবিকাশৰ সুযোগ দিছে। জগতত সততে ঘটি থকা যুদ্ধবিগ্ৰহ আৰু তাৰ ফলত হোৱা ধ্বংসযজ্ঞৰ মূল কাৰণ স্বৰূপ এই পৃথিবীৰ সমূহীয়া জীৱনৰ হেৰোৱা ভাবসাম্যৰ পুনৰ প্ৰতিষ্ঠা কৰিবৰ বাবে উক্ত মুক্তিয়ে সহায় কৰিব বুলি আমি আশাসো লভিছোঁ। সেইবাবে এই নতুন যুগৰ প্ৰবৰ্তন হোৱাৰ লগে লগে, মানুহ আৰু সমাজ জীৱন যুগোপযোগী কৰি নতুনকৈ গঢ়িব লগা হৈছে। যদি সেয়ে নহয়, তেন্তে পুৰণি জগতৰ ঘৃণা আৰু সংঘৰ্ষবোৰে আকৌ দেখা দিয়াৰ সম্ভাৱনা। নতুন যুগৰ কিছুমান বৈশিষ্ট্য টেনিচনৰ নিম্নোক্ত কবিতা ফাকিত ফুটি উঠিছে: পতাকা অভিবাদন কৰোঁতে আমি কবিৰ সেই অমৰ বাণী আজিও স্মৰণ কৰিব পাৰোঁইক:

Ring out the grief that saps the mind
For those that we see no more ;
Ring out the feud of rich and poor,
Ring in redress to all mankind,
Ring out a slowly dying cause,
And ancient forms of party strife ;
Ring in the nobler modes of life ;
With sweeter manners, power laws,
Ring out the want, the case the sin
The faithless coldness of the times,
Ring out, ring out my mournful rhymes
But bring the fuller minstrel in.

—In Memorium CX

কৰিয়ে মানৱীয় কৰ্মভূমিৰ বিশাল আৰু বিভিন্ন ক্ষেত্ৰত দৃষ্টি নিবদ্ধ কৰিছে। কিন্তু আজি আমি "fuller minstrel" বা পূৰ্ণতৰ শিল্পৰ নতুন কৰ্তব্যৰ বিষয়ে সঠিক জ্ঞান লভিবৰ বাবে যত্ন কৰিমইক ;—কি দৰে পক্ষপাতিতা আৰু সংস্কাৰ-বৰ্জিত দৃষ্টিৰে জীৱনৰ বহুমুখী প্ৰকাশৰ পূৰ্ণৰূপ উপলব্ধি কৰিব পৰা পূৰ্ণতৰ কবি, পূৰ্ণতৰ ৰচনা-শিল্পী, পূৰ্ণতৰ ঔপন্যাসিকে বা পূৰ্ণতৰ সাহিত্যিকে কৰ্তব্য জ্ঞান লাভ কৰিব পাৰে, তাৰ কথাকে উনুকিয়াওঁ।

অসমীয়া জাতিয়ে সাহিত্যৰ মাধ্যমৰ যোগেদি সম্পূৰ্ণ আত্মপ্ৰকাশ কৰিবলৈ সমৰ্থ হোৱা নাই। আমাৰ লেখাবোৰত কোনো লক্ষ্য বা পৰিকল্পনা নাই বুলিলেই হয়। তদুপৰি অসমীয়া জীৱন আৰু চিন্তাধাৰাৰ লগত লেখাবোৰৰ কোনো সম্পৰ্ক আছে বুলিও বোধ নহয়। আজিৰ প্ৰবন্ধত তাৰ কাৰণ বৰ্ণোৱাৰ থল নাই। কিন্তু এই কথা সঁচা যে উদ্দেশ্যপূৰ্ণ চিন্তা আৰু পৰিকল্পনামূলক লেখা নহ'লে, নৱলব্ধ স্বাধীনতাই মানুহৰ মনত এনে কিছুমান নৈসৰ্গিক প্ৰবৃত্তিৰ উদ্ৰেক কৰিব, যিবোৰে সমাজৰ মৌলিক ভেটিকেই ভাঙি পেলাব পাৰে।

অসম বিভিন্ন জনজাতি আৰু-গোষ্ঠীভূত লোকৰ বাস-ভূমি। এই সকলোবোৰকেই লগ লগাই, অসমীয়া জাতিৰ সকলো শাখাৰ লোকৰে সাধাৰণ মঙ্গল সাধিবৰ অৰ্থে তেওঁলোকৰ কৰ্মসমূহ কেন্দ্ৰীভূত কৰিবলৈ হ'লে নতুন দৰ্শনৰ আৰু নতুন সমন্বয়ৰ সৃষ্টিৰ অৰ্থে আত্মনিয়োগ কৰিবৰ আৱশ্যক হ'ব। অসমৰ জীৱনৰ বাবে বৰণীয়া ৰূপত, সাহসী ভাবুকসকলক প্ৰেৰণা যোগাব পৰা সম্মোহনী আৰু ৰোমাঞ্চকৰ গুণ যথেষ্ট পোৱা যায়। জনজাতীয় অঞ্চলত বিবিধ অনুষ্ঠান আৰু জনম মৰণ সম্পৰ্কীয় বিভিন্ন মত পোৱা যায়। এইবোৰক যদি সুশৃঙ্খলিত সহানুভূতি আৰু প্ৰেমৰ ভাবেৰে বুজিবলৈ যত্ন কৰা হয়, তেন্তে সেইবোৰে ভৱিষ্যৎ অসমীয়া সাহিত্যৰ সম্পদ বঢ়াব। ৰজনীকান্ত বৰদলৈয়ে "মিৰি-জীয়ৰী"ত আৰু লক্ষ্মীনাথ বেজবৰুৱাই "জয়মতী"ত এনে চেষ্টা কৰিছিল। এই দুজন সাহিত্যৰ ওজাই আঁকা জনজাতীয় সমাজৰ সবল প্ৰেমৰ ছবিয়ে পুৱাৰ নিয়ৰৰ দৰে সদায় অসমীয়া সাহিত্যৰ শোভা বঢ়াই থাকিব। কিন্তু জনদিয়েক মানুহৰ চেষ্টাই যথেষ্ট নহয়। এইবিলাকে ভৱিষ্যতৰ বাটহে পোন কৰি দিয়ে।

মহাপুৰুষ শঙ্কৰদেৱে এসময়ত অসমীয়া জীৱন আৰু সমাজ বিভিন্ন অৱয়বৰ সংযোগ-সাধন কৰিবলৈ চেষ্টা চলাইছিল। সেই চেষ্টাৰ ফলতেই আমি আজিও আমাৰ সমাজ আৰু জীৱনত আংশিক সমন্বয়ৰ চিন দেখিবলৈ পাওঁ। কিন্তু সেই সংযোগ সাধনৰ ৰূপ সম্পূৰ্ণ ধাৰ্মিক আছিল। সেইকালৰ পাছত সমাজ বিভিন্ন ফালেদি বহুদূৰ আগুৱালে। এতিয়া নতুন 'ধৰ্মমত'ৰ অভ্যুত্থান হৈছে আৰু নতুন মূল্যাঙ্কনেও মানুহৰ চিত্ত আকৰ্ষণ কৰিছে। ধৰ্মক মানৱ সমাজৰ কানি-বিহ বুলি গালি পৰা হৈছে। যদি ধৰ্ম কানি স্বৰূপ হ'ল (অসম ৰাজ্যত কানি নিবাৰণী অভিযানো চলিছে) তেন্তে তাৰ ঠাই পুৰাব পৰা নতুন আদৰ্শও বিচাৰি উলিয়াব লাগিল।

কিন্তু সেই আদৰ্শতো কানিৰ বাগীৰ সক্ৰিয় পৰিচালিকা গুণ থাকিব লাগিব।

এই কাম গাইগুটীয়া চিন্তাশীল লোক আৰু কৰ্মীৰ হাতত এৰি দিব নোৱাৰি। ৰাষ্ট্ৰৰ সহায়েৰে সাহিত্য সংস্থা পাতি সজ্ঞানে সাহিত্যিক প্ৰচেষ্টা কৰিবলৈ মানুহক উৎসাহ আৰু প্ৰেৰণা যোগাব লাগিব। অন্যান্য দেশত এনে সংগঠিত প্ৰয়াসৰ উদাহৰণ পোৱা যায়। ভৱিষ্যতৰ সাহিত্যই বয়সীয়া লোকতকৈ যুৱক আৰু শিশুকহে মন যোগাই চলিব লাগিব ; কাৰণ সাধাৰণতে বুঢ়া লোকে নতুন ভাবৰ মোৰ নেপায়। জনজাতি আৰু গোষ্ঠীভুক্ত মানৱ সম্প্ৰদায় একোটিয়ে পৰস্পৰক বুজিবলৈ সমৰ্থ হয়, একমাত্ৰ সাহিত্যৰ যোগেদিয়েহে, "শুভেচ্ছা-জ্ঞাপক মিশ্বনৰ"দ্বাৰা নহয়। মানৱ সমাজত সাহিত্যই হৈছে কৌটিকলীয়া আৰোগ্যকাৰী আৰু সমন্বয় সাধক শক্তি। নতুন দিল্লীত ভাৰতীয় সাহিত্য একাডেমী এখন হোৱাৰ খবৰ শুনি সুখী হৈছোঁ ; অসমত হ'ব কেতিয়া ?

উমৈহতীয়া বৰ্ণমালা সম্পৰ্কে এবাৰ কথা আলোচনা কৰা যাওক। বিভিন্ন ভাষা-ভাষীৰ মাজত সম্পৰ্ক ৰক্ষাৰ দৃশ্যমান সূত্ৰ হৈছে উমৈহতীয়া আখৰ। চীন দেশত ছবি-আখৰৰ সপক্ষে এটি যুক্তি সাধাৰণতে আগবঢ়োৱা হয়,—যেনে বিভিন্ন ভাষাভাষী চীনা জনতাৰ ঐক্যৰ মূল কাৰণ হৈছে এই ছবি-আখৰবোৰ। ছবি-আখৰ বাদ দি ধ্বনিমূলক আখৰ প্ৰবৰ্তন কৰিলে ঐক্য ধ্বংস হোৱাৰ ভয়। বিভিন্ন ভাষাৰ শব্দ আৰু উচ্চাৰণ বেলেগ হ'লেও, ছবি-আখৰৰ প্ৰতীকবোৰে উমৈহতীয়া চিন্তা আৰু অনুভূতি প্ৰকাশ কৰে। এই ছবি-আখৰবোৰ সমগ্ৰ চীনতে জনাজাত, কিন্তু বিভিন্ন অংশত বিভিন্ন ধৰণে পঠিত আৰু উচ্চাৰিত হয়। এনে দৃশ্যমান ঐক্যৰ প্ৰতীক সহজে আঁতৰাব নোৱাৰি। সেইদৰে আমাৰ উমৈহতীয়া অতীত আৰু বৰ্তমানক লগ লগাব পৰা এবিধ উমৈহতীয়া ভাৰতীয় বৰ্ণমালা থকা উচিত। সংস্কৃত সাহিত্যসমূহ 'লিপিবদ্ধ' কৰা দেৱনাগৰী আখৰ আমাৰ উমৈহতীয়া বৰ্ণমালা হোৱা উচিত। এই বৰ্ণমালা ভাৰতৰ চৰকাৰী ভাষাৰে বৰ্ণমালা হ'ব। এই দেৱনাগৰী আখৰ জনজাতীয় আৰু অজনজাতীয় উভয়শ্ৰেণীৰ অসমীয়াই শিকিব লাগিব। অনাহকতে বাধাপ্ৰাপ্ত হ'ব বা অতিৰিক্ত বোজা ব'ব খুখুজিলে স্বকীয়া এটি বৰ্ণমালা ৰখাৰ প্ৰয়োজন কি ? অসমীয়া বৰ্ণমালা বুলি এতিয়া যিবোৰক আমি ধৰোঁ, সেইবোৰক স্থানীয় বৰ্ণমালা বুলিও গৌৰৱবোধ কৰাৰ কোনো কাৰণ নাই। বিদেশীসকলে এইবোৰক বঙালী আখৰ বুলিয়েই কয়। বঙালী বুলি জনাজাত আখৰত লেখা-পঢ়া কৰা কাৰণেই অসমীয়াক বঙালী ভাষাৰ অপভ্ৰংশ বুলি বাহিৰৰ মানুহে কয়। দেৱনাগৰী আখৰ ল'লে আমি জনজাতি আৰু ভাৰতৰ অন্যান্য লোকৰ সৈতে মিল হোৱাৰ এটি সুযোগ পাম। তদুপৰি এই বৰ্ণমালাই আমাক সাংস্কৃতিক অতীতৰ সৈতে দৃশ্যমান সূত্ৰেৰে বান্ধি থ'ব। চীনদেশীয় ছবি-আখৰৰ দৰে দেৱনাগৰী আখৰ বিভিন্ন ভাষাৰ বিভিন্ন উচ্চাৰণৰ মাজতো উমৈহতীয়া প্ৰতীক হিচাপে ৰৈ যাব। উড়িয়াই আগতে সংস্কাৰ আৰম্ভ কৰে নে গুজৰাটীয়ে কৰে তাক লৈ আমি মূৰ ঘমাব নালাগে। উদয়াচলৰপৰা বেলিৰ পোহৰ গৈ পশ্চিমত পৰকগৈ।

উমৈহতীয়া আদর্শ, উদ্দেশ্য আৰু অভিলাষ, কিন্তু প্ৰকাশৰ বিভিন্ন ৰূপ—এয়ে অসমৰ ভৱিষ্যৎ সাহিত্যৰ মূল সুৰ হোৱা উচিত।

সুদূৰ অতীতত ভাৰতবৰ্ষত বৈদিক ঋষিসকলে এই ভাবকে সুশৃঙ্খলিত জীৱনৰ ভেটি বুলি ঘোষণা কৰিছিল। সেই ভাব নিম্নোক্ত স্তৱকত পৰিস্ফুট হৈছে :

সমানী ৱ আকূতিঃ সমানা হৃদয়ানি ৱঃ

সমানমস্তু ৱো মনো যথা ৱঃ সুসহাসতি ;

ঋগ্বেদ—১০ম. ১৯১।২—৪

অৰ্থ—"তোমালোকৰ অভিলাষ একে হওক, হৃদয় এক হওক, মন এক হওক—যাতে তোমালোকৰ মাজত সম্পূৰ্ণ ঐক্য বিৰাজমান হয়।"

আমাৰ নতুন সাহিত্য

বহুদিন বিদেশীৰ পদানত হৈ থাকিলে যি কোনো জাতিৰে শাৰীৰিক, মানসিক আৰু নৈতিক অৱনতি ঘটে, আৰু সেই জাতিয়ে নিজতো আস্থা হেৰুৱায়। আমাৰ জাতীয় জীৱনত এইবিলাক লক্ষণ সতকাই চকুত পৰে। তাৰ উপৰি অৰ্থনৈতিক অসাম্যয়ো ৰাইজক চেপি ধৰি আমাৰ ৰাজহুৱা জীৱন নিস্তেজ কৰিবলৈ চেষ্টা কৰিছে। এনে সময়ত স্বাধীনতাৰ অভিজ্ঞতাই যে কিমানবিলাক দায়িত্ব আৰু কৰ্তব্যৰ কথা সোঁৱৰাই দিয়ে তাৰ লেখ লব নোৱাৰি। প্ৰকৃততে নতুনকৈ পোৱা স্বাধীনতা সাৰ্থক কৰি তুলিবলৈ হ'লে আমি বহুতো সংগঠনমূলক কাম হাতত ল'ব লাগিব ; আৰু সেইবিলাকৰ সম্পাদনত আমাৰ আন্তৰিকতা প্ৰমাণ হোৱাৰ উপৰি স্বাধীনতা লভিবৰ আমি কিমান উপযুক্ত তাৰো চিন ওলাব।

সাহিত্যৰ ফালৰপৰা এই সময়ত সুফল লভিবৰ যথেষ্ট সম্ভাৱনা দেখা যায়। বহির্জগতৰ সৈতে মানুহৰ যি বিৰোধ আৰু সংগ্ৰাম সেয়েই সাহিত্যৰ প্ৰেৰণা। আদিম যুগৰপৰা এতিয়ালৈকে মানুহে প্ৰকৃতিৰ সৈতে যি যুঁজ-বাগৰ কৰি আহিছে আৰু অলপ অলপকৈ জয়লাভ কৰি সমাজ পাতি শাসনতন্ত্ৰ সাজি লৈ জীয়াই থাকিবলৈ যি অহোপুৰুষাৰ্থ কৰি আহিছে ; তাৰ প্ৰতিচ্ছবি লিখিত আৰু মৌখিক সাহিত্যত পোৱা যায়। আনহাতে মনৰ সংশয়াপন্ন আৰু বিমোৰ অৱস্থাত সাহিত্যয়ো মানুহক উদগনি আৰু দিহা-ভৰষা দিবলৈ চেষ্টা কৰিছে। জীৱন আৰু সাহিত্যৰ এয়ে দুমুখীয়া সম্বন্ধ।

সাহিত্যই জীৱনত কি দৰে প্ৰভাৱ পেলায় তাৰ সাক্ষী বুৰঞ্জীয়ে দিয়ে। ধৰ্মপ্ৰচাৰ আৰু সামাজিক বিপ্লৱত সাহিত্য হৈছে অগ্ৰগামী। প্ৰোটেষ্টান ধৰ্মমত প্ৰচাৰত লুথাৰৰ ৰচনাৱলী, ভাৰতবৰ্ষত মধ্যযুগৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰত শঙ্কৰদেৱ, তুলসীদাস আদি ভক্ত কৱিৰ পুথি, আধুনিক

যুগৰ বিপ্লৱবোৰত কছো, ভল্টেয়াৰ লেনিন, গৰ্কী আদি লিখকৰ কিতাপ-পত্ৰ কিমান কাৰ্যকৰী হৈছে তাক দোহাৰিবৰ সকাম নাই। আমাৰ জাতীয় আন্দোলনতো মহাত্মা গান্ধীৰ ইয়ং ইণ্ডিয়া, আত্মজীৱনী আদি ৰচনাৱলী কিমান সফল হৈছে সেই কথা আটাইৰে বিদিত। এইদৰে সমাজৰ আৱশ্যকীয় সংস্কাৰবিলাক সাহিত্যৰ জৰিয়তে আগবঢ়াই নিব পাৰি।

অসমীয়া সাহিত্য অলপ দুৰ্বল বুলি বহুতৰে ধাৰণা এটা আছে; আৰু অসমীয়া সাহিত্যিকৰ কৰ্তব্য সম্পৰ্কেও দুই-চাৰিয়ে মন্তব্য নকৰা নহয়। প্ৰকাশৰ অভাৱ আৰু আন দুই-এক অসুবিধাৰ কাৰণে অসমীয়া কিতাপ-পত্ৰ ওলাবলৈ অসুচল। তথাপি হাত সাবটি বহি থকা নীতি কোনোমতেই সমৰ্থন কৰিব নোৱাৰি। নতুন পৰিবৰ্তনবিলাকৰ স্বৰূপ বুজিবলৈ চেষ্টা কৰি সময় নৌযাওঁতেই আমি দুই-চাৰিটা আঁচনি হাতত লোৱা ভাল। এই বিষয়ে চৰকাৰ, সাহিত্য সভা, আন ৰাজহুৱা অনুষ্ঠান আৰু উদাৰমনা ব্যৱসায়ী—এই আটায়ে গা চালি চাব পাৰে।

মহাযুদ্ধৰ আলোড়নে আৰু জনশিক্ষাৰ আদৰ্শই বহুতো মানুহক লিখা-পঢ়াৰ প্ৰতি আগ্ৰহান্বিত কৰিছে। ইয়াৰ ফলত পঢ়ুৱৈ সমাজ আগতকৈ বহুতো ডাঙৰ হৈছে। অৱশ্যে এতিয়াও সৰহ সংখ্যক অসমীয়াই আখৰকে নিচিনে। এইসকলকো আখৰী কৰিবলৈ চেষ্টা চলিব লাগে। কিন্তু প্ৰথমতে যিসকলে কিতাপ-পত্ৰ অলপ-অচৰপ পঢ়িব পাৰে তেওঁলোকৰ পৰিধি ক্ৰমে বঢ়াবলৈ চেষ্টা কৰিব পাৰি। বাস্তৱিকতে যিবিলাক মনুহৰ বয়স গৈছে, যাৰ ইহকালতকৈ পৰকাল ভাবিবৰ পৰ হ'ল, তেওঁলোকৰ ওপৰত মিছাকৈয়ে জোৰ দিয়াৰ আৱশ্যকতা নাই। নতুনকৈ উঠি অহা ল'ৰা-ছোৱালীবিলাকক যদি লিখা-পঢ়া শিকাই স্বদেশ-প্ৰীতি, সাম্যভাব, উদাৰতা আদি আদৰ্শ উপলব্ধি কৰাব পৰা যায় তেনেহ'লে আমাৰ উদ্দেশ্য সফল হ'বলৈ পলম নালাগে।

আমাৰ উদ্দেশ্য যদি এই ল'ৰা-ছোৱালীবিলাকক শিকাই তোলা হয়, তেনেহ'লে সাহিত্যিক-সকলেও যাইকৈ এওঁলোকৰ কাৰণেহে লিখিব লাগিব। সম্ভৱ মজলীয়া পাছ আৰু মেট্ৰিক মানলৈ পঢ়া মানুহলৈ উদ্দেশ্য কৰি লিখিলেই লিখকে আটাইতকৈ ডাঙৰ পঢ়ুৱৈ সমাজ পাব। এই আটাইবিলাকক যদি একশ্ৰেণী কিতাপেৰে গঢ়ি তুলিব পৰা যায় তেনেহ'লে আমাৰ ভৱিষ্যৎ আশাপ্ৰদ হ'ব বুলি বিশ্বাস ৰাখিব পাৰি।

উচ্চ শিক্ষা লভা পাঠকে টান কিতাপ বা সূক্ষ্ম আলোচনা বুজিব আৰু বিদেশী কিতাপো হাতত ল'ব পাৰে। কিন্তু যাৰ শিক্ষা প্ৰাথমিক আৰু বিশেষ উচ্চ নহয় তেওঁলৈ উদ্দেশ্য কৰি লিখিলে ৰচনাৰ ভাষা আৰু ভঙ্গী কি ধৰণৰ হোৱা যুগুত সিও আলোচনাৰ যোগ্য। সাধাৰণতে বাক্যৰ গাঁথনি সৰল আৰু শব্দচয়ন জতুৱা বা ঘৰুৱা হ'লে বুজিবলৈ সহজ হয় আৰু এই ধৰণৰ ৰচনাৰ আকৰ্ষণো চোকা হয়। কিয়নো প্ৰত্যেক ভাষাৰ যি স্বকীয়া জতুৱা ঠাঁচ আছে তাৰ আকৰ্ষণ আৰু সফলতা জটিল আৰু পাণ্ডিত্যৰ পৰিচয় দিয়া ঠাঁইতকৈ বহুতো বেছি। সেই কাৰণে নতুন লিখকসকলে মাইকী মানুহ আৰু খেতিয়কে সদায় ব্যৱহাৰ কৰি থকা বহুতো সহজ

অথচ হৃদয়স্পৰ্শী বচন-ভঙ্গী সাহিত্যৰ ক্ষেত্ৰলৈ টানি আনিব লাগিব। আমাৰ বৰ্তমান যি ঠাঁচ কিতাপ আৰু আলোচনীবিলাকত দেখা যায় তাত জতুৱা বচন-ভঙ্গীৰ আকৰ্ষণীয়তা দুষ্প্ৰাপ্য। অসমীয়াকৈ শিক্ষিত মানুহৰ অন্তৰ চুবলৈ হ'লে তেওঁলোকৰ চিন্তাৰ যি ধৰণ সেই বিষয়েও লিখকে চৰ্চা কৰিব লাগিব। গাঁৱত চলি থকা গীত-পদ, সাধুকথা, ফকৰা আদিয়ে গাঁৱলীয়া মনৰ কিছু পৰিচয় দিব পাৰে।

আজিকালি জগতত সমাজ সচেতন সাহিত্যৰ চল বৈছে। অসমীয়া লিখকেও সমাজৰ অভাব অভিযোগবিলাক, আৰু আৰ্থিক অনাটনে সৃষ্টি কৰা মানসিক দ্বন্দ্ববিলাক আলোচনা কৰি অসাম্য, স্বাৰ্থপৰতা আদি জীৱনৰ কেৰোণবিলাক নিপাত কৰিবলৈ চেষ্টা কৰিব লাগিব।

অসমত বিবিধ ধৰণৰ লোকৰ বাস। একেখন দেশত থকা কাৰণে আৰু একে ধৰণৰ সংস্কৃতিৰ স্পৰ্শ পাই এওঁলোকৰ মাজত এক প্ৰকাৰ ঐক্য নথকা বুলি ক'ব নোৱাৰি। অসমীয়া সংস্কৃতিৰ পৰশ পোৱা পৰ্বত-ভৈয়ামত বাস কৰা সকলো মানুহকে একে ভাবাপন্ন কৰিবলৈ সহজ ভাষাত লিখা মনোগ্ৰাহী কিতাপৰ দৰকাৰ হ'ব।

পঢ়ুৱৈ সমাজ বঢ়াবলৈ হ'লে প্ৰথমতে মনোগ্ৰাহী কিতাপৰহে বেছি আৱশ্যক। বঙালী উপন্যাস আৰু ডিটেক্টিভ গল্পৰ সম্মোহত অসমীয়া পাঠক সহজেই আকৃষ্ট হয়। ইয়াৰ কাৰণ এইটোৱেই বা বৰ্ণমালাৰ হেঙাৰ নাথাকিলে আৰু বুজিবলৈ সহজ হ'লে যি কোনো মনোমোহা কিতাপেই মন আকৰ্ষণ কৰিব পাৰে। এই সত্যটোৰ সমুখত নৈতিকতা, স্বদেশপ্ৰিয়তা আদি আদৰ্শও ম্লান হৈ পৰে। সেই কাৰণে অসমীয়া পাঠকক সহজে জয় কৰিবলৈ হ'লে সৰল ঠাঁচত লিখা প্ৰেমৰ কাহিনী ডিটেক্টিভ গল্প, দেশপ্ৰেমমূলক কাহিনী আদি চকুত লগাকৈ ছপাই উলিয়াব লাগিব। এই বিষয়বিলাকৰ আলম লৈ ৰচা কিতাপৰ মান উন্নাই কৰিব নোৱাৰি বুলিহে মই সেইবিলাকৰ কথা উল্লেখ কৰিছোঁ। মনত লগা কৰি দিব নোৱাৰিলে অকল উপদেশ বা নিৰ্দেশে কাম নিদিয়ে।

এইবিলাক কথা ভাবি-চিন্তি কামত নামিলে সাহিত্যিক আৰু শিল্পীসকল বিফল হ'বৰ কোনো কাৰণ নাই। মোৰ বিশ্বাস ছোভিয়েট ৰুছিয়া আৰু চীনদেশত যেনেকৈ তেওঁলোকৰ ৰাইজৰ মাজত নতুন প্ৰাণ সঞ্চাৰ কৰিব পাৰিছে সেই দৰে আমাৰসকলেও অসমীয়া ৰাইজক নতুন আশা আৰু উদ্যমেৰে উদ্দীপিত কৰিব পাৰিব আৰু ৰাইজৰ মাজত নিজক মিলাই লৈ নিজেও নতুন প্ৰেৰণাৰে শক্তিমান হ'বলৈ সমৰ্থ হ'ব।

সামৰণিত অসমীয়া বৰ্ণমালাৰ বিষয়েও মন্তব্য প্ৰকাশ কৰিব পাৰি। কিছুমান দিনৰ পৰা অসমীয়া বৰ্ণমালা পৰিত্যাগ কৰি ৰোমানাগেৰী আখৰ লোৱাৰ পক্ষে, অসমীয়া যি বৰ্ণমালা সি বাহিৰত বঙালী বুলিহে জনাজাত। হিন্দী ৰাষ্ট্ৰভাষা হ'ল যেতিয়া অসমীয়া মানুহে দেৱনাগৰী হৰফ শিকিবই লাগিব। কিন্তু অসমত ট্ৰাইবেল লোকৰ সংখ্যা বহুতো বেছি; এওঁলোকে নিজৰ

ৰোমান আখৰৰ উপৰিও দেৱনাগৰী শিকিবলগীয়া হ'ব। তেতিয়া হ'লে অযথা শ্ৰম কৰি ক খ গ শিকিবলৈ নগৈ তেওঁলোকে অসমীয়া মাত-কথা আওকাণ কৰি হিন্দীৰে কাম চলাবলৈ ট্ৰাইবেল লোকে অসাৰ্থক শ্ৰম নকৰাকৈ এই বৰ্ণমালাৰ জৰিয়তে অসমীয়া শিকিবলৈকো সহজ পাব আৰু এই বৰ্ণমালাই অসমীয়া লোকৰো শ্ৰম লঘু কৰিব। অৰ্থাৎ ইয়াৰ জৰিয়তে অসমীয়া, হিন্দী আৰু সংস্কৃত ভাষা এই তিনিটাৰে কাম চলাব পৰা হ'ব। দেৱনাগৰীয়ে ভাৰতীয় কৃষ্টিৰ ভঁড়াল, সংস্কৃত সাহিত্যৰ ভঁড়াল মুকলি কৰি দিয়াৰ উপৰিও অসমীয়াক বৃহত্তৰ ভাৰতৰ সৈতে সংযোগ কৰিবলৈ সহজ কৰি দিব। ....এইবিলাক কথা ভাবি চালে তথাকথিত অসমীয়া বৰ্ণমালা ত্যাগ কৰি দেৱনাগৰী লোৱাত আপত্তি কৰাৰ বিশেষ কাৰণ নেদেখোঁ।

বিবিধ প্রবন্ধ

প্ৰেম নিবেদনত নাৰী

ব্ৰহ্মবৈৱৰ্ত পুৰাণত পুৰুষক উপযাচি প্ৰেম নিবেদন কৰা বুলি স্বৰ্গৰ কিছুমান অসতী নাৰীৰ কাহিনী বৰ্ণোৱা আছে। এইবোৰ কাহিনীয়ে, দেৱযানী আৰু শৰ্মিষ্ঠা নাইবা মহাভাৰতৰ অৰ্জুনক প্ৰেম যচা উৰ্বশীৰ ঘটনাৰ দৰে মাথোন নাৰীৰ যৌন-আকাঙ্ক্ষাৰ প্ৰাবল্যৰ কথাৰে ভৰা পৌৰাণিক উপাখ্যান স্বৰূপে দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰে। কিন্তু পুৰাণ ৰচোঁতাসকলে এনে কাহিনীৰ যোগেদি এনে কিছুমান নৈতিকতাৰ উপদেশো দিবলৈ বিচাৰিছে যেন নাৰীৰ প্ৰেম নিবেদনত অপবিত্ৰতা বা প্ৰত্যাখ্যান কৰিবলগীয়া একো নাই। এই কাহিনীবোৰত এনেকুৱা বহুতো বিধান পোৱা যায়, "কোনো পুৰুষে তেওঁৰ প্ৰতি প্ৰেম আহ্বান জনোৱা নাৰীক বিমুখ কৰিলে সেই পুৰুষৰ ওপৰত লক্ষ্মীদেৱী বিতুষ্ট হ'ব" (প্ৰকৃতি খণ্ড ১২।১৩), "যদি কোনো পুৰুষে তেওঁৰ কাষলৈ গোপনভাৱে অহা কোনো নাৰীক বিপুদমন পূৰ্বক উপেক্ষা কৰে, তেন্তে সেই পুৰুষে তেওঁৰ যিমান কেশ আছে, সিমান দিন নৰক বাস কৰিব লাগিব।" (কৃষ্ণৰ জন্ম-খণ্ড ৩০।৭৬) আৰু এইদৰেও আছে নাৰীক উপেক্ষা কৰাটো প্ৰকৃতিক উপেক্ষা কৰাৰ তুল্য (প্ৰঃ খণ্ড ১।১৩৮)।

উদাহৰণস্বৰূপে কেইটিমান কাহিনীৰ উল্লেখ কৰিব পাৰি। যথা, (ক) কান্যকুব্জৰ এক ভৰা-বয়ীয়া ব্ৰাহ্মণৰ পত্নী কলাৱতী স্বামীৰ দোষতে বন্ধ্যা হৈ আছিল। সেই হেতুকে তেওঁ স্বামীৰ অনুমতি লৈ গৰ্ভোৎপাত্তিৰ বাবে কাশ্যপ মুনিৰ কাষ চাপিছিল। কলাৱতীয়ে এইদৰে কৈছিল, "মই স্বামীৰ অনুমতি লৈ পুত্ৰ লাভৰ কাৰণে আহিছোঁ। গতিকে মোত গৰ্ভ-উৎপাদন কৰক। সন্তান-প্ৰাৰ্থিনী নাৰীক বিমু কৰা উচিত নহয়।" (ব্ৰহ্মখণ্ড ২০।২৪) (খ) তুলসী নামে এজনী কামাতুৰা গাভৰুৱে শঙ্খচূড় যোগীক গোপনে চৰিত্ৰ ভ্ৰষ্ট কৰে আৰু তাইকে পত্নীৰূপে ল'বলৈ শঙ্খচূড়ক বাধ্য কৰে। (প্ৰঃ খঃ ১৬) (গ) স্বৰ্গৰ বেশ্যা তিলোত্তমাই সাহসিকৰ ওচৰত নিজকে সম্ভোগৰ বাবে যাচি দি, আশীৰ্বাদ, লোভ আৰু অভিশাপৰ ভয় দেখুৱাই এইদৰে কৈছিল, "মোৰ সৈতে ক্ৰীড়া কৰা, তেতিয়া হ'লে হৰিয়ে তোমাৰ মঙ্গল কৰিব। যি লোকে নাৰীৰ অভিলাষ পূৰণ কৰে, তেওঁ পদে পদে সুখলাভ কৰে। কিন্তু যি লোকে নিজৰ ঔদ্ধত্য প্ৰকাশ কৰি নাৰীক অমান্য কৰে তেওঁ দেৱী পাৰ্বতীৰ কোপত পদে পদে বিপদত পৰে।" (কৃঃ জঃ খঃ ২৩।১০৬।১০৭) তিলোত্তমাৰ কামনা পূৰণ কৰা হৈছিল। (ঘ) ৰম্ভা নামৰ এজনী স্বৰ্গৰ বেশ্যাই দেৱল মুনিৰ সঙ্গ কামনা কৰি তেওঁক এইবুলি ভয় দেখুৱাই কৈছিল, "যি পুৰুষে তেওঁৰ কাষলৈ গোপনে অহা নাৰীৰ কাম-বাসনা সন্তুষ্ট নকৰি নিজকে সংযত কৰে, তেওঁ তেওঁৰ শৰীৰত যিমান কেশ আছে সিমান দিন কুম্ভীপাক নৰকত

বাস কৰিব লাগিব।” (কৃঃ জঃ খঃ ৩০।৭৬) দেৱল মুনিয়ে ৰম্ভাক উপেক্ষা কৰা হেতুকে তেওঁক শাপ দিয়ে। তাৰ ফলত মুনিৰ শৰীৰ বিকৃত হৈ অষ্টাবক্ৰ হৈ পৰে (কৃঃ জঃ খঃ ৩০)। (ঙ) ৰাধা-কৃষ্ণৰ কাহিনীবোৰত উল্লেখ কৰা ৰাধা হৈছে বৃষভানুৰ কন্যা আৰু ৰায়ণ বৈশ্যৰ স্ত্ৰী। এদিন কৃষ্ণই তেওঁৰ পালক পিতা নন্দৰ লগত আলিবাটেদি যাওঁতে ৰাধাই লগ পায়, আৰু ছল কৰি পিতাকৰ কাষৰপৰা কৃষ্ণক লৈ গৈ প্ৰেমপূৰ্বক আলিঙ্গন আৰু চুম্বন কৰে। ভুৱা বিয়া এখনৰো আয়োজন কৰা হয়। তাৰ পিছৰপৰাই প্ৰতি নিশাই গোপন মিলন হ'বলৈ ধৰে। (কৃঃ জঃ খঃ ১৫)। (চ) নাৰীৰ প্ৰেমৰ অলঙ্ঘ্যতা আৰু সমালোচনা সম্পৰ্কীয় তত্ত্বৰ অতি সুন্দৰ বৰ্ণনা আছে সৃষ্টিকৰ্তা ব্ৰহ্মা আৰু মোহিনীৰ কাহিনীত। কাহিনীটো এই :

মোহিনী নামেৰে এটি দেৱকন্যা ব্ৰহ্মাৰ প্ৰেমত বৰ গভীৰভাৱে আসক্ত হ'ল আৰু কামপীড়াত অতিশয় কাতৰ হৈ পৰিল। তাৰ উপায় বিচাৰি মোহিনীয়ে ৰম্ভাৰ আগত এদিন মনৰ ভাব ব্যক্ত কৰিলে। ৰম্ভাই তেওঁক সকলো সংযম আৰু লজ্জা ত্যাগ কৰি ব্ৰহ্মাৰ হৃদয় লাভৰ বাবে যত্ন কৰিবলৈ উপদেশ দিলে। সেই মতে মোহিনীয়ে মদনৰ সহায় লৈ ব্ৰহ্মাৰ আশ্ৰম পালেগৈ। ব্ৰহ্মাই এই কথা জানিব পাৰি অসীম ধৈৰ্যৰে নিজকে সংযত কৰিলে, আৰু মোহিনীৰ কাৰ্যৰ প্ৰতিবাদ কৰি ক'লে, “আই মোহিনী, মই তোমাৰ অভিপ্ৰায় বুজিছোঁ। কিন্তু যি ঠাইত তোমাৰ কামনা পূৰণ হোৱাৰ সম্ভাৱনা আছে, তেনে ঠাইলৈ যোৱা তোমাৰ পক্ষে উচিত হ'ব। মই তোমাৰ উপযুক্ত পাত্ৰ নহওঁ। তদুপৰি বেদ-নিষিদ্ধ কাৰ্য কৰিবলৈকো মই অপাৰগ। বেদ-ৰচয়িতাৰ পক্ষে ইয়াতকৈ আৰু অপযশৰ কাৰ্য কি হ'ব পাৰে? নাৰীৰ প্ৰেম উলঙ্ঘা কৰিব নাপায় বোলা উপদেশটি তপস্বী-সকলৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। আনহাতে প্ৰেম নিবেদন কৰা সম্পৰ্কে পুৰুষে আগভাগ লৈ নাৰীক কামনা কৰাটোহে বিশ্বৰ ৰীতি। নাৰীয়ে উপযাচি পুৰুষক বাঞ্ছা কৰাটো সম্পূৰ্ণ ৰীতি-বিৰুদ্ধ কথা।” ইয়াৰ পাছত আকৌ ভালৰি বোলাই ব্ৰহ্মাই ক'লে, “নাৰী হৈছে অমূল্য বস্তু, যদি এনে বস্তুই উপযাচি ধৰা দিয়েছি, তেনেহ'লে তাৰ কোনো মূল্যই নাথাকিব,” (কৃঃ জঃ খঃ ৩২) কিন্তু এনে জ্ঞানগৰ্ভ উপদেশ আৰু স্তোকবাক্যই মোহিনীৰ কামপীড়াৰ উপশম কৰাব নোৱাৰিলে। তেওঁ ব্ৰহ্মাকে আকৌ একে অনুৰোধ জনাই ক'লে, “গৃহী, তপস্বী, নাইবা কামুক যি কোনো লোকেই কামাতুৰা নাৰীক অৱহেলা কৰিলে, জীৱিত অৱস্থাত সম্মান হেৰুৱাব আৰু মৰিলে নৰকগামী হব।” (কৃঃ জঃ খঃ ৩৩) এইদৰে কৈ তেওঁ খন্তেকো অপেক্ষা নকৰি ব্ৰহ্মাৰ হস্ত আৰু বস্ত্ৰত ধৰি ক'লে, “তোমাৰ অমূল্য আলিঙ্গন বস্তুৰধাৰা মোক ক্ৰয় কৰি লোৱা।” এই অৱস্থাত পৰি ব্ৰহ্মা বিবুদ্ধিত পৰিল। ভাগ্যে জানিবা সেই মুহূৰ্ত্ততে জনচেৰেক ঋষি ব্ৰহ্মাৰ আশ্ৰম ওলালহি। মোহিনীয়ে ব্ৰহ্মাক এৰি দিলে যদিও ওচৰত খং মনে থিয় দি থাকিল। আশ্ৰমত দেৱকন্যাৰ উপস্থিতিৰ হেতু বিচাৰি ঋষিসকলে সোধা প্ৰশ্নৰ উত্তৰত ব্ৰহ্মাই মনতে সাজি ক'লে, “এওঁ বৰ্গত নৃত্য-গীত কৰি ক্লান্ত হৈ পৰিছে। সেই কাৰণে পিতৃৰ কাষত কন্যাই বিশ্ৰাম লোৱাৰ দৰে মোৰ আশ্ৰমত

খন্তেক বিশ্ৰাম ল'বলৈ আহিছে।" এই বুলি কৈয়ে ব্ৰহ্মাই হাঁহিলে আৰু ঋষিসকলেও ব্ৰহ্মাৰ কথাৰ অৰ্থ বুজি উচ্চস্বৰে হাঁহিবলৈ ধৰিলে। মোহিনীয়ে অপমান বোধ কৰি বৰ খঙৰে প্ৰতিহিংসাৰ মূৰ্তি (মৃত্যু কন্যা) ৰূপে এক ভয়ঙ্কৰ অভিশাপ দিলে, "যিহেতু মই দাসীৰ দৰে নম্ৰভাৱে তোমাৰ কাৰলৈ অহা সত্বেও তুমি মোক বিদ্ৰূপ কৰি হাঁহিলা, সেই কাৰণে এতিয়াৰপৰা তুমি দেৱতাৰ আৰু মানুহৰ পূজাৰ অযোগ্য বুলি বিবেচিত হ'বা। আন দেৱ-দেৱীসকলক বছৰে বছৰে নাইবা কোনো বিশেষ ক্ষণত পূজা কৰিলেও তোমাক কোনেও কেতিয়াও পূজা নকৰিব।" এইদৰে কৈ অসন্তোষ মনেৰে মোহিনী গুলাই গ'ল আৰু প্ৰেমৰ দেৱতা কামৰ লগত সম্ভোগ কৰি প্ৰকৃতিস্থ হ'লগৈ। ইফালে শাপগ্ৰস্ত ব্ৰহ্মাই দুঃখ মনেৰে সান্ত্বনা বিচাৰি নাৰায়ণৰ কাষ চাপিল। পিছে নাৰায়ণে ব্ৰহ্মাৰ গাতহে দায় দি ক'লে যে সৃষ্টিতত্বত নাৰী প্ৰকৃতিৰে এটি অংশ মাথোন আঁক নাৰীক অৱজ্ঞা কৰা মানে স্বয়ং প্ৰকৃতিক অৱজ্ঞা কৰা। ভাৰতবৰ্ষ পবিত্ৰতা আৰু ধৰ্মনিষ্ঠাৰ স্থান হ'লেও ব্ৰহ্মলোক হৈছে আমোদ-প্ৰমোদৰ ঠাই। ইয়াত ইন্দ্ৰিয় দমনৰ কোনো প্ৰয়োজন নাই। আনকি ভাৰতবৰ্ষতো যেতিয়া কোনো নাৰীয়ে প্ৰেম-নিবেদন কৰে, তেওঁক উপেক্ষা কৰা উচিত নহয়। এনে কৰিলে মানুহ জীৱন-কালত অসম্মানৰ পাত্ৰ হয় আৰু মৃত্যুৰ পাছত নৰক ভোগ কৰে। বেদজ্ঞ-পণ্ডিত আৰু জ্ঞানবৃদ্ধিত অগ্ৰগণ্য হৈয়ো ব্ৰহ্মাই মোহিনীক বিমুখ কৰি কি কাৰ্য কৰিলে, তেনে কাৰ্য সাধাৰণ ঘাতকৰদ্বাৰাও সম্ভৱ নহয়। কিয়নো নাৰী বিশ্বসৃষ্টিৰ এটি আহিলা মাথোন।" (কৃ: জ: খ: ৩০।০—৫৪)

ব্ৰহ্মাৰ বচন মতে নাৰীয়ে উপযাচি প্ৰেম জনোৱাটো আচৰিত ৰীতি যেন লাগে আৰু এনে প্ৰেম নিবেদন অলঙ্ঘনীয় বুলি বেদতো নিশ্চয়কৈ কোৱা নাই। যদি ব্ৰহ্মাৰ মতামতৰদ্বাৰাই প্ৰত্যাখ্যানৰ মূলত থকা সামাজিক বিচাৰ-বুদ্ধি বুজোৱা হৈছে, তেন্তে নাৰায়ণে ভাৰতবৰ্ষ আৰু ব্ৰহ্মলোকৰ ভিতৰত পাৰ্থক্য দেখুৱাই ইয়াৰো এটা সমাধানৰ উপায় দিছে। যদি ভাৰতবৰ্ষক বৈদিক নীতি-নিয়ম মানি চলা আৰ্যসকলৰ দেশ বোলা যায়, তেন্তে ব্ৰহ্মলোককে এনে এখন দেশ বুজাব, য'ত বৈদিক নীতি-নিয়মৰ কোনো বাধা-নিষেধ নাই। য'ত মাথোন স্বাভাৱিক সহজ বুদ্ধিমতেই সকলো চলে। অৱশ্যে ভাৰতবৰ্ষতো কিছুমান অদ্ভুত ৰীতি সোমাই পৰি আইনৰ স্বীকৃতি লাভ কৰিছিল। ব্ৰহ্মাই 'ৰোমত থাকিও ৰোমানসকলৰ দৰে' চলিবলৈ পাহৰা হ'ল। এইদৰে এনে ৰীতিৰ মূল বিদেশী বুলি এটি অন্তৰ্নিহিত ইঙ্গিত পোৱা যায়।

Sexual Life in Ancient India নামৰ পুথিখনিত মেয়াৰ চাহাবে পুৰাণ আৰু মহাকাব্যত বৰ্ণোৱা যৌন-জীৱনৰ কেইবাটাও স্বৰূপ আলোচনা কৰিছে। বন্ধ্যা তিৰোতাই পৰপুৰুষৰ যোগে সন্তান উৎপাদন কৰা সম্পৰ্কে মেয়াৰে কৈছে, "মনুৰ মতে (৯।৫৯) যি নাৰীৰ স্বামী থকা সত্বেও কোনো সন্তান নাই, তেওঁ পৰপুৰুষ নিয়োগ কৰিব পাৰে আৰু কৰা উচিত। অৱশ্যে এনে কাৰ্যত নিয়োজিত হ'বলৈ জ্ঞাতি-কুটুম্বহে যোগ্যবান। আপস্তম্বৰ মতে কলি যুগত আন জাতৰ লোক দূৰতে থাওক; নিজ জাতৰ লোকৰ ওচৰতো ভাৰ্যাক সমৰ্পণ কৰা নিষেধ।" (১৭০ পিঠি, পাদটীকা) কিন্তু

কলাৱতীৰ কাহিনীত পোৱা যায় যে স্বামীয়ে তেওঁক যি কোনো পুৰুষৰ কাষ চাপিবলৈ অনুমতি দিছিল ; সেইমতে কলাৱতীয়ে কাশ্যপক দেহা সমৰ্পণ কৰিছিল।

মেয়াৰ চাহাবে কৈছে যে মহাকাব্যতে নিজৰ ভাৰ্যাৰ বাহিৰে আন কোনো নাৰীক আলিঙ্গন কৰা নিষিদ্ধ। তেওঁ সুভদ্ৰাৰ কাহিনীৰ উল্লেখ কৰিছে। সুভদ্ৰাই শোক কৰি তেওঁৰ পুত্ৰক কৈছিল, "হে পুত্ৰ! তুমি এনে ঠাইলৈ যোৱাগৈ য'ত পুৰুষে কেৱল নিজৰ ভাৰ্যাতহে আসক্ত হয় আৰু পৰস্ত্ৰীৰ প্ৰতি নিজ মাতৃ, ভগ্নী বা কন্যাৰ দৰে আচৰণ কৰে। যি ঠাইত পুৰুষে অচিনাকি তিৰোতাৰ প্ৰতি দৃষ্টিপাত নকৰি সত জীৱন যাপন কৰে, যি ঠাইত নাৰীয়ে গোপনে প্ৰেম নিবেদন কৰিলেও পুৰুষে নাৰীক কুচিন্তাৰদ্বাৰাও কলুষিত নকৰে, তেনে ঠাইলৈ যোৱা।" (২৪৫—২৪৬) কিন্তু তাৰে এক অংশত এই পৱিত্ৰতাৰ আজ্ঞাৰ বিপৰীত ভাবো পোৱা যায়। "যদি কোনো পুৰুষক পৱিত্ৰ বস্তু ভিক্ষা কৰাৰ দৰে সম্ভোগ বাঞ্ছা কৰা যায়, তেনেহ'লে পৰস্ত্ৰীৰ লগতে সম্ভোগ কৰাটো আইন বা ধৰ্ম বিৰোধী নহয়।" টীকাকাৰে কৈছে, যদি ধৰ্মৰ নামত কোনো নাৰীয়ে পুৰুষক এই বুলি ভিক্ষা কৰে "মোত গৰ্ভোৎপাদন কৰা" (২৫৭ পৃঃ) তেন্তে সম্ভোগ কাৰ্য দূষণীয় নহয়। শৰ্মিষ্ঠাৰ প্ৰতি যযাতিৰ আচৰণৰ নিৰ্দোষিতা প্ৰমাণ কৰিবলৈ উল্লেখ কৰা হৈছিল। খণ্ডত উগ্ৰমূৰ্তি হৈ থকা শুক্ৰক যযাই কৈছিল, "হে পৱিত্ৰ পুৰুষ! শৰ্মিষ্ঠাই মোত ঋতুৰক্ষাৰ প্ৰাৰ্থনা জনাইছিল, আৰু সেইকাৰণে মই দানৱ ৰাজৰ কন্যাৰ প্ৰতি এই উচিত আচৰণ কৰিলোঁ। কোনো নাৰীয়ে কামনাৰ বশৱৰ্তী হৈ সম্ভোগৰ ইচ্ছাৰে গোপনে পুৰুষৰ ওচৰ চাপোঁতে সেই পুৰুষে যদি কামনা পূৰণ নকৰে তেনেহ'লে পুৰুষক শৰীৰৰ বীজ নষ্টকাৰী বুলি জ্ঞানীলোকে কয়। মই এই সকলো কথা ভাবি-চিন্তি পাপ আচৰণৰ ভয়তহে শৰ্মিষ্ঠাৰ ওচৰ চাপিলোঁ।" (২২২ পৃঃ) কিন্তু ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ কাহিনীবোৰত সন্তান উৎপাদনৰ প্ৰয়োজনীয়তাৰ কোনো উল্লেখ নাই। ইয়াত নাৰীয়ে যেতিয়াই তেতিয়াই, য'তে য'তে আৰু যাৰে লগত ইচ্ছা কৰে, তাৰে লগত যৌন-সঙ্গম কৰাৰ স্বত্ব স্বীকাৰ কৰা হৈছে। সচৰাচৰ প্ৰচলিত ৰীতিবোৰৰ সাৰ্থকতা স্বীকাৰ কৰি ব্ৰহ্মবৈৱৰ্ত পুৰাণে কৈছে, "বেদৰ নিয়মতকৈ প্ৰচলিত ৰীতিবোৰ হে বেছি প্ৰযোজ্য।" (কৃ. জ. খ. ১২৬।৪২)।

বিভিন্ন ৰীতি নীতিৰ সংমিশ্ৰণবোৰৰ বিষয়ে মেয়াৰে কৈছে, "মহাকাব্যৰ যুগত ঠায়ে ঠায়ে অনৈতিকতা আৰু জঘন্য কাৰ্যৰ উল্লেখ আছে। আৰু এইবোৰ সম্ভৱত অনাৰ্য জাতিৰ প্ৰভাৱ-মুক্ত নহয়। অতীজৰেপৰা ভাৰতবৰ্ষৰ জনসংখ্যা আৰু সংস্কৃতি আৰ্য আৰু আদিম জাতিসমূহৰ সংমিশ্ৰণত ক্ৰমবৰ্দ্ধমান জটিলতাৰ গঢ়লৈ আহিছে। বৃহস্পতিয়ে (২।২৮) এইদৰে কোৱাটোও ভাৰতীয় কথা, "পূৰ্ব অঞ্চলত নাৰায়ণে অবাধ যৌন সংমিশ্ৰণ কৰিছিল আৰু প্ৰচলিত ৰীতি অনুযায়ী সেইটো নাৰীৰ অধিকাৰ।" (১৩০ পৃঃ পাদটীকা)। এই উল্লেখিত কাহিনীবোৰত পূৰ্ব অঞ্চলৰ বিবিলাক আদিম অধিবাসীৰ প্ৰভাৱ পৰিছে, সিহঁতৰ ৰীতি-নীতিবিলাক আলোচনা কৰি চোৱা যাওক। এই শ্ৰেণীৰ মানুহৰ আজিও তিৰোতাই প্ৰেম প্ৰাৰ্থনা সূত্ৰপাত কৰাই নিয়ম। উদাহৰণস্বৰূপে, শকাইবিলাকৰ

(Sakai of Perak) আজিও তিৰোতাই স্বামী বিচাৰি লোৱাটো প্ৰচলিত। য়েজৰ আইনবোৰৰ (Ainu of Yezo) তিৰোতাইহে বিবাহ প্ৰস্তাৱ কৰিব লাগে। তিৰোতাই নগৰীয়া বিচাৰি লৈ অনাটো নিকোবৰবাসীৰ নিয়ম। ইণ্ডোচীনৰ আদিবাসী ৰাডেহবোৰৰ (Radeha) তিৰোতাই পুৰুষক কুপথে নিবলৈ বিচাৰি ফুৰে। মধ্যভাৰতৰ কোলাৰী জাতিৰ আজিও এনে নিয়ম আছে যে এজনী গাভৰুৱে কোনো পুৰুষৰ প্ৰেমাসক্ত হ'লে তাৰ ঘৰলৈ যাব লাগে, তেতিয়াহ'লে সেই পুৰুষে তাইক বিয়া কৰোৱাৰ বাহিৰে গত্যন্তৰ নাই, সেইদৰে গণ্ড জাতিৰ ছোৱালীয়ে কোনো পুৰুষৰ প্ৰেমত পৰে, তেতিয়া তাই তাৰ গাত হালধি-পানী ছটিয়াই দিয়ে। সেয়েই বিবাহৰ বাবে আঙঠি পিন্ধোৱাৰ তুল্য হয়। তদুপৰি কোনো বিবাহিতা তিৰোতাই স্বামীৰ প্ৰতি বিতৃষ্ণ হ'লে আন কোনো পুৰুষক এই প্ৰথাৰেই বিয়া কৰাব পাৰে। চিটাগঙৰ পাহাৰী জাতি খ্যাঙবোৰৰ (Khyang) গাভৰু ছোৱালীয়েই প্ৰথমে বিবাহৰ প্ৰস্তাৱ কৰাটো প্ৰচলিত। অসমৰ গাৰো জাতিৰ মাজতো তিৰোতাইহে বিবাহ প্ৰস্তাৱৰ সূত্ৰপাত কৰে। আনকি, কোনো পুৰুষে তেনে কৰিলে বৰ অপমানৰ কথা বুলি গণ্য কৰা হয়। (Briffault : The Mothers pp 169) সেইদৰে উত্তৰ প্ৰদেশৰ খাছীয় আৰু আন আন জাতিৰ ছোৱালীবোৰেহে বিবাহৰ প্ৰস্তাৱ কৰে। কোনো নাৰীৰ স্বামীয়ে পৰস্ত্ৰীত আসক্ত হ'লে সেই স্বামীক ত্যাগ কৰি আন স্বামীক বাছি ল'ব পাৰে। কিন্তু কোনো নাৰীয়ে ব্যভিচাৰ কৰিলে তাইক ত্যাগ কৰিবলৈ স্বামীৰ কোনো তেনে অধিকাৰ নাই। (Meyer : Sexual Life In Ancient India) হেভলক এলিচে এই বিষয়ে বহলাই আলোচনা কৰিছে : "পৃথিৱীৰ সকলো ঠাইৰে অসভ্য বৰ্বৰ জাতিবোৰৰ মাজত তিৰোতাই প্ৰথমে প্ৰেম নিবেদন কৰাটো প্ৰচলিত ৰীতি। তিৰোতাই সদায়েই পুৰুষক কুপথগামী কৰে। তিৰোতাই পুৰুষক অপহৰণ কৰে।" কোনো ডেকাই গাভৰুক প্ৰথমে প্ৰেম জনালে সি হাঁহিয়াতৰ পাত্ৰ হয় আৰু তাক তিৰোতা বুলি আন গাভৰু ছোৱালীয়ে বিদ্ৰূপ কৰে। (Studies In Psychology of Sex : Analysis of Sexual Impulse)

এই ধৰণৰ ৰীতিবোৰৰপৰাই নাৰীৰ প্ৰেম নিবেদন অলঙ্ঘনীয় বোলা বিশ্বাসে গঢ় লৈছে। ব্ৰহ্মবৈবৰ্ত পুৰাণখন পূৰ্ব ভাৰতৰ কোনো ঠাইত পৰৱৰ্তী কালত ৰচিত হোৱা যেন লাগে। ইয়াত এনে কিছুমান ব্যাকৰণৰ প্ৰকাশ-ভঙ্গী আছে যিবোৰৰ লগত কোনো মৌলিক সংস্কৃত জতুৱা ঠাঁচৰ মিল নাই। এইবোৰ অসমীয়া-বঙালী ঠাঁচৰ সংস্কৃত অনুবাদ যেনহে লাগে। যেনে—'জলং ন খাদিষ্যন্তি' (কৃঃ জঃ খ ৩।২৩); নিদ্ৰা 'বভঞ্জ' (গণেশ খণ্ড ৩৪।৩৮) 'বিদায়ং দেহি (প্ৰঃ খঃ ১৬।১); ভং 'মোহং' কুৰু (কৃঃ জঃ খ ৩১।৫৩)।

দেৱী ভাগৱত আৰু ব্ৰহ্মবৈবৰ্ত একেধৰণৰ ৰচনা; দুয়োখনিতে প্ৰকৃতি আৰু মানৱজগতৰ নাৰীৰ বৈশিষ্ট্যৰ কথাৰ বৰ্ণনা আছে। কিন্তু দেৱী ভাগৱতে নাৰীৰ মাতৃত্বৰ ৰূপ বৰ্ণনা কৰিছে আৰু ব্ৰহ্মবৈবৰ্তই নাৰীৰ যৌন-তত্ত্বৰ আলোচনাত গুৰুত্ব আৰোপ কৰিছে। দেৱী ভাগৱতত

আই গোসাঁনীৰ (Mother Goddess) সৃষ্টি হৈছে আৰু ব্ৰহ্মবৈবৰ্ত্ত প্ৰণয়ৰ দেৱী ৰাধাৰ সৃষ্টি হৈছে।

দেৱী মাহাত্ম্যৰ আদি য'তেই নহওক, এই ধৰ্মই মধ্যভাৰতৰ বিন্ধ্যগিৰিৰ কোনো ঠাইত প্ৰসাৰ লাভ কৰিছিল। কিন্তু অৱস্থা অনুসৰি অবাধ যৌন-মিলনৰ দৃষ্টান্তৰে ৰাধা-চৰিত্ৰৰ অভ্যুদয় পূৰ্ব অঞ্চলৰ বাহিৰৰ কোনো ঠাইত হোৱা বুলি সন্দেহ কৰা হয়। ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ পৰৱৰ্ত্তী কালত দেৱী ভাগৱতৰ অনুকৰণ কৰি ৰচনা কৰা হৈছিল। ইয়াৰ কোনো কোনো শ্লোক আৰু ঘটনাই তাকে প্ৰমাণ কৰে। উদাহৰণস্বৰূপে তুলসীৰ প্ৰসঙ্গলৈ আঙুলিয়াব পাৰি। ব্ৰহ্মবৈবৰ্ত্তৰ ভাষাত পূৰ্বাঞ্চলৰ ঠাঁচ পোৱা যায়। সাহিত্যৰ ক্ষেত্ৰতো বঙ্গদেশত ৰচিত জয়দেৱৰ "গীত-গোবিন্দ"ই বিদ্যমান লোকমত মাৰ্জিত ভাষাত প্ৰকাশ কৰিছে; সিবোৰে বহু যুগ ধৰি জনসাধাৰণৰ মাজত প্ৰকাশৰ সুবিধা বিচাৰি আছিল। আইন-প্ৰণেতা বৃহস্পতিয়ে পূৰ্বাঞ্চলৰ বিষয়ে কৈছে, তাত তিৰোতাই অবাধে যৌন সংমিশ্ৰণ কৰা ৰীতি প্ৰচলিত আছে। নীলকণ্ঠই বঙ্গদেশৰ (বঙ্গেষু) উল্লেখ কৰি কৈছে যে, তাত তিৰোতাই আস্য মৈথুন আচৰণ কৰিছিল। কিন্তু এই আচৰণ স্মৃতিকাৰসকলে ভয়ঙ্কৰ পাপ বুলি নিষেধ কৰি থৈ গৈছে। (Sexual Life In Ancient India, p. 242) বহুতো অনাৰ্য জাতিৰ মাজত যৌন-সম্পৰ্কত তিৰোতাৰ অবাধ স্বাধীনতাই প্ৰচলিত নিয়ম।

ৰাসক্ৰীড়াৰ গুৰি কথা

হল্লীস আৰু ৰাস এই শব্দ দুটা বৃন্দাবনত শ্ৰীকৃষ্ণৰ নৃত্য বুজাবৰ বাবে সমভাৱে ব্যৱহাৰ কৰা হৈ আহিছে। ভাসৰ বালচৰিতত এই নৃত্যক হল্লীস বুলিছে। হৰিবংশত (২।২০) এই নৃত্যৰ নাম নিদিয়াকৈ বিশদভাৱে বৰ্ণনা কৰা হৈছে। সেই অধ্যায়ৰ শেষৰ পুষ্পিকাত হল্লীস শব্দটো অৱশ্যে আছে। নীলকণ্ঠই তেওঁৰ টীকাত হল্লীস আৰু ৰাস এই দুটি শব্দৰ সমাৰ্থকভাৱে ব্যৱহাৰ কৰিছে আৰু তলত দিয়া ধৰণে সিহঁতৰ সংজ্ঞা দিছে: কেইবাগৰাকীও তিৰোতাৰে সৈতে এজন পুৰুষে কৰা নৃত্যক ৰাসক্ৰীড়া বোলা হয়—"একস্য পুংসো বহুভিঃ স্ত্ৰীভিঃ ক্ৰীড়নং সৈৱঃ ৰাসক্ৰীড়া।" গোপীসকলৰ চক্ৰাকাৰ নৃত্যক হল্লীসক বোলে—"গোপীনাং মণ্ডলীনৃত্যবন্ধনে হল্লীসকং বিদুঃ।" হৰিবংশৰ আন এঠাইত (২।৮৯) এই হল্লীশ-নৃত্যক কেইবা গৰাকীও তিৰোতাই কৰা নৃত্য বুলি ব্যাখ্যা দিয়া হৈছে। গতিকে দুয়োটা শব্দই একেবিধ ক্ৰীড়াকে বুজাইছে।

ৰাসক্ৰীড়াৰ প্ৰয়োগ-নীতি বিশদকৈ বুজাবলৈ নীলকণ্ঠই ক'ৰবাৰপৰা এটি শ্লোক উদ্ধাৰ কৰি দিছে:

> পৃথুং সুবৃত্তং মসৃণং বিতস্তি—
> মাত্ৰোন্নতং কৌ বিনিখন্য শঙ্কুম্।

আক্ৰম্য পণ্ড্যোমিতৰেতৰং তু
হস্তৈৰ্ভ্ৰমোঽয়ং খলু ৰাসগোষ্ঠী ॥

—"এবেগেত দীঘল এডাল মিহি ঘূৰণীয়া শকত শাল মাটিত পুতি ইজনৰ ফালে সিজনে ভৰি দি হাত ঘূৰোৱা এয়ে ৰাস গোষ্ঠী।" মাটিত শাল পুতি ঘূৰি ঘূৰি কৰা নৃত্যৰ ইমান দিনে মানুহৰ চকুত নপৰা অভিনৱ কথা, এনে বিৱৰণে ৰাসক্ৰীড়াৰ ইংলেণ্ডৰ May-pole-ৰ নিচিনা নৃত্যৰ শাৰীলৈ নমাইছে।

শালডালৰনো অৰ্থ কি ?

যদিও হৰিবংশই এই আনন্দ উৎসৱক কোনো নাম দি বৰ্ণনা কৰা নাই, তথাপি হল্লীস, ৰাস আৰু ছালিক্য এই শব্দকেইটাই পুৰাণৰ পিছৰ এক অধ্যায়ত সঙ্গীত তথা নৃত্যৰ বিবিধ ৰূপকে বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। এই শব্দকেইটাক বিশদভাৱে বুজাবলৈ এটি চমু বিৱৰণৰ প্ৰয়োজন হৈছে। (হৰিবংশ ২'৮৯)

শ্ৰীকৃষ্ণ তেতিয়া দ্বাৰকাত। "এবাৰ শ্ৰীকৃষ্ণই সাগৰৰ উপকূলৰ পিণ্ডাৰক তীৰ্থত এটি সমুদ্ৰযাত্ৰাৰ আয়োজন কৰিছিল। উগ্ৰসেনৰ হাতত নগৰ ৰক্ষাৰ ভাৰ দি সকলো তৰপৰ প্ৰজাকে তেওঁ লগত ললে। কৃষ্ণ আৰু বলৰামৰ দুই পত্নীও ওলাল। তথাপি যাদৱ কোঁৱৰসকলৰ আমোদৰ হেতু সহস্ৰ গণিকাকো যাবলৈ আদেশ কৰা হ'ল। শ্ৰীকৃষ্ণই সমুদ্ৰযাত্ৰাৰ বলত বহুসংখ্যক বাৰাঙ্গনাৰ সুব্যৱস্থা কৰিলে, যাতে তিৰোতা লৈ যদুসকলৰ মাজত কোনো বৈৰভাৱ হ'ব নোৱাৰে।

সাগৰৰ উপকূলত জলক্ৰীডা আৰম্ভ হ'ল। বলোৰামে অকল ৰেৱতীৰে সৈতে ক্ৰীড়া আৰম্ভ কৰিলে আৰু শ্ৰীকৃষ্ণই স্বৰ্গৰপৰা পঞ্চচূড়া, মাহেন্দ্ৰী আদি অপ্সৰাসকলক যাদৱ কোঁৱৰসকলৰ আমোদৰ কাৰণে, বিশ্বৰূপশক্তিৰ সহায়ত নমাই আনিলে। যাদৱ কোঁৱৰসকলক নৃত্য, গীত, বাদ্য আৰু অভিনয়ৰ বিচিত্ৰ উপাচাৰেৰে আপ্যায়িত কৰিবলৈ অপ্সৰাসকলক শ্ৰীকৃষ্ণই আদেশ দিলে।

বাৰাঙ্গনাসকলে উছৱৰ উপযোগী সেই দেশৰ ভাষা, সাজ-সজ্জা আৰু অঙ্গি-ভঙ্গীৰে ৰাস (নীলকণ্ঠৰ মতে ৰাসং গানম্) আৰম্ভ কৰিলে। গীতৰ যোগেদি শ্ৰীকৃষ্ণ-জীৱনৰ শৈশৱ কালৰেপৰা ঘটি অহা অলৌকিক আৰু গৌৰৱপূৰ্ণ কাৰ্যবিলাকৰ গীত আবৃত্তি কৰিলে। ৰেৱতীৰ সৈতে বলৰাম আৰু সত্যাৰে সৈতে কৃষ্ণয়ো নৃত্যত যোগ দিলে। সেইদৰে যাদৱ কোঁৱৰসকলেও।

অতিথি স্বৰূপে নাৰদ মুনি আৰু অৰ্জুনো তাত উপস্থিত আছিল। অৰ্জুনে সুভদ্ৰাৰে সৈতে আৰু নাৰদ মুনিয়ে অপগলিত জটাৰে যাদৱসকলৰ মাজত নৃত্য কৰিবলৈ ধৰিলে। নাৰদ মুনি নৃত্যত ইমান উন্মাদ হৈ পৰিছিল যে তেওঁ "ৰাসপ্ৰণেতা" হৈ পৰিল আৰু ভাও দিবলৈ ধৰিলে। তেওঁৰ অদ্ভুত অঙ্গস্থানুকৰণে হাঁহিত পেটৰ নাড়ী ছিগা যেন কৰিলে। ৰাসৰ শেষত শ্ৰীকৃষ্ণই নাৰদ, অৰ্জুন, আৰু সত্ৰাজিত কন্যা সত্যাৰ হাতত ধৰি কিছু ক্ৰীড়া কৰিবলৈ সাগৰৰ বুকুত জাঁপ দিলে।

পুনৰ জলক্ৰীড়া আৰম্ভ হ'ল। শ্ৰীকৃষ্ণৰ মুখৰ ধেমেলীয়া ইঙ্গিত বুজি সত্যাই নাৰদলৈ পানী

ছটিয়াবলৈ ধৰিলে। অপ্সৰাসকলে নানাস্বৰে গীত জুৰিলে আৰু ক্ৰীড়াত যোগ দিলে। পিছে কৃষ্ণই কথাৰ গতি অতিচাৰলৈ যোৱা যেন ভাবি ধেমালি বন্ধ কৰিবলৈ আদেশ দিলে :

অতিপ্ৰসঙ্গং তু বিচিন্ত্য কৃষ্ণ

স্তান্ বাৰায়ামাস ৰথাঙ্গপাণিঃ।

তাৰ পাছত ভোজ-ভাত খাই যাদৱসকলে স্ত্ৰীসকলৰ সৈতে একেলগে ঐকতান গীত গাবলৈ ধৰিলে। ক্ৰমে ৰাতি হৈ আহিল। কৃষ্ণই তেতিয়া "ছালিক্য" নামে বিশেষ নৃত্যাভিনয় সুৰৰ লগত সমন্বয় ৰাখি আৰম্ভ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত নাৰদে হাতত বীণাখন তুলি ল'লে, কৃষ্ণই আং বাটি হল্লীস নৃত্য আৰম্ভ কৰি দিলে আৰু অৰ্জুনে নৰ্তকীসকলেৰে সৈতে মৃদঙ্গ বজাবলৈ ধৰিলে। তেতিয়া ৰম্ভা, মেনকা, উৰ্বশী, হেম আদি স্বৰ্গৰ অপ্সৰাসকলেও কৃষ্ণ প্ৰীত্যৰ্থে গীত গাই অভিনয় কৰিলে।

উক্ত পুৰাণত এই কথাও উল্লেখ আছে যে শ্ৰীকৃষ্ণই মানৱ সমাজৰ অনুগ্ৰহাৰ্থে স্বৰ্গৰপৰা এই ছালিক্য নৃত্য মৰতলৈ নমাই আনে আৰু ৰুক্মিণী-পুত্ৰ প্ৰদ্যুম্নই পোন প্ৰথমে ইয়াক প্ৰযোজিত কৰে। কৃষ্ণ, বলোৰাম, প্ৰদ্যুম্ন, শাম্ব আৰু অনিৰুদ্ধ এই পাঁচজন শিল্পীয়েহে এই গন্ধৰ্ব অনুষ্ঠানৰ ৰূপদান কৰিব পাৰিছিল। মানৱ সমাজৰ কুশলাৰ্থে যাদৱসকলক শ্ৰীকৃষ্ণই এই ছালিক্য অভিনয় প্ৰদান কৰে।

ইয়াৰোপৰি সোমৰস চেপি উলিওৱা উৎসৱত (প্ৰাসৱোৎসৱ) যাদৱসৱলে বয়স নিৰ্বিশেষে বুঢ়া, ডেকা, ল'ৰা সকলোৱে সমানে অংশ গ্ৰহণ কৰি মতলীয়া হোৱা উক্ত পুৰাণত কোৱা হৈছে। ল'ৰা-ছোৱালীবোৰে প্ৰথমেই সেই আনন্দ উৎসৱ আৰম্ভ কৰি দিছিল আৰু বয়সীয়াসকলে পাছত তাত যোগদান কৰি আৱশ্যকীয় অনুমোদন প্ৰদান কৰে (প্ৰতিমানয়ন্তি)। পুৰুষ পৰম্পৰাই চলি অহা প্ৰাচীন ৰীতি-নীতি আৰু গাথাসমূহ নিয়াৰিকৈ জনা যদুবীৰসকলে বিভিন্ন জাতি আৰু তেওঁলোকৰ সেই বিশেষ আনন্দ, উৎসৱ-প্ৰধান অনুষ্ঠানসমূহ প্ৰচাৰ কৰাৰ এইটোৱেই উপযুক্ত পথ বুলি ভাবিলে। ল'ৰা-বুঢ়াই একেলগে আমোদ কৰা এই বিশেষ অনুষ্ঠানত পাৰস্পৰিক প্ৰীতি লাভেই একমাত্ৰ প্ৰমাণ বুলি গণ্য কৰা হৈছিল, বয়সৰ মূল্য তাত নাছিল (প্ৰীতিঃ প্ৰমাণম্, ন বয়ঃ প্ৰমাণন্)। যাদৱসকলে উৎসৱ আদিৰ মূল্য এইদৰে নিৰ্দ্ধাৰণ কৰি ল'ৰা-ছোৱালীবোৰৰ সঙ্গলাভৰ আনন্দ উপভোগ কৰিছিল। তাৰ পাছত সকলোটি ঘৰাঘৰি প্ৰস্থান কৰিলে।

ওপৰৰ আলোচনাৰপৰা ৰাস আৰু হল্লীস যে বয়স নিৰ্বিশেষে স্ত্ৰী-পুৰুষ সংমিশ্ৰিত এবিধ আমোদ এইটো স্পষ্টভাৱে বুজা যায়। নৃত্য আৰু গীত ইয়াৰ প্ৰধান বিশেষত্ব। ইয়াৰ বাহিৰে "ছালিক্য" আন এবিধ নৃত্যগীত-প্ৰধান অভিনয় আছিল। এই ছালিক্য অভিনয় কৃষ্ণই যাদৱসকলৰ মাজত প্ৰৱৰ্তন কৰা এবিধ আমোদ। এনে ধৰণৰ বহুতো আমোদ সোমৰস চেপি উলিওৱা উৎসৱ প্ৰসঙ্গত যাদৱসকলে অতি প্ৰাচীন কালৰপৰা পালন কৰি আহিছিল। যাদৱসকল সোমপায়ী

আছিল আৰু সোমপানৰ সময়ত কোনো দেৱতা বা নায়কৰ সন্মানসূচক প্ৰশস্তি ৰচন আবৃত্তি কৰিছিল।

এই লোকবহুল উৎসৱমুখৰ নৃত্যগীতাভিনয়ৰ বিপৰীতে ব্ৰজধামৰ নিভৃত নিকুঞ্জত অনুষ্ঠিত হোৱা ৰাসক্ৰীড়া সম্বন্ধে আলোচনা কৰা যাওক। হৰিবংশৰ মতে ব্ৰজধামত অনুষ্ঠিত হোৱা শাৰদীয় উৎসৱবিলাকৰ ভিতৰত ৰাসনৃত্য প্ৰধান; যদিও অন্যতম। এই নৃত্য শৰৎকালৰ পূৰ্ণিমা ৰাতি অভিনীত হৈছিল। কৃষ্ণই এসময়ত শাৰদীয় পূৰ্ণিমাৰ চন্দ্ৰাৱলী ৰাতি দেখি আমোদ কৰিবলৈ মন মেলিলে (মনশ্চক্ৰে ৰতিং প্ৰতি)। তেতিয়া কৃষ্ণই শুকান গোবৰৰ ধূলিৰে ধূসৰিত হৈ থকা ব্ৰজধামৰ পথত হৃষ্ট পুষ্ট ষাঁড়গকৰ যুঁজ লগাই দিলে। এনেধৰণে ডেকা বলবান গোৱালক মল্লযুদ্ধত প্ৰবৃত্ত কৰালে আৰু নিজে বীৰয়ালৰ দৰে ষাঁড়গকবোৰক ধৰি ৰাখিলে। তাৰ পাছত গাভৰু গোপীবিলাকক লৈ ৰতি বিহাৰ আৰম্ভ কৰিলে। গোপীবালাসমূহ মন্ত্ৰমুগ্ধাৰ দৰে হৈ পৰিল। স্বামী, পিতৃ-মাতৃ আৰু ককাই-ভাইৰ বাধা সত্ত্বেও কৃষ্ণপ্ৰেমত মত্ত হৈ ৰাতি ঘৰৰপৰা ওলাই আহিল। হৰিবংশৰ তৃতীয় খণ্ডৰ বিৰাশী অধ্যায়ত এই নৈশ-অভিসাৰত যৌন-আসঙ্গৰো ইঙ্গিত আছে। "ভগৱন্তই মনোৰথ পুৰি গোপাঙ্গনাসকলৰ পয়োধৰ স্পৰ্শ অনুভৱ কৰিলে, ওষ্ঠাধৰ আৰু পয়োধৰত চুম্বন কৰিলে আৰু ৰাতি পয়োধৰদ্বয়ৰ মাজত মুৰ থৈ নিদ্ৰা গ'ল।"

কিছু সময় এইদৰে প্ৰাৰম্ভিক আখৰা কৰি পূৰ্ণিমাৰ জোনালী ৰাতি গোপাঙ্গনাসকলক নৃত্যৰতা অৱস্থাতে ৰাসস্থানলৈ কৃষ্ণই লৈ গ'ল। ৰাসক্ৰীড়াৰ মণ্ডল গঠনৰ প্ৰণালী আৰু অন্যান্য সবিশেষ বৰ্ণনা উইলছন চাহাবে এনেধৰণে দিছে স্ত্ৰী-পুৰুষে পৰস্পৰৰ হাতত ধৰি মণ্ডলাকাৰে ঘূৰি ঘূৰি গীত গাই এই ৰাসনৃত্য কৰে। ভৰত মুনিৰ মতে ৰাসক্ৰীড়াৰ তাল আৰু সুৰ অনেক বিধৰ থাকে আৰু ইয়াত অংশগ্ৰহণকাৰীৰ সংখ্যা তিনিকুৰি চাৰিজনৰ অধিক হ'ব নালাগে। বিৱৰণৰপৰা এই কথাও বুজা যায় যে যিমান সংখ্যক স্ত্ৰীয়ে নৃত্যত অংশ গ্ৰহণ কৰে সিমান সংখ্যক পুৰুষো সংখ্যাত থাকিব লাগে। হৰিবংশৰ তলৰ বৰ্ণনাতো স্পষ্টভাৱে নহ'লেও স্ত্ৰী-পুৰুষৰ সংখ্যা সম্বন্ধে কিছু সঙ্কেত দিয়ে -গোপযুৱতীসকলে পুৰুষৰ লগত শাৰী পাতি যুগ্ম বা দ্বন্দ্বভাৱে কৃষ্ণৰ গুণাৱলী কীৰ্ত্তন কৰি তেতিয়া আমোদ কৰাত প্ৰবৃত্ত হ'ল (হৰিবংশ ২ ২০)। হৰিবংশৰ টীকাকাৰ নীলকণ্ঠই মূলৰ "পংক্তি" শব্দৰ অৰ্থ মণ্ডল আৰু "দ্বন্দ্ব" শব্দই দুজনী গোপীৰ মাজত এজন এজনকৈ থকা অৰ্থ কৰিছে। এই অৰ্থ পৰিষ্কাৰ নহয় যদিও পাছৰ টিপ্পনীত নীলকণ্ঠই অন্য এখন বৈষ্ণৱ শাস্ত্ৰৰ কেইশাৰীমান উদ্ধৃত কৰি "দ্বন্দ্ব" শব্দৰ অৰ্থ খোলোচাভাৱে বুজাই দিছে। উক্ত বৈষ্ণৱ শাস্ত্ৰৰ উদ্ধৃত শাৰীটোৰ অৰ্থ এনে—"দুজনী দুজনী গোপীৰ মাজত দেৱকী পুত্ৰ কৃষ্ণই নিজক স্থাপন কৰি বাঁহী বজাই নিজেও নাচিছিল আৰু গোপীসকলকো নচুৱাইছিল। বিষ্ণু পুৰাণত আছে যে প্ৰত্যেক গোপীয়ে কৃষ্ণৰ সান্নিধ্য বিচাৰি তেওঁৰ ওচৰৰপৰা লৰচৰ কৰিব নোখোজাত ৰাসমণ্ডল গঠন কৰাত অসুবিধা হৈ উঠিল। সেই কাৰণে শ্ৰীকৃষ্ণই প্ৰত্যেকজনীৰ হাত নিজৰ হাতত তুলি ল'লে। গোপীসকলে কৃষ্ণৰ

কৰস্পৰ্শত সুখাৱেশৰ তন্ময়তাত চকু মুদি দিওঁতে কৃষ্ণই ৰাসমণ্ডল গঠন কৰি পেলালে। কাৰণ কৃষ্ণৰ হাতৰ স্পৰ্শৰ সুখাবেশত গোপীবিলাকৰ ইন্দ্ৰিয়সমূহ অৱশ হৈ যোৱাত কৃষ্ণৰ হাত বুলি ওচৰত থকা গোপীৰ হাতকে সন্তুষ্ট চিত্তেৰে ধৰি থাকিল। ভাগৱতৰ মতে কিন্তু এক কৃষ্ণই বহু কৃষ্ণৰ ৰূপ পৰিগ্ৰহণ কৰি দুজনী দুজনী গোপীৰ মাজত সোমাই লৈছিল। ব্ৰহ্মবৈবৰ্ত্ত পুৰাণমতে ৰাসমণ্ডল কৃষ্ণই গোপী-সকলৰ হাতত ধৰি নিজে গঠন কৰি লোৱা মণ্ডল নহয়, বৃন্দাবনৰ এক বিশেষ মণ্ডলাকাৰ স্থানহে, য'ত কৃষ্ণ-ৰাধা আৰু আন আন গোপীসকলে আমোদ কৰিছিল"।[১]

তাৰপাছত তেওঁলোকে হাতৰ কঙ্কণৰ ৰুনু-জুনু শব্দৰ ছেৱে ছেৱে নৃত্য আৰু শৰত ঋতুৰ সৌন্দৰ্য বৰ্ণাই উপযুক্ত সঙ্গীত গাবলৈ ধৰিলে। শ্ৰীকৃষ্ণই স্নিগ্ধ প্ৰভাযুক্ত চন্দ্ৰৰ বৰ্ণনা কৰি প্ৰশস্তি গীত জুৰিলে কিন্তু গোপীকাসকলে কেৱল কৃষ্ণ-প্ৰশস্তিমূলক গীতহে পুনঃ পুনঃ গাবলৈ ধৰিলে। সময়ে সময়ে কোনো একোজনীয়ে ঘূৰি ঘূৰি নৃত্য কৰি ভাগৰ লগাত কৃষ্ণৰ ডিঙিত সাবটি জিৰণি লৈছিল। কৃষ্ণৰ স্তুতি-গীতত পটু আন একোজনীয়ে আকৌ কৃষ্ণক সাবটি আলিঙ্গন কৰিছিল। কৃষ্ণয়ো নৃত্যৰ লগত খাপ খোৱা সুৰ সংযুক্ত উপযোগী গীত গাইছিল। গোপীসকলে কৃষ্ণৰ এই কাৰ্যত বাৰে বাৰে কৰতালি দি ধন্য ধন্য বুলি প্ৰশংসা কৰিছিল। যেতিয়া কৃষ্ণ আগবাঢ়ি গৈছিল তেতিয়া গোপাঙ্গনাসকল তেওঁৰ পাছে পাছে গৈছিল, আৰু যেতিয়া উভতি আহিছিল গোপাঙ্গনাসকল তেওঁৰ সন্মুখ হৈছিল। আগলৈকে যাওক বা পাছলৈকে আহক সকলো সময়তে গোপাঙ্গনাসকল কৃষ্ণৰ লগত আছিল।

বহুত গোপাঙ্গনাই কৃষ্ণৰ বিভিন্ন চেষ্টা অনুকৰণ কৰিছিল আৰু কৃষ্ণৰ বিয়োগত বৃন্দাবনত তেওঁৰ অনুৰূপ ভাৱত আৰু বেশত বিচৰণ কৰি ফুৰিছিল। "ময়ে কৃষ্ণ, চোৱা মোৰ চেষ্টা, গতি কেনে মনোমোহা"—এই বুলি একোজনীয়ে কৈছিল। আন এজনীয়ে আকৌ কৃষ্ণৰ সঙ্গীত অনুকৰণ কৰি কৈছিল, "মোৰ গীত কেনে সুন্দৰ শুনাচোন।" তৃতীয় এজনীয়ে "এই ধূৰ্ত্ত কালীয়, ময়ে কৃষ্ণ, খন্তেক অপেক্ষা কৰ"—এই বুলি কৃত্ৰিম ক্ৰোধত বাহুত চাপৰ মাৰিছিল। এনেদৰে নানাভাৱে কৃষ্ণৰ কাৰ্য বা চেষ্টা অনুকৰণ কৰি গোপাঙ্গনাসকলে কৃষ্ণৰ সাময়িক বিচ্ছেদত সান্ত্বনা লভিছিল। এইদৰে বিচাৰি ফুৰোঁতে এঠাইত কৃষ্ণৰ আৰু আন এজনী গোপীৰ ভৰিৰ খোজ দেখা পালে।[২]

ইয়াত মন কৰিবলগীয়া কথা এইটোৱেই যে গোপীসকলে কৃষ্ণ প্ৰশস্তিমূলক গীতিহে গাইছিল আৰু কৃষ্ণৰ সাময়িক বিচ্ছেদত উৰাউল হৈ কৃষ্ণৰ চেষ্টা বা কাৰ্যাৱলী অনুকৰণ কৰিছিল। কৃষ্ণয়ো গীত গাইছিল, কিন্তু সেই গীত চন্দ্ৰদেৱতাক উদ্দেশ্য কৰিহে গাইছিল। ইয়াৰপৰা এই কথাও প্ৰতীয়মান হয় যে কৃষ্ণই মণ্ডলাকাৰ নৃত্যৰ এক অভিনৱ পদ্ধতি প্ৰচলন কৰে। সৰ্বসাধাৰণ ৰাসনৃত্যত পুৰুষ-স্ত্ৰীয়ে পৰস্পৰে হাতত ধৰাধৰি কৰি নৃত্য কৰে। কিন্তু কৃষ্ণই সম্ভৱতঃ পুৰুষক

১. Briffault : II p 123.
২. Mahabharat : 160/17 ff.

তাৰপৰা আঁতৰাই ইয়াক প্ৰধান কৰি তোলে। এই কাৰণেই কৃষ্ণকৃত ৰাসনৃত্যৰ পোন প্ৰথমে খেলি-মেলি অৱস্থাৰ সৃষ্ট হৈছিল।

(২)

মানৱ বুৰঞ্জীৰ বিভিন্ন যুগত আৰু সভ্যতাৰ বিভিন্ন স্তৰত স্ত্ৰী-পুৰুষৰ এনে মণ্ডলাকাৰে কৰা নৃত্য দেখিবলৈ পোৱা যায়। তুলনাৰ অৰ্থে এনে কিছুমানৰ উদাহৰণ উল্লেখ কৰা গ'ল—

(ক) অতি প্ৰাচীন ইউজেনিয়ন যুগতো ধৰ্ম্মমূলক উৎসৱ থকাৰ প্ৰমাণ পোৱা যায়। স্পেন দেশৰ লেৰিডাৰ ওচৰৰ ক'গুল নামে ঠাইৰ (Cogul) এটা গুহাত আচৰিত ধৰণৰ চিত্ৰ পোৱা গৈছে। এই চিত্ৰত আঁঠু পৰ্যন্ত ওলমি পৰা ঘণ্টাকৃতি গাউন পৰিহিত চিঁয়া কঁকালৰ কিছুমান স্ত্ৰীয়ে এটা জধলা পুৰুষক মাজত লৈ নৃত্য কৰা দেখুৱাইছে। এই যুগৰ সভ্যতাৰ পৰিচায়ক এটি লিঙ্গৰ প্ৰতিকৃতিও পোৱা গৈছে।[৩]

(খ) গ্ৰীকসকলৰ মাজতো স্ত্ৰী-পুৰুষে একেলগে মণ্ডলাকাৰে নৃত্য কৰাৰ স্পষ্ট প্ৰমাণ পোৱা যায়। গ্ৰীছত এনে নৃত্য প্ৰসঙ্গত অভাৱনীয় ব্যভিচাৰ হৈছিল বুলিও জনা যায়। এটা অতি প্ৰাচীন গ্ৰীছদেশীয় কলহত বনবীয়া পেঁপা বজাই থকা এটা পুৰুষক মাজত লৈ তিনিজনী স্ত্ৰীয়ে হাতত ধৰাধৰি কৰি নৃত্য কৰাৰ চিত্ৰ অঙ্কিত কৰা আছে। অন্য এঠাইত সাতজনী স্ত্ৰীয়ে পৰস্পৰে কঁকালত হাতেৰে সাৰটি ধৰি মণ্ডল আকাৰে নৃত্য কৰি থকা দেখুওৱা হৈছে। এনে ধৰণৰ নৃত্যৰ আৰু বহুতো প্ৰাচীন নিদৰ্শন পোৱা যায়।[৪]

(গ) ঋকবেদীয় যুগত "সমন" নামৰ এটা সামাজিক উৎসৱ আছিল। বয়স নিৰ্বিশেষে সকলো স্ত্ৰী পুৰুষে সমানে যোগ দিব পৰা ই এক ধৰণৰ খেলা আছিল বুলিব পাৰি। এই উৎসৱত দিনত ৰথ, ঘোঁড়া দৌৰ আদি পৌৰুষসূচক খেল-ধেমালি আৰু ৰাতি সুকুমাৰ মাদকতা-পূৰ্ণ আমোদ-প্ৰমোদ অনুষ্ঠিত হৈছিল। কেইগি (Kaegi) চাহাবে উক্ত উৎসৱৰ এনেধৰণৰ বৰ্ণনা দিছে, "বোৱাৰী আৰু জীয়ৰীবিলাক জাকজমক পোছাক পিন্ধি সেই আনন্দ উৎসৱত যোগদান কৰিবলৈ গৈছিল। ডেকা আৰু গাভৰুবিলাকে নতুনকৈ পল্লৱিত হৈ উঠা পথাৰ বা বনৰ মাজলৈ নৃত্য কৰিবলৈ লৰা-ঢপৰাকৈ গৈছিল। তাল বজোৱাৰ লগে লগে ডেকা-গাভৰুসকলে পৰস্পৰে হাতত ধৰি ভৰিৰ ধূলিৰে ধুৱলি-কুঁৱলি আৰু নৃত্য-গীতৰ ধ্বনিৰে বন বজনজনাই নোযোৱা পৰ্যন্ত ঘূৰি ঘূৰি নাচিছিল। এই "সমন" উৎসৱত পুৰণি প্ৰথামতে 'ইন্দ্ৰাণী' নামে কামনা দেৱী (Sex Goddess) এগৰাকীৰ পূজা কৰা হৈছিল বুলিও উল্লেখ আছে।[৫] হৰিবংশত আছে যে ৰুক্মিণী দেৱীয়ে ইন্দ্ৰাণীৰ মন্দিৰত পূজা কৰিবলৈ যাওঁতে শ্ৰীকৃষ্ণই হৰণ কৰি আনে। অন্য এঠাইত

৩. Meyer : VII II 203 f. m.

৪. Meyer, GII, I p. 78 ; II p. 124 Mahabharat i/219, XIV/39.

৫. Wilson ; Visnupurana VI, 10.

ইন্দ্ৰাণীৰ দুৰ্গাদেৱীৰ অন্যতম নাম বুলি বৰ্ণনা কৰা হৈছে। (ঘ) শস্যৰ বৃদ্ধি আৰু মাটিৰ উৰ্বৰা শক্তি বঢ়াবৰ কাৰণে এজোপা গছৰ চাৰিওকাষে ঘূৰি ঘূৰি নৃত্য কৰা পদ্ধতিও দেখা যায়। গলবিলাকে (Gallas) শস্য ভাল হ'বৰ কাৰণে সিহঁতে পবিত্ৰ বুলি ভৰা কোনো গছৰ চাৰিওকাষে ঘোৰ পাতি নাচিছিল। এডাল লাঠিৰ মূৰ দুটাত মতা আৰু মাইকী দুয়ো ধৰি নৃত্য কৰিছিল। আৰু সিহঁতৰ কাষলতিৰ মাজত শস্যৰ সীহু বা ধাঁহু ভৰাই লৈছিল। সিহঁতে এই কাৰ্যৰদ্বাৰা গৰু-ম'হো বৃদ্ধি হয় বুলি বিশ্বাস কৰিছিল।[৬]

এই কথা জনা যায় যে প্ৰাগঐতিহাসিক মানৱ সমাজে নৃত্যক উপাস্য দেৱতাৰ লগত ঐক্য স্থাপন কৰাৰ প্ৰথম আৰু প্ৰধান উপায় বুলি ভাবিছিল। সিহঁতে এই কাৰ্যৰদ্বাৰা দেৱতাৰ লীলায়িত গতি বা চেষ্টাৰ অনুকৰণ কৰা বুলি বিশ্বাস কৰিছিল। এই অনুকৰণ অনুৰূপ আদি কাৰ্যৰদ্বাৰা সিহঁতে অতিপ্ৰাকৃত শক্তিৰ লগত ঐক্য স্থাপন কৰিছিল বা একীভূত হোৱা বুলি বিশ্বাস কৰিছিল। অতিপ্ৰাকৃত শক্তি বা দেৱতাৰ কাৰ্য অনুকৰণ কৰি অনুকাৰিক শক্তিৰ লগত অনুকৰণকাৰীয়ে এক হৈ যোৱা বুলি ভাবিছিল।[৭] ওপৰত উল্লেখ কৰি অহা নৃত্য আটাই-বিলাকেই কোনো এজন নহয় এজন দেৱতাৰ সন্মানাৰ্থে অভিনীত কৰা হৈছিল। বৰ্ণনা কৰি অহা "সমনম উৎসৱো" কোনো এগৰাকী যৌন বা সিমণ দেৱীৰ (Sex Goddess) উদ্দেশ্যেই অনুষ্ঠিত হৈছিল। আনকি কৃষ্ণ-বলৰামক নিমন্ত্ৰণ কৰি অনা কংসৰ ধনুৰ্যাগো মহাদেৱৰ সন্মানাৰ্থে আয়োজিত হৈছিল।[৮]

গ্ৰীক ধৰ্ম সম্পৰ্কীয় অনুষ্ঠানসমূহৰ বিষয়ে কোৱা হয় যে গ্ৰীক দেৱতাবিলাকৰ, আৰু তেওঁ-লোকৰ পূজা-পদ্ধতি আগৰেপৰা ভাবি-চিন্তি গঢ়া হোৱা নাছিল; বৰং ব্যাৱহাৰিক যাদু-প্ৰধান ৰীতি-আচৰণৰ বলতহে বিভিন্ন উপলক্ষ্যত দেৱতাৰ উদ্ভৱ হৈছিল। প্ৰায়ে দেখা যায় যে উৎসৱ-বিলাক কোনো দেৱতাৰ নামত নাছিল, বৰং সেইবিলাক তৃণ-ভোজ (Straw feast), পবিত্ৰ-ভোজ, পাৰ্বত্য-ভোজ, গ্ৰাম্য-ভোজ (Feast of the village) নামেৰেহে অভিহিত কৰা হৈছিল।[৯] গ্ৰীকসকলে কোনো উৎসৱকেই দেৱতাৰ উৎসৱ বুলি নকৈছিল, তেওঁলোকে উৎসৱৰ দেৱতা বুলিহে মানিছিল। কোনো উৎসৱ বা ৰীতি নিৰ্দিষ্ট দেৱতাৰ নাম আৰু তত্ত্বাৱধানত অনুষ্ঠিত হৈছিল। এই কথা সকলো ধৰ্মতে খাটে, উচ্চ সভ্যতাৰ গৰাকী খৃষ্টান ধৰ্মাৱলম্বীসকলৰ ধৰ্মৰ মাজতো অনাখৃষ্টীয় টটেমিক (Totemic) ৰীতি-নীতি আৰু উৎসৱৰ প্ৰভাৱ দেখা যায়। দেৱতাবিলাক মানুহৰ দৰেই মৰণশীল,[১০] কিন্তু ৰীতি আৰু প্ৰথা যুগমীয়া।

---

৬. Harivamsa II p. 17
৭. Harivamsa. II p.20.
৮. Sacred Dance p. 37.
৯. Ibid p. 158.
১০. Briffault III pp. 59-60.

মহাভাৰতত[১১] পোৱা যায় যে উপৰিচৰ নামেৰে এজন ৰজাই পোনপ্ৰথমে ইন্দ্ৰধ্বজ প্ৰতিষ্ঠা কৰি এক আনন্দোৎসৱ প্ৰৱৰ্তন কৰে। আহিন মাহৰ পূৰ্ণিমাৰ সাত দিনৰ আগতে এই ইন্দ্ৰধ্বজ পোতা হয় আৰু পূৰ্ণিমা পৰ্যন্ত সাত দিন সাত ৰাতি পূৰ্ণ পয়োভৰেৰে ইয়াক আকাশত উকৰাই ৰখা হয়। অৱশেষত, পূৰ্ণিমাৰ দিনা উঘালি আঁতৰ কৰি পেলোৱা হয়। ৰচিৰে সৈতে বান্ধি এই ইন্দ্ৰধ্বজ থিয় কৰি ৰখা হৈছিল। ইউৰোপৰ প্ৰসিদ্ধ মে ট্ৰি (May tree) উৎসৱৰ দৰে এই ইন্দ্ৰধ্বজ উৎসৱো মূলতঃ উৰ্বৰা বা প্ৰজনন শক্তি বৃদ্ধিৰ বাবেই অনুষ্ঠিত হৈছিল, কিন্তু পাছলৈ ইন্দ্ৰদেৱতাৰ সন্মানসূচক উৎসৱ ৰূপে পৰিগণিত হ'ল, কিয়নো ইন্দ্ৰদেৱতাই শস্য বৃদ্ধি কৰা ভাৰৰ আৰু পানীৰ গৰাকী। কৃষ্ণই এই ইন্দ্ৰোৎসৱৰ পৰিবৰ্তে গোবৰ্দ্ধন পৰ্বতৰ পূজা গোপসকলৰ মাজত প্ৰৱৰ্তন কৰিলে।

গোবৰ্দ্ধন পৰ্বতক পূজা কৰা প্ৰথাটো আন এটা পৰ্বত পূজাৰ আদৰ্শত প্ৰৱৰ্তিত হৈছিল। অন্ধক আৰু বৃষ্ণিসকলৰ মাজত স্ত্ৰী-পুৰুষ সকলো গোট খাই নানা ধৰণৰ ৰং-ধেমালিৰ মাজেদি ৰৈৱতক পৰ্বতৰ সন্মানাৰ্থে এক উৎসৱ অনুষ্ঠিত হৈছিল। নানা ৰঙৰ বসন-ভূষণ, সোণৰ মালা, বিচিত্ৰ ফুল আৰু কল্প বৃক্ষৰদ্বাৰা ৰৈৱতক পৰ্বতটোক সুশোভিত কৰি তোলা হৈছিল। এই উৎসৱ প্ৰসঙ্গত কণা, কুঁজা, দুখীয়া, ভিখাৰীসকলক চৰ্ব্য, শোষ্য, লেহ্য, পেয় আৰু সুবাসিত নানা ধৰণৰ সুৰাৰে আপ্যায়িত কৰা হৈছিল।

ৰৈৱতক পূজা কেৱল পৰ্বতৰেই সন্মানসূচক উৎসৱ আছিল। কিয়নো কোনো দেৱতাৰ উল্লেখ ইয়াত নাই। কিন্তু গোবৰ্দ্ধন পূজাৰ উৎসৱত কৃষ্ণই এক ৰূপত পৰ্বতৰ শিখৰত বহি "ময়ে পৰ্বতৰ অধিষ্ঠাতা দেৱতা" এই বুলি গুৱালসকলে দিয়া খাদ্য গ্ৰহণ কৰি ল'লে আৰু স্বাভাৱিক ৰূপত অৰ্থাৎ গোপবালক ৰূপত আন আন গুৱালসকলৰ লগতে পৰ্বতৰ ওপৰলৈ উঠি গৈ নিজৰে আনটো ৰূপৰে পূজা কৰিলে। পৰ্বতৰ প্ৰতিষ্ঠাতা দেৱতাবেশী কৃষ্ণই গুৱালৰ হকে বহুতো আশীষ মঙ্গল প্ৰতিষ্ঠা কৰি অন্তত অন্তৰ্দ্ধান হ'ল। হৰিবংশতো কৃষ্ণই এইদৰে পৰ্বতৰ অধিষ্ঠাতা দেৱতাৰূপে গুৱালসকলে পৰ্বতৰ উদ্দেশ্যে আগবঢ়োৱা মাংসৰ ভাগ গ্ৰহণ কৰাৰ কথা আছে। কৃষ্ণই এইদৰে মূলতঃ কোনো দেৱতাৰ লগত সম্বন্ধ নথকা এটা উছৱৰ অধিষ্ঠাতা দেৱতা হৈ ৰহিল।

এডাল গোটা জোঙা গোজ মাটিত পুতি তাৰ চাৰিওফালে ঘূৰি ঘূৰি নচা নৃত্যক ৰাসনৃত্য বুলি হৰিবংশৰ টীকাকাৰ নীলকণ্ঠই দিয়া সংজ্ঞা আগতে উল্লেখ কৰি অহা হৈছে। সেই গোটা বাঁহডাল সম্ভৱতঃ লিঙ্গৰ প্ৰতীক বুলি ধৰা হৈছিল আৰু স্ত্ৰী-পুৰুষে যোৰ পাতি তাৰ চাৰিও কাষে নাচিছিল। কৃষ্ণই উক্ত নৃত্য পদ্ধতিৰপৰা গোটা বাঁহডাল আৰু পুৰুষৰ ভাগটো আঁতৰ কৰি নিজকে নৃত্যৰ কেন্দ্ৰস্থানত স্থাপন কৰি ৰাসনৃত্যৰ কিছু পৰিবৰ্তন সাধন কৰিলে। কৃষ্ণই গোপীসকলক তেওঁৰ স্তুতিগীত গাবলৈ শিকালে আৰু নিজে শাৰদীয় চন্দ্ৰৰ প্ৰশস্তি গীত গালে। গোপাঙ্গনাসকলে

---

১১. B. Kakati : The Mother Goddess Kamakhya p. 22.

পৃথিৱীলৈ নামি অহা চন্দ্ৰ যেন বোধ কৰি কৃষ্ণৰ মুখ চন্দ্ৰমাকে চাই আছিল। এইদৰে বাসনৃত্যত চন্দ্ৰৰ কিয় ইমান প্ৰতিপত্তি হ'বলৈ পালে? দেখা যায় বাসনৃত্যত কৃষ্ণই চন্দ্ৰদেৱতাৰ অনুকৰণ চেষ্টা কৰিছিল আৰু নিজে চন্দ্ৰদেৱতাৰূপে আচৰণ কৰিছিল যদিও গোপীসকলৰ পৰা কৃষ্ণৰ ভাৱতহে প্ৰশংসা লাভ কৰিছিল। এইদৰেই বাসনৃত্যই নতুন ৰূপত সোম অৰ্থাৎ চন্দ্ৰদেৱতাৰ সন্মানসূচক উৎসৱত পৰিণত হ'ল।

মণ্ডল নৃত্য (circle dance) আকাশৰ গ্ৰহ-নক্ষত্ৰৰ গতিৰ প্ৰতীক বুলি কিছুমান পণ্ডিতে দিয়া অভিমতৰ যথেষ্ট মূল্য আছে বুলি এট্টালী চাহাবে জগতৰ বিভিন্ন ধৰ্মমূলক পবিত্ৰ নৃত্যসমূহ আলোচনা কৰি কৈছে, যে হটেনটট্ (Hottentote) জাতিৰ মাজতো চন্দ্ৰোৎসৱ প্ৰচলিত আছে; সিহঁতে পূৰ্ণিমা আৰু শুক্লা প্ৰতিপদত চন্দ্ৰদেৱতাৰ সন্মানাৰ্থে নৈশ নৃত্য-গীত কৰে আৰু চন্দ্ৰদেৱতাক সম্বোধন কৰি গায়—হে দেৱ, আমি যেন গাখীৰ-মৌ যথেষ্ট পৰিমাণে পাওঁ। আমাৰ গৰু-গাইবোৰে যেন পেট ভৰাই খাবলৈ পায়। কৃষিৰ আদিম অৱস্থাত পৃথিৱীৰ পৰিবৰ্তে চন্দ্ৰদেৱতাকে শস্যৰ উৎপন্ন আৰু বৃদ্ধিৰ কাৰণ বুলি বিশ্বাস কৰিছিল আৰু পৃথিৱীৰ এটা সত্তাৰে দুটা অংশ বা বিভাগ স্বৰূপেহে গণ্য কৰা হৈছিল।

(৩)

বৃন্দাবনত অনুষ্ঠিত হোৱা বাসক্ৰীড়াৰ যৌন বৰ্ণনাই টীকাকাৰসকলক যথেষ্ট চিন্তাত পেলাইছে। টীকাকাৰ নীলকণ্ঠই কয় যে বৃন্দাবন লীলাৰ সময়ত কৃষ্ণৰ বয়স কুৰি বছৰৰ তলত, উপনয়ন তেতিয়াও হোৱা নাই। গতিকে উপনয়ন নোহোৱা অৱস্থাত কৰা ব্যভিচাৰ দোষণীয় নহয়। ভাগৱত পুৰাণে কয় যে ঈশ্বৰৰ কোনো কামেই দোষণীয় নহয়। ঈশ্বৰৰ কৰ্ম অনুসৰণ কৰিব নালাগে, তেওঁৰ বিধি নিষেধহে মানি চলিব লাগে। "কৃষ্ণোপনিষদ" নামে এখন সাম্প্ৰতিক উপনিষদমতে কৃষ্ণৰ বৃন্দাবন-লীলা পূৰ্বজন্মকৃত প্ৰতিজ্ঞাৰ ফল। ৰামচন্দ্ৰই অৰণ্য বাস কৰোঁতে ঋষিসকলে তেওঁৰ শাৰীৰিক সৌন্দৰ্যত মুগ্ধ হৈ আলিঙ্গন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত প্ৰতিজ্ঞা কৰিছিল যে পুনৰ জন্মত ঋষিসকল গোপীৰূপে জন্মগ্ৰহণ কৰি তেওঁক আলিঙ্গন কৰিবলৈ পাব। তান্ত্ৰিক মতে বিষ্ণুৱে মহাতৈৰৱ ভাৱত বালগোপাল বেশত মদ্য, মাংস আৰু মৈথুন উপভোগ কৰে।[১২]

আচল কথা হ'ল যে কৃষ্ণই ওপৰোক্ত কামপ্ৰধান নৃত্যত সোমদেৱতাৰ ভাও গ্ৰহণ কৰি সোমৰ চেষ্টা অনুসৰণ কৰিছিল; ঠিক যেনেভাৱে গোপীসকলে কৃষ্ণ প্ৰেমত মত্ত হৈ কৃষ্ণৰ কাৰ্য অনুকৰণ কৰিছিল।

বৈদিক বিবাহ-প্ৰথামতে নব-পৰিণীতা কন্যা-বৰৰ হাতলৈ অহাৰ আগতে চন্দ্ৰদেৱতাই পোন প্ৰথমে গ্ৰহণ কৰিব লাগে। "বিবাহিতা কন্যা পোন প্ৰথম সোমৰ, দ্বিতীয়তে গন্ধৰ্বৰ, তৃতীয়তে

১২. কৃষ্ণ-জন্ম-খণ্ড ২৩।৬৩

অগ্নিৰ, চতুৰ্থতে মৰণশীল মানৱৰ হাতলৈ আহে।" সোমদেৱতাই কন্যাক বিশুদ্ধতা, গন্ধৰ্বই সুমধুৰ মাত, অগ্নি দেৱতাই শৰীৰ আৰু মনৰ পবিত্ৰতা দান কৰে। বিবাহ-মণ্ডপত দৰাই কয়, সোম-দেৱতাই তোমাক পত্নী স্বৰূপে লাভ কৰিছে।[১৩] এই কাৰণে হিন্দু ধৰ্ম-শাস্ত্ৰমতে বিবাহৰ পাছত অন্ততঃ তিনি ৰাতি বৰ-কন্যাই ব্ৰহ্মচৰ্য অৱলম্বন কৰিব লাগে। এই নিয়ম আদিম-অনাৰ্যসকলৰ বহুতো জাতিয়েই পালন কৰে। বৈদিক আচাৰ-মতে এডাল বাঁহ বা কাঠৰ লাঠি সুৱাসিত তেল আৰু কাপোৰ বা সূতাৰে সজ্জিত কৰি সোমদেৱতাৰ প্ৰতিনিধি স্বৰূপে বৰ-কন্যাৰ শোৱা-পাটিত ৰখা হৈছিল আৰু বৰ-কন্যাই সেই ৰাতি ব্ৰহ্মচৰ্য ৰক্ষা কৰি কটাইছিল।[১৪]

চন্দ্ৰদেৱতাৰ আলিঙ্গন নাৰীৰ যৌন-লিপ্সা আৰু আসঙ্গৰ শ্ৰেষ্ঠ পৰিণতি স্বৰূপে গণ্য কৰা হৈছিল। ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত আছে যে যি নাৰী চন্দ্ৰদেৱতাৰ আলিঙ্গনৰপৰা বঞ্চিত, তাইৰ জীৱনেই বৃথা। পুৰুষৰ প্ৰেম বা কাম-প্ৰবৃত্তিৰ কোনো অভিজ্ঞতা নথকা মাতৃ গৰ্ভত থকা শিশুৰ দৰে সেই নাৰীৰ জীৱন বুলি উক্ত পুৰাণত বৰ্ণনা কৰিছে।

দশম স্কন্ধ, দ্বাবিংশ অধ্যায়ৰ ভাগৱত পুৰাণত বৰ্ণিত হোৱা গোপীসকলে কৃষ্ণক স্বামীৰূপে পাবৰ কাৰণে কৰা কাত্যায়নী ব্ৰতো ইচ্ছাৰদ্বাৰা প্ৰণোদিত হৈ কৰা যেন লাগে। ইয়াৰ উপৰিও সঙ্গীতেৰে গোপীসকলৰ প্ৰাণ-মন জয় কৰা আৰু বস্ত্ৰ-হৰণ কৰা আদি কথা সোমদেৱতা সম্পৰ্কে থকা আখ্যান-সমূহৰ প্ৰতিকৃতি মাথোন।

চন্দ্ৰদেৱতাৰ উপাখ্যান

শ্ৰেষ্ঠতা আৰু প্ৰয়োগৰ ক্ৰম অনুসৰি বৈদিক দেৱতাসকলৰ মাজত সোমদেৱতাই তৃতীয় স্থান পাইছে, বৈদিক যুগত সোমদেৱতাই হ'ল জানিবা গ্ৰীকসকলৰ সুৰাৰ দেৱতা বেকাছ (Bacchus)। ঋগ্ বেদৰ নৱম মণ্ডলৰ ১১৪টা ঋক মন্ত্ৰ সোমদেৱতাৰ উদ্দেশ্যে ৰচিত আৰু অন্যান্য বহুতো ঋক মন্ত্ৰত সোমৰসৰ উল্লেখ পোৱা যায়, এই কাৰণে হুইটনী (Whitney) চাহাবৰ মতে হয় ভৰ দি ক'ব পৰা যায় যে, এসময়ত সোম বা চন্দ্ৰদেৱতাৰ পূজা জনসমাজত বহুল প্ৰচাৰিত হৈছিল।

বহুতো গুণ আৰু কাৰ্য সোমদেৱতাত আৰোপ কৰা হৈছিল। হুইটনী চাহাবৰ মতে সোমক অতিশয় শ্ৰদ্ধা আৰু ভক্তিৰে সৈতে আহ্বান কৰা হৈছিল আৰু সকলো শক্তিৰ আকৰ স্বৰূপ বুলি চন্দ্ৰৰপৰা আশীৰ্বাদ আৰু মঙ্গল কামনা কৰিছিল। নৱম মণ্ডলৰ পঞ্চম আৰু নৱম মন্ত্ৰত সোমক সকলো জীৱৰ গৰাকী প্ৰজাপতি আখ্যা দিয়া হৈছে। তেওঁক দেৱতাসকলৰ পিতৃ আৰু সৃষ্টিকৰ্তা বুলি অভিহিত কৰা হৈছে। তেওঁ দেৱতা আৰু মানৱসকলৰ অধিপতি; গৰখীয়াই গৰুৰ

১৩. Mayor II P, 212 not R.V. *X/85* Paraskarna Cerahya Santra 1/4/16, Vasistha XXXVIII. 5/16.

১৪. Briffault, III Pp. 238-281: Arstambा III 18/8.

পাল ৰক্ষা আৰু পালন কৰাৰ দৰে তেওঁ সকলো প্ৰাণীক ৰক্ষা কৰে। ভক্তসকলৰ কাৰণে তেওঁ গো, অশ্ব, ৰথ, স্বৰ্ণ, স্বৰ্গ আৰু জল এই সকলোবোৰ জয় কৰি আনে। তেওঁ দেৱতাসকলৰ পুৰোহিত, বনৰীয়া জন্তুৰ মাজত ষাঁড়, চিলনীৰ মাজত শেন, অৰণ্যত কুঠাৰ স্বৰূপ। মানৱসকলে গুৱনী গাভৰুৰ সমাজত প্ৰীতি লাভ কৰাৰ দৰে সোমদেৱতাই জলজ সমাজত বিচৰণ কৰি প্ৰীতি লাভ কৰে।[১৫]

মুঞ্জৱৎ পৰ্বতত উৎপন্ন সোমলতা চেপি ৰস উলিওৱা আৰু শোধন কৰা প্ৰসঙ্গত উক্ত স্তুতি গীত-সমূহ সোমদেৱতাৰ উদ্দেশ্যে ৰচিত হৈছিল। বৈদিক ঋষিসকলে বৰ আনন্দোৎসাহেৰে সোমৰস বৈ অহা আৰু পৰিষ্কাৰ কৰা কাৰ্য বৰ্ণনা কৰিছে আৰু সোমৰস পান কৰা উপাসক আৰু দেৱতাসকলৰ ওপৰত এই স্বৰ্গীয় সুৰাৰ প্ৰভাৱ স্তুতি-গীতৰ মাজেদি প্ৰকাশ কৰিছে।[১৬]

উক্ত ৰস পানীৰ লগত মিহলি হৈ যোৱা কাৰ্যক, গৰুৰ পালৰ মাজলৈ হুঁকাৰি যোৱা ষাঁড় গৰুৰ দৰে সোমদেৱতাই জলৰ মাজলৈ বিগ্ৰাশৰৰে যোৱা বুলি বৰ্ণনা কৰা হৈছে। তেওঁক আকৌ জলৰ সন্তান অৰ্থাৎ জলসমূহক তেওঁৰ মাতৃ বুলি বৰ্ণনা কৰিছে। পুৰোহিতসকলে যেতিয়া সোমৰসক গাখীৰৰ লগত মিহলায়; তেতিয়া সেই কাৰ্যক সোমক গব্য ভূষণেৰে ভূষিত কৰা বুলি কোৱা হৈছে। এনেধৰণৰ স্তৱকবিলাকত সোমক সাধাৰণতে ষাঁড় গৰু আৰু গাখীৰ মিহলোৱা বা নিমিহলোৱা পানীক গাইৰ লগত তুলনা কৰিছে। ডেকা ল'ৰাই ধুনীয়া গাভৰুৰ মাজত আনন্দ লাভ কৰাৰ দৰে সোমদেৱতাই পানীৰ মাজত আনন্দ পায়। প্ৰেমিকৰ দৰে তেওঁ জলৰ কাষ চাপে আৰু জলেও গাভৰুৰ দৰে তেওঁৰ বশ মানি লয়।[১৭]

পিছৰ কালত ৰচিত ঋগ্‌বেদৰ কিছুমান মন্ত্ৰত সোমক চন্দ্ৰদেৱতাৰ লগত চামিল কৰি দিয়া হৈছে আৰু অথৰ্ব বেদতো তাকেই কৰিছে।

শতপথ ব্ৰাহ্মণত সোমেই চন্দ্ৰদেৱতা। ব্ৰাহ্মণসকলৰো তেওঁৱেই অধিপতি বুলি আখ্যা দিয়া হৈছে।

বন-জাত উদ্ভিদসমূহৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বুলি সোমক বনস্পতি অৰ্থাৎ বনৰ অধিপতি আখ্যা দিয়া হৈছে। বিষ্ণুপুৰাণত সোমৰ এই দ্বৈত ভাৱৰ চৰিত্ৰ সম্বন্ধে এইদৰে আছে, "ব্ৰহ্মাই সোমক তাৰকা, নক্ষত্ৰ, ব্ৰাহ্মণ, উদ্ভিদ, যজ্ঞ আৰু উপাসনাৰ গৰাকী স্বৰূপে নিযুক্ত কৰে।"[১৮]

এই সোম মুঞ্জৱৎ পৰ্বতৰ শিখৰত হৈছিল; এই কাৰণেই বোধ হয় সকলোৱে লাভ কৰা সম্ভৱপৰ নাছিল। বোধ হয় কীকট বংশকেই আদি কৰি দুই-এটা বংশৰ ভাগ্যবান কোঁৱৰেহে লাভ কৰাৰ সৌভাগ্য ঘটিছিল। ঐতৰেয় ব্ৰাহ্মণত এই বিষয়ে এটা আখ্যান পোৱা যায়। উক্ত

---

১৫. Muir, O.S.T v.Pp. 266—269.

১৬. Ibid P. 261.

১৭. Macdonell : History of Sanskrit Literature Pp. 92—98.

১৮. Visnupurana 4/6/5.

আখ্যানমতে সোম আছিল গন্ধৰ্বসকলৰ মাজত। দেৱতা আৰু ঋষিসকলে সোমক তেওঁলোকৰ মাজত পাবলৈ ইচ্ছা কৰাত বাক্‌দেৱতাই ক'লে, "গন্ধৰ্বসকল ৰমণীপ্ৰিয়, (স্ত্ৰীকামাঃ বৈ গন্ধৰ্বাঃ) গতিকে মোক স্ত্ৰী ৰূপত পৰিণত কৰি গন্ধৰ্বসকলক দান কৰক আৰু তাৰ পৰিবৰ্তে আপোনালোকে সোমক লাভ কৰক।" দেৱতা আৰু ঋষিসকলে উত্তৰ দিলে, "আপোনাৰ অনুপস্থিতিত আমি কেনেকৈ থাকিম?" বাক্‌দেৱতাই উত্তৰত ক'লে, "যেতিয়াই মোৰ প্ৰয়োজন আপোনালোকে অনুভৱ কৰিব তেতিয়াই মই উপস্থিত হ'ম।" এই কথাত সকলোৱে মান্তি হৈ বাক্‌দেৱতাক সম্পূৰ্ণ নগ্ন অৱস্থাত নাৰী ৰূপত (তয়া মহানগ্নয়া ভূতয়া) গন্ধৰ্বসকলক দান কৰি সোমক লাভ কৰিলে। তৈত্তিৰীয় ব্ৰাহ্মণতো অলপ পৃথকভাৱে সেই একেটা আখ্যানকে পোৱা যায়। এই আখ্যানমতে দেৱতা আৰু ঋষিসকলে বাক্‌দেৱতাক এবছৰীয়া এজনী ছোৱালীত পৰিণত কৰি গন্ধৰ্বসকলৰ মাজলৈ পঠাই দিলে, কিন্তু অলপ পাছতে সঙ্গীতৰ আকৰ্ষণীয় শক্তিৰদ্বাৰা নিজৰ মাজলৈ ওভতাই লৈ আহিল। এই কাৰণে নাৰীয়ে সদায় গীত গাব জনা পুৰুষক ভাল পায়। (তস্মাৎ গায়ন্তম্ স্ত্ৰিয়ঃ কাময়ন্তি। কামুকো এনাম্ স্ত্ৰীগো ভৱতি য এনাম্ বেদ)।[১৯]

পদ্মপুৰাণ[২০] পাতালখণ্ডত গোপীসকলক শ্ৰুতিৰ (বাক্) লগত অভেদ স্বীকাৰ কৰি ৰাসক্ৰীড়া আৰু সোম আখ্যানক সংলগ্ন কৰিবলৈ চেষ্টা কৰা যেন লাগে (গোপ্যস্ত শ্ৰুতয়ো জ্ঞেয়াঃ)।

বস্ত্ৰহৰণ প্ৰসঙ্গত বিবস্ত্ৰা গোপকন্যাসকলে আৰু প্ৰাণ-মন হৰণকাৰী কৃষ্ণৰ গীতৰ সম্মোহিনী শক্তিৰ বৰ্ণনাই বাক্‌দেৱতাৰ যোগেদি সোমক লাভ কৰা বৈদিক আখ্যানলৈ মনত পেলাই দিয়ে।

কাৰ্যতঃ যজ্ঞৰ প্ৰয়োজনীয় সোমৰস চেপি উলিয়াবৰ কাৰণে পৰ্বতলৈ গৈ সোমলতা বিচাৰি অনাটো গাভৰুসকলৰ কৰ্তব্যৰ ভিতৰত আছিল যেন বোধ হয়। তলৰ বৰ্ণনাটোৱেই উক্ত কথাৰ সম্ভেদ দিয়ে। "মৰম লগা গাভৰুসকলে খৰকৈ পৰ্বতত বগাই উঠাৰ দৰে ক্ষমতাৰ গৰাকী তেওঁৰ ওচৰলৈ লৰ ধৰিছিল।"[২১] এঠাইত এজনী উঠন গাভৰুৱে প্ৰিয়জনক আঙুলিৰ আগেৰে আদৰ কৰা বৰ্ণনা দিওঁতে আঙুলিৰে সোমৰস চেপি উলিওৱা উপমা দিয়া হৈছে।[২২]

বিষ্ণু পুৰাণ[২৩] আৰু ভাগৱত পুৰাণত[২৪] কৃষ্ণই এজনী বিশেষ প্ৰিয়পাত্ৰী গোপীৰ লগত বনৰ মাজলৈ পলাই যোৱাৰ ইঙ্গিত আছে। উক্ত ঘটনা পুৰাণত বৰ্ণিত হোৱা চন্দ্ৰপত্নীসকলৰ কথা আৰু তেওঁৰ বিশেষ প্ৰিয়তমা পত্নীৰ আখ্যানৰ লগত সম্বন্ধযুক্ত যেন লাগে।

---

১৯. Muir : Pp. 263. 263f.

২০. পদ্মপুৰাণ ৪২।৪৩ অধ্যায়।

২১. Upadhaya P. 186 Raghuvangsam 1/50/2

২২. Ibid p 196 : IX/56/3.

২৩. বিষ্ণুপুৰাণ

২৪. ভাগৱতপুৰাণ ১০।৩০

পৌৰাণিক আখ্যানমতে সোমদেৱতাই দক্ষৰ সাতাইশজনী কন্যা বিবাহ কৰিছিল (তৈত্তিৰীয় সংহিতামতে তেত্ৰিশজনী)। আকাশৰ সাতাইশটা নক্ষত্ৰকেই চন্দ্ৰপত্নীস্বৰূপে কল্পনা কৰা হৈছে। সোমদেৱতাই সাতাইশজনী পত্নীৰ ভিতৰত চতুৰ্থা পত্নী ৰোহিণীৰ প্ৰতি বেছি অনুৰক্ত হোৱাত আন কেইজনীয়ে ঈৰ্ষাপৰবশা হৈ পিতৃ দক্ষৰ আগত সোমৰ বিপক্ষে অভিযোগ কৰে। দক্ষৰ চেষ্টা নিষ্ফল হোৱাত অৱশেষত চন্দ্ৰক পুত্ৰহীন আৰু ক্ষয়ৰোগগ্ৰস্ত হ'বলৈ শাপ দিয়ে। চন্দ্ৰৰ দশা দেখি পত্নীসকলৰ পুতৌ উপজি পিতৃ দক্ষক তাৰ প্ৰতিকাৰ কৰিবলৈ অনুৰোধ কৰে। দক্ষই শাপ প্ৰত্যাহাৰ কৰিব নোৱাৰিলে যদিও শাপৰ ফল কিছু পৰিৱৰ্তন কৰি দিলে। সেইমতে চন্দ্ৰৰ ক্ষয় ৰোগ স্থায়ী নহৈ সাময়িকভাৱে বঢ়া-টুটা অৱস্থা পালে। চন্দ্ৰই পাছত ৰাজসূয় যজ্ঞ কৰি অশেষ ক্ষমতা পাই মহামদ মদগৰ্ব হৈ গুৰু বৃহস্পতিৰ পত্নী তাৰাদেৱীক বলাৎকাৰ কৰি পত্নীৰূপে লৈ যায় আৰু বৃহস্পতিৰ অনুৰোধ, আনকি ব্ৰহ্মাৰ আদেশতো ঘূৰাই দিবলৈ অস্বীকাৰ কৰে।

ব্ৰহ্মবৈৱৰ্ত পুৰাণত (কৃষ্ণ-জন্ম-খণ্ড ৪।১৮৬) বৰ্ণনা কৰা বাধিকাৰ তেত্ৰিশজনী পৰিচাৰিকাই তৈত্তিৰীয় সংহিতাৰ তেত্ৰিশজনী সোমপত্নীৰেই সন্ধেদ দিয়া যেন বোধ হয়।

(৫)

হুইট্‌নী চাহাবৰ মত অনুসৰি এসময়ত বৈদিক আৰ্যসকলৰ মাজত সোম পূজাই বিশেষ প্ৰতিপত্তি লাভ কৰিছিল বুলি আগতে উল্লেখ কৰি অহা হৈছে। তেওঁলোকৰ মানত সোমৰস দেৱতা স্বৰূপ আছিল, কিয়নো দৈৱিক শক্তিৰ হৈ ক্ৰিয়া কৰে। যি লতাই এই ৰস দান কৰিছিল সেই লতা উদ্ভিদৰ অধিপতি ৰূপে গণ্য কৰা হৈছিল আৰু ৰস চেপি উলিওৱা প্ৰণালীটো এক পৱিত্ৰ যজ্ঞ বুলি বিবেচনা কৰিছিল, আৰু চেপি উলিওৱা আহিলা-পাতিসমূহো পৱিত্ৰ বুলি গণ্য কৰা হৈছিল।

বৈদিক উপাসনা-পদ্ধতি হ্ৰাস হৈ অহাত আৰু লগে লগে নতুন নতুন দেৱতা আৰু ক্ৰিয়া-কৰ্মৰ উদ্ভৱ হোৱাত সোমৰ জনপ্ৰিয়তা কমি আহিল আৰু শেষত লোপ পালে। আজিকালি সোমদেৱতাৰ নাম কেৱল প্ৰাচীন বৈদিক ক্ৰিয়া-কাণ্ড আচাৰ মানি চলা মুষ্টিমেয় ব্ৰাহ্মণ কেইজনৰ ওচৰতহে পৰিচিত হৈ আছে।[২৫]

সোমপান কৰা প্ৰথাও সকলোৰে মাজত প্ৰচলিত নাছিল, ঋগ্‌বেদত সোমপায়ী আৰু সোমপান নকৰা দুটা সম্পূৰ্ণ বিভিন্ন শ্ৰেণীৰ লোকৰ উল্লেখ আছে। প্ৰসিদ্ধ সোমপায়ীসকলৰ ভিতৰত অত্ৰি আৰু যাদৱ বংশৰ প্ৰতিষ্ঠাতা যদুৰ নাম উল্লেখযোগ্য। বংশ-পৰম্পৰা সোমপান কৰিবলৈ বৈদিক বিধি আছিল।[২৬] হৰিবংশৰ দ্বিতীয় পৰ্বৰ ৮৯ অধ্যায়ৰ ৮৩-৮৬ শ্লোকত যাদৱসকলে বংশ-

২৫. Muir IV. B. 258.

২৬. Macdonell : Nedic Index, Vol. II. 418.

পৰম্পৰাগতভাৱে সোমপান কৰি অহা কথাৰ সন্ধেদ পোৱা যায়। কৃষ্ণই ছালিক্য নৃত্য প্ৰৱৰ্তন কৰা প্ৰসঙ্গত এই কথা উল্লেখ আছে যে ভৈমসকলে প্ৰাসৰোৎসৱত (সোমৰস চেপি উলিওৱা উৎসৱ) এই ছালিক্য নৃত্য অভ্যাস কৰিছিল। যদুবংশীয় প্ৰাচীন প্ৰথাসমূহত ব্যুৎপত্তি থকা যদুবীৰসকলে বিভিন্ন স্থান আৰু পাত্ৰত উক্ত প্ৰথা প্ৰচাৰ কৰাতো প্ৰয়োজনীয়তা অনুভৱ কৰিছিল।

যাদৱসকল শিল্পী বা কলাবিদ জাতি আছিল। এবাৰ বসুদেৱৰ অশ্বমেধ যজ্ঞ অনুষ্ঠান প্ৰসঙ্গত সুভদ্ৰ নামে এজন নটক অভ্যাগত ঋষিসকলক আপ্যায়িত কৰিবৰ কাৰণে আমন্ত্ৰণ কৰি আনিছিল। অন্য এবাৰ কৃষ্ণই বজ্ৰনাভ নামৰ দৈত্য এজনৰ নগৰত প্ৰৱেশ কৰাৰ সুবিধাৰ নিমিত্তে এদল সৈন্য পৰ্যটক নটৰ সাজ-সজ্জাত পঠাই দিছিল। এই নটবেশী সৈন্যদলে অভিনয় আৰু নৃত্য-গীতৰদ্বাৰা মুগ্ধ কৰি বজ্ৰনাভৰ পুৰীত প্ৰৱেশ লাভ কৰিছিল।[২৭]

যাদৱসকলে যে মদ খাই মতলীয়া হৈ থাকে, এই কথাৰ উল্লেখ নিষ্প্ৰয়োজন। তৈত্তিৰীয় ব্ৰাহ্মণ গ্ৰন্থত সোমৰস আৰু সুৰাৰ মাজত প্ৰভেদ এনে ধৰণে বৰ্ণনা কৰা হৈছে। বলকাৰক সোমৰস হ'ল দেৱতাসকলৰ ব্যৱহাৰৰ কাৰণে আৰু সুৰা, মৰ্ত্যৰ সোম হ'ল পুৰুষ, সুৰা স্ত্ৰী, দুয়ো দম্পতী সদৃশ।[২৮] এসময়ত বলৰামবেতিয়া গোমন্ত পৰ্বতৰ কদম্ব বৃক্ষৰ তলত অসুস্থ হৈ পৰি আছিল। তেতিয়া তিনি গৰাকী দেৱীয়ে মানৱী ৰূপত তেওঁৰ শুশ্ৰূষা কৰিছিল। তেওঁলোক হ'ল বাৰুণী (দেৱী ৰূপত সুৰা), চন্দ্ৰপ্ৰভা (চন্দ্ৰকিৰণৰ দেৱীৰূপ) আৰু শ্ৰী (সুখ সম্পদৰ দেৱী ৰূপ)। উক্ত স্থানত চন্দ্ৰপ্ৰভাৰ উপস্থিতিয়ে যাদৱ প্ৰতিনিধি এজনৰ লগত সোম বা চন্দ্ৰদেৱতাৰ সম্বন্ধ সূচনা কৰে।[২৯]

গুজৰাটৰ সাগৰ তীৰৰ সোমনাথ মন্দিৰৰ কাষত প্ৰসিদ্ধ সোম-তীৰ্থ বা প্ৰভাস-তীৰ্থৰ স্থান আছে। এই স্থানতে সোমদেৱতাই ৰাজসূয় যজ্ঞ সম্পন্ন কৰিছিল আৰু এই স্থানৰ ওচৰতে তাৰকাসুৰৰ লগত যুদ্ধ হৈছিল। এই সোম-তীৰ্থ বা প্ৰভাস-তীৰ্থতে ওচৰতে দক্ষ ঋষিৰ শাপত ক্ষয়-ৰোগ-গ্ৰস্ত সোমদেৱতাই ৰোগৰপৰা মুক্তি লাভ কৰে।[৩০]

বিষ্ণুপুৰাণত[৩১] আছে যে এই প্লক্ষ দ্বীপত (গুজৰাট অঞ্চল) সোমদেৱতাৰ ৰূপত সৰ্বৰূপৰ সৃষ্টি-কৰ্তা হৰিৰ পূজা হয়, যেনেকৈ শাক দ্বীপত সূৰ্যদেৱতাৰ ৰূপত ভগৱান বিষ্ণুৰ পূজা হয়। সূৰ্যপূজক এওঁলোক মগ নামে পৰিচিত হৈছিল আৰু এওঁলোক পাৰস্য দেশৰ মগসকলেৰে সৈতে যে একেজাতি এই কথা প্ৰমাণিত হৈছে। এই পাৰস্য বা শাকদ্বীপৰ মগসকলেই ভাৰতত সূৰ্য-পূজা প্ৰচলন কৰে।[৩২]

---

২৭. Harivamsa II : Pp. 92, 93.
২৮. Muir V P. 265 f. n.
২৯. Harivamsa. II 41/13-15.
৩০. Wilson : Mahabharat. Saila Parva Pp .36-52
৩১. বিষ্ণুপুৰাণ ২, ৪।১৯
৩২. H. Mahatab : History of Orissa p. 150.

শাক দ্বীপত সূৰ্যক বিষ্ণুৰে এক বিশেষ ৰূপ বুলি পূজা কৰা হৈছিল। প্লক্ষ দ্বীপত কিন্তু সোম বা চন্দ্ৰ পৰমেশ্বৰ আৰু সকলোৰে স্ৰষ্টা ৰূপে পূজিত হৈছিল। সেই দেশৰ চাবি জাতিৰ ভিতৰত শ্ৰেষ্ঠ জাতিক আৰ্যক বোলা হৈছিল। তেওঁলোক ব্ৰাহ্মণৰ শাৰীৰ আছিল আৰু সোমদেৱতাৰ পুৰোহিত বুলিব পাৰি। পাৰস্য দেশৰ আদিম অধিবাসী মিদিছসকলৰ মাজতহে উক্ত আৰ্যক নাম প্ৰচলিত আছিল বুলি বুৰঞ্জীয়ে কয়। মিদিছসকলে নিজক আৰীয় বুলি পৰিচয় দিছিল আৰু পাৰস্যবাসীসকলৰ পূৰ্বপুৰুষ বুলি দাবী কৰে। নাক্স-ই-ৰুস্তামৰ ওপৰত থকা সম্ৰাট দৰায়ুছৰ (Darius) সমাধি মন্দিৰত নিজক আৰ্য বুলি ঘোষিত কৰিছে। পাৰস্যৰ পূৰ্বাংশ অৰ্থাৎ বৰ্তমান আফগানিস্থান আৰু বেলুচিস্থান অঞ্চল অৰিয়ানা (Ariana) নামেৰে পূৰ্বে পৰিচিত হৈছিল। ভাৰতৰ দৰে পাৰস্যত আৰ্য জাতি বাচকৰূপে সচৰাচৰ ব্যৱহৃত হোৱা নাছিল যেন লাগে।[৩৩]

গ্ৰীক ঐতিহাসিক হিৰোডটাচৰ মতে প্ৰাচীন পাৰস্যবাসীসকলে চন্দ্ৰ আৰু সূৰ্য দুয়ো দেৱতাৰ পূজা কৰিছিল।[৩৪] এই প্ৰসঙ্গত আবেস্তাৰ তলৰ কেইশাৰী তুলনীয় "আমি পবিত্ৰতাৰ পবিত্ৰ অধিকাৰী। চন্দ্ৰদেৱতাৰ হৱণ কৰোঁ, আমি পূৰ্ণচন্দ্ৰক হৱন কৰোঁ যি পবিত্ৰতাৰ অধিকাৰী।"[৩৫]

টাইগ্ৰীছ নদীৰ পূবত মিদিছসকলে এখন শক্তিশালী ইৰাণী ৰাজ্য স্থাপন কৰিছিল আৰু ইয়াতেই ছেমিটিক সভ্যতাৰ লগত তেওঁলোকৰ সম্বন্ধ ঘটে। উক্ত ছেমিটিকসকলৰ মাজত অন্য দেৱতাতকৈ 'সিন্ন' নামৰ চন্দ্ৰদেৱতাৰ প্ৰতিপত্তি বেছি আছিল। বিষ্ণুপুৰাণত সকলোৰে স্ৰষ্টা আৰু পৰমেশ্বৰ ৰূপে চন্দ্ৰদেৱতাক প্লক্ষদ্বীপত পূজা কৰাৰ বৰ্ণনাৰ লগত ছেমিটিকসকলৰ প্ৰাচীন আখ্যানত থকা চন্দ্ৰদেৱতাৰ বিভিন্ন অধিকাৰ সাদৃশ্য পৰিলক্ষিত হয়।

চন্দ্ৰক "শ্ৰেষ্ঠ দেৱতাসকলৰ পিতৃ", "সৰ্বদেৱতাৰ পিতা", ব্ৰহ্মাণ্ডৰ ঈশ্বৰ, প্ৰাণদাতা প্ৰাণাধিকাৰী আদি বিভূষণেৰে বিভূষিত কৰিছিল। শুক্লা প্ৰতিপদ দিবসৰ অধিষ্ঠাত্ৰী বৈদিক "সিনীৱালী" দেৱী ছেমিটিকসকলৰ "সিন্ন" নামৰ চন্দ্ৰদেৱতাৰ লগত সম্বন্ধযুক্ত বুলি পণ্ডিতসকলে সাব্যস্ত কৰিছে। আৰ্যসকল মেছপটেমীয় অঞ্চলত বসতি কৰোঁতে প্ৰাচীন বেবিলনৰ অধিবাসী সকলৰপৰা গ্ৰহণ কৰা উক্ত সিন্ন দেৱীকেই সিনীৱালীৰূপে ভাৰতত প্ৰৱৰ্তন কৰিলে। আনহাতে আকৌ ভাৰতৰ ভিতৰৰে দ্ৰাবিড়ত চন্দ্ৰপূজাৰ প্ৰচলন প্ৰাচীন কালত থকাৰ উল্লেখ পোৱা যায়। তামিল সাহিত্যৰ আদি স্তৰ "সঙ্গম" যুগৰ ৰচনাত চন্দ্ৰপূজাৰ উল্লেখ স্পষ্টভাৱে পোৱা যায়। প্ৰাচীন তামিল দেশৰ বিভিন্ন ৰাজধানীত চন্দ্ৰদেৱতাৰ স্বকীয় মন্দিৰ থকাৰ উল্লেখ সাহিত্যত পোৱা যায়। এই চন্দ্ৰ

---

৩৩. Briffault vol. III Pp. 848—892.

৩৪. Herodots 1/131.

৩৫. Ibid : p. 113 f. d. Zind-Avesta and Yasta V. 11/8.

পূজাৰ প্ৰথাৰ ক্ষীণ আভাস এতিয়াও শুক্লা তৃতীয়াৰ দিনা স্বাস্থ্য আৰু সম্পদ বৃদ্ধিৰ কাৰণে চন্দ্ৰদৰ্শন কৰা ৰীতিত পোৱা যায়।[৩৬]

সূৰ্য পূজাক কেন্দ্ৰ কৰি যেনেকৈ অনেক মন্দিৰ আৰু এক বিশেষ সম্প্ৰদায় (সৌৰ সম্প্ৰদায়) গঢ়ি উঠিল, চন্দ্ৰ পূজাই তেনে সম্প্ৰদায় সৃষ্টি কৰিব নোৱাৰিলে; কেৱল অন্যান্য সম্প্ৰদায়ৰ মতবাদ গঢ়াত সহায় কৰিলে। সকলোৰে সৃষ্টিকৰ্তা চন্দ্ৰ বা সোমদেৱতাই পৌৰাণিক যুগত শিৱৰ লগত একীভূত হৈ গ'ল আৰু শিৱই সোমনাথ আখ্যা লাভ কৰিলে। তেতিয়াৰপৰা সোমদেৱতাৰ স্বকীয়া অস্তিত্ব লোপ পালে।

ঋষিকন্যা আৰু পত্নীসকলৰ প্ৰতি সহজে আকৃষ্ট হোৱা পৌৰাণিক শিৱৰ কাম প্ৰবৃত্তিৰ আধিক্য চন্দ্ৰদেৱতাক নিজত সামৰি লোৱাৰ কাৰণেই নেকি? মহাভাৰতৰ অনুশাসন পৰ্বৰ এঠাইত আছে যে শিৱই ৰোমাঞ্চিত নগ্ন আৰু অশ্লীল বেশত (মহাশেকো) ঋষিকন্যা আৰু পত্নীসকলৰ লগত বিহাৰ কৰিছিল।[৩৭] কূৰ্মপুৰাণত[৩৮] দাৰুবনত উনৈশ বছৰীয়া ডেকা ল'বাৰ বেশত শিৱই এজনী গাভৰুক লগত লৈ নগ্ন বেশেৰে ভ্ৰমণ কৰাৰ বৰ্ণনা আছে, সেই অৰণ্যত থকা ঋষি পত্নীসকলে শিৱক সেই ৰূপত দেখি কাম বিমোহিতা হৈ বস্ত্ৰ সম্বৰণ নকৰি পাছে পাছে খেদি গৈছিল। এইদৰে দেখা যায় নাৰীৰ প্ৰেম লাভ কৰাৰ প্ৰথম দাবী চন্দ্ৰদেৱতাৰপৰা শিৱই অধিকাৰ কৰিলে।

ওপৰৰ আলোচনাৰ সাৰাংশ

ওপৰত কৰি অহা আলোচনাৰপৰা এইটো বুজা যায় যে মাটিত পুতি থোৱা গোজ এডালৰ চাৰিও কাষে নাৰী আৰু পুৰুষে ঘূৰি ঘূৰি নচা নৃত্যকে হল্লীশ বোলা হৈছিল। এই নৃত্যত বয়সৰ কোনো বাধা নাছিল, সকলোৱেই সমানভাৱে লগ দিব পাৰিছিল আৰু পাৰস্পৰিক আমোদ আহ্লাদ লাভ কৰাই প্ৰধান বিধি আছিল। সম্ভৱতঃ প্ৰথম অৱস্থাত এই নৃত্যৰ লগত কোনো যৌন-কথা জড়িত নাছিল।

যাদৱসকলে সোমৰস চেপি উলিওৱা উৎসৱ প্ৰসঙ্গত হল্লীশ, ছালিক্য আৰু ৰাস এই তিনি ধৰণৰ নৃত্যাভিনয় বৰ আড়ম্বৰেৰে পালন কৰিছিল। তেওঁলোকে নিষ্ঠ গোষ্ঠীয় প্ৰথাসমূহ প্ৰচলন কৰাবো বিশেষ যত্ন লৈছিল। সেই গোষ্ঠীৰ প্ৰথাবিলাকৰ ভিতৰত ৰৈৱতক পৰ্বত পূজাও অন্যতম। কৃষ্ণই ব্ৰজধামৰ গোৱালসকলৰ ইন্দ্ৰধ্বজ পূজা উৎসৱৰ পৰিৱৰ্তে গোবৰ্দ্ধন পূজা প্ৰৱৰ্তন কৰা প্ৰথাও উপৰোক্ত যাদৱসকলৰ গোষ্ঠীয় পৰ্বত পূজাৰেই প্ৰসাৰণ।

৩৬. R. C. Dikhits. Origin and Spread of Tamils

৩৭. Origin and Spread of Tamils, vol. v : p. 160

৩৮. কূৰ্মপুৰাণ ২।৩৭

কৃষ্ণৰ দ্বিতীয় কাৰ্য হ'ল প্ৰাচীন হল্লীশ নৃত্যক নতুন ৰূপ দি সংস্কাৰ সাধন কৰা। এই নৃত্যৰ-পৰা পুৰুষ অংশটো একেবাৰে বাদ দি কৃষ্ণ নিজে কেৱল নৃত্যৰ প্ৰধান নায়ক ৰূপে ৰ'ল। তেওঁকে উদ্দেশ্য কৰি উপযোগী প্ৰশস্তিমূলক গীত নৃত্যৰ লগত সুমুৱাই দিয়া হ'ল আৰু ৰাতি ৰাতি নৃত্যৰ আখৰা চলিবলৈ ধৰিলে। গোৱালসকলৰ মনত কৃষ্ণ আৰু গোপীসকলৰ চাল চলন কাৰ্য-কাৰখানা আচৰিত যেন বোধ হ'ল। গোবৰ্দ্ধন পূজা প্ৰবৰ্ত্তন কৰাৰ পাছৰপৰা গোৱালবিলাকে মনত অস্বস্তিবোধ কৰি আছিল আৰু কৃষ্ণৰ চাল-চলনে সিহঁতক বেছি বিমোৰ কৰি তুলিছিল। সিহঁতে কৃষ্ণত ঐশ্বৰিক শক্তি আৰোপ কৰি প্ৰশংসা কৰিছিল আৰু যাদৱসকলৰ এজন বুলি কৃষ্ণক নাভাবিছিল। কৃষ্ণয়ো গোৱালসকলৰ তেনে ব্যৱহাৰত কিছু ক্ষুণ্ণ আৰু সন্দিহান হৈ ক'লে, "গোৱালসকল! আপোনালোক যদি মোৰ লগত সম্বন্ধযুক্ত হৈ লজ্জা অনুভৱ কৰা নাই; আৰু মোক যদি আপোনালোকৰ শলাগৰ পাত্ৰ বুলি বিবেচনা কৰিছে তেন্তে মোৰ বিষয়ে অযথা আপোনালোকে কিয় আলোচনা কৰিব লাগিছে? মোক আপোনালোকৰ লগৰে এজন বুলি ভাবি সন্তুষ্ট থাকক, কাৰণ মই দেৱতা, যক্ষ, ৰক্ষ, কিম্বা দানৱ নহওঁ। মই আপোনালোকৰ সম্বন্ধীয় এজন হৈয়ে উপজিছোঁ, মোক অন্য কোনোবা বুলি নাভাবিব।" কৃষ্ণৰ এই উত্তৰ শুনি গোপসকল মনে মনে থাকি কৃষ্ণক দেখাত কিছু অসন্তুষ্ট কৰিয়ে বনলৈ প্ৰস্থান কৰিলে। গোৱালসকলৰ কিন্তু মনৰ সন্দেহ দূৰ নহ'ল বৰং গোপীসকলৰ নৈশ-অভিযানক বেছি সন্দেহৰ চকুৰে চাবলৈ ধৰিলে। তেওঁলোকে পত্নী, কন্যা ভনীয়েকবোৰক নৈশ-অভিযানত বাধা জন্মালে যদিও কৃতকাৰ্য নহ'ল। মন্ত্ৰমুগ্ধৱৎ সিহঁতে বাধা নেওচি গ'ল।

কিন্তু যেতিয়া নৃত্য আৰম্ভ হ'ল, তেতিয়া দেখা গ'ল যি প্ৰাচীন নৃত্যৰ লগত নতুন নৃত্যৰ বহুতো প্ৰভেদ। নৃত্যমণ্ডল ৰচনা সম্বন্ধে নাচনীসকলৰ বেলেগ বেলেগ ইচ্ছা বা অভিমত দেখা গ'ল। গোপীসকলে কতনো কেনেকৈ থিয় হৈ নৃত্য আৰম্ভ কৰিব সেই বিষয়ে একো ধৰিব নোৱাৰি কৃষ্ণক বেৰি ধৰিলে। তাৰ পাছত নৃত্য-প্ৰসঙ্গত সিহঁতে কৃষ্ণক উদ্দেশ্য কৰি স্তুতি গীত গালে আৰু কৃষ্ণই চন্দ্ৰদেৱতাৰ প্ৰশস্তিমূলক গীত জুৰিলে। সকলো পবিত্ৰ বা ধৰ্ম-সম্পৰ্কীয় নৃত্যতে নৃত্যৰত ভক্তই ভক্তি আৰু মনৰ উন্মাদনাত অৰ্চিত দেৱতাৰ লগত মিলন বা ঐক্য বিচাৰে বা অনুভৱ কৰে। কৃষ্ণই উক্ত নৃত্যতে নিজক চন্দ্ৰদেৱতা ৰূপে বুজাবলৈ চেষ্টা কৰিছিল ঠিক তেনেকৈ গোবৰ্দ্ধন পূজাত গোবৰ্দ্ধন পৰ্বতৰ শিখৰত উঠি পৰ্বতৰ অধিষ্ঠাতা দেৱতা ৰূপে নিজৰ প্ৰকাশ কৰিছিল। চন্দ্ৰদেৱতাৰ ভাৱত কৃষ্ণই গোপীসকলৰ দেহ আৰু মনৰ অধিকাৰ দাবী কৰিছিল, কাৰণ চন্দ্ৰদেৱতা হ'ল জগতৰ নাৰীসকলৰ অধিপতি।

যাদৱসকল আছিল সোমপায়ী আৰু সোম সম্পৰ্কে নানান ঐতিহ্য তেওঁলোকৰ মাজত বংশানুক্ৰমে চলি আহিছিল। সোমৰ প্ৰতি শ্ৰদ্ধাৰ মূলতে বোধ হয় স্থানীয় প্ৰভাৱো আছিল। সোম-তীৰ্থ বা প্ৰভাস-তীৰ্থ যাদৱসকলৰ বাসস্থানৰ কাষতে আছিল। চন্দ্ৰপূজাক আৰ্যসকলৰ লগত সিহঁতৰ

কৃষিমূলক সম্বন্ধও সন্দেহ কৰা যায়। দ্ৰাবিড়সকলৰ মাজতো চন্দ্ৰপূজাৰ ৰীতি প্ৰচলিত আছিল।

হুল্লীশ শব্দৰ উৎপত্তি বা গঠনেও যথেষ্ট ভাবিবৰ সমল যোগায়। "দেশী নাম মালাত" হুল্লীশ শব্দ হুল্লীশ ৰূপে দেশী শব্দ বুলি পৰিগণিত হৈছে। সংস্কৃত অভিধানত 'হুল্লীশ' আৰু "হুল্লীষ" দুয়োটা ৰূপতেই ইয়াক পোৱা যায়। বোধ হয় এই শব্দটো ৰঙা পদুম বা ভেট বুজোৱা প্ৰাকৃত শব্দ "হুল্লঅ" (সং হুল্লক) শব্দৰ লগত সম্বন্ধযুক্ত। প্ৰাকৃত 'হুল্লঅ' শব্দ কামৰূপত "হালা" ৰূপে পৰিণত হৈছে। কামৰূপত হালা শব্দই ভেটৰ নলা বা ঠাৰি বুজায়। গতিকে সম্ভৱতঃ হুল্লীশ শব্দ সংস্কৃত "কুমুদ-পতি" শব্দৰ গাঁৱলীয়া বা জনসংস্কৰণ। হুল্লীশ শব্দই তেতিয়া ভেটৰ পতিদেৱতা অৰ্থাৎ চন্দ্ৰদেৱতাক বুজায়।

যদি ওপৰত দিয়া শব্দ ব্যুৎপত্তি সত্য হয়, তেন্তে প্ৰাচীন হুল্লীশ নৃত্য চন্দ্ৰ দেৱতাৰেই উৎসৱ বুলি ধৰি ল'ব পাৰি।

ৰাধা-চৰিত্ৰৰ অভ্যুদয়

মধ্যযুগত যোৱা পাতি পূজা কৰা বৈষ্ণৱৰ দেৱ-দেৱীসকল হ'ল—ৰামানুজ সম্প্ৰদায়ৰ শ্ৰী আৰু নাৰায়ণ; মাধৱ সম্প্ৰদায়ৰ লক্ষ্মী আৰু বিষ্ণু; ৰামানন্দীসকলৰ সীতা-ৰাম; নিম্বাৰ্ক আৰু বল্লভাচাৰ্যৰ ৰাধা-কৃষ্ণ।

বৈদিক সাহিত্যত স্ত্ৰী-চৰিত্ৰবোৰক সৌভাগ্য আৰু পবিত্ৰতাৰ লগত জড়িত কৰা হয়। পিছৰ যুগৰ পৌৰাণিক আখ্যানত যেনেভাৱে লক্ষ্মীদেৱীক ঐশ্বৰ্যৰ মূৰ্তিমতী দেৱীৰূপে ধৰা হৈছে, ঋগ্বেদত তেনেভাৱে ধৰা হোৱা নাই। অৱশ্যে সেই বেদৰ দশম মণ্ডলত (১০।৭১।২) তেনে প্ৰকাৰৰ অৰ্থতে 'লক্ষ্মী' শব্দটো ব্যৱহৃত হৈছে—"ভদ্ৰা এবং লক্ষ্মীনিহিতা অধিবাচি"—তেওঁলোকৰ বচনত লক্ষ্মী নিহিত আছে। অথৰ্ব বেদৰ (৭।১১৫।১) এটি স্তোত্ৰত ভাল-বেয়া একাধিক লক্ষ্মীৰ উল্লেখ আছে—"মৰ্ত্যৰ মানুহৰ জন্মৰ সময়ত শৰীৰৰ লগত শত শত লক্ষ্মীও ওপজে; তাৰে কোনোবোৰ দুৰ্ভাগ্য-দায়িনী, আনবোৰ মঙ্গলময়ী। ভালবোৰ জীয়াই থাকে। বেয়াবোৰ ধ্বংস কৰা হয়।"

"ৰাজসনেয়ী"ত শ্ৰী আৰু লক্ষ্মী আদিত্যৰ দুগৰাকী পত্নী। "শতপথ ব্ৰাহ্মণত" আছে প্ৰজাপতিয়ে প্ৰজাসকলক সৃষ্টি কৰিবৰ উদ্দেশ্যে কঠোৰ তপস্যা কৰোঁতে তেওঁৰ গাৰপৰাই শ্ৰী উদ্ভূতা হয়। জ্যোতি সমুজ্জলা আৰু কম্পমান শ্ৰীদেৱীক দেখা পাই দেৱতাসকলৰ ঐশ্বৰ্যমোহ উপজিল আৰু প্ৰজাপতিক ক'লে, শ্ৰীক বধ কৰি তেওঁৰ ঐশ্বৰ্যবোৰ কাঢ়ি ল'বলৈ তেওঁলোকক অনুমতি দিব লাগে। প্ৰজাপতিয়ে সমিধান দিলে, শ্ৰী হ'ল তিৰোতা আৰু তিৰোতাক পুৰুষে হত্যা কৰা বিধেয় নহয়। গতিকে দেৱতাসকলে ইচ্ছা কৰিলে দেৱীক প্ৰাণে নমৰাকৈ তেওঁৰ সম্পত্তিবোৰ নিব পাৰে।

প্ৰজাপতিৰ এই কথা শুনি দেৱতাবিলাকে শ্ৰীৰ বেলেগ বেলেগ সম্পদবোৰ ডকা দি ল'লে। দেৱীয়ে ভেতিয়া প্ৰজাপতিৰ ওচৰত গোচৰ দিলে, দেৱতাবোৰে তেওঁৰ সকলো সম্পত্তি দি শেষ কৰিলে বুলি। যজ্ঞৰ যোগেদি সেই সম্পদবোৰ ঘূৰাই দাবী কৰিবলৈ সৃষ্টিকৰ্তাই দেৱীক পৰামৰ্শ দিলে।[১]

"সীতা (=নাঙলৰ সিৰলু) শব্দ ঋগ্বেদত[২] পোৱা যায়: "হে পুণ্য সীতা, আমি তোমাৰ মহিমা গাইছোঁ, তুমি যেন আমাৰ প্ৰতি প্ৰসন্ন হোৱা, তুমি যেন আমাক প্ৰচুৰ শস্য দান কৰা।"

"ইন্দ্ৰদেৱে যেন সীতাক ধৰি ৰাখে, পূষণে যেন তেওঁক পথ দেখুৱায়; পানীৰ সম্ভূত সম্ভাৰ লৈ তাকে যেন বছৰি বছৰি গাখীৰৰ দৰে আমাক দি থাকে।"[৩]

পিছৰ যুগৰ সাহিত্যত "পাৰস্কৰ গৃহ্যসূত্ৰত" (২।১৭।৯) সীতাক ইন্দ্ৰৰ পত্নী বোলা হৈছে। ইন্দ্ৰক আকৌ বোলা হৈছে "উৰ্বৰাপতি"—শস্যক্ষেত্ৰৰ গৰাকী।

এটি জাতকৰ সাধুত ৰামৰ পত্নী সীতা ৰামৰ ভনীয়েক আছিল বুলি কোৱা আছে। শাক্য-সকলৰ মাজত ভগ্নীবিবাহ সাধাৰণ কথা আৰু এটা বিধেয় ৰীতি।[৪]

ঋগ্বেদত "ৰাধস" শব্দ সততে পোৱা যায়। শব্দটো অন্ন, ঐশ্বৰ্য আৰু সম্পদৰ সমাৰ্থক।

"তদ ৰাধো অদ্য সৱিতুৰ্বৰেণ্যম্ দেৱস্য প্ৰৱে মনামহে"। —দিব্য সৱিতৃৰ কৃপা লৈ আমি আজি সেই পৰমকাম্য ঐশ্বৰ্য বিচাৰিছোঁ"—ঋগ্বেদ ১।১৫১।৫।

"ৰাধসো ঈ'মহে" —ঐশ্বৰ্য কামনা কৰিছোঁ—। ঋগ্বেদ ৪।৫।৫।৯[৫]

"ৰাধস্পতি"—এই সমাসযুক্ত পদটোৰ অৰ্থ—ঐশ্বৰ্যৰ গৰাকী। ৰাধা ৰূপতা শব্দটো এবাৰ মাথোন সমাসযুক্ত "ৰাধানাস্পতি" (=ইন্দ্ৰ) পদটোত পোৱা গৈছে।[৬]

অথৰ্ববেদত (১৯।৭।) "ৰাধো বিশাখে" (=বিশাখাৰাধোয়েই হৈছে সম্পদ) কথাটো আছে। বিশাখাদ্বয় হৈছে "Alpha Lidra আৰু Beta Lidra" নামৰ নক্ষত্ৰ দুটাৰ থূপ। অমৰকোষৰ মতে ইয়াৰ নাম "ৰাধা"। ৰাধা নক্ষত্ৰৰ পিছৰ নক্ষত্ৰটোৰ নাম "অনুৰাধা"। অনুৰাধা শব্দৰ অৰ্থ প্ৰসন্না, সদয়া। কিন্তু ৰাধা শব্দটো নক্ষত্ৰবিশেষৰ নাম হিচাপে "অনুৰাধা" শব্দটোৰপৰা নৈকে সজা হ'ল আৰু তাৰফলত "অনুৰাধা"ৰ অৰ্থ হ'ল ৰাধাৰ অনুগামী।[৭]

---

১. Muir : Original Sanskrit Texts vol. v

২. ঋগ্বেদ ৪।৫৭।৭ আৰু তাৰ পিছত

৩. Wilson : Rig-veda

৪. Upaddhya : Women in Rig-Veda pp. 11. 124-25

৫. Muir : Original Sanskrit Texts vol. v

৬. Monier-Williams : Sanskrit-English Dictionary.

৭. Macdonnell : Vedic Index 1 p. 417

মানুহৰ নাম বুজোৱা "ৰাধা" শব্দ—ৰাধা-গৌতম, এজন শিক্ষাগুৰুৰ নাম; ৰাধেয় (স্ত্ৰীলিঙ্গৰ নামত অপত্য কৰি বুজোৱা প্ৰত্যয়যুক্ত) এজন শিক্ষকৰ নাম[৮] অপত্যযুক্ত "ৰাধেয়" শব্দৰপৰা ৰাধা শব্দৰ অস্তিত্ব অনুমান কৰিব পাৰি। কৰ্ণৰ মাকৰ নাম ৰাধা।

সোমদেৱৰ "যশস্তিলক" (৭।২৭) গ্ৰন্থৰ ধনকীৰ্তিৰ আখ্যানত ৰাধা নামে এজনী তিৰোতাৰ কথা আছে। নৱম শতিকাৰো আগৰ মহাযান বৌদ্ধসকলৰ "ললিত বিস্তৰ" নামৰ গ্ৰন্থত (চতুৰ্দশ অধ্যায়) ৰাধা নামৰ এজনী মানুহৰ উল্লেখ আছে।[৯] গতিকে দেখা যায়, তিৰোতাৰ নাম হিচাপে ৰাধা শব্দ বিস্তৃতভাৱে ব্যৱহৃত হৈছিল। কিন্তু লক্ষ্মী, শ্ৰী, সীতা আদি নামত যেনেকৈ ধৰ্মশাস্ত্ৰীয় পবিত্ৰতা আছে; ৰাধা নামত তেনে কোনো শাস্ত্ৰৰ সম্পৰ্ক নাই। অৱশ্যে ওপৰত কোৱা হৈছে "ৰাধানাম্পতি" কথাষাৰে ইন্দ্ৰক বুজায়।

ধৰ্ম-নিৰপেক্ষ ৰচনাতহে ৰাধা-শ্ৰীকৃষ্ণৰ প্ৰেমৰ আখ্যানৰ কথা পোনতে পোৱা যায়। হাল নামৰ কবিৰ প্ৰাকৃত "গাথা-সপ্তশতী" (১।৮৯) আৰু "প্ৰাকৃত-পিঙ্গল"ত (১।৫) সেই আখ্যানৰ ইঙ্গিত আছে। সোমদেৱৰ "যশস্তিলক"তো তাৰ উল্লেখ আছে—"কিং ন ৰেমে ৰাধা নাৰায়ণেন?"—"ৰাধাই নাৰায়ণৰ লগত ৰতি কৰা নাছিলনে?"[১০]

"গাথা-সপ্তশতী" আৰু "প্ৰাকৃত-পিঙ্গল" লোক-কবিতাৰ সংগ্ৰহ। এই দুইখনত ৰাধা-কৃষ্ণৰ কথাৰ উল্লেখে লোক-সাহিত্য আৰু লোক-গীতিত ৰাধা আৰু কৃষ্ণৰ গুপ্ত প্ৰণয়-কাহিনীৰ প্ৰচলনৰ কথা প্ৰমাণ কৰে। গহীন সাহিত্যত ৰাধা-কৃষ্ণৰ প্ৰেমৰ কথা থকা পুথি জয়দেৱৰ সংস্কৃত "গীত-গোবিন্দ"। ইয়াৰ ভিতৰত লেখত ল'বলগীয়া কথা এয়েহে যে এই কাব্যখনো গীতৰ সমষ্টি। প্ৰশ্ন হৈছে, গোটেই কাহিনীটোৰে উৎপত্তি লোক-সাহিত্যৰ ভিতৰতনেকি?

মণিয়েৰ-উইলিয়ামছ চাহাবে "ৰাধাৰঙ্ক" আৰু "ৰাধা-সিৰ" আদি ৰূপৰ আভিধানিক অস্তিত্ব দেখুৱাইছে। নাঙল শব্দত "সিৰ" শব্দ ঋগ্বেদ আৰু পিছৰ সাহিত্যতো আছে। "শুন-সিৰউ" (ঋগ্বেদ ৫৭।৮) কথাষাৰত সেই "সিৰকে" জীৱন্ত পুৰুষৰ ৰূপ দিয়া হৈছে। এই আভিধানিক ৰূপবোৰে পূৰ্বতে "ৰাধা" শব্দৰ লগত কোনো কৃষি-উৎসৱৰ সম্পৰ্ক থকাটোকে নিৰ্দেশ কৰে যেন লাগে। ঋগ্বেদৰ এটি ঋকত (৪।৫৭) নাঙল, নাঙলৰ ফাল আৰু খেতিৰ শস্যক স্তুতি কৰা হৈছে:

"নাঙলে যেন কুশলে মাটি চহাব পাৰে। নাঙলৰ সিৰলুবোৰ যেন সুন্দৰভাৱে বহে আৰু যেন কুশল ফল ধৰায়।"

"নাঙলৰ ফালে যেন আমাৰ মাটিখিনি সুন্দৰকৈ ভাঙি পেলায়; হালোৱাও যেন বলধবোৰেৰে কুশলে থাকে।..........শুন আৰু সিৰই আমাৰ কুশল কৰোক।"

---

৮. Macdonell : Idia II P. 222

৯. K. K. Handiqui : Yasastilaka and Indian Culture 1949 P. 438

১০. Handiqui : Yasastilaka and Indian Culture P. 438 f.n.

অথৰ্ববেদত (১০।৬) কাজে সৈতে নাঙলটো সম্পদৰ প্ৰতীকৰূপে পৰিচিত হৈছে। এই স্তোত্ৰ-বিশেষত নাঙলৰ ফালৰপৰা তৈয়াৰ কৰা মাদুলিক সম্বোধন কৰা হৈছে আৰু মাদুলিটোকেই নাঙলৰ ফাল বোলা হৈছে ঃ

"খেতিত নাঙলৰ ফালে কৰা সিৰলুত যেনেকৈ শস্য গজি উঠে মোতো সেইদৰে সন্তান, গৰু-ম'হ আৰু সৰ্বপ্ৰকাৰ খাদ্য উৎপন্ন হওক।" (১০।৬।৩৩)

এইবোৰৰপৰা অনুমান হয় নাঙল আৰু নাঙলৰ ফালৰ ঐন্দ্ৰজালিক শক্তিয়ে সন্তান আৰু সৰ্বপ্ৰকাৰৰ সম্পদ বৃদ্ধি কৰিব পাৰে বুলি এক জন-বিশ্বাস সৃষ্টি হৈছিল। সাহিত্যত যেনেকৈ "গুণ-সিৰ" সমাসান্ত পদটো সিদ্ধ হৈছে, তেনে উদাহৰণ লৈ হয়তো সাধাৰণ লোকৰ ভাষাত "ৰাধা-সিৰ" শব্দটো গঢ় লৈ উঠিছে। "ৰাধাবন্ধ" শব্দও সেইদৰে "ৰাধালুব্ধ"—এই আলঙ্কাৰিক অৰ্থত সিদ্ধ হ'ব পাৰে। তাৰ অৰ্থ—অন্ন, ঐশ্বৰ্য, সম্পদ। (তু। ক মৎস্যবন্ধ=মৎস্যলুব্ধ বা মাছৰ লুভীয়া অৰ্থাৎ মাছৰোকা চৰাই)।

মহাভাৰতৰ এক অংশৰপৰা (শান্তি পৰ্ব, ৩৪২।৭৯) এক কৃষি-ধৰ্ম আৰু এজন কৃষি-দেৱতা থকাৰ কথা গম ধৰিব পাৰি। কৃষ্ণই অৰ্জুনক কৈছে—

"হে অৰ্জুন, মোৰ নাম কৃষ্ণ, কাৰণ মই ডাঙৰ নাঙলৰ ফাল এচটাৰ ৰূপ ধৰি পৃথিৱী কৰ্ষণ কৰোঁ, গাৰ বৰণো ক'লা।"

নাঙলৰ আদিম দেৱতাজনৰ স্থানত পিছৰ কালত কৃষ্ণক ধৰি লোৱা হয়। গতিকে ৰাধা-সিৰ, ৰাধা-বন্ধ আৰু ৰাধা-কৃষ্ণ—কেয়োটা সাধাৰণ লোকৰ মনত এক পৰ্যায়ৰূপে পৰিগণিত হৈছিল বুলি ক'ব পাৰি।

পৌৰাণিক আখ্যানত ব্ৰহ্মবৈৱৰ্ত পুৰাণতে ৰাধাই সম্পূৰ্ণ বংশ-বৃক্ষে সৈতে নায়িকা চৰিত্ৰৰূপে দেখা দিয়ে। এই পুৰাণখন পিছৰ যুগত লিখা; ষোড়শ শতিকাত ৰচিত বুলি ধৰা হৈছে। যি কালত ৰাধা-ধৰ্মই ভালৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল আৰু বহুতো দেশজুৰি বিয়পি পৰিছিল, সেই সময়ত এই পুৰাণে ৰাধা-বিষয়ক সকলো কাহিনী আৰু উপকথা একেখন কৰি লোৱা যেন লাগে। তলত পুৰাণখনৰ গোটেই কাহিনীটোৰ এটি চমু আভাস দিয়া হ'ল।

জগতকৰ্তাই গোলোকত এক দিব্য ৰাস-মণ্ডল সৃষ্টি কৰিলে। তেনে সময়তে তেওঁৰ শৰীৰৰ বাওঁ ভাগৰপৰা এগৰাকী ষোড়শী কন্যা (ৰাধা) উপজিল, কন্যাই ফুলৰ মালা লৈ তেওঁৰ কাষ চাপিল আৰু তেওঁক প্ৰণতি জনালে। আন গোপীসমূহ আকৌ উদ্ভূত হ'ল তেওঁৰ শৰীৰৰ ছালৰ বিন্ধাবোৰৰপৰা। (ব্ৰহ্মখণ্ড, পঞ্চম অধ্যায়)। একেখনি পুৰাণৰ আন এটি আখ্যানমতে কৃষ্ণ দ্বিধাবিভক্ত হয়; তাৰ বাওঁ ভাগ এগৰাকী নাৰী ৰূপত পৰিণত হয়। সেই নাৰীৰ লগত তেওঁৰ সঙ্গম ঘটে। নাৰীৰ গৰ্ভ হ'ল; আৰু এক স্বৰ্ণ ডিম্ব প্ৰসৱ কৰিলে। তেওঁ কিন্তু সন্তান বিচৰা নকৰিছিল গতিকে স্বৰ্ণ ডিম্বক সাগৰত উটুৱাই দিলে। কৃষ্ণই এই কাৰ্য দেখি মৰ্মান্তিক দুখ পালে

আৰু কন্যাক অভিসম্পাত দিলে। তেওঁ চিৰকাল বন্ধ্যা হৈ থাকিব আৰু জন্মৰদ্বাৰা যিসকলৰ তেওঁৰ লগত সম্পৰ্ক থাকিব তেওঁলোকৰো একেদশাই হ'ব। কিন্তু সকলোৱেই চিৰযৌৱন ভোগ কৰিব।

গোলোকত বিৰজা নামে আন এগৰাকী গোপী আছিল। সৌন্দৰ্য গৰিমাত তেওঁ ৰাধাৰ সমকক্ষ আছিল। এদিনাখন কৃষ্ণই বিৰজাক আলিঙ্গন কৰোতেই ৰাধা বেগেৰে সেইখিনি পালেহি। বিৰজা মহা আতঙ্কিতা হ'ল আৰু এখন নৈলৈ ৰূপান্তৰিতা হ'ল। ঈৰ্ষাত উন্মত্তা ৰাধাই বিৰজাৰ মন্দিৰৰ দুৱৰী সুদামাক অসুৰ হ'বলৈ শাপ দিলে। সুদামাই কিন্তু লেউ সেউ হৈ অভিসম্পাত গ্ৰহণ নকৰি প্ৰতি-অভিসম্পাত দিলে, ৰাধা পৃথিৱীলৈ অৱতৰণ কৰিব লাগিব আৰু গোকুলত গোপী হৈ জন্ম ল'ব, তেওঁৰ পিতৃ হ'ব বৃষভানু আৰু স্বামী হ'ব ৰায়াণ গুৱাল।

গোলোকত ৰাধাৰ তেত্ৰিশজনী পৰিচাৰিকা আছিল। গোলোকত তেওঁৰ দিব্য প্ৰাসাদৰ বাৰখন দুৱাৰ, শেষ আৰু দ্বাদশখন দুৱাৰৰ ৰখীয়া আছিল গোপসকল আৰু বাকীবোৰ দুৱাৰ ৰাখিছিল বীৰভানু, চন্দ্ৰভানু, সূৰ্যভানু আদি পৰিচাৰকে। (কৃষ্ণ-জন্ম-খণ্ড, পঞ্চম অধ্যায়)। এই সকলো পৰিচাৰক-পৰিচাৰিকা ৰাধাৰ লগত পৃথিৱীলৈ নামি আহিল।

সুদামাই ৰাধাক শাপ দিলত ৰাধাই উচুপি উচুপি কান্দিলে। কিন্তু কৃষ্ণই তেওঁক সান্ত্বনা দিলে এই বুলি যে তেওঁ ৰাধাৰ লগত পৃথিৱীলৈ যাব আৰু গোপৰূপে একেলগ হ'বগৈ।

ৰাধাই গোকুলত গোপীৰূপে জন্ম ধৰিলে আৰু বাৰ বছৰ বয়সত ৰায়াণেৰে সৈতে তেওঁৰ বিয়া হয়। যেতিয়া কেঁচুৱা কৃষ্ণক বসুদেৱে গকুললৈ লৈ যায় তেতিয়া ৰাধাৰ বয়স চৈধ্য বছৰ। এদিনাখন নন্দৰ লগত যাওঁতে কৃষ্ণক বাটতে ৰাধাই লগ পায়। কিবা এটি চেলু উলিয়াই তেওঁ কৃষ্ণক নন্দৰ কাষৰপৰা আঁতৰাই নি অনুৰাগৰ চুম্বন আৰু আলিঙ্গন যাচে। দুয়োৰে ভিতৰত ধেমালিতে হোৱাৰ দৰে এখন বিয়াও হৈ যায়। তেতিয়াৰেপৰা দুয়োৰে মাজত নিশা নিশা গোপন মিলন চলিল। (কৃষ্ণ-জন্ম-খণ্ড ৫ম অধ্যায়)। গোলোকৰ ৰাসমণ্ডল অনুযায়ী বৃন্দাবনত এক ৰাসমণ্ডল হ'ল। ৰাসমণ্ডল এডোখৰ নিৰ্দিষ্ট ঠাইত হয় আৰু ৰাধাই কৃষ্ণৰ যাই সঙ্গিনীৰূপে ঘূৰি ঘূৰি কৰা নৃত্য সম্পাদন কৰে।

ৰাধাৰ পৃথিৱীত অৱতৰণ আৰু জন্মৰ কাহিনী আগৰ বহুতো পৌৰাণিক আখ্যান আৰু উপকথা লগ লগাই গঢ়া হৈছে। কৃষ্ণৰ শৰীৰৰ একাংশৰপৰা তেওঁৰ জন্ম হোৱা আৰু তাৰ পিছতে দুয়োৰে যৌন-সঙ্গম হোৱা কথাই প্ৰজাপতি আৰু বাচ, সৰস্বতী, সন্ধ্যা আৰু শতৰূপা, এই কেইটা বেলেগ নামেৰে জনাজাত প্ৰজাপতিৰ কন্যাৰ আখ্যানৰ কথা সোঁৱৰাই দিয়ে। বিৰজা আৰু ৰাধাৰ প্ৰেম প্ৰতিযোগিতাত ওপৰত উল্লিখিত "ৰাধোবিশাখে" কথাৰ চাট পৰিছে; ৰাধা সমান উজ্জ্বলতা আৰু সৌন্দৰ্যৰ দুটা নক্ষত্ৰৰ সমষ্টি, ইটো সিটোৰ প্ৰতি ঈৰ্ষান্বিতা। ৰাধাৰ তেত্ৰিশজনী পৰিচাৰিকা, তেত্ৰিশজনী দক্ষকন্যা, সোমৰ পত্নী। দ্বাদশ গোপাল দ্বাদশ আদিত্যৰ স্বৰূপ। ৰাধাই

কৃষ্ণতত্তকৈ আগতে জন্ম ধৰা আৰু শিশু প্ৰেমিক কৃষ্ণৰ বাবে অপেক্ষা কৰা কথাটোতে বিষ্ণুপুৰাণৰ (৫।২৭) মায়াৱতী আৰু প্ৰত্যুম্ন আখ্যানৰ ইঙ্গিত আছে।

গোলোকত ৰাধাৰ ৰাৰখন দুৱাৰ লগা প্ৰাসাদৰ অনুৰূপ এটি চীনদেশৰ পৌৰাণিক আখ্যান আছে সম্ৰাট ৰ্ ্টিৰ কালৰ এজন পণ্ডিত সম্পৰ্কে। পণ্ডিতজনে পীত নদীৰ বাট ধৰি স্বৰ্গলৈ গতি কৰে। স্বৰ্গৰাজ্যৰ ভিতৰেদি গৈ পীত নদীৰ গুৰি হাতীপটি পালেগৈ। ৰূপ-সেন-সগা তৰাৰে অলঙ্কৃতা চক্‌চকীয়া সাজ পিন্ধি সূতা কাটি থকা এক কন্যাক তেওঁ দেখা পালে। কন্যাগৰাকী তেওঁৰ প্ৰেমিকৰ বিৰহত বিধুৰা; কিন্তু বছৰেকত এবাৰ তেওঁৰ প্ৰেমিকৰ কাষলৈ যাব পাৰে আৰু উল্কাৰূপে আকাশৰ বুকুয়েদি তেওঁ যায়। আকাশৰ কিছুমান তৰাৰ থ্ ্পিক এই আখ্যানত স্বৰ্গৰ দুৱাৰ, স্বৰ্গৰ প্ৰাসাদ আদি আখ্যা দিয়া হৈছে।[১১] ৰাধাৰ প্ৰাসাদৰ বাৰখন দুৱাৰ ৰাশি-চক্ৰৰ বাৰটা ৰাশি বুলি ক'ব পাৰি।

ৰাধাক বৃষভানুৰ (বৃষ=বলধ) কন্যাৰূপে পৰিকল্পনা কৰাত আখ্যানটোৰ লগত কোনো বৃষদেৱতাৰ সম্পৰ্ক লগাবৰ চেষ্টা কৰা যেন লাগে। অথৰ্ব বেদত (৪।২) বৃষক স্বৰ্গীয় শক্তিসম্পন্ন বুলি আখ্যা দিয়া হৈছে। এই বৃষ কিন্তু পৌৰাণিক বলধহে; কাৰণ তেওঁৰ ওহাৰ আছে আৰু তেওঁ গাখীৰ দিয়ে:

"বৃষই পৃথিৱী আৰু আকাশক প্ৰতিষ্ঠা কৰিছে; বৃষ সমস্ত ব্ৰহ্মাণ্ড ব্যাপী আছে, বৃষ হৈছে ইন্দ্ৰ ··তেওঁ জগত্‌সকল দোহন কৰিছে,·· তেওঁ দেৱতাসকলৰ সৰ্ব কাৰ্য সমাপন কৰে।"[১২]

এই ধৰণে চালে ৰাধা হ'ল "অনদ্বান ইন্দ্ৰ" বৃষদেৱতা ইন্দ্ৰৰ কন্যা। সেই ইন্দ্ৰই আকৌ উপৰোক্ত "ৰাধানাম্পতিঃ"। ৰাধাৰ স্বামী ৰায়াণক শ্ৰী আৰু লক্ষ্মীৰ পতি আদিত্য বুলি ধৰিব পাৰি। "ৰাধাৰ" শব্দ "বৰ্ষিভানু" শব্দৰ প্ৰাকৃত ৰূপ। "ভানু" মানুহৰ নামৰ একাংশ ৰূপে ব্যৱহৃত হোৱা দেখা যায—গোভানু, সুভানু, বৃহদ্ভানু ইত্যাদি।

ৰাধা আখ্যানটোৰ জোৰা লগোৱা প্ৰকৃতিৰপৰা ধৰিব পাৰি, ৰাধাক শ্ৰী বা লক্ষ্মীৰ দৰে শাস্ত্ৰীয় সন্মান দিবৰ কাৰণে কৰো বুলিয়েই যত্ন কৰা হৈছিল। ব্ৰহ্মবৈবৰ্ত পুৰাণৰ অনেক ঠাইত আছে, "ৰাধা" শব্দৰ ব্যুৎপত্তি সামবেদতে কোৱা হৈছে (কৃষ্ণ-জন্ম-খণ্ড, ত্ৰয়োদশ অধ্যায়); কিন্তু সামবেদত সি কথাৰ নামগোন্ধো নাই। পৌৰাণিক দেব-দেৱীৰ সমাজত ৰাধা নতুনকৈ ভৰ্তি হোৱা সভ্যা; আৰু ৰাধাৰ কাহিনীবোৰ খাপ খুৱাবলৈ চাওঁতে চাওঁতে কৃষ্ণ জীৱন বৃত্ত শ শ ঠাইত বিকৃত হৈ আচল ৰূপ হেৰুৱাই পেলোৱাৰ দৰে হৈছে। ব্ৰহ্মবৈবৰ্ত পুৰাণত বৰ্ণিত ৰাসক্ৰীড়া কামকেলিৰ প্ৰকট ৰূপ। ই আদিম মানৱৰ কৃষি উছৱৰ লগত সম্পৰ্ক থকা এক যৌন-নীতিমুক্ত উৎসৱ। সেই উৎসৱৰ ৰূপ তলত তুলি দিয়া পুৰাণখনৰ এখানমান অংশটোৰপৰা ধৰিব পৰা যাব:

---

১১. Mackenzie: Myth of China and Japan Pp 147—148

১২. Muri: Original Sanskrit Texts.

"ৰসিক-ৰাজে গোপীসকলক ন প্ৰকাৰে আলিঙ্গন কৰিলে ; আঠ প্ৰকাৰে চুম্বন কৰিলে আৰু ষোড়শ প্ৰকাৰে শৃঙ্গাৰ কৰিলে। কামুক-শিৰোমণি হৰিয়ে তেওঁৰ শৰীৰৰ প্ৰতি অঙ্গেৰে গোপীসকলৰ প্ৰতি অঙ্গক সাৱটি ধৰিলে। কামক্ৰিয়া বিদগ্ধজনে ষোড়শ প্ৰকাৰৰ শৃঙ্গাৰৰ কথা জানে; তাৰ বাৰ বিধ প্ৰত্যক্ষ, চাৰি বিধ পৰোক্ষ শৃঙ্গাৰ। কৃষ্ণই কিন্তু সিবোৰ সম্পাদন কৰিলে প্ৰকৃষ্ট ধৰণে।....

"ন লাখ গোপীৰ লগত ৰমণ কৰোঁতে কৃষ্ণই ন লাখ গোপৰ ৰূপ ধৰিছিল।

"কোনোজনী কামুকী যুৱতীয়ে কৃষ্ণক উলঙ্গ কৰি পেলালে, তেওঁৰ পীত বস্ত্ৰ কাঢ়ি ল'লে আৰু প্ৰেমালিতে পুনৰ তেওঁক ঘুৰাই দিলে।

"কোনোজনী গোপীয়ে অন্য এজনীক বলেৰে টানি নি, তাইৰ গাৰপৰা কাপোৰ খহাই, চন্দন-চৰ্বিত কলেৱৰ কৃষ্ণৰ কোলাত বহুৱাই দিলে।

"একুৰি তেৰ দিন তেওঁলোকে কামোত্তিক্ত হৈ ৰতি কৰিলে। কিন্তু তেওঁলোকৰ কাম উপশান্ত নহ'ল। (কৃষ্ণ-জন্ম-খণ্ড ; ৮৮ অধ্যায়)"

এইখন চিত্ৰৰ ওচৰাউচৰিকৈ কৃষি উছৱ বৰ্ণোৱা তলৰ বৰ্ণনাটি স্থাপন কৰিব পাৰি—

যৱ দ্বীপত খেতিয়কসকলে ধানৰ খেতৰ উৰ্বৰা শক্তি বৃদ্ধি কৰিবৰ অৰ্থে তৈণীয়েকহঁতেৰে খেতৰ মাজতে ৰতি সঙ্গম কৰে। মালয় উপদ্বীপত ধান দোৱাৰ উছৱৰ সময়ত জাকুন জনজাতিৰ পুৰুষে নিজৰ তিৰোতা সালসলনি কৰে। সমস্ত ভাৰততে কৃষি উৎসৱৰ সময়ত যৌনবিষয়ক সামাজিক নৈতিকতা দলিয়াই পেলোৱা ৰীতি বিখ্যাত। বাসন্তী দেৱীৰ নামত হিন্দুস্থানৰ সৰ্বত্ৰ উদ্‌যাপিত হোলি উৎসৱত প্ৰত্যেক কৈদ (?) বা অতি উৎকট অনৈতিকতাৰ অৰাজকতা চলে। ক্ৰুক চাহাবে কৈছে, এই নৈতিকতাবিহীন উৎসৱৰ মূল উদ্দেশ্য মানুহ, জন্তু আৰু শস্যৰ প্ৰজনন। শক্তি বৃদ্ধি কৰা ছোটনাগপুৰৰ হো প্ৰজাতিৰ মাজত ধান দোৱাৰ সময়খিনি ৰীতি হীনতাৰ কাল ; পুৰুষে সকলো সামাজিক ৰীতি-নীতি দলিয়াই পেলায় ; তিৰোতাই এৰে লাজ-মান ; ছোৱালীবোৰকো সম্পূৰ্ণ স্বাধীনতা দিয়া হয়। উৰিষ্যাৰ ভুইয়াসকলৰ মাজত মাঘ পোৱাই নামৰ বসন্ত উছৱৰ বেলিকা তেজৰ সম্পৰ্ক বা স্বামী বুলি কাকো গণিতা কৰা নহয়। ৰাজমহল পৰ্বতৰ পাৰাগানাইট্ বোলা খেতিয়ক জাতিয়ে বছৰি ছোহ্ৰাই নামে এটা ডাঙৰ খেতি-উছৱ পালন কৰে ; সেই উছৱত অবিবাহিত পুৰুষ তিৰোতা কোনো বিচাৰ্য নাৰাখি যৌন সঙ্গমত ৰত হয়। জয়পুৰৰ পুজা জাতিৰ নতুন বছৰৰ উৎসৱত এমাহলৈকে এনে বাচ-বিচাৰ নোহোৱা প্ৰথা আৰু তিৰোতা সালসলনি কৰাটো চলি থাকে। নীলগিৰি পৰ্বতত বহুত দিন চলি থকা এনে ধৰণৰ অনৈতিক আচাৰৰ এটি উছৱ আছে। অসমত সকলো জনজাতিয়ে বসন্ত উৎসৱ পালন কৰে ; সেই সময়ত তিৰোতাক সম্পূৰ্ণ স্বাধীনতা

১৩. Briffault : The Mothers, III Pp. 197-99.

দিয়া যায়—তাৰ বাবে তিৰোতাৰ কোনো কলঙ্ক বা সন্মানহানি নহয়। মণিপুৰ আৰু উত্তৰ ব্ৰহ্মৰ বনৰীয়া জনজাতিবোৰৰ মাজতো একে ধৰণৰ অনেক উছৱ আছে।

নৈতিক আচাৰ-বিচাৰবিহীন বা স্ত্ৰী-পুৰুষ সম্পৰ্কীয় নীতি ঢিলা পৰা উছৱ প্ৰায়বোৰ দেশতে এতিয়াও জীয়াই আছে। এইবোৰ মূলতে উৰ্বৰা শক্তি বৃদ্ধি কৰিবৰ উদ্দেশ্যে পৰিকল্পিত কৃষি উৎসৱ। ৰ'মানসকলৰ Satuanalia কঠীয়া সিঁচাৰ উছৱ; সেই উছৱত যৌন অনুশাসনৰ নীতি সাময়িকভাৱে ৰদ হয় আৰু সৰ্বত্ৰ আচাৰ-বিচাৰ নোহোৱা হৈ পৰে।

ব্ৰহ্মবৈবৰ্ত পুৰাণখনক ধৰ্মশাস্ত্ৰতকৈ কামশাস্ত্ৰ যেনহে লাগে। পুৰাণখনত লৌকিক ৰীতি-আচাৰক বেদতকৈ বেছি প্ৰামাণ্য বুলি ধৰা হৈছে। ৰাধা-প্ৰধান ধৰ্মৰ সেৱকসকলে বৈদিক ক্ৰিয়াকাণ্ডৰ তুলনা কৰি নিজ ধৰ্মৰ আদ্ধাৰ কালৰ কথা পাহৰি যোৱা নাছিল যেন লাগে। তেওঁলোকে মাজে মাজে কালৰ বুকুৱেদি বাগৰি অহা স্থানীয় ৰীতি-আচাৰৰ দোহাই দিছে। তু.ক.—

"বেদৰ ওপৰতে নিৰ্ভৰ কৰি কোনে শেষ সিদ্ধান্তত উপনীত হ'ব পাৰে? বেদতকৈ অৱশ্য কৰণীয় লৌকিক আচাৰ কোনে এৰি দিব খুজিব? পুৰুষ আৰু প্ৰকৃতি দুয়োবো ভিতৰত পুৰুষকে বেদত শ্ৰেয় বুলি কোৱা আছে। হে জ্ঞানৱান দেৱসকল, এই কথা হৃদয়ঙ্গম কৰা।" (গণেশ খণ্ড ৭।৫০।৪১)

"বেদতকৈ লৌকিক ক্ৰিয়াকাণ্ডহে অধিক কঠোৰত্ম সুশাসন শক্তি।" (কৃষ্ণ-জন্ম-খণ্ড ১২৬।৪২)।

পুৰণি অসমৰ ধৰ্মৰ ধাৰা

পুৰণি অসমৰ বিষয়ে প্ৰধান সংস্কৃত গ্ৰন্থ হৈছে দুখন—কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰ। এই দুখনৰ মতে প্ৰবস্থুৰা আৰ্য আৰু আদিম অধিবাসী পৰ্বতীয়া লোকৰ ভিতৰত শিৱপূজাই পোন প্ৰথমে চলিছিল বুলি অনুমানেই নহয়, আখ্যান আৰু উপাখ্যানো পোৱা যায়। আহোম যুগৰ আগৰ হিন্দু ৰজাসকলৰ যিবোৰ তামৰ ফলি এতিয়া পোৱা গৈছে, তাৰ ভিতৰত বেছি ভাগৰ প্ৰশস্তি-শ্লোকত শিৱৰ উল্লেখ পোৱা যায়। কোচবিহাৰৰ ৰজাসকলে শিৱবংশ বুলি পৰিচয় দিছিল। বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তক মহাপুৰুষ শঙ্কৰদেৱৰ নামো শিৱক আৰাধনা কৰি তেওঁৰ পিতৃদেৱে পুত্ৰ পায় বুলি আখ্যানৰ লগত জড়িত আছে। সক-সুৰা উপাখ্যানবোৰতো শিৱৰ চলতিৰ বিষয় সবিশেষ প্ৰমাণ পোৱা যায়।

৺ ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ অসম বুৰঞ্জীত উল্লেখ আছে যে পুৰণি কামৰূপৰ অন্তৰ্গত জলপাইগুৰি নামৰ জিলাত জল্পেশ্বৰ নামে এজন ৰজা আছিল। আৰু তেৱেঁ পহিলে শিৱপূজাৰ প্ৰৱৰ্তন কৰে। স্কন্দপুৰাণৰ আৱন্ত্য খণ্ডত এই ৰজাজনাৰ বিৱৰণ আছে।

কালিকা পুৰাণৰ আখ্যান অনুসাৰে মিথিলা দেশৰপৰা এজন ভাগ্যান্বেষী বীৰপুৰুষে কামৰূপ জয় কৰিবলৈ আহে। তেওঁৰ নাম নৰক। এই সূত্ৰতে কোৱা আছে যে এই দেশখন পূৰ্বৰপৰাই শিৱে নিজৰ ঘৰাজ কৰি ৰাখিছে।

আদিম অধিবাসীসকল মদ আৰু মাংসত অনুৰাগী কিৰাত জাতীয় আছিল। আনুষঙ্গিক উক্তিৰপৰা বোধ হয় তেওঁলোক শিৱ-উপাসক আছিল। নৰকে তেওঁলোকক খেদি নি পূৰ্ব সাগৰৰ পাৰত বহুৱালে।

আজিকালিৰ দিনত যেনেকৈ ৰাজনৈতিক মতবাদৰ ফকৰা (Slogan) আওৰাই দহজন গোট খুওৱা যায়, আগৰ দিনত সেইদৰে ধৰ্মৰ ফকৰা সোঁৱৰাই দি মানুহক দলবদ্ধ কৰা হৈছিল। কিৰাতসকল শিৱভক্ত আছিল। সেইগুণে নৰকে ৰাজ্যৰ ভিতৰত শিৱপূজাৰ নিষেধ আজ্ঞা প্ৰচাৰ কৰিলে। তেওঁৰ লগত এজনা ধৰ্মগুৰু আছিল। গুৰুৰ আজ্ঞা মতে নৰকে কামাখ্যাদেৱীৰ পূজাৰ প্ৰচলন কৰিলে। এইদৰে পুৰণি অসমত শিৱ আৰু শক্তিপূজাৰ অৱিৰোধি ভাবে দেখা দিলে।

ধৰ্মগুৰুৱে নৰকক অতি সাৱধানে জনাই দিলে যে তেওঁ (নৰকে) যেন ভুলক্ৰমেও আন দেৱ-দেৱীৰ পূজা নকৰে। যিমান দিনলৈ তেওঁ একান্তভাৱে কামাখ্যাত ভক্তি ৰাখিব, তিমান দিনে তেওঁ নিৰাপদে থাকিব। ইয়াৰ অন্যথা হ'লে তেওঁৰ ৰাজ্য আৰু প্ৰাণ নাশ হ'ব।

কিছুদিন নৰকে গুৰুৰ আজ্ঞা মানি চলিল। কিন্তু সংসৰ্গ দোষত তেওঁৰ চৰিত্ৰৰ অৱনতি ঘটিল। ওচৰ-চুবুৰীয়া শোণিতপুৰ ৰাজ্যত শিৱভক্ত ৰজা এজনা আছিল। তেওঁৰ নাম বাণ। তেওঁ শিৱভক্ত স্বেচ্ছাচাৰী আছিল। তেওঁলোকৰ কোনো বিষয়ত বাধা-নিষেধ নাছিল। নৰকে ক্ৰমান্বয়ে বাণ ৰজাৰ চৰিত্ৰৰদ্বাৰা প্ৰভাৱান্বিত হৈ তেওঁৰ আচাৰ-ব্যৱহাৰ মানি লবলৈ ধৰিলে। কামাখ্যাদেৱীৰ প্ৰতি অশ্ৰদ্ধা জন্মিলে আৰু ব্ৰাহ্মণ-সজ্জনক তুচ্ছ-তাচ্ছিল্য কৰিবলৈ ধৰিলে। বশিষ্ঠ নামৰ কামাখ্যা যাত্ৰী ঋষি এজনক তেওঁ শাও দিলে। সাধু-সজ্জনৰ প্ৰতি নৰকৰ নিৰ্যাতনৰ মাত্ৰা দিনক দিনে বাঢ়িব ধৰিলে। ৰাজ্যত অশান্তিয়ে দেখা দিলে। তেতিয়া পশ্চিম দেশৰপৰা প্ৰবল পৰাক্ৰমী যদুবীৰ শ্ৰীকৃষ্ণই আহি নৰকক বধ কৰিলে। কথিত আছে যে যুদ্ধৰ সময়ত স্বয়ং কামাখ্যাদেৱীয়ে নৰকৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰিছে।

এই উপাখ্যানৰ ভিতৰত শিৱ-শাক্তৰ সংঘৰ্ষৰ সন্ধান এটি পোৱা যায়। শিৱপূজা এই দেশৰ আদি ধৰ্ম আছিল। তাৰ ঠাইত বিদেশী নৰকে আহি নতুন ধৰ্ম এটি প্ৰবৰ্তাই নতুন ৰাজ্য পতাত আদিম অধিবাসীসকলৰ ভিতৰত চাঞ্চল্যই দেখা দিয়ে। বাণ ৰজাক কেন্দ্ৰ কৰি ষড়যন্ত্ৰ এটি অতি সংগোপনে চলে। বাণে নানা প্ৰলোভন দেখুৱাই নৰকৰ চৰিত্ৰত অৱনতি ঘটাই শিৱপূজাৰ ফালে তেওঁৰ মন আকৃষ্ট কৰে। ধৰ্মৰ নামেই আগৰ দিনত জনসংহতিৰ মূল সূত্ৰ আছিল। এই সূত্ৰ যেতিয়া ৰজাৰ মনতেই ঢিলা হৈ প'ল তেতিয়া প্ৰজাৰ মাজতো শিথিলতাই দেখা দিলে— নৰক প'ল, নতুনকৈ প্ৰৱৰ্তোৱা শাক্ত ধৰ্ম তল পৰিল। শিৱপূজাই অতি প্ৰবলভাৱে মূৰ দাঙি উঠিল।

শিৱপূজাক উপলক্ষ্য কৰিয়েই তান্ত্ৰিক বামাচাৰ মাৰ্গৰ প্ৰৱৰ্তন হ'ল। অসংখ্য শিৱমন্দিৰ স্থাপন হ'ল, মদ-মাংস আদিৰদ্বাৰা শিৱ পূজাৰ ব্যৱস্থা চলিব ধৰিলে। বুৰঞ্জীত আছে যে যেতিয়া কোচবিহাৰৰ ৰজা নৰনাৰায়ণে আহোম ৰাজ্য জয় কৰিবলৈ যাত্ৰা কৰে, তেওঁ শাস্ত্ৰীয় ৰীতি মতে শিৱপূজা কৰিলে।

তেওঁৰ কছাৰী সৈন্যসকলে দাবী জনালে যে কিৰাত ৰীতিৰে তেওঁলোকে শিৱ পূজা কৰিব খোজে। ৰজাই অনুমতি দিলে আৰু কছাৰী সৈন্যসকলে ম'হ, গাহৰি আদি বলি-বিধানেৰে শিৱ পূজা সমাধান কৰিলে। তেতিয়াৰপৰাই কোচ ৰজাই আজ্ঞা প্ৰচাৰ কৰিলে যে ব্ৰহ্মপুত্ৰৰ উত্তৰে শিৱ পূজা কিৰাত পদ্ধতিৰে হব।

নৰকৰ মৃত্যুৰ পিছত শক্তি সম্প্ৰদায়ৰ মলিন অৱস্থা হ'লেও কোন সময়ত আকৌ উজ্জ্বল হ'ল, সঠিককৈ বুৰঞ্জীত পোৱা নাযায়। এইটো বৌদ্ধ ধৰ্মৰ তন্ত্ৰযানৰ প্ৰচাৰৰ লগে লগে ঘটা যেন লাগে। কালিকা পুৰাণত তাৰা, উগ্ৰতাৰা আদি দেৱতাৰ উল্লেখ আছে। সেইবোৰক মহাদেৱীৰেই ৰূপভেদ বুলি কোৱা হৈছে। আচল মতে তাৰা, উগ্ৰতাৰা আদি মহাযানী বৌদ্ধ দেৱতা।

অসমৰ বুৰঞ্জী মতে যোড়শ শকত কোচ ৰজাসকলে কামাখ্যাৰ নতুন সংস্কাৰ কৰে। আৰু কালিকা পুৰাণত কামাখ্যা মাহাত্ম্যৰ বিশেষ বিৱৰণ পোৱা যায়।

কামাখ্যা, পাৰ্বতী আৰু ত্ৰিপুৰা এই তিনি ৰূপৰ মহাশক্তিৰ বিকাশ ঘোষিত হয়। কিন্তু আদিম অধিবাসীবিলাকৰ মাজত মহাশক্তিৰ জনপ্ৰিয় ৰূপত বিকাশ তাম্ৰেশ্বৰী ৰূপৰ। এই তাম্ৰেশ্বৰীৰ আন এটি নাম দিক্কৰবাসিনী। দিক্কৰবাসিনীৰ দুই ৰূপ, তীক্ষ্ণকান্তা আৰু ললিতকান্তা। তেওঁৰ আন আন নামৰ ভিতৰত আৰু দুটি নাম আছিল উগ্ৰতাৰা আৰু একজটা। তেওঁৰ অতি প্ৰিয় বলি আছিল নৰবলি। আৰু পানীয় বস্তু আছিল মদিৰা বা মদ। দেউৰী চুতীয়াবোৰ এই তাম্ৰেশ্বৰী দেৱীৰ প্ৰধান ভক্ত আছিল আৰু তেওঁলোকৰ ভিতৰত নৰবলিৰ প্ৰথা অতিশয় প্ৰবল আছিল। এই প্ৰথা ইংৰাজী ১৮৩৫ খৃষ্টাব্দলৈকে জয়ন্তীয়াসকলৰ মাজত আছিল।

শৈৱ আৰু শক্তি ধৰ্মই যেনেকৈ শিপাইছিল, বৈষ্ণৱ ধৰ্মই তেনেকৈ পুৰণি অসমত শিপাব পৰা নাছিল যেন লাগে। কালিকা পুৰাণৰ মতে হাজোৰ হয়গ্ৰীৱ ক্ষেত্ৰ আৰু দিক্কৰবাসিনীৰ লীলাভূমিত বাসুদেৱ বিষ্ণুৰ ক্ষেত্ৰই প্ৰধান। ইয়াক বাসুদেৱ পীঠ বোলা হৈছিল আৰু বাসুদেৱৰ থান এতিয়াও লক্ষীমপুৰ জিলাত আছে। বাসুদেৱক নিৰামিষ অৰ্চনাৰে পূজা কৰা হৈছিল। বাসুদেৱৰ লগত আন দেৱ-দেৱীবো পূজা হৈছিল। ই পিছৰ কালৰ শঙ্কৰদেৱৰ একশৰণীয়া ধৰ্মৰপৰা বেলেগ আছিল। ইয়াৰ মূলমন্ত্ৰ আছিল—"ওঁ নমো ভগৱতে বাসুদেৱায়।" ই জনসমাজত ব্যাপকভাৱে প্ৰচাৰ লাভ কৰা নাছিল।

বৈষ্ণৱ ধৰ্মক জনপ্ৰিয় ৰূপ দিয়ে যোড়শ খৃষ্টাব্দত শঙ্কৰদেৱে। ইয়াত দীক্ষা বা মন্ত্ৰ নাই, আছে কেৱল ঈশ্বৰত একশৰণ। উপাস্যদেৱতা শ্ৰীকৃষ্ণ। একান্ত চিত্তে নাম স্মৰণেই তেওঁৰ পূজা। সেই

কাৰণে ইয়াৰ আন এটি নাম হৈছে ধৰ্ম। এই ধৰ্মপ্ৰচাৰ কৰিবলৈ শঙ্কৰদেৱে গীত পদ খোৱা নাট আদি ৰচনা কৰি নতুন ভাৱধাৰৰ প্ৰৱৰ্তন কৰে। এই ধৰ্ম প্ৰবল বানপানীৰ দৰে মানুহৰ মুখে মুখে বাগৰি ফুৰিছে। ইয়াক আনুষ্ঠানিক গাম্ভীৰ্য দিবলৈ নামঘৰ আৰু মন্ত্ৰ-স্থাপন প্ৰথাৰ চলতি হয়। এই নামঘৰবোৰেই ধৰ্ম আৰু ধৰ্মসাহিত্যৰ একোটি কেন্দ্ৰ। ই জনসাধাৰণৰ গাইগুটীয়া আৰু ঘৰুৱা ধৰ্ম।

শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ ত্ৰিধাৰাই অসমক বেলেগ বেলেগ যুগত প্লাবিত কৰি আহিছে। বৰ্তমান কালত শৈৱ ধৰ্মৰ সাম্প্ৰদায়িক ৰূপৰ অস্তিত্ব নাই বুলিলেই হয়। ইয়াক মঠাশ্ৰিত ধৰ্মও বুলিব পাৰি। শাক্ত ধৰ্মৰো ৰূপ তেনেকুৱাই। কিন্তু আহোম যুগত বিশেষতঃ ৰাণী ফুলেশ্বৰীৰ সময়ত শাক্ত ধৰ্মই উজনি অঞ্চলৰ ব্ৰাহ্মণ কেতবোৰৰ ভিতৰত পাৰিবাৰিক ধৰ্ম হিচাপে প্ৰতিষ্ঠা লাভ কৰে।

বিশুদ্ধ বৌদ্ধ ধৰ্মৰ পুৰণি অসমত চলতি নাছিল যেন লাগে। এই বিষয়ত হিউয়েন চাঙৰ উক্তিয়ে প্ৰধান প্ৰমাণ। তেওঁ ৭ম খৃষ্টাব্দত কামৰূপলৈ আহে। কামৰূপত তেওঁ কোনো বৌদ্ধ সংঘৰাম নেদেখিলে। গাইগুটীয়াভাৱে কেতবোৰ বৌদ্ধ ধৰ্মত দীক্ষিত মানুহ থকা বুলি তেওঁ কয়। কিন্তু পিছৰ কালত ৰচিত তন্ত্ৰসাহিত্য হিন্দু আৰু বৌদ্ধ মহাযানৰ মিলন-ভূমি। ইয়াত হিন্দুৰ কালী, দুৰ্গা আদি দেৱতা আৰু বৌদ্ধৰ তাৰা, উগ্ৰতাৰা আদি দেৱতাই দুয়ো সম্প্ৰদায়ৰ মাজতে সমানে সমাদৰ লাভ কৰে। আৰু তান্ত্ৰিক ধৰ্মৰ প্ৰসিদ্ধ পীঠস্থান আছিল কামৰূপ ৰাজ্যই। এই ধৰ্মৰ আচাৰ্যসকলক সিদ্ধ বোলা হৈছিল। জাতি-বৰ্ণ নিৰ্বিশেষে সকলো সিদ্ধ হ'ব পাৰিছিল। এই সিদ্ধসকলৰ ভিতৰত দুজনা কামৰূপৰ কৈবৰ্ত বংশীয় পুৰুষ আছিল। তেওঁলোকৰ নাম সৰহ আৰু মীননাথ।

নীৰৱ সাধনা

পৃথিৱীৰ বুৰঞ্জীত বা ভাৱমণ্ডলীত যিসকল পুৰুষে আটাইতকৈ বেছি খলকনি লগাই গৈছে, সেইবোৰ পুৰুষৰ আঁতি-গুৰি বিচাৰিলে দেখা যাব যে তেওঁলোক কাৰো চকুতেই পৰা বিধৰ লোক নাছিল। পাঁচ শ বছৰ পূৰ হোৱা নাই, চেক্সপীয়াৰক লৈ কাব্য-জগত তোলপাৰ। অথচ চেক্সপীয়াৰ কোন আছিল, কি কৰিছিল কোনোৱে গম পোৱা নাই। বহুতে তেনে মানুহ নাই বুলিও ক'ব খোজে। সেইদৰে আমাৰ কালিদাসৰ বিষয়েও বুৰঞ্জী নিমাত। অথচ ভাৰতীয় কাব্য-জগত তেওঁৰ গৌৰৱেৰে গৌৰৱান্বিত। বৰ্তমান জগতৰ ভাৱ-ৰাজ্যত কাৰ্ল মাৰ্ক্সৰ প্ৰভাৱ অতুলনীয়। কিন্তু তেওঁৰ বিখ্যাত গ্ৰন্থ ৰচনা কালত লেখত লবলগীয়া মানুহ নাছিল। লণ্ডনৰ বৃটিচ মিউজিয়মত নিতৌ কিতাপ পঢ়া অসংখ্য মানুহৰ ভিতৰত তেওঁ এজন। ওৰে দিনটো নানান কিতাপৰ টোকা লয়। তাৰাকৈ লোৱা হোটেলৰ খোটালি এটিত থকা নিজৰ ল'ৰা-তিৰোতাৰ ওচৰলৈ গধূলি

আছি দেখে যে খাবলৈ পইছা নাই, ঘৈণীয়েকৰ গাৰ অলঙ্কাৰ এপদ খহাই লৈ ওলাই যায়। বেপাৰীৰ ওচৰত বন্ধক ৰাখি খোৱা বস্তু লৈ আহে। এয়ে বিখ্যাত "ডচ্ কেপিটেল" (Das Capital, মূলধন) গ্ৰন্থ ৰচয়িতা কাৰ্ল মাৰ্ক্সৰ দৈনন্দিন জীৱন। দুৰ্বহ জীৱন-ভাৰৰ হেঁচাত কিতাপ সম্পূৰ্ণ প্ৰকাশ হোৱাৰ আগতে তেওঁ ইহলীলা সম্বৰণ কৰে। আজিৰ দিনত শিক্ষিত সমাজত কাৰ্ল মাৰ্ক্সৰ নাম নুশুনা কোনো নাই। আমেৰিকাৰ ভাগ্য-নিৰ্মাতা এব্ৰাহাম লিঙ্কনৰ চোৱা—খেতিয়কৰ ল'ৰা। বাপেকে পথাৰলৈ হাল লৈ যায়। বাপেকে মুখে মুখে এক-দুই নেওতা শিকায়। অলপ লিখা-পঢ়া শিকি ওকালতি আৰম্ভ কৰে। দেখাতো সুশ্ৰী নাছিল। সাজ-পাৰত চকু নাই। হোজা মানুহ এজন যেন দেখি। কিন্তু তেওঁৰ সত্যনিষ্ঠা আৰু কৰ্ত্তব্যপৰায়ণতা সৰ্বজন-বিদিত আছিল। যেতিয়া আমেৰিকাৰ গৃহযুদ্ধৰ আয়োজন হ'ল, তেতিয়া প্ৰেছিডেণ্ট হ'বলৈ তেওঁৰ বাজে আনক বিচাৰি নাপালে। নীৰৱ খেতিয়কৰ দুখীয়া ল'ৰা আজি আমেৰিকাৰ এজন ভাগ্য-নিৰ্মাতাৰ ভিতৰত পৰিগণিত। বুৰঞ্জীত এনে নীৰৱ সাধনাৰ চিত্ৰ অসংখ্য পোৱা যায়।

এইটো মূলসূত্ৰ বুলি ধৰি ল'বই লাগিব যে পৃথিৱীত কিবা ডাঙৰ কাম কৰিব লাগিলে জীৱনৰ আগভোখৰত সাধনা লাগিবই আৰু সেই সাধনাৰ সাৰুৱা ক্ষেত্ৰ হৈছে নীৰৱতা। সকবেপৰা নিজক ডাঙৰ বোলাবলৈ যিবোৰে হৈ চৈ কৰি ফুৰে, সেইবোৰৰ কৰ্ম-শক্তি হৈ-চৈতে সাং হয়। পিছলৈ আৰু একো শক্তি বা উৎসাহ নাথাকে। ভীমৰ গদা ঘূৰাবলৈ হ'লে আগেয়ে ভীমৰ বল অৰ্জন কৰি ল'ব লাগে। এইটো যে মানুহে নুবুজে, এনে নহয়। কিন্তু বৰ্তমান ডেকা-গাভৰুসকলৰ মাজত এই কৃত্ৰিম অধৈৰ্যই দেখা দিছে। তেওঁলোকে নিজৰ জীৱনৰ দায়িত্বৰ ফালে আওকাণ কৰি বাইজৰ মঙ্গলৰ দায়িত্বৰ কথাত বেছিকৈ মন দিয়ে। কিন্তু বাইজৰ মঙ্গল সাধনা যে ভীমৰ গদা, শৰীৰত বল নহ'লে তাক দাঙিব নোৱাৰি, সেইটো পাহৰি যায়। ফলত হয় শক্তিৰ অপব্যৱহাৰ আৰু অকাল বৃদ্ধত্ব।

বিশেষকৈ ছাত্ৰ সমাজত এইটো খেলাৰ বেছি খেল দেখা যায়। কেতবোৰ অৰ্থনৈতিক-ৰাজনৈতিক দলে নিজৰ স্বাৰ্থৰ কাৰণে ছাত্ৰৰ অমূৰ্তক শক্তি প্ৰয়োগ কৰিবলৈ সুবিধা বিচাৰে। তেওঁলোকে আপঁইতা বিদ্যা-বুদ্ধিৰ ছাত্ৰসকলক নেতা, দেশ-সেৱক, দেশপ্ৰেমিক আদি আখ্যা দি ভুলাই নিজৰ কামত লগোৱা দেখা গৈছে। ইয়াৰপৰা ছাত্ৰ সমাজত কৃত্ৰিম অশান্তিৰ উদয় হৈছে আৰু ছাত্ৰৰ সাধনা আৰু অধ্যয়নত অভাৱনীয় ৰূপে বাধা পৰিছে। ফলত পৰীক্ষা ঘৰতো দুৰ্নীতিয়ে সহজে গা কৰিব পাৰিছে। আনফালে আমাৰ বহল সামাজিক জীৱনত অপৰিপক্ক চিন্তাৰ ধাৰাই জাতীয় জীৱনৰ সকলো ক্ষেত্ৰতেই খেলি-মেলি লগাই দিছে। আজিকালি ছাত্ৰৰ মাজত যিবোৰ আন্দোলন চলে, তাৰ ভিতৰত নিজৰ দায়িত্বৰ ওপৰত চকু নাৰাখি নিজৰ বৰ্তমান কৰ্তব্য নকৰি কাল্পনিক স্বত্বৰ বাবে হাহাকাৰ কৰা দেখা যায়—যেন কোনোবাই তেওঁলোক ছাত্ৰৰ স্বত্বৰপৰা বঞ্চিত হৈ পৰিছে। সমাজৰ এই মূল দোষৰ ঔষধণী হ'বলৈ হ'লে ছাত্ৰসকলক নিজৰ কৰ্তব্যৰ কথা

সৌৰৱাই দিয়া ভাল হ'ব—নীৰৱ অধ্যয়নৰ ভিতৰেদিহে তেওঁলোকে কাল্পনিক স্বপ্ন বা আদৰ্শৰ সপোন দিঠকত পৰিণত কৰিব পাৰিব। শাস্ত্ৰত আছে "যোগ্য-ভোগ্য বসুন্ধৰা"। পৃথিৱী যোগ্যৰহে ভোগ্যৰ স্থান। অনন্ত ধৈৰ্যশীল পৃথিৱী বুকু উদং কৰি পৰিয়েই আছে। ছাত্ৰসকলৰো গোটেই জীৱনৰ বাট আগত জিলিকি আছে, লাগে মাথোন যোগ্যতালৈ অপেক্ষা। এই অপেক্ষা খুবৰ ধাৰৰ নিচিনা মনিব নোৱৰা, পৰ্বতীয়া বাটৰ দৰে পিছল। যিবোৰে অপেক্ষা কৰিব নোৱাৰে, সিবোৰে নৈতিক আত্ম-ঘাতী হৈ শেষ বয়সত অকৰ্মণ্য হয় আৰু যিবোৰৰ সাধনাত সিদ্ধি হয়, তেওঁলোকে নিজৰ আৰু জাতীয় জীৱনৰ মঙ্গল সাধনা কৰে।

মৌ-মাখিয়ে ফুলে ফুলে উৰি মধু আহৰণ কৰি মৌ-চাক নিৰ্মাণ কৰে, সেই চাকৰ কিমান আদৰ! মকৰাই কিন্তু নিজৰ পেটৰপৰা বিজলুৱা এঠা উলিয়াই জাল বয়। শত্তিবোতাই বাঢ়নীৰে সেই কৃত্ৰিম সূতাৰ জাল সাৰি পেলায়। নীৰৱ সাধকসকল মৌ-মাখিৰ নিচিনা হ'ব লাগিব। তেওঁলোকে বুৰঞ্জীৰ নানান যুগৰ ৰাজনীতি, সমাজনীতি, সাহিত্য-বিজ্ঞানৰ মৌ আহৰণ কৰি আদৰ্শৰ মৌ-চাক গঢ়ি তুলিব লাগিব। সেই মৌ-চাকৰপৰা নিজৰ জীৱনো মধুময় আৰু চহকী হৈ পৰিব। যোগ্য পুৰুষৰ স্থান সমাজত কেতিয়াও নেহেৰায়; "গুণাঃ পূজাস্থানং গুণিষু, ন চ লিঙ্গং ন চ বয়ঃ।" গুণী পুৰুষসকলৰ আদৰণীয় স্থান গুণ, জাতি, ধৰ্ম, বয়স ভেদে পৰিচয় নহয়। আধুনিক ভাৰতত প্ৰথম এফ্‌ আৰ এচ্‌ (F. R. S.) ৰামানুজমৰ জীৱনী চাবলগীয়া। তেওঁ মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকা পৰীক্ষা পাছ কৰি দুখীয়া অৱস্থাৰ কাৰণে কৰপোৰেচন (Corporation) অফিচত কেৰাণীৰ কামত সোমায়। তেওঁৰ অঙ্কশাস্ত্ৰত বিশেষ ধাপ দেখি বিশ্ববিদ্যালয়ৰ গৰাকীসকলে তেওঁৰ মেধাৰ কথা চৰকাৰৰ কাণলৈ আনে। চৰকাৰেও তেওঁক বৃত্তি এটি দি কেম্ব্ৰিজ বিশ্ববিদ্যালয়লৈ অঙ্কশাস্ত্ৰৰ গৱেষণাৰ কাৰণে পঠিয়ায়। তেওঁ অদ্বিতীয় প্ৰতিভাৰ কাৰণে ভাৰতীয় বিজ্ঞানবিদ্‌সকলৰ ভিতৰত প্ৰথম 'এফ্‌ আৰ্‌ এচ্‌' হয়। 'এফ্‌ আৰ্‌ এচ্‌' বিজ্ঞান জগতত অতি সন্মানৰ উপাধি লাভ কৰে প্ৰথম মিউনিচিপাল অফিচৰ কেৰাণী এজনে। তেওঁৰ পিছতহে চাৰ জগদীশচন্দ্ৰ আদিয়ে এই উপাধি লাভ কৰে। এয়ে নীৰৱ সাধনা।

চিকিৎসা-শাস্ত্ৰত শোথ নামে এটি ৰোগ আছে। পৰিপাক শক্তিৰ তেজ কমি শৰীৰত পানী জমে আৰু শৰীৰ মোটা হয়। বাহিৰৰপৰা শকত হোৱা মানুহক স্বাস্থ্যবান বুলি ভাবিলেও এই পানীৰ ভাৰে মানুহজনক ক্ৰমান্বয়ে মৃত্যুৰ মুখলৈ টানি নিয়ে। তেজৰ বলত যি মানুহ শকত-আৱত হয়, সিয়ে স্বাস্থ্যৱান। সেইদৰে যিবোৰ ডেকা-গাভৰুৱে নৈতিক বা সামাজিক জীৱনত আগৰ গতানুগতিক বচন কিছুমান গাই নিজক প্ৰভাৱশালী বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে, সেইবোৰক নৈতিক শোথ-ৰোগী বুলিব পাৰি। নিজৰ আত্মিক বল থাকিলে আনৰ যোজনা নালাগে, তেওঁৰ নৈতিক বল সহজনে স্বীকাৰ কৰিব। আনৰ যোজনা যদি নৈতিক তেজেৰে নিজৰ কৰি ল'ব নোৱাৰে, তেনেহ'লে ই তেওঁলোকক নৈতিক আত্মমৰণৰ বাটলৈকে টানিব।

মহজনৰ উপকাৰ নেলাগে নিজৰ গৌৰৱ আৰু ভোগৰ বাবেও নীৰৱ সাধনা লাগে। আমাৰ পুৰণি শাস্ত্ৰবোৰৰ উপাখ্যানলৈ চোৱা। নৰকাসুৰ, বাণ আদি দানৱ, দৈত্যসকলেও নিজৰ মহিমা আৰু ভোগৰ ক্ষেত্ৰ বঢ়াবলৈ জীৱনৰ এজোখৰ কালত ইষ্টদেৱতাৰ সাধনাত মগ্ন আছিল। তেওঁলোকৰ কি কঠোৰ তপস্যা! জাৰৰ দিনত এবুকু নৈৰ পানীত মন্ত্ৰ উচ্চাৰণ আৰু দিনত চাৰিওফালে জুইশালৰ মাজত বহি মন্ত্ৰ সাধনা কৰিছিল। খোৱাৰ ভিতৰত গছৰ ফল আৰু পাত। সেইদৰে যুগ-যুগান্তৰ তপস্যাৰ পিছতহে ইষ্টদেৱতাই তুষ্ট হৈ অভীষ্ট সিদ্ধিৰ বৰ দিয়ে। সিদ্ধিৰ পথত সাধনাৰ মাজেদি যাবই লাগিব। বয়স আৰু অৱস্থা ভেদে মানুহৰ সাধনাক্ষেত্ৰ বেলেগ। দৈত্য-দানৱৰ তপস্যা-প্ৰণালী ছাত্ৰৰ প্ৰণালী নহয়। শাস্ত্ৰই নিৰ্দেশ কৰিছে "ছাত্ৰানাম্ অধ্যয়নং তপঃ।" ছাত্ৰৰ তপস্যা অধ্যয়ন। যিবোৰে নিজক ছাত্ৰ বুলি ভাবে, তেওঁলোকে অধ্যয়নত থাকিব লাগিব। কিন্তু যদি কোনোবাই নিজক বেলেগ বুলি ভাবে, তেন্তে আন আন প্ৰণালী অৱলম্বন কৰিব। কিন্তু ছাত্ৰ বুলি নিজক পৰিচয় দি আত্ম প্ৰবঞ্চনা বা লোক-প্ৰবঞ্চনা কৰিব নালাগে।

মুঠৰ ওপৰত যিবোৰ সাময়িক বতাহৰ কোবত নিজক বেলুনৰ দৰে বেপাৰীৰ দোকানৰ জলিত ওঁৰি থ'বলৈ অমান্তি হৈ নিজৰ আদৰ্শ আৰু লক্ষ্য স্থিৰ ৰাখি কৰ্তব্যৰ পথত নীৰৱে আগবাঢ়ে—তেওঁলোকেই সমাজ আৰু জগতৰ ভৱিষ্যৎ আশাৰ থল। বতাহত ওকলি উঠা বেলুনবোৰ ল'ৰা-ছোৱালীৰ খেমালিৰ বস্তু—সমাজৰ কোনো কামতে নালাগে।

যুগ-সাহিত্য আৰু সমাজৰ ৰূপৰেখা

হিন্দু ধৰ্মৰ পৌৰাণিক দেৱতা নাৰায়ণৰ লগত সাহিত্যৰ তুলনা কৰিব পাৰি। শাস্ত্ৰত আছে যে ধৰ্মৰ গ্লানি আৰু অধৰ্মৰ প্ৰাচুৰ্য ঘটিলে নাৰায়ণে যুগে যুগে অসংখ্য অৱতাৰ ৰূপ ধাৰণ কৰি প্ৰত্যেক যুগৰ উপযুক্ত ধৰ্মস্থাপন কৰে। সেই কাৰণে মূলত এক দেৱতা হ'লেও নাৰায়ণৰ যুগভেদে অসংখ্য ৰূপ। সেইদৰে সাহিত্যও মূলতঃ এক বস্তু হ'লেও যুগভেদে তাৰ ৰূপ বেলেগ হয়। একৰূপী হ'লে এক যুগৰ সাহিত্যক পিছৰ যুগৰ মানুহে চিনিয়েই নাপায়। কিয়নো প্ৰত্যেক যুগতেই জীৱন-প্ৰণালী আৰু ভাবৰ প্ৰবাহ বেলেগ ধৰণৰ। আৰু যুগ-সাহিত্যই যদি প্ৰচলিত ভাৱধাৰাৰ লগত খাপ নেখায় তেন্তে মানুহে তাক অচিনাকি আলহীৰ দৰে ব্যৱহাৰ কৰিব।

আজিৰ দিনত আমাৰ দেশ তথা ভাৰতবৰ্ষতেই নতুন জীৱন-প্ৰণালী আৰু ভাৱধাৰাৰ সূত্ৰপাত হৈছে। আমি পুৰণি ৰীতি-নীতি আৰু মানসিকতাক আঁকোৱালি ধৰি থাকিব খুজিলেও সময়ৰ সোঁতে কোবাই নি নিজে নিজকেই চিনিব নোৱৰা কৰিব। সেই কাৰণে নতুন যুগৰ সাহিত্যই আমাক আত্মপৰিচয়ৰ সন্ধান দিব লাগিব। আজিৰ দিনত আমি ক'ত আছোঁ, কি পথেৰে চলিব লাগিব, কি কৰিব লাগিব আৰু আমাৰ পুৰণিকলীয়া ভাৱধাৰাৰ যোগ আজিৰ

দিনত কিমানখিনিত বৈছেগৈ—এইবোৰ সমস্যা কঁহিয়াই গ্ৰহণীয় সাহিত্যিক প্ৰণালীৰে যি সাহিত্যাই আমাক আত্মচৈতন্যৰ বাটত আগুৱাবৰ সুবিধা দিব তাকেই আমি যুগ-সাহিত্য বুলি স্বীকাৰ কৰিম।

ৰাজনৈতিক, সামাজিক আৰু ব্যক্তিগত জীৱনৰ অসংখ্য সমস্যাই আজি আমাৰ বুকুত সমাধানৰ বাবে খুন্দিয়াব লাগিছে। কেতবোৰে দলবদ্ধভাৱে সেইবোৰৰ সমাধান বিচাৰি মতবাদ প্ৰচাৰ কৰি সভা-সমিতি কৰি ফুৰিব লাগিছে। আৰু সাধাৰণ প্ৰজাই সেইবোৰৰ হেঁচাত জীৱনক বিষতুল্য বুলি ভাবিবলৈ বাধ্য হৈছে। কিন্তু সমস্যাৰ সমাধান ৰাজনৈতিক মতবাদৰ ভিতৰেদি নাহে। ইয়াৰ সমাধানৰ মূলমন্ত্ৰ আহিব লাগিব সাহিত্যিক আত্ম-পৰিচয় ঘটোৱা অমৃতবাণীৰপৰা। উদাহৰণ হিচাপে আজিকালিৰ ভাত-কাপোৰৰ অনাটনৰ কথাকেই উল্লেখ কৰিব পাৰি। ভাত-কাপোৰৰ যে অভাৱ-অনাটন ঘটিছে সেইটো ধ্ৰুৱ সত্য: তাক অস্বীকাৰ কৰিব নোৱাৰি। এদলে কৈছে—সূতা কাটি কাপোৰ বৈ লোৱা; আন দলে কৈছে কাপোৰৰ কলবোৰ ধনীৰ হাতৰপৰা কাঢ়ি আনি ৰাজহুৱা কৰি লোৱা। আন এদলে কৈছে যে বৰ্ত্তমানৰ সমাজ-ব্যৱস্থা ভাঙি-ছিঙি নতুন সমাজ এখন গঢ়ি লোৱা; তেহে আগলৈও এনে অনাটন আৰু নঘটিব। কোন দলৰ কথাত পতিয়ন যাওঁ? তেওঁলোকৰ কথাৰ ৰূপৰেখা কেনেকুৱা! অৰ্থাৎ তেওঁলোকৰ প্ৰস্তাৱিত সমাধানৰ বাট খোজ কাঢ়িব পৰা পথ হয় নে নহয়? সাহিত্যিক ৰূপৰেখাৰে এইবোৰৰ উত্তৰ দিব লাগিব। সম্ভাৱিত ঘটনাৰপৰা পথ উদ্ভাৱন কৰি সাহিত্যাই যদি তুলনামূলক চিত্ৰ আঁকি দেখুৱাব পাৰে তেনেহ'লে কোন পথেৰে আমি আগবাঢ়িব লাগে তাৰ অন্ততঃ কিঞ্চিৎ আভাস পাব পাৰোঁ। প্ৰকৃত সাহিত্য স্কুলীয়া ল'ৰাৰ বিলাসৰ বস্তু নহয়। ই পাঠকৰ সাধনাৰ সামগ্ৰী। কল-কাৰখানাৰ মালিকৰ সৰ্বগ্ৰাহী হুতাশনৰ চিত্ৰ দেখুৱা, বেপাৰীৰ দগ্ধজনক প্ৰবঞ্চনা কৰি আত্ম-প্ৰতিষ্ঠাৰ ৰূপ দেখুৱা অসৎ চৰকাৰী বিষয়াৰ তুহতীয়া চেষ্টাৰ ৰেখা অঁকা এইবোৰৰ টনা-আঁজোৰত দুখীয়াৰ দুঃখ আৰু ৰাইজৰ খলকনিৰ ধ্বনি মুখৰিত কৰা—মানুহে তাৰ ভিতৰতে নিজ কৰ্তব্য-পথ সন্ধান কৰি ল'ব। থোৰতে ক'ব লাগিলে আমাৰ দুখ-দুৰ্গতি, আকাঙ্ক্ষা, ভাবনা, কোনো কথাই মতবাদৰ সমূহীয়া ধ্বনিত আবদ্ধ নাথাকি সাহিত্যৰ ৰূপ আৰু ৰেখাত পৰিণত হ'ব লাগে। তেনেহ'লে আত্মপৰিচয় আৰু আত্মপ্ৰতিষ্ঠাৰ সুযোগ ঘটিব।

দুখৰ কথা আমাৰ দেশত নানান প্ৰগতি সঙ্ঘৰ বিজ্ঞাপন চকুত পৰিলেও ওপৰত উল্লেকিওৱা ধৰণৰ সাহিত্য অতি বিৰল। চাৰি বছৰমান আগতেই "জীৱনৰ বাটত" বুলি এখন উপন্যাস ওলাইছিল। গ্ৰন্থকাৰৰ নাম নাই। কিন্তু তাত অসমীয়া গাঁৱলীয়া জীৱনৰ যি নিমজ ছবি ফুটি ওলাইছিল, গাঁৱলীয়া জীৱনৰ ক্ষুদ্ৰ আকাঙ্ক্ষা আৰু হা-হুতাশৰ যি তপত ভাপ সি অতিশয় মনোমোহা। তাৰ চিত্ৰ আৰু বৰ্ণনাবোৰ দেখিলে মনত খেলায় যেন অসম দেশক এতিয়াহে চিনি পালোঁ। শ্ৰীপ্ৰবীণ ফুকনৰ "পাৰঘাট" বোলা উপন্যাসতো সমান জোখৰ নহ'লেও অনুৰূপ চেষ্টা এটি আছে। অলপতে প্ৰকাশ হোৱা শ্ৰীআশুনাথ শৰ্মাৰ "জীৱনৰ তিনি অধ্যায়" বোলা কিতাপখনিত

আমাৰ সামাজিক জীৱনৰ মনোৰম চিত্ৰ আছে। কিন্তু আমাৰ জাতীয় আৰু সামাজিক জীৱনত ইয়ানবোৰ জটিল সমস্যাই দেখা দিছে যে কেৱল দুই-এখন কিতাপে সেইবোৰৰ সমাধানৰ ওপৰত যথেষ্টভাৱে পোহৰ পেলাব নোৱাৰে। প্ৰগতি সম্ভৱবোৰে যদি বিজ্ঞাপনৰ কাষতেই উঠি লহই থাকিব নোখোজে তেনেহ'লে তেওঁলোকে ৰূপৰেখাৰ সহায়েৰে প্ৰগতিক পথ দেখুৱাব লাগিব।

ৰঙ্গমঞ্চত এতিয়াও পুৰণিকলীয়া খোজেই পৰি আছে। বেছিভাগ নাটকেই আগৰদিনীয়া বুৰঞ্জী বা পৌৰাণিক ঘটনাত আবদ্ধ। আগৰ ৰীতি-নীতি আৰু ভাব-প্ৰণালীৰপৰা আমি বহুত আঁতৰলৈ আহিছোঁ। ৰঙ্গমঞ্চৰ সাজ-পাৰে চকুত ছাট মাৰি ধৰিলেও ৰচনাবোৰে অন্তৰত প্ৰতিধ্বনি নোতোলে।

কাব্যক্ষেত্ৰত যুগোপযোগী বাণীৰ অভাৱ অতি শোচনীয়। কেতবোৰ ডেকা ল'ৰাই আধুনিক কবিতা নাম দি খোজভঙ্গী নোহোৱা লেটিপেটি শোভাযাত্ৰীৰ অনুকৰণত লয়লাস নোহোৱা ভাষাত মতবাদৰ শ্লোগানবিলাককেই হিচাপ নোহোৱা চুটি-দীঘল শাৰীত লিপিবদ্ধ কৰি কবিতা বুলি প্ৰচাৰ কৰিব লাগিছে। সেইবোৰে কবিসকলৰ হৃদয়কেই যথেষ্ট পৰিমাণে তাও দিব পৰা নাই। পাঠকৰ অন্তৰ কেনেকৈ তপত কৰিব।

সাময়িক আলোচনীৰ ক্ষেত্ৰত আছে মহিলা সভাৰ মুখপত্ৰ "অভিযাত্ৰী" আৰু সাধাৰণ পাঠকৰ "বংঘৰ"। "বংঘৰ" আলোচনাৰ পৰিসৰ ঠেক হ'লেও তাত বাস্তৱতা আছে। "অভিযাত্ৰী"য়ে তিৰোতাসকলৰ নৱজাগ্ৰত আত্মচৈতন্যৰ পৰিচয় দিছে যদিও তিৰোতা সমাজৰ প্ৰকৃত ভৱিষ্যতৰ পথৰ বাতৰি দিব পৰা নাই। কিন্তু যিটো সময় সাপেক্ষ, উপযুক্ত তত্ত্বাৱধানত "অভিযাত্ৰী"ৰ ভৱিষ্যৎ উজ্জ্বল হ'ব বুলি আশা কৰিব পাৰি।

এই দুখনত বাজে আনবোৰ সাময়িক পত্ৰিকাক নেজাল তৰাৰ লগত বিজাব পাৰি। কেতবোৰ কেৱল এবাৰ ওলায়েই শূন্যত মাৰ যায়। "আৱাহন", "সুৰভি" আদি পুৰণি পত্ৰিকাই এতিয়া যেই'লৰ নেজাল তৰাৰ অনুসৰণ কৰিছে। কেইবা মাহৰ অন্তৰতহে এবাৰ সাহিত্যৰ সৌৰমণ্ডলত ভুমুকি মাৰে।

সাময়িক আলোচনা হিচাপে "নতুন অসমীয়া"ৰ দেওবৰীয়া চ'ৰা মনত ৰাখিবলগীয়া তাত বৰ্ত্তমান অসম তথা ভাৰতৰ নানান সমস্যা'ৰ নিৰ্বিকাৰ সমালোচনা থাকে। ভাবুক পাঠকৰ মনত উদ্দীপনা জগাবৰ শক্তি সেইবোৰত আছে। নতুন অসমীয়াৰ সম্পাদকীয় আলোচনাও লেখত ল'বলগীয়া। দোষাদোষ আলোচনা সকলোৱে কৰিব পাৰে। কিন্তু তাৰ ওপৰলৈ গৈ দেশ-দেশান্তৰৰ কৰ্ম-পদ্ধতিৰ সুবিবেচিত সূচনা কৰাত অধ্যয়ন আৰু ভাবুকতাৰ পৰিচয় শলাগিবলগীয়া। সেইবোৰে পঢ়ুৱৈৰ মনত ভাবুকতাৰ স্পৃহা জগাই তুলিব পাৰে বুলি ক'বৰ যথেষ্ট প্ৰমাণ আছে। অধ্যাপক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ "কথা-গুৰুচৰিত" সাহিত্যও অভিনৱ পদাৰ্থ। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ অনুবৰ্ত্তীসকলৰ বিস্তৃত জীৱন চৰিত এখনৰ এছোৱা এই কিতাপত প্ৰকাশ কৰা হৈছে। পুৰণি গদ্য-সাহিত্যৰ ই এটি অভিনৱ চানেকি।

যোৰহাটবিলাকৰ ওলোৱা "নটৰাজ" বোলা তিনিমহীয়া আলোচনী এখন যুগ পৰিবৰ্ত্তনসূচক।

ইয়াক যোৰহাট সঙ্গীত বিদ্যালয়ৰপৰা উলিওৱা হৈছে। ভাৰতীয়া বস্তবত মন গধুৰ হয়, তাকপৰা সঙ্গীত নোলায়। পৰাধীনভাৱ হৈচাতো কলাবিদ্যাৰ চৰ্চা নহয়। স্বাধীন যুগৰ নতুন বতাহত আৰু ৰেডিঅ' যন্ত্ৰৰ পৰনতকৈও বেগে গীত বৈ তল যোৱাৰ প্ৰেৰণাত কলাবিদ্যাত বাপ থকা পুৰুষ-স্তিবোভাসকলে তাৰ বৈজ্ঞানিক আলোচনাত মন দিছে। এই আলোচনাৰ ফলত যে আমাৰ সঙ্গীত বিদ্যাৰ উন্নতি হ'ব তাত সংশয় নাই। কিয়নো স্বাধীন ভাৱেও দুই-এজন গায়কে সঙ্গীতৰ পুথি উলিয়াইছে। এইবোৰৰ পুৱাৰ ব'লত গায়ক চৰাইৰ ভেটকাৰ কোৰ ঘন হ'ব তাত সন্দেহ নাই।

স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰজনীকান্ত বৰদলৈৰ গ্ৰন্থবোৰৰ পুনৰ্মুদ্ৰণ হৈছে। সেইবোৰৰ সমাদৰৰপৰা অনুমান কৰিব পাৰি অসমীয়া পঢ়ুৱৈসকলে আগ-পিছ চাবলৈ শিকিছে অৰ্থাৎ কেৱল চকুৰ আগত থকা বস্তুতেই মন আবদ্ধ নেৰাখি পিছৰ ফালেও ধাউতি দেখুৱাইছে। এই ভাবৰ আবৰ্ত্তন ভৱিষ্যতে উন্নতিৰ সূচনা বুলিব পাৰি। খোৱা বস্তু চোবালেহে ভিতৰলৈ যায়। সাহিত্যৰ ভাবো পাগুলিলেহে মনত লেও খাই পৰে।

প্ৰতিসমালোচনা

৮ম সংখ্যা "প্ৰদীপিকা"ত "চেতনা"ত প্ৰকাশ হোৱা "নাম-ঘোষা" নামক প্ৰবন্ধৰ সমালোচনা এটি ওলাইছে। লেখক শ্ৰীযুত ঘনশ্যাম দেৱশৰ্মাই প্ৰবন্ধটি পঢ়ি সমালোচনা কৰিবলৈ ওলাইছে নে প্ৰবন্ধটোৰ নাম শুনি লেখিছে অলপ সন্দেহৰ কথা। কিয়নো প্ৰবন্ধৰ ভিতৰত থকা বহুত কথাকে তেখেতে ভুলকৈ উদ্ধাৰ কৰিছে। যি হওক তেওঁৰ প্ৰবন্ধৰ সমালোচনা তেওঁৰ নিজৰ প্ৰবন্ধৰ ভিতৰতেই আছে।

মোৰ মূল প্ৰবন্ধত আছে, "শঙ্কৰদেৱৰ ভক্তিৰত্নাকৰ আৰু ভট্টদেৱৰ ভক্তিবিবেক এই দুখন গ্ৰন্থ মূল সংস্কৃত শ্লোকবোৰৰ সংগ্ৰহ মাথোন। সেই দেখি ভক্তিগৌৰৱ পৰিচায়ক হ'লেও সেই দুখনক জাতীয় সাহিত্যৰ ভিতৰুৱা বুলি ধৰিব নোৱাৰি।"

সমালোচকে কেৱল "ভক্তিবিবেক"ৰ নাম উল্লেখ কৰিছে। এই দুখনক জাতীয় সাহিত্যৰ ভিতৰুৱা বুলি নধৰাৰ কাৰণ দুইখনেই সংস্কৃত ভাষাত লেখা। জাতীয় ভাষা আৰু জাতীয় সাহিত্যৰ সম্বন্ধ মঙহ-ছালৰ দৰে। বঙ্গদেশৰ ৰূপসনাতন গোস্বামীসকলে সংস্কৃত ভাষাত বহুত কবিতা লেখিছিল; সেইবোৰ বঙ্গীয় জাতীয় সাহিত্যৰ ভিতৰত কোনেও ধৰা নাই। তাত বাজেও ভক্তি-ৰত্নাকৰ আৰু ভক্তিবিবেক ভক্তি বিচাৰমূলক ধৰ্মগ্ৰন্থ, সেইবোৰ লৌকিক সাহিত্যৰ ভিতৰত নপৰে।

"নাম-ঘোষা"ও এক হিচাপত বিচাৰ গ্ৰন্থ। কিন্তু বিচাৰ গ্ৰন্থ বুলি স্বীকাৰ কৰিও ইয়াৰ ভিতৰত কিমানখিনি মাধৱদেৱৰ আত্মপ্ৰকাশ (যিটো লৌকিক সাহিত্যৰ ভিতৰত ধৰা হয়)

আছে, সেইটো বিচাৰ কৰাহে উক্ত প্ৰবন্ধৰ উদ্দেশ্য আছিল। সমালোচকে মন দি প্ৰবন্ধটো পঢ়ি চালে পাব যে নাম-ঘোষাৰ ধৰ্ম বা দাৰ্শনিক তত্ত্বক ইয়াৰ সাহিত্য হিচাপে মূলত গণনা কৰা হোৱা নাই।

ঘোষাৰত্নক নাম-ঘোষাৰ লগত সাহিত্য হিচাপেহে তুলনা কৰা হৈছিল। হ'ব পাৰে ঘোষাৰত্ন দাৰ্শনিক তথ্য থকা হিচাপে নাম-ঘোষাতকৈও ডাঙৰ গ্ৰন্থ। কিন্তু যি যি গুণ বেছি পৰিমাণে থকাৰ কাৰণে নাম-ঘোষাক ঘোষাৰত্নতকৈ ডাঙৰ গ্ৰন্থ বোলা হৈছে সেই সেই গুণ ঘোষাৰত্নত নাই বা কম পৰিমাণে আছে। সমালোচকে যদি তুলনা কৰি উলিয়াব পাৰে সেইটো ভাল কথাহে। কিয়নো মোৰ চকুত যিটো পৰা নাই সেইটো তেওঁৰ চকুত নপৰিবৰ কোনো কাৰণ নাই।

পুৰণি বৈষ্ণৱ সাহিত্যৰ আৰু মহাপুৰুষসকলৰ চৰিত অলপ অচৰপ আলোচনা কৰি যি সন্ধান পাইছোঁ তাৰপৰা মোৰ ধাৰণা হৈছে যে ঘোষাৰত্ন নাম-ঘোষাৰ পিছত ৰচিত হৈছে। লেখকে যদি দেখুৱাব পাৰে যে ঘোষাৰত্ন নাম-ঘোষাৰ আগত লেখা তেনেহ'লে তেওঁৰ প্ৰমাণ তেওঁ দিয়া উচিত। তাৰ পিছত শব্দ ব্যৱহাৰৰ ভুল "ব্ৰাহ্মণসকলৰ সাম্প্ৰদায়িক বিদ্বেষ" ইত্যাদি। মাধৱ-দেৱৰ সমসাময়িক ঘটনা উল্লেখ কৰিছোঁ, সাম্প্ৰদায়িক বিদ্বেষ যে আছিল সেইটো সমালোচকেও স্বীকাৰ কৰিছে। নতুনকৈ প্ৰৱৰ্তিত হোৱা বৈষ্ণৱ ধৰ্মক যে ব্ৰাহ্মণসকলে প্ৰথম অৱস্থাত বিদ্বেষভাৱে. কৈছিল—এইটো কি শঙ্কৰ কি দামোদৰ গোটেই কেইজন মহাপুৰুষৰ চৰিততে আছে। চৰিত-গত ঘটনাৰ উল্লেখ কৰাত সমালোচকৰ আপত্তিৰ কাৰণ নেদেখোঁ। প্ৰবন্ধৰ আন এঠাইত আছে বিদ্বেষপৰায়ণ নিন্দুকসকলৰ প্ৰতি ইত্যাদি। প্ৰবন্ধৰ ভিতৰত "নিন্দুক" শব্দ অনিৰ্দিষ্টভাৱে ব্যৱহাৰ কৰা হৈছে। নাম-ঘোষাৰ ভিতৰত আছে নিন্দুকসকলৰ কথা অনিৰ্দিষ্ট ভাবাত কোৱা আছে, মইয়ো সেইভাৱে ধৰিছোঁ। সমালোচকে ধৰি লয় কিয় যে "নিন্দুক" মানে ব্ৰাহ্মণ?

"যাজক" শব্দটো যি ঠাইত যিভাৱে ব্যৱহাৰ কৰিছোঁ তাত এইটো খাটে। ইয়াৰ বিস্তৃত ব্যাখ্যা সমালোচকৰ মনঃপূত নহ'ব।

যি হওক পুৰণি অসমীয়া সাহিত্য প্ৰবন্ধাৱলীৰ ভবিষ্যত সমালোচকসকলৰ সেই কাৰ্যৰ নিমিত্তে কৈ থোৱা উচিত যে অসমীয়া সাহিত্য মানে আমি অসমীয়া ভাষাত লেখা পুথিকহে ধৰিছোঁ। আৰু "সাহিত্য" আৰু "ধৰ্মশাস্ত্ৰ"ৰ মৌলিক প্ৰভেদ স্বীকাৰ কৰি লৈছোঁ। এইটো কি সংস্কৃত, কি ইংৰাজী সকলোবোৰ সাহিত্য বিষয়ক শাস্ত্ৰই মানি লৈছে।

(অসম প্ৰদীপিকা, ১ম বছৰ ৯ম সংখ্যা, মাঘ ১৮৫২)।

সমালোচনা

বুৰঞ্জীৰ সম্ভাৱ্য-সম্ভাৱনা

তৃতীয় সংখ্যা "অসম প্ৰদীপিকা"ৰ সম্পাদকীয় বক্তব্যত শ্ৰদ্ধাস্পদ শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াদেৱে এটি বৰ সাকৰা কথা কৈছে যে তৰ্ক কৰিব লাগিলে ন্যায় আৰু যুক্তিৰে পৰস্পৰলৈ শ্ৰদ্ধা ভাব ৰাখি আলোচনা কৰিব লাগে ইত্যাদি। কিন্তু দুখৰ বিষয় এই মহৎ আদৰ্শৰ ফালে অসমৰ আলোচনী কাকতবোৰে বিশেষ মনকে নকৰে। কি ভাষা, কি ধৰ্ম কোনো বিষয়ত মতদ্বৈধ হ'লেই অসমীয়া সমালোচকসকলে গলিয়াগলিত বাজে আন কোনো যুক্তিকেই বিচাৰি নোপোৱা যেন লাগে। "যুগুতি বোলন্তে খণ্ডে গালি পাৰে মাত্ৰ।" যি কোনো বিষয় কোনো পক্ষৰ যদি মীমাংসা বা যুক্তি-প্ৰণালীত কিবা ভুল দেখা যায় সেইটো দখুৱাই ভুল কৰোঁতাজনকো নিৰ্বুলকৈ ভাবিবলৈ অৱসৰ দিবহে লাগে। যি হওক পুৰণি কাকতবোৰেই যেতিয়া সুৰুচিৰ প্ৰতি বিশেষ লক্ষ্য কৰি চলা নাছিল, নুমলীয়া "দীপিকা"ও যে সঙ্গদোষতেই অলপ অচৰপ দূষিত হ'ব তাত কোনো আশ্চৰ্য হ'বৰ কথা নাই। আৰু সম্পাদক ডাঙৰীয়াৰ আগত ওপৰত কোৱা আদৰ্শ আছে যতিয়া প্ৰদীপিকাই সেই আদৰ্শৰ ফালে যে যাব তাত কোনো চিন্তা নাই।

১ম সংখ্যা "প্ৰদীপিকা" পাই সম্পাদক ডাঙৰীয়ালৈ প্ৰাপ্তিস্বীকাৰৰ লগত দুই-এষাৰ মন্তব্য লগ লগাই চিঠি লেখাৰ ভিতৰত এই ক্ষুদ্ৰ প্ৰবন্ধ লেখকো এজন। সম্পাদক ডাঙৰীয়াই কোৱা "শ্ৰদ্ধাস্পদ বন্ধুসকল"ৰ ভিতৰত যদি এই নগণ্য লেখককো ধৰিছে তেনেহ'লে যথেষ্ট সম্মানিত হৈছোঁ কিয়নো কোনো গুণেই বৰদলৈ ডাঙৰীয়াৰ শ্ৰদ্ধা আৰু বন্ধুত্বৰ উপযুক্ত নহওঁ। "অমানিনা মানদেন"ইতো বৈষ্ণৱ শিক্ষাৰ পৰম আদৰ্শ। বৰদলৈ ডাঙৰীয়াই যে কোনোজন মহাপুৰুষৰ অৱমাননা কৰিছে সেইটো কোৱা নাছিলোঁ আৰু এতিয়াও নকওঁ। অন্ততঃ তেখেতে নিজে লেখা প্ৰবন্ধবোৰত আৰু তেখেতে যে ক'ৰবাত অশাস্ত্ৰীয় মত প্ৰতিপাদিত কৰিছে সেই বিষয়ে আলোচনা কৰাটোও বৰ্তমান ক্ষুদ্ৰ প্ৰবন্ধৰ উদ্দেশ্য নহয়। শাস্ত্ৰজ্ঞানত সম্পাদক ডাঙৰীয়াৰ ওচৰত এই ক্ষুদ্ৰ লেখক হাতীৰ আগত মাখিৰ নিচিনা। কেৱল আজিলৈকে ছপা হোৱা প্ৰবন্ধবোৰত যুক্তি-তৰ্ক কিভাৱে চলিছে তাৰ বিষয়েহে দুই-চাৰি আষাৰ কথা ক'ম।

মই কৈছিলোঁ যে প্ৰবন্ধবোৰ বৰ সংকীৰ্ণভাৱে লেখা, অন্ততঃ তাত বুৰঞ্জীৰ প্ৰতি লক্ষ্য ৰখা হোৱা নাই। মোটামুটি দুই-এটি উদাহৰণেৰে সেই কথাষাৰকেই বহলাই লেখাহে বৰ্তমান প্ৰবন্ধৰ উদ্দেশ্য। যদি ক'ৰবাত কিবা ত্ৰুটি লক্ষিত হয়, সেইটো ভাষাৰহে দোষ, হৃদয়ৰ দোষ নহয়।

জয়ন্তয়তেই ভাগৱতী ধৰ্ম প্ৰচাৰকসকলৰ যি বিস্তাৰ পৰম্পৰা বৰদলৈ ডাঙৰীয়াই আঁকিছে সেইখন দেখিয়েই বৰ স্তম্ভিত হৈছোঁ। ভাৰতীয় আৰু ইউৰোপীয় প্ৰত্নজ্ঞ পণ্ডিতসকলে আজিলৈকে বৈষ্ণৱ-আন্দোলনৰ যিবোৰ বুৰঞ্জী উলিয়াইছে তাৰ কোনো ঠাইতেই এনেকুৱা 'বিস্তাৰবৃক্ষ'ৰ

কথা থকা মনত নপৰে। অথচ সম্পাদকদেৱে কোনো এটি টিপ্পনী নিদিয়াকৈয়ে নাইবা সেইখনৰ যথাৰ্থৰ বিষয়ে কোনো মূল গ্ৰন্থৰ উল্লেখ নকৰাকৈয়ে সেইখন সঁচা বুলি চলাই দিব খোজাত বৰ বিত্ৰত হৈ পৰিছিলোঁ। মূল গ্ৰন্থৰ উল্লেখ কৰাহেঁতেন বুঢ়ীভাৰ পক্ষে বহুত কষ্টৰ লাঘৱ হ'লহেঁতেন। এতিয়াহে বিচাৰি পালোঁ সম্পাদক ডাঙৰীয়াৰ 'বিস্তাৰবৃক্ষ' এখন বৰ বিতোপন পুথিৰ পৰা তোলা হৈছে। আমাৰ অনুমান যদি ঠিক হয়, মূল নিৰ্দেশ নকৰাত সম্পাদক ডাঙৰীয়াৰ অৰ্থ আছে। পুথিখন হৈছে "সৎ সম্প্ৰদায় কথা" নামে ভট্টদেৱৰ নামে চলাই দিব খোজা সাম্প্ৰদায়িক ঘৃণাৰ শেষ সীমা পোৱা তীব্ৰ বিষাত্মক পুথি এখন। পুথিখনৰ অলপ ইতিহাস আছে। কেইবছৰ-মানৰ আগেয়ে কামৰূপীয় গাঁৱলীয়া মানুহ এজনে এই পুথিখন ছপায়। তাৰ পিছত পুথিখনৰ যথাৰ্থ প্ৰমাণ কৰিব নোৱাৰি প্ৰকাশকে ৰাজবিচাৰত অৰ্থদণ্ড দিয়ে আৰু ছপা সংখ্যাবোৰ নষ্ট কৰি পেলাবলৈ আদেশ পায়। সম্পাদক ডাঙৰীয়াই বোধ কৰোঁ পুথিখনৰ ইতিহাস জানিয়েই মূল নিৰ্দেশ কৰা নাছিল। যি হওক সম্পাদক ডাঙৰীয়াৰ "বিস্তাৰ পৰম্পৰা"ৰ লগত বাস্তৱ ইতিহাসৰ কোনো মিল নাই। ইতিহাসে শঙ্কৰাচাৰ্যক বৈষ্ণৱ সম্প্ৰদায়ৰ সংস্থাপক বুলি স্বীকাৰ নকৰে। জ্ঞানবাদী শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদ খণ্ডন কৰি আচাৰ্য ৰামানুজে নতুন ধৰণে বৈষ্ণৱ সম্প্ৰদায় গঠন কৰে। আৰু ভাৰতৰ অন্য অন্য দেশৰ বৈষ্ণৱসকলে বৈষ্ণৱ সম্প্ৰদায়বোৰৰ প্ৰামাণ্য দেখুৱাবলৈ তলত দিয়া বচন পাঠ কৰে।

সম্প্ৰদায়বিহীনা যে মন্ত্ৰাস্তে নিষ্ফলা মতাঃ।
অতঃ কলৌ ভৱিষ্যন্তি চত্বাৰঃ সম্প্ৰদায়িনঃ॥
শ্ৰীমাধৱী ৰুদ্ৰসনকা বৈষ্ণৱা ক্ষিতিপাৱনাঃ।
চত্বাৰস্তে কলৌ দেৱি সম্প্ৰদায় প্ৰৱৰ্ত্তকাঃ॥

(ভক্তমাল গ্ৰন্থ)

বৈষ্ণৱ আন্দোলনৰ ইতিহাস লেখক আৰু পণ্ডিতসকলে আৰু ভাৰতীয় বৈষ্ণৱসকলেও ৰামানুজ আচাৰ্যকে নব-বৈষ্ণৱ আন্দোলনৰ সংস্থাপক বুলি স্থিৰ কৰিছে। এনে স্থলত ভাগৱতী ধৰ্মৰ 'বিস্তাৰ বৃক্ষয়' গুৰিত শঙ্কৰাচাৰ্যক বহুৱাই দিয়াত ইতিহাসৰ মৰ্যাদা অলপো ৰখা হোৱা নাই। তেখেতৰ ঠাল-ঠেঙুলি স্বৰূপে উল্লেখ কৰা ভাৰতীমণ্ডলী কোনোবা অনাবিষ্কৃত গুপুত সম্প্ৰদায়ৰ আচাৰ্য হ'লে হ'ব পাৰে কিন্তু কোনো বৈষ্ণৱ ধৰ্মৰ ইতিহাসতে তেওঁলোকৰ নাম পোৱা মনত নপৰে।

যি হওক এইবোৰ হৈছে বহুত শতাব্দীৰ আগৰ কথা। যদিও বা বৰদলৈ ডাঙৰীয়াই "যথা দৃষ্টং তথা লিখিতং" বুলি ক'বও পাৰে তথাপিতো তেখেতৰ নিচিনা সমদৰ্শী বিদ্বান এজনে উদ্ধৃত পুথিখনৰ মূল বক্তব্যৰ বিষয় অলপ ভাবি চোৱা উচিত আছিল। সম্পাদক ডাঙৰীয়াই নিশ্চয় জানে

যে এইখন পুথি ৺ভট্টদেৱৰ লেখা হ'ব নোৱাৰে। ইয়াত যে কিছুমান অশ্লীল অথবা উক্তি আছে, সেইবোৰ "তৃণাদপি সুনীচেন" ইত্যাদি আদর্শাত্মক ধৰ্মপ্ৰচাৰক, কথা-ভাগৱত, কথা-গীতা লেখোঁতা পণ্ডিত প্ৰবৰৰ নামৰ লগত খাপ খায় নে? এইবোৰত বাজেও এইখন কিতাপৰপৰা ভালেমান বচন ৰচনাৰ ভিতৰত উদ্ধৃত কৰি কিতাপখনৰ নাম উল্লেখ নকৰি ৺ভট্টদেৱৰ নাম দিয়া হৈছে। জানোচা কোনোবাই কিতাপখনৰ নাম শুনি প্ৰবন্ধ লেখকক অবিশ্বাস কৰে। ইয়াতো সমালোচনাৰ নিৰপেক্ষতা ৰক্ষা হোৱা নাই। দামোদৰদেৱৰ ৰচিত পুথি ভালেমান আছে, গোটেইবোৰতেই উল্লিখিত প্ৰয়োজনীয় ঘটনাবোৰৰ সামঞ্জস্য এটি স্থাপন কৰিহে মতামত দিব লাগে। তাকে নকৰি যদি নিজৰ মতৰ লগত মিলিখিনি মিলে তাকে তুলি দিয়া যায় আৰু ভিন্ন ভিন্ন পুথিত বা আনে লেখা প্ৰবন্ধবোৰত থকা মতৰ অনৈক্যৰ বিষয়ে একো কোৱা নহয় তেনেহ'লে সেইটো দূষিত যুক্তি হয়। হয় লোকৰ মত খণ্ডন কৰি নিজৰ মত দিব লাগে আৰু সেইটো নহ'লে দুয়োটা মতকেই লগালগিকৈ দিব লাগে, যেন পাঠকসকলে সত্যাসত্য বিচাৰ কৰিব পাৰে। যেনে নাৰদ-দামোদৰ সম্মিলন বুলি কথা এটি আছে। বহুত পুথিত আছে এইখন ঘটিছিল হাজোৰ মন্দিৰত। কিন্তু কবিচন্দ্ৰৰ সন্তচৰিতত আছে যে এই সম্মিলন কোনোবা এঠাইতহে হৈছিল। (পুথিত থকা ঘটনা-পৰম্পৰা হিচাপে পাটবাউসী হ'লেও হ'ব পাৰে।) আৰু সেইটোও প্ৰকাণ্ড সভাতেই হৈছিল যদিও অইন কোনোৱে নাজানিলে।

"আনো কেহ নাজানিলা," প্ৰভু দামোদৰ দেৱে,
কাতো নকহিলা মনে গুণি॥"

এই হ'ল দুখন পুথিৰ দুই মত। অথচ এজন প্ৰবন্ধ লেখকে গম্ভীৰভাৱে সন্তচৰিতৰ বচন উদ্ধাৰ কৰিছে দেখুৱাবলৈ যে হাজোত নাৰদ সম্মিলন হৈছিল। সন্তচৰিত পুথিখনি এক হিচাপে অলপ প্ৰয়োজনীয়, পুথিখনিত এটি উদ্দেশ্য আছে। কিয়নো যদিও আগৰ পুৰুষৰ মত অনুসাৰে লেখা তথাপি পৰস্পৰ বিৰোধী ঘটনা কেতবোৰৰ সামঞ্জস্য স্থাপন কৰিবৰ চেষ্টা এটি ইয়াত আছে। অসমত বৈষ্ণৱ ধৰ্ম কেনেকৈ প্ৰচলিত হ'ল এইটো দেখুৱাবৰ চেষ্টাত পুথিখন লোৱা হৈছে। এনে এটি বিশিষ্ট উদ্দেশ্য থকা সত্বেও চৈতন্য দামোদৰ সঙ্গমৰ ঘুণাক্ষৰেও কোনো উল্লেখ নাই। চৈতন্যদেৱৰ কামৰূপ ভ্ৰমণ বিষয়টো এতিয়াও অনিশ্চিতভাৱেই আছে। পুৰণি "আসাম বান্ধৱত" এই বিষয়ে বহুত আলোচনা হৈ যোৱা মনত পৰে আৰু কোনোবা সংখ্যাত শ্ৰদ্ধাস্পদ শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াই চৈতন্যদেৱৰ কামৰূপলৈ অহাটো স্বীকাৰ নকৰা মনত পৰে।

সি যি নহওক সন্দেহ স্থলবোৰত পূৰ্বপক্ষৰ মতবো উল্লেখ কৰিব লাগে। নহ'লে যুক্তিবোৰ অসম্পূৰ্ণতা দোষত দূষিত হয়। শঙ্কৰদেৱৰ চৰিতত নানা বিষয়ৰ নানা কথা আছে। সেইবোৰ তন্ন তন্নভাৱে আলোচনা নকৰি চৰিতত থকা বুলিয়েই তুলি দিলে, ৰবদলৈ ডাঙৰীয়াই সঁচা বুলি অসন্দিগ্ধচিত্তে স্বীকাৰ কৰিবলৈ টান পায়।

আগেয়ে কৈছোঁ মহাপুৰুষসকলৰ ধৰ্মমত আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়, কেৱল তৰ্কৰ প্ৰণালীৰ বিষয়ে কওঁ বুলিহে ভয়-ভয়কৈ আগ বাঢ়িছোঁ। ববদলৈ ডাঙৰীয়াই যি প্ৰণালী লগাইছে সেইটো হৈছে *a priori method* অৰ্থাৎ মনত আগেয়ে কিছুমান ধাৰণা কৰি লৈ দামোদৰদেৱৰ মতকে টানি-আঁজুৰি আনি সেই পূৰ্বকল্পিত ধাৰণাৰ লগত মিলোৱা। এই বিপৰীত প্ৰণালী (inverted process) ব্যৱহাৰ কৰা গতিকে ইয়াৰ সমৰ্থনৰ নিমিত্তে কেতিয়াবা কোনোবা একাৰ্থক পদসমষ্টিৰ কিছুমান বাদ দি নিজৰ মতৰ লগত মিলা পদবোৰহে উদ্ধাৰ কৰিব লগাত পৰিছে।

যেনে --

ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক নেকৰাবা।
আপুনিও স্নান সন্ধ্যা পূজা আচৰিবা॥
* * *
কৰ্ম এৰিলেক বুলি নিন্দাই আমাক॥
একান্ত ভকতি কৰিবাহা মহাভাগ।
তেহে একো উপচক্ৰে নাপাইবেক ভাগ॥

দামোদৰদেৱে ওপৰত কোৱা কথাবোৰ যেতিয়া ভট্টদেৱৰ ওচৰৰপৰা চিৰকাললৈ বিদায় লয় তেতিয়াকৈছিল। কথাবোৰ বৰ বহুমূলীয়া। এনে অৱস্থাত সকলো মানুহেই আত্মীয় বান্ধৱসকলৰ আগত অন্তৰ মেলি শেষ কথা কৈ যায়। পদ কেইফাকি একেলগে পঢ়িলে মনত যি ধাৰণা হয় কেৱল ওপৰৰ দুই ফাকি পঢ়িলে সেই একে ধাৰণা হয়নে. অথচ ববদলৈদেৱৰ যিটো ছপা অভিভাষণ সেইটো প্ৰথমৰ পদ দুই ফাকিকেই ভেটি কৰি লেখা হৈছে। হ'ব পাৰে তেখেতে ব্যাখ্যা কৰা মতটোৱেই শুদ্ধমত, কিন্তু ওপৰত তুলি দিয়া পদসমষ্টি একেলগে পঢ়িলে ধাৰণা বেলেগ ৰকমৰ হয়।

কোনো বিষয় আলোচনা কৰিব লাগিলে তাৰ ভিতৰত সোমাই অনুপ্ৰাণিত হৈহে আলোচনা কৰিব লাগে। বাহিৰৰপৰা আলোচনা কৰিব লাগিলে সেই বিষয়টোৰ ভিতৰত নথকা কিছুমান কথাকো টানি আনিব লগাত পৰে। যেনে ববদলৈদেৱে শাস্ত্ৰৰ দোহাই দি দামোদৰদেৱৰ মত আলোচনা কৰিব লাগিছে। কিন্তু প্ৰকৃতপক্ষে দামোদৰদেৱৰ মতৰ দোহাই দিহে পিছে শাস্ত্ৰৰ ওচৰলৈ যাব লাগিছিল। দামোদৰদেৱে কেতিয়া কাৰ আগত কি কৈছিল, স্বয়ং কি কি আচৰণ কৰিছিল, কি কি নিষেধ কৰিছিল এইবোৰ আলোচনা কৰি সামঞ্জস্য এটি উলিয়াই শ্ৰুতি-স্মৃতিৰ লগত মিলালেই হয় দেখোন। শেষত গৈ যদি শ্ৰুতি-স্মৃতিৰ লগত একাস্তই নিমিলে তেনেহ'লেও ইতিহাসৰ মৰ্যাদা ৰাখি সেইবোৰক নিৰপেক্ষভাৱে আলোচনা কৰিব লাগিব। কিয়নো ইতিহাস সদায় শ্ৰুতি-স্মৃতিৰ বচন মতে নচলিলেও নচলিব পাৰে। বৰং শ্ৰুতি-স্মৃতিহে ইতিহাসৰ অনুগামী হয়। স্বৰ্গীয় ডি, এল, ৰায়ৰ "চন্দ্ৰগুপ্ত" নাটকত ভাৱৰীয়া কাত্যায়নে কোনোবা ঘটনা আলোচনা

কৰিব লাগিলেই কয় "কিন্তু পাণিনিতো তা বলেন নাই।" তৰ্কছলত বহুত সময়ত আমিও তাকেই কৰিব লগাত পৰোঁ।

বৰদলৈদেৱৰ ছপা বক্তৃতাখন অসমীয়া বৈষ্ণৱ ধৰ্মৰ বৰ মূল্যবান ব্যাখ্যা আৰু সেইখনৰ ভাল-বেয়া আলোচনা কৰিব পাৰোঁ এনে শক্তি আমাৰ নাই।

কিন্তু বৰ্ত্তমান ক্ষুদ্ৰ প্ৰবন্ধৰ উদ্দেশ্য অনুসাৰে বুৰঞ্জীৰ কালৰপৰা দুই আষাৰ কথা ক'ম। বৰদলৈদেৱে অতি নিপুণভাৱেও দেখুৱাইছে যে একালে শঙ্কৰদেৱে যেনেকৈ অনাচাৰী মানুহবোৰক কু-তন্ত্ৰ কু-মন্ত্ৰৰ হাতৰপৰা একৰাই আনি জ্ঞানপন্থা শিক্ষা দিলে আনকালে তেনেকৈ দামোদৰদেৱে বৈষ্ণৱ ধৰ্মকো বেদবিহিত, তন্ত্ৰবিহিত কৰি সাৰ্বজনীন কৰি তুলিলে। কিন্তু এই সিদ্ধান্তত উপস্থিত হোৱাটো পূৰ্ব-পক্ষ আৰু ইতিহাসৰ প্ৰতি নিৰপেক্ষ ভাৱ ৰক্ষা হোৱা নাই। শ্ৰদ্ধাস্পদ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীদেৱে "ঘোষাৰত্ন"ৰ নামে পুথিৰ পাতনিত কৈছে যে "শঙ্কৰদেৱৰ দেহ ত্যাগৰ পাছত মহাপুৰুষীয়া আৰু বামুণীয়া দুটি দল হ'ল।" শঙ্কৰদেৱ আৰু দামোদৰদেৱৰ view point বেলেগ বেলেগ আছিল যদিও দল সৃষ্টি হোৱাৰ আগেয়ে উভয়পক্ষৰ মানুহসকলে কি মত লৈ চলিছিল? শঙ্কৰদেৱে যদি কৈছে "আন দেৱী-দেৱ, নকৰিবা সেৱ" ইত্যাদি, ঘোষাৰত্নত ৺গোপাল মিশ্ৰই কৈছে:

বিষ্ণুৰ নৈবেদ্যচৰ, সুৰসিদ্ধে সাদৰয়
সমস্তকে পবিত্ৰ কৰয়।
অন্য দেৱ অন্নশেষ যদি ভুঞ্জে প্ৰমাদত
চান্দ্ৰায়ণ কৰিবে লাগয়॥ ইত্যাদি—

ঐতিহাসিক ঘটনা আলোচনা কৰিলেও অলপ বৈষম্য উপস্থিত হয়। শঙ্কৰ নিগ্ৰহৰ সময়ত দামোদৰদেৱ পাটবাউসীতেই আছিল। ৰাজসভাত শঙ্কৰদেৱৰ বিচাৰ হোৱাত দামোদৰদেৱ ৰাজসভালৈ যাবলগীয়াত পৰা নাই। মাধৱদেৱ শঙ্কৰদেৱৰ লগত গৈছিল যদিও ধৰ্মমতৰ নিমিত্তে তেওঁবো সেই সময়ত বিচাৰ হোৱা নাছিল। যদি বৰদলৈ ডাঙৰীয়াই কোৱাৰদৰে মহাপুৰুষ দুজনৰ view point বেলেগ বেলেগ আছিল তেনেহ'লে সাৰ্বজনীন বেদ-তন্ত্ৰবিহিত ধৰ্ম উপদেশ দিয়া বুলি দামোদৰদেৱ নিগৃহীত নোহোৱাই স্বাভাৱিক। কিন্তু সেই শঙ্কৰদেৱৰ তিৰোভাৱ হ'ল মাধৱদেৱ আৰু দামোদৰদেৱ, দুয়ো মহাপুৰুষৰ ওপৰতে নিগ্ৰহ আৰম্ভ হ'ল। শঙ্কৰদেৱৰ মতানুবৰ্ত্তী বুলি মাধৱদেৱৰ ওপৰত নিগ্ৰহ হোৱাটো স্বাভাৱিক, বিশেষতঃ অন্য ৰজাৰ সভাত কিন্তু দামোদৰদেৱে যদি শঙ্কৰদেৱতকৈ বেলেগ আৰু সাৰ্বজনীন ধৰ্ম-শিক্ষা দিছিল তেনেহ'লে তেখেতৰ ওপৰত অভিযোগ উঠিল কি বুলি?

তেহো এক শৰণ লগাইলা লোকক।
শৰত কালৰ পূজা লোকে এৰিলেক॥

হ'ব পাৰে অনুমতি সূচকসকলে ধৰ্মৰ প্ৰগাঢ় ভাব নুবুজি সেই ধৰ্মৰ পৰিলুপ্তমান ফল দেখি খল লগাইছিল। কিন্তু অভিযোগৰ উত্তৰস্বৰূপে দামোদৰদেৱে যি তেজস্বী উত্তৰ দিছিল তাৰপৰাওতো

এইটো অনুমান কৰিব নোৱাৰি যে তেওঁ বিশেষ বিভিন্ন মত প্ৰচাৰ কৰিছিল। বৰং বিপক্ষবো মনৰ সংশয় ছেদ কৰিবলৈ এই সুযোগতে তেওঁৰ মত বিশদভাৱে বুজাই দিব লাগিছিল। যি হওক ৰাজমতৰ লগত দামোদৰদেৱৰ মত নিমিলিল আৰু তেখেতে কামৰূপ ৰাজ্য এৰি কোচবিহাৰলৈ গ'ল।

তৃতীয় সংখ্যা 'প্ৰদীপিকা'ত ওলোৱা শ্ৰদ্ধাস্পদ শ্ৰীযুত লক্ষ্মীকান্ত মিশ্ৰভাগৱতীদেৱৰ প্ৰবন্ধৰ বিষয়ে অলপ কৈ এই ক্ষুদ্ৰ প্ৰবন্ধৰ সামৰণি পেলাম। ভাগৱতীদেৱে কয় যে দামোদৰদেৱ শাক্ত ধৰ্মৰ বিৰোধী নাছিল যদিও চৰিত লেখকসকলে বিৰোধী বুলি কৈছে সেইটো তেওঁলোকৰেই ভুল। আৰু যদিও বা দামোদৰদেৱে আগৰ ডোখৰত বিৰোধী আছিল, শেহভাগত তেখেতে মত সলাইছিল। ভাগৱতীদেৱৰ সিদ্ধান্ত ঠিক হ'লেও হ'ব পাৰে, তথাপি দামোদৰদেৱে যে মত সলাইছিল তাৰ কোনো প্ৰমাণ পৰৱৰ্তী চৰিত লেখকসকলৰ পুথিততো নায়েই, তেওঁৰ সমসাময়িক শিষ্যসকলে লেখা পুথিতো নাই। যেনে সমসাময়িক ৺গোপাল মিশ্ৰই এই বিষয়ে কোনো কথাই কোৱা নাই। ভাগৱতীদেৱে শেষ অৱস্থাত মত পৰিবৰ্ত্তন হোৱা বুলি অনুমান কৰে, কিন্তু দুৰ্ভাগ্যবশতঃ শৰত পূজা লোপ কৰা বুলি ৰাজনিগ্ৰহ তেখেতৰ শেহ অৱস্থাতে ঘটে। আৰু অভিযোগকাৰীসকল যে শাক্ত আছিল অভিযোগৰ উক্তিৰূপৰাই পৰিচয় পোৱা যায়। তাত বাজেও দামোদৰদেৱে উজনিৰপৰা ভটিয়াই আহোঁতে হাজোতহে ভালেমান দিন থকাৰ কথা আছে, কিন্তু কামাখ্যা দেৱীৰ মন্দিৰ দৰ্শন কৰিবলৈ অহা বুলি কোনো উল্লেখ নাই। ৺ভট্টদেৱ আগৰ ডোখৰত তন্ত্ৰমতাৱলম্বী আছিল বুলি এখন পুথিত উল্লেখ আছে, দামোদৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰি কোন মতাৱলম্বী হ'ল? আহোমৰাজ গদাধৰসিংহ স্বৰ্গদেৱৰ দিনত যি বৈষ্ণৱ উৎপীড়ন হয়, তেতিয়া উজনিৰ দামোদৰীয়া সত্ৰবোৰৰ ওপৰত উৎপীড়ন কি বুলি হৈছিল সেইটোও ভাবিবলগীয়া। গ্ৰীক পৌৰাণিক আখ্যান এটি আছে—কোনোবা এটি দানহৰ এখন ডোখৰ খাট আছিল। সি মানুহ লগ পালেই আতৌ-পুতৌকৈ সাদৰ শুশ্ৰূষা কৰি খাটত শুবলৈ দিয়ে। আৰু খাটতকৈ মানুহটো চুটি হ'লেও দানহে টানি আঁজুৰি খাটৰ সমান কৰি লয় আৰু দীঘল হ'লেও চেপি খুন্দি খাটৰ সমান কৰি লয়। আলহীৰ শেষ অৱস্থা সহজে অনুমান কৰিব পাৰি।

দুৰ্ভাগ্যবশতঃ বহুত সময়ত আমিও এই দানৱ-বৃত্তিহে অৱলম্বন কৰোঁ।

শেহত এটি কথালৈ বৰদলৈদেৱক মন দিবলৈ খাটো। কোনো আলোচনী কাকতভেই অদ্ভুত মতভেদ থকা বিষয় লৈ আলোচনা কৰোঁতে 'বেনামী' প্ৰবন্ধ ছপা কৰা যুগুত নহয়। 'বেনামী' প্ৰবন্ধ ছপাব ধৰিলে অনেক সময়ত কুৰুচিক প্ৰশ্ৰয় দিয়া হয়। এই দোষত অসমীয়া কাকত প্ৰায়-বোৰেই দূষিত। কিন্তু 'প্ৰদীপিকা'ৰ বিশেষ উদ্দেশ্যই যেতিয়া সদ্ধৰ্ম প্ৰচাৰ কৰা, 'বেনামী' প্ৰবন্ধ ছপোৱাত নৈতিক দুৰ্বলতাক আশ্ৰয় দিয়াহে হয়। (১০ম বছৰ ৬ষ্ঠ সংখ্যা। বাঁহী)

বিজলী

প্ৰথম প্ৰকাশ[১]

(১)

'অসম প্ৰদীপিকা'ই সদ্ধৰ্ম আলোচনা কৰি বহুত গৱেষণাপূৰ্ণ প্ৰবন্ধ উলিয়াইছে। ধৰ্ম-কৰ্ম সকলোবোৰ আলোচনা কৰি ৰাজ্যৰ আগত দাঙি ধৰিছে আৰু নিৰপেক্ষ বাইজে নিশ্চয় সেইবোৰ আলোচনা কৰি চাইছে। ৪ৰ্থ সংখ্যাত বহুত পুৰাতন জগৰ আৰু নতুন জগৰবো উল্লেখ কৰিছে। সামাবাদৰ দিনত উল্লেখ কৰাই ভাল। কিয়নো তেনেহ'লেহে সকলোৱে নিজ নিজ মত আলোচনা কৰি সত্যত উপস্থিত হোৱাৰ সুবিধা পায়।

'প্ৰদীপিকা'ই উন্নুকিয়াইছে 'বাঁহীয়ে' হেনো কামৰূপী আৰু উজনি ভাষাৰ দল সৃষ্টি কৰিলে, তাৰ আগেয়ে কামৰূপীয়া নিমাত আছিল। 'বাঁহীয়ে' কি বুলি জোকাইছিল মনত নাই, কিন্তু 'বাঁহী'ৰ কথাতেই কামৰূপীয়াৰ ভেম নহয়। কামৰূপীয়াৰ খদ, এই বস্তু-বাহানিৰ দুৰ্মূল্যতাৰ দিনতো টেক্‌ষ্ট বুক এখন লিখি পইছা এগাল খাবলৈ নেপায়। টেক্‌ষ্ট বুক লিখিবলৈ গ'লেও লোকৰ ভাষাত হেনো লেখিব লাগে, তাতে ভুল-ভ্ৰান্তি আছেই। ইমান দুখ-কষ্ট কৰি লিখা সত্ত্বেও, কঠুৱা টেক্‌ষ্ট বুক কমিটিয়ে 'নামঞ্জুৰ' কৰে। বহুত কামৰূপীয়াক ভাষাৰ বিষয়ে আক্ষেপ কৰা শুনিছো ওপৰত কোৱাৰ দৰেহে—যি হওক 'বাঁহী'ৰ ৰণ-ভেৰীত কামৰূপীয়াৰ অলপ গা লৰিছিল যদি, তেওঁলোকেও 'আসাম বান্ধৱ' আদি কাকত উলিয়াই বাওঁহতীয়া যুঁজ এখন কৰিছিল। যদি যুঁজত জিকিছে ভাল কথাই, যদিহে হাৰিছে কামৰূপীয়াই honourable retreat কৰি থকাই উচিত। 'প্ৰদীপিকা'ই যদি কয় যে কামৰূপীয়াই বোহ কৰি পুথি লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি নিদিয়ে, 'বাঁহী'ৰ ৰণ-ঘোষণাৰ আগেয়ে কামৰূপীয়াই কেইখন পুথি লিখিছিল? দুখ কৰিলে কি হ'ব? বৰদলৈদেৱ, সকলো সেই দেৱীৰেই মায়—'য দেৱী সৰ্বলোকেষুটঙ্কাৰূপেণ সংস্থিতা।' টঙ্কা দেৱীৰ আংশিক অৱতাৰ তাম্ৰমুদ্ৰাৰ মায়াতো যেতিয়া মানুহে দহ-বাৰ মাইল ব'দত খোজ কাঢ়ে, কামৰূপীয়াসকলে চাৰিবাৰ কথা লিখি ঘৰতে বহি এমুঠি টকা পাবলৈ আশা কেনেকৈ এৰে? যি হওক, টেক্‌ষ্টবুক কমিটিয়ে মঞ্জুৰ কৰক-নকৰক মেম্বৰসকলে জানে। কিন্তু 'বাঁহী' সম্পাদকে নামঞ্জুৰ কৰিবলৈ চিঠি লিখিছিল নে নাই বিচাৰ কৰি চালে ভাল। আপুনি যেতিয়া কামৰূপীয়াৰ দুখত কাৰুণ্য প্ৰকাশ কৰিছে, অলপ সোধ-পোচ কৰি চালে বহুত নিঃকিনৰ উপকাৰ হয়। কিন্তু বেজাইৰ কথা, "আসাম বান্ধৱ"ৰ যুঁজাৰুসকলে ভাগৰ পলুৱাবলৈ মুচুকুন্দৰ টোপনি টোপনিয়াইছে নে বোহ পাতিয়েই ইমান দিনে কোনো ভাষাতেই এখনো পুথি মুলিয়ালে, যশস্পত্যাদি বাপুসকলক সুধি চাবচোন।

১. বাঁহী, ১০.৭, কাতি ১৮৪২

(২)

'বাঁহী'ৰ কোনোবা বন্ধুক হেনো কোনোবা গোসাঁয়ে শঙ্কৰদেৱক 'দেৱ' বুলিবলৈ হাক দিছে। শুনা কথা, সঁচা-মিছা ক'ব নোৱাৰোঁ—চহকী অসমীয়া 'বাবু'সকলৰ ঘৰৰ পাচক ঠাকুৰসকলে হেনো জাতি-নির্বিশেষে 'বাবু'সকলক 'দেউতা' বুলি মাতে। এই পাচক ঠাকুৰসকল শূদ্র 'বাবু'সকলৰ ৰান্ধনিশালৰপৰা ওলাই গ'লে, বিপ্র 'বাবু'সকলৰ ৰন্ধা-ঘৰত সোমাব পাৰেনে ?

(৩)

অতিশয় সুখৰ কথা বৰদলৈদেৱে শঙ্কৰদেৱৰ চৰিত পুথিবোৰৰ আলোচনা আৰম্ভ কৰিছে। মহাপুৰুষ আটাইকেইজনৰ চৰিত্ৰবোৰত ক'ত কি আছে সকলো কথা উলিয়াই ৰাইজৰ আগত দাঙি ধৰি সামঞ্জস্য কৰিবলৈ সুবিধা দিয়াত ৰাইজৰ উপকাৰত বাজে অপকাৰ নহয়। চৰিত-বোৰৰ আলোচনা কৰি শেহ মন্তব্য নিদিয়ে মানে আমাৰ একো কোৱা উচিত নহয়। কিন্তু বৰদলৈদেৱে তেওঁক লগা কথাবোৰ বেছিকৈ কাঁহিয়াই, তেওঁক তেওঁৰ বিশেষ অপ্রয়োজনীয় বা অপ্রীতিকৰ দুই-এটি কথা দীঘলীয়া খোজ কাঢ়ি এৰি গৈছে। নিৰপেক্ষ পাঠকে সেইবোৰৰপৰাও সত্যানুসন্ধানত সহায় পাব পাৰে বুলি supplementary ভাৱে উল্লেখ কৰিলোঁ।

শঙ্কৰদেৱৰ উজনি-পৰিত্যাগৰ বিষয়ে বৰদলৈয়ে এইকেৰাহে কৈছে,—"শঙ্কৰদেৱে বেছকৈ বুজিলে যে তেওঁলোকৰ ৰাজ্যগ্রাহী আহোম ৰজাৰ ৰাজ-সভাত তেওঁৰ কোনো বিশেষ বন্ধু নাই, ইত্যাদি। উত্তম কথা, কিন্তু অবন্ধুৰ ভিতৰতো কোন কোন prominent আছিল বৰদলৈ সেই বিষয়ে নিমাত। তেওঁ শঙ্কৰদেৱৰ উজনি পৰিত্যাগ কথাটোক entirely political colouring, ৰাজনৈতিক ঢাকনি দি এৰি দিব খুজিছে। অৱশ্যে ভূঞা-আহোমৰ মনোমালিন্যত political reasons, ৰাজনৈতিক বিৰোধ থকাটো সম্ভৱ। কিন্তু এই বিৰোধৰ ছেগ বুজি কোনোবা তৃতীয় পক্ষই সুবিধা বিচাৰিবৰ সম্ভৱ আছিল নে নাই, সেইটোও চাব লাগে।

ইতিহাসজ্ঞ পাঠকসকলে জানে যদিও, সংক্ষেপে ব্রাহ্মণ্যধর্মৰ আহোম ৰাজ-ঘৰত প্রৱেশৰ কথা অলপ কওঁ। আহোমৰাজ তাওখামথিৰ দ্বিতীয় মহিষীৰ সন্তান চুড়াঙ্গফা ১৩২০ শকত ৰাজপাটত বহে। ৰাজপৰিবাৰৰ ষড়যন্ত্রৰ ফলত সকতে তেওঁ এজন বামুণৰ ঘৰত প্রতিপালিত হয়, সেই দেখি তেওঁক বামুণী-কোঁৱৰ বুলিছিল। ৰাজপাটত বহাতো কৃতজ্ঞতা-পৰবশ হৈ কোঁৱৰে 'বামুণৰ ঘৰোৱাহি'কে নগৰলৈ নিলে। বুৰঞ্জীত ইয়াৰ details আছে। তেতিয়াৰপৰাই শালগ্রাম ৰাজচাওলৈ উঠিল আৰু তেওঁক পালন কৰা বামুণেও শাসনাদি কার্যত অনেক হাত দিছিল।

এই সময়তেই বা ইয়াৰ পিছতেই আহোম ৰজাসকলৰ হিন্দুমতে জন্ম-কোষ্ঠী গণনা আৰম্ভ হয়। প্রবল প্রতাপশালী ৰাজকুলক নিজৰ কৰীয়া কৰি ৰাখিবলৈ বিপ্রসকলে স্বর্গৰ ইন্দ্রক নমাই আনি ইন্দ্রবংশীয় বুলি জন্ম-নক্ষত্র নিৰাকৰণ কৰিলে। চুহুমুং ১৪১৯ শকত সিংহাসনত উঠে

আৰু অভিষেকৰ সময়ত নতুন গণনা অনুসাৰে এওঁৰ নাম ৰখা হ'ল স্বৰ্গনাৰায়ণ। সদিয়াৰ দেৱৰৰ শুশ্ৰূষা আদি কৰিবৰ নিমিত্তে লোকে নিয়োগ আদি শাস্ত্ৰীয় অনুষ্ঠানো চলিল। তীক্ষ্ণবুদ্ধি আহোম ৰাজৰ হিন্দু ধৰ্মত আস্থা থাওক নেথাওক, হিন্দুৰ এটি দল তেওঁৰ হাতত পৰিল। ভূঞা-বংশক সন্দেহৰ চকুৰে চালেও চাই থাকিব পাৰে, কিন্তু এইদৰে স্থানীয় মানুহৰ এটি দল তেওঁৰ হাতলৈ গ'ল। এইজন ৰজাৰ আগতে শঙ্কৰদেৱৰ প্ৰথম বিচাৰ হয়। বামুণসকলে খল লগালে—শঙ্কৰদেৱে প্ৰথম ধৰ্ম প্ৰচাৰ কৰি ৰাজ্য ভাঙিলে। শঙ্কৰদেৱে কেনেকুৱা ন্যায়বিচাৰ পাব সহজে অনুমান কৰিব পাৰি। এনেই ভূঞাৰ ঘৰৰ ল'ৰা, তাৰ উপৰিও বামুণসকলে আগেয়ে নতুন জন্ম-গোষ্ঠী আদি তৈয়াৰ কৰি ৰজাৰ কাণৰ ওচৰত ফুচ-ফুচাবলৈ চেলু কৰি লৈছে। তথাপি শঙ্কৰদেৱৰ ন্যায়বিচাৰেই হ'ল আৰু নিৰ্দোষী বুলি মুক্তি পালে। ইয়াৰ পাছতো বামুণসকলৰ লগত ধৰ্মৰ বিষয়ে নানানভাৱে শঙ্কৰদেৱৰ বাদানুবাদ হৈছিল। এতিয়া হাতী ধৰাৰ ফন্দি উলিয়াই ভূঞা পোৱালিক ধৰাই দিবৰ কাৰ বেছি অহোপুৰুষাৰ্থ হোৱা সম্ভৱ? বামুণসকলে ঠায়ে ঠায়ে পূজা-পাতলৰ ভাৰ পালে হয়; কিন্তু এই যে ভূঞা পোৱালিটি ৰাজবিচাৰতো মুক্ত হৈ গ'ল, এইটো পূজাৰ ঠাকুৰসকলৰ টোপনিৰ সমাজিক আৰু দিঠকৰ প্ৰহেলিকা হ'ল। শঙ্কৰদেৱৰ বিৰুদ্ধে অভিযোগ দুটি—ধৰ্ম আৰু ৰাজবিদ্ৰোহ। যেতিয়া দুয়ো বিষয়তে নিৰ্দোষী প্ৰমাণ হ'ল, ধৰিবৰ অন্য ফন্দি দৰকাৰ হ'ল। ধৰিবৰ মতলব আছিল শঙ্কৰদেৱক, কিন্তু "অৰ্দ্ধং ত্যজতি পণ্ডিত:" কৰি হেংদাওৰ কোব পৰিল নিঃকিন হৰি জোঁৱাইৰ গলত। ভূঞাৰ অন্নেৰে পৰিপুষ্ট হোৱাসকলৰ এয়ে কৃতজ্ঞতা নে?

অসমীয়া ৰাইজে হয়তো স্মৰণ কৰি আছে 'শুদ্ধ সনাতন' ভাৰতীয় ধৰ্মত য়ুৰোপীয় দেশৰ দৰে ধৰ্মবিদ্বেষ ৰক্তপাতত পৰিণত হোৱা নাছিল। ৰাইজে ভাবি চাওক—য়ুৰোপত ধৰ্মৰ বিষয়ে ৰক্তপাত প্ৰায়েই দেখা-দেখিকৈ হৈছিল, কিন্তু ভাৰতত প্ৰচ্ছন্নভাৱে, গুপুতভাৱে, কাপুৰুষৰ দৰে হৈছিল। ৰাম অৱতাৰত শূদ্ৰ তপস্বীৰ মস্তক ছেদন হৈছিল কি অভিযোগত? বামুণৰ ল'ৰা মৰিল, জগৰ লাগিল বেচেৰা শূদ্ৰ তপস্বীৰ গাত। পৰম পুণ্যাত্মা ভগৱান শঙ্কৰাচাৰ্যক তান্ত্ৰিক অভিচাৰৰ দ্বাৰা ৰক্তস্ৰাৱ কৰাইছিল, পুণ্যক্ষেত্ৰ কামৰূপতে যি কাপুৰুষসুলভ পীড়নৰ দ্বাৰা পুণ্যাত্মাৰ জীৱন অতি অলপ বয়সতেই বিলোপ হ'ল। অপবাধ তৰ্কত বিপক্ষবাদী তান্ত্ৰিকসকলে বলে নোৱাৰিলে। আচাৰ্য ৰামানুজে যেতিয়া প্ৰতিভাৰ বলত চাৰিওফালে উদ্ভাসিত কৰিব ধৰিলে, যি গুৰুৰ ওচৰত বাল্যকালত বিদ্যাশিক্ষা কৰিছিল, ঈৰ্ষাপূৰ্ণ উপাধ্যায়ৰ গুপুচৰে পদে পদে তেওঁৰ জীৱন বিপদগ্ৰস্ত কৰি তুলিছিল।

অসমীয়া ৰাইজ চিৰকাল দুধ-ছাগুৰ ব্যৱস্থাতে নেথাকিব। অলপ টান খাদ্য খাবলৈ প্ৰস্তুত হওক। অলপ চকু মেলি চাওক, পুৰাণ, তন্ত্ৰ আদি নিজেও অলপ মেলি চাওক। সকলোৱে সংস্কৃত নুবুজে, বেছিভাগ হিন্দু গ্ৰন্থই বঙলা ভাষাত অনুবাদ হৈছে। ভাষা গ্ৰন্থৰপৰা শাস্ত্ৰজ্ঞান নহয় বুলি

তয় দেখুৱাব, কিন্তু মনত ৰাখিব An ounce of fact is greater than tons of fiction. "অম্লোদ্‌গাৰ" হ'ব বুলি বিভীষিকা দেখুৱাব, কিন্তু তন্ত্র শাস্ত্রতেই পাব, কোনোৰ তান্ত্রিক প্রক্রিয়া সাধনা কৰিব লাগিলে নানান বিভীষিকা অতিক্রম কৰিহে সাধ্য বস্তু লাভ হয়। নাইবা অম্লোদ্‌গাৰ হয় বুলি কোন মানুহ শুকাই মৰে? নিজ চকুৰে বিশাল গ্রন্থৰাজি চাবলৈ চেষ্টা কৰক, দেখিব আগত প্রশান্ত শাস্ত্রবাৰিধিৰ ভিতৰত ৰত্নও মিলিব আৰু তিমি-মগৰৰ যুদ্ধও দেখিব।

বৰদলৈৰ দ্বিতীয় দীঘলীয়া খোজ হৈছে ভূঞা আৰু কোচ ৰজাসকলৰ সম্বন্ধ নির্ণয় কৰাত। সম্পাদকে বন, হাবি জুৰি দীপিকাৰ পোহৰত অসমীয়া ৰাইজক প্রকৃত চিত্র দেখুৱাবলৈ চেষ্টা কৰিছে, কিন্তু the other side of the picture বিজুলীৰ পোহৰত ৰাইজে দেখোক। কোচ ৰজাসকলৰ জন্ম-কোষ্ঠী বৰদলৈয়ে নকৰিলেও আন এজন দৈৱজ্ঞে ভাষ'-গ্রন্থত কৰি গৈছে। ভাষা-গ্রন্থ নমনাসকলে 'যোগিনীতন্ত্র' মেলি চালেও পাব। ভূঞাৰ বল্গুৰ অলপদিনীয়া। শঙ্কৰদেৱসকলৰ আদি পুৰুষসকলৰ দিনত ভূঞা আৰু কোচ ৰজাসকলৰ বহুত যুদ্ধ-বিৰোধ হৈ গৈছে।

সি যি হওক, কোচ ৰজাসকল যেতিয়া নিজৰ পৰাক্রমেৰে মহা গৌৰৱান্বিত হৈ উঠিল, তেওঁলোকৰোতো জন্ম-কোষ্ঠী এখন গণনা কৰিব লাগিল। নহ'লেতো বিপ্রসকল নিৰুপায়। গণনাত ৰাহিৰ হ'ল, এখেতসকল শিৱবংশী, শিৱসন্তান। অসমীয়া ৰাইজে অলপকৈ গণনা প্রণালী চাই লওক।

দৈৱজ্ঞ বদতি তুমি ৰাজাৰ নন্দন।
তযু আজ্ঞা পালিবাক লাগে সর্বক্ষণ ॥
যি কথা পুছিলা অতি পৰম গহন।
কেনে পদ নিবন্ধিবো আমি মূর্খজন ॥
(সূর্যখড়ি দৈৱজ্ঞ)

হাৰিয়া মণ্ডল নামে এজন প্রবল মেচ আছিল। তেওঁৰ হীৰা নামে পৰমা সুন্দৰী ভার্যা এজনী আছিল। এদিন 'কৈলাসৰ হন্তে হৰ পৃথিৱীক আসি' হীৰাৰ সৌন্দর্যত বিমোহিত হৈ শিলিখাৰ তলত চুপি আছিল। পথাৰলৈ 'হাৰিয়াক লাগিয়া হীৰাই নেন্ত ভাত।' ক'বলৈ পাহৰিছোঁ, বহুৰূপী শিৱেই হাৰিয়া মণ্ডলৰ ভেশছন কৰি আছিল এনে সুযোগতে

মনোৰঙ্গে সদাশিৱে হাসি কৌতূহলে।
হীৰাক হৰিলা সেই শিলিখাৰ তলে ॥
(সূঃ খঃ দৈঃ)

অনেকটা এইবোৰ স্তুতিবাদৰ দ্বাৰা বিমোহিত হৈ অনেকটা প্রজাৰঞ্জনার্থে কোচ ৰজাসকলে চাৰিওপিনে পূজা-পাতলাদিৰ ব্যৱস্থা কৰি বৃত্তি দিয়াত শঙ্কৰদেৱ ভটিয়াই অহাৰ বহুত বছৰৰ আগৰেপৰাই কোচবিহাৰ ৰাজ্য সংস্কৃত শাস্ত্র-চর্চাৰ কেন্দ্রস্থান হৈ উঠিছিল। কিয়নো বিশ্বসিংহ

ৰজাৰ দিনতে “কান্যকুব্জ, মিথিলা, নৱদ্বীপ, কাশী, গৌড়, প্ৰভৃতি প্ৰধান নগৰৰপৰা ব্ৰাহ্মণসকলক মতাই আনি পুৰাণ, তন্ত্ৰ ইত্যাদি চৰ্চা কৰা হৈছিল।”

ৰাজপদত স্থাপিত হ’বৰ আগত কোচ ৰজাসকলৰ পূৰ্বপুৰুষসকলৰ নাম আছিল যথা—

পাণবৰ ভেদেলা আৰু গুবাবৰ।
ফেদফেদো বৰিহনা মেচ শ্ৰেষ্ঠতৰ ॥
কাঠিয়া বৈহাগু মেঘা বুদ্ধাবৰ নাম।
গড়কাটা জগাই ভোখোৰা অনুপাম ।।

(সুঃ খঃ দৈঃ)

বিপ্ৰসকলৰ গণনাৰ ফলত নাম হ’ল মল্লদেৱ বা নৰনাৰায়ণ, শুক্লদেৱ বা শুক্লধ্বজ ইত্যাদি। সভাত বামুণসকলে স্তৱ পাঠ কৰিছিল “বিজয়তে শ্ৰীমল্লদেৱনৃপঃ” বুলি। পুৰুষোত্তম বিদ্যাবাগীশৰ নিচিনা পণ্ডিতেও উল্লেখ কৰিব লগাত পৰিছিল “শ্ৰীমল্লদেৱস্তুগুণৈকাসন্ধেঃ” ইত্যাদি।

কোচ ৰজাসকলৰ কামৰূপ ৰাজ্যৰ লগত সম্বন্ধ থকাৰ সময়ৰ কথাকে নকওঁ, আজিও বামুণ ঠাকুৰসকলে নৰনাৰায়ণ, শুক্লধ্বজৰ খোদিত প্ৰস্তৰ মূৰ্তি দেখুৱাই দুই-চাৰি পইছা যাত্ৰীসকলৰপৰা আদায় কৰি লয়। এনেহেন বামুণসকলৰ স্তুতি আৰু চাটুবাক্যতো বিমোহিত নহৈ কোচ ৰাজকুলে ভূঞাৰ ঘৰৰ ছোৱালী বিয়া কৰায় উচ্চবংশৰ লগত সম্বন্ধ কৰা বুলি শঙ্কৰদেৱৰ ফলীয়াহে হ’ল। নৰনাৰায়ণদেৱ নানা শাস্ত্ৰবিশাৰদ আছিল বুলি বামুণীয়া স্তৱতো পোৱা যায়— “নানাশাস্ত্ৰবিচাৰচাৰুচৰিতঃকন্দৰ্পৰূপোজ্জ্বলঃ।” তেওঁ অকলে শঙ্কৰদেৱৰ বিচাৰ কৰিছিল নে কোষ্ঠী গণনা কৰা সকলো সভাত আছিল? তথাপি ৰবদলৈয়ে কয়—“ভিতৰি যেনে হ’লেও শঙ্কৰদেৱলৈ এফেৰা সহানুভূতি আছিলেই আছিল।” ৰবদলৈদেউ, এদিন বাৰজনৰ কোষ্ঠী গণনা কৰি দেৱক স্বীকাৰ কৰিব লগাত পৰিছিল, যাৰ বদান্যতা গুণত এতিয়াও ভালেমান বামুণে জীৱিকা নিৰ্বাহ কৰি আছে, 'যাৰ প্ৰস্তৰ মূৰ্তি দেখুৱাইও বিপ্ৰসকলে দুই-চাৰি পইছা লয়; সেইজনৰেই আজি ন্যায় বিচাৰত দোষাৰোপ কৰাটো true to salt হয়নে? তাত বাজেও অলপ দিনতেই বিচাৰৰ আসন শূন্য কৰি আহিছে মাথোন, বিচাৰৰ এনেকুৱা ব্যাখ্যা শুনিলে দহজনে কি ভাবিব? আপোনালোকে শাণিত শাস্ত্ৰীয় যুক্তিৰে সকলোকে খণ্ডন কৰিব পাৰে, কিন্তু শ্ৰীৰামচন্দ্ৰই দেখোন “লোকাপৱাদো বলৱান্ মতো মে” বুলিহে কোৱা বুলিহে শুনা যায়।

(৪)

৪ৰ্থ সংখ্যা ‘প্ৰদীপিকা’ৰ ১৫৭ পিঠিত ৰবদলৈদেৱে ‘বাঁহী’ সম্পাদকক ধমকাইছে—“হেঃ, দামোদৰী পন্থৰ শূদ্ৰসেৱকসকলৰ মনত ধৰ্মৰ বিষয়ে rebellious idea দিব খুজিছানেকি?” ইত্যাদি। আমি কিন্তু কাৰ কি আশয় একো বুজিব নোৱাৰিলোঁ। দুই সম্পাদকৰ ভিতৰত

এইখন অজা-যুদ্ধ নেকি? দুয়ো সম্পাদকে দেখোন যুঁজ কৰাও দেখোঁ; আকৌ বন্ধুবৰ, বান্ধ ইত্যাদি সম্বোধন কৰাও দেখোঁ। দুয়োৰে কিবা গুপ্ত অভিসন্ধি আছে নেকি? এজনে প্ৰশ্ন কৰে আৰু আনজনে লোকে শুনে বুলি দহজনে বুজিব নোৱৰাকৈ ইংৰাজীতে ফুসুধিৰলৈ কয়।

Rebellious idea!! দামোদৰীয়া পন্থৰ ব্ৰাহ্মণ ভক্ত আৰু শূদ্ৰ সেৱকসকলৰ মনত বিৰুদ্ধ ভাব!! ববদলৈদেৱে নিজপন্থী শূদ্ৰ সেৱকসকলৰ ওপৰত ইমান সোনকালে বিশ্বাস হেৰুৱায় কিয়? আজি চাৰি-পাঁচশ বছৰে দামোদৰীয়া শূদ্ৰসেৱকসকলক "হেৰা, তোমালোকেহে বেদৰ ধ্বজা লৈ ৰাজবাটেদি যাব লাগিছা, মহাপুৰুষীয়া সকলতো এন্ধাৰতে খোজ কাঢ়িব লাগিছে" বুলি উচটাই দি ভাবমূঢ় কৰিহে আচাৰ্যসকলে দামোদৰীয়া শূদ্ৰ সেৱকসকলক বশত ৰাখিছিল নে তেওঁলোকক কিবা প্ৰকৃত শিক্ষাও দিছিল যে ববদলৈদেৱে 'বাঁহী'ৰ ফুকতে শূদ্ৰ সেৱকসকলে গোকুলৰ গোপী-সকলৰ দৰে আত্ম-সংযমৰ জৰি ছিঙি চেকুৰি পলাব বুলি ভয় কৰে? ববদলৈদেউ! আৰু কেইদিনমানলৈ ভয় নাই। যদিও আপুনি অসমীয়া বৈষ্ণৱ মতত ক'ৰবাৰ 'মধুৰ ভাবৰ'গোন্ধ বিচাৰিছে সেইটো যে প্ৰধান নহয় 'বাঁহী'ৰ সুৰত "দামোদৰী শূদ্ৰসেৱক" নপলোৱা কথাতে পৰিচয় পাব।

'প্ৰদীপিকা'ৰ যুক্তি-তৰ্কৰ গতিবিধি লক্ষ্য কৰি যিদিনা দাঃ শূদ্ৰসেৱকসকলৰ সুপ্ত আত্ম-সন্মানৰ ভাব জাগি উঠিব, সেইদিনা কি হ'ব কোনে জানে? শূদ্ৰসেৱকসকলে 'দীপিকা'ৰ প্ৰচ্ছন্ন গতিৰ-ফালে চকু দিয়া নাই, তেওঁলোকে ভাবিছে এইখন 'দামোদৰ উদ্ধাৰ' ৰণ; ইমান দিনে "মহাপুৰুষীয়া বোলাওঁতা পাষণ্ড"সকলৰ দ্বাৰা প্ৰপীড়িত হৈ দামোদৰদেৱৰ যি দুৰ্দশা হৈছিল, আজি ভেৰী বজাই 'প্ৰদীপিকা'ই যি বজনা বজাইছে শূদ্ৰ ভকতসকলে তাৰে ছেৱে ছেৱে নাচিছেহে নাচিছে, কোন পিনে যাব লাগিছে ঠাৱৰ কৰিব পৰা নাই, আনন্দত আপ্লুত। সৰুতে ককাদেউতা আৰু বুঢ়ী আইৰ মুখে পুৰণি কালৰ ভলা-ছিকাৰ বুলি এবিধ চিকাৰৰ কথা শুনিছিলোঁ। এজনে মূৰৰ ওপৰত ভলা এখনত 'দীপিকা' (চাকি) এটি লৈ নাচি নাচি যায়, চাকিৰ ছাঁত দা হাতত লৈ আৰু এজনে লাহে লাহে যায়, আৰু এজনে শঙ্খ-ঘণ্টা বজায়। নাচি অহা চাকিৰ পোহৰলৈ একেথৰে চাই থাকি শঙ্খধ্বনিত মুগ্ধ হৈ থকা দেখিলেই অজলা হৰিণাৰ গলত অকস্মাতে দাৰ কোব পৰে।

দামোদৰীয়া শূদ্ৰসেৱক আৰু "মহাপুৰুষীয়া বোলাওঁতা পাষণ্ড"সকল, ধৈৰ্য ধৰি শুনক, বিচাৰ কৰি হয় নহয় অৰ্থ গ্ৰহণ কৰিবৰ আগেয়ে অলপ অতীত যুদ্ধৰ প্ৰণালী শুনি লওক:

যি দিন বুদ্ধদেৱে পৌৰোহিত্যৰ নিৰ্মল জাল ছিঙি বিপুল প্ৰতিভাৰ বলত ভাৰত কঁপাই দিয়ে, সেই দিনৰপৰাই ভাৰতৰ ধৰ্ম-ইতিহাসত এক জটিল সমস্যা উপস্থিত হয়। শতাব্দীৰ পিছত শতাব্দী যুঁজিও যেতিয়া ব্ৰাহ্মণ্য ধৰ্মৰ ক্ষুণ্ণ গৌৰৱ ৰক্ষা কৰা টান হ'ল, তেতিয়া এটি বৰ কুটিল নীতি আৰম্ভ হ'ল। ব্ৰাহ্মণসকলে এপিনে বিষম বিদ্বেষ কৰি বৌদ্ধসকলক নিগ্ৰহ কৰিবৰ চেষ্টা কৰিলে; আনপিনে জনসমাজত প্ৰচাৰ কৰি দিলে যে ভগৱান বিষ্ণু স্বয়ং বুদ্ধৰূপে পাষণ্ডসকলক সম্মোহিত

কৰিবলৈ অৱতীৰ্ণ হৈছে। "প্ৰদীপিকা"ই এনেকৈ উদ্ধাৰ কৰি দিলেই—

ততঃ কলৌ সংপ্ৰবৃত্তে সম্মোহায় সুৰদ্বিষাম্।
বুদ্ধো নামাঞ্জনসুতঃ কীকটেষু ভৱিষ্যতি ॥

(কলিকাল আৰম্ভ হ'লে অসুৰবিলাকক মুগ্ধ কৰিবলৈ গয়াত জন্ম ল'ব।) এই দৰেহে বেদ-বিৰুদ্ধ ধৰ্ম প্ৰচাৰ কৰিও বুদ্ধদেৱ হিন্দুৰ দশাৱতাৰৰ ভিতৰত পৰি চিৰনমস্য হৈ আছে। কিন্তু বুদ্ধদেৱৰ ওপৰত আক্ৰোশ বামুণসকলৰ এতিয়াও যোৱা নাই। প্ৰথমতঃ বুদ্ধদেৱে বেদ নেমানিছিল। সেই কাৰণে তেওঁৰ ওপৰত আক্ৰোশ হোৱাটো স্বাভাৱিক আৰু যদিও বা কূট-তৰ্কৰ বলত কিবা ৰূপে বৌদ্ধধৰ্মক টানি-আঁজুৰি হিন্দু ধৰ্মৰ ভিতৰত পেলাবৰ চেষ্টা হ'লহেঁতেন, বুদ্ধদেৱ বামুণ নাছিল।

শঙ্কৰাচাৰ্য জ্ঞানবাদী আছিল। যেতিয়া ভক্তিবাদ প্ৰচলিত হ'বলৈ আৰম্ভ হ'ল তেতিয়া জ্ঞানবাদৰ আগত ভক্তিবাদ টিকিব নোৱাৰিব ভাবি শাস্ত্ৰকাৰসকলে ঢোল কোবাই দিলে যে ভক্তি-মাৰ্গত সকলো লোক মুক্ত হৈ যায়, ভগৱানৰ সৃষ্টি আৰু নচলে—

ভক্তি মাৰ্গে সব লোক মুক্ত হৈয়া যায়।
ভগবানেৰ সৃষ্টি লীলাখেলা নাহি ৰয় ॥

সেই দেখি লোক বিড়ম্বনা কৰিবলৈ ঈশ্বৰাংশ শঙ্কৰ পৃথিৱীত অৱতীৰ্ণ হ'ল।

কোটি সূৰ্যোদয় ভক্তি তাহা আচ্ছাদিয়া।
শুদ্ধজ্ঞান তমকূপে দিয়া ফেলাইয়া ॥

শাস্ত্ৰৰ ভিতৰতো লুকা-লুকি খেলা আছে। বৰদলৈদেৱেও এই লুকালুকি প্ৰণালী ঠায়ে ঠায়ে নিয়োগ কৰিবৰ সূত্ৰপাত কৰিছে। প্ৰথমৰপৰাই দেখিছোঁ, বৰদলৈদেৱে বুদ্ধদেৱক লৈ অলপ টনা-আঁজোৰা কৰিব লাগিছে। শঙ্কৰদেৱৰ নাম ওলালেই প্ৰাসঙ্গিক-অপ্ৰাসঙ্গিকভাৱে বুদ্ধদেৱকো উল্লেখ কৰিবই—দেখুৱাবলৈ যে শঙ্কৰদেৱে ধৰিবলৈ গ'লে বৌদ্ধমতকেই প্ৰচাৰ কৰিছিল; কিন্তু লবি আছি দামোদৰ-হৰিদেৱে শঙ্কৰৰ বৈষ্ণৱ ধৰ্মটোকো বেদ-স্মৃতি-পুৰাণ-তন্ত্ৰ-বিহিত কৰি ৰাখিছিল। ৪ৰ্থ সংখ্যা 'প্ৰদীপিকা'তো বৰদলৈয়ে বামুণৰ ওচৰত শঙ্কৰৰ ঋণ পৰিমাণ কৰিবলৈ বুদ্ধদেৱকো টানি আনিছে—দেখুৱাবলৈ যে ছুয়ো বামুণৰ ওচৰত লিখা-পঢ়া শিকি অকৃতজ্ঞতা (?) আচৰণ কৰিছে। বুদ্ধদেৱক টানি অনাটো অপ্ৰাসঙ্গিক, তথাপি আনিছে যেতিয়া বৰদলৈদেৱে শুদ্ধোধন ৰজা আৰু ভূঞাসকলৰ "লোণৰ" মাহাত্ম্য অকণো স্বীকাৰ নকৰে নে? কিন্তু বিশেষ বিৰাগৰ কাৰণ হৈছে—ছুয়ো বামুণৰ ল'ৰা নাছিল।

বঙ্গদেশৰ ব্ৰাহ্ম সম্প্ৰদায়ে হিন্দুৰ পুৰাণ-তন্ত্ৰ-স্মৃতি আদি নেমানে, জাতিভেদ আদিও নেমানে। সেই দেখি ব্ৰহ্মোপাসক বুলি তেওঁলোকক ব্ৰাহ্ম বোলে। কোনোবা সংখ্যাত বৰদলৈয়ে কোনোবা কোনোবা মহাপুৰুষীয়াই মহাপুৰুষীয়া ধৰ্মটোক কোনোবা উন্নত ধৰ্ম অৰ্থাৎ ব্ৰাহ্ম ধৰ্মৰ সামিল কৰিবৰ চেষ্টা কৰা বুলি ব্ৰাহ্ম ধৰ্মৰ প্ৰতি তীব্ৰ কটাক্ষপাত কৰা যেন লাগে। যি হওক পৰ-

মুহূৰ্ততেই ভুল বুজিলে। আন এখনত অতি সতৰ্কিতভাৱে এই ভুল শুধৰাবৰ চেষ্টা কৰিছে। বৰদলৈদেউৰ তৰ্ক-প্ৰণালী :—যথা, বৌদ্ধ ধৰ্মত ঈশ্বৰক জ্ঞান পোহৰ সত্য বুলিছে। কিন্তু এইবোৰ নতুন কথা নহয়। হিন্দুৰ বেদত বহুত আগতেই কৈ থোৱা আছে। এতেকে বুদ্ধদেৱে বেদৰ কথাকে নিজৰ নামে চলাই দিলে। আকৌ বিচাৰ কৰি চাই কৈছে ব্ৰাহ্ম ধৰ্মৰ যি মূলমন্ত্ৰ "ওঁ সত্য জ্ঞানং ইত্যাদি", এইবোৰো উপনিষদৰ বচন। সেইদেখি তেওঁ সুধিছে "আমি ব্ৰাহ্ম ধৰ্মকো হিন্দুৰ ভিতৰৰে বুলি ল'ব নোৱাৰো নে?" যদি বৌদ্ধ আৰু ব্ৰাহ্ম ধৰ্ম উভয়ে বেদ-মূলক, দুয়োকে হিন্দুৰ ভিতৰৰে বুলি ল'ব নোখোজাৰ কাৰণ কি? ৰাজা ৰামমোহন ৰায় ব্ৰাহ্মণ আৰু বুদ্ধদেৱ ক্ষত্ৰিয় আছিল বুলিয়েই নহয়নে?

আন এঠাইত বৰদলৈদেৱে আক্ষেপ কৰিছে যে বহুতে অসমৰ বৈষ্ণৱ-ধৰ্মক বিশেষতঃ বঙ্গদেশৰ বৈষ্ণৱ ধৰ্মৰপৰা সুকীয়া বুলি ক'ব খোজে। বঙ্গদেশৰ বৈষ্ণৱ মত প্ৰচাৰক ব্ৰাহ্মণ চৈতন্যদেৱৰ ছায়াপাত অসমৰ বৈষ্ণৱ মতত নেদেখিলে বৰদলৈদেউৰ গা জুৰ নপৰে।

হৰি-হৰ অভেদ বুলি আজিলৈকে বৰদলৈদেৱে শঙ্কৰদেৱকো অৱতাৰৰ মাচিয়া এখন দিছে, আগলৈ বা কি হয়; কিন্তু মহাপুৰুষীয়া বোলাওঁতাহঁতক "পাষণ্ড" আখ্যানেৰে বিভূষিত কৰিলেই; শঙ্কৰদেৱেও যে পাষণ্ডহঁতক বিপথগামী কৰিবলৈ আহিছিল এইটোও প্ৰকাৰান্তৰে কৈছেই, কিয়নো শঙ্কৰৰ বৈষ্ণৱমতত উটি যোৱাসকলক দামোদৰ হৰিদেৱেহে বেদাদিৰ খুটি পুতি ৰাখিলে, যিবোৰ উটি গ'ল সিবোৰে ঘণ্টাৰ কোৰ মুগুনিলেই। আৰু দামোদৰ-পন্থী শূদ্ৰ সেৱকসকল। এবাৰ মহা-পুৰুষীয়াসকলক "পাষণ্ড"ৰ শ্ৰেণীত পেলাব পাৰিলে এতিয়া বৰদলৈদেৱে যি ছদ্মবেশ চলিব লাগিছে, সেই ছদ্মবেশ দলিয়াই পেলাই, দেখাদেখিকৈয়ে কি ধৰ্ম দিব?

শ্ৰীযশস্পতি বাপুৱে 'নাম'ৰ যি ব্যাখ্যা দিছে সেইমতেতো শূদ্ৰ সেৱকসকলে নামধৰ্মত অধিকাৰ পাবই নোৱাৰে। পূজাৰ মন্ত্ৰই যদি হৰিনাম হয়, এই নামততো শূদ্ৰসেৱকসকলৰ কোনো দাবী নাই। দামোদৰদেৱে বামুণসকলক নামধৰ্মত সিদ্ধি লাভৰ সহায় স্বৰূপ নিত্য-নৈমিত্তিক অনুষ্ঠান কৰিব দিছে, কিয়নো অনুষ্ঠানৰ ভাও নহ'লে ভক্তি পকি নুঠে। নিত্য-নৈমিত্তিক আদিৰ লগত শালগ্ৰাম পূজা ব্ৰাহ্মণসকলৰ পক্ষেই আছেই। শূদ্ৰসেৱকসকলৰ নাই যশস্পতি বাপুৰ নামধৰ্মত অধিকাৰ, নাই বামুণৰ নিত্য-নৈমিত্তিক অনুষ্ঠান আদিত অধিকাৰ, থাকিব কেৱল বৰদলৈদেৱে আঙুলিয়াই দিয়া ওপৰ খাপৰ স্বৰ্গলৈ যোৱা বাট—হৰি-মন্দিৰ (বাজহুৱা নে বামুণৰ ঘৰে ঘৰে থকা শালগ্ৰাম মন্দিৰ?) মাৰ্জন আৰু তিয়নি চেপা। আৰু এতিয়া ডোল ছিঙি পলায় বুলি বৰদলৈদেৱে তেওঁলোকক বিধিনি Concession দিবলৈ ৰাজি, তেতিয়া আকৌ 'সাধুকথাৰ কুঁকি'ৰ মাষ্টাৰ মহাশয়ৰ দৰে কয় বা "এহন বলিস্ না কেন এথা না সেথা?"

নিৰপেক্ষ অসমীয়া ৰাইজে বিচাৰ কৰি চাব, বামুণ-শূদ্ৰৰ বিৰোধ ভাব 'প্ৰদীপিকা'ই ঘটাব লাগিছে নে নাই। দামোদৰদেৱক উপলক্ষ্য কৰি ব্ৰাহ্মণসকলৰ স্বজাতি-মাহাত্ম্য প্ৰতিষ্ঠাপনাৰ ভাব

সম্প্ৰতি দামোদৰ উদ্ধাৰৰ ৰণৰ লগত সানমিহলিকৈ ৰাখিছে। 'প্ৰদীপিকা'ৰ গৱাকীসকলে মনত ৰখা উচিত যে সকলো জাতিৰ মানুহৰে জাতীয় অভিমান অলপ অচৰপ আছে। চৈতন্য-পন্থী নহৈও যেনেকৈ 'প্ৰদীপিকা'ই জাতীয় গৌৰৱত মতলীয়া হৈ চৈতন্যৰ প্ৰভাৱলৈ হাত মেলিব লাগিছে, ব্ৰাহ্মধৰ্মকো হিন্দু ধৰ্মৰ ভিতৰলৈ আনিবৰ চেষ্টা কৰিছে আৰু মহাপুৰুষীয়া বামুণসকলৰ ফালে কেৰাহিকৈ চাব লাগিছে, দামোদৰপন্থী শূদ্ৰসেৱকসকলেও যে হেজাৰ বামুণৰ আক্ৰোশ সত্বেও শঙ্কৰদেৱৰ ধৰ্মৰ নাম লৈ গৌৰৱ অনুভৱ কৰিব ইয়াত বিৰোধ ভাৱ (rebellious ideas) কি থাকিব পাৰে ?

আকৌ ৰৰদলৈদেৱে যে "বুধবিবাং সম্মোহায়" কূট তৰ্কেৰে ঋণৰ কিস্তি তৈয়াৰ কৰিব লাগিছে, বেছি দূৰলৈ নগৈ ইয়াকে কওঁ, পাঠকসকলে বিচাৰি চাব। যি 'ভাগৱত' হাতত লৈ ৰৰদলৈদেৱে তৰ্ক কৰিব লাগিছে সেই ভাগৱতত দেখোন শ্ৰীকৃষ্ণৰ উক্তি সূতে ব্যাখা' কৰিছে আৰু নাৰদৰ আদেশমতে ব্যাসদেৱে লিপিবদ্ধ কৰিছে।

ইয়াৰ ভিতৰত শ্ৰীকৃষ্ণও ব্ৰাহ্মণ নহয় আৰু সূত, নাৰদ, ব্যাসো ব্ৰাহ্মণ নহয়। সেই ভাগৱত পঢ়ি যে জ্ঞান উপাৰ্জন কৰে আৰু ভাগৱতী বাপুসকলে ব্যাখ্যা কৰি দক্ষিণা লয়,—ঋণ কাৰ ওচৰত ?

ৰৰদলৈদেৱে যে কূট তৰ্কৰ বলেৰে সৎ শূদ্ৰ অসৎ শূদ্ৰ আদি নানা তৰহৰ classification আৰম্ভ কৰিছে, চিলাৰায়ৰ যুদ্ধত আহোমৰ ফলীয়া হৈ যিবোৰ শূদ্ৰই লগুণ পিন্ধি গৰুৰ কান্ধত উঠি যুদ্ধ কৰিছিল, যুদ্ধৰ অন্তত কেইজনে লগুণ খহাই পেলাইছিল, তাৰ তালিকা এখন বাহিৰ নকৰিলে, দামোদৰপন্থী শূদ্ৰসেৱকসকলৰ মনৰ খুকুৰি নেভাগে বা ?

আজি ২৬ বছৰে শৰণ-ভজন লৈ নানা শাস্ত্ৰ আলোচনা কৰি থাৰলৈ নোপোৱা এমুঠি অসমীয়াৰ মাজত apostle of caste-hatred, জাতীয় বিদ্বেষৰ আগৰণুৱা হৈ কি unenviable greatness লভিবৰ প্ৰলোভন হ'ল ? হায়ৰে বিভীষণৰ শপথ !!

(৫)

ৰৰদলৈদেৱে ব্ৰাহ্মণৰ supposed মাহাত্ম্যত আপ্লুত হোৱাৰ পিছত, আত্মসংযম লাভ কৰিলে কিছুমান ৰৰ বহুমূলীয়া কথাও কয়—"এই যুগটো হৈছে সকলো কথাকে চালি-জাৰি লোৱা যুগ। চৰিত্ৰত যি লিখিলে বা এজনে যি লিখে তাৰে ওপৰত অন্ধবিশ্বাস ৰাখি চলা যুগ নহয়। সকলো কথাকে critically analyse," ইত্যাদি। অসমীয়া ৰাইজে তাকেইতো বিচাৰে। এই যুক্তিবোৰ—ৰৰদলৈদেৱে যিবোৰ শাস্ত্ৰৰ বচন উদ্ধাৰ কৰি তৰ্ক কৰিব লাগিছে, সেইবোৰতো নখটায় কিয় ? মাধৱদেৱে স্বগুৰুৰ মাহাত্ম্য স্থাপনা কৰিবৰ নিমিত্তে সত্য গোপন কৰিলে, কৰিবও পাৰে, কিন্তু বামুণে লেখা শাস্ত্ৰবোৰত মাহাত্ম্য নহওক জীৱিকা মুকলি কৰিবৰ নিমিত্তে জোৰা দিয়া কথাও যে থাকিব পাৰে, আগেয়ে সেইটোহে বিচাৰ কৰিব লাগিছিল হ'বলা। কোন শাস্ত্ৰ কেতিয়া কাৰ দ্বাৰা, কি অৱস্থাত, কি উদ্দেশ্যে লেখা হৈছিল সেইবোৰকোতো লোকক দেখুৱাব লাগে।

বিশাল ভাৰতৰ প্ৰশান্ত ধৰ্মত fanaticismঅলৈ বাট মুকলি নাই।

দ্বিতীয় প্ৰকাশ[1]

অনন্ত কন্দলি আৰু আচাৰ্য ৰামানুজৰ শূদ্ৰৰ ওচৰত উচ্ছিষ্ট-ভিক্ষা

পৰম বৈষ্ণৱ অনন্ত কন্দলিয়ে শঙ্কৰদেৱৰ ওচৰত উচ্ছিষ্ট ভিক্ষা কৰাৰ কথা আজিকালি সকলোৱে জানে। আৰু ভাৱৰ পৰিৱৰ্তে শঙ্কৰদেৱে সেই দশমৰ পদ ভাঙিবলৈ দি বৈষ্ণৱৰ গৌৰৱ বৈষ্ণৱে কেনেকৈ ৰাখিলে, সিও জনাজাত। এই আখ্যানটোক লক্ষ্য কৰি ২য় সংখ্যা 'প্ৰদীপিকা'ত বৰদলৈয়ে অসমীয়া শিক্ষিত সমাজক সতৰ্ক কৰি দিছে—কোনেও যেন ধপহ কৰে নকয়, চাওক বামুণেও দেখোন শঙ্কৰদেৱৰ পাতৰ প্ৰসাদ বিচাৰিছিল। অনন্ত কন্দলিদেৱে পৰমাৰ্থভাৱেৰেহে প্ৰসাদ খুজিছিল, ইত্যাদি। কন্দলিদেৱে যিভাৱে নোখোজক, এইটো ঠিক যে এই আখ্যানত প্ৰকৃত বৈষ্ণৱৰ বিনয়-নম্ৰতাৰহে পৰিচয় পোৱা যায়। শঙ্কৰদেৱৰ উচ্ছিষ্ট দানতহে পাৰমাৰ্থিকতাৰ বিকাশ দেখা যায়। বৰদলৈদেউৰ প্ৰধান আপত্তি শূদ্ৰৰ পাতৰ ভাত বামুণে খুজিব পাৰেনে? কিন্তু অনন্ত কন্দলিৰ মনত হয়তো বৈষ্ণৱৰ ভিতৰত জাতিভেদৰ বৈষম্য উপস্থিত হোৱাই নাছিল। অনন্ত কন্দলিয়ে এঠাইত নিজেই কৈ গৈছে—"কলিযুগ মধ্যে: বৈষ্ণৱেসে বিষ্ণু: কহিলো সন্ত কাহিনী।" বিষ্ণু-বৈষ্ণৱৰ অভেদ জ্ঞান কৰিয়েই বৈষ্ণৱ কন্দলিয়ে উচ্ছিষ্ট ভিক্ষা কৰিছিল। যি হওক, বৈষ্ণৱ ইতিহাসত এইটোৱেই যদি একমাত্ৰ ঘটনা হ'লহেঁতেন তেনেহ'লে বিষ্ণু-বৈষ্ণৱৰ অভেদবাদ হয়তো বৰদলৈদেৱে উৰুৱাই দিলেহেঁতেন (অন্ততঃ বামুণৰ জাত্যভিমানত আঘাত পৰিলে)। কিন্তু এই দৰৰ ঘটনা আৰু আছে। তলত সবিশেষ বিৱৰণ দিয়া যাব। ইয়াত সংক্ষেপে উল্লেখ কৰা যাব পাৰে যে আচাৰ্য ৰামানুজে কাঞ্চীপূৰ্ণ নামে শূদ্ৰৰ ঔৰসত শবৰীৰ গৰ্ভজাত ভক্ত এজনত উচ্ছিষ্ট মাগিছিল।

আচাৰ্য ৰামানুজ আদি বৈষ্ণৱ শ্ৰীসম্প্ৰদায় সংগঠক। তেওঁ যাদৱপ্ৰকাশ নামে অদ্বৈতবাদী শৈৱ সম্প্ৰদায়-ভুক্ত পণ্ডিত এজনৰ ওচৰত শাস্ত্ৰ শিক্ষা কৰিছিল। ভৱিষ্যৎ বিশিষ্টাদ্বৈত মত প্ৰচাৰক ৰামানুজে পণ্ডিতৰ বেদান্ত ব্যাখ্যাত দূষণ ধৰাত পণ্ডিতে গভীৰ ষড়যন্ত্ৰ কৰি তীৰ্থ-দৰ্শন কৰিবৰ ছলতে পানীত ডুবাই ৰামানুজক মাৰিবৰ উদ্যোগ কৰে। যথা সময়তে এই ষড়যন্ত্ৰৰ কথা জানিব পাৰি ৰামানুজে এজন ব্যাধ আৰু ব্যাধপত্নীৰ সহায়ত ৰাতিয়েই দুৰ্গম অৰণ্যৰ ভিতৰেদি পলাই ঘৰ পাৰগৈ। ঘূৰি আহিলত ৰামানুজে মাকৰ আগত সকলো কথা ভাঙি ক'লত মাকে উত্তৰ দিলে—এই কাঞ্চীক্ষেত্ৰত কাঞ্চীপূৰ্ণ নামেৰে এজন পৰম ভক্ত আছে। তেওঁ শূদ্ৰ পিতাৰ ঔৰসত শবৰীৰ (অসমৰ মিকিৰ আদিৰ দৰে পাৰ্বত্য-জাতীয় স্ত্ৰী) গৰ্ভত উৎপন্ন। তেওঁৰ ওচৰত সকলো কথা বিবৃত কৰিলে তেওঁ নিশ্চয় তোমাক উপায় দিব। মাকৰ কথা মতে কাঞ্চীপূৰ্ণৰ ওচৰত সকলো কথা খুলি কোৱাত কাঞ্চীপূৰ্ণই আশ্বাস দি ক'লে যে ভগৱান তেওঁৰ প্ৰতি সন্তুষ্ট নহ'লে ব্যাধৰূপ

---

১. বাহী, ১০, ৮, আঘোণ ১৮৪২

ধৰি তেওঁক ৰক্ষা কৰি তেওঁৰ হাতে পানী খাব খুজিছিলেহঁতেন। সেই দেখি কাঞ্চীপূৰ্ণই আদেশ দিলে যেন ৰামানুজে প্ৰত্যেক দিনে একলহ পানী আনি বিষ্ণুমূৰ্তি শ্ৰীবৰদৰাজক অৰ্পণ কৰে। ৰামানুজে উত্তৰ দিলে—"ব্ৰহ্মাদি দেৱতাসকল বেদান্তাদি শাস্ত্ৰৰ দ্বাৰা যাৰ অনুসন্ধানত ব্যস্ত, আপুনি কেৱল ভক্তিৰ দ্বাৰাই সেই ৰবদৰাজৰূপী ভগৱান বিষ্ণুৰ অন্তৰঙ্গ হৈছে। সেইগুণে আপোনাৰ নিচিনা ভগৱৎ-ভক্তৰ উপদেশ প্ৰতিপালন কৰিলে নিশ্চয় মোৰ মঙ্গলহে হ'ব।" কাঞ্চীপূৰ্ণৰ আদেশেই তেওঁৰ 'আপ্ত বাক্য' স্বৰূপ হ'ল আৰু বিষয়ীৰ সংসৰ্গ এৰি ৰবদৰাজৰ কিঙ্কৰত্ব লাভ কৰি পৱিত্ৰমনে কাঞ্চীতীৰ্থক্ষেত্ৰত কাল যাপন কৰিবলৈ ধৰিলে।

কাঞ্চীপূৰ্ণৰ ভগৱৎ-প্ৰেম লক্ষ্য কৰি ৰামানুজে এই ভক্তৰ উচ্ছিষ্টান্ন ভোজন কৰি নিজক কৃতাৰ্থ কৰিবৰ মনেৰে এদিন তেওঁক নিমন্ত্ৰণ কৰিলে। কাঞ্চীপূৰ্ণই ৰামানুজৰ অভিসন্ধি বুজি, খাবলৈ নগ'লেও ৰামানুজ ক্ষুণ্ণ হ'ব ভাবি নিমন্ত্ৰণ গ্ৰহণ কৰিলে। তেওঁ ইচ্ছা কৰিয়েই পলম কৰি গৈ ৰামানুজৰ ঘৰ আহি পালত দেখে যে তেওঁৰ অহাত পলম হোৱাত তেওঁক আগবঢ়াই আনিবলৈ ৰামানুজ গৈছে। ছেগ বুজি কাঞ্চীপূৰ্ণই ৰামানুজৰ ঘৈণীয়েকক মাতি ক'লে যে তেওঁৰ মন্দিৰত বহুত কাম বাকী আছে, সোনকালে খাবলৈ দিলে ভাল হয়। লৰালৰিকৈ খাই-বৈ উঠি খোৱা পাতখন বহুত দূৰলৈ দলিয়াই পেলাই কাঞ্চীপূৰ্ণই উভতি আহিল। ৰামানুজে আহি দেখে যে ঘৈণীয়েকে গা ধুই আকৌ ৰান্ধিবলৈ গৈছে। কাৰণ সোধাত ঘৈণীয়েকে ক'লে যে কাঞ্চীপূৰ্ণই লৰালৰিকৈ খাই-বৈ গ'ল। শূদ্ৰৰ উচ্ছিষ্ট বামুণে খাব নেপায়, সেই দেখি যোৱা ভাতবোৰ দাস-দাসীসকলক বিলাই দি আকৌ ৰান্ধিবলৈ গৈছে। ৰামানুজে বৰ বিৰক্ত হৈ ক'লে—"হায় নাৰী জাতি, কি ক্ষুদ্ৰাশয়! যিজনে ভক্তিৰ প্ৰভাৱত ৰবদৰাজৰ অন্তৰঙ্গ হৈছে তেওঁকো শূদ্ৰজ্ঞান কৰে।" ইয়াৰ কিছুদিনৰ পিছত ঘৈণীয়েক ৰক্ষাম্বাৰ জাত্যভিমানৰ মাত্ৰা বাঢ়ি যোৱাত অন্য অন্য ঘটনাক উপলক্ষ্য কৰি কৌশলেৰে ঘৈণীয়েকক বাপেকৰ ঘৰলৈ পঠিয়াই দি ৰামানুজে সন্ন্যাস গ্ৰহণ কৰে।

বিষ্ণুমূৰ্তি ৰবদৰাজৰ সেৱাত নিযুক্ত থাকি ভগৱৎ-ভক্তি যিমানেই গাঢ় হৈ উঠিল তিমানেই কাঞ্চীপূৰ্ণৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিও গভীৰতৰ হ'ব ধৰিলে। এদিন কাঞ্চীপূৰ্ণ ৰবদৰাজ মন্দিৰত উপবেশন কৰি আছে, এনেতে ৰামানুজ গৈ তেওঁৰ ওচৰ চাপি মিনতি কৰি ক'ব ধৰিলে—"কৃপাময়, আজি আপুনি মোৰ পঞ্চ-সংস্কাৰ সম্পন্ন কৰি উদ্ধাৰ কৰক। মই আপোনাৰ শৰণাগত হৈছোঁ। আপোনাত বাজে মোৰ আৰু ৰক্ষক কোনো নাই। ইহ জগতত আপুনি সৰ্বশ্ৰেষ্ঠ ভক্ত। এতেকে আপুনি মোক অৱহেলা নকৰিব।" কাঞ্চীৰ্ণপূই ৰামানুজৰ কথা শুনি শাস্ত্ৰীয় বিধিৰ প্ৰতি দৃষ্টি ৰাখি ক'বলৈ ধৰিলে—"বৎস ৰামানুজ, যদিও 'ভৰদ্বাজ-সংহিতা'ত উক্ত আছে যে যোগীসকলে সকলো যোনিতেই জন্ম গ্ৰহণ কৰি থাকে, তথাপি তুমি যি কৈছা সেইটো অশাস্ত্ৰীয় নহ'লেও আচাৰ-বিৰুদ্ধ। যিসকলে পৰমাত্মৰূপী ভগৱানক প্ৰত্যক্ষ কৰিছে, তেওঁলোকৰ কুলাদিৰ

বিচাৰ নাই। সম্ভৱতঃ তুমি এই মত অৱলম্বন কৰিয়েই মোৰ ওচৰত দীক্ষিত হ'ব খুজিছা। শূদ্ৰৰ ওচৰত বামুণৰ দীক্ষা গ্ৰহণ আচাৰ-বিৰুদ্ধ। মোৰপৰা সেইটো হ'ব নোৱাৰে।"

ৰামানুজে মনে মনে চিন্তা কৰি ক'লে—'ঠিক কথা, এওঁ পৰম ভাগৱত, নিজৰ মুক্তিৰ কামনাত ভগৱানক উপাসনা কৰে। এওঁ কিয় মোৰ অনুৰোধত সামাজিক বিধি লঙ্ঘন কৰি লোকৰ বিৰাগ ভাজন হ'ব!" ইয়াৰ পিছত অতিশয় বিনীতভাৱে কাঞ্চীপূৰ্ণক ক'ব ধৰিলে—"হে ভক্তশ্ৰেষ্ঠ! এতিয়া উপায় কি? কোনে মোৰ মুক্তিৰ পথ কৈ দিব; মই কোন গুৰুৰ শৰণাগত হ'ম? কাঞ্চীপূৰ্ণই কৃপা কৰি মোক গুৰুৰ নাম দিয়ক।" কাঞ্চীপূৰ্ণই ক'লে- "বৎস ৰামানুজ, তুমি এদিন অপেক্ষা কৰা। মই তোমাক গুৰু দেখুৱাই দিম।"

(৩)

শঠকোপ বা শঠাৰি-সূত্ৰ

ৰামানুজৰ জন্ম শক ১০১৯ খ্ৰীঃ। ৰামানুজৰ আগতো বৈষ্ণৱ মত দাক্ষিণাত্যত প্ৰৱলভাৱেই বলিছিল আৰু নাথমুনি, যমুনাচাৰ্য আদি প্ৰধান প্ৰধান বৈষ্ণৱাচাৰ্যও আছিল। ৰামানুজে কেৱল শ্ৰীসম্প্ৰদায় নাম দি দাক্ষিণাত্যৰ বৈষ্ণৱসকলক সম্প্ৰদায়ভুক্ত কৰি থৈ যায় আৰু বেদান্ত সূত্ৰৰ শ্ৰীভাষ্য লিখি বৈষ্ণৱ মতক দৰ্শনসিদ্ধ কৰি লয়। যি হওক আদিতে বৈষ্ণৱ মত চলাওঁতাসকলৰ ভিতৰত শঠাৰি বা শঠকোপো এজন। "শঠাৰি নীহকুলীয়া শিল্পীৰ ঘৰত জন্ম গ্ৰহণ কৰে। তেওঁ নীহকুলীয়া শূদ্ৰ হৈও ঈশ্বৰ-প্ৰদত্ত প্ৰতিভাবলত অসাধাৰণ জ্ঞানৰ অধিকাৰী হয় আৰু শ্ৰুতিৰ সাৰাংশ মন্থন কৰি দ্ৰাবিড় ভাষাত 'শঠাৰি সূত্ৰ' নামে বৈষ্ণৱ গ্ৰন্থ এখন ৰচনা কৰে। তেওঁ জনসাধাৰণক বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰিবলৈ চেষ্টা কৰিছিল; কিন্তু নানান কাৰণত সেইটো হৈ নুঠিল। ৰামানুজে নানা শাস্ত্ৰত, বিশেষতঃ বেদান্তত অদ্বিতীয় পণ্ডিত হ'লেও, দাক্ষিণাত্যৰ পণ্ডিতসকলৰ মতে শঠাৰি সূত্ৰ অৱলম্বন কৰিহে সম্প্ৰদায় গঠন কৰে।" সেই বিষয়ে ৰামানুজ-চৰিত্ৰত এটি ঘটনাৰো উল্লেখ আছে। ৰামানুজৰ পূৰ্ববৰ্তী বৈষ্ণৱ মত প্ৰচাৰক যমুনাচাৰ্যই, যেতিয়া নৰদেহ ত্যাগ কৰে তেতিয়া খবৰ শুনি দূৰ ঠাইৰপৰা ৰামানুজ গৈ শৱৰ ওচৰ পালত দেখে যে মৃত আচাৰ্যৰ হাতৰ তিনিটা আঙুলি জাপ খাই আছে। কাৰণ সুধিলত শিষ্যসকলে ক'লে যে মৃত্যুৰ অলপ আগতেই আচাৰ্যদেৱে তিনিটা অপূৰ্ণ কামনাৰ গণনা আঙুলিত কৰিব খুজিছিল। আৰু গণনা কৰি আঙুলি কোঁচাওঁতেই তেওঁ চকু মুদিলে। ১ম কামনা—বেদান্ত সূত্ৰৰ বৈষ্ণৱ মত পৰিপোষক শ্ৰীভাষ্য এখন লিখিব লাগে। ২য় আৰু ৩য়—বিষ্ণু-পুৰাণ-কৰ্তা পৰাশৰ আৰু শঠাৰি সূত্ৰ লেখক শঠকোপৰ নাম চিৰস্মৰণীয় কৰি ৰাখিব লাগে। শঠাৰিৰ অন্য এটি নাম 'কাৰিপুত্ৰ' আৰু যমুনাচাৰ্যৰ আদেশক্ৰমে ৰামানুজে এজন শিষ্যৰ নাম কাৰিকেশ ৰাখিছিল।

দাক্ষিণাত্যৰ কুৰুকা নগৰত শঠকোপ মুনিৰ মূৰ্তি বিৰাজিত আছিল।

যতিৰাজ ৰামানুজে তীৰ্থ ভ্ৰমণ কৰি কুৰুকা নগৰত উপস্থিত হ'লত ভক্তিভাৱে এই মূৰ্তিক প্ৰণিপাত কৰি পূজাৰী ঠাকুৰসকলে দিয়া তীৰ্থ প্ৰসাদ আৰু মালা আদি গ্ৰহণ কৰিলে। আৰু কৃতাঞ্জলি কৰি তলত দিয়া শ্লোকটো পাঠ কৰি স্তৱ কৰিলে।

বকুলধৰলমালাৱক্ষসং ৱেদ-বাহ্য-প্ৰবল-সময় বাদচ্ছেদনং পূজনীয়ম্।

ত্ৰিপুলকুৰুকনাথং কাৰিসূনুং কৱীশং শৰণমুপ গতোঽহং চক্ৰহস্তেভক্তম্॥

নিৰপেক্ষ অসমীয়া ৰাইজে ওপৰত তুলি দিয়া কথাবোৰ অলপ মন কৰি চাব। যিবোৰ মহাপুৰুষৰ নাম স্মৰণ কৰি হেজাৰ হেজাৰ মানুহে মুক্তি পাওক নেপাওক নানান ক্লেশ-পীড়িত জীৱনত শান্তি পাব লাগিছে, সেইসকলৰ অন্তৰ ওচৰত ঋণ নিৰ্দ্ধাৰ কৰাৰ'পথৰ কথা আমি ক'ব নোৱাৰোঁ। আমি জানো সূৰ্যৰ কিৰণে নদী, সাগৰ, বিল, পূতিময় দুৰ্গন্ধ ঠাইৰপৰাও ৰস সংগ্ৰহ কৰি মেঘৰূপে তৃষিতক পানী দান কৰে আৰু চৰাচৰ পৃথিৱীৰ ৰসৰ আকৰ হয়। কিন্তু 'প্ৰদীপিকা'ৰ কুআশয় পৃষ্ঠপোষকসকলে ভাবি চাবিচোন—যি বামুণ আচাৰ্যৰ ওচৰত ৰামানুজে শাস্ত্ৰ শিক্ষা কৰিছিল সেই বামুণ পণ্ডিতে ঈৰ্ষান্ধ হৈ তীৰ্থস্নান কৰিবৰ ছলেৰে ৰামানুজক পানীত ডুবাই মাৰিবৰ আয়োজন কৰিছিল। ব্যাধ দম্পতিৰ দয়াত পৰিত্ৰাণ পাই শবৰী-সন্তান কাঞ্চীপূৰ্ণৰ আদেশ অনুসাৰেহে ৰামানুজে ঈশ্বৰ-সেৱাত মন দিলে আৰু ভগৱৎ-প্ৰেমত মুগ্ধ হৈ শবৰী-সন্তানৰ ওচৰতে উচ্ছিষ্ট আৰু দীক্ষা প্ৰাৰ্থনা কৰিছিল। আৰু নীহকুলীয়া শূদ্ৰ শঠাৰিৰ দ্ৰাবিড় ভাষাত বিৰচিত সূত্ৰক আশ্ৰয় কৰিহে আদি বৈষ্ণৱ শ্ৰীসম্প্ৰদায় গঠিত কৰিলে আৰু কৃতজ্ঞতা পৰিপূৰিত মানসে সেই নীহকুলীয়া শূদ্ৰৰ মূৰ্তিক 'শৰণমুপাগতোঽহং পূজনীয়ং' বুলি সেৱা কৰিছিল।

হে আচাৰ্য ৰামানুজ! আপোনাৰ পৱিত্ৰ নামক অপৱিত্ৰ কৰিবৰ মনেৰে ওপৰত তুলি দিয়া আৰু নিদিয়া কথাবোৰৰ আলোচনা কৰা নাই। যি মিছা জাত্যভিমানৰ কাৰণে নিজৰ ভাৰ্যা পৰিত্যাগ কৰি সন্ন্যাস গ্ৰহণ কৰিলা, যি জাত্যভিমানী পূজাৰি সম্প্ৰদায়ে শ্ৰীৰঙ্গনাথ মন্দিৰত আপোনাৰ নিপুণ তত্ত্বাৱধানৰ গুণত পূজাৰ দ্ৰব্য চুৰ কৰিব নোৱাৰি আপোনাক অতিথিৰূপে নিমন্ত্ৰণ কৰি বিষান্ন প্ৰদান কৰিছিল, সেই স্বাৰ্থান্ধ পূজাৰি সম্প্ৰদায়ৰ আগত 'বিজুলী'ৰ পোহৰেৰে আপোনাৰ উদাৰ আদৰ্শ দেখুৱাবলৈহে এইবোৰ কথাৰ অৱতাৰণা। 'প্ৰদীপিকা'ৰ সম্পাদক আৰু গওাৰমূৰীয়া সত্ৰৰ বাপুৰ শ্ৰেণীৰ পূজাৰি সম্প্ৰদায়ে দামোদৰদেৱৰ যি শূদ্ৰসেৱাক 'অপকলঙ্ক' বুলি ভাবি ল'ব লাগিছে সেই শূদ্ৰসেৱাক আশ্ৰয় কৰিয়ে আচাৰ্য ৰামানুজ আৰু দামোদৰদেৱে অমৰত্ব লাভ কৰিলে। শূদ্ৰ শঙ্কৰদেৱে কাপোৰ-কানিৰপৰা ধৰ্মাচাৰ্য পদবী পৰ্যন্ত বাদ দি দ্বিজ দামোদৰৰ উপকাৰত বাজে অপকাৰ পৰা নাছিল; কিন্তু ৰজাৰ আগত খল লগাই কাৰাগাৰত সুমুৱাই বুঢ়া বয়সতো দামোদৰদেৱক উৎপীড়ন কৰিছিল বামুণ কাৰেঙৰ গিৰি আৰু গণক শিৰৰৰে নহয়নে?

ৰঙ্গদৈদেৱে ৪ৰ্থ সংখ্যাৰ এঠাইত দামোদৰী সত্ৰত সংস্কৃত ভাগৱত আৰু সংস্কৃত গীতা ঠগিব

ওপৰত খোৱাৰ কথা উল্লেখ কৰিছে। ইয়াত কাৰো একো ক'বৰ কথা নাই, কিন্তু "হে" এটি লগাই তেওঁ ধ্বনি কৰিছে যেন সংস্কৃতৰ ভাওনি হ'লেই সেইবোৰত মাহাত্ম্য নেথাকে। ওপৰত উল্লেখ কৰা শঠাৰি সূত্ৰ অনাৰ্য দ্ৰাবিড় ভাষাত লেখা কিন্তু শ্ৰীসম্প্ৰদায় শঠাৰি সূত্ৰক অৱলম্বন কৰিহে সংগঠিত হয়।

(৪)

মুনি-বাহন চৰিত্ৰ

খ্ৰীষ্টীয় শত (?)-শতাব্দীত দাক্ষিণাত্যৰ ওৰায়ুৰ নামে ঠাইত তিৰুপ্পান আলোয়াৰৰ জন্ম হয়। তেওঁ জাতিত পৰিয়া বা চণ্ডাল আছিল। তেওঁ সদায় বীণা যন্ত্ৰত হৰিনাম কীৰ্তন কৰি ফুৰিছিল। তেওঁ হৰিনামত বিভোল হৈ এদিন শ্ৰীৰঙ্গনাথ মন্দিৰৰ সম্মুখত প্ৰায় অচেতন হৈ পৰি আছিল। এনেতে মুনি নামে পূজাৰি ঠাকুৰ আহি চণ্ডাল এটিক বাটত পৰি থকা দেখি দূৰৰপৰা দলি এটি মাৰি আঁতৰি যাবলৈ কয়। বৈষ্ণৱ চণ্ডালে চৈতন্য পাই লৰালৰিকৈ উঠি বাট এৰি গুচি গ'ল। ইপিনে মুনি আহি মন্দিৰৰ দুৱাৰ মুখত উপস্থিত হৈ দেখে যে ভিতৰৰপৰা দুৱাৰ বন্ধ। অনেক চেষ্টা কৰিও দুৱাৰ মেলিব নোৱাৰি মন্দিৰৰ অধিষ্ঠাতা প্ৰভুক প্ৰাৰ্থনা কৰিব ধৰিলে। বহুত স্তুতিৰ পিছত কোনোবাই কোৱা যেন শুনিলে—"মুনি, তুমি আজি মোক ভৰিবে প্ৰহাৰ কৰিলা, তোমাক আহিব দিব নোৱাৰোঁ।" মুনিয়ে কাতৰ কণ্ঠে উত্তৰ দিলে—"প্ৰভু, কেতিয়া আপোনাক ভৰিবে প্ৰহাৰ কৰিলোঁ?" উত্তৰ হ'ল—"কাবেৰী-তীৰ্থত যি মহাপুৰুষে বীণা হাতত লৈ মোৰ নাম-কীৰ্তন কৰিছিল, তেওঁ মোৰ দ্বিতীয় বিগ্ৰহ। তুমি যদি তেওঁক কান্ধত লৈ মোৰ মন্দিৰ প্ৰদক্ষিণ কৰা, তেনেহ'লে দুৱাৰ মেল খাব, নহ'লে নহয়।" শুনা মাত্ৰেই মুনিয়ে পাগলৰ দৰে লৰি গৈ চণ্ডালৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। চণ্ডালে ভয়ত তত নাপাই বিনীতভাৱে ক'ব ধৰিলে—"প্ৰভু, মই হীন চণ্ডাল, মই অপৰাধ কৰিছোঁ, মোক যথাবিধি শাস্তি দিয়ক।" চণ্ডালৰ কথা শেষ নহওঁতেই বামুণে জোৰ কৰি চণ্ডালক কান্ধত তুলি সপ্তপ্ৰকাৰবিশিষ্ট শ্ৰীৰঙ্গনাথৰ মন্দিৰ প্ৰদক্ষিণ কৰিলে। তেতিয়াৰপৰা তিৰুপ্পান আলোয়াৰৰ নাম মুনি-বাহন হ'ল।

ভক্ত ভগৱান অভেদ নহয়নে? ব্ৰাহ্মণ দামোদৰদেৱ, হৰিদেৱ, দৈৱজ্ঞ সাৰ্বভৌম ভট্টাচাৰ্যই শূদ্ৰ শঙ্কৰদেৱক সেৱা কৰি ধন্য হৈছিল, 'প্ৰদীপিকা'ৰ শিখণ্ডী সম্পাদক আৰু গুৰিয়ালসকলৰ অপমান কিহত? ৫ম সংখ্যা 'প্ৰদীপিকা'ৰ বীৰদৰ্পৰ ভিতৰতো অসমীয়া ব্ৰাহ্মণবৰ্গক লোকে অপমান কৰা বুলি কাতৰোক্তি এটি আছে। 'প্ৰদীপিকা'ই চৈতন্যদেৱক অসমলৈ অহা বুলি নানান বাক্‌জাল পাতি প্ৰমাণ কৰিব লাগিছে। চৈতন্যদেৱক যদি বাস্তৱিকতেই 'প্ৰদীপিকা'ই

মানে, চৈতন্যদেৱৰ শিকনিলৈ মন কৰি নেচায় কিয়? বৈষ্ণৱৰ আকৌ অপমান কিহত? চৈতন্যদেৱে ভূয়োভূয়ঃ কৈ গৈছে—

তৃণাদপি সুনীচেন তৰোৰিৱ সহিষ্ণুনা।
অমানিনা মানদেন কীৰ্ত্তনীয়ঃ সদা হৰিঃ॥

তৃণতকৈও যিজনে নিজক নীহ বুলি ভাবিব পাৰে, তেওঁৰ আকৌ অপমান কিহত? 'প্ৰদীপিকা'ই আধ্যাত্মিক ব্যাখ্যাৰে প্ৰমাণ কৰিছে হৰিদেৱ আৰু দামোদৰদেৱহে বিষ্ণুৰ অৱতাৰ, শঙ্কৰদেৱ নহয়। চৈতন্যদেৱৰ শিকনি পোৱা অসমীয়া বৈষ্ণৱসকলৰ আকৌ অপমান কিহত? "ধন্য কলিযুগ তেৰি তামাসা, দুঃখ লাগে আৰ হাসি।"

(৫)

জগন্নাথ মন্দিৰৰ পূজাবিধি

দামোদৰদেৱৰ মন্দিৰত শক্তি, শৈৱ পূজাৰ বিধেয়-অবিধেয়তাক লক্ষ্য কৰি জগন্নাথ মন্দিৰৰ পূজা-বিধি পৰ্যন্তৰ আলোচনা দুই সম্পাদকৰ মাজত হৈ গৈছে। অসমীয়া ৰাইজে তলত দিয়া কথাবোৰো মন কৰি চাবচোন।

যতিৰাজ ৰামানুজে জগন্নাথ মন্দিৰ চাবলৈ গৈ তাৰ পূজাবিধিত অসন্তুষ্ট হৈ পূজকসকলক ক'লে যে শ্ৰীৰঙ্গনগৰৰ ৰঙ্গনাথৰ উৎসৱ, অৰ্চনা, যিভাৱে হয় সেইভাৱে হ'ব লাগে। পূজকসকলে মত নিদিয়াত যতিৰাজেও দৃঢ়প্ৰতিজ্ঞ হৈ ৰজাক হাত কৰি তেওঁৰ বৈষ্ণৱ মত অনুসাৰে পূজাবিধি চলাবলৈ কাৰবাৰ কৰিলে। পূজকসকলে ভগ্নাশ হৈ জগন্নাথদেৱৰ আগত করুণ প্ৰাৰ্থনা জনাই ক'লে যে যদি ৰামানুজৰ মত প্ৰচলিত হয়, তেনেহ'লে তেওঁলোকে আত্মহত্যা কৰিব। পূজকসকলৰ প্ৰাৰ্থনাত তুষ্ট হৈ জগন্নাথে সপোনত যতিৰাজক আদেশ দিলে—"যতিৰাজ", শ্ৰীৰঙ্গ প্ৰভৃতি যিবোৰ বৈষ্ণৱক্ষেত্ৰ আছে, সেইবোৰত পঞ্চৰাত্ৰ অনুসাৰে পূজাবিধি থাকিলেও মই এইক্ষেত্ৰত সেইবিধি প্ৰৱৰ্তন কৰিবলৈ ইচ্ছা নকৰোঁ। এই ক্ষেত্ৰ স্বাধীন, ইয়াত মই স্বাধীনভাৱে বিৰাজ কৰোঁ। সেইদেখি লোকেও মোক স্বাধীনভাৱে পূজা কৰি সুখী হওক।" ৰামানুজে এই কথাত সন্মত নহ'ল যদিও, জগন্নাথৰ মায়াত শ্ৰীকূৰ্মক্ষেত্ৰত নিজমতে বৈষ্ণৱ মন্দিৰ স্থাপনা কৰিলে।

এই ঘটনাক লক্ষ্য কৰি 'দাক্ষিণাত্য ভ্ৰমণ' গ্ৰন্থপ্ৰণেতা বঙ্গীয় পণ্ডিত ৺শৰচ্চন্দ্ৰ শাস্ত্ৰীয়ে কৈছে —"পুৰুষোত্তম ক্ষেত্ৰত জগন্নাথৰ অৰ্চনা কোন বিধি অনুসাৰে হয়, নিশ্চয়কৈ ক'ব নোৱাৰি। স্মাৰ্ত পণ্ডিতসকলে কয় 'বেদবিধি অনুসাৰে'। পৌৰাণিকসকলে কয় 'নাৰদ-পাঞ্চৰাত্ৰ অনুসাৰে' হয়। এজন তান্ত্ৰিকে অত্যন্ত দম্ভ কৰি মোক (শাস্ত্ৰীক) কৈছিল—মই (তান্ত্ৰিক) স্পষ্ট দেখুৱাই দিব পাৰোঁ তন্ত্ৰমতে জগন্নাথৰ পূজা সম্পাদিত হয়। প্ৰকৃতপক্ষে, ভগৱানৰ কথাই ঠিক, এই ক্ষেত্ৰত ভক্ত-

সকলে স্বাধীনভাৱে যি কোনো মতে উপাসনা কৰিব পাৰে। বৰ্তমানে যি প্ৰথা চলিত আছে তাৰ-পৰা অনুমান হয়, বহু প্ৰথাৰ মিহলি হৈ এক প্ৰথাৰ সৃষ্টি হৈছে। শৱৰ বা শৱৰসকলে বন্ধা ভোগৰ প্ৰথা দেখি বোধ হয় এইটো আদিম শৱৰসকলৰ প্ৰথা। পূজাবিধিত অলপ বৌদ্ধ-তন্ত্ৰোক্ত প্ৰথাও যে নাই এনে নহয়। উৎসৱাদিত আকৌ পৌৰাণিক প্ৰথা সম্পূৰ্ণ বিৰাজমান। যি হওক, বহুত ধৰ্ম-সম্প্ৰদায়ৰ অভ্যুত্থানত বহুত প্ৰকাৰ পদ্ধতি পূজা আৰু অৰ্চনাও প্ৰৱেশ লাভ কৰিছে ইয়াত সন্দেহ নাই।"

শাস্ত্ৰ বাৰিধি বৰদলৈদেৱে ছাৰ্কাছৰ খেল নকৰি অলপ "look before and after" কৰিলে ভাল হয়। জগন্নাথৰ প্ৰসাদ-ভোজনৰ সময়ত জাতিভেদ নেথাকে, দামোদৰী মন্দিৰত থাকিব নে নেথাকে? •

(৬)

নামধৰ্ম

'যশস্পতি' বাপুৱে নানান শাস্ত্ৰ বথলিয়াই কলিকালতো পূজাৰ বিধেয়তা প্ৰমাণ কৰিবলৈ গৈছে। ভাল কথা। কিন্তু শেহৰ খৰজুমবিটোহে অলপ বেঁকাভাৱে গ'ল। বামুণসকলে যিবিলাক মন্ত্ৰেৰে হৰিক পূজা কৰে, সিবিলাকো হৰিৰ নামহে, অতএব "হৰেৰ্নামৈব. . ....কলৌ নাস্ত্যেৱ" ইত্যাদি। সত্য, ত্ৰেতা, দ্বাপৰত পূজাদিৰ ব্যৱস্থা আছিলেই, সেই তুই যুগৰ মন্ত্ৰবোৰ হৰিনাম নাছিলনেকি? তেনেহ'লে 'কলিত'হে 'নামৈৱ কেৱলং' বোলাৰ সাৰ্থকতা কি? পূজামন্ত্ৰ উচ্চাৰণ কৰোঁতেই যদি হৰিনাম লোৱা হয়, তেনেহ'লে অন্য অন্য যুগৰ মন্ত্ৰবোৰত হৰিনাম নাছিলনে? তেনেহ'লে 'কলি'ৰ নিমিত্তেহে, আকৌ হৰিনামৰ ব্যৱস্থা কিয়?

যি হওক পূজাত অধিকাৰ নথকা, বা পূজা নকৰাসকল যে বৌদ্ধমত-অৱলম্বী নহয় সেইটো উপনিষদতেই আছে। তলত গোটেই বিধি তুলি দিয়া হ'ল।

"হৰিঃ ওঁ। দ্বাপৰান্তে নাৰদো ব্ৰহ্মাণং জগাম কথং ভগৱন্ গাং পৰ্যটন্ কলিং সন্তৰেয়মিতি। স হোৱাচ ব্ৰহ্মা সাধু পৃষ্টোঽস্মি। সৰ্বশ্ৰুতিৰহস্যং গোপ্যং তচ্ছৃণু যেন কলিসংসাৰং তৰিষ্যসি। ভগৱত আদিপুৰুষস্য নাৰায়ণস্য নামোচ্চাৰণমাত্ৰেণ নিৰ্ধূত কলিৰ্ভৱতি। নাৰদঃ পুনঃ প্ৰপচ্ছ তন্নাম কিমিতি। স হোৱাচ হিৰণ্যগৰ্ভঃ। হৰে ৰাম হৰে ৰাম ৰাম ৰাম হৰে হৰে। হৰে কৃষ্ণ হৰে কৃষ্ণ কৃষ্ণ কৃষ্ণ হৰে হৰে।

ইতি ষোড়শকং নাম্নাং কলিকল্মষনাশনম্। নাতঃ পৰতৰোপায়ঃ সৰ্ব্ববেদেষু দৃশ্যতে। ইতি ষোড়শকলাবৃতস্য কলস্য জীৱস্যাৱৰণবিনাশনম্। ততঃ প্ৰকাশতে পৰং ব্ৰহ্ম মেঘাপায়ে ৰবিৰশ্মিমণ্ডলী ৰেতি। পুনৰ্নাৰদঃ পপ্ৰচ্ছ ভগৱন্ কোঽস্য বিধিৰিতি। তং হোৱাচ নাস্য বিধিৰিতি। সৰ্ব্বদা

শুচিৰশুচির্ব্বা পঠন্‌ব্রাহ্মণ: সলোকতাং সমীপতাং সৰূপতাং সাযুজ্যতামেতি যদাঽস্য ষোড়শীকস্য সার্ধত্রিকোটীর্জপতি তদা ব্রহ্মহত্যাং তৰতি। তৰতি বীৰহত্যাম স্বর্ণস্তেয়াৎ পূতো ভৱতি। পিতৃদেৱ-মনুষ্যানামপকাৰাৎ পূতো ভৱতি সর্ব্বধর্ম্ম পৰিত্যাগ পাপাৎ সত্যঃ শুচিতামাপ্নুয়াৎ। সদ্যো মুচ্যতে-ইত্যুপনিষৎ॥ ইতি শ্রীকলিসন্তৰণোপনিষৎ সমাপ্তা॥

ঘণ্টাত কোৰ মাৰি শালগ্ৰামৰ মূৰত ফুল-তুলসী ছটিয়ালেই বা হৰিনাম উচ্চাৰণ কৰিলেই ঘপহ কৰে স্বৰ্গৰ দুৱাৰখন মেল খাওক নে নেখাওক, নামধৰ্ম এই ভাৱত সহজ আৰু সুগম যে দেশে, বিদেশে, ৰেলে, জাহাজে, শুচি বা অশুচি—সকলো অৱস্থাতে ইয়াক পালন কৰিব পাৰি। ইয়াত পাত্ৰ-অপাত্ৰ ভেদ নাই। এই অৰ্থতহে ই সুগম আৰু সহজ। ঘণ্টাত কোৰ মাৰি মইনা চৰায়ে মতাৰ দৰে মন্ত্ৰ উচ্চাৰণ কৰাতকৈ 'সাৰ্দ্ধত্ৰিকোটী' জপ কৰা যে কিমান দুৰূহ সকলোৱে জানে।

(৭)

পুথি-পূজা

বৰদলৈদেৱে পুথি-পূজাক শাস্ত্ৰ-বিহিত নহয় বুলি কৈছে আৰু শিল-পিতলৰ মূৰ্তি আদিক পূজাৰ ব্যৱস্থামতে শাস্ত্ৰ-বিহিত বুলি কৈছে। উত্তম কথা। শালগ্ৰাম মূৰ্তিক শিল বুলি মনত ভাবি পূজা কৰে নে ইয়াত মনেৰে ঈশ্বৰত্ব আৰোপ কৰিহে পূজা কৰে? যদি ঈশ্বৰত্ব আৰোপ কৰিহে পূজা কৰা হয়, তেনেহ'লে পুথিত ঈশ্বৰত্ব আৰোপ কৰি সেৱা-পূজা কৰিলে কি অবিধি আছে? বেদান্ত সূত্ৰত "শাস্ত্ৰ-যোনিত্বাৎ" সূত্ৰ অৱতাৰণা কৰি ব্ৰহ্মা কেৱল মাত্ৰ শাস্ত্ৰৰ দ্বাৰায় প্ৰকাশ্য আৰু জ্ঞেয় বুলি প্ৰতিপন্ন কৰিছে (শ্ৰীভাষ্য) ভগৱন্ময় বুলি ভাগৱতো ভগৱানৰ নামান্তৰ মাথোনহে।

(৮)

'প্ৰচ্ছন্নবৌদ্ধ'

অসমীয়া ৰাইজে 'প্ৰচ্ছন্নবৌদ্ধ' বিষয়ক কথাবোৰ অতি সাৱধানে পঢ়ি চাব। বাস্তৱিকেই 'প্ৰদীপিকা'ৰ কিছুমান childish যুক্তি আৰু তৰ্ক দেখি মনত হয় সেইবোৰ ২৬ বছৰ নানা শাস্ত্ৰ আলোচনা কৰা 'বেদাভ্যাসজড়ো' বৰদলৈদেৱৰপৰা আহিব নোৱাৰে। 'প্ৰদীপিকা'ৰ লেখক বাস্তৱিকে বৰদলৈদেউ নে কোনোবা পণ্ডিতনন্দন টিকনিধৰ শৰ্মা? যি হওক, গোত্ৰ হৰালে কাশ্যপ গোত্ৰীয় হোৱাৰ নিচিনা নাম নোহোৱা প্ৰবন্ধবোৰ সম্পাদক-গোত্ৰীয় বুলি ধৰিব পাৰি। বৰদলৈদেৱে নানা কূট তৰ্কৰ বাক্য-জাল মেলি শাস্ত্ৰ ৰখানি বা নবখানি দেখুৱাবৰ চেষ্টা কৰিছে শঙ্কৰদেৱৰ আদি বৈষ্ণৱ ধৰ্ম বৌদ্ধমতাৱলম্বী আৰু বৈষ্ণৱ মতৰ ঢৌত ভাহি যাব খোজা কিছুমানক দ্বিজ হৰিদেৱ

দামোদৰদেৱে গুৱালবোৰে গধূলি দবা-ঘণ্টা কোবাই ম'হ খুঁটিলে অটব্যাব ? বিচাৰি ম'হগণক খুঁটিলৈ অনাৰ দৰে আনিলে ; বিৰোৰ নাহিলে; সেইবোৰ 'মহাপুৰুষীয়া বোলাওঁতা পাৰওই' হৈ থাকি নানান হাবি-বননিয়ে বিচৰণ কৰি ফুৰিব লাগিছে ॥

বৰদলৈৰ প্ৰধান যুক্তি শাঙ্কৰী মতত জ্ঞানৰ প্ৰাথৰ্য বেছি এতেকে সি বৌদ্ধমত! এই যুক্তিৰ যে কি উত্তৰ দিম ভাবিবই নোৱাৰি। অসমীয়া ৰাইজক এটি উদাহৰণ দিওঁ, মন কৰি চাব। কোনোবাই যদি কয়, বৰদলৈদেৱে চিগাৰেট হোঁপে, ঠেঙা পিন্ধি মূৰত চাহাবৰ টুপি পিন্ধে, এতেকে বৰদলৈদেউ খ্ৰীষ্টিয়ান, অসমীয়া ৰাইজে স্বীকাৰ কৰিব নে 'প্ৰদীপিকা'ৰ সম্পাদক খ্ৰীষ্টিয়ান ? বৰদলৈদেউৰ শঙ্কৰমতত বৌদ্ধ ধৰ্মৰ ছাঁ দেখাব যুক্তি ইয়াতকৈ সমীচীন নহয়, ৰাইজে এতিয়াই গম পাব।

জ্ঞানৰ প্ৰাথৰ্য থকা হেতুকে শঙ্কৰৰ মত বৌদ্ধমত। গীতাতো জ্ঞানৰ প্ৰাথৰ্য আছে। গীতাবাদ কি বৌদ্ধমত ? বেদান্ত সূত্ৰ আৰু প্ৰধান উপনিষৎবোৰত জ্ঞানৰ প্ৰাথৰ্যই নহয় ; বিশুদ্ধ জ্ঞানবাদ পৰিপোষক কথাবোৰ আছে, অন্ততঃ ভগৱান শঙ্কৰাচাৰ্যই সেইবোৰৰ জ্ঞানবাদমূলক ভাষ্যবোৰ লিখিছিল। ভগবান শঙ্কৰাচাৰ্য কি বাস্তৱিকেই প্ৰচ্ছন্নবৌদ্ধবাদী ?

অসমীয়া ৰাইজে মন কৰি চাব ১ম সংখ্যা 'প্ৰদীপিকা'ত ভাগৱতীধৰ্ম প্ৰচাৰকসকলৰ পুৰুষনামাৰ টিঙত বৰদলৈয়ে শঙ্কৰাচাৰ্যক বহুৱাই থৈছে (৬ষ্ঠ সংখ্যা 'বাঁহী'ত লেখক এজনে বৰদলৈদেউৰ ভুল আঙুলিয়াই দিছে)। বিশুদ্ধ জ্ঞানবাদী শঙ্কৰাচাৰ্যবাদ প্ৰচ্ছন্নবৌদ্ধবাদী হয়, তেনেহ'লে তেওঁৰ ধৰ্ম শিষ্য-পৰম্পৰা অনুসাৰে পুৰুষনামাৰ পাদ দেশত থাপ পাতি বৈ থকা দামোদৰদেৱে পালে, দামোদৰদেৱৰ ধৰ্মও প্ৰচ্ছন্নবৌদ্ধবাদী নহয়নে ? বৰদলৈয়ে হয়তো লুটি-বাগৰ দি ক'ব যে শঙ্কৰাচাৰ্য কুলত ব্ৰাহ্মণ আছিল, বিশুদ্ধ জ্ঞানবাদী হ'লেও তেওঁৰ মতত ভক্তি আৰু কৰ্মবাদ থাকিবই লাগিব, নেথাকিলেই নহ'ব ইত্যাদি। শঙ্কৰাচাৰ্যৰ বিশুদ্ধ জ্ঞানবাদ বাস্তৱিকেই প্ৰচ্ছন্ন বৌদ্ধ মত হয় নে নহয়, ইয়াত আলোচনা কৰাটো অপ্ৰাসঙ্গিক ; বৰদলৈদেৱে 'সুৰু' কৰিলে, চোৱা যাব পাৰে। কিন্তু দাক্ষিণাত্যৰ বৈষ্ণৱসকলে শঙ্কৰৰ মায়াবাদক প্ৰচ্ছন্নবৌদ্ধ বুলিছিল। শঙ্কৰমতাৱলম্বী যাদৱাচাৰ্যৰ বেদান্ত ব্যাখ্যাত দূষণ ধৰিছিল বুলিয়েই ৰামানুজনক শিক্ষক গুৰুৱে পানীত ডুবাই মাৰিব খুজিছিল। ৰামানুজ আচাৰ্যই যেতিয়া পূৰ্ণাচাৰ্যৰ ওচৰত দীক্ষা লয়, তেতিয়া দীক্ষা গুৰুৰ ৰামানুজৰ প্ৰতি শেষ উপদেশ এই দিছিল—

ত্বমেৱ ৰক্ষকস্তদা সৰ্বেষাং বৈষ্ণৱোত্তম।
প্ৰচ্ছন্নবৌদ্ধসমবায়ুন্মূল্য শতশোঽগুতান্ ॥

'প্ৰচ্ছন্নবৌদ্ধ' দ্বাৰা মায়াবাদী শঙ্কৰাচাৰ্যৰ মতাৱলম্বীসকলক লক্ষ্য কৰা হৈছে। বৰদলৈৰ নিজৰ যুক্তিৰ দ্বাৰাও শঙ্কৰাচাৰ্য বৌদ্ধমতাৱলম্বী প্ৰতিপাদিত হয়, আৰু আদি বৈষ্ণৱসকলেও শঙ্কৰাচাৰ্যক বৌদ্ধমতাৱলম্বী বুলিছিল। শাস্ত্ৰ-বাবিধি বৰদলৈদেৱে ভাগৱতী ধৰ্মৰ বিখন পুৰুষনামা

উলিয়াইছে, অসমীয়া ৰাইজে তাৰপৰাই গম পাব দামোদৰপন্থীও বৌদ্ধমতাৱলম্বী প্ৰতিপন্ন হয় নে নহয়?

শঙ্কৰদেৱৰ মতত জ্ঞানৰ প্ৰাধৰ্য থকা বাবেই তাত ভক্তিৰ প্ৰাধান্যও আছে নে নাই 'ৰসময়ী মাগোহো ভকতি'ৰপৰাই ৰাইজে অলপ পৰিচয় পাব। ৰৰদলৈয়ে শঙ্কৰৰ মত আলোচনা কৰোঁ বুলিছে। কৰাই ভাল। "যমুনা উজাই বয় নে ভটীয়াই বয়" দেখা যাব। তাৰ পিছত দামোদৰদেৱৰ immediate predecessor চৈতন্য মহাপ্ৰভু! 'প্ৰদীপিকা'ৰ সম্পাদকৰ বুঢ়া বয়সত চৈতন্যদেৱৰ মধুৰ ভাব-মূলক ৰাধা-কৃষ্ণৰ যুগল লীলাৰ প্ৰতি সবিশেষ ধাউতি দেখা গৈছে। অসমীয়া ৰাইজক কৈ থোৱা যাওক যে ৰাধা-কৃষ্ণৰ যুগল উপাসনা নৱবৈষ্ণৱ ধৰ্মৰ last development। দাক্ষিণাত্যৰ আদি বৈষ্ণৱসকলে লক্ষ্মী-নাৰায়ণ বা কেৱল নাৰায়ণৰ পূজাহে কৰিছিল। মধুৰ ভাব-মূলক বৈষ্ণৱ ধৰ্ম উত্তৰ ভাৰতত দুজন মহাপুৰুষে প্ৰচাৰ কৰে—বল্লভাচাৰ্য আৰু চৈতন্যদেৱে। দুয়ো সমসাময়িক আছিল। ৰাধাবাদ আদি বৈষ্ণৱ গ্ৰন্থ বিষ্ণুপুৰাণ, হৰিবংশ এনেকি ভাগৱততো নাই। বিষ্ণুপুৰাণ আৰু হৰিবংশত ৰাসক্ৰীড়া পৰ্যন্তও (ভাগৱতত থকাৰ দৰে) নাই। তাত হল্লীষ ক্ৰীড়া বুলি এবিধ নাচৰ কথা কৈছে। পুৰাণকাৰসকলে যেতিয়াৰ কথা কৈছে তেতিয়া হয়তো হল্লীষ ক্ৰীড়াৰ নিচিনা কিবা জাতীয় উৎসৱ এটি আছিল। আৰু শ্ৰীকৃষ্ণয়ো তাৎকালিক সামাজিক প্ৰথা অনুসাৰে তাত যোগ দিছিল। কত পুৰণি আচাৰ-উৎসৱ লোপ হৈছে বা নতুন নাম গ্ৰহণ কৰিছে, তাৰ ইয়ত্তা নাই। সংস্কৃত কাব্য নাটকাদিত 'বসন্তোৎসৱ' নামে এবিধ উৎসৱৰ নাম পোৱা যায়। এতিয়াতো বসন্তোৎসৱ নামে কোনো উৎসৱ নাই। সেইদৰে হল্লীষ-ক্ৰীড়াও হয়তো তদানীন্তন সমাজৰ উৎসৱ এটি আছিল। এই হল্লীষ-ক্ৰীড়াকেই আশ্ৰয় কৰি ভাগৱতকাৰে গোপাঙ্গনাসকলৰ শ্ৰীকৃষ্ণৰ লগত মধুৰ ভাব স্থাপন কৰি তাৰ ভক্তি ব্যাখ্যা উলিয়াইছে। ভাগৱতত নানান গোপীৰ মাজতো ৰাধাদেৱীৰ উল্লেখ নাই। কেৱল উল্লেখ আছে এজনী গোপীৰ প্ৰতি কৃষ্ণৰ চিত্ত বিশেষভাৱে আকৃষ্ট হোৱাত, গোপীয়ে গৰ্বস্ফীতা হৈ কৃষ্ণৰ কান্ধত উঠিব খুজিছিল। গোপীৰ দুৰ্ভাবনা দেখি কৃষ্ণ তৎক্ষণাৎ অন্তৰ্হিত হ'ল। হয়তো ভাগৱতৰ এইজনী গোপীক লৈয়ে ব্ৰহ্মবৈবৰ্তপুৰাণকাৰে ৰাধা-কৃষ্ণৰ মধুৰ সম্বন্ধৰ সৃষ্টি কৰিলে? বৈবৰ্তপুৰাণকাৰে কিন্তু কৈছে যে তেওঁ সামবেদৰপৰা ৰাধা শব্দৰ উৎপত্তি আনিছে।

ৰাধা শব্দস্য ব্যুৎপত্তিঃ সামবেদে নিৰূপিতা।
যোহি কোটিজন্মাৰ্জ্জং কৰ্মভোগং শুভাশুভম্॥ ইত্যাদি।

নিৰপেক্ষ পণ্ডিতসকলে আলোচনা কৰি থিৰ কৰিছে যে বেদৰ ৩৩টা দেৱতাৰ ভিতৰত দূৰৈত থাকক, পুৰাণৰ ৩৩ কোটি দেৱতাৰ ভিতৰতো ৰাধাদেৱীৰ নাম নাই।

বেছি কথা খৰচ নকৰি থোপতে কৈ থওঁ যে ৰাধাবাদ প্ৰচ্ছন্নবৌদ্ধমত। ৰাধাবাদৰ

আধ্যাত্মিকতাত আগৌৱাহ উলিয়াবৰ ইচ্ছা নাই। 'প্ৰদীপিকা'ৰ গবাক্ষীসকলৰ দৰে কোনো ধৰ্মৰ প্ৰতি scoffing attitude আমাৰ নাই। ভাগৱতৰ ৰাসলীলা খণ্ডতো প্ৰচ্ছন্ন বৌদ্ধৰ ছাঁ যে একেবাৰে নাই তেনে নহয়।

শাস্ত্ৰজ্ঞ ৰৰদলৈয়ে জানে যে বৌদ্ধসকলৰ তিনি যানৰ ভিতৰত সহজ বা হীনযানো এটি। ভাৰতীয় বৌদ্ধ ধৰ্মৰ অৱনতিৰ সময়ত বিশেষতঃ ভিক্ষু শ্ৰাৱক আৰু শ্ৰাৱিকাসকলৰ একে মঠতে থাকিব লগা হোৱাত নানান অবৈধ ক্ৰীড়াই প্ৰশ্ৰয় পায়। কালক্ৰমে এই সহজযানৰপৰাই উত্তৰ ভাৰত বিশেষতঃ বঙ্গদেশত সহজীয়া বৈষ্ণৱ ধৰ্ম এটি ওলায়। আৰু সহজ মতাৱলম্বী জয়দেৱৰ কবিত্ব শক্তিৰ গুণত ৰাধা-কৃষ্ণ-লীলামূলক 'গীত-গোবিন্দ'ই সকলোৰে মন মুহি পেলায়। বিদ্যাপতি আৰু চণ্ডীদাসৰ ৰাধা-কৃষ্ণৰ যুগল লীলাও সহজ ধৰ্মমূলক। সহজীয়াসকলৰ প্ৰধান সাধন প্ৰণালী পৰস্ত্ৰীৰ লগত মধুৰ সম্বন্ধ স্থাপন। মহাপুৰুষ চৈতন্যদেৱৰ ধৰ্মৰ খুঁত বিচৰা অভ্যাস আমাৰ নাই। তথাপি কৈ যোৱা উচিত যে চৈতন্যদেৱৰ ধৰ্ম সহজমতমূলক। চৰিততে উল্লেখ আছে যে বিদ্যাপতি, চণ্ডীদাসৰ কবিতা শুনি ভাগৱত পঢ়াতকৈও চৈতন্যদেৱে বেছি আনন্দ পাইছিল, আৰু ভাব-বিভোৰ হৈ সম্মোহপ্ৰাপ্ত হৈছিল। আৰু প্ৰথমে ধৰ্ম ব্যাখ্যা কৰাত চৈতন্যদেৱেও শ্ৰীনিবাসৰ ঘৰত অতি গোপনভাৱেহে লীলা প্ৰকাশ কৰিছিল। সময় অনুসাৰে বিশদভাৱে এই বিষয়ে আলোচনা কৰা যাব। ৰাধাবাদৰ ওপৰত প্ৰথমৰপৰাই 'খোদ' হিন্দুসকলৰ সংশয় আছিল। সেইদেখি ব্ৰহ্ম-বৈৱৰ্তপুৰাণকাৰে মিছাতে সামবেদৰ নামে শপথ কাঢ়ি ৰাধাবাদক হিন্দুমতৰ ভিতৰত সুমাৰৰ চেষ্টা কৰিছিল।

ভাগৱতৰ ৰাসলীলাও পণ্ডিতসকলে অসংদিগ্ধভাৱে গ্ৰহণ কৰিব নোৱাৰিছিল। পৰীক্ষিতৰেই প্ৰথমে খুকুৰি লাগিল। শুকদেৱে কোনো প্ৰকাৰে আধ্যাত্মিক ব্যাখ্যা এটি উলিয়াই তেওঁৰ সংশয় ছেদ কৰিলে। তথাপি পণ্ডিত সমাজে ৰাসলীলাৰ বিষয়ত শুকদেৱৰ ব্যাখ্যাতে সন্তুষ্ট থাকিব নোৱৰাত পৌৰাণিক অৱতাৰবাদত আশ্ৰয় ল'বলগীয়াত পৰিছিল। "কৃষ্ণোপনিষৎ"কাৰে সৰ্বসাধাৰণৰ সংশয় ভঞ্জন কৰি ৰাসলীলাক 'খোদ' হিন্দু-গ্ৰাহ্য কৰিবৰ মানসে নতুন ব্যাখ্যা আৰম্ভ কৰিলে। কেইফাকিমান তুলি দিলোঁ :

হৰিঃ ওঁ শ্ৰীমহাবিষ্ণুং সচ্চিদানন্দলক্ষণং ৰামচন্দ্ৰং দৃষ্ট্বা সৰ্বাঙ্গসুন্দৰং মুনয়ো বনবাসিনো বিস্মিতা বভূবুঃ। তং হোচুৰ্নোঽবদ্যমৱতাৰান্ বৈ গণ্যন্তে আলিঙ্গামো ভৱন্তমিতি। ভবান্তৰে কৃষ্ণাৱতাৰে যূয়ং গোপিকা ভূত্বা মামালিঙ্গথ অন্যে যে অৱতাৰাস্তে হি গোপান স্ত্ৰীশ্চ নো কুৰু। অন্যোন্য বিগ্ৰহং ধাৰ্য্যং তৱাঙ্গস্পৰ্শনাদিহ। শশ্বৎ স্পৰ্শয়িতাস্মাকং গৃহ্নীমোঽৱতাৰান্বয়ম্। ৰুদ্ৰাদীনাং বচঃ শ্ৰুত্বা প্ৰোবাচ ভগৱান্ স্বয়ম্। অঙ্গসঙ্গং কৰিষ্যামি ভৱদ্বাক্যং কৰোম্যহম্। ইত্যাদি।

স্থূলাৰ্থঃ—ৰাম অৱতাৰত ৰামচন্দ্ৰৰ সচ্চিদানন্দ মূৰ্তি দেখি মুনিসকলে ক'লে, তেওঁক যেন

আলিঙ্গন কৰি সুখভোগ অনুভৱ কৰিব পাৰে। ৰামচন্দ্ৰই উত্তৰ দিলে কৃষ্ণাৱতাৰত মুনিসকলে গোপীৰূপে অৱতীৰ্ণ হৈ তেওঁক আলিঙ্গন কৰিব পাৰিব ইত্যাদি।

ৰাসলীলাৰ এই অভিনৱ ব্যাখ্যা ভাগৱত ৰচনাৰ পিছত। নহ'লে ভাগৱতৰ ভিতৰতে এই ব্যাখ্যা থাকিলহেঁতেন। কৃষ্ণোপনিষৎকাৰে ওপৰত দিয়া বা ব্যাখ্যাৰে ৰাসলীলাৰ বিষয়ে লোকৰ সংশয় দূৰ কৰিবৰ চেষ্টা কৰিছিল।

ইও 'প্ৰচ্ছন্নবৌদ্ধমত', আৰু নক'লেও হ'ব যে চৈতন্যদেৱৰ বৈষ্ণৱলীলাত এই মতৰ অতি কমেও বাৰ অনা বৰ্তমান আছে। বাইজে মন কৰি চাব ৰৱদলৈৰ ভাগৱতী ধৰ্ম প্ৰচাৰকসকলৰ পুৰুষনামাৰ টিঙত আছে "'প্ৰচ্ছন্নবৌদ্ধবাদী' শঙ্কৰাচাৰ্য আৰু দামোদৰদেৱৰ মূৰৰ ওপৰত ওলমি আছে 'প্ৰচ্ছন্নবৌদ্ধবাদী' চৈতন্যদেৱ। Equation কৰি চালে দামোদৰদেৱো তাৰ ভিতৰতেই পৰে। ২৬ বছৰ শাস্ত্ৰাধ্যয়ন কৰি ঘণ্টা কোবাই তপস্যা কৰাৰ "ফলং স্যাৎ কিমতঃ পৰং বদ"।"

(৯)

চৈতন্য-দামোদৰ-সমাগম-লীলা

পঞ্চম :—'প্ৰদীপিকা'ই 'নমো ব্ৰাহ্মণ্যদেৱায়' বুলি শঙ্কৰচৰিত-আলোচনাৰ শেহ ভটিমা পেলোৱা যেন লাগিছে। ৰৱদলৈদেৱৰ শেষ সিদ্ধান্তবোৰ সময়মতে দণ্ডা-পৰা কৰি চাব লাগিব। দাড়িব নোৱাৰিলে "বলে নোৱৰা শিলক পৰি নমস্কাৰ" জনাব লাগিব। চৰিত আলোচনা কৰাত ৰৱদলৈদেৱৰ প্ৰধান আপত্তি 'অনুমান' কৰাত। কিন্তু তেখেতেই আকৌ অনুমানেৰে ঠিক কৰিলে শঙ্কৰদেৱ প্ৰথম বাৰ তীৰ্থ কৰিবলৈ গৈছিল অতি কমেও ৫০ বছৰ বয়সত। এই অনুমানৰ ঠেলা-হেঁচাৰপৰা বোধ হয় ৰৱদলৈদেৱে ৰামচৰণ ঠাকুৰৰ শঙ্কৰ-চৰিত পঢ়া নাই বা ৰামচৰণৰ মত তেওঁৰ মতৰ লগত নিমিলে বুলি তাৰ উল্লেখেই কৰা নাই। ৰামচৰণে কয় শঙ্কৰদেৱ যেতিয়া ৰৰাহকুণ্ডত, তেতিয়া তেওঁৰ বয়স ৪০ বছৰ।

ৰৰাহক্ষেত্ৰক লাগি গৈলা বজ কৰি ॥
সিতো পুণ্যভাগী ক্ষেত্ৰ দেখিলা শঙ্কৰে।
স্নান দান কৰিলন্ত তাত অনন্তৰে ॥
তাতে জন্ম ৰৰাহ প্ৰভুৰ জাত ভৈলা।
সেহিসে কাৰণে তীৰ্থ পুণ্যভাগী ভৈলা ॥
তীৰ্থ কৰি পুনৰপি গৈলন্ত শঙ্কৰ।
তৈতে আসি ভৈল তান চল্লিশ বৎসৰ ॥
প্ৰয়াগত তীৰ্থক লাগি—ইত্যাদি।

(ৰামচৰণ ঠাকুৰ)।

আৰু এটি কথা শঙ্কৰদেৱে বৰদলৈৰ মতে ৩০ বছৰত বিয়া কৰালেও তেওঁ কন্যা মনুক বিয়া দিহে তীৰ্থলৈ গৈছিল। মনুক অতি কম বয়সতেই বিয়া দিছিল—

শুনিয়োক কহো কথা চন্দৰী মধাই।
সৰ্বদায়ে মনুক ফুৰিবা কোলে লই।

(ৰামচৰণ)

তীৰ্থলৈ যাবৰ সময়ত দিয়া বন্ধুবৰ্গৰ প্ৰতি উপদেশ।

যি হওক দামোদৰদেৱৰ বিষয়ে কোৱা দুই-এষাৰ কথাৰ সত্য বিচাৰি চোৱা যাওক। নাৰদ, চৈতন্য, দামোদৰদেৱক লৈ নানান সিদ্ধান্ত উপস্থিত কৰা হৈছে। বৰদলৈৰ মতে দামোদৰদেৱে চৈতন্যৰপৰা আচাৰ্য পদবী পালে। কথাষাৰ বৰ vague; আজিকালিৰ পণ্ডিতসকলৰ দৰে 'আচাৰ্য' উপাধি পালে নে আৰু কিবা পালে বুজা টান।

সাৰ্বভৌম ভট্টাচাৰ্যৰ শঙ্কৰৰ চৰিতত দামোদৰদেৱক 'আচাৰ্য' পদবীৰ বিষয় এইদৰে আছে—

পৰম বৈষ্ণৱ সিটো বিপ্ৰ দামোদৰ।
উদাস মহন্ত সিটো শিষ্য শ্ৰেষ্ঠতৰ॥
পৰম দুঃখিত ভাব পূৰ্বত আছিল।
পৰ অৰ্থে শ্ৰম কৰি জীৱিকা কৰিল॥
শঙ্কৰ তাহাঙ্ক লাগি সাদৰ কৰিল।
শাস্ত্ৰক পঢ়ায়া তাঙ্ক পূজা ভাগ দিল॥
পাটবাউসীত সত্ৰ সভা কৰিলন্ত।
আচাৰ্য পাতিয়া দামোদৰক থৈলন্ত॥
শঙ্কৰে বোলন্ত শুনা বিপ্ৰ দামোদৰ।
শৰণ কৰাহা বিপ্ৰ কৰ্মী নিৰন্তৰ॥
দামোদৰে মাধৱৰ ধৰ্মক থাপিল।
নিজশক্তি প্ৰচাৰিয়া বৈকুণ্ঠক গৈল॥

সাৰ্বভৌম ভট্টাচাৰ্য শঙ্কৰদেৱৰ সমসাময়িক আছিল। আৰু জাতি হিচাপেও ব্ৰাহ্মণবিদ্বেষী হ'বৰ কথা নাছিল। সাৰ্বভৌম আৰু বৰদলৈ সমান শ্ৰেণীৰ। সাৰ্বভৌমৰ কথাবোৰ দেখা কথা আৰু বৰদলৈৰ অনুমানৰ দিব্য দৃষ্টি।

যি হওক চৈতন্য-দামোদৰ উপাখ্যানটোৰ দামোদৰী গ্ৰন্থত ভিন্ন ভিন্ন স্তৰ আছে। দামোদৰদেৱৰ সম্পূৰ্ণ চৰিত হৈছে ৺নীলকণ্ঠ দাসৰ চৰিত। ৰামৰায়ৰ চৰিত্ত ঘটনা পৰম্পৰতাৰ বিশেষ উল্লেখ নাই। নীলকণ্ঠৰ চৰিতত দামোদৰদেৱৰ জন্মৰপৰা আৰম্ভ কৰি ক'ত কি কৰিলে, শঙ্কৰদেৱৰ লগত কেনেকৈ পৰিচয় হ'ল, মন্ত্ৰ কাৰণৰা ল'লে, শঙ্কৰৰ তিথি উৎসৱ কেনেকৈ পালন কৰিলে—

সকলো সবিশেষভাৱে বিবৃত আছে। তাত আকৌ উল্লেখ আছে যে শঙ্কৰদেৱৰ লগত আগেয়ে দামোদৰদেৱৰ পৰিচয় নাছিল। দামোদৰদেৱৰ পিতৃদেৱ সদানন্দই শঙ্কৰৰ ওচৰত দামোদৰৰ পৰিচয় কৰি দিয়ে।

এই গ্ৰন্থত চৈতন্য-নাৰদ-দামোদৰ সমাগমৰ কথা ঘুণাক্ষৰেও উল্লেখ নাই। হাজো-লীলাৰ বিষয়ে এইখিনিহে আছে—

একদিনা পূজাৰ সময়ে দামোদৰ।
গহ্বৰত পশিলন্ত গৈয়া মাধৱৰ॥
সেহিবেলা অদভুত সমস্তে দেখিলা।
মাধৱৰ অৰ্চা দামোদৰত চৰিলা॥
পূজাৰি ব্ৰাহ্মণে যত পুষ্প-মালা দিলা।
মাধৱৰ কথা দামোদৰত ৰহিলা॥

(নীলকণ্ঠ)

শঙ্কৰৰ লগত পৰিচয় হ'লত শঙ্কৰদেৱে ক'লে—

ভাগৱত পঢ়া সবে শুনো বসে আমি।
সমস্তকে জানা তুমি যেন অন্তৰ্যামী॥

দামোদৰদেৱে উত্তৰ দিলে—

দামোদৰ বদতি সকলো জানা তুমি।
ভক্তি-বৃক্ষ গজিবাৰ তুমি নিজভূমি॥
অল্পশ্ৰে সাধিবা গতি সমস্ত লোকৰ।
কিছু কৃষি কৰ্মে মতি আছয় আমাৰ॥
মাধৱে বোলন্ত কৰ্ম উত্তম কৰিবি।
এহি বুলি গীত এক কৰিলা হৰিবি॥

দামোদৰদেৱে কৃষিৰ কথা কওঁতেই মাধৱদেৱে কৃষি বিষয়ক—আধ্যাত্মিক গীত এটি ৰচনা কৰিলে। বোধকৰোঁ এইটো গীতকেই ৰচনা কৰিছিল—

কিবিবি কৰ আলো মনাই,
হৰিচৰণ সেৱাৰ পৰম সুখে ইত্যাদি।

তাৰ পিছত এইদৰে গুৰুসকলে ভাগৱত চৰ্চা কৰি থকাৰ পিছত—

একদিনা শঙ্কৰে পাছে ভাষ্য বুলিলন্ত॥
ব্ৰাহ্মণ সজ্জন লোক যতেক আছয়।
ভজাও সৱাকে তুমি নাহিকে সংশয়॥

দামোদৰে বোলে তুমি আছাহা সাক্ষাৎ।
তথাপিতো ইটো ভাব লাগিল আমাত ॥
ভজাইবো লোকক মই জানা স্বৰূপত।
সৎসঙ্গ ঘটিলে তবে শৰণ শাশ্বত ॥

শঙ্কৰে ক'লে—

ব্ৰাহ্মণক মন্ত্ৰ শূদ্ৰে দিবাক নাপাই।
এতেকেসে শিখাই দিয়াইবোহো অন্য ঠাই ॥
গঙ্গাস্নান কৰি আমি নাসিবে যাৱত।
প্ৰসঙ্গ প্ৰবৰ্তি তুমি পঢ়া ভাগৱত ॥

তাৰ পিছত ঔৰেষাৰপৰা নদিয়াৰ চৈতন্যদেৱৰ ওচৰলৈ গ'ল। চৈতন্যদেৱে তুলাপাতত মন্ত্ৰ লিখি ৰামৰাম গুৰুৰ হাতত দিলে। উক্তি আছি -

কীৰ্তন মন্দিৰে যেবে সবেয়ো আছন্ত।
ৰামৰাম গুৰু দামোদৰক মাতন্ত ॥
চৈতন্য তোমাক প্ৰতি দিয়াছে সন্দেশ।
লৈয়োক আপুনি হেৰা কৰি অভিলাষ ॥
এই বুলি দামোদৰ হাতে আনি দিলা।
দামোদৰে লৈয়া পাছে প্ৰণাম কৰিলা ॥
ঠগিত থাপিয়া ৰঙ্গে বস্তুক ৰাখিলা।
শালগ্ৰাম মালা লেখা তিনিক দেখিলা ॥
ঠগি সমে মালা প্ৰতিমাৰ আগে থৈলা।
গুৰু মানি চৈতন্যক দণ্ডৱত কৈলা ॥
হৰি-ধ্বনি কৰিলন্ত ভক্ত নিৰন্তৰ।
লভিলা সৎসঙ্গ আৰে বুলিলা শঙ্কৰ।
খাম ভাঙি পত্ৰ পাছে দামোদৰে চাইলা।
শৰণ ভজন শিক্ষা চাৰিনাম পাইলা ॥
গঙ্গাজল প্ৰসাদ শঙ্কৰে আনি দিলা।
দামোদৰে গঙ্গাজল মাথাত কৰিলা ॥
গঙ্গাজল প্ৰসাদক ভোজন কৰিলা।
জগন্নাথ তিলকক অঙ্গে পিন্ধিলন্ত ॥ (নীলকণ্ঠ)

দামোদৰদেৱৰ চৰিতৰ এই আদি স্তৰৰ লগত মহাপুৰুষীয়া পুথিৰ বিৱৰণী সম্পূৰ্ণৰূপে মিলে। শঙ্কৰ-চৰিতত আছে, ৰামৰাম গুৰুৰপৰা দামোদৰদেৱে মন্ত্ৰ পালে। শঙ্কৰৰ মন্ত্ৰতো চাৰিনাম, দামোদৰদেৱেও পালে চাৰিনাম আৰু এইটোও মন কৰিবলগীয়া যে চৈতন্যৰ মন্ত্ৰত ষোল নাম। নীলকণ্ঠৰ চৰিতত এইটোও আছে যে দামোদৰদেৱে কিৰিষি কৰিছিল।

২য় স্তৰ। —কবিচন্দ্ৰৰ 'সন্তচৰিত' সম্পূৰ্ণ দামোদৰ চৰিত নহয়। ইয়াত দেখুৱাবৰ চেষ্টা আছে অসমত কেনেকৈ বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তিত হ'ল। "কৈলাস শিখৰে ৰমো" ব্ৰহ্মা, বিষ্ণু, হৰে মিটিং কৰি শিৱৰূপী শঙ্কৰক আগেয়ে পঠাই দিলে আৰু শঙ্কৰৰ আদেশ-পালক স্বৰূপে বিষ্ণুৱে দামোদৰৰূপে অৱতীৰ্ণ হ'ল। ইয়াতো চৈতন্যৰ কোনো উল্লেখ নাই। কেৱল এই কথা আছে—

তিনিজনে আলোচিয়া মনে বিমৰিষ কৰি
পশ্চিমক পঠাইলা ব্ৰাহ্মণ।
তান হ'তে উদ্ধাৰিয়া ভাগৱত শাস্ত্ৰচয়
লভিলা বৈদিক নাম-ৰত্ন॥
সেহি হৰি-নাম গাই, দামোদৰ যদুৰাই
আপুনিও কৰিলন্ত মন্ত্ৰ।
হৰিগুৰু, শঙ্কৰেও, কহিলন্ত গোপ্য কৰি
সুধা হৰি-নাম মহাধন॥

গ্ৰন্থকাৰৰ অৰ্থ স্পষ্ট নহয়। পশ্চিমলৈ বামুণ পঠোৱাৰ দ্বাৰা শঙ্কৰদেৱসকলৰ ২য় বাৰ তীৰ্থ ভ্ৰমণক লক্ষ্য নকৰিব পাৰে—এইখিনিতে প্ৰথমে নাৰদৰ অৱতাৰণা। সভাত শঙ্কৰ, হৰিগুৰু, দামোদৰদেৱ সকলোৱে বহি আছে। এনেতে—

সন্ন্যাসীৰ বেশ ধৰি, জগতৰ উপকাৰী
আহিলা নাৰদ ঋষি!

নাৰদে কিন্তু মন্ত্ৰ দিবলৈ অহা নাই—

তোমাক দেখিবে আমি, আসিলোহো প্ৰভু স্বামী
আন কিছু নাই মনস্কাম॥

৩য় স্তৰ। —ৰামৰায়ৰ গুৰুলীলা। এইখনতে প্ৰথমে চৈতন্যৰ আবিৰ্ভাৱ আৰু নাৰদৰ দীক্ষাদান। চৈতন্যৰ লগত দামোদৰদেৱৰ কেৱল 'সম্ভাষণ' হোৱাৰ কথাহে আছে। আচাৰ্য পদবীৰ কোনো উল্লেখ নাই। ইয়াতো দামোদৰদেৱৰ কৃষিৰ বিষয় আকাৰে-ইঙ্গিতে অলপ আছে। ইয়াত আকৌ আছে পত্নীবিয়োগৰ পিছত দামোদৰদেৱে একলীয়াকৈ ধৰ্ম প্ৰচাৰত মন দিলে। ৰামচৰণ ঠাকুৰৰ চৰিততো সেয়ে আছে।

৪র্থ স্তৰ। বৈষম্য-সমীকৰণ :—

এই স্তৰৰ পূৰ্ণবিকাশ হৈছে গোপনে প্ৰচাৰ হ'ব ধৰা ৺ভট্টদেৱৰ নামে প্ৰচাৰিত পুথি এখনত। এইখনেই দামোদৰীসকলৰ বিশেষতঃ বৰদলৈদেৱৰ প্ৰধান সম্বল।

ৰামৰায়ৰ নাৰদাৱতাৰণা অলৌকিক ঘটনা। কাজেই এবিধ মীমাংসা কৰিব লাগিল। ৺ভট্টদেৱ-বেশধাৰী চৰিত লেখকে কয়, নাৰদ অহা নাই, চৈতন্যেহে নাৰদৰ ভাও দেখুৱালে।

"পাছে হাতে বীণা ধৰি কৃষ্ণ নাম গাই নাৰদৰ শ্ৰেষ্ঠা দেখাইলা। সেইবেলা দামোদৰদেৱে···নাই···বোলে হে মহাপ্ৰভু মই দৰিদ্ৰ ব্ৰাহ্মণ, কিছু আশীস মাগো। স্বদেশৰ পৰা আহন্তে তাঁতিয়ৰাত নৌকা বুৰি তিনিটি প্ৰাণী দিগম্বৰে তৰিলোঁ। পাছে শঙ্কৰে বস্ত্ৰ তিনিখানি পৰিধান কৰাই নিকটে ৰাখিছে।"

"পাছে চৈতন্য তাঙ্ক তত্বজ্ঞান দি ওঁৰেষাক গৈলা।" দামোদৰদেৱৰ মুখে চৈতন্য অহা বুলি শুনি ৰামৰাম গুৰু আৰু শঙ্কৰে পিছে পিছে খেদি ওঁৰেষালৈ গ'ল। ব্ৰহ্মাহৰিদাসে চৈতন্যত সৰিশেষ জনালত চৈতন্যৰ আদেশ হ'ল—

"হে ব্ৰহ্মাহৰিদাস, ভক্তি প্ৰেমৰস উচ্চত নৰহে, নামত বহে। এতেকে নিষ্কিঞ্চন (অৰ্থাৎ দৰিদ্ৰ ব্ৰাহ্মণ দামোদৰদেৱত) জনত ৰহিবেক। হেয় দেখাওঁ। এহি বুলি কমণ্ডলুৰ জল গহ্বৰে ঢালিল। পাছে উচ্চে নৰহি, জল নামে বহিল; আৰু বোলন্ত সিদেশক গৈহে শঙ্কৰক জানি। সি বৰ মনুষ্য ইত্যাদি।"

নামবৈষম্য সমীকৰণ চৈতন্যপন্থীৰ ষোল নাম, অথচ চৈতন্য শিষ্য দামোদৰৰ চাৰি নাম, ইয়াৰো এবিধ মীমাংসা লাগিল।

শঙ্কৰৰ চাৰি নাম, দামোদৰৰো চাৰি নাম, মানুহে কি ভাবিব? কাজেই গ্ৰন্থকাৰে অৱতাৰণা কৰিছে চৈতন্যৰো মূল মন্ত্ৰত চাৰি নামহে। তাৰো আকৌ শূদ্ৰসেৱকসকলে তিনি নামহে পায়। উৰিষ্যাৰ শূদ্ৰ প্ৰতাপৰুদ্ৰ ৰজাক তিনি নাম দিওঁতে, অল্প বুলি অৱজ্ঞা কৰি ৰজাই বিপদত পৰিল। ৰজাৰ সন্তোষৰ অৰ্থে মূল তিনি নামকে ষোল নাম কৰি চৈতন্যে প্ৰচাৰ কৰিলে। —এইদৰেহে দামোদৰেও চাৰি নাম পালে দামোদৰীশূদ্ৰসকলে তিনি নামহে পাব পাৰে. বামুণৰহে চাৰি নামত অধিকাৰ। চৈতন্যদেৱে এই চাৰি নাম তুলাপাতত লেখি ৰামৰাম গুৰুৰ 'মাৰ্ফতে' পঠিয়াই দিলে। আচৰিত কথা এইটোহে চৈতন্যে হাজোত দামোদৰদেৱক তত্বজ্ঞান দিব পাৰিলে, মন্ত্ৰও একেলগে দি নোযোৱাৰ কাৰণ কি?

ইয়াৰ পিছত ৰামৰাম গুৰু আৰু শঙ্কৰদেৱে পাটবাউসীত "ভাগৱত প্ৰসঙ্গ পাতি দামোদৰক বাৰ্ত্তা দিলা। পাছে দামোদৰে তাক যাই নৰহে দেখি, শঙ্কৰে বোলে হে গুৰু তুমি নৰহা কি কাৰণে। ইদেশত হৰিৰ নাম দিবাক চৈতন্যৰ আজ্ঞা তোমাক হৈছে। দামোদৰে বোলে গোমস্তা আতা, আমাৰ তিনটি প্ৰাণীক কোনে পুষিবেক। শঙ্কৰে বোলে, মহাপ্ৰভু পুষিবেক। এই শুনি দামোদৰে প্ৰসঙ্গে বসিলা। পাছে ৰামৰাম গুৰু নি ভান হাতে শৰণ পটলখানি দিলা।" দামোদৰে

চৈতন্যক প্ৰণাম কৰি লৈ চাব মেলি, চাই দেখে ভূৰ্জপত্ৰত লেখি দিছে; ব্ৰাহ্মণক চাৰি নাম, শূদ্ৰক তিনি দিবাক আজ্ঞা কৰিছে।

দামোদৰদেৱৰ অন্নচিন্তা শঙ্কৰৰ আশ্বাস বাক্যমতে দূৰ হোৱা বুলি শঙ্কৰ-চৰিতত‌ো আছে। আৰু দামোদৰদেৱ, 'প্ৰসঙ্গে যাই নৰহা' বুলি ৰামচৰণ ঠাকুৰৰ চৰিততো আছে। আচল কথা ২য় বাৰ তীৰ্থ-ভ্ৰমণৰ পিছত ৰামৰাম গুৰুৰ হতুৱাই শঙ্কৰে দামোদৰদেৱক মন্ত্ৰ দিয়াইছিলে। পাছে শূদ্ৰৰ মন্ত্ৰ লোৱাত ভৱিষ্যৎ 'প্ৰদীপিকা'ৰ সম্পাদকে 'অপকলঙ্ক' বুলি ভাবিবৰ ভয়ত কোনোৱাই প্ৰচাৰ কৰি দিলে যে ৰামৰাম গুৰুৱে তীৰ্থভ্ৰমণ কৰিবলৈ যাওঁতে চৈতন্যদেৱে তেওঁৰ 'মাৰ্ফতে' মন্ত্ৰ পঠাই দিছিল।

৫ম স্তৰ। আৰু 'কিস্তিমাৎ'। বৰদলৈদেৱে দেখিলে যে পুৰণি চৰিতকাৰসকলে ঘুৰাই-পকাই ক'বলৈ গৈও শঙ্কৰদেৱ আৰু ৰামৰাম গুৰুৰ হাত এৰাব নোৱাৰিলে। চৈতন্যক এৰি দিবও নোৱাৰি আৰু এৰি নিদিলেও "ৰামৰাম গুৰুৰ মাৰ্ফতে" মন্ত্ৰ পঠোৱাতো ভিঃ পিঃ ডাকত মন্ত্ৰ পঠোৱা যেন হয়। সেই কাৰণে চৈতন্যদেৱে মন্ত্ৰ দিয়াটো সঁচা নহয়, তেওঁ আচাৰ্য উপাধিহে দিলে আৰু চৈত্যদেৱে নাৰদৰ ভাও দিয়াটোও ঠিক নহয়; অথচ স্বৰ্গৰ নাৰদকো অনাটো টান হয়। যি হ'ল হ'ল, নাৰদৰূপী সন্ন্যাসীয়েহে দামোদৰদেৱক মন্ত্ৰ দিলে!

অসমীয়া ৰাইজে ওপৰত দিয়া বিশ্লেষণবোৰৰপৰাই বুজিব "যমুনা কোন পিনে বয়।" কিন্তু এটি বৰ আচৰিত কথা মাধৱদেৱৰ দোষতেই হওক বা যি কাৰণেই হওক শঙ্কৰ-চৰিতত শঙ্কৰদেৱৰ গুৰুৰ নাম নাই। অথচ বৰদলৈয়ে চালে-ৰাবে কোৰাই ঠিক কৰিলে, চৈতন্যৰপৰাও শঙ্কৰে মন্ত্ৰ পালে পাব পাৰে! কিন্তু দামোদৰ চৰিতত স্পষ্ট লেখাই আছে ৰামৰাম গুৰুৰপৰা দামোদৰদেৱে মন্ত্ৰ পাইছিল। আৰু সিও চৈতন্যৰ ষোল নামৰ যন্ত্ৰ নহয়, শঙ্কৰৰ চাৰি নামৰ মন্ত্ৰ।

এনে স্থলত অসমীয়া ৰাইজৰ হকে অতি দুখেৰে জনাওঁ—বৰদলৈদেউ, ২৬ বছৰৰ শাস্ত্ৰাধ্যয়নৰ দোহাই দিয়া সত্বেও আপোনাৰ সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিলোঁ। আপুনি প্ৰশ্ন কৰিছিল, শঙ্কৰ যদি পূৰ্ণাৱতাৰ তেনেহ'লে ৰামৰাম গুৰুৰ হতুৱাই দামোদৰদেৱক মন্ত্ৰ দিলে কিয়? পূৰ্ণাৱতাৰ হ'লেও শ্ৰীকৃষ্ণই জৰাসন্ধৰ ভয়ত সাগৰৰ মাজত লুকাই আছিল। আৰু শঙ্কৰতো আপোনাৰ মতে অৱতাৰৰ ভিতৰত নপৰেই; সেই দেখি ৰামৰাম গুৰুৰ হতুৱাই দামোদৰদেৱক মন্ত্ৰ দি পুৰোহিত ঠাকুৰসকলৰ অভিমানো বজাই ৰাখিলে আৰু তেওঁলোকৰ মতিও দামোদৰদেৱৰ দ্বাৰাই বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষণ কৰিলে। শঙ্কৰদেৱৰ লগত ৰামসৰস্বতী সাৰ্বভৌম, অনন্ত কন্দলি আদি মহাপণ্ডিতসকলো আছিল আৰু তেওঁৰ বিৰুদ্ধেও গণ্ডাৰমুৰীয়া বাপু আৰু 'দীপিকা'ৰ সম্পাদকৰ শ্ৰেণীৰ মানুহো আছিল।

'নিষ্কিঞ্চন' দামোদৰদেৱক 'সকিঞ্চন' কৰি শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্মৰ প্ৰতি বিমুখ বিপ্ৰসকলক সন্মুখ কৰিলে। "কল্কাৱতাৰ' শঙ্কৰৰ মন্ত্ৰপূত দামোদৰদেৱ নিবাতকৱচকুল-বিনাশক পাশুপত অস্ত্ৰ।

"পাষণ্ড মৰ্দন কলিকো কালে
আৰু সম নাহি ধীৰ।"

তৃতীয় প্ৰকাশ[১]

(১)

ক্ষত্ৰিয় আৰু ব্ৰহ্মবিদ্যা

৪ৰ্থ সংখ্যা "প্ৰদীপিকা"ত যশস্পতি বাপুৱে শৰাধৰ মন্ত্ৰ-স্বৰূপ "স্বাধিকাৰাৎ প্ৰমত্তঃ" হৈ ব্ৰাহ্মণ-ক্ষত্ৰিয় আদিৰ জ্ঞান সম্বন্ধ নিৰ্ণয় কৰিবলৈ গৈ নিজেই ঘোৰ অন্ধকাৰত থাকি আনকো অন্ধকাৰৰ ফালে টানিছে। তেখেতে কয় অৱস্থা-বিশেষত বামুণেও ক্ষত্ৰিয়-বৈশ্য আদিৰপৰা জ্ঞান শিক্ষা কৰিব পাৰে; "অৱশ্যে এইবোৰ কথা হৈছে শিক্ষা-গুৰুৰ বিষয়েহে, দীক্ষা-গুৰুৰ বিষয়ে নহয়"—ইত্যাদি, ইত্যাদি, নানান বেৰেৰিবাং। তেখেতৰ এইবোৰ কথাৰ উত্তৰ দিব লাগিলে অলপ বিস্তাৰিতভাৱে "শাস্ত্ৰ" আলোচনা কৰিব লাগে। যথাসম্ভৱ চুটিকৈ নিৰপেক্ষ অসমীয়া ৰাইজৰ আগত সত্য উলিয়াই দিম—অলপ মনোযোগ দি চাওক। প্ৰকৃত সত্য হৈছে যি ব্ৰহ্ম বা উপনিষদ-বিদ্যা ভাৰতীয় সভ্যতাৰ চিৰ গৌৰৱৰ স্থান, যি ব্ৰহ্মবিদ্যাৰ চিৰন্তন সত্যৰ আগত বৰ্তমান সভ্য জগতে মূৰ দোঁৱাইছে, যি ব্ৰহ্মবিদ্যাই হিন্দু ধৰ্মৰ কলিজা স্বৰূপ, সেই ব্ৰহ্মবিদ্যা আদিতে প্ৰকাশ কৰে ক্ষত্ৰিয়সকলে। যি সময়ত "ব্ৰাহ্মণ" নামক বৈদিক গ্ৰন্থবোৰত বামুণসকলে কোন যজ্ঞত কিমান পশুবধ কৰিব লাগে ইত্যাদি কথা লৈ ব্যস্ত আছিল, তেতিয়া ক্ষত্ৰিয় ৰাজন্যসকলে পশুবধ আদি নিৰ্মম প্ৰক্ৰিয়াবোৰত আস্থাশূন্য হৈ বিশুদ্ধ জ্ঞানমাৰ্গেৰে "ব্ৰহ্ম-জিজ্ঞাসা" কৰি উপনিষদৰ বিৰাট সত্যবোৰ উপলব্ধি কৰে। অনেক পিছতহে পশুবধ আদি মোহনিদ্ৰাৰ পৰা উঠি চকু মোহাৰি মোহাৰি বামুণসকলে "সমিৎপাণিঃ অৰ্থাৎ বৈদিক নিয়মমতে যজ্ঞ-কাষ্ঠ হাতত লৈ ক্ষত্ৰিয়সকলৰ ওচৰত জ্ঞান ভিক্ষা কৰিছিল। একে একে উপনিষদবোৰৰ পৰা উদ্ধাৰ কৰি প্ৰমাণ দিলোঁ, ৰাইজে মন দি পঢ়ি চাওক, উপনিষদৰ বিবৃত ঘটনাবোৰ অলপ চুটি চুটিকৈ দিয়া হ'ল।

ছান্দোগ্য উপনিষদ, ৫ম অধ্যায়, ৩য় খণ্ড:

ব্ৰাহ্মণ আৰুণেয় শ্বেতকেতু পঞ্চাল ৰাজসভাতউপস্থিত হোৱাত ক্ষত্ৰিয়জৈবালিয়ে প্ৰশ্ন কৰিলে,—"ব্ৰাহ্মণ-কুমাৰ, তোমাৰ পিতাৰপৰা উপদেশ পাইছা?" ব্ৰাহ্মণ-কুমাৰে উত্তৰ দিলে, "হয়, মহাশয়।" ক্ষত্ৰিয় জৈবালিয়ে একে একে উৎক্ৰান্তি দেৱযান আদিৰ বিষয়ে পাঁচোটা প্ৰশ্ন সুধিলে। প্ৰত্যেক প্ৰশ্নৰ উত্তৰ স্বৰূপে "ন ভগৱ", 'নেজানো মহাশয়', বুলি ক'লে। ৰজাই সুধিলে, "তেনেহ'লে শিক্ষা পোৱা বুলি কৈছিলা কিয়?" বামুণৰ ল'ৰাই অপ্ৰতিভ হৈ অতি ক্ষুন্ন মনে পিতাকৰ আগত সকলো কথা ক'লে। পিতাক গৌতমে ক'লে, "এইবোৰ প্ৰশ্নৰ উত্তৰ ময়ো নেজানো, জানিলে তোমাকো শিকালোঁহেঁতেন।" গৌতমে ৰাজসভাত উপস্থিত হৈ অতি বিনয় কৰি প্ৰশ্নবোৰৰ উত্তৰ সুধিলে।

"স হ কৃচ্ছ্ৰীবভূব॥ তং হ চিৰং বসেত্যাজ্ঞাপয়াঞ্চকাৰ তং হোৱাচ যথা মা ত্বং গৌতমাবদো যথেয়ং ন প্ৰাক্ ত্বত্তঃ পুৰা বিদ্যা ব্ৰাহ্মণান্ গচ্ছতি তস্মাদুসৰ্বেষু লোকেষু ক্ষত্ৰিয়স্যৈব প্ৰশাসনমভূদিতি তস্মৈ হোৱাচ।"

---

১ বাঁহী, দশম বছৰ, নৱম সংখ্যা, পুহ ১৮৪২ শক

অৰ্থ : ব্ৰাহ্মণৰ প্ৰাৰ্থনা শুনি ৰজা অলপ কাতৰ হ'ল। ক'লে—"আপুনি কিছু দিন অপেক্ষা কৰক। হে গৌতম, আপুনি যি ব্ৰহ্মবিদ্যা মোত প্ৰাৰ্থনা কৰিলে, আপোনাৰ আগেয়ে এই বিদ্যা কোনো ব্ৰাহ্মণে পোৱা নাই। সেইদেখি সকলো লোক ক্ষত্ৰিয়ৰ শাসনাধীন।" তাৰ পিছত তেওঁ বামুণক পঞ্চাগ্নি বিদ্যা উপদেশ দিলে।

বৃহদাৰণ্যক উপনিষদ। ৬ষ্ঠ অধ্যায়, ২য় খণ্ডত এই ঘটনাটো পুনৰুল্লিখিত হৈছে। বক্তা জৈবালি, শুনোতা গৌতম :

"স হোৱাচ যথা নস্ত্বং গৌতম মাপৰাধস্তৱ চ পিতামহাঃ যথেয়ং বিদ্যেতঃ পূৰ্ব্বং ন কস্মিংশ্চন ব্ৰাহ্মণ উৱাস, তাং ত্বহং তুভ্যং ৱক্ষ্যামি।"

অৰ্থ : হে গৌতম, তুমি মোৰ দোষ নল'বা। এই বিদ্যা তোমাৰ আগেয়ে কোনো ব্ৰাহ্মণেই পোৱা নাই। যি হওক, তোমাক মই এই বিদ্যা উপদেশ কৰিম।

কোষীতকী ব্ৰাহ্মণোপনিষৎ। ১ম অধ্যায় :

ক্ষত্ৰিয় চিত্ৰ গাৰ্গ্যায়ণিয়ে ব্ৰাহ্মণ শ্বেতকেতুক পৰলোক গতি সম্বন্ধে প্ৰশ্ন কৰিছে। শ্বেতকেতুৱে উত্তৰ দিলে "নাহমেতৎ ৱেদ। হন্ত আচাৰ্য্যং পৃচ্ছানীতি" 'মই নেজানো, পিতাক সুধি চাওঁচোন।'

পিতাক গৌতমত সুধিলত উত্তৰ দিলে, "অহমপ্যেতন্ন ৱেদ। উভৌ গমিষ্যাৱঃ।" 'ময়ো এইটো নেজানো। ব'লা দুয়ো যাওঁ।'

"সঃ হ সমিৎপাণিঃ চিত্ৰং গাৰ্গ্যায়ণিং প্ৰতিচক্ৰম উপয়ানীতি। তং হোৱাচ ব্ৰহ্মাৰ্ঘোঽসি গৌতম যো ন মানমুপাগা এহি ব্যেৱ ত্বা জ্ঞাপয়িষ্যামীতি।"

তেতিয়া গৌতমে সমিৎপাণি অৰ্থাৎ যজ্ঞ-কাষ্ঠ হাতত লৈ জ্ঞান ভিক্ষা কৰি ৰজাৰ ওচৰত উপদেশ ল'লে।

বৃহদাৰণ্যক উপনিষদ। ২ অধ্যায় ১ম ব্ৰাহ্মণ :

গৰ্গবংশীয় দাম্ভিক ৱালাকিয়ে কাশীৰাজ অজাতশত্ৰুৰ ওচৰলৈ গৈ, আগ-গুৰি নাই, ঘপহকৈ ক'লে, "ব্ৰহ্ম তে ব্ৰৱানীতি।" 'তোমাক ব্ৰহ্ম-উপদেশ দিওঁ।' ৰজায়ো ধেমালিখনকেই চাওঁ বুলি উত্তৰ দিলে—'উত্তম কথা, দিয়া।' তাৰ পিছত ব্ৰাহ্মণ ৱালাকিয়ে চন্দ্ৰ, সূৰ্য, বিদ্যুৎ, সকলোতে ব্ৰহ্মসত্তা একে একে যিমানখিনি জানে, বিবৃত কৰিলে। প্ৰত্যেক বিৱৰণৰ পিছতেই অজাতশত্ৰুৱে মাত লগালে, "মৈতস্মিন্ সংবদিষ্ঠা", 'বাপু, তোমাৰ ব্যখ্যা ঠিক হোৱা নাই।' অলপ পিছতেই বামুণৰ ল'ৰা নীৰৱ হ'ল। ৰজাই প্ৰশ্ন কৰিলে, "এতাৱন্নু"—'ইমানেইনে?' ব্ৰাহ্মণে উত্তৰ দিলে 'এতাৱদ্ধীতি।"—'হয়, ইমানেই।' ৰজাই ক'লে, "নৈতৱতা ৱিদিতং ভৱতি।" 'তোমাৰ কথাৰপৰা একো বুজা নগ'ল।' তেতিয়া ৱালাকিয়ে ক'লে, আপুনি উপদেশ দিয়ক।

"স হোৱাচ গাৰ্গ্য উপ ত্বা যানীতি॥

"স হোৱাচাজাতশত্ৰুঃ প্ৰতিলোমং চৈতৎ যদ্ ব্ৰাহ্মণঃ ক্ষত্ৰিয়মুপেয়াদ্ ব্ৰহ্ম মে ৱক্ষ্যতীতি, ব্যেৱ ত্বা জ্ঞাপয়িষ্যামীতি।"

অজাতশত্রুৱে ক'লে, 'ব্ৰাহ্মণে ক্ষত্ৰিয়ৰ ওচৰত ব্ৰহ্মজ্ঞানৰ নিমিত্তে উপস্থিত হ'ব, এইটো বিপৰীত প্ৰথা। যি হওক, তোমাক উপদেশ দিম।'

কৌষীতকী–ব্ৰাহ্মণোপনিষৎ, ৪ৰ্থ অধ্যায়ত এই বিৱৰণ পুনৰুল্লিখিত হৈছে। বক্তা অজাতশত্রু, শ্ৰোতা বালাকি।

"তত উহ বালাকিঃ সমিৎপাণিঃ প্ৰতিচক্ৰম উপায়ানীতি তং হোৱাচাজাতশত্রুঃ প্ৰতিলোমৰূপমেৱ তৎ স্যাৎ যৎ ক্ষত্ৰিয়ো ব্ৰাহ্মণমুপনয়েত। এহি ব্যেৱ ত্বা জ্ঞপয়িষ্যামীতি।"

তেতিয়া বালাকি সমিৎপাণি ৰজাৰ ওচৰত উপস্থিত হ'ল আৰু ক'লে, 'মোক উপদেশ দিয়ক।' ৰজাই ক'লে, 'ক্ষত্ৰিয়ই ব্ৰাহ্মণৰ উপনয়ন কৰিব, এইটো বিপৰীত ব্যৱহাৰ। যি হওক, আপোনাক উপদেশ দিম।'

ছান্দোগ্যোপনিষৎ। ৫ম অধ্যায় ঃ

পাঁচজন মহা শ্ৰোত্ৰিয় ব্ৰাহ্মণ লগ লাগি অৰুণ-পুত্ৰ উদ্দালকৰ ওচৰত বৈশ্বানৰ আত্মাৰ (Universal Soul) তত্ত্ব শুনিবলৈ উপস্থিত হ'ল, "কো নু আত্মা কিং ব্ৰহ্মেতি।" আৰুণেয় উদ্দালকে তেওঁলোকৰ প্ৰশ্নত ভয় পাই ক্ষত্ৰিয় অশ্বপতি কৈকেয়ৰ ওচৰলৈ তেওঁলোকক লৈ গ'ল।

"তান্ হোৱাচাশ্বপতিৰ্বৈ ভগবন্তোঽয়ং কৈকেয়ঃ সম্প্ৰতীমমাত্মানং বৈশ্বানৰমধ্যেতি তং হন্তাভ্যাগচ্ছামেতি তং হাভ্যাজগ্মুঃ ॥" 'ভগৱান অশ্বপতি কৈকেয়ই এতিয়া বৈশ্বানৰ আত্মাৰ বিষয়ে আলোচনা কৰিব লাগিছে। ব'লা, তেওঁৰ ওচৰলৈ যাওঁ।'

"তান্ হোৱাচ প্ৰাতৰ্বঃ প্ৰতিবক্তাস্মীতি তে হ সমিৎপাণয়ঃ পূৰ্বাহ্ণে প্ৰতিচক্ৰমিৰে তান্ হ অনুপনীয়ৈৱৈতদুৱাচ ॥"

'ৰজাই পাঁচজনা ব্ৰাহ্মণ আৰু তেওঁলোকৰ গুৰু উদ্দালকক ক'লে, 'আপোনালোকে ৰাতিপুৱা আহিব। উপদেশ দিম।' ৰাতিপুৱা সকলোৱে হোমৰ নিমিত্তে যজ্ঞ-কাষ্ঠ হাতত লৈ ৰাজদ্বাৰত উপস্থিত হ'ল। ৰজাই বিনয়বশতঃ তেওঁলোকৰ উপনয়ন-ক্ৰিয়া সম্পন্ন নকৰাকৈয়ে বৈশ্বানৰ আত্মাৰ বিষয়ে উপদেশ দিলে।

ছান্দোগ্য। ৭ম অধ্যায় ঃ

দেৱসেনাপতি সনৎকুমাৰে দেৱৰ্ষি নাৰদক "সৰ্ব্বং খল্বিদং ব্ৰহ্ম" উপদেশ দিছে।

ছান্দোগ্য। ১ম অধ্যায়। ৮ম খণ্ড ঃ

প্ৰৱাহন জৈৱলিয়ে শিলক আৰু দাল্‌ভ্য নামক দুজন ব্ৰাহ্মণক উদ্গীথৰ ৰহস্য-উপদেশ দিছে।

বৃহৎ আৰণ্যক। ৫ম অধ্যায় ঃ

ৰাজৰ্ষি জনকে আশ্বতৰাশ্বি বুড়িলক গায়ত্ৰীৰ তুৰীয় দৰ্শত পথ উপদেশ দিছে।

"এতদেৱ তুৰীয়ং দৰ্শতং পদং পৰোৰজা" ইত্যাদি।

শতপথ– ব্ৰাহ্মণ। ১১/৪/৫/–

ৰাজৰ্ষি জনকে এদিন ৰথেৰে ফুৰিবলৈ যাওঁতে শ্বেতকেতু, যত্যযজ্ঞী আৰু যাজ্ঞবল্ক্য নামে তিনিজন ব্ৰাহ্মণক লগ পাই সুধিলে, 'তোমালোকে অগ্নিহোত্ৰ কেনেকৈ সম্পাদন কৰা ?' তিনিও তিনি ধৰণে উত্তৰ দিলে। ৰজাই ক'লে, – 'এজনৰো ঠিক উত্তৰ নহ'ল।' এইবুলি তেওঁ ৰথ চলাই গুচি গ'ল।

শ্বেতকেতু আৰু যত্যযজ্ঞীয়ে 'ৰাজন্য বন্ধুৱে আমাক অপমান কৰিলে' বুলি চকু মোহাৰি থাকোঁতেই যাজ্ঞবল্ক্যই লৰি গৈ ৰজাৰ লগ ধৰি প্ৰকৃত জ্ঞান লাভ কৰিলে। তেতিয়াৰপৰা জনক আৰু যাজ্ঞবল্ক্যৰ ভিতৰত ঘনিষ্ঠ সম্বন্ধ হ'ল, যাজ্ঞবল্ক্যই ৰাজৰ্ষি জনকৰ লগত থাকি প্ৰভূত জ্ঞানাৰ্জন কৰিছিল। এনে কি জনকেও সময়ে সময়ে তেওঁৰপৰা উপদেশ লৈছিল। আৰুণেয় শ্বেতকেতুৱে কেনেকৈ "সমিৎপাণিঃ" প্ৰৱাহন জৈবলিৰপৰা তত্ত্বজ্ঞান পালে, ওপৰত কোৱা হৈছে।

গীতাত এই ব্ৰহ্মবিদ্যাক "ৰাজবিদ্যা" বোলা হৈছে।

"ৰাজবিদ্যা ৰাজগুহ্যং পৱিত্ৰমিদমুত্তমম্।"

ভগৱান কৃষ্ণয়ো এই বিদ্যাৰ আঁতি-গুৰিৰ বিষয় কৈছে–

ইমং বিৱস্বতে যোগং প্ৰোক্তৱান্ অহমব্যয়ং।
বিবস্বান্ মনৱে প্ৰাহ মনুৰিক্ষাকবেঽব্ৰবীৎ।
এৱং পৰম্পৰা–প্ৰাপ্তমিমং ৰাজৰ্ষয়ো বিদুঃ।"

মনু ইক্ষ্বাকু কুলৰ আদি-পুৰুষ। ক্ষুবতশ্চ মনোৰিক্ষ্বাকুৰ্ঘ্ৰাণতঃ পুত্ৰঃ জজ্ঞে (বিষ্ণুপুৰাণ)

যোগবাশিষ্ঠত আছে বশিষ্ঠ ঋষিয়ে এই বিদ্যাৰ ইতিহাস কৈছে–

আধ্যাত্মবিদ্যা তেনেয়ংপূৰ্ব্বং ৰাজসু বৰ্ণিতা
তদনুপ্ৰসৃতা লোকে ৰাজৱিদ্যেত্যুদাহৃতা॥
ৰাজৱিদ্যা ৰাজগুহ্যং আধ্যাত্মজ্ঞানমুত্তমম্।
জ্ঞাত্বা ৰাঘৱ ৰাজানঃ পৰাং নিৰ্দ্দুঃখতাংগতাঃ॥

অৰ্থ : হে ৰাঘৱ, এই অধ্যাত্মবিদ্যা ইতিপূৰ্বে ভগবানে ৰাজকুলত প্ৰকাশ কৰে। তাৰ পিছতহে লোক-সমাজত ইয়াৰ প্ৰচাৰ হয়। সেই দেখি ইয়াক ৰাজবিদ্যা বোলে। এই ৰাজবিদ্যা অতি উত্তম আধ্যাত্মিক জ্ঞান। এই জ্ঞান পাই ৰজাসকলে সকলো দুখৰ পৰা মুক্তি পাইছিল।

উপনিষদৰ গূঢ় ৰহস্য যে ক্ষত্ৰিয়সকলেহে প্ৰথমে প্ৰকাশ কৰিছিল আৰু তেওঁলোকক উপনয়ন-গুৰু মানি ব্ৰাহ্মণসকলে লাভ কৰিছিল, এই কথা ইতিহাসৰ ছত্ৰে ছত্ৰে লেখা আছে। নিৰপেক্ষ অসমীয়া ৰাইজে ওপৰত তুলি দিয়া কথাবোৰৰপৰাই তাৰ প্ৰমাণ ল'ব। যশস্পতি বাপুৱে জানিয়ে হওক বা নাজানিয়েই হওক, ক'বলৈ আহিছে, ক্ষত্ৰিয় শিক্ষা-গুৰুহে হ'ব পাৰে, দীক্ষা-গুৰু নহয়। বোলোঁ, বাপু, উপনয়ন শিক্ষা নে দীক্ষা-সংস্কাৰ ? যজ্ঞ-কাষ্ঠ হাতত লৈ হোমক্ৰিয়া সম্পাদন কৰি গৌতমাদি ব্ৰাহ্মণসকলে যে ক্ষত্ৰিয়ৰপৰা ব্ৰহ্মজ্ঞান লাভ কৰিছিল, এইটো শিক্ষা নে দীক্ষা সংস্কাৰ ? 'প্ৰদীপিকা'ৰ পৰশুৰামৰ কুটুমসকলে এক শংকৰদেৱতেই আবদ্ধ নেথাকি বুদ্ধদেৱলৈও হাত মেলিছে।

"ক সূৰ্য্য প্ৰভৱো ৱংশঃ ক চাল্পবিষয়ামতিঃ"

সম্প্ৰতি বুদ্ধদেৱৰ চৰিত বা বৌদ্ধধৰ্মৰ ইতিবৃত্তৰ আলোচনা নকৰি 'প্ৰদীপিকা'ৰ কথাৰেই ক'ব লাগিলে বুদ্ধদেৱে যদি হিন্দু গ্ৰন্থৰ পৰা কিবা জ্ঞান পাইছিল, সেই মহাজ্ঞান ক্ষত্ৰিয়সকলৰ বাপতীয়া সাহোন। জ্ঞান আৰু ভক্তি বিচাৰ ক্ষত্ৰিয়সকলৰ স্বাভাৱিক বুদ্ধিৰেই পৰিণাম যদিওবা ল'ৰাকালতে কোনোবা 'ভাৰাটীয়া' বামুণ পণ্ডিতৰ পৰা বৰ্ণ-পৰিচয় শিকিছিল। তেনেহ'লে বিজ্ঞানাচাৰ্য জগদীশ বসুৰ গাঁৱলীয়া পাঠশালাৰ পণ্ডিতৰ ওচৰত যিমানখিনি ঋণ তাতকৈও বুদ্ধদেৱৰ ঋণ কমহে। ৰাজন্যকুমাৰ শংকৰদেৱৰো ঋণ বুদ্ধদেৱৰ সমানেহে। বৰদলৈ ডাঙৰীয়াই অযাচিতভাৱে আগ ধৰিয়েই স্বীকাৰ কৰিছে যে কায়স্থসকল ক্ষত্ৰিয়-কুলোদ্ভৱ (প্ৰঃ ১৩১ পিঠি)। ক্ষত্ৰিয় জৈবলিৰপৰা ব্ৰাহ্মণ গৌতমে "সমিৎপাণিঃ" কেনেকৈ জ্ঞান লাভ কৰিছিল ওপৰত দেখুওৱা হৈছে। ক্ষত্ৰিয়-কুলোদ্ভৱ কায়স্থ শংকৰদেৱৰ পৰা যে গৌতম গোত্ৰীয় দামোদৰদেৱে সমিৎপাণিঃ পৰমাৰ্থ জ্ঞান লাভ কৰি অমৰত্ব লাভ কৰিছিল, ইয়াত আচৰিত হবলগীয়া একো নাই। ই ইতিহাসৰ ক্ষীণ পূৰ্বানুবৃত্তিহে। জ্ঞান আৰু ভক্তিবাদ (ভক্তিবাদৰ মূলোৎপত্তিৰ বিষয়ে পিছত কোৱা যাব) ক্ষত্ৰিয় আৰু আজিকালি "শূদ্ৰ" বুলি নিন্দিত হোৱা কায়স্থাদিৰ নিজ অধিকাৰ। বামুণৰ চিৰকলীয়া অধিকাৰ শ্ৰাদ্ধাদি কৰ্মকাণ্ডতহে। আৰু কৰ্মকাণ্ড যে জ্ঞান আৰু ভক্তি দুইৰো তলত ইয়াৰ মীমাংসা ইতিহাসত বহুতবাৰ হৈ গৈছে। সকলোৱে জনা-শুনাৰ ভিতৰত জ্ঞানবাদী শংকৰাচাৰ্যৰ ওচৰত কৰ্মবাদী মুণ্ডনাচাৰ্যৰ পৰাভৱ। সেইদেখি জ্ঞান আৰু ভক্তিবাদ চিৰকালেই ক্ষত্ৰিয় মুখৰপৰাহে প্ৰকাশ হৈছে। উপনিষদৰ সাৰাংশ গীতাও ক্ষত্ৰিয় কৃষ্ণৰ মুখৰ পৰাহে নিঃসৃত। আৰু গীতাৰ প্ৰথম প্ৰকাশো হয় ক্ষত্ৰিয় অৰ্জুনক লক্ষ্য কৰিহে, কোনো বামুণৰ আগত গীতা প্ৰথমে ব্যাখ্যাত হোৱা নাই। বচনো আছে– 'সৰ্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ। পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ॥' সেই দেখিহে জ্ঞান আৰু ভক্তিবাদ প্ৰচাৰক কৃষ্ণইহে অৱতাৰবাদত 'পূৰ্ণব্ৰহ্ম'ৰ ঠাই অধিকাৰ কৰিছে। বলি ছলনাকাৰী বামুণ ঠাকুৰো নহয় আৰু ক্ষত্ৰিয়বৃত্তি-অৱলম্বন কৰি ক্ষত্ৰিয় ৰাম আৰু ভীষ্মৰ ওচৰত পৰাভূত হোৱা পৰশুৰামো নহয়। সেইদেখি বিশুদ্ধ জ্ঞান বা ভক্তিবাদ সচৰাচৰ দেখা সাধাৰণ শ্ৰেণীৰ বামুণে 'হজম' কৰিব নোৱাৰে। তাৰ লগত কৰ্মৰ 'চাটনি' লাগিবই। ভক্ত-প্ৰবৰ অনন্ত কন্দলিয়ে ব্ৰাহ্মণসকলৰ এই স্বভাৱক লক্ষ্য কৰিয়েই কৈছিল–

সি কালৰ ঋষিৰ নৌভৈল শান্তমতি।
আন ব্ৰাহ্মণৰ কথা কি কৈবো সম্প্ৰতি॥
শাস্ত্ৰ মাত্ৰ পঢ়ে মানে বোলাৱে পণ্ডিত।
ৰাত্ৰি দিনে চাহে হৰি-ভকতি খণ্ডিত॥
আন সব কাৰ্যৰ নকৰে কিছু শুদ্ধি।
মাধৱক নিন্দে অতি হত হৱে বুদ্ধি॥
বিত্তৰ লভিলে ভকতিক বোলে ভাল।
অধিক নাপাইলে নিন্দা বোলে সেহিকাল॥

(অনন্ত কন্দলি)

যশস্পতি বাপুৰ খেমটা

৪ৰ্থ সংখ্যা 'প্ৰদীপিকা'ত 'গায়ক' শব্দৰ অৰ্থ কৰিবলৈ গৈ যশস্পতি বাপুৰ খেমটাওৱালীৰ নাচ মনত পৰিল। 'যাদৃশী ভাৱনা যস্য সিদ্ধিৰ্ভৱতি তাদৃশী।" যশস্পতি বাপুৱে 'গায়ত্ৰী' শব্দৰ প্ৰকৃতিগত অৰ্থ পাহৰিলে হৰলা। স্বৰ্গীয় ভানুজী দীক্ষিতে অমৰকোষৰ টীকাত 'গায়ত্ৰী' ব্যাখ্যা কৰিছে–গায়তং ত্ৰায়তে ইতি গায়ত্ৰী। অথবা, গায়ঃ গানম্ গায়েন ত্ৰায়তে ইতি গায়ত্ৰী। অৰ্থাৎ যি মন্ত্ৰই গান কৰোঁতাজনক ত্ৰাণ কৰে, সেয়ে গায়ত্ৰী। এতেকে কথা হ'ল, গায়ক মানে যেতিয়া শূদ্ৰ বা গণক ওজা (কামৰূপ অঞ্চলত গণক ওজা-পালি ওলোৱা বুলি শুনা গৈছে) তেনেহ'লে 'গায়ঃ' বা 'গানং' ওজাৰ পদহে। গায়ত্ৰী গানৰ সময়ত বাপুৱে জানো সৰু তাল লৈ 'খেমটা' গায় আৰু বেদগানত অধিকাৰ নথকা ঘৰৰ তেখেতনীয়ে অশ্ৰুতপূৰ্ব হুংকাৰ শুনি 'আকৌ আকৌ' বুলি চিঞৰে ?

যাজ্ঞবল্ক্য মুনি ব্ৰহ্মজ্ঞানী আছিল। তেওঁৰ জ্ঞান উপদেশৰ কথাক লক্ষ্য কৰি মহাকবি ভৱভূতিয়ে 'উত্তৰচৰিত'ৰ এঠাইত কৈছে–

"যাজ্ঞবল্ক্যো মুনিৰ্যস্মৈ ব্ৰহ্মপাৰায়ণং জগৌ।" অৰ্থাৎ যাজ্ঞবল্ক্য মুনিয়ে যাৰ ওচৰত ব্ৰহ্ম-পৰায়ণ গান কৰিছিল। টীকাকাৰ বীৰৰাঘৱে 'জগৌ' ব্যাখ্যা কৰিছে 'উপদিদেশ', অৰ্থাৎ উপদেশ দিছিল। বাপুৱে হয়তো আকৌ ক'ব, 'ধাতুনাং বহুলাৰ্থত্বাৎ' অৰ্থাৎ স্থান বিশেষে ধাতুৰ অৰ্থ লৰচৰ হয়। কিন্তু তাৰ পিঠিত 'প্ৰত্যয়' বহুৱাই দিলে বান্ধি থোৱা টিকনি যেন লৰিব নোৱাৰে। কিন্তু সংস্কৃত শব্দবোৰ আজিকালি প্ৰাদেশিক ভাষাত ব্যৱহৃত হোৱাত সেইবোৰৰ পূৰ্বৰ অৰ্থগৌৰৱ বঞ্চিত হোৱা নাই, যেনে আগৰ দিনত ব্ৰহ্মজ্ঞানীসকলেহে জাতি নিৰ্বিশেষে ব্ৰাহ্মণ-ত্বৰ দাবী কৰিছিল, কিন্তু প্ৰাদেশিক ভাষামতে ৰান্ধনি, মসীজীৱী, হিন্দুস্থানী গাৱোৱান সকলোৱে ব্ৰাহ্মণ বুলি পৰিচয় দিব খোজে। যশস্পতি বাপুৰ আদৰ্শমতে কোনোবাই 'ব্ৰাহ্মণ' মানে গাৱোৱান কৰে তেনেহলে উপায় ?

'মিৰিজীয়ৰী' 'প্ৰদীপিকা'ৰ লগত মধুৰ সম্বন্ধ স্থাপনা কৰিবলৈ গৈ লেখকে পাহৰিলে যে প্ৰথমে যেনেকৈ ক্ষত্ৰিয়সকলেহে উপনিষদ কেইটা আলোচনা কৰিছিল তেনেকৈ আদিতে শূদ্ৰ সূত সকলেহে পুৰাণ ব্যাখ্যা কৰি ফুৰিছিল। প্ৰথমে বেদব্যাসে 'পুৰাণ সংহিতা' এখন ৰচনা কৰি তেওঁৰ প্ৰসিদ্ধ শিষ্য সূত-কুলোদ্ভৱ লোমহৰ্ষণক দিয়ে। লোমহৰ্ষণৰ ছয় শিষ্যৰ ভিতৰত কাশ্যপ, সাবৰ্নি, শাংশপায়ন, এই তিনিজনে একো একোখন পুৰাণসংহিতা ৰচনা কৰে। এই তিনিওখনৰেই মূল লৌমহৰ্ষণিকা নামক লোমহৰ্ষণে নিজে কৰা সংহিতা। প্ৰখ্যাতো ব্যাসশিষ্যোঽভূৎ সূতো বৈ ৰোমহৰ্ষণঃ, পুৰাণসংহিতাং তস্মৈ দদৌ ব্যাসো মহামুনিঃ॥ কাশ্যপঃ সংহিতাকৰ্তা সাবৰ্ণিঃ শাংশপায়নঃ। ৰোমহৰ্ষণিকা চান্যা তিসৃণাং মূলসংহিতা॥ (বিষ্ণুপুৰাণ)

ইত্যনুক্রমে পৌৰাণিক বিদ্যাৰ প্ৰচলন সূত লোমহৰ্ষণ আৰু তেওঁৰ শিষ্যসকলৰ দ্বাৰাহে হয়। পুৰাবিৎ পণ্ডিতসকলে কয় যে, পৰৱৰ্তী কালত ব্ৰাহ্মণ লেখকসকলে বহুত প্ৰক্ষিপ্ত জিনিষ পুৰাণবোৰত সুমুৱায়। যি হওক, পুৰাণবোৰৰ ভিতৰত যি যি অংশ অতীব পুৰাতন বুলি পণ্ডিতসকলে বিশ্বাস কৰে সেইবোৰৰ লগত মূল পুৰাণ সংহিতাবোৰৰ বহুত মিল থাকিব পাৰে। পুৰাণ-বিদ্যাই যেতিয়া সূতমূলক, পৌৰাণিক প্ৰথাও সূতমূলকহে, পুৰাণৰ দোহাই দি সমাজত যিবোৰ প্ৰথা চলিব লাগিছে তাৰ নিমিত্তে ঋণ কাৰ ওচৰত, কুটুমসকল ?

ব্ৰাহ্মণ চৈতন্য আৰু কায়স্থ ৰামানন্দ

'প্ৰদীপিকা' ১২৮ পিঠিত চৈতন্য আৰু শংকৰদেৱে দেখা-দেখি হৈও কথা-বতৰা নপতাৰ ব্যাখ্যাত এইটোও সম্পাদকে সম্ভাব্য কাৰণ বুলি ধৰি লৈছে যে শংকৰ শূদ্ৰ বুলিয়েই চৈতন্যে কথা নেপাতিলে। আমাৰ উত্তৰ দিয়াৰ আগেয়ে সুধি চাওঁ – বামুণে শূদ্ৰৰ লগত কথা ক'লে জাতি যায় নে কি ? চৈতন্য চৰিতত আছে কায়স্থ ৰামানন্দ নামক গুৰুস্থানত বৰণ কৰি চৈতন্যদেৱে ৰামানন্দৰ পৰা প্ৰথমে 'ৰাগমাৰ্গানুগ' ৰাধা-কৃষ্ণ লীলা-তত্ত্ব গ্ৰহণ কৰিছিল। ৰামানন্দক লগ পোৱাৰ আগৰ ডোখৰত ৰাধা-কৃষ্ণবাদ চৈতন্যদেৱৰ মনত সৰ্বতোভাৱে ফুটি ওলোৱা যেন দেখা নাযায়। অৱশ্য তেওঁৰ আধ্যাত্মিক প্ৰতিভাৰ গতি সেইপিনেই আছিল। যি হওক, চৰিতৰ ঘটনা-পৰম্পৰা হিচাপে কায়স্থ ৰামানন্দৰপৰাহে ৰাধাকৃষ্ণ-তত্ত্ব পোৱা বুলি আছে। চৈতন্যদেৱৰ লগত দক্ষিণাপথত পৰিচয় হোৱাত সন্ন্যাসী বুলি ৰামানন্দে প্ৰণাম কৰিলে। চৈতন্যদেৱে 'আলিঙ্গন' কৰি উত্তৰ দিলে –

সাৰ্বভৌম সঙ্গে মোৰ মন নিৰ্মল ভৈল।
কৃষ্ণ-ভক্তি তত্ত্ব-কথা তাহাতে পুছিল॥
তেহো কহে আমি নাহি জানি কৃষ্ণ-কথা।
সবে ৰামানন্দ জানে তেহো নাহি এথা॥
তোমাৰ ঠাই আছিল তোমাৰ মহিমা শুনিঞা।
তুমি মোৰে স্তুতি কৰ সন্ন্যাসী জানিঞা॥
কিবা বিপ্ৰ কিবা ন্যাসী শূদ্ৰ কেনে নয়।
যেই কৃষ্ণ তত্ত্ব-বেত্তা সেই গুৰু হয়॥
ৰাধাকৃষ্ণ-তত্ত্ব কহি পূৰ্ণ কৰ মন।
সন্ন্যাসী বলিয়া মোৰে না কৰ বঞ্চন॥

(চৈতন্য-চৰিতামৃত)

'যেই কৃষ্ণ তত্ত্ব-বেত্তা সেই গুৰু হয়' – এই কথাৰেই ৰামানন্দত গুৰুত্ব আৰোপ কৰি এৰে এৰে সকলো বিধ ভক্তিৰেই ব্যাখ্যা শুনি সন্তুষ্ট নহৈ শেহত ৰাধাতত্ত্ব শুনিলে। চৈতন্যদেৱৰ ভক্তি বিকাশ ৰাধাতত্ত্বৰ ফালে ঢাল খোৱা হ'লেও ইয়াৰ আগেয়ে সেই বিষয়ে কিবা পুথি পাইছিল নে নাই নিশ্চয়কৈ ক'ব নোৱাৰি। নোপোৱাটোৱেই সম্ভৱ, কিয়নো দক্ষিণাপথ ভ্ৰমণ-কালত ৰামানন্দৰ ওচৰৰপৰা যোৱাৰ পিছত চৈতন্যদেৱে 'কৰ্ণামৃত' আৰু 'ব্ৰহ্মসংহিতা' নামক দুখন পুথি পাই সেই দুখনত ৰামানন্দই কোৱা মতে ভক্তি ব্যাখ্যা দেখি আনন্দত বিহ্বল হৈছিল। পুনৰায় ৰামানন্দৰ লগত দেখা হোৱাত চৈতন্যদেৱে কৈছিল –

> তীৰ্থ-যাত্ৰা কথা প্ৰভু সকল কহিলা।
> কৰ্ণামৃত ব্ৰহ্ম-সংহিতা দুই পুথি দিলা॥
> প্ৰভু কহে তুমি যেই সিদ্ধান্ত কহিলে।
> এই দুই পুথি সেই সব সাক্ষী দিলে॥
>
> (চৈঃ চঃ)

চৈতন্যদেৱৰ ভক্তিবাদত ৰাধা-কৃষ্ণতত্ত্ব পূৰ্তি – এই তিনিটা স্তৰৰ ভিতৰেদি হৈছে – (১) চৈতন্যদেৱৰ স্বতঃপ্ৰভ প্ৰতিভা; (২) ৰামানন্দৰ তত্ত্ব-ব্যাখ্যা; (৩) স্বমত-পোষক গ্ৰন্থ-প্ৰাপ্তি। এই তিনিওৰে মধ্যম স্তৰ শূদ্ৰ ৰামানন্দ। হ'ব পাৰে ৰামানন্দৰ ব্যাখ্যা নুশুনিলেও চৈতন্যদেৱে ৰাধাবাদকেই প্ৰতিষ্ঠা কৰিলেহেঁতেন, কিন্তু ৰামানন্দ যে ইয়াৰ মাজত আছে, এইটো চৰিত্ৰগত ঘটনা। চৈতন্যদেৱে কায়স্থ ৰামানন্দক গুৰু মানি তত্ত্ব শুনিলে। কায়স্থ শঙ্কৰৰ প্ৰতি তেওঁৰ কি জাতিগত ঘিণ থাকিব পাৰে যে, 'শূদ্ৰ' বুলি কথাকেই নেপাতিলেহেঁতেন। যৱন হৰিদাস ঠাকুৰক দহজনে অস্পৃশ্য বুলি ঘিণাইছিল, পুৰীৰ মঠৰ ভিতৰত সোমাব নিদিছিল। তেওঁকো বিশ্বপ্ৰেমিক চৈতন্যই সাবটি ধৰিছিল। কায়স্থ শঙ্কৰ জাতি হিচাপে তাতকৈও হীন নে?

চৈতন্য-শঙ্কৰ-সংক্ৰান্ত ঘটনাবোৰ যথাসময়ত আলোচনা কৰা যাব। কিন্তু ৰাইজে বৰদলৈ ডাঙৰীয়াৰ এটি ফাকটিলৈ মন কৰি চাব। যেই শঙ্কৰ-চৈতন্যৰ ঘটনা ওলাল, বৰদলৈয়ে মিৰি-নাচৰ ভাও দেখুৱাই হৰিদেৱৰ চৰিতত কি আছে তাকে ক'বলৈহে বিয়াকুল। দামোদৰ চৰিতত কি আছে নক'লে কিয়? দামোদৰ-চৰিতত (নীলকণ্ঠই লেখা)আছে, নদিয়াত শঙ্কৰ-চৈতন্যৰ সঙ্গম হ'ল। মঠৰ ভিতৰত চৈতন্য-শঙ্কৰ দুয়োৰে গুপুতে কিবা পৰামৰ্শ হ'ল আৰু কথাৰ অন্তত ৰামৰাম গুৰুৰ 'মাৰ্ফতে' মোহৰ দিয়া চিঠিত দামোদৰদেৱলৈ মন্ত্ৰ পঠিয়ালে। যি ভট্টদেৱৰ নাম দি 'জাল' কৰা পুথিত শঙ্কৰ-মাধৱক অবাচ্য ভাষাৰে গালি পৰাই এক উদ্দেশ্য – সেই পুথিতো প্ৰকাশ, ৰামৰাম গুৰুৰ হাৰ্তত দামোদৰদেৱলৈ চাৰিনাম পঠিয়ালে; অথচ চৈতন্যৰ ষোলনাম। ইপিনে শঙ্কৰৰো চাৰিনাম। অলপ অপ্ৰাসঙ্গিক হ'লেও এইখিনিতে ৰাইজক আৰু এটি কথা মন কৰিবলৈ কওঁ। যি কাৰণেই হওক চৰিতত শঙ্কৰৰ গুৰুৰ উল্লেখ নাই। অথচ 'গণনাত' সিদ্ধহস্ত

বৰদলৈ 'ডাণ্ডৰীয়াই গণি-পঢ়ি উলিয়ালে, চৈতন্যও শংকৰৰ গুৰু হ'লে হ'ব পাৰে। চৈতন্য যে শঙ্কৰৰ গুৰু দামোদৰ-চৰিততো উল্লেখ নাই। (অৱশ্যে এতিয়াও সম্পূৰ্ণ নোহোৱা চৰিতবোৰত কি থাকে ক'ব নোৱাৰোঁ) কিন্তু দামোদৰদেৱৰ চৰিতবোৰত স্পষ্ট উল্লেখ আছে যে, চৈতন্যদেৱে দামোদৰদেৱলৈ মন্ত্ৰ পঠাইছিল। বৰদলৈয়ে চৈতন্য যে দামোদৰৰ গুৰু হয়, এইটো স্বীকাৰ নকৰে কিয় ? মাধৱদেৱৰ কথামতে জানিবা শঙ্কৰৰ গুৰুৰ কথা উল্লিখিত নহ'ল; কিন্তু দামোদৰ চৰিতত যে চৈতন্যদেৱেই দামোদৰদেৱৰ মন্ত্ৰ-গুৰু বুলি আছে, তাক স্বীকাৰ কৰিবলৈ লাজ কৰে কিয় ? স্বীকাৰ কৰিলেই 'গণ্ডগোল'! চৈতন্যৰ শিষ্য হবলৈ হ'লে ধৰিব লাগে – হয়, চৈতন্য দামোদৰৰ লগ হৈছিল; নহয়, কাৰবাৰ হতুৱাই চৈতন্যই দামোদৰক শৰণ দিয়াইছিল। দামোদৰদেৱে পশ্চিমলৈ তীৰ্থ ভ্ৰমণ কৰিবলৈ যোৱা নাই। গতিকে নিজ পক্ষে চৈতন্যক লগ পোৱা অসম্ভৱ। চৈতন্যদেৱেও দামোদৰদেৱক বিচাৰি আহিলে আহিব পাৰে। এই বিষয়েও নীলকণ্ঠ আৰু 'ভৱিষ্যপুৰাণ' নিমাত। পিছৰখনত চৈতন্যৰ নামেই নাই। 'সৎসম্প্ৰদায়' মতে চৈতন্য আহিছিল, কিন্তু মন্ত্ৰ দি পঠিয়ালে বঙ্গদেশৰপৰা ৰামৰাম গুৰুৰ হাতত। 'ভৱিষ্যপুৰাণ'ত এইখিনি আছে মাথোন, পশ্চিমলৈ ব্ৰাহ্মণ পঠোৱা হ'ল। এই তিনিওখনৰ মতেই ৰামৰাম গুৰুৰ পৰাই মন্ত্ৰ পোৱা ওলায়। কিন্তু ৰামৰায়ে চৈতন্য-নাৰদ, দুজনকেই আনি হাজিৰ কৰিলে; নাৰদে মন্ত্ৰ দিলে; চৈতন্যই সম্ভাষণ কৰিলে। ইমানতো সন্তুষ্ট নহৈ ৰামৰায়ত আছে, শঙ্কৰৰ লগ লাগিলত দামোদৰদেৱে চৈতন্যৰ ওচৰলৈ যাবলৈ শঙ্কৰক খাটিছে! দামোদৰদেৱক চৈতন্যৰ শিষ্য বুলিলে আৰু আউল লাগে। কোচবেহাৰত থাকোঁতে দামোদৰদেৱে চৈতন্যপন্থী বেদুৱা বামুণক মন্ত্ৰ দি নিজ সম্প্ৰদায়-ভুক্ত কৰি ল'লে। "এদিকে ঝাপিতে তনু ওদিগে উদাস।" এবেগতীয়া ফটা কাপোৰেৰে সত্যৰ গাটোৰ এফাল ঢাকিলে আনফালে উদং হয়। সেই কাৰণেহে চৈতন্যকো উকুৱাই, চেপি ধৰি এইবোৰ 'নাৰদবেশী' সন্ন্যাসীকে – আকৌ ফাঁক! এখন চৰিতত আছে চৈতন্যই নাৰদৰ ভাও দিছিল হেনো!

"হৰি হৰি হৰি কিনো ভৈলা বিপৰীত।"

এই আউল ভাঙিব নোৱাৰি 'দীপিকাৰ' এজন লেখকে পেটৰ বিষত এবাৰ দৰব ব্যৱস্থা কৰি 'কৱিৰাজী' শাস্ত্ৰৰ দোহাই দি চৰিত-লেখক গোটেই কেইজনকেই উকুৱাই দিলে।

শেহত গৈ বৰদলৈ ডাণ্ডৰীয়াৰ হাতত পৰি চৈতন্যদেৱে দামোদৰদেৱক আচাৰ্য পাতিলে – এইফেৰাহে থাকিল। সমসাময়িক সাৰ্বভৌম ভট্টাচাৰ্যৰ কথাৰ লগত বৰদলৈৰ কিমান অমিল, আগেয়ে দেখুওৱা হৈছে। সি যি হওক বৰদলৈৰ কথামতে চৈতন্যই দামোদৰ-পন্থীৰ পূৰ্বাচাৰ্য। কিন্তু দামোদৰ-পন্থীৰ যিবোৰ মুখ্য গ্ৰন্থ সেইবোৰৰ প্ৰণাম-বাক্যত দামোদৰ, শঙ্কৰ, মাধৱ, ৰামৰাম গুৰু সকলোৰে নাম আছে। পূৰ্বাচাৰ্য চৈতন্যদেৱৰ নাম নোহোৱাৰ মানে কি ? অসমীয়া বৈষ্ণৱ ইতিহাসত চৈতন্যদেৱ হৈছে God out of the machine অৰ্থাৎ শূদ্ৰৰ প্ৰভাৱৰপৰা দামোদৰদেৱক আঁতৰাবলৈ চৈতন্যদেৱৰ নানান অমিল কথাৰে অহাটো পৰিকল্পিত হৈছে। শূদ্ৰক ঘিণালে কি হ'ব – আদি বৈষ্ণৱ শ্ৰীসম্প্ৰদায় শূদ্ৰকালৰ হাসকে (?) সজা বস্তু। চণ্ডালকুলোদ্ভৱ শঠকোপ মুনিৰ চৰণত কোন কোন মহাপুৰুষে শৰণ লৈছিল তলত দেখুওৱা হ'ল।

শবৰী-সন্তান কাঞ্চীপূৰ্ণাদিৰ বিষয়ে আকৌ কিঞ্চিৎ

কাঞ্চীপূৰ্ণৰ লগত আচাৰ্য ৰামানুজৰ মানস-গুৰু সম্বন্ধৰ বিষয়ে আগৰ 'বিজুলী'ত কোৱা হৈছে। আৰু এখন চৰিতত ৰামানুজ আৰু কাঞ্চীপূৰ্ণৰ আধ্যাত্মিক সম্বন্ধ আলোচনা কৰি লেখকে কৈছে – "কাঞ্চীপূৰ্ণই যেতিয়াই প্ৰথমে বালক ৰামানুজক দেখে, তেতিয়াৰপৰাই তেওঁ ৰামানুজক ভাল পাবলৈ আৰু হৰি-কথা শুনাবলৈ ধৰিলে; ইচ্ছা, ৰামানুজ এজন ভক্ত হয়। ৰামানুজে ভালেমান দিন কাঞ্চীপূৰ্ণক নিমন্ত্ৰণ কৰি একেলগে শুই ভালেখিনি ৰাতিলৈকে ভগৱৎ কথা কৈ সময় কটাইছিল। এই গোটেইবোৰেই প্ৰকাৰান্তৰে কাঞ্চীপূৰ্ণৰ ওপৰত কোৱা ইচ্ছাৰেই নিদৰ্শন। এই কাৰণে ক'ব পৰা যায় বৈষ্ণৱভাবৰ গুটি প্ৰথমে কাঞ্চীপূৰ্ণই ৰামানুজৰ মনত সিঁচি দিয়ে। ইয়াৰ পিছতো ৰামানুজ যেতিয়া কাঞ্চীলৈ গৈ যাদৱপ্ৰকাশৰ ওচৰ চাপিল, তেতিয়াও কাঞ্চীপূৰ্ণই ৰামানুজক পৰিচালিত কৰিছিল। ইয়াৰ পিছতো শ্ৰীৰঙ্গমত যে যমুনাচাৰ্যই এই ল'ৰাটোৰ প্ৰতিভাৰ কথা শুনি আকৃষ্ট হৈছিল, তাৰ মূলতো আকৌ সেই কাঞ্চীপূৰ্ণই।" এইদৰে বাল্যজীৱনত কাঞ্চীপূৰ্ণৰ প্ৰভাৱৰ কথা বৰ্ণনা কৰি চৰিত-লেখকে কৈছে যে ৰামানুজৰ ধৰ্ম-জীৱনৰ আদি অৱস্থাত তেওঁৰ আদৰ্শ আছিল নীহকুলীয়া কাঞ্চীপূৰ্ণই। চৰিতকাৰে কয় যে ৰামানুজৰ পৰৱৰ্তী জীৱনৰ আদৰ্শ আছিল চণ্ডালকুলোদ্ভৱ শঠাৰি – যাৰ শিলৰ মূৰ্তিক ৰামানুজে 'বকুলমালাৱক্ষসে' ইত্যাদি স্তৱৰ দ্বাৰায় সেৱা কৰিছিল।

আদিবৈষ্ণৱ শ্ৰীসম্প্ৰদায়ৰ গুৰু-পৰম্পৰা আৰু চণ্ডালৰপৰা বামুণৰ দীক্ষা-গ্ৰহণ

ৰামানুজ সম্প্ৰদায়ৰ যি গুৰু পৰম্পৰাৰ তালিকা আছে, তাৰ ভিতৰত কেইজনমান চণ্ডাল শূদ্ৰই গুৰুৰ আসন অধিকাৰ কৰি আহিছে আৰু এজন চণ্ডালে এতিয়াও আধিপত্য স্থাপন কৰিয়েই আছে। ৰামানুজ সম্প্ৰদায়ৰ গুৰু পৰম্পৰা ক্ৰম – (১) বিষ্ণু, (২) পোইহে, (৩) পূদত্ত, (৪) পে আলোৱাৰ, (৫) [?], (৬) শঠাৰি বা শঠকোপ মুনি, (৭) মধুৰ কবি, (৮) কুলশেখৰ, (৯) পেৰিয়া আলোৱাৰ, (১০) ভক্ত পদৰেণু, (১১) তিৰুপ্পান আলোৱাৰ (মুনিবাহন) (১২) তিৰুমঙ্গই, (১৩) শ্ৰীনাথ মুনি, (১৪) ঈশ্বৰমুনি, (১৫) যামুন মুনি, (১৬) মহাপূৰ্ণ, (১৭) ৰামানুজ।

ইয়াৰ ভিতৰতে ৬, ৯ আৰু ১১ নং চণ্ডাল-শূদ্ৰ-কুলোদ্ভৱ লোক আৰু ১২ নং এজন বিখ্যাত দস্যু, যদিও তেওঁ নিজেই ভিক্ষালব্ধ বস্তুৰেহে জীৱন-যাত্ৰা নিৰ্বাহ কৰিছিল। ১১ নং মুনিবাহনৰ চৰিত আগৰ বাৰ আলোচনা কৰা হৈছে। এই গুৰুসকলৰ ভিতৰত শূদ্ৰ শঠকোপ মুনিৰ নাম এতিয়াও শ্ৰীবৈষ্ণৱসকলে অতি আদৰেৰে লয়। ১৩ নং ব্ৰাহ্মণ শ্ৰীনাথ মুনি শঠাৰিৰ মন্ত্ৰ-শিষ্য। পৰাংকুশ দাস নামক মধুৰ কবিৰ এক শিষ্যৰপৰা মন্ত্ৰ লৈ তপস্যা কৰি শঠাৰিৰ দ্বাৰা লিখিত দ্ৰাবিড়-বেদ বা শঠাৰি-সূত্ৰ উদ্ধাৰ কৰে। শ্ৰীসম্প্ৰদায় এই শঠাৰি-সূত্ৰৰ ওপৰতে সম্পূৰ্ণভাৱে

প্ৰতিষ্ঠাপিত। চৰিত-লেখকে কয় যে ৰামানুজৰ শিক্ষাৰ উপকৰণৰ ভিতৰত বেদ বেদান্তৰ লগত তামিল ভাষাত লেখা দ্ৰাবিড়-বেদো। ই 'অমিল-প্ৰবন্ধ', 'দিব্য প্ৰবন্ধ', ইত্যাদি নানা নামত পৰিচিত। ইয়াৰ ভিতৰত শূদ্ৰ-কুলপাবন মহামুনি শঠকোপৰ ৰচিত অংশই বেছি আদৰণীয়। ৰামানুজক প্ৰথমে গুৰু মহাপূৰ্ণই এই গ্ৰন্থ ছমাহ পঢ়াইছিল। তাৰ পিছত শ্ৰীৰঙ্গমঠতো তেওঁ আকৌ পঢ়ে। এই গ্ৰন্থৰ প্ৰতি শ্ৰীবৈষ্ণৱসকলৰ যেনে আদৰ, আন গ্ৰন্থৰ প্ৰতি তেনে নহয়। আচাৰ্য ৰামানুজৰ ই নিত্য-পাঠ্য আছিল। আৰু তেওঁৰ তিৰোভাৱৰ সময়ত শিষ্যসকলক তেওঁ যি বাৰটা উপদেশ দিয়ে, তাৰ ভিতৰত নিত্য কৰ্মৰ ভিতৰত এই শঠাৰিৰ পুস্তক-পাঠো এটি। আন এটি উপদেশ অন্যান্য পূৰ্বাচাৰ্যসকলৰ বিশেষতঃ শঠকোপৰ পদাঙ্ক অনুসৰণ কৰিবলৈ কৈছিল। এনে কি ৰামানুজে নিজৰ নামেৰেই শঠকোপৰ পাদুকাৰ নাম থৈছিল। এইবোৰ কাৰণেই তেওঁৰ নিজৰেই আদৰ্শ আছিল মহামুনি শঠকোপ। বেদান্তৰ শ্ৰীভাষ্য ৰচনা কৰোঁতা আৰু ভাৰতত লুপ্তপ্ৰায় বৈষ্ণৱ মতক পুনৰ উজ্জীৱিত কৰা পুণ্যাত্মা ৰামানুজৰ যেতিয়া এনে উদাৰ আদৰ্শ দেখোঁ – যি চণ্ডালৰ পাদুকাক নিজৰ নামেৰে নামকৰণ কৰিছিল – আকৌ যেতিয়া দেখোঁ যে টকক শৰ্মা আদিয়ে ৰামানুজৰ ভৰি ধোৱা পানী এচলুও খাবৰ যোগ্য নহয়, তেতিয়া টিকনি-ৰূপ এক শৃঙ্গধাৰী গণ্ডাৰমূৰীয়াই শঙ্কৰক গুৰু বোলাও "অপকলঙ্ক" বুলিয়েই ভাবোক বা বৰদলৈয়েই নানান ভঙ্গী দি শূদ্ৰৰ ৰচিত বুলিয়েই শঙ্কৰ-মাধৱৰ গ্ৰন্থাৱলীক 'হেয়' জ্ঞান কৰোক, 'মহাপুৰুষীয়া বোলাওঁতা পাষণ্ডসকলে' বুঢ়া মহাদেৱৰ কৈলাসকো বিকম্পিত কৰিব পৰা অট্টহাস্যেৰে ক'ব, – "তাৱচ্চ শোভতে মূৰ্খো যাবৎ কিঞ্চিৎ ন ভাষতে।"

'হাকিমী চাল'ৰ অস্ফুট বিড়ম্বনা

দৈত্যাৰিৰ ওপৰত বৰদলৈৰ বৰ খং। তেওঁ হেনো বামুণক কাউৰী-শিয়ালৰ শ্ৰেণীলৈ নমাই আনিলে। মহাপুৰুষীয়া বোলাওঁতা পাষণ্ড দৈত্যাৰিয়ে বেয়াকৈ মিছাই লিখিলেও লিখিব পাৰে। বৰদলৈয়ে Evidence Act অৰ বহু 'শোলোখ' মাতি মহাপুৰুষীয়াৰ বহুত দোষ ধৰা পোলাইছে। আমিও সোধোঁ, বৰদলৈদেউ, Previous Convictions থাকিলে দহজনৰ কেনে ধাৰণা হয়? এবাৰ নহয়, দুবাৰ নহয়, সিও আকৌ সহস্ৰবাৰ।

ৰামানুজ আৰু শঙ্কৰাচাৰ্যৰ প্ৰাণনাশৰ চেষ্টাৰ কথা অসমীয়া ৰাইজে শুনিছে পূজাৰি ঠাকুৰসকলৰ দ্বাৰায়! এনে উদাহৰণ ৰাইজে 'বিজুলী'ৰ পোহৰত হেজাৰ হেজাৰ দেখিব পাৰে।

ভগবান শঙ্কৰাচাৰ্যৰ অতি কোমল বয়সতেই পিতৃ-বিয়োগ হয়। তেওঁৰ মাক অতি বুদ্ধিমতী আছিল। স্বামী-বিয়োগৰ পিছত শোক পাহৰিবলৈ কিছুমান দিনলৈ তেওঁ পিতাকৰ ঘৰত থাকোঁগে। তেওঁ বিষয়-সম্পত্তি এজন দূৰ-সম্পৰ্কীয় মানুহৰ হাতত সঁপি দি গ'লত ভাই-ভাগীসকলে ক্ষুণ্ণ হৈ প্ৰচাৰ কৰি দিলে যে তেওঁ অসতী।

যি হওক, ভালে-বেয়ায় দিন গ'ল। শঙ্কৰ সন্ন্যাস ধৰ্ম গ্ৰহণ কৰি ওলাই গ'ল। আগেয়ে দিয়া প্ৰতিজ্ঞা অনুসাৰে মাকৰ ৰোগশয্যাত সন্ন্যাসী শঙ্কৰ আহি উপস্থিত হ'ল। মাক মৰিল, কিন্তু সন্ন্যাসীৰ কামত অধিকাৰ নাই বুলি শঙ্কৰে ভাই-ভাগীসকলক মাকক খৰি দিবলৈ মতাবলৈ পঠিয়ালে। কোনেও শৱ-সংকাৰ কৰিবলৈ গাত নললে। শঙ্কৰে বহুত বুজালে; এনে পৰ্যন্তও ক'লে যে তেওঁ যেতিয়া সন্ন্যাস গ্ৰহণ কৰিছে, বিষয়-সম্পত্তি সকলোকে ভাগ কৰি দিব। তথাপি বামুণ ভাইসকল আগ নেবাঢ়িলে। ৰবদলৈয়ে ইয়াতে ক'ব, দেখা ব্ৰাহ্মণ্যদেৱৰ মহতালি। (আমিও কওঁ, ধইন ধইন ব্ৰাহ্মণ্যদেৱ।) দুয়ো পক্ষতেই বহুত কথা কটা হৈ গ'ল। শেহত জ্ঞাতি বামুণসকলে শঙ্কৰক অসতীৰ ল'ৰা বুলি গালি পাৰিলে। এইবাৰ ব্ৰহ্মজ্ঞানী শঙ্কৰৰো ধৈৰ্যচ্যুতি হ'ল। তেওঁ তিনিটা ভীষণ শাপ দিলে। – (১) সেই দিনৰ পৰা কোনো সন্ন্যাসীয়ে সিহঁতৰ দ্বাৰত ভিক্ষা নকৰিব। (২) সিহঁত বেদ-বহিষ্কৃত হৈ থাকিব। (৩) সিহঁতৰ গাঁৱৰ চাৰিওপিনে শ্মশান হ'ব।

যি হওক, চণ্ডাল শ্ৰেণীৰ নায়াৰ শূদ্ৰসকলৰ সহায়ত শঙ্কৰে ঘৰৰ এচুকতে শৱ সংকাৰ কৰিলে। তাৰ পিছত মাকৰ সতীত্বৰ বিষয়ে ৰাজসভাত বিচাৰ হয়। শঙ্কৰৰ সপক্ষে সাক্ষী দিওঁতা নায়াৰ শূদ্ৰসকল আৰু বিপক্ষে সাক্ষী দিওঁতা বিষয়-সম্পত্তি খাবলৈ নোপোৱা আৰু ভেমত ওফন্দি থকা জ্ঞাতি ব্ৰাহ্মণ্যদেৱসকল! পৰম কৃতজ্ঞতা-পৰবশ হৈ শঙ্কৰে নায়াৰসকলক জলাচৰণীয় কৰি থ'লে আৰু তেওঁৰ মঠত সোমাবলৈ অধিকাৰ দিলে।

চৈতন্যদেৱে সন্ন্যাস গ্ৰহণ কৰি কাশীলৈ যাওঁতে ব্ৰাহ্মণ্যদেৱসকলে তেওঁৰ ভাব-বিহ্বলতা লক্ষ্য কৰি দুৰ্নাম ৰটনা কৰিবলৈ ধৰিলে।

> সন্ন্যাসী হুইয়া কৰেন গায়ন নাচন।
> নাকৰে বেদান্ত পাঠ কৰে সঙ্কীৰ্তন॥
> মূৰ্খ সন্ন্যাসী নিজ ধৰ্ম নাহি জানে।
> ভাবক হইয়া ফিৰে ভাবকেৰ সনে॥

নিৰুপায় হৈ চৈতন্য শূদ্ৰ এজনৰ ঘৰত থাকিল।

> কাশীতে লিখক শূদ্ৰ চন্দ্ৰশেখৰ।
> তাৰ ঘৰে ৰহিলা প্ৰভু স্বতন্ত্ৰ ঈশ্বৰ॥

আকৌ এই চৈতন্যই হেনো শূদ্ৰ বুলি শঙ্কৰৰ লগত কথাকেই নেপাতিলে। 'প্ৰদীপিকা'ৰ ভাষাত চৈতন্যদেৱৰ বিষম ব্যৱহাৰক কি বুলিব পাৰি ৰাইজে ভাবি চাব। চৈতন্যদেৱে প্ৰথমে যেতিয়া কীৰ্তন প্ৰসঙ্গ শ্ৰীবাসৰ ঘৰত আৰম্ভ কৰে ব্ৰাহ্মণ্যদেৱসকলে নানান উৎপাত আৰম্ভ কৰিলে।

কবাট দিয়া কীৰ্তন কৰে পৰম আবেশে ।
পাষণ্ডী হাসিতে আইসে না পায় প্ৰবেশে ॥
কীৰ্তন শুনি বাহিৰে তাৰা নানা যুক্তি কৰে ।
শ্ৰীবাসেক দুখ দিতে নানা যুক্তি কৰে ॥
একদিন বিপ্ৰ নাম গোপাল চাপাল ।
পাষণ্ডী-প্ৰধান সেই দুৰ্মুখ ৰাচাল ॥
ভবানী পূজাৰ সব সামগ্ৰী লইয়া ।
ৰাত্ৰে শ্ৰীবাসেৰ দ্বাৰে স্থান লেপাইয়া ॥

*   *   *   *

মদ্য ভাণ্ড পাৰ্শে ধৰি নিজ ঘৰ গেলা ।
প্ৰাতঃকালে শ্ৰীনিবাস তাহাত দেখিলা ॥

(চৈতন্য-চৰিতামৃত)

পৰীক্ষিত ৰজাৰ হাতত দামোদৰদেৱক কি ফন্দিৰে ধৰাই দিয়া হৈছিল, ৰাইজে অলপ নমুনা চাওক । দামোদৰদেৱৰ নামত অভিযোগ উঠিল –

দামোদৰ নামে দ্বিজ শূদ্ৰ-মূৰ্তি ধৰি ।
নীতি-ধৰ্ম আচাৰ বেদ পৰিহৰি ॥ ইত্যাদি ।

অভিযোগৰ উত্তৰ স্বৰূপে দামোদৰদেৱে নিজেই গ'ল –

ৰাজেন্দ্ৰ নামত এক দৈবজ্ঞ কুলত ।
সাদৰিয়া বাসা দিলা আপন গৃহত ॥
ভোজন কৰাইলা ভক্তি কৰি নানা মত ।
পাত পেলাইবাক চান্তে দিলেক শপত ॥
পেলাইবো আমিসে পত্ৰ বসিওক যাই ।
বাজত বসাই দিলা গৰুক সুমাই ॥
গৰুয়ো খচিয়া খাই কদৰ্য কৰিল ।
পাছে দস্যুগণে নৃপতিত জান দিল ॥
দূত পঠাই প্ৰমাণ দেখিয়ো নৰৰায় ।
ভাত খাই যিটোজনে পাত নেপেলাই ॥

ৰাজদূত পঠাই পাছে তান্ক সত্য মানি ।
লোহা লগাই ফাটক খানাত থয়ো আনি ॥
এহি কথা শুনি দূতে থৈলা সেহি মতে ।
এক ৰাত্রি বঞ্চিলেক ফাটক ঘৰতে ॥ (নীলকণ্ঠ)
এইবাৰ কোন "দেব" ওলাল ৰাইজে পহিলা শাৰী চাওক ।

কবীৰ, মধ্বাচাৰ্য আদি ধৰ্ম-প্ৰচাৰকসকলে কি কি বিলাই ভোগ কৰিছিল, অইন বাৰৈলে দেখুওৱা যাব । ৰবদৈলেয়ে 'বেণ্ডা' মাৰি মিহি কৰিবলৈ কয় যে শঙ্কৰে 'শুদ্ধ সনাতন' ধৰ্মটোক তলৈলে নিওঁ বোলাতহে ব্ৰাহ্মণ্যদেৱসকলে অলপ গা দণ্ডাদণ্ডি কৰিছিল । সেইটো চৈতন্য, দামোদৰ, ৰামানুজ, শঙ্কৰাচাৰ্য, মধ্বাচাৰ্য সকলোবোৰতেই খাটেনে ? অসমীয়া ৰাইজে স্বৰ্গৰ ৰজা হৈও হেজাৰ চকুৱা ইন্দ্ৰৰ টোপনি নহা কথা পৌৰাণিক উপাখ্যানৰ পৰা শুনিছে । কোনোবা ৰজাই ক'ৰবাত অশ্বমেধ যজ্ঞ কৰাৰ বাতৰি পালেই, নাইবা কোনোবাই ক'ৰবাত তপস্যা কৰাৰ উৰা-বাতৰি কাণত পৰিলেই ইন্দ্ৰদেৱে হয় ঘোঁৰাকেই চুৰ কৰাব, নহয় যশম্পতিৰ 'খেমটাওৱালী'কে পঠিয়াই দি তপস্যা ভঙ্গ কৰাব । আমাৰ "বৰ্ণানাং গুৰু" সকলৰো একেই কীৰ্তি । পৰাপক্ষত বিহ মিহলোৱা ভাত বা নানা ফন্দি কৰি ৰজাৰ হতুৱাই ধৰাই নিয়া, নোৱাৰিলে চিকুটটো-আঁচোৰটো আছেই ।

পুথি-পূজা

'নাৰদ-ভক্তি সূত্ৰত আছে– "তস্মিন তজ্জনে ভেদাভাৱাৎ ।" অৰ্থাৎ ভক্ত আৰু ভগৱানৰ ভেদ নাই । বৈষ্ণৱ শাস্ত্ৰত এইটোও আছে ভগৱান ভাগৱত স্বৰূপ অৰ্থাৎ ভাগৱতেই ভগৱানৰ নিজ মূৰ্তি । সেই কাৰণে মহাপুৰুষীয়াই থাপনাত ভাগৱত শাস্ত্ৰ থয় ।

পাদৌ যদীয়ৌ প্ৰথম দ্বিতীয়ৌ
তৃতীয়তূৰ্যৌ কথিতৌ যদূৰু ।
নাভিস্তথা পঞ্চম এৱ যষ্ঠৌ
ভূজান্তৰং দোৰ্যুগলং তথান্যৌ ॥
কণ্ঠস্তু ৰাজন্নৱমো যদীয়ৌ
মুখাৰবিন্দং দশমং প্ৰফুল্লম্ ।
একাদশো যস্য ললাট-পট্টং
শিৰোঽপি যদ্দ্বাদশ এৱ ভাতি ॥
তমাদিদেৱং কৰুণানিধানং
তমান বৰ্ণং সুহিতাৱতাৰম্ ।
অপাৰসংস্থাৰ সমুদ্ৰসেতুম্
ভজামহে ভাগৱতস্বৰূপং ॥ (পদ্মপুৰাণ)

অৰ্থ : ভাগৱতৰ প্ৰথম-দ্বিতীয় স্কন্ধ কৃষ্ণৰ দুই ভৰি। তৃতীয়-চতুৰ্থ স্কন্ধ তেওঁৰ উৰু। পঞ্চম-ষষ্ঠ তেওঁৰ নাভি। সপ্তম-অষ্টম দুই হাত। নৱম তেওঁৰ কণ্ঠ। দশম মুখ। একাদশ ললাট। দ্বাদশ শিৰ। সেইদেখি ভাগৱতক কৃষ্ণৰ স্বৰূপ বুলি মহাপুৰুষীয়াই সেৱা কৰে। আৰু ভাষানুবাদ হ'লেও যে পুথিৰ মাহাত্ম্য নকমে, ৰামানুজৰ তামিল শঠাৰি-সূত্ৰৰ প্ৰতি আদৰৰপৰাই জানিব পাৰি।

"প্ৰচ্ছন্ন বৌদ্ধ"

'বিজুলী'ৰ দ্বিতীয় প্ৰকাশত ভাগৱতৰ ৰাসলীলাত বৌদ্ধ সহজযানৰ ছায়াপাত আছে বুলি কোৱা হৈছিল। আমাৰ বক্তব্য এয়ে যে ভাগৱতৰ ৰাসলীলা মূল কৃষ্ণ চৰিত্ৰৰ অংশ নহয়। এইটো পিছৰ কালত জোৰা দিয়া কথা। আমি প্ৰমাণ স্বৰূপে হৰিবংশৰ হল্লীষ-ক্ৰীড়াৰ কথাহে কৈছো। হৰিবংশৰ হল্লীষতো আদিৰসৰ অলপ-অচৰপ উল্লেখ আছে। সম্প্ৰতি আন এখন পুথিৰপৰা আমি পদ উদ্ধাৰ কৰিম। এইখন হৈছে মহাকবি ভাসৰ "বালচৰিত" নামক কৃষ্ণৰ শিশুলীলা বিষয়ক সংস্কৃত নাটক। ভাস কালিদাসৰো আগৰ কবি। কালিদাসৰ "মালৱিকাগ্নিমিত্ৰ"ত ভাসৰ উল্লেখ আছে। "প্ৰতিথযশসাং ভাসসৌমিল্লকবিপুত্ৰাদীনাং---" ইত্যাদি। ভাসৰ নাটকতো হল্লীষ-ক্ৰীড়াৰ কথা আছে। কিন্তু ইয়াত আদিৰসৰ নাম-গন্ধও নাই। আৰু এই হল্লীষ-ক্ৰীড়া কালিয়দমন আদি ঘটনাৰ আগতেই হৈছিল। কোনোৱে ক'ব পাৰে যে ভাসে আদিৰসৰ ৰস বাদ দি নাটক উলিয়াইছিল। কিন্তু ভাসৰ নাটক বহুত ওলাইছে। ভাস যে আদিৰসত "গড়াগড়ি" দিয়া কবি, তেওঁৰ দিনত প্ৰচলিত কৃষ্ণ চৰিত্ৰত এনে ধৰণৰ কথা পালে অলপতে এৰি দিয়া পুৰুষ তেওঁ নহয়। যি হওক অলপ উদ্ধাৰ কৰি দিয়া হ'ল–

বৃদ্ধ গোপালক : আম ভৰ্ত্তঃ। সৰ্বেসন্নদ্ধা আগতাঃ।

দামক : জয়তু ভৰ্ত্তা।

সংকৰ্ষণ : দামক, সৰ্ব্বে গোপাদাৰকাঃ সমাগতাঃ।

দামোদৰ : ঘোষসুন্দৰি, বনমালে, চন্দ্ৰৰেখে, মৃগাক্ষি, ঘোষবাসস্যানুৰূপোঽয়ং হল্লীসকনৃত্যবন্ধ উপযুজ্যতাম্।

সৰ্ব্বে : যৎ ভৰ্ত্তাজ্ঞাপয়তি।

সংকৰ্ষণ : দামক, মেঘনাদ, বাদ্যন্তামোতোদ্যানি।

উভৌ : ভৰ্ত্তঃ, তথা।

বৃদ্ধ গোপালক : ভৰ্ত্তঃ, যূয়ং হল্লীসকং প্ৰক্ৰীড়থ। অহমত্ৰ কিং কৰোমি ?

দামোদৰ : প্ৰেক্ষকো ভবান ননু।

বৃদ্ধ গোপালক : হীহী সুষ্ঠু গীতম্। সুষ্ঠু বাদিতম্। সুষ্ঠু নৰ্ত্তিতম্ যাৱদহমপি নৃত্যামি। পৰিশ্ৰান্তঃ খল্বহং॥

শেহত বুঢ়ায়ো গা ৰাখিব নোৱাৰিলে, হল্লীষত যোগ দিলে।

'ভাগৱত'ৰ ৰাসক্ৰীড়াক 'হৰিবংশ'ত 'হল্লীষ' বোলা হৈছিল। কিন্তু তাতো সম্ভোগৰ ভাব বৰ্তমান আছে যদিও ভাগৱতৰ ৰাসতকৈ কম, "কৃষ্ণং গোপাংগনা ৰাত্ৰৌ মৃগয়ন্তে ৰতিপ্ৰিয়াঃ।" কিন্তু ভাসৰ "হল্লীষ"ত তাৰ কোনো চিন-চাবেই নাই। কবি ভাসৰ মতে 'হল্লীষ' এটি সৰু সৰু ল'ৰা-ছোৱালীৰ নিষ্পাপ খেল মাথোন। ইয়াত লাজৰ কথা একো নাই। বুঢ়ায়ো চাই থাকিব পাৰে আৰু গা ৰাখিব নোৱাৰিলে নাচিবও পাৰে। ভাবৰ বিকাশৰ ক্ৰম অনুসাৰে ভাসৰ নাট ভাগৱত আৰু হৰি বংশতকৈ (এতিয়া প্ৰচলিত থকা) আগৰ। কৃষ্ণৰ ৰাসলীলা পৰবৰ্তী কবিসকলৰ হাতত আকৌ বেছি বেছিকৈ আদিৰসাত্মক হৈ আহিছে। যেনে– জয়দেৱৰ 'গীত-গোৱিন্দ' আৰু বিদ্যাপতি আদিৰ পদাৱলী আদিত।

এইটোও মন কৰিব লগীয়া যে ৰাধাবাদ দক্ষিণ ভাৰতৰ বৈষ্ণৱ মতত সমূলি নাই। উত্তৰ ভাৰতৰো বংগদেশতহে ইয়াৰ উৎপত্তি আৰু লীলাস্থান। আৰু ৰাধাবাদ প্ৰৱৰ্তক জয়দেৱ, বিদ্যাপতি, চণ্ডীদাস সকলো সহজ ধৰ্মাৱলম্বী আছিল। সহজ ধৰ্ম বৌদ্ধ সহজযানৰ নামান্তৰ মাথোন। আৰু বংগদেশেই সহজযানৰ লীলাভূমি আছিল। নিৰপেক্ষ বংগীয় পণ্ডিতসকলেও স্বীকাৰ কৰে যে চৈতন্যদেবৰ বৈষ্ণৱ ধৰ্ম (ৰাধাবাদমূলক) বৌদ্ধ ধৰ্মহে। যি হওক, এইবোৰৰ বিস্তৃত আলোচনা পিছত কৰা যাব আৰু ৰাইজে লগে লগে বহুত ৰহস্য কথা জানিব পাৰিব।

চতুৰ্থ প্ৰকাশ [১]

(১)

স্ত্ৰী, শূদ্ৰ আৰু বেদ

শৌনক মুনি-বিৰচিত "বৃহদ্দেৱতা" নামক গ্ৰন্থত বৈদিক দেৱতা আৰু বেদমন্ত্ৰ ৰচনা কৰোঁতা ঋষিসকলৰ ইতিবৃত্ত দিয়া আছে। তাত বাজেও পুৰাণ আৰু "ব্ৰাহ্মণ" গ্ৰন্থবোৰত ঠায়ে-ঠায়ে বেদ-মন্ত্ৰৰ ৰচনা কৰোঁতা ঋষিসকলৰ উল্লেখ আছে। আমাৰ মানুহৰ সাধাৰণ ধাৰণা যে বেদ কেৱল ব্ৰাহ্মণসকলেহে ৰচনা কৰিছিল। ই সম্পূৰ্ণ ভুল ধাৰণা। সময় অনুসাৰে বৈদিক ঋষিসকলৰ নাম আৰু তেওঁলোকৰ কোন কোন জাতীয় আছিল, আলোচনা কৰা যাব পাৰে। সম্প্ৰতি থোপতে কৈ থওঁ যে বৈদিক ঋষিসকলৰ ভিতৰত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য তিনিও জাতিৰেই ঋষিসকল আছিল। (মৎস্য পুৰাণ, ১৩২ অধ্যায়) আৰু এই পুৰাণ মতে তেওঁলোকৰ সংখ্যা ৯১ জন ।

ইয়াত বাজেও বৈদিক ঋষিসকলৰ ভিতৰত কেইজনামান স্ত্ৰী আৰু কেইজনমান শূদ্ৰদাসীপুত্ৰও আছিল। "বৃহদ্দেৱতা" গ্ৰন্থত স্ত্ৰীসকলৰ নাম আৰু কোনে কেনে ধৰণৰ সূক্ত ৰচনা কৰিছিল, তাৰ বিস্তৃত বিবৰণ আছে। ইয়াত নামহে দিয়া হ'ল –

ঘোষা গোধা বিশ্ববাৰা অপালোপনিষন্নিষৎ ।
ব্ৰহ্মজায়া জুহূৰ্নাম অগস্ত্যস্য স্বস্যদিতিঃ ॥
ইন্দ্ৰাণী চেন্দ্ৰমাতা চ সৰমা ৰোমশোৰ্ব্বশী ।
লোপমুদ্ৰা চ নদ্যশ্চ যমী নাৰী চ শশ্বতী ॥
শ্ৰীৰ্লাক্ষা সাৰ্পৰাজ্ঞী বাক্ শ্ৰদ্ধা মেধা চ দক্ষিণা ।
ৰাত্ৰী সূৰ্য্যা চ সাৱিত্ৰী ৰহ্মবাদিন্য ঈৰিতাঃ ॥

২য় অধ্যায়, শ্লোক ৮২-৮৪ ।

এওঁলোকৰ ভিতৰত ঘোষাৰ বিষয়ে তলত অলপ কোৱা যাব। শূদ্ৰ ঋষিৰ ভিতৰত কৱষ আৰু কক্ষীৱান্ বিশেষভাৱে উল্লিখিত হৈছে। কৱষ ঋষিৰ বিবৰণ "ব্ৰাহ্মণ" গ্ৰন্থত উল্লেখ আছে। তলত চুম্বকভাৱে তুলি দিয়া হ'ল –

কৌষীতকী ব্ৰাহ্মণ ॥ ১২শ অধ্যায় ॥ ৩য় খণ্ড ॥

বশিষ্ঠ বিশ্বামিত্ৰ আদি ঋষিসকলে সৰস্বতী নদীৰ পাৰত যজ্ঞ যত্ৰ পাতি আছিল। তেওঁলোকৰ লগত কৱষ ঋষিও বহি আছিল। ঋষিসকলে তেওঁক গালি পাৰি ক'লে - "দাস্যা ৱৈ ত্বং পুত্ৰোঽসি ন বয়ং ত্বয়া সহ ভক্ষয়িষ্যাম ইতি।" অৰ্থাৎ 'তুমি দাসী-পুত্ৰ, তোমাৰ লগত বহি আমি নেখাওঁ।' কৱষে খং কৰি উঠি গ'ল আৰু এই (আপ্ৰী) সূক্ত ৰচনা কৰি সৰস্বতী নদীক তুষ্ট কৰিলে। তেতিয়া ঋষিসকলে তেওঁৰ মাহাত্ম্য বুজি তেওঁৰ পিছে পিছে গ'ল আৰু ক'লে,

---

১ বাঁহী, দশম বছৰ, নৱম সংখ্যা, পিঠি ২৭০-৮১

"ঋষে, নমস্তে অস্তু, মা নো হিংসী স্তং বৈ নঃ শ্ৰেষ্ঠোঽসি যং ষেয়মন্বেতীতি।" – 'হে ঋষি, তোমাক প্ৰণাম, তুমি আমাক হিংসা নকৰিবা, তুমি আমাৰ ভিতৰত শ্ৰেষ্ঠ, কিয়নো এই সৰস্বতী নদী তোমাৰ পিছে পিছে গৈছে।' কবষ ফিৰি আহিলত ঋষিসকলে তেওঁক অধ্যক্ষ পাতি যজ্ঞ সমাপন কৰিলে।

ঐতৰেয় ব্ৰাহ্মণ ॥ ২য় পঞ্চিকা ॥ ৩য় অধ্যায় ১৯ ॥

ইয়াতো কবষ ঋষিৰ বিবৰণ প্ৰায় একেদৰেই আছে। ঋষিসকলে তেওঁক গালি পাৰিলে – "দাস্যাঃ পুত্ৰঃ কিতৱো ব্ৰাহ্মণঃ কথং নো মধ্যে দীক্ষিষ্টেতি।" – 'দাসী-পুত্ৰ, অব্ৰাহ্মণ, জুৱা-খেলোৱাৰ, কেনেকৈ আমাৰ মাজত সোমাই দীক্ষা গ্ৰহণ কৰিলে।' – এই বুলি যজ্ঞৰপৰা তেওঁক উলিয়াই দিলে আৰু শাও দিলে তেওঁ যেন পিয়াহত পানী খাবলৈ নাপায়, আৰু সৰস্বতী নদীয়েও পিয়াহত পানী খাবলৈ নিদি তেওঁক শুকাই মাৰে। লাঞ্ছিত হৈ উঠি আহি ঋষিয়ে "প্ৰ দেবতঃ ব্ৰহ্মণে গাতুৰেতু" ইত্যাদি সূক্ত ৰচনা কৰি জপ কৰিলে আৰু সৰস্বতী নদী তেওঁৰ পিছে পিছে যাবলৈ ধৰিলে। – কবষ ঋগ্বেদৰ ১০ মণ্ডলস্থ ৩০-৩৪ সূক্তৰ ৰচয়িতা।

আন এজন দাসী-গৰ্ভ-জাত শূদ্ৰ ঋষি কক্ষীৱান্। তেওঁ অঙ্গৰাজ মহিষীৰ দাসীৰ ল'ৰা। তেওঁৰ জন্ম-বৃত্তান্ত "বৃহদ্দেৱতা" গ্ৰন্থত দিয়া আছে। দীৰ্ঘতম ঋষিৰপৰা দাসীৰ গৰ্ভত তেওঁৰ জন্ম হয়। –

ৰাজ্ঞা চ প্ৰহিতাং দাসীং ভক্তাং ময়া মহাতপাঃ।
জনয়ামাস চোশ্বায় কক্ষীৱৎপ্ৰমুখানৃষীন ॥ ২৫ শ্লোক
কক্ষীৱান্ ঋগ্বেদৰ ১১৬-১২৬ সূক্তৰ ৰচয়িতা। (১ম মণ্ডল)

এই কক্ষীৱান্ ঋষিৰ কন্যা ঘোষা । ঘোষাৰ কুষ্ঠৰোগ হোৱাৰ বাবে তেওঁ ৬০ বছৰ বয়সলৈকে অবিৱাহিতা আছিল। পিছত দুটি সূক্ত ৰচনা কৰি অশ্বিনীকুমাৰক স্তৱ কৰাত তেওঁৰ ৰোগ ভাল হ'ল আৰু পতি লাভ কৰিলে –

আসীৎ কাক্ষীৱতী ঘোষা পাপৰোগেন দুৰ্ভগা ॥
• • • • •
উৱাস ষষ্টিং বৰ্ষাণি পিতুৰে গৃহে পুৰা ॥
ৰূপাৱত্তাং চ সৌভাগ্যমহং তস্য সুতা যদি।
মমাপি মন্ত্ৰাঃ প্ৰাদুঃ স্যুৰ্যৈস্তোস্যেতে ময়াশ্বিনৌ ॥
চিন্তয়ন্তীতি সূক্তে দ্বে যো বাং পৰিদদৰ্শ সা।
স্তুতৌ তাৱশ্বিনৌ দেহ্যৈ প্ৰীতৌ তস্যা ভগান্তৰম্ ॥
৭ম অধ্যায়, ৪২।৪৫ ॥

ঘোষা ঋগ্বেদৰ ১০ম মণ্ডলৰ অশ্বিদেৱত ৩৯-৪০ সূক্তৰ ৰচয়িত্ৰী। আকৌ এইবোৰৰেই হেনো বেদত অধিকাৰ নাই।

(২)
ক্ষত্ৰিয় আৰু 'গায়ত্ৰী'

বেদৰ ঋষিসকলৰ ভিতৰত সকলো জাতিয়েই সূক্তকাৰ আছিল বুলি আমি কৈ আহিছোঁ। ক্ষত্ৰিয়ৰ ভিতৰত বিশ্বামিত্ৰ সৰ্বশ্ৰেষ্ঠ আছিল। তেওঁ ঋগ্বেদৰ ৩য় মণ্ডলৰ ৬২ সূক্তৰ মন্ত্ৰ ৰচয়িতা। বেদৰ ভিতৰত যি মন্ত্ৰ সৰ্বশ্ৰেষ্ঠ বুলি বিপ্ৰসকলে এতিয়াও স্তৱ কৰা বুলি কয়, সেই গায়ত্ৰী মন্ত্ৰৰ ৰচয়িতা ক্ষত্ৰিয় বিশ্বামিত্ৰ ঋষি। বেদৰ সৃষ্টিৰ সময়ৰেপৰাই ক্ষত্ৰিয়সকলে জ্ঞানত উৎকৰ্ষ দেখুৱাই আহিছে। সেই দেখিহে বেদৰ ৰহস্য বিভাগ বা বৰদৈলেদেৱে কোৱা esoteric বিভাগৰ প্ৰতিষ্ঠাতা ৰাজন্য ক্ষত্ৰিয়সকল হ'ব পাৰিছিল। (গায়ত্ৰী মন্ত্ৰ ঋঃ ৩য় মণ্ডল, ৬২ সূক্ত, ১০ ঋক।)

ইয়াৰ উপৰিও ক্ষত্ৰিয়সকলৰ বিপুল অৰ্থ। পুৰোহিতসকলৰ দক্ষিণাৰ মাত্ৰাও ক্ৰমে বাঢ়ি যাবলৈ ধৰিলে। যজ্ঞত দক্ষিণা-স্বৰূপে দিয়া গৰুবোৰৰ শিং সোণেৰে বন্ধাই নিদিলেই শান্তি নোহোৱা হ'ল।

ক্ষত্ৰিয়সকলৰ গৌৰৱ অসহ্য হোৱাত পুৰোহিতসকলেও যুদ্ধ-বিদ্যাত হাত দিলে। কুঠাৰ হাতত লৈ পৰশুৰাম থিয় হ'ল "নিক্ষত্ৰিয় কৰিবে সমস্ত বসুন্ধৰী।" পৰশুৰামে যাকে য'তে পালে হানিলে, খুঁচিলে– তথাপি ক্ষত্ৰিয় শেষ নহয়। পৰশুৰামৰো হয়তো সত্যযুগৰ পৰা আৰম্ভ কৰি ত্ৰেতা দ্বাপৰ ভেদ কৰি আহি ভীষ্মৰ কাষ চাপিলে মানে কঁকালত বল পৰিল। তথাপি খোৰা-কোঙা দুই এজন ৰৈ গ'ল। শেহত এক কোব বহাওঁ বুলি অশ্বত্থামা ঠাকুৰে আততায়ী চোৰৰ দৰে কৌৰৱৰ যুদ্ধৰ অন্তত ভণ্ডুৱা মহাদেৱক ভুকুকিয়াই পাণ্ডৱৰ শিবিৰত সোমাই টোপনিত লাল-কাল হৈ থকা পাণ্ডৱৰ কুমলীয়া ল'ৰাবোৰৰ মূৰ কাটি পেলালে। তথাপি মৰা-হজা দুই-এজন ৰৈ যায়। এইবাৰ পাল পৰিল চাণক্য ঠাকুৰৰ। এখেতৰ প্ৰধান অস্ত্ৰ 'কুটিলতা'। এখেতৰ ঔদাৰ্য গুণত নন্দবংশ ধ্বংস হ'ল। "নৱে তান্ নন্দান্ কৌটিল্যো ব্ৰাহ্মণঃ সমুদ্ধৰিষ্যতি।" (বিষ্ণু-পুৰাণ) ব্ৰাহ্মণ্যদেৱসকল ক্ষত্ৰিয়ৰ বিষয়ে নিৰন্ত হ'ল, আৰু তেওঁলোকে ঘোষণা কৰি দিলে,– "নন্দান্তাঃ ক্ষত্ৰিয়াঃ", নন্দৰ লগে লগে ক্ষত্ৰিয় নিৰ্মূল হ'ল; "কঙ্কাৱাদাশ্চ অন্ত্যশ্চ"– কলিতা আদি ব্ৰাহ্মণ আৰু অন্ত্য শূদ্ৰহে বাকী থাকিল।

তথাপি ব্ৰাহ্মণ্যদেৱৰ টোপনি নাই। আহোম ৰজাৰ "ছত্ৰভঙ্গ" যোগৰ ফাঁক উলিয়াই স্বভাৱতঃ ভাবপ্ৰবলা ৰাণী ফুলেশ্বৰীক হাতত লৈ শূদ্ৰ মহন্তসকলক লাঞ্ছনা কৰাই ভৱিষ্যৎ বিদ্ৰোহৰ গুটি সিঁচোঁতে বহুত চাণক্য আছিল।

সেই কাৰণে আকৌ কওঁ, বিশাল ভাৰতৰ যি বিৰাট জ্ঞান, সেই জ্ঞানৰ প্ৰতিষ্ঠাতা ক্ষত্ৰিয়সকলহে, 'ব্ৰাহ্মণ' নহয় (অন্ততঃ 'ব্ৰাহ্মণ' মানে "দীপিকাই" যি বুজে)। জাতিগতভাৱে বামুণৰ চিৰকলীয়া অধিকাৰ পৌৰোহিত্যত, জ্ঞানত নহয়। সেই কাৰণে কুৰুক্ষেত্ৰৰ মহাসমৰত ৰথৰ টিঙত জ্ঞান ব্যাখ্যা কৰিছিল ক্ষত্ৰিয় কৃষ্ণই, যুদ্ধৰ অন্তত শৰশয্যাত পৰিও জ্ঞান ব্যাখ্যা কৰিছিল ক্ষত্ৰিয় ভীষ্মই।

"ক্ষতাৎ কিল ত্ৰায়ত ইত্যুদগ্ৰঃ ক্ষত্ৰস্য শব্দো ভুৱনেষু ৰূঢ়ঃ" – শাৰীৰিক-মানসিক দুয়ো ৰকম "ক্ষত্ৰৰ" পৰাই উদ্ধাৰ কৰে বুলিয়েই সংসাৰত ক্ষত্ৰিয়ৰ নাম শ্ৰেষ্ঠ।"

(৩)

মহাপুৰুষীয়াসকলেও বামুণ যাজকৰ হতুৱাই শৰাধ কৰায় আৰু বিয়াত হোম পোৰায়, ইত্যাদি কৰ্মক লক্ষ্য কৰি ব্ৰাহ্মণ্যদেৱৰ স্তৱত বৰদলৈয়ে কৈছে, – "দেখা, বৌদ্ধ ধৰ্মলৈ ফাটি লৰ নেমাৰে মানে বামুণৰ হাত কোনে এৰে।" শংকৰৰ ধৰ্মত যি ফেৰা কৰ্মৰ "চাটনি" আছে সেইফেৰা পৰম কৃপালু শংকৰে বামুণৰ কাতুৰ্বাদত তেওঁলোকৰ জীৱিকাৰ পথ-বুলি ৰাখি থৈ গৈছে– নৰনাৰায়ণ ৰজাৰ সভাত জয় লাভ কৰি ওলাই আহোঁতে খল লগোৱা বামুণসকলে শংকৰে জীৱিকাৰ পথ বন্ধ কৰে বুলি তেওঁক আগুৰি ধৰিলে,–

পথত যাহান্তে লগ ব্ৰাহ্মণে ধৰিল ॥
আমাসাৰ জীৱিকা ৰাজাত কহি পুনু ।
ভয় ভৈল- শংকৰে বিৰিজ কৰে যুনু ॥
দুই হাতে লগুণ ধৰি বোলয় বচন ॥
শুনি শংকৰ বোলো ব্ৰাহ্মণ সকল ।
দেওঁ, আশীৰ্বাদ হৌক তোমাৰ কুশল ॥
ব্ৰাহ্মণৰ জীৱিকাক নকৰিবা ছন্ন ।
প্ৰীতি-পূৰ্বকে বোলোঁ সাকুত বচন ॥ (দৈতাৰি)

দৈতাৰিৰ নাম শুনিয়েই কিজানি বৰদলৈদেৱে "বিষম আটোপে দেন্ত ধনুত টংকাৰ।" কিন্তু বামুণৰ বিষয়ে যে দৈতাৰিয়ে অসম্ভৱ কথা কোৱা নাই, ৰামানুজ শংকৰাচাৰ্য চৈতন্য দামোদৰদেৱসকলৰ প্ৰতি বামুণৰ ব্যৱহাৰৰ পৰাই জানিব পাৰি (আৰু শংকৰদেৱতো "শূদ্ৰ"হে)। ওপৰত তুলি দিয়া পদবোৰ যে বেদবাক্য। লাঞ্ছিত হৈ উঠি যোৱা শূদ্ৰ কৱষ ঋষিৰ প্ৰতিও বশিষ্ঠ আদি ঋষিসকলে একে ধৰণৰ বাক্যকেই প্ৰয়োগ কৰিছিল–

"তং হাম্বাবৃত্যোচুৰ্ঋষে নমস্তে অস্তু, মা নো হিংসীস্ত্বং বৈ নঃ শ্ৰেষ্ঠোঽসি যং ত্বেয়মন্বেতীতি।" -ঋষিসকলে শূদ্ৰ কৱষৰ পিছে পিছে গৈ ক'লে, হে ঋষি, তোমাক প্ৰণাম; তুমি আমাৰ অনিষ্ট নকৰিবাঁ। তুমি আমাৰ ভিতৰত শ্ৰেষ্ঠ; কিয়নো সৰস্বতী নদী তোমাৰ পিছে পিছে গৈছে। (কৌষীতকী ব্ৰাহ্মণ ১২।৩)।

(৪)
শূদ্র শঠকোপ মুনিৰ বিষয়ে আকৌ যৎকিঞ্চিৎ

সম্প্রতি দক্ষিণ ভাৰতৰ পৰা "শঠকোপ-গুণালংকাৰ-পৰিচৰ্য্যা" বুলি পুথি এখন ওলাইছে। ই এখন ব্ৰাহ্মণ পণ্ডিতে লেখা সংস্কৃত ছন্দোগ্রন্থ। পুথিখনৰ বিশেষত্ব এই যে প্ৰত্যেক ছন্দৰ উদাহৰণস্বৰূপে যিবোৰ শ্লোক ৰচিত হৈছে, সকলোবোৰেই শঠকোপ মুনিৰ স্তুতি-বাক্য। উদাহৰণস্বৰূপে তলত তিনিটা ছন্দৰ দুই-এফাকি পদ তুলি দিয়া হ'ল,–

"শ্ৰীমতঃ শঠকোপস্য গুণৰৈম্লেকসুন্দৰৈঃ।
অলংকাৰৈঃ সতামগ্ৰে পৰিচৰ্য্যাং কৰোম্যহং ॥
কিং জাতঃ শঠজিদ্দু বাপমহিমা ক্ষমামণ্ডলীমণ্ডনঃ।
"দৃষ্ট্বা যদঙ্গময়মাদিমপুৰুষোপি মগ্নোঽভৱৎ শঠ-
বিপোৰ্বপুৰেকদেশে।" ইত্যাদি।

বৰদলৈদেৱৰ কল্পিত পুৰুষনামাৰ (এই পুৰুষনামা তেওঁ ক'ত পাইছে এতিয়াও খুলি কোৱা নাই) গুৰিয়াল শংকৰাচাৰ্যই কাশীত থাকোঁতে চণ্ডালৰ ভৰিত ধৰি সেৱা কৰিছিল। শ্ৰীসম্প্ৰদায়-সংগঠক আচাৰ্য ৰামানুজে তিৰুপতি নগৰলৈ যাব ধৰাত খেতিয়ক এজনে বাট দেখুৱাই দিয়াত তেওঁ খেতিয়কৰ ভৰিত পৰি প্ৰণাম কৰিছিল। চৈতন্যদেৱে শূদ্ৰ ৰামানন্দক গুৰু-স্থানত বৰণ কৰি ৰামানন্দৰ পৰা ৰাধাতত্ত্ব শুনিছিল,– বৰদলৈদেৱে নিজেও আৰু তেওঁৰ গণ্ডাৰমূৰীয়া বক্তাৰ হতুৱাইও যিবোৰ উক্তি কৰিছে আৰু কৰাইছে সেইবোৰ তেওঁৰ শ্ৰেণীৰ মানুহৰ পক্ষে শোভনীয় হ'ব পাৰে।

(৫)
শূদ্ৰৰ কৃপাত শংকৰাচাৰ্য-শিষ্য পদ্মপাদৰ নৃসিংহ-সাধন

পুৰণি ভাৰতত কামৰূপ ৰাজ্য, বিন্ধ্যগিৰি আৰু কাশ্মীৰ, এই তিনি ঠাই তান্ত্ৰিকসকলৰ আবাসভূমি আছিল। বিন্ধ্য পৰ্বতত মানুহ বলি দিয়া কাপালিক সাধকসকলৰ লীলাভূমি আছিল। মহাকবি ভৱভূতিৰ "মালতীমাধৱ" নাটকত ভয়াবহ কাপালিক এজনৰ চিত্ৰ আছে। কামৰূপলৈ আহোঁতে ভগৱান শংকৰাচাৰ্যৰে কি বিলাই হৈছিল, অসমীয়া ৰাইজে জানে। উভতি যাওঁতে বিন্ধ্য পৰ্বততো কাপালিক এজনে নানান ষড়যন্ত্ৰ কৰি তেওঁক বলি দিবলৈ কাৰবাৰ কৰে। দুয়ো ঠাইতে তেওঁৰ প্ৰধান শিষ্য পদ্মপাদৰ সহায়ত শংকৰৰ জীৱন ৰক্ষা হয়। পদ্মপাদ নিজেই এজন বৰ সাধক আছিল। তেওঁৰ সাধনাৰ দেৱতা আছিল নৃসিংহ।

তেওঁৰ নৃসিংহ-সাধনাৰ বিষয়ে তেওঁ নিজেই শংকৰাচাৰ্যৰ আগত তলত দিয়াৰ দৰে কৈছিল। শংকৰাচাৰ্যৰ লগ লগাৰ বহু দিন আগেয়ে মধ্যভাৰতৰ বল নামক পৰ্বতত তেওঁ নৃসিংহ-সিদ্ধিৰ নিমিত্তে বহু কাল তপস্যা কৰে। কোনো মতেই সিদ্ধি-লাভ নহয়। তেওঁ বেজাৰ মনেৰে বহি আছে, এনেতে ব্যাধ এজনে আহি তেওঁক বাৰে বাৰে সুধিবলৈ ধৰিলে,– "অকলে অকলে পৰ্বতত বহি আছে কেলৈ ?" বহুত পীড়াপীড়িৰ পাছত সকলো কথা তেওঁ ব্যাধক ভাঙি পাতি ক'লত, ব্যাধে তেওঁক আশ্বাস দি ক'লে, "ভয় নাই, মই সকলো ঠিক কৰি দিম।" এই বুলি নিজেই নৃসিংহাকৃতি পশু এটি আনি তেওঁৰ আগত উপস্থিত কৰিলে। নৃসিংহাকৃতি পশু দেখি পদ্মপাদৰ মনত সংশয় হ'ল। পিছত পশুৱে নিজ ৰূপ ধৰি ব্যাধৰ তীব্ৰ একাগ্ৰতাৰ পৰিচয় দিলে আৰু তেওঁক সামান্য মানুহ জ্ঞান কৰিবলৈ হাকি দিলে। পদ্মপাদে বৰ মাগিলে যেন স্মৰণ কৰিলেই তেওঁক লগ পায়। নৃসিংহ "তথাস্তু" বুলি অন্তৰ্হিত হ'ল। এই নৃসিংহ দেৱতাৰ গুণতেই কামৰূপ আৰু বিন্ধ্যাচলত ভীষণ তান্ত্ৰিকৰ হাতৰপৰা তেওঁৰ আচাৰ্যদেৱে ৰক্ষা পায়।

ধৰা যাওক, ইমান দিনে পদ্মপাদে জানিবা "ৰাজযোগ'ত বহি আছিল (হ'ব পাৰে কোনোবা ব্ৰাহ্মণ সাধকৰপৰা মন্ত্ৰ লৈহে)। কিন্তু ব্যাধে দেখোন তেওঁক "সিদ্ধি যোগ'ত তুলিলে।

(৬)

মহাপুৰুষ মাধৱদেৱৰ "চক্ৰান্ত" (?)

মহাপুৰুষসকলৰ চৰিত আলোচনা কৰাত বৰদলৈদেৱে "খুব জমকাল" বৈদগ্ধ্য প্ৰকাশ কৰিছে। দামোদৰদেৱে নিজৰ অনিচ্ছাসত্ত্বেও লক্ষ্মীনাৰায়ণ ৰজাৰ খাতিৰ এৰাব নোৱাৰি তেওঁক শক্তি-পূজা কৰিবলৈ সম্মতি দিছিল, নাইবা নৱ-প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মক কেঁচুৱা অৱস্থাতেই ৰজাৰ উৎপীড়নৰ হাতৰপৰা আঁতৰত ৰাখিবলৈ দ্ব্যৰ্থকভাৱে ভট্টদেৱক আদেশ দিছিল– এইদৰে যদি কোনোবাই কয় (দেৱী-পূজাৰ ব্যাখ্যাতো তেখেতেই বোধ হয় আগেয়েই দিলে) তেনেহ'লে দামোদৰদেৱক "ভণ্ড" বোলা হয় নাইবা "অযথা নিন্দা কৰা হয়।" সেইদেখি তেখেতে এনেকুৱা ব্যাখ্যা নিদিয়ে "পৰম বৈষ্ণৱ" বৰদলৈদেৱে তেনে কথা ক'বনে ? কিন্তু মাধৱদেৱে শংকৰক পূৰ্ণাৱতাৰৰ শাৰীলৈ নিয়াবলৈ সত্যগোপন কৰিলে, মাধৱদেৱৰ "চক্ৰান্ত"ত পৰি শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থলৈ যাব নোৱাৰিলে, মাধৱদেৱেহে দল ফালিলে, ইত্যাদি নানান-সুৰীয়া কথা ক'লে মাধৱদেৱক কি বোলা হয় ?– স্তুতি, নে "যথাযথ" প্ৰশংসা, নে "জাতীয়" বিদ্বেষ ? আপুনি কব সামঞ্জস্যৰ বাটেদি যোৱা বুলি, কিন্তু গৈছে কোনপিনেদি ? প্ৰায় সকলো মহাপুৰুষৰ চৰিততে দুই-এটি বিষম ঘটনা থাকিলেও থাকিব পাৰে। কিন্তু বৰদলৈদেৱৰ নিচিনা কোনো সমালোচকেই লাজ-ভয় কাতি কৰি থৈ মহাপুৰুষসকলৰ বিৰুদ্ধে "ধৰীবাজ চক্ৰান্তী" আদি অভিযোগ অনা নাই। সংসাৰৰ ঠেলা-হেঁচাত পৰি মহাপুৰুষসকলেও কেতিয়াবা কেতিয়াবা অৱস্থাৰ বিপৰীতে থিয় হ'ব নোৱাৰিব পাৰে। মানৱ জীৱন পুৰুষালি আৰু অৱস্থা দুইৰো দ্বাৰায় গঠিত হয়। কিন্তু প্ৰচ্ছন্ন

জাতীয় বিদ্বেষৰ স্ফুলিংগ স্বৰূপ মাধৱদেৱৰ বিৰুদ্ধে বৰদলৈদেৱে অনা অভিযোগে কোনো কোনো মহাপুৰুষক স্পৰ্শ কৰে। তলত অলপ অলপ দিয়া হ'ল–

(১) শ্ৰীৰামচন্দ্ৰই জানিছিল সীতা নিৰ্দোষ, কিন্তু লোক-অপবাদৰ ভয়ত নিৰ্বাসন দিবলৈ বাধ্য হ'ল আশ্ৰম দেখুৱাবৰ ভাও কৰি।

"অৱৈমি চৈনামনঘেতি কিন্তু লোকাপৱাদো বলৱান্ মতো মে।" (কালিদাস)

শ্ৰীৰামচন্দ্ৰৰ চৰিতত এই বৈষম্য দেখি কবিবৰ ভবভূতিয়ে নিজৰ নিষ্কলংক মনৰ পৰিচয় দি কৈছে–

বজ্ৰাদপি কঠোৰাণি মৃদুণি কুসুমাদপি।
লোকোত্তৰাণাং চেতাংসি কো নু ৱিজ্ঞাতুমৰ্হতি॥

'বজ্ৰতকৈও কঠোৰ কুসুমতকৈও কোমল মহাপুৰুষসকলৰ মননো কোনে বুজিব?'

(২) ভাগৱতত বিবৃত কৃষ্ণ-চৰিত্ৰৰ বৈষম্যক লক্ষ্য কৰি শুকদেৱে কৈছে–

ধৰ্ম্মব্যতিক্ৰমো দৃষ্ট ঈশ্বৰাণাং চ সাহসম্।
তেজীয়সাং ন দোষায় ৱহ্নেঃ সৰ্ব্বভুজো যথা॥

'মহাপুৰুষসকলৰ তেজে জুইৰ দৰে সকলো ব্যতিক্ৰমকে পুৰি পেলায়।'

(৩) বুদ্ধদেৱে তেওঁৰ বামুণ শিষ্য এজনৰ অনুৰোধত নিজৰ একান্ত ইচ্ছাৰ বিৰুদ্ধেও তিৰোতাক তেওঁৰ স্থাপিত মঠত অধিকাৰ দিছিল। বৌদ্ধধৰ্মৰ মূলমন্ত্ৰ তৃষ্ণা-নিবৃত্তি। অথচ সেই তৃষ্ণাৰ সামগ্ৰী তিৰোতা জাতিক বিহাৰত ঠাই দিবলগীয়া হোৱাত বুদ্ধদেৱৰ হেজাৰ আপত্তি থাকিলেও অৱস্থাৰ বিৰুদ্ধে থিয় হ'ব নোৱাৰি তিৰোতাক ঠাই দিলে। বুদ্ধদেৱো ভণ্ড?

(৪) ভগৱান শংকৰাচাৰ্য বামুণসকলৰ দ্বাৰা লাঞ্ছিতা উৎপীড়িতা বিধৱা মাকৰ একমাত্ৰ সন্তান। মাকে তেওঁক সন্ন্যাস গ্ৰহণ কৰিবলৈ অনুমতি নিদিয়ে। এদিন নদীত গা ধুবলৈ গৈ ঘৰিয়ালে ভৰিত ধৰিছে বুলি চিঞৰাত মাক ওচৰ চাপিলত তেওঁ ক'লে, "তুমি যদি মোক সন্ন্যাসী হ'বলৈ অনুমতি দিয়া, তেনেহ'লে ঘৰিয়ালে এৰি দিব, নহ'লে নিদিয়ে।" ঘৰিয়ালে নিয়াতকৈ সন্ন্যাসী হৈয়ে যাওক বুলি মাকে অনুমতি দিলে। শংকৰ উঠি আহিল। ভগৱান শংকৰাচাৰ্য ভণ্ড?

(৫) যতিৰাজ ৰামানুজে ঘৈণীয়েকৰ ব্যৱহাৰত অসন্তুষ্ট হৈ শহুৰেকৰ নাম দি নিজে এখন চিঠি লিখি ঘৈণীয়েকৰ হাতত দিয়ালে। চিঠিত আছে, সৰু ভনীয়েকৰ বিয়া, ঘৰলৈ আহিব লাগে। এইদৰে ঘৈণীয়েকক পঠিয়াই দি ৰামানুজে সন্ন্যাস গ্ৰহণ কৰিলে। বৰদলৈদেৱত বাজে কোনেও দেখোন ৰামানুজৰ বিৰুদ্ধে "শঠামি"ৰ অভিযোগ অনা নাই।

(৬) তাৰ পিছত বৰদলৈৰ মহাপ্ৰভু "খোদ" নিত্যানন্দ। চৈতন্যদেৱে ভাব-বিভোৰ হৈ বৃন্দাবন-যাত্ৰা কৰিলে, গাত তত নাই। নিত্যানন্দকে আদি কৰি ভক্তসকলৰ মনত সংশয় হ'ল কিজানি চৈতন্যদেৱ আকৌ ফিৰি নাহে। সেইদেখি নিত্যানন্দ, মুকুন্দ আদিয়ে "চক্ৰান্ত" কৰিলে, চৈতন্যদেৱতো "বেহুচ," বৃন্দাবনৰ পথ সুধিলে তেওঁক গঙ্গাতীৰৰ ঘৰমুৱা পথ দেখুৱাই দিব লাগে।

"শুণ্ডে তা সভাবে আনি ঠাকুৰ নিত্যানন্দ।
শিখাইল সভাকাৱে কৰিয়া প্ৰবন্ধ॥
বৃন্দাবন পথ প্ৰভু পুছেন তোমাৰে।
গঙ্গাতীৰ পথ তবে দেখাইহ তাৰে॥ (চৈঃ চঃ)

এইদৰে নিত্যানন্দকে প্ৰমুখ্য কৰি ভক্তসকলে "চক্ৰান্ত" কৰি চৈতন্যদেৱক ওভতাই আনিলে। চৈতন্যদেৱে যমুনা-ভ্ৰমে গঙ্গাতেই গা ধুলে। "আবেশপ্ৰভুৰ হৈল গঙ্গাই যমুনা জ্ঞানে।" 'প্ৰভু' নিত্যানন্দক ৰৰদলৈদেৱে কি আখ্যানেৰে বিভূষিত কৰিব ?

(৭) ততঃ পৰং- মাধৱদেৱ। মাধৱদেৱৰ বিৰুদ্ধে অভিযোগ তেখেতে হেনো "চক্ৰান্ত" কৰি শংকৰদেৱক দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে বৃন্দাবনলৈ যাব নিদিলে! মাধৱদেৱৰ হকা-বাধাৰ লগত দামোদৰ-পন্থীৰ কোনো স্বাৰ্থ বিজড়িত নাই। তথাপি ছলে-বলে পাৰিলে চিকুটটো-আঁচোৰটো নেমাৰি নেৰে। যি হওক অভিযোগ এটি উঠিছে যেতিয়া, তাৰ বিৱৰণটো দি থোৱাই ভাল। শংকৰদেৱ দ্বিতীয়বাৰ তীৰ্থলৈ যাবলৈ ওলাওঁতে শংকৰ-পত্নী গোসানীয়ে মাধৱদেৱক মাতি নি ক'লে যে শংকৰদেৱ যদি বৃন্দাবনলৈ যায়, তেনেহ'লে কি জানি উভতি নাহিব। মাধৱদেৱে আশ্বাস দি ক'লে যে তেওঁ পথৰপৰাই, শংকৰদেৱক ফিৰাই আনিব। গয়া-তীৰ্থৰপৰা শংকৰদেৱ ভক্তসকলেৰে সৈতে বৃন্দাবনলৈ যাবলৈ ওলাল। ৰামৰাম গুৰু আদিয়ে উল্লাস কৰিলে; কিন্তু "আই গোসানীৰ বচন সুমৰি, মাধৱৰ নাই মন।" শংকৰদেৱে নিৰুৎসাহৰ কাৰণ সুধিলত মাধৱদেৱে উত্তৰ দিলে,-

বোলন্ত মাধৱে নপাৰিবো আতা
মই যাইবে বৃন্দাবন।
শুনিয় যিমত নেদেখি সিমত
কুচিত কৰিব মন।
কৃষ্ণৰ লগৰ বিনোদসকল
কৃষ্ণৰ লগতে গৈল। (দৈতাৰি)

এয়ে মাধৱদেৱৰ "চক্ৰান্ত"! মাধৱদেৱৰ যাবলৈ প্ৰথমতঃ মন নহ'ল "আই গোসানীৰ বচন সুমৰি।" দ্বিতীয় কাৰণ কৰিষময়। মানুহে কথাতেই কয় "সেই ৰামো নাই, অযোধ্যাও নাই।" ৰামায়ণ পঢ়ি অযোধ্যাৰ বিষয় মনত যি অপূৰ্ব ধাৰণা হয়, তাৰ লগত অযোধ্যাৰ বৰ্তমান অৱস্থা বিজালে মনৰ কাল্পনিক চিত্ৰও ভাগি গৈ নৈৰাশ্যহে উপস্থিত হয়। সেইদৰে ভক্ত কবি মাধৱদেৱৰ বৃন্দাবনৰ অতীত গৌৰৱ আৰু তদানীন্তন দুৰৱস্থাৰ কথা মনত পৰিও যদি যাবৰ মন নহ'ল, ৰৰদলৈদেৱৰ অভিযোগৰ পৰিপোষক কিবা কথা ইয়াত আছে জানো ?

যি হওক, ৰৰদলৈদেৱে কথাৰে "নয়যোগ"ৰ উল্লেখ কৰিলেও কাৰ্যত "মুষ্টিযোগ" অভ্যাসহে কৰিছে। যোগত জন্মা উঠিছেও। দেখা- শ্ৰীৰামচন্দ্ৰৰপৰা আৰম্ভ কৰি মাধৱদেৱলৈকে সাতোজন মহাপুৰুষক একে বাণেৰেই বিন্ধিলে-

বাম পাৰ আগ কৰি দক্ষিণক পাছ।
একে প্ৰহাৰতে ভেদিলন্ত সাতো গাছ॥ (ৰামায়ণ)

সেই দেখিছে কওঁ, দামোদৰদেৱে ৰজাৰ মন-তুষ্টিৰ নিমিত্তে গোসানী-পূজা কৰিবলৈ দিয়া আজ্ঞাত বা কুমলীয়া অৱস্থাত বৈষ্ণৱ ধৰ্মক বলীৰ অত্যাচাৰৰ হাতবগৰা দূৰত ৰাখিবলৈ ভট্টদেৱৰ প্ৰতি দিয়া আজ্ঞাত তেওঁৰ কোনো অগৌৰৱ নাই। তেহেঁলে বৰদলৈদেউৰ গৌৰৱ-অগৌৰৱৰ জ্ঞান যিমানেই চোকা নহওক।

(৭)

"হালোৱা" শংকৰ আৰু "কোৰ" দামোদৰ

বৰদলৈদেৱে "কোৰ" আৰু "হালোৱা"ৰ ব্যাখ্যা ৰূপকাৰ্থত তেওঁৰ মতে দিছে। তেওঁৰ অৰ্থ গ্ৰহণ নকৰিলে আমাক কিলাওঁও বুলিছে। তথাপি শাস্ত্ৰৰ ওপৰত চকু ৰাখি আমিও এটি ব্যাখ্যা দিওঁ– তেখেতে কিলালেই বা। মহাপুৰুষসকল 'হালোৱা'ৰ বা 'কোৰ' মৰাৰ ঘৰত জন্ম গ্ৰহণ কৰিলেই তেওঁলোকৰ মহাপুৰুষত্ব বাতিল নহয়। এইটো শাস্ত্ৰৰ মত, মহাপুৰুষসকলৰো মত আৰু আমাৰো মত।

বৰদলৈদেৱে উপনিষদৰ সাগৰ-সঙ্কাশ বাণী নিশ্চয় মনত ৰাখিছে– 'নায়মাত্মা প্ৰৱচনেন লভ্যো ন মেধয়া ন বহুনা শ্ৰুতেন। যমেৱৈষ বৃণুতে তেন লভ্যস্তস্যৈষ আত্মা বিবৃণুতে তনুং স্বাম্॥"– 'আত্মাক (পৰমেশ্বৰক) শাস্ত্ৰ-জ্ঞান দ্বাৰা, বুদ্ধি দ্বাৰা নাইবা বহুত শাস্ত্ৰ পঢ়িও লাভ কৰিব নোৱাৰি। তেওঁ যাক বৰণ কৰে, সিহে পাব পাৰে; তাকেই পৰমেশ্বৰে আপোন স্বৰূপ প্ৰকাশ কৰে।'

চৈতন্যদেৱেও একে কথাকেই কৈ গৈছে–

প্ৰভু কহে ঈশ্বৰ হয় পৰম স্বতন্ত্ৰ।
ঈশ্বৰেৰ কৃপা নহে বেদ পৰতন্ত্ৰ॥
ঈশ্বৰেৰ কৃপা জাতি কুলাদি নামানে॥
স্নেহলেশাপেক্ষা মাত্ৰ ঈশ্বৰ কৃপাৰ।
স্নেহবশ হঞা কৰে স্বতন্ত্ৰ আচাৰ॥ (চৈঃ চঃ)

পৌৰাণিক অৱতাৰবাদ মতেও "হালোৱা" অৱতাৰ শাস্ত্ৰসম্মত। মহাবিষ্ণুৱে হলিৰাম ৰূপে "হাল" ধৰিছিল। কিন্তু শাস্ত্ৰত "কোৰ" অৱতাৰ নাই। আছে মাথোন "কুঠাৰ" আৰু 'দা' (তৰোৱালধাৰী কল্কী) অৱতাৰ। আমি যদি বৰদলৈদেৱৰ দৰে ব্যাখ্যা কৰিবলৈ যাওঁ যে জ্ঞানৰ প্ৰাখৰ্য থকা গতিকেই শংকৰ শিৱাৱতাৰ ইত্যাদি, তেনেহ'লে এইটোও ক'বলগীয়াত পৰে যে দামোদৰ বিষ্ণুৰ অৱতাৰ নহয়, কিয়নো তেওঁৰ হাতত 'কুঠাৰ' বা 'দা' নাছিল। বৰদলৈদেৱে হয়তো ক'ব, 'নেথাকিল কি হ'ল, দামোদৰ অৱতাৰৰ অসম্পূৰ্ণত্ব পূৰ্ণ কৰিবলৈ "প্ৰদীপিকাৰ" ছাঁত দা হাতত লৈ কেইজনমান আছে নহয়।' বৰদলৈদেৱে শাস্ত্ৰলৈ চকু নিদিহে হালোৱা ভবানন্দক 'দা'খন দিব খুজিছে।

ম্লেচ্ছ-নিৱহ-নিধনে কলয়সি কৰৱালম্"– দা হাতত লৈ ম্লেচ্ছক কাটি বুন্দামাৰ কৰাজন কাৰ ঘৰৰ ল'ৰা বৰদলৈদেৱে জানে দেখোন। সেই দেখি কওঁ আপুনি "গুণ্টনা" সকলক সন্তোষ দিবলৈ যিদৰে শাস্ত্ৰৰ বুকুত গুৰিয়াব লাগিছে, সেইমতে দামোদৰদেৱ অৱতাৰৰ ভিতৰত নপৰে, অন্ততঃ বিষ্ণুৰ অৱতাৰ হ'ব নোৱাৰে। কিন্তু আমাৰ মতে দামোদৰদেৱ এজন মহাপুৰুষ। আপোনাৰ "God out of the machine" চৈতন্যদেৱেও কৈছে ঈশ্বৰৰ কৃপা বেদ পৰতন্ত্ৰ নহয়, বেদৰ শিৰোভাগ উপনিষদেও কৈছে "যমেৱৈৰ বৃণুতে স তেন লভ্যঃ।" আমি এইটোও জানো যে এপিনে যেনেকৈ ৰাজকোঁৱৰ বিশ্বামিত্ৰ জনক, শ্বেতকেতু বুদ্ধদেৱ শংকৰদেৱ আদি মহাপুৰুষসকলে ঈশ্বৰতত্ত্ব ভেদ কৰি জনসমাজৰ চিৰনমস্য হৈ আছে, আনপিনেও কাঠ মিস্ত্ৰীৰ ল'ৰা যিশুখৃষ্ট, গৰখীয়া মহম্মদ, বামুণৰ দ্বাৰা লাঞ্ছিতা উৎপীড়িতা দুখুনী বিধৱাৰ ল'ৰা শংকৰাচাৰ্য, চণ্ডালৰ ল'ৰা শঠকোপ মুনি, তাঁতীৰ ল'ৰা কবীৰ আদি মহাপুৰুষসকল লোক-সমাজৰ চিৰবৰণীয় হৈ আছে, ইয়াত লুকা-লুকি খেলিবৰ কি কথা আছে ? দামোদৰদেৱে কৃষি কৰিছিল বুলি তেওঁৰ শিষ্যসকলে লেখা চৰিতবোৰতেই আছে আৰু দিলেইবা তেওঁ নিজেই ক্ষেত্ৰৰত হাত। দামোদৰদেৱ মহাপুৰুষ, তেওঁ কোৰ ধৰিলেও তেওঁৰ অপমান নহয় বুলি ভাবিছিল। অপমান বুলি ভাবে সেইবোৰে, যিবোৰে তেওঁৰ নাম বিক্ৰী কৰি লোকৰ হাত মুচৰি ধন গোটাই পাশ্চাত্য কি প্ৰাচ্য কোনো শিক্ষাৰেই ওচৰলৈ নগৈ, পাশ্চাত্য "শিক্ষাক" মুখেৰে নিন্দা কৰিও পাশ্চাত্য "বিলাসিতাৰ" ষোলকলা সম্ভোগত দিনে ৰাতি ডুবি থাকি "অভুক্ত বৈৰাগ্যৰ" পৰাকাষ্ঠা দেখুৱাব লাগিছে। অপমান বুলি ভাবে সেইবোৰে, যিবোৰে শঠতা দাম্ভিকতা প্ৰৱঞ্চনা জাল জুৱাচুৰি আদিক 'বেদৰ' দোহাই দি পবিত্ৰ কৰি ঘোৰ কাল্পনিক বৃত্তি অবলম্বন কৰি মানুহ বলি বিচাৰে। বিন্ধ্য পৰ্বতত শংকৰাচাৰ্য বলি আৰু অসমত শংকৰদেৱ বলি !! (ৰূপকাৰ্থত)। বৰদলৈদেউ, গুণ্টনাসকলক কৈ দিয়ক 'দা' এৰি কোৰত ধৰিলে দামোদৰদেৱৰ ওখ আদৰ্শ অনুসৰণ কৰাহে হ'ব। পশ্চিমে ক'লা মেঘ উঠিব লাগিছে।

(৮)

বৰদলৈদেৱৰ ওচৰত ক্ষমা-মাগনি

বৰদলৈদেৱে "দীপিকা"ৰ ২৭৬ পিঠিত Pickwick Paper-ৰ সাধুটোৰে দৃষ্টি আকৰ্ষণ কৰি মনৰ বহুদিনীয়া সংশয় দূৰ কৰিলে। বৰদলৈদেউলৈ চিৰকালেই আমাৰ অগাধ শ্ৰদ্ধা আছে। চকুৰে নেদেখিলেও তেওঁৰ পুথিবোৰ পঢ়িয়েই সুখ পাই থাকোঁ। কিন্তু আজি-কালি প্ৰকাশ হোৱা বা হ'ব ধৰা পুথিবোৰত বৰদলৈদেউক লগ নেপাই মাজে মাজে ভাবিছিলো, বৰদলৈদেউৰ হ'ল কি ? এবাৰ ভাবোঁ, তেওঁক ধৰ্মৰ বাগিয়ে ধৰিছে– পিছে ই নো আকৌ কোন দেশী বাগি ! ৰামচন্দ্ৰক বাগিয়ে ধৰিলে, গুহক চণ্ডালৰ লগত মিতিবালি পাতিলে, শবৰীৰ ঘৰতো খালে; কৃষ্ণক বাগিয়ে ধৰিলে বিদুৰৰ ঘৰতো খালে; বুদ্ধক বাগিয়ে পালে ৰাজভোগ এৰি ফকিৰ হ'ল; চৈতন্যক পালে মাটিত বাগৰি ফুৰি যৱন ম্লেচ্ছ সকলোকে সাবটি ধৰে। ইত্যাদি। পিছে এইবাৰ তেওঁ ভেদ ভাঙি ক'লে

যে ধৰ্মাসন শূন্য কৰি আহি উকিলৰ চাপকাণ পিন্ধি ওকালতিৰ 'বেপাৰ'হে কৰিছে। অৱশ্যে "ফিজ" স্বৰূপে কি পাইছে-নেপাইছে তেওঁৰ ওচৰ-চুবুৰীয়াসকলে জানে। ইয়াৰ আগেয়ে তেওঁক "ধৰ্মৰ ৰাগিয়ে" ধৰা বুলি আমাৰ যি "অন্যায়" ধাৰণা আছিল, সেইবাবে তেওঁৰ ওচৰত ক্ষমা মাগিলো।

যি হওক ওকালতিৰ অলপ নমুনা দেখুৱাওঁ, অতি সামান্য। বৰদলৈদেৱে বক্তৃতাত কৈছে, "এক বিষ্ণুৱেই চাৰিভাগে অৱতীৰ্ণ হৈ (শংকৰ, মাধৱ, দামোদৰ, হৰিদেৱ) ধৰ্ম গ্লানি দূৰ কৰিলে।" আকো "দীপিকাৰ" পোহৰত দেখুৱাইছে– জ্ঞানৰ প্ৰাখৰ্য্য থকা হেতুকে দামোদৰী-হৰিদেৱীসকলে শংকৰক শিৱাৱতাৰহে বোলে। যাৰ যি ইচ্ছা বোলক, গোলাপ ফুলক যি নামে কই মাতা, ই গোলাপ ফুলেই। কিন্তু কথা হ'ল বৰদলৈদেৱ কোন পন্থী ? এবাৰ ক'লে শংকৰ বিষ্ণুৰ অৱতাৰ, আন এবাৰ ক'লে তেওঁ শিৱাৱতাৰ! কোনটো 'আচল' বৰদলৈ আৰু কোনটো "উকীল" বৰদলৈ ? বিদগ্ধ পণ্ডিত সাৰ্বভৌমই "শিক্ষা" দিছে–

সৰ্বকালে গ্ৰহ উপাসক সৰ্বজন।
শংকৰক গুৰু মানি লৈলন্ত শৰণ ॥ (সাৰ্বভৌম)

যাওক এইবোৰ কথা। আমি স্বীকাৰ কৰিম মায়ামৃগহে (আপোনাৰ মক্কেল কাপালিকসকলক যদিও "পূৰ্ণাহুতি"হে লাগে) "বংশীবাদক"ৰ (আপোনাৰ নহয়তো ?) গাত কোব পৰে যদি মোট সলোৱা যেনহে হ'ব, আচল বস্তু বৈ যাবতো ? নে "বংশীবাদক"ৰ শ্ৰেণীত থকা সকলৰ মোটত বাজে আন একো নাই বুলি ভাবে ?

(৯)

দ্বিজ ৰামানন্দৰ "সাক্ষ্য"

প্ৰঃ ২৭৩ পিঠিত বৰদলৈদেৱে এটি বৰ মন খোৱা কথা কৈছে। প্ৰভু শংকৰদেৱকে শ্ৰেষ্ঠ পাতি প্ৰভু হৰিদেৱ আৰু দামোদৰদেৱকো তেওঁৰ শিষ্য পাতিলেহে লেঠা, ইত্যাদি। আমি সুধিব পাৰোঁ নে আপোনাৰ নিজপক্ষেও আপত্তি, নে 'উকীল' হিচাপেহে ? শূন্যৰ ঘৰত চৈতন্যদেৱক বহুৱাই থ'লে একা ? Hand-shake! বোলো এইখন কোন দেশী যুক্তি ? এজনে আন এজনৰ শিষ্য হ'লে শিষ্য গুৰুতকৈ হীন এইখন উকীল বৰদলৈৰ logic নে স্বয়ং বৰদলৈদেৱৰ ? আপোনাৰ দৰে শাস্ত্ৰৰ তলুৱাত নবহাসকলে গোবিন্দপাদৰ নাম লয়, নে শংকৰাচাৰ্যৰ ? কবীৰ ৰামানন্দতকৈ হীন আপোনাক কোনে ক'লে ? মহাপুৰুষসকলক ডাঙৰ-সৰু বুলি তুলনা কৰা স্বভাৱ গণ্ডাটোপীয়াবোৰৰ হ'ব পাৰে, অইনৰ নহয়। দামোদৰদেৱে শংকৰৰ পৰা মন্ত্ৰ পোৱা বুলিলে কি লেঠা লাগে ? শূদ্ৰ বুলি শ্ৰীনাথ মুনি দেখোন শূদ্ৰ শঠকোপৰ মন্ত্ৰ শিষ্য। শংকৰাচাৰ্যই যিদিনা কাশীত চণ্ডালৰ ভৰিত পৰি সেৱা কৰিলে সেইদিনাহে তেওঁৰ প্ৰকৃত ব্ৰহ্মস্ফূৰ্তি হ'ল।

কিন্তু শংকৰদেৱে দামোদৰদেৱক মন্ত্ৰ দিয়া নাই। মন্ত্ৰ দিছিল ব্ৰাহ্মণ ৰামৰাম গুৰুৱে। এইটো দামোদৰদেৱৰ চৰিততো আছে, শংকৰ চৰিততো আছে। আৰু ৰামৰাম গুৰুৱে যে চৈতন্যদেৱৰ মন্ত্ৰ দিয়া নাই তাৰ প্ৰমাণ– দামোদৰদেৱে চৈতন্য-পন্থী বেদুৱা বামুণক তেওঁৰ নিজ পন্থালৈ আকৌ আনিছিল। দামোদৰদেৱৰ চৰিতবোৰ মিছা প্ৰমাণ নহয় মানে আমি কৈয়ে থাকিম। ৰবদলৈদেৱে কয় শংকৰে বামুণৰ গুৰু নহওঁ বুলি কোৱা। ভুলক্ৰমে আমাৰ চকুত পৰা নাই; কোনখন চৰিতত আছে, অনুগ্ৰহকৈ কৈ দিব। দ্বিজ ৰামানন্দৰ শংকৰ-চৰিতত শংকৰক তেওঁৰ নিজ গুৰু বুলি পৰিচয় দিছে। বিদগ্ধ পণ্ডিত সাৰ্বভৌমই শংকৰক নিজ গুৰু বুলি কৈছে আৰু কোন কোন ব্ৰাহ্মণে শৰণ লৈছিল তেওঁলোকৰো নাম দিছে। আৰু যদিওবা কৈছিল, অন্ততঃ দামোদৰদেৱত কোনো লৰচৰ হোৱা নাছিল। কিয়নো দুয়ো-মহাপুৰুষৰ চৰিততে ৰামৰাম গুৰুৱে দামোদৰদেৱক মন্ত্ৰ দিয়া বুলি আছে। দ্বিজ ৰামানন্দৰো "সাক্ষ্য" record কৰি থওক, পিছত 'বাতিল' কৰিব।

বুলিলন্ত ৰামৰাম্ গুৰু শুনিয়োক।
দামোদৰ গুৰুক শৰণ কৰাওক ॥
ৰামৰাম গুৰু শুনি হৰি-মন্দিৰত।
কৰাইল শৰণ পুনু হৰি-চৰণত ॥
উপদেশ কথা যত শংকৰে কহিলা।
এহিমতে দামোদৰ আনন্দে ৰহিলা ॥ (ৰামানন্দ)

(১০)

ভট্টদেৱ আৰু ৰবদলৈদেৱ

ৰবদলৈদেৱে ৭ম সংখ্যা পৃঃ ২৭২ পিঠিত লেখিছে, "শিৱ আৰু শক্তিক সন্তুষ্ট কৰিহে বিষ্ণুক নিৰাপদে পূজিব পৰা যায়। নহ'লে বিষ্ণুক পূজা কৰিবলৈ যাওঁতে নানান বিঘিনি আছে" ইত্যাদি। এইটো ৰবদলৈদেৱৰ মত হ'লে হ'ব পাৰে, কিন্তু দামোদৰদেৱৰ মত নহয়। দামোদৰদেৱৰ শিকনিৰ বিষয়ত ভট্টদেৱতকৈ ডাঙৰ authority নাই। ৰবদলৈদেৱে যদি নিজেই এটি "পন্থ" খুলিব খোজে, কাৰো একো ক'ৰৰ নাই। কিন্তু দামোদৰদেৱৰ নামে নিজৰ মত চলাই দিয়াত সত্যগোপন কৰা হয়। ৰবদলৈদেৱে কোনো কথাতেই তেওঁৰ authority উল্লেখ নকৰে কেলৈ ? দামোদৰপন্থীৰ সাম্প্ৰদায়িক গ্ৰন্থৰ পৰা পদ বা শ্লোক উদ্ধাৰ কৰি যদি তেওঁৰ মত "ৰাহাল" কৰিব পাৰে, সেইটো অতিশয় উত্তম কথাহে হ'ব। যি হওক ধৰ্মমত আলোচনালৈ এতিয়াও আমি আহিব পৰা নাই। সময়, সুবিধামতে আহিম, আৰু বুজিব নোৱাৰিলে তেখেতৰ পৰাই শিকি লম। যি হওক, তেওঁৰ ওপৰত তুলি দিয়া কথাৰ লগত যে ভট্টদেৱৰ মিল নাই, তাকেহে দেখুৱাম। "ভক্তি বিবেক" নামক সংস্কৃত গ্ৰন্থত ভট্টদেৱে কৈছে

হৰিহৰং ব্ৰিধাতাৰং যঃ পশ্যেদেকৰূপিণম্ ।
স যাতি পৰমানন্দং শাস্ত্ৰানামেষ নিৰ্ণয়ঃ ॥
অয়মভিপায়ঃ । যথা স্বাঙ্গানামভেদেঽপি
মুখেনৈৱ ভোজনং কৰৈনৈৰাদানং তথা ত্ৰয়া নাম
ভেদেঽপি বিষ্ণুৰেব মুক্তিপ্ৰদঃ ইতি ।

বৈষ্ণৱ ভট্টদেৱৰ মতে বিষ্ণুৱেইহে মুক্তি দিব পাৰে। বিষ্ণু আৰু শিৱৰ ভিতৰত কাক আগেয়ে পূজা কৰিব লাগে ? শিৱই কৈছে,-

দৃষ্ট্বা মাং দ্বাৰকাং গত্বা কৃষ্ণং পশ্যতি যো নহি
তেন মে ন কৃতা প্ৰীতিৰ্ধ্ৰুৱমেৱ্ ষড়ানন ॥
ৱিহায় মাং প্ৰপশ্যন্তি কৃষ্ণং কলিমলাপহম্ ।
দৃষ্টোঽহং নাস্তি সন্দেহো যস্মাৎ কৃষ্ণৱশং জগৎ ॥

অৰ্থাৎ "মোক (শিৱক) সেৱা কৰি যদি দ্বাৰকালৈ গৈ কৃষ্ণক সেৱা নকৰে, তেনেহ'লে কেৱল মোক সেৱা কৰাৰ পৰা কোনো প্ৰীতি নহয়, এইটো নিশ্চয় । কিন্তু মোক এৰিও যদি কলিৰ পাপ দূৰ কৰোঁতা কৃষ্ণক সেৱা কৰে তেনেহলে মোকো সেৱা কৰা হয়; ইয়াত সংশয় নাই, কিয়নো জগতখনেই কৃষ্ণৰ অধীন ।"

এই হৈছে দামোদৰ পন্থ প্ৰতিষ্ঠাতা ভট্টদেৱৰ কথা । আৰু বৰদলৈদেৱৰ ? বৰদলৈদেৱে নিজৰ ইচ্ছামতে যি 'খুসি' কৰিব পাৰে, কিন্তু দামোদৰদেৱৰ গাত সানি সকলো কথাকে দামোদৰদেৱৰ আজ্ঞাত কৰিছে বুলি ক'লে, বুদ্ধদেৱৰ নামে "সহজোলী মুদ্ৰা" চলাই দিওঁতাসকলৰ দৰে হয় । আৰু বাস্তৱিকেই যদি দামোদৰদেৱে তেওঁক কিবা বিশেষভাৱে কৰিবলৈ কৈছে দামোদৰদেৱ বা ভট্টদেৱৰ কথা উদ্ধাৰ কৰি বহলাই ক'লেই দেখোন লেঠা মিটি যায় । ইমান ঘূৰাই-পকাই থকাৰ দৰকাৰ কি ?

পঞ্চম প্ৰকাশ[1]

(১)

সত্যকাম জাবাল

উপনিষৎ সাহিত্যৰ ভিতৰত সত্যকাম জাবালৰ চৰিত্ৰ অতি মনোৰম বস্তু। ইয়াৰ পূৰ্ণ সৌন্দৰ্য বৰ্তমান প্ৰবন্ধত বিশ্লেষণ কৰি দেখুৱাব নোৱাৰি। কিন্তু বেদবিদ্যা যে ব্ৰাহ্মণ ক্ষত্ৰিয় আদি ওখ জাতিবোৰৰ ভিতৰতে আবদ্ধ নেথাকি বিশিষ্ট গুণ-বিশেষে সকলো মানুহৰ ভিতৰতে প্ৰচাৰিত হ'ব পাৰিছিল, তলত উদ্ধৃত কথাবোৰৰপৰাই জানিব পৰা যাব।

সত্যকাম জাবালী নামে এজনী দাসীৰ জহৰা ল'ৰা আছিল। বয়স হলত সত্যকামৰ ব্ৰহ্মবিদ্যা শিকিবৰ মন হ'ল। তেতিয়াৰ ৰীতি অনুসাৰে আচাৰ্যৰ ওচৰত নিজৰ গোত্ৰ ক'ব লাগে। সত্যকামে মাকক সুধিলে– "ব্ৰহ্মচৰ্য্যং ভৱতি ৱিৱৎস্যামি কিং গোত্ৰোন্বহমস্মীতি।" মাঁকে উত্তৰ দিলে, 'ময়ো নেজানো, তোমাৰ কি গোত্ৰ। যৌৱন-কালত নানান মানুহৰ ঘৰত পৰিচাৰিকাৰ কাম কৰি ফুৰোঁতে তোমাক পাইছোঁ, মই ক'ব নোৱাৰো বোপাই, তোমাৰ কি গোত্ৰ।' – "বহ্বহং চৰন্তী পৰিচাৰিণী যৌৱনে ত্বামলভে সাহমেতন্ন বেদ যদগোত্ৰঃ ত্বমসি।" মাকে আকৌ ক'লে– 'তোমাৰ নাম সত্যকাম আৰু মোৰ নাম জাবালী; আচাৰ্যক কোৱাঁগৈ যে তোমাৰ নাম সত্যকাম জাবাল।'

মাকৰ কথা মতে সত্যকামে গৌতমবংশীয় হাৰিদ্ৰুমৎ আচাৰ্যৰ ওচৰত ব্ৰহ্মবিদ্যা শিকিবৰ মানস জনালে। আচাৰ্যই সুধিলে, 'সৌম্য, তোমাৰ গোত্ৰ কি ?' উত্তৰ-স্বৰূপে সত্যকামে হুবহু মাকে কোৱা কথাকে ক'লে, – 'মোৰ গোত্ৰৰ কথা ক'ব নোৱাৰোঁ, আইক সুধিছিলো, আয়ে ক'লে, যৌৱন কালত নানা ঠাইত পৰিচৰ্যা কৰি ফুৰোঁতে তেওঁ মোক পাইছে', ইত্যাদি। বালকৰ নিৰ্ভীক সত্যপৰায়ণতা দেখি আচাৰ্য স্তম্ভিত হ'ল; অলপ পিছতেই কৈ উঠিলে– 'তুমিয়েই প্ৰকৃত ব্ৰাহ্মণ; বৎস, তুমি সত্যৰপৰা বিচলিত হোৱা নাই। যোৱাঁ যজ্ঞকাষ্ঠ লৈ আহাঁ, তোমাৰ উপনয়ন সংস্কাৰ কৰোঁ।' "নৈতদব্ৰাহ্মণঃ ৱিৱক্তুমৰ্হতি সমিধং সোম্যাহৰোপ ত্বা নেষ্যে ন সত্যাদগা ইতি।"

ইয়াৰ পিছত গুৰুৰ উপদেশ নোপোৱাকৈয়ে সত্যকামে চৰাচৰ জগতৰ সকলো বস্তুতেই ব্ৰহ্মসত্তা উপলব্ধি কৰিলে আৰু গুৰুৱেও তেওঁৰ প্ৰশান্ত ব্ৰহ্মতেজ মুখত দেখি কোনে তেওঁক ব্ৰহ্মবিদ্যা দিলে সুধিলত সত্যকামে উত্তৰ দিলে– "অন্যে মনুষ্যেভ্যঃ।" অৰ্থাৎ মানুহত বাজে ইতৰ প্ৰাণীয়ে। শেহত গুৰুৱে যেতিয়া ব্ৰহ্মব্যাখ্যা কৰিলে, সত্যকামে পশু-পক্ষীৰ গতি-বিধি আদিৰপৰা ব্ৰহ্মৰ বিষয়ে নিজে যি জানিছে গুৰুৱেও তাকেইহে ক'লে। তাৰ পিছত সত্যকামে নিজেই আচাৰ্যৰ ঠাই অধিকাৰ কৰিলে আৰু কামলায়ন উপকোসল আদি বহুত বিখ্যাত পুৰুষে তেওঁৰ পৰা ব্ৰহ্মবিদ্যা শিকিছিল। – "ছাঃ উঃ" ৪ৰ্থ অধ্যায় ৪৯ খণ্ড।

এয়ে বেদৰ ব্ৰাহ্মণ জাতি-নিৰ্বিশেষে যো ন সত্যাৎ অগাৎ। যি কোনো ক্ৰমেই সত্যৰ পৰা বিচলিত নহয়, সেয়ে বেদৰ ব্ৰাহ্মণ, তাৰেই বেদত অধিকাৰ। বেদে প্ৰকাশ্য ভাষাৰেই সকলো জাতিকেই ব্ৰহ্মবিদ্যাত অধিকাৰ দি গৈছে।

---

১ বাঁহী, দশম বছৰ, একাদশ সংখ্যা, ১৮৪২ শক ফাগুন, পিঠি ৩৩৮-৩৪৫

শুক্ল যজুর্ব্বেদ সংহিতা। ২৬শ অধ্যায় ২য় মন্ত্র :

যথেমাং ৱাচং কল্যাণীমাবদানি জনেভ্যঃ।
ব্রহ্মৰাজন্যাভ্যাং শূদ্রায় চার্য্যায় চ স্বায় চাৰণায়।
প্রিয়ো দেৱানাং দক্ষিণায়ৈ, ইত্যাদি।

অর্থাৎ 'এই মংগলকৰ বাণীত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, শূদ্র, আত্মীয়, এনে কি বাক্ সম্বন্ধৰহিত শত্রুৰো সমান অধিকাৰ।' (উবট ভাষ্য)

বেদ-মন্ত্রত অধিকাৰ-অনধিকাৰ জাতি হিচাবে নহয়, ব্যক্তিগত গুণাগুণ হিচাবেহে। হীন প্রকৃতিৰ মানুহৰ কি বামুণ, কি শূদ্র, কাৰো বেদত অধিকাৰ নাই আৰু শুদ্ধচিত্তৰ হ'লে বামুণ, শূদ্র সকলোৰে অধিকাৰ। এই কথাও বেদে অনেক ঠাইত প্রকাশ্য ভাষাৰেই কৈ গৈছে,–ষ
নিৰুক্ত ২, অধ্যায় ৭ম শাখা :

ৱিদ্যা হ ৱৈ ব্রাহ্মণ মাজগাম।
গোপায় মা শেবধিষ্টেঽহমস্মি॥
অসূয়কায়ানৃজৱেঽয়তায়।
ন মা ব্রুয়া বীর্য্যৱতী তথা স্যাম্॥ ১
যমেৱ বিদ্যাঃ শুচিমপ্রমত্তম্।
মেধাৱিনং ব্রহ্মচর্য্যোপপন্নম্।
যস্তে ন দ্রুহ্যেৎ কতমচ্চ নাহ।
তস্মৈ মা ব্রুয়া নিধিপায় ব্রহ্মণ্। ৪

মূলার্থ : – 'বিদ্যাদেৱী স্বয়ং বৈদিক ব্রাহ্মণৰ ওচৰত আহি প্রার্থনা জনাইছে,– হে ব্রাহ্মণ, তুমি মোক হিংসুক, কুটিল আৰু অসংযত মানুহৰ ওচৰলৈ নপঠাবা। এইবোৰে মোৰ বীর্য হানি কৰে। কিন্তু যিবোৰ মানুহ শুচি প্রশান্ত, মেধাৱী আৰু বিশুদ্ধচিত্ত, মোক তেওঁলোকৰ ওচৰলৈ পঠাবা।' অর্থাৎ বিশুদ্ধচিত্ত মানুহৰহে বেদ-বিদ্যাত অধিকাৰ, অইনৰ নহয়।

এই বিদ্যাস্তুতি মুক্তিকোপনিষদত অলপ ভাষাৰ লৰচৰ হৈ পুনৰুল্লিখিত হৈছে। বেদৰ বচন মতে, অনার্য দাসীৰ জহৰা ন'ৰা সত্যকামৰ বেদ-মন্ত্রত প্রকৃত অধিকাৰ, নে বিষয়-সম্পত্তি খাবলৈ নেপাই খহুৱা ভেকুলীটো যেন হৈ ভগৱান শংকৰাচার্যৰ মাতৃদেৱীৰ সতীত্বৰ বিৰুদ্ধে মিছা সাক্ষী দিওঁতাসকলৰ কুটুমবোৰৰ প্রকৃত অধিকাৰ ? ইয়াৰ মীমাংসা ৰবদলৈদেৱে লাহে লাহে কৰি থাকক।

(২)

বৃহৎ দলৰ বৃহৎ সমস্যা

আৰব্য উপন্যাসত এটি বৰ মনোহৰ গল্প আছে। অসমীয়া বাইজে জানে যদিও, অলপ ইংগিত কৰিলো। সিন্দবাদ নাৱিকৰ কোনোবাৰাৰ বাণিজ্যযাত্ৰাত এটি জনশূন্য দ্বীপত এজন কেলেহুৱা বুঢ়াৰ লগত দেখা-দেখি হ'ল। বুঢ়াই নবিৰ নোৱৰা আদি নানান ভাও জুৰি যেই নাৱিকৰ কান্ধত উঠিল আৰু নেমানে। নাৱিকে যিমানেই দৌৰে, সিমানেই বাগৰে। বুঢ়ায়ো তিমানেই ভৰি দুখন কটকটীয়া কৰি নাৱিকৰ গলত চেপি দিয়ে। বৰদলৈদেৱৰো সিন্দবাদৰ দৰে সমস্যা উপস্থিত হৈছে। তেওঁৰ "প্ৰাণৰ বান্ধৱ" কৃষ্ণক বিচাৰি যদিও তেওঁ ব্ৰাহ্ম সমাজৰ Theology Prize আদিৰ মমতা এৰি অসমৰ হাবিয়নিৰ মাজত সোমাল, কৃষ্ণক পালে নে নাই ক'ব নোৱাৰোঁ; কিন্তু বুঢ়া মহাদেৱ সপৰিবাৰে পালি-পহৰীয়া ভূতবোৰেৰে সৈতে যে তেওঁৰ কান্ধত উঠিল আৰু নেনামে। বৈসাদৃশ্য এইটোহে, বুঢ়াই নামি যাওঁ বুলিলেও বৰদলৈদেৱে কয়, এইবোৰক ক'ত দলিয়াই পেলাম ? বুঢ়াই নিজেই কয়, কৃষ্ণক কান্ধত লৈ ফুৰিলেই মোকো লোৱা হয়। বৰদলৈদেৱে সঁচায় মিছায় আনৰ 'নজীৰ' দি বুঢ়াৰ কথাত মান্তি নহয়।

বৈষ্ণৱসকলে বিষ্ণুকেই পৰম দেৱতা বুলি উপাসনা কৰিলেও আন দেৱ-দেৱীসকলৰ অৱমাননা নকৰে। কেৱল বিষ্ণুক নৈৱেদ্য দিলেই আন দেৱ-দেৱী সকলো সন্তুষ্ট হয় বুলি বৈষ্ণৱ শাস্ত্ৰত আছে আৰু আচাৰ্যসকলেও একে কথাকেই কৈ গৈছে। শংকৰদেৱেও এইদৰে কৈছে আৰু দামোদৰদেৱৰ হৈ ভট্টদেৱেও তাকেই কৈছে। ভট্টদেৱে এইটোও কৈছে যে বিষ্ণুৰ নৈৱেদ্যৰ অৱশিষ্টাংশহে অন্য দেৱ-দেৱীসকলে গ্ৰহণ কৰে, বেলেগে তেওঁলোকে পূজা গ্ৰহণ নকৰে। কিন্তু বৰদলৈদেৱে নিজৰ মত "বাহাল" ৰাখিবলৈ যি ৰামানুজ-পন্থী শ্ৰীবৈষ্ণৱসকলৰ দোহাই দিছে, সেই শ্ৰীবৈষ্ণৱসকলে হৰি-হৰৰ অভেদবাদ স্বীকাৰ নকৰে আৰু প্ৰকাশ্যে শিৱ-দুৰ্গা আদিৰ নিন্দাও কৰে। আমি চৰিতগত ঘটনাহে আলোচনা কৰিছো, শিৱ-দুৰ্গাক নিন্দা কৰা নাই।

(১) ৰামানুজে শ্ৰীক্ষেত্ৰত জগন্নাথৰ মায়াত কূৰ্মক্ষেত্ৰত নিক্ষিপ্ত হ'লত দেখে যে সেইটো শিৱ মন্দিৰ আৰু তাত শিৱ-মূৰ্তি বিৰাজমান আছে। শিৱ-মূৰ্তি দেখি ৰামানুজ বৰ বিচলিত হ'ল আৰু এইটো দৈৱ-বিড়ম্বনা ভাবি এদিন লঘোনে কটাইছিল।

(২) ৰামানুজৰ আৱিৰ্ভাৱৰ আগৰ ডোখৰত দক্ষিণ ভাৰত শৈৱ-প্ৰধান আছিল। দক্ষিণ উপকূলৰ ৰজা কৃমিকণ্ঠই ৰামানুজৰ শিষ্য কুৰেশক ধৰাই নি ৰাজসভাত কুৰেশক স্বীকাৰ কৰিবলৈ ক'লে যে— "শিৱাৎ পৰতৰং ন হি"— অৰ্থাৎ 'শিৱতকৈ ডাঙৰ কোনো নাই।' কুৰেশে ব্যংগ কৰি উত্তৰ দিলে— "দ্ৰোণমস্তি ততঃ পৰং।" অৰ্থাৎ 'শিৱতকৈ 'দ্ৰোণ' ডাঙৰ। শিৱ আৰু দ্ৰোণ অসমীয়া কঠা আৰু দোণৰ দৰে ওজন কৰা বস্তুক বুজায়। এই তীব্ৰ ব্যংগত ৰজাই কুৰেশৰ চকু দুটা কণা কৰিলে। অন্ধ কুৰেশৰ এই দুৰ্দশাত ৰামানুজ মৰ্মাহত হৈছিল কিন্তু কুৰেশৰ কথাত আপত্তি নকৰিলে।

(৩) বিৰুদ্ধবাদীসকলৰ দেৱ-মন্দিৰক ৰামানুজে বিষ্ণু-মন্দিৰত পৰিণত কৰিছিল। তিৰুপতি আৰু কূৰ্মক্ষেত্ৰৰ শিৱ-মন্দিৰক তেওঁ বিষ্ণু মন্দিৰত পৰিণত কৰিছিল। তেওঁৰ ভক্ত বিষ্ণুবৰ্দ্ধনেও নিজ ৰাজ্যত বহু শ জৈন-মন্দিৰ ভাঙি বিষ্ণু-মন্দিৰ আৰু পুখুৰী কৰিছিল।

(৪) কাশ্মীৰৰপৰা বেদান্ত-সূত্ৰৰ বোধায়ন ভাষ্য আনোতে শাৰদা দেৱীৰ মন্দিৰ দৰ্শন কৰিব লগীয়া হোৱাত বাজে অন্য দেৱতা দৰ্শন বা পূজা তেওঁৰ জীৱনত ঘটা নাই। এনে কি, বহু মন্দিৰ-সমাকুল তীৰ্থলৈ গ'লেও তেওঁ বিষ্ণু-বিগ্ৰহকেই দৰ্শন আৰু পূজা কৰিছিল।

কাশীৰপৰা 'বিষ্ণুপুৰী সন্যাসীৰ সটীক "ভক্তিৰত্নাৱলী" গ্ৰন্থ ছপা হৈ ওলাইছে। 'বিষ্ণুপুৰী সন্ন্যাসীয়ে নিজে লেখা টোকাৰ লগতে সম্পাদকে ঠায়ে ঠায়ে নিজে টিপ্পনী দিছে। তলত দিয়া শ্লোকৰ টিপ্পনীত সম্পাদকে তলত দিয়াৰ দৰে মন্তব্য প্ৰকাশ কৰিছে।

মুমুক্ষৱো ঘোৰ ৰূপান্ হিত্বা ভূতপতীনথ।
নাৰায়ণকল্যঃ শান্তা ভজন্তি হ্যনসূয়ৱঃ ॥

সম্পাদকীয় টিপ্পনী ঃ ৰামানুজ সম্প্ৰদায়ৰ শ্ৰীবৈষ্ণৱসকলে শান্ত বিষ্ণু মূৰ্তিক ভজনা কৰাৰ লগে লগে শিৱ, দুৰ্গা আৰু তেওঁলোকৰ উপাসকবোৰক উন্মুক্ত কণ্ঠে নিন্দা কৰে, যদিও শ্লোকৰ ভিতৰত কাকো নিন্দা কৰিবলৈ হাক দিছে। "প্ৰকৃত হিন্দু" বৰদলৈদেৱে এইবোৰ ঘটনাৰ লগত তেওঁৰ ভক্তি মিলাই চাব। (প্ৰঃ, ২৬১ পিঠি)।

ভগবান শংকৰাচাৰ্যৰ বিষয়ে কওঁতে বৰদলৈদেৱে "বিষমে পতিতে হন্তি"। বৰদলৈদেৱে "স্বীকৰ নকৰে যে শংকৰাচাৰ্য কেৱল বেদান্তিক বা শাক্তহে আছিল অথবা তেওঁ বিষ্ণুক একেবাৰে নেমানিছিল বা উৰাই দিছিল।" বৰদলৈদেৱে "দলিয়াই পেলোৱা" আৰু "উৰুৱাই দিয়া" আদি শব্দত বাজে অইন শব্দ ব্যৱহাৰেই নকৰে দেখোন! কোনে কাক দলিয়াই পেলায় বা উৰুৱাই দিয়ে? আধ্যাত্মিক আদৰ্শ অনুসাৰে প্ৰত্যেক সম্প্ৰদায়ে মুখ্য গৌণ হিচাবে দেৱতাসকলৰ প্ৰাধান্য-স্বীকাৰ কৰে আৰু সেই অনুসাৰে কাম কৰে। হিন্দু ধৰ্মৰ সম্প্ৰদায় বিভাগ হৈছে দেৱতাসকলৰ প্ৰাধান্য-অপ্ৰাধান্য লৈহে, দলিয়াই পেলোৱা বা উৰুৱাই দিয়া হিচাবে নহয়। যেনে– বৈষ্ণৱাচাৰ্য ভট্টদেৱে "ভক্তি-বিৱেক" গ্ৰন্থত কৈছে – "যথা স্বাংগানামভেদেঽপি মুখেনৈব ভোজনং কৰৈণৈৱাদানং তথা ত্ৰয়াণামভেদেঽপি বিষ্ণুৰেব মুক্তিপ্ৰদঃ ইতি।" বৰদলৈদেৱে আকৌ ক'ব, বাকীবোৰক ক'ত দলিয়াই পেলালে? দলিয়াই পেলালে হাড় ভাগিবৰ ভয়ত দলিয়াই নেপেলাই এইদৰে কৈছে– "ননু বিধ্যুক্তমাৰ্গেণ ভগৱদৰ্চনে ক্ৰিয়মাণে নিত্যোক্ত পঞ্চদেৱতাপূজা ন স্যাৎ তত্ৰাহ গাৰুড়ে–

অৰ্চ্চিতে দেৱদেৱেশে শংখচক্ৰগদাধৰে।
অৰ্চ্চিতঃ সৰ্ব্বদেৱঃ স্যাৎ যতঃ সৰ্ব্বগতো হৰিঃ ॥
তথা চ ভাগৱতে–
"যথা তৰোৰ্মূলনিষেচনেন" ইত্যাদি।

বৰদলৈদেৱৰ আৰু এটি কথা শুনি অলপ সংশয় হৈছে। তেওঁ কৈছে (২৭২ পিঠি) "শিৱ আৰু শক্তিক সন্তুষ্ট কৰিহে বিষ্ণুক নিৰাপদে পূজিব পৰা যায়।" ইত্যাদি। বোধ কৰোঁ বহু দিন চৰকাৰী কাম কৰি Through proper channel–অৰ ভাবটো তেওঁৰ মনত কৰাল খাই লাগি আছে। ভট্টদেৱে কিন্তু কয় যে proper channel–অৰ দৰকাৰ নাই, 'ঘপহ কৰে বিষ্ণুকেই ধৰিবলৈ হাত মেলা, সুলকি যায় যদিও ভয় নাই।' "ননু সৰ্ব্বধৰ্ম্মত্যাগেন ভজন্ যদি ভক্তি পৰিপাকেন কৃতাৰ্থঃ স্যাৎ তৰ্হি কাচিন্ন চিন্তা, যদি অপক্ব এব ম্ৰিয়েত ভ্ৰশ্যেৎ বা তদা কিং স্যাৎ, অত আহ নাৰদৱাক্যেন–

ত্যক্ত্বা স্বধৰ্ম্মং চৰণাম্বুজং হৰেৰ্ভজন্নপক্বোথ পতেত্ততো যদি।
তত্ৰ ক্ব ৱাভদ্ৰমভূদমুষ্য কিং কোৱাৰ্থ আপ্তোঽভজতাং স্বধৰ্ম্মতঃ, ইত্যাদি।

আচাৰ্যসকলে এইদৰে পুৰাণৰ তেত্ৰিশ কোটি দেৱতাৰ সামঞ্জস্য ৰাখিছে। অইনবোৰক 'দলিয়াই' নেপেলোৱা ভট্টদেৱক শৈৱ বা শক্তি ধৰ্মৰ আচাৰ্য পতা যেনে, ভগবান শংকৰাচাৰ্যক বৈষ্ণৱ ধৰ্মৰ গুৰিয়াল পতাও তেনে। অদ্বৈত জ্ঞানবাদী শংকৰে উপনিষদৰ নিৰ্গুণ ব্ৰহ্মমূৰ্তিক আৰাধনা কৰিছিল। আৰু ভট্টদেৱে যিদৰে "সৰ্ব্বগতো হৰিঃ" বুলি অন্য দেৱতাসকলক কৃষ্ণগতপ্ৰাণ বুলি মানিছিল, ভগৱান শংকৰেও অন্য অন্য দেৱতাক ব্ৰহ্মৰ অংশ-বিশেষ বুলিহে মানিছিল। তেওঁ শৈৱ বা বৈষ্ণৱ কোনো সম্প্ৰদায়ভুক্ত নাছিল। বিদ্যাৰণ্য মহামুনিৰ শংকৰ-দিগ্বিজয় গ্ৰন্থত শৈৱ, শাক্ত, বৈষ্ণৱাচাৰ্যসকলক তৰ্কত পৰাভূত কৰাৰ বিস্তৃত বিৱৰণ আছে। প্ৰয়োজন অনুসাৰে 'পদ' উদ্ধাৰ কৰি দিয়া যাব।

বৰদলৈদেৱে আকৌ বেদৰ বিষ্ণু-পূজাৰ কথাৰ উল্লেখ কৰিছে। বেদৰ বিষ্ণু পূজা আৰু পুৰাণৰ বিষ্ণু পূজাৰ ভিতৰত আকাশ-পাতাল ভেদ। পুৰাণৰ বিষ্ণু পূজা ভক্তিবাদৰ লগত ওতপ্ৰোতভাৱে সংমিশ্ৰিত। সেইটো পাহৰিব নেলাগে। বেদৰ বিষ্ণু পূজাত ছাগলী বধ কৰি তাৰ মঙহেৰে বিষ্ণু-পূজা কৰিবৰহে বিধি আছে। পৌৰাণিক বিষ্ণু পূজাত পশু-বধ নিষিদ্ধ। ফল-মূল আদিৰে প্ৰথমে বিষ্ণু-পূজা কৰে ক্ষত্ৰিয় ৰজা উপৰিচৰে। ইয়াৰ বিস্তৃত বিৱৰণ মহাভাৰতৰ শান্তি-পৰ্বত বিচাৰিলে পাব।

বিষ্ণু বৈদিক দেৱতা হয়, কিন্তু আৰাধনা প্ৰণালী যুগে যুগে লৰচৰ হৈ আছে। পৌৰাণিক বিষ্ণু-পূজাৰ অহিংসাবাদৰ মূল ক্ষত্ৰিয় ঘোৰ আংগিৰস ঋষিয়ে উপনিষদত বিবৃত কৰি থৈ গৈছে – "অথ যত্তপো দানমাৰ্জ্জৱম্ অহিংসা সত্যৱচনমিতি তা অস্য দক্ষিণাঃ" (ছাঃ উঃ, ৩.১৭.৪)।

শংকৰ আৰু ৰামানুজৰ বিষয়ে কওঁতে বৰদলৈদেৱে আন এটি কথা পাহৰিব নেলাগে। শংকৰ জ্ঞানবাদী আৰু ৰামানুজ ভক্তিবাদী। আৰু বিষ্ণুবাদ ভক্তিবাদৰ লগত সম্পূৰ্ণ বিজড়িত। ভক্তিবাদ যদিও উপনিষদত বিশেষভাৱে পৰিস্ফুট হৈ ওলোৱা নাই, তথাপি ইয়াৰো মূল উপনিষদেই। জ্ঞানবাদীয়ে যাক 'সত্যং জ্ঞানমনন্তং ব্ৰহ্ম' বুলি কয় ভক্তিবাদীয়ে তাকেই "ৰসো বৈ সঃ ৰসং হ্যেৱায়ং লব্ধানন্দীভৱতি" বুলি কয় (তৈত্তিৰীয়োপনিষৎ ২/৭)। জ্ঞানবাদীয়ে ভক্তিক

জ্ঞানৰ সাধন স্বৰূপ বুলি মানে আৰু ভক্তিবাদীয়ে জ্ঞানক ভক্তিৰ সাধন-ৰূপ বুলি ধৰি লয়। শংকৰ আৰু ৰামানুজৰ গীতাভাষ্য মিলাই পঢ়িলেই তেওঁলোকৰ view-point বুজিব পাৰিব। শংকৰৰ উপাস্য, জ্ঞান-গম্য ব্ৰহ্ম-ৰূপ আৰু ৰামানুজৰ উপাস্য ভক্তি-গ্ৰাহ্য বিষ্ণু-ৰূপ।

শংকৰৰ মনত বিষ্ণুৰূপে কি ঠাই অধিকাৰ কৰিছিল তেওঁৰ জীৱনৰ এটি ঘটনাৰপৰাই বুজা যায়। সন্ন্যাসী শংকৰে মাকৰ অন্তিম শয্যাৰ কাষত উপস্থিত হোৱাত, মাকে তেওঁক হৰিনাম শুনাবলৈ ক'লে। জ্ঞানী শংকৰে প্ৰথমে ব্ৰহ্ম-ৰূপ ব্যাখ্যা কৰিলে; মাকে একো নুবুজিলে। দ্বিতীয়তঃ, শিৱ-ৰূপ ব্যাখ্যা কৰিলে; তেতিয়াও মাকে একো নুবুজিলে। তৃতীয়তঃ আৰু শেহত বিষ্ণু-ৰূপ বিবৃত কৰিলে, তেতিয়াহে মাকৰ মনত শান্তিৰ উদয় হ'ল, কিয়নো আদিতে শংকৰাচাৰ্যসকলৰ কুল-দেৱতা বিষ্ণুহে আছিল। যি ক্ৰম অনুসাৰে শংকৰাচাৰ্যই ঈশ্বৰৰ নানা ৰূপ ব্যাখ্যা কৰিছিল সেই ক্ৰমমতেই তেওঁৰ সাধনাৰ দেৱতাৰ পৰিচয় পোৱা যায়। সম্প্ৰদায়ভেদ সাধনাৰ মুখ্যতম দেৱতাৰ ৰূপ আৰু উপাসনা-প্ৰণালীমতেহে হয়। 'দলিয়াই পেলোৱা' বা 'উৰুৱাই দিয়া' মতে নহয়। *ভট্টদেৱক শৈৱ সম্প্ৰদায়ৰ টিঙত বহুৱা আৰু শংকৰাচাৰ্যক বৈষ্ণৱ সম্প্ৰদায়ৰ গুৰিত বহুৱা একে ধৰণৰ অন্তঃসাৰশূন্য কথা।

(৩)
ৰাধাদেৱীত মাতৃভাব

প্ৰঃ, ২৬২ পিঠিত বৰদলৈদেৱে লিখিছে "ঈশ্বৰক যেতিয়াই পুৰুষ বুলিও বুজিব পৰা যায় আৰু মাতৃ বুলিও পূজিব পাৰি, তেনে স্থলত আমি দামোদৰীয়াই ঈশ্বৰ কৃষ্ণৰ লগত ৰাধাৰো নাম লওঁ (অৰ্থাৎ মাতৃভাৱে) হৰৰ লগত গৌৰীকো কাৰুণ্য জনাওঁ।" গৌৰীদেৱীত মাতৃভাব বহু দিনৰ পৰা চলি আহিছে কিন্তু ৰাধাদেৱীৰ মাতৃ ভাবৰ বিষয় কৃতবিদ্য পণ্ডিত *আচাৰ্য ৰামেন্দ্ৰ সুন্দৰ ত্ৰিবেদীয়ে সন্দেহ প্ৰকাশ কৰিছে। অলপ তুলি দিলোঁ– "মহাদেৱক আমি পিতা বুলি মাতোঁ; ৰাধা-কৃষ্ণক আই-বোপাই বুলি বোধ হয় কোনো হিন্দুৱেই নেমাতে। কোনোবা বৈষ্ণৱ সাহিত্যত এইদৰে আই-বোপাই আখ্যা বিচাৰি পোৱা যায়নে নেযায় সন্দেহৰ কথা। বোধ হয় সেই কাৰণেই তেওঁৰ (ৰাধাদেৱীৰ) বাল্য আৰু কৈশোৰ লীলাত শ্ৰীকৃষ্ণৰ বৃন্দাবন-লীলা শেষ

----

* কিন্তু অন্তঃসাৰশূন্য কথা বুলিলে কি হ'ব, অন্তঃসাৰশূন্য হ'লেও তাৰ যুক্তিৰ ফাঁকটো দেখিবলৈ এনে ভয়ানক, এনে জবৰ্জং যে ফাঁকটোৰ ভিতৰত 'পৰিলে মাখিকো দোহাৰ" কৰা তৰোৱাল আছে নে "হাৱা" আছে, সেই কথা গমিবলৈ "বাঁহী" যাবই নোৱাৰে, ফাঁকটো দেখিয়েই "বাঁহী"য়ে থৰযুগুতি হেৰুৱাই, "প্ৰদীপিকা"ৰ ঘোৰ মূৰ্তি ভীষণ যুক্তিৰ গুচৰত থিয় হৈ থাকিব নোৱাৰি, হয় উৰুৱি পৰে, নহয় বহি পৰে, আৰু নিৰুপায় হৈ "জনসমাজত নিজৰ গৌৰৱ বজাই ৰাখিবৰ কাৰণে ব্যংগ কৰে"– অৰ্থাৎ দাঁত চেলাই হাঁহে। (প্ৰ ঃ, ৩১২ পিঠি দ্ৰষ্টব্য– সম্পাদক, বাঁহী)।

কৰিবলগীয়া হৈছে। মহাদেৱ আমাৰ "বাবা ভোলানাথ", তেওঁৰ গৃহিণী জগৎ জননী মা ভগৱতী। অন্ততঃ কালিদাসৰ সময়ৰপৰাই তেওঁলোক "জগতঃ পিতৰৌ" হৈ আহিছে। ঐশ্বৰ্যময়ী লক্ষ্মীক আই বুলিব পাৰি।" ইত্যাদি। আচাৰ্য ত্ৰিবেদী অগাধ বেদবিৎ পণ্ডিত। তেওঁৰ কথা হঠাৎ "দলিয়াই" পেলাব নোৱাৰিলোঁ। বৈষ্ণৱাচাৰ্য ভট্টদেৱে প্ৰসংগক্ৰমে শিৱ, দুৰ্গা আদিবো উল্লেখ কৰিছে, ৰাধাৰ নাম ঘুণাক্ষৰে উল্লেখ কৰা নাই। স্বয়ং বিষ্ণুতেই তেওঁ মাতৃভাৱ অৰ্পণ কৰিছে, যেনে–

মাতৃবৎ পৰিৰক্ষন্তং সৃষ্টিসংহাৰকাৰকম্।
যো ন পূজয়তে বিষ্ণুং তং বিদ্যাৎ ব্ৰহ্মঘাতকম্॥

সম্পাদক বৰদলৈয়ে আমাৰ দৰে সাধাৰণ পঢ়োতাতকৈ নিশ্চয় বৈষ্ণৱ সাহিত্যৰ বেছি খবৰ ৰাখে। তেওঁ ক'বনে তেওঁৰ ৰাধাদেৱীৰ মাতৃভাৱৰ মূল গ্ৰন্থ কি?

(৪)

পুথি–পূজা

মহাপুৰুষীয়া প্ৰধান সাম্প্ৰদায়িক গ্ৰন্থ গীতা আৰু ভাগৱত। গীতাৰ বিষয় গীতা-মাহাত্ম্যত এইদৰে আছে–

গীতা মে চোত্তমং স্থানং গীতা মে পৰমং পদম্।
গীতাশ্ৰয়েঽহং তিষ্ঠামি গীতা মে পৰমং গৃহম্॥ ইত্যাদি

ভাগৱতৰ বিষয়ে পদ্মপুৰাণত এইদৰেও আছে–

তিৰোধায় প্ৰৱিষ্টোঽয়ং শ্ৰীমদ্ভাগৱতাৰ্ণৱং।
তেনেয়ং বাঙ্‌ময়ী মূৰ্তিঃ প্ৰত্যক্ষাৰৰ্ত্ততে হৰেঃ॥
সেৱনাচ্ছ্ৰৱণাৎ পাঠাৎ দৰ্শনাৎ পাপনাশিনী।

তিৰোধানৰ সময়ত ভগৱান কৃষ্ণই তেওঁৰ সকলো তেজ ভাগৱতত অৰ্পণ কৰি গৈছে, সেই দেখি ভাগৱত তেওঁৰ বাঙ্‌ময়ী মূৰ্তি। গুৰিৰপৰা আগলৈকে লাগ-বান্ধ নোহোৱা অসাৰ কথাৰ ভিতৰত ৰবৰদলৈয়ে এষাৰ ঠিক কৈছে যে মহাপুৰুষীয়া ধৰ্মত প্ৰাখৰ্য বেছি। হ'বৰেই কথা; যি সম্প্ৰদায়ে বিষ্ণুৰ বাঙ্‌ময়ী মূৰ্তি সেৱা কৰে, তাৰ জ্ঞানৰ প্ৰাখৰ্য স্বাভাৱিক। কিন্তু মহাপুৰুষীয়া ধৰ্মত জ্ঞানো ভক্তিৰ সাধনভাৱেহে বৰ্তমান। "নাৰদ-ভক্তি-সূত্ৰ"ত "জ্ঞানমিত্যেকে" বুলি মহৰ্ষিয়ে জ্ঞানক ভক্তিৰ সাধন বুলি ধৰিছে।

(৫)
"সনাতন" ধৰ্মৰ "লংগৰ"

অসমীয়া ৰাইজে এতিয়া অলপ মন কৰি কথাবোৰ চাব। ৰবদলৈদেৱে সনাতন হিন্দু ধৰ্মৰ সংজ্ঞা দিছে – বেদ-স্মৃতি-পুৰাণ-তন্ত্ৰ-বিহিত যি ধৰ্ম সেয়ে সনাতন ধৰ্ম। কাৰবাৰ ইচ্ছা হ'লে ঋতু-সংহাৰ-আদি-বিহিত বুলিও ক'ব পাৰে। স্মৃতিকাৰসকলে কিন্তু স্বীকাৰ কৰি গৈছে যে স্মৃতি-পুৰাণাদিৰ প্ৰামাণ্য বেদ-সাপেক্ষ। অৰ্থাৎ বেদ স্বতঃপ্ৰমাণ কিন্তু বেদৰ লগত বিৰোধ হ'লে পুৰাণাদিৰ প্ৰামাণ্য গ্ৰাহ্য নহয়।

ৰবদলৈদেৱে কৈছে যে প্ৰতিমা-পূজা সনাতন ধৰ্মৰ "লংগৰ" স্বৰূপ। আৰু প্ৰতিমা-পূজাৰ লংগৰ তুলিলে সনাতন ধৰ্মৰ জাহাজ উটি গৈ 'পাষণ্ড' বৌদ্ধ সাগৰত পৰিবগৈ। ৰবদলৈদেৱে জানিব পায় যে পৰবৰ্তী কালৰ বৌদ্ধসকল ঘোৰ প্ৰতিমা পূজক আছিল। আৰু প্ৰতিমা-পূজাৰ প্ৰথা হিন্দু ধৰ্মত সোমায় বৌদ্ধ ধৰ্মৰ ভিতৰেদি। প্ৰতিমা পূজাৰ স্পষ্ট প্ৰমাণ বেদত আছে নে নাই ভাৰতীয় বৈদিক পণ্ডিতসকলে অসন্দিগ্ধভাৱে ক'ব পৰা নাই। কিন্তু বৌদ্ধসকল ঘোৰ প্ৰতিমা-পূজক আছিল। সেই দেখি কোনোবাই প্ৰতিমা-পূজা নকৰিলে, অইন যি হওক বৌদ্ধ হ'ব নোৱাৰে। পুৰাণে প্ৰতিমা-পূজা স্বীকাৰ কৰিছে যদিও এই শ্ৰেণীৰ উপাসকসকলক তলৰ শ্ৰেণীত ঠাই দিছে। যি হওক, পুৰাণৰ প্ৰতিমা-পূজাৰ বিধি বেদৰপৰা আহিছে নে বৌদ্ধসকলৰপৰা আহিছে – ইয়াৰ বিচাৰ "প্ৰদীপিকা"ৰ গুৰিয়ালসকলে কৰি চালে হ'ব পাৰে।

লিংগ-পূজা ঃ ভাৰতবৰ্ষৰ বৈদিক সাহিত্যত লিংগ-পূজাৰ কোনো উল্লেখ নাই। ঋগ্বেদৰ এঠাইত এটি শব্দ আছে– "শিশ্নদেবাঃ।' ইউৰোপীয় পণ্ডিতসকলে এই কথাটোক লিংগপূজক অৰ্থত গ্ৰহণ কৰিব খোজে। কিন্তু সায়নাচাৰ্যই ইয়াৰ অন্য অৰ্থ ধৰিছে। তেওঁ কয় ইয়াৰ অৰ্থ কদাচাৰী মানুহ; ইয়াৰ অৰ্থ লিংগ-পূজা নহয়। 'প্ৰকৃত হিন্দু' ৰবদলৈয়ে বিদেশী পণ্ডিতৰ মত নেমানেই যেতিয়া, সায়ন ভাষ্যমতে লিংগ পূজা অবৈদিক। হয় ই পুৰণি অনাৰ্য দ্ৰাবিড়সকলৰ পৰা, নহয় মিশৰ দেশৰপৰা ভাৰতীয় প্ৰথাৰ ভিতৰত সোমায়।

(৬)
"প্ৰচ্ছন্ন বৌদ্ধ"

প্ৰঃ, ৩২০ পিঠিত ৰবদলৈদেৱে কৈছে যে বৌদ্ধদেৱৰ মতো বেদৰপৰা উদ্ভৱ। হ'লেও হ'ব পাৰে কিন্তু তাৰ আগেয়ে এইটোও চাবলগীয়া যে বুদ্ধদেৱৰ মতৰ কোন মতৰ লগত বেছি সাদৃশ্য। বেদ আনন্দবাদী – আনন্দোব্ৰহ্মেতি ব্যজানাৎ। আনন্দাদ্ধ্যেৱ খল্বিমানি ভূতানি জায়ন্তে। ইত্যাদি। অৰ্থাৎ বেদে সংসাৰ দুঃখময় বুলি স্বীকাৰ নকৰে। বৌদ্ধ কিন্তু গভীৰ দুঃখবাদী। আকৌ, ইপিনে সাংখ্যও দুঃখবাদী, সাংখ্যইও সংসাৰ দুঃখময় বুলি স্বীকাৰ কৰিছে। বৌদ্ধও

নিৰীশ্বৰ। সাংখ্যও নিৰীশ্বৰ। সাংখ্যৰ পঞ্চবিংশতি তত্ত্বৰ লগতো বৌদ্ধ 'প্ৰতীত্যসমুৎপাদ'ৰ বহুত মিল আছে। আৰু স্মৃতিকাৰ মনু আদিয়ে সাংখ্যমত গ্ৰহণ কৰিছিল যদিও ভগবান শংকৰাচাৰ্যই বেদান্ত সূত্ৰ ভাষ্যত সাংখ্যমত বৌদ্ধ মতৰ দৰে অবৈদিক বুলি খণ্ডন কৰিছে। মন্বাদিভিঃ কৈশ্চিৎ শিষ্টৈৰ্গৃহীতত্বাৎ খণ্ডিতব্যামিতি। আৰু এইটোও মন কৰিবলগীয়া যে শাক্যসিংহৰ জন্মস্থান কপিলবাস্তুনগৰ। কপিল মুনিৰ আবাসভূমি বুলিয়েই যদি কপিলবাস্তু নাম হৈছিল, তেনেহ'লে সাংখ্যমত আৰু বৌদ্ধমত অন্ততঃ ভালেখিনি মিলিবৰ ভৌগোলিক কাৰণো থাকিব পাৰে। যাওক সেইবোৰ কথা; পিছৰ কালত বৌদ্ধ আৰু হিন্দু ধৰ্ম সান-মিহলি হৈ দুয়োটাতেই বহুত "জিনিস" বাহিৰৰপৰা সোমাইছে। আৰু বৰদলৈদেৱৰ সংজ্ঞামতে যিটো সত্য সনাতন ধৰ্ম, তাৰ ভিতৰত বৌদ্ধ আচাৰ-প্ৰণালী বহুত সোমাই আছে।

"প্ৰথমে যিবোৰে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল, তেওঁলোকে বৌদ্ধ ত্ৰিৰত্নত শৰণ লৈছিল– বুদ্ধং শৰণং গচ্ছামি। ধম্মং শৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি। বৌদ্ধ মত অনুসাৰে জ্ঞানত বাজে নিৰ্বাণৰ উপায় নাই। কালক্ৰমে এটি পৰিৱৰ্তন হ'ল– "ধৰ্ম" ৰূপান্তৰিত হৈ প্ৰজ্ঞা (জ্ঞান) নামে পৰিচিত হ'ল; আৰু প্ৰজ্ঞাৰ স্ত্ৰীমূৰ্তি কল্পিত হ'ল। বুদ্ধদেৱো লাহে লাহে গৈ বেদান্তৰ ব্ৰহ্ম বা সাংখ্যৰ পুৰুষ হৈ থিয় হ'ল, আৰু ধৰ্মও প্ৰজ্ঞা নামে পৰিচিত হৈ বেদান্তৰ মায়া বা সাংখ্যৰ প্ৰকৃতিৰ দৰে কল্পিত হ'ল। এইদৰে মহাযানী বৌদ্ধমত সৃষ্টি হ'ল।

"এই মহাযানী বৌদ্ধমতৰ পৰিণাম হ'ল তান্ত্ৰিক বৌদ্ধধৰ্মত। লাহে লাহে এই পৰিৱৰ্তন আহি পৰিছে। মহাযানী বৌদ্ধমতত জ্ঞানবাদৰ শেষ সীমা দেখুৱা হৈছে। এই দুৰূহ জ্ঞানবাদক জনসাধাৰণৰ গ্ৰাহ্য কৰিবৰ মনেৰে নানান নতুন তত্ত্ব আৰু অনুষ্ঠান দেশ-বিদেশৰপৰা অনা হয়।

"লাহে লাহে বৌদ্ধ মহাযান, বজ্ৰযান, কালচক্ৰযান আদি নানান শাখা-প্ৰশাখা বিস্তাৰ কৰিলে। সেইবোৰত নানান গোপনীয় তান্ত্ৰিক অনুষ্ঠান প্ৰবেশ কৰিলে। শেষ ফল এই হ'ল যে বৰ্তমান হিন্দু সমাজৰ বহুত তান্ত্ৰিক অনুষ্ঠান সেই গোপনীয় বৌদ্ধ অনুষ্ঠানৰ নামান্তৰ মাত্ৰ। অৱশ্যে ঠায়ে ঠায়ে তন্ত্ৰৰ ভিতৰত বৈদিক মূলো পাব পৰা যাব পাৰে, কিন্তু নানান ঠাইৰ ভালেমান অনাৰ্য অনুষ্ঠানো যে তাৰ ভিতৰত আছে, এই বিষয়ে সন্দেহ নাই। বৰং এইটোহে দেখা যায় যে বৈদিক আচাৰৰ লগত এইবোৰ তান্ত্ৰিক অনুষ্ঠানৰ এটি বিৰোধ আছে। এইবোৰ হিন্দু তন্ত্ৰ বৌদ্ধ তন্ত্ৰৰ ওচৰত ঋণী বুলি ভাবিব পাৰি।"

বৌদ্ধ বিহাৰবোৰৰ ভিতৰত যেতিয়া বৰদলৈদেৱে কোৱা সহজোলি, বজ্ৰোলি মুদ্ৰা আদি কৰি নানান গোপনীয় আৰু বীভৎস অনুষ্ঠানবোৰ চলিব ধৰিলে, তেতিয়া দলে দলে মানুহ গৈ বৌদ্ধ ধৰ্মত সোমাব ধৰিলে। হিন্দু আৰু বৌদ্ধৰ সন্ধিস্থাপন হয় এইবোৰ তন্ত্ৰ-শাস্ত্ৰৰ ভিতৰেদি। মানুহৰ মন বৌদ্ধ ধৰ্মৰ পৰা ফিৰাবলৈ হিন্দুসকলেও বৌদ্ধ সহজযানৰ অনুৰূপ কুলাচাৰ, বামাচাৰ, বীৰাচাৰ আদি নানান গোপনীয় অনুষ্ঠানৰ ডোল মেলিলে। আৰু বৌদ্ধৰ অসংখ্য দেৱ দেৱীৰ অনুৰূপ নানা দেৱ-দেৱতাৰ মূৰ্তি কল্পিত হ'ল। "উপনিষদৰ উমা হৈমৱতী আৰু ৰুদ্ৰ-ভগিনী অম্বিকা ধূম্ৰবৰ্ণা কালী কৰালাদি যজ্ঞাগ্নিৰ সপ্তজিহ্বাৰ লগত, এদিনে বেদান্ত-প্ৰতিপাদ্য প্ৰপঞ্চৰ জনয়িত্ৰী আৰু আনদিনে

শবৰ, দ্ৰাবিড় আদিৰ পূজিতা চামুণ্ডাৰ লগত মিলি গৈ মহেশ্বৰৰ পত্নীৰূপে বুদ্ধমাতা প্ৰজ্ঞা-পাৰমিতাৰ লগত আৰু বুদ্ধশক্তি তাৰাদেৱীৰ লগত মিলি গ'ল। 'সিততাৰা, উগ্ৰতাৰা, নীলতাৰা, বজ্ৰেশ্বৰী, বজ্ৰবৰাহী আৰু উচ্ছিষ্টা চণ্ডালিনীৰ লগত উপাসনা ভাগ গ্ৰহণ কৰিলে। বেদৰ বাগ্‌দেৱতা আহি অক্ষমালা আৰু মদৰ কলহ গ্ৰহণ কৰিলে আৰু অবিদ্যানাশিনী মহাবিদ্যায়ো আত্মঘাতিনী ছিন্নমস্তাৰ মূৰ্তি গ্ৰহণ কৰিলে।" (আচাৰ্য ত্ৰিবেদী) বৰ্তমান প্ৰবন্ধত আমাৰ বক্তব্য এয়ে মাথোন যে তন্ত্ৰ-শাস্ত্ৰবোৰ বৌদ্ধ আৰু হিন্দুৰ মিলনভূমি আৰু তন্ত্ৰমতাৱলম্বী শাক্তসকলৰ মাতৃবাদ বেদ আৰু উপনিষদমূলক হ'লেও তান্ত্ৰিক অনুষ্ঠান প্ৰণালী বেদৰ বাহিৰ। বৈদিক আৰু তান্ত্ৰিক আচাৰ আৰু অনুষ্ঠানবোৰ সম্পূৰ্ণ স্বতন্ত্ৰ আৰু অনেক ঠাইত দুয়ো মিহলি হৈও এটি নতুন অনুষ্ঠান হ'ব পাৰে। ভাগৱত-কাৰেও এইটো স্বীকাৰ কৰিছে – "বৈদিক স্তান্ত্ৰিকোমিশ্ৰ ইতি মে ত্ৰিবিধো যথঃ।" তন্ত্ৰবাদী হিন্দু সমাজৰ মাতৃভাৱৰ মূল বেদ হ'লেও, তান্ত্ৰিক অনুষ্ঠানবোৰৰ নিমিত্তে তেওঁলোক বৌদ্ধসকলৰ ওচৰত ঋণী।

এই যে তান্ত্ৰিকবাদ ইয়াৰ উৎপত্তি আৰু লীলা-স্থান উত্তৰ ভাৰত। পূবে পুৰণি কামৰূপ ৰাজ্য, পশ্চিমে কাশ্মীৰ আৰু দক্ষিণে বিন্ধ্য পৰ্বত – এই ত্ৰিসীমাৰ ভিতৰত তান্ত্ৰিক মতৰ প্ৰভাৱত বেদাচাৰ আৰু বেদবিদ্যা লুপ্তপ্ৰায় হয়। তেতিয়া বৈদিক চৰ্চা কেৱল দক্ষিণ ভাৰততহে হয়। সেই দেখি বৈদিক ধৰ্মৰ পুনৰুত্থান হয় দক্ষিণ ভাৰতৰপৰা। সায়ন, মাধব, শংকৰ, ৰামানুজ, মধ্ব আদি মহান আচাৰ্যসকল দক্ষিণ ভাৰতৰ পৰা ওলাই বৈদিক মত আকৌ প্ৰচাৰ কৰে। আৰু এইটোও মন কৰিবলগীয়া যে তন্ত্ৰ-প্ৰধান সকলো ঠাইতে শংকৰাচাৰ্য বিষম বিপদত পৰিবলগীয়া হৈছিল। বেদ আৰু তন্ত্ৰৰ মৌলিক বিৰোধ আছে, ইয়াৰ পৰাও অলপ বুজিব পাৰি।

যি হওক বেদৰ দেৱীসূক্তৰ বাগ্‌দেৱতা আৰু কেনোপনিষদৰ উমা হৈমৱতী বৌদ্ধ প্ৰজ্ঞাপাৰমিতাৰে লগ লাগি তন্ত্ৰত সম্পূৰ্ণ মাতৃভাৱে বিৰাজিত। এই মাতৃভাৱ শাক্তৰ শক্তি। আৰু এই ব্ৰহ্মৰূপিণী মাতৃক উপাসনা কৰিব লাগিলে শাক্তৰ শক্তিৰ আশ্ৰয় ল'ব লাগিব।

বৈষ্ণৱমত অৱলম্বন কৰিও ৰবদলৈদেৱে ৰাধাদেৱীৰ ভিতৰেদি যিটো মাতৃভাৱ বিচাৰিছে, সেইটো পায় নেপায় গুৰুতৰ সন্দেহ। তন্ত্ৰত ৰাধাক প্ৰকৃতি বুলিছে। ৰবদলৈদেৱে কয় "ঈশ্বৰক যেতিয়া পুৰুষো বুলিব পাৰি, প্ৰকৃতিও বুলিব পাৰি, প্ৰকৃতি ৰাধাক আমি মাতৃভাৱে পূজিব পাৰোঁ।" ইত্যাদি। কিন্তু শাক্তৰ শক্তি আৰু সাংখ্যৰ প্ৰকৃতি একে বস্তু নহয়। সাংখ্যৰ প্ৰকৃতি জড় পদাৰ্থ। আৰু চেতন পুৰুষৰ লগ লাগিহে ইয়াৰ বিশ্বৰচনাত প্ৰবৃত্তি হয়।

গীতা আৰু দামোদৰ-ভাষ্য

ভট্টদেৱৰ "কথা-গীতা"ৰ আৰম্ভত গীতাৰ "দামোদৰ-ভাষ্য" বুলি এখন গীতা ভাষ্যৰ উল্লেখ আছে। ভগবদ্ গীতাৰ বহুত টীকা ভাষ্য আদিৰ কথা শুনিছো, দামোদৰ-ভাষ্যৰ কথাৰ কোনো উল্লেখ নাই। এনেও হ'ব পাৰে যে সকলো সংস্কৃত পুথি এতিয়াও প্ৰকাশিত হোৱা নাই আৰু ভট্টদেৱৰ সময়ত তেনে ভাষ্য এখন থাকিলেও থাকিব পাৰে। "প্ৰদীপিকা"ৰ কোনোবা প্ৰবন্ধ লেখকে কোৱা মনত পৰে যে উক্ত দামোদৰ ভাষ্য আমাৰ অসমৰ দামোদৰদেৱে লেখা। কথাষাদ যদি ঠিক হয়, সমূহ অসমীয়া সমাজৰ পক্ষে এইটো কম গৌৰৱৰ কথা নহয় যে অসমীয়া পণ্ডিত আৰু মহাপুৰুষ এজনে গীতাৰ ভাষ্য লেখি থৈ যাব। ভট্টদেৱে কিন্তু কৈছে যে 'দামোদৰ ভাষ্যত জ্ঞান, কৰ্ম আৰু ভক্তিক সমান সমান ঠাই দিয়া হৈছে। সেই দেখি তেওঁ নিজেই শ্ৰীধৰ ভাষ্যহে অবলম্বন কৰিছে। দামোদৰ ভাষ্য যদি অসমীয়া দামোদৰদেৱৰ বিৰচিত হয় তেনেহ'লে তেওঁৰ প্ৰধান শিষ্য ভট্টদেৱে তেওঁৰ মত নলৈ শ্ৰীধৰৰ মত ল'লে কিয় ?

আনপিনে বৰদলৈদেৱে দামোদৰদেৱক শংকৰাচাৰ্যৰ শিষ্য পাতিছে। শংকৰাচাৰ্যৰ টীকাত জ্ঞানক প্ৰাধান্য দিয়া হৈছে। আৰু শংকৰাচাৰ্যই এপিনে যেনেকৈ অনাচাৰী বৌদ্ধসকলক তৰ্কত পৰাভূত কৰি বৌদ্ধ ধৰ্মৰ দাৰ্শনিক ভিত্তি কঁপাই দিলে, আনপিনে কৰ্মবাদী মুণ্ডনাচাৰ্যক পৰাভূত কৰি বৈদিক কৰ্মবাদক "ন পুনৰুত্থানায়" অতল জলধিৰ বুকুত ডুবাই দিলে। এই শংকৰাচাৰ্যৰেই ভবিষ্যত শিষ্য দামোদৰদেৱে জ্ঞান আৰু কৰ্মক সমান ঠাই দিলে কেনেকৈ ?

শংকৰ, দামোদৰ আৰু ভট্টদেৱ – এই তিনিও আচাৰ্যৰ তিনি মত দেখি ওপৰে ওপৰে ভাহি ফুৰাসকলে কয় বোলে এই অভিনৱ গীতাভাষ্য "কাণখোৱা বীৰৰ" দৰে। অগাধ হিন্দুশাস্ত্ৰ বাৰিধিৰ তলিত বহা কোনোবা "প্ৰদীপিকা"ৰ পণ্ডিতে সংশয় ছেদ কৰি দিব নে ?

ষষ্ঠ প্ৰকাশ [১]

"প্ৰচ্ছন্ন বৌদ্ধ"
তন্ত্ৰবাদ । (মত সংগ্ৰহ)

(১)

আগৰ 'বিজুলী'ত আমি কৈছো যে তন্ত্ৰশাস্ত্ৰবোৰ হিন্দু আৰু বৌদ্ধৰ মিলন-ভূমি । তন্ত্ৰ-শাস্ত্ৰ বৈদিক হিন্দুৱে আগেয়ে প্ৰচাৰ কৰোক বা বৌদ্ধসকলেই প্ৰচাৰ কৰোক, এইটো ধুৰুপ যে তাৰ ভিতৰত আৰ্য-অনাৰ্য নানা দেশীয় অবৈদিক আচাৰ সোমাই 'প্ৰলয়-পয়োধি জলৰ' উৎপত্তি হৈছে । ভাৰতবৰ্ষৰ ভিতৰত বংগ-দেশতেই তন্ত্ৰমত বেছিকৈ প্ৰচলিত; সেই দেখি বংগীয় পণ্ডিতসকলে শক্তিপ্ৰধান তন্ত্ৰবোৰৰ বিষয়ে যি কৈছে, তাৰ পৰা কেতবোৰ মত তলত উদ্ধাৰ কৰি দিলো ।

"শক্তিপ্ৰধান তন্ত্ৰবোৰত বেদৰ প্ৰাধান্য অস্বীকাৰ, অবৈদিক আচাৰ আৰু ঠায়ে ঠায়ে বেদ-নিন্দা থকাৰ কাৰণে বহুতে ভাবে যে তান্ত্ৰিক বা শাক্তমত বেদনিষ্ঠ ভাৰতীয় পণ্ডিতসকলৰ দ্বাৰাই প্ৰচাৰিত নহয় । ডেৰ হেজাৰ বছৰৰ আগেয়ে লেখা 'কুব্জিকামত তন্ত্ৰ'ত এইদৰে আছে, –

> গচ্ছ ত্বং ভাৰতে বৰ্ষেঽধিকাৰায় সৰ্ব্বতঃ ।
> পীঠোপপীঠক্ষেত্ৰেষু কুৰু সৃষ্টিমনেকধা ॥
> গচ্ছ ত্বং ভাৰতেবৰ্ষে কুৰু সৃষ্টিস্ত্বমীদৃশঃ ।
> পঞ্চবেদাঃ পঞ্চৈৱ যোগিনঃ পীঠপঞ্চকম্ ॥
> এতানি ভাৰতেবৰ্ষে যাবৎ পীঠাধিষ্ঠাপ্যতে ।
> তাৱৎ ন মে ত্বয়া সাৰ্দ্ধং সঙ্গমঞ্চ প্ৰজায়তে ॥

'শিৱই পাৰ্বতীক কৈছে, 'হে দেৱী, সকলো ঠাইতে অধিকাৰ চলাবলৈ তুমি ভাৰতবৰ্ষলৈ যোৱাঁ আৰু পীঠ-উপপীঠ আৰু ক্ষেত্ৰবোৰ সৃষ্টি কৰাঁ । ভাৰতবৰ্ষত এইদৰে পীঠাদিৰ সৃষ্টি নহয় মানে মোৰ লগত তোমাৰ মিলন নহয় ।'

"উদ্ধৃত পদবোৰৰ পৰা এইটো প্ৰমাণ পোৱা যায় যে তন্ত্ৰ-মতৰ উৎপত্তি-স্থান ভাৰতৰ বাহিৰে । হিন্দু আৰু বৌদ্ধ শাক্ত দুয়ো সমাজৰেই প্ৰধান আৰাধ্য দেৱতা তাৰা বা আদ্যাশক্তি । এই তাৰা দেৱীৰ পূজা প্ৰচাৰ প্ৰসংগত 'চীনাচাৰ' আদি তন্ত্ৰত বৰ্ণনা আছে যে বশিষ্ঠ ঋষিয়ে চীন দেশত গৈ বুদ্ধদেৱৰ আদেশমতে তাৰাদেৱীৰ দৰ্শন পাইছিল ।

"ইয়াৰ পৰাও এইটো ওলায় যে হিমালয়ৰ বাহিৰত থকা উত্তৰ দেশৰপাই তাৰা-ৰূপা আদ্যাশক্তিৰ পূজা আহিছে । ওপৰত উল্লেখ কৰা 'কুব্জিকা-তন্ত্ৰ'ত 'মগ'বোৰক ব্ৰাহ্মণ বুলি উল্লেখ কৰা হৈছে । মগ বা শাকদ্বীপী বামুণসকলেই প্ৰথমে ভাৰতত সূৰ্য মূৰ্তি-পূজা প্ৰচাৰ কৰে । (মগ বা শাকদ্বীপী ব্ৰাহ্মণ মানে কাক বুজাইছে, বৰদলৈয়ে মনে মনে ঠাৱৰ কৰিব ।) তেওঁলোকৰ

---

[১] বাঁহী, দশম বছৰ, দ্বাদশ সংখ্যা, ১৮৪২ শক, চ'ত

যন্ত্ৰতেই শিৱ-শক্তি মূৰ্তি গঠিত আৰু পূজিত হয়। মগসকলেই আদি সূৰ্য-পূজক। পুৰণি হিন্দু আৰু বৌদ্ধ তন্ত্ৰত শিৱ-শক্তি বুদ্ধ-শক্তিৰ সাধনা-প্ৰসংগত আগেয়ে সূৰ্য-মূৰ্তি-ভাৱনাৰ প্ৰসংগ আছে।

"আদিম শক জাতিৰ এটি শাখা ভাৰতত শক্তি নামে পৰিচিত হৈছিল। শক জাতিৰ আচাৰ-ব্যৱহাৰ আলোচনা কৰিলেও জনা যায় যে তেওঁলোক মদ মাংস আদি পঞ্চমকাৰ-সেৱাত পকা আছিল। তেওঁলোকৰ গুৰু স্থানীয় মগাচাৰ্যসকল অলপ উন্নত থাকিলেও জনসাধাৰণ বীৰাচাৰী আছিল। এই দেখি ভাৰতবৰ্ষত যেতিয়া শক ৰজাৰ প্ৰভাৱ বিস্তাৰ হ'ল, তেতিয়া অবৈদিক সমাজতো প্ৰৱেশ লাভ কৰিলে। শক ৰজা কনিষ্ক বৌদ্ধ আছিল আৰু তেওঁৰ দিনতেই বৌদ্ধ মহাযান মত প্ৰচাৰিত হয়। শক ৰজাৰ ৰাজ্যৰ সীমা দক্ষিণে বিন্ধ্য পৰ্বত, পূবে বঙ্গ সাগৰ আৰু পশ্চিমে পাৰস্য। কনিষ্কৰ যত্নত গোটেই এশিয়া দেশত মহাযান মত প্ৰচাৰিত আৰু গৃহীত হয়। মহাযানীসকলেই সকলো ঠাইতে শক্তি পূজা প্ৰচাৰ কৰে। বহুত শক্তি মূৰ্তি হিমালয়ৰ উত্তৰৰ পৰা অনা হয়। ৰুদ্ৰযামল আদি গ্ৰন্থত যেনেকৈ চীনদেশৰ পৰা বশিষ্ঠদেৱে তাৰা-দেৱীক অনা বুলি উল্লেখ আছে, সেইদৰে নেপালী বৌদ্ধসকলৰ 'সাধন-মালা তন্ত্ৰ'ত 'একজটা'-সাধন প্ৰসঙ্গত আছে –

আৰ্য্য নাগাৰ্জ্জুনপাদৈঃ ভোটেঃ সমুদ্ধৃতা ইতি-। অৰ্থাৎ 'একজটা' নামে তাৰাদেৱীৰ মূৰ্তি এটি বৌদ্ধ মহাযান প্ৰতিষ্ঠাতা আৰ্য নাগাৰ্জুনে ভোট দেশৰ পৰা উদ্ধাৰ কৰে। 'স্বতন্ত্ৰ' তন্ত্ৰতো আছে –

মেৰোঃ পশ্চিমকূলে তু চোলনাখ্যো হ্ৰদো মহান্।
তত্ৰ জজ্ঞে স্বয়ং তাৰা দেৱী নীলসৰস্বতী॥

"এই অবৈদিক শাক্ত মত প্ৰথমে বেদ-বাদী সমাজে গ্ৰহণ কৰা নাই। কিন্তু ভাৰতবৰ্ষৰ চাৰিও কালে যেতিয়া এই মতে বিস্তাৰ লাভ কৰিলে, তেতিয়া বেদমাৰ্গী ব্ৰাহ্মণসকলেও শাক্ত তন্ত্ৰত দীক্ষিত হ'বলৈ ধৰিলে।

"তেওঁলোকে প্ৰথমে অষ্ট-মাতৃকাৰ পূজা গ্ৰহণ কৰে। ৰৰাহমিহিৰৰ 'বৃহৎসংহিতা'ত এইবোৰ ব্ৰাহ্মণক 'মাতৃকামণ্ডলৱিৎ' বুলি পৰিচয় দিয়া হৈছে। এওঁলোকৰ চেষ্টাত শক্তি-পূজাৰ ভিতৰতো বৈদিক কাৰ্য-কাণ্ডৰ কিছুমান আচাৰ-নীতিয়ে প্ৰৱেশ লাভ কৰে। আৰু এইবোৰকেই সাধাৰণতঃ শাক্ত হিন্দু বোলা হয়।"

নেপালৰপৰা অনা 'শক্তি-সঙ্গম' নামক তন্ত্ৰৰ পৰা তলেমান পদ উদ্ধাৰ কৰি আকৌ কৈছে, "শক্তি-সঙ্গমৰ উদ্ধৃত বচনৰপৰা মনত খেলায় যে পূৰ্ববৰ্তী সম্প্ৰদায়বোৰৰ মত সামঞ্জস্য কৰিবলৈহে তান্ত্ৰিক বা শাক্তধৰ্ম প্ৰচাৰিত হৈছিল। পিছৰ কালত কি বৌদ্ধ, কি ব্ৰাহ্মণ নানান সম্প্ৰদায়ে নিজৰ নিজৰ উপাস্য দেৱৰ এটি এটি শক্তি স্বীকাৰ কৰি লৈছিল। এই কাৰণেই হিন্দু আৰু বৌদ্ধ দুয়ো শাক্ত সমাজতেই বহুখিনি সাম্যভাৱ আছিল। আৰু সেই দেখিহে বৌদ্ধ তন্ত্ৰত হিন্দুৰ শক্তি আৰু হিন্দুৰ তন্ত্ৰত বৌদ্ধ শক্তিৰ পূজা-পদ্ধতি দেখা যায়।"

আগৰ প্ৰবন্ধত আমি দেখাইছো যে নানা দেশৰ নানান মন ভুলোৱা প্ৰথা আহি বৌদ্ধ ধৰ্মৰ ভিতৰেদি ভাৰতত সোমাল, তেতিয়া হিন্দু শাস্ত্ৰকাৰসকলেও দুৰূহ বৈদিক জ্ঞান মাৰ্গৰ 'হাল ছাড়ি'

দি মনশ্মোহা অবৈদিক তন্ত্র-শাস্ত্র ৰচনা কৰি ভাঙিব খোজা হিন্দু সমাজক তন্ত্ৰৰ সহায়েৰে থাপি-থুপি ৰাখিবৰ চেষ্টা কৰিলে। ‘কূৰ্মপুৰাণ’ত (১ অধ্যায়, ১৬ শ খণ্ড) বেদ-বাহ্যসকলৰ নিমিত্তেহে যে আগম ৰচিত হৈছিল, সেই কথা কোৱা আছে –

তস্মাদ্ বৈ ৱেদৱাহ্যানাং ৰক্ষণাৰ্থায় পাপিনাম্।
চকাৰ মোহশাস্ত্ৰাণি কেশৱোপি শিৱেৰিতঃ ॥
কাপালং লাগুড়ং ৱামং ভৈৰৱং পূৰ্ব্বপশ্চিমম্।
পাঞ্চৰাত্ৰং পাশুপতং তথান্যানি সহস্ৰশঃ ॥

আমি আগেয়ে ভাগৱততো ‘প্ৰচ্ছন্ন বৌদ্ধ’ৰ ছাঁ আছে বুলি কৈ আহিছিলো – বিশেষকৈ যিবোৰ ঠাইত তান্ত্ৰিক শক্তিবাদৰ আধিক্য বেছি। এজন পুৰণি পণ্ডিতে শাম্ব পুৰাণৰ পৰা তলত দিয়া শ্লোকটো তুলি দি আমাৰ মতকেই সমৰ্থন কৰিছে –

পাঞ্চৰাত্ৰং ভাগৱতং তন্ত্ৰং ৱৈখানসাভিধম্।
ৱেদভ্ৰষ্টান্ সমুদ্দিশ্য কমলাপতিৰুক্তৱান ॥

বেদৰ শিৰোভাগ উপনিষদৰ সাৰসংগ্ৰহ “গীতা”ই সকলো ভাৰতীয় বৈষ্ণৱ সম্প্ৰদায়ৰ শাশ্বত গ্ৰন্থ। বৈষ্ণৱাচাৰ্যসকলে বৈষ্ণৱ পুৰাণ, এনেকি তন্ত্ৰৰ পৰাও পদ উদ্ধাৰ কৰি বৈষ্ণৱমত সমৰ্থন কৰিলেও গীতাৰ ওপৰতহে তেওঁলোকে চকু ৰাখি মত প্ৰকাশ কৰে।

পুৰাণ, তন্ত্ৰ আদিত বিষ্ণুৰ নানান ‘শক্তি’ৰ উল্লেখ থাকিলেও নাইবা সেইবোৰক পূজা কৰিবৰ আদেশ থাকিলেও বৈষ্ণৱাচাৰ্যসকলে ‘মামেকং শৰণং ব্ৰজ’তহে আশ্ৰয় লয়। স্বয়ং বিষ্ণুক এৰি পুৰাণ বা তন্ত্ৰত বৰ্ণিত বিষ্ণুৰ লীলাত্মিকা শক্তিক ধৰিলে পিছলি গৈ ক’ৰবাত পৰিবৰ ভয়।

(২)

হিন্দু ধৰ্মত ‘মাতৃভাব’

হিন্দু ধৰ্মৰ যি মাতৃভাব লৈ বৰদলৈদেৱে ফোপাব লাগিছে সেই মাতৃভাবৰ নিমিত্তে হিন্দুসকল বৌদ্ধসকলৰ ওচৰত ঋণী। মাতৃভাবৰ পূৰ্ণ বিকাশ আৰু পৰিপুষ্টি হয় তন্ত্ৰশাস্ত্ৰত আৰু মাতৃভাৱৰ স্বমূৰ্তি তাৰাদেৱী যে চীন দেশীয় বৌদ্ধসকলৰ পৰা আহিছে ওপৰত উদ্ধাৰ কৰি দিয়া কথাবোৰৰ পৰাই জানিব পাৰি। তন্ত্ৰৰ মাতৃবাদ গ্ৰহণ কৰাৰ বাবেই আদি শাক্ত ব্ৰাহ্মণসকলক ‘মাতৃকামণ্ডলৱিৎ’ বুলিছিল। যি হওক, মাতৃবাদ কিন্তু অবৈদিক নহয়। বেদৰ দেৱীসূক্তত ব্ৰহ্মস্বৰূপিণী বাগ্‌দেৱতা পৰিকল্পিত হৈছে। কেনোপনিষদতো উমা হৈমৱতী ব্ৰহ্মবিদ্যা-স্বৰূপিণী বুলি বৰ্ণিত হৈছে। আমি আগৰ প্ৰবন্ধতে কৈ আহিছো যে পৰম ব্ৰহ্মস্বৰূপিণী স্ত্ৰীমূৰ্তি বেদমূলক হ’লেও, সেই ৰাগ্ দেৱতাস্বৰূপা বিৰাট মূৰ্তিত মাতৃ-ভাবৰ আৰোপ বৌদ্ধ তন্ত্ৰৰ তাৰাদেৱীৰ ভিতৰেদি হৈছে। আৰু শাক্তৰ এই আদ্যাশক্তি নিজেই বিশ্ব-প্ৰপঞ্চয়িত্ৰী। এই শক্তি ব্ৰহ্মৰ শক্তি নহয়; স্বয়ং ব্ৰহ্মস্বৰূপিণী।

আৰু বাস্তৱিক পক্ষত বেদৰ ব্ৰহ্মস্বৰূপিণী শক্তি-পূজকসকল অদ্বৈতবাদী। তেওঁলোকৰ সাধনা-প্ৰণালীত অবৈদিক বহুত আচাৰ যে আছে সেইটো নক'লেও হ'ব। খাঁটি তান্ত্ৰিকসকলৰ এই আৰাধ্যা 'শক্তি' কোন দেৱতা বিশেষৰ শক্তি নহয় বা সাংখ্যৰ প্ৰকৃতি নহয়, ওপৰত কোৱাৰ দৰে স্বয়ং ব্ৰহ্মস্বৰূপা।

কিন্তু তান্ত্ৰিক মানেই ব্ৰহ্মস্বৰূপিণী শক্তি উপাসক নহয়। তন্ত্ৰৰ ভিতৰত বৈষ্ণৱ বা শৈৱ তন্ত্ৰও আছে। তন্ত্ৰ-শাস্ত্ৰক 'শাক্তগ্ৰন্থ' বোলে এই অৰ্থত যে অন্য দেৱতাক প্ৰাধান্য দিয়া তন্ত্ৰতো প্ৰত্যেক দেৱতাৰেই একোটি 'শক্তি' স্বীকাৰ কৰি সেই শক্তিক বেলেগ বা শক্তিৰ আধাৰ-স্বৰূপে দেৱতাৰ লগত পূজা কৰিবৰ আদেশ আছে। যেনে গীতাত ভগৱান কৃষ্ণই 'মামেকং শৰণং ব্ৰজ' বুলি কৈছে, কিন্তু তন্ত্ৰত কৃষ্ণৰো শক্তি স্বীকাৰ কৰি আগেয়ে 'ৰাধা' দেৱীক তাৰ পিছতহে কৃষ্ণক পূজা কৰিবলৈ কৈছে। সেইদৰে শিৱৰ শিৱানী আৰু প্ৰত্যেক ভূতৰেই একোজনী ভূতুনী থাকিবই লাগিব।

এই প্ৰত্যেক দেৱতাৰেই একোটি শক্তি স্বীকাৰৰ মূল সাংখ্যৰ পুৰুষ-প্ৰকৃতিবাদ। আমি আগৰ বাৰত কৈছো যে ভগবান শংকৰাচাৰ্যই সাংখ্য মতক অবৈদিক বুলি কৈছে। সাংখ্যৰ পুৰুষ চেতন, প্ৰকৃতি জড় পদাৰ্থ আৰু এই জড়-চেতনৰ পৰস্পৰ সংযোগত এই বিশ্বপ্ৰপঞ্চ চলিব লাগিছে। এই সাংখ্য মতৰ লগত বেদান্তৰ ব্ৰহ্ম বা বিষ্ণুবাদ আদি সান-মিহলি কৰি সাধাৰণ তান্ত্ৰিক শাক্ত বা বৈষ্ণৱসকলে কি 'প্ৰেম-পয়োধি-জল' তৈয়াৰ কৰিছে আচাৰ্য ত্ৰিবেদীৰ ভাষাৰে তলত দিলো–

"পৰৱৰ্তী কালত সাংখ্যৰ প্ৰকৃতি আৰু পুৰুষৰ মিলনত যে জগতৰ উৎপত্তি এই তত্ত্বটো বৈষ্ণৱসকলে এপিনে আৰু শাক্তসকলে আনপিনে ফুটাই তুলিলে। বেদান্তৰ মায়াও স্ত্ৰীৰূপে কল্পিত হৈছে। বেদান্তৰ ব্ৰহ্ম হ'ল সাংখ্যৰ পুৰুষ আৰু বেদান্তৰ মায়া হ'ল সাংখ্যৰ প্ৰকৃতি। বৈষ্ণৱ আৰু শাক্তই বেলেগ ফালৰ পৰা এই ভাবটো পুষ্ট কৰি তুলিছে। প্ৰভেদ এই যে শাক্তই সেই মায়া বা প্ৰকৃতিক সৃজনী শক্তি বা বিশ্বজননীভাৱে কল্পনা কৰি সেই পিনৰপৰা সেই তত্ত্বটোক পৰিপুষ্ট কৰি তুলিছে। তেওঁলোকৰ মতে বেদান্তৰ ব্ৰহ্মই সাংখ্যক পুৰুষৰ দৰে মায়া বা প্ৰকৃতিত নামি সৃজন কৰিছে। বৈষ্ণৱসকলে কিন্তু মায়া বা প্ৰকৃতিক ব্ৰহ্মৰ নাইবা পুৰুষৰ হ্লাদিনী শক্তিৰূপে কল্পনা কৰি লীলাৰ ফালৰপৰা সেই ভাবটোক ফুটাই তুলিছে। লীলাময় পুৰুষে নিজৰ মায়াৰ লগত আনন্দ অনুভৱ কৰে। মায়াৰ লগত তেওঁৰ এই নিত্য সম্বন্ধ আছে বুলিয়েই তেওঁ আনন্দময় পুৰুষ। আধুনিক বৈষ্ণৱ আৰু শক্তি – বিশেষতঃ বাউল, কৰ্তাভজা আদি তান্ত্ৰিক বৈষ্ণৱ আৰু বামাচাৰী, কৌলাচাৰী আদি তান্ত্ৰিক শাক্তই এই ভাবটোক এনে নতুন ভাৱে কল্পনা কৰি তুলিছে যে শুনিবলৈও ঘৃণাৰ সঞ্চাৰ হয়।"

ইয়াতে এইটো মন কৰিবলগীয়া যে বেদান্তৰ মায়া অবিদ্যা-স্বৰূপিণী আৰু সাংখ্যৰ প্ৰকৃতি জড়। কিন্তু অদ্বয়বাদী শাক্তৰ 'শক্তি' স্বয়ং ব্ৰহ্ম-স্বৰূপিণী। কিন্তু দ্বৈতবাদী শাক্ত আৰু বৈষ্ণৱে সাংখ্যৰ প্ৰকৃতি-পুৰুষক আশ্ৰয় কৰি প্ৰত্যেক দেৱতাৰেই শক্তি একোটি কল্পনা কৰি 'শক্তি-শক্তিমতোৰভেদাৎ' বুলি কোনোৰকমে মিলাই লয়।

(৩)
"গুপুত বিভাগ"

বৰদলৈদেৱে গুপুত বিভাগ কিবা এটিৰ উল্লেখ কৰি বৰ আস্ফালন কৰি আহিছে। কোনোবাই এই বিভাগৰ বিষয়ে কিবা কোৱাত ৰামটাঙোন জোকাৰি খেদি অহাও মনত পৰে। আমি হ'লে তেওঁক গুপুত কথা উলিয়াই দিবলৈ খটা নাই। হয়তো সাধনা-ক্ষেত্ৰত গুপুত বিভাগ এটি থাকেই বা থকাটোৱেই বাঞ্ছনীয়। কিন্তু গুপুত ৰহস্যৰ কথা ক'লেই যে সাধনা-ভঙ্গ হয় সেইটো হয়তো স্বীকাৰ কৰা টান হ'ব। অনেক সময়ত সিদ্ধ মন্ত্ৰৰ উচ্চাৰণ শুনিলেই মহাপাপীৰো কল্যাণ সাধিত হয় বুলি শুনিছো। আচাৰ্য ৰামানুজৰ চৰিতত এটি বৰ ডাঙৰ ঘটনা আছে। তেওঁ কোনোবা এটি বৰ গুহ্য মন্ত্ৰ শিকিবৰ নিমিত্তে গোষ্ঠীপূৰ্ণ নামে গুৰু এজনৰ ওচৰ চাপে। গুৰুৱে তেওঁৰ ঔৎসুক্য বুজিবলৈ ১৮ বাৰ তেওঁক ওভোতাই পঠিয়াই ১৯ শ বাৰতহে তেওঁক সেই মন্ত্ৰ দান কৰে। ৰামানুজক তেওঁ শপত খুৱাই লৈছিল যেন ভুলক্ৰমেও সেই মন্ত্ৰ অন্যক দিয়া নহয়। ৰামানুজেও শপত খাই মন্ত্ৰ শিকিবলৈ আহিল। কিন্তু মঠলৈ ঘূৰি আহি ঘৰৰ মূধত উঠি ৰিঙিয়াই ৰিঙিয়াই সেই মন্ত্ৰ উচ্চাৰণ কৰিবলৈ ধৰিলে, যেন যেয়ে শুনে সেয়ে মন্ত্ৰ শুনি উদ্ধাৰ পাব পাৰে। গুৰুদেৱে ৰামানুজৰ বিষম ব্যৱহাৰ দেখি মঠলৈ লৰি আহি সুধিলে, – 'গুৰু-আজ্ঞা লংঘন কৰিলে কি হয় ?' ৰামানুজে উত্তৰ দিলে, – 'নৰকলৈ যায়।' 'তেনেহ'লে মোৰ আজ্ঞা লংঘন কৰি মন্ত্ৰ সাধাৰণক বিলালাযে ?' ৰামানুজে উত্তৰ দিলে, – 'নৰকলৈ মই অকলেহে যাম, কিন্তু ইমান প্ৰাণীয়েযে মুক্তি লাভ কৰিব !'

গীতা আৰু উপনিষদতো ব্ৰহ্মবিদ্যাক গুহ্য বিদ্যা বোলা হৈছে। কিন্তু 'গুপুত' বিভাগৰ টিকা-ফটা বান্ধ আহি পৰে তন্ত্ৰ-শাস্ত্ৰৰ লগে লগে। এই গুপুত সাধনাৰ পূৰ্ণ বিকাশ হৈছিল পিছৰ কালৰ বৌদ্ধ মঠবোৰত– বৌদ্ধ ভিক্ষু আৰু ভিক্ষুণীসকলৰ মাজত। তন্ত্ৰ শাস্ত্ৰৰ বামাচাৰ, কুলাচাৰ, ত্ৰিপুৰা সুন্দৰী-সাধন আদিকৈ যে কিছুমান গুপ্ত সাধনা আছে, সেইবোৰৰ কথা জনসাধাৰণত প্ৰকাশ নকৰাই ভাল। তন্ত্ৰৰ স্বীকৃত দেৱতা বিশেষৰ শক্তিক উপলক্ষ্য কৰি আৰু চৈতন্যদেৱ আৰু বল্লভাচাৰ্যৰ ৰাধাবাদক আশ্ৰয় কৰি উত্তৰ ভাৰতত যিবোৰ তান্ত্ৰিক বৈষ্ণৱ সম্প্ৰদায় আছে তেওঁলোকৰো প্ৰকৃতি-সাধনা আদি কৰি নানান গুপুত বিভাগ আছে। আৰু সেই বিভাগবোৰত কি কি কাণ্ড হয়, আজিকালিৰ দিনত সকলোৱে অলপ-অচৰপ জানে। আমি আগেয়ে কৈ আহিছো যে সাম্প্ৰদায়িক বৈষ্ণৱ ধৰ্মত ৰাধাবাদ কেৱল চৈতন্যদেৱ আৰু বল্লভাচাৰ্যদেৱে প্ৰচাৰ কৰে। দক্ষিণ ভাৰতৰ বৈষ্ণৱ মতত ৰাধাবাদ নাই। এই বাদৰ লীলাভূমি তন্ত্ৰ-শাস্ত্ৰৰ আবাস-ভূমি উত্তৰ ভাৰতত। আমি কোনো মত বা কোনো শাস্ত্ৰকেই নিন্দা কৰা নাই। কিন্তু এইটো ইতিহাসৰ অকাট্য সত্য যে ৰাধাবাদ য'তে য'তে সোমাইছে তাত ব্যভিচাৰেই হৈছে। ৰাধাবাদ চৈতন্য আৰু বল্লভাচাৰ্যৰ নিজ নিজ ব্যক্তিগত আদৰ্শ অনুসাৰে 'ৰাগমাৰ্গানুগ' ভক্তিৰ সহজ পথ হ'লেও আচাৰ্যসকলৰ তিৰোভাৱৰ লগে লগে তন্ত্ৰৰ 'ঢালো অমিয়া' আদি ধৰণৰ কথাৰে মিহলি হৈ 'মজাৰ কথাত' পৰিণত হৈছে।

বল্লভাচাৰ্যৰ তিৰোভাৱৰ লগে লগে সাম্প্ৰদায়িক 'মহাৰাজ' (গোস্বামী) সকলে তেওঁৰ মতৰ্ক "ঋণং কৃত্বা ঘৃতং পিৱেৎ'–অত পৰিণত কৰি শিষ্য, বিশেষতঃ শিষ্যাণীসকলৰ 'ধন, মন তন' অৰ্থাৎ প্ৰাণ ধন আৰু 'শৰীৰ'ৰ ওপৰত ওঠৰ অনা দাবী কৰি বহিল। আচাৰ্যৰ তিৰোভাৱৰ এশ বছৰৰ ভিতৰতে এনে ব্যভিচাৰ আৰম্ভ হ'ল যে খৃঃ ১৬৩৯ চনত 'পাষণ্ড ধৰ্ম খণ্ডন' বুলি সংস্কৃত নাটক এখন ওলাল। সেই নাটকত সমসাময়িক বৈষ্ণৱসকলৰ আৰু আচাৰ্যসকলৰ সকলো 'গুপুত লীলা' প্ৰকাশ পালে। আৰম্ভণিৰপৰা দুই ফাকি মানৰ ভাঙনি দিলো– "সূত্ৰধাৰ (নটীৰ প্ৰতি) — প্ৰিয়ে, বেদ-বেদান্ত আদি পলাই ক'নে গ'ল কোনেও ক'ব নোৱাৰে – আজিকালিৰ গাভৰু ছোৱালীবোৰে শ্ৰীমৎ বল্লভ বিট্ঠলেশ্বৰৰ শিকনিমতে 'আত্ম-নিবেদনৰ' পিনেহে ধাউতি দেখুৱায়।"

(এজন বৈষ্ণৱৰ প্ৰৱেশ – হাতত তুলসীৰ মালা; কপালত গোপী চন্দন; মুখত 'ৰাধাকৃষ্ণ' বোল; চাৰিওপিনৰ পৰা তিৰোতাসকলে আগুৰি ধৰে ----- ।)"

বৈষ্ণৱৰ কথাৰ ভাঙনি দিলে বহুতৰে অৰুচি হ'ব পাৰে বুলি দিয়া নহ'ল। বৈষ্ণৱে আহি বহুত কথাৰ মাজত এইটোও কৈছে, 'গোপীসকল, আজি-কালি আৰু আপোন পৰ ভেদ-ভাৱ নাই। গুৰুৱেহে মুক্তিৰ গৰাকী। প্ৰাণ-ধন সকলোকে গুৰুক সঁপিব লাগে।' ইত্যাদি –

প্ৰকৃতি-সাধনাৰ এই 'দখনী স্বত্বৰ' বিষময় পৰিণাম হ'ল খৃঃ ১৮৬২ চনত। উক্ত চনৰ বোম্বে হাইকোৰ্টত উঠা নিলাজ মোকৰ্দমাত 'গুপুত বিভাগ'ৰ সকলো লীলা প্ৰকাশ হৈ পৰিল। 'মধুৰ ৰসৰ' গোন্ধ লোৱাসকলৰ পৰিণাম হ'ল ইমানতে।

বঙ্গদেশত 'কিশোৰী ভজনী' নামে এটি বৈষ্ণৱ সম্প্ৰদায় আছে। এই সম্প্ৰদায়তো গুৰুৱেই সৰ্বপ্ৰধান। সম্প্ৰদায়ত ভুক্ত হ'ব লাগিলে গুৰুৰ পৰা দীক্ষা লৈ যুগল ৰূপ হ'ব লাগে অৰ্থাৎ পুৰুষ শিষ্যৰ একোটি প্ৰকৃতি আৰু স্ত্ৰী শিষ্যাৰ একোটি পুৰুষ গ্ৰহণ কৰা আৱশ্যক। এওঁলোকৰ সাৰ মন্ত্ৰ – 'ত্বং কৃষ্ণোঽহং ৰাধা আৰু অহং কৃষ্ণস্ত্বং ৰাধা !' এওঁলোক যুগলভাৱে থাকিব লাগে। কিয়নো 'আদশক্তিময়ী ৰাধা' এই প্ৰমাণ অনুসাৰে পুৰুষে প্ৰকৃতি ভজনা কৰে। এওঁলোকৰো গুপুত সাধনা আছে আৰু তান্ত্ৰিক চক্ৰত প্ৰকৃতি পূজা হয়। এওঁলোকৰ উপাসনাৰ দিনত সময়ে সময়ে শ্ৰীকৃষ্ণৰ বেলেগ বেলেগ লীলাৰ অনুকৰণ হয়। এওঁলোকৰ লীলা প্ৰকাশ কৰিবলৈ এখন বঙলা নাট ওলায়। তাত ৰাস-লীলাৰ অভিনয় আছে। গুৰুৱে শিষ্যসকলক সেই লীলা অনুষ্ঠান কৰিবলৈ ক'লত এজনী তিৰোতাই উঠি আপত্তি জনালে, –

"প্ৰভু ! ৰাস-কেলি হ'ব হয়, কিন্তু আপোনাৰ দৰে আঠোটা কৃষ্ণ পাম ক'ত ?'

প্ৰভু। প্ৰিয়ে, তাৰ বাবে আৰু ভাবিছে ? মই যেনে এটি কৃষ্ণ, এই যে মোৰ ভক্তসকল আছে তেওঁলোকো আংশিক কৃষ্ণ-স্বৰূপ। তোমালোকে একে লগ লাগি ভক্তিভাৱে মালা-চন্দন দি প্ৰত্যেকে প্ৰত্যেকৰ বাঁওফালে থিয় হোৱা, তেনেহলেহে ৰাসলীলা সমাধা হয়।" (সংগ্ৰহ)

ৰবৰ্দলৈদেৱে কোনোবা সংখ্যা 'প্ৰদীপিকা'ত ৰব বেজাৰেৰে হুমুনিয়াহ কাঢ়ি খেদ কৰিছিল, বহুতে হেনো অসমীয়া বৈষ্ণৱ মতক অইন ঠাইৰ বিশেষতঃ বঙ্গদেশী মতত্তকৈ সুকীয়া বুলি ক'ব খোজে !! আমি আকৌ কওঁ, কেৱল বঙ্গদেশী মতত্তকৈও নহয় উত্তৰ ভাৰতীয় মধুৰ ভাবাত্মক মতত্তকৈও

বেলেগ । অসমীয়া বৈষ্ণৱ মতৰ যদি কাৰোবাৰ লগত মিল থাকে দাক্ষিণাত্যৰ বৈষ্ণৱ মতৰ লগত । পিছত দেখুওৱা যাব । ৰাধাবাদ বৌদ্ধ আমোলৰপৰাই চলি আহিছে আৰু জয়দেৱ, বিদ্যাপতি আদি কবিসকলে বিতোপন কবিতাত ইয়াক ফুটাই তুলিছিল । জগন্নাথ ক্ষেত্ৰই বৌদ্ধ সহজযানৰ কেন্দ্ৰ-স্থান আছিল । তীৰ্থ-ভ্ৰমণ কৰিবলৈ যাওঁতে শংকৰদেৱে বহুত বৈষ্ণৱ মতৰ সংঘৰ্ষত হয়তো আহিছিল । ৰাধাবাদৰ বৌদ্ধ-মূলতা বুজিয়েই হওক বা ইয়াৰ পৰা সমাজৰ অৱনতি হ'ব বুলিয়েই হওক তেওঁ এই মত প্ৰচাৰ কৰা নাছিল । তেওঁৰ অনুমান নিৰ্ভুল, ওপৰত তুলি দিয়া কথাই প্ৰমাণ । কাৰোবাৰ দৰকাৰ হ'লে তেনে উদাহৰণ আৰু দিব পাৰোঁ ।

দামোদৰদেৱৰ লগ লগাৰ আগলৈকে পণ্ডিতপ্ৰৱৰ ভট্টদেৱ ঘোৰ তন্ত্ৰ মতাৱলম্বী আছিল । সাধাৰণভাৱে চাবলৈ গ'লে তেওঁৰ বৈষ্ণৱ মতত তান্ত্ৰিকতাৰ ছাঁ থাকিলেও থাকিব পাৰিলেহেঁতেন । উৰাই-ঘূৰাই তেওঁৰ সংস্কৃত 'ভক্তি-বিবেক' মেলি চালো— ক'তা ৰাধাদেৱী নাম-গোন্ধেই নাই দেখোন ? 'শৰণৰ' অধ্যায়কেই তেওঁ আৰম্ভ কৰিছে গীতাৰ বিখ্যাত শ্লোকটোৰে— "সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ ।" আৰু ঠায়ে ঠায়ে তন্ত্ৰ শাস্ত্ৰৰপৰা দুই-এটি শ্লোক উদ্ধাৰ কৰিছে যদিও, গীতোক্ত 'একশৰণৰ' ভাবটোক আকৌ পৰিস্ফুট কৰিবলৈকেহে ।

বৰদলৈয়ে গুপুত বিভাগৰ কথা গুপুত ৰাখিবলৈ চেষ্টা কৰা সত্ত্বেও তেওঁৰ ভাষাৰেই ক'ব লাগিলে "সত্যটো ভমক কৰে ওলাই পৰিছে ।" "যদাশ্ৰৌষং" – যেতিয়াই বৰদলৈদেৱৰ পৰা শুনিলো যে শক্তি সাধনা কৰিহে বিষ্ণুৰ ওচৰলৈ যাব পাৰি, তেতিয়াই বুজিলো বৰদলৈৰ ধৰ্ম "মামেকং শৰণং ব্ৰজ" নহয়, তন্ত্ৰৰ "অগ্ৰতঃ ৰাধামুচ্চাৰ্য্য – পশ্চাৎ কৃষ্ণন্তু মাধৱং"হে । আকৌ বৰদলৈয়ে যেতিয়া কৈছে যে গুপুত বিভাগৰ কথা কোৱা মানে সৰু ল'ৰাৰ হাতত "ধাৰাল অস্ত্ৰ দিয়াৰ দৰে হয়" – ৰৰদলৈ যে কোন পথৰ পথিক বুজিবলৈ বাকী নাই । সেই দেখি আকৌ কওঁ,– সকলো কথাকেই দামোদৰদেৱৰ নামত সানিলে বুদ্ধদেৱৰ নামে "সহজোলী মুদ্ৰা" চলাই দিওঁতাসকলৰ দৰে হয় ।

"লৌহভীম চূৰ্ণ"

মহাভাৰতত আছে যে কুৰুক্ষেত্ৰৰ যুদ্ধৰ অন্তত কৌৰৱসকল নিৰ্মূল হ'লত ধৃতৰাষ্ট্ৰ ৰজাৰ মনত বৰ বৈৰাগ্য উপস্থিত হ'ল । আৰু বানপ্ৰস্থী হোৱাৰ আগতেই বিজয়ী পাণ্ডৱসকলক আশীৰ্বাদ দি যাবলৈ মন কৰিলে । কণা ধৃতৰাষ্ট্ৰই "অতি চেনেহৰ পাত্ৰ" ভীমসেনক আলিঙ্গন কৰিব খুজিলে । "টেন্টন কানায়ে" আগৰ পৰাই "জেঠা মহাশয়ৰ" মতলব বুজি লোৰ ভীম মূৰ্তি এটি সাজি থৈছিল । ভীমসেনৰ ঠাইত সেইটোকে আগবঢ়াই দিলত দুই বাহু চেপি ধৃতৰাষ্ট্ৰই বল দিলত লৌহ ভীম ভাগি চেপেতা হ'ল । তেতিয়া কণা ৰজাই ভীমসেনৰ "শোকত" অধীৰ হৈ "হা ভীম" "হা ভীম" কৈ চিঞৰিবলৈ ধৰিলে । দীপিকাৰ সম্পাদকৰো বৈৰাগ্য উপস্থিত হোৱা বুলি বহুত দিনৰ পৰা শুনি আহিছো । তেওঁ "যোগ নিদ্ৰাত" থকা সময়ত দেশত হুলস্থূল লগাৰ কথা সঞ্জয়ৰ মুখৰপৰা শুনি

আহিছে। কেনেকৈ প্ৰথমে শংকৰে অবিশোধিত ধৰ্ম এটি উলিয়াই জনসমাজক উৰাই নিব ধৰিছিলে, আৰু যদিওবা দামোদৰ-হৰিদেৱে কিছুমানক উটি যাব নিদিলে, শেহত মাধৱদেৱৰ ভিতৰেদি 'কলি' প্ৰৱেশ কৰি দান-দক্ষিণা আদি লোপ কৰিবৰ উপক্ৰম কৰিলে; তাৰ পিছত "বংশীবাদকে" বংশীৰ ধ্বনিত কলিৰ "আৱাজ" চাৰিও পিনে পঠিয়াই দি সনাতন ধৰ্মৰ "লংগৰ" তুলিবৰ ব্যৱস্থা কৰিলে। যদিও সঞ্জয়ে কাণৰ ওচৰত ফুচফুচাই সকলো বাতৰি দি আছিল, তথাপি ভৱিষ্যৎ সম্পাদকৰ ফোচ ফোচ কৰে যোগনিদ্ৰা! আৰু যদিওবা "ভস্মলোচন" বাণ এপাট তেখেতৰ পুৰণিকলীয়া বন্ধু এজনে উলিয়ালে, "ৰাজদ্বাৰে" প্ৰকাশ্যে বন্ধু নেপাই বাণ ওভোতাই আনিলে। "ইদানীং" "ভুক্ত" "বৈৰাগ্য"ৰ শেহ খোপত থিয় হৈ সঞ্জয়ৰ হাতত ধৰি বানপ্ৰস্থী হোৱাৰ আগতেই শংকৰ-মাধৱ সকলোৰে প্ৰতি প্ৰেম সম্ভাষণ কাম "সম্পাদন" কৰিব ধৰোঁতেই ই কি! ই যে মাটিৰ প্ৰতিমা ভাঙিলে। শংকৰ-মাধৱৰ জ্বলন্ত প্ৰভাৱ চাৰিওফালে পোহৰ কৰিয়েই থাকিল।

"তস্য ভাসা সৰ্ব্বমিদং বিভাতি।"

সপ্তম প্ৰকাশ [1]

(১)

জানশ্ৰুতি পৌত্ৰায়ণ

ছান্দোগ্য উপনিষদৰ চতুৰ্থ অধ্যায়ৰ শুৰিতে জানশ্ৰুতি ৰজাৰ ব্ৰহ্মবিদ্যা লাভৰ কাহিনী আছে। জানশ্ৰুতিয়ে ৰৈক্ব নামৰ ঋষিৰ ওচৰত ব্ৰহ্মবিদ্যা শিকিবলৈ যাওঁতে ঋষিয়ে ৰজাক দুবাৰ "শূদ্ৰ" "শূদ্ৰ" বুলি সম্বোধন কৰিছিল। আমি আগেয়ে দেখুৱাই আহিছোঁ যে বেদ আৰু উপনিষদত জ্ঞান শিকাৰ বিষয়ত ব্ৰাহ্মণ আৰু শূদ্ৰৰ ভেদভাৱ নাই। এনে কি বেদমন্ত্ৰ ৰচোঁতা "শূদ্ৰ" ঋষি পৰ্যন্ত আছে।

৫ম প্ৰস্তাৱ "বিজুলী"ত প্ৰকাশ হোৱা সত্যকাম জাবালৰ চৰিত্ৰৰূপৰাও একে কথাই প্ৰমাণিত হয়। তাত বাজেও জানশ্ৰুতি আৰু সত্যকামৰ বিৱৰণ ছান্দোগ্য উপনিষদত একে অধ্যায়তে লগালগিকৈ আছে। এই জানশ্ৰুতি এজন শূদ্ৰ ৰজা আছিল আৰু তেওঁ ৰৈক্ব ঋষিৰ ওচৰত সম্বৰ্গনামক ব্ৰহ্ম-বিদ্যা শিকিছিল। পিছৰ কালত পৌৰোহিত্যৰ বল বেছি বাঢ়ি উঠাত ব্ৰাহ্মণসকলে সত্যকাম আৰু জানশ্ৰুতিৰ কাহিনী লৈ অতিশয় বিমোৰত পৰে। আৰু তেওঁলোকে নানান কাল্পনিক ব্যাখ্যা দি প্ৰকৃত অৰ্থ ঢাকিবলৈ চেষ্টা কৰে। বেদান্ত সূত্ৰ আৰু 'বেদান্ত সূত্ৰৰ ভাষ্যত' এই দুজন মহাপুৰুষৰ চৰিত আলোচনা দেখি বৰদলৈৰ "কোৰ" দামোদৰৰ চাবি চুক মৰা ব্যাখ্যালৈ মনত পৰে। যি হওক, পিছত ভাষ্যকাৰসকলৰ সোপা খুলি চোৱা যাব। সম্প্ৰতি তলত জানশ্ৰুতিৰ বিবৰণ সবিস্তাৰে তুলি দিলো।

আগৰ দিনত জানশ্ৰুতি নামে এজন ৰজা আছিল। তেওঁ উপযুক্ত পাত্ৰত দান, দক্ষিণা আদি অতি শ্ৰদ্ধাৰে দিছিল আৰু ৰাজ্যৰ চাৰিওফালে অতিথি-ঘৰ সজাই দি খাব-ল'বৰো বন্দবস্ত কৰি দিছিল। ৰাতি হ'লেও তেওঁৰ নগৰ পোহৰেৰে জ্বলি থাকে। এদিন ৰাতি এজাক হাঁহ (টীকাত হংসৰূপী ঋষি বুলি ব্যাখ্যা কৰা হৈছে) উৰি ৰজাৰ চকুৰ আগলৈকে আহিল। এনেতে পিছত থকা হাঁহ এটিয়ে আগৰটোক মাত লগালে, হেৰ ভল্লাক্ষ (বেছি দূৰলৈ চকুৰে মনিব নোৱৰা মানুহকে ভল্লাক্ষ বোলে), জানশ্ৰুতি ৰজাৰ তেজ দিবৰ দৰে ৰাতিও সমান ভাবে জ্বলি থাকে। সেই তেজ স্পৰ্শ নকৰিবি, তোক পুৰি পেলাব। আগত যোৱা হাঁহটোৱে পিছৰটোক ক'লে, হেৰ কাক তই ৰৈক্ব ঋষিৰ সমান বুলি ক'ব লাগিছ অ'! অৰ্থাৎ চাৰিও ফালে প্ৰসাৰিত হৈ থকা ৰজাৰ তেজ ৰৈক্ব ঋষিৰ তেজৰ সমান হ'ব নোৱাৰে আৰু ই পুৰি পেলাবৰো ভয় নাই। পিছৰটোৱে সুধিলে, ৰৈক্ব ঋষি কোন? আগৰটোৱে উত্তৰ দিলে, জগতত সকলো মানুহে যি কিবা ভাল কাম কৰে সকলোবোৰেই সেই ৰৈক্বত অন্তৰ্ভূত হয় আৰু ৰৈক্ব ঋষিয়ে যি জানে সেইটো আৰু অন্য কোনোবাই জানিলে তেওঁতো সকলো শুভকামেই অন্তৰ্ভূত হ'ব। ৰজাই হাঁহবোৰৰ এই গোপন কথা-বাৰ্তা শুনিলে।

---

১ বাঁহী, একাদশ বছৰ, প্ৰথম সংখ্যা, ১৮৪৩ শক ব'হাগ

আৰু পুৱাই বিছনাৰ পৰা উঠি সাৰথিক মাতি আনি কলে, 'তুমি গৈ ৰৈক্ব ঋষিক মোৰ চাবৰ ইচ্ছাৰ কথা কোৱাঁ।' সাৰথিয়ে চাৰিও ফালে ঘূৰি ফিৰি উভতি আহি ক'লে, 'লগ নেপালো।' ৰজাই ক'লে, 'হেৰ, য'ত ব্ৰহ্মনিষ্ঠ পণ্ডিতসকল থাকে তাত গৈ চা।' সাৰথিয়ে বিচাৰি গৈ এঠাইত দেখিলে খোৰা মানুহ উঠি ফুৰাৰ দৰে সৰু গাড়ী এখনৰ ওচৰত টোপাখহু খজুৱাই মানুহ এজন বহি আছে। সাৰথিয়ে এইয়ে ৰৈক্ব ঋষি হ'ব পাৰে বুলি ভাবি সুধিলে, 'ভগৱান্ আপুনিয়েই নে সযুগ্বা অৰ্থাৎ অকণমানি গাড়ী এখনত উঠি ফুৰা ৰৈক্ব?' ঋষিয়েও তাচ্ছিল্যভাৱে উত্তৰ দিলে, 'হুঁ, ময়ে।' সাৰথিয়ে ৰজাৰ আগত আহি ক'লত ৰজাই ছয় শ গৰু, গলত পিন্ধা সোণৰ হাৰ এডাল আৰু ঘোঁৰাই টনা ৰথ এখন লৈ ঋষিৰ ওচৰ চাপি ক'লে, 'হে ৰৈক্ব, এই ছয় শ গৰু, সোণৰ হাৰ আৰু ঘোঁৰাই টনা ৰথ – এই সকলোবোৰ আপোনাৰ নিমিত্তে অনা হৈছে। এইবোৰ গ্ৰহণ কৰি আপুনি যি দেৱতাক উপাসনা কৰে সেই দেৱতাৰ বিষয়ে উপদেশ দিয়ক।' ঋষিয়ে উত্তৰ দিলে, "তমু হ পৰঃ প্ৰত্যুৱাচাহ – হাৰেত্বা শূদ্ৰ তৱৈৱ সহ গেভিৰস্তু ইতি।" অৰে শূদ্ৰ, এই বাহনযুক্ত ৰথ আৰু গৰুবোৰ তোৰেই থাকক। ৰজাই উভতি আহি ইবাৰ এহেজাৰ গৰু, সোণৰ হাৰ, ঘোঁৰাই টনা ৰথ আৰু নিজৰ ছোৱালীক লৈ আকৌ আহি ক'লে, 'হে ৰৈক্ব, এই এহেজাৰ গৰু, সোণৰ হাৰ, এইখন ৰথ, এই ভাৰ্যা আৰু আপুনি যি গাঁৱত আছে সেই গাঁও, এই সকলোবোৰ আপোনাৰ নিমিত্তে সংকল্প কৰি আনিছো। এইবোৰ গ্ৰহণ কৰি মোক বিদ্যা উপদেশ দিয়ক।' ঋষিয়ে উত্তৰ দিলে, "আজহাৰেমাঃ শূদ্ৰ অনেনৈৱ মুখেন আলাপয়িষ্যথা ইতি।" 'অৰে শূদ্ৰ, তুমি যে এইবোৰ বস্তু আনিছা, ইয়াৰ দ্বাৰায় মোক কথা কোৱাব লাগিছা।' ঋষি থকা "ৰৈক্বপৰ্ণ" নামক গাঁওখনো ৰজাই দান কৰিলে। ঋষিয়েও সন্তুষ্ট হৈ ৰজাক বিদ্যাদান কৰিলে।

জানশ্ৰুতিৰ ঘটনা লৈ টীকা-ভাষ্যকাৰসকলৰ ভিতৰত ঘোৰ 'মুষ্টিযোগ' আৰম্ভ হোৱাত ওপৰত সবিস্তাৰে তুলি দিয়া হ'ল। ইয়াতে এইটোও কৈ থোৱা উচিত যে স্মৃতিকাৰসকলে শূদ্ৰক "চলমান শ্মশান" আদি বুলি যেনেকৈ নিন্দা কৰিছে, বেদত "শূদ্ৰৰ" প্ৰতি কোনো নিন্দা বচনেই নাই। বেদৰ বিৰাট পুৰুষৰ চকুত সকলো সমান, সকলোতে তেওঁৰ দীপ্তি বৰ্তমান আৰু সকলোকে তেওঁ মিত্ৰভাৱে চায়। — যজুৰ্বেদ ১৮ অধ্যায়, ৪৮ –

"ৰুচং নো ধেহি ব্ৰাহ্মণেষু ৰুচং ৰাজসু নষ্কৃধি। ৰুচং বৈশ্যেষু শূদ্ৰেষু ময়ি ধেহি ৰুচা ৰুচম্॥" বেদৰ ঈশ্বৰে কৈছে, 'মোৰ দীপ্তি ব্ৰাহ্মণসকলক দিয়াঁ। ৰাজন্য ক্ষত্ৰিয়সকলক, বৈশ্য আৰু শূদ্ৰকো মোৰ দীপ্তি দিয়াঁ। মোৰ বিষয়ে জগতখনেই দীপ্তিমান হওক।' (উবট ভাষ্য)। যজুৰ্বেদ ৩৬ অধ্যায় ১৮ – •

দৃতে দৃংহ মা মিত্ৰস্য মা চক্ষুষা সৰ্ব্বাণি ভূতানি সমীক্ষন্তাম্।
মিত্ৰস্যাহং চক্ষুষা সৰ্ব্বাণি ভূতানি সমীক্ষে।
মিত্ৰস্য চক্ষুষা সমীক্ষামহে॥

আকৌ বেদৰ বিৰাট পুৰুষে কৈছে, 'হে মহাবীৰ, অন্তৰত মোকেই দৃঢ়ভাৱে ধৰিবা। সকলো প্ৰাণীয়েই যেন মোক মিত্ৰৰ চকুৰে চায়। ময়ো সকলো প্ৰাণীকেই মিত্ৰৰ চকুৰে চাওঁ। আমি সকলোৱে সকলোৰ প্ৰতি মিত্ৰভাৱে চোৱা উচিত।' (মহীধৰ ভাষ্য)।

আন এঠাইত বেদে সকলোকে "অমৃত অৰ্থাৎ অমৰৰ সন্তানসকল" বুলি সম্বোধন কৰিছে –

"শৃণ্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ।" আনপিনে কুটুম্বিনী 'প্ৰদীপিকা'ই টিকনিৰ Census "ছেন্সছ" পিয়ল কৰি বামুণ শূদ্ৰ বিচাৰ কৰি থাকোক, আমি মানো –

"ন জাতি ঃ পূজ্যতে ৰাজন্ গুণাঃ কল্যাণ কাৰকাঃ॥" (গৌতম সংহিতা।)

"হে ৰাজন, জাতি পূজনীয় নহয়, গুণহে কল্যাণজনক॥"

(২)

যশস্পতিৰ "ৰাম মিলে না"

চতুৰ্থ সংখ্যা 'প্ৰদীপিকা'ত যশস্পতিয়ে হুমিয়াইছে, – হিন্দু শাস্ত্ৰ অগাধ, ইয়াৰ ভাব গভীৰ, পাঠকৰ গন্তব্য পথ আমি নিৰ্দ্ধাৰ কৰি দিম ইত্যাদি। অৰ্থাৎ বৰদলৈদেৱে যিখন "সনাতন" ধৰ্মৰ "জাহাজ" চলাব লাগিছে যশস্পতিয়ে জানিবা তাৰ "এ ৰাম মিলেনা" "এক ৰাম এক হাত" – ইত্যাদি চিয়ঁৰি পানী জোখা পণ্ডিত। সম্প্ৰতি যশস্পতিয়ে "ত্ৰিকালজ্ঞ" মুনিৰ দোহাই দি "গণনা" কৰি এঠাইত "এ ৰাম মিলেনা' বুলি চিঞৰিছে। তলত যশস্পতিৰ জোখৰ পৰিমাণ দিলো।

যশস্পতিয়ে জুখি কৈছে, সূত ব্ৰাহ্মণ হ'ব নোৱাৰে; কিয়নো সূতৰ গলত লগুণ নাছিল আৰু যদিও 'ভাগৱত'ত আছে যে ঋষিসকলে তেওঁক ব্ৰহ্মপদত স্থাপিত কৰাৰ কাৰণেহে সূতক মৰাত বলৰামৰ ব্ৰহ্মবধৰ পাতক লাগিছিল, তথাপি যশস্পতিয়ে সেইটো নেমানি কয় যে সূতৰ গাত উভয় পক্ষেই ব্ৰহ্মত্বৰ সম্বন্ধ থকা গতিকেহে বলৰামৰ বেমেজালি ঘটিছিল। উভয় পক্ষ মানে কি, যশস্পতিয়ে নক'লে। ক্ষত্ৰিয়ৰ পৰা ব্ৰাহ্মণীৰ গৰ্ভজাত সন্তানেই সূত হয়। মাতৃপক্ষত ব্ৰহ্মত্বৰ সম্বন্ধ আছে জানিবা, পিতৃপক্ষ ক্ষত্ৰিয়তো ব্ৰহ্মত্ব আছে বুলি যশস্পতিয়ে ধৰি লৈছে নেকি ? উভয় পক্ষতেই যদি ব্ৰহ্মত্বৰ সম্বন্ধ আছে তেনেহলে "সূত" ষোলকলা ব্ৰাহ্মণ হ'বলৈ বাকী থাকিল কেনেকৈ ? আৰু যদি যশস্পতিয়ে কয় যে এক পক্ষত ব্ৰহ্মত্বৰ সম্বন্ধ থাকিলেই হয়, যেনে বাৱণ আদিত, তেনেহ'লে এটি বৰ গভীৰ সমস্যা উপস্থিত হয়। শাস্ত্ৰত কৈছে শূদ্ৰৰ ঔৰসত ব্ৰাহ্মণীৰ গৰ্ভত হোৱা সন্তানকেই "চণ্ডাল" বোলে, তেনেহ'লে 'চণ্ডাল'বোৰতো ব্ৰহ্মত্ব আছে, নে ইয়াত কিবা যোগ-বিয়োগৰ কটাকটি হয় হে ?

যি হওক, যশস্পতিৰ "ৰাম মিলেনা"ত "সনাতন" ধৰ্মই "লংগৰ" পেলাই মানে, আমিও অলপ যশস্পতিৰ জৰিডালকে পেলাই চাওঁ।

১। অসমীয়া ৰাইজে ৰামায়ণৰ অন্ধক মুনিৰ বিবৰণ জানে। এইটোও জানে যে দশৰথৰ শব্দভেদী বাণত অন্ধক মুনিৰ পুত্ৰই প্ৰাণ হেৰুৱায়। মুনিপুত্ৰই যেতিয়া দশৰথৰ বাণৰ আঘাতত

আৰ্তবাৰ কৰি উঠে, ৰজাই ব্ৰহ্মহত্যা হ'ল বুলি আক্ষেপ কৰিবলৈ ধৰিলে। মুনিপুত্ৰই ৰজাৰ শোক দেখি ক'লে, 'হে ৰাজন্ মই দ্বিজাতি নহওঁ, তুমি ব্ৰহ্মহত্যা কৰা বুলি শোক নকৰিবা। মোৰ জন্ম বৈশ্যৰ ঔৰসত শূদ্ৰাণীৰ গৰ্ভত।' অৰ্থাৎ অন্ধ মুনি বৈশ্য আৰু তেওঁৰ ঘৈণীয়েক শূদ্ৰ আছিল।

শূদ্ৰায়ামস্মি বৈশ্যেন জাতো নৰবৰাধিপ।

ব্ৰহ্মহত্যা-কৃতং তাপং হৃদয়াদপনীয়তাম্ ইত্যাদি (বাল্মীকি ৰামায়ণ, অযোধ্যা কাণ্ড)।

দশৰথে যেতিয়া মুনিপুত্ৰৰ মৰাশ নি অন্ধ মুনিৰ আগত উপস্থিত হৈ সকলো বিৱৰি ক'লে অন্ধ মুনিয়ে অন্যভাৱে উত্তৰ দিলে –

অজ্ঞানাৎ তু-হতো যস্মাৎ ক্ষত্ৰিয়েণত্বয়া মুনিঃ

তস্মাৎ ত্বাং নাৱিশত্যাশু ব্ৰহ্মহতা নৰাধিপ॥

অৰ্থাৎ, 'হে নৰাধিপ, তুমি মুনি-হত্যা কৰিছা, সেইদেখি তোমাৰ গাত ব্ৰহ্মহত্যা পাতক লাগে। কিন্তু তুমি ক্ষত্ৰিয় আৰু মৃগয়াত অধিকাৰ আছে আৰু তোমাৰ দোষ অজ্ঞানকৃত। সেই দেখি তোমাৰ গাত ব্ৰহ্মহত্যা পাতক নেলাগে।' অৰ্থাৎ জানি-শুনি মুনি-হত্যা কৰাহেঁতেন তোমাৰ গাত ব্ৰহ্মহত্যা পাতক লাগিলহেঁতেন।

দম্পতিয়ে আকৌ চিঞৰিব, "এ ৰাম মিলেনা।" মুনিপুত্ৰই নিজেই ক'লে – ব্ৰহ্মহত্যা পাপ "হৃদয়াদপনীয়তাম্" বুলি। অন্ধ মুনিয়ে যি ইচ্ছা কৈ থাকোক, আমি নেমানো। বুঢ়া অন্ধ মুনি আৰু কোমলমতি মুনি-কুমাৰ, এই দুয়োৰো ভিতৰত কোন বেছি শাস্ত্ৰজ্ঞ অসমীয়া ৰাইজে বিচাৰি চাব।

২। অসমীয়া ৰাইজে জানে যে ৰামায়ণৰ পক্ষিৰাজ জটায়ু মৰাত শ্ৰী ৰামচন্দ্ৰই তেওঁৰ শৱসংকাৰ কৰিছিল। এই সংকাৰ ৰামচন্দ্ৰই ব্ৰহ্মবিধান অনুসাৰে কৰিছিল। শৱ সংকাৰ কৰি ৰামচন্দ্ৰই কৈছিল –

যা গতিৰ্যজ্ঞশীলানামাহিতাগ্নেশ্চ যা গতিঃ।

অপৰাৱৰ্ত্তিনাং যা চ যা চ ভূমিপ্ৰদায়িনাম্॥

ময়াত্বং সমনুজ্ঞাতো গচ্ছ লোকাননুত্তমান্॥

(বাল্মীকি, অঃ কাঃ)

অৰ্থাৎ 'যজ্ঞশীল আৰু আহিতাগ্নি ব্ৰাহ্মণসকলে যি লোকলৈ গমন কৰে তুমি তালৈকে যোৱা।' ৰামায়ণৰ ভাষ্যকাৰে জটায়ু-সংস্কাৰক লক্ষ্য কৰি তলৰ্ত দিয়া পদ্ম-পুৰাণৰ বচন উদ্ধাৰ কৰিছে।

সংস্কাৰমকৰোৎ তস্য ৰামো ব্ৰহ্মবিধানতঃ।

স্বপদং চ দদৌ তস্মৈ সোঽপি ৰাম-প্ৰসাদতঃ॥

হৰেঃ সামান্য ৰূপেণ প্ৰযযৌ পৰমং পদম্।

এতেন সাৰূপ্য-মুক্তিলাভঃ উক্তঃ ইতি।

এই গ'ল "ত্ৰিকালজ্ঞ" মুনিসকলৰ উক্তি। এতিয়া আধুনিক যুগৰ কথা অলপ কোৱা যাওক।

৩। আচাৰ্য ৰামানুজৰ মাৰণেৰপূৰ্ণ নামে এজন শূদ্ৰ শিষ্য মৰিলত ৰামানুজে তেওঁৰ দীক্ষাগুৰু পূৰ্ণাচাৰ্যক শৱসংস্কাৰ কৰিবলৈ ক'লে। পূৰ্ণাচাৰ্যই ব্ৰহ্মবিধান অনুসাৰে শূদ্ৰৰ সংস্কাৰ কাৰ্য কৰিলে। এই ঘটনাক লক্ষ্য কৰি যশস্পতি দলৰ "ৰাম মিলেনা" বোলাসকলৰ মাজত হৈ-চৈ লাগিল। কথাটো গৈ ৰামানুজৰ কাণত পৰিলত ৰামানুজে তেওঁৰ গুৰুদেৱক মাতি নি পৰীক্ষা কৰিবৰ ছলেৰে ক'লে, 'গুৰুদেৱ, মই মাৰণেৰপূৰ্ণক সাধাৰণভাৱে সংস্কাৰ কৰিবলৈ বৈষ্ণৱসকলক আদেশ দিছিলো। আপুনি ব্ৰহ্মমেধ বিধি অনুসাৰে সংস্কাৰ কৰিলে কিয় ?' পূৰ্ণাচাৰ্যই উত্তৰ দিলে, 'জন-সমাজৰ ব্যক্তিগত গুণ বিচাৰ কৰি ভগৱান ৰামচন্দ্ৰই যি আচৰণ কৰিছিল মইনো তাকে কৰিব নোৱাৰোঁ নে ? মই ভগৱান ৰামচন্দ্ৰতকৈ ডাঙৰ নে ? আৰু এই মাৰণেৰপূৰ্ণ পক্ষিৰাজ জটায়ুতকৈও নীহ নে ? শূদ্ৰ মাৰণেৰপূৰ্ণ কেৱল ভগবদ্ ভক্তই নাছিল, তেওঁ ভগৱানত আত্মসমৰ্পণ কৰি ভগৱানৰ তুল্যতা পাইছিল। এই দৰৰ মানুহকো শূদ্ৰ বুলি ভাবিব পাৰিনে ? প্ৰকৃত বৈষ্ণৱৰ জন্মগত দোষ বা কৰ্মবন্ধন থাকিব নোৱাৰে। সি শূদ্ৰ হ'লেও তাৰ শূদ্ৰত্বৰ লোপ হৈ গৈছিল। মই শ্ৰুতিৰ মত অনুসাৰে এইবোৰ কথা কৈছোঁ।' ৰামানুজে একো উত্তৰ নকৰি গুৰুদেৱৰ শাস্ত্ৰসম্মত যুক্তিত সন্তুষ্ট হৈ নিজৰ মঠলৈ গ'ল।

"হেই' যশস্পতি "ৰাম মিলে – না। (?)"

(৩)

ভোলাই শৰ্মাৰ "আত্ম-বিনোদক" থিয়েটৰৰ দল

তাহানি শ্ৰীভোলাই শৰ্মাই দুপালি আত্ম-বিনোদক থিয়েটৰ কৰি পুৰণি 'বাঁহী'ত তাৰ বিৱৰণ ছপাই আত্ম-বিনোদৰ লগে লগে দহজনকো বিনোদ দিছিল। ভোলায়ে স্বয়ং ষ্টেজ ম্যানেজাৰি আৰু মোশ্যন মাষ্টাৰিৰ ভাওখন কৰিছিল। কিন্তু 'গুপুত' বিভাগৰ মোশ্যনত এইদৰে পৈণত হৈ হৈ ভোলায়ে যে যুগমীয়াকৈ অসমীয়া ৰাইজক বিনোদন হাঁহি হঁহুৱাব, সেইটো হয়তো কোনেও ভৰাই নাছিল, আশা কৰাতো দূৰৰ কথা। ভোলায়ে কিন্তু ভাওনা-সাহিত্যত নাম ৰাখিলে। বৰ্তমানে যি পালিৰ ভাও হ'ব ধৰিছে, ই আগৰবোৰতকৈ হেজাৰ গুণে বিনন্দীয়া। আৰু ভাৱৰীয়াবোৰো নাট্যশাস্ত্ৰৰ নিয়মমতে বাছি বাছি উলিওৱা। পালিও সৰস – "ৰাধিকাৰ মানভঞ্জন" ৰাধিকাদেৱীয়ে ৰোহ পাতি অসম এৰি বঙাল দেশত সোমাই আছেগৈ। ভোলায়ে লৰালৰিকৈ কলিকতাৰ পৰা 'প্ৰাণৰ বন্ধু' কৃষ্ণক বিচাৰি আহি বিৰহত কৃষ্ণক বিয়া মোহত পৰা দেখি এই পালিটো ভাঙি উলিয়াইছে। ভাৱৰীয়া কেইজনো ৰসত "গড়াগড়ি" দিয়া, যেনে –

যশস্পতিৰ টোকাৰি

ভোলায়ে বহুত শাস্ত্ৰ ঘাটি ভাৱৰীয়াবোৰ গোটাইছে আৰু বহুত ভাবি-চিন্তিহে বৈষ্ণৱৰ টোকাৰিটো যশস্পতিৰ হাতত দিছে। প্ৰথমতঃ দেখা এইজন কেনে সৰস ভাৱৰীয়া। এওঁৰ 'ৰচন'বোৰৰ আদিতেই মাকে "ৰাধামাধৱয়োঃ।" ৰাধাত বাজে এখেতৰ কথাই নোলায়। মান-ভঞ্জনৰ পালি গাৱলৈ ভিতৰে ভিতৰে পকি আছে। "আসৰত" নামিয়েই ভাৱৰ আবেশত মতা সূতক বাইজীত ভ্ৰম কৰি 'আকৌ' 'আকৌ' বুলি চিঞৰ মাৰিলে। কিছুমান দিনৰ আগতে এহালি বংগদেশীয় বৈষ্ণৱ-বৈষ্ণৱীয়ে টোকাৰি হাতত লৈ অসম ভ্ৰমণ কৰা দেখিছিলো। ভোলায়ে বহুত গুণি-গাথিহে যশস্পতিৰ হাতত টোকাৰিটো দিছে। নহ'লে ইমানদিনীয়া মোশ্যন মাষ্টাৰ – কম অভিজ্ঞতা আছে? তাত বাজেও ভোলায়ে এখেতক টোকাৰি দিয়াৰ অইন কিবা কাৰণো থাকিব পাৰে। "ত্ৰিকালজ্ঞ" মুনিসকলে এৱিধ "বাদিত্ৰ-গোত্ৰীয়" মানুহৰ কথা লেখিছে। অৰ্থাৎ এখেতসকল বাজনাত বৰ পকৈত। অন্যৰ পক্ষে গা খজুৱা যেনে, এখেতসকলৰ পক্ষেও বাজনা মৰাটো তেনে। টোকাৰি বজোৱাত যশস্পতিৰ "পাৰ্গতালি" দেখি সংশয় হয় – কি জানি যশস্পতি সেই গোত্ৰীয়। তাত বাজেও ভোলাইৰ দৰে পকা মোশ্যন মাষ্টাৰ এজনেবা শাস্ত্ৰীয় মত লংঘন কৰি অনধিকাৰীক টোকাৰি বজাবলৈ দিব কিয়?

"ত্ৰিকালজ্ঞ" মুনিয়ে "বৃহৎ-ধৰ্ম-পুৰাণ"ত (উত্তৰখণ্ড, ১৩ শ অধ্যায়, ৫২ শ্লোক) কৈছে যে "দেৱলাদ্গণকোজাতো বৈশ্যায়াং বাদকোঽপিচ" অৰ্থাৎ দেৱল শ্ৰেণীৰ বিপ্ৰসকলৰপৰা বৈশ্যৰ গৰ্ভত "বায়ন" আৰু (–) সকলৰ উৎপত্তি হৈছে। দেৱল মানে কি নজনাসকলে সংস্কৃত কোষ চাই লওক। ই হৈছে ত্ৰিকালজ্ঞ মুনিসকলৰ বচন! পুৰণি মোশ্যন-মাষ্টাৰে জানো শাস্ত্ৰৰ বচন ঠেলি বা নেমানি অনধিকাৰীক টোকাৰি বজাবলৈ দিছে! তাত বাজেও বায়ন আৰু গায়নৰ যেনে ঘনিষ্ট সম্বন্ধ তাক অইনে নেজানিলেও ভোলায়ে জানে। সেই দেখিও হ'ব পায়, – টোকাৰি কোবোৱা যশস্পতি বায়নে, গায়ন সূতক বিচাৰি ললে।

যশস্পতিয়ে বচন মাতিছে – 'হিন্দু শাস্ত্ৰ অগাধ, ইয়াৰ ভাব গভীৰ। মই পাঠকৰ গন্তব্য বাট দেখুৱাই দিম।' অৰ্থাৎ যশস্পতিৰ টোকাৰিৰ কোবত যেনেকৈ হিন্দু শাস্ত্ৰৰ ভাববোৰ ফুটি ওলাই মূৰ্তিমতী "বাইজী" হৈ নাচে, তেনেকৈ আন কোনেও ফুটাই তোলাব নোৱাৰে। আকৌ যশস্পতিয়ে বচন মাতিছে – 'গায়ন-সূত বামুণ হ'ব নোৱাৰে, লোমহৰ্ষণ গোত্ৰ বুলি গোত্ৰ নাই – আৰু সূতক কোনেও লগুণ নিদিলে। শাস্ত্ৰই যাক "বাদক" বুলি নিৰ্দেশ কৰিছে সেইবোৰ কোন গোত্ৰীহে? শাস্ত্ৰত জানো "বাদিত্ৰ গোত্ৰ" বুলি কিবা গোত্ৰ আছে, আৰু বায়নবোৰক লগুণ দিয়াৰ ব্যৱস্থা আছে?

গণ্ডাৰ-মূৰীয়াৰ বহুৰালি

ভোলায়ে বহুৰা (বিদূষক) জনকো শাস্ত্রীয় মত অনুসাৰেই বাছি লৈছে। ভোলায়ে পুৰণি আত্ম-বিনোদক থিয়েটৰত বহুৰাৰ ভাওটো কোনোবা এজন টিকনি-গোত্রীয়ক দিছিল। অভিজ্ঞ ভোলাই জানো এবাৰ কৃতকাৰ্য হৈ এৰা পুৰুষ? তথাপি কাৰবাৰ মনত সংশয় হ'ব বুলি যশস্পতিয়ে খুলিয়েই কৈছে যে নানা ৰূপক, অলংকাৰ আদি থাকিলেও সংস্কৃত কাব্যবোৰো প্রামাণিক গ্রন্থ। সংস্কৃত নাট (দৃশ্যকাব্য) বোৰত বহুৰাৰ ভাওটো বেছি ভাগেই টিকনি-গোত্রীয়সকলক দিয়ে। কাজেই এই পালি ভাওনাক অশাস্ত্রীয় বুলি কোনে কয়?

সকলোকে আগুৰি সামৰি স্বয়ং ভোলাই শৰ্মা বহি আছে। তেখেতেও বহুত মোশ্যন দেখুৱালে। মাজতে এবাৰ আকৌ "তালিম" হৈ যোৱা বুলি শুনিছোঁ। মাজে মাজে যোগী, বৈৰাগী দুই-এজনেও 'আসৰত' নামি ভাও দেখুৱাই সাজ-ঘৰত সোমাইছে। যশস্পতিয়েও টোকাৰি লৈ "মান ভঞ্জন"ৰ গান শুনাইছে –

মথুৰাবাসিনী মধুৰভাষিণী শ্যামবিলাসিনী ৰে।
কহ লো সুন্দৰি, গেহ পৰিহৰি, কাহে বিবাসিনী ৰে॥

'বিবাসিনী' – অৰ্থাৎ অসম দেশ এৰি বঙাল দেশত সোমাই আছেগৈ কিয় হে?

ভোলায়েও বহুত নেদেখা ধেমালি দেখুৱাই হঁহুৱাই ৰাইজক বিনোদ দিলে। এতিয়া তাহানিখনৰ 'প্ৰাণ কেমন কেমন কৰে সজনী" গীত আৰু "কনছাৰ্ট" এটিলৈ বাট চাই আছে। ভোলাই দেউ, হাঁহিত নাড়ী ছিগিল। এটি "কনছাৰ্ট" দিয়ক বা "প্ৰাণ কেমন কেমন" কৰা গীতটোকে টোকাৰিত গাৰলৈ কওক। ভোলায়ে হয়তো উত্তৰ দিব – "যেইত" দুৰ্মুখহঁত, তহঁতক আকৌ এতিয়াই "কনছাৰ্ট" দিম বুলি ভাবিছ! তহঁতৰ নাড়ী ছিগাইহে এৰিম। এইদৰে বৈৰৰ জইন মাৰিব নোৱাৰিলে নহৈছে। সিবাৰ থিয়েটাৰ কৰিলোঁ নিজৰ মোনাৰপৰা পইছা উলিয়াই দি। কত যোগ কৰি, কত ঘণ্টা কোবাই এই পালি লগ লগাই ৰং দেখুৱাই চিৰকলীয়া ৰংঘৰ (Permanent Stage) এটি সাজিবলৈ "মাটি" এচমকা পাইছোঁ, তাৰো দামোদৰদেৱে চাবি চুক মৰাৰ দৰে "দক্ষিণৰ" চুকটোকে মাৰি কাবু কৰি ল'ব পৰা নাই, চকুচৰহাহঁত, এতিয়াই তহঁতৰ নাড়ী ছিগোঁ ছিগোঁ হ'ল! বোলোঁ, তহঁতেও ধেমালি চা, ময়ো "চাৰি" চুক মাৰি অলপ সুবিধা কৰি লওঁ – নাই, তহঁতক এতিয়াই "কনছাৰ্ট" লাগে, "প্ৰাণ কেমন কেমন কৰা গীতটো" লাগে। "প্ৰাণ আকৌ কেমন কেমন কৰে!" "চাৰি" চুক মাৰি কাবু কৰিব নোৱাৰোঁ মানে "প্ৰাণ এখন দুখন কৰে।" ছিগক তহঁতৰ নাড়ী – হেৰ যশস্পতি, অ' যশস্পতি – ইনো আকৌ – টোকাৰিটো লৈ কাৰ পিছে পিছে ঘূৰি ফুৰে অ'! – অ' নিতাই, হেৰ সাজঘৰত গৈ কৈ দে, আমাৰ এতিয়াই "কনছাৰ্ট" বজাৰ নেলাগে। আকৌ দুজন-মান নতুন বহুৰা পঠাই দেগৈ। ইহঁতৰ নাড়ী কেইডাল নিছিগালে "চাৰি চুক" মৰাত মস্কিল হয়। হেৰ নদাই, শুন (কাণে কাণে) চাগৈ চোন – আমাৰ নতুনকৈ লোৱা মাটিডৰাৰ "দক্ষিণৰ" চুকটো উঠিলনে?

অষ্টম প্ৰকাশ [1]

(১)

বৈদিক-যজ্ঞ
পুৰুষ-যজ্ঞ

ভাৰতীয় আৰু ইউৰোপীয় পণ্ডিতসকলে বৈদিক ধৰ্মৰ বিশিষ্টতা আলোচনা কৰি নানান তথ্য আবিষ্কাৰ কৰিছে আৰু সময় আৰু অৱস্থাৰ তাৰতম্য অনুসাৰে বৈদিক ধৰ্মই কেনেকৈ নানা ঠাল-ঠেঙুলিত পৰিণত হৈছে, ইত্যাদি নানান কথাৰ আলোচনাও কৰিছে। আমি অতি সাধাৰণভাৱে বৈদিক যজ্ঞৰ কথা চমুকৈ ইয়াত ক'ৰলৈ চেষ্টা কৰিম। হিন্দু ধৰ্মত নানান সম্প্ৰদায় ভেদ সত্ত্বেও বেদৰ যজ্ঞবাদতেই হিন্দু মাত্ৰৰেই জীৱনত ঐক্য-সূত্ৰ বৰ্তমান।

ব্যক্তিগত জীৱনৰ দৰে সামাজিক আৰু ধৰ্ম-জীৱনৰো অভিব্যক্তি আছে। সাধাৰণতঃ যজ্ঞ মানে জুইত ঘিউ ঢালি দি কোনোবা দেৱতাৰ উদ্দেশ্যে মন্ত্ৰ উচ্চাৰণ কৰাকে বুজোঁ। হয়তো প্ৰথমতঃ যজ্ঞৰ উদ্দেশ্যই এনে দৰৰ আছিল। নানান মানসিক কামনা পৰিপূৰণৰ নিমিত্তে নানা তৰহৰ যজ্ঞৰ বিধি বৈদিক গ্ৰন্থবোৰত আছে। তাত বাজেও সোমযাগ, পশুযাগ আদি বিশিষ্ট শ্ৰৌত যজ্ঞ আদিৰো ব্যৱস্থা আৰু অনুষ্ঠান চলিছিল। কিন্তু বেদবিদ্যাৰ প্ৰচাৰ আৰু অভিব্যক্তি অনুসাৰে "যজ্ঞ" শব্দটোও "ব্যাপক" অৰ্থত ব্যৱহাৰ হ'বলৈ ধৰিলে। বেদ আলোচনা কৰা পণ্ডিতসকলে কয় যে "যজ্ঞ"ৰ মৌলিক তাৎপৰ্য ত্যাগ আৰু দেৱতাৰ উদ্দেশ্যে ত্যাগাত্মক কৰ্ম মাত্ৰেই যজ্ঞ।

যজ্ঞৰ এই ব্যাপক অৰ্থ অনুসাৰে বৈদিক ঋষিয়ে বিশ্ব-সৃষ্টি-ব্যাপাৰখনকেই যজ্ঞ বুলি বৰ্ণনা কৰিছে। ঋগ্বেদৰ দশম মণ্ডলৰ "পুৰুষ-সূক্ত"ত এই বিশ্ব-যজ্ঞৰ কথা আছে। বিৰাট পুৰুষে নিজেই যজ্ঞীয় পশুৰূপে আত্ম-বিসৰ্জন কৰিছে; আৰু চৰাচৰ বিশ্বজগতত য'ত যি আছে সকলো সেই বিৰাট পুৰুষৰেই ভিন্ন ভিন্ন অংশৰ পৰা সম্ভূত— সেই বিৰাট পুৰুষেই সকলোকে আগুৰি সামৰি আছে। চন্দ্ৰ, সূৰ্য; গ্ৰহ, তাৰকা সেই বিৰাট পুৰুষেই— কীট, পতংগ, খেচৰ, ভূচৰ সেই বিৰাট পুৰুষেই— ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ সেই বিৰাট পুৰুষেই।

যো নঃ পিতা জনিতা যো বিধাতা
ধামানি বেদ ভুৱনানি বিশ্বা।
য ইমা বিশ্বা ভুৱনানি জুহ্বৎ
ঋষিৰ্হোতা ন্যসীদৎ পিতা নঃ।
বিশ্বতশ্চক্ষুৰুত বিশ্বতো মুখঃ
বিশ্বতো বাহুৰুত বিশ্বতস্পাৎ।
সং বাহুভ্যাং ধমতি সং পতত্ৰৈঃ
দ্যাৱাভূমী জনয়ন্ দেৱ একঃ।

---

[1] বাঁহী, একাদশ বছৰ, দ্বিতীয় সংখ্যা, জেঠ ১৮৪৩, পিঠি ৪২-৪৬

•"যি আমাৰ পিতা জনক আৰু বিধাতা, যি সকলো বিশ্বভুৱন আৰু বিশ্বধাম জানে, সেই পুৰাণ ঋষিয়েই প্ৰথমে এই বিশ্বসৃষ্টিৰূপ যজ্ঞ কৰে। তেৱেঁই প্ৰথমে এই বিশ্বভুৱনক আহুতি দিবলৈ বহিছিল। সমস্ত বিশ্বব্যাপী যাৰ মুখ, বিশ্বব্যাপী যাৰ চক্ষু, বিশ্বব্যাপী যাৰ বাহু আৰু পদ, সেই একমাত্ৰ দেৱ, যি বাহু আৰু পখা সঞ্চালন কৰি অহা-যোৱা কৰে, তেওঁৰ পৰাই আকাশ পৃথিৱী উৎপন্ন হয়।"

বেদৰ দেৱতাৰ সংখ্যা যিমানেই হওক নহওক, "পুৰুষ-সূক্ত"ৰ ঋষিয়ে বিৰাট পুৰুষ মূৰ্তি উপলব্ধি কৰি তাৰ ভিতৰেদিয়েই সমস্ত বিশ্ব-প্ৰপঞ্চৰ ঐক্যভাৱ দেখিছে আৰু হিন্দু মাত্ৰৰেই আধ্যাত্মিক জীৱনৰ গুৰিতেই এই "জনয়ন্ দেৱ একঃ"ৰ ভাৱ।

উপনিষদতো এই এক দেৱতাৰ কথাকেই নানা ঠাইত নানানভাৱে ব্যক্ত কৰা হৈছে। "মুণ্ডকোপনিষদে" অতি বিশদভাৱে এই তত্ত্ব ফুটাই তুলিছে।

"যস্মিন দ্যৌঃ পৃথিৱী চান্তৰিক্ষমোতং মনঃ সহপ্ৰাণৈশ্চ সৰ্ব্বৈঃ।

তমেৱৈকং জানথ আত্মানমন্যা ৱাচো বিমুঞ্চথামৃতস্যৈষ সেতুঃ ॥

"যিজনত আকাশ, পৃথিৱী, অন্তৰিক্ষ, মন, প্ৰাণ– সকলোবোৰ ওতপ্ৰোত হৈ আছে, সেই এক পৰমাত্মাকে জানিবলৈ চেষ্টা কৰি অন্য কথা এৰি পেলোৱা। এয়ে অমৰত্ব লাভৰ সেতু।"

ওপৰত তুলি দিয়া বেদৰ "বিশ্বতশ্চক্ষুঃ জনয়ন্ দেৱ একঃ" উপনিষদৰ "তমেৱৈকং জানথ আত্মানং"– ইত্যাদি ৰূপক গীতাৰ "অনেকবাহূদৰৱক্ত্ৰনেত্ৰং" ইত্যাদি ভগৱান কৃষ্ণৰ বিশ্বৰূপ দৰ্শনৰ লগত মিলাই চালে উপাসনাক্ষেত্ৰত একদেৱবাদী বৈষ্ণৱ সম্প্ৰদায়ৰ গুৰি ক'ত জানিব পাৰি। বেদৰ বিৰাট পুৰুষ, উপনিষদৰ এক আত্মাই, গীতাত যোগেশ্বৰ কৃষ্ণ-ৰূপে বিৰাজমান। আৰু সেই বিৰাট পুৰুষেই কৃষ্ণৰূপে সকলোকে আহ্বান কৰিছে–

"সৰ্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।"

(২)
জীৱন-যজ্ঞ

ওপৰত অতি সংক্ষেপভাৱে মোটামুটিকৈ পুৰুষ যজ্ঞৰ উল্লেখ কৰি, এই বিশ্বসৃষ্টি কামটোকেই যে বৈদিক ঋষিয়ে বিৰাট যজ্ঞৰূপে কল্পনা কৰিছে, সেইটো সাধাৰণভাৱে উনুকিয়াই দিয়া হৈছে আৰু সেই বিৰাট পুৰুষেই যে উপনিষদৰ এক পৰমাত্মা আৰু গীতাৰ অধিষ্ঠাতা দেৱতা তাকো চুম্বকভাৱে কোৱা হৈছে। আমি আগৰ প্ৰবন্ধবোৰত শ্ৰীকৃষ্ণৰ জীৱনীৰ বিষয়ে অনেক কথা কৈ আহিছো। এইটোও কৈ আহিছো যে ভাগৱত আৰু ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ আদিত বৰ্ণিত ৰাসলীলা আদি মূল কৃষ্ণ চৰিত্ৰৰ অংশ নহয়। আৰু যদিও ভক্তি-গৌৰৱ-পৰিচায়ক হিচাপে ভাগৱত ভক্তসকলৰ অতি আদৰৰ গ্ৰন্থ, তথাপি কৃষ্ণ-ধৰ্মৰ কেন্দ্ৰস্থান যে ৰাধাবাদেই বা ৰাস পঞ্চাধ্যায়েই নহয়, তাৰ অন্য প্ৰমাণ তলত "ছান্দোগ্য উপনিষদ"ৰ পৰা তুলি দিলো।

বেদত যেনেকৈ বিশ্ব-প্ৰপঞ্চকেই বিৰাট যজ্ঞৰূপে কল্পনা কৰা হৈছে তেনেকৈ উপনিষদে আৰু এখোপ আগবাঢ়ি মানৱ জীৱনকেই যজ্ঞৰূপে বৰ্ণনা কৰিছে। "ছান্দোগ্য উপনিষদ"ত (১৭ শ খণ্ড) দেৱকী-পুত্ৰ কৃষ্ণৰ উল্লেখ আছে। আৰু তেওঁৰ আচাৰ্য ঘোৰ আংগিৰস ঋষিয়ে তেওঁক যি উপদেশ দিছিল, সেই উপদেশ বাক্যত মানৱ জীৱনকেই যজ্ঞৰূপে কল্পনা কৰা হৈছে। ভগৱান কৃষ্ণই গীতাত সেই উপনিষদৰ চুম্বক কথাকেই অতি বাহুল্যভাৱে অতলস্পৰ্শী কৰি ব্যাখ্যা কৰি দিছে। তলত ঘোৰ আংগিৰস ঋষিৰ উপদেশ তুলি দিলোঁ –

(পুৰুষো বাব যজ্ঞঃ)– স যদশিশিষতি যৎ পিপাসতি যন্ন ৰমতে তা অস্য দীক্ষাঃ ॥ অথ যদশ্নাতি যৎ পিবতি যদ্ৰমতে তদুপসদৈৰেতি ॥ অথ যৎ হসতি যৎ জক্ষতি যন্মৈথুনং চৰতি স্তুত শস্ত্ৰৈৰেৱ তদেতি ॥ অথ যত্তপো দানমাৰ্জ্জৱম্ অহিংসা সত্যৱচনং ইতি তা অস্য দক্ষিণাঃ ॥ ---- তন্মৰণসেৱাস্যাৱভৃথঃ। তৎ হ এতৎ ঘোৰ আংগিৰসঃ কৃষ্ণায় দেৱকীপুত্ৰায় উক্ত্বা উৱাচ অপিপাপ এৱ স ৱভূৱ সোঽন্তবেলায়াম্ এতৎ ত্ৰয়ং প্ৰতিপদ্যেতাক্ষিতমসি অচ্যুতমসি প্ৰাণঃ সংশিতমসীতি তত্ৰৈতে দ্বে ঋচৌ ভৱতঃ ॥ ইত্যাদি।

স্থূলাৰ্থ ঃ মানুহৰ জীৱন যজ্ঞস্বৰূপ। মানুহৰ যেতিয়া ভোক লাগে, পিয়াহ লাগে, আৰু অমোদ-প্ৰমোদত যোগ নিদিয়ে – তেতিয়া তাৰ অৱস্থাক যজ্ঞৰ দীক্ষাৰ লগত ৰিজাব পাৰি। (দীক্ষাৰ সময়ত মানুহে উপবাসে থাকে আৰু ভোগৰপৰা আঁতৰত থাকে।)৲সি যেতিয়া খায়, পিয়ে আৰু উৎসৱত যোগ দিয়ে তেতিয়া তাৰ অৱস্থা যজ্ঞৰ "উপসদ"ৰ লগত মিলে। (উপসদৰ সময়ত উপবাস ভাঙি খায়)। সি যেতিয়া হাঁহে, খুৱায়, সম্ভোগ কৰে, তাৰ অৱস্থা যজ্ঞৰ 'স্তুতশস্ত্ৰৰ' লগত মিলে। (যেতিয়া গীত বাজনা শাস্ত্ৰ পাঠ আদি হয়)। যি তপ, দান, সৰলতা, অহিংসা, সত্যবচন–সেয়ে জীৱন-যজ্ঞৰ দক্ষিণা। -- --আৰু মৰণেই অৱভৃথ স্নান। (যজ্ঞৰ অন্তত যজমানে কৰা স্নানকেই অৱভৃথ স্নান বোলে) ঘোৰ আংগিৰস ঋষিয়ে দেৱকী-পুত্ৰ কৃষ্ণক উদ্দেশ্য কৰি এই পুৰুষ-যজ্ঞ ক'লত, কৃষ্ণয়ো অন্য জ্ঞানৰ প্ৰতি পিপাসা-শূন্য হ'ল।

কুৰুক্ষেত্ৰৰ ৰথৰ টিঙত যোগেশ্বৰ কৃষ্ণই নিজকেই ব্ৰহ্মপদত স্থাপিত কৰি পুৰুষ বা জীৱন-যজ্ঞৰ কথাকেই বিশদভাৱে ব্যাখ্যা কৰি দেখুৱাইছে। গোটেই জীৱনটোকে যজ্ঞ বুলি স্বীকাৰ কৰাত কৰ্মৰ পৰিসৰো গীতাত সমস্ত জীৱনব্যাপী বুলি বৰ্ণিত হৈছে।

যৎকৰোষি যদশ্নাসি যজ্জুহোষি দদাসি যৎ।
যত্তপস্যসি কৌন্তেয় তৎ কুৰুষ্ব মদৰ্পণম ॥ – গীতা ৯।২৭

(৩)
গীতাত কৰ্মবাদ

গীতাশাস্ত্ৰ সকলো সম্প্ৰদায়ৰ হিন্দুৰেই বিশেষতঃ কৃষ্ণভক্তসকলৰ শাশ্বত গ্ৰন্থ। শ্ৰীকৃষ্ণৰ আগমনৰ সময়ত ভাৰতত যি বেলেগ বেলেগ মতৰ থকা-থুন্দা আছিল ভগৱান কৃষ্ণই সকলো মতকেই গীতাতো সমন্বয় কৰি সামঞ্জস্য কৰি তুলিছে। এজন কৃতবিদ্য বংগীয় ভক্ত পণ্ডিতে গীতা

বিশ্লেষণ, কৰি তাত যি যি ভাবৰ ধাৰা নিৰ্দ্ধাৰণ কৰিছে, তলত আমি সৰল অসমীয়াতে ভাঙনি দিলো। "শ্ৰীকৃষ্ণৰ আবিৰ্ভাবৰ কালত যি যি বিৰোধ আৰু অনৈক্য আছিল তেওঁৰ কথাতেই দেখুৱাব পাৰি। এক দলৰ উপাসক আছিল, তেওঁলোকে কৰ্মত বাদে আন একোকে নেমানিছিল। (হিন্দু ধৰ্মৰ পুনৰুভ্যুত্থানৰ সময়ত মুণ্ডন মিশ্ৰই এই কৰ্মবাদ উজ্জীৱিত কৰিব খুজিছিল কিন্তু শংকৰাচাৰ্যই তেওঁক তৰ্কত হেৰুৱাই নিজৰ শিষ্য কৰি লয়।) শ্ৰীকৃষ্ণই কৈছে– "বেদবাদৰতাঃ পাৰ্থ নান্যদস্তীতিৱাদিনঃ।" এই গ'ল কৰ্মবাদীসকলৰ কথা। আন এটি দল আছিল, তেওঁলোকে জ্ঞানকেই শ্ৰেষ্ঠ মানি কৰ্মবাদৰ ঘোৰ বিৰোধী আছিল। এইবোৰৰ বিষয়ে কৈছে– "ন কৰ্মণামনাৰম্ভাৎ নৈষ্কৰ্ম্যং পুৰুষোঽশ্নুতে।"–

কেৱল কৰ্ম নকৰিলেই যে নৈষ্কৰ্ম্যৰ ফল হয়, এনে নহয়। কৰ্মবিৰোধীসকলে কৰ্ম নকৰিয়েই ক্ষান্ত নাথাকি কৰ্মক উন্মুক্ত কণ্ঠে নিন্দাও কৰিছিল–

"প্লৱাহোতে অদৃঢ়া যজ্ঞৰূপাঃ। –অবিদ্যায়াং বহুধা বৰ্ত্তমানাঃ বয়ং কৃতাৰ্থাঃ ইত্যাদিমনান্তে বালাঃ।"–

"যজ্ঞৰূপ নাও সংসাৰ-তৰণৰ নিমিত্তে নিচেই অদৃঢ়।"

"অজ্ঞান হেতু বহুত কৰ্মৰ অনুষ্ঠান কৰি মূৰ্খসকলে নিজকেই কৃতাৰ্থ বুলি ভাবে।" ভক্তিপথবিৰোধী জ্ঞানগৰ্বিতসকলক লক্ষ্য কৰি কৈছে– "অৱজানন্তি মাং মূঢ়া মানুষীং তনুমাশ্ৰিতং" – মই মানৱী তনু আশ্ৰয় কৰি থাকোঁ, মূৰ্খসকলে মোৰ অৱমাননা কৰে।" বহু-দেৱ-উপাসকসকলৰ কথাও কৈছে – "তেঽপি কৌন্তেয়! মামেৱ যজন্ত্যবিধিপূৰ্ব্বকম।" "ভূতপ্ৰেত পূজা কৰাসকলেও অবিধি-পূৰ্বক মোৰেই যজনা কৰে।"

এই নানা মতক কৃষ্ণই গীতাত এক ভক্তি-সূতাৰে গাঁথি পেলাই অভিনৱ মত এটি দিলে।

"বৈদিক মতত যজ্ঞই প্ৰধান। যজ্ঞত বাজে বেদত অইন একো মুখ্য উদ্দেশ্য নাই। বৈদিক ঋষিসকল যজ্ঞনিৰত; তেওঁলোকক স্বীকাৰ কৰিব লাগিলে যজ্ঞ স্বীকাৰ নকৰিলেই নহয়। আনপিনে বৈদান্তিকসকল যজ্ঞকাণ্ডৰ প্ৰতি খড়্গহস্ত। তেওঁলোকে যজ্ঞক অবিদ্যাৰ খেলা বুলি উৰুৱাই দিছে আৰু পাৰেমানে ঠাট্টাও কৰিছে। শ্ৰীকৃষ্ণ যদি কেৱল বেদান্তবাদীয়েই হ'লহেঁতেন, তেনেহ'লে যজ্ঞৰ কথা তেওঁ নুতুলিলেইহেঁতেন। তেওঁ এপিনে যেনেকৈ বৈদিক ঋষিসকলৰ হৃদয়ত প্ৰৱিষ্ট, আনপিনে তেনেকৈ বৈদান্তিক ঋষিসকলৰ গভীৰ ব্ৰহ্মজ্ঞানত জ্ঞানাপন্ন। এই ব্ৰহ্মজ্ঞানেৰে তেওঁ বৈদিক মতৰ সাৰোদ্ধাৰ কৰিলে। তেওঁ দেখিলে যে যজ্ঞ অইন একো নহয়, ফল আকাংক্ষা কৰি বাহ্য উপকৰণৰ দ্বাৰা দেৱতাসসকলৰ তুষ্টি-সাধনৰ নিমিত্তে ক্ৰিয়ানুষ্ঠান।

আমি ওপৰত দেখুৱাইছো যে বৈদিক ঋষিসকলে সকলো ক্ৰিয়াকেই যজ্ঞৰ অংগ কৰি লৈছিল। এইটো কৃষ্ণৰ মতকেই সমৰ্থন কৰিছিল। তেওঁও অনায়াসেই জগতক বুজাই দিলে যে যি কৰ্মৰ দ্বাৰায় যজ্ঞ নহয়, সেই কৰ্মৰ দ্বাৰায় লোকৰ বন্ধনহে হয়। তেওঁ দেখিলে এই জগৎ উদ্যমপূৰ্ণ, প্ৰকৃতিৰ বুকুত সদায় ক্ৰিয়া চলিবই লাগিছে। এই ক্ৰিয়াতেই সকলোৰে স্থিতি, ক্ৰিয়া নকৰি কোনেও এক নিমিষো জীয়াই থাকিব নোৱাৰে। আৰু ক্ৰিয়াক যদি এৰিবই নোৱাৰি, তেনেহ'লে

ইয়াক ধৰ্মৰ অনুগত কৰি লোৱা উচিত; নহ'লে ই ঈশ্বৰ-চিন্তাত বিঘ্ন জন্মাব। ধৰ্মৰ অনুষ্ঠান যদি স্বাৰ্থৰ নিমিত্তে হয়, ঈশ্বৰক এৰি অন্য ফল আকাংক্ষা কৰি অনুষ্ঠিত হয়, তেনেহ'লে ই মুক্তিৰ কাৰণ নহৈ বন্ধনৰহে হেতু হ'ব। সেই দেখি তেওঁ সকলো অনুষ্ঠেয় কামকেই ঈশ্বৰৰ উদ্দেশ্যে কৰিবলৈ উপদেশ দিছে। তথাপি ঈশ্বৰৰ উদ্দেশ্যে সাধিত হ'লেও কৰ্ম আৰু ঈশ্বৰৰ মৌলিক পাৰ্থক্য আছে বুলি কৰ্মই ব্ৰহ্মদৰ্শনৰূপ সাক্ষাৎ যোগৰ অন্তৰায় হ'ব বুলি তেওঁ অনুষ্ঠিত কৰ্মৰ সমুদায় উপাদানতেই ঈশ্বৰৰ আবিৰ্ভাৱ দৰ্শনৰ উপায় কৰিলে। যেনে বৈদিক ঋষিসকলে সকলো যজ্ঞীয় দ্ৰব্যতেই ভিন্ন ভিন্ন দেৱতাৰ অধিষ্ঠান দেখিছিল, শ্ৰীকৃষ্ণই একমাত্ৰ পৰম ব্ৰহ্মকেই সেই সেই ঠাইত দেখিবৰ ব্যৱস্থা কৰি বেদৰ কৰ্ম আৰু বেদান্তৰ ব্ৰহ্মবাদক এক সূতাৰে গাঁথিলে।

ব্ৰহ্মাৰ্পণং ব্ৰহ্মহবিঃ ব্ৰহ্মাগ্নৌ ব্ৰহ্মণা হুতম্।
ব্ৰহ্মৈব তেন গন্তব্যং ব্ৰহ্মকৰ্মসমাধিনা॥

এই জীৱন-যজ্ঞই ব্ৰহ্ম কৰ্ম; ব্ৰহ্মই ইয়াত যজমান, ব্ৰহ্মই জুই, ব্ৰহ্মই হোমৰ বস্তু, ব্ৰহ্মই দেৱতা, এই ব্ৰহ্মকৰ্ম অনুষ্ঠানৰপৰা ব্ৰহ্মলাভেই হয়।

ঈশোপনিষদেও কৈছে –

"ও ঈশাৱাস্যমিদং সৰ্ব্বং যৎকিঞ্চ জগত্যাংজগৎ।"

'সমস্ত জগৎ আৰু জগতত যি কিবা আছে, সকলোতেই পৰমেশ্বৰ বৰ্তমান।'

শ্ৰীকৃষ্ণই এক বৈদিক যজ্ঞানুষ্ঠানতেই কৰ্ম আবদ্ধ ৰখা নাই। তেওঁৰ হাতত কৰ্মৰ পৰিসৰ অতিশয় বহল হৈ পৰিছে। ক্ৰমিক উন্নতি অনুসাৰে যিবোৰ নতুন অনুষ্ঠান সমাজত উপস্থিত হৈছিল, সেই সকলোবোৰকেই তেওঁ যজ্ঞৰ অন্তৰ্ভূত কৰি লৈছিল। ইন্দ্ৰিয়-ক্ৰিয়া সংযম, তপস্যা, দান, বেদ-অধ্যয়ন, আহাৰ-বিহাৰ সকলেই তেওঁৰ মতে যজ্ঞ। সাধকসকলে নিজ নিজ জীৱনৰ অৱস্থা অনুসাৰে যিটোৱেই অনুষ্ঠান নকৰক, তাতেই তেওঁলোকৰ যজ্ঞানুষ্ঠান হয়। অনেকে হয়তো ক'ব যে "ব্ৰাহ্মণ" গ্ৰন্থবোৰত যজ্ঞৰ আমূল বিৱৰণ আছে। কিন্তু "ব্ৰাহ্মণ" গ্ৰন্থ-বৰ্ণিত পথ শতমুখী, যোগৰ বিৰোধী, পৰস্পৰ অমিল আৰু সেইবোৰক কোনো ক্ৰমেই সমঞ্জস কৰিব নোৱাৰি। ওপৰত তুলি দিয়া আঙ্গিৰস ঋষিৰ উপদেশ আৰু শ্ৰীকৃষ্ণৰ ব্যাখ্যাতে যজ্ঞ সম্বন্ধে মহা পৰিৱৰ্তন উপস্থিত হৈছে।

শ্ৰীকৃষ্ণই প্ৰচাৰ কৰিছে যে যি ধৰণৰেই কৰ্ম নহওক, ইয়াৰ ফল আছেই, আৰু ই বন্ধনৰ কাৰণ হ'ব পাৰে। যি মানুহে যিভাৱে কৰ্ম কৰে, তাৰ সেই অনুসাৰে ফল লাভ হ'ব। শ্ৰীকৃষ্ণই কৈছে যে বেদৰ সকলো অনুষ্ঠান সত্ত্ব-ৰজঃ আৰু তমোগুণ লৈ বিভিন্ন। সত্ত্বপ্ৰধান মানুহে দেৱতাসকলৰ ৰজঃপ্ৰধান মানুহে যক্ষসকলৰ আৰু তমঃপ্ৰধান মানুহে ভূত-প্ৰেতাদিৰ যাজনা কৰে। যিবোৰে দেৱতা পূজা কৰে, সেইবোৰ ক্ষয়িষ্ণু দেৱলোকলৈ যায় আৰু পুণ্যৰ ভোগ শেষ হ'লে আকৌ পৃথিৱীলৈ নামি আহে। বৈদিক সময়ত ভোগৰ শেষত মৰ্ত্যলোকলৈ আহিব লাগে এই কথা উঠা নাছিল, বেদান্তৰ সময়তহে এই কথা উঠে। যেতিয়া আত্মতত্ত্ব আৱিষ্কাৰ হ'ল, তেতিয়া ঋষিসকলে জানিলে যে যোৱা-অহাৰ মূল সাকাৰ ৰাজ্যৰ লগত সম্বন্ধ উঠি গ'ল। আৰু যদিও এই তত্ত্ব বেদত

আছিল, বেদান্তৰ সময়ত এই ভাব পৰিস্ফুট হৈ ওলায়। শ্ৰীকৃষ্ণ-প্ৰতিপাদিত ধৰ্মত কৰ্মৰ অনিবাৰ্য ফলত বিশ্বাস আৰু কৰ্মফল যে কৰ্মসমুদ্ভূত নহয়, কামনাসম্ভূতহে, এইটো তত্ত্ব স্ফুট হৈছে। এতেকে শ্ৰীকৃষ্ণই কৈছে যে কামনা যদি ঈশ্বৰাভিমুখী হয়, তেনেহ'লে কৰ্মৰ ক্ষয়িষ্ণু ফল আৰু নেথাকে, কৰ্মই জীৱক ঈশ্বৰৰ-লগত সংযুক্ত কৰি দিব। সুতৰাং তেওঁ নিষ্কাম অৰ্থাৎ ঈশ্বৰ ভিন্ন অন্য-কামনা-বৰ্জিত হৈ কৰ্মানুষ্ঠানৰ প্ৰণালী প্ৰৱৰ্তিত কৰিলে। কাম অপৰিহাৰ্য, মোক্ষতো ই আনন্দ-সম্ভোগৰ লগত মিহলি হৈ আছে, সেই দেখি ঈশ্বৰ-কামনাকেই তেওঁ নিষ্কাম বুলি প্ৰচাৰ কৰিলে। ইয়াত সৎকাৰ্য কৰি স্বৰ্গলৈ যোৱাৰ উৎসাহ, নাইবা দুষ্কৰ্ম কৰি নৰকলৈ যোৱাৰ ভয় নেথাকিল, কৰ্ম একেবাৰে দৃষ্টিৰ আঁতৰলৈ গ'ল, দৃষ্টিত থাকিল কেৱল এক ঈশ্বৰ। এইদৰে ঈশ্বৰক দৃষ্টিৰ সন্মুখত ৰাখি যি মানুহে স্বভাৱ-বিহিত কৰ্ম-ফলাকাংক্ষা-বৰ্জিত হৈ ঈশ্বৰ-নিৰ্দিষ্ট জ্ঞাৰি সিদ্ধি আৰু অসিদ্ধিত চিত্ত সমান ৰাখি অনুষ্ঠান কৰে, সেয়ে চতুৰ, সেয়ে যোগী, সেয়ে কৰ্মানুষ্ঠানত অপূৰ্ব কৌশল অৱলম্বনকাৰী, যি কৌশলত সি কৰিও কৰ্ম নকৰে, কৰ্মৰ নিমিত্তে তাৰ বন্ধন নহয়, অনায়াসে সি কৰ্ম-প্ৰণালীৰে ঈশ্বৰৰ লগত চিৰসংযুক্ত হ'ল।

ইতি শুশ্ৰুম ধীৰাণাং যে নস্তদ্ব্যাচচক্ষিৰে॥

নৱম প্ৰকাশ [1]

(১)
উপনিষদৰ মীমাংসা – ব্ৰাহ্মণ কোন?

"বজ্রসুচিকোপনিষদ"ৰ ঋষিয়ে "ব্ৰাহ্মণ কোন" এই প্ৰশ্নৰ অতি তন্ন তন্নভাৱে আলোচনা কৰি যি সিদ্ধান্ত কৰিছে, তাক তলত আমি তুলি দিলো।

ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ এই চাৰি বৰ্ণৰ ভিতৰত ব্ৰাহ্মণেই শ্ৰেষ্ঠ – বেদৰ বচন অনুসাৰে স্মৃতিও এই মত সমৰ্থন কৰিছে। এতিয়া বিচাৰি চাবলগীয়া হৈছে ব্ৰাহ্মণ কোন – ব্ৰাহ্মণ কি জীৱদেহ জাতি জ্ঞান কৰ্ম নে ধৰ্ম? "তত্ৰ চোদ্যমস্তি কো ৱা ব্ৰাহ্মণো নাম কিং জীৱঃ কিং দেহঃ কিং জাতিঃ কিং জ্ঞানং কিং কৰ্ম্ম কিং ধাৰ্ম্মিক ইতি। তত্ৰ প্ৰথমো জীৱো 'ব্ৰাহ্মণ ইতি চেৎ তন্ন।" প্ৰথমতঃ জীৱ বা দেহী আত্মাক যদি ব্ৰাহ্মণ বুলি কোৱা, তেনেহলে নহ'ল। কিয়নো কৰ্ম অনুসাৰে জীৱই অনেক দেহত আশ্ৰয় লয় আৰু সকলো শৰীৰস্থ জীৱৰেই এক ৰূপ। "তস্মান্ন জীৱো ব্ৰাহ্মণ ইতি।" সেই কাৰণেই জীৱ ব্ৰাহ্মণ হ'ব নোৱাৰে। যদি দেহকেই ব্ৰাহ্মণ বোলা তেনেহ'লেও নহ'ল। কিয়নো ব্ৰাহ্মণৰ পৰা চণ্ডাললৈকে সকলো মানুহৰে শৰীৰ পঞ্চভূতেৰে গঠিত। দেখাতেও একে ৰকমৰেই আৰু সমানভাৱে জৰা মৃত্যুৰ অধীন। আৰু যদিওবা শাস্ত্ৰত আছে যে বামুণ বগা, ক্ষত্ৰিয় ৰঙা, বৈশ্য হালধীয়া আৰু শূদ্ৰ ক'লা হ'ব লাগে, বাস্তৱিকতে কিন্তু এইটো দেখা নাযায়। "তস্মান্ন দেহো ব্ৰাহ্মণ ইতি।" সেই দেখি দেহ ব্ৰাহ্মণত্বৰ কাৰণ নহয়। "তৰ্হি জাতি ব্ৰাহ্মণ ইতি চেৎ তন্ন।" যদি কোৱা জাতিই ব্ৰাহ্মণ সিও নহয়, কিয়নো জাত্যন্তৰ জন্তুৰপৰা আৰু নানান জাতিৰ পৰা ওপজা মহৰ্ষিসকলো আছে। যেনে ঋষ্যশৃঙ্গ মৃগী গৰ্ভজাত হৈয়ো ব্ৰাহ্মণ, ব্যাস কৈৱৰ্ত কন্যাৰ পৰা উপজিও ব্ৰাহ্মণ, বশিষ্ঠ বেশ্যা উৰ্বশীৰ সন্তান হৈও ব্ৰাহ্মণ। "তস্মান্ন জাতি ব্ৰাহ্মণ, ইতি।" সেই দেখি জাতিও ব্ৰাহ্মণত্বৰ কাৰণ নহয়। যদি কোৱা জ্ঞানেই ব্ৰাহ্মণত্বৰ কাৰণ, সিও নহয়। কিয়নো ক্ষত্ৰিয়সকলৰ ভিতৰতো ভালেমানেই অভিজ্ঞ আৰু পৰমাৰ্থদৰ্শী। "তস্মান্ন জ্ঞানং ব্ৰাহ্মণ ইতি।" যদি কোৱা, কৰ্মই ব্ৰাহ্মণত্বৰ কাৰণ, সিও নহয়; "তহি কৰ্ম্ম ব্ৰাহ্মণ ইতি চেৎ তন্ন।" কিয়নো সকলো মানুহেই কৰ্মৰ অধিকাৰী। "তস্মান্ন কৰ্ম্ম ব্ৰাহ্মণ ইতি।" যদি কোৱা ধাৰ্মিকেই ব্ৰাহ্মণ তেনেহলেও নহ'ল; কিয়নো ক্ষত্ৰিয়সকলেও বহুত পুণ্য কাম কৰি থাকে আৰু আনেও কৰিব পাৰে।

"তৰ্হি কো বা ব্ৰাহ্মণো নাম।" তেনেহলে ব্ৰাহ্মণ কোন? "যঃ কশ্চিৎ আত্মনমদ্বিতীয়ং জাতিগুণক্ৰিয়াহীনং -----'সত্য জ্ঞানানন্দানন্ত স্বৰূপং -- অপৰোক্ষীকৃত্য -- দম্ভাহংকাৰাদি-ভিৰসংস্পৃষ্টচেতা ৰ্বৰ্তত এৱমুক্ত লক্ষণো যঃ স এৱ ব্ৰাহ্মণ ইতি শ্ৰুতি-স্মৃতি-পুৰাণেতিহাসানমভিপ্ৰায়ঃ। অন্যথা হি ব্ৰাহ্মণত্ব সিদ্ধিৰ্ণাস্ত্যেৱ।" অৰ্থাৎ যেয়ে জাতি-গুণ-ক্ৰিয়াহীন সত্য-জ্ঞান-আনন্দ-অনন্ত-স্বৰূপ এক পৰাত্মাক --- মনশ্চক্ষুৰে উপলব্ধি কৰি ---- দম্ভ অহংকাৰ আদিৰ দ্বাৰা অকণো বিচলিত

---

১ বাঁহী, একাদশ বছৰ, তৃতীয় সংখ্যা, আহাৰ ১৮৪৩, পিঠি ৭৮-৮৫

নোহোৱাকৈ থাকে, সেয়ে ব্ৰাহ্মণ। অৰ্থাৎ যি পুৰুষে ব্ৰহ্ম-সাক্ষাৎকাৰ কৰি থাকে তেৱেঁই ব্ৰাহ্মণ। আৰু এয়ে বেদ, স্মৃতি, পুৰাণ, ইতিহাস সকলোৰে অভিমত। ইয়াত বাজে ব্ৰাহ্মণত্ব সিদ্ধ নহয়। ইতি।

"দূষণং জ্ঞানহীনানাং ভূষণং জ্ঞানচক্ষুষাম্।"

(২)

ওপৰত আমি উপনিষদৰ ব্ৰাহ্মণ নিৰূপণ সবিস্তাৰে তুলি দিলো। প্ৰকৃত ব্ৰাহ্মণত্ব বা ব্ৰহ্মদৰ্শিত্ব যে ব্যক্তিগত গুণৰ দ্বাৰায়হে নিৰূপিত হয়, নানান সূক্ষ্ম বিচাৰৰ দ্বাৰায় উপনিষদে মীমাংসা কৰি কৈছে। আৰু শ্ৰুতিৰ মত অনুসাৰে আমিও স্বীকাৰ নকৰোঁ যে সমাজত বিশেষ কাম কৰা কিছুমান মানুহেই ব্ৰাহ্মণ।

ব'হাগৰ বিহুৰ সময়ত যেনেকৈ দৈৱজ্ঞ গণকসকলে সামাজিক ৰীতি অনুসাৰে সকলো মানুহকেই "নৱবৰ্ষ ফলাফলং" শুনাই ফুৰে, সেইদৰে পূজাৰি, পুৰোহিতসকলেও সামাজিক ৰীতি অনুসাৰে যজন-যাজন আদি কাম কৰি ফুৰে। কিন্তু উপনিষদে কৈছে, ব্ৰাহ্মণত্ব জাতি কৰ্ম আদি সকলোতকৈ স্বতন্ত্ৰ পদাৰ্থ। স্বয়ং বৰদলৈদেৱেও এইদৰেই এদিন ব্ৰাহ্মণত্বৰ ব্যাখ্যা কৰিবলৈ গৈছিল যেন লাগে, যেতিয়া তেওঁ কৈছিল যে খৃষ্টান ধৰ্মতো ব্ৰাহ্মণ আছে বা সকলো ধৰ্মই তত্ত্বদৰ্শী মহাপুৰুষসকলৰ দ্বাৰায় প্ৰচাৰিত আৰু তত্ত্বদৰ্শী মহাপুৰুষসকলৰ দ্বাৰায় প্ৰতিপালিত। হিন্দুৰ অৱতাৰবাদৰ ভিতৰতো এই মহাপুৰুষ পূজা-পদ্ধতি লুকাই আছে। অসমীয়া মহাপুৰুষীয়া সম্প্ৰদায়ে যদি "হৰিনাম মূলমন্ত্ৰ" প্ৰচাৰ কৰোতা শংকৰদেৱ-মাধৱদেৱকেই পৰম ব্ৰাহ্মণ বুলি ধৰি লয় "বৰদলৈ বাহিনী" প্ৰদীপিকাৰ তাত কুণ্ঠিত হ'বৰ কিবা কাৰণ আছে জানো ? প্ৰদীপিকাৰ পানী জোখা পণ্ডিতসকলৰ উদ্দেশ্য ধৰ্মতত্ত্ব প্ৰচাৰ কৰা বুলি ক'লেও তেওঁলোকৰ উদ্দেশ্য কি, ৰাইজে বুজিবলৈ এতিয়াও বাকী থকা নাই। আৰু সেই উদ্দেশ্য যে নিষ্ফল তাকো সকলোৱে জানি থোৱা উচিত। বৰদলৈ-বাহিনী দেৱীয়ে বহুত ঐতিহাসিক আৰু বৈদিক গ্ৰন্থই স্বীকাৰ কৰা ধ্ৰুৱসত্যও জানি বা নেজানিয়েই অস্বীকাৰ কৰিব লগাত পৰিছে। যেনে সংস্কৃত সাহিত্যতে যাৰ বিন্দু-বিসৰ্গ জ্ঞানো আছে, সিও জানে যে বিশ্বামিত্ৰ ঋষি ক্ষত্ৰিয় ৰজা আছিল; কিন্তু "বাইজী" নচুৱা যশস্পতিয়ে ফকৰা মাতি উলিয়ালে বিশ্বামিত্ৰ জাতিত বামুণ আছিল! বিশ্বামিত্ৰ ঋষিৰ ধাৰাবাহিক কাহিনী আমি আগৰ বাৰলৈ সবিস্তাৰে উলিয়াই দিম। ইয়াতে চুম্বকভাৱে কৈ যোৱা যাওক যে শৌনক মুনিৰ "বৃহদ্দেৱতা" নামক বৈদিক গ্ৰন্থত বিশ্বামিত্ৰক ক্ষত্ৰিয় বুলিয়েই পৰিচয় দিছে। "প্ৰশাস্য গাং যো তপস্যাভ্যগচ্ছৎ ব্ৰহ্মৰ্ষিতাং গাধিসূতঃ বৰেণ্যঃ।" প্ৰশাস্য গাং– ইয়াৰ পৰাই বিশ্বামিত্ৰ যে ক্ষত্ৰিয় আছিল, বুজা যায়। যি হওক এইবোৰ কথা পিছত আলোচনা কৰা যাব। ইয়াতে আকৌ এটি কথাৰ উল্লেখ কৰি থোৱা যাওক। আমি আগেয়েই কৈ আহিছো যে বেদৰ দিনৰে পৰাই ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় কুলৰ ভিতৰত জ্ঞানৰ নেতৃত্ব লৈ বিষম অৰিয়া-অৰিৰ ভাব চলি আহিছিল। ভগৱান

শ্ৰীকৃষ্ণকো ব্ৰাহ্মণসকলে এদিনতেই "পূৰ্ণব্ৰহ্ম" বুলি স্বীকাৰ কৰা নাছিল। আগৰডোখৰত ক্ষত্ৰিয়কুমাৰ বুলি তেওঁক তাচ্ছিল্যভাৱে উকুৱায়ে দিছিল। আজি-কালিৰ দৰে আগেয়েও এনে এটি দল ব্ৰাহ্মণসকলে গঠন কৰিছিল যি কেৱল মানিছিল যে ব্ৰাহ্মণেহে ধৰ্মৰ ব্যাখ্যা কৰিব পাৰে বা ব্ৰাহ্মণৰ ঘৰত হে ঈশ্বৰ পুৰুষৰ অৱতীৰ্ণ হ'ব পাৰে! যেনে মহাভাৰতৰ সভাপৰ্বত (৪১ অধ্যায়, ৬ শ্লোক) শিশুপালৰ কৃষ্ণনিন্দাৰ ভিতৰত এইটোও আছে।

যদ্যয়ং জগতঃ কৰ্ত্তা যথৈনংমূৰ্খ! মন্যসে॥

কস্মান্ন ব্ৰাহ্মণং সম্যগাত্মানমৱগচ্ছতি॥ –মহাঃ ভাঃ

শিশুপালে ভীষ্মক লক্ষ্য কৰি কৈছে – 'হেৰ মূৰ্খ, তই যেনেকৈ কৃষ্ণক জগতৰ কৰ্তা ঈশ্বৰ বুলি মানিছ, সি যদি সেয়ে হয় তেনেহ'লে সি নিজক ব্ৰাহ্মণ বুলি নেভাৱে কিয়?' – অৰ্থাৎ অসমীয়া দামোদৰীয়াসকলৰ বিশ্বাসৰ দৰে শিশুপাল এনে এটি দলৰ ভিতৰত আছিল যি বিশ্বাস নকৰিছিল যে ব্ৰাহ্মণত বাজে অইন কুলত ঈশ্বৰ পুৰুষ জন্মিব পাৰে! অথচ এই "নিজক ব্ৰাহ্মণ বুলি নভবা" কৃষ্ণকেই ব্ৰাহ্মণসকলেও পিছত "নমো ব্ৰহ্মণ্যদেৱায়" "জগদ্ধিতায় কৃষ্ণায় গোৱিন্দায় নমো নমঃ" ইত্যাদি নানান ভক্তিযুক্ত বচন বুলি বেদ-নিৰ্দ্ধাৰিত পৰম দেৱতা বুলি সেৱা কৰিবলৈ তত নেপালে।

"সৰ্ব্বত্ৰ গুণৈৰ্হি পদং নিধীয়তে।"

(৩)
প্ৰতিমা-পূজা

আমি আগেয়ে কৈ আহিছো যে ভাৰতীয় বৈদিক পণ্ডিতসকলে প্ৰতিমা-পূজাৰ বৈদিক মূল বিচাৰি উলিয়াব পৰা নাই। "প্ৰতিমা-পূজা বৌদ্ধ আমোলত ভাৰতৰ চাৰিওফালে প্ৰচাৰ লাভ কৰি পৰৱৰ্তী হিন্দু ধৰ্মৰ ধৰণি স্বৰূপ হৈ আছে। পুৰাণে মূৰ্ত্তি-পূজা স্বীকাৰ কৰিলেও মূৰ্ত্তি-পূজকসকলক ওখ ঠাই দিয়া নাই। বৰং মুমুক্ষুসকলৰ পক্ষে ধ্যান-পূজাহে শ্ৰেষ্ঠ বুলি কৈছে। কিন্তু ব্যক্তিগত বা সাম্প্ৰদায়িক হিচাপেও যদি কোনোৱে প্ৰতিমা-পূজাক ধৰ্মৰ নহ'লেও-নোহোৱা-অঙ্গ বুলি ধৰি নলয়, তেনেহ'লে যে কিবা প্ৰত্যবায় হয় সেইটো বেদবিৎ পণ্ডিতসকলে স্বীকাৰ কৰা নাই। প্ৰত্যেক ধৰ্মতেই দুটা ভাগ থাকে। এটি ব্যক্তিগত (personal) ভাৱ আনটো communal — সামাজিক ভাৱ। ব্যক্তিগতভাৱে ধ্যান-ধাৰণা ঈশ্বৰক পাব খোজাসকলৰ পক্ষে একান্ত দৰকাৰী, এইটো নহ'লেই নহয়। দহজনে এঠাইত লগ লাগি পূজা-অৰ্চনা কৰি বা নাম-কীৰ্তন গাই আন মানুহক দেখুৱাই তেওঁলোকৰ মন ধৰ্মৰ পিনে আকৰ্ষণ কৰাটো সামাজিক বন্ধনৰ নিমিত্তে আৱশ্যক হ'লে হ'ব পাৰে, কিন্তু পূজা হিচাপে মানস পূজাটোৱেই ঠিক। ই ব্যক্তিগত। সন্মুখত যি প্ৰতিমা থাকে, নিত্য পূজাত তাৰ আৱশ্যকতা নাই। মূৰ্ত্তি বা বাহ্য পূজাৰ নিমিত্তে ধূপ, দীপ, নৈবেদ্য আদিৰ আড়ম্বৰ কৰা হয়। কিন্তু ইয়াৰ তাৎপৰ্য communal বা সামাজিক। ঘৰৰ ল'ৰা, ছোৱালী, তিৰোতা,

বোৱাৰী, ওচৰ-চুবুৰীয়া আৰু গাঁওবো দহজনক দেখুৱাই ভুলাই একেলগে বান্ধিবৰ নিমিত্তে ইয়াৰ প্ৰয়োজন থাকিব পাৰে। ইয়াৰ উদ্দেশ্য লোকৰঞ্জন, লোক-সংগ্ৰহ, লোক-স্থিতি। আত্ম-লাভ কৰিবলৈ বিচৰা সাধকৰ পক্ষে ই আৱশ্যক নহয়। প্ৰতিমা গঢ়াই পূজা কৰিবলৈ কোনো বাধ্য নহয়, নকৰিলেও কোনো প্ৰত্যবায় নাই। সমাজৰ অধিকাংশ মানুহেই নকৰে বা কৰিব নোৱাৰে। ইয়াক পুতলা-পূজা বুলি গালি দিলেই কাৰো একো লোকচান নহয়। ওভোতাই ইয়াৰ উত্তৰ দিয়া আৱশ্যক যেন নেদেখোঁ।" (আচাৰ্য স্বৰ্গীয় ৰামেন্দ্ৰসুন্দৰ ত্ৰিবেদী)।

বঙ্গদেশত প্ৰতিমা-পূজাৰ বৰ আড়ম্বৰ আছে। সকলো মধ্যবিত্ত অৱস্থাৰ মানুহৰ ঘৰতেই কাৰ্তিক, গণেশ, ৰাধা-কৃষ্ণ আদিৰ কাঠৰ বা মাটিৰ চূণ-কালি সনা ৰঙ-বেৰঙৰ প্ৰতিমা থকা দেখিছো। আৰু নানা দেৱ-দেৱীৰ পূজাও বৰ সমাৰোহেৰে হয়। বঙ্গদেশত যদি এইদৰে ধৰ্মৰ সামাজিক ভাৱ ৰক্ষিত হৈছে, অসমত হৈছে সম্পূৰ্ণ বিপৰীতভাৱে। অসমীয়া মানুহৰ ধৰ্মৰ সামাজিক বিভাগৰ বাহ্য প্ৰকাশ হৈছে গাঁৱলীয়া নামঘৰৰ ভিতৰেদি। ইছা কৰিলে এই নামঘৰবোৰকেই ৰৰদলৈদেৱে সনাতন ধৰ্মৰ "লংগৰ" বুলিব পাৰে। এনে এখন অসমীয়া গাঁও নাই য'ত নামঘৰ এটি নাই। এনে কি দহজন মানুহে খেতি কৰিবলৈ আন ঠাইত পাম এখন উলিয়ালে সেই পামতো নামঘৰ এটি সাজি পামতীয়া মানুহবোৰে নাম-কীৰ্তন কৰে। অসমীয়া গাঁৱলীয়া নামঘৰবোৰত কোনো প্ৰতিমা নেথাকে। নানান পৰ্ব-উৎসৱাদিত এই নামঘৰবোৰত কীৰ্তন-প্ৰসংগ কৰাই সমূহ অসমীয়া ধৰ্মৰ সামাজিক বিভাগৰ প্ৰধান অঙ্গ বুলি ভাবে। ইয়াত বাজেও গৃহস্থৰ ঘৰতো নানান কৰ্ম উপলক্ষে নাম-প্ৰসংগৰ কথা ছবৃডেপুটী হৈ গাঁও-ভূঁইত ফুৰি ফুৰা ৰৰদলৈদেৱে জানিব পায়।

ব্যক্তিগতভাৱে মহাপুৰুষীয়াসকলৰ "হৃদয়ত ৰূপ ধৰাৰ" ব্যৱস্থা আছে।

ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ ॥ (কীৰ্তন)
মন ৰাম বোল ৰাম বোল ৰাম বোল ৰাম।
চিন্ত চিন্ত চতুৰ্ভুজ চতুৰ্ভুজ হৰি ॥ (কীৰ্তন)

"হৃদয়ত ৰূপ ধাৰণাৰ" ব্যৱস্থা কীৰ্তনৰ পাতে পাতে আছে। আৰু কীৰ্তন পুথিৰ গুৰিতেই যে ধ্যান-বৰ্ণনা আছে তাকো ৰৰদলৈদেৱে টং কৰি চাব।

আঢ্যৱন্ত মহাপুৰুষীয়া গৃহস্থৰো একোটি হৰি-মন্দিৰ থাকে। সেইবোৰতো কোনো প্ৰতিমা নেথাকে। থাপনাত কীৰ্তন নামঘোষা ভাগৱত আদি পুথি থাকে। নামঘৰত পুৱা-গধূলি কীৰ্তন হয়, কেতিয়াও বিগ্ৰহ পূজা নহয়।

অনেক মহাপুৰুষীয়া সত্ৰত বিগ্ৰহ বিশেষৰ নামত ভূ-সম্পত্তি আছে। আৰু সেই বিগ্ৰহবোৰৰ নিয়মমতে প্ৰতিষ্ঠা আদিও হয়। যেনে বৰপেটা সত্ৰত শ্যামৰায় বিগ্ৰহ স্থাপনা কৰি পৰীক্ষিৎ ৰজাই সেই বিগ্ৰহৰ নামে মাটি-বাৰী দান কৰে। এই বিগ্ৰহক পূজাৰিয়ে নিতৌ পূজা কৰে। এই বিগ্ৰহ প্ৰধান নামঘৰৰ পৰা বেলেগ ঘৰত আছে। কিন্তু কীৰ্তন-ঘৰৰ সেৱা-সৎকাৰ আদি গুৰু-আসনৰ আগতহে হয়। এনে কি বুঢ়া কেৰৰীয়া ভকতসকলে বিগ্ৰহ ৰখা ঘৰত

নোসোমায়েই। শংকৰদেৱৰ চৰিত আলোচনা কৰিলেও শংকৰদেৱ যে মূৰ্তি-পূজাৰ একান্ত পক্ষপাতী আছিল এইটো ধৰিব নোৱাৰি। অথচ মূৰ্তি-পূজাক তেওঁ ক'তো নিন্দা কৰাও দেখা মনত নপৰে। আনপিনে চৈতন্যদেৱে জাতি নিৰ্বিশেষে ব্ৰাহ্মণ শূদ্ৰ সকলোকে শালগ্ৰাম পূজা কৰিবলৈ আদেশ দিছে। শংকৰ-চৰিত আলোচনা কৰিলে বৰং এইটোহে পোৱা যায় যে তেওঁ মূৰ্তি-পূজাতকৈ "মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপৰ" বেছি পক্ষপাতী আছিল। ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিতত এটি অকণমানি ঘটনাৰ উল্লেখ আছে। দ্বিতীয়বাৰ তীৰ্থ-ভ্ৰমণৰ পৰা ঘূৰি আহোতে শংকৰদেৱে এদিন ৰাতি গৃহস্থ এজনৰ ঘৰত প্ৰৱাস কৰিলে। লগত ৰামৰাম গুৰুও আছিল। ৰামৰাম গুৰুৱে লগত শালগ্ৰাম শিলা এডুখৰি লৈ ফুৰিছিল। গুধূলি শংকৰদেৱে এতিয়া বৰগীতৰ অন্তৰ্গত "ওৰা সোজা পন্থ নেহাৰি" গীতটো গালে। গীতটো কৰ্মকে সৰ্বপ্ৰধান বুলি ভবা মানুহবোৰৰ প্ৰতি লক্ষ্য কৰি ৰচিত। ৰামৰাম গুৰুৱে ভাবিলে কিজানি তেওঁ শালগ্ৰাম পূজা কৰে বুলি তেওঁকেই লক্ষ্য কৰি গীতটো গোৱা হৈছে। তেওঁৰ মনৰ ভাব ব্যক্ত কৰি শংকৰদেৱক সুধিলত শংকৰদেৱে ক'লে ৰামৰাম গুৰুক লক্ষ্য কৰি গীতটো গোৱা নাই। তেওঁৰ দৃষ্টিত আন এজন মানুহহে আছে। ৰামৰাম গুৰু শংকৰৰ চিৰলগৰীয়া আৰু শংকৰৰ পৰা নৱপ্ৰচাৰিত বৈষ্ণৱ ধৰ্মকো তেওঁ ধৰিছে। মূৰ্তি-পূজা শংকৰৰ একান্ত অভিপ্ৰেত বুলি জনাহেঁতেন ৰামৰাম গুৰু সন্দিগ্ধচিত্ত নহ'লহেঁতেন।

প্ৰচলিত ৰীতিৰ কথাও ওপৰত উল্লেখ কৰা হৈছে। মহাপুৰুষীয়াৰ আধ্যাত্মিক জীৱনৰ ওপৰত প্ৰতিমা-পূজাৰ কোনো উল্লেখযোগ্য প্ৰভাৱ নাই। মহাপুৰুষীয়াৰ আধ্যাত্মিক জীৱনৰ মূলমন্ত্ৰ – "মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।" আৰু মহাপুৰুষীয়াৰ (দামোদৰীয়াৰো) সমাজ বান্ধোন থাকে উমৈহতীয়া নামঘৰৰ ভিতৰেদি, মূৰ্তি-পূজাৰ ভিতৰেদি নহয়।

(৪)

বেদৰ অপৌৰুষেয়ত্ব

হিন্দু মাত্ৰই বেদক অনাদি আৰু অপৌৰুষেয় বুলি মানে। অৰ্থাৎ বেদ কোনো পুৰুষৰ দ্বাৰায় কৃত নহয় আৰু ইয়াৰ আদি নাই। বেদ মানে সাধাৰণতঃ যজুঃ, সাম, অথৰ্ব আৰু উপনিষদক বুজায়। যদি কোনোবাই বেদ "অনাদি" বুলি মানে ই গ্ৰন্থবোৰকেই অনাদি আৰু অপৌৰুষেয় বুলি কয়, তেনেহ'লে ভুল হ'ব। ছন্দোবদ্ধ বৈদিক মন্ত্ৰ এটি আপোনা-আপুনি ৰতাহতে ৰচিত নহয়। আৰু এইদৰে ৰচিত হ'লেও কোনোবা এটি বিশেষ সময়তহে হ'ব পাৰে। তাত বাজেও বেদৰ মন্ত্ৰবোৰৰ ভিতৰতেই কিছুমান প্ৰাচীন বুলি উল্লিখিত। নিৱিদ বুলি যিবোৰ মন্ত্ৰ আছে, সেইবোৰ অতীৱ প্ৰাচীন বুলি উল্লেখ আছে। ছন্দোবদ্ধ আৰু ভাষা নিবন্ধ শব্দৰাশি হিচাপে বেদ অনাদি বা অপৌৰুষেয় নহয়। বেদত যি সত্যৰ বিকাশ হৈছে, সেই সত্য অনাদি। আৰু সত্য কোনো পুৰুষৰ কৃত হ'ব নোৱাৰে – সত্যৰ কোনোবা অংশ কোনোবা মহাপুৰুষে আৱিষ্কাৰ

কৰিব পাৰে, প্ৰচাৰ কৰিব পাৰে। যিবোৰ মহাপুৰুষে বেদৰ সত্য উপলব্ধি কৰি ভাষাক আশ্ৰয় কৰি সেই সত্য প্ৰকাশ কৰিছে সেইবোৰকেই ভাষ্যত ঋষি বোলে। ঋষি শব্দৰ ধাতুগত অৰ্থ হৈছে দেখোঁতা, – দ্ৰষ্টা।

সাধাৰণ পুথিক লক্ষ্য কৰি আমি কওঁ যে অমুকটো কবিতা অমুকৰ ৰচিত। কিন্তু বেদৰ মন্ত্ৰৰ বিষয়ে এইদৰেহে ক'ব লাগিব যে অমুক মন্ত্ৰৰ দ্ৰষ্টা অমুক ঋষি। অৰ্থাৎ অমুক মন্ত্ৰত যি তত্ত্ব বা সত্য বিকাশ হৈছে সেই তত্ত্ব বা সত্য অমুক ঋষিয়ে মনশ্চক্ষুৰে দেখি প্ৰচাৰ কৰিছে।

সকলোৱে জনা কথাৰে বুজাব লাগিলে নিউটনৰ আৱিষ্কাৰবোৰকেই ধৰা যাওক। সৃষ্টিৰ আদিৰে পৰাই পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তি চলিয়েই আছে। এই মাধ্যাকৰ্ষণ শক্তি অনাদি আৰু ই কোনো পুৰুষৰ দ্বাৰা কৃত নহয়। কিন্তু এই মাধ্যাকৰ্ষণ শক্তিৰ তত্ত্ব প্ৰথমে নিউটনে জ্ঞান-চক্ষুৰে "দেখি' মানুহে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে। বেদৰ ভাষাৰে ক'ব লাগিলে এই আকৰ্ষণ তত্ত্বৰ ঋষি – দেখোঁতা আৰু প্ৰচাৰ কৰোঁতা নিউটন। সেইদৰে সৃষ্টিৰ আদিৰে পৰাই অভিব্যক্তি শক্তি (Principle of Evolution) চলিয়েই আছে। এই শক্তিৰ আদি নাই আৰু কোনো পুৰুষৰ দ্বাৰা কৃত নহয়। ডাৰ্‌ৱিনে এই তত্ত্বজ্ঞান চকুৰে দেখি সকলোৱে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে। বিজ্ঞান জগতত অভিব্যক্তি মন্ত্ৰৰ ঋষি হৈছে ডাৰ্‌ৱিন। সেইদৰে আমি যেতিয়া শুনো যে 'গায়ত্ৰী' মন্ত্ৰৰ ঋষি বিশ্বামিত্ৰ আমি বুজিব লাগিব যে মাধ্যাকৰ্ষণ তত্ত্বৰ দৰে গায়ত্ৰী তত্ত্ব অনাদি আৰু অপৌৰুষেয়। বিশ্বামিত্ৰ ঋষিয়ে সেই তত্ত্ব-জ্ঞান চকুৰে দেখি মানুহে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে। যিবোৰ মহাপুৰুষে আধ্যাত্মিক তত্ত্ব আৱিষ্কাৰ কৰে তেওঁলোকৰ পাৰিভাষিক (technical) নাম হৈছে ঋষি আৰু মুনি শব্দৰ পাৰিভাষিক ভাৰত অৰ্থ বেলেগ বেলেগ। যিবোৰ মহাপুৰুষে বেদ মন্ত্ৰ প্ৰচাৰ (Formulate) কৰিছে তেওঁলোকক হে ঋষি বোলে। যিবোৰ মহাপুৰুষৰ অতলস্পৰ্শী জ্ঞান অথচ বেদ মন্ত্ৰ প্ৰচাৰ কৰা নাই তেওঁলোকক মুনি বোলে। যেনে বিশ্বামিত্ৰ ঋষি, কিন্তু কপিল মুনি। লৌকিক সাহিত্যত কিন্তু দুয়োটা শব্দ ওলট-পালটকৈও ব্যৱহৃত হয়। যেনে–মহৰ্ষি কপিলো বোলা যায়।

(৫)

স্ত্ৰী-ঋষিসকল

পানী জোখা পণ্ডিত যশস্পতিয়ে স্বীকাৰ কৰিবলৈ লাজ কৰিছে যে বেদৰ ভালেমান মন্ত্ৰ স্ত্ৰী ঋষিসকলৰ দ্বাৰায় ৰচিত বা প্ৰচাৰিত – "ঘোষাদিয়ে মন্ত্ৰ ৰচনা কৰা নাই, মন্ত্ৰ জপ কৰি সিদ্ধি লাভ কৰিছিল – এয়ে স্থূল কথা।" যশস্পতিৰ মুখৰপৰা "শোলোখ"বোৰ আখৈ ফুটাদি ফুটি ওলায়; ঘোষাদিৰ বিষয়ে স্থূল কথা কোৱা শ্লোক এটি ক'তো বিচাৰি নেপালে নে ? বৈদিক গ্ৰন্থবোৰত

কোন মন্ত্ৰৰ কোন "ঋষি" স্পষ্টকৈ বিচাৰ আছে। "বৃহদ্দেৱতা"ৰ মতে প্ৰধান স্ত্ৰী ঋষিসকলৰ ৰচিত মন্ত্ৰৰ কথা তলত দিলো –

১। বিশ্বৱাৰা – এওঁ অত্ৰি মুনিৰ গোত্ৰত জন্ম গ্ৰহণ কৰে। ঋগ্বেদ সংহিতাৰ ৫ম মণ্ডলৰ ২ অনুবাকৰ ২৮ শ সূক্ত তেওঁৰ ৰচিত।

২। ইন্দ্ৰ মাতৃকাগণ – ইন্দ্ৰ ঋষিৰ পিতাকৰ কেইবাজনীও স্ত্ৰী আছিল। তেওঁলোকে লগ লাগি ১০ম মণ্ডল ১৫৩ সূক্তৰ পাঁচোটা ঋক ৰচনা কৰে। তেওঁলোক কশ্যপ ঋষিৰ ঔৰসত অদিতি দেৱীৰ গৰ্ভত জন্ম গ্ৰহণ কৰে।

৩। অম্ভৃণ ঋষিকণা বাক্‌দেৱী – এওঁ দশম মণ্ডলৰ বিখ্যাত দেৱী-সূক্তৰ ৰচয়িত্ৰী।

৪। অপালা – অত্ৰি-গোত্ৰ-সম্ভূতা ৮ম মণ্ডলৰ ৯১ সূক্তৰ ৰচয়িত্ৰী।

৫। অদিতিদেৱী – কশ্যপ-পত্নী। তেওঁ ৪ৰ্থ মণ্ডলৰ ১৮ সূক্তৰ ৫ম আৰু ৭ম ঋক্ ৰচনা কৰে।

৬। ব্ৰহ্মবাদিনী যমী – তেওঁ ১০ম মণ্ডলৰ ১০ম সূক্তৰ ৫ম আৰু ৭ম, ১১শ ঋক ৰচনা কৰে।

৭। লোপামুদ্ৰা – বিদৰ্ভ ৰাজ-কন্যা আৰু অগস্ত্য মুনিৰ পত্নী। এওঁ ১ম মণ্ডলৰ ১৯৭ সূক্তৰ ১ম আৰু ২য় ঋক ৰচনা কৰে।

৮। লোমষা ব্ৰহ্মবাদিনী – এওঁ ১ম মণ্ডলৰ ১২৬ সূক্ত ৰচনা কৰে।

৯। মৈত্ৰেয়ী - যাজ্ঞবল্ক্য মুনিৰ ভাৰ্যা। এওঁও ব্ৰহ্মবাদিনী আছিল। যাজ্ঞবল্ক্য মুনি বানপ্ৰস্থী হ'বলৈ ওলাওতে মুনিয়ে এখেতৰ আগত উপনিষদৰ চৰম সিদ্ধান্ত প্ৰকাশ কৰি যায়। (বৃহদাৰণ্যক ৫ম ব্ৰাহ্মণ)

(১০) গাৰ্গী – বচক্নু মুনিৰ কন্যা আৰু ব্ৰহ্মবাদিনী। এওঁৰ চৰিত বৰ মনোৰম। বিদেহৰাজ জনকে এসময়ত এটি বৰ ডাঙৰ যজ্ঞ পাতিছিল। যজ্ঞৰ দক্ষিণা এহেজাৰ গৰু। প্ৰত্যেকটো গৰুৰ প্ৰত্যেকটো শিং দহ পাদ সোণেৰে বন্ধোৱা। নিমন্ত্ৰণ খোৱা বামুণসকলৰ মাজত ৰজাই প্ৰচাৰ কৰি দিলে – 'আপোনালোকৰ ভিতৰত যেয়ে "ব্ৰহ্মিষ্ঠ" - সকলোতকৈ বেছি ব্ৰহ্মতত্ত্বজ্ঞ, সেয়ে এই এহেজাৰ গৰু নিব। নিমন্ত্ৰিত ব্ৰাহ্মণসকলৰ ভিতৰত কোনেও আগনেবাঢ়ে – "তে হ ব্ৰাহ্মণা ন দধৃষুঃ।" এনেতে যাজ্ঞবল্ক্য মুনিয়ে তেওঁ ব্ৰহ্মচাৰী শিষ্যক আদেশ দিলে – 'গৰুবোৰ আমাৰ খেদি লৈ যোৱা।' গৰু খেদি নিলত ভোজখোৱা পণ্ডিতসকল গৰ্জ্জি উঠিল – "তে হ ব্ৰাহ্মণাশ্চক্ৰুধুঃ কথং নো ব্ৰহ্মিষ্ঠো ব্ৰুৱীতেতি।" 'এওঁ আমাতকৈ কি বেছি জানে, ক'ব লাগিব।' বিচাৰ হ'ল – ভোজখোৱাসকলে প্ৰশ্ন কৰি আছে, যাজ্ঞবল্ক্যই উত্তৰ দি আছে। সভাত ব্ৰহ্মবাদিনী গাৰ্গীও উপস্থিত আছিল। শেহত তেওঁ উঠি সমাজক লক্ষ্য কৰি ক'লে - সমজুৱাসকল, যাজ্ঞবল্ক্যক মই দুটি প্ৰশ্ন কৰিম। যদি উত্তৰ দিব পাৰে, আপোনালোকে বুজিব, আপোনালোকৰ ভিতৰত কোনেও তেওঁক পৰাস্ত কৰিব নোৱাৰে – "হন্তাহমিমং দ্বৌ প্ৰশ্নৌ প্ৰক্ষ্যামি তৌ চেন্মে বক্ষ্যতি ন জাতু যুষ্মাকমিমং কশ্চিদ্ ব্ৰহ্মোদ্যং জেতা ইতি।" গাৰ্গীয়ে প্ৰশ্ন কৰিলে যাজ্ঞবল্ক্যইও ব্ৰহ্মবাদিনীৰ

প্ৰশ্নৰ অতি বিশদভাৱে উত্তৰ দিলে। গাৰ্গীয়ে উত্তৰত সন্তুষ্ট হৈ আকৌ ভোজখোৱাসকলক লক্ষ্য কৰি ক'লে– 'ব্ৰাহ্মণসকল আপোনালোকে যে এখেতৰ (যাজ্ঞবল্ক্যৰ) হাতৰপৰা মানে মানে সাৰিব পাৰিছে, ইয়াকেই বৰ বেছি বুলি ভাবিব (অৰ্থাৎ সোণেৰে শিং বন্ধোৱা গৰুৰ দক্ষিণালৈ আৰু আশা নেৰাখিব)। আপোনালোকৰ ভিতৰত কোনেও এখেতক ব্ৰহ্মজ্ঞানেৰে পৰাজয় কৰিব নোৱাৰে।' এই বুলি গাৰ্গী ক্ষান্ত হ'ল।

সা হোবাচ – ব্ৰাহ্মণা ভগৱন্তস্তদেৱ বহু মন্যেধ্বং যদস্মান্নমস্কাৰেণ মুচ্যেধ্বং ন বৈ জাতু যুস্মাকমিমং কশ্চিদ্ ব্ৰহ্মোদ্যং জেতেতি ততো হ বাচক্নব্যুপৰৰাম॥ (বৃঃআঃ ৩য় অধ্যায়)

আধুনিক যুগতো যেতিয়া ভগৱান শংকৰাচাৰ্য আৰু মণ্ডনমিশ্ৰৰ বেদ-বিচাৰ হয় তেতিয়া মধ্যস্থৰ পদত স্থাপিত হঁয় মণ্ডনমিশ্ৰৰ স্ত্ৰী উভয়ভাৰতী। এই বেদবাদিনীৰ ওপৰত ভগৱান শংকৰে অলপ সংকুচিত হ'ব লগাত পৰিছিল। আমাৰ অসমতো যেতিয়া হৰিদেৱৰ তিৰোভাৱৰ সময় হয়, তেতিয়া গুৰুপদত স্থাপিত কৰি সত্ৰৰ অধিকাৰিণী পাতি যায় তেওঁৰ কন্যা ভুৱনেশ্বৰীক। হৰিদেৱৰ কন্যাৰ ওচৰতে হয়তো ক'ত ব্ৰাহ্মণে- 'আজি তোমাৰ চৰণতলে, লুটায়ে পৰিব বলে তোমাৰ কৰিতে সবদান' – বুলি শৰণ মাগিছিল।

আন নহ'লেও "বেদমন্ত্ৰত অধিকাৰ নথকা" ব্ৰহ্মবাদিনী তিৰোতাই ব্ৰাহ্মণসকলক যাজ্ঞবল্ক্য মুনিৰ হাতৰপৰা মানে মানে সৰুৱাই আনিলে।

(৬)

শূদ্ৰসকলৰ পক্ষেও কবষ বা কক্ষীৱানৰ চৰিত্ৰ আকস্মিক ঘটনা (mere chance or accident) নহয়। কবষ ঋষিৰ পুত্ৰ ভুৰ। ভুৰে পৰীক্ষিত-তনয় জন্মেজয়ৰ ৰাজ্যাভিষেক ক্ৰিয়া সম্পাদন কৰে। আৰু স্ত্ৰী ঋষি ঘোষা কক্ষীৱানৰ কন্যা আছিল। 'সৎ' 'অসৎ' সকলো শূদ্ৰই এইটো মনত ৰখা উচিত যে হিন্দুৰ 'অপৌৰুষেয়' বেদে বেদত তেওঁলোককো অধিকাৰ দি গৈছে। যদি 'মানুহৰ ৰচিত' কোনোবা শাস্ত্ৰত তেওঁলোকক ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰিবৰ কথা আছে, সি অগ্ৰাহ্য। আমি আকৌ বেদৰ বচন তুলি দিলো –

যথেমাং বাচং কল্যাণীমাবদানি জনেভ্য। ব্ৰহ্ম ৰাজন্যাভ্যাং শূদ্ৰায় চাৰ্য্যায়চ স্বায়
চাৰণায় চ। –যজুঃ ২৬/২

(৭)

পদ্মপাদৰ নৃসিংহ

পৌৰাণিক আখ্যানত আছে উপাস্য দেৱতাই অনেক সময়ত আন ৰূপ ধৰি সাধকৰ মন বুজি লয়। আৰু ভক্তিত তুষ্ট হ'লে ছদ্মবেশ 'এৰি' নিজ ৰূপত দেখা দিয়ে। অৰ্জুনৰ স্তুতিত তুষ্ট হ'লত কিৰাত-ৰূপ এৰি মহাদেৱে নিজ ৰূপ ধৰিছিল। পাৰ্বতীৰ একান্ত ভক্তিত সন্তুষ্ট হৈ শিৱই বুঢ়া বামুণৰ বেশ এৰি নিজ ৰূপত দেখা দিয়ে। "যুগপৎ" একেলগে নিজে আৰু ছদ্ম ৰূপত সাধকৰ ওচৰলৈ অহাৰ কথা থকা কোনো আখ্যান মনত নপৰে। পদ্মপাদৰ ওচৰলৈ কিন্তু ব্যাধ আৰু নৃসিংহ দুয়ো আহিছিল আৰু নৃসিংহই ব্যাধক "সামান্য" পুৰুষ বুলি নেভাবিবলৈ পদ্মপাদক কৈছিল।

(৮)

যুঁজাৰু দলৈৰ দৈত্যাৰি-ঢাল

বৰদলৈদেৱে দৈত্যাৰিক কেনেকৈ ঢাল-স্বৰূপে ব্যৱহাৰ কৰিছে ৰাইজে দেখিছে। দৈত্যাৰিৰ কি কথাত বৰদলৈদেৱে কি অভিযোগ আনিছিল আগেয়ে আমি দেখুৱাইছো। সৰু ল'ৰাৰ চিকুটা-চিকুটি খেলা সকলোৱে জানে। দুই-তিনিজন ল'ৰাই মানুহ এগৰাকীৰ পিছত বহি এজনে চিকুটি আনজনৰ গাত দায় দিয়ে। দৈত্যাৰিক আশ্ৰয় কৰি এই চিকুটা খেলাকে বৰদলৈদেৱে অভ্যাস কৰিছিল। এতিয়া নীতি সলাইছে। বৰদলৈদেৱ বৰ নীতিবিৎ; তেওঁৰ চকু এতিয়া চিলাৰায়ৰ যুদ্ধৰ গৰুৰ কান্ধত উঠি লগুণ পিন্ধা মানুহে যুঁজাৰ পিনে। এপিনে গো-বধ, আনপিনে ব্ৰাহ্মণ বধ।

দৈত্যাৰি আৰু মাধৱদেৱক লৈ বৰদলৈদেৱে এনেকৈ জাল পাতিব লাগিছে যেন এজন নহ'লেও আনজন পৰিবই লাগিব আৰু দুয়ো পৰিলেতো লেঠাই ছিগিল। কোনো নপৰিলেও প্ৰতিপক্ষই হুহুকি যাব লাগিব। "ভালাৰে ভালা!"

বৰদলৈবাহিনী চাকি দেৱী

বৰদলৈদেৱে উপযাচি কৈছে যে 'প্ৰদীপিকা' অৰ্থাৎ চাকিৰ ডলাখন তেওঁৰ মূৰৰ ওপৰতে; আকৌ এই চাকি ভগৱতীৰে। আমি দেৱী ভগৱতীৰ অনেক ৰূপৰ কথা শুনিছো। কিন্তু 'চাকি' ৰূপ তেওঁৰ কেতিয়া হৈছিল মনত নপৰে, নেজানিবও পাৰোঁ। চাকি দেৱী 'কাণখোৱা' বীৰৰ দৰে নহয়তো? আমাৰ সংশয় হয় পাৰ্বতীৰ শৈশৱ অৱস্থাত যদি মেনা দেৱীয়ে গীত গালেহেঁতেন -

ঘুমটি আয়ুৰে অৱে পাৰ্বতী
বৰদৌলৈ বাহিনী আসে।
সকলো শিশুৰে চুলি পুৰি পুৰি
আসে চাকি তব পাশে ॥

তেনেহলে পাৰ্বতীদেৱীও হয়তো চমক খাই উঠিলেহেঁতেন। চাকি দেৱী কোন, মনে বা কেতিয়া এই ৰূপ ধৰিছিলো, বিশেষতঃ বৰদৌলৈ-বাহিনী স্বৰূপে! বৰদলৈদেৱে আগৰ ডোখৰত বৰকৈ প্ৰেত-বিজ্ঞান (spiritualism) আলোচনা কৰা দেখিছিলো। অন্ত্ৰ-শাস্ত্ৰতো বৰ সুদীক্ষিত যেন লাগে, – জানোবা "কাৰবাৰণী"ৰ ভূত আহি তেওঁক লম্বিছে আৰু বিতত কৰি ভগৱতী ৰূপ ভুকুকাইছে ?

বৰদলৈদেৱে "বাহী"য়ে এফেৰি ৰূপকো নুবুজে বুলি আক্ষেপ কৰিছে (৪২৬ পিঠি)। যিহে দাঙিব নোৱৰা "চাবি চুক মৰা" ৰূপক, "বাহী"ৰ লগত আমিও বুজোঁ বুলি কওঁ কি সাধ্য! তথাপি চেষ্টা কৰি চোৱা যাওক, কিজানি "বৰদলৈ-বাহিনী চাকি দেৱী" কথাষাৰত কিবা ৰূপক লুকাই আছেই!

বিদেশী নাটক এখনত এটি "আত্মবিনোদক যাত্ৰা"ৰ কথা পঢ়িছিলো। নাটকখনৰ প্ৰধান ঘটনা মোটামুটিকৈ এই — দুজন প্ৰেমিক-প্ৰেমিকাই নিতৌ গধূলি বেৰৰ ফুটাৰে প্ৰেম সম্ভাষণ কৰে। এদিন জোনাক নিশা দুয়ো অভিসাৰৰ বন্দবস্ত কৰিছে। প্ৰেমিকাই আগেয়ে অভিসাৰৰ ঠাইলৈ যাব ধৰিছে, এনেতে সিংহ এটি ওলাল, ইত্যাদি, ইত্যাদি।

ভাৱৰীয়াসকল লগ লাগিলত দুটি বৰ দুৰ্ভেদ্য সমস্যা উপস্থিত হ'ল। অভিসাৰৰ ৰাতি আকাশত জোন আছিল। 'আসৰত' জোন নমোৱা যায় কেনেকৈ ? বহুত তৰ্কৰ পিছত মীমাংসো হ'ল যে জোনৰ ভাওনাখন এটি লণ্ঠনেৰে কৰা যাব। এজনে লণ্ঠন এটি দাঙি ধৰিব আৰু সেই লণ্ঠনেই জোন হ'ব। ২য় সমস্যা – সিংহৰ ভাওখন কোনে কৰিব ? এজনে আগবাঢ়ি সিংহৰ ভাওখন ল'ম বুলি কৈ কেইটামান গাজনিও মাৰিলে। সকলোৰে "ধইন" "ধইন" বুলি ক'লে, অমুকে সিংহৰ ভাওখন কৰিব পাৰিব ভালকৈ। এনেতে বিচক্ষণ পুৰুষ এজনে তৰ্ক তুলিলে ভাওনা চাবলৈ ল'ৰা-তিৰোতা ভালেমান আহিব. সিংহৰ ৰূপ দেখি আৰু গাজনি শুনি ভয়ত মূৰ্ছা যায় বা ? শেহত মীমাংসা হ'ল যে সিংহই গাজনি মৰাৰ আগেয়ে দৰ্শকসকলক লক্ষ্য কৰি প্ৰস্তাৱনা (prologue) এটিৰে বুজাই দিব যে তেওঁ বাস্তৱিকতে সিংহ নহয়, অমুক-তমুকহে।

সাধাৰণভাৱে আমিও জানো যে দেৱী ভগৱতী সিংহ-বাহিনীহে। বাৰু তেওঁক "সৰ্বজ্ঞান বিধায়িনী" এই কথাষাৰৰ ভাও কেনেকৈ দিয়া যায় বুলি লণ্ঠনেৰে জোনৰ ভাও দিয়াৰ দৰে "চাকি" এটিৰে "জ্ঞানৰ" ভাওখন দিয়ে; আকৌ দেৱী ভগৱতী সিংহ-বাহিনী * * * বৰদলৈদেৱৰ মূৰতে চাকিটো তুলি। তেনে হ'লেই, সৰ্বজ্ঞানদাত্ৰী সিংহ-বাহিনী দেৱী বৰদলৈ-বাহিনী চাকি দেৱী ৰূপে "আসৰত" নামিল। বৰদলৈ সিংহদেৱে হুমিয়াইছে – "বাহী"ৰ ভেৰীত গা উঠিছে, ৰণ দিওঁ হক। দৰ্শক ৰাইজৰ হৈ আমিও কওঁ দিয়ক ৰণ, কিন্তু গাজনি মৰাৰ আগেয়ে সকলোকে বুজাই দিব – 'এ্যা মই সিংহ নহয়, সিংহৰ ভাওখনহে দিছো।'

দশম প্ৰকাশ [১]

বৈদিক বিশ্বামিত্ৰ

গায়ত্ৰী মন্ত্ৰ ৰচোঁতা ক্ষত্ৰিয় বিশ্বামিত্ৰ ঋষিক মনুৰ বচন উদ্ধাৰ কৰি 'জাতি ব্ৰাহ্মণ' প্ৰমাণ কৰিবলৈ যোৱা 'প্ৰদীপিকা' আৰু 'বাম মিলে না' বোলা যশস্পতি বাপুৰ প্ৰতি সহাস্য কৰুণাৰ উদ্ৰেক হয়। কণাই কণাক বাট দেখুৱায়! চাকি দেৱী নিজে কণা, চাকি-বাহনো তথৈবচ, দামোদৰ-পন্থীসকল যাব লাগিছে কোন পিনে? "অন্ধেনৈব নীয়মানাঃ যথান্ধাঃ।" শৌনকৰ 'বৃহদ্দেৱতা', 'ঐতৰেয় ব্ৰাহ্মণ', আৰু ভাৰতীয় বৈদিক পণ্ডিতসকলৰ আলোচনাৰ পৰা ক্ষত্ৰিয় বিশ্বামিত্ৰ ঋষিৰ কাহিনী তুলি দিয়া হ'ল। মহৰ্ষি বিশ্বামিত্ৰৰ পৰিয়ালসকল পুৰুষানুক্ৰমে 'ঋষি' অৰ্থাৎ বৈদিক মন্ত্ৰ দ্ৰষ্টা বা ৰচোঁতা। ঋগ্বেদ সংহিতাৰ আৰম্ভতে "অগ্নিমীলে পুৰোহিতম" বুলি যি মন্ত্ৰ আছে সেই মন্ত্ৰৰ ঋষি বা ৰচোতা বিশ্বামিত্ৰ-পুত্ৰ মধুচ্ছন্দা। বিশ্বামিত্ৰৰ পিতা গাথীও এজন প্ৰসিদ্ধ মন্ত্ৰকৃৎ ঋষি আছিল। বৈদিক পণ্ডিতসকলে অনুমান কৰে যে গাথা বা মন্ত্ৰ-ৰচনাত কুশল বুলিয়েই তেওঁ গাথী নামে প্ৰসিদ্ধ হৈছিল। তেওঁৰো ভালেমান সূক্ত বেদত আছে। কিন্তু প্ৰতিভাৰ বলত বিশ্বামিত্ৰই সকলোকে চেৰ পেলাইছিল। ঋগ্বেদৰ তৃতীয় মণ্ডলৰ দুই-এটিত বাজে সকলোবোৰ সূক্তই বিশ্বামিত্ৰ-ৰচিত। পণ্ডিতসকলে কয় যে তেওঁৰ মন্ত্ৰবোৰ অতিশয় গম্ভীৰ ভাবেৰে পৰিপূৰ্ণ আৰু উচ্চাৰণ স্বৰ্গীয় আলোকেৰে উদ্ভাসিত। বিশ্বামিত্ৰৰ আত্মীয়-স্বজনসকল ৰাজ্য শাসন আদি ক্ষত্ৰিয়ৰ কামত নিযুক্ত আছিল; কিন্তু তেওঁ নিজৰ জীৱন ব্ৰহ্মচৰ্যাত নিয়োগ কৰি সমসাময়িক ব্ৰাহ্মণসকলৰ ভিতৰত অগ্ৰগণ্য হৈছিল। "প্ৰশাস্য গাং যস্তপসাভ্যগচ্ছৎ ব্ৰহ্মৰ্ষিতামেকশতং চ পুত্ৰান্।"

তেওঁ যিসকল বীৰপুৰুষৰ মাজত বাস কৰিছিল, তেওঁলোকৰ যাজন কামো কৰিছিল। পৰিচয়ৰ থলত বীৰপুৰুষসকলক 'ইমে ভোজাঃ' বুলি কৈ গৈছে। পৰম্পৰাক্ৰমে যি ঠাই তেওঁৰ আশ্ৰম বুলি নিৰ্দিষ্ট হৈ আহিছে, সি এতিয়াও "ভোজপুৰ" নামে খ্যাত। (ইংৰাজ সেনাৰ ভিতৰত আজি-কালিও ভালেমান "ভোজপুৰীয়া" যোদ্ধা আছে।) এঠাইত আবদাৰ কৰি ইন্দ্ৰই কৈছে -

"কিং তে কৃণ্বন্তি কীকটেষু গাৱঃ।"

'প্ৰভু। এই কীকট দেশৰ গৰুবোৰ তোমাৰ কোন উপকাৰত লাগে?'

"আ নো ভৰ প্ৰমগন্দস্য বেদঃ।"

'তুমি প্ৰমগন্দ ৰজাৰ ধন আমাক দিয়া।'

এইখিনিতেই এটি কথা মন কৰিবলগীয়া আছে। কীকট দেশৰ অন্য নাম মগন্দ বা মগধ ৰাজ্য। ইয়াৰ পৰা এনে ধাৰণা হয় যে মগধৰ সীমাতেই বিশ্বামিত্ৰৰ বাসস্থান আছিল। মগধৰ পশ্চিম সীমাতেই ভোজপুৰ আৰু বিশ্বামিত্ৰৰ "ভোজ" যজমানসকলৰ লগত মগধৰ দস্যুসকলৰ

১ বাঁহী, অষ্টম বছৰ, চতুৰ্থ সংখ্যা, শাওণ ১৮৩৩

বিৰোধৰ কথা অনেক ঠাইত উল্লেখ আছে। আকৌ এটি কথা মন কৰিবলগীয়া যে পৰৱৰ্তী কালত এই কীকট (মগধ) দেশতেই বুদ্ধদেৱৰ আৱিৰ্ভাৱ হৈছিল "বুদ্ধো নামাঞ্জন - সুতঃ কীকটেষু ভৱিষ্যতি।" যি ঠাইত আৰ্য গায়ত্ৰী মন্ত্ৰ প্ৰচাৰ কৰি ক্ষত্ৰিয় বিশ্বামিত্ৰই সমুদায় আৰ্য-সমাজকে এক মন্ত্ৰৰ ডোলেৰে বান্ধি সাম্যভাৱলৈ আনিছিল, সেই ভোজপুৰৰেই সীমান্তৱৰ্তী কীকট-ভূমিত ক্ষত্ৰিয় বুদ্ধদেৱ আৱিৰ্ভূত হৈ পিছৰ কালত বিশ্বমানৱ সমাজক মৈত্ৰী কৰুণাৰ ডোলেৰে বান্ধি অহিংসাবাদ প্ৰচাৰ কৰিছিল। বিশ্বজগৎখনেই মিত্ৰ-যাৰ এই বুলিয়েই যদি বিশ্বামিত্ৰ নাম হৈছিল, তেনেহ'লে এই বিশ্বপ্ৰেমিক মহাপ্ৰাণ ক্ষত্ৰিয়ৰ সীমান্তভূমিতযে বিশ্ব-প্ৰেমিক মহাপ্ৰাণ ক্ষত্ৰিয় বুদ্ধদেৱৰ আৱিৰ্ভাৱ হ'ব, এইটো ইতিহাসৰ এটি বৰ মনোৰম মিলন। ক্ৰমে বিশ্বামিত্ৰৰ যশ সমুদায় আৰ্যাৱৰ্তত বিয়পি পৰিল। সেই সময়ত পঞ্জাব অঞ্চলত সুদাস নামে এজন বৰ পৰাক্ৰান্ত ৰজা আছিল। তেওঁ আৰ্য, অনাৰ্য বহু ৰজাক নিজৰ শাসনাধীন কৰি এটি ডাঙৰ অশ্বমেধ যজ্ঞৰ অনুষ্ঠান কৰিলে। সুদাস কেৱল যোদ্ধাই নাছিল, তেওঁ এজন ৰাজৰ্ষিও। তেওঁৰ ৰচিত সূক্ত বেদৰ ভিতৰত আছে। বিশ্বামিত্ৰই অশ্বমেধ যজ্ঞলৈ নিমন্ত্ৰিত হৈ গৰুৰ গাড়ীৰে পঞ্জাবলৈ যোৱাৰ কথা বেদত আছে। বাটত যাওঁতে বিপাশা আৰু শতদ্ৰু নদী দেখি বিস্মিত হৈছিল। ৩য় মণ্ডলৰ ৩৩ সূক্তত এই বিস্ময় ভাৱ প্ৰকাশিত হৈছে -

পুৰোহিতঃ সন্নিজ্যাৰ্থং সুদাসা সহ যন্নৃষিঃ।
বিপাট ছুতুদ্ৰোঃ সম্ভেদং শমিত্যেতে উৱাচ হ।

(শৌনক)

যি হওক, গুণগ্ৰাহী ৰজা সুদাসে জাতিত ক্ষত্ৰিয় হ'লেও বিশ্বামিত্ৰক বশিষ্ঠৰ লগত ঋত্বিকৰ পদত বৰণ কৰিছিল। আৰু বিশ্বামিত্ৰৰ অনুচৰ কুশিকসকল (পূৰ্বপুৰুষৰ নামেৰে বিশ্বামিত্ৰৰ বংশ-পৰিয়ালসকল বেদত "কুশিকাশ" বুলি খ্যাত) অশ্বমেধৰ ঘোঁৰা ৰখাত নিযুক্ত হ'ল। এই যজ্ঞীয় কামক লক্ষ্য কৰি এটি সূক্তত ঋষিয়ে কৈছে -

মহাঁঋষিৰ্দেৱজা দেৱজূতোহস্তভ্নাৎ সিন্ধুমৰ্ণৱং নৃচক্ষাঃ।
বিশ্বামিত্ৰো যদবহ্য সুদাসম প্ৰিয়ায়ত কুশিকেভিৰিন্দ্ৰঃ॥

(ঋঃবেঃ ৩/৫৩/৯)

মূলাৰ্থ ঃ "বিশ্বামিত্ৰ মহান আৰু ঋষি। তেওঁ দেৱতাবো জনয়িতা আৰু দেৱসকলৰ দ্বাৰায় আকৃষ্ট আৰু নেতাসকলৰ উপদেশক। যেতিয়া বিশ্বামিত্ৰই সুদামৰ যজ্ঞকাৰ্য সম্পাদন কৰে, তেতিয়া ইন্দ্ৰ দেৱতাই কুশিকসকলৰ লগত অতিশয় প্ৰিয় ব্যৱহাৰ কৰে। অৰ্থাৎ যজ্ঞত ক্ষত্ৰিয়ই ঋত্বিকৰ কাম কৰাত ইন্দ্ৰ ৰুষ্ট নৈহে তুষ্টহে হৈছিল।

এই যজ্ঞত এটি বৰ বিষম ঘটনা ঘটে। আমি আগৰ প্ৰবন্ধবোৰত ক্ষত্ৰিয় আৰু ব্ৰাহ্মণসকলৰ জ্ঞানৰ নিমিত্তে প্ৰাধান্যৰ বাবে দুৰ্যোৰ অৰিয়া-অৰিৰ ভাৱৰ কথা কৈ আহিছো। এই অশ্বমেধ যজ্ঞত বশিষ্ঠৰ পুত্ৰ শক্তিও উপস্থিত আছিল। এই শক্তিয়ে অভিচাৰ মন্ত্ৰৰ দ্বাৰা বিশ্বামিত্ৰ আৰু তেওঁৰ জ্ঞাতি কুশিকসকলক সংজ্ঞাহীন কৰে।

সুদাসশ্চ মহাযজ্ঞে শক্তিনা গাথিসূনবে ॥
নিগৃহীতং বলাচ্চেতঃ সোঽৱসীদদ্বিচেতনঃ ।

(শৌনক)

এনেতে যজ্ঞত উপস্থিত থকা জমদগ্নি কুলৰ ঋষিসকলে “সর্সপৰী”- নামক সৌৰবিদ্যাৰ দ্বাৰায় কুশিকসকলক পুনৰায় চেতন কৰিলে ।

ঘৰৈলে উভতি আহি বিশ্বামিত্ৰই তেওঁৰ যজ্ঞ-যাত্ৰা কাহিনী বৰ্ণনা কৰি এটি সূক্ত ৰচনা কৰে (৩য় মণ্ডল, ৫৩ সূক্ত) । এই শ্লোকৰ শেহৰ চাৰিটা ঋকত বশিষ্ঠ-বংশীয়সকলৰ প্ৰতি তীব্ৰ অভিশাপ নিবদ্ধ আছে ।

বিশ্বামিত্ৰেণ তাঃ প্ৰোক্তা অভিশাপা ইতি স্মৃতাঃ ।

* * *

বশিষ্ঠাঃ তাঃ ন শৃণ্বন্তি তদাচাৰ্য্যক সম্মতম্ ॥
কীৰ্ত্তনাৎ শ্ৰৱণাদ্বাপি মহাদোষশ্চ জায়তে ।
শতধা ভিদ্যতে মূৰ্ধা কীৰ্ত্তিতেন শ্ৰুতেন বা ॥

(শৌনিক)

বশিষ্ঠ-বংশীয়সকলে এই চাৰিটা ঋক্ পঢ়িলে বা শুনিলে তেওঁলোকৰ মূৰ এশ খণ্ড হৈ ফাটি যাব । ঋগ্বেদৰ ৩য় মণ্ডলৰ অন্তৰ্গত সূক্তবোৰৰ ভিতৰত ৬২ শেহ সূক্ত । এই সূক্তত ১৮ টা ঋক্ আছে আৰু প্ৰত্যেক তিনিটা ঋক্ বেলেগ বেলেগ দেৱতাৰ উদ্দেশ্যে ৰচিত । ১০-১২ ঋক্বোৰ সবিতা, সূৰ্য নাইবা পৰমেশ্বৰৰ উদ্দেশ্যে প্ৰচাৰিত-

তৎ সৱিতুৰ্বৰেণ্যং ভৰ্গো দেৱস্য ধীমহি ।
ধিয়ো যো নঃ প্ৰচোদয়াৎ। ১০

এয়ে বিপ্ৰসকলে জপ কৰা “গাযত্ৰী’ মন্ত্ৰ-

“সবিতা দেৱতাৰ বৰণীয় তেজ আমি ধ্যান কৰোঁ, সেয়ে আমাৰ ধীশক্তি বা বুদ্ধি-বৃত্তি প্ৰেৰণ কৰে ॥”

ওপৰত তুলি দিয়া “তৎ সৱিতুঃ” ইত্যাদি মন্ত্ৰটোৰেই নাম গায়ত্ৰী । এই মন্ত্ৰটো গায়ত্ৰী নামক বৈদিক ছন্দত লিখা; ছন্দৰ নাম অনুসাৰে, ইয়াৰ নাম গায়ত্ৰী হৈছে । ইয়াৰ অপৰ নাম “সাৱিত্ৰী ।” এই মন্ত্ৰৰ দেৱতা সৱিতা দেৱতাৰ নাম অনুসাৰে ইয়াৰ নাম “সাৱিত্ৰী ।”-

সৱিতা দেৱতা যস্য মুখমগ্নিস্ত্ৰিধা স্থিতঃ ।
বিশ্বামিত্ৰ ঋষিশ্ছন্দো গায়ত্ৰী সা বিশিষ্যতে ॥

দক্ষ-সংহিতা, ২।৪১

যি মন্ত্ৰৰ দেৱতা সৱিতা, তিনিবিধ অগ্নিমুখ, বিশ্বামিত্ৰ ঋষি, ছন্দ গায়ত্ৰী- তাকেই ঋষিসকলে “সাৱিত্ৰী” বুলি কয় ॥

(৩)

বিশ্বামিত্ৰ আৰু বামদেৱ

ঋগ্বেদৰ ৪ৰ্থ মণ্ডলৰ বেছিভাগ সূক্তবেই ঋষি বা দ্ৰষ্টা গৌতম বামদেৱ। সেই মণ্ডলৰ ১৯, ২২, ২৩ সূক্তক সম্পাত-সূক্ত বোলে। এই সূক্তবোৰৰ প্ৰচাৰক বামদেৱ যদিও, এইবোৰৰ 'দ্ৰষ্টা' বিশ্বামিত্ৰ। বিশ্বামিত্ৰই এই মন্ত্ৰ প্ৰথমে উপলব্ধি কৰি, তেওঁৰ ব্ৰাহ্মণ শিষ্য বামদেৱৰ আগত প্ৰচাৰ কৰে। বামদেৱে গুৰু বিশ্বামিত্ৰৰ নাম লুকুৱাই নবালবিকৈ নিজৰ নাম 'সম্পাতিত' (প্ৰচাৰিত) কৰিছিল, জানোচা পলম হ'লে বিশ্বামিত্ৰই নিজৰ বুলি দাবী কৰে–

"কাল-বিলম্বে সতি বিশ্বামিত্ৰ আগত্য
স্বকীয়ত্বং প্ৰকটী কৰিষ্যতি ইতি ভীত্যা স্বয়ং
শীঘ্ৰমেৱ সম্পতৎ সম্যগধ্যেতুম্ শিষ্যাণ্
প্ৰাপ্তবান্ স্বকীয়ত্ব-প্ৰসিদ্ধ্যৰ্থং বহূন্‌শিষ্যান্।
সহসাধ্যাপয়ামাস" (সায়ণ)। সায়ণে এই ঠাইত বামদেৱৰ বিশেষণ দিছে "গুৰুদ্ৰোহভীতি-ৰহিতঃ।"

ব্ৰাহ্মণ শিষ্যৰ আচৰণত কুণ্ঠিত হ'ল যদিও, বিশ্বামিত্ৰই অভিশাপ নিদি, আকৌ তেনেকুৱা অইন সূক্তকে সম্পাত-ৰূপে প্ৰচাৰ কৰিলে। বেদ-বিদ্যাত প্ৰাধান্য বামুণৰ নে ক্ষত্ৰিয়ৰ আছিল, ৰাইজে বিবেচনা কৰিব। ক্ষত্ৰিয় বিদ্যা চুৰকৈ ব্ৰাহ্মণে নিজৰ নামে প্ৰকাশ কৰিবলৈ সঙ্কুচিত নহৈছিল।

বিশ্বামিত্ৰ আৰু শুনঃশেপ

আমি ওপৰত কৈ আহিছো যে ঋগ্বেদৰ আৰম্ভৰ সূক্তৰ ঋষি বিশ্বামিত্ৰ-কুমাৰ মধুচ্ছন্দা। শুনঃশেপৰ উপাখ্যানত মধুচ্ছন্দাৰ বিষয় অলপ জানিব পাৰি। ঐতৰেয় ব্ৰাহ্মণত শুনঃশেপৰ ঘটনা এটি বৰ কৰুণ দৃশ্য। ইক্ষ্বাকু বংশীয় বেদস ৰজাৰ পুত্ৰ হৰিশ্চন্দ্ৰ। হৰিশ্চন্দ্ৰৰ বহুত ভাৰ্যা থাকিলেও পুত্ৰ নাছিল। শেহত বৰুণ দেৱতাক এই বুলি প্ৰাৰ্থনা কৰিলে যে তেওঁৰ যদি পুত্ৰ সন্তান হয়, তেনেহ'লে সেই পুত্ৰেৰে যাগ কৰিব। ৰজাৰ পুত্ৰ সন্তান হ'লত, নাম ৰাখিলে ৰোহিত। ৰোহিত ডাঙৰ-দীঘল হ'ল, তথাপি ৰজাই যাগ নকৰে। শেহত বৰুণ দেৱতায়ো ক্ৰুদ্ধ হৈ প্ৰতিজ্ঞা ভঙ্গকাৰী ৰজাৰ উদৰী ৰোগ জন্মালে। ৰাজকুমাৰ ৰোহিতেও ধনু হাতত লৈ বনে বনে ফুৰিবলৈ ধৰিলে। বনত থাকোঁতে ৰোহিতে এদিন অজীগৰ্ত নামেৰে দুখীয়া বামুণ এজনক দেখিলে। বামুণৰ তিনিজন ল'ৰা। ৰোহিতে প্ৰস্তাৱ কৰিলে,– ব্ৰাহ্মণ, আপোনাক এশ গৰু দিম, আপুনি যাগ কৰিবলৈ এজন ল'ৰা দিয়ক। অজীগৰ্তই মধ্যম পুত্ৰ শুনঃশেপক দিলে। ৰাজপুত্ৰয়ো এশ গৰু দি ব্ৰাহ্মণ

কুমাৰক লৈ আহি পিতাকক ক'লে মোৰ সলনি যজ্ঞত অৰ্পণ কৰিবলৈ মানুহ এজন আনিছো। আপুনি সেইজনক অৰ্পণ কৰি প্ৰতিজ্ঞা বন্ধনৰ পৰা মুক্ত হওক।

সেই শুনঃশেপক মনুষ্য পশু-ৰূপে নিৰ্দেশ কৰি ৰজাই ৰাজসূয় যজ্ঞ পাতিলে। সেই যজ্ঞৰ হোতা-স্বৰূপে মহৰ্ষি বিশ্বামিত্ৰ উপস্থিত আছিল। মন্ত্ৰ উচ্চাৰণ কৰি পশুক "উপাকৰণ" কৰাৰ পিছত, যূপ কাষ্ঠত বান্ধিবলৈ কোনো মানুহেই আগ নেবাঢ়ে। শুনঃশেপৰ পিতা অজীগৰ্ত উপস্থিত আছিল। তেওঁ ক'লে– মোক আকৌ এশ গৰু দিয়াঁ, মই ইয়াক যজ্ঞীয় পশু বন্ধা খুঁটিত বান্ধি দিম। হৰিশ্চন্দ্ৰই এশ গৰু দিয়াত পিতাকে পুতেকক বান্ধিলে। যজ্ঞৰ আন আন কাম শেষ হ'লত পশু-বধ কৰিবলৈ কোনেও আগ নেবাঢ়ে। তেতিয়া অজীগৰ্তই মাত লগালে, মোক আকৌ এশ গৰু দিয়াঁ, মই ইয়াক বিশসন (বধ) কৰিম। হৰিশ্চন্দ্ৰই আকৌ এশ গৰু দিলে। তেতিয়া অজীগৰ্তই শানিত খড়্গ হাতত লৈ উপস্থিত হ'ল।

এই সঙ্কটত পশুৰ দৰে মৰিব লাগিব ভাবি শুনঃশেপে নানান দেৱতাসকলক স্তৱ কৰিবলৈ ধৰিলে। স্তৱত সন্তুষ্ট হৈ ইন্দ্ৰদেৱে মনে মনে তেওঁক হিৰণ্ময় ৰূপ দান কৰিলে। ইন্দ্ৰৰ আদেশমতে অশ্বিনীকুমাৰ আৰু উষাদেৱীৰ স্তৱ কৰাৰ পিছত শুনঃশেপৰ বন্ধন মুকলি হ'ল। হৰিশ্চন্দ্ৰ ৰজাও ৰোগ নিৰ্মুক্ত হ'ল।

এই কৰুণ দৃশ্যৰ অন্তত মহৰ্ষি বিশ্বামিত্ৰই ব্ৰাহ্মণ-কুমাৰক সাবটি ধৰি নিজৰ কোলাত বহুৱালে। তেতিয়া অজীগৰ্তই বিশ্বামিত্ৰক ক'লে, ঋষি তুমি মোৰ পুত্ৰক ফিৰাই দিয়াঁ। বিশ্বামিত্ৰই ক'লে, নিদিওঁ, দেৱসকলে এওঁক মোক দিছে। তেতিয়াৰ পৰাই বিশ্বামিত্ৰই জঘন্য "শুনঃশেপ নাম গুচাই "দেৱৰাত" (দেৱদত্ত) নাম দিলে। অজীগৰ্তই পুতেকক উদ্দেশ্য কৰি উভতি আহিবলৈ বহুত কাকূতি মিনতিৰ ভাও দেখুৱালে। শুনঃশেপে পিতাকৰ কাকূতিলৈ আওকাণ কৰি ক'লে, 'তুমি এবাৰ যি কাম কৰিছা, তাৰ পিছত তোমাৰ লগত সন্ধি স্থাপন হ'ব নোৱাৰে।' বিশ্বামিত্ৰয়ো ক'লে, 'সন্ধি হ'ব নোৱাৰে। তুমি অজীগৰ্তৰ পুত্ৰ হ'বলৈ এৰি মোৰ পুত্ৰ হোৱা।' শুনঃশেপে ক'লে, 'আপুনি ক্ষত্ৰিয় হৈও যেনেকৈ ব্ৰাহ্মণৰ অগ্ৰণী ৰূপে পৰিচিত, মই বংশত আঙ্গিৰস হৈ কেনেকৈ আপোনাৰ পুত্ৰ হওঁ ? ভাল আপোনাৰ পুত্ৰসকলে যদি একবাক্যে স্বীকাৰ কৰে যে মই আপোনাৰ পুত্ৰত্ব লাভ কৰিছো, তেনেহ'লে তেওঁলোকৰ প্ৰতি মোৰ ভ্ৰাতৃস্নেহ আহিব।' বিশ্বামিত্ৰৰ এশ পুত্ৰ। বিশ্বামিত্ৰই মধুছন্দা, ঋষভ, ৰেণু, অষ্টক আদি নামক পুত্ৰসকলক মাতি আনি ক'লে,– 'পুত্ৰসকল, তোমালোকে সকলোৱে শুনঃশেপক জ্যেষ্ঠ (ডাঙৰ) ভাই বুলি স্বীকাৰ কৰাঁ।' এশ পুত্ৰৰ ভিতৰত ৫০ জন মধুছন্দাতকৈ ডাঙৰ আৰু ৫০ জন সৰু। ডাঙৰ কেইজনে পিতাক বিশ্বামিত্ৰৰ কথাত মান্তি নহ'লত, পিতাকে তেওঁলোকক শাও দিলে, তেওঁলোকৰ সতি-সন্তানবোৰ নীচ জাতি হ'ব। মধুছন্দা আৰু বাকী কেইজনে পিতাকৰ আদেশকে শিৰোধাৰ্য কৰি দেৱৰাতক জ্যেষ্ঠ বুলি স্বীকাৰ কৰিলে। সন্তুষ্ট হৈ মহৰ্ষিয়ে আশীৰ্বাদ কৰিলে, 'যি সকলে মোৰ মত গ্ৰহণ কৰি মোক বীৰপুত্ৰ বিশিষ্ট কৰিলে, সেই পুত্ৰসকলৰ পশু লাভ আৰু বীৰপুত্ৰ লাভ হ'ব। হে গাথি বংশধৰসকল, তোমালোকৰ অগ্ৰগামী দেৱৰাতৰ লগত বীৰপুত্ৰ লাভ কৰি সকলোৱে আৰাধনা-যোগ্য হ'ব। হে পুত্ৰসকল, দেৱৰাতে

তোমালোকক সৎ উপদেশ দিব। হে কুশিকসকল, এই দেৱৰাত বীৰ, তোমালোকে এওঁৰ মতানুৱৰ্তী হৈ চলিবা। মোৰ যি ধন আছে, আৰু মই যি (পাৰমাৰ্থিক) বিদ্যা জানো, তোমালোকে সকলোৱে পাবা' ইত্যাদি। পিতৃৰ আশীৰ্বাদৰ গুণতেই বা নিজৰ প্ৰতিভাৰ বলতেই বিশ্বামিত্ৰ-কুমাৰ মধুচ্ছন্দাই ঋগ্বেদৰ গুৰিৰ ঠাইখিনি অধিকাৰ কৰি বহি আছে। বেদৰ আৰম্ভৰ ১৩ টা সূক্তই মধুচ্ছন্দাৰ বিশ্বামিত্ৰৰ আন আন পুত্ৰ আৰু দেৱৰাতৰো ভালেমান মন্ত্ৰ বেদৰ ভিতৰত আছে (ঐতৰেয় ব্ৰাহ্মণ)।

(২)

বেদৰ অপৌৰুষেয়ত্ব

৮ কাপ্তান বৰদলৈ আৰু অগাধ পানী জোখা যশস্পতি পণ্ডিতে যেনেকৈ সৃষ্টিৰ আদিৰে পৰা বেদ থকা বুলি কৈছে, তাৰপৰা এনেটোহে ধাৰণা হ'ব পাৰে যেন ঈশ্বৰে কোনোবা এসময়ত, ধৰা সৃষ্টিৰ লগে লগে কাপ আৰু চিয়াঁহী লৈ সাঁচিপাতত বৈদিক মন্ত্ৰবোৰ লেখি ভোজ খোৱা ব্ৰাহ্মণসকলক যজ্ঞত আবৃত্তি কৰিবলৈ দি দক্ষিণা পোৱাৰ উপায়-স্বৰূপ কৰি দি গ'ল! ই যে নিতান্ত হেয়, অশ্ৰদ্ধেয় আৰু অবিশ্বাস্য কথা, ইয়াৰ প্ৰমাণ নিতান্ত মূৰ্খত বাজে আন কাকো নেলাগে। 'অগাধ' যশস্পতি পণ্ডিতে কয় যে তেওঁৰ কথাটো যে সত্য তাৰ সাক্ষী গৰখীয়া ল'ৰাবোৰ! গৰখীয়া ল'ৰাক সাক্ষীৰ ঠাইত উপস্থিত কৰাত পণ্ডিতৰ ভুল হৈছে। যশস্পতিয়ে চাণক্যৰ ফকৰাৰ সহায়েৰেও যিটো নুবুজে, গৰখীয়া ল'ৰাই তাতকৈ বেছি বুজে। তাত বাজেও আন দেশৰ কথাকে নকওঁ, ভাৰতবাসী চকুত গৰখীয়া এটি বৰ পৱিত্ৰ সম্প্ৰদায়। গৰখীয়াৰ কাম কৰিয়েই গুৰুৰ উপদেশ নোহোৱাকৈয়ে সত্যকাম জাবালে ব্ৰহ্মতত্ত্ব উপলব্ধি কৰিছিল। গৰখীয়া কাম কৰিয়েই শ্ৰীকৃষ্ণই ভৱিষ্যৎ আধ্যাত্মিক নেতৃত্বৰ উপকৰণ গোটাইছিল।

যশস্পতিয়ে সাক্ষী মানিব লাগিছিল তেওঁৰ সম-ব্যৱসায়ী পানী জোখা পণ্ডিতসকলক!

বেদৰ অপৌৰুষেয়ত্বৰ বিষয়ে পুৰাণ মীমাংসক পণ্ডিতসকলে সূক্ষ্মাতিসূক্ষ্ম বিচাৰ কৰি থৈ গৈছে। আমি আগেয়ে যি কৈছোঁ, তাৰ লগত আচাৰ্য ত্ৰিবেদীৰ ভাষাত মীমাংসক পণ্ডিতসকলৰ মূল সিদ্ধান্তৰ মৰ্ম দিলো।

বেদক শব্দ-সমষ্টি বুলি গ্ৰহণ কৰিবৰ প্ৰথা আছে। এই শব্দ আমি শুনা আৰু বতাহত হোৱা শব্দ বুলি নধৰিলেও চলে। পুৰণি আচাৰ্যসকলে যি শব্দক অনাদি আৰু অপৌৰুষেয় বুলি কৈছিল, সি সাধাৰণৰ পক্ষে কিবা এটি অতীন্দ্ৰিয় বস্তু; সি নিত্যবস্তু-ৰূপে জগতত বিয়পি আছে। তাৰ আদি বিচাৰি পোৱা নেযায়, এতেকে সি অনাদি। সি কোনো পুৰুষৰ দ্বাৰা "কৃত" নহয়; এতেকে অপৌৰুষেয়। এনে কি, এই শব্দৰ পৰাই যেতিয়া ব্যৱহাৰিক আৰু পৰিদৃশ্যমান জগতৰ সৃষ্টি হোৱা বুলি শুনা যায়, এই "শব্দকেই" 'ঋত' বা সত্যৰ বিকাশ বুলি গ্ৰহণ কৰিব পাৰি।

সৰ্বসাধাৰণৰ পক্ষে অতীন্দ্ৰিয় হ'লেও কোনো কোনো মহাপুৰুষে সাধনাৰ বলত কেতিয়াবা তাৰ কোনো নহয় কোনো দিশ, কোনো নহয় কোনো অংশৰ সন্ধান পায়– সি যেন তেওঁলোকৰ "দৃষ্টি"-পথলৈ আহে। যিসকলে দেখিবলৈ পায় তেওঁলোক "ঋষি"। অন্যে যি নেদেখে, তাক তেওঁলোকে দেখে আৰু জন-সমাজৰ প্ৰচলিত ভাষাত শ্ৰৱণেন্দ্ৰিয়-গ্ৰাহ্য শব্দৰ দ্বাৰায় প্ৰকাশ কৰে। তেওঁলোকে যি দেখে আৰু প্ৰচাৰ কৰে সি চিৰকালেই আছিল– আছিল ইমান দিনে প্ৰচ্ছন্নভাৱে, তেওঁলোকে ব্যক্ত কৰি দিয়ে।

ঋক্ মন্ত্ৰবোৰো এদিনতে ৰচিত হোৱা নাছিল। পুৰুষানুক্ৰমে ঋষিসকলে নানান ঋক্ ৰচনা কৰি কৰি প্ৰাচীন বেদ বিদ্যাৰ কলেবৰ বৃদ্ধি কৰিছিল। ঋষিসকলৰ ভিতৰতো প্ৰাচীন, নতুন আছিল। ঋগ্বেদৰ গুৰিৰ সূক্তৰ ২য় ঋকতেই ইয়াৰ প্ৰমাণ আছে– "অগ্নিঃ পূৰ্বেভিৰ্ঋষিভিৰীড্যো নূতনৈৰুত ॥২॥

'অগ্নি পূৰ্ব ঋষিসকলৰ স্তুতিভাজন আছিল, নতুন-ঋষিসকলৰো স্তুতিভাজন।'

আকৌ–

"তান্ পূৰ্ব্বয়া নিৱিদা হূমহে বয়ং।"

'এই দেৱতাসকলক আমি প্ৰাচীন নিবিদৰ দ্বাৰা আহ্বান কৰিছো।'

আকৌ

"স পূৰ্ব্বয়া নিৱিদা কব্যতায়োৰিমাঃ প্ৰজাঃ" ইত্যাদি।

"তেওঁ স্তুতিগৰ্ভ প্ৰাচীন নিবিদৰ দ্বাৰা তুষ্ট হৈ' ইত্যাদি। আৰু অনেক ঠাইৰ পৰা মন্ত্ৰ উদ্ধাৰ কৰি দেখুৱাব পাৰি যে ঋক্ মন্ত্ৰবোৰ নানান ঠাইত নানান সময়ত ৰচিত হৈছিল। তাৰ ভিতৰত কিছুমান অতি প্ৰাচীন, কিছুমান অপেক্ষাকৃত আধুনিক।

যশস্পতি পণ্ডিতৰ কেইটামান প্ৰশ্ন দেখি "বাহোবা নন্দ" বুলি পিঠিত চাপৰি বজাই দিবৰ মন যায়। পণ্ডিতে সুধিছে, বিশ্বামিত্ৰৰ পিতৃ-পিতামহৰ দিনত গায়ত্ৰী নাছিল ? সেই কালৰ দ্বিজ জাতিটো গায়ত্ৰীহীন আছিল ? ইত্যাদি। বিশ্বামিত্ৰৰ আগেয়ে গায়ত্ৰী মন্ত্ৰ নাছিল, পিতৃ-পিতামহেই বা পাব ক'ৰপৰা বা "দ্বিজ" জাতিটোৱেই বা ক'ৰপৰা পাব ? বৈজ্ঞানিক জগতত নিউটনৰ আগেয়ে মাধ্যাকৰ্ষণৰ তত্ত্ব কোনে জানিছিল বা উদ্ভিজ্জীৱনৰ ৰহস্যৰ বিষয়েই বা আচাৰ্য জগদীশৰ আগেয়ে কোনে জানিছিল ?

বিশ্বামিত্ৰৰ সময়ৰপৰাই গায়ত্ৰী মন্ত্ৰ প্ৰচাৰিত হ'ল আৰু গায়ত্ৰীৰ গভীৰ আধ্যাত্মিক ভাব দেখি সকলো আৰ্য সমাজেই এই মন্ত্ৰক আধ্যাত্মিক জীৱনৰ ভেটি স্বৰূপে গ্ৰহণ কৰিলে। বেদৰ গায়ত্ৰীৰ দৰে উপনিষদৰ ব্ৰহ্মতত্ত্বকো ক্ষত্ৰিয়ৰ পৰাহে প্ৰথমে ব্ৰাহ্মণ সমাজে পায়। প্ৰমাণ আগেয়ে দিয়া হৈছে।

(৩)
ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়

আগৰ আৰু বৰ্তমান প্ৰবন্ধত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ পৰস্পৰ যি সম্বন্ধৰ কথা আলোচনা কৰি অহা হৈছে তাৰঁপৰা বাইজে অতি ফটফটীয়াকৈ দেখিব পায়, বেদৰ দিনৰেপৰাই ক্ষত্ৰিয়সকলেহে ধৰ্মৰ সূক্ষ্ম তত্ত্বত আধ্যাত্মিক নেতাৰ কাম চলাই আহিছে। জাতি হিচাপে ব্ৰাহ্মণ সমাজে বেদ জনা দোষৰ কথা, বেদ কি বস্তু তাক চকুৰে নেদেখাত পৰিছে। কিন্তু সঁচাই হওক, মিছাই হওক, যিমান দিন গায়ত্ৰী মন্ত্ৰ জপ কৰা বুলি ব্ৰাহ্মণে কৈ থাকিব তিমান দিনেই অতৰ্কিতভাৱে ক্ষত্ৰিয়ৰ সূৰ্যৰ দৰে উজ্জ্বল প্ৰতিভাকহে তেওঁলোকে স্বীকাৰ কৰি থাকিব।

বেদৰ পিছত যেতিয়া উপনিষদ বা ব্ৰহ্মবিদ্যাৰ প্ৰচাৰ হয়, তাৰো নেতাৰ কাম কৰি আহিছে প্ৰতিভাশালী ৰাজন্যমণ্ডলীয়ে। প্ৰৱাহণ জৈবলিয়ে স্পষ্টকৈ কৈছে– "হে গৌতম, তোমাৰ আগেয়ে কোনো ব্ৰাহ্মণেই এই বিদ্যা পোৱা নাই। সেই কাৰণে সকলো লোকেই ক্ষত্ৰিয়ৰ অধীন।"

ব্ৰহ্মবিদ্যাৰ অধিষ্ঠাতা পুৰুষসকল ক্ষত্ৰিয় ৰাজন্যবৰ্গ। উপনিষদৰ বিৰাট জ্ঞান মাৰ্গৰ পিছত ভাৰতত যেতিয়া সাংখ্য বেদান্ত আদি নানান দাৰ্শনিক মতৰ আৱিৰ্ভাৱ হৈ আধ্যাত্মিক জীৱনৰ গুৰি বিকম্পিত কৰি ধৰ্ম-জীৱনৰ জৰি শিথিল কৰি দিবৰ উপক্ৰম কৰিলে, তেতিয়া ক্ষত্ৰিয় শ্ৰীকৃষ্ণ ওলাই অভিনৱ ভক্তি-মন্ত্ৰ প্ৰচাৰ কৰি, ভক্তিৰ ডোলেৰে বেদ, বেদান্ত, সাংখ্য যোগ, সকলোকে মেৰাই লৈ সুগম সহজ ভক্তি-মাৰ্গ স্থাপনা কৰিলে। হিন্দু ধৰ্মৰ চৰম অভিব্যক্তি গীতা শাস্ত্ৰত। বেদ যদি হিন্দু ধৰ্মৰ শিপা, গীতা হিন্দু ধৰ্মৰূপ লতাৰ পূৰ্ণবিকশিত ফুল। গীতাই হিন্দু ধৰ্মৰ শেষ বিকাশ। ইয়াৰ পিছত হিন্দু ধৰ্মৰ বৈদিক আদৰ্শ অনুসাৰে অভিব্যক্তি হোৱা নাই। পিছৰ কালৰ পুৰাণ গ্ৰন্থবোৰত বেদ, বেদান্ত, উপনিষদ আদিৰ নিগূঢ় ভাবকেই নানান মনোৰম কাব্য আখ্যান আদিৰ সহায়েৰে সহজবোধ্য কৰি ফুটাই তোলা হৈছে। তন্ত্ৰ-শাস্ত্ৰবোৰত হিন্দু, বৌদ্ধ, আৰ্য-অনাৰ্য– সকলোৰে ভাবৰ সংমিশ্ৰণ আছে।

ইয়াৰ লগতে আৰু এটি কথা বিশেষ মন কৰিবলগীয়া। যিবোৰ শাস্ত্ৰ ক্ষত্ৰিয়-প্ৰচাৰিত বা যিবোৰত ক্ষত্ৰিয়-প্ৰাধান্য আছে, সেইবোৰত জাতি নিৰ্বিশেষে সকলোকে অধিকাৰ দিয়া হৈছে। বেদত ক্ষত্ৰিয়ৰ প্ৰাধান্য আছে, বেদে নিজেই সকলোকে সমান অধিকাৰ দিছে। উপনিষদ বিদ্যা ক্ষত্ৰিয়-প্ৰচাৰিত। উপনিষদে জন-সমাজত ঠাই নোহোৱা দাসী-পুত্ৰ, শূদ্ৰ জানশ্ৰুতি সকলোকে নিজৰ কোলাত সাৱটি ধৰিছে। গীতা ক্ষত্ৰিয়-প্ৰচাৰিত; গীতাই সকলোকে গীতা-তত্ত্বত অধিকাৰ দিছে–

"মাং হি পাৰ্থ ব্যপাশ্ৰিত্য যেঽপিস্যুঃ পাপযোনয়ঃ।
স্ত্ৰিয়ো বৈশ্যাস্তথা শূদ্ৰাস্তেঽপিয়ান্তি পৰাংগতিম্।" ৯/৩২

'হে পাৰ্থ, গীতাত উক্ত মাৰ্গেৰে মোক আশ্ৰয় কৰি হীনযোনি, স্ত্ৰী, বৈশ্য, শূদ্ৰসকলেও পৰম গতি পাব পাৰে।'

ইয়াৰ বিপৰীতফালে যিবোৰ শাস্ত্ৰ ব্ৰাহ্মণ-প্ৰচাৰিত, সেইবোৰত তলতীয়া জাতিবোৰক জ্ঞানত অধিকাৰ দিয়া দূৰত থাওক, পশুতকৈও নিকৃষ্টভাৱে ব্যৱহাৰ কৰিবলৈ বিধি আছে। স্মৃতি-শাস্ত্ৰবোৰ

ব্ৰাহ্মণবোৰৰ নিজে লিখা শাস্ত্ৰ। জাতি-বিচাৰ হিচাপে তাত ব্ৰাহ্মণৰ ফোপোলা আত্মগৌৰৱ প্ৰকাশত বাজে অইন কথা নাই।

দুখন প্ৰায় সম-বিষয়ক শাস্ত্ৰৰপৰা কথাটো সৰলভাৱে বুজাই দিয়া যাওক। গীতা আৰু বেদান্ত সূত্ৰ দুখন গ্ৰন্থই উপনিষদক আশ্ৰয় কৰি বৰ্তি আছে। উপনিষদৰ জটিল তথ্যবোৰ পৰিপাটিকৈ দুখনতেই প্ৰচাৰ কৰা হৈছে। গীতা-মাহাত্ম্যত আছে যে উপনিষদবোৰ গাভীৰ দৰে আৰু গীতা-তত্ত্ব সেই গাভীৰ গাখীৰৰ দৰে। তাত বাজেও গীতাৰ ভালেমান শ্লোকত উপনিষদৰ মন্ত্ৰ অক্ষৰে অক্ষৰে উদ্ধৃত আছে। অথচ সেই গীতাক ভগৱান শ্ৰীকৃষ্ণই সকলোকে পঢ়িবলৈ অধিকাৰ দিছে। অথচ বেদান্ত-সূত্ৰত বাদৰায়ণে শূদ্ৰৰ অধিকাৰ নাই বুলি কৈছে। বেদান্ত-সূত্ৰৰো উপজীব্য উপনিষদ শাস্ত্ৰবোৰেই। সত্যকাম আৰু জানশ্ৰুতিৰ ঘটনা লৈ বিমোৰত পৰি বাদৰায়ণে নানান কাল্পনিক যুক্তিৰ অৱতাৰণা কৰিছে। সত্যকামৰ বিষয়ে কৈছে যে সত্যকামক ব্ৰাহ্মণ বুলি ধাৰণা কৰিহে গৌতমে ব্ৰহ্মবিদ্যাত অধিকাৰ দিছিল। কিন্তু এই ধাৰণাৰ মূল কি? সত্যকামৰ ব্ৰাহ্মণত্বৰ নিৰ্ণয় হৈছিল তেওঁৰ কঠোৰ সত্যপৰায়ণতাৰপৰা। নিকৃষ্ট জাতিৰ ভিতৰত যদি আকৌ কোনোবাই এই সত্যপৰায়ণতাৰ পৰিচয় দিয়ে, তেওঁ ব্ৰাহ্মণ বুলি স্বীকৃত হ'বনে? এই বিষয়ত বাদৰায়ণ নিমাত। জানশ্ৰুতিক টানি-আঁজুৰি ক্ষত্ৰিয় বুলি প্ৰমাণ কৰিবৰ চেষ্টা কৰিছে। তেওঁৰ গোটেইবোৰ যুক্তি আলোচনা কৰা অপ্ৰাসঙ্গিক। জানশ্ৰুতি ৰজা যেতিয়া, ক্ষত্ৰিয় হ'বই লাগিব। কিন্তু শূদ্ৰ ৰজাও যে থাকিব পাৰে এইটো তেওঁ ধৰা নাই। "মনু-সংহিতা"ত (৪ অধ্যায় ৬১ শ্লোক) আছে যে ব্ৰাহ্মণে শূদ্ৰ ৰাজ্যত বাস কৰিলে পতিত হয়— "ন শূদ্ৰং ৰাজ্যে নিৱসেৎ।" মনুস্মৃতিৰ পৰা শূদ্ৰ ৰজা আৰু শূদ্ৰ ৰাজ্যও যে আছিল এইটোও প্ৰমাণিত হয়। বাদৰায়ণে আকৌ কৈছে ব্ৰাহ্মণে শূদ্ৰৰ কন্যা পত্নীৰূপে গ্ৰহণ নকৰে। জানশ্ৰুতিয়ে নিজৰ কন্যাক ৰৈক্ব ঋষিক অৰ্পণ কৰিছিল। কিন্তু স্বয়ং কৃষ্ণ দ্বৈপায়ন ব্যাস যে ব্ৰাহ্মণৰপৰা ধীবৰ কন্যাৰ গৰ্ভত ওপজা এইটোৰ উল্লেখ কৰা হোৱা নাই। কক্ষীৱান দীৰ্ঘতমাৰ ঔৰসত দাসীৰ গৰ্ভত ওপজা ইত্যাদি। অদ্বিতীয় দাৰ্শনিক বাদৰায়ণে স্বাভাৱিক জাতীয় সংকীৰ্ণতাৰ বশৱৰ্তী হৈ এইখিনিতেই বিষম দুৰ্বলতা প্ৰকাশ কৰিছে। যি হওক, এক উপনিষদ শাস্ত্ৰৰ পৰা সমুদ্ভূত দুখন গ্ৰন্থৰ ভিন্নভাব ওপৰত দিয়া কথাবোৰৰ পৰাই বুজিব পাৰি। আগৰ প্ৰবন্ধবোৰত দেখুওৱা হৈছে যে বৈশ্য অন্ধমুনিৰ পৰা শূদ্ৰাৰ গৰ্ভত ওপজা ল'ৰাক মাৰি দশৰথৰ ব্ৰহ্মহত্যা পাতক হৈছিল। শ্ৰীৰামেও জটায়ু পক্ষীক ভক্ত হিচাপে ব্ৰহ্মবেদ অনুসাৰে সংস্কাৰ কৰিছিল। অনাৰ্য তপস্বিনী শবৰীৰ ঘৰত ৰামে ফল-মূল খাই ভক্তক প্ৰীত কৰিছিল।

কিন্তু ৰাম যেতিয়া নগৰলৈ উভতি আহি ৰজা হ'ল ব্ৰাহ্মণৰ দুৰ্ভেদ্য ষড়যন্ত্ৰত পৰি তেওঁ শম্বুক নামৰ শূদ্ৰ তপস্বীৰ মূৰ কাটি পেলালে। যি কঠোৰ ৰাজধৰ্মৰ বশৱৰ্তী হৈ নিজৰ নিৰ্দোষ ভাৰ্যাক এৰিব পাৰিছিল, তেওঁৰ মনত শূদ্ৰ তপস্বীক কটা তুচ্ছ কথা। কিন্তু শূদ্ৰ তপস্বীক কটাৰ গুৰিতে যে ব্ৰাহ্মণৰ ষড়যন্ত্ৰ, এইটো ৰামায়ণৰ কথা।

এঠাইত উন্মুক্ত ক্ষত্ৰিয় প্ৰাণ, আন ঠাইত প্ৰজাৰ ষড়যন্ত্ৰাধীন, প্ৰজাৰঞ্জন ৰূপ আদৰ্শৰ অধীনতাও স্মৰ্তব্য।

পৰৱৰ্তী যুগত যেতিয়া বিশ্বমানৱৰ বেদনাৰ ভাৰ কমাবলৈ ভগৱান শাক্যসিংহ আৰু জৈন তীৰ্থংকৰৰ আবিৰ্ভাব হ'ল, এই মহাপ্ৰাণ ক্ষত্ৰিয়-কুমাৰ দুজনে পৃথিবীৰ সকলো প্ৰাণীৰ ওপৰতেই অভিনৱ কৰুণাৰ ধাৰা বৰ্ষণ কৰিলে।

বিশাল ভাৰত প্ৰশান্ত ধৰ্মবোৰৰ উৎপত্তি স্থান। আৰু সকলোবোৰ ধৰ্মই ক্ষত্ৰিয়ৰ দ্বাৰায় প্ৰচাৰিত। বিশ্বজগতখনেই মিত্ৰ যাৰ সেই যে বেদৰ ক্ষত্ৰিয় বিশ্বামিত্ৰ, তেওঁৰেই স্বজাতিসকলে জাতি নিৰ্বিশেষে বিশ্বমানৱৰ কল্যাণৰ নিমিত্তে যুগে যুগে নানান ধৰ্ম প্ৰচাৰ কৰিছিল। বামুণে স্মৃতি লেখিছিল, শাস্ত্ৰৰ ভাষ্য লেখি অনেক ঠাইত উদাৰ, শাস্ত্ৰীয় মতক সংকীৰ্ণ কৰিছিল, আৰু পৌৰোহিত্যক নানান উপায়ে গজ্জাজীয়াকৈ ৰাখিছিল।—

"তস্মাৎ ক্ষত্ৰাৎ পৰং নাস্তি তস্মাদ্ ব্ৰাহ্মণঃ
ক্ষত্ৰিয়মধস্তাদুপাস্তে ৰাজসূয়ে ক্ষত্ৰ এব্
তদ্যশো দধাতি।" (বৃহদাৰণ্যক)

'সেই কাৰণে ক্ষত্ৰিয়তকৈ কোনো ডাঙৰ নাই। সেই কাৰণে ৰাজসূয় যজ্ঞত ব্ৰাহ্মণেও (ৰাজ-আসনৰ তলত) ক্ষত্ৰিয়ক উপাসনা কৰে। ক্ষত্ৰিয়ইহে ব্ৰাহ্মণক যশস্যা দিয়ে।'

(৪)

টেঙৰ বৰদলৈ আৰু অগাধ যশস্পতি

বৰদলৈদেৱে কৈছে যে 'বিজুলী' তেৰা-বেঁকা আৰু ক্ষণিক। কিন্তু তেখেতে বুজিও নুবুজিলে 'বিজুলী'ৰ বাৰ্তা কিঃ "ইয়ং বিদ্যুৎ সৰ্ব্বেষাং ভূতানাং মধ্বস্যৈ বিদ্যুতঃ সৰ্ব্বাণি ভূতানি মধু যশ্চায়মস্যাং বিদ্যুতি তেজোময়ঃ অমৃতময়ঃ পুৰুষো যশ্চায়মধ্যাত্মং তৈজসঃ তেজোময়ঃ অমৃতময়ঃ পুৰুষোঽয়মেৱ স যোঽয়মাত্মেদমমৃতমিদং ব্ৰহ্মেদং সৰ্ব্বং (বৃহদাৰণক ২ অধ্যায়)

—'এই বিজুলী সকলো প্ৰাণীৰেই মৌৰ নিচিনা। সকলো প্ৰাণীয়েই বিজুলীৰ মনত মৌ। এই বিজুলীৰ অন্তৰালত যি তেজোময়, অমৃতময় পুৰুষ বৰ্তমান (ভবানন্দ পাঠক নহয়) সেয়ে বিশ্বাত্মা, সেয়ে অমৃত, সেয়ে ব্ৰহ্ম, সেয়ে সকলো।'

টেঙৰ বৰদলৈয়ে বুজিও নুবুজাৰ ভাও জুৰি অগাধ পাণ্ডিত্যৰ "ছাৰ্টিফিকেট" দি বৈষ্ণৱ যশস্পতিক সমজ্যাত নমাই দি পাঠকসকলক "দকৈ গমি চাবলৈ" কৈছে। বৰদলৈদেৱে ভাবিছে, 'বচন'বোৰ যদি যশস্পতিয়ে ঠিক-ঠাককৈ মাতে তেনেহ'লে ৰাইজে ভাবিব এখেত অগাধ পণ্ডিতেই; যদি 'বেসুৰা' হয়, তেনেহ'লে ৰাইজে ভাবিব যে "আত্মবিনোদন থিয়েটৰ"ৰ মোশ্যন মাষ্টৰ ভোলায়ে পণ্ডিতৰ সাজেৰে এইটো নতুন বহুৰূপাহে ভাওনা-ঘৰৰ সভাত নমাইছে। টেঙৰ বৰদলৈ। পণ্ডিতে আত্ম-পৰিচয় দি অবান্তৰ কথা কৈ আচল কথা নক'লে। তেওঁৰ বৰ্ণ কি? অৰ্থাৎ তেওঁৰ জাতি কি আৰু "বৰ্ণ" অৰ্থাৎ গাৰ ৰং কেনেকুৱা। নামৰ শেহত শৰ্মা আছে যদিও তাৰ পৰা একো ঠাৱৰ কৰিব নোৱাৰি। বামুণৰ লগত গণকেও "শৰ্মা" লেখা দেখা যায়। তেওঁ পৰিচয় নিদিয়াহেঁতেন কথাই নাছিল, দিছে যেতিয়া পূৰাকৈ দিয়াই ভাল। পণ্ডিতে ভোলাইৰ ছাৰ্টিফিকেটতে সন্তুষ্ট নহৈ

একেবি নিজেও পাণ্ডিত্যৰ নমুনা দিবলৈ গৈ "চাতুৰিমা" দেখুৱালে। তেখেতে "চাতুৰিমা" শব্দক সংস্কৃত কোষৰ অন্তৰ্গত নেদেখি, ব্যাকৰণৰ দোহাই দি ৰাইজক যি ইচ্ছা ভাবিবলৈ কৈছে। ৰাইজেও জানে যে "চাতুৰিমা" শব্দ সংস্কৃত ব্যাকৰণৰ অন্তৰ্গত নহয়। "চতুৰ" শব্দৰ পৰা ভাবাৰ্থত চাতুৰ্য্য, চাতুৰী, চতুৰতা, চতুৰত্ব, এই চাৰিটা শব্দ ওলায়, "চাতুৰিমা" নোলায়। তদ্ধিত "ইমনিচ্" প্ৰত্যয় পৃথু, দৃঢ়াদি আৰু বৰ্ণ-বাচক শব্দৰ পিছত বহে। এইবোৰৰ ভিতৰত 'চতুৰ' শব্দ নপৰে। "মধুৰ" শব্দ পৰে, তাৰ পৰা 'মধুৰিমা' ওলাইছে। দৃঢ়াদি সংখ্যিকগণ আকৃতিগণ নহয়। দৃঢ়াদিৰ ভিতৰত ২৪ টা শব্দ আছে। তাৰ ভিতৰত "চতুৰ" নাই। যদিবা তৰ্কৰ খাতিৰত ধৰা গ'ল আছে, "চতুৰ"ৰপৰা "চতুৰিমা" নহৈ "চাতুৰিমা" হয় কেনেকৈ? পণ্ডিতে যিটো আকৃতিগণৰ কথা কৈছে সেইটো "ষ্যণ্" প্ৰত্যয়াত্মকহে। গুণবচন ব্ৰাহ্মণাদিভ্যঃ কৰ্ম্মনি চ (ষ্যঞ্)। আকৃতি গণোৰম্ (পাণিনি) "চাতুৰিমা" শব্দ সংস্কৃত কোষৰ অন্তৰ্গত নহয়; ব্যাকৰণৰ দ্বাৰায় সিদ্ধ নহয়। যদি হয়, ব্যাকৰণৰ সূত্ৰ উদ্ধাৰ কৰি বুজাই দিয়ক। –আমাৰ হ'লে শংকা হৈছে "চাতুৰিমা" ব্যাখ্যা কৰা দেখি তেওঁৰ টোলৰ কোনোবা "চতুৰ' ল'ৰাই মূৰৰ পৰা টিকনি 'খাৰিজ' কৰি ৰবৰ এঠাৰে তলৰপিনে লগাই দিয়েহে। যশস্পতিদেৱে কৈছে– ৰাইজে কি ভাবে ভাবক। ৰাইজে আকৌ কি ভাবিব– ৰাইজে ভাবিছে যে– টেঙৰ বৰদলৈয়ে বিনোদ দেখুৱাবলৈ বহুৱাৰ হতুৱাই পণ্ডিতৰ ভাও দিয়াইছে।

পণ্ডিতে আকৌ বচন মাতিছে– "ঘোষাদিয়ে মন্ত্ৰ ৰচা নাই। এয়ে স্থূল কথা।" ৰাইজে আমি য'ত ৰচনা কৰাৰ কথা কওঁ বেদৰ পৰিভাষা মতে তাত "দেখা" বুজিব (ঋষি=দ্ৰষ্টা)।

"মমাপি মন্ত্ৰাঃ প্ৰাদুঃস্যুৰ্ যৈস্তোষ্যেতে

ময়াশ্বিনৌ। চিন্তয়ন্তীতি সূক্তে দ্বে যো বাংপৰি দদৰ্শ সা।" (শৌনক)

পাপ ৰোগ-গ্ৰস্তা ঘোষাই ইচ্ছা কৰিলে অশ্বিনীকুমাৰক স্তুতি কৰিবলৈ- মোৰো যদি অন্তৰত মন্ত্ৰৰ উদয় হ'লহেঁতেন; এইদৰে চিন্তা কৰোঁতে "যো বাং পৰি" বুলি আৰম্ভ হোৱা মন্ত্ৰ দুটি "দেখিলে" (অন্তৰত উপলব্ধি কৰি ৰচনা "কৰিলে")

বিশ্বামিত্ৰৰ ধাৰাবাহিক চৰিত ওপৰত দিয়া হৈছে। গায়ত্ৰীযে বিশ্বামিত্ৰ-ৰচিত বৈদিক গ্ৰন্থবোৰতেই আছে। পণ্ডিতে কৈছে গায়ত্ৰী ব্ৰহ্মৰ মুখৰপৰা ওলাইছে। (গায়ত্ৰী নিৰ্গতা ব্ৰহ্মণো মুখাৎ)। পণ্ডিতে নিজৰ উদ্ধৃত বচন নিজেই নুবুজে। হংসযানত উঠি ব্ৰহ্মাই মুখ মেলোঁতে গায়ত্ৰী মন্ত্ৰ ওলাল, এইটো নহয়। অন্তৰত ব্ৰহ্ম উপলব্ধি কৰি মহৰ্ষিসকলে যিবোৰ মন্ত্ৰ প্ৰচাৰ কৰিছে সেইবোৰকেই ব্ৰহ্মৰ মুখৰপৰা ওলোৱা বুলি কয়।

শ্ৰুতিত আছে– ব্ৰহ্মৱিৎ ব্ৰহ্মৈৱ্ ভৱতি। 'যি ব্ৰহ্ম জানে তেওঁ ব্ৰহ্ম হয়।' অন্তৰত ব্ৰহ্মক জানি ঋষিসকলে বেদ-মন্ত্ৰবোৰ ৰচনা কৰিছিল। সেই দেখি বেদৰ অপৰ নাম "ব্ৰহ্ম" আৰু যেয়ে অন্তৰত ব্ৰহ্মোপলব্ধি কৰিব পাৰে সেয়ে জাতি-নিৰ্বিশেষে ব্ৰাহ্মণ। এই বিষয়ে উপনিষদৰ মীমাংসা দিয়া হৈছে।

পুথি-পূজাৰ বিষয়ে "অগাধে" যি কৈছে তাৰপৰা জনা যায় তেখেত মহাপুৰুষীয়া ধৰ্মৰ বিষয়ে সুগভীৰ অজ্ঞ। পুতলা-পূজাক যি হিচাপত পূজা বোলে তেনে পূজা মহাপুৰুষীয়া ধৰ্মত নাই। মহাপুৰুষীয়াই কাঠৰ, শিলৰ বা মাটিৰ পুতলা সাজি 'মন্ত্ৰ' মাতি পূজা নকৰে। মহাপুৰুষীয়াৰ ধৰ্মৰ আদৰ্শ নাম-স্মৰণ আৰু ৰূপ-ধাৰণ। সেই ধৰ্মৰ মৌলিক উপাদান জ্ঞান; সেই কাৰণে আসনত জ্ঞান-গৰ্ভ পুথি থাপনা কৰি সেই পুথিক সেৱা কৰে। শাস্ত্ৰই জ্ঞান-গৰ্ভ পুথিক বিষ্ণুৰ "বাঙ্ময়ী মূৰ্ত্তি" বুলি কৈছে। পুথি যে ঈশ্বৰৰ অংশই নহয়, ঈশ্বৰৰ আৱাসস্থান, "গীতা" যে "চোত্তমং গৃহম্" "শাস্ত্ৰ-যোনিত্বাৎ" আদি ঈশ্বৰৰ উক্তিৰপৰাই জানিব পাৰি।

"অগাধ"ৰ অইন অইন কথাবোৰ আগলৈ জাৰি-চালি দেখুওৱা যাব পাৰে। তেতিয়া ৰাইজৰ ইচ্ছা হয় "অগাধ"ৰ আদি 'অ' বাহাল ৰাখিব নাইবা খাৰিজ কৰে, যি কৰে কৰিব। এই বিষয়ে স্বাধীনভাৱে ভাবিবলৈ তেখেতেই ৰাইজক অনুমতি দিছে।

(৫)

ভট্টদেৱ আৰু বৰদলৈদেৱ

দামোদৰদেৱৰ ধৰ্মমতৰ লগত যে বৰদলৈৰ ধৰ্মমত নিমিলে, এইটো কথা তেওঁ প্ৰকাৰান্তৰে স্বীকাৰ কৰি বঙ্গদেশী বৈষ্ণৱসকলৰ কথা অবান্তৰভাৱে কৈ সৈ কাঢ়িছে যে আগেয়ে ভগৱতী দেৱীক স্তুতি কৰিলে পিছত কৃষ্ণৰ ওচৰলৈ যাব পাৰি আৰু এই ভাবতহে তেওঁ ব্যষ্টিত সমষ্টি পায় (Unity in diversity)। এইটো বৰদলৈদেৱৰ ব্যক্তিগত আদৰ্শ হ'ব পাৰে আৰু এই বিষয়ে কাৰো একো ক'বৰ অধিকাৰ নাই। কিন্তু নিজৰ ব্যক্তিগত ভাবকেই দামোদৰদেৱৰ ধৰ্মমত বুলি চলাই দিবলৈ যোৱাত বহুত সাধাৰণ গ্ৰন্থ-লেখকে নিজে পুথি লেখি প্ৰশংসা পাবলৈ লব্ধপ্ৰতিষ্ঠ মানুহৰ নামে চলাই দিয়াৰ দৰে হয়। ইও এক ধৰণৰ জাল-জুৱাচুৰিয়েই;– নান্যৎ।

বৰদলৈদেৱৰ আৰু তেখেতৰ ছাৰ্টিফিকেট পোৱা যশস্পতি পণ্ডিতৰ বক্তব্য এয়ে যে আগেয়ে শিৱ-দুৰ্গাক পূজা কৰিলেহে তেওঁলোকে ভক্তক লৈ বিষ্ণুৰ দুৱাৰত হাজিৰ কৰিবগৈ। "স্বঙ্গানামভেদেঽপি" বুলি ভট্টদেৱে কৈছে যে গাৰ অঙ্গবোৰ অভেদ হ'লেও যেনেকৈ মুখেৰে খালেহে শৰীৰৰ সকলো অঙ্গ-প্ৰত্যঙ্গবোৰৰ পৰিপুষ্টি হয়, তেনেকৈ দেৱতাসকল অভেদ হ'লেও বিষ্ণুৱেহে মুক্তি দিব পাৰে। শকুন্তলা কাব্য পঢ়োৱা যশস্পতিৰ চকু অৰ্থতকৈ উপমাৰ ওপৰত আগেয়ে পৰে। সেইদেখি তেওঁ উপমাৰ সাৰ্থকতা বিচাৰি এইখিনি পালে যে শিৱ জানিবা হাতৰ দৰে, হাতে যেনেকৈ মুখত ভাত তুলি দিয়ে সেইদৰে শিৱইহে ভক্তক বিষ্ণুৰ ওচৰলৈ নিয়ে। এয়ে হেনো ভট্টদেৱৰ অভিপ্ৰেত অৰ্থ। বোধ হয় পণ্ডিতে ভট্টদেৱৰ "ভক্তি-বিৱেক" পঢ়া নাই। ভট্টদেৱে নিজৰ অভিপ্ৰেত অৰ্থ নানান শাস্ত্ৰৰ নানান শ্লোক-সংগ্ৰহৰ দ্বাৰায় ফট্‌ফটীয়াকৈ প্ৰকাশ কৰি গৈছে। কিন্তু কাব্যৰ পণ্ডিতে পাহৰিলে যে মুখেৰে ভাত খালেহে হাতখনৰো পুষ্টি সাধন হয়। এতেকে শিৱৰ যি ঐশ্বৰ্য সিও বিষ্ণু-প্ৰসাদলব্ধ। হাতখনত ভাত গুঁজি দি থাকিলে হাতখনো শুকাইহে যাব। যি হওক,

যশম্পতি যে মহাপুৰুষীয়া ধৰ্মৰ দৰে দামোদৰ-পন্থীৰ ধৰ্মৰ-বিষয়েও একেবাৰে অজ্ঞ, এইটো তেওঁৰ কথাৰ পৰাই বুজা যায়। ভট্টদেৱৰ অভিপ্ৰায়-প্ৰকাশক গোটেইবোৰ শ্লোক তলত তুলি দিয়া হ'ল।

"ননু বিধ্যুক্তেন মাংৰ্গণ ভগৱদৰ্চ্চনে

ক্ৰিয়মাণে নিত্যোক্ত-পঞ্চ-যজ্ঞ-দেৱতা-পূজা

ন স্যাৎ তত্ৰাহ।" অৰ্থাৎ 'স্মৃতি-শাস্ত্ৰত বিধান আছে যে গৃহস্থই নিতৌ পঞ্চযজ্ঞ কৰিব লাগে। যদি স্মৃতিৰ বিধান মানিব লাগে তেনেহ'লে অন্য দেৱতা পূজা হয়। কৃষ্ণৰ একশৰণ ধৰ্ম নেথাকিল।' এই আশংকা দূৰ কৰিবলৈ ভট্টদেৱে শ্লোক দিছে। যথা "তৰোৰ্মূল" ইত্যাদি।

অৰ্থাৎ 'গছৰ গুৰিত পানী দিলে যেনেকৈ ডাল-পাত সকলোৰে পুষ্টি হয়, তেনেকৈ এক কৃষ্ণৰ পূজা কৰিলেই সকলো দেৱতা তুষ্ট হয়। সেই দেখি পঞ্চযজ্ঞ নকৰি নিতৌ কেৱল কৃষ্ণৰহে অৰ্চনা কৰিব লাগে।'

"তথা চ গাৰুড়ে–

অৰ্চ্চিতে দেৱদেৱেশে শঙ্খ-চক্ৰ-গদাধৰে।

অৰ্চ্চিতঃ সৰ্ব্বদেৱঃ স্যাৎ যতঃ সৰ্ব্বগতো হৰিঃ।"

'দেৱদেৱ কৃষ্ণক অৰ্চনা কৰিলেই অইন দেৱতাকো অৰ্চনা কৰা হয়। হৰি সৰ্বব্যাপী।'

"তস্মাদন্য দেৱাৰাধনমনাদৃত্য হৰি-

মাৰাধয়েৎ ইত্যাহ কূৰ্ম্ম-পুৰাণে।"

'সেই দেখি অন্য দেৱতাৰ আৰাধন অনাদৰ কৰি ঃ অৰ্থাৎ অন্য দেৱতাক পূজা নকৰি কেৱল হৰিকহে আৰাধনা কৰিব লাগে।' যেনে কূৰ্ম-পুৰাণৰ বচন–

"ন ৱিষ্ণোৰাধনাৎ পুণ্যং বিদ্যতে কৰ্ম্ম বৈদিকম্।

তস্মাদনাদিমধ্যান্তং নিত্যমাৰাধয়েদ্ধৰিম্॥"

'বিষ্ণু আৰাধনাতকৈ পুণ্যতৰ বৈদিক কৰ্ম নাই। সেই দেখি নিতৌ অনাদিমধ্যান্ত হৰিক আৰাধনা কৰিব লাগে।'

"আস্তাং তাবদ্বিধিনা ষোড়শোপচাৰাৰ্চ্চনং

কেৱলং পয়ঃ পুষ্পাৰ্চ্চনেঽপি সৰ্ব্বাৰ্চ্চনং ভৱতী ত্যাহ।

দদ্যাৎ পুৰুষ সূক্তেন যঃ পুষ্পান্যেৰ বা।

অৰ্চ্চিতং স্যাৎ জগদিদং তেন সৰ্ব্বং চৰাচৰম্॥"

'ষোড়শোপচাৰেৰে বিধি অনুসাৰেৰে পূজা কৰাৰ কথাকে নকওঁ পুৰুষ সূক্তৰ দ্বাৰায় কেৱল পানী আৰু ফুল ঈশ্বৰৰ উদ্দেশ্যে দিলেই চৰাচৰ জগতকেই অৰ্চনা কৰা হয়।'

"ততঃ কিমতঃ আহ–

যৎপাদয়োৰিত্যাদি।"

"এতৎ সৰ্ব্বস্যাপি ভক্তিৰেৰ মূলমিত্যাহ।"–

'এই যে অৰ্চনা আদি এইবোৰৰ মূল ভক্তিয়েই । অৰ্থাৎ হৃদয়ত ভক্তি ভাৱ পোষণ কৰিব নোৱাৰিলে হেজাৰ ঘণ্টা কোবোৱা একো নহয়– ।'

"শ্ৰদ্ধয়োপহৃতং প্ৰেষ্ঠং ভক্তেন মম বাৰ্য্যপি ।

ভূৰ্য্যপ্যভক্তোপহৃতং ন মে তোষায কল্পতে ॥

'ভক্তই শ্ৰদ্ধাৰে দিয়া পানী এটুপিও মোৰ বৰ প্ৰিয় । অভক্তই বৰ বেছিকৈ দিলেও মোৰ সন্তোষ নহয় ।'

দামোদৰদেৱৰো ধৰ্ম যে ভক্তি-প্ৰধান, কৰ্ম-প্ৰধান নহয়, "ভক্তিৰেব মূলং" কথাৰপৰাই জানিব পাৰি ।

"অতো ভগৱদনৰ্চ্চনে মহাপাপী স্যাদিত্যাহ

গাৰুড়ে– মাতৃৱৎ পৰিৰক্ষন্তং, ইত্যাদি ।"

'সেই দেখি ভগৱানক অৰ্চনা নকৰিলে মহাপাপী হয় ।' যেনে গৰুড় পুৰাণত কৈছে– "মাতৃৱৎ" ইত্যাদি ।

ওপৰত তুলি দিয়া কথাবোৰৰ পৰা এইটো স্পষ্ট প্ৰমাণ হয় যে ভট্টদেৱে স্মৃতিৰ বিধানমতে পঞ্চযজ্ঞ দেৱতাক পূজা নকৰি কেৱল হৰিকহে অৰ্চনা কৰিবলৈ কৈছে– "অন্যদেৱাৰাধনমনাদৃত্য হৰিমাৰাধয়েদিতি ।"

(৬)

ভট্টদেৱ, বৰদলৈদেৱ আৰু স্মৃতি

বৰদলৈদেৱে এবছৰ স্মৃতি, স্মৃতি বুলি চিঞৰিব আছে । অথচ স্মৃতিয়ে কি কয় তেওঁ খুলি ক'বলৈ ভয় কৰে । কিয়নো স্মৃতিৰ ভিতৰত বৰদলৈদেৱৰ নিজৰ "পতন"ৰ কথাও আছে । যি হওক, ভট্টদেৱে স্মৃতি আৰু ভক্তিবাদক কিদৰে মিলাইছে জানিব লগীয়া কথা–

"শ্ৰুতিস্মৃতী মমৈৱাজ্ঞে য উলঙ্ঘ্য প্ৰৱৰ্ত্ততে ।

আজ্ঞাচ্ছেদী মমদ্ৰোহী মদ্ ভক্তোঽপিন বৈষ্ণৱঃ ।"

'শ্ৰুতি আৰু স্মৃতি ঈশ্বৰৰ আজ্ঞা স্বৰূপ; তাক লঙ্ঘন কৰিলে ঈশ্বৰৰ দ্ৰোহ হয় ।'

"ননু স্মৃত্যুক্ত কৰ্ম্মাণি ক্ৰিয়মাণে নানা দেৱতা

পূজা স্যাৎ, কথমেকশৰণং তত্ৰাহ ।"

'কিন্তু স্মৃতি-বিহিত কৰ্ম কৰিব লাগিলে নানা দেৱতা পূজা কৰা হয়, তেনেহ'লে একশৰণ ধৰ্ম থাকে কেনেকৈ ?' সেই কাৰণে বৈষ্ণৱ গ্ৰন্থত আছে–

"মোক্ষাৰ্থী ন প্ৰৱৰ্ত্তেত তত্ৰ কাম্যনিষিদ্ধয়োঃ ।

নিত্যনৈমিত্তিকং কুৰ্য্যাৎ প্ৰত্যৱায়-জিহাসয়া ।

কাম্যনিষিদ্ধ-বৰ্জ্জনাৎ নিত্য-নৈমিত্তিকেষু ভগ-
বদ্রূপতয়া তদাজ্ঞয়াচ ন দোষঃ ।"

অৰ্থাৎ 'স্মৃতিত যিবোৰ কাম্য অৰ্থাৎ নিজৰ ইষ্ট সাধনাত্মক আৰু নিষিদ্ধ কামৰ উল্লেখ আছে, মোক্ষাৰ্থীসকলে সেইবোৰ নকৰিব । কেৱল ঈশ্বৰৰ আজ্ঞা লঙ্ঘন হয় বুলি নিত্য-নৈমিত্তিক কাম কৰিব লাগে ।'

"নিত্যানি– সন্ধ্যাবন্দনাদীনি " ॥ ৯

"নৈমিত্তিকানি– পুত্ৰজন্মাদ্যনুবন্ধীনি---"॥ ১০

অৰ্থাৎ 'নিত্য সন্ধ্যা-বন্দনা আৰু নৈমিত্তিক জাত-কৰ্মাদি কৰিব লাগে ।'

বৰদলৈদেৱে যিবোৰ নানান দেৱতা পূজাৰ বিধি দিব লাগিছে, সেইবোৰ কাম্য কৰ্ম, এতেকে ভট্টদেৱৰ মতে বৰ্জনীয় ।

স্মৃতিত শ্ৰাদ্ধাদি কৰ্ম কৰাৰ বিধি আছে, শ্ৰাদ্ধ কৰিলে অন্য দেৱতা পূজা কৰা হয়; ভট্টদেৱৰ বিধান ।–

"বিষ্ণোৰ্নিৱেদিতান্নেন যষ্টব্যং দেৱতান্তৰম্ ।
পিতৃভ্যশ্চাপি তদ্দেয়ং তদা সত্যায় কল্পতে ॥"

"মহা পৱিত্ৰং হি হৱেৰ্নিৱেদিতম্ ।
নিৱেদয়েৎ যঃ পিতৃদেৱ কৰ্ম্মণি ॥
তুষ্যন্তি তস্মৈ পিতৰঃ তথা সুৰাঃ ।
প্ৰয়ান্তি লোকং মধুসূদনস্য ॥"

অৰ্থাৎ 'বিষ্ণুলৈ যি নৈৱেদ্য আগবঢ়োৱা হয়, তাৰেহে অন্য দেৱতাক পূজা কৰিব লাগে । পিতৃসকলকো বিষ্ণু-নৈবেদ্যৰ অৱশিষ্ট অংশহে দিব লাগে ।'

"যঃ শ্ৰাদ্ধকালে হৰিভুক্তশেষং ।
দদাতি ভক্ত্যা পিতৃদেৱতানাম্ ।
তেনৈব পিণ্ডাংশ্চ জলৈৰ্বিমিশ্ৰিতা–
নন্ত-কোটিঃ পিতৰঃ সতৃপ্তাঃ ।"

'বিষ্ণু-নৈবেদ্যৰ অৱশিষ্ট অংশৰেহে পিতৃ লোকক পিণ্ড দিব লাগে ।'

"অনিৱেদ্যান্নং হৰয়ে ন দদ্যাৎ"– 'হৰিক নিবেদন নকৰাকৈ কোনো দেৱতাক একো নিদিব ।'

"পিতৃশেষন্তু যেদদ্যাদ্ধৰয়ে পৰমাত্মনে ।
ৰেতোধঃ পিতৃস্তস্য ভবন্তি ক্লেশ ভাগিনঃ ॥

'পিতৃদেৱতাৰ ভুক্ত শেষ যি হৰিক অৰ্পণ কৰে,– তাৰ পিতৃলোক ৰেতঃপায়ী হয় আৰু ক্লেশ পায় ।'

গুৰিৰ কথা আকৌ এবাৰ উনুকিয়াব লাগিলে, ভট্টদেৱে কৈছে– "বিষ্ণোৰ্ণিৱেদিতান্নেন যষ্টব্যং দেৱতান্তৰম্" অৰ্থাৎ বিষ্ণুক অৰ্পণ কৰা নৈৱেদ্যৰে হৰিভিন্ন অন্য দেৱতাক পূজা কৰিব লাগে। ৰৰদৌলেয়ে কোৱাৰ দৰে শিৱ, দুৰ্গাক আগেয়ে পূজা কৰিছে যদি বিষ্ণুৰ ওচৰলৈ যাব পাৰি, তেনেহ'লে আগেয়ে শিৱ, দুৰ্গাক কিহেৰে পূজিব ? যদি বিষ্ণুভুক্ত নৈৱেদ্যেৰে, তেনেহ'লে আগেয়ে বিষ্ণুকে পূজা কৰা হ'ল। যদি বিষ্ণু-নৈবেদ্য নিদি স্বাধীনভাৱে অৰ্চনা কৰা হয় তেনহ'লে ভট্টদেৱৰ বিধি লঙ্ঘন হয়।

আকৌ

"শ্ৰুতিস্মৃত্যুদিতং কৰ্ম্ম যে কুৰ্ব্বন্তি বিমোহিতাঃ।

বিনা বৈ ভগবৎ প্ৰীত্যা তে বৈ পাষণ্ডিনঃ স্মৃতাঃ॥"

অৰ্থাৎ– 'যিবোৰে হৰি ভক্তিৰ বশবৰ্তী নহৈ, বিমোহিত হৈ শ্ৰুতি-স্মৃতি-বিহিত কৰ্ম কৰে, সেইবোৰ পাষণ্ড।' ভগৱান-ভক্তিৰ অধীন হৈ কাম কৰিব লাগিলে যে "বিষ্ণোৰ্ণিৱেদিতান্নেন" ইত্যাদি কৰিব লাগিব তাত সংশয় নাই। আকৌ ঘোষাৰত্নত ˚গোপাল মিশ্ৰই কৈছে–

বিষ্ণুৰ নৈবেদ্যচয় সুৰসিদ্ধে সাদৰয়

সমস্তকে পবিত্ৰ কৰয়।

অন্যদেৱ অৱশেষ যদি ভুঞ্জে প্ৰমাদত

চান্দ্ৰায়ণ কৰিবে লাগয়॥

সেই দেখিছে কওঁ, হে সমূহ দামোদৰীয়া ভক্তসকল, দেখা কোনোবাই "ঘোষাৰত্ন"ক "নাম-ঘোষা"ৰ পিছত ৰচনা কৰা বুলি ক'লেও তোমালোকৰ গা কঁহিটে বিস্কাৰ দৰে চিৰিং কৈ উঠে। আগপিছ কৈ সকলোৱে পুথি লেখে ইয়াত মান-অপমানৰ কথা নাই। কিন্তু ˚ভট্টদেৱ, ˚গোপাল মিশ্ৰ আদি মহানুভৱ পুৰুষসকলৰ প্ৰচাৰিত ভক্তি ধৰ্মৰ মূলত কেনেকৈ ৰৰদৌলেদেৱসকলে সামান্য "ঐহিক স্বাৰ্থৰ" প্ৰলোভনত পৰি কুঠাৰ মাৰিব লাগিছে, এবাৰ চকু মেলি চোৱাঁ। ৰৰদৌলেদেৱৰ প্ৰত্যয়ৰ দ্বাৰায় পৰিচালিত নহৈ নিজে নিজেও চাই লোৱাঁ; পৰপ্ৰত্যয়ৰ দ্বাৰা পৰিচালিত হয় মূৰ্খসকলহে– "মূঢ়ঃ পৰপ্ৰত্যয় নেয়বুদ্ধিঃ।"

একাদশ অধ্যায় [1]

(১)
শ্যাবাশ্ব-চৰিত

দাৰ্ভ্য ৰথবীতি নামে সকলোৰে জনা-শুনা ৰাজৰ্ষি এজন আছিল। তেওঁ যজ্ঞ কৰিবৰ মানসে অত্রি ঋষিৰ ওচৰলৈ গ'ল; আৰু নিজৰ আত্ম-পৰিচয় দি মনোভাৱ জনাই অত্রি-পুত্র অৰ্চনানসক পুৰোহিতৰ ঠাইত বৰণ কৰিলে। অৰ্চনানসে আপোন পুত্র শ্যাবাশ্বক লগত লৈ যজ্ঞলৈ গ'ল। শ্যাবাশ্বও সাঙ্গোপাঙ্গ বেদত সুশিক্ষিত আছিল।

যজ্ঞ চলি থাকোঁতেই পুৰোহিত অৰ্চনানসে যশস্বিনী ৰাজকুমাৰীক দেখিলে; মনত ভাবিলে ৰাজকুমাৰী যদি তেওঁৰ বোৱাৰী হ'লহেঁতেন! শ্যাবাশ্বৰো কুমাৰীক দেখি আসক্তি হ'ল আৰু তেওঁ ৰজাক ক'লে, 'ৰাজন, মোৰ লগত সম্বন্ধ কৰোক।' শ্যাবাশ্বক ছোৱালী দিম বুলি ইচ্ছা কৰি ৰজাই মহিষীৰ মত সুধিলে। আৰু ক'লে, 'অত্রি-পুত্র আমাৰ পক্ষে একেবাৰে হীন জোঁৱাই নহ'ব।' তেজস্বিনী ৰাণীয়ে উত্তৰ দিলে, 'মই ৰাজৰ্ষি-কুল-জাত, অৰ্থাৎ মোৰ যি ৰাজ-কুলত জন্ম, সেই কুলৰ ৰজাসকলে বেদ-মন্ত্র ৰচনা কৰিছিল। যি বেদ-মন্ত্র ৰচোঁতা নহয়, সি আমাৰ জোঁৱাই হ'ব নোৱাৰে। অথচ এই কুমাৰ বেদ-মন্ত্র ৰচনা কৰোঁতা নহয়। মোৰ কন্যাক কোনোবা ঋষিলৈ দিয়াঁ, যেন বেদ-মাতা হ'ব পাৰে। কিয়নো ঋষিসকলে বেদ-মন্ত্র ৰচোঁতাসকলক বেদ-পিতা বুলি কয়।' মহিষীৰ লগত পৰামৰ্শ কৰি ৰজাই পুৰোহিতক উত্তৰ দিলে; বেদ-মন্ত্র ৰচোঁতাত বাদে অইন কোনো আমাৰ জোঁৱাই হ'ব নোৱাৰে–

"অনৃষিৰ্ণৈৰ জামাতা কশ্চিদ্ ভৱিতুমৰ্হতি।" এইদৰে প্ৰস্তাৱ অগ্ৰাহ্য হ'লত যজ্ঞৰ শেষত পুৰোহিত উলটি গ'ল। কিন্তু শ্যাবাশ্বৰ হ'লে মন কন্যাৰপৰা ফিৰি নাহে– "শ্যাবাশ্বস্য তু কন্যায়া মনো নৈৱ ন্যৱৰ্ত্তত।"

বাটত যাওঁতে তৰন্ত আৰু পুৰুমিহ্ল নামক ৰাজৰ্ষি দুজনক লগ ধৰি গ'ল। তৰন্ত মহিষী শশীয়সীয়েও মৰম কৰি শ্যাবাশ্বক ছাগলী, গৰু আদি ভালেমান উপহাৰ দিলে। এইদৰে ৰাজৰ্ষিসকলৰ দ্বাৰায় সম্মানিত হৈ পিতা-পুত্ৰই অত্ৰিৰ আশ্ৰমলৈ গ'ল আৰু মহৰ্ষি অত্ৰিক অভিবাদন কৰিলে। শ্যাবাশ্বৰ মন কিন্তু কন্যাতেই লাগি আছে, – 'মই মন্ত্র নেদেখাৰ কাৰণেহে সৰ্বাঙ্গসুন্দৰী কন্যাক নেপালো; মই যদি মন্ত্র দেখিলোহেঁতেন মোৰো বৰ আনন্দ হ'লহেঁতেন।'– "অপ্যহংমন্ত্ৰদৰ্শী স্যাং ভৱেদ্ধৰ্ষো মহান্ মম।"

এইদৰে অৰণ্যত চিন্তা কৰোঁতে তেওঁৰ আগত আহি মৰুৎ দেৱতাসকল উপস্থিত হ'ল। দেখোঁতে তেওঁৰ সমান বয়সিয়াল, তুল্যৰূপ, সোণ খটোৱা বুকু। পুৰুষাকৃতি আৰু সমান বয়সিয়াল তেওঁলোকক দেখি বিস্মিত হৈ শ্যাবাশ্বই "তোমালোক কোন"– কেষ্ঠ ইত্যাদ্যক সূক্তেৰে প্ৰশ্ন কৰিলে। তাৰ পিছত বুজিলে যে এইবোৰ ৰুদ্র-পুত্র মৰুৎগণ। বুজি পাই "য ইং ৰহন্ত" ইত্যাদ্যক

---

১ বাঁহী, একাদশ বছৰ, পঞ্চম সংখ্যা, ভাদ ১৮৪৩

সূক্তেৰে তেওঁলোকক স্তৱ কৰিলে। মুনি-কুমাৰৰ মনত বৰ খেদ হ'ল যে দেৱতাসকল আহি পাওঁতেই তেওঁলোকৰ স্তৱ নকৰি, উলটি তেওঁলোকক প্ৰশ্নহে কৰা হৈছিল 'কোন তোমালোক' বুলি। যি হওক, স্তুতিত তুষ্ট হৈ মৰুৎসকলে যাবৰ সময়ত নিজ নিজ বুকুৰ পৰা সোণ খহাই শ্যাবাশ্বক দি গ'ল।

এইদৰে 'সদ্য ঋষি' হৈ অৰ্থাৎ অলপতে মন্ত্ৰ দেখোঁতা হৈ শ্যাবাশ্বই মনে মনে ৰাজকুমাৰীক ধ্যান কৰিলে। আৰু নিজৰ এই সাম্প্ৰতিক অভিনৱ ঋষিত্ব ৰাজৰ্ষি ৰথবীতিক জনাবলৈ ৰাত্ৰি দেৱীক দূত হিচাপে নিয়োগ কৰিলে। ৰাত্ৰি দেৱীয়ে ৰথবীতিক দেখা নাই বুলি ক'লত শ্যাবাশ্বই 'এখেত হিমালয়ৰ ৰম্যপ্ৰদেশ এডোখৰত থাকে' বুলি বৰ্ণনা কৰি দিলে : "ৰম্যে হিমৱতঃ পৃষ্ঠে এষ ক্ষেতীতি চাৱৰীৎ।"

(কোনে ক'ব যে মহাকবি কালিদাসে তেওঁৰ অপাৰ্থিৱ সৌন্দৰ্যপূৰ্ণ "মেঘদূত"ৰ কল্পনাত বৈদিক সাহিত্যৰ ৰাত্ৰি-দূত কল্পনা আদিৰপৰা সহায় নেপাইছিল ?), যি হওক, ৰাত্ৰিদেৱীৰ দ্বাৰায় প্ৰচোদিত হৈ দাৰ্ভ্য ৰথবীতিয়ে কন্যা লৈ অত্ৰিৰ আশ্ৰমত উপস্থিত হ'ল। আৰু নিজৰ পৰিচয় দি অৰ্চনানসক স্তুতি কৰি ক'লে, 'আপুনি আগেয়ে মোৰ লগত সম্বন্ধ বিচাৰিছিল; আপোনাৰ প্ৰস্তাৱ তেতিয়া গ্ৰহণ কৰিব নোৱাৰিলো বুলি খং নকৰি ক্ষমা কৰিব। আপুনি ঋষি-পুত্ৰ; স্বয়ং ঋষি আৰু ঋষি-পিতা; এতেকে মোৰ কন্যাক বোৱাৰী স্বৰূপে গ্ৰহণ কৰক।'

এই বুলি পাদ্য-অৰ্ঘ্য আদিৰে অৰ্চনা কৰি, বগা ঘোঁৰা এশ দান কৰি, তেওঁলোকক ঘৰলৈ বিদায় দিলে। অভিনৱ ঋষি শ্যাবাশ্বইও শশীয়সী, তৰন্ত আৰু পুৰুমীহ্‌ল ৰজাক ছটা মন্ত্ৰেৰে স্তৱ কৰি ঘৰলৈ গ'ল।

ঘটনা হিচাপে আৰু সেই যুগৰ সামাজিক চিত্ৰ অনুসাৰে শ্যাবাশ্বৰ চৰিত বৰ মনোহৰ বস্তু। বৈদিক যুগৰ ঋষি-কুলৰ মান আৰু বেদ-মন্ত্ৰবোৰ কেনেকৈ ধ্যান-দৃষ্ট হৈছিল, এইবোৰ জানিব লগীয়া কথা ইয়াত আছে।

(২)

বৰ্ণাশ্ৰম বিভ্ৰাট

বৰদলৈদেৱে আজি এবছৰে বৰ্ণাশ্ৰম বৰ্ণাশ্ৰম কৈ চিঞৰি আছে। বোধ কৰোঁ বৰ্ণাশ্ৰম মানে মন্বাদি স্মৃতিত ব্ৰাহ্মণসকলে কি কৰিব লাগে, কি শিকিব লাগে, কি বৰ্জন কৰিব লাগে, ইত্যাদি যে উপদেশ বাক্যবোৰ আছে, সেই অনুসাৰে চলাকে কৈছে। ব্ৰাহ্মণসকলে যদি বাস্তৱিকেই স্মৃতিৰ নিয়ম পালন কৰি চলিলেহেঁতেন কাৰো একো ক'ব লগীয়া নেথাকিলহেঁতেন; কিন্তু স্মৃতিৰ উপদেশৰ লগত বামুণসকলৰ আচৰণ মিলাই চাই এইটো অসঙ্কোচে ক'ব পাৰি যে স্মৃতিমতে আজিৰ দিনত এটিও বামুণ নাই। যেনে স্মৃতিত আছে —"ন শূদ্ৰৰাজ্যে নিবসেৎ।" ছুলতান মামুদৰ দিনৰপৰা আজিলৈকে ব্ৰাহ্মণসকল ক'ত আছে ? ইমানদিনে তেওঁলোকৰ ব্ৰহ্মত্ব স্খলিত হোৱা নাইনে ? স্মৃতিত আছে "ন ম্লেচ্ছভাষাং শিক্ষেত্"। (ম্লেচ্ছ ভাষা কেতিয়াও নিশিকিবা)। পিছে স্বয়ং বৰদলৈদেৱেই

দেখোন ম্লেচ্ছৰ ভাষা শিকি এতিয়া ধন-ধান গোটাই বানপ্ৰস্থী হ'বৰ যোগাৰ কৰিছে। স্মৃতি-শাস্ত্ৰৰ গুৰিৰ পৰা পাতবোৰ লুটিয়াই গ'লে দেখা যায় যে কোনোটো নিষিদ্ধ বৃত্তিকেই তেওঁলোকে অৱলম্বন নকৰাকৈ থকা নাই। স্মৃতিত আছে যে ব্ৰাহ্মণে যদি চিকিৎসা ব্যৱসায় কৰে, তেনেহ'লে তেওঁক দৈৱ আৰু পিতৃ-কৰ্মৰপৰা বৰ্জন কৰিব লাগে আৰু তেওঁ মাংস-বিক্ৰয়ী অৰ্থাৎ "কসাইৰ" সমান হয়। পিছে বৰ্ণাশ্ৰমৰ ঢোল কোবোৱা চাকিদেৱীয়ে দেখোন শেহৰ পৃষ্ঠাত চিকিৎসা ব্যৱসায়ী বামুণৰ ঔষধৰ বিজ্ঞাপন এখনো দিয়ে। (শুক্ৰামৃত ৰসায়ণ — কবিৰাজ শ্ৰী অমুক গোস্বামী)। ৰবদলৈদেৱে হয়তো ভাবি দি ক'ব, 'হেৰ, তই বৰ কেপ্‌কেপাই নেথাকিবি।' "ন টঙ্কয়া সমং কিঞ্চিৎ পৱিত্ৰমিহ ৱিদ্যতে।" অৰ্থাৎ জগতত টকাৰ দৰে পবিত্ৰ বস্তু নাই, সেই দেখি যিহৰপৰাই টকা আহে তাকেই কৰিব লাগে। তেহেলৈ স্মৃতিয়েই হাক দিয়ক বা শ্ৰুতিয়েই হাক দিয়ক। আৰু "ধনেই ধৰ্মৰ মূল" বুলি কথা এটিও আছে। এতেকে টকা নহ'লে ধৰ্ম নহয় যেতিয়া স্মৃতি-শ্ৰুতি সকলোকে দলিয়াই পেলাই ধনহে গোটাব লাগে। পিছত স্মৃতিৰ বচন আওৰাই লৈ আনক উপদেশ দিবি। এয়ে 'গুপুত' তাৎপৰ্য।

থাওক সেইবোৰ কথা। ৰবদলৈদেৱৰ প্ৰধান আপত্তি শূদ্ৰই বামুণক নাম-শৰণ দিয়া বুলি কোৱা কথাত। কিয়নো মনুৱে কৈছে যে "বৰ্ণানাং ব্ৰাহ্মণো গুৰুঃ।" আমি আগেয়ে দেখুৱাইছোঁ যে ভক্তপ্ৰবৰ শঠকোপে জাতিত চণ্ডাল হৈও শ্ৰীনাথ মুনিক নাম-শৰণ দিছিল আৰু দক্ষিণাপথত এতিয়াও শঠকোপৰ শিলৰ মূৰ্তি পূজিত হয়। তলত আমি স্মৃতি আৰু পুৰাণৰ বচনৰ সামঞ্জস্য দেখুৱাম। সম্প্ৰতি আমি বৰ্ণাশ্ৰমী ৰবদলৈৰ তৰ্ক-প্ৰণালী অনুসাৰে কোন কোন মহাপুৰুষ বৰ্ণাশ্ৰম-বিভ্ৰাট-দোষত দূষিত হয় অলপ দেখুৱাম।

স্মৃতি-শাস্ত্ৰত প্ৰব্ৰজ্যা বা সন্ন্যাসৰ দুটি নিয়ম আছে। গুৰু-গৃহত থাকোঁতে যদি ব্ৰহ্মচাৰী অৱস্থাতে কোনোবা দ্বিজ-নন্দনৰ বৈৰাগ্য উপস্থিত হয়, তেনেহ'লে তেওঁ সমাৱৰ্তন নকৰাকৈয়ে চিৰ-প্ৰব্ৰজ্যা অৱলম্বন কৰিব পাৰে। কিন্তু কোনোবাই যদি সমাৱৰ্তন কৰি গাৰ্হস্থ্য ধৰ্ম অৱলম্বন কৰে, তেনেহ'লে তেওঁ বুঢ়া বয়সতহে প্ৰব্ৰজ্যা অৱলম্বন কৰিব পাৰে।

স্মৃতিয়ে এইদৰে সময় নিৰ্দেশ কৰিছে; গাৰ ছাল শোতোৰা-শুতুৰি হ'ব লাগে, চুলি পকিব লাগে আৰু নাতিৰ মুখ দেখিব লাগে। যদি গৃহিণী বৰ্তি থাকে তেনেহ'লে তেওঁক লগত লৈ যাব লাগে বা তেওঁৰ পোহ-পালৰ ভাৰ পুত্ৰক দি যাব লাগে। যদি অপুত্ৰক হয় তেনেহ'লে লগত লৈ যাব লাগে। আকৌ এটি লৌকিক যুক্তি আছে যে গৃহিণীয়ে অনুমতি দিলে যেতিয়াই তেতিয়াই যাব পাৰি। এইটো লৌকিক কথাহে, শাস্ত্ৰীয় কথা নহয়।

১। স্মৃতিৰ এই নিৰ্দেশমতে ক'বলৈ গ'লে চৈতন্যদেৱে ২৪ বছৰ বয়সত সন্ন্যাস গ্ৰহণ কৰে। চৈতন্যদেৱ গৃহস্থী আছিল আৰু তেওঁৰ পত্নীদেৱী জীয়াই আছিল। তেওঁৰ চুলিও পকা নাছিল, গাৰ ছালো শোতোৰা পৰা নাছিল। তেওঁ নাতিৰ মুখো দেখা নাছিল। পুত্ৰ সন্তান হোৱাৰ উল্লেখো চৰিতত পোৱা মনত নপৰে। এনে অৱস্থাত সন্ন্যাস গ্ৰহণ চৈতন্যদেৱৰ পক্ষে স্মৃতি-লঙ্ঘন নহয়নে? পুৰীত সাৰ্বভৌম পণ্ডিতৰ লগত তৰ্ক হোৱাত এই বিষয়ে তৰ্ক উঠিছিল। চৈতন্যদেৱৰ উত্তৰ

অতীৰ মনোৰম হ'লেও বৰ্ণাশ্ৰমক খামোচ মাৰি ধৰি থকা ৰবদলৈদেৰ সন্তুষ্ট হ'ব নোৱাৰে। চৈতন্যদেৱে কৈছিল–

প্ৰভু বলে শুন সাৰ্বভৌম মহাশয়।
"সন্ন্যাসী" আমাৰে নাহি জানিহ আমায়॥
কৃষ্ণেৰ বিৰহে মুঞি বিক্ষিপ্ত হইয়া।
বাহিৰ হইনু শিখা-সূত্ৰ মুড়াইয়া॥ (চৈতন্য ভাগৱত)

অৰ্থাৎ চৈতন্যদেৱে নিজকেই ৰাধিকাৰ ঠাইত বহুৱাই আকুলভাৱে শ্ৰীকৃষ্ণক অন্বেষণ কৰিছে প্ৰেমিকাৰ প্ৰেমিকৰ প্ৰতি আকুল অন্বেষণতো সন্ন্যাস নহয়, বৰং বন্ধনৰ প্ৰতি বিৰাট আবেগ। ভক্তি-পন্থীসকলক ইয়াতকৈ ওখ আধ্যাত্মিক ব্যাখ্যা নেলাগে। কিন্তু "স্মাৰ্ত" ৰবদলৈদেৱে এই উত্তৰতে সন্তুষ্ট থাকিব পাৰেনে? চৈতন্যদেৱেও "সত্য সনাতন" পথত ব্যভিচাৰ ঘটাইছিল।

২। আচাৰ্য ৰামানুজে কি ছলনা কৰি সন্ন্যাস গ্ৰহণ কৰিছিল আগেয়ে কোৱা হৈছে। তেওঁৰো সতি-সন্ততি হোৱা নাছিল। ৰবদলৈদেৱৰ মতে আচাৰ্যদেৱৰো বৰ্ণাশ্ৰম লঙ্ঘন দোষ ঘটে। তাত বাজেও তেওঁৰ ঘৈণীয়েকৰ প্ৰতি ছলনা ধৰ্মনীতি অনুসাৰে সমৰ্থন কৰিব নোৱাৰি। 'প্ৰেমিক' যশস্পতি পণ্ডিতে এটি ব্যাখ্যা দিছে। সেইটো মোটা-মুটিকৈ এই — The end justifies the means — উদ্দেশ্য ভাল হ'লে উপায়ৰ ভাল-বেয়া বিচাৰিব নেলাগে। এই যুক্তি ৰাজনীতিত খাটিব পাৰে, ধৰ্মনীতিত নেখাটে। তাত বাজে এই ক্ষেত্ৰত উদ্দেশ্য — সন্ন্যাস-গ্ৰহণো শাস্ত্ৰসিদ্ধ নহয়।

৩। শ্ৰীশ্ৰীৰামকৃষ্ণ পৰমহংসদেৱেও অসময়তেই সন্ন্যাস গ্ৰহণ কৰিছিল। অৱশ্যে তেওঁ পত্নীদেৱীক সম্মত কৰাইছিল। কিন্তু পত্নীৰ সম্মতিদানত সন্ন্যাসত অধিকাৰ স্মৃতিৰ যুক্তি নহয়।

৪। ওপৰত দিয়া কথাবোৰত ৰবদলৈদেৱে আসোঁৱাহ উলিয়াব পাৰিলেহেঁতেন যদিও এটি বিষম ঐতিহাসিক ঘটনাই ৰবদলৈদেৱৰ বাট আগুৰি আছে। মহাৰাষ্ট্ৰ দেশত শ্ৰীজ্ঞানেশ্বৰদেৱে প্ৰথমে বৈষ্ণৱ মত প্ৰতিষ্ঠা কৰে। জ্ঞানেশ্বৰৰ পিতাকৰ নাম বিটল পন্ত। বিটল পন্তো সকলোতকৈ বৰ ভক্ত আছিল।

বিটল পন্তে বিয়া কৰাইছিল যদিও তেওঁৰ মনত বৈৰাগ্য উপস্থিত হ'ল আৰু সন্ন্যাসৰ প্ৰতি বৰ ধাউতি হ'ল। ইপিনে যুৱতী ভাৰ্যা,– ল'ৰা-ছোৱালীও হোৱা নাই। গাৰ্হস্থ্য বন্ধন অসহ্য হোৱাত এদিন তেওঁ পলাই গৈ কাশীত উপস্থিত হ'ল আৰু সন্ন্যাস গ্ৰহণ কৰিবলৈ স্বামী ৰামানন্দৰ ওচৰ চাপিল। ৰামানন্দই সুধিলত, তেওঁ ঘৰত ল'ৰা-তিৰোতা নাই বুলি কৈ সন্ন্যাস গ্ৰহণ কৰিলে। বহুত দিনৰ মূৰত স্বামী ৰামানন্দই দক্ষিণ ভাৰতলৈ তীৰ্থ ভ্ৰমণ কৰিবলৈ যাওঁতে বিটল পন্তৰ জন্ম-স্থানত উপস্থিত হ'ল আৰু ঘটনা-চক্ৰ অনুসাৰে জানিব পাৰিলে যে তেওঁৰ প্ৰিয় শিষ্য বিটল পন্তৰ পত্নী বৰ্তমান। কাশীলৈ উভতি আহি ৰামানন্দে বিটল পন্তক আকৌ গৃহবাস কৰি থাকিবলৈ ক'লে। বিটল পন্তে উভতি আহি গৃহবাস কৰিলে হয়, কিন্তু সমাজে তেওঁক পতিত কৰিলে। নিবৃত্তিনাথ, জ্ঞানেশ্বৰ আৰু মুক্তাবাই নামে তেওঁৰ দুজন ল'ৰা আৰু এজনী ছোৱালী হ'ল। সন্ন্যাসীৰ ল'ৰা বুলি সময় উপস্থিত হোৱাত "পণ্ডিত"সকলে ল'ৰা দুজনৰ উপনয়ন হ'ব নিদিলে।

মনৰ দুখত পতি-পত্নীয়ে কাশীলৈ আহি গঙ্গাৰ বুকুত আত্ম-সমৰ্পণ কৰিলে। সন্ন্যাসীৰ যথা সময়ত অনুপনীত মধ্যম সন্তান জ্ঞানেশ্বৰদেৱে প্ৰথমে মহাৰাষ্ট্ৰ দেশত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে।

ওপৰত যি কোৱা হৈছে সেইটো সাধাৰণ নিয়ম (common injunction)। ইয়াত বাজেও শ্ৰুতিত এটি বিশিষ্ট নিয়ম (special injunction) আছে "যহয়েৱ বিৰজেৎ তদহৰেণ প্ৰব্ৰজেৎ।" 'যি দিনেই একান্ত বৈৰাগ্য উপস্থিত, সেইদিনাই প্ৰব্ৰজ্যা অৱলম্বন কৰিব পাৰে।' ৰাইজে এইটো মাথোন মনত ৰাখিব যে সাধাৰণতঃ যিটো নিষিদ্ধ, আদৰ্শভেদে সেইটোৱেই সিদ্ধ হয়।

(৩)

বৰ্ণাশ্ৰম-তত্ত্ব

এইডোখৰত আমি যি আলোচনা কৰিম, সেই বিষয়ে ৰাইজে আমি আগত কোৱা "সাধাৰণ" আৰু "বিশিষ্ট" নিয়মৰ কথা মনত ৰাখিব।

বৰদৈলেদেৱে চিঞৰি আছে মহাপুৰুষীয়াৰ বৰ্ণাশ্ৰম আছেনে নাই ? তেওঁৰ বক্তব্য এয়ে যে শঙ্কৰদেৱে যে ব্ৰাহ্মণকো নাম-শৰণ দিয়া বুলি চৰিত্ৰত উল্লেখ আছে, সেইটো সঁচা হ'ব নোৱাৰে; কিয়নো স্মৃতিত আছে যে "বৰ্ণানাং ব্ৰাহ্মণো গুৰুঃ।" গতিকে হয় চৰিত্ৰ লেখকবোৰে মিছাই লিখিছে, নহয়, মহাপুৰুষীয়া "বৌদ্ধ"। বৰদলৈৰ ব্যাখ্যা শুনি বাগী গাড়ীৰ ঘোঁৰালৈ মনত পৰে। ঘোঁৰাৰ দুই চকুত ঢাপলি বন্ধা থাকে, গাড়োৱানে যি দেখুৱাবৰ ইচ্ছা কৰে, ঘোঁৰাই তাকেহে দেখে, ইফাল-সিফাল নাই !

যি হওক, শঙ্কৰদেৱত যে বহুত ব্ৰাহ্মণে নাম-শৰণ লৈছিল, তাৰ আংশিক তালিকা এখন সাৰ্বভৌম ভট্টাচাৰ্যই তেওঁ লেখা শঙ্কৰ-চৰিত্ৰত দি গৈছে— "তৰ্ক ভানু, বিদ্যাপতি, ৰাঘবাচাৰ্য" ইত্যাদি। "তাৰা সবে আপোন কুশল চিন্তা কৰি। শঙ্কৰক গুৰু মানি ভজিলন্ত হৰি ॥" (সাৰ্বভৌম)। ভালেমান সূৰ্যবিপ্ৰ (গণকেও) তেওঁৰপৰা নাম-শৰণ লৈছিল। "কালিদাস ভানু, হৰিহৰ, চন্দ্ৰধৰ, সূৰ্যধৰ ইত্যাদি।

সৰ্বকালে গ্ৰহ-উপাসক সৰ্বজন।

শঙ্কৰক গুৰু মানি লৈলন্ত শৰণ ॥ (সাৰ্বভৌম)

বৰদলৈদেৱে শিক্ষা-গুৰু আৰু দীক্ষা-গুৰু বুলি ভেদ কৰিছে। শিক্ষা-গুৰু যেনে শঢ়াশালিৰ পণ্ডিত; দীক্ষা-গুৰু, যাৰপৰা ইষ্ট-দেৱতাৰ মন্ত্ৰ পোৱা যায়। বৰদলৈৰ বক্তব্য এয়ে যে শঙ্কৰদেৱ বামুণৰ শিক্ষা-গুৰুহে আছিল, দীক্ষা-গুৰু হ'ব নোৱাৰে। কিয়নো স্মৃতিত আছে "বৰ্ণানাং ব্ৰাহ্মণো গুৰুঃ।" এইটো অতি পুৰণি প্ৰশ্ন। আনতকৈ আগেয়ে সাৰ্বভৌম পণ্ডিতৰ মীমাংসাকে দিয়া যাওক। সাৰ্বভৌম প্ৰথমতঃ বৰদলৈ জাতীয়, অৰ্থাৎ গণক আছিল। দ্বিতীয়তঃ এওঁৰ চৰিত্ৰ বৰ কৌতুহলপূৰ্ণ। শঙ্কৰদেৱৰ লগত বাদ কৰি বাদত পৰাস্ত হৈ জেদ কৰি কাশীত চক্ৰৱৰ্তী নামে পণ্ডিত এজনৰ কাষত বেদ পঢ়ে— মনত ভাব যেন উভতি গৈ শঙ্কৰদেৱক বাদত হুকৱাব পাৰে।

কিন্তু ফিৰি আহি তেওঁ শঙ্কৰদেৱত শৰণহে ল'লে। যি পুৰুষে জেদৰ বশৱৰ্তী হৈ নানান দেশ-দেশান্তৰ পাৰ-হৈ গৈ শাস্ত্ৰ পঢ়িবলৈ যাব পাৰে, তেওঁ যে সকলো শাস্ত্ৰীয় অস্ত্ৰ শঙ্কৰদেৱক পৰাস্ত কৰিবলৈ গোটাইছিল, তাত সন্দেহ থাকিব নোৱাৰে। মন্ত্ৰাদি দানৰ বিষয়ে তেওঁৰ মীমাংসা :

বেদ-মন্ত্ৰ দেৱাদিৰ যত মন্ত্ৰচয়।
ব্ৰাহ্মণে দিবাক জানা যোগ্যতা হোৱয় ॥
আমাৰ (বিষ্ণুৰ) অমূল্য যিটো ভক্তি-ৰত্নচয়।
অন্ত্যজেও ব্ৰাহ্মণক দিবাক পাৰয় ॥
ইয়াত সংশয় ভৈল যিটো অজ্ঞানীৰ।
জানিবাহা ব্ৰহ্মা তাৰ ছেদ কৈল শিৰ ॥ (সাৰ্বভৌম)

অৰ্থাৎ গায়ত্ৰী আদি বেদমন্ত্ৰ দিবলৈ বামুণেহে উপযোগী, সেইদৰে আন দেৱ-দেৱতাৰ বৈদিক মন্ত্ৰও বামুণেহে দিয়াৰ নিয়ম। কিন্তু বিষ্ণুৰ নাম ভক্তি-ৰত্ন মন্ত্ৰ চণ্ডালেও বামুণক দিব পাৰে। বৰদৈলৈয়ে হয়তো আকৌ ক'ব ইয়াতো শিক্ষা গুৰুৰহে কথা কোৱা হৈছে। এই গুৰুৰ কামো সাৰ্বভৌমে খুলি কৈছে :

মোৰ (কৃষ্ণৰ) মূৰ্তি ভাগৱত আগত চিয়াঁই।
উপদেশ দিব সিটো জানিবা নিশ্চয় ॥
উপদেশ-দাতা গুৰু সেই গুৰুময়।
শিষ্য সমন্বিতে দিবো বৈকুণ্ঠে নিৰ্ণয় ॥ (সাৰ্বভৌম)

ইয়াতে মহাপুৰুষীয়াৰ শৰণ-প্ৰণালীৰ কথা উনুকিওৱা হৈছে। মহাপুৰুষীয়াই শৰণৰ সময়ত কৃষ্ণৰ মূৰ্তিস্বৰূপ ভাগৱত বা ভাগৱতৰ সমকক্ষ কীৰ্তন, ৰত্নাৱলী আদি পুথিৰ আগত শৰণ লয় "ভজামহে ভাগৱত-স্বৰূপং।"

শূদ্ৰ হৈও নাম-শৰণ দিব পাৰেনে নোৱাৰে এই প্ৰশ্ন শঙ্কৰদেৱৰ বিচাৰৰ সময়ত নৰনাৰায়ণৰ সভাত উঠিছিল। * দ্বিজ ৰামানন্দৰ চৰিত্ৰত এই বিষয়ৰ আলোচনা আছে। ৰজাৰ প্ৰশ্নত শঙ্কৰদেৱে উত্তৰ দিছে —

আৰু এক কথা শুনিয়োক ৰাজা
যুগুতি কহো শাস্ত্ৰৰ;
নাম উপদেশ দিয়া আচাৰ্যৰ
নিয়ম নাহি কুলৰ ॥
বেদ-পাঠ বেদ-মন্ত্ৰ সমস্তক
ব্ৰাহ্মণে দিব পাৰয়।
চাৰিও জাতিৰ আচাৰ্য হৈলেও
নামে দোষ নাহিকয় ॥
(* দ্বিজ ৰামানন্দ)

বেদ-পাঠ আৰু বেদ-মন্ত্ৰ বামুণে দিব পাৰে, কিন্তু হৰি-নাম-দানত শূদ্ৰও চাৰিও জাতিৰ আচাৰ্য হ'ব পাৰে। কোৱা বাহুল্য যে "হৰিনাম মূলমন্ত্ৰ" নামাত্মকহে — মহাপুৰুষীয়াৰ চাৰিনাম; দামোদৰীয়াৰ ব্ৰাহ্মণ, শূদ্ৰ ভেদে চাৰি আৰু তিনি-নাম।

বৰদলৈদেৱে হয়তো এইবোৰ কথাৰ মূল বিচাৰিব। তলত দুই-চাৰিটা মান বচন উদ্ধাৰ কৰি দিয়া হ'ল :

ভক্তিৰষ্টাবিধা হ্যেষা যস্মিন্ ম্লেচ্ছেঽপি বৰ্ত্ততে।
স বিপ্ৰেন্দ্ৰো মুনিঃ শ্ৰীমান্ স যতিঃ স চ পণ্ডিতঃ।
তস্মৈ দেয়ং ততো গ্ৰাহ্যং স চ পূজ্যো যথা হৰিঃ॥

(গৰুড়-পুৰাণ)

'আঠ বিধ ভক্তি যদি কোনোবা ম্লেচ্ছতো বৰ্তমান থাকে, তেনেহ'লে তেওঁ বিপ্ৰ-শ্ৰেষ্ঠ, মুনি, শ্ৰীমান, যতি আৰু পণ্ডিত। হৰিৰপৰা যি গ্ৰহণীয় জ্ঞানাদি তেওঁৰ পৰাও সেয়ে গ্ৰহণীয় আৰু সেই ম্লেচ্ছও হৰিৰ দৰে পূজনীয়।'

শূদ্ৰং ৱা ভগৱদ্ভক্তং নিষাদং শ্বপচং তথা।
বীক্ষতে জাতিসামান্যাৎ স যাতি নৰকং ধ্ৰুৱম্॥

(ইতিহাস-সমুচ্চয়)

"ভগৱদ্‌ভক্তক যদি কোনোবাই শূদ্ৰ, ব্যাধ নাইবা চণ্ডাল বুলি সামান্য জাতি বুলি ভাবে, তেনেহ'লে সি নৰকলৈ যায়।" বহুত বচন উদ্ধাৰ কৰাটো নিষ্প্ৰয়োজন। নীচ যোনিৰ হৰি ভক্তয়ো যে ঈশ্বৰৰ দৰে পূজা পাব লাগিছে,- তাৰ প্ৰমাণ আগেয়ে দিয়া হৈছে। বান্দৰ হৈও হনুমন্তই পূজা পাব লাগিছে। চণ্ডাল হৈও শঠকোপ মুনিয়ে পূজা পাব লাগিছে, আৰু ব্যাধেও পদ্মপাদক সিদ্ধ-মন্ত্ৰ দি নৃসিংহদেৱক সাক্ষাৎ কৰাই দিছিল। সামাজিক হিচাবত ব্যাধ সামান্য মানুহ। এই "জাতি সামান্য" জ্ঞান উপজিব বুলি নৃসিংহদেৱে দঢ়াই দঢ়াই কৈছিল যে "এওঁক সামান্য মানুহ বুলি নেভাবিবা।"

বৰদলৈদেৱে আকৌ মনুৰ অধিকাৰ-সূত্ৰ মাতি ক'ব যে বামুণে নাম-মন্ত্ৰও দিব পাৰে কিয়নো "বৰ্ণানাং ব্ৰাহ্মণো গুৰুঃ।" আমি আগৰ দফাত দেখুৱাইছো যে, শাস্ত্ৰত যেনেকৈ সাধাৰণ বিধি আছে, সেইদৰে বিশেষ বিধিও আছে; সাধাৰণ বিধি অনুসাৰে যিটো নিষিদ্ধ, আদৰ্শৰ গতি অনুসাৰে বিশেষ বিধিমতে সেইটো সিদ্ধ। যেনে মনুত আছে, "ন শূদ্ৰায় মতিং দদ্যাৎ" অৰ্থাৎ শূদ্ৰক আধ্যাত্মিক জ্ঞানযুক্ত কোনো সুমতি দিব নেলাগে। কিন্তু ভাগৱত বা আন আন পুৰাণতে আছে যে ভক্তি-যুক্ত হ'লে স্ত্ৰী শূদ্ৰকো জ্ঞান দিব লাগে।

"সাধবে শুচয়ে ব্ৰুয়াদ্ভক্তিঃ স্যাৎ শূদ্ৰযোষিতাং"

"স্ত্ৰী শূদ্ৰেও যদি কৰে আমাত ভকতি। তাহাত কহিবা ইটো জ্ঞান মহামতি॥" (কীৰ্ত্তন)

স্মৃতিৰ যিটো সাধাৰণ অনধিকাৰৰ কথা, ভাগৱতৰ আদৰ্শ অনুসাৰে সেইটো বিশেষ অধিকাৰত পৰিণত হৈছে। যদি স্মৃতিৰ কথাকেই বৰদলৈদেৱে মৰ কামোৰ দি চেপি ধৰে,

তেনেহ'লে এইটোহে ওলায় দামোদৰ-পন্থী শূদ্ৰসকলে কোনো ধৰণৰ সুমতি নেপায়। আকৌ স্মৃতিত আছে, 'পঞ্চযজ্ঞান্ যথাশক্তি ন ত্যজেৎ" অৰ্থাৎ পাৰ্যমানে নিতৌ পঞ্চযজ্ঞ দেৱতা পূজা কৰিব লাগে। এইটো এটি সাধাৰণ উপদেশ। কিন্তু একশৰণ ধৰ্মৰ আদৰ্শ অনুসাৰে বৈষ্ণৱ গ্ৰন্থত ইয়াৰ ব্যতিৰেক কল্পিত হৈছে।' যেনে ' ভট্টদেৱে কৈছে "(ননু এৱং বিধ্যুক্তমাৰ্গেণ) ` কৰ্মনি ক্ৰিয়মানে নানাদেৱতা-পূজা স্যাৎ কথমেকশৰণং তত্ৰাহ।" "অপি চ বিধ্যুক্তমাৰ্গেণ ভগৱদৰ্চ্চনে ক্ৰিয়মানে নিত্যোক্ত পঞ্চযজ্ঞ দেৱতা পূজা ন স্যাৎ তত্ৰাহ।" অৰ্থাৎ বিধি অনুসাৰে স্মৃতিৰ উপদিষ্ট কৰ্ম কৰিব লাগিলে একশৰণ ধৰ্ম নেথাকে; আকৌ নিয়মমতে হৰিৰ অৰ্চনা কৰিলে পঞ্চযজ্ঞ দেৱতা পূজা নহয়। এতেকে 'অৰ্চ্চিতে দেৱ-দেৱেশে' ইত্যাদি। অৰ্থাৎ এক দেৱদেৱেশ হৰিক পূজা কৰিলেই সকলো দেৱতাৰে পূজা হয়। আকৌ "ন বিষ্ণোৰাধনাৎ পুণ্যং ৱিদ্যতে কৰ্মবৈদিকম্", বিষ্ণুৰ আৰাধনাতকৈ পুণ্যতম বৈদিক কৰ্ম নাই।

আমাৰ বক্তব্য এয়ে যে মনুৰ স্মৃতিত যিবোৰ সাধাৰণ বিধি আছে, যুগধৰ্মৰ আদৰ্শৰ ভিন্ন ভাৱ অনুসাৰে, সেইবোৰৰ ঠাইত বিশিষ্ট বিধি কল্পিত হৈছে। মনু-স্মৃতিত "সাধাৰণ" বৈদিক বিধি আছে, তাত যুগধৰ্মৰ প্ৰকৰণ নিৰ্ণয় হোৱা নাই। মনুত যে বিশেষ বিধি নাই তেনেও নহয় —

"অন্ত্যাদপি পৰং ধৰ্ম্মং স্ত্ৰীৰত্নং দুষ্কুলাদপি।"

"অন্ত্যশ্চাণ্ডালস্তস্মাদপি--- পৰং ধৰ্ম্মং মোক্ষোপায়মাত্মজ্ঞানমাদদীত"–

অৰ্থাৎ 'অন্ত্যজ চণ্ডালৰপৰাও মোক্ষৰ উপায় স্বৰূপ আত্মজ্ঞান অতি শ্ৰদ্ধাৰে ল'ব লাগে।' নাম-ধৰ্মও যে মোক্ষ আৰু আত্মজ্ঞানৰ উপায় বোধ কৰোঁ বৰদলৈদেৱে জানে। মনুৱে যিটো সাধাৰণভাৱে উল্লেখ কৰি থৈছে, পুৰাণত সেইটোৱে বিশিষ্ট প্ৰয়োগ কৰি দেখুওৱা গৈছে। বিষ্ণুৰ নাম মন্ত্ৰ অন্ত্যজেও ব্ৰাহ্মণক দিব পাৰে আৰু সকলো সময়তে দি আহিছেও। ইয়াৰেই নাম "ব্যষ্টিত সমষ্টি।" শাস্ত্ৰৰ বিশেষ বিধি নামানিলে স্বয়ং চৈতন্যদেৱেই বৰ্ণাশ্ৰম লঙ্ঘন দোষত দূষিত হয়। কম বয়সত পুত্ৰৰ হাতত ভাৰ্যাক সঁপি নিদিয়াকৈ প্ৰব্ৰজ্যা-গ্ৰহণ শাস্ত্ৰৰ সাধাৰণ বিধিবিহিত নহয়, বিশেষ বিধিবিহিত। শঙ্কৰদেৱে ব্ৰাহ্মণক নাম-শৰণ দিয়া বুলিলে "বৌদ্ধ" মত সমৰ্থন কৰা বুলি কোৱাটো বৰদলৈ সিংহৰ ভাওনাৰ গাজনিহে। ইয়াত স্বৰূপাৰ্থ নাই। শঙ্কৰদেৱে দামোদৰদেৱক নামাত্মক শৰণ-মন্ত্ৰ দিছিলনে নাই, ইয়াৰ বিচাৰ শাস্ত্ৰৰ ফালৰপৰা নকৰি, ইতিহাসৰ ফালৰপৰা কৰিব লাগিব।

কোনোবাই যদি ঐতিহাসিক অনুসন্ধানৰপৰা ক'ব পাৰে যে শঙ্কৰদেৱে দামোদৰদেৱকো নাম-শৰণ দিছিল– তেনেহ'লে ইয়াৰ প্ৰমাণ ল'ব লাগিব ঐতিহাসিক ঘটনাৰপৰা। শাস্ত্ৰ-সম্মত বুলিলেই আজিও চণ্ডাল শঠকোপ মুনিৰ শিলৰ মূৰ্তিয়েও ব্ৰাহ্মণৰপৰা পূজা পাই আছে আৰু শঙ্কৰাচাৰ্যৰ প্ৰধান শিষ্য পদ্মপাদে ব্যাধৰপৰা বিষ্ণুৰ (নৃসিংহ দেৱৰ) সিদ্ধ-মন্ত্ৰ লৈছিল। বৰদলৈদেৱে নিশ্চয় ক'ব, নেমানো আমি দামোদৰীয়া বামুণবোৰে ("দামোদৰীয়" মানে দামোদৰ-পন্থী বামুণকহে বুজায়, শূদ্ৰসকলৰ "সুমতি" ল'বৰো অধিকাৰ নাই) এইবোৰ কথা। নেমানিবৰেই কথা; স্বয়ং "প্ৰভু" ' ভট্টদেৱেই চাকি দেৱীৰ হেঁচাত চেপেটা লাগিল; কা কথা ভবানন্দস্য।

(৪)
টীকা-বৈচিত্ৰ্য

আগৰ প্ৰবন্ধবোৰত বেদৰ বচন উদ্ধাৰ কৰি দেখুওৱা হৈছে যে জাতি-নিৰ্বিশেষে সকলোৰে বেদত অধিকাৰ আছিল। এই প্ৰসঙ্গতে কবষ, কক্ষীৱান, সত্যকাম, জানশ্ৰুতি "আদিৰ চৰিত আলোচনা কৰি দেখুওৱা হৈছে। এইটোও কোৱা হৈছে যে পৌৰোহিত্যৰ আড়ম্বৰ বাঢ়ি যোৱাত সত্যকাম আদিৰ চৰিতত কাল্পনিক ব্যাখ্যাৰে অমূলক অৰ্থ আৰোপ কৰাও হৈছিল। আগৰ প্ৰবন্ধত এইটো অলপ আলোচনা কৰা হৈছে। এইবোৰ কষ্টকল্পিত ব্যাখ্যাৰে সামাজিক বিভাগমতে তলতীয়া জাতিবোৰক যে ন্যায্য প্ৰাপ্তিৰপৰা বঞ্চনা কৰিবলৈ শ্ৰুতি বা স্মৃতি আদিৰ টীকাত প্ৰবল চেষ্টা এটিও চলিছিল, তাৰ অন্য প্ৰমাণ তলত দিয়া কথাবোৰৰপৰা ৰাইজে বুজি ল'ব। মনুত আছে–

শ্ৰদ্দধানঃ শুভাং বিদ্যামাদদীতাৱৰাদপি।
অন্ত্যাদপি পৰং ধৰ্ম্মং স্ত্ৰী-ৰত্নং দুষ্কুলাদপি॥

তলৰ ফাকিৰ ব্যাখ্যাত "কুল্লুক ভট্টই কৈছে,

"অন্ত্যশ্চাণ্ডালঃ তস্মাদপি জাতিস্মৰাদেঃ বিহিতযোগপ্ৰকৰ্ষাৎ দুষ্কৃতশেষোপভোগাৰ্থমবাপ্তচাণ্ডালঃ জন্মনঃ পৰং ধৰ্ম্মং মোক্ষোপায়মাত্মজ্ঞানম্ আদদীত।" অৰ্থাৎ 'অন্ত্যজ চণ্ডালৰপৰাও মোক্ষাত্মক আত্মজ্ঞান অতিশয় শ্ৰদ্ধাৰে ল'ব লাগে। হয়তো এইবোৰ চণ্ডালে পূৰ্বৰ জন্মত বহুত সাধনা কৰি কোনোবা দুষ্কৃতিৰ শেহ ফল ভোগ কৰিবলৈ নীচ যোনিত জন্ম গ্ৰহণ কৰিছে।' ইয়াতে কুল্লুক ভট্টই পৰোক্ষভাৱে (indirectly) বহুত কথা স্বীকাৰ কৰিছে। পৰম ধৰ্ম মানে ব্ৰহ্মজ্ঞান। যদি চণ্ডালৰ ব্ৰহ্মজ্ঞানত অধিকাৰ নেথাকে, ব্ৰহ্মজ্ঞান পাব ক'ৰপৰা ? অৱশ্যে চণ্ডাল ভ্ৰষ্টযোগী। তেওঁৰ পূৰ্ব-জন্মৰ সঞ্চিত জ্ঞান আছে। কিন্তু বৰদলৈয়ে এটি কাল্পনিক গুৰুবাদৰ কথা উলিয়াইছে; সেই অনুসাৰে স্বয়ং ঈশ্বৰ পুৰুষ অৱতীৰ্ণ হ'লেও তেওঁৰ লৌকিক গুৰু এজনৰ দৰকাৰ হয়। তেনেহ'লে "ভ্ৰষ্টযোগী" চণ্ডালৰো হয় ব্ৰহ্মজ্ঞানৰ লৌকিক গুৰু থাকিব, নহয় স্বতঃপ্ৰেৰিত হৈ ব্ৰহ্ম-উপদেশ দিব। বৰদলৈয়ে ওপৰত কোৱা দুটিৰ এটি পক্ষ সমৰ্থন কৰিব লাগিবই। যি হওক, আমাৰ পক্ষে এইখিনিয়েই যথেষ্ট যে কুল্লুকে বিশিষ্ট বিধান অনুসাৰে চণ্ডালৰো আত্মজ্ঞান দিব পৰা অধিকাৰ স্বীকাৰ কৰিছে।

ইয়াতে এটি বৰ "মজাৰ" কথা আছে। কুল্লুকৰ আগেয়ে মেধাতিথি নামে মনুৰ আন এজন টীকাকাৰ আছিল। উদ্ধৃত শ্লোকটোৰ ভঙ্গী দেখি চণ্ডালেও আত্মজ্ঞান দিব পৰা কথাত থমক খাই এনে এটি কাল্পনিক ব্যাখ্যা দিছে যে সেইটো দেখি কুল্লুকেও শ্লেষ নকৰি নোৱাৰিলে। মেধাতিথিৰ ব্যাখ্যা– "শ্ৰুতিস্মৃত্যপেক্ষয়া পৰো ধৰ্ম্মো লৌকিকঃ।

ধৰ্ম্মশব্দো ব্যৱস্থায়ামপি যুজ্যত। যদি চাণ্ডালোঽপি
অত্ৰ প্ৰদেশে মা চিৰং স্থা মা চাস্মিন্ অম্ভসি স্নায়া
ইত বদতি তমপি ধৰ্ম্মমনুতিষ্ঠেৎ।" অৰ্থাৎ 'ব্ৰাহ্মণ-গ্ৰন্থ স্মৃতি আদিত যেতিয়া চণ্ডালক হীন

বুলি বেদবাহ্য বোলা হৈছে, সেই শাস্ত্রবোৰৰ মৰ্যাদা ৰাখিবলৈ পৰম ধৰ্ম মানে "লৌকিক" ধৰ্ম বুজিব লাগিব। আকৌ "ধৰ্ম" মানেও সাধাৰণ উপদেশ বুজিব লাগে— যেনে চণ্ডালে যদি বামুণক কয় যে এনে তেনে ঠাইত বেছি দিন থাকিব নেলাগে বা এনে তেনে পানীত গা ধুব নেলাগে, তেনেহ'লে বামুণে চণ্ডালৰ এইফেৰা উপদেশ পালন কৰিব পাৰে !!' এই অমূলক ব্যাখ্যা দেখি কুল্লুকে এটি শ্লোক উদ্ধাৰ কৰি শ্লেষ প্ৰয়োগ কৰিছে :

"প্ৰাগল্ভ্যাৎ লৌকিকং বস্তু পৰং ধৰ্মমিতি ব্ৰুবন।

চিত্ৰং তথাপি সৰ্ব্বত্ৰ শ্লাঘ্যো মেধাতিথিঃ সতাম্॥" 'যি মেধাতিথিয়ে কথাৰ মিছা আড়ম্বৰ পাতি "পৰম ধৰ্ম" মানে "লৌকিক" বুলি কৈছে সেই মেধাতিথিক যে "সজ্জন" সমাজে সকলো ঠাইতে আদৰ কৰে ইয়াতকৈ আচৰিত আৰু কি হ'ব পাৰে ?'

আন নহ'লেও উদ্ধৃত শ্লোকৰ কাল্পনিক ব্যাখ্যা দিয়াৰ কাৰণেই মেধাতিথি ব্ৰাহ্মণ সমাজত শ্লাঘ্য হৈ থাকিব। অমূলক কথাৰে আন জাতিবোৰক প্ৰাপ্য দাবীৰপৰা বঞ্চিত কৰিব নোৱাৰিলে, ব্ৰাহ্মণৰ জাতীয় "গৌৰৱ" অক্ষুণ্ণ থাকে কেনেকৈ ? কুল্লুকেও "জাতিস্মৰবাদি" বিশেষণ লগাই শ্লোকৰ পোনপটীয়া অৰ্থত অলপ মেৰপাক লগাই থৈছে। যি হওক, মোটামুটিকৈ তেওঁ বিশেষ অৱস্থাত চণ্ডালৰো অধিকাৰ স্বীকাৰ কৰিছে, মেধা বাপু কিন্তু তাৰ ওচৰলৈকেও নগ'ল।

শ্ৰুতি-স্মৃতিৰ উদাৰ মতৰ লগত "কেৱল ব্ৰাহ্মণেহে হেন তেন কৰিব পাৰে" ইত্যাদি ৰূপক কথাৰ সংঘৰ্ষ স্থানত বৰদলৈৰ "প্ৰভু" সনাতন গোস্বামীয়ে কি কৈছে সকলোৱে জানিব লগীয়া। পুৰাণৰ অনেক ঠাইত আছে যে জাতি-নিৰ্বিশেষে স্ত্ৰী, শূদ্ৰ ব্ৰাহ্মণ, সকলোৱে শালগ্ৰাম পূজা কৰিব পাৰে। আন আন ক'ৰবাত আকৌ "কেৱল ব্ৰাহ্মণেহে পূজিব পাৰে"— এনে কথাও পোৱা যায়। এনে ঠাইত সনাতন গোস্বামীয়ে কৈছে—

মহাপুৰাণানাং বচনৈঃ সহ ব্ৰাহ্মণস্যৈব
পূজ্যোঽহমিতি বচনস্য বিৰোধমাৎসৰ্যপৰৈঃ
স্মাৰ্ত্তৈঃ কৈশ্চিৎ কল্পিতমিতি বক্তব্যং।

অৰ্থাৎ মহাপুৰাণবোৰৰ উদাৰ বচনবোৰৰ লগত যেতিয়া "বিষ্ণু-মূৰ্তি ব্ৰাহ্মণেহে পূজিব লাগে" ইত্যাদি কথাৰ বিৰোধ উপস্থিত হয়, তেতিয়া বুজিব লাগিব যে, সঙ্কীৰ্ণ কথাবোৰ হিংসাকুৰীয়া স্মৃতিকাৰসকলৰ মনঃকল্পিত ব্যৱস্থা।"

"সনাতন-পন্থী" বোলোৱাসকলে ক'ব পাৰে যে ওপৰত তুলি দিয়া সাৰ্বভৌম আৰু শঙ্কৰদেৱৰ কথাৰপৰা এইটো ওলায় যে বেদ-মন্ত্ৰত শূদ্ৰৰ অধিকাৰ নাই। কিয়নো অধিকাৰ অনধিকাৰ হিচাবে তেওঁলোকে বেদ-মন্ত্ৰ আৰু নাম-মন্ত্ৰৰ প্ৰভেদ স্বীকাৰ কৰিছে। শ্ৰুতি আৰু স্মৃতিৰ বিশিষ্ট বিধান অনুসাৰে তেওঁলোকে তৰ্ক কাৰি শূদ্ৰৰ অধিকাৰ সাব্যস্ত নকৰিলে কিয় ? ইয়াৰ মীমাংসা অতি সহজ। শ্ৰুতি-স্মৃতিৰ বিশিষ্ট বিধান লৈ তৰ্ক কৰিবলৈ একো দৰকাৰ নাছিলেই। স্মৃতিৰ সাধাৰণ বিধান স্বীকাৰ কৰিবলৈ বেদাধিকাৰৰ তৰ্ক নোতোলাকৈয়ে যেতিয়া মহাপুৰাণবোৰৰ বিধান অনুসাৰে নাম-ধৰ্মত জাতি-নিৰ্বিশেষে সকলোৰে অধিকাৰ প্ৰতিপন্ন হৈ আছে, তেতিয়া বেদাধিকাৰৰ তৰ্ক তুলি

সমস্যা জটিল কৰা একান্ত অনাৱশ্যক আছিল। তাত বাজেও "হৰিনাম" বেদৰো চূড়ান্ত সিদ্ধান্ত বুলি মহাপুৰাণবোৰে বহুত আগেয়ে স্বীকাৰ কৰি লৈছে। নাম-ধৰ্ম যে বেদ-বেদান্ত প্ৰতিপাদিত আৰু যুগ-ভেদ অনুসাৰে বেদতকৈও শ্ৰেষ্ঠ, এইটো ভাগৱতৰ "বেদ-স্তুতি"ৰপৰাই ওলায়। তাত বাজেও "বেদে ৰামায়ণে চৈৱ পুৰাণে ভাৰতে তথা। আদি মধ্যাৱসানেষু হৰিঃ সৰ্ব্বত্ৰগীয়তে॥" ইত্যাদি। নানান বচনৰপৰাও একে সিদ্ধান্তই ওলায়। শ্ৰীকৃষ্ণ "ব্ৰহ্মণ্যদেৱ" বেদাধিষ্ঠাতা দেৱতা বুলি স্বীকৃত হৈছে। আৰু তেৱেঁই চেতন পৰম পদাৰ্থ ইও বেদ-স্তুতিত আছে–

তুমিসি সৱাকো দিয়া চৈতন্য শকতি।
আমি বেদগণ আত প্ৰমাণ সম্প্ৰতি॥ (কীৰ্ত্তন)

আকৌ কৃষ্ণ-নামক যেতিয়া সকলো নিগম-লতাৰ চৈতন্য-স্বৰূপ অবিনাশী ফল বুলি শাস্ত্ৰই স্বীকাৰ কৰিছে আৰু এই "নাম"-ৰূপ "ফলৰ" আদান-প্ৰদানত যেতিয়া অৱস্থা-ভেদে সকলো বৰ্ণৰেই সামান্য অধিকাৰ শাস্ত্ৰই স্বীকাৰ কৰিছে, তেতিয়া "ফল" এৰি "লতাত" কাৰ অধিকাৰ আছে নাই ?– এই প্ৰশ্ন অনৰ্থক আৰু অপ্ৰাসঙ্গিক; সেই দেখি স্মৃতিৰ সাধাৰণ বিশেষ বিধানৰ বিষয়ে তেওঁলোকে কোনো তৰ্ককেই তোলা নাই। স্মৃতিৰ সাধাৰণ বিধি স্বীকাৰ কৰিলেও নাম-ধৰ্মত কোনো বেমেজালি নঘটে। নাম-ধৰ্ম ইমান উচ্চ ক্ষেত্ৰত বৰ্তমান বুলি শাস্ত্ৰই স্বীকাৰ কৰিছে যে, ই স্মৃতিৰ সাধাৰণ বিধিৰ কৰ্তৃত্বৰ বহুত ওপৰত আছে। যেনে স্মৃতি অনুসাৰে বামুণে "পঞ্চযজ্ঞ" নিতৌ কৰিব লাগে। কিন্তু ভট্টদেৱে কৈছে যে পঞ্চদেৱতা পূজা কৰিলে "একশৰণ" থাকিব নোৱাৰে; সেই দেখি ইয়াৰ ঠাইত নিতৌ হৰিক পূজা কৰিলেই হ'ব, কিয়নো হৰিৰ আৰাধনাতকৈ পুণ্যতৰ বৈদিক কৰ্ম নাই।

And not by eastern windows only,
when daylight comes, comes in the light.
In front, the Sun climbs slow, how slowly,
but westward, look, the land is bright !

দ্বাদশ প্ৰকাশ [1]

(১)

ৰাজর্ষি জনক আৰু ব্ৰাহ্মণসকল

জনক আৰু যাজ্ঞবল্ক্যাদি সংক্ৰান্ত ঘটনা বুজা নহয়। উনুকিওৱা হৈছে যদিও ইয়াত অলপ কৰোতাৰ কোৱাঁ যাওক। এদিন জনক ৰজাই কেইজনমান বামুণক লগ পালে— "জনকো হ বৈ বৈদেহো ব্ৰাহ্মনৈর্ধাবয়ন্তিঃ সমাজগাম।" বামুণসকলৰ নাম আছিল শ্বেতকেতু, আৰুণেয়, সোমসুষ্ম, সত্যযজ্ঞী আৰু যাজ্ঞবল্ক্য। জনকে বামুণসকলক সুধিলে, 'তোমালোকে অগ্নিহোত্ৰ কেনেকৈ সম্পাদন কৰা?' "কথং কথমগ্নিহোত্ৰং জুহুথ ইতি।" প্ৰত্যেকে বেলেগ বেলেগভাৱে লাগ-বান্ধ নোহোৱা'ক একো সোপা ক'লে। শেহত যাজ্ঞবল্ক্যই উত্তৰ দিলে। উত্তৰত ৰজাই ক'লে, 'তুমি যদিও প্ৰশ্নটোৰ আচল মীমাংসা দিব নোৱাৰিলা, তথাপি তোমাৰ কথাবোৰ প্ৰায় মীমাংসাৰ ফালেই গৈছে। প্ৰীতি স্বৰূপে তোমাক মই এশ খীৰতী গাই দিলো।' "ত্বং নেদিষ্ঠসং যাজ্ঞবল্ক্য অগ্নিহোত্ৰ অমীমাংসিষ্ঠাঃ। ধেনুশতং দদামি।" এইদৰে কৈ ৰজাই ৰথত উঠি প্ৰস্থান কৰিলে, "ইত্যুক্ত্বা ৰথমাস্থায় প্ৰধ্বাৱয়ান্ চকাৰ।"

ৰজা গুচি গ'লত "ব্ৰাহ্মণ্য দেব"সকলৰ ব্ৰহ্মতেজ জাগি উঠিল। ইজনে সিজনৰ মুখলৈ চাই ক'বলৈ ধৰিলে, 'এই ৰাজন্য-বন্ধুৱে আমাক ব্ৰহ্মবিদ্যাত পৰাস্ত কৰিলে। ব'লা, এওঁক আমি তৰ্ক-যুদ্ধলৈ মাতি পঠাওঁ।'— "অতি বৈ নোঽয়ং ৰাজন্য-বন্ধুৰবাদীৎ। হন্ত এনং ব্ৰহ্মোদ্যঃ আহ্বায়ামহৈ ইতি।" এটাই কেইজনৰ ভিতৰত যাজ্ঞবল্ক্যৰ বিষয়-বুদ্ধিও অলপ চোকা আছিল। তেখেতে আগগুৰি চাই ক'লে, 'চোৱাঁ আমি হ'লো বামুণ, তেখেত হ'ল ক্ষত্ৰিয়; যদি তেখেত পৰাস্ত হয়, বিশেষ একো কথা নাই; যদি আমি পৰাস্ত হওঁ, লোকে ক'ব, ক্ষত্ৰিয়ৰ হাতত পৰাভূত হ'ল। এতেকে এনেটো কামলৈ মন নকৰিবা। অৰ্থাৎ যি হয় গোপনে গোপনে শিকি লোৱা।' এই বুলি কৈ যাজ্ঞবল্ক্যই ৰথত উঠি খেদি গৈ ৰজাক লগ ধৰিলে।

স হ উবাচ যাজ্ঞবল্ক্যঃ ব্ৰাহ্মণা বৈ বয়ং স্মঃ।
ৰাজন্য বন্ধুৰসৌ যদ্যমুং জয়ং জয়েম
কমজৈস্ম্ ইতি ব্ৰুয়াম। অথ যদাসৌ অস্মান্
জয়েৎ, ব্ৰাহ্মণান্ ৰাজন্যবন্ধুৰাজৈষীৎ ইতি নো ব্ৰুয়ুঃ।

মেদং আদৃধ্বম্ ইতি।" যাজ্ঞবল্ক্যই খেদি গৈ লগ ধৰিলত ৰজাই সুধিলে, 'অগ্নিহোত্ৰ শিকিবলৈ আহিছা, যাজ্ঞবল্ক্য?' যাজ্ঞবল্ক্যয়ো ক'লে— "অগ্নিহোত্ৰ শিকিবলৈ, সম্ৰাট!' "অগ্নিহোত্ৰং যাজ্ঞবল্ক্য বেদিতুস ইতি। অগ্নিহোত্ৰ সম্ৰাট্ ইতি।" অগ্নিহোত্ৰ-তত্ত্ব-ব্যাখ্যা কৰি ৰজাই ক'লে, 'এয়ে অগ্নিহোত্ৰ, ইয়াতকৈ আৰু একো নাই।' "এতদগ্নিহোত্ৰং যাজ্ঞবল্ক্য ন অতঃপৰমস্তি ইতি হোবাচ।" যাজ্ঞবল্ক্যয়ো ৰজাক বৰ দিব খুজিলে; ৰজাই ক'লে, 'মই যেতিয়াই তেতিয়াই তোমাক ইচ্ছামতে প্ৰশ্ন কৰিব পাৰোঁ যেন। তেতিয়াৰপৰা জনক ব্ৰাহ্মণ হ'ল।

---

[1] বাঁহী, একাদশ বছৰ, ষষ্ঠ সংখ্যা, আহিন ১৮৪৩

"তস্মৈ যাজ্ঞবল্ক্য বৰং দদৌ ।
স হোৱাচ কাথ প্ৰশ্ন এব মে ত্বয়ি অসদিতি ।
তাতো ব্ৰহ্ম জনকঃ আস্ । (শতপথ ব্ৰাহ্মণ)

ওপৰত দিয়া ঘটনাৰ পিছৰপৰাই জনক আৰু যাজ্ঞবল্ক্যৰ ভিতৰত অতিশয় ঘনিষ্ঠ সম্বন্ধ স্থাপিত হ'ল। যাজ্ঞবল্ক্য জনকৰ ৰাজসভাতে থাকি পৰম ব্ৰহ্মজ্ঞানী হ'ল আৰু উপনিষদৰ বহুত অংশই জনক আৰু যাজ্ঞবল্ক্যৰ ব্ৰহ্ম জিজ্ঞাসাৰেই ভৰা ।

লৌকিক প্ৰৱাদ অনুসাৰে যেনেকৈ বিক্ৰমাদিত্য ৰজা দানী-শ্ৰেষ্ঠ বুলি খ্যাত, ৰাজৰ্ষি জনকো উপনিষদৰ সময়ত তেনেকৈ জ্ঞানী-শ্ৰেষ্ঠ বুলি প্ৰখ্যাত আছিল। উপনিষদে এঠাইত জনকৰ এই খ্যাতি স্বীকাৰ কৰি এজন ব্ৰাহ্মণৰ প্ৰতি শ্লেষবাক্য প্ৰয়োগ কৰিছে। আমি আগেয়ে উল্লেখ কৰিছো যে গৰ্গবংশীয় দাম্ভিক বালাকিয়ে আগ-গুৰি নোহোৱাকৈ ঘপহকৈ কাশীৰাজ অজাতশত্ৰুক কৈছিল, "ব্ৰহ্ম তে ব্ৰবাণীত ।" 'তোমাক ব্ৰহ্মোপদেশ দিওঁ ।' ৰজায়ো ইতিকিং কৰি উত্তৰ দিলে– "সহস্ৰমেতস্যাং ৱাচি দদ্মো জনক জনক ইতি বৈ জনা ধাৱন্তীতি ॥" 'তুমিও যে মোক ব্ৰহ্মোপদেশ দিবা, এই কথাষাৰ কোৱাৰ বাবেই তোমাক এহেজাৰ সোণৰ মোহৰ দিবৰ মন যায়। জন-সমূহে কেৱল 'জনক' 'জনক' বুলি লৰি ফুৰিব লাগিছে ।' অৰ্থাৎ 'শ্ৰেষ্ঠ ব্ৰহ্মোপদেশক হিচাপে জনকৰ নামহে জন-মানসত খ্যাত। এনেস্থলত অপ্ৰতিৰথ জনকৰ গৌৰৱ খৰ্ব কৰি তুমিও যে প্ৰতিদ্বন্দ্বী হৈ ব্ৰহ্ম ব্যাখ্যা কৰিবলৈ ওলাইছা, এই কথাষাৰৰ বাবেই তোমাক সোণৰ মোহৰ দিবৰ মন যায় ।' যি হওক, জনকে যেতিয়া সোণেৰে শিং বন্ধোৱা এহেজাৰ গৰু দক্ষিণা স্বৰূপে আগবঢ়াই যজ্ঞ কৰিলে, তাতো তেওঁ ঘোষণা কৰিলে– 'ব্ৰাহ্মণসকলৰ ভিতৰত যি ব্ৰহ্মজ্ঞানী, তেৱেঁই এই দক্ষিণা নিব পাৰিব ।' দক্ষিণা নিলে কোনে ? জনকৰ শিষ্য-বন্ধু ব্ৰহ্মিষ্ঠ যাজ্ঞবল্ক্যই এই দক্ষিণা লৈ গ'ল। আৰু ব্ৰহ্মবাদিনী স্ত্ৰী গাৰ্গী বাচক্লবীয়ে ভোজনৈ অহা বামুণসকলক যাজ্ঞবল্ক্যৰ হাতৰপৰা মানে মানে সকৰাই নিলে। (বিস্তৃত বিৱৰণ আগেয়ে দিয়া হৈছে।)

(২)
ব্ৰহ্মদীক্ষা

৩য় প্ৰকাশ 'বিজুলী'ত গৌতম বালাকি আদি ব্ৰাহ্মণসকলে উপনয়নৰ নিমিত্তে যজ্ঞ-কাষ্ঠাদি হাতত লৈ গৈ কেনেকৈ ক্ষত্ৰিয়সকলৰপৰা ব্ৰহ্মতত্ত্ব শিকিছিল; দেখুওৱা হৈছে। যশস্পতি পণ্ডিতে তৰ্ক তুলিছে যে যিসকল বামুণে ক্ষত্ৰিয় গুৰুৰপৰা ব্ৰহ্মতত্ত্ব শিকিছিল, তেওঁলোকৰ আগেয়েই উপনয়ন হৈ গৈছিল; কিয়নো বামুণৰ ৭/৮ বছৰ বয়সতেই উপনয়ন হোৱাৰ নিয়ম। আৰু ল'বাৰ বাপেক গৌতম মুনিৰ যে সকতেই উপনয়ন হৈছিল এই কথাষাৰ ভবানন্দ পাঠকে নেজানিবও পাৰে। কিন্তু লগুণীয়া যশস্পতিয়ে ভালকৈ জানে। এইখিনি কৈ পণ্ডিতে 'মাৰ জাপ, লঙ্ঘ সাগৰ' প্ৰণালী অৱলম্বন কৰি যাজ্ঞবল্ক্যাদিৰ স্মৃতিৰপৰা ধপ্ ধপকৈ ভজা আখৈ ফুটাৰ দৰে অসংলগ্ন শ্লোক দুটিমান ফুটাই

ৰাইজক বিচাৰিবলৈ ভাৰ দি অদৃশ্য হ'ল। 'বিজুলী'ত উদ্ধাৰ কৰি দিয়া বচনবোৰ যশস্পতিয়ে মন কৰি চালে দেখিলেহেঁতেন যে, তাৰ ভিতৰত আছে–

"স হ (গৌতমঃ) সমিৎপাণিঃ চিত্রং
গার্গায়ণিং প্রতিচক্রমে উপয়ানীতি তং হোৱাচ্ ইতি।"
------ বালাকিঃ সমিৎপাণিঃ প্রতিচক্রমে

ব্রাহ্মণমুপনয়ীত। ক্ষত্রিয়ই ব্রাহ্মণৰ উপনয়ন কৰিব, এইটো বিপৰীত প্ৰথা যেন লাগে।

ক্ষত্রিয়ই যদি উপনয়ন সংস্কাৰ দিব নোৱাৰিছিল, তেনেহ'লে গৌতম, বালাকি আদি ব্রাহ্মণসকলে যজ্ঞ-কাষ্ঠ হাতত লৈ "উপয়ানীতি" বুলি কি সংস্কাৰৰ অপেক্ষা কৰিছিল? "উপনয়ন" শব্দটোৱে অগাধ যশস্পতিৰ মূৰ ঘূৰাই দিছে। উপনয়ন মানে পণ্ডিতে কেৱল লগুণ-দিয়নিকেই বুজিছে। উপনয়ন শব্দ অনেক ঠাইত "দীক্ষাৰ" অৰ্থত প্ৰয়োগ হয়। দীক্ষা শব্দৰ বৈদিক সাহিত্যতো প্ৰয়োগ আছে। যদিও মন্ত্ৰ-দান অৰ্থত ইয়াৰ বিপুল প্ৰয়োগ হয় তন্ত্ৰ-শাস্ত্ৰতহে। শাক্ত বামুণে যেনেকৈ "উপনয়ন" বা লগুণ লোৱাৰ পিছত গৈ তান্ত্ৰিক গুৰুৰপৰা দীক্ষা-মন্ত্ৰ লয়, বৈষ্ণৱে যেনেকৈ নাম-শৰণ লয়, তেনেকৈ বেদৰ সময়ত উপনয়ন বা লগুণ লোৱাৰ পিছত গুৰুৰ 'উপনীত' বা সমীপস্থ হৈ বেদ-বিদ্যা শিকিছিল। আৰু লগুণ লোৱা শাক্ত ব্রাহ্মণৰ যেনে দীক্ষা-প্ৰক্ৰিয়া আছে, সেইদৰে লগুণ লোৱা বৈদিক বামুণৰো উপনয়ন-প্ৰক্ৰিয়া আছিল। আৰু সেই প্ৰক্ৰিয়া সম্পাদন কৰিবলৈহে গৌতমাদি ব্রাহ্মণসকলে যজ্ঞীয় কাষ্ঠ হাতত লৈ ক্ষত্রিয় গুৰুসকলৰ সমীপস্থ হৈছিল, আৰু শাক্তৰ যেনে দীক্ষা-গুৰু, বৈষ্ণৱৰ শৰণ-গুৰু, সেইদৰে বেদৰ দিনতো বেদ-বিদ্যা-দাতাসকল আচাৰ্য গুৰু আছিল। সেই হিচাপত ক্ষত্রিয়সকল গৌতমাদি ব্রাহ্মণসকলৰ আচাৰ্য গুৰু আছিল।

আকৌ এইটোও মন কৰিব লগীয়া যে বেদৰ বেলেগ বেলেগ তত্ত্ব বেলেগ বেলেগ পুৰুষসকলৰ হাতত আছিল। সমুদায় বেদ-বিদ্যা একেজন আচাৰ্যৰ হাততেই নাছিল। ওপৰত তুলি দিয়া জনক-যাজ্ঞবল্ক্য-চৰিতৰ পৰাই বুজিব পাৰি। যাজ্ঞবল্ক্যই গুৰু-গৃহত বাস কৰিছিল; কিন্তু অগ্নিহোত্ৰ বিদ্যা পালে মহৰ্ষি জনকৰপৰা। আৰু প্ৰচলিত ৰীতি অনুসাৰে প্ৰত্যেক বিদ্যাদানৰ আৰম্ভতেই যজ্ঞাদি উপনয়ন-প্ৰক্ৰিয়া সম্পাদন কৰি বেদ-বিদ্যা দিব লাগে। কিন্তু ক্ষত্রিয় গুৰুসকলে বাহ্যিক অনুষ্ঠানতকৈ আন্তৰিক আগ্ৰহত বেছি আস্থা স্থাপনা কৰি উপনয়ন-ক্ৰিয়া সম্পাদন নকৰাকৈয়ে বামুণসকলক ব্ৰহ্মজ্ঞান দিছিল। ক্ষত্রিয়ৰ ধৰ্ম-ৰাজ্য স্থাপিত আছিল ত্যাগ আৰু বিনয়-মাহাত্ম্যৰ ওপৰত, ফোপোলা অভিমানৰ ওপৰত নহয়।

(৩)

বিদ্যা আৰু অবিদ্যা

পৌৰাণিক মুনিসকলৰ ভিতৰত দুৰ্বাসা মুনি অতি প্ৰচণ্ড কোপন স্বভাৱৰ আছিল। পৌৰাণিক সাহিত্যত তেওঁ অনেক ঠাইত অঘটন ঘটাই সময়ে সময়ে নিজেও বিমোৰত পৰাৰ আৰু আনকো বিমোৰত পেলোৱাৰ ভালেমান কাহিনী আছে। মহাভাৰতৰ অনুশাসন পৰ্বত কৃষ্ণ-দুৰ্বাসা সংক্ৰান্ত এটি বৰ মনোৰম ঘটনা আছে। ৰোষণ দুৰ্বাসাক সকলোৱে অতিথি হিচাবে ৰাখিবলৈ ভয় কৰে। কোনেও নৰখাত ভগৱান শ্ৰীকৃষ্ণই তেওঁক অতিথি ৰাখিলে। ঋষিৰ অশেষ "খাম-খেয়াল"– কেতিয়াবা তেওঁ যথা সময়ত খায়; কেতিয়াবা অসময়ত খায়; কেতিয়াবা বেছি, কেতিয়াবা আকৌ কম খায়। কেতিয়াবা আধা খায়ে উঠি যায়। এদিন তেওঁ শোৱা খোটালিত সোমাই বস্ত্ৰ-বাহানি মানুহ-দুনুহ সকলোকে পুৰি ওলাই আহি শ্ৰীকৃষ্ণৰ আগত আহি ক'লে, "মোক এতিয়াই পায়স খাবলৈ দিয়া।" শ্ৰীকৃষ্ণই লৰালৰিকৈ পায়স আনি দিলত মুনিবৰে ক'লে, তোমাৰ গাত পায়সবোৰ ঘঁহি দিয়াঁ। শ্ৰী ৰুক্মিণী দেৱীও উপস্থিত আছিল। মুনিয়ে ৰুক্মিণীৰ গাত পায়স ঘঁহি দি ৰুক্মিণীক টানি উলিয়াই আনি ৰথত লগাই দি ঘোঁৰাক কোবোৱাৰ দৰে কোবাবলৈ ধৰিলে। শ্ৰীকৃষ্ণই আগত থিয় হৈ চাই আছে। ৰুক্মিণী দেৱী শাৰীৰিক ক্লেশত ক্লান্ত হৈ যাব নোৱৰা হ'লত ৰোষণ মুনিয়ে খণ্ডত বিতত হৈ ৰথৰপৰা নামি কুৎসিত পথ অৱলম্বন কৰিলে। এনেতে শ্ৰীকৃষ্ণ আগ বাঢ়ি আহি মুনিক কাকুতি কৰি ক'লে, "মুনিবৰ, ক্ষমা কৰাঁ।" কৃষ্ণৰ কথাত মুনিৰ চৈতন্য হ'লত মুনিয়ে ক'লে, "কৃষ্ণ, তুমি পুৰুষ-শ্ৰেষ্ঠ। তোমাৰ কোনো বিষয়ত ত্ৰুটি নেদেখিলো; তুমি খণ্ডক সম্পূৰ্ণ পৰাভূত কৰিছা; যুগ-যুগান্ততো তোমাৰ প্ৰতি লোকৰ প্ৰীতি অক্ষুণ্ণ থাকিব।" ইত্যাদি। এই বুলি কৈ মুনি অন্তৰ্হিত হ'ল। শ্ৰীকৃষ্ণয়ো দেখিলে আগতকৈ তেওঁৰ শৰীৰ আৰু মনৰ কান্তি হেজাৰ গুণে বাঢ়িছে।

আজি-কালিৰ দিনত বিদ্যাৰ দ্বাৰায় অবিদ্যাৰ দলন, মঙ্গলৰ দ্বাৰায় অমঙ্গলৰ পৰাভৱৰ কথা বৰ বেছি আলোচনা হ'ব লাগিছে। ওপৰত দিয়া ঘটনাত এই বিদ্যা আৰু অবিদ্যাৰ সংঘৰ্ষৰ পৰিচয়কেই পোৱা যায়। ক্ষত্ৰিয় কৃষ্ণৰ স্নিগ্ধ বিদ্যাৰ পোহৰত অবিদ্যা স্বৰূপ ৰোষণ স্বভাৱ মুনিৰ পৰাভৱ হ'ল। পদ্ম-পুৰাণত এটি আখ্যান আছে– ঋষিসকলৰ মাজত এটি তৰ্ক উঠে– ব্ৰহ্মা, বিষ্ণু, শিৱ এই তিনি দেৱতাৰ ভিতৰত কোন শ্ৰেষ্ঠ? মীমাংসা কৰিব নোৱাৰি ঋষিসকলে ভৃগু মুনিক দেৱতাত্ৰয়ৰ চৰিত্ৰ পৰীক্ষা কৰিবলৈ পঠালে। ভৃগু আহি ব্ৰহ্মাৰ সভাত উপস্থিত হোৱাত ব্ৰহ্মাই মুনিসকলৰ দ্বাৰায় পৰিবেষ্টিত হৈ থাকি মুনিৰ লগত ভালকৈ কথাকে নেপাতিলে। ভৃগুৱে ব্ৰহ্মাক শাও দিলে, কোনেও যেন তেওঁক পূজা নকৰে। তাৰ পিছত শিৱৰ ঘৰলৈ গৈ দেখিলে যে তেওঁ বুঢ়া কালত পাৰ্বতী দেৱীক বিয়া কৰাই ঘৰৰপৰা ওলায়েই নাহে। তেওঁকো বৰ বেয়াকৈ তেওঁ শাও দিলে, যেন শিৱই লিঙ্গ-মূৰ্তিতহে পূজা পায়। শেহত বিষ্ণুৰ ওচৰলৈ গৈ দেখিলে যে বিষ্ণু পালেঙত শুই আছে। তেওঁ শুই থাকি ভৃগুক অভ্যৰ্থনা নকৰাত ভৃগু মুনিয়ে বাওঁ ভৰিৰে বিষ্ণুৰ

বুকুত গোৰ মাৰি দিলে। বিষ্ণুৱে টোপনিৰপৰা উঠি খং কৰাৰ দূৰৰ কথা, মুনিৰ ভৰিত ধৰি ক'লে, 'আপুনি দুখ পালে নেকি ?' ভৃগু মুনিয়ে বিষ্ণুক পৰম মঙ্গলময় বুলি স্বীকাৰ কৰি ঋষিৰ সমাজত প্ৰচাৰ কৰি দিলে আৰু বিষ্ণু দেৱতা শ্ৰেষ্ঠ বুলি স্বীকৃত হ'ল।

বৈষ্ণৱ সমাজত প্ৰচলন আছে যে শ্ৰীকৃষ্ণই এই ভৃগু-পদ-চিহ্ন বুকুত ধাৰণ কৰি ৰাখিছিল। ওপৰত দিয়া আখ্যানটোৰ আধ্যাত্মিক তত্ত্ব কাকো বেছিকৈ বুজাব নেলাগে। ইয়াতো বিদ্যাৰ দ্বাৰায় অবিদ্যাৰ দলনৰ কথাকেই শাস্ত্ৰকাৰসকলে প্ৰচাৰ কৰিছে। ভৃগু মুনি যিমানেই ডাঙৰ সাধক হওক, মহাপুৰুষ এজনৰ বুকুত গোৰ মৰা কামটো অবিদ্যা-প্ৰণোদিত। কিন্তু এই ঘটনাৰ যিহে বামুণীয়া ব্যাখ্যা বৰদলৈয়ে দিছে! "মনোমতী" ৰচোঁতাৰ ভাষাত ক'বলৈ গ'লে "উল্টা বুজিলি ৰাম" হৈছে। বৰদলৈয়ে কৈছে, "দেখা বামুণৰ মহতালি, ব্ৰাহ্মণ্যদেৱৰ পদ-চিহ্ন কৃষ্ণৰ বুকুত।"

যীশু খৃষ্টক য়ুহুদিসকলে ক্ৰুছ-নামক যন্ত্ৰত বিন্ধাই মাৰিছিল। তেতিয়াৰপৰা যীশু খৃষ্টক "ক্ৰুছ লাঞ্ছন" বুলি খৃষ্টানসকলে মানে। আৰু যি ক্ৰুছত যীশুক মৰা হৈছিল, সেয়ে খৃষ্ট-ধৰ্মৰ গৌৰৱপূৰ্ণ সাংকেতিক চিহ্ন স্বৰূপে বিৰাজ কৰিছে। য়ুহুদিসকলে যদি খৃষ্টানৰ ওপৰত প্ৰাধান্য দেখুৱাবলৈ গৈ কয়, "হে য়ুহুদিসকল, তোমালোকৰ বিজয়-স্তম্ভ ক্ৰুছ যন্ত্ৰতেই," এইটো যেনে হেয় ব্যাখ্যা, বৰদলৈৰ ব্যাখ্যাও তেনে হেয়। যীশু খৃষ্টই অনেক অলৌকিক ক্ৰিয়া কৰিছিল, কিন্তু ক্ৰুছ যন্ত্ৰত থিয় হৈ অবোধ য়ুহুদিসকলৰ মংগলৰ নিমিত্তে প্ৰাৰ্থনা কৰাতকৈ ডাঙৰ অলৌকিক ঘটনা তেওঁৰ জীৱনত ঘটা নাই।

শ্ৰীকৃষ্ণৰ গোটেই জীৱনত নানান অলৌকিক কাহিনী আছে। তেওঁৰ গোটেই জীৱন বিজয়-পৰিচিহ্নিত। কিন্তু ভৃগু, দুৰ্বাসাৰ ওপৰত যি যি বিজয় লাভ কৰিছে, তাতকৈ হয়তো ডাঙৰ জয়পূৰ্ণ ঘটনা ঘটা নাই। দুৰ্বাসাৰ অন্তৰ্দ্ধানৰ পাছত তেওঁৰ মন প্ৰসাদ-পূৰ্ণ আৰু শৰীৰ উজ্জ্বল কান্তিময় দেখিলে। কোনো বিজয়ৰ পিছতেই বোধ কৰোঁ তেওঁ এনে আত্ম-প্ৰসাদ লাভ কৰা নাই। ক'ৰবাত আছে যদিও মনত নপৰে। অণোৰণীয়ান্ মহতো মহীয়ান্– সৰুতকৈও সৰু, ডাঙৰতকৈও ডাঙৰ, এয়ে বিশ্বাত্মাৰ লক্ষণ বুলি উপনিষদে কয়।

ভগৱান শ্ৰীকৃষ্ণই যেতিয়া প্ৰথমে মোক্ষ-ভক্তি-ধৰ্ম প্ৰচাৰ কৰে, তেতিয়া প্ৰথমে ব্ৰাহ্মণসকলে তেওঁক হেয় জ্ঞান কৰিছিল। গোকুলত গৰু ৰাখোঁতে যেতিয়া যজ্ঞনিৰত ব্ৰাহ্মণসকলক ভাত খুজিবলৈ লগৰীয়া গৰখীয়াসকলক পঠাইছিল, তেতিয়া ব্ৰাহ্মণসকলে ভাত দিয়া দূৰৰ কথা গৰখীয়াসকলৰ কথাত কাণকে নিদিলে।

ইতি তে ভগৱদ্যাচ্ঞাং শৃণ্বন্তোঽপি ন শুশ্ৰুবঃ।
ক্ষুদ্ৰাশা ভূৰিকৰ্ম্মাণো বালিশা বৃদ্ধমানিনঃ।---
মনুষ্য-দৃষ্ট্যা দুষ্প্ৰজ্ঞা মৰ্ত্ত্যাত্মানো ন মেনিৰে॥
ন তে যদোমিতি প্ৰোচুৰ্ন নেতি চ পৰন্তপ। (ভাগৱত)
কৰ্ম-জড় মহা অৱগৰ্বী বিপ্ৰগণ।
শুনিয়োঁ নুশুনে সবে গোপৰ বচন॥

নাই কথা কণ্ঠ টেৰ কৰিয়া নাচান্ত ।
দিবো বা নিদিবো একো নাপান্ত সিদ্ধান্ত ॥
কৰে কৰ্ম অনেক স্বৰ্গক মাত্র চিত্ত ।
মূঢ় হৈ বোলাৱন্ত পৰম পণ্ডিত ॥
আমি সব বিপ্ৰ মহা মহন্ত অদ্ভুত ।
আমাৰ আগত কোন কৃষ্ণ নন্দ-সূত ॥ (ভাগৱত)

* * *

যদায়ং জগতঃ কৰ্ত্তা
কস্মান্ন ব্ৰাহ্মণং সম্যগ

'হে মূৰ্খ (ভীষ্ম) ই (কৃষ্ণ) যদি তই কোৱাৰ দৰে জগতৰ কৰ্তা হয় তেনেহ'লে ই নিজক বামুণ বুলি নেভাবে কিয় ?'

ইমানতো নিৰন্ত নোহোৱাত অৰণ্য বিচাৰি মুনিসকলেও কৃষ্ণমাহাত্ম্য পৰীক্ষা কৰিবৰ ছলেৰেই হওক বা নিৰ্যাতন কৰিবৰ মানসেই হওক গুৰিয়াই ভুকুৱাই চালে। শেহত বিদ্যাৰেই জয়– বিদ্যয়ামৃতমশ্নুতে ।– বিদ্যাৰপৰাই অমৃতত্ব লাভ হয়। সেই দেখি শ্ৰীকৃষ্ণ "নমো ব্ৰহ্মণ্যদেৱায় জগদ্ধিতায় কৃষ্ণায়" ইত্যাদি হৈ থাকিল ।

যি হওক, বৰদলৈয়ে উকীল বুদ্ধিত বিষ্ণুৰ বুকুত ব্ৰাহ্মণৰ পদচিহ্ন দেখি ব্ৰাহ্মণৰ গৌৰৱত আপ্লুত হ'লেও, ভক্ত ব্ৰাহ্মণে কি দেখে চাব লগীয়া কথা। ভক্ত-প্ৰবৰ 'অনন্ত কন্দলিয়ে ওপৰত দিয়া ধৰণৰ ঘটনাৰ দৰে কথাৰ আলোচনা কৰি কি কৈছিল আকৌ এবাৰ তুলি দিওঁ ।–

সি কালৰ ঋষিৰ নৌভেল শান্ত মতি ।
আন ব্ৰাহ্মণৰ কথা কি কৈবো সম্প্ৰতি ॥
শাস্ত্ৰ মাত্ৰ পঢ়ে মানে বোলাৱে পণ্ডিত ।
ৰাত্ৰি দিন চাহে হৰি-ভকতি খণ্ডিত ॥
আনসব কাৰ্যক নকৰে কিছু শুদ্ধি ।
মাধৱক নিন্দে অতি হত হোৱে বুদ্ধি ॥
বিত্তৰ লভিলে ভকতিক বোলে ভাল ।
অধিক নাপাইলে নিন্দা বোলে সেহি কাল ॥" (অনন্ত কন্দলি)

আশা কৰিব পাৰি বৰদলৈয়ে অতি সোনকালে "জাৰি" কৰি দিব যে 'অনন্ত কন্দলি "ব্ৰাহ্মণ্যভাবৰ" পৰা স্খলিত হৈছিল !!

ত্ৰয়োদশ প্ৰকাশ [1]

বৰদলৈ চিগাৰেট

'প্ৰদীপিকা'ৰ ৬২৭ পিঠিত বৰদলৈদেৱে কৈছে,– 'পাঠকদেৱে নেজানে যে আসামতো গোপীধৰা, দিগম্বৰী আদি "গুপুত" সেৱা আছে আৰু সেই সেৱাবোৰত যিবোৰ গীত গোৱা হয়, তাৰ ভণিতাবোৰত শংকৰদেৱ-মাধৱদেৱৰ নাম আছে; কিন্তু 'প্ৰভু' দামোদৰদেৱৰ নাম-গোন্ধেই নাই।' বাস্তৱিকতে পাঠকদেৱৰ এই গুপুত সম্প্ৰদায়বোৰৰ প্ৰত্যক্ষ জ্ঞান নেথাকিব পাৰে; বৰদলৈদেৱৰ আছে আৰু এই 'গুপুত' বিভাগৰ সোৱাদ পায়েই বৰদলৈদেৱ এই বিভাগৰ বৰ পক্ষপাতী আৰু কোনোবাই এই বিষয়ে কিবা কোৱাত কিল দাঙি আহিছিল। তাত বাজেও দামোদৰীয়া সম্প্ৰদায়ৰ দৰে পাঠকৰ আদৰ্শ "অন্তঃশক্তাঃ বহিঃ শৈৱাঃ সভায়াং বৈষ্ণৱা মতাঃ"– অৰ্থাৎ পাঠকদেৱ বৰদলৈ সম্প্ৰদায়ৰ দৰে অন্তৰত শাক্ত, বাহিৰত শৈৱ আৰু সভ্য সমাজত বৈষ্ণৱৰ ভাও লোৱা বিধৰ নহয়। কিন্তু "সভায়াং বৈষ্ণৱঃ"– সভ্য সমাজত বৈষ্ণৱৰ ভাও লোৱা বৰদলৈদেৱে ওপৰত তুলি দিয়া কথাষাৰত পৰোক্ষভাৱে দামোদৰদেৱৰ বিৰুদ্ধে কিমান কথা স্বীকাৰ কৰিলে বোধ কৰোঁ লেখাৰ সময়ত ততকে নেপালে।

'দামোদৰদেৱৰ নাম-গোন্ধেই নাই!' সত্যৰ অতৰ্কিত গতি এনেকুৱাই : যিটো আনক নিন্দা কৰিবৰ ছলেৰে প্ৰয়োগ কৰা যায়, সিয়ে অনেক সময়ত নিজৰ বিৰুদ্ধে সাক্ষ্য দিয়ে। দামোদৰদেৱৰ নাম-গোন্ধ নেথাকিবৰেই কথা! গুপুত বিভাগবোৰত মহাপুৰুষসকলৰ নাম কেনেকৈ সংশ্লিষ্ট হয় তলত আলোচনা কৰা যাব। সম্প্ৰতি দামোদৰদেৱৰ নাম কিয় সেইবোৰত নাই আলচ কৰি চোৱা উচিত। বৰ্তমানে ভাৰতত যি ৰাজনৈতিক আন্দোলন চলিব লাগিছে, সেই আন্দোলনৰ অংশ স্বৰূপে মাদক দ্ৰব্য-ব্যৱহাৰ নিষিদ্ধ হৈছে। অৱশ্যে এই আন্দোলনত মহাত্মা গান্ধীক আন্দোলনকাৰীসকলে নেতা স্বৰূপে বৰণ কৰিছে। মাদক-দ্ৰব্য নিষিদ্ধ হ'লে অনেক বেপাৰীৰ বেপাৰ নষ্ট হয়; সেইদেখি দুই-এজন বেপাৰীয়ে খবৰৰ কাকতত ছপাই দিলে– 'গান্ধী চিগাৰেট', 'গান্ধী সুধা' (কিছুমান দিনৰ পিছত হয়তো 'গান্ধী সুৰা'ও ওলাব)। তামসিক ভাব মানুহৰ স্বভাৱগত, অথচ মহাপুৰুষ এজনৰ নিষেধ অমান্য কৰি অনেকে তামসিক কামত মত্ত হ'ব নোখোজে; কিন্তু বেপাৰীসকলে যেতিয়া বুজাই দিব যে গান্ধী সুৰা বা গান্ধী চিগাৰেট খোৱাত হানি নাই, তেতিয়া স্বৰূপাৰ্থ নুবুজা অজলা মানুহে মহাপুৰুষৰ নামেই কুকৰ্ম কৰে। যদি বৰদলৈদেৱে নিজে বা তেওঁৰ ভৱিষ্যত চৰিত লেখকে কয় – "দেখা গান্ধী চিগাৰেট আছে কিন্তু বৰদলৈ চিগাৰেট বা ঢোকাৰাম চিগাৰেট নাই, এতেকে"–

দামোদৰদেৱ সত্যনিষ্ঠ, ধৰ্মপ্ৰাণ, আদৰ্শ মহাপুৰুষ আছিল, সন্দেহ নাই। অন্ততঃ তেওঁৰ আদৰ্শৰ বাবে তেওঁ বামুণ-গণকৰ হাতত সামাজিক আৰু ৰাজ-নিৰ্যাতন অকাতৰে সহ্য কৰিছিল। কিন্তু তেওঁৰ সমসাময়িক অসম ৰাজ্যত (শংকৰ) মাধৱৰ সমান তেওঁৰ নাম নাছিল। সাংসাৰিক

---

১ বাঁহী, একাদশ বছৰ, কাতি ১৮৪৩

হিচাপত তেওঁ দুখীয়া অৱস্থাৰ আছিল আৰু দৰিদ্ৰতা যদিও নৈতিক দোষ নহয়, অসম্পূৰ্ণ সামাজিক জীৱনত দুখীয়া মানুহ হেজাৰ গুণী হ'লেও দহজনে সোনকালে কাম নলয়। ৰবৰ্দলৈয়ে কোনোবা সংখ্যাত কৈছে– দামোদৰদেৱক নিঃকিন বোলাৰ কাৰণেই, দক্ষ-যজ্ঞত শিৱৰ জটাৰ পৰা দৈত্য ওলোৱাৰ দৰে চাকি দেৱী ওলাইছে। দামোদৰদেৱক কিয়, বাটৰ ভিকহুকো নিঃস্বিন বুলি ইতিকিং কৰা বিগৰ্হিত কথা। অন্ততঃ যি পুণ্য ভাৰতভূমিত ৰাজকোঁৱৰেও সিংহাসন এৰি ভিকহুৰ ব্ৰত গ্ৰহণ কৰে, তাত দৰিদ্ৰ দোষৰ ভিতৰত গণ্য হ'ব নোৱাৰে। কিন্তু দামোদৰদেৱ যে নিঃকিন আছিল আৰু খেতি কৰি জীৱিকা উলিয়াইছিল, এইটো তেওঁৰ চৰিতত থকা কথা। আমি ওপৰত কোৱাৰ দৰে যি কথা আনৰ নিন্দা-স্বৰূপে প্ৰচাৰ কৰা হয়, তাৰ ভিতৰতেই নিজৰ বিৰুদ্ধে যোৱা কথাও থাকে। 'সৎ সম্প্ৰদায়' নামক অশ্লীল পুথিখন ভট্টদেৱে লেখাটোৱেই সম্ভৱ বুলি চাকি-বাহনে সূচাইছে। ভট্টদেৱে লেখিছে, যদি "ব্ৰাহ্মণ্য ভাবৰ" চূড়ান্ত বিকাশৰ চিহ্ন-স্বৰূপে ৰাখি থোৱা উচিত। কিন্তু তাৰ ভিতৰতেই দামোদৰদেৱৰ প্ৰিয় শিষ্য ভট্টদেৱে দামোদৰদেৱৰ মুখেৰে কোৱাইছে, –"মই (দামোদৰ) দৰিদ্ৰ ব্ৰাহ্মণ কিছু আশীষ মাগো। স্বদেশৰ পৰা আহন্তে তাঁতমৰাত নৌকা বুৰি তিনিটি প্ৰাণী দিগম্বৰে তৰিলোঁ। পাছে শংকৰে বস্ত্ৰ তিনিখানি পৰিধান কৰাই নিকটে ৰাখিছে।" কল্পিত চৈতন্যদেৱে কৈছে – নিষ্কিঞ্চন (দুখীয়া দামোদৰদেৱত) জনত ৰহিবেক। দামোদৰদেৱে যে কৃষি কৰিছিল– নীলকণ্ঠ চৰিতত্তে আছে– "কিছু কৃষি কৰ্মে মতি আছয় আমাৰ।"

তাৰ পিছত নীলকণ্ঠ চৰিত মতেই দামোদৰদেৱক ৰামৰাম গুৰুৰ হতুৱাই নামশৰণ দি নিজৰ আশ্ৰয়তে ৰাখে, আৰু বিপ্ৰ কৰ্মী নিৰন্তৰে সকলোকে শৰণ কৰাব দিয়ে। দামোদৰদেৱে সুধিলত "কোনে আমাক পুষিবেক," শংকৰদেৱে ক'লে "মহাপ্ৰভু পুষিবেক।" এইবোৰ চৰিতৰ উদ্ধৃত কথাৰপৰা প্ৰমাণ হয় যে আৰ্থিক-পাৰমাৰ্থিক সৰ্বতোভাৱে দামোদৰদেৱ শংকৰদেৱৰ আশ্ৰিত আছিল আৰু সেই সময়ৰ সমগ্ৰ বৈষ্ণৱ আন্দোলনটো শংকৰৰ নামত চলিছিল। যদি তেতিয়াৰ ধৰ্মপ্ৰাণ মহাপুৰুষসকলক এক বিৰাট বৈষ্ণৱ পৰিয়াল বুলি কল্পনা কৰি লোৱা হয়, শংকৰদেৱক সেই পৰিয়ালৰ মুখ্য পুৰুষ বুলি ধৰিব লাগিব। সেই কাৰণে দুষ্টৰ প্ৰৱঞ্চনা, ৰজাৰ নিৰ্যাতন সকলোকে তেওঁ নিজে মূৰ পাতি ল'ব লগীয়াত পৰিছিল আৰু লৈছিলো। তেওঁৰ জীৱিত অৱস্থাত কি মাধৱদেৱ কি দামোদৰদেৱ, কোনেও নিৰ্যাতন ভোগ কৰিব নালাগিছিল।

চাৰিওফালে বিস্তাৰিত হ'ব লগীয়া ভাবে দামোদৰদেৱৰ নাম নাছিল। তেওঁক নাম কৰিব লগা সুবিধাও শংকৰদেৱেই প্ৰথমে কৰি দিয়ে। যেতিয়া উজনীৰপৰা বংশীগোপালদেৱে নাম-শৰণ বিচাৰি ভটিয়াই আহে, তেৰোঁ শংকৰক বিচাৰিহে আহিছিল, দামোদৰদেৱক নহয়। হয়তো দামোদৰদেৱক বংশীগোপালদেৱে নেজানিছিলেই। অপ্ৰাসংগিক হলেও ইয়াতই কৈ যোৱা উচিত যে শংকৰদেৱে যদি ব্ৰাহ্মণক নাম-শৰণ দিয়াৰ প্ৰসিদ্ধি নেথাকিলহেঁতেন বংশীগোপালদেৱে শংকৰক বিচাৰি নাহিলহেঁতেন। বংশীদেৱক নিজে শৰণ নিদি বা ৰামৰাম গুৰুৰ হতুৱাই শৰণ নিদিয়াই শংকৰদেৱে দামোদৰদেৱৰ হতুৱাই শৰণ দিয়ালে। যদিও ধৰ্মৰ স্বৰূপ তত্ত্ব বংশীদেৱে

মাধৱদেৱৰপৰা শিকিছিল, *বংশীদেৱে শৰণ লোৱাৰ পৰাই দামোদৰদেৱৰ প্ৰতিপত্তি বাঢ়িল; হয়তো দামোদৰদেৱৰ প্ৰতিপত্তি বঢ়াবৰলৈকে শংকৰদেৱে তেওঁৰ হতুৱাই শৰণ দিয়াইছিল। *বংশীদেৱে মহা আড়ম্বৰেৰে গৈছিল; তেওঁৰ শৰণৰ পিছৰপৰাই দামোদৰদেৱৰ খ্যাতি বাঢ়িছিল। তথাপি চাৰিওফালৰ মানুহ ঢলি পৰিব, এনে খ্যাতি তেতিয়াও তেওঁৰ হোৱা নাছিল। *দামোদৰদেৱৰ পিছৰ কালত সোঁ হাত স্বৰূপ ভট্টদেৱো কি অৱস্থাত আহি তেওঁৰ লগ লাগে মন কৰিব লগীয়া কথা। বহুত দিন আগতেই শংকৰদেৱৰ তিৰোধান হৈছে। মাধৱদেৱেও ৰজাৰ অত্যাচাৰ আৰু বামুণসকলৰ খল লগোৱাৰ বাবে *মথুৰাদাস আতাৰ মূৰত সত্ৰৰ ভাৰ দি বৰপেটা এৰি কোচবেহাৰত সোমাই আছে। *ভট্টদেৱ কামৰূপৰেই পণ্ডিত, তেওঁৰ পাণ্ডিত্যৰ খবৰ পাই *মথুৰাদাস আতাই তেওঁক বৰপেটালৈ মতাই আনে।

তান কথা যত মথুৰা দাসত
কৈলা ভক্তসৱে যাই।
শুনিয়া মথুৰা দাস তৈৰপৰা
সাদৰে নিলা মতাই ।। (*নীলকণ্ঠ)

মথুৰা আতাৰ ওচৰত কিমান দিন ভাগৱত ব্যাখ্যা কৰি থাকি দামোদৰদেৱৰ গুণ-গ্ৰামৰ খবৰ পাই *ভট্টদেৱে পাটবাউসীলৈ আহি দামোদৰৰপৰা শৰণ লয়। *বংশীদেৱে উজনীৰ পৰা ভাটিলৈ যেনেকৈ শংকৰ শংকৰ বুলি বিচাৰি যায়, *ভট্টদেৱে তেনেকৈ ঘৰৰপৰা দামোদৰদেৱক বিচাৰি যোৱা নাছিল। দামোদৰদেৱৰ লগত মিলন হোৱাৰ মধ্যৱৰ্তী অৱস্থা *মথুৰা আতাৰ [সাদৰ] নিমন্ত্ৰণ।

শংকৰদেৱে জীৱিত কালত তেওঁৰ আশ্ৰয়তেই থাকি তেওঁৰ মতকেই প্ৰচাৰ কৰি নিৰল সাধকৰ দৰে দামোদৰদেৱে কাল কটাইছিল। শংকৰদেৱৰ তিৰোধানৰ পিছত তেওঁৰ মত প্ৰচাৰ কৰা বুলিহে দামোদৰৰ নিৰ্যাতন হৈছিল—"তেহো এক শৰণীয়া কৰিলে লোকক," "দামোদৰ নামে দ্বিজ শূদ্ৰমূৰ্তি ধৰি"— দামেদৰদেৱৰ আগত এক শৰণ ধৰ্ম চলাওঁতাজন "শূদ্ৰ মূৰ্তিয়েই" আছিল।

আনপিনে "গীত কৱিত্ব গুণে শংকৰদেৱৰ কীৰিতি গয়ো বহু দূৰ।" গীত, কবিতা, ভাওনা আদিৰ সহায়েৰে জন-সমাজত শংকৰৰ নাম উজনী অঞ্চলতেই বিয়পি পৰিছিল। নৰনাৰায়ণৰ ৰাজসভাত তেওঁৰ মতৰ বিচাৰ হৈ যোৱাৰ পিছত ৰাজসভা আৰু পণ্ডিত মহলতো তেওঁৰ প্ৰতিপত্তি অপ্ৰতিহত হৈ উঠিল। ৰামসৰস্বতী, অনন্ত কন্দলি, শ্ৰীধৰ কন্দলি আদি ভক্ত পণ্ডিতসকলে, ঠাইতে তেওঁৰ সহায়ত, ঠাইতে তেওঁৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ নানান গীত-কবিতাৰ ভিতৰেদি চাৰিওফালে শংকৰ-মাহাত্ম্য প্ৰচাৰ কৰিব ধৰিলে—"শ্ৰীমন্ত শংকৰ, আপুনি ঈশ্বৰ, নৰৰূপে ভৈলা জাত" ইত্যাদি। বৰদলৈয়ে "দৈত্যাৰিৰ নামত ছুই কিল" যদিও দৈত্যাৰিয়ে বৰদলৈৰ জাত ভাইসকলৰ কথা একো লেখা নাই, কিন্তু দৈত্যাৰিৰ বহুত আগেয়েই ৰামসৰস্বতী আদি বিদ্বান পণ্ডিতসকলে শংকৰদেৱক "স্বয়ং ঈশ্বৰ" বুলি প্ৰণিপাত কৰি থৈ গৈছে। এপিনে ৰাজসভাত শংকৰৰ মত বিশুদ্ধ বুলি থিৰ হোৱাত, আনপিনে পণ্ডিত মণ্ডলীয়ে সেই মত বিশুদ্ধ বুলি স্বীকাৰ কৰাত আৰু প্ৰচাৰকজনক "স্বয়ং

ঈশ্বৰ" বুলি ঘোষণা কৰাত, শংকৰদেৱৰ নামৰ লগত সংশ্লিষ্ট নোহোৱা কোনো ধৰ্মমতেই বিশুদ্ধ বুলি গণ্য নহ'বৰ আশংকা বহুত গুপুত সম্প্ৰদায়ৰ মনত হোৱাটো ইতিহাসৰ স্বতঃসিদ্ধ কথা ।

শংকৰৰ শিষ্য আৰু সহযোগী হোৱাত বাজেও সমসাময়িক বৈষ্ণৱ সমাজত মাধৱদেৱৰ দুটিমান বিষয়ত বৰ খ্যাতি আছিল । তেওঁ বৰ সুগায়ক আৰু সুলেখক আছিল । যিবোৰ দামোদৰী পুথি শংকৰ-মাধৱৰ নিন্দাৰে ভৰা, সেইবোৰতেই মাধৱদেৱৰ গীত আৰু কবিতাশক্তি ৰখনা হৈছিল । গায়ক হিচাপে তেওঁক গন্ধৰ্বৰ লগত তুলনা কৰা হৈছে । সমসাময়িক অসমৰ বায়ুমণ্ডল শংকৰ-মাধৱ নামেৰে মুখৰিত বুলি কব পাৰি ।

ৰামানন্দ দ্বিজৰ শংকৰ-চৰিতত এটি বৰ মনোৰম কাহিনী বৰ্ণিত আছে । ভবানন্দ দাসে (নাৰায়ণ ঠাকুৰে) ভাটি অঞ্চলৰ পৰা নাৱেৰে উজাই কামৰূপ মলুকলৈ আছে । এখন নদীৰ পাৰত ভাস্কৰ বিপ্ৰ নামেৰে এজন ব্ৰাহ্মণৰ লগত পৰিচয় হ'লত ব্ৰাহ্মণে ক'লে, তেওঁ শংকৰদেৱৰ উপদেশ গ্ৰহণ কৰি এতিয়া ত্ৰিহুতলৈ বেদান্ত পঢ়িবলৈ ওলাইছে–

ভাস্কৰ নামত বিপ্ৰ কৃষ্ণত ভকত ।
উপদেশ লৈছা তেন্তে শংকৰদেৱত ।।
কৰিলা বিদায় প্ৰণামিয়া শংকৰক ।
পঢ়িবে বেদান্ত মনে যান্ত ত্ৰিহোতক ।।
(ৰামানন্দ দ্বিজ)

ভাস্কৰ বিপ্ৰে শংকৰদেৱৰ নানান গুণ বখানি শেষত ক'লে– "তুমি উজাই গলে লগ পাইবাহা বাটত ।" ভবানন্দ দাসে এই সুখবৰৰ বাবে ব্ৰাহ্মণক এতোলা ৰূপ দি–

উজাইবে লাগিলা পাছে চড়িয়া নাৱত ।।
বৃদ্ধ লোহিতৰ তীৰে তীৰে চলি যান্ত ।
শুনিলন্ত দুগোটি মনুষ্য গীত গান্ত ।।
গীত শুনি ৰঙ্গে কৰ্ণ পাতিয়া আছন্ত ।
গীত অন্তে শংকৰৰ ভণিতা দিলন্ত ।।
শুনি ভবানন্দে বুলিলন্ত তাসম্বাক ।।
তুমি সবে কৈয়ো মোত এখানি বাৰ্তাক ।।
গাইলাহা তোমাৰা সবে যাহাৰ গীতক ।।
নাহি একো শংকা মই তাহান সেৱক ।।
কৈত আছা কৈয়ো মোত দেৱতা শংকৰ ।।
(দ্বিজ ৰামানন্দ)

তৃষাৰ্ত উটে বহু দূৰৰ পৰাই মৰুভূমিত পানীৰ গোন্ধ পাই জলাশয়ৰ ওচৰলৈ অহাৰ দৰে, তৃষিত মানৱেও গীতৰ ধ্বনি-প্ৰতিধ্বনি লক্ষ্য কৰিয়েই শংকৰদেৱৰ ওচৰ চাপিছিল ।

আমাৰ প্ৰবন্ধত দেখুওৱাৰ দৰে উপনিষদৰ দিনত জন-সমাজে "জনক জনক ইতি বৈ জনা ধাৱন্তীতি"– জনক জনক বুলি বিহ্বল হোৱাৰ দৰে, শংকৰ, শংকৰ বুলি জন-সমাজে বিহ্বল হোৱাত, আৰু বিশেষতঃ ৰাজ-সমাজ আৰু পণ্ডিত-সমাজত শংকৰদেৱৰ মত শুদ্ধ বুলি পৰিঘোষিত হোৱাত, আগৰপৰাই যিবোৰ "গুপুত" অৰীতিয়া তান্ত্ৰিক সম্প্ৰদায় আছিল, সেইবোৰেও 'অন্তঃ শাক্তাঃ বহিঃ শৈৱাঃ সভায়াং বৈষ্ণৱা মতাঃ'– অন্তৰত শাক্ত, বাহিৰত শৈৱ আৰু সমাজত বৈষ্ণৱ ভাও লোৱাৰ নীতি অনুসাৰে অনেকটা অভিনৱ বিশুদ্ধ আচাৰসম্পন্ন বৈষ্ণৱসকলৰ নিন্দা একৰাৰৈলে, অনেকটা শংকৰ-মাধৱৰ নাম নেথাকিলেও আগৰ 'গুপুত' ভকতসকল পলাই বুলিয়েই ঠাইতে শংকৰদেৱৰ ৰচিত গীতকেই গাই, ঠাইতে ভণিতাত শংকৰ-মাধৱৰ নাম লগাই দি, জন-সমাজত নিজ নিজ প্ৰতিপত্তি বঢ়াই, ভিতৰত অন্ততঃ উটি যাব খোজা শিষ্যসকলক ৰাখিবৰ বন্দবস্ত কৰিলে। বেছি দূৰলৈ নগৈ "প্ৰদীপিকা"ৰ ধৰ্মমতৰ উদাহৰণেৰেই এইটো বুজাই দিব পাৰি। বৰদলৈয়ে নিশ্চয় জানে যে "প্ৰদীপিকা"ৰ ধৰ্মমত দামোদৰদেৱৰ বা ভট্টদেৱৰ বিশুদ্ধ বৈষ্ণৱ মত নহয়, নাইবা দক্ষিণপাট সত্ৰ-প্ৰতিষ্ঠাতা বনমালীদেৱৰ ধৰ্মমতো নহয়। ই পিছৰ কালত দক্ষিণপাট আদি সত্ৰত সোমোৱা কিম্ভুত-কিমাকাৰ "দালখিচুৰী" তান্ত্ৰিক বৈষ্ণৱ মত। এই মত যদি বৰদলৈয়ে বা তেওঁৰ পৃষ্ঠপোষকসকলে নিজ নিজ নামত প্ৰচাৰ কৰে, বৈষ্ণৱপ্ৰধান অসমত কোনেও তাত কাণ নেপাতিব বা পূৰ্ব মহাপুৰুষসকলৰ স্বীকৃত নহয় বুলি মানুহে উপলুঙা কৰিব। সেই কাৰণে এপিনে "সভায়াং বৈষ্ণৱাঃ" বোলাবলৈ পৰমবৈষ্ণৱ দামোদৰদেৱৰ নামটো আগত লগাই দি আনপিনে দামোদৰদেৱৰ নাম নহ'লে "শলাকানি যোগোৱা" দামোদৰ-পন্থী শূদ্ৰ সেৱকবোৰ পলোৱাৰ ভয়ত বেপাৰীবোৰে "ছুপ গান্ধী চিগাৰেট" "পি গান্ধী সুধা" আদি কথা কোৱাৰ দৰে বৰদলৈদেৱে গম্ভীৰভাৱে আহ্বান কৰিছে – "লাগ পঞ্চমকাৰত।" বহুত সময়ত সময়-মাতৃকাৰ প্ৰবল সোঁতত সামাজিক স্বাতন্ত্ৰ্য ৰক্ষা কৰিবলৈ আৰু বেচি সময়ত কলুষ মানৱ চৰিত্ৰৰ হীন বৃত্তিবোৰ চৰিতাৰ্থ কৰিবৰ নিমিত্তে মহাপুৰুষসকলৰ নাম-ঢাকোন লৰ লগাত পৰে আৰু প্ৰযুক্ত হৈছেও। তলত অলপ অচৰপ চমু বিৱৰণ দিয়া হ'ল। অলপ অসঙ্গত হ'লেও ইয়াতেই কোৱা যাওক যে মূল বাল্মীকি ৰামায়ণত শ্ৰীৰামচন্দ্ৰই দুৰ্গা-পূজা কৰাৰ কথা নাই। কিন্তু পুৰাণত উল্লেখ আছে। দুৰ্গা-পূজা বহুত পিছৰ দিনৰ উৎসৱ, শ্ৰীৰামচন্দ্ৰই দুৰ্গা-পূজা কৰা বুলি প্ৰচাৰ কৰি দি পুৰাণকাৰসকলে মহাপুৰুষ এজনৰ নাম-মাহাত্ম্য লগ লগাই দুৰ্গোৎসৱৰ প্ৰতিপত্তি বঢ়াই দিছে। মহাভাৰততো যুদ্ধৰ আদিতে অৰ্জুনে দুৰ্গাক স্তৱ কৰা বুলি আছে। কিন্তু দক্ষিণ ভাৰতত প্ৰচলিত মূল মহাভাৰতত এই বিষয়ৰ কোনো উল্লেখ নাই। এইটো মনত ৰাখিব লাগিব যে মধ্যযুগত দক্ষিণ ভাৰত বেদ-বিদ্যাৰ কেন্দ্ৰস্থান আছিল।

অসমত যিবোৰ 'অৰীতিয়া গুপুত' বিভাগ আছে বুলি বৰদলৈয়ে সাক্ষ্য দিছে সেইবোৰ প্ৰাক্‌বৈষ্ণৱ যুগৰ ব্যভিচাৰী তান্ত্ৰিকতাৰ ধ্বংসাৱশেষ। প্ৰাক্‌বৈষ্ণৱ কালত অসম যে তান্ত্ৰিক-প্ৰধান আছিল, তাত সংশয় থাকিব নোৱাৰে। শ্ৰীকামাখ্যা দেৱীৰ কামৰূপ আগৰ পৰা নহ'লেও ভগৱান শংকৰাচাৰ্যৰ দিনৰপৰাই তান্ত্ৰিক প্ৰধান বুলি পৰিচিত হৈ আছে। আৰু ব্যক্তিগতভাৱে দুই-এজন বৈষ্ণৱ মতাৱলম্বী আছিল যদিও পণ্ডিত সমাজৰ বেছি ভাগেই শাক্ত আছিল। শংকৰদেৱৰ পূৰ্বপুৰুষসকল

শাক্ত, মাধৱদেৱ শাক্ত, ভট্টদেৱ শাক্ত, সাৰ্বভৌম শাক্ত আছিল। আৰু সমাজত শ্ৰেষ্ঠসকলে যি যি আচৰণ কৰে ইতৰ সাধাৰণেও তাকে কৰে। আৰু দুই-এজন সাৱধান সাধকে বৰদৈলৈয়ে কোৱামতে পৰম ব্ৰহ্মৰ মাতৃভাৱ পাব পাৰিলেও, সাধাৰণ শ্ৰেণীৰ মানুহে যে নানানভাৱে পঞ্চম-সাধনাত ব্যস্ত থাকে, এইটো সহজে অনুমান কৰিব পাৰি। আৰু সহজ বামপন্থী বৌদ্ধসকলে এইবোৰ ভাব আৰু আচাৰ বা অনাচাৰ চাৰিওফালে বিকিৰণ কৰে। বহুতৰে ভুল ধাৰণা আছে যে ভগৱান শংকৰৰ সময়ৰ পৰা বৌদ্ধ ধৰ্ম লোপ হৈছে। শংকৰাচাৰ্যই বৌদ্ধসকলক বাদত পৰাস্ত কৰি, বৌদ্ধ প্ৰাবল্য কমাই দিছিল হয়, কিন্তু বৌদ্ধসকলৰ লোপ হৈছে বহুত পিছত মুছলমানসকলে ভাৰত অধিকাৰ কৰাৰ পিছত। বৌদ্ধ ধৰ্ম সন্ন্যাসী-প্ৰধান আৰু ভিক্ষুসকল হেজাৰে হেজাৰে মঠবোৰত আছিল। তাত বাজেও পৰবৰ্তী কালৰ বৌদ্ধসকল অতিকৈ মূৰ্তি-পূজক হৈ উঠিছিল। প্ৰতিমা-বিদ্বেষী-মুছলমানসকলে হিন্দু দেৱালয় বুলি বৌদ্ধ মঠবোৰ ভাঙি দিবলৈ ধৰিলত, বৌদ্ধসকল আশ্ৰয়শূন্য হৈ দেশে-বিদেশে নানান দেশ ধৰি ছিটিকি পৰিবলৈ ধৰিলে। আদিতে বহুত গুপুত সম্প্ৰদায়ৰ নিমিত্তে এখেতসকল দায়ী। পৰবৰ্তী বৌদ্ধ ধৰ্মৰ শেহ বিকাশ হয় সহজযানত। এই যানেই বঙ্গদেশত সহজীয়া-পন্থত পৰিণত হৈছে। এই সহজযানৰ লীলাভূমি আছিল বঙ্গদেশ আৰু জগন্নাথ ক্ষেত্ৰ। এইবোৰ ঠাইত এতিয়াও বৌদ্ধ "ধৰ্মপূজা" আদি হয়।

অসম আগৰ পৰাই তন্ত্ৰ-প্ৰধান আছিল আৰু তন্ত্ৰ শাস্ত্ৰ যে আদিতে বৌদ্ধমূলক, আগৰ প্ৰবন্ধবোৰত দেখুওৱা হৈছে। মঠ-চ্যুত সহজযানী বৌদ্ধসকল অসমত আহি দেখা দিছিল। শংকৰ-চৰিতত বহুত ঠাইতেই বৌদ্ধ সন্ন্যাসীসকলৰ উল্লেখ আছে। বোধ কৰোঁ এই অৰীতিয়াসকলক লক্ষ্য কৰিয়েই মাধৱদেৱে লিখিছিল–

> হৰিনাম ধ্বজা কৰি বেদপন্থ পৰিহৰি,
> ফুৰে অতি পাষণ্ড সকল। – ইত্যাদি।

যি হওক, অসমত এই সম্প্ৰদায়বোৰ তেতিয়াৰ দিনত প্ৰকাশ্যে বৰ্তি আছিল নে গুপুতভাৱে বৰ্তি আছিল, বিশেষ প্ৰমাণ নোলায় মানে সঠিককৈ কোৱা টান। অন্ততঃ এই সম্প্ৰদায়বোৰক আশ্ৰয় কৰি কোনো সাৰ্বজনীন সাহিত্য সৃষ্টি হোৱা যেন নেলাগে। বঙ্গদেশত কিন্তু এই সহজ তত্ত্বক আশ্ৰয় কৰি প্ৰবল ভাবৰ সোঁত এটি বৈছিল। এইখিনিতেই সহজীয়াসকলৰ মত-প্ৰকাশক দুই-এটি বচন তুলি দিয়া যাওক–

> ভাবয়েৎ সততং মন্ত্ৰী দেহং প্ৰকৃতি নিৰ্ম্মলম্।
> পূজামস্যেৱ কায়স্য কুৰ্য্যাৎ নিত্যং সমাহিতঃ ॥
> পঞ্চকামান্ পৰিত্যজ্য তপোভিৰ্ণ চ পীড়য়েৎ।
> সুখেন সাধয়েৎ বোধিং যোগতন্ত্ৰানুসাৰতঃ ॥
> সৰ্ব্ববৰ্ণসমুদ্ভূতা জুগুপ্সা নৈৱ যোষিতঃ।
> – ইত্যাদি।

ওপৰত তুলি দিয়া কথাবোৰ কুলাচাৰী-বামাচাৰীসকলক তান্ত্রিক চক্রৰ মাজত বহি কৰিবলৈ কোৱা কথাৰ ক্ষীপ্র প্রতিধ্বনি যেন লাগে। সহজ সাধনাৰ প্রধান অঙ্গ "পৰকীয়া ৰস" বা পৰস্ত্রীৰ লগত গুপ্ত প্রেম।

"পৰকীয়া ৰস কৰিতে হে বশ
অধিক চাতুৰি চাঞি ॥"
"গোপন পিৰীতি গোপনে ৰাখিবি
থাকিবি মনেৰ সুখে।"
"উঠিতে কিশোৰী বসিতে কিশোৰী
কিশোৰী নয়ন-তাৰা।
কিশোৰী ভজন কিশোৰী পূজন,
কিশোৰী গলাৰ হাৰা।"

আকৌ

"ৰাগ মাৰ্গে যেই ভজন কৰয়ে
প্রাপ্তি হইবে তাৰা।"

এই সহজ ৰাগ বৰ জটিল বুলি বৰ্ণিত হৈছে-

"সহজ সহজ সবাই কহয়ে
সহজ জানিবে কে।
তিমিৰ অন্ধকাৰ যে হইয়াছে পাৰ
সহজ জেনেছে সে ॥"

এই আধা এন্ধাৰত আধা পোহৰত থকা আদৰ্শাত্মক সহজ মত। এই মতৰ বিশেষ পক্ষপাতী আৰু সমৰ্থক চণ্ডীদাস, বিদ্যাপতি আদি মহানুভৱ ভক্ত আৰু কবিসকল হৈ উঠিল। ওপৰত দিয়া পদবোৰ চণ্ডীদাসৰ পদাৱলীৰ পৰা তোলা হৈছে। চণ্ডীদাসৰো ৰামী নামে ৰজকিনীৰ (ধুবুনীৰ) লগত পৰকীয়া প্রীতি আছিল। প্রকৃত সহজ সাধকৰ মনত এই পৰকীয়া প্রেম যে কি ওখ থাপৰ বস্তু, তলত দুটিমান পদ তুলি দেখুৱালো-

"ৰজকিনী ৰূপ কিশোৰী-স্বৰূপ
কাম-গন্ধ নাহি তায় ॥
তুমি ৰজকিনী আমাৰ ৰমণী
তুমি হও পিতৃ মাতৃ।
ত্রিসন্ধ্যা যাজন তোমাৰি ভজন
তুমি বেদমাতা গায়ত্রী ॥" (চণ্ডীদাস)

প্ৰেমৰ কবিতা হিচাপে ই অতি চূড়ান্ত নিঃস্বাৰ্থ প্ৰেমৰ আদৰ্শাত্মক কবিতা, সন্দেহ নাই, কিন্তু উপাসনা-ক্ষেত্ৰত পৰকীয়া স্ত্ৰীৰ এপিনে ৰমণী বুলি ধ্যান, আনপিনে পিতৃ মাতৃ আৰু বেদমাতা গায়ত্ৰী বুলি ধ্যান বৈদিক সাহিত্যৰ অন্তৰ্গত নহয়, খাটি তান্ত্ৰিক আদৰ্শ। হয়তো অতি ওখ ভাৱত ত্ৰিপুৰা-সাধন আদি তান্ত্ৰিক প্ৰক্ৰিয়ায়ো একে ভাবকেই প্ৰকাশ কৰে।

ব্যক্তিগতভাৱে ই অতি ওখ আদৰ্শ, সন্দেহ নাই; কিন্তু সামাজিকভাৱে ই কি ভাব ধাৰণ কৰে, তলত দেখুওৱা যাব। প্ৰাক্‌চৈতন্য যুগত [... ...] বৈষ্ণৱ মত এই সহজ ভাবৰ ভিতৰেদি প্ৰকাশ পায়। গাই-গোটাভাৱে দুই-এজনত বাজে ইতৰ ভদ্ৰ সকলোকে এইভাৱে ছানি আছিল। চৈতন্যদেৱে আগৰেপৰাই চলি থকা এই ভাব-প্ৰৱাহৰ বিৰুদ্ধে নগৈ, সহজ ভাবকেই আধ্যাত্মিকতাৰ মনিব নোৱৰা ওখ খাপলৈ লৈ যায়। এই ভাব-প্ৰৱাহৰ বিপৰীতে গৈ নতুনভাৱে বৈষ্ণৱ মত প্ৰকাশ কৰা সম্ভৱ হয় নে নহয়, আলোচনা কৰা অপ্ৰাসঙ্গিক। কিন্তু পৰকীয়া ৰসমূলক সহজ ভাবকেই যে চৈতন্যদেৱে আধ্যাত্মিকতাৰ চৰম সীমালৈ নিছিল, ই ধ্ৰুব সত্য।

বিদ্যাপতি, চণ্ডীদাসসকলৰ পদাৱলীত যি আদৰ্শ আৰু 'ৰাগমাৰ্গানুগ' ভজন-প্ৰণালী সূচিত হৈছে, চৈতন্যদেৱে সেই প্ৰণালীকেই অৱলম্বন কৰে। কিন্তু সাধনাৰ ক্ষেত্ৰ-স্বৰূপে যি পৰকীয়া ৰতি সেই পৰকীয়া ৰতি বাস্তৱ স্ত্ৰী-মূৰ্তিত আৰোপ নকৰি আপোনাৰ মনকেই ৰাধা-কৃষ্ণৰ যুগল-লীলাৰ ঠাইত পৰিণত কৰি নিজে ৰাধা-স্থানীয় হৈ "কাম-গন্ধবিহীন" কৃষ্ণ-প্ৰেম অনুভৱ কৰিলে। এই আদৰ্শ ব্যক্তিগতভাৱে যেনে ওখ, সামাজিক হিচাপে তেনে বিপদ-সংকুল।

তাত বাজেও চৈতন্যদেৱৰ বিশুদ্ধ ৰাগাত্মক ভক্তিমাৰ্গ সকলো বৈষ্ণৱ সমাজে অনুমোদন কৰা নাছিল। অদ্বৈতাচাৰ্যৰ লগত চৈতন্যদেৱৰ এই বিষয়ে অলপ খৰিয়ালো হৈছিল। চৈতন্যদেৱ ভাৱত যেনে বিহ্বল আছিল, ৰাগাত্মক সাধনা-সমাজত বিশুদ্ধভাৱে প্ৰতিষ্ঠা কৰিবলৈ তেওঁ তিমান যত্ন নকৰিছিল। ইতৰ ভদ্ৰসকলে তেওঁৰ প্ৰভাৱত মুগ্ধ হৈছিল হয়, কিন্তু সেইসকলক সামাজিক শৃংখলা দিবলৈ নিজ জীৱনত তেওঁ চেষ্টা কৰা নাই। তেওঁৰ প্ৰধান প্ৰধান শিষ্য ৰূপ আৰু সনাতন গোস্বামীও গৈ বৃন্দাবনত আশ্ৰয় ল'লে আৰু যদিও ৰূপ-সনাতন গোস্বামীয়ে বঙ্গীয় বৈষ্ণৱ মত ব্যাখ্যা কৰি অদ্বিতীয় সাহিত্য এটি গঢ়ি তুলিছিল, সেইবোৰ গোটেই সংস্কৃতত ৰচিত। চৈতন্যদেৱৰ নাম, যশ, গৌৰৱ সংস্কৃত সাহিত্যৰ ভিতৰেদি গোটেই ভাৰতত বিয়পি পৰিল হয়, কিন্তু আপামৰ বঙ্গীয় সমাজ সেইবোৰ ভাবৰপৰা বঞ্চিত হ'ল। ৰূপ-সনাতন গোস্বামীৰ বৈষ্ণৱ ধৰ্ম ব্যাখ্যাই বঙ্গীয় জন-হৃদয়ক স্পৰ্শ নকৰিলে। বঙ্গীয় জন-সমাজে চৈতন্যদেৱৰ বিৰাট ব্যক্তিত্বৰ বিজুলীৰ চিকমিকি দেখিলে; কিন্তু তেওঁৰ আদৰ্শৰ স্নিগ্ধ স্তিমিত আলোক নেদেখিলে।

আকৌ বঙ্গদেশ গোটেই ভাৰতৰ ভিতৰতেই বেছি শক্তিপ্ৰধান দেশ। চৈতন্যদেৱৰ আন্দোলনে শাক্ত সম্প্ৰদায়ক বেছি লাৰিব পৰা নাছিল আৰু বঙলাৰ 'সনাতন' সম্প্ৰদায়েও চৈতন্যদেৱৰ 'অৱতাৰত্ব' প্ৰকাশ্যভাৱে অস্বীকাৰ কৰি বৈষ্ণৱসকলক 'বোষ্টম' আদি ব্যঙ্গসূচক কথাৰে ইতিকিং কৰিবলৈ ধৰিলে। (সুখৰ কথা, অসমীয়া 'সনাতন-পন্থী' বোলাওঁতাসকলে চৈতন্যদেৱৰ 'অবতাৰত্ব' স্বীকাৰ কৰিছে।) চাৰিওফালৰ পৰা সহানুভূতিৰপৰা বঞ্চিত হৈ যি সহজ সম্প্ৰদায়ে চণ্ডীদাসৰ দৰে

ভক্ত উলিয়াব পাৰিছিল বা যাৰ আদৰ্শক চৈতন্যদেৱে প্ৰেমৰ শেহ সীমালৈ লৈ গৈছিল, সেই সহজীয়াসকলে পুনৰায় অৰীতিয়া আচাৰবোৰক খামুচি ধৰি, চৈতন্যদেৱেও গোপনে সেইবোৰ সমৰ্থন কৰিছিল, ইত্যাদি নানান ব্যভিচাৰী কথাৰে চৈতন্যদেৱৰ নাম-মাহাত্ম্য যোগ দি নিজৰ প্ৰতিপত্তি বঢ়াই তুমুল কাণ্ড লগাই দিলে।

অসমীয়া বামুণীয়া পন্থীয়ে ভট্টদেৱৰ নামে "সৎ সম্প্ৰদায়" আদি পুথি ছপাই "চিৰকলীয়া ব্ৰাহ্মণ্য আদৰ্শ" দেখুৱাই অতি সঙ্গোপনে সেইবোৰকেই আকৌ প্ৰচাৰ কৰি আনন্দত "ক'লৈ যাওঁ ক'ত থাকোঁ" লগাইছে। বঙ্গদেশত ৰায় ৰমানন্দ আদিৰ নামত যি দৰৰ পুথি চলে, তাৰ পৰা দুই-এফাকি পদ তুলি দিলো, আশা কৰো বামুণীয়া পন্থীয়ে দামোদৰদেৱৰো নাম-মাহাত্ম্য যোগ দি পঞ্চম সাধনাত আকৌ কিছু বল পাব। আমি হ'লে পদবোৰ তুলি দিয়াৰ বাবে সদৌ অসমীয়া ৰাইজৰ আগত ক্ৰটি স্বীকাৰ কৰিছো। পদবোৰ ছপা পুথিৰ পৰা তোলা। তাত বাজেও কলুষ মানৱ প্ৰবৃত্তিয়ে যে মহাপুৰুষসকলক কিমান তললৈ নিব পাৰে তাৰে অলপ চানেকি পাব,–

"আদি ৰসেৰ ৰস যেই সেই ৰসাশ্ৰয়।
বনিতাৰ ৰস যেই সম্ভোগ কৰয়।।" (গোবিন্দদেব)
"সাৰ্বভৌম ভট্টাচাৰ্য মহা ভাগ্যবান।
যাৰ গৃহে চৈতন্যেৰ সৰ্বানু সন্ধান।
ষাটি কন্যা ধন্যা সেই ব্ৰহ্মাণ্ড ভিতৰে।
যাহাতে চৈতন্যচন্দ্ৰ সদায় বিহৰে।" (ৰায় ৰমানন্দ)
"থাকুক অন্যেৰ কাজ শ্ৰীচৈতন্য মহাপ্ৰভু।
প্ৰকৃতি স্পৰ্শন তিহোঁ না কৰেন কভু।।
বাহ্যেতে প্ৰকৃতি নিন্দে অন্তৰে তন্ময়।
বিধবা ব্ৰাহ্মণী সঙ্গে প্ৰয়োজন হয়।" (গোবিন্দদেব)
"ৰমানন্দ ৰায় মহাশয় সভে জানে।
মহাপ্ৰভুৰ স্মৰণ-ইৎসা হইল যাৰ স্থানে।।
তিহোঁ দেৱাঙ্গনা সহ ৰসেৰ বিলাস।
তিহোঁ সে হইল তাৰ ৰসেৰ নিৰ্যাস।" (গোবিন্দদেব)

"চীনাচাৰ" নামক তন্ত্ৰ পুথি এখনত আছে যে বশিষ্ঠ ঋষিয়ে তাৰাদেৱীৰ সন্ধান কৰি চীন দেশলৈ গৈ পালত দেখে যে বুদ্ধদেৱে মদৰ হাড়ী এটিৰ চাৰিওফালে বেশ্যা কিছুমান বহুৱাই লৈ নানান বীভৎস কাণ্ড কৰিছে।

বৰদলৈয়ে কিন্তু তেওঁৰ 'স্বভাৱসিদ্ধ' মিঠা সুৰেৰে কৈছিল যে বঙ্গদেশ আদিত যদি ৰাগাত্মিকা ভক্তি প্ৰচাৰ কৰাৰ বাবেই এইবোৰ সম্প্ৰদায় গঠিত হৈছিল, অসমত জ্ঞানাত্মিকা ভক্তি প্ৰচাৰ কৰা সত্ত্বেও দেখোন নানান অৰীতিয়া গুপুত বিভাগ আছে। আমি কওঁ আছে, কিন্তু ভেদ আকাশ-পাতাল।

অসমৰ গুপুত সম্প্ৰদায়বোৰ ইমান গুপুত যে বৰদলৈদেৱৰ দৰে ২৬ বছৰ শৰণীয়া এজনেও নানান গাঁও-ভুঁই ঘূৰিও একো সঠিককৈ ক'ব নোৱাৰে। আৰু তেওঁৰ কথাক 'হনো' এটি লগাই দি অলপ মিহিসুৰীয়া কৰিছে। তাত বাজেও 'গুপুত' সাধনাই বল্লভ সম্প্ৰদায়ৰ যেনেকৈ মেৰুদণ্ড স্বৰূপ গোস্বামীসকলকো আক্ৰমণ কৰিছিল; অসমৰ কোনো সম্প্ৰদায়ৰ মেৰুদণ্ডত তেনেভাৱে ঘুণ দিছে বুলি এতিয়াও শুনা নাই। বঙ্গদেশৰ সহজাদি সম্প্ৰদায়ৰ গুৰি যেনে শকত, অসমীয়া গুপুত সম্প্ৰদায়বোৰৰ গুৰি তেনে শকত নহয়। সহজীয়াসকলে বিদ্যাপতি, চণ্ডীদাস, ৰায় ৰমানন্দ আদি মহানুভৱ পুৰুষসকলক পূৰ্বাচাৰ্য বুলি স্বীকাৰ কৰে। আৰু অন্ততঃ চণ্ডীদাস যে সহজীয়া আছিল, তেওঁ নিজেই স্বীকাৰ কৰি গৈছে। আৰু দামোদৰ-চৰিত আলোচনা কৰোঁতে বৰদলৈয়ে যেনেকৈ এটি প্ৰকাশ্য আৰু এটি গুপুত ব্যাখ্যা দিবলৈ ধৰিছে, সহজীয়াসকলেও তেওঁলোকৰ পূৰ্বাচাৰ্যসকলৰ চৰিতৰ এটি প্ৰকাশ্য, এটি গুপুত ব্যাখ্যা দিয়াত কোনেও দায় ধৰিব নোৱাৰে। আৰু কিশোৰী-ভজন আদি যিবোৰ সম্প্ৰদায় বঙ্গদেশত আছে সেইবোৰৰ মূলো চণ্ডীদাসসকলৰ পদাৱলীৰ ভিতৰতে আছে,–
"কিশোৰী ভজন, কিশোৰী পূজন, কিশোৰী গলাৰ হাৰা।"

চৈতন্যদেৱে চণ্ডীদাসসকলৰ সহজ আদৰ্শ গ্ৰহণ কৰক-নকৰক, ৰায় ৰমানন্দৰ পৰা ৰাগাত্মিকা ভক্তি মাৰ্গ গ্ৰহণ কৰিছিল আৰু বিদ্যাপতি, চণ্ডীদাসসকলৰ পদাৱলীবোৰ পঢ়ি-শুনি ভাব-বিহ্বল হৈছিল। বৰদলৈয়ে কোৱাৰ দৰে– "বোলে দামোদৰদেৱ ভট্টদেৱে মাতৃভাবটো প্ৰচাৰ নকৰিলেও বিৰোধী কস্মিন কালেও নাছিল যেনে – ইত্যাদি" (৪২৮ পি)। সহজীয়াসকলেও ধৰি লৈছে যে চৈতন্যদেৱে 'সহজ' সাধন-প্ৰণালী প্ৰচাৰ নকৰিলেও কস্মিন কালেও বিৰোধী নাছিল যেনে তেওঁ চণ্ডীদাস, বিদ্যাপতি আদিৰ পদাৱলী পঢ়ি বিহ্বল হৈছিল আৰু তেওঁলোকৰ ৰাগমাৰ্গ স্বীকাৰ কৰিছিল। এতেকে লাগি যোৱা–'কিশোৰী ভজন, কিশোৰী পূজন, কিশোৰী গলাৰ হাৰা!'

সকলো সম্প্ৰদায়ৰ বৈষ্ণৱসকলৰ অসমত যেনে সামাজিক বান্ধোন আছিল হয়তো এই গুপুত সম্প্ৰদায়বোৰ নেথাকিলেহেঁতেন; কিন্তু অসমীয়া বৈষ্ণৱ সম্প্ৰদায়ৰ ওপৰত বহুত নিৰ্যাতন হৈ গৈছে। প্ৰথমৰপৰাই নানান অত্যাচাৰ সহ্য কৰি আহি থিতি লাগিবলৈ নৌ পাওঁতেই আহোম ৰজাসকলে অকামিলা বুলি বৈষ্ণৱসকলক নিৰ্যাতন কৰিবলৈ ধৰিলে। তাৰ পিছত তেওঁলোকে শাক্তধৰ্ম গ্ৰহণ কৰি বঙ্গদেশৰপৰা শাক্ত ভট্টাচাৰ্য আনিলত ধৰ্মৰ সোঁত বিপৰীত পিনে ব'ব ধৰিলে। ৰাজধৰ্ম বুলি ইতৰ সাধাৰণেও মন্ত্ৰৰ ফালে মন মেলিলে। শাক্তসকলেও ৰাণী ফুলেশ্বৰীক হাতত লৈ আকৌ মোৱামৰীয়াদি বৈষ্ণৱ সম্প্ৰদায়বোৰক নানান লাঞ্ছনা কৰিবলৈ ধৰিলে, তাৰ ওপৰতো দক্ষিণপাট আদি বৈষ্ণৱ সত্ৰবোৰে যেতিয়া প্ৰকাশ্য তান্ত্ৰিক মতৰ পক্ষপাতী হৈ বৈষ্ণৱ তান্ত্ৰিক সকলো মতকে সান-মিহলি কৰি পেলোলে, তেতিয়া বৈষ্ণৱ মতৰ প্ৰভাৱত লেৰেলি যাবলৈ ধৰা গুপুত তান্ত্ৰিক বিভাগবোৰে আকৌ ঠন ধৰিলে। দুই-এজনে পালে যদি "মাতৃভাৱটোকে" পালে, ইতৰ সাধাৰণে

"ৰাত্ৰৌ কুলক্ৰিয়াং কুৰ্য্যাৎ দিবা কুৰ্য্যাচ্চ বৈদিকীং"– ৰাতি "কৌলিক" আচাৰ আৰু দিনত বৈদিক আচাৰ পালন কৰি নানা ৰূপ ধৰি সমাজত বিচৰণ কৰিব– এইবোৰ তন্ত্ৰৰ আদেশৰ পৰাই "ৰাতি-খোৱা" আদি গুপুত সম্প্ৰদায়ৰ সৃষ্টি হৈছে !

(৩)
"পুৰুষোত্তম" বৰদলৈদেৱ

চাকি-বাহনে যোৱা কেইসংখ্যামান কাকতত সৈ কাঢ়ি ক'ব লাগিছে,– "চোৱাঁ হেৰা অসমীয়া সমাজ, মই বা আমি হলে কাকো একো বোলা নাই, আমাকহে অইনে কিবা কিবি কয়, মই হলে 'এচ্‌ৰাজ' বজাব লাগিছো । মহাপুৰুষীয়াসকলে দামোদৰদেৱক দুখীয়া বুলি কয়; সেই দেখি শিৱই দক্ষযজ্ঞত দানৱ বাহিৰ কৰাৰ দৰে ময়ো চাকিদেৱী উলিয়াইছো । 'প্ৰদীপিকা' কাকত যেয়ে গুৰিৰ পৰা পঢ়ি আহিছে সেইসকলে বৰদলৈৰ কথাৰ মিছাৰ ৰহণ বুজিব পাৰিব । বৰদলৈৰ প্ৰবন্ধৰ মাজৰপৰা বহুত বচন তুলি দেখুৱাব পাৰি যে তেওঁ এহাতেৰে খামুচি আনহাতেৰে পিঠি পিহি পিহি দি পুৰুষোত্তম সাজিব খুজিছে ।

কোনোবা শিক্ষিত ভদ্ৰলোক এজনে বোলে দামোদৰক কোবসাৰি খোৱা (?) বুলিছিল । সেই শোকতেই চাকিদেৱী ধুমায়মানা । কিন্তু পুৰুষোত্তমে দামোদৰ সম্প্ৰদায়ী ব্ৰাহ্মণ (?) গোসাঁইসকলে যে তেওঁলোকক সন্মান দেখুৱাবলৈ যোৱা ভদ্ৰলোকসকলক শংকৰদেৱক শংকৰ আতা বুলিবলৈ কৈ সম্ভাষণ কৰে; এইবোৰ বিষয়ত কিবা ৰায় দিবনে ? দামোদৰদেৱক "নিন্দা কৰা বুলি কোৱা ভদ্ৰলোকজনে তেওঁ নিজে যি নেভাবক, আনক তেওঁৰ ভাবানুবৰ্তী কৰিবলৈ সুবিধা নাপায় । হয়তো তেওঁ ধৰ্মাধিকাৰ নহয়, বা শিষ্য-প্ৰশিষ্য তেওঁৰ নাই । কিন্তু যিবোৰে "পৰম বিৰক্ত" ভকতৰ ভাও লৈ গাঁৱে-ভূঁয়ে মহাপুৰুষসকলৰ নিন্দাবাদ প্ৰচাৰ কৰি ফুৰে, সেইবোৰৰ বিষয়ে পুৰুষোত্তম বৰদলৈয়ে কি মন্তব্য প্ৰকাশ কৰে, জানিবলৈ বাট চাই থাকিলো ।

(৪)
"নৰপঞ্জিকা-ফলাফলং"

'দ্বিজ ৰামানন্দৰ শংকৰ-চৰিত আলোচনা কৰি পুৰুষোত্তমে "নৱবৰ্ষ ফলাফলং" শুনোৱাসকলৰ ৰীতি ৰাখি "নৱ চৰিত্ৰ ফলাফলং" শুনাইছে । ৰাইজে অলপ গণনা প্ৰণালী চাই লওক । বৰদলৈদেৱে অতি সন্তৰ্পণে আৰম্ভ কৰিছে যে 'দ্বিজ ৰামানন্দ বামুণ আছিল আৰু তেওঁৰ "মগজুত" কোনো খুঁট নাই । দৈত্যাৰি ঠাকুৰ জাতিত কায়স্থ শূদ্ৰ । এতেকে ৰামানন্দতকৈ অন্তৰ্দৃষ্টি কম; নাই বুলিলেই ঠিক কোৱা হয় । আমিও কওঁ, নিশ্চয় বামুণ, শূদ্ৰভাৱে তাৰতম্য নেথাকিলেও ব্যক্তিগতভাৱে অন্তৰ্দৃষ্টি কম-বেছি হলেও হ'ব পাৰে । যাওক, তথাপি বৰদলৈয়ে আপ্লুত হৈ মুক্ত

কণ্ঠে স্বীকাৰ কৰিছে যে 'দ্বিজ ৰামানন্দই ঠিক লিখিছে। 'ৰামানন্দৰ 'মগজুত' ভুল নেথাকিলেও বৰদৌলৰ মতে কিন্তু "ইতি গজঃ" আছে। 'ৰামানন্দই শংকৰ-দামোদৰ-মিলনৰ বিষয়ে লেখিছে–

দামোদৰ গুৰুৰ চৰিত্ৰ শুনিওক ॥
কিছুমান কৃষি তেন্তে কৰিবে যতন।
আপুনি কৰন্ত নিতে গমনাগমন ॥
শংকৰৰ গৃহৰ সমীপে চলি যান্ত।
হৰি মন্দিৰত ভক্ত সবে নাম গান্ত ॥
শুনিয়া নামক যেন অমৃত পিৱন্ত।
দ্ৰৱ হুয়া কতো বেলি ৰহিয়া থাকন্ত ॥
নাম অৱসানো পুনু কৰন্ত গমন।
শংকৰো থাকন্ত নিতে কৰি নিৰীক্ষণ ॥

* * *

নাম শুনি চিত্ত মোৰ দ্ৰৱিত হোৱয়।
অমৃতক খাই যেন তৃপ্তি নখণ্ডয় ॥
শংকৰে বুলিলা হুয়া আনন্দ-হৃদয়।
আজি হন্তে কৃষি কৰিবাক নলাগয়।
ভক্তগণ সংগে নাম কৰিও শ্ৰৱণ।
অন্ন-বস্ত্ৰ দিয়া মই কৰিবো পোষণ ॥
শুনি দামোদৰ গুৰু আনন্দ বিস্তৰ।
পূৰ্ববাসা এড়ি পাশে আহিলা শংকৰৰ ॥

* * *

একদিনা দামোদৰে কৰিলা বিনয়।
শৰণ লৈবাক বাপ মোহোৰ লাগয় ॥
জানিলো কৃষ্ণক মই প্ৰসাদে তোমাৰ।
শৰণ কৰাইবে মোৰ লাগে আপোনাৰ ॥
শুনিয়া শংকৰদেৱে সন্তোষ পাইলন্ত।
ৰামৰাম গুৰু পাছে মাতি আনিলন্ত ॥

* * *

ৰামৰাম গুৰু শুনি হৰি-মন্দিৰত।
কৰাইলা শৰণ পুনু হৰি-চৰণত ॥
উপদেশ কথা যত শংকৰে কহিলা।
এহিমতে দামোদৰ আনন্দে ৰহিলা ॥ ('দ্বিজ ৰামানন্দ)

"দ্বিজ-ৰামানন্দৰ ব্ৰাহ্মণ্য 'মগজুত' খুঁট নাই সঁচা, কিন্তু ইতি গজঃ আছে। "যেনে এই চৰিত্ৰত আছে যে প্ৰভু দামোদৰদেৱ আৰু প্ৰভু হৰিদেৱকো প্ৰভু শংকৰদেৱে ভাগৱত আগত ৰাখি ৰামৰাম গুৰুৰ হতুৱাই শৰণ দিয়াইছিল। গ্ৰন্থকাৰ দ্বিজে বামুণ হৈও দামোদৰদেৱ আৰু হৰিদেৱে শংকৰদেৱত শৰণ লৈছে বুলি ক'বলৈ সাহ নকৰি প্ৰকাৰান্তৰে কথাটো ৰামৰাম গুৰুত শৰণ লৈছে বুলি কৈছে। কথাটো ইমান অসম্ভৱ যে তেওঁ নিজেই বিশ্বাস কৰিব নোৱাৰি এটা সম্ভৱপৰ ঘটনা মনেৰে পাতি যোগ কৰি দিছে।" (দীপিকা, ৬৮৭) বৰদলৈৰ টীকা-ভাষ্যখিনি ঠিক "নৱবৰ্ষ ফলাফলং"ৰ ভাষাত লেখা। যশস্পতিয়ে কোৱাৰ দৰে অলপ গধুৰকৈ গমি নেচালে বুজা টান– "দেউ, ইবাৰ ব'দ নে বৰষুণ?"– "হওঁতে ইবাৰ ব'দেই হ'ব লাগে, কিন্তু অলপ বেয়া যোগ আছে দেই। যদি ব'দ হয়, বুজিবি বেয়া যোগ খণ্ডিল, যদি বৰষুণ হয় বুজিবি বেয়া যোগ খণ্ডন নহ'ল।" অৰ্থাৎ দ্বিজ ৰামানন্দ ব্ৰাহ্মণ আছিল, সেইদেখি দামোদৰদেৱে যে শংকৰদেৱত শৰণ লৈছিল এইটো কথা ক'বলৈ সাহ নকৰি প্ৰকাৰান্তৰে ৰামৰাম গুৰুত শৰণ লৈছে বুলি কৈছে। শংকৰদেৱত শৰণ লোৱা সঁচা, ৰামানন্দই সাহ কৰিহে ক'ব নোৱাৰিলে?

তাৰ পিছত "কথাটো ইমান অসম্ভৱ যে ইত্যাদি"– "কোনটো অসম্ভৱ দেউ? শংকৰদেৱে শৰণ দিয়াটো নে ৰামৰাম গুৰুৱে শৰণ দিয়াটো?"– "শংকৰদেৱে দিয়াটো।" "তেনেহলে ৰামৰাম গুৰুৱে দিয়াটো সঁচা?" – "সম্ভৱপৰ, কিন্তু ইও মনেৰে পাতি যোগ দিয়া কথা। অৰ্থাৎ ৰামৰাম গুৰুৱে শৰণ দিলে দিবও পাৰে, কিন্তু দিয়াটো সঠিককৈ ক'ব নোৱাৰোঁ।" "তেনেহলে নীলকণ্ঠৰ দামোদৰ চৰিততো আছে দেখোন যে ৰামৰাম গুৰুৱে দামোদৰদেৱক "চাৰি" নামাত্মক মন্ত্ৰ দিছিল। –

কীৰ্তন-মন্দিৰে যেবে সবেয়ো আছন্ত।
ৰামৰাম গুৰু দামোদৰক মাতন্ত ॥
* * *
হৰিধ্বনি কৰিলন্ত ভক্ত নিৰন্তৰ।
লভিলা সৎসঙ্গ আবে বুলিলা শংকৰ ॥
খাম ভাঙি পত্ৰ পাছে দামোদৰে চাইলা।
শৰণ ভজন শিক্ষা চাৰি নাম পাইলা ॥
গঙ্গাজল প্ৰসাদ শংকৰে আনি দিলা।
দামোদৰে গঙ্গাজল মাথাত কৰিলা ॥ (নীলকণ্ঠ)

"তেনেহ'লে ৰামৰাম গুৰুৱে শৰণ দিয়াই ঠিক?" "ধৰ তাকেই।" "প্ৰত্যেকজন ব্ৰাহ্মণকে ভাগৱত আগত ৰাখি প্ৰভুৰ কুল-পুৰোহিত ব্ৰাহ্মণ ৰামৰাম গুৰুৰ হতুৱাইহে শৰণৰ কথা কেইফাঁকি কোৱাইছিল আৰু শৰণ লগোৱাৰ পিছত প্ৰভু শংকৰদেৱে জ্ঞান-গৰ্ভ কথাবিলাক, শিক্ষাবিলাক, উপদেশবিলাক নিজে দিছিল।" (দীঃ ৬৮৭)

তাৰ পিছত বিষমতকৈও বিষম পাইছিল বৰদলৈয়ে আন এটি কথাত। "ৰামানন্দ-চৰিত্ৰত আছে যে নৰনাৰায়ণ ৰজাৰ সভাত শংকৰৰ বিচাৰৰ সময়ত নাম শৰণ দিব পৰা-নপৰাৰ বিষয়ে শংকৰদেৱে কৈছিল—

বেদ পাঠ বেদ মন্ত্ৰ সমস্তক
ব্ৰাহ্মণে দিবে পাৰয়।
চাৰিও জাতিৰ আচাৰ্য হৈলেও
নামে দোষ নাহি কয়॥

দশম 'বিজুলী'ত এই বিষয়ে সবিস্তাৰে আলোচনা কৰা হৈছে। "নামশৰণ" শূদ্ৰেও বামুণক দিব পাৰে। নামৰ বিষয়ত শূদ্ৰেও চাৰিও জাতিৰ "আচাৰ্য" হ'ব পাৰে। স্মৃতিমতে "আচাৰ্য"ৰ কাম শিষ্যক উপনয়ন কৰাই সৰহস্য বেদ-উপদেশ দিয়া। স্মৃতিমতে এই কামটো বামুণেহে কৰিব পাৰে বুলি আছে। এইটো তৰ্কস্থলত স্বীকাৰ কৰি লৈও শংকৰদেৱে কৈছে যে "নামধৰ্মৰ" বিষয়ত শূদ্ৰেও চাৰি জাতিৰ আচাৰ্য হ'ব পাৰে অৰ্থাৎ উপনয়নৰ ঠাইত "নাম-শৰণ" কৰাই সৰহস্য নামধৰ্ম শিকাব পাৰে। আমাৰ আগৰ প্ৰবন্ধত এইবোৰ আলোচনা হৈ গৈছে। এতিয়া বৰদলৈৰ "ফলাফলং" ব্যাখ্যা শুনি লওক ৰাইজে—

"কোনো এখন ৰাজহুৱা নামত যদি কোচ জাতীয় বা আন কোনো জাতীয় মানুহে সুন্দৰকৈ ঘোষা লগাই দি নাম লগাব পাৰে, তেন্তে সেইজনে নাম লগাই দিয়ে; সেই নাম ব্ৰাহ্মণ-সজ্জনেও লগাই দিয়া জনৰ পিছে পিছে গাই যায়।" (দীঃ ৬৯০)। অৰ্থাৎ বৰদলৈৰ মতে "আচাৰ্য" মানে "প্ৰসংগত দিহা দিয়া ভকত !!" ঠিক মেধা বাপুৰ মনুৰ টীকাৰ দৰে। মনুত আছে "চণ্ডালৰ পৰাও" "পৰম ধৰ্ম" গ্ৰহণ কৰিব লাগে অতি শ্ৰদ্ধাৰে। মেধা বাপুৱে ব্যাখ্যা কৰিছে, – "চণ্ডালেও যদি কয় যে এনে তেনে ঠাইত নেথাকিবা বা এনে তেনে ঘাটত পানী নেখাবা, তেনেহ'লে বামুণে এই কথাফেৰি শুনিব পাৰে।" আমাৰ বক্তব্য আগেয়ে কৈছো; এতিয়া কওঁ মাথোন "বটে !"

আকৌ "আহোম ৰাজসভাত শংকৰৰ বিচাৰৰ সময়ত অহোম ৰজাসকলে হিন্দু ধৰ্ম লোৱা নাছিল।" আহোম ৰজাসকলে হিন্দু ধৰ্ম লোৱা-নোলোৱা বেলেগ কথা, কিন্তু আহোম ৰাজ-পৰিবাৰত ব্ৰাহ্মণ্য প্ৰভাৱ পূৰ্ণমাত্ৰা পৰিছিল। ই ইতিহাসৰ ধ্ৰুৱ সত্য, অস্বীকাৰ কৰিবৰ উপায় নাই।

বৰদলৈৰ খেদ

আমাৰ ধাৰণা যে ধৰ্মৰ অন্তৰংগ, বহিৰংগ আদি আলোচনা কৰাৰ তাৎপৰ্য নিজৰ, লগে লগে দহজনৰো, জ্ঞান-বিস্তৃতিত সহায় কৰা। ভাবিছিলো ২৬ বছৰৰ শৰণীয়া বৰদলৈয়েও এনে বা ইয়াতকৈও বেছি ওখ আদৰ্শৰ বশীভূত হৈ ধৰ্ম-আলোচনা কৰিব লাগিছে। কিন্তু পাকে-প্ৰকাৰে আৰু খোলা-খুলিকৈও দলৈদেৱে জনাইছে যে তেওঁৰ ধৰ্ম-আলোচনা "যশসে অৰ্থায় চ" – অৰ্থাৎ অৰ্থ আৰু যশৰ নিমিত্তে। অৰ্থ যে দুটিৰ এটি উদ্দেশ্য "দক্ষিণৰ চুক" মৰাৰ পৰা আৰম্ভ কৰি বৰ্ণাশ্ৰম

ব্যাখ্যা কৰাৰ ভিতৰেদি, প্ৰত্যেক সংখ্যা কাকততেই 'শলাকানি' যোগাওঁতাসকলৰ গোহাৰিতেই বুজা যায়। এই বিষয়ত অলপ মনত শান্তি পাইছে যেনও লাগিছে। কিন্তু আন বিষয়ত যশসে– অলপ সংশয় কৰি এইবাৰ বৰ খেদেৰে কৈছে– "দেখা, এই ভবানন্দৰ ছলনা ! আজি ইমান দিনে শৰণ-ভজন লৈ, নানান 'সংস্কৃত' কাব্য-কোষাদি, বেদ-বেদান্তৰ টীকা-ভাষ্য পঢ়ি অলপ নাম কৰি পাৰোঁ যদি লওঁ বুলি থিয় হৈছো মাথোন, এবাঁ সূতা এডালো বুটলি গলত মেৰাই লৈছো, ক'ৰবাৰ পৰা ই দুৰ্মুখ, অজাতি বা জাতি হেৰুৱা, গলত এবাঁ সূতা নোহোৱা, মূৰত টিকনি নোহোৱা, কপালত বাম ফোট নোহোৱা, বগুলুৱা, মোৰ যশত দেই-পুৰি মৰা ভবানন্দ এটা ওলাই মোৰ ওপৰতে 'টেক্কা' মাৰি এতিয়া নাম কৰে !! বৰদলৈদেউ, খেদ নকৰিব দেই, আপোনাৰ নাম-যশ অনিবাৰ্য, এপিনে চাবলৈ গ'লে দেখক ৰাজেন্দ্ৰশিৱবৰ কোন যুগৰ মানুহ, এতিয়াও তেওঁলোকৰ নাম বুৰঞ্জীৰ পাতে পাতে; অন্ততঃ তেওঁলোকৰ কুটুম বুলিয়েই আপোনাৰ নাম থাকিব। আনপিনে 'বিজুলী' প্ৰবন্ধবোৰ যেতিয়া আকৌ বেছি সুসংগতভাৱে ঘটনা-বহুল হৈ স্বতন্ত্ৰ পুথিৰ আকাৰত ওলাব, তেতিয়া ডাঙৰ ডাঙৰ আখৰেৰে পাতনিত আপোনাৰ নাম যশ চৰিত আদিৰ ব্যাখ্যা নেথাকি আৰু কি থাকিব পাৰে ? এতেকে হে বীৰবৰ ! মা ৰোদীস্তৱ হ্যেষ স্যমন্তকঃ – বেজাৰ নকৰিব; যশ-স্যমন্তক আপোনাৰেই।

"দৈত্যাৰিক ঢাল-স্বৰূপে ব্যৱহাৰ কৰিছো, ৰামচৰণকো তৰোৱাল স্বৰূপে ব্যৱহাৰ কৰোঁ বুলি ভয় পাই কিবা মৎলব গাঁথি লোভ দেখুৱাব লাগিছে বা ?" – হে বীৰ-কেশৰী ! তেনে শংকা নকৰিব, অলপ 'বিজুলী'-মৌ পি লৈ চাকি দেৱীকো এঢোক খুৱাই গ'লে সকলো আশংকা দূৰ হ'ব। এতেকে হে চাকি দেৱী, তুমিও–

মুঞ্চ মুঞ্চ মানং চাকে ! যাৱন্মধু দদাম্যহং। অভিমান কাতিকৈ থৈ এঢোক 'বিজুলী'-মৌ গিলি ল'বাঁ।

চতুৰ্দশ প্ৰকাশ [1]

ধৰ্মৰ প্ৰমাণ আৰু কৰ্মদ্বৈধ

বৰদৌলৈদেৱে এটি কথা লৈ বৰ আলোড়ন কৰিছে। দৈত্যাৰিৰ চৰিত্ৰত আছে, শংকৰদেৱে মাধৱদেৱক গৃহস্থাশ্ৰমলৈ আনিবলৈ অনুৰোধ কৰি শেহত তেওঁৰ কন্যা বিষ্ণুপ্ৰিয়াৰ পৰ্যন্ত নাম লৈছিল।

গুৰু-কন্যাৰ লগত শিষ্যৰ বিয়া হ'ব পৰা-নপৰাৰ বিষয়ত উদ্বাহ-বিধিয়ে কি কয় ক'ব নোৱাৰোঁ, কিন্তু মহাভাৰতৰ কচ-দেৱযানীৰ চৰিতৰপৰা এইটো জনা যায় যে ধৰ্মতঃ ভগিনী বুলি কচে দেৱযানীৰ প্ৰেম সম্ভাষণ প্ৰত্যাখ্যান কৰিছিল। কৃষ্ণ-গত-প্ৰাণ পৰম বৈৰাগী মাধৱেও অতি মিনতিভাৱে বিয়াৰ প্ৰস্তাৱকে প্ৰত্যাখ্যান কৰিছিল। বৰদৌলৈদেৱৰ প্ৰশ্ন হৈছে যে শংকৰদেৱে যদি এনেকুৱা প্ৰস্তাৱ কৰিছিল তেনেহ'লে তেওঁক ধৰ্ম লঙ্ঘন কৰা বুলি প্ৰমাণ কৰাহে কয়।

ধৰ্মৰ প্ৰমাণ কি কি চাব লগীয়া কথা। শাস্ত্ৰকাৰসকলে ধৰ্মৰ প্ৰমাণ চাৰিটা বস্তু বুলি নিৰ্দেশ কৰিছে, "বেদঃ স্মৃতিঃ সদাচাৰাঃস্বস্য চ প্ৰিয়মাত্মনঃ"– অৰ্থাৎ বেদ সকলো ধৰ্মৰ প্ৰমাণৰ মূল। বেদ-বিৰোধী নহ'লে স্মৃতিৰো প্ৰামাণ্য আছে। যদি এনে এটি অৱস্থা আহি পৰে য'ত বেদ আৰু স্মৃতিয়ে সহায় নকৰে, তেনেহ'লে শিষ্টাচাৰ অৰ্থাৎ সাধু-মহন্তসকলৰ আচৰণো ধৰ্মৰ প্ৰমাণৰ ঠাইত গ্ৰহণীয় হ'ব পাৰে। কিন্তু শাস্ত্ৰকাৰসকলে এটি বৰ মহান আৰ্য সত্যকো ধৰ্মৰ প্ৰমাণ বুলি স্বীকাৰ কৰিছে। "স্বস্য চ প্ৰিয়মাত্মনঃ" বা "আত্মসন্তুষ্টিৰেৱ চ"– অৰ্থাৎ কৰ্মদ্বৈধ উপস্থিত হ'লে আত্মতুষ্টিও ধৰ্মৰ প্ৰমাণ।

এই "আত্মতুষ্টি" কথাষাৰ লৈ টীকাকাৰসকলৰ মাজত বহুত মতভেদ আছে। মেধাতিথিৰ শ্ৰেণীৰসকলে কয় যে আত্মতুষ্টি মানে নিজৰ মনৰ মুক্ত গতি নহয়। যদি কোনো এটি বিষয়ত বিকল্প বিধি আছে, তেনেহ'লে নিজৰ ইচ্ছামতে এটি বিধি অৱলম্বন কৰাকেই আত্মতুষ্টি বোলে। "বৈকল্পিকে আত্মতুষ্টিঃ প্ৰমাণম্" কিন্তু আগৰ কালৰ ভালেমানে আৰু বৰ্তমান কালৰ প্ৰায় সকলো মনীষীয়ে এই সংকীৰ্ণ ব্যাখ্যা স্বীকাৰ নকৰে। শাস্ত্ৰকাৰে 'বেদ'ক ধৰ্মৰ মূল প্ৰমাণ বুলি কৈ "বেদৰ" পৰস্পৰ-বিৰোধী প্ৰত্যেক মতকেই 'ধৰ্ম' বুলিও স্বীকাৰ কৰিছে। শ্ৰুতিদ্বৈধং তু যত্ৰ স্যাৎ তত্ৰ ধৰ্মাবুভৌ স্মৃতৌ।" 'য'ত শ্ৰুতিয়ে বেলেগ বেলেগ মত প্ৰতিপাদন কৰিছে, তাত প্ৰত্যেক মতেই ধৰ্মৰ প্ৰমাণ।'

এই কৰ্মদ্বৈধৰপৰাই গীতা শাস্ত্ৰৰ উৎপত্তি হৈছে। ৰণ-ভূমিত অৰ্জুনৰ বৈৰাগ্য উপস্থিত হ'ল। এপিনে স্বজন-বধ, আনপিনে ক্ষত্ৰিয়-ধৰ্ম। এই সংকট অৱস্থাত কৃষ্ণ-ৰূপী বিৰাট পুৰুষে নিজে অৰ্জুনৰ সাৰথি-স্বৰূপে তেওঁক কৰ্ম-মাৰ্গত প্ৰবৃত্ত কৰাইছিল। ভগৱান কৃষ্ণই কৈছে, "সৰ্বাস্য চাহংহৃদি সন্নিৱিষ্টং" বা "ঈশ্বৰঃ সৰ্ব্বভূতানাং হৃদ্দেশেঽৰ্জুন তিষ্ঠতি।" কৰ্ম-দ্বৈধ উপস্থিত হ'লে হৃদয়স্থিত ঈশ্বৰক সাক্ষী কৰি যি কৰা যায়, সেয়ে 'ধৰ্ম'ৰ প্ৰমাণ– সেয়ে "আত্মসন্তুষ্টিৰেৱ চ।" এই

---

১ বাঁহী, একাদশ বছৰ, অষ্টম সংখ্যা, আঘোণ ১৮৪৩

আত্মতুষ্টিক লক্ষ্য কৰিয়েই মহাকবি কালিদাসেও এঠাইত কৈছে– “সতাং হি সন্দেহপদেষু বস্তুষু প্রমাণমন্তঃকৰণপ্রবৃত্তয়ঃ ।” সন্দেহৰ থলত অন্তঃকৰণৰ প্রবৃত্তিয়েই সৎ মানুহৰ ধর্মৰ প্রমাণ ।

পৌৰাণিক মহাপুৰুষসকলৰ কথা এৰি দিলেও আধুনিক যুগৰ মহাপুৰুষ, সাধু-মহন্তসকলৰ চৰিতবোৰ এই “আত্মতুষ্টি” প্রমাণেৰে ভৰপূৰ । আমি কিছুমান উদাহৰণ তলত দিলো–

(১) ওপৰত দিয়া দ্বিজ-ব্যাধ উপাখ্যানৰপৰা এইটো জনা গৈছে যে “দৈৱতেষ্বপি সৰ্ব্বেষু ভৰ্ত্তা মে দৈৱতং পৰম্” অর্থাৎ বিবাহিতা স্ত্রীৰ পক্ষে পতিয়েই সকলো দেৱতাতকৈ শ্রেষ্ঠ । নিজ পতিক দেৱতাৰ দৰে যদি কোনোবা স্ত্রীয়ে পূজা কৰিব পাৰে, তেনেহ'লে তেওঁৰ মোক্ষ লাভ হ'ব পাৰে, অন্য দেৱতাক পূজা নকৰিলেও ই এটি শাস্ত্রৰ বিধান । কিন্তু পত্নীয়ে অন্য দেৱতাক আশ্রয় কৰি পতিক “স্বয়ং ঈশ্বৰ” বুলি নেমানিলেও, শাস্ত্রৰ বিধান মতে সন্তানোৎপাদন আদি স্ত্রীৰ কর্তব্য কৰিবই লাগিব; নহ'লে ধর্ম-লঙ্ঘন হ'ব । কিন্তু মীৰাবাইৰ চৰিতত দেখা যায় যে তেখেতে বিয়া হৈ যোৱাৰ পিছত স্বামী-সংসর্গ একেবাৰে এৰি পেলাই পূজা-অৰ্চনা আদিত মগ্ন থাকিল । স্বামী ৰাণা কুম্ভই ভৰ্ৎসনা কৰাত মীৰাই উত্তৰ দিছিল– “মেৰে গিৰিধৰ গোপাল দুসৰা না কোই । যাকে শিৰ মোৰ মুকুট মেৰে পতি সোই” ইত্যাদি– “ময়ূৰ মুকুটধাৰী গিৰিধৰ গোপাল কৃষ্ণই মোৰ পতি, অন্য কোনো নহয় ।” বেদ-মন্ত্র উচ্চাৰণ কৰি অগ্নি সাক্ষী যাক ইহ-পৰলোকৰ সংগী কৰি বৰণ কৰিছিল, সেই পতিৰ প্রতি সকলো শাস্ত্রীয় কর্তব্য লঙ্ঘন কৰি মীৰাই কৃষ্ণক লক্ষ্য কৰি উত্তৰ দিলে, “মেৰে পতি সোই ।” বৃন্দাবনত থাকোঁতে এই মীৰাই চৈতন্যদেৱৰ প্রধান শিষ্য শ্রীৰূপ গোস্বামীক শাস্ত্রীয় যুক্তিত পৰাভৱ কৰিছিল । শ্রীৰূপ গোস্বামী সন্ন্যাসী আছিল আৰু তেওঁ বৃন্দাবনত থকাত মীৰাবায়ে তেওঁৰ লগত দেখা কৰিবলৈ চিঠি দি পঠিয়ায় । ৰূপ গোস্বামীয়ে উত্তৰ দিলে যে তেওঁ সন্ন্যাসী, স্ত্রী-মুখ-দর্শন তেওঁৰ পক্ষে নিষিদ্ধ । মীৰাই কৈ পঠিয়ালে যে, ইমান দিনে তেওঁৰ ধাৰণা আছিল যে বৃন্দাবনত এক কৃষ্ণৰ বাজে সকলোৱে প্রকৃতি (স্ত্রী-মূর্তি); যি হওক, এতিয়া ৰূপ গোস্বামীও ‘পুৰুষ’ হৈ উঠিল ! এই উত্তৰত থমক খাই ৰূপ গোস্বামীয়ে মীৰাক মতাই আনিলে । ৰূপ গোস্বামী আৰু মীৰাৰ সম্মিলনক লক্ষ্য কৰি বহুত লেখকে বহুত বহুত কথা কয় । আমাৰ বক্তব্য এয়ে যে কৃষ্ণপ্রেমৰ বশীভূত হৈ স্ত্রীৰ শাস্ত্রীয় কর্তব্য উপেক্ষা কৰাত মীৰাৰ ধর্ম লঙ্ঘন হোৱা নাই ।

(২) ৰামানুজ চৰিতত এটি বৰ অর্থপূর্ণ ঘটনা আছে । এসময়ত ৰামানুজে অষ্টসহস্র নামৰ গাঁৱলৈ গৈ বৰদার্য নামে ব্রাহ্মণ শিষ্য এজনৰ ঘৰত উপস্থিত হ'ল । ব্রাহ্মণ বৰ দুখীয়া । পতি-পত্নীৰ মাজত এখন মাথোন কাপোৰ । ব্রাহ্মণ ঘৰত নাই । বিবস্ত্রা ব্রাহ্মণীয়ে দুৱাৰ জপাই ঘৰত সোমাই আছে । ৰামানুজে গৈ মতালত ব্রাহ্মণীয়ে ভিতৰৰপৰা হাত-চাপৰি বজালে । ৰামানুজে বুজি পাই তেওঁৰ উত্তৰীয় কাপোৰখন দলিয়াই দিয়ালত ব্রাহ্মণীয়ে সেই কাপোৰ পিন্ধি ওলাই আহি আলহী-গুৰুৰ অভ্যর্থনা কৰিলে । ব্রাহ্মণো ঘৰত নাই, খুদ-কণ এটিও আলহীক দিবলৈ নাই । ব্রাহ্মণী বৰ চিন্তাকুল হ'ল । ব্রাহ্মণৰ ঘৰৰ ওচৰত এজন ধনী বণিক আছিল । সি বহু দিনৰ পৰা ব্রাহ্মণীৰ ওচৰত বেয়া দৃষ্টি দি আছিল । ব্রাহ্মণীয়েও এইটো জানিছিল । উপায়ান্তৰ নেদেখি ব্রাহ্মণীয়ে বণিকৰ ওচৰলৈ গ'ল আৰু নিজৰ সতীত্ব পণ কৰি বণিকৰ পৰা খোৱা-লোৱা বস্তু আনিলে ।

বন্দৰন্ত থাকিল আলহী যোৱাৰ পিছত ব্ৰাহ্মণীয়ে বণিকৰ ওচৰত আহি আত্মসমৰ্পণ কৰিব। আলহী-গুৰুৱে খাই-বৈ উঠিল; ব্ৰাহ্মণো আহি ঘৰ পালে। ব্ৰাহ্মণীয়ে সকলো কথা স্বামীৰ ওচৰত ভাঙি ক'লে। বন্দৰন্তমতে ব্ৰাহ্মণীয়ে স্বামীক লগত লৈ বণিকৰ ঘৰলৈ গ'ল। স্বামী বাহিৰত থাকিল, ব্ৰাহ্মণী ভিতৰলৈ গ'ল। ব্ৰাহ্মণীৰ এই ধৰ্মনিষ্ঠা আৰু সত্যপৰায়ণতা দেখি বণিক বিমোহিত হ'ল আৰু ব্ৰাহ্মণীক 'মাতৃ' সম্বোধন ধৰি ক্ষমা মাগিলে। পিছত এই বণিকে ৰামানুজত শৰণ লয়। পতিৰ অনুপস্থিতিত পত্নীয়ে নিজৰ সতীত্ব দানৰ পণ কৰি পৰপুৰুষৰপৰা বস্তু অনা ধৰ্মবিগৰ্হিত কথা। কিন্তু বৰ্তমান ক্ষেত্ৰত কোনো দোষ হোৱা নাই। বৰং 'একশৰণ' ধৰ্মৰ জ্বলন্ত আদৰ্শ স্বৰূপে পণ্ডিতসকলে ইয়াক গ্ৰহণ কৰিছে।

(৩) ওপৰত উল্লেখ কৰা ঘটনা দুটি "আত্মতুষ্টি"ৰ চৰম উদাহৰণ। মহাপুৰুষসকলৰ চৰিতত তাতকৈ সৰু সৰু ভালেমান ঘটনা আছে। ৰামানুজৰ গোবিন্দ নামে ব্ৰাহ্মণ শিষ্য এজন আছিল। গোবিন্দই বিয়া-বাৰু কৰাই তিৰোতা ঘৰলৈ আনিছে, এনেতে তেওঁৰ মনত বৈৰাগ্য উপস্থিত হ'ল। শাস্ত্ৰমতে ঋতুমতী ভাৰ্যাৰ প্ৰতি অৱজ্ঞা কৰা নৰকৰ পথ। অনেক পৰীক্ষা কৰি চোৱাৰ পিছতো যেতিয়া গোবিন্দক সংসাৰ-পথত নমাব নোৱাৰিলে, তেতিয়া ৰামানুজে তেওঁক সন্ন্যাস গ্ৰহণ কৰিবলৈ অনুমতি দিলে। অৱশ্যে এই ক্ষেত্ৰত শ্ৰুতিৰ বিশেষ বিধি আছিল– "যদহৰেৱ বিৰজেৎ, তদহৰেৱ প্ৰব্ৰজেৎ।" ৰামানুজে কি কৌশলত সন্ন্যাস গ্ৰহণ কৰিছিল, আগেয়ে কোৱা হৈছে। ৰামানুজে বৈৰাগ্যৰ তাৰণাত সন্ন্যাস গ্ৰহণ কৰা নাছিল। তেওঁৰ স্ত্ৰী অতিশয় দুৰ্বিনীতা আৰু মুখৰা আছিল। স্ত্ৰীৰ ওপৰত বিৰক্ত হৈ তেওঁক কৌশলেৰে ঘৰলৈ পঠাই ৰামানুজে সন্ন্যাস গ্ৰহণ কৰে। শংকৰাচাৰ্যয়ো তাকেই কৰিলে। ঘৰিয়ালে টানি নিলে বুলি কৌশলেৰে মাকৰ অনুমতি লৈ তেৱোঁ সন্ন্যাস লয়। চৈতন্যদেৱেও মাকৰ মতৰ উপেক্ষা কৰি সন্ন্যাসী হয়। এইদৰে কৰ্ম-দ্বৈধৰ থলত সকলো মহাপুৰুষেই, সকলো সাধু-মহন্তই "আত্মতুষ্টি"কেই ধৰ্মৰ প্ৰমাণ বুলি পৰোক্ষভাৱে স্বীকাৰ কৰিছে।

(৪) বিয়াৰ বিষয়ত শংকৰ-মাধৱ-সংক্ৰান্ত বিষয়তো এই "আত্মতুষ্টি"ৰ কথাকেই পাওঁ। শংকৰদেৱৰ ধৰ্ম আলোচনা কৰোঁতাসকলে এটি কথা সদায় মনত ৰাখিব লাগিব, শংকৰৰ ধৰ্ম সন্ন্যাসী বা "বৈৰাগী"-প্ৰধান নহয়। গৃহস্থ আশ্ৰমত থাকিও মানুহে কেনেকৈ "মোক্ষ" পাব পাৰে এইটো প্ৰচাৰ কৰাহে শংকৰৰ ধৰ্মৰ প্ৰাথমিক উদ্দেশ্য। এই বিষয়ে ওপৰত আলোচনা কৰা হৈছে। মাধৱদেৱৰ বৈৰাগ্য শংকৰৰ এই প্ৰাথমিক উদ্দেশ্যৰ বিৰোধী আছিল। তাত বাজেও মাধৱদেৱে ক্ষণিক মোহৰ বশত বৈৰাগী হৈছিল, নে সংসাৰৰ প্ৰতি বাস্তৱিক বিতৃষ্ণা বশত বৈৰাগী হৈছিল, এইটো ভালকৈ পৰীক্ষা নকৰাকৈ ধৰ্মগত-প্ৰাণ শংকৰৰ মনলৈ শান্তি আহিব নোৱাৰে। দৈতাৰিৰ যি দুফাঁকি পদ ৰবদলৈদেৱে মাধৱদেৱৰ প্ৰতি অভিশাপ বুলি ক'ব খোজে, আমি তাক শংকৰৰ মনৰ আশংকা-প্ৰকাশক বুলি বুজোঁ। কি জানি "অভুক্ত বৈৰাগী" মাধৱদেৱে বিশুদ্ধ "ভক্তি-পথত" কিবা ব্যভিচাৰী সন্ন্যাসী মত প্ৰৱৰ্তন কৰে, এই আশংকাৰ বশৱৰ্তী হৈ প্ৰথমে শংকৰদেৱে মাধৱদেৱক গৃহস্থী হ'বলৈ কয়। মাধৱদেৱে মিনতিভাৱে ক'লে যে শংকৰৰ লগ লগাৰ পৰা তেওঁ

জোৱণৰ কন্যাকেই ত্যাগ কৰিছে। মাধৱৰ এই উত্তৰ শুনি শংকৰদেৱে মনত কি ভাবিলে "বোলন্ত শংকৰদেৱে পুনু মনে গুণি।" তাৰ পিছত বৰ কঠোৰ প্ৰস্তাৱ এটি কৰিলে "বিষ্ণুপ্ৰিয়া নামে বেটী আমাৰ আছয়। তাকে তেৱে বিবাহ কৰিয়ো মহাশয়।" মাধৱদেৱৰ লগত কথা ক'ব লাগিলে শংকৰদেৱে হয় "মাধৱ" বা "বৰাৰ পো" আদি স্নেহসূচক শব্দ ব্যৱহাৰ কৰে। ওপৰৰ পদফাকিত "মহাশয়" শব্দ গভীৰ অৰ্থব্যঞ্জক। এই প্ৰস্তাৱৰ সময়ত মাধৱদেৱক কিমান দূৰত ৰাখি শংকৰে কথা কৈছে, বুজা যায়। মাধৱদেৱৰ পক্ষে এইটো বৰ সংকট পৰীক্ষাৰ সময়। তেওঁ বুজিছে যে এই বিষম কথাৰ দ্বাৰায় শংকৰদেৱে তেওঁৰ অন্তৰৰ সকলো নিভৃত কোণ-চুকৰ ওপৰত অন্তৰ্দৃষ্টি স্থাপনা কৰিছে। মাধৱদেৱে থিৰে থাকিব নোৱাৰিলে, অতিশয় বেদনা-কাতৰ-স্বৰে শংকৰৰ ভৱিত মূৰ ৰাখি তেওঁৰ বৈৰাগ্য যে মুগ্ধতাবশতঃ ধ্ৰুব, তেওঁৰপৰাযে শংকৰৰ ধৰ্মৰ কোনো লাঘৱ নহ'ব, এইটো অতি মিনতি ভাৱে ক'লে—

হেন শুনি মাধৱে বোলন্ত পুনৰপি।
শংকৰদেৱৰ পাৱে মাথা গোট থাপি ॥
* * *
তোমাঠৈৰ পদ-সেৱা বলৰ মহত ॥
মোত হন্তে বাদ পৰিবাক শংকা নাই।
তথু পাৱে কৃপা মাত্ৰ কৰিবা সদায় ॥

শংকৰদেৱৰ মতক কি ক্লেশ, কি ত্যাগ-স্বীকাৰ কৰি মাধৱদেৱে শেহ মুহূৰ্ত পৰ্যন্ত ৰক্ষা কৰিছে, সকলোৰে বিদিত। বৰদলৈদেৱে অতি জঘন্য ৰুচি প্ৰকাশ কৰি সুধিছে, "দৈত্যাৰিয়ে কোৱাৰ দৰে শংকৰে বিষ্ণুপ্ৰিয়াক মাধৱদেৱলৈ যচা সঁচানে?" আমিও কওঁ ভূঞাঁৰ বংশধৰ শংকৰ কি কন্যাদায়গ্ৰস্ত বঙালী বামুণ যে অনন্যোপায় হৈ মাধৱদেৱলৈ কন্যা যাচিছিল? যি গভীৰ আশংকাত শংকৰদেৱে এই বিষম প্ৰস্তাৱ কৰিছিল, সি তড়িৎ-প্ৰবাহৰ দৰে মাধৱদেৱক আঘাত কৰি শংকৰদেৱৰ পাৱত পেলাই দিলে।

যি হওক, বৰদলৈৰ কিছুমান "মজাৰ" কল্পনা আছে। দৈত্যাৰিয়ে চৰিত্ৰ লেখিলে কিয়? মাধৱদেৱক "ডাঙৰ" কৰিবলৈ! শংকৰদেৱৰ গুৰুৰ উল্লেখ নাই কিয়? শংকৰক "ডাঙৰ" কৰি "পূৰ্ণব্ৰহ্ম"ৰ শাৰীলৈ নিবলৈ মাধৱদেৱে শংকৰৰ গুৰু 'গোপন' কৰিলে। কিন্তু "মজাৰো মজা" এইটোহে— "গুৰু-ভটিমাত" মাধৱদেৱে "তাকেৰি অংশ" বুলি শংকৰক বিষ্ণুৰ অংশ বুলি কৈছে। আনপিনে ব্ৰাহ্মণ ৰাম সৰস্বতীয়ে "শ্ৰীমন্ত শংকৰ আপুনি ঈশ্বৰ" বুলি শংকৰক পূৰ্ণ ঈশ্বৰ বুলি কৈছে আৰু দৈৱজ্ঞ সাৰ্বভৌমে "স্বয়ং নাৰায়ণে" হৰৰ প্ৰাৰ্থনামতে শংকৰ নাম লৈ পৃথিবীত অৱতীৰ্ণ হোৱা বুলি কৈছে। মাধৱদেৱে ক'লে শংকৰক কৃষ্ণৰ 'অংশ' বুলি, অথচ ব্ৰাহ্মণ ৰাম সৰস্বতী আৰু দৈৱজ্ঞ সাৰ্বভৌমে ক'লে শংকৰক "স্বয়ং ঈশ্বৰ", "স্বয়ং নাৰায়ণ" বুলি! মাধৱদেৱৰ ওপৰত বৰদলৈৰ অভিযোগ 'কিমূলক? হৰি হে, এই শ্ৰদ্ধা, এই জ্ঞান-বিজ্ঞান লৈহে আকৌ বৰদলৈ পুৰুষে হেনো

মহাপুৰুষৰ "নামঘোষা" ইংৰাজীত ভাঙিবলৈ গৈছিল ! ৰবৰ্টলৈয়ে যে ভাঙিবলৈ নেপালে, সেইটো ভগৱানৰেই ইচ্ছা ।

যি হওক, আন আন মহাপুৰুষসকলৰ চৰিতত থকা আপাত বিসদৃশ ঘটনা বা কথাবোৰ যেতিয়া "আত্মতুষ্টি" আৰু ধৰ্মৰ প্ৰমাণ বুলি ক্ষুব্ধ নোহোৱাকৈ পঢ়িব পৰা যায়, শংকৰ-মাধৱৰ চৰিতত যদিওবা ক'ৰবাত কিবা অলপ বিসদৃশ কথা থাকিব পাৰে তাত কাৰো ক্ষুব্ধ হ'বৰ কাৰণ থাকিব নোৱাৰে । আগলৈ দৰকাৰ হ'লে "আত্মতুষ্টি" আৰু মহাপুৰুষসকলৰ চৰিতত ইয়াৰ বহুল প্ৰয়োগৰ বিষয়ে আকৌ বিশদভাবে লিখা যাব । ভাৰতৰ কাব্য মহাভাৰত, পৰ্বত হিমালয়, সাগৰ প্ৰশান্ত মহাসাগৰ, নদী ব্ৰহ্মপুত্ৰ গংগা আদি, ৰাজপুত্ৰ পথৰ ভিক্ষাৰী, ইয়াৰ ব্ৰাহ্মণ দাসী-গৰ্ভত ওপজা জহৰা ল'ৰা, ঈশ্বৰ গোৱালৰ ল'ৰা; ইয়াৰ ধৰ্মও ধ্ৰুৱতৰাৰ দৰে অচল আধ্যাত্মিকতাৰ চৰম আদৰ্শ, ইয়াৰ শেহ প্ৰমাণো "গুহাশায়ী" পুৰুষৰ তুষ্টি, কেৱল একাঁজলি নীতি-বচনেই নহয় ।

(১)

ধৰ্মৰ প্ৰমাণ আৰু সদাচাৰ ঃ ঁবনমালীদেৱৰ চৰিত

আগৰ প্ৰবন্ধত ধৰ্মৰ বেলেগ বেলেগ প্ৰমাণৰ কথা কোৱা হৈছে। অনেক ঠাইত সদাচাৰ (সতাং আচাৰঃ) অৰ্থাৎ সন্তসকলৰ আচৰণকো শাস্ত্ৰই ধৰ্মৰ প্ৰমাণ বুলি কৈছে। দামোদৰদেৱৰ ধৰ্মমতৰ বিষয়ে শ্ৰুতি-স্মৃতিৰ বচন উদ্ধাৰ কৰি ভট্টদেৱে কি মীমাংসা কৰি থৈছে, আগেয়ে দেখুওৱা হৈছে। বৰদলৈৰ তান্ত্ৰিক মতৰ লগত ভট্টদেৱৰ একো মিল নাই। এতিয়া সদাচাৰ অৰ্থাৎ সন্তসকলৰ আচৰণত দামোদৰদেৱৰ মতত তান্ত্ৰিকতাৰ আভাস পোৱা যায়নে নেযায়, চোৱা যুগুত। বৰদলৈয়ে এটি উদ্ভট সিদ্ধান্ত কৰিছে; সেইটো মুঠৈকে ক'ব লাগিলে এনেকুৱা— কোনো মানুহে আগেয়ে শাক্ত নহ'লে বৈষ্ণৱ ধৰ্মাৱলম্বী হ'ব নোৱাৰে আৰু নিজে কেতিয়াও শাক্ত নহ'লেও তেওঁৰ পূৰ্বপুৰুষসকল শাক্ত হ'বই লাগিব; যেনে মাধৱদেৱ আৰু ভট্টদেৱ বৈষ্ণৱ হ'ব পাৰিছিল কিয়নো তেওঁলোক আগৰ ডোখৰত শাক্ত আছিল আৰু শংকৰদেৱ বৈষ্ণৱ হ'ব পাৰিছিল কিয়নো তেওঁৰ পূৰ্বপুৰুষসকল শাক্ত আছিল আৰু যদিও দামোদৰদেৱ কেতিয়াও শাক্ত নাছিল, আৰু তেওঁৰ পূৰ্বপুৰুষসকল কি আছিল কোনেও নেজানে তথাপি দামোদৰদেৱ কেতিয়াও শাক্ত মতৰ বিৰোধী নাছিল। কিন্তু যিসকলৰ পূৰ্বপুৰুষবোৰ বৈষ্ণৱ আছিল আৰু যি সকল নিজ নিজ জীৱনত কেতিয়াও শাক্ত নাছিল— যেনে ঁবংশীগোপালদেৱ, —তেওঁলোকৰ বিষয়ে বৰদলৈয়ে একো নক'লেও ৰাইজে এইদৰে বুজিব দেই যে তেওঁলোক পূৰ্বজন্মত শাক্ত আছিল, কিয়নো হিন্দু ধৰ্মত জন্মান্তৰবাদ আছে!! বৰদলৈয়ে এই উদ্ভট সিদ্ধান্ত কোনো শাস্ত্ৰীয় যুক্তিৰ ওপৰত থিয় কৰা নাই। কিন্তু শুনিবলৈ কথাষাৰ একেবাৰে বেয়া নেলাগে। লালুকিৰ নেজৰ উদাহৰণেৰে ডাৰৱিনৰ অভিব্যক্তিবাদ প্ৰমাণ কৰাৰ দৰে অভিব্যক্তিবাদৰ সহায়েৰে এই অভিনৱ অনুমান প্ৰমাণ কৰিবলৈ দলৈদেৱে টান নেপাব। আৰু কাৰো ইয়াত খৰিয়ালো একো নাই। খাটি বৈষ্ণৱসকলে ক'ব যে তেওঁলোকে পূৰ্বজন্মত শক্তি উপাসনা কৰি মোক্ষ পদ নেপাই এক জন্মত বিষ্ণুত শৰণ লৈ মোক্ষলৈ আশা কৰিছে, আৰু শাক্তসকলে ক'ব (?) যে বিষ্ণুক আশ্ৰয় কৰি মুক্তি পাবলৈ আকৌ জন্ম ল'ব। কিন্তু জোনাকী পৰুৱাৰ পোহৰ পিছফালে থকাৰ দৰে বৰদলৈৰ সিদ্ধান্তৰো পোহৰ ইয়াৰ পিছফালেহে আছে। অৰ্থাৎ যিবোৰে পূৰ্বজন্মত যথেষ্টভাৱে পঞ্চম-সাধনা আদি কৰি তৃপ্তি লাভ কৰা নাই, তেওঁলোকে বৈষ্ণৱ হ'লেও এই জন্মতেই সেইখিনি "গুপুত" বিভাগত সমাধা কৰি ল'ব পাৰে। এই বিষয়ত দামোদৰদেৱৰ আদেশ আছে (তেওঁৰমতে) আৰু চৈতন্যৰ চৰিততো হেনো নজিৰ আছে ইত্যাদি। এই সিদ্ধান্তৰ বেলেগ সমালোচনাৰ দৰকাৰ নাই। ইয়াৰ যুক্তি বা অযুক্তিৰ ভিতৰতেই

---

১ বাঁহী, একাদশ বছৰ, দশম-একাদশ সংখ্যা, মাঘ-ফাগুন ১৮৪৩

ইয়াৰ সমালোচনাও আছে। চৈতন্যৰ চৰিতত কি আছে নাই দামোদৰদেৱৰ ধৰ্মমতৰ লগত তাৰ কোনো যুক্তিযুক্ত সংশ্ৰৱ থাকিব নোৱাৰে। কিয়নো দুয়ো মহাপুৰুষৰ দুয়ো সম্প্ৰদায় সম্পূৰ্ণ স্বতন্ত্ৰ, নহ'লে চৈতন্যপন্থী বেদুৱা বামুণক দামোদৰদেৱে নিজে শৰণ কৰাই নিজ সম্প্ৰদায়-ভুক্ত নকৰিলেহেঁতেন। যি হওক, শাস্ত্ৰীয় যুক্তিৰ সহায়ত পণ্ডিত-প্ৰবৰ ভট্টদেৱে যি ধৰ্মমত দামোদৰদেৱৰ হৈ দি গৈছে, তেওঁৰ পৰৱৰ্তী সন্ত-মহন্তসকলৰ চৰিতত সেইটোৰ পালন দেখা যায় নে নেযায় চাব লগীয়া কথা।

সকলোৰে জনা-শুনাৰ ভিতৰত দক্ষিণপাট সত্ৰ তন্ত্ৰ-মতৰ পক্ষপাতী আৰু "প্ৰদীপিকা" কাকতখনো দক্ষিণপাট সত্ৰৰ যাদৱৰায় মূৰ্তিৰ নামত উলিওৱা হৈছে। ৰবৰ্দলৈৰ চিন্তা বা দুশ্চিন্তাৰ সোঁত যে দক্ষিণপাট সত্ৰৰ আও-ভাওৰপৰা সমুদ্ভূত, এইটো অনুমান একেবাৰে কাল্পনিক নহ'ব যেন লাগে। সেইদেখি দক্ষিণাপাট-সত্ৰ প্ৰতিষ্ঠাতা বনমালীদেৱৰ চৰিতত তান্ত্ৰিকতাৰ কিবা ছাঁ আছে নে নাই, বাইজে জনা উচিত।

চৰিত্ৰকাৰ ৰমাকান্ত দ্বিজ। নকল কৰোঁতাজনৰ নাম শ্ৰীগোপীনাথ। চিত্ৰকাৰ বিজয় খনিকৰ। পুথিখনৰ আগৰপৰা শুৰিলৈকে ছবি আছে। সন্ত এজনৰ আদেশত চৰিত লেখা হৈছে বুলি কোৱা হৈছে।

ৰামদেৱ নামে সন্তৰূপে ভগৱন্ত।
পদ কৰিবাক মোক আজ্ঞা কৰিলন্ত ॥
তান আজ্ঞা মানি মঞি কুমতি পামৰ।
পদৰূপে ব্যক্ত কৰো শুণক সন্তৰ।

চতুৰ্ব্যূহাত্মক কৃষ্ণৰ মহিমা বৰ্ণন কৰি সম্প্ৰদায় প্ৰৱৰ্তকসকলৰ বন্দনা আছে।

চৈতন্য শংকৰদেৱ দামোদৰ সন্ত।
মাধৱ গোপাল বলদেব যে মহন্ত ॥
শ্ৰীমন্ত পৰমানন্দ গোসাঁই বনমালী।
গোসাঞিমিশ্ৰ আছিলা ধৰ্মক প্ৰতিপালি ॥
জয়হৰি দেৱ গোসাঞি নিৰঞ্জন সন্ত।
ৰামকৃষ্ণ দেৱ যদুদেৱ যে মহন্ত ॥
এহি সব ধৰ্ম-প্ৰৱৰ্তক মহাজন।
সবাৰো চৰণে মঞি কৰোহো বন্দন ॥

তাৰ পিছত শংকৰদেৱৰ বিষয়ে এইখিনিতে আছে—

শংকৰ স্বৰূপে হৰে আপুনি প্ৰত্যেক।
ভক্তি-জ্ঞান উপদেশ দিলন্ত লোকক ॥
গূঢ় অৰ্থ ভাগৱত পদবন্ধে কৈলা।
অজ্ঞানীজনক লাগি পৃথিবীত থৈলা ॥

সৰ্বদায়ে কৰা মাত্ৰ হৰিত ভকতি ।
নাহি ছেদ-ভেদ নজানিয় দিনৰাত্ৰি ॥
হেন দেখি দেৱদামোদৰ আত্মাৰাম ।
সকলে প্ৰসংগ প্ৰভু কৰিলা নিয়ম ॥
ধৰ্ম-প্ৰৱৰ্তক প্ৰভু দামোদৰদেৱ ।
তান চৰণত কোটি কোটি কৰো সেৱ ॥

কোচবেহাৰত থাকোঁতে পুৱাবপৰা গধূলিলৈকে দামোদৰদেৱে কেনেকৈ ধৰ্ম আচৰণ কৰিছিল, তাৰ এটি মনোমোহা চিত্ৰ আছে-

বেহাৰ নগৰে সত্ৰ কৰিলা নিৰ্মাণ ।
প্ৰৱৰ্তাইলা ভাগৱত নাম যে কীৰ্তন ॥
ব্ৰহ্ম মুহূৰ্ততে উঠি দেৱ দামোদৰ ।
মুখ-হস্ত পখালি পৌসন্ত নামঘৰ ॥
ভক্তসৱে নাম লৱে সুললিত কৰি ।
আসনত বসিয়া শুনন্ত মৌন ধৰি ॥
নাম-অৱসানে ভাগৱতক শুনন্ত ।
কহে সুললিত কৰি বলদেৱ সন্ত ॥
ধাৰাসাৰে বহে জল দুতয় নয়নে ।
প্ৰেমে পুলকিত ৰোম শিহৰে সঘনে ॥
ভাগৱত-পাঠ যেৱে ভৈল সমাপিত ।
পুৰাৱ প্ৰসংগ তেৱে শুনন্ত সম্প্ৰতি ॥
তাত পাছে গীতৰ যে প্ৰসংগ শুনন্ত ।
হৰিক মনত স্মৰি গৃহে চলি যান্ত ॥

* * *

একক্ষণ মাত্ৰ প্ৰভু থাকন্ত শুতিয়া ।
উঠি আথ-বেথ কৰি নামঘৰ যায়া ॥

ভাটিবেলিকাৰ পৰা গধূলিলৈকে আকৌ ভাগৱত পাঠ, নাম-প্ৰসংগ, ইত্যাদি । এইদৰে ধৰ্ম আচৰণ কৰি থাকি বলৰামদেৱ আৰু পৰমানন্দদেৱৰ ওপৰত বেহাৰ সত্ৰৰ ভাৰ দি দামোদৰদেৱৰ তিৰোভাৱ হয় ।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত ৰন্তাবাৰী নামে গাঁৱত, পৰাশৰ গোত্ৰীৰ দশৰথ নামৰ বৈষ্ণৱ ব্ৰাহ্মণ এজন আছিল । তেওঁৰ পুত্ৰ যদুদেৱ । যদুদেৱে মহেন্দ্ৰভাৰতী নামে ভাগৱত পণ্ডিত এজনৰ কন্যা মাধৱপ্ৰিয়াক বিয়া কৰে । বনমালীদেৱ যদুদেৱৰপৰা মাধৱপ্ৰিয়া দেৱীৰ গৰ্ভত ওপজে । অতি কোমল বয়সৰপৰাই বনমালীদেৱৰ হৰি-ভক্তিৰ পিনে ধাউতি ।

বালক কালতে জ্ঞানে যুক্ত ভৈলা
বসি থাকা যোগী যেন ।
বাল্যক্রীড়া এৰি থাকন্ত মনত
হৰিক কৰিয়া ধ্যান ॥
ভক্ত-ভক্ষ্য দ্রব্য যিবা কিছুমান
মাতৃ দিয়ে স্নেহ কৰি ।
মৃত্তিকা প্রতিমা নির্মাণ কৰিয়া
ভুঞ্জা সমর্পণ কৰি ॥
মাতিলে নমাতা থাকা মৌন হুয়া
হৰিক মনত ধৰি ।
আন কিছু বাক্য কাকো নোবোলন্ত
বোলে মাত্র ৰামহৰি ॥

পাঁচ বছৰ বয়সতে শিশুৰ এই অদ্ভুত হৰি-ভক্তি দেখি মুকুন্দদেৱে বংশীগোপালদেৱৰ ওচৰত সকলো কথা বিবৰি ক'লে। বংশীদেৱৰ কথামতে শিশু বনমালীক তেওঁৰ ওচৰলৈ নিলত, তেওঁ বনমালীক ভাগৱত ব্যাখ্যা কৰিবলৈ দিলে। শিশুৰ অদ্ভুত ক্ষমতা দেখি বংশীদেৱে আঁকোৱালি ধৰি 'যোগভ্রষ্ট' বুলি শিশুক স্নেহ-সম্ভাষণ কৰিলে। আকৌ কেইদিনমান শিশুক লগত ৰাখি বংশীদেৱে তেওঁৰ গুণত আকৃষ্ট হৈ মাধৱপ্রিয়া দেৱীৰ ওচৰলৈ আহি এই অদ্ভুত ল'ৰাজনক মাগি ল'লে যেন তেওঁ ওচৰতে ৰাখি তেওঁৰ আদর্শমতে ডাঙৰ-দীঘল কৰিব পাৰে। এইদৰে চকুৰ আগত ৰাখি ডাঙৰ কৰি বংশীদেৱে নিজ তত্ত্বাৱধানতেই বনমালীদেৱৰ উপনয়ন সংস্কাৰ কৰিলে।

বংশীদেৱৰ তিৰোধানৰ পিছত বনমালীদেৱে অশ্বক্রান্ত তীর্থ দৰশন কৰিবলৈ যায়। তাৰ ওচৰত ভেলাই নামক ঠাইত সত্র স্থাপনা কৰি তাত কিছুমান দিন ধর্ম প্রৱর্তাই থাকি আকৌ পূর্বৰ সত্রলৈ উভতি আহে। তাৰ পিছত জগন্নাথ তীর্থলৈ যাওঁ বুলি বিদায় লৈ আহি পাটবাউসীত ভট্টদেৱৰ ঠাই পায়গৈ। "তান গুণে তুষ্ট ভৈলা ভট্টদেৱ সন্ত।" কিছুমান দিন ভট্টদেৱৰ ঠাইত ভাগৱত ব্যাখ্যা কৰি থাকি "জগন্নাথ জাঞো বুলি বিদায় কৰিলা।"

হেন শুনি কবিৰত্নে বুলিলা বচন।
তোমাৰ নাহিকে ক্ষেত্রে জাইবে প্রয়োজন ॥
অচ্যুতৰ কথা যথা কীর্তন কৰয়।
গংগা আদি তীর্থসব তথাতে ৰহয় ॥
তোমাৰ দেখিলো সূক্ষ্মবুদ্ধি ভাগৱতে।
আছে সত্যে জগন্নাথ তযু হৃদয়তে ॥
তথাপি আসিছা যাইবে বাধা নকৰোহো।
দামোদৰ ঠাইক যাইবা বিদায় দিলোহো।

এইদৰে ভট্টদেৱৰ পৰা বিদায় লৈ বনমালীদেৱ কোচবেহাৰলৈ গ'ল। বলদেৱে অতি সাদৰেৰে তেওঁক তাত ৰাখিলে আৰু ভাগৱত পঢ়িবলৈ দিলে। বনমালীদেৱৰ শাস্ত্ৰ-ব্যাখ্যাৰ প্ৰশংসা শুনি

নানাদেশী পণ্ডিতসকলে শুনিলন্ত ॥
ব্যাকৰণ আদি নপঢ়িয়া কেনমতে।
কহিবাক লাগি মতি ভৈলা ভাগৱতে ॥
এহি মতে বহুবক্তী ক্ৰোধে গৰ্বে আসে।
আস্ফোট কৰিয়া আসি বসে এক পাশে ॥

তেওঁৰ খ্যাতি শুনি ৰজা প্ৰাণনাৰায়ণে তেওঁক দেখা কৰিবলৈ আহি তেওঁৰ ব্যাখ্যা শুনি তুষ্ট হ'ল আৰু তেওঁক বহুত আদৰ-সন্মান দেখুৱালে। দেড় বছৰমান তাত থকাৰ পিছত বলদেৱৰ কালপ্ৰাপ্তি হয়, আৰু অন্তিম সময়ত বলদেৱে সত্ৰৰ সকলো অধিকাৰ বনমালীদেৱৰ ওপৰত দিয়ে। পৰমানন্দৰ মদনমোহন নামে ভতিজা এজন আছিল। বনমালীদেৱ অধিকাৰ হোৱাত অন্তৰত ক্ষুণ্ণ হৈ তেওঁ বনমালীদেৱক অসূয়া কৰিবলৈ ধৰিলে। জানিব পাৰি বনমালীদেৱ জগন্নাথলৈ যাবলৈ আয়োজন কৰিবলৈ ধৰিলে আৰু লগতে পৰমানন্দও ওলাল। ৰজাই এই খবৰ শুনি বিষম পাই, বনমালীদেৱক সত্ৰ এখন সজাই দিয়ালে। তাত কিছুদিন থকাৰ পিছত পৰমানন্দৰ অন্তিম কাল উপস্থিত হয়। তেৱোঁ বনমালীদেৱৰ ওপৰত ধৰ্মৰ ভাৰ থ'লে। পুৰুষোত্তম আৰু বনমালীদেৱে এইদৰে ধৰ্ম প্ৰৱৰ্তাই থাকিল।

তাত বৃন্দাবন চন্দ্ৰ নামে প্ৰতিমা সজাই পূজা-অৰ্চনা কৰি জগন্নাথ ক্ষেত্ৰলৈ আকৌ এখন প্ৰতিমা আনিবলৈ ধন-বিত দি ভকত পঠালে। জগন্নাথৰপৰা ভকতসকলে যাদৱৰায়-নামক প্ৰতিমা আনিলে। তাৰ পিছত বনমালীদেৱ জগন্নাথ ক্ষেত্ৰলৈ যায় আৰু গংগাৰ তীৰত সত্ৰ এখন পতাই জগন্নাথৰ মূৰ্তি থাপনা কৰিলে আৰু ৰামগোৱিন্দ নামৰ ব্ৰাহ্মণ এজনক সত্ৰখন দি ঘিলানগৰলৈ আহিল। তাৰ পৰা জয়ধ্বজ ৰজাই দূত পঠাই অনাই কলিয়াবৰৰ সত্ৰত ৰাখিলে আৰু তাত পুখুৰী এটিও খনাই দিলে।

তাৰ পিছত অইন অইন ঠাইত থকাৰ শেহত ৰজাৰ সত্ৰ এখন কৰিবৰ মন হ'ল– "নৃপতিৰ সত্ৰ কৰিবাৰ মন আছে।" দক্ষিণপাট সত্ৰ কৰাই বনমালীদেৱক তালৈ পঠিয়াই দিলে।

নামত দক্ষিণপাট বুলি সবে কহে।
উত্তৰত মহানদী ব্ৰহ্মপুত্ৰ বহে ॥
হেন স্থান পায়া ৰাজদূতে কৈলা যাই।
শুনি ৰাজা বোলে তৈক যায়োক গোসাঞি ॥
দক্ষিণপাটক ভক্ত সমে আসিলন্ত।

ইয়াৰ পিছত জয়ধ্বজ ৰজাৰ মৃত্যু হয় আৰু চক্ৰধ্বজ ৰজা হয়। চক্ৰধ্বজেও গভীৰ সহানুভূতি দেখুৱাই সত্ৰৰ ভিতৰত সকলো দৰৰ ঘৰ-দুৱাৰ সজাই দিলে। সত্ৰ-প্ৰতিষ্ঠা কৰি কিছুদিন

থাকি, বনমালীদেৱে হাজোৰ হয়গ্ৰীৱ-মাধৱৰ ক্ষেত্ৰ দৰশন কৰিবলৈ যায়। তাতে অৰ্জুনদেৱৰ লগত মিলন হয়। তাৰপৰা তেওঁ গোপেশ্বৰ দৌল চাবলৈ যায়। চক্ৰধ্বজ ৰজাই তেওঁৰ অনুপস্থিতি বিষম পাই তেওঁক ওভোতাই নিলে।

ইয়াৰ পিছত এটি বৰ সাৰ্থক আৰু মনোৰম ঘটনাৰ বৰ্ণনা আছে। ইয়াৰ পৰা "এক শৰণ" ধৰ্মৰ লগত অন্য দেৱ-দেৱীৰ পূজা-সমস্যা কেনেকৈ হয় বহুতে জানিব পাৰিব। ৰামকৃষ্ণদেৱ নামে এজন ভক্তই বনমালীদেৱক জনালে যে হলেশ্বৰ নামক ঠাইত এটি পুখুৰীত এটি সোণৰ মূৰ্তি আছে আৰু তাৰ অশেষ মহিমা সকলোৱে জানে। এতেকে বনমালীদেৱে যেন সেই মূৰ্তি উদ্ধাৰ কৰি আনে। নাও-ব'ঠা সজাই গোসাঁই ভৈৰৱী নদীৰ পাৰত বৈ আছে। এদিনাখন ৰাতি হলেশ্বৰ মূৰ্তিয়ে ভাগৱতী ৰামুণক সপোনত বৰ বেজাৰকৈ ক'লে যে গোসাঁয়ে য'ত ভাগৱত পঢ়ে, হলেশ্বৰে নিতৌ গৈ ওনাই থাকে; আৰু তেওঁৰ (হলেশ্বৰৰ) ওচৰলৈ যাব বুলি সদায় আশা কৰি থাকে। বনমালীদেৱ যাব যাব বুলি মূৰ্তিয়ে চাৰি আঙুল পৰিমাণ গা-দণ্ডা দি আছে।

"এহি বুলি ত্ৰিপুৰাৰি ভৈলা অন্তৰ্দ্ধান।"

ভাগৱতীয়ে পুৰা সপোনৰ বিবৰণ বনমালীদেৱক কোৱাত বনমালীদেৱে আনন্দত শিয়ঁৰি উঠি গৈ দেখে যে সপোনত শিৱই যি কৈছে, ঠিক তেনেভাৱেই আছে। নক'লেও হ'ব যে হলেশ্বৰ মূৰ্তি শিৱলিংগ কিন্তু পৰম বৈষ্ণৱ বনমালীদেৱে হৰি-হৰৰ অভেদ কেনেকৈ সামঞ্জস্য কৰি শিৱ-মূৰ্তিক প্ৰণাম কৰিলে, অতি সাৰ্থক কথা।

হৰি বুদ্ধি কৰি তান্ক কৰিলন্ত সেৱ।
নমো নমো লক্ষ্মীপতি ভগৱন্তদেৱ॥

* * *

অনেক কৰিলা স্তুতি বিষ্ণু হেন মানি।
প্ৰেমে মগ্ন হুয়া কিছো নোবোলন্ত বাণী॥

এইদৰে নানান স্তুতি কৰি উভতি আহিল। দ্বিতীয়বাৰ গৈ মূৰ্তি উদ্ধাৰৰ চেষ্টা কৰিলে কিন্তু দেৱতাসকলে মায়া কৰি বৰষুণ দিয়াই মূৰ্তি আনিব নিদিলে। ইয়াৰ পিছত উল্লেখযোগ্য ঘটনা নাই। সন্ত-মহন্তসকলক ধৰ্মজ্ঞান বিলাই থাকি অন্তিম কাল উপস্থিত হোৱাত ৰামদেৱ নামৰ সন্ত এজনৰ মূৰত ধৰ্মৰ ভাৰ দি বনমালীদেৱে তিৰোধান কৰে।

এই চৰিত্ৰৰ ভিতৰত এইকেইটা কথা মন কৰিব লগীয়া। —বনমালীদেৱ নিচেই সৰুৰেপৰা কৃষ্ণ-ভক্ত। তেওঁ অশ্বক্ৰান্ত, হাজো, গোপেশ্বৰ দৌল, জগন্নাথ-ক্ষেত্ৰ আদি তীৰ্থ-স্থানলৈ গৈছিল কিন্তু কোনো শক্তিপীঠলৈ যোৱা নাই। শক্তি-পূজা তেওঁৰ ধৰ্মৰ অন্তৰ্গত হ'লে অন্ততঃ হাজোলৈ যাওঁতে কামাখ্যা ক্ষেত্ৰত সোমাই যাব পাৰিলেহেঁতেন। তেওঁৰ চৰিতত কৃষ্ণলীলাৰ নানান উৎসৱৰ কথা আছে, কিন্তু দুৰ্গা পূজাদিৰ কোনো উল্লেখ নাই। আৰু সকলোতকৈ সাৰুৱা কথা এইটোহে যে তেওঁ শিৱমূৰ্তিক "বিষ্ণু হেন মানি" "লক্ষ্মীপতি" বুলি সেৱা কৰিছিল। হৰি-হৰৰ অভেদ হয়, সেই বুলি হৰক বেলেগে পূজা নকৰি "লক্ষ্মীপতি বিষ্ণু" বুলি সেৱা-অৰ্চনা কৰিছিল। দক্ষিণপাট সত্ৰ-

প্ৰতিষ্ঠাতা বনমালীদেৱৰ এই আধ্যাত্মিক আদৰ্শৰ তুলনাত দক্ষিণপাট সত্ৰৰ বিগ্ৰহ যাদৱৰায়ক সাক্ষী মানি কথা কওঁতা ৰবদলৈৰ কথাবোৰৰ মূল্য কি, ৰাইজে বিচাৰি ল'ব। ইয়াতেই কৈ থোৱা উচিত যে আউনীআটি সত্ৰৰ আদি বংশীগোপালদেৱৰ বিস্তৃত চৰিততো তান্ত্ৰিকতাৰ কোনো আভাস নাই। তেৱোঁ নানান তীৰ্থক্ষেত্ৰলৈ গৈছে, কিন্তু কোনো শক্তি-পীঠ দৰ্শন কৰা নাই।

আমি আগেয়ে উনুকিওৱা কথা আকৌ কওঁ। ধৰ্মৰ প্ৰমাণ শ্ৰুতি, স্মৃতি, সন্তসকলৰ আচৰণ আৰু সন্দেহস্থলত আত্মতুষ্টি। দামোদৰদেৱৰ ধৰ্মমতৰ শাস্ত্ৰীয় প্ৰমাণ শ্ৰুতি-স্মৃতিৰ বচনা সংগ্ৰহ কৰি নিৰ্মাণ কৰা ভট্টদেৱৰ "ভক্তিবিবেক" গ্ৰন্থত পোৱা যায়। আৰু সদাচাৰ হিচাপে তাৰ উদাহৰণ পাওঁ দামোদৰদেৱৰপৰা আৰম্ভ কৰি গোপালদেৱ-বনমালীদেৱসকলৰ আচৰণ-প্ৰণালীত। এইবোৰৰ ক'তো তান্ত্ৰিকতাৰ অনুমাত্ৰও ছাঁ নাই।

ৰাইজে অকণো সংশয় নোহোৱাকৈ এইটো ধৰি ল'ব পাৰে যে ৰবদলৈৰ সিদ্ধান্ত "লালুকিৰ নেজৰপৰা" ওলাইছে। ভেকুলী মাত্ৰেই লালুকি। অৱস্থাৰ ভিতৰেদি ডাঙৰ হয়। সেইদৰে মানুহ মাত্ৰেই তান্ত্ৰিক-চক্ৰত বহা অৱস্থাৰ ভিতৰেদি যাবই লাগিব! যি ইহ জন্মৰ আগৰ ডোখৰত চক্ৰৰ অনুষ্ঠান কৰা নাই বা যাৰ পূৰ্ব-জন্মতেই হেঁপাহ নপলালে, সি ৰবদলৈৰ দৰে বিশেষতঃ ভাটি বয়সত "গুপুত" সেৱাত বহিবই লাগিব। নহ'লে হেনো "প্ৰকৃতিয়ে" ৰণ-ঘোষণা কৰি "প্ৰতিশোধ" লয়!

ষোড়শ প্ৰকাশ [1]

আচাৰ্য ৰামানুজ আৰু শংকৰদেৱৰ ধ্যান-ৰূপ

শংকৰদেৱৰ বৈষ্ণৱ মতৰ লগত দক্ষিণ ভাৰতীয় বৈষ্ণৱৰ কিছু সাদৃশ্য থকাৰ কথা আগত ক'ৱবাত উনুকিওৱা হৈছে। এই সাদৃশ্যৰ বিষয়ত কীৰ্তন পুথিৰ গুৰিত থকা নাৰায়ণৰ ধ্যান-ৰূপ-বৰ্ণনাৰ লগত আচাৰ্য ৰামানুজৰ নাৰায়ণৰ ধ্যান-ৰূপ বৰ্ণনাৰ তুল্যৰূপ বিশেষভাৱে উল্লেখ কৰিব লগীয়া। ৰামানুজৰ "গদ্যত্ৰয়" নামক তিনিখন অকণ অকণ গদ্য পুস্তিকা আছে। তাৰ ভিতৰত 'বৈকুণ্ঠ-গদ্য'-নামক পুথিখন বৰ প্ৰয়োজনীয়। ইয়াত তেওঁৰ বৈকুণ্ঠস্থিত নাৰায়ণৰ ৰূপ-বৰ্ণনা আছে। যেনেকৈ বেদ-বিভাগ কৰোঁতা, নানান পুৰাণ-ইতিহাস কৰোঁতা ব্যাসদেৱে সকলো শাস্ত্ৰ ৰচনা কৰি শেহত 'ভাগৱত' গ্ৰন্থত হৃদয়ৰ আৱেগ ঢালি দিহে শান্তি পাইছিল, সেইদৰে আচাৰ্যদেৱেও নিজেই কৈছে যে তেওঁৰ ৰচিত বেদান্ত-ভাষ্যত যিটো সত্য অপ্ৰকাশিত আছিল তেওঁ তাক ইয়াত প্ৰকাশ কৰিছে। "শাৰীৰকেঽপি ভাষ্যে যা গোপিতা শৰণাগতিঃ। অত্ৰ গদ্যত্ৰয়ে ব্যক্তং তাং ৱিদ্যাং প্ৰণতোঽস্ম্যহম্।" পুথিখন সমাস-বহুল সংস্কৃত ভাষাত লিখা। আমি ইয়াত গোটেইখন পুথি তুলি দি তলত মুঠ অসমীয়া ভাঙনি এটি দিম—

অথ বৈকুণ্ঠ গদ্যপ্ৰাৰম্ভঃ।

শ্ৰীঃ। যামুনাৰ্য্য-সুধাম্ভোধিমৱগাহ্য যথামতি।

আদায় ভক্তিযোগাখ্যং ৰত্নং সন্দৰ্শয়াম্যহম্॥ স্বাধীনত্ৰিবিধচেতনাচেতনস্বৰূপস্থিতিপ্ৰবৃত্তিভেদং ক্লেশকৰ্ম্মাদ্যশেষদোষাসংস্পৃষ্টং স্বাভাৱিকানৱধিকাতিশয়জ্ঞানবলৈশ্বৰ্য্য-বীৰ্য্য-শক্তি-তেজঃপ্ৰভৃত্যসংখ্যেয়-কল্যাণগুণগণৌঘমহাৰ্ণৱং পৰমপুৰুষং ভগৱন্তং নাৰায়ণং স্বামিত্বেন গুৰুত্বেন সুহৃত্ত্বেন চ পৰিগৃহ্য ঐকান্তিকাত্যন্তিকতৎপাদাম্বুজদ্বয়পৰিচৰ্য্যৈকমনোৰথস্তৎপ্ৰাপ্তয়ে চ তৎপাদাম্বুজদ্বয়প্ৰপত্তেৰণ্যৎ ন মে কল্পকোটিশতসহস্ৰেনাপি সাধনমস্তীতি মন্বানস্ত স্যৈৱ ভগৱতো নাৰায়ণস্যাখিলসত্ত্বদয়ৈকসামান্যালোচিত-গুণগণাখণ্ডজনানুকূলমৰ্য্যাদাশীলৱতঃ স্বাভাৱিকানৱধিকাতিশয়ং গুণৱত্তয়া দেৱতিৰ্য্যঙ্মনুষ্যাদ্যখিলজন-হৃদয়ানন্দস্য আশ্ৰিতবাৎসল্যৈকজলধেৰ্ভক্তজনসংশ্লেষৈকভোগস্য নিত্যজ্ঞানক্ৰিয়ৈশ্বৰ্য্যভোগসামগ্ৰীসমৃদ্ধস্য মহাৱিভূতেঃ শ্ৰীমচ্চৰণাৰৱিন্দযুগলং অনন্যাত্মসঞ্জীবনেন তদ্গতসৰ্ব্বভাৱেন শৰণমনুৱ্ৰজেৎ। ততশ্চ প্ৰত্যহমাত্মোজ্জীৱনায়ৈৱমনুৱ্ৰজেৎ।

চতুৰ্দ্দশভুৱনাত্মকমণ্ডংদশগুণিতোত্তৰং চাৱৰণসপ্তকং সমস্তকাৰ্য্যকাৰণজাতমতীত্য পৰমব্যোমশব্দাভিধেয়ে ব্ৰহ্মাদীনাং বাঙ্মনসামগোচৰে শ্ৰীমতি বৈকুণ্ঠে দিব্যলোকে সনকসনন্দবিধি শিবাদিভিৰপ্যচিন্ত্যস্বৰূপস্বভাৱৈশ্বৰ্য্যৈনিত্যসিদ্ধৈৰনন্তৈৰ্ভগৱদানুকূল্যৈকভোগৈৰ্দিব্যপুৰুষৈৰ্মহাত্মভিৰাপূৰিতেতে-ষামপি ইয়ৎপৰিমাণম্ ইয়দৈশ্বৰ্য্যম্ ঈদৃশ স্বভাৱমিতি পৰিচ্ছেত্তুমযোগ্যে দিব্যাৱৰণশতসহস্ৰকোটিভিঃ সংৱৃতে দিব্যকল্পতৰুশোভিতে দিব্যোদ্যানশতসহস্ৰ কোটিভিৰাৱৃতে অতি পৰিমাণে দিব্যায়তনে কস্মিং-

---

[1] ৰাঁহী, একাদশ বছৰ, দশম-একাদশ সংখ্যা, মাঘ-ফাগুন ১৮৪৩

শ্চিত্ৰিচিত্ৰদিব্যৰত্নময়দিব্যস্থানমণ্ডপে দিব্যৰত্নস্তম্ভশতসহস্ৰকোটিভিৰুপশোভিতে দিব্য নানাৰত্নকৃতস্থলবিচিত্ৰিতে দিব্যালঙ্কাৰালঙ্কৃতে পৰিতঃ পতিতৈঃ পতমানৈঃ পাদপস্থৈশ্চ নানাগন্ধৱৰ্ণৈদিব্যপুষ্পৈঃ শোভমানৈৰ্দিব্যপুষ্পোপৱনৈৰুপশোভিতে সঙ্কীৰ্ণপাৰিজাতাদিকল্পদ্ৰুমোপশোভিতৈৰসঙ্কীৰ্ণৈশ্চ কৈশ্চিদন্তস্থপুষ্পৰত্নাদিনিৰ্ম্মিত দিব্যলীলামণ্ডপশতসহস্ৰোপশোভিতৈঃ সৰ্ব্বদানুভূয়মানৈৰপ্যপূৰ্ব্ববদাশ্চৰ্য্যম্ আৱহদ্ভিঃ ক্ৰীড়াশৈলশতসহস্ৰৈৰলঙ্কৃতৈঃ নাৰায়ণদিব্যলীলাসাধাৰণৈশ্চ কৈশ্চিৎ পদ্মৱনালয়াদিব্যলীলাসাধাৰণৈশ্চ কৈশ্চিচ্ছুকসাৰিকাময়ূৰকোকিলাদিভিঃ কোমলকূজিতৈৰাকুলৈদিৱোদ্যানশতসহস্ৰৈৰাবৃতৈৰ্মণিমুক্তাপ্ৰৱালকৃতসোপানৈৰ্দিব্যামলামৃতৰসোদকৈৰ্দিব্যাণ্ডজৱৰৈৰতিৰমণীয়দৰ্শনৈৰতিমনোহৰস্বৰৈৰাকুলৈৰন্তস্থমুক্তামণিময়দিব্যক্ৰীড়াস্থানোপশোভিতৈৰ্দিব্যসৌগন্ধিকবাপীশতসহস্ৰৈৰ্দিব্যৰাজহংসাৱলিভিৰ্বিৰাজিতৈৰাবৃতে নিৰস্তাতিশয়ানন্দৈকৰসতয়া চানন্ত্যাচ্চ প্ৰৱিষ্টানুন্মাদয়দ্ভিঃ ক্ৰীড়াদেশৈৰ্ৱিৰাজিতে তত্ৰ তত্ৰ কৃতদিব্যপুষ্পপৰ্য্যঙ্কোপশোভিতে নানাপুষ্পৰসাস্বাদমত্তভৃঙ্গাৱলিভিৰুদ্গীয়মানৈৰ্দিব্যগান্ধৰ্ব্বেণ পূৰিতে চন্দনাগুৰুকৰ্পূৰদিব্যপুষ্পাৱগাহিতমন্দানিলসেব্যমানে মধ্যে দিব্যপুষ্পসঞ্চয়বিচিত্ৰিতে মহতি দিব্যযোগপৰ্য্যঙ্কে অনন্তভোগিনি শ্ৰীমদ্বৈকুণ্ঠৈশ্বৰ্য্যাদিদিব্যলোকমাত্মকান্ত্যা বিশ্বমাপ্যায়য়ন্তাশেষশেষাসনাদিসৰ্ব্বং পৰিজনং ভগৱতস্তদৱস্থোচিতপৰিচাৰ্য্যায়মাজ্ঞাপয়ন্ত্যাশীলৰূপগুণৱিলাসাদিভি-ৰাত্মানুৰূপয়া শ্ৰিয়া সহাসীনং প্ৰত্যগ্ৰোন্মীলিতসদৃশনয়নযুগলং স্বচ্ছনীলজীমূতসঙ্কাশম্ অত্যুজ্জ্বলিতপীতৱাসসং স্বয়া প্ৰভয়াতিনিৰ্ম্মলয়া অতিকোমলয়াতিশীতলয়া স্বচ্ছমাণিক্যপ্ৰভয়া কৃৎস্নং জগৎ ভাসয়ন্তং তম্ অচিন্ত্যদিব্যাদ্ভুতনিত্য যৌৱনং স্বভাৱলাৱণ্যময়ামৃতসাগৰং অতিসৌকুমাৰ্য্যাদিষৎপ্ৰস্বিন্নৱদা লক্ষ্যমানললাটফলকং দিব্যালকাৱলিৱিৰাজিতং প্ৰবুদ্ধমুগ্ধাম্বুজচাৰুলোচনং সবিভ্ৰমভ্ৰূলতং উজ্জ্বলাধৰং শুচিস্মিতং কোমলগণ্ডম্ উন্নসং ললাটপৰ্য্যন্তবিলম্বিতালকম্ উদগ্ৰপীনাংসৱিলম্বিকুণ্ডলালকাৱলিবন্ধুৰকম্বু-কন্ধৰং প্ৰিয়াৱতংসোৎপলকৰ্ণ ভূষণশ্লথালকাবন্ধৱিমৰ্দ্দশংসিভিঃচতুৰ্ভিৰাজানুৱিলম্বিভি-ৰ্ভুজৈৰ্ৱিৰাজিতম্অতিকোমলদিব্যৰেখালঙ্কৃতাতিতাম্ৰকৰতলং দিব্যাঙ্গুলীয়কৈৰ্ৱিৰাজিতম্ অতিকোমল দিব্যনখাৱলীৱিৰাজিতানুৰক্তাঙ্গুলীভিৰলঙ্কৃতং তৎক্ষণোন্মীলিতপুণ্ডৰীকসদৃশচৰণযুগলং অতিমনোহৰকিৰীটমুকুটচূড়াৱতংসমকৰকুণ্ডল-গ্ৰৈৱেয়কহাৰকেয়ূৰকটকশ্ৰীৱৎসকৌস্তুভ-মুক্তাদামাদৰবন্ধনপীতাম্বৰকাঞ্চীননূপুৰাদিভিৰত্যন্তসুখস্পৰ্শৈৰ্দিব্যগন্ধৈৰ্ভূষণৈৰ্ভূষিতং শ্ৰীমত্যা বৈজয়ন্ত্যা বনমালয়া ৱিৰাজিতং শঙ্খচক্ৰগদাসিশাৰ্ঙ্গাদিদিব্যায়ুধৈঃ সেব্যমানং, স্বসঙ্কল্পমাত্ৰাৱকল্পিত জগজ্জন্মস্থিতিধ্বংসাদিকে শ্ৰীমদ্বিষ্বক্সেনে ন্যস্তসমস্তাত্মৈশ্বৰ্য্যং বৈনতেয়াদিভিঃ স্বভাৱতো নিৰস্তসমস্তসাংসাৰিক স্বভাৱৈৰ্ভগৱৎপৰিচৰ্য্যাকৰণযোগৈৰ্ভগৱৎপৰিচৰ্য্যৈক ভোগৈৰ্নিত্যসিদ্ধৈৰনন্তৈৰ্যথাযোগং সেব্যমানম্ আত্মযোগেনানুসংহতিপৰাদকালং দিব্যমলকোমলাৱলোকনেন বিশ্বমাহ্লাদয়ন্তমীষদুন্মীলিতমুখাম্বুজনিৰ্গতেন দিব্যাননাৰৱিন্দশোভাভাজনেন দিব্যগাম্ভীৰ্যৌদাৰ্য্যমাধুৰ্য্যচাতুৰ্য্যাদ্যনৱধিকগুণগণৱিভূষিতেনাতিমনোহৰদিব্যাভাৰগৰ্ভেন দিব্যলীলাপামৃতৰসেন অখিল জনহৃদয়ান্তৰাণ্যাপূৰয়ন্তং ভগৱন্তং নাৰায়ণং ধ্যানযোগেন দৃষ্ট্বা ততো ভগৱতো নিত্যস্বাম্যম্ আত্মনো নিত্যদাস্যঞ্চ যথাৱস্থিতমনুসন্ধায়, কদাহং ভগৱন্তং নাৰায়ণং মম নাথং মম কুলদৈৱতং মম কুলধনং মম ভোগ্যং মম মাতৰং মম পিতৰং মম সৰ্ব্বং সাক্ষাৎকৰৱাণি চক্ষুষা কদাহং ভগৱৎপাদাম্বুজদ্বয়ং শিৰসা সংগ্ৰহীষ্যামি কদাহং ভগৱৎপাদাম্বুজদ্বয়ংপৰিচৰ্য্যাশয়া নিৰস্তসমস্তেতৰ-

ভোগাশোপহতসমস্তসাংসাৰিকস্বভাৱঃ প্ৰবুদ্ধ নিত্যনিয়ামানিত্যদাস্যৈকৰসাত্মক-স্বভাৱস্তৎপাদাম্বুজদ্বয়ং প্ৰৱক্ষ্যামি, কদাহং ভগৱৎপাদাম্বুজদ্বয়পৰিচৰ্য্যাকৰণযোগ্যস্তদেকভোগস্তৎপাদৌ পৰিচৰিষ্যামি, কদা মাং ভগৱান্ স্বকীয়য়াতিশীতলয়া দৃশ্যাৱলোক্যস্নিগ্ধগম্ভীৰমধুৰয়া গিৰা পৰিচৰ্য্যায়ৈ মামাজ্ঞা পয়িষ্যতি ইতি ভগৱৎপৰিচৰ্য্যায়ামাশাং ৱৰ্দ্ধয়িত্বা তৈয়েৱাশয়া তৎপ্ৰসাদোপবৃংহিতয়া ভগৱন্তমুপেতা দূৰাদেৱ ভগৱন্তং শেষেভাগে প্ৰিয়াসহাসীনং ৱৈনতেয়াদিভিঃ সেৱ্যমানং সমস্তপৰিৱাৰায় শ্ৰীমতে নাৰায়ণায় নম ইতি প্ৰণম্য উত্থায়োত্থায় পুনঃ পুনঃ প্ৰণম্যাত্যন্তসাধ্বসবিনয়াৱনতো ভূত্বা ভগৱদংপাৰ্ষদগণনায়কৈৰ্দ্বাৰপালকৈঃ কৃপয়া স্নেহগৰ্ভয়া দৃশাৱলোকিতঃ সম্যগভিৱন্দিতৈস্তৈৰেৱাভিমতো ভূত্বা ভগৱন্তমুপেত্য শ্ৰীমতা মূলমন্ত্ৰেণ মামৈকান্তিকাত্যন্তিকপৰিচৰ্য্যাকৰণায় পৰিগৃহীধেতি যাচৰ্মানঃ প্ৰণম্যাত্মানং ভগৱন্তে নিৱেদয়েৎ। তাতো ভগবতা স্বয়মেব আত্মসঞ্জীৱনেন মৰ্য্যাদাশীলৱতাতিপ্ৰেমান্বিতেনাৱলো কনেনাৱলোক্য সৰ্ব্বদেশসৰ্ব্বকাল-সৰ্ব্বাৱস্থোচিতাত্মাত্যন্তিকশেষভাবায় স্বীকৃতোঽনুজ্ঞাতশ্চাত্যন্তসাধৱসৱিনয়াৱনতঃ কিং কুৰ্ব্বাণং কৃতাঞ্জলিপুটো ভূত্বা ভগৱন্তমুপাসীত। ততশ্চানুভূয়মানভাৱৱিশেষোনিৰতিশয়প্ৰীত্যা অন্যৎ কিঞ্চিৎ কৰ্ত্তুং দ্ৰষ্টুং স্মৰ্ত্তুমশক্তঃ পুনৰপি শেষভাৱমেৱ যাচমানঃ ভগৱন্তং তমেৱাৱিচ্ছিন্নস্ৰোতোৰূপেণাৱলোকনেন অৱলোকয়ন্ আসীত। ততো ভগৱৰ্তা স্বয়মেৱাত্মসঞ্জীৱনেন অৱলোকনেন অৱলোক্য সস্মিতমাহুয় সমস্তক্লেশাপহং নিৰতিশয়সুখাৱহম্ আত্মীয়ং শ্ৰীমৎপাদাৰৱিন্দযুগলং শিৰসি কৃতং ধ্যাত্মামৃতসাগৰান্তৰনি-মগ্নসৰ্ব্বাৱয়ৱসুখমাসীত॥

শাৰীৰকেঽপি ভাষ্যে যা গোপিতা শৰণাগতিঃ।
অত্ৰ গদ্যত্ৰয়ে ব্যক্তাং তাং ৱিদ্যাং প্ৰণতোঽস্ম্যহম্॥

মুকলি অসমীয়া ভাঙনি : যি পৰমপুৰুষ স্বাধীন আৰু প্ৰবৃত্তি অনুসাৰে চেতন, অচেতন বা স্বৰূপ অৱস্থাত থাকে, যি ক্লেশ, কৰ্ম আদি নানান দোষৰ দ্বাৰা অলিপ্ত, যি স্বাভাৱিক, অসীম, অতিশয় জ্ঞান, বল, ঐশ্বৰ্য, বীৰ্য, শক্তি, তেজ, আদি অসংখ্য কল্যাণদায়ক গুণসকলৰ মহাসাগৰস্বৰূপ, সেই পৰমপুৰুষ ভগৱান নাৰায়ণক প্ৰভুভাৱে, গুৰুভাৱে, বন্ধুভাৱে সৰ্বতোক্ৰমে গ্ৰহণ কৰি, তেওঁৰ চৰণ-কমল-যুগলৰ সেৱাকেই একান্তভাৱে মনোৰথ কৰি, সেই মনোবাঞ্ছা পূৰণ কৰিবলৈ আৰু তেওঁৰ পদযুগল পাবলৈ হেজাৰ হেজাৰ কল্পান্ততো অইন উপায় পোৱা নেযাব বুলি জানি সেই ভগৱান নাৰায়ণৰ শ্ৰীযুক্ত চৰণ যুগলত তদ্‌গত চিত্তেৰে শৰণ লোৱা– যি স্বাভাৱিক অসীম অতিশয়িত গুণৱান হোৱাৰ বাবে দেৱ, মনুষ্য, পশু আদি সকলোৰে হৃদয়ৰ আনন্দ-স্বৰূপ, যি আশ্ৰিতৰ প্ৰতি বাৎসল্যৰ জলধি-স্বৰূপ, যি ভক্তজনৰ সংগকেই কেৱল ভোগ্য বস্তু বুলি ভাবে, যি নিত্য, আৰু যাৰ ভোগসামগ্ৰীও নিত্যজ্ঞান-ক্ৰিয়া, প্ৰত্যেক দিন সেই পৰমপুৰুষক নিজৰ প্ৰাণশক্তি বঁচাই ৰাখিবলৈ আশ্ৰয় কৰিবা।

যি বৈকুণ্ঠ চৈধ্য ভুবনৰে অতীত, যি পৰমব্যোমত অৱস্থিত, যি ব্ৰহ্মাদিদেৱতাসকলৰো কথা আৰু মনৰ অতীত, য'ত দিব্য আলোক বৰ্তমান, যি সনক, সনন্দ, ব্ৰহ্মা, শিৱ আদিৰ দ্বাৰায়ো অচিন্ত্যৰূপ ঐশ্বৰ্যৰ দ্বাৰা পৰিপূৰ্ণ, যি নিত্যসিদ্ধ, অনন্ত আৰু ভগৱদ্‌গতমনপ্ৰাণ মহাপুৰুষসকলৰ দ্বাৰায় পৰিপূৰ্ণ, আৰু যাৰ পৰিমাণ, ঐশ্বৰ্য বা স্বভাৱ এই নিত্যসিদ্ধ পুৰুষসকলেও থিৰাং কৰিব

নোৱাৰে, যি স্বৰ্গীয় ঢাকোনেৰে ঢাক খাই আছে, যি দিব্যকল্পবৃক্ষবোৰৰ দ্বাৰা শোভিত, হেজাৰ হেজাৰ দিব্য ফুলনিৰ দ্বাৰা শোভিত, যাৰ পৰিমাণ আৰু আয়তন থিৰ কৰিব নোৱাৰি, যত ঠায়ে ঠায়ে বিচিত্ৰ ৰত্নময় মণ্ডপবোৰ আছে, যি দিব্য ৰত্নস্তম্ভবোৰৰ দ্বাৰা শোভিত, যি দিব্য অলংকাৰৰ দ্বাৰা অলংকৃত, যি সৰ্বা, সৰিৰ ধৰা বা গছত থকা সুগন্ধি ফুলবোৰেৰে শোভিত উদ্যানবোৰেৰে ধুনীয়া, যি পাৰিজাত আদি কল্পবৃক্ষৰ দ্বাৰা শোভিত, যি ৰত্নমুক্তা আদিৰ দ্বাৰা নিৰ্মিত মণ্ডপবোৰেৰে অলংকৃত, যি সদায় অনুভূত হ'লেও নতুন নতুন যেন লগা ক্ৰীড়াশৈলৰ দ্বাৰা শোভিত, য'ত পদুম ফুলেৰে সজোৱা দিব্য আলয় আছে, যি শুক, সাৰিকা, ময়ূৰ, কোকিল আদিৰ কোমল বায়েৰে পূৰ্ণ, যি মণি-মুক্তা আদিৰে সজোৱা সোপানবোৰৰ দ্বাৰায় শোভিত, যি দিব্য, অমল, অমৃত-ৰসেৰে ভৰপূৰ, যি দিব্য ধুনীয়া, মনোহৰ স্বৰযুক্ত চৰাইবোৰেৰে আবৃত, যি সুগন্ধি আৰু ৰাজহংস থকা সৰোবৰসকলৰ দ্বাৰা আবৃত, যি ঠায়ে ঠায়ে ফুলেৰে সজোৱা পৰ্যঙ্কবোৰৰ দ্বাৰা শোভিত, যি নানান ফুলৰ ৰস খাই মত্ত হোৱা হৰিণাবোৰৰ শব্দেৰে পৰিপূৰ্ণ, য'ত চন্দন, অগৰু, কৰ্পূৰ আদি স্বৰ্গীয় ফুলৰ গোন্ধ বৈ অনা বতাহেৰে পৰিপূৰ্ণ,– এনেকুৱা বৈকুণ্ঠৰ মাজত ফুলেৰে সজোৱা পৰ্যঙ্কত নিজৰ কান্তিৰে সকলো বিশ্বকেই আপ্যায়িত কৰিব পৰা সকলো পৰিজনক ভগৱানৰ পৰিচৰ্যাৰ নিমিত্তে আজ্ঞা কৰোঁতা, শীল, ৰূপ, গুণ, বিলাস আদিৰে ভগৱানৰ আত্মৰূপ লক্ষ্মীদেৱীৰ লগ লাগি ভগৱান নাৰায়ণ আসনস্থ হৈ আছে। যি পৰমপুৰুষ নাৰায়ণৰ নয়ন যুগল প্ৰস্ফুটিত পদ্মফুলৰ দৰে, যিজন দেখোঁতে নীল মেঘৰ দৰে, যাৰ গাত উজ্জ্বল হালধীয়া কাপোৰ, যি অতি নিৰ্মল, কোমল, শীতল প্ৰভাৰ দ্বাৰা সকলো জগতকেই উদ্ভাসিত কৰি ৰাখিছে, যাৰ অচিন্ত্য, দিব্য আৰু নিত্যযৌৱন, যি লাৱণ্যময় অমৃতৰ সাগৰস্বৰূপ, অতিশয় কোমল হোৱাৰ কাৰণে যাৰ ললাটত অলপ অলপ ঘাম যেন দেখা যায়, যি দিব্য অলকৰ দ্বাৰায় বিৰাজিত, যাৰ চকু প্ৰস্ফুটিত পদ্মৰ দৰে, যাৰ ভ্ৰূ-যুগল বঙ্কিম, অধৰ উজ্জ্বল, ঈষৎ হাঁহি, কোমল গাল, উন্নত নাক, কপালৰ ওপৰলৈকে ওলোমা অলক, ঘাৰৰ ওপৰলৈকে ওলমি থকা কুণ্ডলৰ ওপৰত হালি পৰা চুলি, যি আজানুলম্বিত চতুৰ্ভুজেৰে বিৰাজিত, যাৰ কৰতল অতি কোমল দিব্য ৰেখাৰ দ্বাৰায় অলংকৃত হৈ তাম্ৰবৰ্ণ যেন দেখা যায়, যাৰ হাতৰ আঙুলিবোৰ দিব্য ৰঙেৰে ৰঞ্জিত আৰু দিব্য আঙুঠিৰে শোভিত, যাৰ চৰণ যুগল নতুনকৈ ফুটি উঠা পদ্মফুলৰ দৰে, যি অতি মনোহৰ কিৰীটি, মুকুট, মকৰ, কুণ্ডল, হাৰ, কেয়ূৰ, বলয়, শ্ৰীবৎস, কৌস্তুভ মুক্তা, দামোদৰ-বন্ধন, পীতাম্বৰ আদিৰে বিভূষিত, যি বৈজয়ন্তী বনমালাৰ দ্বাৰা বিৰাজিত, যি শঙ্খ, চক্ৰ, গদা, শাৰ্ঙ্গ আদি দিব্য আয়ুধসকলৰ দ্বাৰা সেৱিত, যি জগতৰ জন্ম, স্থিতি আৰু ধ্বংস কৰিব পৰা বিষ্বকসেনত সকলো ঐশ্বৰ্য অৰ্পণা কৰিছে, যি বৈনতেয় আদি সংসাৰৰ সকলো ভাৰ ভগৱানত অৰ্পণা কৰোঁতা সিদ্ধসকলৰ দ্বাৰা সেৱিত, যি আত্মযোগৰ দ্বাৰায় পৰকাল আদিকো থুপুৰি কৰি থৈছে, যি দিব্য, অমল, কোমল দৃষ্টিৰ দ্বাৰায় বিশ্ব-জগতকেই আহ্লাদিত কৰে, যি ঈষদুন্মীলিত মুখ-কমলৰ দিব্য মনোহৰ ভাৱগৰ্ভ, লীলা-আলাপ ৰসৰ দ্বাৰায় সকলো প্ৰাণীৰেই হৃদয়ক পৰিপূৰ্ণ কৰে– এই ভগৱান নাৰায়ণক ধ্যান যোগৰ দ্বাৰায় কেতিয়া সাক্ষাৎ কৰি, ভগৱানৰ নিত্য-

স্বামিত্ব আৰু নিজৰ নিত্য-দাস্য-ভাৱক উপলব্ধি কৰি, মোৰ স্বামী, মোৰ কুল-দেৱতা, মোৰ কুল-ধন, মোৰ ভোগ্য, মোৰ মাতৃ, মোৰ পিতৃ, মোৰ সৰ্বহৰূপে কেতিয়া ভগৱানক চকুৰে দেখোঁ, কেতিয়া মই ভগৱানৰ চৰণ-যুগলক শিৰত তুলি লওঁ, কেতিয়া মই তেওঁৰ চৰণ-কমল-যুগলৰ সেৱাৰ আশাত সকলো ইতৰ ভোগ-আশাক নিৰ্মূল কৰি সাংসাৰিক ভাৱক দলিয়াই পেলাই তেওঁৰ চৰণ যুগল সাবটি লওঁ, কেতিয়া তেওঁৰ পদ-সেৱাৰ যোগ্য হৈ তেওঁৰ পদ-সেৱাকেই জীৱনৰ ভোগ কৰি পৰিচৰ্যা কৰোঁ, কেতিয়ানো ভগৱানে তেওঁৰ স্বকীয় অতি শীতল চকুৰে মোলৈ চাই, স্নিগ্ধ, গম্ভীৰ, মধুৰ কথাৰে পৰিচৰ্যা কৰিবলৈ মোক আজ্ঞা দিয়ে,– এইদৰে ভগৱানৰ সেৱাৰ আশাকেই মনত বান্ধি লৈ, তেওঁৰ প্ৰসাদৰ দ্বাৰায় বৰ্দ্ধিত আশাৰে তেওঁৰ ওচৰ চাপি, দূৰৰপৰাই শ্ৰীলক্ষ্মীদেৱীৰ লগত অনন্ত-ফণা-স্থিত, বৈনতেয় গৰুড় আদিৰ দ্বাৰা সেৱিত শ্ৰীমৎনাৰায়ণক প্ৰণাম কৰি উঠি উঠি আকৌ প্ৰণাম কৰি, ভক্তি আৰু বিনয়েৰে অৱনত হৈ, তেওঁৰ পাৰ্ষদ, গণনায়ক আৰু দ্বাৰপালসকলৰ কৃপা আৰু স্নেহযুক্ত দৃষ্টিৰ পাত্ৰ হৈ আৰু তেওঁলোকক বন্দনা কৰি তেওঁলোকৰ কথাৰেই উৎসাহিত হৈ ভগৱন্তৰ ওচৰ চাপি মূলমন্ত্ৰেৰে "মোক ঐকান্তিক আৰু আত্যন্তিক পৰিচৰ্যাৰ নিমিত্তে কৃপা কৰি গ্ৰহণ কৰক"– এইদৰে যাচ্ঞা কৰি প্ৰণাম কৰি আত্ম-নিবেদন কৰিব লাগে। তেতিয়া ভগৱানে নিজেই প্ৰাণশক্তিদায়ী, প্ৰেমপূৰ্ণ চকুৰে চাই সকলো ঠাই, সকলো সময়, সকলো অৱস্থাতেই অনন্ত নাগৰ দৰে সেৱা কৰিবলৈ তোমাক আজ্ঞা দিলে বদ্ধাঞ্জলিৰে তেওঁক উপাসনা কৰিব লাগে। তেতিয়া তেওঁৰ গৰিমা অনুভৱ কৰি, আন একো কৰিবলৈ, চাবলৈ বা স্মৰণ কৰিবলৈও অশক্ত হৈ অনন্ত নাগৰ ব্ৰতকেই যাচ্ঞা কৰি নিমেষ নোহোৱাকৈ তেওঁৰ ৰূপকেই ধ্যান কৰি থাকিবা। তেতিয়া ভগৱানে তেওঁৰ স্নিগ্ধ, সঞ্জীৱন চকুৰে চাই, হাঁহিমুখে মাতি, সকলো ক্লেশাৰহ, সুখৰ আকৰ চৰণ-যুগল তোমাৰ শিৰত দিলে, সেই চৰণ পদ্ম-যুগল ধ্যান কৰি অমৃত-সাগৰত বুৰ দি সম্পূৰ্ণ সুখ ভোগ কৰি থাকিবা।

বেদান্ত-ভাষ্যত যি শৰণ-পদ্ধতি গুপ্ত আছিল, এই গদ্যপুথিত তাক প্ৰকাশ কৰা হ'ল।

এয়ে আচাৰ্য ৰামানুজৰ ধ্যানযোগ দৃষ্ট আৰু ভক্তিৰ চৰম লক্ষ্য-স্বৰূপ নাৰায়ণৰ দিব্যমূৰ্তিৰ উপলব্ধি। নিপুণ চিত্ৰকৰে যেনেকৈ তুলিকাৰ পৰশেৰে দিব্যমূৰ্তি একোটি উজ্জীৱিত কৰি তোলে, ওপৰত তুলি দিয়া বৰ্ণনাতো সেই দিব্যমূৰ্তিৰ চিত্ৰ এটি ফুটি ওলাইছে। তাত বাজেও ভক্তৰ গভীৰ ভাৱৰ আকুল আৱেগ এটি ইয়াত আছে। তেওঁৰ ভক্তিৰ চৰম আদৰ্শ নাৰায়ণৰ নিত্য-স্বামিত্ব বা প্ৰভু ভাব আৰু ভক্তৰ নিত্য-দাস্য বা শেষভাৱ অৰ্থাৎ অনন্ত নাগৰ দৰে মূৰৰ ওপৰত ভগৱানৰ পাৱ সাবটি লোৱা অৱস্থা। ভক্তৰ এই সেৱক-ভাবো ঐকান্তিক আৰু আত্যন্তিক।

আচাৰ্যৰ এই ধ্যান-দৃষ্ট মূৰ্তিৰ অনুৰূপ দেখা যায় কীৰ্তন-পুথিৰ গুৰিত থকা "ধ্যান বৰ্ণন" অধ্যায়ত। আচাৰ্যৰ বৈকুণ্ঠ-বৰ্ণন আৰু মহাপুৰুষ শংকৰৰ বৈকুণ্ঠ-বৰ্ণন হুবহু মিলে, নাৰায়ণৰ ৰূপ-বৰ্ণনাও এটিক চালে আনটো চাব নলগা যেন। কেৱল দুই-এটি পদৰ কম-বেছি আছে মাথোন। আচাৰ্যৰো ভগৱানৰ পক্ষত নিত্য-স্বামিত্ব আৰু ভক্তৰ পক্ষত নিত্য-দাস্যভাব। শংকৰদেৱৰো ভগৱানৰ পক্ষত নিত্য-স্বামিত্ব আৰু ভক্তৰ পক্ষত নিত্য-দাস্যভাব।

আচাৰ্যৰ সম্প্ৰদায়ে "ঐকান্তিক আৰু আত্যন্তিক ভক্তি" যেনেভাৱে পালন কৰে, শংকৰদেৱ-প্ৰবৰ্তিত সম্প্ৰদায়বোৰেও তেনেভাৱে পালন কৰে। ৰামানুজ-পন্থীসকলৰ আন দেৱ-দেৱীৰ প্ৰতি যেনে ভাব "শিবাং পৰতৰং ন হি", "দ্ৰোণমন্তি ততঃ পৰং" ইত্যাদি আচাৰ্যদেৱৰ সম-সাময়িক ঘটনাৰ দ্বাৰায় আগ্ৰেয়ে দেখুওৱা হৈছে। শংকৰদেৱেও বিষ্ণুত বাজে আন দেৱ-দেৱীৰ বেলেগ সেৱাৰ সফলতা স্বীকাৰ নকৰে।

তাত বাজেও আন এটি কথাত দুজনৰেই মিল দেখা যায়। শংকৰদেৱৰ চৰিতত আছে যে তেওঁ আগৰ ডোখৰত যোগাভ্যাস কৰি বহুত অদ্ভুত যোগ-প্ৰক্ৰিয়া দেখুৱাইছিল। ব্যক্তিগত সাধনা স্বৰূপে ৰাখিলেও পিছৰ কালত তেওঁ যোগাভ্যাসতকৈ ভক্তিকহে মুক্তিৰ গৰাকী বুলি লোকক শিকাইছিল। আচাৰ্য ৰামানুজ যোগৰ ঘোৰ বিৰোধী আছিল। মুক্তিৰ উপায় স্বৰূপে যোগৰ তেওঁ কোনো সাৰ্থকতা নেদেখিছিল। গোবিন্দপাদ্ৰ নামে তেওঁৰ শিষ্য এজনে যোগাভ্যাস কৰা বুলি শুনি আচাৰ্যদেৱে যোগাভ্যাসৰপৰা তেওঁক বিৰত কৰিছিল। সামাজিকভাৱেও অসমত যেনে ভেশ লৈ ঘৰ-বাৰী এৰি যোৱা বৈষ্ণৱী নাই, আচাৰ্যদেৱেও তিৰোতাক ভেশ লৈ বৈষ্ণৱী সাজিবলৈ নিদিছিল। অসমীয়া নাম-ঘৰত যেনেকৈ পুৰুষ ভকত আৰু স্ত্ৰী-গোপিনীৰ বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ সময়ত নাম-কীৰ্তন আদি হয়, আচাৰ্যদেৱেও স্ত্ৰী-পুৰুষৰ নাম-প্ৰসংগৰ ঠাই বেলেগে নিৰ্দ্ধাৰিত কৰিছিল। অৱশ্যে এইবোৰ উপকৰা কথা। আন আন বিষয়ত দুয়ো মহাপুৰুষৰেই ভিন্ন ভাব আছে আৰু সেই অনুসাৰে সাম্প্ৰদায়িক প্ৰভেদো আছে। দুয়ো সম্প্ৰদায়ৰেই শৰণ-মন্ত্ৰ বেলেগ। আচাৰ্যদেৱৰ মন্ত্ৰ কেৱল "নাৰায়ণ" নামাত্মক; তেওঁ কৃষ্ণ-ৰূপ স্বীকাৰ কৰা নাই, শংকৰদেৱে 'নাৰায়ণ'ক 'ব্ৰহ্মৰূপী সনাতন' আৰু 'সৰ্ব অৱতাৰৰ কাৰণ' বুলি স্বীকাৰ কৰি, 'শ্ৰীকৃষ্ণক' নাৰায়ণ অৱতাৰ বুলি ধৰিছে– "পাছে নাৰায়ণ যদুবংশে অৱতৰি" (দশম)। নাৰায়ণৰ এই কৃষ্ণ ৰূপৰ গুণলীলা আদিত মজি, হেজাৰ হেজাৰ পদত এই কৃষ্ণ ৰূপৰ সৌন্দৰ্যকেই শংকৰদেৱে প্ৰচাৰ কৰিছে।

ইয়াতেই আৰু এটি কথা মন কৰিব লগীয়া। বঙালী লেখকৰ কথা নধৰিলেও, বহুত অসমীয়া লেখকেও শংকৰদেৱৰ আলোচনাত পাকে-প্ৰকাৰে নানান অমিল কথাৰে অসমীয়া বৈষ্ণৱ মতক চৈতন্যদেৱৰ বৈষ্ণৱ মতৰ সামীল কৰিব খোজে। বংগদেশী বৈষ্ণৱ মত অনুসাৰে শ্ৰীকৃষ্ণলীলাই নিত্য আৰু সেই অনুসাৰে তেওঁলোকে শ্ৰীকৃষ্ণলীলাৰ কেন্দ্ৰস্থান, বৃন্দাবন-লীলাক "নিত্য বৃন্দাবন"-ৰূপে স্বীকাৰ আৰু ধ্যান কৰে। ৰামানুজ সম্প্ৰদায় অনুসাৰে নাৰায়ণ-ৰূপ আৰু বৈকুণ্ঠ ধাম নিত্য শ্ৰীকৃষ্ণ "বিলাস" ৰূপ, বংগদেশী বৈষ্ণৱ মত অনুসাৰে শ্ৰীকৃষ্ণ-ৰূপ আৰু বৃন্দাবন-লীলা নিত্য আৰু বৈকুণ্ঠধাম "বিলাস" প্ৰকাশ, নাইবা সৰল কথাৰে ক'ব লাগিলে ৰামানুজৰ মতে "নাৰায়ণ" অৱতাৰী "শ্ৰীকৃষ্ণ" "অৱতাৰ", চৈতন্যদেৱৰ মতে শ্ৰীকৃষ্ণ অৱতাৰী "নাৰায়ণ" অৱতাৰ। শংকৰদেৱৰ মতেও "নাৰায়ণ" অৱতাৰী, "শ্ৰীকৃষ্ণ" অৱতাৰ, "সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ", "পাছে নাৰায়ণ যদুবংশে

অৱতৰি”। শংকৰদেৱৰ নাম মন্ত্ৰৰ ভিতৰত “নাৰায়ণ” নাম আছে; চৈতন্যদেৱৰ নাম মন্ত্ৰত “নাৰায়ণ” নাম নাই। ৰামানুজ মন্ত্ৰত কেৱল “নাৰায়ণ” নামহে আছে।

এইবোৰ আৰু আন আন কথা ভালকৈ আলোচনা কৰি চালে এইটো স্পষ্টতঃ দেখা যায় যে বংগদেশী আৰু অসমীয়া বৈষ্ণৱ মতৰ ভিতৰত মৌলিক পাৰ্থক্য সৰ্বতোভাৱে বৰ্তমান আছে। অথচ অসমীয়া বৈষ্ণৱ মত সম্পূৰ্ণ শ্ৰীসম্প্ৰদায়ী বৈষ্ণৱ মতো নহয়। ইতিহাসৰ কালৰপৰা চাব লাগিলে হয়তো অনুমান কৰিব পাৰি যে সুদীৰ্ঘ বাৰ বছৰ ব্যাপী তীৰ্থ ভ্ৰমণৰ সময়ত শ্ৰীশংকৰদেৱে শ্ৰীজগন্নাথ ক্ষেত্ৰ আদিত ৰামানুজ সম্প্ৰদায়ৰ বৈষ্ণৱ মতৰ সংঘৰ্ষলৈ আহিছিল। সেই সংঘৰ্ষৰ ফল-স্বৰূপেই হওক বা তেওঁৰ আধ্যাত্মিক প্ৰতিভাৰ স্বাভাৱিক গতি অনুসাৰেই হওক, তেওঁৰ প্ৰতিপাদিত বৈষ্ণৱ মত বঙালী বৈষ্ণৱ মতটোকৈ সম্পূৰ্ণ বেলেগ হোৱাত বাজেও, শ্ৰীসম্প্ৰদায়ী মতটোকৈও ভালেমান গুণত বেলেগ।